...t to be lent

মোৰ সত্য অন্বেষণৰ কাহিনী

মহাত্মা গান্ধীৰ আত্মজীৱনী

(অসমীয়া ভাঙনি)

ASSAM GOVT. PUBLIC LIBR...
G
Date 294.595
Ge/15 Mor.
SHILLONG

[চতুৰ্থ সংস্কৰণ]

STATE CENT...
ASSA...

অনুবাদক—

শ্ৰীযুত অমিয় কুমাৰ দাস

প্ৰকাশক—
শ্ৰীতীৰ্থনাথ শৰ্ম্মা
গান্ধী সাহিত্য পৰিষদ, গুৱাহাটী

5032

,50
MOR

মূল্য—৬৲

2796/RR2/A/RF

এলম্ প্ৰেছ
৬৩নং বিডন ষ্ট্ৰীট, কলিকতা
শ্ৰীদেৱপ্ৰসাদ মিত্ৰৰ দ্বাৰা ছপা হল।

প্ৰকাশকৰ নিবেদন

চতুৰ্থ সংস্কৰণ

গান্ধীজীৰ বাণী অসমৰ ঘৰে ঘৰে প্ৰচাৰিত হোৱা উচিত—এই কথা ভাৰতবৰ্ষক মাতৃভূমি বুলি গৰ্ব্ব কৰোঁতা ভাৰতীয় মাত্ৰেই স্বীকাৰ কৰিব। গান্ধীজীৰ জীৱনেই তেওঁৰ শিক্ষাৰ সাৰভূত মূৰ্ত্তবিকাশ। গান্ধীজীয়ে নিজেও এই কথা বহুবাৰ কৈছিল বোলে "মোৰ জীৱনেই মোৰ বাণী।" গান্ধী-শিক্ষাৰ সাৰভূত কথা হৈছে সত্য-ঈশ্বৰৰ অন্বেষণ। সেই দেখি তেওঁ স্বৰচিত জীৱন-বৃত্তান্তৰ যথাৰ্থ আখ্যা দিছিল "মোৰ সত্য অন্বেষণৰ কাহিনী" বুলি। গুজৰাটীত এই গ্ৰন্থৰ নাম "সত্যনু প্ৰযোগ"। ইংৰাজীত "My experiments with truth" 'প্ৰযোগ' বা 'অন্বেষণ' যিহকে বোলো এটা কথাৰ ব্যঞ্জনা এই নামকৰণত পোৱা যায়। সত্য কোনটো অসত্য কোনটো এই বিষয়ে মানুহৰ দ্বিধা বা সন্দেহ হোৱাৰ কাৰণ নাই। অন্তৰত কপটতা বা ছলনা নাথাকিলে শুদ্ধ অন্তৰত সত্য কোনটো, এই ধাৰণা আপোনা-আপুনি প্ৰতিভাত হয়। প্ৰকৃত কথা হৈছে যেতিয়া সিটো কথা সত্য বুলি অন্তৰত ধাৰণা হয়, তাক প্ৰাণপণে জীৱনৰ কাৰ্য্যত প্ৰযোগ কৰা। "সত্য পালন কৈসে হো" এই নামৰ এটা প্ৰবন্ধত[১] গান্ধীজীয়ে লিখিছে "এজনী গৰু বচাবলৈ মিছা কথা কোৱা উচিত নে অনুচিত এনেবোৰ আউলীয়া কথাত লাগি থাকোঁতে নিতৌ চকুৰ আগত ঘটা কথাবোৰলৈ আমি যদি পিঠি দিওঁ, তেনেহলে সত্য-পালন সম্ভৱ হব নোৱাৰে। এনেদৰে গভীৰ পানীত সোমাবলৈ বিচৰাটো সত্যক ঢাকি ৰাখিবলৈ কৰা অপচেষ্টাহে বুলিব পাৰি। যেতিয়া যিটো সমস্যা আমাৰ

১। "আশ্ৰমবাসীয়োঁ সে" বোলা হিন্দী কিতাপৰ এটা প্ৰবন্ধ। এই গ্ৰন্থৰ প্ৰকাশক দিল্লীৰ "সস্তা-সাহিত্য মণ্ডল।"

আগত পৰেহি তত্তালিকে সেই বিষয়ে যদি আমি সত্য পালন কৰি যাওঁ, তেনেহলে কঠিন সমস্যা বোৰত সত্যৰক্ষা কৰিবলৈ কি কৰিব লাগিব তাৰ জ্ঞান আপোনা আপুনি হব।"

গতিকে সত্য কি—সত্য কোনটো এই বিষয়ে মূৰ ঘমোৱাত বেচি সময় নিনিয়াই অন্তৰত প্ৰতিভাত হোৱা সত্যক জীৱনত প্ৰযোগ কৰাই জীৱনৰ উদ্দেশ্য। গান্ধীজীৰ মতে কোনো সত্যই শুষ্ক তথ্য মাত্ৰ হব নোৱাৰে? তাৰ এটা প্ৰযোগমূলক উদ্দেশ্য আছে। আকাশৰ গ্ৰহ নক্ষত্ৰৰ গতি বিধি পৰ্য্যবেক্ষণ কৰাটোও তেওঁৰ মতে আধ্যাত্মিক-সাধনাৰ অঙ্গ মাথোন।[২] এনেবোৰ কাৰণতে 'গান্ধী-জীৱন' সত্য-প্ৰযোগ বা অন্বেষণৰ জীৱন। এই জীৱনৰ যথাযথ আলোচনা কৰিব পাৰিলেই পৃথিবীৰ অন্যতম যুগাৱতাৰৰ বাণীসমূহ উপলব্ধি কৰা হব। এই কাৰণেই গান্ধী-সাহিত্য পৰিষদৰ প্ৰথম নিবেদন স্বৰূপে "মোৰ সত্য অন্বেষণৰ কাহিনীৰ" সম্পূৰ্ণ অনুবাদ আগবঢোৱা হল।

যোগ্যজনে এই গ্ৰন্থৰ অনুবাদ কৰিছে বুলি যথেষ্ট আত্মপ্ৰত্যয়েৰে সৈতে আমি কব পাৰোঁ। যৌৱনৰ আৰম্ভণিৰে পৰা গান্ধীজীৰ আদৰ্শত নিজৰ জীৱন গঠিত কৰিবলৈ শ্ৰীঅমিয়কুমাৰ দাসে সাধ্য অনুসৰি চেষ্টা কৰি আহিছে। গান্ধী-গ্ৰন্থৰ অনুবাদৰ আটাইতকৈ ডাঙৰ যোগ্যতা এইটোৱেই। অসমত গান্ধী-সাহিত্য প্ৰচাৰ কাৰ্য্যত শ্ৰীযুত দাসেই প্ৰথম পথ-প্ৰদৰ্শক। ১৯৩০ চনৰ আইন আন্দোলনৰ পিচৰ আপেক্ষিক ৰাজনৈতিক অলসতাৰ বছৰ কেইটা শ্ৰীযুত দাসে প্ৰধানকৈ সাহিত্য সাধনাত লগাইছিল। বাঁহীৰ সম্পাদনা আৰু গান্ধী-আদৰ্শ প্ৰচাৰেই আছিল সেই সাধনাৰ অৱলম্বন। এই কাল ডোখৰতে অসমত ৰাজনৈতিক সাহিত্যৰ জন্ম হয় বুলিব লাগে। এই কাৰ্য্যত তেখেতৰ সহযোগী আছিল ৺হেম বৰুৱা। অসমৰ ৰাজনীতিত হেম-

---

২। 'আশ্ৰমবাসীয়েঁ। সে' গ্ৰন্থৰ "আকাশ দৰ্শন" নামৰ প্ৰবন্ধ চাওক।

অমিয় মিলন অকল আদৰ্শগত বন্ধুত্বৰ নিদৰ্শনেই নাছিল, সেই সময়ৰ ডেকা সকলৰ প্ৰেৰণাৰ স্থলো আছিল। তেখেত সকলৰ উজান বজাৰৰ বহা সেই সময়ৰ বিদ্ৰোহী ডেকাৰ তীৰ্থস্থলী আছিল। অসমীয়া সাহিত্যৰ পক্ষেও হেম-অমিয়ৰ মণিকাঞ্চন সংযোগ এটা শুভ-সংস্থান হৈ পৰিছিল। এই কালতে মেজমেলত মহাত্মা 'অনশনত মহাত্মা', 'কংগ্ৰেছৰ বুৰঞ্জী,' 'ভাৰতৰ ৰাজকীয় ঋণ' আদি গ্ৰন্থ ৰচিত হৈছিল। "মোৰ সত্য অন্বেষণৰ কাহিনী"ও এই কাল ছোৱাৰ সাহিত্য সাধনাৰ ফল। এই অনুবাদ প্ৰথম প্ৰকাশিত হয় ১৯৩৫ চনত, প্ৰকাশক ৺হেম বৰুৱা। তাৰ পিচত দ্বিতীয় সংস্কৰণ ছপা হৈ ওলায় ১৯৪০ চনত। কলিকতা বিশ্ববিদ্যালয়ে এই গ্ৰন্থৰ মোল উপলব্ধি কৰি সেই বছৰেই ইয়াক মেট্ৰিকুলেছন পৰীক্ষাৰ উপৰুৱা পাঠ্য-পুথি হিচাপে অনুমোদন কৰে। তাৰ পিচৰ কালছোৱা ৰাজনৈতিক নিৰ্য্যাতনৰ কাল। গতিকে তৃতীয় সংস্কৰণৰ অত্যন্ত প্ৰয়োজন হোৱা সত্বেও সময মতে আকৌ ছপাই উলিয়াব পৰা নগল। ১৯৪৬ চনত তৃতীয় সংস্কৰণ ছপা হৈ ওলায়। বৰ্ত্তমান এই গ্ৰন্থৰ চতুৰ্থ সংস্কৰণৰ গুৰুত্বও একাধিক।

প্ৰথম কথা আগৰ সংস্কৰণ কেইটা পূৰ্ণাঙ্গ নাছিল। শেহৰ ছোৱাৰ অনুবাদ তাত নাছিল। বৰ্ত্তমান সংস্কৰণ সম্পূৰ্ণ-অনুবাদ। পোনতে ১ম ছোৱা উলিয়াই পিচত দ্বিতীয় ছোৱা উলিওৱাৰ কথা আছিল। নানা কাৰণত সি হৈ নুঠিল।

১৯৫১ চনৰ অক্টোবৰত গান্ধী জয়ন্তীৰ দিনা গান্ধী সাহিত্য পৰিষদৰ প্ৰতিষ্ঠা কৰা হয়। শ্ৰীযুত দাস এই পৰিষদৰ সভাপতি। এই পৰিষদৰ প্ৰধান উদ্দেশ্য গান্ধীজীৰ আদৰ্শ আৰু উপদেশৰ প্ৰচাৰ। বৰ্ত্তমান গ্ৰন্থ সেই উদ্দেশ্য পালনৰ অৰ্থেই প্ৰকাশ কৰা গ'ল। গান্ধী সাহিত্য পৰিষদৰ এইয়ে প্ৰথম নিবেদন। আশা কৰোঁ। দ্বিতীয় নিবেদনো অলপতে ৰাইজক ভেটাব পাৰিম।

এই গ্ৰন্থৰ প্ৰকাশৰ সমস্ত ব্যয় শ্ৰীযুত দাসেই বহন কৰিছে আৰু ইয়াৰ লভ্যাংশও তেখেতে পৰিষদকে দিছে। এই কথা উল্লেখ কৰা নিষ্প্ৰয়োজন হলেও পৰিষদৰ সম্পাদক হিচাপে তেখেতৰ দানৰ শলাব লবলৈকে উনুকিয়ালোঁ।

গান্ধী-গ্ৰন্থৰ অনুবাদ আৰু প্ৰকাশৰ অনুমতি গুৱাহাটীৰ চানমাৰি সৰ্ব্বসেৱা আশ্ৰমৰ অধ্যক্ষ শ্ৰীযুত খগেশ্বৰ ভূঞাই আমালৈ হস্তান্তৰিত কৰাত আমি তেখেতৰ শলাগ লৈছোঁ। অনুমতিৰ মূল গিৰিহঁত "নৱজীৱন ট্ৰাষ্ট"--লৈকো আমাৰ কৃতজ্ঞতা জনাইছোঁ। ইতি—

গুৱাহাটী
১৬।১০।৫২

বিনীত
শ্ৰীতীৰ্থনাথ শৰ্ম্মা,
সম্পাদক—গান্ধী সাহিত্য পৰিষৎ।

প্ৰথম সংস্কৰণ

মহাত্মা গান্ধীৰ—"মোৰ সত্য অন্বেষণৰ কাহিনী"ৰ অসমীয়া ভাঙনি অসমীয়া পাঠক সমাজৰ ওচৰত আগ বঢ়োৱা হল। যোৱা বছৰ মই নগাঁও জেলত আটক থকাৰ সময়তেই এই কাম ছপাখানাত দিয়া হৈছিল। কিন্তু নানান্ অসুবিধাৰ বাবে কিতাপখন ছপা হৈ ওলাওতে অলপ পলম হল। অসমীয়া পাঠক সমাজে বিশ্ব-সাহিত্যৰ এই অমূল্য গ্ৰন্থখনি আদৰ কৰি হাতত ললে আমাৰ পৰিশ্ৰম আৰু ব্যয় সাৰ্থক হব।

ইতি—

২৬।২।৩৫ — শ্ৰীহেমচন্দ্ৰ বৰুৱা

গুৱাহাটী — গুৱাহাটী।

তৃতীয় সংস্কৰণ

"মোৰ সত্য অন্বেষণৰ কাহিনীৰ" তৃতীয় সংস্কৰণ প্ৰকাশক হেমচন্দ্ৰ বৰুৱাৰ স্বৰ্গী হবৰ অলপ দিনৰ আগতে ছপাখানালৈ পাঠোৱা হৈছিল পাছে ছপাখানাৰ অসুবিধাৰ বাবে তেখেতৰ জীৱনকালত এই কিতাপ খনি ছপাখানাৰ উলিয়াব পৰা নহল। বৰ্ত্তমানে ছপাখানাৰ খৰচ তিনিগুণত কৈও সৰহ বঢ়াত বেচ এটকাৰ ঠাইত ২ টকা ধৰা হল।

ইতি—

তেজপুৰ
৬-৪-৪৬ — শ্ৰীঅমিয়কুমাৰ দাস

বিষয়-সূচী

(প্ৰথম ভাগ)

	পাতনি	।०
১।	জন্ম আৰু বংশ পৰিচয়	১
২।	শৈশৱ	৫
৩।	বাল্যবিবাহ	৮
৪।	স্বামীৰ প্ৰভুত্ব	১২
৫।	হাইস্কুলত	১৬
৬।	জীৱনৰ শোক লগা ঘটনা	২২
৭।	ঐ	২৭
৮।	চুৰি আৰু প্ৰায়শ্চিত্ত	৩৩
৯।	পিতৃবিয়োগ আৰু মোৰ লাজৰ কাহিনী	৩৭
১০।	ধৰ্ম্ম জীৱনত ভুমুকি	৪১
১১।	বিলাত যাত্ৰাৰ আয়োজন	৪৭
১২।	সমাজচ্যুত	৫৩
১৩।	কোনোমতে লণ্ডনত	৫৭
১৪।	মোৰ বাছনি	৬২
১৫।	ইংৰাজ ভদ্ৰলোকৰ ভাৱত	৬৭
১৬।	পৰিবৰ্ত্তন	৭২
১৭।	আহাৰ সম্বন্ধে পৰীক্ষা	৭৭
১৮।	লাজকুৰীয়া স্বভাৱেই মোৰ ঢাল	৮২
১৯।	মিছাৰ কেৰোণ	৮৮
২০।	ধৰ্ম্মৰ লগত পৰিচয়	৯৩
২১।	ৰাম নামেই নিৰ্ব্বলীৰ বল	৯৮

২২ ।	নাৰায়ণ হেমচন্দ্ৰ	১০১
২৩ ।	বিৰাট প্ৰদৰ্শনী	১০৭
২৪ ।	বেৰিষ্টাৰ হলোঁ—কিন্তু তথাপিও	১১০
২৫ ।	মোৰ সহায়হীনতা	১১৪

(দ্বিতীয় ভাগ)

১ ।	ৰায় চন্দভাই	১১৮
২ ।	মোৰ সংসাৰ প্ৰৱেশ	১২২
৩ ।	মোৰ প্ৰথম মোকৰ্দ্দমা	১২৭
৪ ।	প্ৰথম আঘাত	১৩২
৫ ।	দক্ষিণ আফ্ৰিকালৈ যাত্ৰাৰ আয়োজন	১৩৭
৬ ।	নেটালত	১৪০
৭ ।	ঐ	১৪৫
৮ ।	প্ৰেটোৰিয়ালৈ যাত্ৰা	১৫০
৯ ।	বাটত আৰু বিঘিনি	১৫৬
১০ ।	প্ৰেটোৰিয়াত প্ৰথম দিন	১৬২
১১ ।	খ্ৰীষ্টীয়ানৰ লগত সংস্পৰ্শ	১৬৮
১২ ।	ভাৰতবাসীৰ লগত সংস্পৰ্শ	১৭৩
১৩ ।	কুলী হোৱাৰ ফল	১৭৭
১৪ ।	মোকৰ্দ্দমা সাজু কৰা	১৮২
১৫ ।	ধৰ্ম্মলৈ মোৰ উচ্ছ্বাস	১৮৬
১৬ ।	কালৰ কুটিলা গতি	১৯১
১৭ ।	নেটালত বহিলোঁ	১৯৫
১৮ ।	বৰ্ণ বিদ্বেষ	২০৬
১৯ ।	নেটাল ইণ্ডিয়ান কংগ্ৰেছ	২১০

২০। বাল সুন্দৰম ২১১
২১। ৩ পাউণ্ড টেক্স .. . ২২১
২২। ধৰ্ম্মৰ তুলনামূলক অধ্যয়ন ২২৫
২৩। গৃহী হিচাপে ২২৬
২৪। ঘৰমুৱা .. . ২৩১
২৫। ভাৰতত .. ২৩৬
২৬। ৰাজভক্তি আৰু শুশ্ৰূষা . ২৪১
২৭। বোম্বেৰ ৰাজহুৱা সভা . . ২৪৬
২৮। পুণা আৰু মাদ্ৰাজ . .. ২৫১
২৯। সোনকালে ওলোটা .. . ২৫৪

(তৃতীয় ভাগ)

১। ধুমুহাৰ আভাস ২৫৯
২। ধুমুহা ২৬২
৩। পৰীক্ষা ২৬৭
৪। ধুমুহাৰ পাছত শান্ত প্ৰকৃতি . .. ২৭১
৫। নবাচোৱালীৰ শিক্ষা ২৭৭
৬। সেৱাৰ ভাৱ ২৮২
৭। ব্ৰহ্মচৰ্য্য (১) . .. ২৮৫
৮। ব্ৰহ্মচৰ্য্য (২) ২৯০
৯। আড়ম্বৰহীন জীৱন ২৯৬
১০। বুৱৰ যুদ্ধ ২৯৯
১১। সংস্কাৰ ৩০৩
১২। ভাৰতলৈ প্ৰত্যাবৰ্ত্তন ৩০৫
১৩। ভাৰতবৰ্ষত ৩১১
১৪। কেৰেণী আৰু বেহাৰা ৩১৪

১৫।	কংগ্ৰেছত	..	৩১৭
১৬।	লৰ্ড কাৰ্জনৰ দৰবাৰ	..	৩২০
১৭।	গোখেলৰ লগত এমাহ (১)	..	৩২৩
১৮।	” ” ” (২)	..	৩২৭
১৯।	কাশীত	..	৩৩৪
২০।	বোম্বেলৈ যাত্ৰা	..	৩৪০
২১।	মোৰ বিশ্বাসৰ পৰীক্ষা	..	৩৪৩
২২।	পুনৰ দক্ষিণ আফ্ৰিকালৈ যাত্ৰা	..	৩৪৮

(চতুৰ্থ ভাগ)

১।	ট্ৰান্সভাললৈ যাত্ৰা	..	৩৫২
২।	এচিয়াৰ স্বেচ্ছাচাৰী সকল	..	৩৫৫
৩।	মোৰ অপমান	..	৩৫৮
৪।	ত্যাগৰ বাবে প্ৰেৰণা	..	৩৬১
৫।	আত্ম-বিশ্লেষণৰ ফল	..	৩৬৪
৬।	নিৰামিষ ভোজন প্ৰচাৰৰ হেপাহ	..	৩৬৮
৭।	মাটি আৰু পানী চিকিৎসাৰ পৰীক্ষা	..	৩৭১
৮।	সতৰ্কবাণী	..	৩৭৫
৯।	মোৰ সংগ্ৰাম	..	৩৭৮
১০।	পবিত্ৰ স্মৃতি	..	৩৮২
১১।	য়ুৰোপীয়ৰ লগত ঘনিষ্ঠ সম্পৰ্ক (১)	..	৩৮৬
১২।	” ” ” ” (২)	..	৩৯০
১৩।	বাতৰি কাকতৰ সম্পাদক	..	৩৯৪
১৪।	ভাৰতীয়ৰ নিৰ্দিষ্ট বাসস্থান	..	৩৯৭
১৫।	ব্লোক প্লেগ (১)	..	৪০১
১৬।	” (২)	..	৪০৪

১৭। প্লেগ বেমাৰৰ বিস্তাৰ ৰোধ ৪০৭

১৮। এখন কিতাপৰ প্ৰভাৱ ৪১০

১৯। ফিনিক্সৰ উপনিবেশ ৪১৪

২০। প্ৰথম নিশা ৪১৭

২১। ফিনিক্সৰ উপনিবেশ ৪২৩

২২। সাংসাৰিক জীৱনত ভুমুকি ৪২৭

২৩। জুলু বিদ্ৰোহ ৪৩২

২৪। অন্তৰৰ প্ৰশ্ন ৪৩৬

২৫। সত্যাগ্ৰহ . .. ৪৪০

২৬। কস্তুৰীবাইৰ সাহ ৪৪৫

২৭। গাৰ্হস্থ্য জীৱনত সত্যাগ্ৰহ ৪৫৫

২৮। আত্ম-সংযমৰ বাটত ৪৫৪

২৯। উপবাস ৪৫৭

৩০। শিক্ষক হিচাপে ৪৬১

৩১। লিখা পঢ়া শিকোৱা ৪৬৪

৩২। আধ্যাত্মিক শিক্ষা ৪৬৭

৩৩। উলুৰ লগত বগৰী ৪৭১

৩৪। প্ৰায়শ্চিত্তৰ মাহাত্ম্য ৪৭৩

৩৫। সত্যাগ্ৰহ আন্দোলনৰ শেহত .. ৪৭৭

৩৬। যুদ্ধত মোৰ সহযোগ ৪৮০

৩৭। যুদ্ধত সহযোগ আৰু অহিংসা নীতি .. ৪৮৩

৩৮। সৰুসুৰা সত্যাগ্ৰহ ৪৮৬

৩৯। গোখেলৰ বদান্যতা ৪৯২

৪০। প্লুৰেছীৰ চিকিৎসা ৪৯৫

৪১। ভাৰতবৰ্ষলৈ যাত্ৰা ৪৯৮

৪২।	ওকালতীৰ কেইটামান স্মৃতি.. ..	৫০০
৪৩।	প্ৰতাৰণাৰ দোষাৰোপ	৫০৪
৪৪।	প্ৰথমে মক্কেল পিছত সহকৰ্ম্মী ..	৫০৬
৪৫।	স্পষ্টবাদিতাৰ জয়	৫০৮

(পঞ্চম ভাগ)

১।	প্ৰথম অভীজ্ঞতা	৫১৩
২।	গোখেলৰ লগত পুণাত	৫১৬
৩।	ই ভয় দেখুৱানে	৫১৯
৪।	শান্তি নিকেতনত	৫২৪
৫।	তৃতীয় শ্ৰেণীৰ যাত্ৰী সকলৰ দুৰ্গতি ..	৫২৮
৬।	ভাৰত সেৱক সমিতিৰ সোমামনে ..	৫৩১
৭।	কুম্ভমেলা	৫৩৩
৮।	লছমন ঝোলা	৫৩৯
৯।	আশ্ৰম প্ৰতিষ্ঠা ..	৫৪৪
১০।	আমাৰ পৰীক্ষা .. .	৫৪৭
১১।	কুলীচালান প্ৰথা গুচোৱা	৫৫৩
১২।	নীলখেতিৰ কলঙ্ক	৫৫৮
১৩।	বিনয়ী বিহাৰী	৫৬১
১৪।	অহিংসাৰ পৰীক্ষা	৫৬৮
১৫।	মোকৰ্দ্দমা তুলি লোৱা হল ..	৫৭১
১৬।	আমাৰ কাৰ্য্য পদ্ধতি	৫৭৫
১৭।	সহকৰ্ম্মী সকল	৫৭৯
১৮।	গাঁৱৰ ভিতৰত সোমোৱা	৫৮৩
১৯।	যেতিয়া গভৰ্ণৰ ভাল হয়	৫৮৬
২০।	ৰজুৱাৰ লগত সম্পৰ্ক	৫৮৮

২১।	আশ্ৰমত ভুমুকি	৫৮২
২২।	অনশন	৫৯৫
২৩।	খেদা সত্যাগ্ৰহ	৬০১
২৪।	পিয়াজচোৰ	৬০৩
২৫।	খেদা সত্যাগ্ৰহৰ সমাপ্তি	৬০৭
২৬।	একতাৰ বাবে আগ্ৰহ . .	৬০৯
২৭।	সৈন্য সংগ্ৰহৰ অভিযান . ..	৬১৪
২৮।	মৃত্যুৰ দুৱাৰ দলিত . ..	৬২৩
২৯।	ৰোলাট আইন ..	৬২৯
৩০।	সেই আচৰিত দৃশ্য	৬৩১
৩১।	সেই স্মৰণীয় সপ্তাহ (১) . ..	৬৩৮
৩২।	.. .. . (২) . .	৬৪৫
৩৩।	হিমালয় সদৃশ প্ৰকাণ্ড ভুল	৬৫০
৩৪।	নৱজীৱন আৰু ইয়ং ইণ্ডিয়া	৬৫২
৩৫।	পঞ্জাবত	৬৫৭
৩৬।	খিলাফত গোৰক্ষাৰ বিৰুদ্ধে নে ? ..	৬৬১
৩৭।	অমৃতচৰ কংগ্ৰেচ	৬৬৭
৩৮।	কংগ্ৰেচৰ ৰাজনীতিত প্ৰথম প্ৰৱেশ ..	৭৭২
৩৯।	খাদীৰ জন্ম	৬৭৬
৪০।	শেহত পোৱা হল	৬৭৯
৪১।	এটা উপদেশপূৰ্ণ কথোপকথন ..	৬৮৩
৪২।	বাঢ়ি অহা চল	৬৮৬
৪৩।	নাগপুৰত	৬৯১
৪৪।	মেলানি	৬৯২

মোৰ সত্য অন্বেষণৰ কাহিনী

পাতনি

মোৰ কেইজনমান অনুৰক্ত সহকৰ্ম্মীয়ে অনুৰোধ কৰাত চাৰি পাচ বছৰ পূৰ্ব্বতে মোৰ আত্মজীৱনী লিখিবলৈ মই গাত লৈছিলো আৰু মই লিখা আৰম্ভও কৰিছিলো। এখিলামান পাত লিখোঁতেই বোম্বেত গোলমাল (১৯২১ সনৰ ১৭ নবেম্বৰ তাৰিখৰ) আৰম্ভ হল। আৰু ফলত লিখাও আৰম্ভতে বন্ধ হল। এই ঘটনাৰ পাছত একাদিক্রমে এনেকুৱা কিছুমান ঘটনা ঘটিব ধৰিলে, যাৰ ফলত মই এৰৱাডা জেলত বন্দী হবলগীয়া হল। মই আন সকলো কাম বন্ধ কৰি আত্মজীৱনী লিখা শেষ কৰিব লাগিব বুলি মোৰ লগৰীয়া ফাটেকিয়াল শ্ৰীযুক্ত জয়ৰাম দাসে মোক বৰকৈ খাটিছিল। কিছুমান কিতাপ পঢ়িবলৈ স্থিৰ কৰি লৈছোঁ আৰু সেইবোৰ পঢ়া শেষ নোহোৱালৈকে আন কাম হাতত লব নোৱাৰো বুলি মই তেওঁক উত্তৰ দিলো। এৰৱাডা জেলত পূৰাকৈ থাকিবলগীয়া হলে শেষ হলহেতেন। কিন্তু কাম আৰম্ভ কৰিবলৈ এবছৰমান থাকোতেই মোক এৰি দিয়া হল। স্বামী আনন্দই এতিয়া পুনৰ সেই প্ৰস্তাৱ কৰিছে আৰু দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ বুৰঞ্জী শেষ কৰি, এতিয়া 'নৱ জীৱন'ত আত্ম-জীৱনী লিখিবলৈ মোৰ লোভ হৈছে। স্বকীয়াকৈ কিতাপৰ আকাৰত লিখিবলৈ স্বামীয়ে খাটিছিল, কিন্তু মোৰ সিমান আজৰি নাই; মই সপ্তাহে সপ্তাহে এটা এটা অধ্যায় লিখিব পাৰো।

কিন্তু এজন ঈশ্বৰ-ভীৰু বন্ধুৰ মনত বহুতো সন্দেহ আৰু মোৰ লগতে তেওঁৰো এই সম্বন্ধে বহুতো সন্দেহ হল। এদিনা মোৰ মৌনব্ৰতৰ সময়ত তেওঁ কলে—এই কাম হাতত লবলৈ আপোনাক কিহে লগালে?

আত্ম-জীৱনী লিখা পাশ্চাত্য জাতিৰ নিয়ম, পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত নপৰা কোনো এজন প্ৰাচ্যদেশৰ লোকে আত্মজীৱনী লিখা নাই। আৰু আপুনি লিখিব কি? ধৰক, যিবোৰক আজি নীতি বুলি মানিছে, সেইবোৰ যদি কালিলৈ এৰিব লগীয়া হয়? ধৰক, আজিৰ নীতিবোৰ কালিলৈ শুধৰাবলগীয়া হলে আপোনাৰ কথাত (লিখা নাইবা মুখৰ) যি সকলে নিজৰ নীতিবোৰ সংস্কাৰ কৰি লৈছে, তেওঁলোকক ভুল বাটলৈ নিয়া নহব নে? এতিয়া আপোনাৰ আত্ম-জীৱনী লিখা কাম নোলোৱাটোৱেই উচিত নহব নে?

এই যুক্তি মোৰ মনত লাগিল। কিন্তু প্ৰকৃততে মোৰ আত্ম-জীৱনী লিখা উদ্দেশ্য নহয়। জীৱনত সত্যৰ পৰীক্ষা সম্বন্ধে মোৰ যি অভিজ্ঞতা হৈছে, তাকেই মই লিখিবলৈ চেষ্টা কৰিম মাথোন। মোৰ জীৱন ইয়াৰ পৰীক্ষাৰ বাহিৰে আন একো নহয়। অৱশ্যে এইবোৰ লিখোতে মোৰ লিখাই আত্ম-জীৱনীৰ আকাৰ লব। প্ৰতি পাততে মোৰ পৰীক্ষাৰ বিবৰণ দিবলগীয়া হলেও মই লিখিম। মই বিশ্বাস কৰো যে মোৰ এইবোৰ পৰীক্ষাৰ এটা ধাৰাবাহিক বিবৰণ দিলে পাঠকসকলৰ উপকাৰ নোহোৱাকৈ নাথাকে। ৰাজনৈতিক ক্ষেত্ৰত মোৰ পৰীক্ষাৰ কথা অকল ভাৰতবৰ্ষতেই জ্ঞাত নহয়, সভ্য জগতৰ বহুতেই ইয়াৰ কথা শুনিছে। মোৰ কাৰণে এই বিলাকৰ একো মূল্য নাই আৰু মোক "মহাত্মা" বুলি যি উপাধি দিয়া হৈছে, মোৰ ওচৰত তাৰো মূল্য কম, মাজে সময়ে এই উপাধিয়েই মোক বেজাৰ দিছে।

যিয়েই হওক, আধ্যাত্মিক ক্ষেত্ৰত মোৰ পৰীক্ষাবোৰ,—যিবোৰ মই অকলেই মাথোন জানো আৰু যিবোৰৰ পৰা ৰাজনৈতিক ক্ষেত্ৰত কাম কৰিবলৈ মই শক্তি পাইছো, মই সেইবোৰ পৰীক্ষাৰ বিবৰণ দিম। পৰীক্ষাবোৰ প্ৰকৃততে যদি আধ্যাত্মিক হয়, তেন্তে আত্ম-প্ৰশংসাৰ বাট তাত নাই। মই যিমানেই ভাবোঁ আৰু অতীতৰ ফালে যিমানেই চকু ফুৰাই চাওঁ, সিমানেই মোৰ দোষ ক্ৰটীবোৰ মোৰ চকুত জল্ জল্ পটু

পট্টৈকে ওলাই পৰে। মই যি লক্ষ্য লৈ এই ত্রিছ বছৰে যি সাধনা কৰি আছো আৰু যাৰ বাবে কত নো দুখ ভুগিছো, সেই লক্ষ্য হৈছে আত্ম-উপলব্ধি অথাৎ ভগৱানক অন্তৰত উপলব্ধি কৰা অর্থাৎ মোক্ষ লাভ কৰা। মোৰ গোটেই জীৱনটো এই সাধনাতেই নিয়ন্ত্রিত হৈছে। মই যিবোৰ কাম কৰো, লিখাত নাইবা কথাত, ৰাজনৈতিক ক্ষেত্ৰত, —মোৰ সকলো কাম এই উদ্দেশ্যতেই নির্দিষ্ট হয়। কিন্তু মই সদায় বিশ্বাস কৰি আহিছো যে যি কাম এজনৰ বাবে সাধ্য হয়, সেই কাম অন্য সকলোৰে বাবেও সাধ্য হব। মোৰ সকলো পৰীক্ষা কোনো এন্ধাৰ খোটালিত কৰা নহয়, সকলোৰে আগত প্ৰকাশ্যেই মোৰ পৰীক্ষাৰ কাম কৰা হয় আৰু মই ভাবো যে ইয়াৰ পৰা এইবোৰ কামৰ আধ্যাত্মিক মূল্যৰ একো হানি নহয়। কিছুমান কাম আছে যিবোৰ ঈশ্বৰ আৰু কৰ্ত্তাজনেহে জানে। এইবোৰ জনাব নোৱাৰি। মোৰ পৰীক্ষাবোৰ এনেবিধৰ নহয়। কিন্তু সেইবোৰ কাম আধ্যাত্মিক, নাইবা নৈতিক বুলিও কব পাৰি। কাৰণ ধৰ্ম্মই হৈছে নীতি।

ধৰ্ম্মৰ যিবোৰ বিষয় লৰা, বুঢ়া, ডেকা গাভৰু সকলোৱেই বুজিব পাৰে, সেইবোৰ বিষয়হে মাথোন ইয়াত কোৱা হব। মই যদি এইবোৰ নিৰপেক্ষভাৱে, বিনয় আৰু নম্ৰতাৰে সৈতে আলোচনা কৰিব পাৰোঁ, তেন্তে এনেবিধৰ আন পৰীক্ষকেও জীৱনৰ যাত্ৰাত বহুতো সমল গোটাব পাৰিব। এইবোৰ পৰীক্ষাৰে মই সম্পূর্ণতাৰ দাবী কৰাটো নহয়। যিদৰে বৈজ্ঞানিক এজনে বৰ সাৱধানেৰে সৈতে পৰীক্ষা চলাওঁতেও তেওঁৰ সিদ্ধান্তবোৰেই শেষ বুলি নাভাবে আৰু সেই সম্বন্ধে নতুন কথা জানিবলৈ মন মুকলি কৰি ৰাখে, ঠিক তেনেদৰে ময়ো আত্ম-পৰীক্ষাৰে নিজৰ মাজতে নিজে সত্য-বস্তু বিচাৰি ফুৰিছো, নিজৰ প্ৰত্যেক মানসিক অৱস্থা ফঁহিয়াই চাইছোঁ আৰু তথাপিও সম্পূর্ণতা নাইবা অভ্ৰান্ততা সম্বন্ধে মই অলপমানো দাবী নকৰো। অৱশ্যে মই এটা দাবী কৰোঁ

আৰু সেইটো হৈছে মোৰ বাবে সেইবোৰ শুদ্ধ, মোৰ বাবে সেইবোৰ কিছুদিনলৈ শেষ সিদ্ধান্ত। কাৰণ সেইবোৰ মোৰ বাবে শুদ্ধ নহলে মই সেইবোৰৰ ওপৰত নিৰ্ভৰ কৰি মোৰ অন্য কামত হাত দিব নোৱাৰোঁ। যেতিয়ালৈকে মোৰ কামবোৰ মোৰ বুদ্ধি আৰু হিয়াৰ বাবে সন্তোষজনক হয়, তেতিয়ালৈকে মোৰ আদি সিদ্ধান্তবোৰত মই খামোচ্ মাৰি ধৰি থাকিম।

মোৰ নীতিবোৰ আলোচনা কৰিবলৈ হলে মোৰ আত্ম-জীৱন লিখাত পোনপটিয়াকৈ হাত নিদিলেও চলে। কিন্তু মোৰ উদ্দেশ্য হৈছে, মোৰ এই নীতিবোৰ মোৰ জীৱনত কেনেকৈ খটাইছো, তাৰ বিবৰণ দিয়া। এই সত্য হৈছে—অকল কথাৰ সত্যতাই নহয়, চিন্তাৰ সত্যতা, আৰু আমাৰ ভাৱৰ পৰস্পৰ সম্বন্ধৰ সত্যতাই নহয়—যি সত্য সকলো সত্যতকৈ স্বকীয়াকৈ আছে, যি মূল সত্য—অৰ্থাৎ ঈশ্বৰ। ঈশ্বৰৰ সংজ্ঞা অসংখ্য, কাৰণ তেওঁৰ প্ৰকাশ অসংখ্য। ঈশ্বৰৰ এই ৰূপ প্ৰকাশত মই স্তব্ধ হও, কিন্তু মই ঈশ্বৰক সত্য বুলিহে পূজা কৰো। তেৱেঁই অকল বাস্তৱ, অন্যবোৰ অবাস্তৱ। তেওঁক মই পোৱা নাই, কিন্তু মই তেওঁক পাবলৈকে যত্ন কৰি আছো। ইয়াৰ বাবে মোৰ সকলোতকৈ প্ৰিয় বস্তুও মই ত্যাগ কৰিব পাৰো। ইয়াৰ বাবে মোৰ জীৱন ত্যাগ কৰিবলগীয়া হলেও মই সাজু আছো। যেতিয়ালৈকে মই এই স্বকীয়া মূল সত্য উপলব্ধি কৰিব নোৱাৰো, তেতিয়ালৈকে মোৰ নিজৰ ভাৱৰ লগত সম্বন্ধ থকা সত্যকেই ধৰি থাকিম। এই সত্যই বাট দেখুৱাবলৈ মোৰ পোহৰ, মোক ৰক্ষা কৰিবলৈ ইয়েই মোৰ ঢাল। যদিও এই বাট পোন, ঠেক আৰু ক্ষুৰৰ দৰে চোকা, তথাপিও মোলৈ এয়েই সকলোতকৈ উজু আৰু পোন। মই এই বাটেদি চলা বাবে মোৰ হিমালয়সদৃশ ভ্ৰান্তিবোৰো তুচ্ছ। নিৰাশ হোৱাৰপৰা মোক এই বাটেই ৰক্ষা কৰি আহিছে। এই পোহৰে বাট দেখুৱামতে

মই ভাগ বাঢ়িছো। মাজে মাজে এই যাত্ৰাত সেই মূল-সত্যৰ জিলিকিনি দেখা যেন পাইছো আৰু তেৱেঁই যে অকল বাস্তৱ, অন্য সকলো যে অবাস্তৱ, মোৰ এই বিশ্বাস দিনে দিনে বাঢ়িছে। মোৰ এই বিশ্বাস কেনেকৈ বাঢ়িছে, যিসকলে এইবিলাক পঢ়িব, তেওঁলোকে বুজিব আৰু মোৰ পৰীক্ষাবোৰৰো ভাগ তেওঁলোকে লব পাৰে।

মোৰ বাবে যি সাধ্য হৈছে, এটা সৰু লৰাৰ বাবেও সেইটো সাধ্য, এই বিশ্বাসো মোৰ হৈছে আৰু এই কথাষাৰ কোৱাত মোৰ যুক্তি আছে। সত্য অনুসন্ধানৰ উপায় যেনেকৈ উগ্ৰ, তেনেকৈ টানো, আত্মম্ভৰী মানুহৰ পক্ষে ই অসম্ভৱ, সৰল শিশুৰ কাৰণে সম্ভৱ। সত্য অনুসন্ধিৎসু ধূলিকণাতকৈও নম্ৰ হব লাগিব। জগতে ধূলিকণা ভৰিৰ তলত মোহাৰি যায়, কিন্তু সত্য অনুসন্ধিৎসু ইমান নম্ৰ হব লাগিব যে আনকি, ধূলিকণায়ো তেওঁক মোহাৰিব পৰা হব লাগিব। তেতিয়াহে তেওঁ সত্যৰ জিলিকিনি দেখিব পৰা হব। বশিষ্ঠ আৰু বিশ্বামিত্ৰৰ কথা-বতৰাই এই কথাষাৰ স্পষ্টকৈ প্ৰমাণ কৰিছে। খৃষ্টান আৰু ইছলাম ধৰ্ম্ময়ো এই কথাবোৰৰ প্ৰমাণ কৰে।

এই প্ৰবন্ধবোৰ পঢ়ি কোনোবাই ইয়াত অহঙ্কাৰৰ গোন্ধ-ভাপ পালে, মোৰ অনুসন্ধানেই ভুল হৈছে বুলি ধৰিব আৰু মই দেখা সত্যৰ জিলিকিনি মৰীচিকাৰ বাহিৰে অন্য একো নহয় বুলি ভাবিব। মোৰ দৰে এশজন ধ্বংস হওক, কিন্তু সত্যৰ চিৰদিনলৈ জয় হওক। সত্যৰ পতাকাখনৰ গৌৰৱ এডাল চুলিৰ সমানো যেন লাঘৱ নহয়। মই নিজে কিমান ভাল, তাক বৰ্ণোৱা মোৰ উদ্দেশ্য নহয়। মোৰ উদ্দেশ্য হৈছে, সত্যাগ্ৰহৰ পৰীক্ষাবোৰৰ সম্পূৰ্ণ বিবৰণ দিয়া। মোক নিজক বিচাৰ কৰোতে সত্যৰ দৰে মই কঠোৰ হম আৰু নিজক সেই জোখেৰে চাই, কবি সুৰদাসৰ দৰে মই কওঁ :—

"মোৰ দৰে ঘৃণনীয়,—
দুষ্ট, পাপিষ্ঠ আৰু ক'ত আছে?
মই এনে অকৃতজ্ঞ যে
সৃষ্টিকৰ্ত্তাক এৰিছোঁ।"

যি মোৰ প্ৰতি নিশ্বাস-প্ৰশ্বাসেই শাসন কৰে, যাৰ মই সন্তান, সেই ঈশ্বৰৰ পৰা মই যে ইমান দিন আঁতৰত আছোঁ, ই মোক শূলে বিন্ধাৰ দৰে দুখ দি আছে। মই জানো যে মোৰ ভিতৰত যিবোৰ কু-প্ৰবৃত্তি আছে, সেইবোৰেই মোক তেওঁৰপৰা আঁতৰ কৰি ৰাখিছে অথচ মই সেইবোৰৰপৰা নিজক আঁতৰাব নোৱাৰোঁ।

কিন্তু মই এতিয়া পাতনি শেষ কৰিব লাগে। ইয়াৰ পাছৰ অধ্যায়ত হে আছল কথাবোৰ আৰম্ভ কৰিব পাৰোঁ।

সবৰমাটী আশ্ৰম
২৬ নবেম্বৰ ১৯২৫

এম, কে, গান্ধী

মোৰ সত্য অন্বেষণৰ কাহিনী

প্ৰথম ভাগ

জন্ম আৰু বংশ পৰিচয়

(১)

গান্ধীবংশ জাতত বনীয়া, আৰু বোৰকৰেঁ। আদিতে তেওঁলোক চাউল-ডাইলৰ দোকান দিয়া মুদী আছিল। কিন্তু মোৰ ককাদেউতাৰ তিনি পুৰুষ পূৰ্ব্বৰে পৰা তেওঁলোক কাথিৱাৰৰ দেশীয় ৰাজ্যবিলাকত প্ৰধান মন্ত্ৰী হৈ ৰাজ্য পৰিচালনা কৰি আহিছে। মোৰ ককাদেউতা উত্তমচাঁদ গান্ধী ওৰফে ওটা গান্ধী নিশ্চযেই এজন স্থিৰনীতিৰ পুৰুষ আছিল। তেখেত পোৰবন্দৰ ৰাজ্যৰ দেৱান আছিল। কিন্তু ৰাজকীয় কৰ্মচাৰীসকলৰ ষড়যন্ত্ৰাদিত তেখেতে ইয়াত প্ৰধান মন্ত্ৰীৰ বাব এৰিবলৈ বাধ্য হ'ল আৰু শেহত জুনাগৰ ৰাজ্যত আশ্ৰয় ললেগৈ। তালৈ গৈ নবাবক বাঁও হাতেৰে 'ছেলাম' দিলে। এই কথাষাৰত এজনে বাহ্যিক অভদ্ৰতা লক্ষ্য কৰি তেখেতক ইয়াৰ বাবে কৈফিয়ত বিচাৰিলত তেখেতে এই বুলি উত্তৰ দিলে : "মোৰ সোঁহাতখন পোৰবন্দৰত ইতি পুৰ্বেই বন্ধকত থৈ আহিছোঁ।"

প্ৰথমৰ তিৰুতা দুগৰাকীৰ মৃত্যু হোৱাত ওটা গান্ধীয়ে দ্বিতীয় বাৰলৈ বিয়া কৰায়। প্ৰথম গৰাকী তিৰুতাৰ ফালৰ পৰা চাৰিটি লৰা আৰু দ্বিতীয় পক্ষৰ তিৰুতাৰ ফালৰ পৰা দুটি লৰাৰ জন্ম হৈছিল। ওটা গান্ধীৰ এইকেইটি লৰা যে একে মাকৰ নাছিল এই কথাষাৰ মোৰ সৰুতে ভাব [illegible] নাছিল আৰু নাজানিছিলোঁও। এই ছগৰাকী ভ্ৰাতৃসকলৰ ভিতৰত পঞ্চম জন কৰমচাঁদ গান্ধী ওৰফে কাবা গান্ধী আৰু ষষ্ঠজনা আছিল তুলসীদাস গান্ধী। দুয়ো একাদিক্ৰমে পোৰবন্দৰৰাজ্যৰ প্ৰধান মন্ত্ৰীৰ ৰাব পাইছিল। কাবা গান্ধীয়েই মোৰ পিতৃদেৱ। ৰাজস্থানিক দৰবাৰৰ তেখেত এজনা সভ্য আছিল। এতিয়া এই দৰবাৰ উঠি গৈছে, কিন্তু সেই সময়ত এই অঞ্চলৰ ৰজাসকলৰ ভিতৰত আৰু তেওঁলোকৰ বংশ পৰিয়ালৰ মাজত কিবা বাদ বিসম্বাদ হলে মীমাংসা কৰিবলৈ এইখনেই এখন প্ৰতিপত্তিশালী সভা আছিল। কিছুদিনলৈ ৰাজকোট আৰু বঙ্কনেৰ ৰাজ্যতো তেখেতে প্ৰধান মন্ত্ৰীৰ কাম কৰিছিল, মৰিবৰ কালত তেখেতে ৰাজকোট ৰাজ্যৰ পৰা 'পেন্সন' পাই আছিল।

বিয়াৰ পাছত একাদিক্ৰমে তিৰুতা চুকোৱা বাবে কাবা গান্ধীয়ে চাৰিবাৰ বিয়া কৰাইছিল। প্ৰথমা আৰু দ্বিতীয়া তিৰুতাৰ ফালৰ পৰা তেখেতৰ দুগৰাকী ছোৱালীৰ জন্ম হৈছিল। কনিষ্ঠা তিৰুতা পুতলীবাইয়ে এজনী ছোৱালী আৰু তিনিটি লৰাৰ জন্ম দিছিল। ময়েই কনিষ্ঠ লৰা।

মোৰ দেউতাই নিজৰ বংশপৰিয়াল কুটুম্ব আদিক বৰ মৰম চেনেহ কৰিছিল। তেখেত সদায় সত্যপ্ৰিয় সাহিয়াল আৰু উদাৰচিতীয়া হ'লেও অলপতে খং উঠা স্বভাৱৰ লোক আছিল। আৰু কিছু পৰিমানে ইন্দ্ৰিয়াসক্তও আছিল, কাৰণ ৪০ বছৰ পাৰ হোৱাতো তেখেতে চতুৰ্থবাৰলৈ বিয়া কৰায়। কিন্তু সেইবুলি তেখেতৰ চৰিত্ৰত দোষ ঘটা নাছিল। পৰিয়ালৰ মাজত আৰু বাহিৰতো তেখেতে সদায় নিৰপেক্ষভাৱে বিচাৰাদি

কৰিছিল বুলি তেখেতৰ সুনামো আছিল। তেখেতৰ ৰাজভক্তিৰ কথা সকলোৰে জনাজাত। ৰাজকোটৰ ৰজা ঠাকুৰছাহেবক এজন এছিষ্টান্ট পলিটিকেল এজেন্টে অভদ্ৰভাৱে কথা কৈছিল। তেখেতে এই অপমানৰ বিৰুদ্ধে থিয় দিলত এজেন্টৰ খং উঠিল আৰু কাবা গান্ধীক ক্ষমা প্ৰাথনা কৰিবলৈ আদেশ দিলে। কিন্তু তেখেতে এই কথাত মান্তি নহল আৰু ফলত তেখেতক কেইবা ঘন্টালৈকে বন্দী কৰি থোৱা হল, শেহত যেতিয়া এজেন্টে দেখিলে যে কাবা গান্ধী বজ্ৰৰ দৰে কঠিন তেতিয়া মুকলি কৰি দিবলৈ আদেশ দিলে।

মোৰ দেউতাৰ ধন সম্পত্তি গোটাবলৈ একো আকাঙ্ক্ষা নাছিল আৰু সেইবাবে নিচেই সামান্য ধনসম্পত্তি আমাৰ বাবে এৰি গৈছিল।

জীৱনত লাভ কৰা অভিজ্ঞতাৰ বাহিৰে আন একো শিক্ষা তেখেতে পোৱা নাছিল, বৰ জোৰ তেখেতে গুজৰাটীৰ পঞ্চম মানলৈকে পঢ়িছিল। ইতিহাস আৰু ভূগোল সম্পৰ্কে তেখেত সম্পূৰ্ণ অজ্ঞ আছিল। কিন্তু জীৱনত লাভ কৰা অভিজ্ঞতাই বহুতো জটিল সমস্যাৰ সমাধানত আৰু শই শই তলতীয়া কৰ্মচাৰীৰ পৰিচালনাত তেখেতক বৰকৈ সহায় কৰিছিল। ধৰ্ম্মসম্পৰ্কে তেখেতৰ সামান্যই শিক্ষা আছিল কিন্তু দেৱমন্দিৰলৈ প্ৰায় নিতৌ যোৱা-অহা কৰি আৰু সাধাৰণতে বহুতো হিন্দুৱে যিবোৰ ধৰ্ম্মোপ-দেশ আদি জানিবলৈ সুবিধা পায় তেনেবিধৰ উপদেশাদি শুনি যি ধৰ্ম্মজ্ঞান হয়, সেয়েই তেখেতৰ আছিল। আমাৰ পৰিয়ালৰ বন্ধু এজন ব্ৰাহ্মণ পণ্ডিতৰ কথা শুনি তেখেতে জীৱনৰ শেষ বয়সত গীতা পঢ়িবলৈ আৰম্ভ কৰে। আৰু প্ৰতিদিন উপাসনাৰ সময়ত গীতাৰ কিছুমান শ্লোক তেখেতে আবৃত্তি কৰিছিল।

মোৰ মাতৃদেৱীয়ে মোৰ মনত যি স্মৃতিৰ সাঁচ বহুৱাই থৈ গৈছে সেইটো হৈছে ঈশ্বৰলৈ ভক্তিপৰায়ণতা। তেখেত বৰ ধৰ্ম্মপৰায়ণা তিৰুতা আছিল।

প্ৰতিদিনৰ পূজা অৰ্চনাদি শেষ নকৰাকৈ আহাৰ গ্ৰহণ কৰাৰ কথা তেখেতে ভাবিবই নোৱাৰিছিল। বৈষ্ণৱমন্দিৰ 'হাবেলী'লৈ যোৱাটো তেখেতৰ দৈনন্দিন কৰ্ত্তব্যৰ ভিতৰত আছিল। মোৰ যিমান দূৰ মনত পৰে, তাৰ পৰা কব পাৰোঁ যে তেখেতে চাতুৰ্মাস ব্ৰত পালন নকৰাকৈ কেতিয়াও থকা নাছিল। বৰ টান টান কথা লৈ ব্ৰত ধৰিব আৰু সেই মতে পালন কৰিব। বেমাৰ হলেও অলপো ঢিলাই নিদিয়ে। মোৰ মনত পৰে এদিন চান্দ্ৰায়ণ ব্ৰত পালন কৰোতে তেখেতৰ বেমাৰ হ'ল তথাপিও বেমাৰৰ বাবে ব্ৰত পালনত একো বাধা নহ'ল। ওপৰা ওপৰিকৈ অনশন ব্ৰত দুদিন তিনি দিনলৈ লোৱাতো তেখেতৰ পক্ষে একো কথা নাছিল। চাতুৰ্মাস ব্ৰতত এসাজ খোৱাটো তেখেতৰ অভ্যাস আছিল, ইয়াতো তেখেত সন্তুষ্ট হোৱা নাছিল, ইয়াৰ উপৰি এদিন বাদে এদিন সম্পূৰ্ণ উপবাসে থকাটো তেখেতৰ সাধাৰণত কথা আছিল। কোনো এটা চাতুৰ্মাস ব্ৰতৰ দিনত সূৰ্য্য নেদেখাকৈ আহাৰ গ্ৰহণ নকৰে বুলি তেখেতে ব্ৰত ললে। আমি তেতিয়া সৰু লৰাছোৱালী বিলাকে সূৰ্য্য দেখা গৈছে নে নাই চাবলৈ আকাশৰ ফাল ডিঙি মেলি থাকোঁ, সকলোৱেই জানে যে বাৰিষাৰ দিনত কেতিয়াবা বেলিৰ মুখ কেইবা দিনলৈকো নে-দেখাকৈ থাকিব লগীয়া হয়। মোৰ এতিয়াও মনত পৰে কেতিয়াবা হঠাতে বেলি ওলালে আমি লৰি গৈ আইক জনাইছিলোঁগৈ। আৰু তেখেতেও নিজৰ চকুৰে চাবলৈ বুলি বাহিৰলৈ ওলাই আহে। কিন্তু কেতিয়াবা এনেকুৱাও হৈছিল যে তেখেত আহি বাহিৰ পায়মানে পলৰীয়া বেলি আকৌ ডাৱৰৰ মাজত মাৰ যায় আৰু ফলত তেখেতো আহাৰৰ পৰা বঞ্চিত হয়। তেখেতে মাথোন হাঁহি হাঁহি কৈছিল, "বাৰু একো হোৱা নাই ভগৱানে আজি মই আহাৰ গ্ৰহণ কৰাটো নিবিচাৰে।" এই বুলি তেখেতে আকৌ আন কামত লাগিছিল।

মোৰ আইৰ সাধাৰণ বুদ্ধি বৰ চোকা আছিল। ৰাজকীয় সকলো বিষয় সম্পৰ্কে তেখেতে বৰ ভালকৈয়ে জানিছিল আৰু ৰাজ পৰিয়ালৰ তিৰুতা সকলেও তেখেতৰ বুদ্ধিবৃত্তিৰ গুণগ্ৰাহী নোহোৱাকৈ নাছিল। সৰু লৰা বুলি ময়ো তেখেতৰ লগতে ৰজাৰ অন্তেষপুৰলৈ যাবলৈ সুযোগ পাইছিলোঁ আৰু ঠাকুৰ ছাহেবৰ বিধবা মাতৃৰ লগত মোৰ আইৰ বহুতো কথাৰ আলোচনা হোৱা এতিয়াও মোৰ মনত পৰে।

মোৰ জন্ম হৈছিল পোৰবন্দৰত ১৮৬৯ সনৰ ২ অক্টোবৰ তাৰিখে। পোৰবন্দৰক সচৰাচৰ সুদামাপুৰী বোলা হয়। মোৰ বাল্যকাল পোৰ বন্দৰতেই কটাবলগীয়া হয়। সৰুতে স্কুলত ভৰ্ত্তি কৰি দিয়া হয়। মই কোনোমতে পূৰণৰ ঘৰৰ নেওতা শেষ কৰিছিলোঁ। নগৰীয়া আন লৰাৰ লগতে আমাৰ শিক্ষকজনক গালি পাৰিবলৈ শিকাৰ বাহিৰে এই সময়ৰ আন কোনো কথা মোৰ মনত নপৰে, সেই বাবে মোৰ ধাৰণা হৈছে যে সেই সময়ত মোৰ বুদ্ধি-বৃত্তি আৰু স্মৰণ-শক্তি বৰ বেয়া আছিল।

শৈশৱ

(২)

ৰাজস্থানীয় দৰবাৰৰ সদস্য হবলৈ বুলি মোৰ পিতৃদেৱ যেতিয়া পোৰবন্দৰ এৰি ৰাজকোটলৈ যায়, তেতিয়া মোৰ বয়স প্ৰায় ৭ বছৰ আছিল যেন পাওঁ। মোক তাত প্ৰাইমাৰী স্কুল এখনত ভৰ্ত্তি কৰি দিয়া হল। তাত শিক্ষকৰ নাম ধাম আদি সকলো কথা মোৰ এতিয়াও ভালকৈ মনত পৰে। পোৰ-বন্দৰৰ দৰে ইয়াতো পঢ়া শুনা সম্বন্ধে বিশেষ একো কবলগীয়া নাই। মই মজলীয়া বিধৰ ছাত্ৰ আছিলো, এইখন পঢ়াশালিপৰা 'ছবাৰ্বৰান'

স্কুললৈ গলো আৰু তাৰপৰা হাইস্কুললৈ গলো। এই সময়ত মোৰ বয়স বাৰ বছৰ হলহি। এই কেইবছৰত মই মোৰ সহপাঠী, নাইবা শিক্ষকৰ ওচৰত মিছা কথা কোৱা মনত নপৰে। মই বৰ লাজকুৰীয়া স্বভাৱৰ লৰা আছিলো, আৰু লগ সঙ্গ এৰি আঁতৰত থাকোঁ। কিতাপেই মোৰ একমাত্র লগৰীয়া আছিল। ঘন্টা বজা মাত্রে স্কুল পোৱা, আৰু স্কুলৰ ছুটি হোৱা মাত্রে ঘৰলৈ ওলোটা, এযেই মোৰ নিতৌ অভ্যাস আছিল। কৰলৈ গলে, মই ঘৰলৈ লৰি আহিছিলো। সচৰাচৰ কাৰো লগত কথা কোৱা নাছিলো। মোক কোনোবাই জোকায বুলি মোৰ ভয়ো লাগিছিল।

হাইস্কুলত ভৰ্ত্তি হোৱাৰ প্ৰথম বছৰৰ ভিতৰত পৰীক্ষাৰ সময়ত উল্লেখ-যোগ্য ঘটনা এটা ঘটিছিল। পৰিদশন কৰিবলৈ শিক্ষা বিভাগৰ ইন্সপেক্টৰ মিঃ জাইলছ স্কুললৈ আহিছিল। তেওঁ পাচোটা শব্দ বানান কৰিবলৈ দিছিল। ইযাৰ ভিতৰত এটা শব্দ আছিল "Kettle"। ইযাৰ বানান ভুলকৈ লিখিছিলো। আমাব শিক্ষক জনে বুট জোতাব আগৰে মাটিত লিখি মোক সহায কৰিছিল, কিন্তু তেওঁৰ এই সহায় মই লোৱা নাছিলোঁ। কাৰণ মই ভাবিছিলো যে আমি যাতে লোকৰ নকল নকৰো, তাকেই চাবলৈহে শিক্ষকজন আছে। মোৰ বাহিৰে, সকলো ছাত্রই এই বানানটো শুদ্ধ কৰি লিখিলে। মযেই মূৰ্খ হলো, শিক্ষকজনে পাছত মোৰ এই মূৰ্খালি বুজাবলৈ চেষ্টা কৰিছিল, কিন্তু মই নকল কৰা বিদ্যা কেতিয়াও শিকা নাছিলো। এই ঘটনা হোৱা সত্ত্বেও শিক্ষকজনলৈ মোৰ সম্মান অলপো কমা নাছিল। স্বাভাবিকতে গুৰুজনৰ দোষলৈ মই অন্ধ আছিলো। ইয়াৰ পাছত শিক্ষকজনৰ আনহুতো দোষ মই গম পাইছিলো। কিন্তু তেওঁলৈ মোৰ সম্মান অলপো কমা নাছিল। কাৰণ গুৰুজনৰ হুকুম শুনিবলৈ মই শিকিছিলো. তেওঁলোকৰ হুকুম কঁহিয়াই চাবলৈ মই শিকা নাছিলো।

এই সময়ৰ আৰু দুটা ঘটনা মোৰ মনত আছে। স্বভাৱতে স্কুল পাঠ্যৰ বাহিৰে আন কিতাপ পঢ়া মই ভাল পোৱা নাছিলোঁ। দৈনিক পাঠ্য পঢ়িবই লাগিব, কাৰণ পাঠত ফাঁকি দিয়া বুলি গালি খোৱাটো মই বৰ ঘিণ কৰিছিলো। মই পঢ়া তৈয়াৰ কৰিছিলো, কিন্তু মাজে-সময়ে কিতাপলৈ মনযোগ নিদি পঢ়িছিলো। সেইবাবে পঢ়া ঠিক মতে নহলে অতিৰিক্তকৈ পঢ়াৰ সময় নাছিল। কিন্তু হঠাতে পিতাদেৱে কিনা নতুন এখন কিতাপলৈ মোৰ চকু পৰিল। কিতাপখনৰ নাম 'শ্ৰাবন পিতৃভক্তি' নাটক। এই কিতাপখন বৰ মন দি পঢ়িলো। এনেতে আমাৰ তালৈ ফুৰি-ফুৰা ছবিবালা আহিল। সি ছবিবিলাকৰ ভিতৰত শ্ৰাবনে অন্ধ মাক-বাপেকক তীৰ্থলৈ নিয়া ছবিখন দেখুৱালে। কিতাপ-খনে আৰু এই ছবিয়ে মোৰ মনত মচিব নোৱাৰাকৈ সাঁচ বহুৱালে। মই মনতে কলোঁ —"তুমি অনুকৰণ কৰিবলগীয়া এয়ে এটা দৃষ্টান্ত।" শ্ৰাবনৰ মৃত্যুত মাক বাপেকৰ খেদ এতিয়াও মোৰ মনত বেচ পৰিষ্কাৰৰূপে আছে, বিলাপত মোৰ হিয়া পমি গল, পিতাদেৱে মোক কিনি দিয়া 'কনছাৰ্টিনোত' সেই সুৰকেই বজালো। আৰু এখন নাটক লৈ এনে এটা ঘটনা ঘটিছিল। মই এই সময়ত নাটকৰ অভিনয় চাবলৈ পিতাদেৱৰ অনুমতি লৈছিলোঁ। হৰিশ্চন্দ্ৰৰ অভিনয়ে মোৰ মন মোহিলে। এইখন দেখো মানে মোৰ ভাগৰ লগা নাছিল। কিন্তু অভিনয় চাবলৈ যাবলৈ অনুমতি কেইবাৰলৈ পাম? হৰি চন্দ্ৰৰ কথাবোৰ মোৰ মনলৈ বাৰে বাৰে আহিব ধৰিলে আৰু হৰিশ্চন্দ্ৰৰ ৰচনাবোৰ মই সময়ে অসময়ে গাবলৈ ধৰিলো।—"সকলোৱেই কিয় হৰিশ্চন্দ্ৰৰ দৰে সত্যবাদী নহয়? সত্যকেই অনুসৰণ কৰি, হৰিশ্চন্দ্ৰৰ দৰে সকলো বিপদকে অগ্ৰাহ্য কৰা মই শিকিলো। হৰিশ্চন্দ্ৰৰ উপাখ্যান মই সচাঁ ঘটনা বুলি বিশ্বাস কৰিছিলো। আজি মোৰ সাধাৰণ বুদ্ধিৰে বুজি পাইছো যে, হৰিশ্চন্দ্ৰ বুলি বুৰঞ্জীমূলক চৰিত্ৰ একো নাছিল।

কিন্তু মোৰ কাৰণে হৰিশ্চন্দ্ৰ আৰু শ্ৰাৱন জীৱন্ত চৰিত্ৰ আৰু এতিয়াও সেই দুখন কিতাপ পঢ়িলে পূৰ্ব্বৰ দৰেই মই ভোল যাম ।

বাল্যবিবাহ

(৩)

এই অধ্যায়টো নিলিখো বুলি ইচ্ছা কৰিলেও মই লিখিব লাগিব । এই বৃত্তান্তবোৰ লিখোঁতে এনেকুৱা আৰু কত তিতাকথা চোবাব লাগিব । কিন্তু তথাপিও সত্যৰ সেৱক হবলৈ দাবী কৰিলে মই সেই-বোৰবপৰা পাছ হোঁহোকা দিব নোৱাৰোঁ । বৰ বেজাৰেৰে লিখিবলগীয়া হৈছে যে মোৰ ১৩ বছৰ বয়সত বিয়া হয় । মোৰ তত্বাবধানত থকা এই সৰু লৰাবোৰ দেখিলে মোৰ বিয়াৰ কথা মনত পৰে । ইয়াৰ বাবে মোৰ নিজলৈকে ধিক্কাৰ হয় আৰু মোৰদৰে এই অদৃষ্টৰ পৰা ৰক্ষাপৰা লৰাবোৰক ধন্যবাদ দিওঁ । এনেবিধৰ বাল্য বিবাহৰ বাবে কোনো নৈতিক যুক্তি মই বিচাৰি নাপাওঁ ।

পাঠক সকলে যেন ভুল নকৰে । মোৰ বিয়া হল, মই বাগদত্ত হোৱা নাছিলো । কাথিয়াৱাৰত দুটা আচাৰ প্ৰচলিত আছে, বাগদান আৰু বিবাহ । দৰা কন্যাৰ বাপেকৰ মাজত হোৱা প্ৰতিশ্ৰুতি হৈছে বাগদান, এনে বিবাহ ভাঙিব পাৰে, আৰু দৰাৰ মৃত্যু ঘটিলেও কন্যা বাৰী নহয় । ই মাক-বাপেকৰ প্ৰতিশ্ৰুতি মাথোন্ । দৰা কন্যাৰ ইয়াত কোনো ভাগ নাই, আনকি এই সম্বন্ধে তেওঁলোকে নজনাকৈও থাকিব পাৰে । তিনিবাৰ

মই বাগদত্ত হৈছিলো বুলি মোৰ অলপ অলপ মনত পৰে, অৱশ্যে কেতিয়া হৈছিলো, সেই সম্বন্ধে মোৰ মনত নাই। দুজনী কন্যা মৰিছে বুলি মই শুনিছিলো। সেই বাবেই মই তিনিবাৰ বাগদত্ত হৈছিলো বুলি

আমি তিনি ভাই আছিলো। বৰ জনাৰ পূৰ্বেবই বিয়া হৈছিল। মোতকৈ এবছৰৰ ডাঙৰ ককাইদেউক মোতকৈ এবছৰৰ ডাঙৰ খুড়াদেৰৰ পুতেক আৰু মোক, একে সময়তে বিয়া দিয়া গুৰুজনে স্থিৰ কৰিলে। আমাৰ মঙ্গল সম্বন্ধে ইয়াত তেওঁলোকৰ কোনো চিন্তাতো নাছিলেই আমাৰ মতো লোৱা নাছিল। ই তেওঁলোকৰ সুবিধা আৰু কম খৰচৰ ওপৰত নিৰ্ভৰ কৰা কথা। হিন্দুৰ বিয়া তামাছাৰ কথা নহয়। দৰা কন্যাৰ বাপেক মাৰহঁত এই লৈ ধৰংস হয়। তেওঁলোকৰ সময় আৰু অৰ্থৰ অপব্যয় হয় সাজ পোচাকৰ দিহাকৰা গহনা গঢ়োৱা, খোৱা-বোৱাৰ 'বাজেট' কৰাতেই, কেইমাহমান যায়। ইপক্ষই সিপক্ষৰ লগত এইবিলাক বিষয়ত অৰিয়া-অৰি লগায়। ইফালে তিৰুতাসকলৰ সুৰ মিঠা হওক বা নহওক, নাম গাই ডিঙি ফালে মাথোন, আনকি নৰীযাও পৰে আৰু কোনো কোনো সময়ত গীত গাই ওচৰচুবুৰীয়াবো শান্তি ভঙ্গ কৰে। ওচৰ-চুবুৰীয়াসকলেও এইবিলাক আৰু চুৰাপাত পেলোৱা উপদ্ৰৱ নিমিত হৈ সহি থাকে, কাৰণ তেওঁলোকে জানে যে সময় হলে তেওঁলোকেও এইদৰে আচৰণ কৰিব।

এবাৰ এবাৰকৈ তিনিবাৰ এইবোৰ লেঠা হোৱাতকৈ একেবাৰতেই সকলো লেঠা মৰাই [illegible] বুলি আমাৰ গুৰুজনসকলে ভাবিলে। খৰচো কম, কিন্তু ধুমধাম বৰ বেছি। কাৰণ তিনিবাৰ খৰচ নকৰি একেবাৰতেই সৰহকৈ খৰচ কৰিব পাৰি। মোৰ দেউ[illegible] আৰু খুড়াদেউ দুজনেই বুঢ়া হৈছিল। বিয়া দিবলগীয়া লৰা আমাতে[illegible]। আৰু ইও সন্তুৰ

যে তেওঁলোকে জীৱনত শেষ বাৰলৈ হেপাহ পূৰোৱাকৈ ইয়াতেই "ইতি" কৰিব বিচাৰিছিল। এই সকলো বিলাক কথা ভাবি তিনিওৰে বিয়া স্থিৰ হল। তৈয়াৰী হওঁতে কেইবা মাহো গল!

তৈয়াৰি হোৱাৰ ঘটনাবোৰেই ভবিষ্যতৰ জাননী দিলে। ভাল কাপোৰ পিন্ধা, ঢোলৰ বাজনা, বিয়াৰ শোভাযাত্রা, ভাল খোৱা, আৰু উমলিবলৈ এজনী ছোৱালী পোৱাৰ বাহিৰে অন্য কথা মোৰ মনলৈ বোধ কৰো অহা নাছিল। ইন্দ্রিয়ৰ পৰিতৃপ্তিৰ ভাব ইয়াৰ পাছতে হল। কেনেকৈ এই ভাব বৃদ্ধি হল, ইচ্ছা কৰিলে মই কব পাৰিলোহেতেন। কিন্তু কেইটামান উল্লেখযোগ্য ঘটনাৰ বাহিৰে ইচ্ছা কৰিয়েই মোৰ লাজৰ কাহিনীত আঁৰ-কাপোৰ পেলালো। আশা কৰো পাঠকসকলে এই সম্বন্ধে জানিবৰ কৌতুহল এৰিব। কাৰণ, মই এই বিবৰণ যি উদ্দেশ্যে লিখিছো, তাৰ লগত এইবেইটা ঘটনাৰ একো সম্বন্ধ নাই।

ককাইদেউক আৰু মোক পোৰবন্দৰলৈ নিয়া হল। এই নাটকৰ সুচনা স্বৰূপে যি কেইটা আমোদপ্ৰদ কথা আছে—গাত হালধী সনা ইত্যাদি, মই সেইবোৰ এৰিম।

মোৰ দেউতা আছিল দেৱান, কিন্তু তথাপিও তেওঁ লোকৰ চাকৰ আছিল। যদিও তেওঁ ঠাকুৰ ছাহেবৰ বৰ প্ৰিয়পাত্ৰ আছিল তথাপিও শেষ মুহূৰ্ত্তলৈকে দেউতাক যাবলৈ তেওঁ এৰি দিয়া নাছিল আৰু যেতিয়া যাবলৈ দিলে, তেতিয়া ছৰকাৰী ঘোৰা গাড়ী দিলে। আৰু ইয়াৰে বাট দুদিন কমালে। কিন্তু তথাপিও ৰাজকোটৰপৰা পোৰবন্দৰ ১২০ মাইল। গৰু গাড়ীৰে ৫ দিনৰ বাট। দেউতা তিনদিনে আহিল। কিন্তু বাটত গাড়ীৰপৰা পৰি ঘূণীয়া হৈ আছিল। তেওঁৰ আৰু আমাৰ আনন্দৰ আদখিনি ইয়াতে নষ্ট হল। কিন্তু বিয়াৰ দিনতো সলাৰ নোৱাৰি, বিয়াৰ নতুন আমোদত মই দেউতাৰ দুখৰ কথা পাহৰিলো।

মই বৰ পিতৃ-মাতৃভক্ত আছিলোঁ। ৰক্ত মাংসৰ শৰীৰৰ স্বাভাৱিক বৃত্তিলৈকো মই অমনোযোগী নাছিলোঁ। পিতৃ-মাতৃৰ সেৱাত নিজৰ সুখ বিসৰ্জ্জন দিয়া মই তেতিয়াও শিকা নাছিলোঁ। মোৰ ইন্দ্ৰিয়-বাসনাৰ শাস্তি স্বৰূপেই নেকি এটা ঘটনা ঘটিল (পাছত কম)। এই ঘটনাই মোক মনত বেজাৰ দিয়ে। "বাসনাৰ ত্যাগ নহলে বস্তুৰ ত্যাগ ক্ষণস্থায়ী হয়। তথাপিও তুমি চেষ্টা কৰিবা" এই বুলি নিস্কুলানন্দই গাইছে। যেতিয়া মই গানটো গাওঁ, নাইবা লোকৰ মুখত শুনো, তেতিয়াই এই ঘটনাবোৰ মনলৈ আহে আৰু মই লাজত বিভোৰ হওঁ।

দেউতাই সকলো দুখ অগ্ৰাহ্য কৰি বিয়াত সকলো আচাৰ পালিলে। তেখেতে ক'ত বহি, কেনেকৈ, কিদৰে সকলো আচাৰ পালন কৰিছিল এতিয়াও ভাবিলে সকলো কথা মনত পৰে। তেতিয়া মই সপোনতো ভবা নাছিলোঁ যে দেউতাই সৰু কালত বিয়া দিয়া বাবে মই তেখেতক এইদৰে সমালোচনা কৰিম। সেই সময়ত সকলো কথা উচিত আৰু আমোদজনক বুলি মনত হৈছিল। সেই সময়ত দেউতাই কৰা সকলো কথা ভৎৰ্সণাৰ অতীত বুলি মোৰ মনত হৈছিল। এই ভাব হোৱা মোৰ বেছ মনত আছে। এতিয়াও মোৰ মনত পৰে, বিয়াৰ বেদীত আমি কেনেকৈ বহিছিলোঁ, কেনেকৈ 'সাতপদী' কৰিছিলো, দৰা-কন্যাই ইজনে সিজনৰ মুখত মিঠা 'কংসৰ"* খুৱাই দিছিলো আৰু কেনেকৈ আমি একেলগে থাকিব ধৰিলোঁ। উঃ সেই প্ৰথম নিশা! দুটি নিৰ্দ্দোষী শিশুক নিজৰ অজ্ঞাতে জীৱনৰ মহাসমুদ্ৰত পেলাই দিয়া হল! মোক বৌদেউয়ে প্ৰথম নিশা কি কৰিব লাগিব, সকলো কথা শিকাই দিছিল, মোৰ ভাৰ্য্যাক কোনোবাই এইদৰে শিকাইছিলনে মই নাজানো, এই সম্বন্ধে কেতিয়াও সোধা নাছিলো। আৰু সুধিবলৈ ইচ্ছাও নকৰো।

* কংসৰ গুজৰাটৰ এবিধ খাদ্য।

আমি দুজনেই লাজকুৰীয়া আছিলো। কেনেকৈ তেওঁৰ লগত কথা হব লাগে আৰু কিদৰে, বৌদেউয়ে দিয়া শিক্ষাই মোক অলপো সহায় নকৰিলে। এইবিলাক বিষয়ত শিক্ষাৰ প্ৰয়োজন নকৰে। পূৰ্ববৰ্জীৱনৰ সাঁচবোৰেই এনেবিধৰ শিক্ষা অদৰকাৰী কৰে। আমি লাহে লাহে দুয়ো দুয়োকে জানিব পৰা আৰু কথা বতৰা হব পৰা হলো। আমি দুজনেই সমান বয়সৰেই আছিলো। কিন্তু তথাপিও স্বামীৰ প্ৰভুত্বৰ পদ লবলৈ অলপো সময় এৰি দিয়া নাছিলো।

স্বামীৰ প্ৰভুত্ব

৪

মোৰ বিয়াৰ সময়ত দাম্পত্য প্ৰেম, বাল্য-বিবাহ, ইত্যাদি বিষয়ৰ আলোচনা থকা সৰু পুস্তিকা এপইছা নে এপাই (মোৰ মনত নাই) দামত পোৱা গৈছিল। এনেবিধৰ এখন পুস্তিকা পাই মই ইমূৰৰপৰা সিমূৰলৈ পঢ়িছিলো আৰু যিটো কথা মই ভাল নাপাও সেইটো পাহৰা আৰু ভাল পোৱাটো কামত খটোৱা মোৰ অভ্যাস আছিল। পত্নীলৈ যাবজ্জীৱন অনুৰক্ত থকা স্বামীৰ কৰ্ত্তব্য বুলি এনেবিধৰ এখন পুস্তিকাত লিখা কথাবোৰে মোৰ হিয়াত চিৰদিনলৈ সাচ থৈ গল। অৱশ্যে মই এই কম বয়সত নিজৰ তিৰুতাক পাহৰি অন্য তিৰুতাত আসক্ত হোৱাটোও অসম্ভৱ আছিল।

কিন্তু এই উপদেশৰ এটা বেয়া ফলো হৈছিলো । মই মনতে ভাবিলো মই এই দৰে জীয়াই থাকো মানে অনুৰক্ত থাকিম বুলি প্ৰতিশ্ৰুতি দিলে, তেন্তে মোলৈ ইয়াৰ উপযুক্ত প্ৰতিশ্ৰুতি দিব লাগে । সেইবাবে এই চিন্তাই মোক সন্দিগ্ধ-চিত্ত কৰিলে । পতিব্ৰতা সতীৰদৰে মোলৈ অনুৰক্ত হোৱাটো তেওঁৰ কৰ্ত্তব্য বুলি ভাবি তেওঁৰপৰা মৰম জোৰকৈ আদায় কৰাটো মোৰ সত্ব বুলি ধৰি লওঁ । এই মৰম জোৰকৈ আদায় কৰিবলৈ হলে, মই সতৰ্ক হৈ এই অধিকাৰ ৰক্ষা কৰিব লাগিব । ভাৰ্য্যাক সন্দেহ কৰিবলৈ কোনো কাৰণ কেতিয়াও হোৱা নাছিল । কিন্তু স্বামীৰ সন্দেহ কাৰণ বাবে বাট চাই নাথাকে । মই তেওঁৰ ফুৰা-চকা আৰু সকলো কথাতে সদায় চকু ৰাখিব ধৰিলো আৰু মোৰ বিনা অনুমতিত অন্য কোনো ঠাইলৈ যাব নোৱাৰে বুলি হুকুম দিলো । আমাৰ মাজত দ্বন্দ্ব খৰিয়ালৰ এযে গুটি গিচিলে । এই হস্তক্ষেপৰ ফল তেওঁৰ পক্ষে একৰকম কাৰাবাস আছিল আৰু এইবোৰ অন্যায সহি থকা বিধৰ তিৰুতা কস্তুৰীবাঈ নাছিল । যেতিয়াই য'লৈ ইচ্ছা, তালৈকে যোৱাত তেওঁ দৃঢ়প্ৰতিজ্ঞা হল মই যিমানেই তেওঁৰ স্বাধীনতাত হাত দিও সিমানেই তেওঁ স্বাধীন হয আৰু এইবাবে আমি খঙাখঙি কৰোঁ । আমাৰ ভিতৰত--বিবাহিত এই লৰা ছোৱালী হালৰ মাজত, কথা-বতৰা বন্ধ হোৱা দৈনিক ঘটনা হল । মই এতিয়া ভাবো যে কস্তুৰীবাঈয়ে এইদৰে স্বাধীনতা লোৱাত তেও নিৰ্দ্দোষী আছিল, সহজ স্বভাৱৰ সৰলচিতীয়া ছোৱালী এজনীয়ে মন্দিৰলৈ, নাইবা ওচৰচুবুৰীয়াৰ ঘৰলৈ যোৱাত বাধা কেনেকৈ সহে ? তেওঁক বাধা দিবলৈ মোৰ অধিকাৰ থাকিলে তেওঁৰো মোক বাধা দিবলৈ অধিকাৰ নাছিল নে ? আজিহে এইবোৰ কথা ফটফটীয়াকৈ বুজি পাইছো । কিন্তু তেতিয়া স্বামীৰ প্ৰভুত্ব ৰক্ষা কৰাটোহেই মোৰ ভাৰ আছিল ।

পাঠক সকলে যেন নাভাবে যে আমাৰ জীৱন সদায় এইদৰে হাই কাজিয়াতেই চলি আছিল। মই প্ৰেমৰ ভাৱত হে তেওঁৰ ওপৰত হস্তক্ষেপ কৰিছিলো। মই তেওঁক আদৰ্শপত্নী কৰিম বুলি ভাবিছিলো। তেওঁ যাতে সজ আৰু পৱিত্ৰভাবে জীৱন নিযাব পাৰে আৰু মই যি লিখা-পঢ়া শিকিছিলো তাকেই শিকে, মোৰ জীৱন আৰু চিন্তাৰ লগত তেওঁক একে কৰিবলৈ মোৰ আকাঙক্ষা আছিল।

কস্তুৰীবাঈৰ মনত এনে আকাঙক্ষা আছিল নে নাই, মই কব নোৱাৰো, তেওঁ নিৰক্ষৰা আছিল। স্বভাৱত তেওঁ সৰল, স্বাধীন ভাৱৰ আৰু পৰিশ্ৰমী আছিল আৰু অন্ততঃ মোৰ ওচৰত হ ল নিমাতী আছিল। তেওঁ নিজে লিখাপঢ়া একো নজনা বুলি অধৈৰ্য্য হোৱা নাছিল আৰু মোৰ পঢ়া শুনা দেখি এনে কামলৈ তেওঁ উদগনি পোৱা বুলিও মই কব নোৱাৰো। সেই বাবে মোৰ আকাঙক্ষা একলীয়া আছিল। মোৰ প্ৰেম এই গৰাকী তিৰুতাত কেন্দ্ৰীভূত হৈছিল আৰু ময়ো তেওঁৰ পৰা ইয়াৰেই প্ৰতিদান আশা কৰিছিলোঁ। তেওঁৰপৰা মোৰ এই ভাৱৰ প্ৰতিদান নাপালেও জীৱন অলপ বিষময় হোৱা নাছিল, কাৰণ একালৰপৰা অন্ততঃ গভীৰ প্ৰেম আছিল।

মই তেওঁলৈ বৰ অনুৰক্ত আছিলো। স্কুলতো মই তেওঁৰ কথা ভাবো, ৰাতি তেওঁৰ লগত মিলনৰ কথা মোৰ মনত সদায় আহি আছিল, বিচ্ছেদ অসহ্য। মই কিছুমান অনৰ্থক কথাৰে তেওঁক নিশা বহুতলৈকে জগাই ৰাখিছিলোঁ। মোৰ এই প্ৰেমৰ বাসনাৰ লগত কৰ্ত্তব্যলৈ একাগ্ৰতাৰ ভাৱ নথকা হলে মই বেমাৰ আৰু মৃত্যুৰ গ্ৰাসত পৰিলোহেঁতেন। কিন্তু নিৰ্দ্দিষ্ট কামবোৰ পুৰা গধুলি কৰিবই লাগিব। আৰু ইয়াত ফাঁকি দিয়া মোৰ চিন্তাৰ অতীত আছিল। ফাঁকি দিয়াৰ অনভ্যাসেই মোক বহুতো বিপদৰ পৰা ৰক্ষা কৰিলে।

স্বামীৰ প্ৰভুত্ব

মই পূৰ্ব্বেই কৈছো যে কস্তুৰীবাঈ নিৰক্ষৰা আছিল মই তেওঁক শিক্ষা দিবলৈ ব্যগ্ৰ আছিলো। ইন্দ্ৰিয়াসক্তিপূৰ্ণ প্ৰেমে মোক আজৰি দিয়া নাছিল। এটা কথাৰ বাবে তেওঁৰ ইচ্ছাৰ বিৰুদ্ধেও ৰাতি শিখাপঢ়া শিকাবলগীয়া হৈছিল। কাৰণ গুৰুজনৰ সমুখত তেওঁৰ লগত কথা হোৱা দূৰৰ কথা, দেখাদেখি হোৱাও অসাধ্য আছিল। কি পৰিমাণে তেতিয়া কাথিৱাৰত অপ্ৰয়োজনীয় আৰু অসভ্য অৱৰোধ প্ৰথা চলি আছিল আৰু এতিয়াও আছে। সেইবাবে পাৰিপাৰ্শ্বিক অৱস্থা অনুকূল আছিল। আমাৰ ডেকা কালত কস্তুৰীবাঈক শিক্ষা দিয়াত বহুতো পৰিমাণে মই অকৃতকাৰ্য্য হৈছিলো বুলি স্বীকাৰ কৰিব লাগিব। যেতিয়া ইন্দ্ৰিয়াসক্তিপূৰ্ণ প্ৰেমৰ ভাৱ গুচি মোৰ অন্তৰৰ প্ৰকৃত ভাৱ সাৰ পাই উঠিল, তেতিয়া বাজহুৱা কামত মই বৰকৈ লাগিবলগীয়া হল আৰু মোক এইবোৰে অকণো আজৰি নিদিলে। 'প্ৰাইভেট মাষ্টৰ' ৰাখি শিক্ষা দিয়াতো মই ব্যৰ্থ হলো। ইয়াৰ ফলত কস্তুৰী বাঈয়ে জানিবা, আজি আখৰ লিখিব পাৰে আৰু সহজ গুজৰাটি কিতাপ বুজিবও পাৰে। আৰু মোৰ বিশ্বাস যে মোৰ প্ৰেম ইন্দ্ৰিয়াসক্তিৰ লগত সান মিহলি হৈ নথকা হলে তেওঁ আজি বিদুষী তিৰুতা হব পাৰিলেহেঁতেন। তেওঁৰ শিক্ষালৈ অৱহেলা তেতিয়া মই গুচাব পাৰিলোহেঁতেন। কাৰণ, মই জানো যে পবিত্ৰ প্ৰেমৰ কাৰণে একেবাৰেই অসম্ভৱ নহয়

' ইন্দ্ৰিয় বাসনাৰ লগত মিহলি থকা প্ৰেমৰ বিপদ্ধৰপৰা ৰক্ষা কৰিব পৰা এটা কথা কৈছো। আনটোও কোৱাৰ যোগ্য। বহুতো ঘটনাই মোৰ মনত বিশ্বাস জন্মাইছে যে যাৰ উদ্দেশ্য পবিত্ৰ, ঈশ্বৰে তেওঁক শেহত ৰক্ষা কৰিবই। বাল্য বিবাহৰ নিৰ্দ্দয় নিয়মৰ লগতে হিন্দু সমাজত আৰু এটা নিয়ম আছে, যি প্ৰথমটোৰ বহুতো বেয়া দোষৰ শাম কটায়। পিতৃ মাতৃয়ে কম বয়সীয়া দম্পতীক বহুত দিনলৈ একে লগে নাৰাখে।

কম বয়সীয়া ভাৰ্য্যাই বহুত সময় মাক বাপকৰ ঘৰত কটায়। আমাৰো এয়ে হৈছিল। আমাৰ বিবাহিত জীৱনৰ পাঁচ বছৰলৈকে (১৩ৰ পৰা ১৮ লৈকে) সৰহ দিন একে লগে থকা নাছিলো। ছমাহ মান একে লগে থাকিলে কস্তুৰী বাঈক তেওঁৰ ঘৰৰ পৰা মাতি পঠাব। এই সময়ত এইবোৰ বৰ বেয়া পাইছিলো, কিন্তু এইবোৰে দুয়োকে ৰক্ষা কৰিছিল। ১৮ বছৰ বয়সত মই ইংলণ্ডলৈ গলোঁ আৰু ই আমাৰ ভিতৰত বহুত দিনলৈ বিচ্ছেদ ঘটালে। ইংলণ্ডৰ পৰা উলটি অহাৰ পাছতো ছমাহতকৈ সৰহ একেলগে থাকিব পৰা নাছিলো, কাৰণ ৰাজকোটৰপৰা বোম্বেলৈ অহা-যোৱা কৰোঁতেই গৈছিল আৰু ইযাৰ পাছত মোৰ মোহ প্ৰায় শেষ হব ধৰোঁতেই দক্ষিণ আফ্ৰিকাৰ পৰা আহ্বান আহিল।

হাইস্কুলত

(৫)

মই পূৰ্ব্বেই কৈছো যে হাইস্কুলত পঢ়ি থাকোতেই মোৰ বিয়া হৈছিল, আমি তিনিও ককাইভায়ে একেখন স্কুলতে পঢ়ি আছিলোঁ। বৰ ককায়ে মোতকৈ বহুত ওপৰত পঢ়িছিল, মোৰ লগত একে সময়তে বিয়া-হোৱা মাজু ককায়ে মোতকৈ এক শ্ৰেণী ওপৰত আছিল। আমাৰ দুয়োজনৰে এটা বছৰ ক্ষতি হোৱাই বিয়াৰ ফল হল। মাজু ককাইৰ কাৰণে আৰু

বেছি বেয়া ফল হল, তেওঁ পঢ়া শুনা একেবাৰেই এৰি দিলে। তেওঁৰ দৰে আৰু কিমান ডেকাৰ এনে দুৰৱস্থা হয়, সেইটো ঈশ্বৰেহে জানে। কেৱলমাত্ৰ হিন্দু সমাজতহে পঢ়া-শুনা আৰু বিয়া একেলগে হব পাৰে।

মই পঢ়া শুনা কৰিব ধৰিলোঁ, হাইস্কুলত মই মুৰ্খ বুলি পৰিগণিত হোৱা নাছিলোঁ। মই শিক্ষকসকলৰ মৰমো পাইছিলো, লৰাহঁতৰ পঢ়া-শুনা স্বভাৱ-চৰিত্ৰ সম্বন্ধে এখন ৰিপোৰ্ট অভিভাৱক সকললৈ প্ৰতি বছৰে দিয়া হয়। বেয়া বুলি তেওঁলোকে মোৰ ওপৰত কেতিয়াও ৰিপোৰ্ট দিয়া নাছিল, আনকি ২য় ষ্টেণ্ডাৰ্ডত পৰীক্ষা উত্তীৰ্ণ হওঁতে প্ৰাইজো পাইছিলো আৰু পঞ্চম আৰু ষষ্ঠ ষ্টেণ্ডাৰ্ডত ১০, টকা বৃত্তিও পাইছিলোঁ। ইয়াৰ বাবে মোৰ নিজৰ গুণতকৈ মোৰ অদৃষ্টহে বেছি পৰিমাণে দায়ী, কাৰণ বৃত্তি সকলোৰে কাৰণে নাছিল, অকল কাথিয়াৱাৰ ছোৱাথবিভাগৰ পৰা অহা ছাত্ৰসকলৰ ভিতৰত এটাইতকৈ শ্ৰেষ্ঠ ছাত্ৰৰ ভিতৰত আবদ্ধ আছিল। এটা শ্ৰেণীত চল্লিছ, পঞ্চাছ জন ছাত্ৰৰ ভিতৰত ছোৱাথৰ সৰহ লৰা সেই সময়ত নাছিল। মোৰ মনত আছে যে মোৰ নিজৰ শক্তিৰ ওপৰত মোৰ সিমান বিশ্বাস নাছিল। প্ৰাইজ বৃত্তি আদি পালে মই নিজেই আচৰিত হৈছিলোঁ। কিন্তু বৰ সাৱধানেৰে সৈতে মোৰ নিজৰ চৰিত্ৰ ৰক্ষা কৰি আছিলোঁ। অলপ বেয়াতেই মোৰ চকুৰ পৰা পানী ওলায়। মোৰ নিজৰ দোষ হলে, নাইবা শিক্ষকে মোৰ দোষ হৈছে বুলি ভাবি, মোক খং কৰাটো মোৰ পক্ষে অসহ্য আছিল, এবাৰ মোক বেতেৰে কোবোৱা মোৰ মনত আছে, মই তাৰ যোগ্য কামেই কৰিছিলো। মই বৰকৈ কান্দিব ধৰিলো। দ্বিতীয় কি তৃতীয় ষ্টেণ্ডাৰ্ডত থাকোতে আৰু এনে এটা ঘটনা ঘটিছিল। দোৰাজী এডুলজি জিমি তেতিয়া হেডমাষ্টৰ আছিল। তেওঁ লৰাহঁতৰ বৰ প্ৰিয় আছিল, তেওঁ নিয়ম পালনলৈ বৰকৈ চকু ৰাখিছিল, তেওঁ বৰ সজ চৰিত্ৰৰ মানুহ

আছিল। ক্রিকেট খেলা আৰু শাৰীৰিক ব্যায়াম উচচ শ্রেণীত তেওঁ বাধ্যতামূলক কৰিছিল, এই দুযোটাই মই ভাল পোৱা নাছিলো। এইবোৰ বাধ্যতামূলক কৰিবৰ পূর্বে ক্রিকেট ফুটবলত আদিত যোগ দিয়া নাছিলোঁ। মই লাজকুৰীয়া হোৱা বাবেই এইদৰে আতৰি আছিলোঁ। মোৰ এইটো ভুল হৈছিল বুলি এতিয়াহে মই বুজি পাইছো। মোৰ তেতিয়া এটা ভুল ধাৰণা আছিল যে শাৰীৰিক ব্যায়ামৰ লগত শিক্ষাৰ একো সম্বন্ধ নাই। আজিহে মই বুজিব পাৰিছো যে মানসিক বিকাশৰ কাৰণে নির্দিষ্ট পাঠৰ লগত শাৰীৰিক ব্যায়ামৰো দিহা কৰিব লাগিব। মই এটা কথা কব পাৰো যে শাৰীৰিক ব্যায়াম নকৰা বাবে মোৰ একো বিশেষ ক্ষতি হোৱা নাছিল। মই কিতাপত পঢ়িছিলো যে মুকলি বতাহত ফুৰিলে উপকাৰ হয়, আৰু এই উপদেশ ভাল পাই, ফুৰা অভ্যাস কৰিলো আৰু এই অভ্যাস মোৰ এতিয়াও আছে। এই ফুৰা বাবে মোৰ শৰীৰ বেছ আটিল হৈছিল।

মোৰ পিতাদেউক সেৱা-শুশ্রূষা কৰিবলৈ মোৰ একান্ত ইচ্ছা হোৱা বাবেই শাৰীৰিক ব্যায়াম বেয়া পোৱাৰ কাৰণ আছিল। স্কুল ছুটি হোৱা মাত্রে মই ঘৰলৈ গৈযেই পিতাদেউক শুশ্রূষা কৰিবলৈ বহিম গৈ। মোৰ পক্ষে বাধ্যতামূলক ব্যায়ামৰ নিয়ম পিতাদেউক শুশ্রূষা কৰাৰ অন্তৰায় আছিল। পিতৃ-সেৱাৰ বাবে মোক ইয়াৰ পৰা এৰি দিবলৈ মই মিঃ জিমিক খাটিলো, কিন্তু তেওঁ মোৰ কথালৈ কাণ নিদিয়ে। এদিন শনিবাৰে পুৱা স্কুল হওতে আবেলি ৪ বজাত মই ঘৰৰপৰা শাৰীৰিক ব্যায়ামৰ বাবে যাবলগীয়া হল। মোৰ ঘড়ী নাছিল, বতৰ ডাৱৰীয়া হোৱাত সময় কিমান হল কব নোৱাৰিলোঁ। স্কুল পোৱাৰ পূর্বতে লৰাহতৰ ছুটি হল। তাৰ পাছদিনা মিঃ জিমিয়ে ৰেজিষ্টাৰ চাই মোক অনুপস্থিত বুলি আঁচ দিলে আৰু মোৰ অনুপস্থিতিৰ কাৰণ সোধাত সকলো কথা মই কলো, কিন্তু

তেওঁ বিশ্বাস নকৰিলে। আৰু দুঅনা নে তিনি অনা (মোৰ মনত নাই) জৰিমনা কৰিলে। মিছা কথাৰ বাবে দণ্ড? মোক এই কথাষাৰে বৰ বেজাৰ দিলে। মোৰ নিৰ্দ্দোষিতা কেনেকৈ প্ৰতিপন্ন কৰিম কোনো উপায় নাই। বেজাৰত মই কান্দিব ধৰিলো। সত্যবাদী মানুহ বৰ সাৱধানো হব লাগে বুলি তেতিয়া বুজিলোঁ। অসাৱধান হোৱাৰ এয়ে প্ৰথম আৰু শেষ দৃষ্টান্ত। মোৰ আপ মনত পৰে যে জৰিমনাৰ পৰা শেহত সাৰিছিলো।

মোৰ পিতাদেউৱে সেই সময়ত মোক তেওৰ দৰকাৰ বুলি হেডমাষ্টাৰলৈ লিখাত শাৰীৰিক ব্যায়ামৰ পৰাও এৰা পৰিছিলো, যদিও ব্যায়াম অৱহেলা কৰাত মোৰ অলপো বেয়া হোৱা নাছিল, তথাপি আৰু এটা কথা অৱহেলা কৰাত মই এতিয়াও প্ৰায়শ্চিত্ত কৰিবলগীয়া হৈছে। ক'ত কেনেকৈ মোৰ ধাৰণা হল যে হস্তলিপি ভাল কৰা শিক্ষাৰ এটা অঙ্গ নহয়। এই ধাৰণা বিলাতলৈ যোৱালৈকে আছিল। দক্ষিণ আফ্ৰিকাত শিক্ষা-পোৱা বহুতো ডেকা উকীলৰ সুন্দৰ হাতৰ আখৰ দেখি মোৰ নিজৰ বৰ লাজ লাগিছিল আৰু নিজৰ অৱহেলাৰ বাবে অনুতপ্ত হৈছিলোঁ। হাতৰ আখৰ বেয়া হলে শিক্ষা সম্পূৰ্ণ হোৱা নাই বুলি ধৰিব লাগে। নিজৰ হাতৰ আখৰৰ উন্নতি কৰিবলৈ বৰ চেষ্টা কৰিছিলো কিন্তু তেতিয়া বৰ পলম হল। সৰুতে কৰা অৱহেলাৰ এতিয়া আৰু ক্ষতিপূৰণ মই কৰিব নোৱাৰো। প্ৰত্যেকে মুনিহ আৰু তিৰোতাই মোৰ দৃষ্টান্তৰপৰা শিকি লওক যে ভাল হাতৰ আখৰ শিক্ষাৰ এটা ডাঙৰ অঙ্গ। এতিয়া মোৰ বিশ্বাস হৈছে, লৰা-ছোৱালীহঁতক পোনতে চিত্ৰ আঁকিবলৈ শিকোৱা উচিত। তাৰ পাচতহে হাতৰ আখৰ লিখিবলৈ শিকোৱা দৰকাৰ। সৰু লৰা-ছোৱালীয়ে চৰাই আদি বাহিৰা বস্তু দেখি আকিবলৈ পোনতে শিকা দৰকাৰ, তাৰ পাচতহে এই বোৰ শিকিলে হাতৰ আখৰ

লিখিবলৈ শিক্ষা কৰা উচিত। তেতিয়া তেও সুন্দৰ আখৰ লিখিব পাৰে।

স্কুলৰ আৰু উল্লেখযোগ্য স্মৃতি আছে। বিয়াৰ বাবে মোৰ এটা বছৰ ক্ষতি হল। শিক্ষকে মোক ডবল প্ৰমোশ্যন দি এটা শ্ৰেণী উঠাই দিবলৈ স্থিৰ কৰিলে। পৰিশ্ৰমী ছাত্ৰ সকলকহে এই সুবিধা দিয়া হৈছিল। তৃতীয় ষ্টেণ্ডাৰ্ড্ত মই দুমাহমানহে আছিলো। গৰমৰ বন্ধৰ পাছত পৰীক্ষা কৰি চতুৰ্থ ষ্টেণ্ডাৰ্ডলৈ মোক প্ৰমোশন দিয়া হল। চতুৰ্থ ষ্টেণ্ডাৰ্ডৰ পৰা ইংৰাজী ভাষাৰ জৰীয়তে শিক্ষা দিয়া হৈছিল। মই অথাই সাগৰত পৰাদি পৰিলো। জ্যামিতিত মই অলপো চোকা নাছিলো, এই বিষয়টো ইংৰাজীৰে শিকোৱাত মোৰ পক্ষে আৰু টান হল। শিক্ষকজনে এইটো বিষয় বৰ ভালকৈ শিকাইছিল, কিন্তু মই তথাপিও বুজিব পৰা নাছিলো। মাজে সময়ে মই নিৰাশ হৈ পৰো আৰু দুবছৰৰ শিক্ষা একে লগে কৰাৰ আকাঙ্ক্ষা এৰি দি পুনৰায় তৃতীয় ষ্টেণ্ডাৰ্ডলৈ যোৱাৰ কথাও ভাবিছিলো। কিন্তু তেনে কৰিলে মোৰ অপমান হব, কাৰণ শিক্ষকজনে মোৰ ওপৰত বিশ্বাস কৰিহে প্ৰমোশন দিছিল, মোৰ পক্ষেএনে কাম দুগুণ অপমান, এই দুগুণ অপমানৰ ভয়ত মই এনে ভাব এৰি পেলালোঁ। যিয়েই হওক, পৰিশ্ৰম কৰি য়ুক্লিডৰ ত্ৰয়োদশ প্ৰতিজ্ঞা পাওতে হঠাতেই এই বিষয়টো উজু বুলি মোৰ ওচৰত প্ৰকাশিত হল। যিটো বিষয়ত এজনৰ যুক্তিৰ ব্যৱহাৰহে লাগে সেই বিষয় কেতিয়াও টান হব নোৱাৰে। তেতিয়াৰে পৰা জ্যামিতি বৰ উজু হৈ পৰিল। সংস্কৃত কিন্তু বৰ টান লাগিছিল। জ্যামিতিত একো মুখস্থ কৰিবলগীয়া নাই, কিন্তু মোৰ মনত হৈছিল যে সংস্কৃতত সকলো কথা মুখস্থ ৰাখিব লাগে। চতুৰ্থ শ্ৰেণীৰ পৰাই এই বিষয়ৰ শিক্ষা আৰম্ভ হৈছিল।

শিক্ষকজন বৰ কড়া আছিল, লৰাহতক শিক্ষা দিবলৈ বৰকৈ ব্যগ্ৰ আছিল বুলি মোৰ মনত হৈছিল। সংস্কৃতৰ শিক্ষক আৰু ফাৰ্ছী শিক্ষকৰ লগত এটা অৰিয়া-অৰিৰ ভাব আছিল। ফাৰ্ছী শিক্ষকজন ধীৰ প্ৰকৃতিৰ আছিল। ফাৰ্ছী বৰ উজু বিষয় আৰু শিক্ষকজনাৰো লৰাইতলৈ মৰম আছে ইত্যাদি কথা লৰাহতৰ মাজত কোৱা-মেলা হৈছিল। উজু বুলি শুনাত মই এদিন ফাৰ্ছী ক্লাছলৈ গলো। সংস্কৃতৰ শিক্ষক জনে বৰ বেজাৰ পালে আৰু মোক মাতি নি কলে–'তুমি যে এজন বৈষ্ণৱৰ পুতেক, এই কথাষাৰ পাহৰিব পাৰা কেনেকৈ? তুমি নিজৰ ধৰ্ম্মৰ ভাষা নিশিকি-বানে? তুমি কিবা টান পালে মোৰ ওচৰলৈ নাহা কিয়? মই তোমা-লোকক যথাসাধ্য শিক্ষা দিবলৈ চেষ্টা কৰো। তুমি যিমানেই এই বিষয় পঢ়িবা, সিমানেই ইয়াত বৰ আমোদৰ কথা পাবা। তুমি নিৰাশ নহবা, তুমি আহি পুনৰ সংস্কৃত ক্লাছত বহাহি।" মই ইয়াত লাজ পালোঁ। শিক্ষকৰ মোলৈ এই মৰম মই অৱহেলা কৰিব নোৱাৰোঁ। আজি শঙ্কৰ পাণ্ডেক মই কৃতজ্ঞতাৰে সৈতে স্মৰণ কৰো।

সেই সময়ত অলপ সংস্কৃত শিক্ষা নকৰা হলে এতিয়া আমাৰ ধৰ্ম্ম শাস্ত্ৰ-বিলাক পঢ়িবলৈ বৰ টান পাওঁহেতেন। প্ৰকৃততে সংস্কৃতত গভীৰ জ্ঞান নোহোৱা বাবে মোৰ অনুতাপ হয়, আৰু মই পাছতহে ভাবিছিলো যে, কোনো হিন্দুলৰা ছোৱালী সংস্কৃতত ভাল শিক্ষা নোহোৱাকৈ থকা অনুচিত!

মই এতিয়া ভাবো যে উচ্চ শিক্ষাৰ বাবে নিৰ্দ্ধাৰিত পাঠ্যৰ ভিতৰত মাতৃভাষাৰ লগত হিন্দী সংস্কৃত ফাৰ্ছী আৰবী আৰু ইংৰাজী ভাষাৰ শিক্ষাও থাকিব লাগে। এই ডাঙৰ তালিকাখনত ভয় খাবৰ একো নাই। আমাৰ শিক্ষা প্ৰণালীবদ্ধ হলে লৰাইতে বিদেশী ভাষাৰ মাজেদি সকলো কথা শিকাৰ বোজাৰপৰা ৰক্ষা পৰিব। মোৰ বিশ্বাস যে এইবোৰ ভাষা

শিকা একো টান নহয়, বৰঞ্চ এটা আমোদৰ বিষয়হে হব ; এটা ভাষা বৈজ্ঞানিক প্ৰণালীৰে শিকিলে অন্য ভাষা শিকাত উজু হৈ পৰে। সটাঁকৈয়ে হিন্দী গুজৰাটি আৰু সংস্কৃত এটা ভাষা আৰু ফাৰ্চী আৰবী এটা ভাষা বুলি ধৰিব পাৰি। যদিও ফাৰ্চী ভাষা আৰ্য্য, আৰু আৰবী ভাষা 'ছেমিটিক' পৰিয়ালৰ, তথাপিও এই দুযোটা ভাষাৰ মাজত বৰ ঘনিষ্ঠ সম্পৰ্ক আছে। এই দুযোটা ভাষাই একে কাৰণত উন্নত হৈছে— অৰ্থাৎ ইছলামৰ অভ্যুদয়। উৰ্দ্দুক মই এটা সুকীয়া ভাষা বুলি নাভাবোঁ। কাৰণ, তাৰ ব্যাকৰণখন হিন্দীৰ দৰেই। কেৱলমাত্ৰ আৰবী আৰু ফাৰ্চীৰপৰা সৰহকৈ শব্দ অনা হৈছে। যিদৰে গুজৰাটি হিন্দী, বঙালী নাইবা মাৰাঠি ভাষা ভালকৈ শিকিব হলে সংস্কৃত শিকিব লাগে সেইদৰে উৰ্দ্দু ভালকৈ শিকিব হলে ফাৰ্চী আৰু আৰবী ভালকৈ শিকিব লাগে।

জীৱনৰ শোক লগা ঘটনা

(৬)

মই আগেয়ে কৈ আহিছো যে হাইস্কুলত মোৰ অন্তৰঙ্গ বন্ধু কম আছিল। অন্তৰঙ্গ বুলিব পৰা বন্ধু মুঠতে দুজনহে আছিল আৰু সিও বেলেগ সময়ত। ইয়াৰ ভিতৰত এজনৰ লগত বন্ধুতা সৰহ দিনলৈ থকা নাছিল যদিও, তেওক মই কেতিয়াও এৰা নাছিলোঁ। মই ইজনৰ লগত

বন্ধুতা কৰা বাবে তেওঁ মোক এৰিছিল। এই শেহৰ বন্ধুতাটো মই মোৰ জীৱনৰ শোক লগা ঘটনা বুলিহে ভাবো। এই বন্ধুতা বহুত দিনলৈ আছিল। মই এই বন্ধুতা স স্কাৰকৰ ভাৱতহে পাতিছিলো। এই বন্ধুজন আগেযে মোৰ ককাইদেৱৰ বন্ধু আছিল। আৰু দুয়ো একে শ্ৰেণীতে পঢ়িছিল। মই তেওঁৰ দোষ বোৰ জানিছিলো, কিন্তু তেওঁক বিশ্বাসী বন্ধু বুলি ভাবিছিলো। মই কু-সঙ্গত পৰিছো বুলি আই, ককাইদেউ আৰু ভাৰ্য্যাই সাৱধান কৰি দিছিল। মই এনেকুৱা অহঙ্কাৰী স্বামী আছিলো যে ভাৰ্য্যাৰ সাৱধানতাৰ কথাত কাণ নিদিছিলো। অৱশ্যে মই আইৰ বিৰুদ্ধে যাবলৈ সাহকৰা নাছিলো, ককাইদেৱকো সম্মান কৰিছিলোঁ, আৰু বাধ্যও আছিলো। মই তেওঁলোকৰ লগত এই বুলি তৰ্ক কৰিছিলো –"মই জানো যে আপোনাসকলে কোৱা দোষ বিলাক তেওঁৰ গাত আছে, কিন্তু আপোনাসকলে তেওঁৰ গুণবিলাকো জানে। তেওঁ মোক অবাটে নিব নোৱাৰে, কাৰণ, তেওঁক ভালৰ ফাললৈ নিবলৈকেহে মই তেওঁৰ সঙ্গ লৈছোঁ। যদি তেওঁ ভালৰ ফাললৈ আহে, তেনেহলে তেওঁ এজন বঢ়িয়া মানুহ হব বুলি মই জানো। মই আপোনাসকলক নিবেদন কৰিছো আপোনাসকল যেন মোৰ কাৰণে চিন্তিত নহয়।" তেওঁলোক ইয়াতে সন্তুষ্ট হৈছিল বুলি মই নাভাবো, যিহ'ক তেওঁলোকে মোৰ কথাকে শুনিলে আৰু মোক মোৰ মতেৰে যাবলৈ দিলে।

মই এতিয়া ভাবিছো যে তেতিয়া মোৰ ধাৰণা ভুল হৈছিল। সংস্কাৰকে অগাধ পানীত বুৰ দিবলৈ যোৱাটো উচিত নহয়। তেওঁ যাক সংস্কাৰ কৰিব খোজে, তাৰ লগত ঘনিষ্ঠতা ৰাখিব নোৱাৰে। প্ৰকৃত বন্ধুতা আত্মাৰ একতা, কিন্তু সি সংসাৰত দুস্প্ৰাপ্য। একে স্বভাৱৰ মাজতহে বন্ধুতা ভাল ৰকমৰ আৰু বেছিদিনীয়া হব পাৰে। বন্ধুতাবে পৰস্পৰৰ

ৰাজত প্ৰতিক্ৰিয়া হয় আৰু সেই কাৰণে তাত সংস্কাৰৰ ঠাই নাইকীয়া হৈ পৰে। মোৰ মতেৰে সকলোপ্ৰকাৰৰ ঘনিষ্ঠতাই বৰ্জন কৰিবলগীয়া; কাৰণ, মানুহে গুণতকৈ দোষ হে সহজে গ্ৰহণ কৰে আৰু যি সকলে ঈশ্বৰৰ লগত বন্ধুতা পাতিব খোজে, তেওঁলোকে একেবাৰে অকল-শৰীয়াকৈয়ে থাকিব লাগে, নাইবা গোটেই পৃথিৱীকে বন্ধু কৰি লব লাগে। মোৰ ভুল হব পাৰে, কিন্তু মই ঘনিষ্ঠ বন্ধুতা পতাত অকৃতকাৰ্য্য হৈছিলো।

মই যেতিয়া এই বন্ধু জনক লগ পাইছিলো, তেতিয়া ৰাজকোটত এটা সংস্কাৰৰ ঢৌ উঠিছিল। তেও মোৰ আগত কৈছিল যে আমাৰ বহুত শিক্ষকে গোপনে মাংস আৰু মদ খায়। ৰাজকোটৰ আৰু বহুত জনাশুনা মানুহ সেই দলভুক্ত বুলি তেওঁ কৈছিল। তাৰ ভিতৰত কিছুমান হাইস্কুলৰ লৰাও আছিল বুলি তেওঁ কৈছিল। মই বৰ আচৰিত আৰু দুখিত হৈছিলো। মই তেওক ইযাৰ কাৰণ সোধাত তেওঁ এই বুলি কলে "আমি মাংস নাখাও কাৰণে দুৰ্ব্বল। ইংৰাজে মাংস খায় বুলিহে আমাক শাসন কৰিছে। তুমি জানা মই কিমান কষ্ট সহিব পাৰোঁ আৰু কিমান বেগাই লৰিব পাৰো, তাৰ কাৰণ হৈছে যে মই মাংস-খাও। মাংস-খাওতা বিলাকৰ ফোহা আদি নহয় আৰু হলেও সোনকালে ভাল হয়। আমাৰ শিক্ষক আৰু আন আন যি জনা-শুনা মানুহে মাংস খায় তেওঁলোকতো মুৰ্খ নহয়। তেওলোকে ইয়াৰ গুণ বুজে; তুমিও তেনে কাম কৰা উচিত আৰু এবাৰ খাই চোৱাত তো একো দোষ নাই। এবাৰ খাই চোৱা, তেতিয়া বুজিবা যে ই কিমান বল দিয়ে।" একে দিনাই এই এটাইবিলাক যুক্তি দিয়া হোৱা নাছিল। বন্ধুজনে বহুদিন ধৰি মাজে মাজে যি দীঘলীয়া যুক্তি মোৰ আগত দি আহিছিল, তাৰেই সাৰাংশহে মাথোন। ককাইদেউৰ আগেয়েই নৈতিক পতন হৈছিল

আৰু সেই কাৰণেই তেওঁ এইবন্ধু জনৰ যুক্তি সমৰ্থন কৰিছিল। অৱশ্যে ককাইদেউ আৰু এই বন্ধু জনৰ আগত মোৰ দুৰ্ব্বল শৰীৰৰ যেন দেখা গৈছিল, তেওঁলোক দুয়ো মোতকৈ বলৱান, কষ্ট-সহিষ্ণু আৰু সাহসী আছিল। এই বন্ধু জনৰ কাৰ্য্যত মই মন্ত্ৰমুগ্ধৰ দৰে আছিলোঁ। তেওঁ বহুত দূৰ বৰ বেগাই লৰিব পাৰিছিল। তেওঁ ওখ আৰু দীঘলীয়া, জাপত বৰ পাকৈত অছিল আৰু যি প্ৰকাৰৰ শাৰীৰিক দণ্ডই নহওক, সহিব পাৰিছিল। তেওঁ প্ৰায়েই মোৰ আগত তেওঁৰ কাৰ্য্যবিলাক দেখুৱাইছিল। মানুহে নিজৰ গাত নথকা গুণবিলাক লোকৰ গাত দেখিলে মোহিত হয়, আৰু মযো তেওঁৰ কাৰ্য্যবিলা-কত মোহিত হৈছিলোঁ। তাৰ ফলত তেওঁৰ নিচিনা হবলৈ এটা প্ৰবল ইচ্ছা জন্মিল। মই কাচিৎহে জপিয়াব বা লৰিব পাৰিছিলোঁ। এই বন্ধু জনৰ নিচিনা মযো কিয় বলী হব নোৱাৰিম ?

আনফালে, আকৌ মই ভয়াতুৰো আছিলোঁ। চোৰ ভূত-পিশাচ আৰু সাপলৈ মোৰ সদায় ভয় আছিল আৰু সেই কাৰণে মই ৰাতি ঘৰৰ পৰা বাহিৰলৈ ওলাবলৈ সাহ নকৰিছিলোঁ। এন্ধাৰত মই ভয় খাইছিলোঁ। এন্ধাৰত শোৱা মোৰ পক্ষে অসম্ভব আছিল কাৰণ মই মনতে ভাবিছিলো যে এফালৰপৰা ভূত-পিশাচ, আনফালৰপৰা চোৰ নাইবা আন এফালৰপৰা সাপ আহিছে। সেই কাৰণে মই চাকি নোহোৱাকৈ ৰাতি শুব নোৱাৰিছিলোঁ। যৌৱনৰ দুৱাৰ দলিত থিয় দি মোৰ কাষত শুই থকা ভাৰ্য্যাক মোৰ ভয়ৰ কথা কেনেকৈ প্ৰকাশ কৰোঁ ? তেওঁৰ মোতকৈ বেছি সাহ থকা বুলি মই জানিছিলোঁ আৰু সেইবাবে মই লাজ পাইছিলোঁ। তেওঁৰ সাপ বা ভূত-পিশাচলৈ ভয় নাছিল। তেওঁ এন্ধাৰত য'লৈ ত'লৈ যাব পাৰিছিল। বন্ধুজনে মোৰ এইবিলাক দুৰ্ব্বলতাৰ কথা জানিছিল। তেওঁ মোৰ আগত কৈছিল যে তেওঁ জীয়া সাপ হাতেৰে ধৰিব পাৰে, চোৰক তুচ্ছ জ্ঞান কৰে, আৰু ভূত-পিশাচতো বিশ্বাস নকৰে আৰু এই এটাইবিলাকেই মাংস খোৱাৰ ফল।

সেই সময়ত আমাৰ স্কুলীয়া ল'ৰাৰ মাজত নৰ্ম্মদাৰ এটা ফকৰাৰ বৰ প্ৰচলন আছিল। এই ফকৰাটোৰ তাৎপৰ্য্য হৈছে এই :—

"চোৰা হেৰা পৰাক্ৰমী ইংৰাজক চোৱা
এই ক্ষুদ্ৰ 'নেটিভক' ৰখিছে শাসন।
মাংসাহাৰী কাৰণেই মাংসৰ ফলত
ওখইও তেওঁলোক পাঁচ হাতমান ॥"

এই বিলাকৰ প্ৰকৃত প্ৰভাৱ মোৰ ওপৰত পৰিল। মই পৰাজিত হলোঁ, লাহে লাহে মোৰ মনত এনেকুৱা ভাব জন্মিব ধৰিলে যে মাংস খোৱা ভাল, এয়েই মোক বল আৰু সাহ দিব আৰু যদি গোটেই দেশেই মাংস খাবলৈ ধৰে, তেনেহলে ইংৰাজক পৰাজয় কৰিব পৰা যায়।

সেই কাৰণে মাংস খোৱা আৰম্ভ কৰিবলৈ এটা দিন ঠিক কৰা হল। এই নতুন সংস্কাৰ আৰম্ভ কৰিবলৈ কিয় এটা দিন ঠিক কৰিব লগীয়া হৈছিল, সেইটো হয়তো বহুতে বুজিবলৈ টান পাব। গান্ধীপৰিয়াল বৈষ্ণৱ আছিল। বিশেষতঃ পিতৃমাতৃ পৰম বৈষ্ণৱ আছিল। তেওঁলোকে প্ৰায়ই 'হাভেলী' (প্ৰধান বৈষ্ণৱ মন্দিৰ) দৰ্শন কৰিবলৈ গৈছিল। আনকি আমাৰ পৰিয়ালৰ নিজৰ মন্দিৰো আছিল। জৈনধৰ্ম্মও গুজৰাটত প্ৰবল আৰু ইয়াৰ প্ৰভাৱ সকলো সময়তে আৰু সকল ঠাইতে পোৱা যায়। গুজৰাটৰ জৈন আৰু বৈষ্ণৱৰ সকলৰ মাজত মাংস খোৱাৰ ৰীতিলৈ যি দৰে বিৰাগ আৰু ঘৃণা দেখা যায়, ভাৰতবৰ্ষৰ আন কোনো ঠাইত সেই দৰে দেখা পোৱা নাযায়। এই বিলাকৰ সংস্কাৰ আৰু ৰীতিনীতিৰ মাজত মোৰ জন্ম হৈছিল। এই বিলাকৰ মাজতেই মই ডাঙৰ হৈছিলোঁ। মই আই বোপাইৰ বৰ ভক্ত আছিলোঁ। মই জানিছিলোঁ যে যি মুহূৰ্ত্ততে তেওঁলোকে মই মাংস খোৱাৰ কথা জানিব, সেই মুহূৰ্ত্ততে তেওঁলোক মৰাৰ দৰে হব। মই জ্ঞাত বা অজ্ঞাতসাৰে সত্যৰ সেৱকো আছিলোঁ। মই মাংস খাব ধৰিলে দেউতাকহঁতক প্ৰতাৰণা কৰিব লাগিব

বুলি তেতিয়া জনা নাছিলোঁ বুলি কব নোৱাৰো। কিন্তু মোৰ মন এই নতুন সংস্কাৰৰ ফালে ঢাল খালে ; ই কেৱল জিভাক সোৱাদ লগোৱা কথাই নাছিল। ইয়াৰ কিবা বিশেষ ৰকমৰ ভাল সোৱাদ আছিল বুলি মই জনা নাছিলোঁ। মই কেৱল বলী আৰু সাহিয়াল হবলৈ বিচাৰিছিলো আৰু লগে লগে মোৰ দেশবাসী সকলো তেনেকুৱা হোৱাটো বিচাৰিছিলোঁ, যাতে ইংৰাজক পৰাজয় কৰি ভাৰতক স্বাধীন কৰিব পাৰোঁ। ‘স্বৰাজ’ শব্দটো অৱশ্যে তেতিয়ালৈকে শুনা নাছিলোঁ। কিন্তু এই সংস্কাৰৰ বায়ুৱে মোক কণা কৰিলে আৰু মই সম্পূৰ্ণ ৰূপে নিজক পাহৰি গলো।

জীৱনৰ শোক লগা ঘটনা

[আগৰ অধ্যায়ৰ পাছৰ পৰা]

(১)

অৱশেষত সেইদিন আহিল। মোৰ মনৰ অৱস্থা সম্পূৰ্ণৰূপে বৰ্ণনা কৰা টান। এফালে সংস্কাৰকৰ উৎসাহ আৰু জীৱনত এটা আৱশ্যকীয় পৰিবৰ্ত্তন ঘটোৱাৰ নতুনত্ব আৰু আনফালে সেই কাম চোৰৰ নিচিনাকৈ কৰি তাক লুকুৱাৰ লাজ। ইয়াৰ ভিতৰত কিহে মোক টানি নিছিল মই কব নোৱাৰো। আমি নৈৰ দাঁতিত এডোখৰ নিৰ্জন ঠাই বিচাৰি ললোঁ

আৰু জীৱনত পোন প্ৰথমে তাতেই মই মাংস দেখোঁ। তাত ৰুটিৰাজ্যৰ ৰুটিও আছিল। কিন্তু মই কোনোটোৰে সোৱাদ পোৱা নাছিলোঁ। মাংস ছালৰ নিচিনা টান যেন লাগিল। মই যে কেৱল খাবকে নোৱাৰিলোঁ এনে নহয়, লগে লগে অসুস্থ বোধ কৰি খোৱা এৰিবলৈ বাধ্য হলোঁ।

ইয়াৰ পিছত ৰাতিটো বৰ বেয়া ৰকমে গ'ল। মোৰ গোটেই ৰাতি টোপনি নাহিল, নানাৰকম সপোন দেখিলোঁ—মই কেতিয়াবা দেখোঁ যেন মোৰ ভিতৰত জীয়া ছাগলী এজনীয়ে করুণ ভাৱেৰে বেবাব লাগিছে আৰু তাৰ পিছত যেন মই অনুতপ্ত হৈ চঁক খাই উঠোঁ; কিন্তু তেতিয়াই আকৌ মনত পৰে যে মাংস খোৱা এটা কৰ্ত্তব্য, এই দৰে মই মনত প্ৰবোধ দিওঁ। মোৰ বন্ধুজন সহজে পৰাজিত হোৱা বিধৰ মানুহ নাছিল। তেওঁ তেতিয়া মাংসৰ নানাবিধ আঞ্জা বান্ধিবলৈ আৰু পৰিস্কাৰকৈ বাঢ়ি দিবলৈ ধৰিলে। আগৰ সেই নৈৰ দাঁতিৰ নিৰ্জ্জন ঠাইৰ সলনি এটা ছুৰকাৰী ঘৰৰ ভাৰা খোটালী এটাত খোৱা ঠাইৰ দিহা হ'ল। চকী মেজ ইত্যাদিৰে জকমকীয়া কৰি থোৱা হ'ল। মোৰ বন্ধুজনে তাত থকা ৰেহেৰা বিলাকৰে সৈতে এই বিলাকৰ বন্দবস্ত কৰিলে, এই প্ৰলোভনৰ ফলো ধৰিলে। মোৰ ৰুটিৰ প্ৰতি বিৰাগ গুচিল, ছাগলীৰ প্ৰতি দয়া নকৰোঁ বুলি শপত খালোঁ আৰু মাংসেৰে বন্ধা আঞ্জাত সোৱাদ পোৱা হলোঁ, যদিও মাংসত সোৱাদ পোৱা নাছিলোঁ। এইদৰে প্ৰায় এবছৰ মান গ'ল। এই বছৰত মুঠতে প্ৰায় ছটামানহে মাংসৰ ভোজ খোৱা হৈছিল। কাৰণ উক্ত জকমকীয়া ছুৰকাৰী ঘৰটো সদায় পোৱা নগৈছিল আৰু তেনেকুৱা সোৱাদ লগা মাংসৰ আমি খৰচাদি সোণকালে সোণকালে যোগাৰ কৰাও টান আছিল। এই সংস্কাৰৰ খৰচ যোগাবলৈ মোৰ ধন নাছিল, সেই কাৰণে মোৰ বন্ধুজনেই সদায় তাৰ উপায় কৰিব লগীয়া হৈছিল আৰু তাৰ উপায় তেওঁ ক'ত কৰিছিল মই কেতিয়াও জনা নাছিলোঁ; কিন্তু যেনেকৈ হওক, তেওঁ তাৰ উপায় কৰিছিল

কাৰণ মোক মাংস-ভোজী কৰিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ। তেওঁৰ উপায়ো অৱশ্যে সীমাবদ্ধ আছিল, সেই গতিকে বাধ্য হৈ এই ভোজ বিলাকো কমাই পাতিব লগীয়া হৈছিল।

যেতিয়া মই চুৰ কৰি পতা এইবিলাক ভোজ খাওঁ, তেতিয়া অৱশ্যে ঘৰত খোৱা অসম্ভব হ'ল। আয়ে স্বভাৱতে মোক খাবলৈ মাতে আৰু মই খাবলৈ নোযোৱাৰ কাৰণো সোধে। মই তেওঁক কওঁ, "আজি মোৰ ভোক নাই, অলপ পেটৰ অসুখ হৈছে।" এই বিলাক ফাঁকি দিওঁতে মোৰ যে অলপো অনুতাপ হোৱা নাছিল, এনে নহয়। মই জানিছিলোঁ যে মই মিছা কথা কৈছোঁ আৰু তাকো আইৰ আগত। এইটো ও জানি-ছিলোঁ যে যদি আই আৰু দেউতাই মই মাংসভোজী হোৱা বুলি জানে, তেনেহলে তেওঁলোকে মনত বৰ দুখ পাব আৰু এই কথাযাৰেই মোক মৰ্মাহত কৰিছিল।

মই নিজকে নিজে এই দৰে প্ৰবোধ দিছিলোঁ—মাংস খোৱা আৰু দেশত আহাৰৰ সংস্কাৰ কৰা আৱশ্যকীয়। কিন্তু আই বোপাইক ফাঁকি দিয়া আৰু মিছা কথা কোৱা মাংস নোখোৱাতকৈও বেয়া। তেওঁলোক জীয়াই থকা কালত অৱশ্যে মাংসে খোৱা অসম্ভব। তেওঁলোক মৰাব পিছত যেতিয়া স্বাধীন হম, তেতিয়া মই দেখা-দেখিকৈ মাংস খাম আৰু সেই সময় উপস্থিত নোহোৱালৈকে মাস নোখোৱাকৈ থাকিম।" মোৰ এই সিদ্ধান্ত মই বন্ধু জনৰ আগত কলোঁ আৰু তেতিয়াৰ পৰা মই আৰু মাংস খোৱা নাই। আই আৰু দেউতাই দুজন পুতেক যে মাংসভোজী হৈছে, সেই কথা কেতিয়াও জনা নাছিল।

তেওঁলোকৰ আগত মিছা কথা লুকোৱাৰ ভযতহে মই মাংস খাবলৈ এৰিলোঁ। কিন্তু মই বন্ধু জনৰ সঙ্গ এৰা নাছিলোঁ। সংস্কাৰৰ উৎসাহেই মোৰ এই পুতনৰ কাৰণ হৈছিল আৰু আনকি সেই বিষয় মই গমকে পোৱা নাছিলোঁ।

এই বন্ধু জনৰ সঙ্গত পৰি আন আৰু এটা কথাত বিপথলৈ যাব ধৰিছিলোঁ, যি হওক কোনোমতে মই ৰক্ষা পৰিলোঁ। সেই বন্ধুজনে এবাৰ মোক বেশ্যা-লয়লৈকো লৈ গৈছিল। তেওঁ মোক আৱশ্যকীয় উপদেশ দি তাত সুমাই দিলে। টকা পইচাও দি সকলো ঠিকঠাক কৰি থোৱা আছিল। মই পাপৰ অতলস্পৰ্শী গহ্বৰত পৰিছিলো কিন্তু এনেতে ঈশ্বৰৰ মোলৈ অসীম কৰুণা হ'ল, মই ৰক্ষা পৰিলো। পাপৰ দুৱাৰদলিত ভৰি দি মই কণা আৰু বোবাৰ দৰে হোৱা দি হলো। বিছনাত তেওঁৰ ওচৰত মই বহিলোঁ, কিন্তু মুখৰ মাত হৰিল। স্বভাৱতে তেওঁৰ ধৈৰ্য্যচ্যুতি ঘটিল, মোক গালি পাৰি আৰু ঠাট্টা কৰি দুৱাৰ মুখলৈ উলিয়াই দিলে। মই যেতিয়া বুজিলোঁ যে মোৰ পুৰুষত্বৰ ওপৰত আঘাত পৰিছে, তেতিয়া লাজতে মোৰ মাটিৰ তলত লুকাবৰ ইচ্ছা হ'ল। কিন্তু তেতিয়া ৰক্ষা কৰাৰ বাবে মই সদায় ঈশ্বৰক ধন্যবাদ দি আহিছো।

মোৰ জীৱনত এনেকুৱা আৰু চাৰিটা ঘটনাৰ কথা মোৰ মনত পৰে আৰু সেই আটাই বিলাকতেই নিজৰ চেষ্টাতকৈ সৌভাগ্যৰ বলতহে মই ৰক্ষা পৰিছিলো। সম্পূৰ্ণ নৈতিক দৃষ্টিৰে চালে এইবিলাক ঘটনাক নৈতিক পতন বুলিব পাৰি, কাৰণ তাত ইন্দ্ৰিয় সেৱাৰ ইচ্ছা আছিল আৰু ইচ্ছা কাৰ্য্যৰে সৈতে একেই। কিন্তু সাধাৰণতে যি মানুহে আচলতে পাপ কাৰ্য্য কৰাৰ পৰা ৰক্ষা পৰে, তেওঁকেই ৰক্ষা পৰা বোলা যায়। মযো এনেকুৱা অৰ্থতহে ৰক্ষা পৰিছিলোঁ। কিছুমান কাম আছে, যিবিলাকৰ পৰা অপ্ৰত্যাশিতভাৱে ৰক্ষা পৰা যায়। মানুহে বিবেক ওলোটাই পালে ৰক্ষা পৰাৰ বাবে ঈশ্বৰৰ কৰুণাৰ শলাগ লয়। আমি জানো যে যিদৰে মানুহে যথাসাধ্য প্ৰতিৰোধ কৰিও প্ৰায়েই প্ৰলোভনৰ বশৱৰ্ত্তী হয়, সেইদৰে সৌভাগ্যয়েই মানুহক নিজৰ অনিচ্ছা স্বত্বেও প্ৰায় ৰক্ষা কৰে। এই-বিলাক কেনেকৈ ঘটে, মানহ কিমান স্বাধীন আৰু কিমান দূৰ ঘটনাৰ দাস,

মানুহৰ স্বাধীন ইচছাই কিমানলৈ আৰু অদৃষ্টই কিমানলৈ কাম কৰে—এই এটাইবিলাকেই ৰহস্য আৰু এই বিলাক সদায় ৰহস্য হৈয়েই থাকিব।

কিন্তু আকৌ আচল ঘটনাৰ কথা কওঁ। এনেকি ইমানতো বন্ধুজনৰ সঙ্গদোষৰ বিষয়ে মোৰ চকু গজা নাছিল। সেই কাৰণে ভবিষ্যতলৈ আৰু বহুত বিপদ মোৰ কাৰণে বাট চাই আছিল। অৱশেষত তেওঁৰ পতনৰ কিছুমান চাক্ষুষ প্ৰমাণ বৰ অপ্ৰত্যাশিত ভাৱে দেখিহে মোৰ গচাকৈ চকু গজিল। কিন্তু সেই বিলাক বিষয়ে পিছতহে কম, কাৰণ ঘটনাবিলাক ক্ৰমানুযেহে বৰ্ণনা কৰি আহিছো।

যি হক, এইখিনিতে এটা ঘটনাৰ কথা উল্লেখ কৰিম, কাৰণ এই ঘটনা এই সময়ৰে। ভাৰ্য্যাৰ লগত অনৈক্য হোৱাৰ এই বন্ধু জনৰ সঙ্গই এটা কাৰণ। মই অনুৰক্ত অথচ সন্দিগ্ধচিত্তৰ স্বামী আছিলোঁ। এই বন্ধুজনেই ভাৰ্য্যাৰ সম্বন্ধে মোৰ মনত বহুতো সন্দেহ জগাই দিছিল। মই বন্ধুজনৰ সত্যপৰায়ণতাত কেতিয়াও সন্দেহ কৰিব নোৱাৰিছিলো আৰু তেওঁৰ কথামতে কাম কৰি ভাৰ্য্যাক মনোকষ্ট দি যি দোষ কৰি আহিছিলোঁ, সেই দোষৰ বাবে মই নিজক কেতিয়াও ক্ষমা কৰিব পৰা নাই। কেৱল হিন্দু তিৰুতাইহে এইবিলাক কষ্ট সহি থাকে আৰু সেই কাৰণেই মই তিৰুতাক সহিষ্ণুতাৰ অৱতাৰ বুলি ভাবো। মিছাতে সন্দেহ কৰিলে চাকৰে তাৰ কাম এৰি দি গুচি যাব পাৰে, পুতেকে তেওঁৰ বাপেকৰ ঘৰ এৰিব পাৰে আৰু বন্ধুৱে বন্ধুতা এৰিব পাৰে। তিৰুতাই স্বামীক সন্দেহ কৰিলেও মনে মনে থাকিব, কিন্তু স্বামীয়ে তিৰুতাক সন্দেহ কৰিলে তিৰুতাৰ সৰ্ব্বনাশ। তেওঁ ক'লৈ যাব? হিন্দু তিৰুতাই আদালতৰ সহায় লৈ স্বামীক ত্যাগ কৰিব নোৱাৰে। আইনে তেওঁৰ কাৰণে প্ৰতিকাৰৰ একো ব্যৱস্থা কৰা নাই। আৰু মই কস্তুৰীবাঈৰ মনত এনে এটা নৈৰাশ্যৰ সৃষ্টি কৰিছিলোঁ যে সেই দোষ মই কেতিয়াও পাহৰিব নোৱাৰোঁ। নাইবা নিজক কেতিয়াও

ক্ষমা কৰিব নোৱাৰোঁ। যেতিয়া সকলো প্ৰকাৰে অহিংসাৰ মৰ্ম্ম মই বুজি পালোঁ তেতিয়াহে মোৰ সন্দেহৰ শিপা সমূলি উঘালি পেলাব পাৰিলোঁ, তেতিয়াহে মই ব্ৰহ্মচৰ্য্যৰ মাহাত্ম্য বুজি পালোঁ , আৰু ভাৰ্য্যা স্বামীৰ কিনা গোলাম নহয়, বৰঞ্চ তাৰ সলনি তেওঁৰ জীৱনৰ লগৰীয়া আৰু সুখ দুখৰ সমভাগী আৰু নিজৰ বাট নিজে বাছি লবলৈ তেওঁৰো স্বামীৰ লগত সমান স্বাধীনতা আছে বুলি বুজিলোঁ। যেতিয়াই মই সেই সন্দেহৰ দিনৰ কথা ভাবোঁ, তেতিয়াই মোৰ নিজৰ মূৰ্খালি আৰু ইন্দ্ৰিয়-সেৱা-পূৰ্ণ নিষ্ঠুৰতালৈ ঘিণ হয় আৰু বন্ধুজনলৈ মোৰ অন্ধ আসক্তিৰ বাবে অনুতাপ হয়।

চুৰি আৰু প্ৰায়শ্চিত্ত

(৮)

মাংস খোৱা সময়ৰ আৰু তাৰ আগৰ কেইটামান নৈতিক পতনৰ ঘটনা এতিয়াও কবলৈ বাকী আছে। সেইবিলাক বিয়াৰ অলপ আগেযে কি, পিছতে ঘটিছিল।

এজন দূৰ সম্পৰ্কীয় আত্মীয় আৰু মই দুয়ো ধপাত হুপিবলৈ ভাল পাইছিলোঁ। কিন্তু আমাৰ ধন নাছিল। ধোৱা-খোৱাত যে কিবা উপকাৰ আছে আমি ভবা নাছিলোঁ, নাইবা ছিগাৰেটৰ গোন্ধলৈও আমাৰ ৰাপ জন্মা নাছিল। আমি কেৱল মুখৰপৰা ধোৱা উলিয়াই দিয়াতহে একৰকম সুখ অনুভৱ কৰিছিলোঁ। মোৰ খুড়াদেৱৰ সেই অভ্যাস আছিল, তেওঁক ধোৱা খোৱা দেখি আমিও তেওঁক অনুকৰণ কৰিব লাগে বুলি ভাবিলোঁ। কিন্তু আমাৰ যে সম্বল একো নাছিল। সেই কাৰণে আমি তেওঁ এৰি পেলাই দিয়া ছিগাৰেটৰ টুকুৰা চুৰ কৰি খাবলৈ ধৰিলোঁ।

কিন্তু সেই টুকুৰা বাৰ সময় পোৱা নগৈছিল আৰু পালেও তাৰে বেছি ধোৱা উলিয়াব নোৱাৰি। সেইবাবে আমি চাকৰৰ জেপৰপৰা পইচা চুৰ কৰি তাৰেই ছিগাৰেট কিনাৰ দিহা কৰি লৈছিলোঁ। কিন্তু তাৰ পিছত প্ৰশ্ন হ'ল, আমি সেইবিলাক ক'ত থম। আমি অৱশ্যে ডাঙৰৰ আগত ধোঁৱা খাব নোৱাৰিছিলোঁ। আমি এনেকৈ পইছা চুৰ কৰিয়েই কেই সপ্তাহমান চলালোঁ, এনেতে আমি শুনিলোঁ যে কিবা এবিধ গছৰ ঠাৰিৰে ছিগাৰেট কৰি খাব পাৰি। তেতিয়া আমি সেই গছৰ ঠাৰি আনি তাৰেই ধোঁৱা খাবলৈ ধৰিলোঁ।

কিন্তু ইমানতে আমি সন্তুষ্ট থাকিব নোৱাৰিলোঁ। স্বাধীনতাৰ অভাৱে আমাক হুলে বিন্ধা দি বিন্ধিলে। ডাঙৰৰ অনুমতি নোহোৱাকৈ একো কৰিব নোৱাৰাটো আমাৰ পক্ষে অসহনীয় হ'ল আৰু বিৰক্ত হৈ আমি আত্মহত্যা কৰিবলৈ থিৰ কৰিলোঁ।

কিন্তু এই বাম কেনেকৈ কৰোঁ আৰু বিহ ক'ত পাওঁ? আমি শুনিছিলোঁ যে ধুতুৰাৰ গুটি এবিধ ভাল বিহ। তৎক্ষণাৎ আমি হাবিলৈ গৈ ধুতুৰা গুটি বিচাৰি আনিলোঁ। গধূলিযেই সুবিধাৰ সময় বুলি ভবা হ'ল। আমি কেদাৰজীৰ মন্দিৰলৈ গৈ তাৰ বন্তিত ঘিউ দি দৰ্শন কৰিলো আৰু পাছত নিৰ্জন ঠাই এডোখৰ বিচাৰিলোঁ। কিন্তু আমাৰ আত্মহত্যা কৰিবলৈ সাহ নহ'ল। আমি ভাবিলোঁ, 'যদি আমি তৎক্ষণাৎ নমৰো? স্বাধীনতাৰ অভাৱ সহ্য কৰিয়েই নাথাকোঁ কিয়?'' যি হ'ক আমি দুটা কি তিনিটামান গুটি খাই তাতকৈ বেছি খাবলৈ সাহ নহ'ল। আমি দুয়ো আত্মহত্যাৰ সংকল্প এৰি সান্ত্বনা লভিবলৈ ৰামজীৰ মন্দিৰলৈ যোৱা থিৰ কৰিলো।

মই বুজিলো যে আত্মহত্যাৰ কথা ভাবিবলৈ যিমান সহজ, কামত কৰা, সিমান সহজ নহয়। মই ইয়াকো কও যে কেতিয়াবা কোনোবাই আত্মহত্যা কৰো বুলি ভয় দেখুৱালে তাত ভয় নাখাওঁ। আত্মহত্যাৰ সংকল্পৰ ফল এয়ে হ'ল যে অৱশেষত আমি দুয়ো ছিগাৰেটৰ টুকৰা খোৱা আৰু ছিগাৰেট খাবলৈ চাকৰৰ পইছা চুৰ কৰা অভ্যাস এৰিলো।

মই ডাঙৰ হোৱাৰে পৰা ধোৱা খাবলৈ ইচ্ছা কৰা নাই আৰু ধোৱা খোৱা স্বভাৱটো লেতেৰা, অসভ্য আৰু অপকাৰী বুলি সদায় ভাবো। ধোৱা খাবলৈ গোটেই পৃথিবীতে যে কিয় এনে হেঁপাহ মই বুজিব [illegible] নাই। ধোৱা-খোৱা মানুহৰে ভৰি থকা গাড়ীত মই যাবলৈকে টান পাওঁ আৰু গলেও চৰ্চ্চৰণি খাওঁ।

কিন্তু ইয়াৰ অলপ দিনৰ পাছত এই চুৰতকৈও গুৰুতৰ দোষত মই দোষী হৈছিলোঁ। ১২ কি ১৩ বছৰ বয়সত:, সম্ভৱত: তাতোকৈ কম বয়সত, এই দোষ কৰিছিলোঁ। আন দোষটো ১৫ বছৰ বয়সত কৰিছিলোঁ। মই মোৰ মাংস-খোৱা ভ্ৰাতৃৰ হাতত থকা খাৰু ডালৰপৰা সোণ অলপ চুৰ কৰিছিলোঁ। এওঁৰ ২৫ টকাৰ ঋণ হৈছিল। এওঁৰ হাতত গোট সোণৰ খাৰু এডাল আছিল। ইয়াৰপৰা সামান্য এডোখৰ চিকুটি লোৱা টান কাম নাছিল। ইয়াৰে ধাৰ শোধ কৰা হ'ল। কিন্তু মোৰ পক্ষে ই বৰ ভয়ানক কথা হ'ল। ভবিষ্যতলৈ চুৰ নকৰিবলৈ মই দৃঢ়-প্ৰতিজ্ঞা কৰিলোঁ। দেউতাৰ ওচৰত এই কথাষাৰ কোৱাও মই স্থিৰ কৰিলোঁ। কিন্তু কবলৈ মোৰ সাহ নহ'ল। দেউতাই মোক মাৰিব বুলি ভয় কৰা নাছিলোঁ—তেওঁ কেতিয়াও মোক মৰিৱা মনত নপৰে। এই কথাষাৰে তেওঁৰ মনত বেজাৰ দিব বুলি মোৰ বৰ ভয় হৈছিল। কিন্তু মই ভাবিলো সকলো বিপদ মূৰ পাতি লৈ স্বীকাৰ নকৰিলে দোষ কেতিয়াও স্খলন নহয়। শেষত সকলো কথা লিখি দেউতাক জনোৱা আৰু ক্ষমা প্ৰাৰ্থনা কৰা স্থিৰ কৰিলোঁ। এডোখৰ কাকতত লিখি নিজেই দেউতাৰ হাতত দিলোঁগৈ। তাত অকল দোষ স্বীকাৰেই কৰা নাছিলোঁ; ইয়াৰ বাবে উচিত শাস্তিও বিচাৰিছিলোঁ। দোষৰ বাবে শাস্তি দিবলৈ অনুৰোধ কৰি ভবিষ্যতলৈ চুৰ নকৰোঁ বুলিও প্ৰতিশ্ৰুতি দিলোঁ।

দেউতাক চিঠিখন দিব ধৰোঁতে মোৰ গোটেই গা কঁপি আছিল। দেউতা তেতিয়া অৰ্শৰোগত শয্যাগত আছিল। এখন তক্তাৰ ওপৰতেই দেউতাৰ বিছনা হৈছিল। মই চিঠিখন দি ভৰি-পথানৰ ফালে বহিলোঁ। চিঠিখন পঢ়ি তেওঁৰ চকুলো বব ধৰিলে। চকুলোতে কাকতখন তিতিল। এক মিনিটমান কিবা ভাবি চকু জপালে আৰু শেষত কাকত খন টুকুৰা টুকুৰি কৰি ফালি পেলালে। চিঠি পঢ়িবলৈ উঠি থকাৰপৰা

বহিছিল দেখি পুনৰ বিছনাত শুই পৰিল। ময়ো উচুপি উচুপি কান্দিব ধৰিলোঁ। দেউতাই মনত যে কি বেজাৰ পাইছে সেইটো মই বুজি পালোঁ। মই চিত্ৰকৰ হোৱা হলে গোটেই দৃশ্যটো ছবিৰে আঁকি দেখুৱালোহেঁতেন; মোৰ স্মৃতিত দৃশ্যটো এতিয়াও জলজল পটপট হৈ আঁকা আছে।

মৰমৰ এই চকুলো কেইধাৰে মোৰ হিয়া চাফ কৰি পাপ ধুই পেলালে! এনে মৰমৰ যাৰ অভিজ্ঞতা আছে তেৱেঁই অকল এই মৰম কি বস্তু তাক কব পাৰিব। মৰমৰ শৰে যাক বিন্ধিছে তেওঁহে মৰমৰ শক্তি জানে।"

অহিংসাৰ শিক্ষা মই ইয়াতেই পালো। পিতৃৰ মৰমৰ বাজে অইন একো তেতিয়া বুজা নাছিলো কিন্তু আজি এই কথাষাৰবে মই অহিংসা বুলি বুজিছো। অহিংসা যেতিয়া বিশ্বজনীন হয় তেতিয়াই সকলো বস্তুকে স্পৰ্শমাত্ৰেই শুদ্ধ কৰে। ইয়াৰ শক্তিৰ সীমা নাই। এনেবিধৰ ক্ষমাশীলতা দেউতাৰ পক্ষে স্বাভাৱিক নাছিল। মই ভাবিছিলো দেউতাৰ খং উঠিব যাৰ ফলত গালি-শপনি পাৰিব নাইবা কপাল ভুকুৱাব। কিন্তু তেওঁৰ আচৰিতধৰণে শান্ত হৈ থাকিল। মোৰ বিশ্বাস যে মুকলি মনেৰে স্বীকাৰ কৰাতহে তেওঁৰ এনে ভাব হ'ল। এনে বিধৰ স্বীকাৰশক্তিৰ লগত পূৰ্ববলৈ [illegible]ত এনে কাম নকৰো বুলি প্ৰতিশ্ৰুতি আৰু এনে [illegible]জন লোকৰ সন্মুখত স্বীকাৰোক্তি—অনুতাপৰ এয়েই বিশুদ্ধ স্বৰূপ। মই ভাবোঁ। যে মোৰ স্বীকাৰোক্তিয়ে পিতৃৰ মনত মোৰ সম্বন্ধে নিৰাপদ হবলৈ ভাব জন্মালে আৰু এয়েই মোলৈ তেওঁৰ মৰম চেনেহ বঢ়ালে।

পিতৃ-বিয়োগ আৰু মোৰ লাজৰ কাহিনী

(৯)

মই এতিয়া যি সময়ৰ কথা কম সেই সময়ত মোৰ বয়স ষোল আছিল। মই আগেয়ে কৈ আহিছো যে দেউতা ভগন্দৰ ৰোগত শয্যাগত আছিল। আই আৰু মযেই তেওঁৰ প্ৰধান শুশ্ৰূষাকাৰী আছিলোঁ। দেউতাৰ ঘা ধুই-পখালি ঔষধ দিয়া আৰু ঔষধ তৈয়াৰ কৰিব লাগিলে ঘৰত তৈয়াৰ কৰাও মোৰ কাম আছিল। মই সদায় ৰাতি তেখেতৰ ভৰি পিটিকি দিছিলোঁ আৰু তেখেতে যাবলৈ দিলেহে, নাইবা তেখেতৰ টোপনি আহিলেহে শুবলৈ গৈছিলোঁ। মই এনেকৈ শুশ্ৰূষা কৰিবলৈ ভাল পাইছিলোঁ আৰু এই বিষয়ে কেতিয়াও অবহেলা কৰা মোৰ মনত নপৰে। দৈনিক কৰ্ত্তব্য কাম কৰি মই যি সময় পাইছিলোঁ, সেইখিনি সময় স্কুলত আৰু দেউতাৰ শুশ্ৰূষাত কটাইছিলো। দেউতাই যাবলৈ দিলেহে নাইবা গা ভাল পালেহে মই কেতিয়াবা গধুলি ফুৰিবলৈ গৈছিলোঁ।

এই সময়তে মোৰ ভাৰ্য্যাৰ সন্তান হবৰ সময় হৈছিল। এইবাৰে মই দুগুণে লাজ পাইছিলোঁ। কাৰণ, প্ৰথমতে মই পাঠ্যাৱস্থাত সংযমী হোৱা উচিত আছিল, কিন্তু মই হোৱা নাছিলো। দ্বিতীয়তে যদিও সৰুকালৰে পৰা শ্ৰৱণেই মোৰ আদৰ্শ আছিল তথাপিও ইন্দ্ৰিয় সেৱাৰ ইচ্ছাই ছাত্ৰৰ কৰ্ত্তব্য পালনলৈ আৰু তাতোকৈ ডাঙৰ কৰ্ত্তব্য পিতৃ-মাতৃৰ প্ৰতি ভক্তিলৈ মোক বিমুখ কৰাইছিল। যদিও ৰাতি হাতেৰে সদায় দেউতাৰ ভৰি

পিটিকি থাকো, কিন্তু মোৰ মনটো শোৱা-খোটালীৰ চাৰিফালে ঘুৰি ফুৰে আৰু এনেকুৱা সময়ত—যি সময়ত, কি ধৰ্ম্ম, কি স্বাস্থ্য বিজ্ঞান, কি সাধাৰণ বুদ্ধি, সকলো মতে স্ত্ৰী-সহবাস নিষিদ্ধ। মই কৰ্ত্তব্যৰ পৰা অৱসৰ পালে সদায় আনন্দ পাওঁ আৰু দেউতাক সেৱা কৰি পোনে পোনে শোৱা খোটালীলৈ খোজ লওঁ।

ইফালে দেউতাৰ অৱস্থা দিনক দিনে বেয়া হৈ যাবলৈ ধৰিলে। আয়ুৰ্বেদীয় কবিৰাজ, হেকিম আৰু স্থানীয় বৈদ্যই যথাশক্তি ঔষধ দি আছিল। এজন ইংৰাজ ডাক্তৰেও চাইছিল। তেওঁ অস্ত্ৰ কৰাটোকে শেষ আৰু একমাত্ৰ উপায় বুলি কলে, কিন্তু আমাৰ পৰিয়ালৰ ঘৰুৱা চিকিৎসকজনে ইয়াত বাধা দিলে। তেওঁ কলে যে দেউতাৰ নিচিনা বয়সিয়াল অৱস্থাত অস্ত্ৰ কৰাত তেওঁ মত দিব নোৱাৰে। তেওঁ জনা শুনা আৰু খ্যাতনামা চিকিৎসক আছিল, সেইবাবে তেওঁৰ পৰামৰ্শই বাহাল থাকিল। অস্ত্ৰ কৰাৰ ভাৱ এৰা হ'ল আৰু সেই কাৰণে কিনা বহুতো ঔষধ অথলে গ'ল। চিকিৎসক জনে অস্ত্ৰ কৰিবলৈ অনুমতি দিয়া হলে বেমাৰ সহজে আৰোগ্য হলহেঁতেন বুলি মই এতিয়া ভাবোঁ। আৰু সেই সময়ত বোম্বেত জনাশুনা এজন চিকিৎসকৰ হতুৱাইহে অস্ত্ৰ কৰোৱা হ'লহেঁতেন। কিন্তু ঈশ্বৰৰ ইচ্ছা অন্যৰূপ আছিল। মৃত্যু যেতিয়া আসন্ন, তেতিয়া কোনে উপযুক্ত প্ৰতিকাৰৰ কথা ভাবিব পাৰে? অস্ত্ৰ কৰাৰ সকলো সাজ সৰঞ্জাম লৈ দেউতা বোম্বেৰপৰা উভতি আহিল। আৰু জীয়াই থকাৰ আশা তেখেতে এৰি দিলে। তেখেত দিনক দিনে ইমান দুৰ্ব্বল হবলৈ ধৰিলে যে অৱশেষত বিছনাতে শৌচ প্ৰস্ৰাৱ কৰিবলৈ তেখেতক অনুৰোধ কৰা হ'ল। কিন্তু শেহলৈকে তেখেত ইয়াত মান্তি হোৱা নাছিল আৰু সদায় বিছনা এৰি বাহিৰলৈ গৈ আছিল। বৈষ্ণৱসকলৰ বাহ্যিক শুদ্ধিৰ নিয়ম ইমানেই কঠোৰ। এনেকুৱা শুদ্ধি যে আৱশ্যক তাত কোনো

সংশয় নাই, কিন্তু পাশ্চাত্য চিকিৎসাবিজ্ঞানে আমাকে শিকাইছে যে শৌচ, প্ৰস্ৰাৱ আদি, আনকি, স্নানো সম্পূণ নিৰ্ম্মলতা ৰক্ষা কৰি আৰু বেমাৰীৰ কোনো প্ৰকাৰৰ অসুবিধা নোহোৱাকৈও আৰু বিছনাও সম্পূৰ্ণৰূপে পৰিষ্কাৰকৈ ৰাখি বিছনাতে কৰিব পাৰি। মই এনেকুৱা নিৰ্ম্মলতা বৈষ্ণৱ ধৰ্ম্মৰ বিৰোধী নহয় বুলি ভাবোঁ। কিন্তু শৌচ, প্ৰস্ৰাৱ আদি কৰিবলৈ বাহিৰলৈ যাবলৈ দেউতাৰ জেদ দেখি সেই সময়ত তেখেতলৈ মোৰ শ্ৰদ্ধাহে জন্মিছিল।

অৱশেষত সেই ভীষণ ৰাতি উপস্থিত হ'লহি। খুড়াদেউ তেতিয়া ৰাজকোটতেই আছিল। মোৰ অলপ মনত আছে যে তেওঁ দেউতাৰ অৱস্থা বেয়া হোৱা খবৰ পাইহে ৰাজকোটলৈ আহিছিল। ভায়েক ককায়েক দয়ো দুয়োৰো প্ৰতি বৰ আসক্ত আছিল। খুড়াদেৱে গোটেই দিনটো দেউতাৰ বিছনাৰ কাষত বহি আছিল আৰু ৰাতিও সবলোকে শুবলৈ পঠিয়াই নিজে দেউতাৰ বিছনাৰ কাষত শুলে। যদিও সিদিনা বেমাৰ টানেই হৈছিল, তথাপিও কোনেও সপোনতো ভবা নাছিল যে সেই ৰাতিটোৱেই সাংঘাতিক হব।

ঠিক ১০॥ কি ১১ বজালৈকে মই দেউতাৰ ভৰি পিটিকি আছিলো। এনেতে খুড়াদেৱে মোক সলনি দিয়ত মই ভাল পালোঁ আৰু পোনে পোনেই শোৱা-খোটালীলৈ গলো। বেচেৰী ঘৈণীৰ তেতিয়া গভীৰ নিদ্ৰা। কিন্তু মই তাত থাকোতে তেওঁ কেনেকৈ শুব? মই তেওঁক জগালো। তাৰ ৫।৭ মিনিট-মানৰ পাছত চাকৰে দুৱাৰত খুন্দিয়ালেহি; মই চঁক খাই উঠিলো। সি কলে, "উঠক, বাপুৰ বেমাৰ টান হৈছে।" মই অৱশ্যে জানিছিলো যে তেওঁৰ বেমাৰ বৰ টান। আৰু সেই সময়ত 'বৰ টান' হোৱাৰ অৰ্থ কি তাকে মই অনুমান কৰিলো। মই বিছনাৰ [illegible]প মাৰি উঠি কলো, "কি হৈছে কোৱা।" "বাপ আৰু নাই।" [illegible]।

তেনেহলে সকলো শেষ। মই কিং কৰ্ত্তব্য-বিমূঢ় হলো আৰু মনতো বৰ লাজ পালো। মই দেউতাৰ খোটালীলৈ লৰি গলো। বুজিলো যে মই কামান্ধ নোহোৱা হলে শেষ মুহূৰ্ত্তত দেউতাৰ কাষৰপৰা আঁতৰি নাহিলোহেঁতেন। মই তেওঁৰ ভৰি পিটিকি থাকোতে মোৰ হাততেই তেওঁৰ শেষ নিশ্বাস অনন্তত লীন হ'লহেঁতেন। কিন্তু এতিয়া খুড়াদেৱেই সেই সন্মান লাভ কৰিলে। তেওঁৰ ককায়েকৰ প্ৰতি ইমান মৰম আছিল যে শেষ শুশ্ৰূষা কৰাৰ সন্মানো তেওঁ লাভ কৰিবলৈ পালে। দেউতাই এই ঘটনাৰ বিষয় আগেয়ে জানি কাকত পেন্সিল লাগে বুলি ইঙ্গিত কৰিছিল আৰু কাকত পেন্সিল দিয়াত লিখিছিল, "অন্ত্যেষ্টি ক্ৰিয়াৰ নিমিত্তে সাজু হোৱা।" তাৰ পিছত তেওঁ হাতৰপৰা কবচ আৰু গলৰপৰা সোনৰ জপৰ মালা ছিঙি দলিয়াই পেলালে। ইয়াৰ পিছ মুহূৰ্ত্ততে তেওঁৰ অন্তিম কাল উপস্থিত হ'ল।

ইয়াৰ আগৰ এটা অধ্যায়ত মই যি লাজৰ কথা কৈছিলোঁ, সেইটো হৈছে এয়ে যে সঙ্কটজনক অৱস্থাত—যেতিয়া মই সম্পূৰ্ণতে পিতৃ-সেৱাত মন নিয়োগ কৰা উচিত আছিল, তেতিয়াও মোৰ ইন্দ্ৰিয় সেৱাৰ ইচ্ছা হৈছিল, এই কলঙ্ক মই কেতিয়াও গুচাব, নাইবা পাহৰিব নোৱাৰো। যদিও মোৰ পিতৃ-মাতৃৰ প্ৰতি ভক্তি অসীম আছিল আৰু তাৰ কাৰণে সকলোকে পৰিত্যাগ কৰিবও পাৰিছিলোঁ, তথাপিও মোৰ মন কামৰ বশীভূত আছিল, মোৰ এই দোষ অমাৰ্জ্জনীয় বুলি মই সদায় ভাবি আহিছোঁ। সেই কাৰণে মই নিজক সদায় ইন্দ্ৰিয়-পৰায়ণ, অথচ একমাত্ৰ নিজৰ তিৰুতাত অনুৰক্ত স্বামী বুলি ভাবি আহিছোঁ। কাম-ভাৱৰ এই দাসত্ব শৃঙ্খলৰপৰা মুক্ত হবলৈ মোৰ বহুত দিন লাগিছিল আৰু ইয়াক পৰাজয় কৰাৰ আগেয়ে বহুতো অগ্নি-পৰীক্ষাত উত্তীৰ্ণ হব লগীয়াত পৰিছিলোঁ।

মোৰ লাজৰ এই অধ্যায় শেষ কৰাৰ আগয়ে মই উল্লেখ কৰোঁ যে মোৰ ভাৰ্য্যাৰ যিকণ সন্তানজন্মিছিল, সি মুঠে তিনি কি চাৰি দিন মানহে জীযাই আছিল। অৱশ্যে ইযাতকৈ বেছি আশা কৰিবও নোৱাৰি। সকলো পিতৃ-মাতৃ আৰু দম্পতী যেন মোৰ এই দৃষ্টান্তৰ পৰা সাৱধান হয়।

ধৰ্ম্ম জীৱনত ভূমুকি

(১০)

৬ বছৰ কি ৭ বছৰৰ পৰা ১৬ বছৰলৈকে মই স্কুলত আছিলো স্কুলত ধৰ্ম্মৰ বাহিৰে সকলো শিক্ষা দিয়া হৈছিল। শিক্ষক সকলৰ বিনা চেষ্টাত তেওঁলোকৰ পৰা মই একেবাৰেই শিক্ষা লব পৰা নাছিলো। তথাপিও মই মোৰ চাৰিওকাষৰ পৰা বহুতো কথা শিকিছিলো। ধৰ্ম্ম'' এই কথাষাৰ বৰ বহল ভাবতহে মই ব্যৱহাৰ কৰিছোঁ। এই কথাষাৰত মই ''আত্মজ্ঞান' নাইবা আত্ম-উপলব্ধি ' বুজি পাওঁ।

বৈষ্ণৱ পৰিযালত উপজি 'হাবেলী' বোলা বৈষ্ণৱ মন্দিৰলৈ মোৰ প্ৰায়েই যাব লগীয়া হৈছিল। কিন্তু মই এই মন্দিৰ কেতিয়াও বৰকৈ ভাল পোৱা নাছিলোঁ। ইয়াৰ জাক-জমকতো মই কেতিয়াও ভোল যোৱা নাছিলোঁ। এই মন্দিৰত বহুতো অসৎ কাম হয় বুলি মই বাহিৰত শুনিবলৈ পাইছিলোঁ।

স্কুলতে হাবেলী মন্দিৰৰপৰা ধৰ্ম্ম সম্পৰ্কে মই বিশেষ একো শিক্ষা পোৱা নাছিলোঁ।

কিন্তু মই যিবোৰ শিক্ষা তাত পোৱা নাছিলোঁ, সেইবোৰ শিক্ষা আমাৰ পৰিয়ালত বহুত দিনলৈকে কাম কৰা এগৰাকী বুঢ়ী ধাইৰ পৰা পাইছিলোঁ। মোলৈ তাইৰ মৰম মই পাহৰিব নোৱাৰোঁ। ভূত পিশাচলৈ মোৰ বৰ ভয় বুলি মই পূৰ্ব্বে কৈছোঁ। ধাই জনীৰ নাম ৰম্ভা—তাই ভুতৰ ভয় গুচাবলৈ মোক ৰাম নাম জপ কৰিবলৈ কৈছিল। ৰাম নামতকৈ তাইৰ ওপৰতেই মোৰ বেছি বিশ্বাস আৰু আস্থা আছিল।

সেইবাবে এই কম বয়সতে ভূত পিশাচৰ ভয় ভাঙিবলৈ ৰাম নাম জপ কৰিবলৈ ললোঁ। অৱশ্যে এইটো অলপ দিনলৈহে স্থায়ী হ'ল। কিন্তু সৰুতে যি ভাল গুটি সিঁচা হৈছিল সি ব্যৰ্থ নহ'ল। মই ভাবোঁ ৰম্ভাই ভাল গুটি সিঁচাৰ বাবেই ৰাম নাম আজিও মোৰ বাবে অব্যৰ্থ মহৌষধ।

এই সময়তেই ৰামায়ণৰ ভক্ত মোৰ এজন সম্পৰ্কীয় ভায়ে আমাৰ দুয়ো ভাইক 'ৰাম ৰক্ষা' শিকাবলৈ দিহা কৰিলে। আমি দুয়ো কিতাপখন মুখস্থ কৰি পেলালো—আৰু পুৱা গা-ধোৱাৰ পিছত স্তোত্র পাঠ কৰা নিয়ম কৰি ললো। পোৰবন্দৰত থকালৈকে এই নিয়ম ৰাখিছিলো। আমি ৰাজকোট পোৱা মাত্রে এই নিয়ম এৰি পেলালো, কাৰণ ইয়াত মোৰ বৰ বিশ্বাস নাছিল।

যিয়েই হওক, ৰামায়ণখন দেউতাৰ আগত পঢ়াৰ পিছত মোৰ মনত দকৈ সাঁচ বহিল। বেমাৰত কিছুদিন দেউতা পোৰবন্দৰ থাকোতে সন্ধ্যা গধূলি তেখেতে ৰামায়ণ পঢ়া শুনিছিলোঁ। অৱশ্যে পাঠক আছিল বিলেশ্বৰৰ লধা মহাৰাজ, তেওঁ এজন ৰামৰ ডাঙৰ ভক্ত আছিল। তেওঁৰ সম্বন্ধে এই বুলি শুনিবলৈ পোৱা যায় যে তেওঁৰ কুষ্ঠ বেমাৰ আছিল,

কিন্তু নিজৰ কুষ্ঠ বেমাৰ ঔষধেৰে ভাল কৰা নাছিল, কেৱলমাত্ৰ বিলেশ্বৰ মন্দিৰত শিৱক উছৰ্গা বেলপাত সদায় পূজাৰ পিছত গাত লগাই আৰু সদায় নিয়মিত ৰকমে ৰাম নাম জপ কৰি এই দুৰাৰোগ্য ব্যাধি ভাল কৰিলে।

যি হওক, ৰাম-নামত তেওঁৰ আস্থাই ভাল কৰিলে বুলি শুনা যায়। এইটো সঁচা হবও পাৰে, নহবও পাৰে। আমি অন্ততঃ সঁচা বলিযেই বিশ্বাস কৰিছিলোঁ। তেওঁ ৰামায়ণ পাঠ আৰম্ভ কৰাৰ পিছৰে পৰা কুষ্ঠ বেমাৰ ভাল হোৱাটো সঁচা কথা। তেওঁৰ মাত বৰ মিঠা আছিল। তেওঁ 'দোঁহা' আৰু 'চোপাই' সুৰেৰে গাই বুজাই দিছিল। তেওঁ বুজাওঁতে আপোন পাহৰা হৈছিল আৰু লগে লগে শ্ৰোতাসকলকো আপোন-পাহৰা কৰিছিল। তেতিয়া মোৰ বয়স বোধ কৰোঁ ১৩ বছৰ। তেওঁৰ পাঠ শুনি মই মোহিত হোৱা মোৰ বেছকৈ মনত পৰে এযেই ৰামায়ণলৈ মোৰ ভক্তি জন্মালে। আজি মই ভাবোঁ যে ভক্তি-সাহিত্যত তুলসীদাসৰ ৰামায়ণখনেই সবাতকৈ ডাঙৰ কিতাপ।

ইয়াৰ কেইমাহমানৰ পিছত আমি ৰাজকোটলৈ আহিলো। তাত ৰামায়ণ পাঠৰ ব্যৱস্থা নাছিল। একাদশী তিথিৰ দিনা ভাগৱত পাঠ হৈছিল। মই মাজে সময়ে তাতো যোগ দিছিলোঁ, কিন্তু পাঠকজনে শ্ৰোতাসকলৰ মনত সিমান প্ৰেৰণা আনিব পৰা নাছিল। আজি মই দেখিছো যে ভাগৱতে ধৰ্ম্মভাব ওপোজাব পাৰে। ইয়াৰ গুজৰাটি ভাঙ-নিখন মই কেইবাবাৰো পঢ়িছোঁ। মোৰ ২১ দিনীয়া অনশন-ব্ৰতৰ সময়ত পণ্ডিত মদনমোহন মালব্যই মূল ভাগৱতখন মোক পঢ়ি শুনাইছিল, তেখেতৰ দৰে এজন ভক্তৰ মুখত সৰুতে শুনা হলে সৰুৰে পৰা ভাগৱতলৈ মোৰ প্ৰীতি জন্মিলহেঁতেন। সেই সময়ত যিবোৰ ভাব মনত সোমায়, সেই বিলাকেই মানুহৰ মনত স্বভাৱতে বৰ দকৈ সাঁচ বহুৱায়। এই

সময়ত এনেবিধৰ ভাল কিতাপবোৰ পঢ়া শুনিবলৈ পোৱা মোৰ সৌভাগ্য নহ'ল, এই কথা-ঘাৰত মই সদায় বেজাৰ পাওঁ ।

হিন্দুধৰ্ম্মৰ সকলো শাখা আৰু অন্যান্য ধৰ্ম্মলৈ সহিষ্ণুতাৰ ভাব ৰক্ষা কৰিবলৈ ৰাজকোটত মই শিকিলোঁ । কাৰণ মোৰ পিতৃ-মাতৃয়ে হাবেলীৰ মন্দিৰলৈ মোক লৈ গৈছিল আৰু শিৱ আৰু ৰামৰ মন্দিৰলৈকো যাওঁতে লগতে আমাকো নিছিল । জৈন সাধুসকলেও দেউতাৰ ওচৰলৈ মাজে সময়ে আহি আছিল । আৰু আমি জৈন সম্প্ৰদায়ৰ নহলেও, আমাৰ ঘৰত, তেওঁলোকে খোৱা-মেলা কৰিছিলহি । দেউতাৰ লগত ধৰ্ম্মসম্বন্ধে কথা বতৰাও হৈছিল ।

ইয়াৰ বাহিৰেও দেউতাৰ মুছলমান আৰু পাৰ্চী বন্ধুও আছিল , দেউতাই তেওঁলোকৰ সকলো কথা শ্ৰদ্ধা আৰু মনযোগেৰে সৈতে শুনিছিল । দেউ-তাৰ আলপৈচান ধৰিব লগীয়া হোৱাত তেওঁলোকৰ সকলো কথা-বতৰা ময়ো শুনিছিলোঁ । এইবিলাক কাৰণত সকলো ধৰ্ম্মলৈকে সহিষ্ণু-ভাৱ লবলৈ মই শিকিছিলোঁ ।

এই সময়ত খ্ৰীষ্টান ধৰ্ম্মহে বাদ পৰিছিল আৰু খ্ৰীষ্টধৰ্ম্মলৈ মোৰ ৰাতশ্ৰদ্ধা হৈছিল । তাৰ কাৰণো আছিল । সেই সময়ত খ্ৰীষ্টান পাদুৰী সকলে স্কুলৰ চুক এটাৰ ওচৰত থিয় হৈ হিন্দু আৰু হিন্দু দেব-দেবী সম্বন্ধে বহুতো নিন্দা কৰিছিল । এইবিলাক মই সহিব পৰা নাছিলোঁ । বোধ কৰোঁ তেওঁলোকৰ বক্তৃতা মই এদিনহে শুনিছিলোঁ, কিন্তু সেই এদিন শুনি পুনৰায় তালৈ যাবলৈ মোৰ ইচ্ছা আৰু নহ'ল । সেই সময়ত এজন বিখ্যাত হিন্দু খ্ৰীষ্ট ধৰ্ম্মত দীক্ষিত হোৱাও শুনিছিলোঁ । তেওঁ খ্ৰীষ্ট ধৰ্ম্মত দীক্ষা লবৰ সময়ত গৰু-মঙহ আৰু মদ খাব লগীয়া হৈছিল আৰু নিজৰ পোছাক এৰিব লগীয় হৈছিল বুলি গোটেই চহৰত চক ফুটিছিল আৰু ইয়াৰ পিছৰ পৰা তেওঁ হ্যেট আদি য়ুৰোপীয় সাজ পিন্ধি ফুৰিছিল । এইবিলাক কথাত খ্ৰীষ্ট

ধৰ্ম্মলৈ মোৰ বিৰাগ জন্মিল। মই তেতিয়া ভাবিলো যে যি ধৰ্ম্মৰ কাৰণে গৰু-মঙহ খাব লগীয়া হয়, নিজৰ সাজ পোছাক এৰিব লগীয়া হয়, সেই ধৰ্ম্ম লেখতে লব লগীয়া নহয়। ইয়াৰ উপৰিও মই শুনিবলৈ পালো যে নতুনকৈ খ্ৰীষ্টান ধৰ্ম্ম লোৱা মানুহজনে পূৰ্ব্বপুৰুষ সকলৰ ধৰ্ম্ম আচাৰ ব্যৱহাৰ সকলোবে নিন্দা কৰি ফুৰিছে। এইবিলাক কাৰণেই খ্ৰীষ্ট-ধৰ্ম্মলৈ মোৰ বীতৰাগ হৈছিল। কিন্তু অন্য ধৰ্ম্মলৈ সহিষ্ণুতাৰ ভাব আছিল বুলি মোৰ যে ঈশ্বৰলৈ জীৱন্ত বিশ্বাস আছিল, এনে নহয়। দেউতাৰ পুথিবিলাকৰ ভিতৰত এখন মনু-স্মৃতি মোৰ হাতত পৰিছিল। সৃষ্টি-সম্বন্ধে তাত যিবোৰ লিখা আছিল সেইবোৰ মই বিশ্বাস কৰিব পৰা নাছিলো, বৰঞ্চ নাস্তিকতাৰ ফালেহে মোৰ মনে হাল লৈছিল। মোৰ এজন দূৰসম্পৰ্কীয় ভাই আছিল। তেওঁ এতিয়াও জীবিত। তেওঁৰ বুদ্ধিত মোৰ বৰ বিশ্বাস আছিল। সন্দেহৰ ভাৱ লৈ মই তেওঁৰ ওচৰ চাপিলো। তেওঁ মোৰ প্ৰশ্নৰ সমিধান দিব পৰা নাছিল। তথাপি ডাঙৰ হলে এইবিলাক সন্দেহ নিজেই ভাঙিব পাৰিবা বুলি মোক ভুলোৱাই পঠালে। এইবিলাক প্ৰশ্ন তোমাৰ বয়সত তোলাই অনুচিত বুলি তেওঁ মোক কলে। এই বুলি তেওঁ মোক নিৰুত্তৰ কৰিলে হয়, মই মনে মনত শান্তি পোৱা নাছিলোঁ। আহাৰ সম্বন্ধে যিবোৰ কথা মনু-স্মৃতিত আছিল সেইবিলাক দৈনন্দিন জীৱনৰ সম্পূৰ্ণ বিৰোধী বুলি মোৰ বিশ্বাস হল। এই বিলাক সন্দেহৰো মই একে উত্তৰ পালো। বুদ্ধিৰ বিকাশৰ লগে লগে মই সকলো কথা বুজি পাম বুলি অন্তৰতে কৈ থলোঁ।

মনু-স্মৃতিয়ে মোক অহিংসা সম্বন্ধে শিক্ষা দিয়া নাছিল। মই মাংস আহাৰ কৰিছিলো বুলি পূৰ্ব্বেই কৈছো। মনু-স্মৃতিয়ে অহিংসা নীতি সমৰ্থন কৰিছে বুলি মোৰ বোধ হৈছিল। সাপ, উৰহ আৰু অন্যান্য জীৱ বধ কৰা ৰাজনীতিৰ কাম বুলি মই তেতিয়া ভাবিছিলোঁ। সেই

বয়সত উৰহ আৰু অন্যান্য পোক আদি মৰা কৰ্ত্তব্য বুলিও ভাবিছিলোঁ।

কিন্তু এটা কথা মোৰ মনত বৰ দকৈ সোমায় যে সত্য নীতিয়েই সকলোৰে গুৰি, সত্যই নীতিৰ সাৰ বস্তু। সত্যই মোৰ জীৱনৰ লক্ষ্য হ'ল। দিনে দিনে এই ভাৱ বাঢ়িবলৈ ধৰিলে আৰু এতিয়াও ইয়াৰ সংজ্ঞা দিনে দিনে বহল হব ধৰিছে। কেইফাঁকিমান শ্লোকে মোৰ হিয়া আৰুমন গ্ৰাস্ কৰিলে। ইয়াৰ মূলকথা অৰ্থাৎ অপকাৰৰ প্ৰতিদান উপকাৰ কৰা মোৰ জীৱনৰ লক্ষ্য হ'ল। এই শ্লোকটোতে মই ইমান মুগ্ধ হৈছিলোঁ যে মই ইয়াৰ বহুতো পৰীক্ষা কৰিছিলো। এই শ্লোকটিৰ তাৎপৰ্য্য এই :—কোনোবাই এচলু পানী দিলে তেওঁক তুমি পেট ভৰাই খাবলৈ দিবা। কোনোবাই মৰমেৰে সৈতে সম্ভাষণ কৰিলে, তুমি মূৰ দোৱাই সম্ভাষণ জনাবা। কোনোবাই এটা পাই দি সহায় কৰিলে তেওঁক তুমি সোনৰ মোহৰ দি সহায় কৰিবা। তোমাৰ জীৱন ৰক্ষা কৰিলে তেওঁৰ বাবে নিজৰ জীৱন দিবলৈ পাছ নপৰিবা। জ্ঞানীলোকে কথা আৰু কামৰ এইদৰে মিল ৰাখে। সামান্য উপকাৰ কৰিলেও তেওঁক দহগুণে প্ৰত্যুপকাৰ কৰে। কিন্তু যি প্ৰকৃততে উচচ মনৰ মানুহ তেওঁ সকলো একে বুলি ভাবে। আৰু উপকাৰ কৰি অপকাৰৰ প্ৰতিদান দিয়ে।

বিলাত যাত্ৰাৰ আয়োজন

(১১)

মই ১৮৮৭ চনত মেটিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হলোঁ। তেতিয়া দুটা কেন্দ্ৰত পৰীক্ষা লোৱা হৈছিল,—আহ্মদাবাদ আৰু বোম্বে। দেশৰ মানুহ সাধাৰণতে দুখীয়া কাৰণে কাথিৱাৰৰ ছাত্ৰ সকলে ওচৰৰ কেন্দ্ৰটোকেই বাছি লৈছিল। আমাৰ পৰিয়াল দুখীয়া দেখি মই ওচৰৰ কেন্দ্ৰ বাছি ললোঁ। ৰাজকোটৰ পৰা আহমদাবাদলৈ মোৰ এয়ে প্ৰথম যাত্ৰা, এই প্ৰথম যাত্ৰাতে লগৰীয়া কোনো নাছিল।

মেটিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কলেজত পঢ়োৱা মোৰ অভিভাৱক সকলৰ ইচ্ছা আছিল। তেতিয়া ভৱনগৰ আৰু বোম্বেতহে মাথোন কলেজ আছিল। ভৱনগৰৰ কলেজত পঢ়িলে সস্তা হব দেখি মই ছামলদাস কলেজত পঢ়া স্থিৰ কৰিলোঁ। কলেজত সোমায়েই মই অথাই সাগৰত পৰা দি পৰিলোঁ—সকলো বিষয়েই মোৰ পক্ষে দুৰূহ। অধ্যাপক সকলৰ পঢ়াৰ সোৱাদ পোৱা দূৰত থাওক, মই একেবাৰেই বুজি নাপাওঁ। ই তেওঁলোকৰ দোষ নহয়। সেই কলেজৰ অধ্যাপক সকল পনোৱাতৰৰ পৈনত আছিল। মইহে সকলো বিষয়ত কেঁচা আছিলোঁ। প্ৰথম 'টাৰ্ম' শেষ হলত মই ঘৰলৈ উলটি আহিলোঁ।

মাভজী দাবে নামেৰে বৰ বিচক্ষণ পণ্ডিত ব্ৰাহ্মণ এজন আমাৰ পৰিয়ালৰ বিশেষ বন্ধু আছিল, তেওঁ সদায় আপদে বিপদে সহায় কৰিছিল, আনসময়তো সজপৰামৰ্শ দিছিল, দেউতাৰ মৃত্যুৰ পিছতো তেওঁ আমাক এৰা নাছিল। কলেজৰ বন্ধত মই অহাত তেওঁ আমাৰ ঘৰলৈ অকস্মাৎ এদিন আহিল। মোৰ আইক আৰু

ককাইদেউক মোৰ পঢ়া শুনাৰ [illegible] কলিকতাত পঢ়া শুনি কলে, "এতিয়া দিন কালৰ পৰিবৰ্তন হৈছে, উপযুক্ত শিক্ষা নহলে তোমালোকৰ কোনেও দেউতাৰাৰ গাদীলৈ উঠিবলৈ আশা কৰিব নোৱাৰা। বি-এ পাছ কৰোঁতে চাৰি পাচ বছৰ লাগিব, কিন্তু বি-এ পাছে দেৱানৰ কামৰ লায়ক নকৰে, ৬০্ টকা দৰমহাৰ কামৰহে লায়ক কৰে। মোৰ ল'ৰাটিৰ দৰে আইন পঢ়ালে আৰু কেইবা বছৰো লাগিব। কিন্তু ইতিমধ্যে বহুতো ল'ৰাই আইন পাছ কৰি দেৱানৰ কামৰ বাবে যত্ন কৰিব। মই হলে এওঁক বিলাতলৈ পঠাবলৈ কওঁ। মোৰ ল'ৰা কেবলৰামে কয় যে বেৰিষ্টাৰী পাছ কৰা অতি সহজ কাম। তিনি বছৰৰ ভিতৰত তেওঁ উন্নতি আনিব পাৰিব। আনি পাঁচ হেজাৰ টকাতকৈ সৰহ নালাগে। বিলাতৰপৰা উন্নতি লভা বেৰিষ্টাৰজনলৈ চোৱাচোন, [illegible]কে থাকে। আজি দেৱানৰ কাম বিচৰা মাত্রে তেওঁক নিশ্চয় দিয়া হব। এই বছৰতে মোহনদাসক বিলাতলৈ পঠাবলৈ মই তোমাৰ [illegible]ৰকে কওঁ। বিলাতত কেবলৰামৰ বহুতো বন্ধু আছে, সকলোলৈকে তেওঁ চিনাকী কৰি চিঠি দিব পাৰিব। মোহনদাসে তালৈ গৈ অলপো অসুবিধাত নপৰে।

আমি বুঢ়া মাভজী দাৱেক যোশীজী বুলি সদায় মানিছিলো—তেওঁ মোলৈ চাই কলে, 'তুমি ইয়াত পঢ়াতকৈ বিলাতলৈ যোৱা ভাল নোপোৱানে [illegible] মোৰ কাৰণে ইয়াতকৈ কিবা আনন্দৰ কথা হব পাৰেনে? ইয়াত পঢ়া শুনাত কিমান টান পাই আছোঁ। কথাষাৰ শুনি আনন্দত মতলীয়া হৈ কলোঁ, "যিমান সোনকালে পাৰে সিমান সোনকালে পঠালেই ভাল। সোনকালে পৰীক্ষা পাছ কৰা সহজ কথা নহয়। ডাক্তৰী পৰীক্ষাৰ বাবে মোক পঠোৱা নহবনে?"

ককাইদেৱে মোক বাধা দি কলে, "[illegible] ডাক্তৰী পঢ়া কেতিয়াও

ভাল পোৱা নাছিল, সেয়েহে কটা-ছিঙা কৰাত বৈষ্ণৱে একো সংস্ৰৱ ৰখা অনুচিত বুলি, দেউতাই কওঁতে তোমাৰ কথাই ভাবিছিল। তোমাক উকীল কৰাই দেউতাৰ ইচ্ছা আছিল।"

যোছীজীয়ে কলে, "গান্ধীজিৰ (মোৰ দেউতা) দৰে মই ডাক্তৰী পঢ়াৰ বিৰোধী নহওঁ। আমাৰ শাস্ত্ৰবোৰো ইয়াৰ বিৰোধী নহয়। কিন্তু ডাক্তৰী পঢ়িলে তুমি দেৱান হব নোৱাৰা, মই তোমাক দেৱান, নাইবা তাতোকৈ কিবা ডাঙৰ কাম কৰাহে বিচাৰোঁ। এইদৰে হে তুমি তোমাৰ নিজৰ ডাঙৰ পৰিয়ালক ৰক্ষা কৰিব পাৰিবা। সময় পৰিবৰ্ত্তন হবলৈ ধৰিছে, প্ৰতিদিনেই জীৱন-যুদ্ধ কঠিন হবলৈ ধৰিছে। বেৰিষ্টাৰ হোৱাটোৱে জ্ঞানীৰ কাম।"

মোৰ আইৰ ফালে চাই তেওঁক কলে, "আই, মই যিবোৰ কথা কলোঁ, ভাবি চাবা, ইয়াৰ পাছৰ বাৰ আহি যেন বিলাতলৈ যোৱাৰ আয়োজন কৰা শুনোঁ, মই কিবা সহায় কৰিব লগীয়া হলে মোক জনাবা।"

যোছীজী গুচি গ'ল আৰু মযো আকাশত চাং পতাত লাগিলোঁ।

ককাইদেউৰ বৰ চিন্তা হবলৈ ধৰিলে। মোক পঠাবলৈ সম্বল কেনেকৈ গোটায়? মোৰ দৰে ডেকা মানুহ এটাক বিলাতৰ দৰে ঠাইত বিশ্বাস কৰি এৰি দিয়াটো ঠিক হবনে ইত্যাদিও চিন্তিবলৈ ধৰিলে। ইফালে আইৰো নানা দুশ্চিন্তা হবলৈ ধৰিলে। মোক পঠোৱাৰ কথা তেওঁ ভাল পোৱা নাছিল। আৰু সেইবাবে মোক বুজাবলৈ এইদৰে কবলৈ ধৰিলে, "খুড়া দেউতাৰাই এতিয়া আমাৰ পৰিয়ালৰ ভিতৰত বয়সিয়াল মানুহ। তেওঁৰ লগত পোনতে পৰামৰ্শ কৰিব লাগিব— তওঁ মত দিলেহে মই ভাবি চাম।"

মোৰ ককাইদেউৰ ভাবনা হ'ল অন্য। পোৰবন্দৰ ৰাজ্যত আমাৰ কিছুমান দাবী আছে। সেই সময়ত মিঃ লিলি এডমিনিষ্ট্ৰেটৰ। আমাৰ

পৰিয়াল সম্বন্ধে তেওঁৰ উচচ ধাৰণা আছে, "খুড়াদেউক তেওঁ ভাল পায়। বিলাতত তোমাৰ শিক্ষাৰ বাবে ছৰকাৰৰ পৰা তেওঁ তোমাক কিবা দিয়াবও পাৰে।" এই কথাষাৰ মই ভালো পালো। পোৰবন্দৰলৈ যাবলৈ মই সাজু হলো। তেতিয়া তালৈ যাবলৈ ৰেল নাছিল। পোৰবন্দৰ গাৰীৰে ৫ দিনৰ বাট।

মই ভয়াতুৰ স্বভাৱৰ আছিলো বুলি পূৰ্ব্বেই কৈছো। কিন্তু সেই সময়ত বিলাতলৈ যোৱাৰ ভাৱত মই ইমান উন্মত্ত হলো যে ভয়ৰ কথা মনলৈ নাহিল। গৰু গাৰী এখন ভাড়া কৰি ধোৰাজীলৈকে গলো, এদিন আগতে পোৰবন্দৰ পাবলৈ বুলি ধোৰাজীৰপৰা এটা উট ভাড়া কৰি ললো। এয়ে মোৰ প্ৰথম উট-আৰোহণ।

অৱশেষত মই পোৰবন্দৰ পালোগৈ। খুড়াদেওক সেৱা কৰি সকলো কথা জনালো। তেওঁ বহু ভাবি চিন্তি কলে, "ধৰ্ম্ম নেহেৰুৱাকৈ বিলাতত থকা সম্ভৱ বুলি মই কব নোৱাৰোঁ। যিবোৰ কথা শুনিবলৈ পাওঁ তাৰপৰা মোৰ সন্দেহ হয়। এই ডাঙৰ বেৰিষ্টাৰ সকলক দেখিলে তেওঁৰ লগত যুৰোপীয় সকলৰ একো প্ৰভেদ নেদেখো। খোৱা-বোৱা সম্পৰ্কে তেওঁৰ একো ভেদাভেদ নাই। মুখৰ পৰা চুৰট নুগুচেই। নিলাৰ্জ্জৰ দৰে ইংৰাজৰ পোছাক পিন্ধে। এইবোৰ আমাৰ পৰিয়ালৰ নিয়মৰ লগত অলপো খাপ নাখায় কিন্তু সেই বুলি তোমাক বাধা দিবলৈ নিবিচাৰোঁ, অলপতে মই তীৰ্থ ভ্ৰমণলৈ ওলাম। মই আৰু সৰহ দিন জীয়াই নাথাকোঁ। মৃত্যুৰ দুৱাৰ-দলিত থিয় দি সাগৰ পাৰ হৈ তোমাক বিলাতলৈ যাবলৈ মই মত দিওঁ কেনেকৈ? কিন্তু তোমাৰ বাটত মই বিধি-পথালি নিদিওঁ। তোমাৰ আইৰ হুকুমেই আচল।" তেওঁ কলে, "মই আশাৰ্ব্বাদ দিওঁ। আনেও কৰা মই ইয়াত হস্তক্ষেপ নকৰো, তুমি মোৰ আশাৰ্ব্বাদৰে সৈতে যাব পাৰিবা।" "মই আপোনাৰপৰা ইয়াৰ বাহিৰে অন্য একো আশা কৰা নাছিলোঁ।"

বুলি মই কলোঁ। "মোক মিঃ লিলিৰ ওচৰলৈ অনুমোদন কৰি পঠাব পাৰিবনে ?"

তেওঁ কলে, "মই কেনেকৈ কৰোঁ ? চাহাব বৰ সজ মানুহ। তোমাৰ দেউতাৰাৰ কথা জানেই, তেওঁক দেখা কৰিবলৈ এটা সময় বিচাৰা। তেওঁ নিশ্চয় এটা সময় দিব আৰু তোমাক সহায়ো কৰিব পাৰে।"

খুড়াদেউৱে মোক কিয় এখন অনুমোদন পত্ৰ নিদিলে মই বুজিব নোৱাৰিলোঁ। মোৰ অলপ মনত পৰিছে যে তেওঁৰ মনেৰে যিটো ধৰ্ম্ম বিৰুদ্ধ কাম, তাত সহযোগ কৰাতেই তেওঁৰ খোকোজা লাগিছিল।

মিঃ লিলিয়ে লিখাত মোক ঘৰত দেখা কৰিবলৈ তেওঁ মাতি পঠালে। তেওঁ ওপৰ মহলালৈ উঠিব ধৰোঁতে মোক দেখা পাই কলে, "পোনতে বি-এ পাছ কৰা, তাৰ পিছত মোৰ লগত দেখা কৰিবা, এতিয়া একো সহায় কৰিব নোৱাৰি।" এই বুলি তেওঁ ওপৰ মহলালৈ গুচি গ'ল।

চাহাবক লগ পাবলৈ মই বৰকৈ সাজু হৈ গৈছিলোঁ। কিছুমান কথাও বৰ মন দি শিকিছিলো। মই তল মূৰ কৰি দুহাতে চাহাবক দীঘল ছেলামো দিছিলো। কিন্তু সকলো বৃথা হ'ল।

তেতিয়া তিৰুতাৰ গহনাৰ কথা মোৰ মনত পৰিল, মোৰ ককাইদেউৰ ওপৰত মোৰ প্ৰগাঢ় বিশ্বাস আছিল, তেওঁৰ কথাও তেতিয়া ভাবিলো। তেওঁ মোক নিজৰ ল'ৰাৰ দৰে মৰম কৰিছিল।

পোৰবন্দৰৰ পৰা ৰাজকোটলৈ উলটি আহি সকলো কথা জনালো। যোশীজীৰ লগতো মই দেখা কৰিলো—তেওঁ দৰকাৰ হলে ধাৰ কৰিবলৈ কলে। তিৰুতাৰ গহনাবোৰ বেচি দিবলৈকো মই কলো। ইয়াৰেও দুই তিনি হেজাৰ টকা পোৱা যাব পাৰে। ককাইদেউৱে যেনে তেনেকৈ টকা গোটাব বুলি গাত ললে।

আই হলে এতিয়াও অনিচ্ছুক। আইয়ে বিলাতলৈ যোৱা সম্পৰ্কে ভুডা লবলৈ ধৰিলে। কোনোবাই তেওঁক কলে যে বিলাতলৈ গলে ডেকা মানুহ ভ্ৰষ্ট হয়। কোনোৱে কলে, তাত মঙহ খাব লাগিব। কোনোৱে কলে, মদ নাখালে, তাত থাকিব নোৱাৰি ইত্যাদি। অৱশেষত তেওঁ সুধিলে, "তেন্তে কেনেকৈ হয় ?" মই কলোঁ, "তুমি মোক বিশ্বাস কৰিব নোৱাৰানে ? মই তোমাৰ ওচৰত কেতিয়াও মিছা কথা নকওঁ। মই শপত খালো,—এই বিলাক বস্তুৰ এটাও মই স্পৰ্শ নকৰো। তাত কিবা বিপদ থকা হলে যোচীজীয়ে যাবলৈ কয় নে ?" আইযে কলে, "মই তোমাক বিশ্বাস কৰিব পাৰো, কিন্তু দূৰৈত তোমাক কেনেকৈ বিশ্বাস কৰো। মই কিংকৰ্ত্তব্যবিমূঢ়া হৈছো—বেচাৰ্জী স্বামীক মই সুধি পুছি চাম।"

বেচাৰ্জী স্বামী আদিতে মোধ বনীয়া আছিল, কিন্তু এতিয়া জৈন উদাসী হৈছে। যোচীজীৰ দৰে তেওঁৰো আমাৰ পৰিয়ালৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল। তেৰো আমাৰ পৰামৰ্শ দিওতা আছিল। তেওঁ মোৰ জানিবা সহায় হ'ল। তেওঁ কলে, ল'ৰাটিয়ে তিনটা কথাত শপত খালে যাবলৈ অনুমতি দিব লাগে। মই মদ মাংস আৰু তিৰুতা স্পৰ্শ নকৰো বুলি শপত খালো। আৰু ইয়াৰ পিছত আইয়ে মোক যাবলৈ অনুমতি দিলে। হাইস্কুলৰ ল'ৰাইঁতে মোৰ সম্মানাৰ্থে বিদায়োৎসৱ পাতিলে। ৰাজকোটৰ ডেকা মানুহ এজন বিলাতলৈ যোৱা তেতিয়া অসাধাৰণ কথা আছিল। শলাগৰ শৰাই দুআষাৰ মই লিখি লৈছিলো। সভাত সোমাই কোনো ৰকমে তাকে পঢ়ি শুনালো। সভাত থিয় হব ধৰোতে মুৰ ঘূৰাই গোটেই গা কঁপা মোৰ এতিয়াও মনত আছে।

গুৰুজনৰ আশীৰ্ব্বাদ লৈ মই বোম্বেলৈ ৰাওনা হলো। ৰাজকোটৰ পৰা বোম্বেলৈ যোৱা এয়ে প্ৰথম। লগত মোৰ ককাইদেউ আছিল।

কথাত কয়—'মই আইৰ ঘৰলৈ যাম, বিধাতাই বোলে মই পাছে পাছে যাম।' ময়ো সেইদৰে বোম্বে পোৱাৰ পিছত বিলাতলৈ যোৱা লৈ নানা ৰকমৰ লেঠাত পৰিলো ।

সমাজচ্যুত

(১২)

আইৰ আশীৰ্ব্বাদ আৰু আদেশ লৈ অলপতে ওপোজা শিশুটিৰে সৈতে তিৰুতাক ঘৰত এৰি থৈ মহানন্দে বোম্বেলৈ যাত্ৰা কৰিলো । জুন আৰু জুলাই মাহত ভাৰত মহাসাগৰ শান্ত নথকাৰ কাৰণে নভেম্বৰ মাহলৈকে মোৰ বিলাতলৈ যোৱা স্থগিত ৰাখিব লাগে বুলি ককাইদেৰে বন্ধু সকলেৰে সৈতে পৰামৰ্শ কৰা শুনিলো । তাৰে কোনোৱা এজনে সম্প্ৰতি এখন জাহাজ ডুবাৰ কথাও কলে । এইবিলাক শুনি ককাইদেউৰ মন উদ্বিগ্ন হ'ল। তেওঁ মোক এই বিপজ্জনক যাত্ৰা সম্প্ৰতি স্থগিত ৰাখিবলৈ কলে । তেওঁৰ বন্ধু এজনৰ তত্বাৱধানত মোক থৈ ৰাজকোটত নিজৰ কৰ্ম্মক্ষেত্ৰত উপস্থিত হ'লগৈ ।

মোৰ খৰচ পাতিৰ কাৰণে টকা পইছা আমাৰ ভিনিহিদেউ এজনৰ হাতত গঁতাই দি আৰু তেওঁৰ বন্ধু এজনক মোৰ সকলো সুবিধা কৰি দিবলৈকে৷ অনুৰোধ কৰি তেওঁ গুচি গ'ল ।

বোম্বেত থকা দিন কেইটা মোৰ নাযায নুপুৰায় যেন হৈছিল। মই কেৱল বিলাত যাত্ৰাৰ স্বপ্নহে দেখিবলৈ ধৰিলো।

ইপিনে আমাৰ জাতৰ লোকসকলে মোৰ বিলাতযাত্ৰা সম্পৰ্কে উথল-পাতল লগাই এটা আন্দোলন চলাবলৈ ধৰিলে। আজিলৈকে কোনো মোধ বনীয়া বিলাতলৈ যোৱা নাই, গতিকেই মই যেতিয়া মৰ সাহ দি ওলাইছোঁ, মোৰ শাস্তি বিধান হবই! আমাৰ জাতৰ লোকসকলৰ এখন সভা বহিল, তালৈকে মোৰ 'ছমন' আহিল। মই উপস্থিত হলোগৈ।

কেনেকৈ যে ততালিকে মোৰ মনৰ শক্তি বাঢ়িল কব নোৱাৰো। কিন্তু অকণো দ্বিধা নকৰাকৈ নির্ভয় চিত্তেৰে মই সেই সভাত উপস্থিত হলোগৈ। সমাজকর্ত্তা ছেঠজী আমাৰ দূৰ-সম্পৰ্কীয় আত্মীয় আছিল। দেউতাৰ লগত তেওঁৰ বন্ধুত্ব ভাৱ আছিল। তেওঁ মোক সম্বোধন কৰি কলে, "আমাৰ সমাজে তোমাৰ বিলাত-যাত্ৰা উচিত হোৱা নাই বুলি বিবেচনা কৰিছে, আমাৰ ধৰ্ম্মমতে সাগৰ-যাত্ৰা নিষিদ্ধ। আমি শুনিছোঁ যে বিলাতত ধৰ্ম্ম ভ্ৰষ্ট নোহোৱাকৈ কোনো থাকিব নোৱাৰে। তালৈ গলে ইংৰাজৰ লগত খোৱা-লোৱা কৰিবই লাগিব।" এই কথাৰ উত্তৰত মই কলো, "বিলাত-যাত্ৰা ধৰ্ম্ম-বিৰুদ্ধ বুলি মই বিবেচনা নকৰো। কাৰণ মই তালৈ শিক্ষাৰ কাৰণেহে যাওঁ। মই আপেনোলোকে প্ৰধানকৈ ভয় কৰা তিনিবিধ বস্তু স্পৰ্শ নকৰো বুলি আইৰ ওচৰত শপত খাইছোঁ আৰু এই শপতেই মোক নিশ্চয় ৰক্ষা কৰিব।" এই কথা শুনি ছেঠজীয়ে কলে, "আমি কিন্তু তোমাক কও তুমি তাত ধৰ্ম্ম ৰক্ষা কৰিব নোৱাৰিবা। তোমালোকৰ লগত মোৰ কি সম্পৰ্ক তুমি অৱশ্যে জানাই, গতিকেই মোৰ উপদেশ মতে কাম কৰা তোমাৰ একান্ত কৰ্ত্তব্য।"

প্ৰত্যুত্তৰত মই কলো, "আপোনাক মোৰ অগ্ৰজতুল্য জ্ঞান কৰো, কিন্তু এই বিষয়ত মই নিৰুপায়, মই আন একো কৰিব নোৱাৰোঁ। বিলাত

যাত্ৰা কোনোমতেই বন্ধ কৰিব নোৱাৰি । দেউতাৰ বন্ধু আৰু আমাৰ ঘৰুৱা ব্ৰাহ্মণ পণ্ডিতে এই বিষয়ে মত দিছে । ককাইদেউ আৰু আইয়েও মত দিছে ।" ইয়াকে শুনি তেখেতে কলে, "তেন্তে তুমি তোমাৰ সমাজৰ আদেশ অৱজ্ঞা কৰিবানে কি ?" মই উত্তৰত জনালো, "মই এই বিষয়ে নিজৰ সঙ্কল্প সঁচাকৈয়ে অকনো লৰচৰ কৰিব নোৱাৰো । মোৰ মতে বিলাত-যাত্ৰাত সমাজে হস্তক্ষেপ নকৰাই ভাল আছিল ।" মোৰ কথা শুনি ছেঠজী জ্বলি পকি উঠি মোলৈ খংমুৱাকৈ চালে । মযে অচল অটল ভাবে বহি থাকিলো । ছেঠজীয়ে এইদৰে আদেশ প্ৰচাৰ কৰিলে, "আজিৰ পৰা এই ল'ৰাটি জাতি-ভ্ৰষ্ট হ'ল, বুলি ধৰা হ'ল, যেয়ে এওঁকে সহায় কৰিব আৰু যাত্ৰাৰ সময়ত জাহাজঘাটলৈ দেখা কৰিবলৈ যাব, তেওঁ পাঁচ সিকা ৰূপ দণ্ড দিব লগাত পৰিব ।" আদেশ শুনি মোৰ মনৰ কোনো পৰিবৰ্ত্তন নহ'ল । কেৱল ককাইদেউৰ মতৰ কিবা পৰিবৰ্ত্তন হয় বুলিহে মোৰ অলপ শঙ্কা হৈছিল, ভাগ্যবশতঃ সমাজৰ আদেশ শুনিও তেওঁৰ মতৰ কোনো পৰিবৰ্ত্তন হোৱা নাছিল ; সমাজৰ আদেশ স্বত্বেও মোক বিলাতলৈ যাবলৈ আদেশ দি তেওঁ লিখি পঠালে ।

ইয়াৰ পিছত ৰাওনা হবলৈ মন উতলা হ'ল । সমাজে ককাইদেউক কিবা দোষী কৰিবনে কি ? ভৱিষ্যতলৈ কিবা দুৰ্ঘটনা হলে কি হব ? ইত্যাদি নানা কথা কল্পনা কৰি থাকোঁতেই শুনিলো যে জুনাগড়ৰ উকীল এজন বেৰিষ্টাৰ হৈ আহিবৰ কাৰণে ৪ চেপ্টেম্বৰ তাৰিখে বিলাতলৈ যাব । বন্ধুসকলৰ লগত পৰামৰ্শ কৰাত এনে লগ আৰু সুযোগ এৰিবলৈ হাক দিলে । ইফালে সময়ো বেছি নাই দেখি টেলিগ্ৰাম কৰি ককাইদেউৰ পৰা অনুমতি আনিলো । ভিনিহিদেউক টকা খোজাত ছেঠজীৰ আদেশৰ কথা কৈ মোক টকা দি সমাজ-বৰ্জ্জিত হব নোৱাৰে বুলি উত্তৰ দিলে । মই এজন বন্ধুৰপৰা আৱশ্যকীয় টকা ধাৰলৈ খুজি ককাইদেউৰ পৰা লবলৈ কলো ।

এই বন্ধুজনে টকা দিলে আৰু লগে লগে মোৰ শুভ-যাত্ৰা কামনা কৰি মোৰ মনত আনন্দ দিলে। ইয়াৰ বাবে ময়ো কৃতজ্ঞতা জনালো। এই টকাৰে টিকট কিনা হ'ল আৰু বিলাত যাত্ৰাৰ সাজ-পাৰ ইত্যাদি কিনাৰ পাল পৰিল। এজন বন্ধুৱে সাজ-পাৰ আৰু আন আন সকলো লাগতিয়াল বস্তু কেইখনি যোগাৰ কৰি দিলে। যিবোৰ সাজ-পাৰ তেওঁ কিনি আনিছিল, তাৰ কিছুমান ভাল পাইছিলো, কিছুমান একেবাৰেই ভাল পোৱা নাছিলো। "নেকটাই" মই বৰ ঘিণ কৰিছিলো, যদিও পিছত তাকেই লগাই বৰ আনন্দ পাইছিলো! চুটি ঠেঙ্গা পিন্ধা মই অভদ্ৰামি বুলি ভাবিছিলো কিন্তু মোৰ বিলাত যাত্ৰাৰ লাহ-বিলাহৰ আগত এইবোৰ অৰুচিৰ ভাৱ টিকিব পাৰে কেনেকৈ? লগত খোৱাৰ বস্তুও যথেষ্ট লৈছিলোঁ। জুনাগড়ৰ উকীল মিষ্টাৰ ত্ৰিম্বকনাথ মজুমদাৰৰ কেবিনতে মোৰ কাৰণে বাৰ্থ ৰিজাৰ্ভ হ'ল। মোৰ বন্ধুসকলে তেওঁৰ লগত মোক পৰিচয় কৰি দিলে। তেওঁ এজন বয়সীয়া বিজ্ঞলোক আৰু মই সংসাৰ-অনভিজ্ঞ উতনুৱা ডেকা। তেওঁ মোৰ বন্ধুসকলক মোৰ বাবে কোনো চিন্তা কৰিব নালাগে বুলি আশ্বাস দিলে। অৱশেষত মই চেপ্টেম্বৰৰ চাৰি তাৰিখে বিলাতলৈ বাওনা হলোঁ।

কোনোমতে লণ্ডনত

(১৩)

সাগৰত মোৰ সমুদ্ৰ-পীড়া (Sea Sickness) হোৱা নাছিল, কিন্তু কিছুদিনৰ পিছত বৰ আহুকাল পাবলৈ ধৰিলোঁ। মই জাহাজৰ আলধৰাৰ (Steward) লগত কথা পাতিবলৈকো লাজ পাইছিলোঁ। ইংৰাজী ভাষাত কথা কোৱাৰ অভ্যাস বৰ নাছিল। দ্বিতীয় শ্ৰেণীৰ সহযাত্ৰীৰ ভিতৰত মজুমদাৰৰ বাহিৰে কেইজনমান ইংৰাজ আছিল তেওঁলোকৰ লগত মোৰ আলাপ হৈছিলেই। মোৰ লগত আলাপ কৰিবলৈ আহি তেওঁলোকে যে মোৰ বিষয়ে কি মতামত প্ৰকাশ কৰিছিল, মই ভালকৈ বুজি পোৱা নাছিলো, বুজি পালেও মই হলে উত্তৰ দিব পৰা নাছিলোঁ। কিবা কথা এটা কবলৈ হলে আগেয়ে মনে মনে ইংৰাজী শব্দকেইটি জুকিয়াই লব লগীয়া হছিল। মই কাটা-চামোচৰ ব্যৱহাৰ নাজানিছিলোঁ, আৰু খাদ্য-তালিকাৰ কোনবিধ খাদ্য নিৰামিষ, তাকো সুধি লবৰ মোৰ সাহ জন্মা নাছিল। সেই কাৰণেই কোনো দিনেই মোৰ মেজত খোৱা নহৈছিল। মই মোৰ খাদ্য আনি কেবিনত খাইছিলোঁ। মোৰ লগত যি ফলমূল গৈছিল তাকেহে খাইছিলোঁ। মিষ্টাৰ মজুমদাৰৰ কিন্তু কোনো ৰকমৰ অসুবিধা হোৱা নাছিল। তেওঁ নিৰ্হিবৰ্দে সকলোৰে লগত আলাপাদি কৰিব পাৰিছিল আৰু জাহাজত

অবাধে ফুৰা-চকা কৰিছিল। মই হলে গোটেই দিনটো কেবিনতে সোমাই কটাইছিলোঁ, কাৰণ তেতিয়াহে বেছি মানুহ নথকা ঠাইলৈ ওলাই গৈছিলো। মিষ্টাৰ মজুমদাৰে মোক সহযাত্ৰী-সকলৰ লগত মিলি-জুলি কথা-বতৰা পাতিবলৈ কৈছিল। তেওঁৰ অভিজ্ঞতাৰপৰা, কৌতুকজনক দুই এটা গল্পেৰে সৈতে উকীল-ব্যৱসায়ী মানুহ যে মেলেকী হোৱা উচিত তাকো বুজাইছিল। তেওঁ মোক সুযোগ পালেই ইংৰাজী কবলৈ কৈছিল। বিদেশী ভাষাত কথা কলে ভুল হোৱা স্বাভাবিক, কিন্তু তালৈ মন কৰিব নালাগে বুলি তেওঁ মোক কৈছিল। মই কিন্তু মোৰ লাজ দমন কৰিব পৰা নাছিলোঁ। এজন ইংৰাজ-যাত্ৰীয়ে দয়াবশতঃ মোৰ লগত আলাপ আৰম্ভ কৰিছিল। তেওঁ মোতকৈ বয়সিয়াল আছিল। মই কি খাইছিলোঁ, ক'লৈ গৈছিলোঁ, কি কৰিছিলো ইত্যাদি নানা প্ৰশ্ন কৰিছিল। মেজত খাবলৈ তেওঁ উপদেশ দিলে। মঙহ নাখাওঁ বোলা শপতৰ কথা শুনি তেওঁ হাঁহিবলৈ ধৰিলে। তেওঁ কলে, "প'ৰ্টছৈয়দ নোপোৱালৈকে তোমাৰ প্ৰতিজ্ঞা থাকিব পাৰে, কিন্তু বিস্কে উপসাগৰ সোমালেই সেই মতৰ পৰিবৰ্তন হবই লাগিব। বিলাতত ইমান জাৰ যে তাত মঙহ খাবই লাগিব, মঙহ নাখালে তাত কেনো থাকিব নোৱাৰে।" মই কলো, 'মই শুনাত বোলে মঙহ নোখোৱাকৈও তাত থাকিব পাৰে।" এই কথা শুনি তেওঁ কলে, "সেইবোৰ বাজে কথা বুলি ধৰি লোৱা, ইংলণ্ডত সকলোৱেই মঙহ-খাদক। মই তোমাক মদ খাবলৈ অনুৰোধ কৰা নাই, কিন্তু তুমি মঙহ খোৱা উচিত, কাৰণ মঙহ নাখালে তোমাৰ নচলিব।"

'আপোনাৰ এই স্নেহোপদেশৰ বাবে ধন্যবাদ, কিন্তু মই মোৰ আইৰ ওচৰত মঙহ স্পৰ্শ নকৰোঁ বুলি দৃঢ় শপত খাই আহিছোঁ, গতিকে মঙহ খোৱাৰ কথাটো মনলৈ আনিবই নোৱাৰোঁ। বৰঞ্চ মঙহ নোখোৱাকৈ

তাত থাকিব নোৱাৰা যেন দেখিলে ভাৰতলৈ উলটি যাম, তথাপি ইংলণ্ডত থাকিবৰ কাৰণেই মই মঙহ নাখাওঁ ।”

আমি বিস্কে উপসাগৰত সোমালোঁ, তথাপিও মঙহ কিম্বা মদৰ আৱশ্যক মই অনুভৱ নকৰিলোঁ । মোক মঙহ নোখোৱাৰ বিষয়ে ছাৰ্টিফিকেট লবলৈ কোৱা হৈছিল ইংৰাজজনক কোৱাত বৰ ৰং মনেৰে এখন দিলে , মইও যত্ন কৰি থলো । কিন্তু দেখিলোঁ যে মঙহ খালেও তেনে কাকত পোৱা যায, তেতিয়া মোৰ সত্য কথাত বিশ্বাস নকৰিলে, এনেবিধৰ ছাৰ্টিফিকেট ৰখাৰ নো প্ৰয়োজন কি এযেই মোৰ ভাৱ হল ।

আমি শনিবাৰে ছাউথামটন পলোগৈ । জাহাজত ক'লা সাজ পিন্ধিছিলোঁ । মোৰ বন্ধুৱে বিলাতত ভৰি দিয়েই পিন্ধিবৰ কাৰণে বগা ‘ফেলালিন’ৰ পোছাক এযোৰ ঠিক কৰি দিছিল । মই সেইযোৰ পিন্ধি ললো । তেতিয়া আছিল চেপ্টেম্বৰ মাহৰ শেষ । জাহাজত কেৱল মযেইহে তেনে সাজ পিন্ধিছিলো। সহযাত্ৰীসকলে মাল-বস্তু গ্ৰিণ্ডুলে কোম্পানীৰ মেনেজাৰ এজনক গতাই দিয়া দেখি মযো তাকে কৰা উচিত বুলি ভাবি মোৰ পেৰা-পেটাৰী সোপাকে চাবি-কাঠিযে সৈতে সেই এজেন্টৰ হাতত শোধাই থৈ আহিলোঁ। ডাক্তাৰ পি, জে, মেহটা, মিষ্টাৰ দানপতৰাম ছুকলা, প্ৰিন্স ৰঞ্জিৎ সিং আৰু দাদাভাই নৌ-ৰোজিৰ ওচৰলৈ পৰিচয়-পত্ৰ লৈ গৈছিলো । জাহাজতে কোনোবা এজনে ভিক্টোৰিয়া হোটেলত থকাই ভাল বুলি কোৱাত আমি তালৈকে গলো । ইমানবোৰ মানুহৰ মাজত মযেহে বগা সাজ পিন্ধি বৰ অসহ্য লাজ পাইছিলো । তাৰ পিছত হোটেল পাই যেতিয়া জানিলো যে পিছদিন ৰবিবাৰ আক সেইবাবে মাল-বস্তু নাপাওঁ তেতিয়া মই বৰ বিৰক্ত হলো ।

ডাক্তাৰ মেহটালৈ ছাউথাম্টনৰপৰা টেলিগ্ৰাম কৰিছিলো তেওঁ সেই দিনাই আমাক সন্ধ্যা ৮টা বজাত দেখা কৰিছিলহি । তেওঁ মোক আন্তৰিক সম্ভাষণ জনাইছিল । কিন্তু মোৰ পোছাক দেখা পাইহে হাঁহিছিল ।

দুয়ো কথা-বতৰা পাতি থাকোঁতেই তেওঁৰ টুপীটো মাটিত পৰাত তুলি লৈ নিয়জ পাই ওপৰে ওপৰে হাত ফুৰাইছিলো। টুপীটোৰ নোমবোৰ ওভোটা সোভোটা হৈ পৰিল। মেহটাই অলপ খং-মুৱাকৈ মোৰ ফালে চাই তেনে কৰিবলৈ হাক দিলে। কিন্তু জগৰ লগালোৱেই। এয়েই মোৰ ইংৰাজী চাল-চলনত প্ৰথম বৰ্ণ-পৰিচয়। ডাক্তৰ মেহটাই কিন্তু হাঁহি ধেমালিৰে ইংৰাজী চাল-চলনত দীক্ষা দি কলে, "আনৰ বস্তুত হাত নিদিবা, ভাৰতত সোধাৰ দৰে যাকে-তাকে প্ৰশ্ন নকৰিবা, বৰ বৰকৈ কথা নকবা, আৰু কাকো 'চাৰ' বুলি সম্বোধন নকৰিবা, কাৰণ 'চাৰ' বুলি ইযাত চাকৰে কিম্বা তলতীয়া কৰ্ম্মচাৰীযে প্ৰভুক সম্বোধন কৰে" ইত্যাদি ইত্যাদি। তেওঁ আৰু কলে, হোটেলত থকা বৰ ব্যয়সাধ্য হব, সেই দেখি সুকীয়াকৈ কোনো ইংৰাজ পৰিয়ালৰ মাজত থাকিবলৈ তেওঁ পৰামৰ্শ দিলে। যি হওক, সোমবাৰে এই সম্পৰ্কে স্থিৰ কৰা হব বুলি কোৱা হ'ল। মিষ্টাৰ মজুমদাৰ আৰু মই হোটেলত থাকি বৰ ভাল পোৱা নাছিলো। তাত খৰচো বেছি পৰিছিল।। তাতে এজন সিন্ধি সহযাত্ৰীও আহি আছিল। তেওঁ মাল্টাৰ পৰা আহিছিল। তেওৰ লগত মজুমদাৰৰ বন্ধুত্ব হৈছিল। লণ্ডন তেওঁৰ ভালকৈ জনা আছিল, তেওঁ আমাৰ কাৰণে ঠাই বন্দোবস্ত কৰি দিম বোলাত আমিও সম্মতি জনালো। সোমবাৰে মোৰ মালামাল পাযেই হোটেলৰ বিল চুক্তি কৰি সেই সিন্ধিবন্ধুজনে বন্দোবস্ত কৰা ঠাইলৈ ৰাওনা হলো। মোৰ মনত আছে হোটেলত তিনি পাউণ্ড দিব লগা হোৱাত মই আচৰিত হৈছিলো--তাত দিযা কোনো খাদ্যই ৰুচিকৰ পোৱা নাছিলো ; কোনোবিধ খাদ্য ভাল নাপালে আন কিবা খুজিলে দুয়োবিধৰ দাম সমানে দিব লগা হৈছিল। এই কেইদিন আকৌ মই মোৰ লগত বোম্বেৰপৰা অনা খাদ্যকে খাই থাকিব লগাত পৰিছিল।

এই নতন ঠাইতো মোৰ মনত শান্তি নহ'ল। দে আৰু ঘৰৰ কথা

সদায় মোৰ মনলৈ আহিবলৈ ধৰিলে । মাতৃৰ মৰমৰ স্মৃতি মনৰপৰা নুগুচাই হ'ল । ৰাতি দুয়ো গালেদি চকুলো বৈ যাব ধৰিলে আৰু ঘৰৰ কত বিধৰ স্মৃতি মনত পৰি মোৰ টোপনি নহা হ'ল । মোৰ এই দুৰ্দ্দশাৰ কথা কাকো জনোৱা অসম্ভৱ । জনাব পাৰিলেও, তাৰ পৰা কি লাভ হ'লহেঁতেন ? মোক সান্ত্বনা দিব পৰা একোৱেই নাছিল । সকলো আচহুৱা মানুহ, তেওঁলোকৰ আচাৰ ব্যৱহাৰ, থকা মেলা, সকলোৱেই মোৰ কাৰণে আচহুৱা । ইংৰাজৰ আচাৰ ব্যৱহাৰত মই সম্পূৰ্ণ অনভিজ্ঞ, সেইবাবে সদায় সাবধানে ফুৰিব লগা হৈছিল । ইয়াৰ উপৰিও, নিৰামিষভোজী থাকিম বুলি যি শপত খাইছিলোঁ, সিও মোৰ পক্ষে আহুকাল হ'ল । যিবিলাক বস্তু মই খাব পাৰোঁ। সেই বিলাকত মোৰ সোৱাদ লগা নাছিল, বৰঞ্চ বেযাহে পাইছিলোঁ । এতিয়া মই উভয় সঙ্কটত পৰা [illegible] পৰিলোঁ । বিলাতত থকা মোৰ পক্ষে টান হল, কিন্তু ভাৰতলৈ উলটি যোৱাৰ কথাও ভাবিব নোৱাৰি । এবাৰ যেতিয়া আহিলোঁ, কোনোমতে এই তিনিবছৰ শেষ কৰিবই লাগিব বুলি মোৰ অন্তৰৰ বাণী শুনিবলৈ পালোঁ ।

মোৰ বাছনি

(১৪)

সোমবাৰে মোৰ লগ ধৰিবলৈ ডাক্তৰ মেহটা ভিক্টোৰিয়া হোটেললৈ গ'ল। তালৈ গৈ আমি সেই ঠাই এৰাৰ বাতৰি পাই তেওঁ আমাৰ নতুন ঠিকনাত উপস্থিত হ'লগৈ। মোৰ নিজৰ দোষত জাহাজত থকা অৱস্থাতে মোৰ গাত বেছুৱে দেখা দিছিল। আমি জাহাজত গা-পা ধোৱা কামত সাগৰৰ পানী ব্যৱহাৰ কৰিছিলো। সাগৰৰ পানীত চাবোন মিহলি হৈ নাযায়। মই হলে এই পানীতেই চাবোন লগাইছিলো, সভ্য বোলাবলৈ গৈ সদায় চাবোন ব্যৱহাৰ কৰিছিলো আৰু ফলত মোৰ গা পৰিষ্কাৰ নহৈ তাত তৰপে তৰপে মলিয়ে বন্ধ যাবলৈ ধৰিলে আৰু শেষত গাত বেছুৱে দেখা দিলে। ডাক্তৰ মেহটাৰ দেখুৱাত তেওঁ 'এচেটিক এছিড' লগাবলৈ কলে। এছিডৰ পোৰণিত কন্দাৰ কথা এতিয়াও মই পাহৰা নাই। মেহটাই মই থকা খোটালিটো আৰু তাৰ সাজসৰঞ্জাম দেখি অসন্তোষ প্ৰকাশ কৰিলে। তেওঁ কলে "ওহোঁ, এনেকৈ তোমাৰ নচলিব। আমি বিলাতলৈ অহাৰ উদ্দেশ্য কেৱল লিখা পঢ়া শিকাই নহয়, ইংৰাজ-জীৱনৰ অভিজ্ঞতা লাভো এটা প্ৰধান উদ্দেশ্য। এই কাৰণেই তুমি কোনো ইংৰাজ পৰিয়ালৰ লগত থকা উচিত। কিন্তু এনে কৰাৰ আগতে সেই বিষয়ে তোমাৰ কিছু শিক্ষাৰ আৱশ্যক। বাৰু, মই তাৰ দিহা কৰিম।"

মই কৃতজ্ঞতাৰে সৈতে তেওঁৰ কথা মানি ললো আৰু তেওঁ থকা ঠাইলৈ গলো। তেওঁ মোক বৰ মৰম কৰিছিল আৰু তেওঁ মোৰ সুখ সুবিধালৈ সদায় চকু দিছিল। তেওঁ মোক নিজৰ ভায়েকৰ দৰে চাইছিল আৰু ইংৰাজী আদব কায়দা মোক সদায় শিকাইছিল। ইংৰাজী ভাষাৰ ব্যৱহাৰতো তেওঁ মোক পাকৈত কৰি তুলিছিল।

মোৰ বাছনি

মোৰ খোৱা-বোৱা কিন্তু এটা সমস্যা হৈ উঠিল। নিমখ আৰু মছলা নিদিয়াকৈ সিজোৱা আলু শাক আদি মই অকনো ভাল পোৱা নাছিলো। 'লেণ্ড লেডী'* গৰাকী মোৰ আহাৰ লৈ বিপাঙত পৰিল। পুৱা 'ওট-মিল' সিজোৱা আমি খাইছিলোঁ আৰু ইয়ানে মোৰ ভোকো গুচিছিল কিন্তু আবেলি আৰু ৰাতি মই ভোকতে থাকিব লগীয়া হৈছিল। মোৰ বন্ধু গৰাকীয়ে মোক সদায় মাংস খাবলৈ অনুৰোধ কৰি আছিল, মই কিন্তু মোৰ প্ৰতিজ্ঞামতে এই বিলাকৰপৰা আঁতৰি আছিলো। আবেলি আমি কফি আৰু জাম খাইছিলো। অলপ সৰহকৈ মোৰ খোৱাৰ অভ্যাস আছিল কিন্তু দুডোখৰ বা তিনডোখৰতকৈ সৰহ কফি খোৱা ভদ্ৰতাবিৰোধী বুলি সৰহকৈ মই নাখাইছিলো। ইয়াৰ উপৰি আবেলি আৰু ৰাতিৰ কাৰণে গাখীৰৰ বন্দো-বস্ত নাছিল। বন্ধু গৰাকীয়ে মোৰ এনে গতি দেখি বৰ খং কৰি কৈছিল, "তুমি মোৰ ভাই হোৱা হলে তোমাক আকৌ দেশলৈ ওলোটাই পঠালো-হেঁতেন; এই দেশৰ অৱস্থা একো নজনাকৈ অশিক্ষিতা মাৰাৰ আগত কৰা প্ৰতিজ্ঞা এটাৰ মূল্য কি? ইয়াক দৰাচলতে প্ৰতিজ্ঞা বুলিবই নোৱাৰি, আইন মতেও ই প্ৰতিজ্ঞাৰ শাৰীত নপৰে। তুমি কেৱল কুসংস্কাৰৰ বশতহে এই কথাত লাগি আছা। আৰু এই জেদৰ কাৰণে তোমাৰ একো লাভ নহয়। এসময়ত মাংস খাইছিলো আৰু এতিয়া নিতান্ত আৱশ্যক হোৱা স্বত্তেও তুমি মাংস নোখোৱা। কেনে আচৰিত তোমাৰ আচৰণ!"

মই হলে অচল অটল, নিজৰ প্ৰতিজ্ঞা নেৰিলো। প্ৰতিদিন বন্ধু গৰাকীয়ে এই বিষয়ে মোৰ লগত তৰ্ক কৰিবলৈ ধৰিলে; মোৰ মুখত "নহয়"ৰ বাহিৰে আন কথা নাছিল। তেওঁ যিমানেই যুক্তিতৰ্কৰে মোক বুজাবলৈ চেষ্টা কৰে মই সিমানেই অচল অটল হৈ প্ৰতিজ্ঞাকহে আকোঁৱালি ধৰিবলৈ

---

* বিলাতত বহুতো পৰিয়ালত খৰচ লৈ আলহী ৰখা হয়। ঘৰৰ সকলো তত্ত্বাৱধান কৰোঁতা গৃহিণীকেই লেণ্ড লেডী বোলা হয়।

যত্ন কৰোঁ। মোক সহায় কৰিবলৈ প্ৰতিদিন মই ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছিলো আৰু সেই প্ৰাৰ্থনা পূৰণ হ'ল। ইয়াতেই মনত বৰ বল পালো। যৰুৱা সেৰিকা ৰমভাই সকুতেই মোৰ হিয়াত বিশ্বাসৰ যি গুটি সিচিছিল এতিয়াহে তাৰ ফল ভোগ কৰিলো।

এদিন বন্ধুজনে মোৰ আগত বেন্থামৰ (Bentham Theory of Utility) বোলা কিতাপখন পঢ়িবলৈ ধৰিলে। মই মহা বিপদত পৰিলোঁ। এই কিতাপৰ ভাষা মোৰ পক্ষে অবোধ্য আছিল। তেওঁ এই বিষয়ে আলোচনা আৰম্ভ কৰি দিলে। "মোক ক্ষমা কৰিব, এই দুৰ্ব্বোধ্য কথাবোৰ মই ঢুকি নাপাওঁ", বুলি মই কলো। 'মই স্বীকাৰ কৰোঁ যে মাংস খোৱা উচিত। কিন্তু মই প্ৰতিজ্ঞা ভঙ্গ কৰিবলৈ অপাৰগ। মই এই বিষয়ে আপোনাক তৰ্কত পৰাস্ত কৰা দূৰত থাওক, একো কৰিব নোৱাৰোঁ। অনুগ্ৰহ কৰি মই মূৰ্খ বা অবাধ্য বুলি ভাবি ক্ষমা কৰোক। মই জানো, আপুনি মোক ভাল পায় আৰু আপুনি মোৰ মঙ্গলাকাঙ্ক্ষা কৰে, আপুনি মোৰ উপকাৰৰ কাৰণেই এই বিষয়ে তৰ্ক কৰিছে বুলি মই জানো, কিন্তু এই প্ৰতিজ্ঞা মই কেতিয়াও ভাঙিব নোৱাৰোঁ।'

বন্ধু গৰাকীয়ে আচৰিত হৈ মোৰ ফালে চাই কিতাপখন বন্ধ কৰি কলে, "বেচ্, মই আৰু তৰ্ক নকৰোঁ।" মযো মনে মনে আনন্দ পালো। তেওঁ এই বিষয়ে আৰু কেতিয়াও আলোচনা কৰা নাছিল। কিন্তু মোৰ সুখ স্বচ্ছন্দতাৰ কাৰণে তেওঁ সদায় যত্ন কৰিছিল। মাংস নাখাই নাখাই দুৰ্ব্বল হৈ বিলাতত মই সুস্থ শৰীৰে থাকিব নোৱাৰিম বুলি ভাবি তেওঁৰ মনত দুশ্চিন্তা হৈছিল।

এনেকৈ এমাহলৈ মোৰ শিক্ষা হ'ল। বন্ধু জনৰ ঘৰ আছিল 'ৰিচ মণ্ড'ত (Richmond)। তালৈ সপ্তাহে এবাৰ কি দুবাৰ মাত্ৰ যাব পাৰিছিলোঁ। সেই কাৰণে ডাক্তৰ মেহতা আৰু ডাক্তৰ দানপতৰাম চুকলাই মোক ইংৰাজ

প্লিমোলত থোৱা স্থিৰ কৰিলে আৰু পশ্চিম কেনচিংটনত ভাৰত-ফেৰত ইংৰাজ এগৰাকীৰ লগত বন্দোবস্ত কৰি তেওঁৰ ঘৰত থলে। 'লেণ্ড লেডী' গৰাকী বিধৱা আছিল। মই তেওঁক মোৰ প্ৰতিজ্ঞাৰ কথা কলোঁ। তেওঁ উচিত মতে মোৰ আল পৈছান ধৰিবলৈ গাত ললে আৰু মই তেওঁৰ তাত থাকিবলৈ ললোঁ। কিন্তু ইয়াতো মই আচলতে ভোকতেই দিন নিয়াব লগাত পৰিলোঁ। ঘৰলৈ মিঠাই প্ৰভৃতি পঠিযাবলৈ লিখিছিলো, কিন্তু তেতিযাও সেইবোৰ গৈ পোৱা নাই। মই একোতে আনন্দ নোপোৱা হলোঁ। প্ৰত্যেক দিন বুঢ়ী তিৰুতা গৰাকীয়ে মই খোৱা-বোৱা কেনে পাইছোঁ সুধিছিল—বেচেৰীয়ে কৰিবই বা কি? এতিযাও মোৰ স্বভাব আগৰ দৰেই লাজকুৰীয়া আছিল। সেইবাবে কেতিয়াও বিচাৰি নাখাইছিলোঁ। বুঢ়ী গৰাকীৰ দুজনী ছোৱালী আছিল। তেওঁলোকে জোৰ কৰি মোক এডোখৰ বা দুডোখৰ ৰুটি সৰহকৈ খুৱাইছিল। এটা গোটেইটো পাউৰুটি নহলে যে মোৰ ভোক নুগুচে সেই কথা তেওঁলোকে জানে কেনেকৈ?

কিন্তু লাহে লাহে সকলো ঠাই চিনি পোৱা হলো। মই তেতিযাও নিয়মিতৰূপে পঢ়া শুনা আৰম্ভ কৰা নাই। মিঃ ছুক্লাৰ উদগণিত বাতৰি কাকত পঢ়িবলৈ আৰম্ভ কৰিলো। ভাৰতবৰ্ষত থাকোতে বাতৰি কাকত পঢ়া মোৰ মনত নপৰে। ইয়াত কিন্তু সদায নিযমিত ভাৱে বাতৰি কাকত পঢ়া মোৰ অভ্যাস হ'ল। মই সদায 'ডেইলি নিউজ', 'ডেইলি টেলিগ্ৰাফ' আৰু 'পল মল গেজেট'—এই বিলাক কাগজ পঢ়িছিলো। এই কামত মোৰ মুঠেই এঘন্টামান সময়হে খৰচ হৈছিল। বাতৰি কাকত পঢ়ি অঁতাই বাটে বাটে মই ঘুৰি ফুৰিবলৈ আৰম্ভ কৰিলোঁ। মই ফুৰিছিলোঁ নিৰামিষ হোটেল এটাৰ সন্ধানত। 'লেণ্ডলেডী' গৰাকীযে চহৰৰ ভিতৰত তেনে হোটেল আছিল বুলি কৈছিল। মই দিনে ১০।১২ মাইল ফুৰি সন্ধ্যা হোটেল এটাত সোমাই পেট ভৰাই ৰুটি খাইছিলো, কিন্তু তথাপিও মোৰ তৃপ্তি

নহৈছিল। এনেকৈ ঘূৰি ফুৰোঁতে এদিন ফেৰিংডন ষ্ট্ৰীটত নিৰামিষ ভোজনাগাৰ এটা দেখিবলৈ পালো। সৰু সৰু ল'ৰা ছোৱালীয়ে মনৰ জোখাই পুতলা পালে যেন ৰং পায এই হোটেলটি দেখি মযো ঠিক সেইদৰে মনত ৰং পালো। ভিতৰত নোসোমাওঁতেই দুৱাৰমুখত আইনাৰ দেৰাজ এটাত কিছুমান কিতাপ বিক্ৰীৰ নিমিত্তে থোৱা দেখিলো। তাৰ ভিতৰত ছল্টৰ "নিৰামিষ আহাৰ খোৱাৰ কাৰণ" নামৰ কিতাপ এখনো আছিল। এই কিতাপখন এক শ্বিলিং দি কিনি, খোৱা খোটালীলৈ সোমাই গলো। বিল'তলৈ অহা'ৰ পিছৰপৰা ইয়াতে মই প্ৰথমে তৃপ্তিৰে সৈতে এসাজ খাওঁ। যি হওক ঈশ্বৰে মুখ তুলি মোলৈ চালে।

মই ছল্টৰ কিতাপটো ইমূৰৰপৰা সিমূৰলৈকে পঢ়ি বৰ ভাল পা লা। এই কিতাপটো পঢ়াৰ দিনাৰপৰা মই নিজ ইচ্ছামতে নিৰামিষভোজী হৈছোঁ বুলি কব পাৰোঁ। ঈশ্বৰক ধন্যবাদ যে মই আইৰ আগত এদিন এনে প্ৰতিজ্ঞা কৰিছিলো। মই ইমান দিন কেৱল প্ৰতিজ্ঞাত বান্ধ খাইহে মাংস নোখোৱাকৈ আছিলো, কিন্তু মনে মনে মই সকলো ভাৰতবাসীয়ে মাংস খোৱা উচিত বুলি ভাবিছিলো আৰু এদিন মযো তেনে কৰিম বুলি স্থিৰ কৰিছিলো। কিন্তু এতিয়া মোৰ মন নিৰামিষ আহাৰৰ ফালে ঢাল খালে আৰু তেতিয়াৰেপৰা ইয়াৰ প্ৰচাৰ মোৰ জীৱনৰ ব্ৰতৰ দৰে হ'ল।

ইংৰাজ ভদ্ৰলোকৰ ভাৱত

(১৫)

দিনে দিনে নিৰামিষ আহাৰৰ ওপৰত মোৰ আস্থা বাঢ়িবলৈ ধৰিলে। ছল্টৰ কিতাপখন পঢ়ি আহাৰ-বিষযক কিতাপ পঢ়িবলৈ মোৰ স্পৃহা বাঢ়িল। মই এই বিষয়ৰ কিতাপ বিচাৰি বিচাৰি পঢ়িবলৈ ধৰিলো। হাৱাৰ্ড ৱিলিয়-মছে তেওঁৰ "আহাৰ বিজ্ঞান" নামক কিতাপখনত নানা সমাজৰ আদিম যুগৰে পৰা বৰ্ত্তমান সময়লৈকে মানুহৰ আহাৰৰ বিষয়ে আলোচনা কৰি সকলো যুগৰ ধৰ্ম্মবীৰ আৰু দাৰ্শনিকসকল যে নিৰামিষাহাৰী আছিল তাক দেখুৱাবলৈ চেষ্টা কৰিছে। ডাঃ মিছেছ এন কিংছফোৰ্ডৰ কিতাপটিও মনমোহা। ডাঃ এলিছনৰ স্বাস্থ্যবিষয়ক প্ৰবন্ধবোৰেও মোক বৰ সহায় কৰিছিল। তেওঁৰ মতে মানুহে আহাৰত নিয়মীয়া হৈ অসুখ বিসুখ কমাব পাৰে। তেওঁ নিজেও নিৰামিষাহাৰী, তেওঁৰ ৰোগী বিলাককো নিৰামিষা-ভোজী হবলৈ উপদেশ দিছিল। এই কিতাপ বিলাক পঢ়াৰ ফলত মই নিজৰ ওপৰতে আহাৰৰ বিষয়ে নানা পৰীক্ষা আৰম্ভ কৰিলো। আৰম্ভতে স্বাস্থ্যৰ ফালৰপৰাই মই এই পৰীক্ষা বিলাক কৰিছিলো, কিন্তু শেষত সেই বিলাক মোৰ বাবে ধৰ্ম্মৰ এটা অঙ্গস্বৰূপ হৈ পৰিল।

মোৰ বন্ধু গৰাকী কিন্তু সদায় মোৰ কাৰণে চিন্তিত আছিল। মোলৈ মৰমেই তেওঁৰ আশঙ্কাৰ মূল কাৰণ আছিল। তেওঁ ভাবিছিল, যে মাছ মাংস নাখালে মোৰ স্বাস্থ্য ভঙ্গ হব আৰু মোৰ শিক্ষাও একো নহব, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে বিলাতত নিৰামিষভোজী হলে ইংৰাজ সমাজত মই কেতিয়াও ভালকৈ চলা-ফুৰা কৰিব নোৱাৰিম। মই

নিৰামিষ আহাৰবিষয়ক কিতাপত মন পুতি লগাৰ বাতৰি পাই তেওঁ ভয় খালে। কাৰণ তেওঁ ভাবিছিল যে এই কিতাপবিলাক পঢ়ি মোৰ মস্তিষ্ক বিকৃত হব আৰু মই এই বিলাক কামত সময় নষ্ট কৰি নিজৰ লিখা-পঢ়ালৈ মন দিবলৈ এৰিম, মোৰ মত পৰিবৰ্ত্তন কৰিবলৈ তেওঁ এটা শেষ চেষ্টা কৰিলে। এদিন মোক থিয়েটাৰ চাবলৈ মাতিলে। থিয়েটাৰ চাবলৈ যোৱাৰ আগতে তেওঁ হলবৰ্ণ ভোজনাগাৰো চাই যাবলৈ মোক নিমন্ত্ৰণ কৰিলে। এই ভোজনাগাৰটি মোৰ বাবে এটি প্ৰাসাদৰ দৰে লাগিছিল আৰু ভিক্টোৰিয়া হোটেলৰ বাহিৰে এনে ডাঙৰ ভোজনাগাৰলৈ মই কেতিয়াও যোৱা নাছিলো। ভিক্টোৰিযা হোটেল মোৰ বাবে সুখৰ নাছিল আৰু তেতিয়া মোৰ মন বৰ বিশৃঙ্খল আছিল। মই ভদ্ৰতাৰ খাতিৰত একো প্ৰতিবাদ নকৰিম বুলি ভাবি বন্ধু গৰাকীয়ে মোক এই ঠাইলৈ নিছিল। চাৰিওফালে বহুতো মানুহ খাবলৈ বহিছে। মাজৰ এখন মেজ লৈ বন্ধু গৰাকী আক মই বহিলো। প্ৰথমতে 'চুৰুহা' (Soup) আছিল। এই বস্তুটি কিহেৰে তৈয়াৰী মই জনা নাছিলো, লগৰীযা জনকো সুধিবলৈ সাহ নহ'ল। মই পৰিবেশন কৰোতা খানছামাটোক মতাই অনালো। বন্ধুৱে মোৰ কথা বতৰা দেখি খংমুৱাকৈ 'কি হৈছে' বুলি সুধিলে। মই ভয়ে ভযে উত্তৰ দিলো, "ছুপটো নিৰামিষ হয়নে তাকেহে জানিব বিচাৰিছোঁ।" তেওঁ খঙত জ্বলি পকি উত্তৰ দিলে, "তুমি ভদ্ৰ সমাজৰ অযোগ্য। যদি ভালকৈ ব্যৱহাৰ কৰিব নোৱাৰা, তেন্তে তুমি উঠি যোৱা, অন্য কোনো ঠাইত খাই লৈ মোৰ কাৰণে বাহিৰত বাট চাব পাৰা।" ওচৰতে নিৰামিষ ভোজনাগাৰ এটি আছিল, কিন্তু তেতিয়া সেইটো বন্ধ, গতিকেই সেই ৰাতি মোৰ আৰু খোৱা নহ'ল। মই বন্ধুৰ লগত থিযেটাৰলৈ গলো, কিন্তু তেওঁ আৰু সেই ঘটনাৰ কথা উল্লেখকে নকৰিলে। মোৰ ফালৰপৰা অৱশ্যে কব লগীয়া একো নাছিল।

ইংৰাজ ভদ্ৰলোকৰ ভাৰত

বন্ধু গৰাকীৰ লগত বিৰোধ হোৱা ঘটনা ইয়াতেই শেষ। কি কাৰণে তেওঁ এই দৰে যত্ন কৰিছিল মই জানিছিলো। অন্তৰত তেওঁৰ উদ্দেশ্যৰ মই শলাগ লৈছিলো। ভাব আৰু কামত আমাৰ মাজত অমিল হলেও তেওঁলৈ মোৰ শ্ৰদ্ধা নুটুটি বাঢ়িছিলহে।

ইংৰাজ সমাজত চলা-ফুৰা কৰিবলৈ নিৰামিষভোজীৰ যিবিলাক অসুবিধা আছিল, সেইবিলাক গুচাবলৈ ভদ্ৰ সমাজৰ উপযোগী আন আন গুণবিলাক অভ্যাস কৰি, ভৱিষ্যতলৈ এইদৰে অসভ্য নহওঁ বুলি তেওঁক আশ্বাস দি নিশ্চিন্ত কৰা মই স্থিৰ কৰিলো। এই কাৰণেই মোৰ পক্ষে ইংৰাজ ভদ্ৰলোক হোৱাৰ অসম্ভৱ কামটোকে সম্ভৱ কৰাত লাগি গলো।

বোম্বেৰ ফেশ্যন মতে কৰোৱা যিবোৰ কাপোৰ কানি আছিল, সেইবোৰ সমাজত চলা ফুৰাৰ কাৰণে অনপযুক্ত বুলি ভাবি মই 'আৰ্মি এণ্ড্ নেভি ষ্টোৰ্ছ' নামৰ দোকান এখনত নতুন কাপোৰ কানি কৰালো। ১৯ শ্বিলিং দি এটা বেছি দামৰ টুপি কিনি ললো। ইয়াতো সন্তুষ্ট নহৈ লণ্ডনৰ ফেশ্যন মতে চকুত লগা বস্তুৰ কেন্দ্ৰ বণ্ড ষ্ট্ৰীটত গধূলি পিন্ধিবলৈ উপযোগী 'ছুট' এটাত ১০ পাউণ্ড খৰচ কৰিলো। মোৰ উদাৰচিতীয়া ককাইদেউলৈ লিখি ঘৰীৰ বাবে দুধাৰি সোণৰ চেইন অনাই ললো। তৈয়াৰী নেকটাই পিন্ধাটো ভদ্ৰতানুমোদিত নহয় বুলি জানি 'টাই' বন্ধা শিকি ললো। ভাৰতত থাকোতে আমাৰ ঘৰুৱা নাপিতে মোৰ দাঢ়ি মূৰ খুৰাই দিওঁতেহে আৰ্চি চোৱাৰ সৌভাগ্যলাভ কৰিছিলো; কিন্তু ইয়াত মই নিতৌ 'টাই' বান্ধি আৰু ভদ্ৰতানুমোদিতভাৱে চুলি আচুৰি দিনে দহ মিনিট সময় নষ্ট কৰিছিলো। মোৰ চুলি ঠৰঙা আছিল গতিকে চুলি আচোঁৰা, বুৰুজৰে সেওঁতা ঠিক কৰোঁতে নিতৌ মোৰ পৰিশ্ৰম ভালকৈয়ে হৈছিল। টুপিটো মৰমপৰা সোলোকোৱাৰ লগে লগে চুলি ঠিক কৰিবৰ কাৰণে মোৰ হাত

আপোনা আপুনি মুৰলৈ যোৱা হ'ল, তাৰ লগে লগে অৱশ্যে ভদ্ৰ-সমাজত কাপোৰ কানি আদি ঠিক ৰাখিবৰ কাৰণে কৰা হাতৰ নানা ব্যৱহাৰো মোৰ অভ্যাস হৈগল।

এই সমাজত চলা-ফুৰা কৰিবলৈ এয়ে যেন যথেষ্ট নহয় বুলি ভাবি মই আনুষঙ্গিক আন আন কথালৈ মন দিবলৈ ধৰিলো। ইংৰাজ ভদ্ৰলোকৰ দৰে চলা ফুৰা কৰিবলৈ যত্ন কৰা মোৰ সাধনাৰ বস্তু হোৱাদি হ'ল। এই সাধনাত সিদ্ধিলাভ কৰিবলৈ হলে নাচ, ফৰাছী ভাষা জনা আৰু বক্তৃতা দিয়া এই তিনটি কাম শিকিব লাগিব বুলি মানুহে কলে। ফৰাছী ভাষাটো কেবল ফ্ৰান্সতেই নচলি প্ৰায় সমগ্ৰ য়ুৰোপেতে চলে আৰু লগে লগে মোৰ য়ুৰোপ ভ্ৰমণৰ ইচ্ছাও আছিল। মই এটা "টাৰ্ম" (প্ৰায় ৪ মাহ) তিনি পাউণ্ড দি এখন স্কুলত নাচ শিকিবলৈ স্থিৰ কৰিলো। মই তিনি সপ্তাহত বোধ কৰোঁ। ছবাৰকৈ তালৈ গৈছিলো, কিন্তু নৃত্য-কলাৰ লীলায়িত-গতি আয়ত্ত কৰা মোৰ পক্ষে অসম্ভৱ আছিল মই কেতিয়াও তাল ৰাখিব নোৱাৰিছিলো। মই মহা বিপদত পৰিলো। এটা সাধু কথা আছে যে, সন্ন্যাসী এগৰাকীয়ে এন্দুৰ খেদাবলৈ এজনী মেকুৰী ৰাখিছিল, কিন্তু মেকুৰীক গাখীৰ খুৱাবলৈ এজনী গাই ৰাখিব লগীয়া হ'ল আৰু গাইজনী ৰাখিবলৈ এটা গুৱাল ৰাখিলে। এই দৰে সন্ন্যাসীৰ পৰিয়াল বাঢি যোৱাৰ দৰে মোৰ মনো বাঢি গ'ল। মই ভাবিলো পাশ্চাত্য সঙ্গীতৰ মাধুৰ্য্য বুজিবলৈ মই বেহেলা শিকা উচিত। গতিকে ৩ পাউণ্ড দি এখন বেহালা কিনি অলপ গুৰু দক্ষিণা দি সঙ্গীত চৰ্চা আৰম্ভ কৰিলো। মই এক গিণি দক্ষিণা দি বক্তৃতা দিয়া শিকিবলৈ এগৰাকী শিক্ষক ধৰিলো। তেওঁ বেলৰ 'ষ্টাণ্ডাৰ্ড এলোকিউশ্যনিষ্ট' নামৰ কিতাপখন মোৰ পাঠ্যপুস্তক ৰূপে মনোনীত কৰিলে। মই কিতাপখন কিনি লৈ আৰম্ভ কৰিলো পিটৰ এটা বক্তৃতাৰে।

কিন্তু মিঃ বেলে জানিবা মোৰ কাণৰ গুৰিত সময়ৰ জাননী দি টিলিঙা বজাই দিলে আৰু এই কাৰণে সাৰ পাই উঠিলো।

মনে মনে ভাবিবলৈ ধৰিলো, "মইতো বিলাতত চিৰজীৱন নাথাকোঁ এই বক্তৃতা শিকাৰ নো মোৰ আবশ্যকতা কি? আৰু নাচিব নাজানিলেই নো মানুহ ভদ্ৰলোক নহয়নে? বেহেলাতো মই নিজৰ দেশত শিকিব পাৰোঁ। মই আহিছোঁ ইযাত লিখা পঢ়া শিকিবলৈ, গতিকে তাতে মই মন পুতি লগা উচিত। মোৰ উদ্দেশ্য ব্যেৰিষ্টাৰ হোৱা। যদি চৰিত্ৰ বলত ভদ্ৰলোক হব পাৰি ভালেই, নহলে, সেই আকাঙ্ক্ষা এৰাই উচিত।

এই বিলাক ভাব মোৰ মনলৈ আহিবলৈ ধৰিলে। মই এই ভাৱ বিলাক প্ৰকাশ কৰি বক্তৃতা শিকোৱা শিক্ষকজনলৈ এখন চিঠি লিখিলো আৰু লগে লগে বক্তৃতা শিকাৰ পৰা মোক অব্যাহতি দিবলৈ তেওঁক খাটিলো। বক্তৃতা শিক্ষা মই আৰম্ভহে কৰিছিলো।

নাচ শিকোৱা মানুহজনলৈকো একে দৰে চিঠি এখন লিখিলো আৰু বেহালা শিক্ষয়িত্ৰীৰ লগত নিজে সাক্ষাৎ কৰি সকলো কথা কলো আৰু বেহেলাখনিত যি দাম পায় তাতে বেচি পেলাবলৈ অনুৰোধ কৰিলো। এই মহিলা গৰাকীৰ লগত মোৰ অলপ বন্ধুভাৱ হৈছিল। তেওঁ মোক এই মানসিক পৰিবৰ্ত্তনত মোক উদগণি দিলে।

মোৰ ভদ্ৰতা শিক্ষাৰ বায়ু তিনি মাহমানহে আছিল, পোছাকৰ বায়ু হলে বহুত দিনলৈকে থাকিল। সি যি নহওক, তেতিয়াৰেপৰা মই ভাল ল'বাৰ দৰে লিখা-পঢ়াত মন দি লাগি গলো।

পৰিবৰ্ত্তন

(১৬)

মই নাচ-গান শিকিবলৈ চেষ্টা কৰা সময়ত মোৰ মন বিলাসৰ ফালে একেবাৰে ঢাল খাইছিল বুলি কোনেও যেন ধৰি নলয়। পাঠকসকলে সহজে বুজিব পাৰিছে যে মোৰ তেতিয়াও একেবাৰে বুদ্ধি লোপ হোৱা নাছিল। সেই সময়ত যদিও মোৰ মনৰ মাজত অলপ চাঞ্চল্যৰ ভাব আহিছিল, তথাপিও মই মাজে মাজে নিজৰ অবস্থাৰ কথা ভালকৈয়ে ভাবি চাইছিলো। মই ভাবি চিন্তি খৰচপত্ৰ কৰিছিলো। আৰু পাইটোলৈকে হিচাপ ৰাখিছিলো। ক'ত টিকটত এক অনা পইছা খৰচ হ'ল ক'ত দু অনা দি এখন কাগজ কিনিলো, তাৰো হিচাপ ৰাখিছিলো আৰু ৰাতি শোৱাৰ আগতে দিনৰ হিচাপ পৰিষ্কাৰ কৰি থৈছিলো। ইযাতেই মোৰ এই অভ্যাস চিৰকাললৈ গঠিত হ'ল আৰু যদিও ৰাজহুৱা টকা লাখে লাখে খৰচ কৰাৰ সুবিধা মোৰ জীৱনত হৈছে, তথাপিও মই জানো যে এই অভ্যাসৰ বলতে মই সদায় মিতাচাৰী হৈ খৰচপত্ৰ কৰি আহিছোঁ আৰু মই চলোৱা সকলো অনুষ্ঠানৰ পুঁজিৰ কেতিয়াও তলি উদং হবলৈ পোৱা নাই। প্ৰত্যেক ডেকাই যেন মোৰ জীৱনৰ পৰা এই শিক্ষা গ্ৰহণ কৰে, আৰু হিচাপ ৰাখিলে লাভৱান ডেকাসকলে তেওঁলোকৰ হাতে দি খৰচ হোৱা টকা পইছাৰ নিযমিত হোৱাটো নিশ্চয।

মোৰ নিজ জীৱনৰ ওপৰত সুকীয়া দৃষ্টি ৰখাত মই বুজিব পাৰিলো যে মই আয় অনুযাযী ব্যয় কৰা উচিত। মই মোৰ খৰচ আগতকৈ সমানে আধা কমাই পেলালো। গাড়ী ভাৰা আদিত মই বহুত খৰচ কৰিছিলো।

তাৰ উপৰি পৰিয়ালৰ মাজত থাকোতে মই সপ্তাহে সপ্তাহে নিৰ্দিষ্ট হিচাপত খৰচ কৰিব লগীয়াত পৰিছিলো। ভদ্ৰতাৰ খাতিৰত পৰিয়ালৰ মানুহ বিলাকক মাজে মাজে খুৱাব আৰু থিয়েটাৰ প্ৰভৃতি দেখুৱাব লগাতো পৰিছিলো।

এই বিলাক কাৰণতে মোৰ খৰচ বাঢ়ি গৈছিল আৰু কোনো ভদ্ৰ মহিলা মোৰ আলহী হলে খৰচৰ পৰিমাণ আৰু বাঢ়ে, কাৰণ ভদ্ৰ মহিলাৰ সকলো খৰচকে বহন কৰাই হৈছে সমাজৰ নিয়ম। বাহিৰত গৈ খোৱা মানে সৰহ ধন ভৰা, কাৰণ খোৱাৰ বাবে সাপ্তাহিক যি খৰচ ভৰিব লাগে সেইখিনি নাখালেও, ভৰিব লাগে। মই ভাবিলো যে আগেয়ে যেনেকৈ গান বাজনা শিকাৰ খৰচ কমালো তেনেকৈয়ে অন্যান্য খৰচো কমাব পৰা যায়।

ফলত পৰিয়ালত থাকিবলৈ এৰি দি নিজে ঘৰ ভাৰা কৰি থকা স্থিৰ কৰিলো আৰু মোৰ য'ত থাকিলে কামৰ সুবিধা হয়, এনে বেলেগ বেলেগ ঠাইত থাকি অভিজ্ঞতা সঞ্চয় কৰিম বুলিও স্থিৰ কৰিলো। য'ৰপৰা খোজ কাঢ়ি আধাঘন্টাৰ ভিতৰতে কাম কৰা ঠাইলৈ যাব পাৰি তেনে ঠাইত থকাৰ দিহা কৰিলো। এনে কৰাত গাড়ী ভাৰাৰ পইছা ৰাহি হবলৈ ধৰিলে। মোৰ নতুন বন্দোৱস্তৰ ফলত এফালে যেনেকৈ ধনৰ খৰচ কমিল, আন ফালে তেনেকৈয়ে খোজ কঢ়াৰপৰা শাৰীৰিক পৰিশ্ৰম হ'ল, কাৰণ মই দিনে ১০।১২ মাইল খোজ কাঢ়িব লগাত পৰিলো। এই খোজ-কঢ়া অভ্যাসৰ কাৰণেই বিলাতত থকা দিনত মোৰ গা সদায় ভালে আছিল আৰু মই শৰীৰত শক্তিও পাইছিলো।

বিলাতত থকা অৱস্থাৰ এয়ে মোৰ দ্বিতীয় অধ্যায়। মই দুটা খোটালি ভাৰা কৰিছিলো—এটা শুবৰ কাৰণে, আনটোত বহিবৰ কাৰণে। তৃতীয় অধ্যায় তেতিয়াও অহা নাই।

এই পৰিবৰ্ত্তন বিলাকৰ ফলত মোৰ সমানে আধা খৰচ কমি গ'ল। কিন্তু কেনেকৈ সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰি সেয়ে সমস্যা হৈ উঠিল। বাৰিষ্টাৰি পৰীক্ষা পাছ কৰিবলৈ সৰহ পঢ়িব নালাগে। গতিকে মোৰ আজৰি বহুত আছিল। ইংৰাজীত মই ভাল নাছিলো বুলি মনে মনে মোৰ বৰ আক্ষেপ আছিল। প্ৰথমে বি-এ পাছ কৰিহে মোৰ ওচৰলৈ আহিবা বুলি মিঃ (পিছত ছাৰ) লিলিয়ে কোৱা কথাষাৰ মোৰ কাণত সদাই বাজি আছিল।

ভাবিলো বাৰিষ্টৰ হোৱাৰ লগে লগে সাহিত্য বিষয়ক উপাধি এটাও লোৱা উচিত। কেম্ব্ৰিজ আৰু অক্সফোৰ্ডৰ পাঠ্যতালিকা চাই আৰু বন্ধু বান্ধৱক সুধি পুছি বুজিলো যে উপাধি লবলৈ গলে মই বিলাতত বহুত দিন থাকিব লগীয়াত পৰিব আৰু খৰচ-পত্ৰও বহুত হব। এজন বন্ধুৱে কলে যে যদি টান পৰীক্ষা পাছ কৰাৰ মোৰ হাবিয়াস হৈছে, তেন্তে মই লণ্ডন বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষা দিয়া উচিত। এই পৰীক্ষা দিবলৈ হলে বৰ পৰিশ্ৰম কৰিব লগাত পৰিব বুলি বুজিলো, কাৰণ মই নজনা নানা কথাৰ পৰীক্ষা দিব লাগিব কিন্তু খৰচ-পত্ৰ হলে বিশেষ একো নাই। কথাটো মোৰ ভাল লাগিল। কিন্তু পাঠ্যতালিকাখন দেখিহে ভয় খালো। লেটিন আৰু তাৰ লগত অন্য এটা চলিত ভাষা শিকিবই লাগিব। লেটিন শিকাটো প্ৰায় অসম্ভৱ। বন্ধু গৰাকীয়ে কলে, "লেটিন আইন ব্যৱসায়ীৰ পক্ষে বৰ আৱশ্যকীয়, কাৰণ এই ভাষাৰ জ্ঞান থাকিলে আইনৰ পুথি সহজে বুজিব পাৰি। আৰু ৰোমীয় আইনৰ পৰীক্ষা (বাৰিষ্টাৰিত) একেবাৰে লেটিন ভাষাত হয়। তাৰ উপৰি লেটিন জানিলে ইংৰাজী ভাষা ভাল মতে জানিবলৈ সহজ হয়।" ইত্যাদি কৈ বুজনি দিবলৈ ধৰিলে। তেওঁৰ যুক্তিয়ে মোৰ মনত ধৰিলে, আৰু টান হলেও লেটিন শিকিবলৈ মই দৃঢ়প্ৰতিজ্ঞ হলো। ফ্ৰেঞ্চ মই অলপ শিকিছিলোৱেই আৰু চলিত

ভাষাৰূপে ফ্ৰেঞ্চকে লম বুলি ঠিক কৰি ললো। এগৰাকী মানুহে যকম্বাকৈ পঢ়োৱা শ্ৰেণী এটাত মই ভৰ্ত্তি হলো। ছমাহে ছমাহে পৰীক্ষা হৈছিল, আৰু তেতিয়া মোৰ হাতত মুঠেই পাঁচ মাহ সময় আছিল, মোৰ পক্ষে পাছ কৰা অসম্ভৱ যেন লাগিল। কিন্তু ইংৰাজ ভদ্ৰলোক হব খোজা মানুহজন এইবাৰ ভাল ল'ৰা হৈ লিখা পঢ়া কৰিবলৈ বদ্ধপৰিকৰ। মই কেতিয়া কি কৰিম তাৰ তালিকা মিনিটলৈকে হিচাপ কৰি ললো। কিন্তু এই পাঁচ মাহৰ ভিতৰত যে লেটিন ফ্ৰেঞ্চ আৰু লগৰীয়া অন্যান্য বিষয় শিকি উঠিব পাৰিম, এনে ভৰসা নহ'ল। ফলত লেটিনত পাছ কৰিব নোৱাৰিলো। মই দুখিত হলেও আশা একেবাৰে নেৰিলো।,লেটিন ভাল লাগিবলৈ ধৰিলে আৰু ফ্ৰেঞ্চো এইবাৰ কিছু ভালকৈ শিকিব পাৰিম বুলি ভাবিলো। বিজ্ঞানৰ বিষয় এটা লবলৈকো থিৰ কৰিলো।

ৰসায়ন মই আগেয়ে পঢ়িছিলো আৰু এই বিষয়টো বৰ ভাল হলেও এই বিষয়ত লাগতিয়াল ব্যৱহাৰিক পৰীক্ষা আদি কৰিবলৈ নোপোৱাত বিষয়টো মোৰ ভাল নালাগিল। ভাৰতত বাধ্য হৈ এই বিষয়টো পঢ়িছিলো কাৰণেই লণ্ডন প্ৰবেশিকাতো এইটো লৈছিলো। এইবাৰ কিন্তু মই ৰসায়ন নলৈ "পোহৰ আৰু উত্তাপ' বোলা কিতাপখন ললো। এই বিষয়টো বহুতে সহজ বুলি কৈছিল আৰু মযো দেখিলো যে এইটো টান নহয়।

দ্বিতীয়বাৰ পৰীক্ষা দিবলৈ সাজু হোৱাৰ লগে লগে মোৰ আয় ব্যয় আৰু কমাবলৈ চেষ্টা কৰিবলৈ ধৰিলো, কাৰণ মোৰ মনেৰে মই কেতিয়াও আমাৰ ঘৰৰ সাধাৰণ অবস্থানুযায়ী খৰচপত্ৰ বিলাতত কৰা নাছিলো। দুখে কষ্টে জীৱন নিৰ্ব্বাহ কৰিও ককাইদেউৱে যে নিয়মিত সময়ত মোলৈ টকা পইছা পঠিয়াইছিল, এই কথাই মোৰ মনত দুখ দিবলৈ ধৰিলে। মই দেখিলো যে যিসকল ছাত্ৰই মাহে ৮ পাউণ্ডৰপৰা ১৫ পাউণ্ডলৈকে খৰচ

কৰিছিল, তেওঁলোকৰ সৰহ ভাগেই বৃত্তিধাৰী। বহুতক আকৌ মোতকৈ কম খৰচত চলা দেখিবলৈ পালো। এনে ধৰণে থকা অনেক ল'ৰাৰ লগত মোৰ পৰিচয় হ'ল। তাৰ ভিতৰত এজনে কুলীবিলাকৰ ঠাইত সপ্তাহে দুই শিবলিং ঘৰ ভাৰা দি লক্‌হার্টৰ দোকানৰ দিনে দুই পেন্সৰ কম দামী কেক আৰু ৰুটি কিনি খাইযে জীৱন নিৰ্ব্বাহ কৰিছিল। তেওঁৰ আদৰ্শ গ্ৰহণ কৰা মোৰ পক্ষে সম্ভৱ নাছিল, তথাপি মই ভাবিলো যে এটা খোটালি ললেই মোৰ হয় আৰু কিছু বস্তু মই নিজেই ৰান্ধি লব পাৰোঁ। এনে কৰিলে মোৰ মাহে কম পক্ষেও ৪।৫ পাউণ্ড খৰচ কমিব। সাধাৰণ ভাৱে জীৱিকানিৰ্ব্বাহ সম্বন্ধীয় কিতাপো দুই এখন মোৰ হাতত পৰিলহি। মই আগৰ ঘৰ এৰি দি এটা খোটালি ভাৰা কৰিলো আৰু এটা ষ্টোভ কিনি পুৱাৰ আহাৰ নিজে ৰান্ধি খাবলৈ ধৰিলো। এই কামত মোৰ ২০ মিনিটতকৈ সৰহ সময় নালাগিছিল, কাৰণ মই কেৱল ওট মিল সিজোৱা আৰু কোকোৰ পানী গৰম কৰিব লগীযাত পৰিছিলো। আবেলি মই বাহিৰত খাইছিলো আৰু ৰাতি ঘৰতে কোকো আৰু ৰুটি খাইছিলো।

এনে ভাৱে চলাত মোৰ দিনে মুঠেই এক শ্বিলিং আৰু তিনি পেন্স খৰচ হৈছিল। এই সময়ত মই পাঠ শুনালৈকো বৰকৈ মন দিছিলো। সাধাৰণ ভাৱে থকাত মোৰ বহুত সময় ৰাহি হৈছিল। আৰু এইবাৰ মই পৰীক্ষাত উত্তীৰ্ণ হলো।

কোনেও নাভাৱে যেন যে এনে ভাবে থকাত মোৰ জীৱন একেবাৰে অসুখী হৈছিল। বৰঞ্চ এই পৰিবৰ্ত্তনৰ ফলত মোৰ মানসিক আৰু বাহ্যিক জীৱনৰ সামঞ্জস্য অনুভৱ কৰিছিলো। আমাৰ ঘৰৰ অৱস্থালৈ চাযো এনে ভাৱে জীৱন কটোৱাই মোৰ উচিত আছিল। নিশ্চয় মোৰ জীৱন আগতকৈ অধিক সত্যানুমোদিত হৈছিল সেইবাবে মোৰ আত্মায়ো পৰম তৃপ্তিলাভ কৰিছিল।

আহাৰ সম্বন্ধে পৰীক্ষা

(১৭)

যিমানেই মই আত্ম-পৰীক্ষা কৰিবলৈ ধৰিলো, সিমানেই মই মোৰ বাহ্যিক আৰু আন্তৰিক কিছু পৰিবৰ্ত্তনৰ আৱশ্যকতা আছে বুলি বুজিব ধৰিলো। মিতব্যয়ী হোৱাৰ লগে লগে মোৰ খোৱা-বোৱাৰো সাল সলনিত ধৰিলো আৰু আন আন লাগতিয়াল খৰচ পাতিও কমালো। নিৰামিষ আহাৰৰ ধৰ্ম্মসম্পৰ্কীয় বৈজ্ঞানিক আৰু স্বাস্থ্য-সম্পৰ্কীয় ইত্যাদি বিষয় পুঙ্খানুপুঙ্খৰূপে লিখা কিছুমান কাকত পঢ়িবলৈ পালো। তেওঁলোকে স্থিৰ কৰিছে যে মানুহ পশুতকৈ শ্ৰেষ্ঠ দেখিযেই নৈতিক হিচাপে শ্ৰেষ্ঠ জীৱই সিহঁতক ৰক্ষা কৰিব লাগে, মানুহে পৰস্পৰক যিদৰে সহায় কৰে, সেইদৰে পশু আৰু মানুহৰ মাজতো সহায়ৰ আদান প্ৰদান হোৱা উচিত। মানুহে ভোগৰ কাৰণে আহাৰ নকৰে,প্ৰাণ ধাৰণৰ কাৰণেহে আহাৰ কৰে বুলি তেওঁ-লোকে স্থিৰ কৰিছে। তেওঁলোকৰ কোনো কোনোৱে কেৱল গাখীৰ আৰু মঙহ নোখোৱাটো অনুমোদন আৰু অনুসৰণ কৰিছিল এনে নহয়, তেওঁ-লোকে কণী পৰ্য্যন্ত এৰিছিল। কেইজনমানে বিজ্ঞানৰ ফালৰপৰা কৈছিল যে, শাৰীৰিক গঠনলৈ চাই ৰন্ধা আহাৰ মানুহৰ উপযোগী নহয়, মানৱ শৰীৰ

ফলাহাৰহে উপযোগী । পিয়াহ খাবলৈ এৰাৰ পিছত দাঁত গজিলে গোটা বস্তুহে খোৱা উচিত । অস্বাস্থ্যকৰ বুলি মছলা আদি এৰিবলৈকে তেওঁলোকে অনুমোদন কৰিছিল । নিৰামিষ আহাৰ সহজে পোৱা যায় আৰু খৰচ-পাতিও কম । এইবোৰ কথা মযো সমৰ্থন কৰিছিলো । মই হোটেলত কেইজনমান নিৰামিষভোজীক লগ পাইছিলো ।

ইংলণ্ডত নিৰামিষভোজী সকলৰ এখন সমিতি আছিল । সেই সমিতিৰ স্বকীয়া সাপ্তাহিক কাকত এখনো আছিল । মই সমিতিৰ সভ্য হৈ সাপ্তাহিক কাকতৰ গ্ৰাহক শ্ৰেণীত ভুক্ত হলো । নিৰামিষভোজীদলৰ প্ৰধান লোক সকলৰ লগত মোৰ আলাপ হ'ল আৰু লগে লগে মোৰ খোৱা-বোৱাৰ পৰিবৰ্ত্তনো হ'ল ।

মই ঘৰৰপৰা অনা মিঠাই আৰু মছলা খাবলৈ এৰি পেলালেঁা । মনৰ পৰিবৰ্ত্তনৰ লগে লগে মিঠাই মছলা আদিলৈ মোৰ লোভ নাইকিয়া হ'ল আৰু 'বিচমণ্ডৰ' মছলাহীন অৰুচিকৰ খাদ্য মোৰ ভাল লগা হ'ল । এনে-বিধৰ বহুতো পৰিবৰ্ত্তনৰপৰা মই বেছ বুজিলো, যে সোৱাদ বুজিবপৰা ইন্দ্ৰিয় জিভা নহয়—মনহে । মই সদায আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখি চলিছিলো , সেই সময়ত কোনো কোনোৱে চাহ আৰু কফি অনিষ্টকৰ বুলি কোকো খোৱাটো উচিত বিবেচনা কৰিছিল । মই কেৱল শৰীৰ ৰক্ষাৰ কাৰণেহে আহাৰ কৰা উচিত বিবেচনা কৰি চাই কফি ত্যাগ কৰি কোকো খোৱাৰ নিয়ম কৰি ললো ।

হোটেলবোৰত দুবিধ আহাৰৰ ব্যৱস্থা আছিল । প্ৰথম শ্ৰেণীত সাধাৰণতে অলপ অবস্থাবান মানুহ গ্ৰাহক আছিল । হোটেলৰ নানাবিধ আহাৰৰপৰা নিজৰ আৱশ্যকমতে কোন বিধৰ লাগে, গ্ৰাহকে নিজে বাছি লব লগা আছিল, দাম এক শ্বিলিং বা দুই শ্বিলিং হিচাপে লৈছিল । দ্বিতীয় শ্ৰেণীত ছয় পেন্স দামত এটুকুৰা ৰুটিৰ লগত তিনি বিধৰ খাদ্য

দিছিল। মোৰ এই কঠোৰ মিতব্যয়িতাৰ যুগত মই স্বাভাৱিকতে দ্বিতীয় বিধ আহাৰৰ গ্ৰাহকহে আছিলো।

এই পৰিবৰ্ত্তনৰ লগে লগে শ্বেতসাৰ থকা খাদ্য ত্যাগ, ৰুটি আৰু ফলাহাৰ কৰা, কেতিয়াবা গাখীৰ, কণী, 'চীজ' খোৱা ইত্যাদি নানাবিধ আহাৰৰ পৰীক্ষা আৰম্ভ কৰিছিলো; কণী গাখীৰ ইত্যাদিৰ বিষয়ে অলপ কব লগীয়া আছে। কণী, গাখীৰ খোৱা অভ্যাস এপখমানেই নিটিকিল। শ্বেতসাৰহীন বস্তু আহাৰ কৰা উচিত বুলি কওঁতাজনে কণী খোৱাৰ বহুল প্ৰশংসা কৰি কৈছিল যে কণী মঙহ নহয়। কণী খালে পশু জাতিৰ কোনো অপকাৰ কৰা নহয়। মই এই যুক্তিতে ভোল গৈ মোৰ প্ৰতিজ্ঞা থকা স্বত্বেও কণী খাবলৈ আৰম্ভ কৰিলো, কিন্তু এই পৰিবৰ্ত্তন ক্ষন্তেকৰ কাৰণেহে। মই বুজিলো নতুন অৰ্থ কৰা মোৰ কৰ্ত্তব্য নহয়। মোৰ আয়ে যি ভাবে মোক প্ৰতিজ্ঞা কৰাইছিল, তাকেহে মই ধৰিব লাগিব। মই বেছ বুজিছিলো, আয়ে মঙহৰ ভিতৰত কণীকো ধৰিছিল। মই মোৰ শপতৰ আচল অৰ্থ বুজামাত্ৰকে কণী খোৱাৰ এই পৰীক্ষা এৰি পেলালো।

এই যুক্তিত লেখত লব লগীয়া এটি কথা আছে। ইংলণ্ডত মঙহৰ তিনি ৰকমৰ সংজ্ঞা পাইছিলো। প্ৰথমটোত কেৱল চৰাই আৰু পশুৰ মঙহকেহে বুজাইছিল। যিসকল নিৰামিষভোজীয়ে 'মঙহ' কথাষাৰ এই অৰ্থ গ্ৰহণ কৰিছিল, তেওঁলোকে চৰাই আৰু পশুৰ মঙহ ত্যাগ কৰিছিল, কিন্তু কণীহে নালাগে মাছো খাইছিল। দ্বিতীয়টো সংজ্ঞামতে সকলো জীৱজন্তুৰ মঙহকেই বুজাইছিল, গতিকে মাছো মঙহৰ লগতে নিষিদ্ধ বস্তুৰ তালিকাৰ মাজত পৰিছিল, কিন্তু কণী খাব পাৰিছিল। তৃতীয় সংজ্ঞামতে সকলো প্ৰাণীৰ মঙহৰ লগে লগে সিহঁতৰপৰা পোৱা কণী গাখীৰ আদি সকলো বস্তু মঙহৰ ভিতৰত পৰিছিল। প্ৰথম মত গ্ৰহণ কৰা

[illegible] লাগে মাখন আৰু পাউৰুটি খাইছিলোঁ; কিন্তু মই বেছ বুজিছিলোঁ [illegible] আৰিৰ ভাৱমতেহে কাৰ্য্য কৰা উচিত আৰু মোৰ প্ৰতিজ্ঞা পালন [illegible] হলে কণী ত্যাগ কৰিবই লাগিব, গতিকে মই কণী খোৱা এৰিছিলো ।

কণী এৰি দিয়াত যথেষ্ট অসুবিধাও হৈছিল । বিলাতৰ বহুত নিৰামিষ হোটেলত নানাবিধ খাদ্য-দ্ৰব্য পুডিং, কে'ক ইত্যাদি কণীৰে তৈয়াৰ কৰা হয়; গতিকে মই সকলোবিধৰ খাদ্য ভালকৈ চিনি পোৱাৰ পূৰ্বে কোনবিধৰ লগত কণী আছে, কোনবিধৰ লগত নাই, ইত্যাদি আনুষংগিক কথা অনুসন্ধান কৰাত বৰ অসুবিধা ভোগ কৰিছিলো । যদিও মোৰ কৰ্ত্তব্য সম্পৰ্কে সম্পূৰ্ণ জ্ঞান হোৱাত অসুবিধা হৈছিল, তথাপিও ক্ৰমে তৃপ্তিকৰ হৈ অহা আহাৰবোৰ এৰিব লগা হোৱাত মই অলপ বিৰক্তিও অনুভৱ কৰিছিলো । কিন্তু এই ভাৱ সাময়িকহে আছিল। মোৰ প্ৰতিজ্ঞা আখৰে আখৰে পালন কৰিব পৰাত অন্তৰত অসীম আনন্দ লাভ কৰিছিলো ।

কিন্তু আচল পৰীক্ষা হবলৈ এতিয়াও বাকী । সেইটো হৈছে মোৰ দ্বিতীয় শপত সম্পৰ্কীয় । ঈশ্বৰ যাৰ সহায় কোনে তেওঁৰ অনিষ্ট কৰিব পাৰে ? শপত নাইবা প্ৰতিশ্ৰুতিবোৰৰ অৰ্থ লৈ কেইটামান মন্তব্য এই খিনিতে দিয়াটো অবান্তৰ নহয় । এইবিলাকৰ অৰ্থ লৈয়েই সমগ্ৰ পৃথিবীৰ বাদ-বিসম্বাদৰ সৃষ্টি হয় । প্ৰতিজ্ঞাবোৰ যিমানেই কটকটিয়া নহওক, মানুহে কিন্তু নিজৰ সুবিধাজনক কৰিহে তাৰ ভাৱ পোনাই পজৰাই নিয়ে । এই অভ্যাসটো [illegible] ৰজাৰপৰা প্ৰজালৈ, ধনীৰপৰা দৰিদ্ৰলৈ, সকলোৰে গাত পোৱা যায় । স্বাৰ্থপৰতাই তেওঁলোকক অন্ধ কৰে । দুয়ো ৰকমে অৰ্থ কৰিব পাৰি, এনেবিধৰ অৰ্থ গ্ৰহণ কৰি মানুহে নিজকো প্ৰৱঞ্চনা কৰে, লগে লগে সমগ্ৰ পৃথিবী আৰু ঈশ্বৰকো প্ৰতাৰণা কৰে। প্ৰতিজ্ঞা গ্ৰহণ

কৰিবৰ এটি সৰল নিয়ম আছে। [illegible] তোমাক প্ৰতিজ্ঞা কৰাম, তেওঁৰ অৰ্থকে গ্ৰহণ কৰাটোৱেই এই নিয়ম। আৰু এটি হৈছে—যেতিয়া দুই ৰকমে অৰ্থ কৰিব পাৰি তেতিয়া দুৰ্ব্বল পক্ষৰ অৰ্থ গ্ৰহণ কৰা। এই নিয়মৰ অভাৱত বাদ-বিসম্বাদৰ সৃষ্টি হয়। ইয়াৰ ভিত্তি সত্যৰ ওপৰত নহয়। সত্য পথত যি থাকিব তেওঁ সহজ সৰল নিয়ম লয়। তেওঁৰ কাৰণে পণ্ডিতৰ মতামত অনাৱশ্যক। মই উচ্চ শিক্ষা আৰু অভিজ্ঞতাৰ পৰা 'মংহ' কথাষাৰৰ যি অৰ্থ পাইছিলো তাতকৈ মোৰ মাতৃয়ে কৰা অৰ্থ মোৰ পক্ষে সৰল আৰু সহজ আছিল আৰু মোৰ বাবে সেয়েই একমাত্ৰ সত্য আছিল।

মই বিলাতত যিবোৰ পৰীক্ষা কৰিছিলো সেইবোৰ মিতব্যয়িতা আৰু স্বাস্থ্যলৈ লক্ষ্য ৰাখিয়েই কৰিছিলোঁ। ধৰ্মৰ ফালৰপৰা এইবিলাক পৰীক্ষা মই তেতিয়ালৈকে কৰা নাছিলো। আফিকালৈ নোযোৱালৈকে ধৰ্মৰ ফালৰপৰা এইবিলাক প্ৰশ্নৰ আলোচনা কৰা নাছিলো। তালৈ গৈহে সকলো কথা ধৰ্মৰ ফালৰপৰা আলোচনা কৰি কঠোৰ পৰীক্ষা আৰম্ভ কৰিলো। সেই বিষয়ে পিচত কম কিন্তু সেইবোৰৰ গঁচ বিলাততে সিঁচিছিলো।

আন ধৰ্মত দীক্ষা লওঁতাসকলৰ নতুন ধৰ্মলৈ নিজধৰ্মত থাকোঁতা সকলতকৈও অনুৰাগ বৰ তীব্ৰ হৈ উঠে। বিলাতত নিৰামিষ ভোজন মোৰ বাবে এটা ধৰ্ম্ম হৈ উঠিছিল মোৰো সেইফালে অনুৰাগ বৰ তীব্ৰ হৈছিল, কাৰণ মই বিলাতলৈ যাওতে এজন পকা মাংসভোজী আছিলো, পিছতহে নিৰামিষ-ভোজনৰ অনুৰাগী হলো। নতুন নিৰামিষভোজীৰ নতুন উদ্যমেৰে মোক নতুন উদ্দীপনা দিলে আৰু সেইবাবে মোৰ থকা ঠাই 'বেইজৱাটৰ'ত নিৰামিষ-ভোজীৰ ক্লাব এটা খোলা থিৰ কৰিলো। তাত থকা চাৰ এড্‌ৱিন আৰ্ণল্ডক সহকাৰী সভাপতি

পাতি মই নিজেই সম্পাদক হলো। কিছুদিন ক্লাবৰ কাম বৰ সুচাৰুৰূপে চলিল; কিন্তু কেইমাহমানৰ ভিতৰতে মোৰ সেই ঠাই এৰাৰ লগে লগে ক্লাবটিও ধ্বংস হ'ল। এই অভিজ্ঞতা ক্ষণস্থায়ী আৰু সাধাৰণ হলেও ইয়াৰপৰাই নানাৰকমৰ অনুষ্ঠান স্থাপন আৰু চলাবলৈ অলপ শিক্ষা পালো।

লাজকুৰীয়া স্বভাৱেই মোৰ ঢাল।

(১৮)

নিৰামিষভোজী সমিতিৰ কাৰ্য্য নিৰ্ব্বাহক সভালৈ নিৰ্ব্বাচিত হোৱাত সভাৰ প্ৰত্যেক অধিবেশনত উপস্থিত থকা মই এটা নিয়ম কৰি ললো; কিন্তু সদায় মই মুখ জপাই আছিলো। ডাক্তৰ ওল্ডফিল্ডে এদিন মোক কলে, "তুমি মোৰ লগত কথা বতৰা হওঁতে ঠিকেই হোৱা, কিন্তু কমিটিৰ সভাত এদিনো মুখ নেমেলা কিয়? তুমি বৰ এলেহুৱা।" তেখেতে মোক মতা মোৰ লগত তুলনা কৰি বিদ্রূপ কৰিলে। মৌ সদায় পৰিশ্ৰমী, মতা মৌহে বৰ এলেহুৱা। আন সকলোৱে সভাত নিজৰ মতামত প্ৰকাশ কৰে, অকল মযেই নিতাল মাৰি বহি থকা আচৰিত কথা। মই যে কথা কবলৈ প্ৰলোভিত হোৱা নাছিলো সি নহয়, নিজৰ ভাব প্ৰকাশ কেনেকৈ কৰিব লাগে, তাকেই ভাবি পোৱা নাছিলো।

আন সকলো মেম্বৰ মোতকৈ বেছি জনা বুজা আছিল বুলি মই ভাবি-ছিলো। কেতিয়াবা এনেকুৱাও হৈছিল যে মই মনতে কথাবোৰ জুকিযাই লৈ বক্তৃতা দিবলৈ সাহ কৰিব ধৰোঁতে, এটা নতুন বিষয় আৰম্ভ কৰা হৈছিল। এনেদৰেই কিছুদিন চলিল। ইতিমধ্যে এটা গুৰুতৰ সমস্যা আলোচনাৰ বাবে স্থিৰ হ'ল। অনুপস্থিত থকা অন্যায় আৰু এক আষাৰো মাত নমতাকৈ লাহেকৈ ভোটটো দিয়া কাপুৰুষতাৰ চিন বুলি মই ভাবিলো। আলোচনা আৰম্ভ হ'ল। থেমছ আইৰ্ণ ৱাৰ্কছৰ গৰাকী মি. হিলছ সমিতিৰ সভাপতি আছিল। তেওঁ বৰ নৈষ্ঠিক মানুহ আছিল। ইয়াকে কব পাৰি যে সমিতিৰ অস্তিত্ব তেওঁৰ আৰ্থিক সহায়ৰ ওপৰতে কিছু পৰিমাণে নিৰ্ভৰ কৰিছিল। সমিতিৰ বহুতো মেম্বৰ কিছু পৰিমাণে তেওঁৰ হাতৰ মুঠিত আছিল। নিৰামিষভোজী সকলৰ ভিতৰত খ্যাতি থকা ডাক্তৰ এলিনছনো কমিটিৰ মেম্বৰ আছিল। নতুনকৈ চলা জন্মৰোধ আন্দোলনৰো তেওঁ এজন পৃষ্ঠপোষক আছিল আৰু বনুৱা শ্ৰেণীৰ মানুহৰ মাজত ইয়াৰ উপায় সম্বন্ধে প্ৰচাৰ কৰিছিল। ইয়াৰ দ্বাৰা সজ নীতিৰ মূলতেই কুঠা-ৰেৰে মাৰিব পৰা হৈছে বুলি মিঃ হিলছে ভাবিছিল। তেওঁ ভাবিছিল যে নিৰামিষভোজী সমিতিৰ অকল আহাৰ সংস্কাৰেই উদ্দেশ্য নহয়, নৈতিক সংস্কাৰো ইয়াৰ উদ্দেশ্য আৰু ডাক্তৰ এলিনছনৰ দৰে নৈষ্ঠিক নীতি বিৰোধী এজন মানুহক এই সমিতত মেম্বৰ ৰখা অনুচিত। তেওঁক সমিতিৰপৰা খেদাবলৈ এটা প্ৰস্তাৱ অনা হ'ল। এই কথাষাৰে মোক বৰকৈ আকৰ্ষণ কৰিলে। জন্মৰোধ কৰিবলৈ কৃত্ৰিম উপায় সম্বন্ধে ডাক্তৰ এলিনছনৰ মতামত বৰ বিপদজনক বুলি ময়ো ভাবিছিলো। আৰু মিঃ হিলছৰ দৰে নৈষ্ঠিক পুৰুষ জনে ইয়াৰ বিৰুদ্ধে থিয় দিয়া যুক্তিসঙ্গত বুলি মই ভাবিছিলো। মিঃ হিলছক মই বৰ শ্ৰদ্ধা কৰিছিলো কিন্তু

এজন মানুহে নৈষ্ঠিক নীতি আমাৰ সমিতিৰ উদ্দেশ্য বুলি স্বীকাৰ নকৰাৰ কাৰণেই তেওঁক সমিতিৰপৰা আঁতৰ কৰা অযুগুত বুলি মই ভাবিছিলো। নৈষ্ঠিক নিয়ম কানুনৰ বিৰোধীক আঁতৰ কৰা সম্বন্ধে মি: হিল্‌ছৰ মতামত ব্যক্তিগত আৰু এই সমিতিৰ ঘোষিত উদ্দেশ্যৰ লগত এনে মতামতৰ একো সম্পৰ্ক নাই। নিৰামিষ ভোজনৰ প্ৰচাৰেই ইয়াৰ উদ্দেশ্য, নীতিৰ লগত ইয়াৰ একো সম্পৰ্ক নাই। সেই বাবে মই স্থিৰ কৰিলো যে নীতি সম্পৰ্কে মতামতৰ বিচাৰ নকৰাকৈ, যেই সেই নিৰামিষভোজীয়েই এই সমিতিৰ মেম্বৰ হব পাৰে, এই সমিতিত আৰু বহুতো এনে মানুহ আছিল যি সকলে মোৰ মতামত সমৰ্থন কৰিছিল। মই নিজৰ ব্যক্তিগত মতামত প্ৰকাশ কৰা কৰ্তব্য বুলি ভাবিছিলো, কিন্তু এই কথাষাৰ কেনেকৈ কৰা যায় এয়েই প্ৰশ্ন আছিল। বক্তৃতা দিবলৈ মোৰ সাহ হোৱা নাছিল, সেই বাবে মোৰ বক্তব্য সকলো কথা লিখি লোৱা স্থিৰ কৰিলো আৰু লিখা ৰচনা জেপত লৈ সভালৈ গলো। মোৰ যিমান দূৰ মনত পৰিছে, পঢ়িবলৈকে মোৰ সামৰ্থ্য ন'হল। সভাপতিয়ে আনৰ দ্বাৰাই পঢ়াব লগীয়া হল। সেই দিনা ডাক্তৰ এলিনছন হাৰিল। যি হক এনেবিধৰ প্ৰথম যুজতেই হৰা দলত মই পৰিলো। তথাপিও মনত অলপ শান্তি পাইছিলো যে মই উচিত কথাত পক্ষ ললো। মোৰ ৰিণিকি ৰিণিকি মনত পৰে যে মযো কমিটিৰপৰা পদত্যাগ কৰিলো।

ইংলণ্ডত থকা দিন কেইটা এনে বিধৰ লাজকুৰীয়া স্বভাৱতেই মোৰ গ'ল। আন কি কোনো সমাজত দহ বাৰ জন মানুহ থাকিলেই মই নিমাত হওঁ।

এদিনাখন মই মজুমদাৰৰ লগত ভেন্টনৰলৈ গৈছিলো। এটা নিৰামিষভোজী পৰিয়ালত আমি আছিলো। আহাৰ-নীতি (The

Ethics of Diet) বোলা কিতাপখনৰ লিখক হাৱার্ডো তাতেই আছিল। তেওঁক আমি লগ পালো, এখন সভাত নিৰামিষ ভোজন সম্পৰ্কে প্ৰচাৰ কৰিবলৈ বক্তৃতা দিবলৈ তেওঁ আমাক মাতিলে। লিখা বক্তৃতা পঢ়াটো একো বেয়া নহয় বুলি ভাবি কথাৰ মাত ঠিক ৰাখিবলৈ চমুকৈ এটা টোকা লিখি ললো। মুখেৰে বক্তৃতা দিয়া মোৰ পক্ষে চিন্তাৰ অতীত। সেই বাবে মই বক্তৃতা লিখি ললো। পঢ়িবলৈ মই থিয় হলো, কিন্তু নোৱাৰিলো। চকুৰে ধুৱলি কুঁৱলি দেখিবলৈ ধৰিলো, গোটেই গা ঠৰ্ ঠৰ্ কৰে কঁপিবলৈ ধৰিলে— যদিও মোৰ বক্তৃতা ফুলস্কেপ কাগজৰ এপিঠিও নাছিল। মিঃ মজুমদাৰে মোৰ হকে পঢ়িব লগীয়া হল। তেওঁৰ বক্তৃতা অৱশ্যে সুন্দৰ হৈছিল। মই বৰ লাজ পালো আৰু নিজৰ এই অসামর্থ্যৰ বাবে বৰ বেজাৰ পালো।

ইংলণ্ডত ৰাজহুৱা বক্তৃতা দিবলৈ শেহ চেষ্টা দেশলৈ উলটিবৰ পৰ্বতে কৰিছিলো। এই বাৰো নিজক হাস্যাস্পদ কৰিলো মাথোন। পূৰ্বে উল্লেখ কৰা হলবৰ্ণ হোটেললৈ মোৰ নিৰামিষভোজী বন্ধুসকলক খাবলৈ নিমন্ত্ৰণ কৰিলো। নিৰামিষ হোটেলত নিৰামিষ ভোজন পোৱা যায়, কিন্তু আমিষৰ হোটেলত নিৰামিষ ভোজন পোৱা নাযায় কিয়? নিৰামিষ ভোজনৰ দিহা কৰিবলৈ হলবৰ্ণ হোটেলৰ মেনেজাৰৰ লগত বন্দোবস্ত কৰিলো। নিৰামিষভোজী সকলে নতুন পৰীক্ষা আনন্দেৰে গ্ৰহণ কৰিলে। আমোদৰ কাৰণেই আহাৰ; কিন্তু পাশ্চাত্য জাতিবোৰে ইয়াক এটা শিল্প-কলাত পৰিণত কৰিছে। বক্তৃতা, গান, বাজনা আদি মহা সমাৰোহ কৰি খোৱা লোৱাৰ আয়োজন কৰা হয়। কিন্তু সৰু-সুৰা "ডিনাৰ পাৰ্টি"ৰ মই বন্দোবস্ত কৰিলো তাতো এইবিলাক বস্তুৰ আয়োজন নকৰাকৈ থকা নাছিলো।

বক্তৃতাৰ আয়োজন কৰিবই লাগিব। মোৰ পাল পৰিলত বক্তৃতা দিবলৈ থিয় হলো। কেইটামান বাক্যৰে বক্তৃতাটো মই বৰ সাৱধানেৰে ঠিক কৰি থৈছিলো কিন্তু প্ৰথম বাক্য কৈ আৰু কব নোৱাৰা হলো। কিতাপত পঢ়িছো যে ইংৰাজ সাহিত্যিক এডিশ্যনে 'কমন্স' সভাত বক্তৃতা দিওঁতে I conceive" এই কথাষাৰেই তিনিবাৰ কৈ আৰু একো কব নোৱাৰা হৈছিল। এজন ৰসিক পুৰুষে থিয় হৈ কলে, 'ভদ্র মহোদয়ে তিনিভাৰ গৰ্ভধাৰণ কৰিলে কিন্তু একোৱেই প্ৰসৱ নকৰিলে।' (Conceive কথাষাৰৰ অৰ্থভৰা মান এটা অৰ্থ গৰ্ভসঞ্চাৰ। সেইবাবে বিদ্রূপ কৰি আন এটা অৰ্থলৈ পোনাই লৈ ব্যঙ্গ কৰা হৈছিল)। এই কথাষাৰ লৈ মই এটা ধেমেলীয়া বক্তৃতা দিবলৈ স্থিৰ কৰিছিলো। সেই বাবে এই কথাষাৰলৈ বক্তৃতা আৰম্ভ কৰিলো আৰু ধেমেলীয়া বক্তৃতা দিবলৈ যাওতে নিজকেই হাস্যাস্পদ কৰিলো। দয়া কৰি মোৰ নিমন্ত্ৰণ গ্ৰহণ কৰা বাবে আপোনা-সকলক ধন্যবাদ জনাইছো বুলি কৈ ঘপৰাই বহি পাৰিলো।

দক্ষিণ আফ্ৰিকাতহে এই লাজ কিছু এৰিব পাৰিছিলো যদিও সম্পূৰ্ণকৈ এৰিব পৰা নাছিলো। মুখেৰে বক্তৃতা দিয়া মোৰ পক্ষে অসম্ভৱ। আৰু মই চিনি নোপোৱা শ্ৰোতাৰ সমুখত মুখ মেলিবলৈ সঙ্কোচ বোধ কৰিছিলো আৰু সুবিধা পালে বক্তৃতা দিয়া এৰিছিলো। আন কি, এতিয়াও সমস্থুৱা বন্ধুসকলক কথাৰে নিযুক্ত ৰাখিবলৈ পাৰিম বুলি নাভাবোঁ। এইটো কথা কব লাগিব যে মাজে সময়ে নিজক হাঁহিয়াতৰ পাত্ৰ কৰাৰ বাহিৰে মোৰ স্বভাৱগত লাজ মোৰ পক্ষে অসুবিধাজনক নাছিল। বাস্তৱিকতে মই দেখিছোঁ যে ইযেই মোৰ পক্ষে সুবিধাজনক আছিল। বক্তৃতা দিবলৈ সঙ্কোচ বোধ কৰাৰ বাবে মই শিকি লৈছিলো। এতিয়া সেয়েই মোৰ আনন্দৰ বিষয় হৈছে। ইয়াৰ

এটা উপকাৰ হৈছে যে ইয়াৰে কথা কমকৈ কবলৈ শিকিছো । চিন্তা সংযত কৰিবলৈ মই স্বাভাৱিকতে শিকিলো , এতিয়া মই নিজকে এই বুলি 'ছাৰ্টিফিকেট' দিব পাৰো যে ভালমতে নভবা নিচিন্তা কথা মোৰ মুখ নাইবা কাপৰপৰা নোলায । কিবা কথা কোৱাৰ বাবে, নাইবা লিখাৰ বাবে কেতিয়াবা অনুতাপ কৰিব লগীয়া হোৱা মোৰ মনত নপৰে । সেইবাবে বহুতো দুৰ্ঘটনা আৰু সময়ৰ অপব্যৱহাৰৰ পৰা সাৰিছো । সত্যৰ ভক্ত এজনৰ পক্ষে মৌনব্ৰত আধ্যাত্মিক সাধনাৰ এটা অংশ বুলি অভিজ্ঞতাৰ পৰা মই বুজিছো । অতিৰঞ্জিতকৈ কোৱাৰ ধাউতি ইচ্ছা কৰি নাইবা নকৰি সত্য কথাৰ ৰূপ সলাই কোৱা নাইবা একেবাৰেই নোকোৱা মানুহৰ পক্ষে দুৰ্বলতা আৰু এইবাবে এই বিপদৰ হাতৰ পৰা সাৰিবলৈ মৌনব্ৰতৰ প্ৰয়োজন । কম কথা কোৱা মানুহে কথা কওঁতে প্ৰায়েই চিন্তাশূন্য নহয় । তেওঁ প্ৰতি শব্দকে জুখি চায় । কথা কবলৈ অধৈৰ্য্য হোৱা বহুতো মানুহ আছি পাওঁ । কোনো সভাৰ এনেকুৱা সভাপতি নাই, যাক কথা কবলৈ দিবলৈ অনুমতিৰ বাবে আমনি কৰা নহয় । অনুমতি দিলে বক্তাই নিৰ্দ্ধাৰিত সময় অতিক্ৰম নকৰা নহয় আৰু অনুমতি নোহোৱাকৈ কথা কৈ নথকাটোও নহয় । এনে বিধৰ কথা জগতৰ পক্ষে কেতিয়াও উপকাৰী নহয় । সময়ৰ অপব্যৱহাৰ মাথোন । সেইবাবে প্ৰকৃতপক্ষে মোৰ লাজকুৰীয়া স্বভাৱেই মোৰ পক্ষে ঢালৰ দৰে হৈছে । ইয়েই মোক উন্নতিত সহায় কৰিছে । সত্যৰ অন্বেষণ কৰিবলৈ ইয়েই মোক সহায় কৰিছে ।

মিছাৰ কেৰোণ

(১৯)

৪০ বছৰ পূৰ্ব্বে বিলাতত এতিয়াতকৈ বহুতো কম সংখ্যক ভাৰতীয় ছাত্ৰ আছিল। বিবাহিত হলেও অবিবাহিত বুলি ভাও ধৰাটো তেওঁলোকৰ মাজত এটা নিয়ম চলি আহিছিল। বিলাতত স্কুল আৰু কলেজৰ সকলো ছাত্ৰ অবিবাহিত, কাৰণ বিবাহিত জীৱন শিক্ষাৰ অন্তৰায়। আমাৰ দেশত তাহানিখন এই নিয়মেই চলিছিল--সেই সময়ত ছাত্ৰ ব্ৰহ্মচাৰী বুলি পৰিচিত হৈছিল। কিন্তু এই কালত আমাৰ দেশত বাল্য-বিবাহ চলিছে---বিলাতত এই নিয়ম অজ্ঞাত। ভাৰতীয় ছাত্ৰ বিলাতলৈ গৈ বিবাহিত বুলি চিনাকী দিবলৈ লাজ পায়। আচল কথা লুকুৱাবলৈ আৰু এটা কাৰণো আছিল। বিবাহিত বুলি গম পালে যি পৰিয়ালত থাকে তেওঁলোকৰ গাভৰু ছোৱালীহঁতৰ লগত ডেকাই চুপতি মৰা, নাইবা একেলগে ফুৰা সম্ভৱ নহব। অৱশ্যে এই দৰে চুপতি মৰা কিছু পৰিমাণে নিৰ্দোষ আছিল। মাক বাপেক এইদৰে ফুৰাত উৎসাহ দিছিল। ডেকা আৰু গাভৰুৰ মাজত এইদৰে লগ-সঙ্গ তাত প্ৰয়োজনো আছিল, কাৰণ প্ৰত্যেক ডেকাই তাত নিজৰ জীৱনৰ সঙ্গী বিচাৰি লব লগীয়া হৈছিল। সেই বাবে ইংৰাজ ডেকাৰ পক্ষে এটা স্বাভাৱিক কথা--এইদৰে গাভৰু ছোৱালীৰ লগত ফুৰা-চকা ---ভাৰতীয় ছাত্ৰই মন দিলে ফল বিষময় হোৱাৰ সম্ভৱ---আৰু প্ৰায়েই হৈছে। আমাৰ ডেকাহঁতে প্ৰলোভনত পৰি গাভৰু ছোৱালীৰ লগ-সঙ্গ পাবলৈ মিছা ভাও ধৰা মই দেখিলো। এইবিলাক কথা ইংৰাজ ডেকাৰ পক্ষে নিৰ্দ্দোষ হলেও ভাৰতীয় ছাত্ৰৰ পক্ষে অবাঞ্ছনীয় আছিল। ময়ো এই ৰোগ সুচৰি ললো। মই বিবাহিত আৰু এটা লৰাৰ বাপেক হৈও

অবিবাহিতৰ ভাও ধৰিবলৈ সঙ্কোচ বোধ কৰা নাছিলো, অৱশ্যে সঁচা কথা লুকুৱা বাবে মই অলপো সুখী হোৱা নাছিলো। মোৰ কম কথা কোৱা স্বভাৱে বহুতো সম্ভাব্য বিপদৰ পৰা ৰক্ষা কৰিছিল। মই কথা নকলে কোনো ছোৱালীয়েই মোৰ লগত কথা ধৰবলৈ, নাইবা, মোৰ লগত ফুৰিবলৈ ইচ্ছা প্ৰকাশ নকৰিব। মোৰ কম কথা কোৱা স্বভাৱৰ লগত কাপুৰুষতা সমানে আছিল। ভেন্টনৰ যি পৰিয়ালৰ মাজত মই আছিলোঁ তেওঁবিলাকৰ ছোৱালীজনীক আলহীয়ে ফুৰাবলৈ লৈ যোৱা এটা নিয়ম আছিল। এদিন ছোৱালীজনীয়ে ভেন্টনৰৰ ওচৰৰ মনমোহা পৰ্ব্বতলৈ মোৰ লগত লৈ গ'ল। লাহে লাহে খোজ কঢ়া মোৰ অভ্যাস নাছিল কিন্তু তেওঁ মোতকৈও বেগেৰে খোজ কাঢ়িছিল। কথাৰ টোপোলা মেলি মোক তেও টানি নিয়াৰ দৰে লগত নিলে। মাজে সময়ে মই তেওঁৰ কথাৰ উত্তৰত "হয়" "নহয়" নাইবা সৰহ বাৰতেই "হয়' আয়ে দেহি কি ধুনীয়া" ইত্যাদি বুলি উত্তৰ দি আছিলো। চৰাইৰ দৰে তেওঁ উৰি গৈছিল। মই হলে কেতিয়া ঘৰলৈ উলটিব পাৰো তাকেই চিন্তি আছিলো। এইদৰে আমি পৰ্ব্বতৰ টিং পালোগৈ। এতিয়া কেনেকৈ নমা যায়, সেয়েই মোৰ পক্ষে সমস্যা হল। ছাগলী খুৰীয়া ওখ জোতা পিন্ধা স্বত্বেও ২৫ বছৰীয়া গাভৰু ছোৱালী জনী কাড পাতৰ দৰে তললৈ নামি গল, পৰ্ব্বতৰ টিংৰপৰা কোনো ৰকমে তললৈ নামিবলৈ মই নিলাজৰ দৰে যুজি আছিলো। পৰ্ব্বতৰ তলত হাঁহি হাঁহি তেওঁ মোক সহায় যাচি ঠিয় দি আছিল। মই কেনেকৈ অলপ ধতুৱা হওঁ? বৰ কষ্টেৰে সময়ে সময়ে আঁঠু কাঢ়িও কোনো ৰকমে তলি পালোগৈ। তেওঁ তলৰপৰা "ছাবাইছ" "ছাবাইছ" বুলি চিঞৰি মোক আৰু লাজ দিবলৈ ধৰিলে।

কিন্তু অলপো লাজ নোপোৱাকৈ কোনো ঠাইৰপৰা মই সাৰিব পৰা

লাছিলো। কাৰণ ঈশ্বৰে মোক সদায় মিছাৰ কেৰোণৰপৰা ৰক্ষা কৰিছিল। মই এবাৰ ব্ৰাইটনলৈ গৈছিলো। ব্ৰাইটন ভেন্টনৰৰ দৰে এখন স্বাস্থ্যকৰ ঠাই। তাৰ হোটেলত মধ্যবিত্ত শ্ৰেণীৰ বুঢ়ী বাঁৰী তিৰুতা এগৰাকীক লগ পালো। বিলাতলৈ যোৱাৰ প্ৰথম বছৰতেই এই ঘটনা। আহাৰ্য্য বস্তুৰ তালিকা ফৰাছী ভাষাত লিখা আছিল। মই ফৰাছী ভাষা নাজানিছিলো। বুঢ়ী গৰাকীৰ লগত একেখন মেজত মই বহিছিলো। তেওঁ মোক আচহুৱা মানুহ বুলি চিনিলে আৰু বিবুদ্ধিত পৰাও দেখিলে। আৰু ততালিকে মোৰ সহায়ৰ অৰ্থে আহি কলে—"আপুনি এজন আচহুৱা মানুহ? আপোনাক বিবুদ্ধিত পৰা দেখিছো। আপুনি কোনো বস্তুৰ বাবে আদেশ দিয়া নাই কিয়?" মই আহাৰ্য্য বস্তুৰ তালিকাখন লাগিযাই চাই আছিলো আৰু কোন বিধ বস্তু কিহেৰে তৈয়াৰী, সেইটো পৰিবেশকৰ পৰা বুজি লম বুলি আছিলো এনেতে তেওঁ মোক এইদৰে সুধিলে। মই তেওঁক ধন্যবাদ দি সকলো কথা বুজাই কলো যে কোনবিধ বস্তু নিৰামিষ সেইটো নাজানি মই বিবুদ্ধিত পৰিছো। 'ৰবা, কি বিধ তুমি খাব পাৰা, সকলো মই বুজাই দিওঁ।" মই তেওঁৰ সহায়ৰ সুবিধা ললো। এই দৰে তেওঁৰ লগত চিনাকি হৈ বন্ধুতা হল, বিলাতত থকা কেই বছৰ আনকি, বহুত দিনৰ পাছলৈকে এই বন্ধুতা চলি আছিল। তেওঁ মোক তেওঁৰ লণ্ডনৰ ঠিকনা দিলে আৰু প্ৰতি দেওবাৰে তেওঁৰ তাত খাবলৈ মাতি পঠালে। ইয়াৰ উপৰিও কিবা বিশেষ কাৰণে হলে মোক তেওঁৰ ঘৰলৈ মাতিছিল আৰু মোৰ লাজ গুচাবলৈ বহুতো গাভৰু ছোৱালীৰ লগত পৰিচয় কৰাই তেওঁলোকৰ লগত কথা-বতৰাত লগাইছিল। তেওঁৰ লগত থকা এগৰাকী গাভৰুৰ লগত মোৰ বিশেষকৈ আলাপ পৰিচয় হৈছিল, প্ৰায়েই আমাক অকলশৰীয়া কৰি তেওঁ এৰি থৈ যায়।

পোনতে মোৰ পক্ষে এইবোৰ টান হৈছিল। মই কথা বতৰা আৰম্ভ কৰিব নোৱাৰিছিলো, নাইবা কোনো হাঁহি ধেমালীৰ কথাত যোগ দিব পৰা মোৰ পক্ষে টান হৈছিল। কিন্তু তেওঁলোকে মোক পোন বাটলৈ আনিলে আৰু মই এইবিলাক কথা শিকিব ধৰিলো। লাহে লাহে দেওবাৰ কেতিয়া আহে তাৰ বাবে বাট চোৱাও মোৰ স্বভাৱ হল আৰু মই গাভৰু বন্ধু গৱাকীৰ লগত কথা বতৰা হোৱা ভাল পাবলৈ ধৰিলো। প্ৰতিদিনে বুঢ়ী তিৰুতা গৰাকীয়ে তেওঁৰ জালখন আৰু বহলাই পেলাব ধৰিলে। আমি দুয়ো এক লগে' এই দৰে ফুৰাত তেওঁ আমোদ পাবলৈ ধৰিলে। হব পাৰে এই সম্বন্ধে তেওঁৰ কিবা অভিসন্ধিও আছিল।

মই বিপদত পৰিলো। মই বিবাহিত বুলি তিৰুতা গৰাকীক জনাও বুলি কিমান ইচ্ছা কৰিলো। নিজৰ মনতে মই কলো– 'তেন্তে তেওঁ আমাৰ বৈবাহিক সম্বন্ধৰ কথা নাভাবিবও পাৰে। এতিয়া পলম হলেও, শুধৰাবলৈ কেতিয়াও পলম হোৱা নাই। আচল কথা জনালে বিপদ আৰু দুখৰ হাত মই সাৰিব পাৰিম।'' এইবিলাক গুণি গাথি এই চিঠিখন তেওঁলৈ মই লিখিলো।

ব্ৰাইটনত আপোনাক লগ পাবৰে পৰা আপুনি মোৰ প্ৰতি বৰ সদয়। মাকে পুতেৰলৈ যত্ন লোৱাৰ দৰে আপুনি মোৰ যত্ন লৈছিল। আপুনি ভাবে যে মই বিয়া কৰাও আৰু সেই উদ্দেশ্যে মোক গাভৰু তিৰুতা সকলৰ লগত চিনা পৰিচয় কৰি দি আছে। এই বিষয়ে আৰু বেছি আগ বঢ়াৰ আগতে মই স্বীকাৰ কৰো যে মই আপোনাৰ মৰমৰ অনুপযুক্ত। আপোনাৰ তালৈ যোৱা-অহা কৰাৰ পূৰ্ব্বতে মই বিবাহিত বুলি আপোনাক জনোৱা মোৰ উচিত আছিল। মই জানো যে বিলা-তত ভাৰতীয় ছাত্ৰই নিজৰ দেশত বিয়া হোৱা কথাষাৰ গোপন কৰে

আৰুময়ো তেওঁলোকৰ বাট লৈছিলো। এতিয়া মই দেখিছো যে এনে কৰা উচিত হোৱা নাই। মই আপোনাক জনাও যে মোৰ সৰুতে বিয়া হৈছিল, মই এটি লৰাৰ বাপেকীও। আপোনাৰ আগত এই কথা লুকাই থোৱা বাবে মই বেজাৰ পাইছো। সঁচা কথা কবলৈ ঈশ্বৰে মোক সাহ দিয়াত মই বং পাইছো। মোক আপুনি ক্ষমা কৰিবনে? আপুনি যি গৰাকী তিৰুতাৰ লগত মোক চিনা পৰিচয় কৰাই দিছিল, সেই গৰাকী তিৰুতাৰ লগত মই অনুচিত ভাবে স্বাধীনতা লোৱা নাই বুলি আপোনাক আশ্বাস দিছো। মই সীমা বুজি চলিছিলো। মই বিবাহিত বুলি গম নাপাই, স্বভাৱতে আমি যাতে দুয়ো বৈবাহিক সম্বন্ধত বান্ধ খাওঁ, তাৰ বাবে আপুনি উদগ্ৰীব হৈছিল। যাতে এই ভাব আৰু আগ নাবাঢ়ে, তাৰ বাবে মই সঁচা কথা জনালো।

চিঠিখন পোৱাৰ পাছত আপোনাৰ বদান্যতা গ্ৰহণৰ বাবে মোক অনুপযুক্ত বুলি ভাবিলেও মই আপোনাক আশ্বাস দি জনাও যে আপোনাৰ সম্বন্ধে ভুল ধাৰণা নলও। মৰম আৰু বদান্যতাৰে আপুনি মোক কৃতজ্ঞতাৰ দোলেৰে চিৰদিনলৈ বান্ধিলে। এই চিঠিখন পোৱাৰ পাছতো যদি আপুনি মোক নেৰে, বৰঞ্চ আপোনাৰ বদান্যতাৰ উপযুক্ত বুলি ভাবে তেন্তে মই স্বভাৱতে সুখী হম আৰু আপোনাৰ দয়াৰ চিনাকি আৰু ভালকৈ পাম আৰু সদায় আপোনাৰ মৰমৰ উপযুক্ত হবলৈ যত্ন কৰিম।"

পাঠক সকলে বুজি চাওক যে এনে এখন চিঠি একে মুহূৰ্ত্ততে মই লিখিব পৰা নাছিলো। মই নিশ্চয় এইখন চিঠিৰ আঁচনি কেইবা বাৰো লিখিছিলো। কিন্তু ই মোৰ মূৰৰপৰা এটা বোজা নমালে। পিছত ডাকত এই মৰ্ম্মে তেওঁৰপৰা মই উত্তৰ পালো।

"মই তোমাৰ সৰল চিঠিখন পালো। আমি দুয়ো চিঠিখন পঢ়ি

ৰং পালো, আৰু বৰ হাঁহিলো। তুমি যি মিছা কথাত নিজক দোষী বুলিছা সেই দোষ ক্ষমাৰ যোগ্য। যিযেই হওক, তুমি যে সচা কথা জনাইছা এযেই শুভ কথা। মোৰ নিমন্ত্ৰণ এতিয়াও ৰ'ল আৰু প্ৰতি দেওবাৰে তোমাক নিশ্চয় আমাৰ মাজত পাম। তোমাৰ বাল্য বিবাহৰ কথা শুনিবলৈ আৰু তোমাৰ কথাত হাঁহিবলৈ বাট চাই আছো। এই ঘটনাৰ পৰা আমাৰ মাজত বন্ধুত্ব ভাব অলপো কমা নাই বুলি তোমাক আশ্বাস দিয়া নিষ্প্ৰয়োজন।"

মিছাৰ কেবোনে মোৰ যিদৰে ধ্বংস কৰিবলৈ ধৰিছিল এইদৰে তাৰপৰা মই সাৰিলোঁ। তেতিয়াৰেপৰা প্ৰয়োজন হলে য'তে ত'তে মোৰ বিয়া হোৱাৰ কথা জনাবলৈ মই সঙ্কোচ বোধ কৰা নাছিলো।

ধৰ্ম্মৰ লগত পৰিচয়

(২০)

বিলাতত থকা ২য় বছৰ শেষ হবলৈ ধৰোতে মই দুজন 'থিয়ছফিষ্ট'ৰ লগ পাইছিলো দুয়ো ভায়েক ককায়েক আৰু দুয়ো অবিবাহিত। গীতা সম্বন্ধে মোৰ লগত তেওঁলোকে কথা পাতিছিল। তেওঁলোকে ছাৰ এডৱিন আৰ্নল্ডৰ গীতাৰ ইংৰাজী ভাঙনী The Song Celestial পঢ়িছিল। মূল গীতাখন, তেওঁলোকৰ লগত পঢ়িবলৈ মোক মাতি পঠালে। মই সংস্কৃতৰ মূল গীতা, নাইবা মাতৃভাষালৈ ভাঙনীখন পঢ়া নাছিলো দেখি লাজ পালো। মই যে গীতা পঢ়া নাই, এই কথাষাৰ

কৰবলৈ বাধ্য হলো, কিন্তু তেওঁলোকৰ লগত আনন্দ মনেৰে পঢ়িবলৈ গাত লালো। ক'ত ভাঙনীয়ে মূল গ্ৰন্থৰ মৰ্ম্ম পৰিস্ফুট কৰিব পৰা নাই সেইটো ধৰিব পাৰিম বুলি মোৰ আশা আছিল। ভাগৱৎ গীতাৰ ভাঙনীৰ সম্পৰ্কতেই ছাৰ এডৱিন আৰ্নল্ডৰ নাম মই শুনিছিলো।

২য় অধ্যায়ৰ----

ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষুপজায়তে।
সঙ্গাৎ সঞ্জায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে॥
ক্ৰোধাদ্ভবতি সম্মোহঃ সম্মোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি॥

উক্ত শ্লোকটিয়ে মোৰ মনত দকৈ সাঁচ বহুৱালে আৰু এতিয়াও এই কথাবোৰ কাণত বাজি আছে। কিতাপখন অমূল্য বুলি মই বুজিলো এই ধাৰণা তেতিয়াৰেপৰা বাঢ়িবলৈ ধৰিছে আৰু এতিয়া সত্য কালৰ কাৰণে এই কিতাপেই উৎকৃষ্ট সম্বল বুলি মই ভাবো। অৱসাদৰ মুহূৰ্ত্তত ইয়েই মোক সহায় কৰি আহিছে। গীতাৰ সকলো ইংৰাজী ভাঙনী মই পঢ়িছো। কিন্তু আৰ্নল্ডৰ ভাঙনীয়েই সকলোতকৈ শ্ৰেষ্ঠ বুলি মোৰ ধাৰণা। মূল কথাৰ অৰ্থ ঠিক ৰাখিবলৈ তেওঁ যত্ন কৰিছে অথচ ভাঙনী বুলি বুজা নাযায়। এই বন্ধু দুজনৰ লগত গীতাখন পঢ়িলেও মই গ্ৰন্থখন মনোযোগেৰে অধ্যয়ন কৰিছো বুলি কব নোৱাৰো। কেইবছৰ মানৰ পাছতহে কিতাপখন দৈনিক পাঠ্য হল।

এই ভায়েক দুগৰাকীয়ে ছাৰ এডৱিন আৰ্নল্ডৰ 'Light of Asia" বোলা কিতাপখন পঢ়িবলৈ কোৱাত গীতাতকৈ বেছি মনোযোগেৰে সেইখন কিতাপ পঢ়িলো। এবাৰ আৰম্ভ কৰিলে এৰিব নোৱৰা হলো। এদিনাখন তেওঁলোকে 'ব্লাভাট্‌স্কী-লজ'লৈ নি মেডেম ব্লাভাট্‌স্কী

আৰু মিছেছ বেছান্তৰ লগত মোক চিনাকি কৰি দিলে। পাছৰ গৰাকী মহিলাই অলপতে থিয়োছফিক্যেল ছোচাইটিত যোগ দিছে আৰু তেখেতৰ নতুন ধৰ্ম্ম গ্ৰহণ সম্পৰ্কে যি বাদানুবাদ সেই সময়ত চলি আছিল, মই মনোযোগেৰে সেইবোৰ পঢ়ি আছিলো। বন্ধু দু'জনে উক্ত সমিতিত যোগ দিবলৈ মোক পৰামৰ্শ দিলে কিন্তু মই বিনয়েৰে সৈতে কলো যে "নিজৰ ধৰ্ম্ম সম্বন্ধে সামান্য জ্ঞান লৈ কোনো ধৰ্ম্ম সমিতিত মই যোগ দিবলৈ ইচ্ছা নকৰো। তাযেক দুগৰাকীৰ কথা মতে মেডেম ব্লাভাট্‌স্কীৰ 'Key to Theosophy' বোলা কিতাপখন পঢ়া মোৰ মনত পৰিছে। এইখন কিতাপ পঢ়ি হিন্দুধৰ্ম্মৰ গ্ৰন্থাৱলী পঢ়িবলৈ মোৰ ধাউতি হল আৰু হিন্দুধৰ্ম্ম কুসংস্কাৰৰ জাকেৰে ভৰা বুলি মিশ্যনাৰী সকলৰ কথাত মোৰ মনত যি ধাৰণা হৈছিল সেই বোৰ গুচিল।

এই সময়তেই এটা নিৰামিষভোজী বোৰ্ডিঙত মেঞ্চেষ্টাৰৰ এজন ভাল খ্ৰীষ্টিয়ানৰ লগত মোৰ পৰিচয় হল। খ্ৰীষ্টধৰ্ম্ম সম্বন্ধে তেওঁ মোক বহুতো কথা জনালে। ৰাজকোটৰ স্মৃতিবোৰ মই তেওঁক জনালো। শুনি তেওঁ বেজাৰ পালে। তেওঁ কলে— মই নিৰামিষভোজী। মই মদ নাখাও। অৱশ্যে বহুতো খ্ৰীষ্টিয়ানে মাংস আৰু মদ খায় কিন্তু মাংস খোৱা নাইবা মদ খোৱা সম্পৰ্কে শাস্ত্ৰত একো আদেশ নাই। অনুগ্ৰহ কৰি বাইবেল খন পঢ়ি চাব। তেওঁৰ উপদেশ গ্ৰহণ কৰিলো আৰু তেওঁ মোক বাইবেল এখন দিলে। মোৰ ৰিণিকি ৰিণিকি মনত পৰে যে তেওঁ নিজেই বাইবেল বেচি ফুৰিছিল আৰু মানচিত্ৰ আদি অন্যান্য ছবি থকা বাইবেল এখন তেওঁৰপৰা মই কিনি লৈছিলো। মই পঢ়া আৰম্ভ কৰিলো, সম্ভৱ ওল্ড টেষ্টামেণ্ট' খন, কিন্তু গোটেইখিনি পঢ়িবপৰা নাছিলো। 'জেনেছিছ' অধ্যায় পঢ়া শেষ হলত পাছৰ অধ্যায়বোৰ পঢ়িবলৈ ধৰিলে মোৰ টোপনি অহা হল। বৰ কষ্টেৰে

এঁকো নুবুজাকৈ পাত লুটিয়াই গলো। 'নাম্বাৰ্ছ'ৰ অধ্যায় পাগাত মই বৰ আমনি পাইছিলো।

কিন্তু নিউ টেষ্টামেণ্টে মোৰ মনত অন্য ধাৰণা আনিলে। বিশেষকৈ যীশুৱে দিয়া উপদেশ বোৰ (Sermon on the mount) হিয়াত দকৈ সোমাল। গীতাৰ লগত মই ৰিজাই চালো। "কিন্তু মই তোমালোকক কও অন্যায়ৰ প্ৰতিৰোধ নকৰিবা। যি তোমাৰ সো গালত চৰ শোধায় তেওঁক সিখন গালো পাতি দিবা। কোনোবাই তোমাৰ কোট চোলাটো কাঢ়ি ললে তুমি তেওঁক তোমাৰ আন দীঘলীয়া চোলাটোও দিবা।" এই কথাবোৰ পঢ়ি মই অসীম আনন্দ পালো। আৰু শামলভট্টই লিখা "কোনোবাই যদি এবাটি পানী বিচাৰে তেওঁক একাঁহী ভাত দিবা" মোৰ মনলৈ আহিল। মোৰ তৰুণ মনে গীতা, Light of Asia আৰু Sermon of the mountৰ শিক্ষাৰ একত্ব বুজিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। এনে বিনৰ ত্যাগেই ধৰ্ম্মৰ শ্ৰেষ্ঠ স্বৰূপবুলি মোৰ মনত দকৈ সোমাল। এই পাগাতেই অন্যান্য ধৰ্ম্মৰ প্ৰচাৰকৰ জীৱনী পঢ়িবলৈ হেপাহ হল। বন্ধু এজনে কাৰ্লাইলৰ Heroes and Hero worship বোলা কিতাপখন মোক পঢ়িবলৈ কলে। 'বীৰৰ স্বৰূপ ধৰ্ম্মপ্ৰতিষ্ঠাতা' বোলা অধ্যায়টো পঢ়ি ধৰ্ম্ম প্ৰতিষ্ঠাতাৰ মহত্ব সাহ আৰু তপস্যা সম্বন্ধে শিকিলো।

ধৰ্ম্মৰ লগত এই পৰিচয়ৰ বাহিৰে মোৰ অন্য একো পৰিচয় হোৱা নাছিল। কাৰণ এই সময়ত পৰীক্ষাৰ পঢ়াত ব্যস্ত থাকিব লগীয়া হোৱাত অন্য কিতাপ পঢ়িবলৈ মোৰ সময় নাছিলেই। কিন্তু মই ধৰ্ম্ম, গ্ৰন্থহে সবহকৈ পঢ়ি প্ৰধান ধৰ্ম্ম বিলাকৰ সম্বন্ধে জ্ঞান লাভ কৰা মনে মনে স্থিৰ কৰিলো। নাস্তিকতা সম্পৰ্কে একো নজনাকৈ মই কেনেকৈ থাকো? প্ৰত্যেক ভাৰতবাসীয়ে ব্ৰাডলৰ নাম আৰু তেওঁৰ নাস্তি

কথা জানে। এই সম্বন্ধে মই কেইখনমান কিতাপ পঢ়িছিলো, কিন্তু নামবোৰ মনত নাই। মোৰ ওপৰত এইবিলাক কিতাপৰ একো প্ৰভাৱ নপৰিল। কাৰণ নাস্তিকতাৰ অলঙ্ঘনীয় পৰ্ব্বত মই ইতিপূৰ্ব্বেই পাৰ হলো। সেই সময়ত মিচেচ বেচান্তে বৰ খ্যাতি লাভ কৰিছিল আৰু নাস্তিকতাৰ পৰা কেনেকৈ তেওঁ আস্তিক হলহি সকলো কথা প্ৰচাৰ কৰি আছিল। এই বিলাক কথাত মোৰ মনত নাস্তিকতালৈ ঘৃণাৰ ভাৱ আৰু দৃঢ়কৈ বহিল। তেওঁৰ 'মই কেনেকৈ থিয়োচফিষ্ট হলো' (How I became a Theosophist) বোলা কিতাপখন মই পঢ়িছিলো।

এই সময়তে ব্ৰাডল ঢুকাল। বোকিং মৈদামত তেওঁক সমাধি কৰা হৈছিল। তেওঁৰ দেহ সৎকাৰ চাবলৈ মযো গৈছিলো, বিলাতত থকা সকলো ভাৰতীয়ই গৈছিল। কেইজনমান পাদ্ৰীয়ে তেওঁক শেষ সন্মান দেখুৱাবলৈ তাত উপস্থিত আছিল। তাৰপৰা উলটি আহোতে ৰেলৰ ষ্টেশ্যনত ট্ৰেইনৰ বাবে বাট চাই থাকিব লগীয়া হৈছিল। নাস্তিকদলৰ এজন প্ৰধান পাণ্ডাই ষ্টেশ্যনত পাদ্ৰী সকলৰ এজনক সুধিলে ডাঙৰীয়া, আপুনি ঈশ্বৰৰ অস্তিত্ব বিশ্বাস কৰেনে?

'হয, মই কৰো' বুলি বিনীত ভাবে পাদ্ৰীজনে উত্তৰ দিলে।

'পৃথিবীৰ পৰিধি ২৮ হেজাৰ মাইল, ইয়াত আপোনাৰ মত আছে নহয নে?' বুলি তেওঁ আত্ম-আশ্বাসৰ হাঁহিৰে পুনৰায় সুধিলে।

'নিশ্চয' বুলি পাদ্ৰী গৰাকীয়ে উত্তৰ দিলে।

'তেন্তে ডাঙৰীয়া আপোনাৰ ঈশ্বৰৰ আকাৰ কিমান ডাঙৰ আৰু তেওঁ ক'ত থাকে এবাৰ কওকচোন?''

"আমাৰ দুয়োজে হিয়াৰ মাজত ঈশ্বৰ বিৰাজমান বুলি আমি জনা হলে—"

'ডাঙৰীয়া, মোক সৰু লৰা বুলি নাভাবিব'—বুলি সেই গৰাকী লোকে গৰ্ব্বেৰে সৈতে হাঁহি কলে।

পাদ্রীজন বিনয়েৰে সৈতে নিমাত হৈ বল।

এনে বিধৰ কথা বতৰা শুনি নাস্তিকতালৈ মোৰ ঘৃণা আৰু দকৈ সোমাল।

ৰাম নামেই নির্ব্বলীৰ বল

(২১)

হিন্দুধৰ্ম্ম আৰু পৃথিবীৰ অন্যান্য ধৰ্ম্ম সম্পৰ্কে মোৰ যৎসামান্য জ্ঞান থাকিলেও মোক বিপদত এই বিলাকে ৰক্ষা কৰিব নোৱাৰে বুলি মই বুজি পাইছিলো। সঙ্কটত বিষয়ে আমাক ৰক্ষা কৰে সেইটো জনা দূৰৰ কথা সেই সম্বন্ধে লেশ মাত্র ধাৰণা তেতিয়া হোৱা নাছিল। বিপদৰ পৰা ৰক্ষা পোৱাৰ কাৰণ দৈব বুলি ঈশ্বৰ অবিশ্বাসীয়ে কয়, কিন্তু ঈশ্বৰ বিশ্বাসীয়ে বিপদৰ হাত সাৰিব পৰাৰ কাৰণ ভগবান বুলি কয়। এনে ঘটনাত ধৰ্ম্ম-গ্ৰন্থ পাঠ নাইবা আধ্যাত্মিক সাধনাত ভগবানৰ এই কৃপা বুলি তেওঁৰ ধাৰণা। বিপদৰ সময়ত আধ্যাত্মিক সাধনাৰ বলত নে অন্য কিহবাৰ বলত তেওঁ ৰক্ষা পালে তেওঁ কব নোৱাৰে। এনে সময়ত ধৰ্ম্মজ্ঞান (আধ্যাত্মিক অভিজ্ঞতাৰ পৰা সুকীয়া) অন্তঃসাৰশূন্য।

বিলাতেই পোন প্ৰথমে মই অকল ধৰ্ম্ম জ্ঞানৰ অসাৰ্থকতা উপলব্ধি কৰিলো। ইয়াৰ পূৰ্ব্বৰ ঘটনা বিলাকত মই কি দৰে ৰক্ষা পাইছিলোঁ মই কব নোৱাৰো, কাৰণ তেতিয়া মই নিচেই কুমলীয়া আছিলো। কিন্তু এতিয়া মই কুৰি বছৰীয়া ডেকা স্বামী আৰু পিতৃ হিছাপেও অভিজ্ঞতা লাভ

কৰিছো। বিলাতত থকা কেইবছৰৰ ভিতৰত মোৰ যিমান দূৰ মনত পৰে, শেহৰ বছৰত অৰ্থাৎ ১৮৯১ সনত পোৰ্টছমাউথ ছহৰত এখন নিৰামিষ ভোজীৰ সম্মিলন বহিছিল, তাতে মই আৰু এজন ভাৰতীয় বন্ধু নিমন্ত্ৰিত হৈছিলো। পোৰ্টছমাউথ নৌবিভাগত বাস কৰা সৰহ মানুহ থকা এটা বন্দৰ। ইয়াত বহুতো অসৎ স্বভাৱৰ তিৰুতা থকা ঘৰ আছিল। এইবোৰ তিৰুতা প্ৰকৃততে বেশ্যা নহলেও, নীতিত বৰ ঢিলা আছিল। এনেকুৱা এঘৰত থাকিবলৈ আমাৰ বাবে দিহা হৈছিল। আদৰণী সমিতিয়ে যে ইচ্ছা কৰি আমাক তেনে ঠাইত ৰাখিবলৈ দিহা কৰিছিল সেইটো নহয়। পোৰ্টছমাউথৰ দৰে ছহৰ এখনত কোন ঘৰ ভাল, কোন ঘৰ বেয়া আমাৰ দৰে দুদিনীয়া বাটৰুৱাই বাছি লোৱা টান।

এদিনাখন সম্মিলনৰ পৰা আমি ঘূৰি উলটি আহিলোঁ। আৰু খোৱা বোৱাৰ পাছত আমি তাচ খেলাত বহিলো। লগতে বিলাতৰ নিয়ম অনুযায়ী আমাৰ গিৰিহঁতনীয়েও যোগ দিলে, প্ৰত্যেক খেলুৱায়ে নিৰ্দোষ ৰং ধেমালি অৱশ্যে কৰে, কিন্তু এই স্থলত মোৰ বন্ধুজনে গিৰিহঁতনীৰ লগত অশ্লীল চুপটি মাৰিবলৈ ধৰিলে। মোৰ লগৰীয়াজন এই বিদ্যাত পাকৈত বুলি মই জনা নাছিলো। ময়ো ইয়াৰ মোহত পৰিলো। আৰু লগতে যোগ দিলো। তাছপাত আৰু গেল এৰি দি অশ্লীল ৰংধেমালিৰো সীমা অতিক্ৰম কৰিবলৈ ধৰোতে ভগবানে লগৰীয়াজনৰ হতুৱাই মোক সাৱধান কৰি কলে, "সোন, তুমি কিয় এই পাপত মজিছা, সোনকালে আঁতৰ হোৱা।"

মই বৰ লাজ পালো। আৰু তেওঁৰ সঙ্কেত ললোঁ। নিজৰ অন্তৰতে বন্ধু গৰাকীলৈ অশেষ ধন্যবাদ জনালো। মাতৃৰ কাষত কৰা প্ৰতিজ্ঞাৰ কথা মোৰ মনত পৰিল। আৰু লৰালৰিকৈ সেই ঠাইৰপৰা লৰি পলালো। কঁপি কঁপি নিজৰ শোৱাখোটালীত সোমালো আৰু

ছিকাৰীয়ে খেদা মাৰি যোৱা পছুৰ দৰে মোৰ বুকুখন ধান বনাদি বানিব ধৰিলে, পত্নীৰ বাহিৰে অন্য তিৰুতালৈ কাম ভাবত আসক্ত হোৱা প্ৰথম ঘটনাবদৰে এইটোও মোৰ মনত আছে। টোপনি নোহোৱাকৈ এই ৰাতিটো কটালো। বহুত ৰকমৰ চিন্তাই আহি মোক পীড়িবলৈ ধৰিলে—এই ঘৰ এৰি যাম নে? এই ঠাই এৰি লৰি পলাম নে? বুদ্ধিভ্ৰষ্ট হলে মোৰ কি হব? বৰ সাৱধানেৰে সেতে চলিবলৈ মই স্থিৰ কৰিলো। সম্মিলন দুদিনতকৈ সৰহদিন বহিব লগীয়া নাছিল। মোৰ মনত পৰে তাৰ পাছদিনা গধূলিৰ ট্ৰেইনত মই পোৰ্টচ্‌মাউথ এৰিলো। বন্ধুজন আৰু কেইবা দিনো তাতৰল।

সেই সময়ত ধৰ্মতত্ত্ব নাইবা ঈশ্বৰ বিশ্বাসে আমাৰ মাজত কি দৰে কাম কৰে একেবাৰেই নাজানিছিলো।

ভগৱানে মোক ৰক্ষা কৰিলে। এই কথাষাৰৰ অৰ্থ অলপকৈ বুজি পালো। সকলো বিপদতে তেৱেঁই মোক ৰক্ষা কৰি আহিছে। ভগৱানে ৰক্ষা কৰিলে'' এই কথাষাৰৰ গভীৰ অৰ্থ আজি এতিয়া বেছিকৈ বুজি পাইছো, কিন্তু তথাপিও ভাবো যে সম্পূৰ্ণকৈ এতিয়াও বুজা নাই। ইয়াৰ পাছত অভিজ্ঞতাৰ ফলতহে মই ইয়াৰ সম্পূৰ্ণ অৰ্থ বুজিব পৰা হব পাৰো।

আইনজীৱি হিচাপেই হওক, ৰাজনীতিক হিচাপেই হওক, কোনো প্ৰতিষ্ঠানৰ পৰিচালক হিচাপেই হওক, সকলোবিধৰ আধ্যাত্মিক পৰীক্ষাত মই কব পাৰো যে ভগৱানে মোক ৰক্ষা কৰিছে। যেতিয়া সকলো আশা নোহোৱা হয়, যেতিয়া সহায়কাৰী বন্ধুসকল অসমৰ্থ হয়, আৰু মন আনন্দ শূন্য হয় তেতিয়া মোৰ বাবে সহায় উপস্থিত হয়, ক'ৰপৰা সহায় আহে কব নোৱাৰো, জীৱনত এয়ে মোৰ অভিজ্ঞতা। উপাসনা আৰু প্ৰাৰ্থনা কুসংস্কাৰ নহয়; পান, ভোজন, উপবেশন, ভ্ৰমণ এইবোৰতকৈও উপাসনা বাস্তৱ। উপাসনা আৰু আৰাধনাই বাস্তৱ

আৰু অন্য কাম অবান্তৰ বুলিলেও অত্যুক্তি নহব। এনেবিধৰ আৰাধনা নাইবা উপাসনাত বাক্ শক্তিৰ প্ৰয়োজন নকৰে কাৰণ ই মুখৰ কথা নহয়। হৃদয়ত ইয়াত উৎপত্তি হয়।

চিত্তশুদ্ধি হলে উপাসনাত কথাৰ প্ৰয়োজন নাই। ইন্দ্ৰিয় পৰায়ণতাৰ পৰা মনক শুদ্ধ কৰিবলৈ উপাসনাই অব্যৰ্থ উপায় সেই সম্বন্ধে মোৰ কোনো সন্দেহ নাই। কিন্তু এই কথাষাৰেই অতিশয় বিনয়াৰ সৈতে আমি কৰা উচিত।

নাৰায়ণ হেমচন্দ্ৰ

(২)

এই সময়তে নাৰায়ণ হেমচন্দ্ৰও ইংলণ্ডলৈ আহিছিল। লিখক হিচাপে তেওঁৰ কথা মই শুনিছিলো। ভাৰতীয় জাতীয়সমিতিৰ কুমাৰী মেনিঙৰ ঘৰত আমাৰ দেখা-দেখি হল। মই সহজে সমাজত আন মানুহৰ লগত মিলিব নোৱাৰো বুলি কুমাৰী মেনিঙে জানিছিল। তেওঁৰ তালৈ গলে মই মনে মনে বহি থাকো। মোক কিবা সুধিলেহে তাৰ উত্তৰ দিওঁ। কুমাৰী মেনিঙে নাৰায়ণ হেমচন্দ্ৰৰ লগত মোক পৰিচয় কৰাই দিলে। তেওঁ ইংৰাজী নেজানিছিল। সাজ-পাৰত তেওঁ অদ্ভুত আছিল—ঢিলা পায়জামা গাত শোট-মোচ খোৱা এটা লেতেৰা তাম-ৰবণীয়া পাৰ্চী চোলা। নেকটাই বা কলাৰ একেবাৰেই নাছিল। মূৰত এটা উলৰ টুপী, ডাঁৰি দীঘল, গা-গাৰি নথকা তেওঁ এজন কঁঠীয়া মানুহ, ঘূৰণীয়া মুখত বসন্তৰ দাগ নাকটো জোঙা নহয়, অথচ সেইবুলি খৰাও নহয়, তেওঁ ঘনাই ডাঁৰিবোৰ ইফাল-সিফাল কৰি থাকে। জনতা

লাজ-পাৰ পিন্ধা জধলা মানুহটো নিশ্চয় সেই ‘ফোচনবলা’ সমাজত সকলোৰে চকুত পৰিব। মই কলো “মই আপোনাৰ বিষয় বহুত কথা শুনিছো। মই আপোনাৰ কিছুমান লিখাও পঢ়িছো। আপুনি মোৰ থকা ঠাইলৈ আহিলে বৰ সুখী হম।”

নাৰায়ণ হেমচন্দ্ৰৰ মাত কঠুৱা আছিল। হাঁহি এটা মাৰি তেওঁ উত্তৰ দিলে “বাৰু, যাম। আপুনি নো কত থাকে?”

“ষ্টোৰ ষ্টীটত।”

“তেনেহলে আমি ওচৰচুবুৰীয়া। মই ইংৰাজী শিকিব খোজো। আপুনি শিকাব নে?”

“মই যি জানো, তাৰে আপোনাক বং মনেৰে শিকাবলৈ চেষ্টা কৰিম। আপুনি যদি ভাল পায়, তেন্তে আপোনাৰ তালৈ গৈয়ে শিকাব পাৰো।”

“অ ! নহয়, মই আপোনাৰ তালৈ যাম। মই অনুবাদ কৰিবলৈ এটা বহী লৈ যাম।”

এইদৰেই আমাৰ বন্দবস্ত হ'ল। সোণকালেই আমি দুয়ো বৰ বন্ধু হৈ পাৰিলো।

নাৰায়ণ হেমচন্দ্ৰই ব্যাকৰণ সমুলি নেজানিছিল। ‘ঘোৰাক’ বুলিছিল ক্ৰিয়া পদ আৰু ‘লৰি-যোৱা’ক বুলিছিল বিশেষ্য পদ। এনে বহুতো খেমেলীয়া কথা মোৰ মনত আছে। কিন্তু তেওঁ অজ্ঞতাৰ কথা ভাবি হতাশ হোৱা নাছিল। মোৰ সাধাৰণ ব্যাকৰণৰ জ্ঞানৰপৰা তেওঁ একো শিকিব নোৱাৰিলে। প্ৰকৃততে ব্যাকৰণ নজনাটো তেওঁ লাজৰ কথা বুলি ধৰা নাছিল।

তেওঁ সম্পূৰ্ণ উদাসীনভাৱে কলে “মই আপোনাৰ দৰে স্কুলত কেতিয়াও পঢ়া নাই। মোৰ ভাব প্ৰকাশ কৰাত কেতিয়াও ব্যাকৰণৰ

আৱশ্যকতা মই অনুভৱ কৰা নাই। আপুনি বঙলা জানে নে? মই হলে জানো। মই বঙ্গদেশত ফুৰিছিলো। মযে মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ লিখাবোৰ গুজৰাটী ভাষালৈ অনুবাদ কৰিছো। আন আন ভাষাৰো বহুমূলীয়া কিতাপবোৰ গুজৰাটী ভাষালৈ অনুবাদ কৰিবৰ মোৰ ইচ্ছা আছে। আপুনি জানে মই যথাযথভাৱে অনুবাদ কৰিব নোৱাৰো। মই মূল কথাখিনি প্ৰকাশ কৰিয়েই সন্তুষ্ট হও। মোতকৈ বেছিকৈ জনা-শুনাসকলে ভৱিষ্যতলৈ ভালকৈ অনুবাদ কৰিব পাৰে। ব্যাকৰণৰ সহায় নোহোৱাকৈ যিমানখিনি কৰিব পাৰিছো, তাতেই মই সন্তুষ্ট। মই মাৰাঠি হিন্দী আৰু বঙলা জানো। এতিয়া আকৌ ইংৰাজী শিকিবলৈ আৰম্ভ কৰিছো। মই সবহকৈ শব্দ আৰু সেইবিলাকৰ অৰ্থ শিকিব খোজোঁ। মোৰ আকাঙ্ক্ষাৰ ইয়াতে ওৰ পৰিব বুলি আপুনি ভাবে নে? কেতিয়াও নপৰে। মই ফ্ৰান্সলৈ গৈ ফৰাচী ভাষা শিকিম। সেইভাষাৰ সাহিত্য বৰ ব্যাপক বুলি শুনিছোঁ। মই জাৰ্ম্মাণীলৈও যাম আৰু যদি সুবিধা হয়, তেনেহলে জাৰ্ম্মাণ ভাষাও শিকিম।" এইদৰে কথাৰ ওৰ নপৰাকৈ তেও বকি থাকে। তেওঁৰ ভাষা শিকা আৰু দেশ-ভ্ৰমণ কৰাৰ অসীম আকাঙ্ক্ষা আছিল। মই সুধিলো "তাৰ পাছত আপুনি আমেৰিকালৈও যাব?

"নিশ্চয়। নতুন পৃথিবীখন নেদেখাকৈ মই কেনেকৈ ভাৰতলৈ উভটিম।"

"কিন্তু আপুনি টকা কত পাব?

"মোক কিহলৈ টকা লাগিছে? মই তো আপোনাৰ নিচিনা আটকধুনীয়া মানুহ নহওঁ। সাধাৰণ ৰকমৰ আহাৰ আৰু সাধাৰণ ৰকমৰ কাপোৰ-কানিয়েই মোৰ পক্ষে যথেষ্ট। তাৰ নিমিত্ত মোৰ কিতাপ বেচি আৰু বন্ধুবান্ধৱৰ পৰা যি পাওঁ সেয়ে যথেষ্ট হয়। মই

সদায় তৃতীয় শ্ৰেণীতে ফুৰো। আমেৰিকালৈ যাওঁতে ডেকতে যাম।”

নাৰায়ণ হেমচন্দ্ৰ সকলো ৰকমে সৰল আৰু স্পষ্টবাদী আছিল। তেওঁৰ অহংকাৰ অলপো নাছিল, কেৱল মাত্ৰ নিজৰ লিখাৰ ক্ষমতা আছে বুলি মনতে তেওঁ অলপ গৰ্ব্ব অনুভৱ কৰিছিল।

প্ৰতিদিনেই আমি দেখা-দেখি হওঁ। আমাৰ দুয়োৰো ভাব আৰু কাৰ্য্যত অলপ সাদৃশ্য আছিল। আমি দুয়ো নিৰামিষাহাৰী। কেতিয়াবা আবেলিৰ জলপান দুয়ো একেলগে খাইছিলো। এই সময়তে মই নিজে ৰান্ধি সপ্তাহত ১৭ শিলিংতে চলাইছিলো। কেতিয়াবা মই তেওঁৰ ঘৰলৈ যাওঁ আৰু কেতিয়াবা তেওঁ মোৰ ঘৰলৈ আহে। মই বিলাতী ধৰণেৰে ৰান্ধিছিলো। কিন্তু তেওঁক ভাৰতীয় প্ৰণালীৰ বাহিৰে আন প্ৰণালীৰ ৰন্ধাই তুষ্ট কৰিব নোৱাৰিছিল। ডাইল নহলে তেওঁৰ নহয়েই। গাজৰ আদিৰে মই চুৰুৱা কৰিছিলো। মোৰ জুতি দেখি তেওঁ মোক পুতৌ কৰিছিল। এবাৰ তেওঁ মগু ডাইল বিচাৰি মোলৈ ৰান্ধি লৈ আহিছিল। মই আনন্দেৰে খালো। এইদৰেই আমাৰ ভিতৰত আদান-প্ৰদান চলিছিল। ভাল বস্তু এটা পালে মই তেওঁক দিওঁ আৰু সেইদৰে তেৱোঁ মোক দিয়ে।

সেই সময়ত সকলোৰে মুখত কাৰ্ডিনেল মেনিঙৰ নাম শুনা গৈছিল। জন বাৰ্ণছ আৰু কাৰ্ডিনেল মেনিঙৰ চেষ্টাতে সোণকালে ডকৰ শ্ৰমিক-সকলৰ ধৰ্ম্মঘটৰ ওৰ পৰিল। মই নাৰায়ণ হেমচন্দ্ৰক, ডিজৰেলিয়ে কাৰ্ডিনেলৰ বিলাসিতাহীনতা গুণৰ শলাগ লোৱাৰ কথা কলো। তেওঁ কলে “তেনেহলে মই নিশ্চয় সেই মহাপুৰুষক দেখা কৰিম।”

“তেওঁ ডাঙৰ মানুহ। তেওঁক কেনেকৈ দেখা কৰিব?”

“কিয়? মই জানো কেনেকৈ দেখা কৰিব পাৰি। মই আপোনাৰ

হতুৱাই তেওঁলৈ মোৰ নামতে এখন চিঠি লিখাম। তেওঁলৈ লিখিব মই এজন [illegible]কাৰ আৰু মই তেওঁক মানৱ-সেৱা কাৰ্য্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰিবলৈ আহিছো আৰু লিখিব মই ইংৰাজী নজনাৰ কাৰণে আপোনাক দোৱনীয়া স্বৰূপে নিম। তেওঁ কোৱা মতেই মই লিখিলো।

দুই তিন দিনৰ ভিতৰতে কাৰ্ডিনেল মেনিঙে চিঠিৰ উত্তৰত আমাক দেখা কৰিবলৈ মানুহ পঠালে। আমি দুয়ো তেওঁক দেখা কৰিলো। মই মোৰ দেখা কৰা সাজ-পাৰ পিন্ধি গৈছিলো, কিন্তু নাৰায়ণ হেমচন্দ্ৰ সেই তেওঁৰ সাজ-পাৰ পিন্ধিয়ে গৈছিল—সেই একে কোট একে পায়জামা। মই তেওঁৰ সাজ-পাৰৰ কথা কৈ অলপ ধেমালি কৰিব খুজিছিলো, কিন্তু তেওঁ মোক হাঁহি কলে "তোমালোক সভ্য মানুহবোৰ সকলো ভয়াতুৰ। মহৎ লোকসকলে কেতিয়াও মানুহৰ বাহিৰটো নেচায়। তেওঁলোকে মানুহৰ ভিতৰখনৰ কথা হে ভাবে।"

আমি কাৰ্ডিনেলৰ ঘৰ সোমালো। আমাক বহুৱা মাত্ৰকে এজন গা-গাৰিৰে নখকা দীঘল বুঢ়া মানুহে আহি আমাৰ লগত "হেণ্ডশ্বেক্" কৰিলেহি। নাৰায়ণ হেমচন্দ্ৰই এইদৰেই সম্ভাষণ কৰিলে।

"মই আপোনাৰ সময় নষ্ট কৰিব নোখোজো। মই আপোনাৰ বিষয়ে বহুত শুনিছো। ধৰ্ম্মঘটকাৰীসকলৰ ভালৰ নিমিত্তে আপুনি যি কৰিছে, তাৰ বাবে আপোনাক সম্ভাষণ জনাবলৈ অহা উচিত বুলি মই ভাবিছিলো। জগতৰ মহৎ লোকসকলক দেখা কৰা মোৰ অভ্যাস সেই কাৰণে আপোনাক এইখিনি কষ্ট দিছো।"

তেওঁ গুজৰাটী ভাষাত যেনেকৈ কৈছিল এইখিনি তাৰ অনুবাদ।

"আপোনালোকে অহাত আনন্দ পালো। আশা কৰো ইংলণ্ডত থাকি আপোনালোকে ভাল পাব। আপোনালোক ইয়াৰ মানুহৰ সংশ্ৰৱত আহিব পাৰিব। ঈশ্বৰে আপোনালোকৰ মঙ্গল কৰক।"

এইখিনি কথা কৈয়ে তেওঁ উঠিল আৰু আমাক বিদায় দিলে।

এবাৰ নাৰায়ণ হেমচন্দ্ৰই ধুতী-চাদৰ পিন্ধি মোৰ তালৈ আহিছিল মৰমিয়াল 'লেণ্ড-লেডী গৰাকীয়ে দুৱাৰ মেলি দি ভয় খাই লৰি আহি মোৰ ওচৰ পালেহি (এই জনা নতুন 'লেণ্ড-লেডী'। তেওঁ নাৰায়ণ হেমচন্দ্ৰক চিনি নেপায) আৰু কলে "কোনোবা এটা বলিয়াই তোমাক দেখা কৰিবলৈ আহিছে। মই দুৱাৰমুখলৈ গৈ নাৰায়ণ হেমচন্দ্ৰক দেখি আচৰিত হলো, উচপ খাই উঠিলো কিন্তু তেওঁৰ মুখত সেই আগৰ নিচিনা হাঁহিকে দেখিলো।

'বাটৰ লৰা-ছোৱালীবোৰে আপোনাক আমনি কৰা নাই নে?"

'সিহঁত মোৰ পাছে পাছে লৰি আহিছিল হয় কিন্তু মই সিহঁতলৈ মন নকৰাত সিহঁত মনে মনে থাকিল।

লণ্ডনত মাহচেৰেক থাকি নাৰায়ণ হেমচন্দ্ৰ প্যেৰীলৈ গল। তেওঁ তাত ফৰাচী ভাষা শিকাত আৰু ফৰাচী ভাষাৰ কিতাপ অনুবাদ কৰিবলৈ ধৰিলে। তেওঁৰ অনুবাদ চাব পৰাকৈ মই ফৰাচী ভাষা জানিছিলো। সেই দেখি তেওঁৰ কিতাপখন মোক চাবলৈ দিলে। তেওঁৰ অনুবাদ প্ৰকৃত অনুবাদ নহয়। কেৱল সাৰাংশ হে আছিল।

অৱশেষত আমেৰিকালৈ যোৱাৰ ইচ্ছাও তেওঁৰ পূৰণ হল। তেওঁ বৰ কষ্টেৰে আমেৰিকালৈ যাবলৈ ডেকৰ টিকিট এটা পালে। আমেৰিকাৰ যুক্ত-ৰাজ্যত থাকোতে এদিন তেওঁ ধুতী কামিজ পিন্ধি ফুৰিবলৈ ওলাওতে, ভালকৈ কাপোৰ নিপিন্ধা বুলি তেওঁক অপৰাধী কৰি ধৰি নিছিল। বিচাৰত তেওঁক এৰি দিয়া মোৰ মনত আছে।

বিৰাট প্ৰদৰ্শনী

(২৩)

১৮৯০ চনত প্যেৰী মহানগৰীত এটা বিৰাট প্ৰদৰ্শনী হৈছিল। ইয়াৰ বাবে বিৰাট আয়োজন হৈছিল বুলি মই কাগজপত্ৰে পঢ়িছিলো, ইয়াৰ বাহিৰেও প্যেৰী নগৰখন চাবলৈকো মোৰ মনত প্ৰবল ধাউতি আছিল। সেইবাবে মনতে ভাবিলো যে এই সময়তে তালৈ গলে একেলগতে দুযোটা ইচ্ছাই পূৰণ হয়। এই প্ৰদৰ্শনীৰ আৰু এটা বিশেষ আকৰ্ষণো আছিল। সেইটো হৈছে, এফিল টাৱাৰ' এই 'টাৱাৰ' তেনেই লোহৰে সজা, ওখযো প্ৰায় এহেজাৰ ফিট। অৱশ্যে ইয়াৰ বাহিৰেও তাত চাবলগীয়া খান বস্তু বহুতো আছিল। কিন্তু এইটোৱেই হৈছে প্ৰধান। তেতিয়া ইমান ' ' ঘৰ এটা ঠিয়কৈ ৰখা নাযায় বুলি সাধাৰণতে মানহৰ ধাৰণা আছিল।

প্যেৰীত এটা নিৰামিষ ভোজনালয় থকা বুলিও মই শুনিছিলো। তাত এটা খোটালী ভাৰালৈ লৈ ৭ দিন আছিলো। বহুতো খৰচ কমালো, প্যেৰীলৈ যোৱা অহা আৰু তাত চাবলগীয়া বস্তুবোৰ চোৱা সস্তাতেই চলালো। প্যেৰী নগৰীৰ আৰু প্ৰদৰ্শনীৰ মানচিত্ৰ দুখন আৰু সুকীয়াকৈ প্ৰদৰ্শনীৰ এখন নক্সা লৈ প্ৰায়েই খোজকাঢ়ি ফুৰিছিলো। ঘাই আলিবোৰ আৰু চাবলগীয়া ঠাইবোৰলৈ যাবলৈ এইয়েই যথেষ্ট আছিল।

প্ৰদৰ্শনীৰ বিৰাট সাজ সৰঞ্জাম আৰু নানাবিধ বস্তুৰ পোহাৰৰ বাহিৰে প্ৰদৰ্শনীখনৰ সম্পৰ্কে মোৰ একোৱেই মনত নাই। এফিল টাৱাৰৰ কথা মোৰ মনত পৰে। তাৰ ওপৰলৈ মই দুবাৰ কি তিনি-বাৰ উঠিছিলো। ইয়াৰ প্ৰথম মহলাত এটা 'ৰেষ্টুৰাঁ' (চাহ-জল-

পানৰ ব্যৱস্থা থকা হোটেল) আছিল, ইমান ওখত বহি খাইছোঁ বোলাবলৈকে মই ৭ শ্বিলিং পানীত দলিয়াই পেলালো।

প্যেৰীৰ পুৰণি গীৰ্জাবোৰৰ কথা এতিয়াও মোৰ মনত আছে। এইবিলাকৰ আড়ম্বৰ আৰু শান্তিপূৰ্ণতা—মই পাহৰিব নোৱাৰো। 'নোটাৰ ডেম'ৰ অপূৰ্ব্ব কাৰিকৰি ভিতৰৰ ধুনীয়া কাৰুকাৰ্য্য পাহৰিব নোৱাৰি। তেতিয়া মোৰ মনতে ভাব হৈছিল যে যি সকলে কোটি কোটি টকা এইদৰে ধৰ্ম্ম-মন্দিৰ সজাতেই খৰচ কৰিব পাৰে, তেওঁলোকৰ অন্তৰত ভগবানলৈ ভক্তি নথকাকৈ নোৱাৰে।

পেৰীৰ পুণ্যপীঠ পোপীৰ স্বেচ্ছাচাৰ নাচগান আদি বহুতো কথা মই পূৰ্বে শুনিছিলো। বাটতো এইবিলাক দেখা পালো। কিন্তু গীৰ্জাঘৰৰ ভিতৰখন যেন সম্পূৰ্ণ সুকীয়া। গীৰ্জাঘৰৰ ভিতৰত ভৰি দিয়া মাত্ৰেই বাহিৰৰ কোলাহল মনলৈ নাহে। ভিতৰলৈ সোমোৱা মাত্ৰে মনত এটা অপূৰ্ব্ব পৰিবৰ্ত্তন আহে। কুমাৰী মেৰীৰ মূৰ্ত্তিৰ তলত আঁঠু লৈ সেৱা কৰি থকা দেখিলে অন্তৰত এটা সম্ভ্ৰমৰ ভাৱ আহে। সেই সময়ত এইদৰে মোৰ মনত যি ভাব হৈছিল এতিয়া সেই ভাব আৰু বাঢ়িবলৈ ধৰিছে। এইদৰে আঁঠু লোৱা, এইদৰে উপাসনা কৰা কেৱল যে কুসংস্কাৰ এইটো কেতিয়াও নহয়। কুমাৰী মেৰীৰ মূৰ্ত্তিৰ তলত আঁঠু লৈ যি ভক্ত সকলে উপাসনাত মগ্ন হয় তেওঁলোকৰ অন্তৰলৈ এটা প্ৰকৃত ভক্তিৰ ভাব নহাকৈ কেতিয়াও নেথাকে। শিলৰ মূৰ্ত্তি এটাক তেওঁলোকে সেৱাভক্তি কৰিছে এনে নহয়। এই মূৰ্ত্তিৰ ভিতৰেদিয়েই তেওঁলোকে ভগবানক সেৱা জনাইছে। এইদৰে ভগবানৰ মহিমা নকমে, বৰঞ্চ বাঢ়িযেই যায় বুলি মোৰ মনত সেই সময়ত এটা ধাৰণা হৈছিল বুলি মোৰ মনত পৰে।

এফিল টাৱাৰ সম্পৰ্কে একেষাৰ কথা মই কওঁ। এই এফিল

টাৱাৰৰ আজি কি প্ৰয়োজন মই ক'ব নোৱাৰো। কিন্তু সেই সময়ত ইয়াৰ নিন্দাও শুনিছিলো আৰু প্ৰশংসাও শুনিবলৈ পাইছিলো। নিন্দা কৰাৰ ভিতৰত টলষ্টয় এজন প্ৰধান আছিল বুলি মোৰ মনত পৰে। এই টাৱাৰেই হৈছে মানুহৰ মূৰ্খামিৰ নিদৰ্শন, জ্ঞানৰ নহয় বুলি তেওঁ কৈছিল। জগতত যি বিলাক মাদক বস্তু প্ৰচলিত আছে তাৰ ভিতৰত ধপাতেই হৈছে সবাতকৈ বেয়া, কাৰণ যি কোন কুকৰ্ম কৰিবলৈ মদাহীৰ সাহ নহয় ধপাতুৱাৰ সেইবোৰ কুকৰ্ম কৰিবলৈ [illegible]ভিন হয়। মদে মানুহক বলীয়া কৰে, কিন্তু ধপাতে মানুহৰ বুদ্ধি-বৃত্তিক নোৱাৰে ছাটি ধৰে আৰু ফলত সি আত্মাশত চা পাতি নাই থাকে। মানুহৰ এনেবিধ প্ৰভাৱত পৰা ফলত সৃষ্টি হৈছে এই এফিল টাৱাৰ। এই প্ৰদৰ্শনীৰ প্ৰকৃত সৌন্দৰ্য্য বঢ়োৱাত এই টাৱাৰে একো সহায় কৰিছিল বুলি ক'ব নোৱাৰি। দলে দলে গৈ মানুহে এই টাৱাৰ চায়গৈ আৰু ই এটা নতুন বস্তু আৰু আকাৰতো ডাঙৰ দেখি তেওঁলোকে ওপৰত উঠি ধেমালি কৰিছিল মাথোন। প্ৰদৰ্শনীৰ ই এটা বিৰাট 'খেলনী' আছিল মাথোন। লৰালি কালত আমি এইদৰে খেলনাত আকৰ্ষিত হওঁ। আৰু আমি যে এতিয়াও সৰু লৰাছোৱালীৰ দৰেই আৰু তেওঁলোকৰ দৰে ৰং চঙীয়া বস্তুত মুগ্ধ, তাৰেই প্ৰমাণ দিছে এই টাৱাৰে। এই এফিল টাৱাৰৰ সাৰ্থকতা ইয়াতেই বুলি ক'ব পাৰি।

বেৰিষ্টাৰ হলোঁ—কিন্তু তথাপিও

(২৪)

মই বিলাতলৈ যি উদ্দেশ্যত গৈছিলো অৰ্থাৎ বেৰিষ্টাৰ হবলৈ এই সম্পৰ্কে এতিয়ালৈকে একো কোৱা নাই। এই সম্পৰ্কে চমুকৈ কোৱাৰ এতিয়া সময় হৈছে। নিয়মমতে বেৰিষ্টাৰ হবৰ পূৰ্ব্বতে প্ৰতি ছাত্ৰই দুটা চৰ্ত্ত পালন কৰিব লাগে। 'টাৰ্ম ৰখা, (১২টা টাৰ্ম তিনিবছৰৰ সমান) আৰু পৰীক্ষাত উত্তীৰ্ণ হোৱা। 'টাৰ্ম ৰখা''ৰ অৰ্থ হৈছে, এটা 'টাৰ্ম''ত ভোজন কৰা অৰ্থাৎ এটা টাৰ্মত ২৫টা ভোজৰ ভিতৰৰ অন্ততঃ ছটা ভোজত উপস্থিত থকা। ইয়াত ভোজত উপস্থিত থকা মানে ভোজন কৰা নহয় নিৰ্দ্দিষ্ট সময়ত উপস্থিত হোৱাৰ বাতৰি জনাই ভোজনৰ সময়ত উপস্থিত থাকিলেই হল। অৱশ্যে সাধাৰণতে সকলোৱেই ভাত দিয়া খাদ্য বস্তু আৰু ভাল ভাল মদ খায়। তাৰ এটা ডিনাৰত ২ শ্বিলিং ৬ পেন্সৰপৰা ৩ শ্বিলিং ৬ পেন্সলৈকে খৰচ পৰে অৰ্থাৎ ২ টকাৰপৰা ৩ টকালৈকে। এই ৰেট নিয়মিত বুলি বিবেচিত হৈছিল, কাৰণ হোটেলত খাবলৈ হলে অকল মদতেই সিমানখিনি দিবলগীয়া হয়। সভ্য নহলে, ভাৰতবৰ্ষত আমি এই কথাষাৰত অৰ্থাৎ আহাৰতকৈ অকল মদতে সৰহ দাম দিয়াত আচৰিত হওঁ। প্ৰথমবাৰ এই কথাষাৰ জানি মই বিচুৰ্ত্তি হলো আৰু মদৰ কাৰণে ইমান টকা মানুহে কেনেকৈ খৰচ কৰে, তাকেই ভাবি স্তম্ভিত হলো। লাহে লাহে কথাবোৰ বুজিবলৈ ধৰিলো। এইবিলাক ভোজত মই প্ৰায়েই খোৱা-লোৱা নাছিলো আৰু খালেও ৰুটি, সিজোৱা আলু কবি আদিয়ে খাওঁ। পোনপ্ৰথমে এইবোৰো একো খোৱা নাছিলো, কাৰণ এইবোৰ মই ভাল পোৱা নাছিলো। লাহে লাহে এইবোৰত

জুতি লগাত অন্যবিধ বিচাৰিবলৈকো মোৰ সাহ হল। * 'বেঞ্চাৰ" সকলক দিয়া ডিনাৰ ছাত্ৰসকলক দিয়াতকৈ শ্ৰেষ্ঠ আছিল। মই আৰু নিৰামিষভোজী পাৰ্চী ছাত্ৰ এজনে নিৰামিষভোজনৰ প্ৰচাৰাৰ্থে বেঞ্চাৰ-সকলক দিয়াৰ দৰে ছাত্ৰসকলৰ বাবেও নিৰামিষ ভোজনৰ ব্যৱস্থা থাকিব লাগে বুলি আবেদন দিলো। আমাৰ আবেদন মঞ্জুৰ হল আৰু ফলমূল আৰ অন্যান্য শাক-পাচলি বেঞ্চাৰ সকলৰ মেজৰপৰা পাবলৈ ধৰিলো।

৪ জনৰ একোটা সমষ্টিৰ ভিতৰত দুবাটলকৈ মদ দিয়া হৈছিল আৰু মই মদ স্পৰ্শ নকৰা গতিকে মোৰ নিজৰ সমষ্টিত থাকিবলৈ সকলোৱেই চেষ্টা কৰিছিল। কাৰণ সেয়ে হলে তিনিজনেইদুবটল উৰাব পাৰিব। প্ৰত্যেক টাৰ্মতেই এটা গ্ৰেণ্ড নাইটৰ ব্যৱস্থা আছিল আৰু এই উপলক্ষে পোৰ্ট শ্বেৰী প্ৰভৃতি মদৰ উপৰিও শেম্পেন প্ৰভৃতি মদো চলিছিল। সেই বাবে এই গ্ৰেণ্ড-নাইটৰ উৎসৱত লোক বিশেষকৈ মত্ত হৈছিল। মোক লগত পাবলৈ সকলোৱেই যত্ন কৰিছিল।

বেৰিষ্টাৰীলৈ এইবিলাক ভোজে কেনেকৈ উপযুক্ত কৰে মই তেতিয়া বুজা নাছিলো আৰু এতিয়ালৈকেও বুজি পোৱা নাই। অৱশ্যে পূৰ্ব্বে এনেকুৱা এটা সময় আছিল যেতিয়া এইবিলাক ভোজত কম সংখ্যক ছাত্ৰইহে যোগ দিয়া বাবে তেওঁলোকৰ আৰু বেঞ্চাৰসকলৰ মাজত কথা-বতৰা হবলৈ সুবিধা হৈছিল, লগে লগে বক্তৃতাও চলিছিল। এইবিলাকতেই সংসাৰ সম্বন্ধে জ্ঞান, আদব কায়দা প্ৰভৃতিও শিকা হয় আৰু বাক্-শক্তিৰো উন্নতি সাধন হয়। আমাৰ দিনত এনেকুৱা হোৱা সাধ্য নাছিল। বেঞ্চাৰ সকল ছাত্ৰ সকলৰপৰা সদায় বহুতো আঁতৰত

* বেঞ্চাৰ—বেৰিষ্টাৰি শিক্ষা দিয়া সমাজৰ সদস্য সকলক বেঞ্চাৰ বোলা হয়।

থাকে। এই অনুষ্ঠান লাহে লাহে অৰ্থশূন্য হবলৈ ধৰিছে; কিন্তু ৰক্ষণশীল ইংলণ্ডই এনেকুৱা অনুষ্ঠান তথাপিও ৰক্ষা কৰি আছে।

পাঠ্য-তালিকাও বৰ উজু আছিল। বেৰিষ্টাৰসকলক ধেমালিকৈ ভোজৰ বেৰিষ্টাৰ বোলা হৈছিল। প্ৰত্যেকেই জানিছিল যে পৰীক্ষা বিলাকৰ একো মূল্য নাই। আমাৰ দিনত দুটা বিষয়ত পৰীক্ষা আছিল— এটা হৈছে ৰোমাণ-ল'ত, আনটো হৈছে কমন ল'ত। এইবিলাক পৰীক্ষাৰ বাবে নিয়মিত পাঠ্যও নিৰ্দ্ধাৰিত আছিল আৰু পৰীক্ষা ভালে ভালে দিব পৰা নিয়মো আছিল কিন্তু কোনোৱেই সচৰাচৰ পাঠ্য কিতাপবোৰ নপঢ়ে। বহুতো ছাত্ৰৱে ৰোমাণ-ল'ৰ নোট দুসপ্তাহমান পঢ়ি আৰু কমন-লৰ নোট দুমাহমান পঢ়ি পৰীক্ষাত উত্তীৰ্ণ হোৱা মই দেখিছো। প্ৰশ্ন-কাকত উজু আৰু পৰীক্ষকসকলো বৰ উদাৰ আছিল। ৰোমাণ-লৰ পৰীক্ষাত শতকৰা ৯৫ৰ পৰা ৯৯লৈকে আৰু ফাইনেল পৰীক্ষাত ৭৫ বা ইয়াতোকৈ বেছি উত্তীৰ্ণ হৈছিল। সেইবাবে অকৃতকাৰ্য্য হোৱাৰ সম্ভাৱনা খুব কমেই আছিল। বছৰত পৰীক্ষা এবাৰ নহয় ৫ বাৰকৈ হৈছিল। এনেকুৱা সুবিধাজনক পৰীক্ষা টান বুলি কোনেও নাভাবিছিল।

কিন্তু এইবিলাক পৰীক্ষা টান বুলি মই ঠিক কৰি লৈছিলো। পাঠ্য কিতাপবোৰ সকলোখিনি মই পঢ়িম বুলি ভাবিছিলো। মই ভাবিছিলো যে গোটেইবোৰ কিতাপ নপঢ়া প্ৰতাৰণা মাথোন। ইয়াত মই বহুতো টকা খটাইছিলো। লাটিন ভাষাত পঢ়া মই স্থিৰ কৰিলো। লণ্ডনৰ মেট্ৰিকুলেশ্যন পৰীক্ষা দিওতে মই যি লাটিন শিকিছিলো, সেয়ে দক্ষিণ আফ্ৰিকাত মোৰ সহায় হ'ল এইবিলাক পঢ়া মোৰ বৰ সহায়ত আহিছিল, কাৰণ তাত, 'ৰোমাণ ডাচেই সাধাৰণ আইন। 'জাষ্টিনিয়ান' পঢ়াত দক্ষিণ আফ্ৰিকাৰ আইন বুজিবলৈ মোৰ যথেষ্ট সহায় হল।

পৰিক্ষাৰ উত্তীৰ্ণ লগৰ

ইংলণ্ডৰ 'কমন-ল' খন পঢ়োতে ৯ মাহ কঠিন পৰিশ্ৰম কৰিব লগীয়া হৈছিল। কাৰণ ব্ৰুমৰ কমন-ল বোলা কিতাপখন বৰ আমোদপ্ৰদ, ইয়াতেই বহুতো সময় যায়, স্নেলৰ 'ইকুইটি' খন পঢ়িবলৈ ভাল যদিও বুজিবলৈ অলপ টান। হোৱাইট আৰু টিউডৰৰ প্ৰধান মোকৰ্দ্দমা বিলাক (Leading case—ইয়াৰ ভিতৰত কিছুমান মোকৰ্দ্দমা পঢ়া নিৰ্দ্ধাৰিত আছিল) বৰ আমোদপ্ৰদ আৰু শিক্ষাৰ বাবে লাগতিয়াল। ৱিলিয়াম আৰু এডৱাৰ্ডৰ ৰিয়েল প্ৰোপাৰ্টি' আৰু গুডীভৰ পাৰ্ছনেল ল'ও মই পঢ়িলো। ভাৰতলৈ উলটি আহিও সমান অধ্যৱসায়েৰে এখন কিতাপ মই পঢ়িলো—সেইখন হৈছে মেইনৰ হিন্দু-আইন। কিন্তু ইয়াত এতিয়া ভাৰতৰ আইন বিষয়ক কিতাপ সম্পৰ্কে কোৱা নিস্প্ৰয়োজন।

মই পৰীক্ষাত উত্তীৰ্ণ হলো আৰু ১৮৯১ সনৰ ১০ জুন তাৰিখে বেৰিষ্টাৰী কৰিবলৈ নিয়ম মতে অধিকাৰ পালো। ১১ তাৰিখে ইংলণ্ডৰ হাইকোৰ্টৰ তালিকাত নাম ওলাল। ১২ তাৰিখে ঘৰলৈ ৰাওনা হলো। ইমান পাল স্বত্বেও মোৰ নিঃসহায় ভাব আৰু ভয়ৰ অন্ত পৰা নাছিল। বেৰিষ্টাৰ হলো হয়, কিন্তু ইয়াৰে জীৱিকা উপাৰ্জ্জন কৰিবলৈ যোগ্য হৈছো বুলি ভবা নাছিলো।

আন এটা সুকীয়া অধ্যায়ত মোৰ নিঃসহায় ভাৱ সম্বন্ধে বৰ্ণনা কৰিম।

মোৰ সহায়হীনতা

(২৫)

বেৰিষ্টাৰ হৈ 'বাৰ'ত যোগ দিয়া বৰ উজু কথা, কিন্তু 'বাৰ'ত বেৰিষ্টাৰী কৰা বৰ টান। মই আইন পঢ়িছিলো হয়, কিন্তু কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেইটো শিক্ষা নাছিল। আইনৰ সূত্ৰবোৰ বৰ মনোযোগেৰে সৈতে পঢ়িছিলো, কিন্তু কেনেকৈ ব্যৱহাৰ কৰিব লাগে, তাক জনা নাছিলো। ৰোমাণ-ল'ত এটা কথা আছে "নিজৰ সম্পত্তি এনেদৰে ব্যৱহাৰ কৰিবা, যাতে অন্যৰ সম্পত্তিৰ ক্ষতি নহয়"। এই সূত্ৰটো নিজৰ মক্কেলৰ সুবিধাথে কেনেকৈ ব্যৱহাৰ কৰিব পাৰি মই ভাবি একো উৰাদিহ পোৱা নাছিলো। এই সূত্ৰ সম্বন্ধে যিবোৰ প্ৰধান প্ৰধান মোকৰ্দ্দমা হৈ গৈছে, তাৰ বিৱৰণ মই পঢ়িছিলো কিন্তু তথাপিও মোৰ ভৱিষ্যৎ মক্কেলৰ সহায়ৰ অৰ্থে এই সূত্ৰ কেনেকৈ ব্যৱহাৰ কৰিব লাগিব, তাত মোৰ অকণো বিশ্বাস হোৱা নাছিল।

ইয়াৰ উপৰিও ভাৰতীয় আইনৰ একোৱেই মই পঢ়া নাছিলো। হিন্দু আৰু মুছলমান আইনৰ একোৱেই ধাৰণা নাছিল। আৰ্জি কেনেকৈ লিখিব লাগে, তাকেই মই নাজানিছিলো। অথাই সাগৰত পৰাদি পৰিলো। ছাৰ ফেৰোজশ্বাহ মেহটাৰ কথা মই শুনিছিলো যে তেখেতে আদালতত সিংহৰ দৰে গৰ্জে। ইংলণ্ডত কেনেকৈ এই দৰে বেৰিষ্টাৰী শিকিলে, ইয়াতেই মই আচৰিত হওঁ। তেখেতৰ দৰে আইন জ্ঞান লাভ কৰা দূৰৰ কথা, এই ব্যৱসায়েৰে জীবিকা উপাৰ্জ্জন কৰাতেই মোৰ গুৰুতৰ সন্দেহ উপস্থিত হল। আইন পঢ়ি থাকোতে এনেবিধৰ দুশ্চিন্তাত বিমোৰত পৰিলো। কেইজনমান বন্ধুক মোৰ বিপদৰ কথাবোৰ কলো। এজনে দাদাভাই নৌৰোজীৰ উপদেশ লবলৈ

কলে। মই ইতিপূৰ্বেই কৈছো যে ইংলণ্ডলৈ যাওতে দাদাভাইলৈ এখন পৰিচয়-পত্ৰ নিছিলো, এইখন চিঠিৰেই এতিয়া ইমান [illegible] সুযোগ ললো। কাৰণ আগেয়ে মই ভাবিছিলো যে ইমান এজন ডাঙৰ মানুহক দেখা কৰি আমনি কৰাৰ মোৰ এবো অধিকাৰ নাই। তেখেতৰ বক্তৃতাৰ বাতৰি পোৱা মাত্ৰে সভা-ঘৰলৈ মই যাওঁ আৰু এটা চুকৰ পৰা তেখেতৰ বক্তৃতা শুনো আৰু বক্তৃতা শেষ হলে চকু আৰু কাণৰ তৃপ্তি লাভ কৰি উলটি আহোঁ। ছাত্ৰসকলৰ লগত ভালকৈ চিনা পৰিচয় হবলৈ তেখেতে এখন সমিতি পাতিছিল। ইয়াৰো সভাবোৰলৈ মই অহাযোৱা কৰিছিলো। ছাত্ৰ সকলৰ কাৰণে চিন্তা কৰাত আৰু ছাত্ৰসকলেও তেখেতক শ্ৰদ্ধা কৰাত মই আনন্দ পাইছিলো কালক্ৰমে এদিনাখন সাহ কৰি পৰিচয় পত্ৰখন তেখেতক দিলোগৈ। তেখেতে কলে-- "তুমি আহিবা, মোৰ ওচৰত উপদেশ আদি লবাহি।" কিন্তু মই এই সুবিধা কেতিয়াও লোৱা নাছিলো। সেই বাবেই দাদাভাইৰ ওচৰলৈ গৈ উপদেশ লবলৈ মোৰ বন্ধুজনে যি পৰামৰ্শ দিছিল তাক গ্ৰহণ কৰা নাছিলো। মই পাহৰিছো, তেৱেঁই নে অন্য কোনোবাই মিঃ ফ্ৰেডেৰিক পিনকাটক লগপাবলৈ মোক কৈছিল। তেখেত ৰক্ষণশীল দলৰ লোক আছিল, কিন্তু ভাৰতীয় ছাত্ৰৰ বাবে তেখেতৰ মৰম পবিত্ৰ আৰু নিঃস্বাৰ্থ আছিল। বহুতো ছাত্ৰই তেখেতৰ উপদেশ লৈছিল। মই দেখা কৰিবলৈ এটা সময় বিচাৰি চিঠি লিখিলো। তেখেতে মোক সময় দিলে। তেখেতৰ লগত দেখা হোৱাটো মই পাহৰিব নোৱাৰো। তেখেতে মোক বন্ধুৰ দৰে আদৰি নিলে। মোৰ শঙ্কা আৰু ভয় তেখেতে হাঁহি উৰুৱাই দি কলে—"তুমি ভাবানে যে সকলোৱেই ফেৰোজশ্বাহ মেহটাৰ দৰে হব লাগিব। ফেৰোজশ্বাহ আৰু বদৰউদ্দীন (বদৰউদ্দীন তায়াবজী) বিৰল। সাধাৰণ বেৰিষ্টাৰ

হ'বলৈ বৰ অসাধাৰণ নৈপুণ্য নালাগে। জীৱিকা উপাৰ্জ্জনৰ পক্ষে সাধুতা আৰু পৰিশ্ৰমেই যথেষ্ট। সকলো মোকৰ্দ্দমাই জটিল নহয়। বাৰু তুমি সাধাৰণতে কিমান পঢ়িছা সেইটো জানিবলৈ দিয়াচোন?"

মই নিজৰ সামান্য পঢ়া-শুনাৰ বাতৰি দিলত তেখেত অলপ নিৰাশ হোৱা যেন লাগিল, কিন্তু এক মুহূৰ্ত্তৰ বাবে। তত্তালিকে তেখেতে মিঠা হাঁহি মাৰি ক'লে—মই তোমাৰ অসুবিধাৰ কথা বুজিলো। সাধাৰণ পঢ়া তোমাৰ নিচেই তাকৰ। উকীলৰ পক্ষে একান্ত প্ৰয়োজনীয় মানৱ চৰিত্ৰ সম্বন্ধে জ্ঞান তোমাৰ নাযেই। তুমি আনকি ভাৰত-বুৰঞ্জী খনকেই পঢ়া নাই। মানৱ চৰিত্ৰে সম্পৰ্কে উকীলৰ জনা উচিত। মুখ দেখিযেই মানুহৰ চৰিত্ৰ জানিবলৈ তেওঁৰ ক্ষমতা থকা প্ৰয়োজন। প্ৰত্যেক ভাৰতবাসীয়ে ভাৰত বুৰঞ্জীখন পঢ়া দৰ্কাৰ। ওকালতিৰ লগত ইয়াৰ সম্বন্ধ নাথাকিলেও তোমাৰ এইখিনি জ্ঞান থকা উচিত। কে আৰু ম্যালিচনে লিখা ১৮৫৭ সনৰ ছিপাহী বিদ্ৰোহৰ বুৰঞ্জীখনো তুমি পঢ়া নাই। সেইখন তত্তালিকে পঢ়া আৰু মানৱ-চৰিত্ৰ সম্পৰ্কে জানিবলৈ আৰু দুখনমান কিতাপ পঢ়া। এই দুখনমান কিতাপ লোভেটৰ আৰু শ্বেমেলপেনিকৰ Physiognomy এই গৰাকী সন্মানিত বন্ধুলৈ মই বৰ কৃতজ্ঞ হলো। তেখেতৰ ওচৰ পালত মোৰ ভয় শঙ্কা সকলো গুচিল কিন্তু তেখেতক এৰি অহা মাত্ৰে আকৌ মোৰ দুশ্চিন্তা হবলৈ ধৰিলে। কিতাপ দুখনৰ কথা বাটত ভাবি আহোতে "মানুহৰ মুখ চাই চৰিত্ৰ জনা" এই প্ৰশ্নই মনত খেলাবলৈ ধৰিলে। তাৰ পাছদিনাই লোভেটৰ কিতাপ দুখন কিনিলো। শ্বেমেলপেনিকৰ কিতাপ দোকানত পোৱা নগল। লোভেটৰ কিতাপখন মই পঢ়িবলৈ ধৰিলো, কিন্তু শ্নেলৰ 'ইকুইটী' তকৈও এইখন কিতাপ টান পালো আৰু ইয়াত অলপো ৰস নাপালো। শ্বেক্সপীয়াৰৰ মানব-চৰিত্ৰ-তত্ত্ব মই

পঢ়িছো কিন্তু লণ্ডনৰ বাটে-পথে চলা-ফৰা কৰা কত শ্বেক্সপীয়ৰক চিনিবলৈ মোৰ বিদ্যা হোৱা নাছিল। লোভেটৰৰ কিতাপখনেৰে মোৰ জ্ঞান অলপো বৃদ্ধি নহল। পিনকাটৰ উপদেশো মোৰ কামত বৰকৈ নালাগিল, কিন্তু তেখেতৰ মৰমে মোক বৰ সহায় কৰিলে। তেখেতৰ হাঁহিমুখ মোৰ স্মৃতিত বৰ দৰৈ বহিল আৰু কৃতবিদ্য বেৰিষ্টাৰ হবলৈ হলে ফেৰোজ শ্বাহ মেহটাৰ বুদ্ধি স্মৰণ-শক্তি আৰু ক্ষমতা নহলেও চলে বুলি তেখেতে মোক যি উপদেশ দিছিল তাত বিশ্বাস কৰিলো। সাধুতা আৰু পৰিশ্ৰমেই যথেষ্ট আৰু এই দুটা গুণ অলপ পৰিমাণে থকাত আশ্বস্ত হলো।

কে আৰু ম্যালিছনে লিখা কিতাপখন বিলাতত থাকোতে পঢ়িবলৈ নহল কিন্তু দক্ষিণ আফ্ৰিকালৈ গৈহে পঢ়িলো, কাৰণ সুবিধা পালেই সেইখন কিতাপ পঢ়িম বুলি মই নগতে স্থিৰ কৰি লৈছিলো।

এইদৰে নিৰাশাৰ মাজেদি আশাৰ অলপ জিলিঙনি লৈ 'আসাম' নামৰ জাহাজখনেৰে আহি বোম্বেৰ বন্দৰত নামিলোহি। বন্দৰত সাগৰ বৰ চঞ্চল আছিল, সেইবাবে সৰু এখন জাহাজেৰে পাৰলৈ আহিব লগীয়া হল।

দ্বিতীয় ভাগ

ৰায চন্দ ভাই

(১)

বোম্বে পাওঁতে সাগৰ বৰ চঞ্চল আছিল বুলি পূৰ্ব্বৰ অধ্যায়ত মই লিখিছোঁ। জুন আৰু জুলাই মাহত আৰব উপসাগৰৰ পক্ষেই সাধাৰণ ঘটনা। এডেনৰপৰাই সাগৰ এইদৰে চঞ্চল। প্ৰায় প্ৰতি-যাত্ৰীয়েই নৰিয়াত পৰিছিল। অকল মযেই সুস্থ আছিলো আৰু আফালি থকা সাগৰ চাবলৈ ডেকতেই থাকো। ঢৌৰ খুন্দিয়া-খুন্দি চাবলৈ মই বৰ ৰং পাইছিলো। পুৱাৰ ভোজনৰ সময়ত মেজত মোৰ লগত দুই এজন মানুহক হে পাইছিলো। জাহাজৰ হেন্দলনিত পৰি নাযাবলৈ "ওটমীলৰ" কাঁহীখন কোছত সাবধানে ধৰি খাবলগীয়া হৈছিল।

প্ৰকৃতিৰ এই ধুমুহা মোৰ মনৰ ধুমুহাৰ আন এটা ৰূপ মাথোন। প্ৰকৃতিৰ ধুমুহাতো মই বিচলিত নোহোৱাকৈ থাকিব পাৰিছিলো, আৰু মই মনৰ ধুমুহাতো বিচলিত হোৱা নাছিলো বুলি ভাবো। মোৰ জাতৰ মানুহৰ লগত গোলমাল আছেই। বেৰিষ্টাৰিকৰা সম্বন্ধে মোৰ নিসহায় ভাৱৰ কথা পূৰ্ব্বেই কৈছো। তাৰ উপৰিও মই এজন সংস্কাৰক, কেনেকৈ কিছুমান সংস্কাৰ কৰিব পৰা যায়, তাকেই ভাবি আছিলো, কিন্তু তেতিয়া মই জনাৰ বাহিৰেও কৰিবলগীয়া সংস্কাৰ বহুতো আছিল।

মোক আগবঢ়াই নিবলৈ ডকলৈ ককাইদেৱ আহিছিল, ডাক্তৰ মেহটা আৰু তেওঁৰ ককায়েকৰ লগত তেখেত আহিযেই চিনাকি

হলহি। আৰু ডাক্তৰ মেহটাই তেওঁৰ ঘৰত আমাক থাকিবলৈ ঘৰকৈ খাটিলে। এইদৰে বিলাতত যি চিনা-পৰিচয় হৈ বন্ধুত্ব হৈছিল, ভাৰত-বৰ্ষতো সেই বন্ধুত্ব চলিবলৈ ধৰিলে আৰু শেহত দুই পৰিয়ালৰ মাজত এই ভাৱ চিৰস্থায়ী হল।

মই আইক চাবলৈ বৰ ব্যাকুল হৈছিলো। মই জনা নাছিলোঁ যে মোক বুকুত সাৱটি ধৰিবলৈ মোৰ আই জীয়াই নাছিল। এই বেজাৰৰ কথাষাৰ মোক এতিয়াহে জনোৱা হল আৰু মোক গা ধুওৱা হল। মই বিলাতত থাকোতে আই ঢুকুৱা ককাইদেউয়ে মোক জনোৱা নাছিল। বিদেশত এই আঘাত মই যাতে নাপাওঁ, সেই কাৰণেহে মোক জনোৱা নাছিল। তথাপিও এই বাতৰিয়ে মোক বৰ আঘাত দিলে। কিন্তু এই সম্পৰ্কে মই বৰকৈ একো নকওঁ। দেউতা ঢুকুৱাত যি শোক পাইছিলো আই ঢুকুৱা বাতৰি পাই তাতোকৈ বেছি শোক পালো। হিয়াত বান্ধি থোৱা আশা তেনেই নষ্ট হল। কিন্তু মোৰ মনত পৰে শোকত অস্থিৰ হোৱা নাছিলো। কান্দি-কাটি অস্থিৰ নহৈ একো যেন হোৱা নাই এইদৰে চলিবলৈ লাগিলো।

ডাক্তৰ মেহটাই মোক কেইবাজনো বন্ধুৰ লগত চিনাকি কৰি দিলে। এজন তেওঁৰ ভায়েক শ্ৰীযুত ৰেভাশঙ্কৰ জগজ্জীৱন, এওঁৰ লগত মোৰ জীৱনব্যাপী বন্ধুতা হল। চিনা-পৰিচয় কৰি দিয়া নতুন বন্ধু সকলৰ মাজত বিশেষকৈ লেখত লব লাগে কবি ৰায়চাঁদ বা ৰাজচন্দ্ৰৰ নাম, তেওঁ ৰেভাশঙ্কৰ জগজ্জীৱনৰ নামত চলোৱা অলঙ্কাৰৰ দোকানখনৰ অংশীদাৰ আৰু ডাক্তৰ মেহটাৰ ককায়েক এজনৰ জোৱায়েক। এওঁৰ বয়স ২৫ বছৰতকৈ সৰহ নহয়। কিন্তু প্ৰথমবাৰ লগ পোৱাতেই তেওঁ যে চৰিত্ৰবান আৰু শিক্ষিত মানুহ সেইটো বেছকৈ বুজিলো। তেওঁ "শতবধনী" (অৰ্থাৎ এশ কথা স্মৰণ ৰখা নাইবা এশ কথালৈ একেলগে

মন দিয়াৰ ক্ষমতা থকা) বুলি জনাজাত আছিল। আৰু ডাক্তৰ মেহটাই তেওঁৰ স্মৰণ-শক্তিৰ কৌশল মোক চাবলৈ অনুৰোধ কৰিলে। মই জনা য়ুৰোপীয় ভাষাৰ শব্দ গোটেইবোৰ আওৰাই শেষ কৰিলো আৰু কবিক গোটেইবোৰ পুনৰায় আবৃত্তি কৰিবলৈ কলো। মই যিদৰে যিটো শব্দৰ পাছত যিটো আওৰাইছিলো, সেইদৰেই তেওঁ গাই গল। তেওঁৰ স্মৃতি-শক্তিত মুগ্ধ নহলেও, তেওঁলৈ খিয়াল হৈছিল। কি কথাই মোক মুগ্ধ কৰিছিল, লাহে লাহে পাছত হে গম পালো। এই কথাষাৰ হৈছে শাস্ত্ৰ সম্পৰ্কে তেওঁৰ গভীৰ জ্ঞান। তেওঁৰ অকলঙ্ক চৰিত্ৰ আত্মসাধনাত অদম্য স্পৃহা, মই লাহে লাহে বুজিলো যে সাধনাৰ বাবেই তেও জীৱন ধাৰণ কৰিছে। মুক্তানন্দৰ এই কেইফাকি কথা তেওঁৰ মুখত আছেই আৰু হিয়াত দকৈ বহিছে:— মোৰ দৈনিক কামবিলাকত ঈশ্বৰক দেখা পালে মোৰ জীৱন সাৰ্থক মানিম। প্ৰকৃততে ঈশ্বৰেই মুক্তানন্দৰ প্ৰাণ।"

ৰায়চন্দভাইৰ বেহাবেপাৰত লাখে লাখে টকা খাটিছিল। মণি মুকুতা, হীৰা সম্বন্ধে তেও এজন পাৰদৰ্শী। বেপাৰৰ বোনো জটিল কথাই তেওঁৰ বাবে দুৰূহ নহয। কিন্তু এইবিলাক তেওঁৰ জীৱনৰ ঘাই কথা নাছিল। ভগবদ্দৰ্শনেই তেওঁৰ জীৱনৰ কথা আছিল। তেওঁৰ মেজখনত এখন নহয এখন ধৰ্ম্মপুথি আৰু তেওঁৰ ডায়েৰীখন থাকিবই। প্ৰকাশিত হোৱা কিতাপৰ সৰহ ভাগেই এইখন ডায়েৰীৰ পৰা উদ্ধৃত। যি জন মানুহ বেহা-বেপাৰ সম্পৰ্কে কথা বতৰা পতা শেষ হোৱা মাত্ৰে গুপ্ত আধ্যাত্মিক তত্ত্ব সম্পৰ্কে লিখিবলৈ বহিব পাৰে, তেওঁ বেপাৰী নহয়, তেওঁ তত্ত্বানসন্ধিৎসু। লেন দেন কৰি কাৰবাৰৰ মাজত তেওঁক বহি থকা এবাৰ দুবাৰ নহয়, বহু বাৰো মই দেখা পাইছিলো, কিন্তু ধৈৰ্য্য হেৰুৱা তেওঁক কেতিয়াও দেখা নাই। তেওঁৰ লগত, বেহা-বেপাৰৰ,

নাইবা, অন্য কোন সম্পৰ্ক মোৰ নাছিল, তথাপিও তেওঁৰ লগত ঘনিষ্ঠতা মই বৰ ভাল পালো। তেতিয়া মই মক্কেলহীন বেৰিষ্টাৰ। তথাপিও লগ পালেই, তেওঁ মোক ধৰ্ম্ম আলোচনাত বহুৱায়। সেই সময়ত মই ধৰ্ম্মবিষয়ত এন্ধাৰত খেপিয়াই ফুৰিছিলো আৰু ধৰ্ম্ম আলোচনাত সিমান সোৱাদ পোৱা নাছিলো তথাপিও তেওঁৰ কথা-বতৰাত মই ৰস পাইছিলো। ইয়াৰ পাছত কেইবাজনো ধাৰ্ম্মিক পুৰুষক মই লগ পাইছো। আৰু বিভিন্ন সম্প্ৰদায়াৱলম্বী ধাৰ্ম্মিক পুৰুষক লগ পাবলৈ চেষ্টাও কৰিছিলো কিন্তু কোনো এজনকো ৰায়চন্দভাইৰ দৰে পোৱা নাই।

তেওঁৰ কথাবোৰ মোৰ হিয়াত সোমাইছিল। নৈতিক জীৱন ৰক্ষা কৰাত তেওঁৰ আগ্ৰহে মোক যি দৰে তেওঁলৈ আকৰ্ষিত কৰিছিল, সেই দৰে তেওঁৰ প্ৰখৰ বুদ্ধিলৈকো মোৰ শ্ৰদ্ধা বাঢ়িল। আৰু মনত দৃঢ়ৈ এই কথাষাৰ সোমাল যে তেওঁ কেতিয়াও মোক ইচ্ছা কৰি অবাটলৈ নিনিয়ে আৰু মোক তেওঁৰ অন্তৰৰ গুপ্ত কথা সকলো জনাব। আধ্যাত্মিক সঙ্কটৰ সময়ত তেৱেঁই মোৰ আশ্ৰয়।

তেওঁলৈ ইমান শ্ৰদ্ধা থকা সত্ত্বেও তেওঁক মোৰ গুৰু বুলি হিয়াত আসন দি বহুৱাব নোৱাৰিলো। হিয়াৰ সেই আসন এতিয়াও শূন্য আৰু মোৰ অন্বেষণ এতিয়াও চলি আছে।

গুৰু সম্বন্ধে হিন্দুৰ মতামত আৰু আধ্যাত্মিক সাধনাত তেওঁৰ প্ৰয়োজন মই বিশ্বাস কৰো। মই ভাবোঁ যে গুৰু নহলে সত্য জ্ঞান অসম্ভৱ। এই নীতিত বহুতো সত্য আছে। সাংসাৰিক কথাত অসম্পূৰ্ণ শিক্ষক এজন সহিব পাৰি, আধ্যাত্মিক কথাত তেনে কৰিব নোৱাৰি সম্পূৰ্ণ 'জ্ঞানী' পুৰুষ এজন হে গুৰুৰ আসনত বহিবলৈ, যোগ্য। সম্পূৰ্ণতা পাবলৈ অনন্ত চেষ্টা চলিবই লাগিব। কাৰণ যেনেকুৱা

গুৰুৰ বাবে যি যোগ্য,, তেনেকুৱা হে তেওঁ পায়। সম্পূৰ্ণতালৈ অনন্ত চেষ্টা সকলোৰে অধিকাৰ। এই চেষ্টা এই সাধনাই তেওঁৰ পুৰস্কাৰ। আমি সকলো ঈশ্বৰৰে হাতত।

যদিও ৰায়চন্দ্ৰ ভাইক মোৰ হিষাত গুৰুৰ আসনত মই বহুৱাব পৰা নাছিলো, তথাপিও তেওঁ মোক কেতিয়া কিদৰে বাট দেখুৱাই সহায় কৰিছিল সেইটো লাহে লাহে পাছত পাঠকসকলে দেখা পাব। আধুনিক জগতৰ তিনিজন পুৰুষে মোৰ জীৱনত দকৈ সাঁচ বহুৱাইছে। তেওঁলোকে মোৰ অন্তৰ জয় কৰিছে। ৰাযচন্দ্ৰভাইযে জীৱন্ত সংস্পৰ্শৰে, টলষ্টয়ে *The Kingdom of God is within you* বোলা কিতাপখনেৰে, ৰাস্কিনে *Unto this Last* বোলা কিতাপখনেৰে মোৰ অন্তৰ জয় কৰিছে। কিন্তু এই সম্পৰ্কে উপযুক্ত ঠাইত পাছত কোৱা হব।

মোৰ সংসাৰ প্ৰৱেশ

(২)

ককাইদেৱে মোৰ ওপৰত বৰ আশা কৰিছিল। ধন আৰু যশৰ আকাঙ্ক্ষা তেওঁৰ বৰকৈ হৈছিল। তেও উদাৰ বহল হিযাৰ পুৰুষ আছিল আৰু স্বভাব সহজ সৰল, সেই বাবে তেওঁৰ গুণত মুগ্ধ হৈ বন্ধু বহুতো গোট খাইছিল। এইসকলৰ সহাযত বহুতো মক্কেল মোক দিয়াব পাৰিব বুলি তেওঁ আশা কৰিছিল। ওকালতিত মোৰ নাম হব বুলি তেওঁ ধৰি লৈছিল আৰু সেই আশাতে ঘৰত খৰচ বৰকৈ

পেলাব ধৰিলে। ইফালে মই ওকালতি কৰিবলৈ যাতে সুবিধা পাওঁ, তাৰ বাবে চেষ্টাৰ অলপো ত্ৰুটি নাই।

মোৰ সাগৰ-যাত্ৰা লৈ আমাৰ সম্প্ৰদায়ৰ মাজত তেতিয়াও ধুমুহা চলি আছে। এই কথাই আমাৰ সম্প্ৰদায়ক দুফাল কৰিছিল। এটা দলে মোক ততালিকে জাতত ভৰি ললে, আনটো দলে জাতৰ বাহিৰ কৰিলে। প্ৰথমটো দলক সন্তুষ্ট কৰিবলৈ ককাইদেৱে মোক নাছিকলৈ নি তাৰ পবিত্ৰ নৈত গা ধুৱাই আনি ৰাজকোটৰ জাতিভাই সকলোকে এটা ভোজ দিলে। মই এইবোৰ একোকেই ভাল পোৱা নাছিলো। কিন্তু ককাইদেউৰ মোলৈ মৰম অসীম, আৰু সেই অনুপাতে মোৰো তেওঁলৈ ভক্তি বেছি সেই বাবে জড় বস্তুৰ দৰে তেওঁৰ ইচ্ছাই আইন মানি সকলো কৰিলো। মই জাতত সোমোৱা লৈ যি গোলমাল লাগিছিল তাৰ অন্ত পৰিল।

যিটো দলে মোক লবলৈ অস্বীকাৰ কৰিছিল, তেওঁলোকৰ মাজত ঠাই পাবলৈ মই কেতিয়াও চেষ্টা কৰা নাছিলো। সেইবাবে সেই পক্ষৰ নেতাসকলৰ ওপৰত মোৰ খঙো নাই। এই সকলৰ কিছুমানে মোক ঘিণৰ চকুৰে চাইছিল সেই বাবে মযো তেওঁলোকৰ বাট গচকা এৰিলো। এঘৰীয়া কৰা সম্পৰ্কে সমাজৰ যিবোৰ নিয়ম কানুন আছিল সকলো মই মানি চলিছিলো এই বোৰ নিয়মতে মোৰ জ্ঞাতি কুটুম্বৰ কোনোৱেই,—মোৰ শহুৰ, শাহু, ভনী আৰু বৈনাই, কোনোৱেই— মোক খুৱাব নোৱাৰে আৰু মযো তেওঁলোকৰ ঘৰত পানী এটোপাও গ্ৰহণ কৰা নাছিলো। তেওঁলোকে মনে মনে এইবোৰ নিয়ম ভাঙিবলৈ সাজু আছিল, কিন্তু যিটো কাম প্ৰকাশ্যভাৱে কৰিব নোৱাৰি সেইটো কাম গোপনে কৰা মোৰ স্বভাৱৰ বিপৰীত।

এইদৰে মই আচৰণ কৰাত আমাৰ সম্প্ৰদায়ৰ লোক সকলে মোক

আমনি কৰা নাছিল। বৰঞ্চ এতিয়াও মোক যি সকলে এধৰীয়া বুলি ভাবে সেই সকলেও মোক সদায় মৰমৰ চকুৰেই চাইছে সম্প্ৰদায়ৰ কিবা উপকাৰ কৰিম বুলি কেতিয়াও আশা নকৰি মোৰ কামত তেওঁলোকে সহায় কৰিছে। মোৰ বিশ্বাস মোৰ অপ্ৰতিৰোধেই এই ভাল ভাবৰ কাৰণ। জাতত সোমাবলৈ আন্দোলন চলোৱা হলে, জাতৰ মানুহবোৰক কেইবাটাও খেলত বিভক্ত কৰা হলে, জাতৰ তেওঁলোকক উত্তেজিত কৰা হলে তেওঁলোকেও মোৰ ওপৰত প্ৰতিশোধ ললেহেঁতেন। আৰু বিলাতৰপৰা উলটি আহি ধুমুহাৰ হাত সৰা দূৰৰ কথা, আন্দোলনৰ বা-মাৰনীত পৰিলো হেতেন।

ঘৈণীৰ লগত যি দৰে সম্বন্ধ হোৱা মই ইচ্ছা কৰিছিলো, সেইদৰে তেতিয়ালৈকেও হোৱা নাছিল। ঘৈণীক সন্দেহ কৰা বায়ুৰ পৰা মই নিজক মুক্ত কৰিব পৰা নাছিলো। প্ৰতি সামান্য কথাতেই সন্দেহ কৰা তেতিয়া লৈকেও মোৰ স্বভাৱ আছিল। সেইবাবে মোৰ হিয়াৰ বাসনা পূৰ হোৱা নাছিল। তেও লিখা পঢ়া শিকিব মই তেওঁক পঢ়াত সহায় কৰিম এয়ে মোৰ অন্তৰৰ বাসনা আছিল কিন্তু মোৰ কাম ভাবেই অন্তৰায় হল, আৰু মোৰ এই দোষৰ বাবে তেওঁ বৰ দুখ পাবলগীয়া হল। আন কি, এবাৰ দেউতাকৰ ঘৰলৈ পঠাই তেওঁক মনোকষ্ট দিয়াৰ পাছতহে ঘৰলৈ আনিবলৈ মান্তি হৈছিলো। পাছত মই দেখিলো এই বোৰ সকলো মোৰ নিজৰ ভুল মাথোন।

লৰা-ছোৱালীৰ শিক্ষাৰ সংস্কাৰ সম্বন্ধে মই বহুতো কল্পনা কৰি ছিলো। মোৰ ককাইদেউৰ লৰা–ছোৱালী আছিল আৰু মই বিলাতলৈ যাওঁতে যিটো কেচুৱা এৰি থৈ গৈছিলো, সিও এতিয়া ৪ বছৰীয়া হৈছে। ইয়াক শাৰীৰিক ব্যায়াম শিক্ষা দি কষ্টসহিষ্ণু কৰা আৰু মোৰ ব্যক্তিগত তত্ত্বাৱধানৰ সুবিধা দিয়া মোৰ ইচ্ছা আছিল। লৰ

ছোৱালীহঁতৰ লগ সঙ্গ মই ভাল পাইছিলো আৰু ধেমালি কৰা মোৰ এতিয়াও অভ্যাস। তেতিয়াৰ পৰা মই ভাবি আহিছোঁ যে মই লৰা ছোৱালীৰ সজ শিক্ষক হব পাৰিম।

আমাৰ আহাৰৰ সংস্কাৰৰ একান্ত প্ৰয়োজন বুজি পালো। চাহ আৰু কফিয়ে আমাৰ ঘৰত ঠাই লৈছেই। মই উলটি আহিলে ঘৰত বিলাতী আদব-কায়দা চলোৱা যুগুত বুলি ককাইদেৱে ভাবিছিল। আৰু সেই বাবে চীনামাটিৰ বাচন, কাটা চামুচ আদি ঘিবোৰ বস্তু আগতে বিশেষ দিনত ব্যবহাৰৰ বাবে আছিল, সেইবোৰ এতিয়া সাধাৰণ ব্যৱহাৰত চলিবলৈ ধৰিলে। এনেতে মই আহি পালো, মোৰ সংস্কাৰৰ স্পৃহাই আমাৰ ঘৰত নতুন ৰহন দিলে, 'ওটমীলৰ পৰিজ' সোমাল, চাহ-কফিয়ে ঠাই ললেহি কোকোৰ, কিন্তু আচলতে চাহ আৰু কফি উপৰন্তুকৈ চলিবলৈ ধৰিলে। বুট জোতাৰ ব্যৱহাৰ চলিছেই। মই জানিবা যুৰোপীয় সাজ পাৰ আমদানী কৰি ঘৰখন পূৰা মাত্ৰাই যুৰোপীয় কৰিলো।

এইদৰে খৰচ বাঢ়ি যাবলৈ ধৰিলে। নিতৌ নতুন নতুন বস্তু আমাৰ প্ৰয়োজনীয় বস্তুৰ তালিকাত সুমাই লোৱা হল। ঘৰত বগা হাতী বন্ধা হল। কিন্তু টকা কেনেকৈ আহে? ৰাজকোটত বেৰিষ্টাৰী কৰাৰ অথ বিদ্রূপৰ পাত্র হোৱা। এজন উকিলৰ সমানে জ্ঞান হোৱা নাছিল, তথাপি তেওঁতকৈ দহগুণে বেছিকৈ পাবলৈ মই আশা কৰো। কোনো মক্কেল এনে নিৰ্ব্বোধ নহয় যে মোক ধৰিব। এনে মক্কেল পালেও তেওঁৰ মোকৰ্দ্দমা লৈ মই দুগুণেদোষী নহম নে? আইন সম্পৰ্কে মই অজ্ঞ, এয়েই আঁতিছে, আৰু ইয়াৰ ওপৰত আস্পৰ্দ্ধা আৰু লোকক প্ৰতাৰণা কৰা দোষত নিজক জগৰীয়া নকৰিমনে? মই যি ঋণৰ বোজা জাপি লৈছো' ইয়াৰে তাকেই আৰু বঢ়াম নে?

বোম্বেলৈ গৈ হাইকোৰ্টৰ অভিজ্ঞতা লাভ কৰিবলৈ আৰু তাত

ভাৰতীয় আইন পঢ়িবলৈ বন্ধুসকলে পৰামৰ্শ দিলে আৰু নিজৰ সাধ্যমতে পাৰিলে মোকৰ্দ্দমাও লবলৈ কলে। তেওঁলোকৰ এই পৰামৰ্শ গ্ৰহণ কৰি মই বোম্বেলৈ আহিলো।

মোৰ দৰেই এজন অনভিজ্ঞ ৰান্ধনি লৈ ঘৰ পাতিলো। তেওঁ বামুণ আছিল। তেওঁক মই চাকৰৰ দৰে ব্যৱহাৰ কৰা নাছিলো; বৰঞ্চ পৰিয়ালৰ মানুহ বুলিয়েই তেওঁক ধৰি লওঁ। তেওঁ গাত পানী ঢালিছিল, কিন্তু গা কেতিয়াও নধোৱে। চুৰিয়া আৰু লগুণ ক'লো অপৰিস্কাৰ। শাস্ত্ৰ সম্পৰ্কে তেনেই অনভিজ্ঞ। কিন্তু তেওঁতকৈ ভাল ৰান্ধনি মই পাওঁ কেনেকৈ?

হেৰা ৰবিশঙ্কৰ, (কাৰণ তেওঁৰ নাম ৰবিশঙ্কৰ আছিল) তুমি ৰন্ধা-বঢ়া নাজানিব পাৰা, কিন্তু তুমি গায়ত্ৰী জনা উচিত।

"সন্ধ্যা গায়ত্ৰী! নাঙলেই আমাৰ গায়ত্ৰী, কোৰখনেই আমাৰ দৈনিক পূজা। মই তেনে বিধৰ বামুণ। আপোনাৰ দয়াৰ ওপৰত হে মই আছো, নহলে খেতি-বাতিয়েই মোৰ উপায়।

সেইবাবে মই ৰবিশঙ্কৰৰ শিক্ষক হব লগীয়া হল। সময়ো যথেষ্ট আছিল। ৰন্ধা-বঢ়াৰ আধখিনি মযেই কৰো, আৰু বিলাতী নিৰামিষ আহাৰৰ পৰীক্ষাও এই লগতে চলিল। এটা ষ্টোভ কিনি ৰবিশঙ্কৰেৰে-সৈতে ৰন্ধা বঢ়াৰ কাম চলাবলৈ ধৰিলো। আন্তৰ্সাম্প্ৰদায়িক ভোজন সম্পৰ্কে মোৰ বিৰুদ্ধ মত নাছিল আৰু ৰবিশঙ্কৰৰো নাছিল লাহে লাহে নোহোৱা হল। সেইবাবে আমি দুয়ো সুখেৰে দিন নিয়াবলৈ ধৰিলো। মাথোন এটা অন্তৰায় আছিল, অপৰিষ্কাৰ হৈ থাকিবলৈ আৰু পাক-ঘৰ অপৰিস্কাৰ কৰি ৰাখিবলৈ ৰবিশঙ্কৰ দৃঢ়-প্ৰতিজ্ঞ।

বোম্বেত ৪।৫ মাহতকৈ সৰহ দিন থকা মোৰ পক্ষে অসম্ভৱ আছিল। কাৰণ সদায় বাঢ়ি যোৱা ব্যয় কুলাবলৈ টকা উপাৰ্জ্জন কৰিব পৰা নাছিলো।

এইদৰে মই সংসাৰ আৰম্ভ কৰিলো। বেৰিষ্টাৰি ব্যৱসায় বৰ বেয়া বুলি এতিয়া মই বুজি পালো। বাহিৰত বং চং মাথোন ভিতৰত কেৱল—ভাতুৰী।

মোৰ প্ৰথম মোকদ্দমা

(৩)

বোম্বেত থাকোতে, মই এফালে ভাৰতীয় আইন পাঠ, আনফালে আহাৰ সম্বন্ধে পৰীক্ষাত লাগিলো—আহাৰ সম্বন্ধীয় পৰীক্ষাত মোৰ বন্ধু বীৰচাঁদ গান্ধীয়েও মোৰ লগত যোগ দিলেহি। কৰাইদেৱে হলে মোকৰ্দ্দমা বিচাৰি আনি দিয়াৰ যত্নত আছিল।

ভাৰতীয় আইন পঢ়া বৰ শ্ৰমসাধ্য কাম। দেৱানী কাৰ্য্যবিধি-আইনখনত বৰকৈ আগ বাঢ়িব পৰা নাছিলো। 'ইভিডেন্স এক্ট'ত হওঁতে সেইদৰে হোৱা নাছিল। বীৰচাঁদ গান্ধীয়ে ছলিছিটাৰৰ পৰীক্ষাৰ কাৰণে পঢ়ি আছিল, বেৰিষ্টাৰ আৰু উকীলৰ সম্বন্ধে সকলোবিধৰ গল্প মোক কয়হি। তেওঁ কয় যে ছাৰ ফেৰোজ শ্বাহ যে ইমান ডাঙৰ বেৰিষ্টাৰ, তাৰ কাৰণ হৈছে আইনৰ ধাৰা বিলাকত তেওঁৰ অগাধ জ্ঞান। 'ইভিডেন্স এক্ট'খন তেওঁৰ কন্ঠস্থ আৰু ৩২ টা ধাৰাৰ সকলো মোকৰ্দ্দমা তেওঁ জানে। বদৰউদ্দীন তায়বজীৰ তৰ্কৰ আচৰিত ক্ষমতাই জজকো ভয় খুৱায়।

এই সকল বৰ পুৰুষৰ কথা শুনি মোৰ মনত ভয় সোমাল।

"পাচ সাত বছৰ খৰলি খোৱাটো বেৰিষ্টাৰৰ পক্ষে একেবাৰেই নহয়। সেইবাবে হে মই ছলিছিটাৰৰ পৰীক্ষা দিবলৈ স্থিৰ কৰিছো। তিনি বছৰৰ ভিতৰত তুমি নিজৰ নাওখন নিজে চলাব পৰা হলে নিজক সৌভাগ্যবান বুলি ধৰিবা।" ইত্যাদি তেওঁ মোক কৈ থাকে।

খৰচ মাহে মাহে বাঢ়িবই লাগিছে। ঘৰৰ বাহিৰত বেৰিষ্টাৰিৰ চাল, ভিতৰত নিজক বেৰিষ্টাৰিত উপযুক্ত কৰা, এই দুয়োটা কথা খাপ খুৱাব পৰা নাছিলো। সেইবাবে পঢ়াশুনাত মই একাণপতিয়াকৈ লাগিব পৰা নাছিলো। "ইভিডেন্স এক্ট'খনলৈ মোৰ অলপ ধাউতি জন্মিল আৰু মেইনৰ হিন্দু আইনখন বৰ মন দি পঢ়িলো। কিন্তু তথাপিও এটা মোকৰ্দ্দমা চলাবলৈ মোৰ সাহ নহল। মই কিদৰে অসহায় হৈছিলো সেইটো কথাৰে বুজাব নোৱাৰো; নছোৱালীয়ে শহুৰৰ ঘৰলৈ প্ৰথম অহাবদৰে আদালতত মই অসহায় হৈছিলো।

এই সময়তে মই মামীবাই নামৰ এজনী তিৰোতাৰ মোকৰ্দ্দমা লৈছিলো। মোকৰ্দ্দমা 'স্মলকজ'ৰ আদালতৰ আছিল। দালালক কমিশ্যন দিব লাগিব বুলি মোক কোৱা হৈছিল। মই জোৰেৰে অস্বীকাৰ কৰিলো। 'কিন্তু আমাৰ অমকা ডাঙৰীয়া বেৰিষ্টাৰে মাহেকত তিনি চাৰি হেজাৰ টকা উপাজ্জৰ্জন কৰে, আন কি, তেওঁ কমিশ্যনো দিয়ে।' 'তেওঁলোকৰ লগত অৰিয়া-অৰি কৰিবৰ একো প্ৰয়োজন নাই। ৩০০ টকা পালেই মোৰ হল। দেউতাই ইয়াতকৈ বেছি পোৱা নাছিল।"

"কিন্তু তাহানিৰ দিন এতিয়া নাই। বোম্বেৰ খৰচ-পাতি বৰ ভয়ানক ৰকমে বাঢ়ি গৈছে। এতিয়া বেপাৰী মানুহৰ দৰে হোৱা উচিত।"

মোৰ প্ৰথম মোকৰ্দ্দমা

শিলৰ দৰে মই কঠিন আছিলো। কমিশ্যন নিদিলো—তথাপিও মামীবাইৰ মোকৰ্দ্দমা মই পালো। মোকৰ্দ্দমাটো সামান্যই আছিল। ৩০ টকা ফিজ ধৰিলো। মোকৰ্দ্দমাটো এদিনতকৈ সৰহ দিন স্থায়ী হোৱাৰ আশা নাই। 'স্মল কজেজ কোৰ্ট'ত এয়ে মোৰ প্ৰথম আৰম্ভ। আছামীৰ পক্ষ লৈ মই থিয় দিলোঁ আৰু সেইবাৰে ফৰিয়াদীৰ সাক্ষী-বোৰ জেৰা কৰিবলগীয়া হল। মই থিয় হলো, কিন্তু ভয়তে মোৰ হাও ভৰি পেটতে লুকাল। মোৰ মূৰ ঘূৰিবলৈ ধৰিলে। মোৰ মনত হল যে সমুদায় আদালত খনেই ঘূৰি আছে। কি প্ৰশ্ন সুধিম ভাবি একোৱেই উৱাদিহ নাপালো। জজে নিশ্চয়েই হাঁহিছিল আৰু উকীল সকলেও মোৰ দুৰৱস্থা দেখি নিশ্চয় তামাচা পাইছিল। কিন্তু কোনে কি কৰিছে তালৈ মন কাণ দিয়া মোৰ দৃষ্টিৰ অতীত। মই বহি পৰিলো আৰু এজেণ্ট জনক কলোঁ "মই মোকৰ্দ্দমা চলাব নোৱাৰো। মিঃ পাটেলক ধৰিলেই ভাল মোৰপৰা ফিজখিনি ওলটাই লব পাৰে।" মিঃ পাটেলক ৫১ টকাত ধৰা হল। তেওঁৰ কাৰণে অৱশ্যে এই মোকৰ্দ্দমা লৰাৰ ধেমালি হে আছিল।

মই আদালতৰপৰা লৰালৰিকে ওলালো। মোৰ মক্কেল মোকৰ্দ্দমাত জিকিল নে হাৰিল মোৰ মনত নাই। কিন্তু নিজৰ অজ্ঞতাত বৰ লাজ পালোঁ। আৰু যেতিয়ালৈকে মোকৰ্দ্দমা চলাবলৈ সাহ নহয় তেতিয়ালৈকে মোকৰ্দ্দমা ললবলৈ স্থিৰ কৰিলো। বাস্তৱিকতে দক্ষিণ আফ্ৰিকালৈ নোযোৱালৈকে মই আদালতত হাজিৰ হোৱা নাছিলোঁ। এই সিদ্ধান্তত মোৰ যে কিবা সাধুতা আছিল, ই নহয়। এই সাধুতা প্ৰয়োজনৰ হে—কাৰণ এনেকুৱা মূৰ্খ কোনোবা আছে নে, যি মোক মোকৰ্দ্দমা দি হাৰিবলৈ ইচ্ছা কৰিব। বোম্বেত মোৰ বাবে আৰু এটা মোকৰ্দ্দমা আছিল। ই হৈছে এখন দৰ্খাস্ত লিখি দিয়া। পোৰবন্দৰৰ

দুখীয়া মছলমান এজনৰ মাটি বাজেয়াপ্ত হৈছিল। যোগ্য দেউতাকৰ যোগ্যপুত্র বুলি ভাবি মোৰ ওচৰলৈ সি আহিল। তাৰ মোকৰ্দ্দমা বৰ সুবিধাৰ নাছিল। তথাপিও দৰ্খাস্তখন লিখি দিবলৈ গাত ললো। ছাপাৰ খৰচ অৱশ্যে সি দিব। মই লিখি বন্ধুসকলক পঢ়ি শুনালো। তেওঁলোকে পঢ়ি শলাগিলে; এয়েই মোৰ মনত আত্মবিশ্বাস জন্মালে যে মই মেমোৰিয়েল এখনৰ আঁচনি তৈয়াৰ কৰিবলৈ সমৰ্থ—বাস্তৱিকে মই ইয়াৰ বাবে সমৰ্থ আছিলো।

ফিজ নোলোৱাকৈ মেমোৰিয়েল লিখি দিয়া হলে মোৰ বেপাৰ অলপ বাঢ়িলেহেঁতেন। কিন্তু তাকে কৰিলে তো পেট নভৰে। সেই বাবে ভাবিলো যে মই শিক্ষকৰ কামো লব পাৰোঁ। ইংৰাজী মোৰ ভালকৈ পঢ়া আছিল আৰু কোনো স্কুলত মেট্রিকুলেশ্যনৰ লৰাহঁতক ইংৰাজী শিকাবলৈ ভাল পালোহেঁতেন। ইয়াবে কিন্তু খৰচ কুলাব পাৰিলোহেঁতেন। এনেতে বাতৰি কাকতত এখন জাননী দেখা পালোঁ "এজন ইংৰাজী শিক্ষক লাগে। এঘণ্টাকৈ পঢ়াব লাগিব। দৰ্ম্মহা ৭৪৲ টকা, জাননীখন এখন নাম থকা স্কুলৰ পৰা গৈছিল। মই ইয়াৰ বাবে দৰ্খাস্ত দিলো। দেখা কৰিবলৈ মোক মাতি পঠালে। বৰ আনন্দ মনেৰে মই তালৈ গলো, কিন্তু প্রিন্সিপালে মই গ্ৰেজুযেট নহওঁ বুলি জানিলত মোক লবলৈ অস্বীকাৰ কৰিলে।

"কিন্তু দ্বিতীয ভাষা স্বৰূপে লণ্ডনৰ মেট্রিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হৈছোঁ।"

"সঁচা, কিন্তু আমি গ্ৰেজুযেট বিচাৰো।" ইয়াৰ বাবে কোনো উপায় নাছিল। মই নিৰাশ হৈ উলটিলো। ককাইদেৰো মোৰবাবে বৰ চিন্তিত। আমি এই সিদ্ধান্ত কৰিলো যে বোম্বেত টকা পয়ছা খৰচ কৰাৰ একো সকাম নাই। ৰাজকোটত ককাইদেউ সামান্য উকীল। তাতেই বহিলে

দৰ্খাস্ত মেমোৰিয়েল লিখা আদি কাম মোক দিয়াৰ পাৰিব। ইয়াৰ উপৰিও ৰাজকোটত এটা ঘৰ আছেই। বোম্বেৰ ঘৰ উঠালেও বহুত খৰচ কমে। এই প্ৰস্তাৱ মোৰ মনত লাগিল। বোম্বেত ছমাহ থকাৰ পাছত বোম্বেৰ সৰু সুৰা গৃহস্থালিৰ অন্ত পৰিল। বোম্বেত থাকোতে হাইকোর্ট লৈ সদায় গৈছিলো, কিন্তু তাত যে কিবা শিকিছিলোঁ, সেইটো কব নোৱাৰো। বেছি জানিবলৈকো মোৰ যথেষ্ট জ্ঞান হোৱা নাছিল। কেতিয়াবা মই মোকৰ্দ্দমাবোৰ বুজিব নোৱাৰি টোপনিয়াইছিলো। আৰু কেইবাজনেও মোৰ দৰে টোপনিয়াইছিল। সেইবাবে লাজ কিছু কমিছিল। আৰু লাহে লাহে কিছুদিনৰ পাছত লাজ লগাও গুচিল; কাৰণ মই ভাবিবলৈ ধৰিলো যে হাইকোর্টত টোপনিয়াও এটা দস্তুৰ। বোম্বেত মোৰ দৰে মোকৰ্দ্দমা নোপোৱা বেৰিষ্টাৰ এতিয়াও থাকিলে কামত লগা সামান্য উপদেশ এটা মই দিও; মই গিৰগাওঁত আছিলো, কাচিৎ হে ট্ৰামকাৰ নাইবা গাড়ীত হাইকোর্টলৈ গৈছিলো। হাইকোর্টলৈ খোজ কাঢ়ি যোৱা এটা নিয়ম কৰি লৈছিলো। ৪৫ মিনিট মোৰ লাগিছিল। আৰু অৱশ্যে সদায় মই ঘৰলৈ খোজ কাঢ়ি উলটি আহিছিলো। ৰদত খোজ কঢ়াত মই অভ্যস্ত হৈছিলো। আদালতলৈ খোজ কাঢ়ি যোৱা আৰু অহাত বহুতো খৰচ কমিল; মোৰ বহুতো বন্ধু হলে ৰদত খোজ কঢ়াৰ বাবে নৰিয়াত পৰিছিল, কিন্তু মোৰ হলে এবাৰো বেমাৰ হোৱা মনত নাই। আৰু মই টকা উপাৰ্জ্জন কৰিবলৈ ধৰাৰ পাছতো খোজ কঢ়াৰ অভ্যাস ৰাখিছিলো। আৰু এতিয়াও ইয়াৰ বাবে সুখ্যাতি মই পাইছোঁ।

প্ৰথম আঘাত

(৪)

নিৰাশ হৈ বোম্বে এৰি ৰাজকোট পালোহি ইয়াত এটা নিজৰ অফিছ্ পাতি কোনো ৰকমে চলিব লাগিলোঁ। আর্জি আৰু মেমোৰিয়েল আদি আঁচি দিয়াত মাহেকত গড়ে ৩০০ টকা উপাৰ্জ্জন হৈছিল। যোগ্যতাতকৈ প্ৰতিপত্তি থকা বাবেই এইবিলাক কাম মোৰ হাতলৈ আহিছিল; কাৰণ ককাইদেউৰ অংশীদাৰ জন প্ৰতিষ্ঠিত উকিল আছিল। দায়িত্বপূৰ্ণ আৰু গুৰুত্বৰ বোধ হোৱা আৰ্জিৰ আঁচনি ডাঙৰ ডাঙৰ বেৰিষ্টাৰলৈ পঠাই দুখীয়া মোক্কেলৰ আৰ্জি আঁচি দিবলৈহে তেওঁ মোলৈ পঠাইছিল।

বোম্বেত দালালক কমিশ্যন নিদিয়া নীতি মই যি দৰে পালন কৰিছিলো, ইয়ালৈ আহি তাৰ সংশোধন কৰিব লগীয়া হল বুলি ইয়াতেই স্বীকাৰ কৰিব লাগিব। এই ঠাইত কথা স্বকীয়া বুলি মোক কোৱা হৈছ। বোম্বেত দালালক কমিশ্যন দিব লাগে, কিন্তু ইয়াত যি উকিলে ধৰে তেওঁক দিব লাগে আৰু ইয়াত এজনো বাদ নোহোৱাকৈ সকলো বেৰিষ্টাৰেই উকীলক তেওঁলোকৰ নিজৰ এটা অংশ কমিশ্যন বুলি দিয়ে। মই ককাইদেউৰ যুক্তিৰ উত্তৰ দিব পৰা নাছিলো। তেওঁ কলে—'চোৱা—আন এজন উকীলৰ লগত মই অংশীদাৰ। তুমি যিবোৰ মোকৰ্দ্দমা পাবা মই তোমাক দিবলৈ সদায়

সাজু; তুমি কমিশ্যন দিবলৈ অস্বীকাৰ কৰিলে তুমি মোক বিপদত পেলাবা। তুমি আৰু মই একে পৰিয়ালৰ, তোমাৰ ফিজ তোমাৰ ঘৰলৈ আহে আৰু স্বাভাবিকতে মই এটা অংশ পাওঁ, কিন্তু মোৰ অংশীদাৰ জনৰ কি হয়? ধৰা সেই মোকৰ্দ্দমাটো তেওঁ অন্য কোনো বেৰিষ্টাৰক দিয়া হলে, তেওঁ নিশ্চযেই, এটা কমিশ্যন পালেহেঁতেন।” এই কথাবোৰত মই ভোল গলো আৰু ভাবিলো যে বেৰিষ্টাৰি কৰি খাবলগীয়া হলো এনেবিলাক মোকৰ্দ্দমাত কমিশ্যন দিয়া সম্বন্ধে মোৰ নীতিত আকোঁৰ্গজালিকৈ ধৰি থাকিব নোৱাৰো। এইদৰেই মই কমিশ্যন দিয়াত মান্তি হলো। যি হওক অন্য কোনো মোকৰ্দ্দমাত কমিশ্যন দিয়া মোৰ মনত নপৰে।

যদিও মই এইদৰে কোনো ৰকমে পেটে ভাতে চলি আছিলো, এই সময়তে জীৱনত মই প্ৰথম আঘাত পাওঁ। ব্ৰিটিশ অফিচাৰ কেনেকুৱা মই শুনিছিলো, কিন্তু এতিয়ালৈকে এবাৰো এনে পুৰুষৰ লগত মোৰ প্ৰত্যক্ষ চিনাকী হোৱা নাছিল।

পোৰ বন্দৰৰ ভগাজনা বাণাছাহাব গাদীত বহিবৰ পূৰ্ব্বতে ককাইদেউ তেওঁৰ ছেক্ৰেটৰী আৰু পৰামৰ্শদাতা আছিল। আৰু সেই কাম কৰি থাকোতে ভুল পৰামৰ্শ দিয়া অভিযোগত তেওঁ পৰিছিল। এই বিষয়টো পলিটিকেল এজেন্টৰ ওচৰ পাইছিল গৈ। ককাইদেউৰ ওপৰত তেওঁৰ ভুল ধাৰণা আছিল। এই গৰাকী কৰ্ম্ম-চাৰী ইংলণ্ডত থাকোতে মোৰ লগত চিনাকি আছিল আৰু তেওঁ বন্ধু ভাৱেৰেই চলিছিল বুলি কব পাৰি। ককাইদেৱে ভাবিলে যে মই এই বন্ধুতাৰ সুযোগ লৈ তেওঁৰ হকে দুআষাৰমান কৈ পলিটিকেল এজেন্টৰ মনৰপৰা ভুল ধাৰণা গুচাবলৈ চেষ্টা কৰা উচিত। মই হলে এই কথাষাৰ অলপো ভাল পোৱা নাছিলো। মই ভাবিছিলো যে

ইংলেণ্ডত মোৰ লগত হোৱা সামান্য পৰিচয়ৰ সুবিধা লোৱাটো অনুচিত, ককাইদেৱে কিবা কৰি থাকিলে, মোৰ অনুমোদনৰ কি মূল্য আছে? আৰু দোষ নকৰিলে উচিতমতে এখন আবেদন দি নিজৰ নিৰ্দ্দোষিতাত স্থিৰ বিশ্বাস ৰাখি সকলো ফলাফল মূৰপাতি লোৱা উচিত। এই উপদেশ ককাইদেউৰ ভাল নালাগিল তেওঁ কলে—"তুমি কাথিৱাৰ চিনি নোপোৱা; এতিয়াও সংসাৰখন তুমি জানিব লগীয়া আছে। প্ৰতিপত্তিতেই সকলো। তুমি ভাই হৈ কৰ্ত্তব্যৰপৰা পাছ হোঁহোকা উচিত নহয়। যি স্থলত মোৰ সম্বন্ধে এজন তোমাৰ জনা শুনা কৰ্ম্মচাৰীৰ ওচৰত এটা কথা কব পাৰা।"

তেওঁৰ কথা মই পেলাব নোৱাৰিলো আৰু সেইবাবে উক্ত কৰ্ম্মচাৰী জনৰ লগত দেখা কৰিবলৈ নিজৰ ইচ্ছাৰ বিৰুদ্ধে ওলালো। মই জানিছিলো যে তেওঁৰ ওচৰ চপাৰ মোৰ একো অধিকাৰ নাই আৰু মোৰ আত্মসম্মানৰ লাঘৱ হৈছে বুলিও মই বেছকৈ বুজি পাইছিলো। যি হওক, মই তেওঁলৈ লিখি দেখা কৰিবলৈ সময় নিৰ্দ্দিষ্ট কৰি ললো। তেওঁৰ পূৰ্ব্বৰ পৰিচয়ৰ কথা সোঁৱৰাই দিলো। কিন্তু দেখিলো যে কাথিৱাৰ ইংলণ্ড নহয়; ইয়াৰ মাজত বহুতো পাৰ্থক্য আৰু ছুটিত থকা কৰ্ম্মচাৰী আৰু নিজৰ কামত থকা কৰ্ম্মচাৰী একেজন মানুহ হলেও, সম্পূৰ্ণ সুকীয়া। পলিটিকেল এজেণ্টে পৰিচয় স্বীকাৰ কৰিলে, কিন্তু এই কথাষাৰ সোঁৱৰাই দিয়া তেওঁৰ টান হল। "তুমি সেই পৰিচয়ৰ অপব্যৱহাৰ কৰিবলৈ আহিছা নে কি?"—তেওঁৰ আও ভাও আৰু চকুৰ দৃষ্টিৰ এয়েই অৰ্থ বুলি মই বুজিলো। তথাপিও মই কথাৰ টোপোলা মেলিলো। ইযাতেই ছাহাবৰ ধৈৰ্য্যচ্যুতি হল। "তোমাৰ ককায়েৰা ষড়যন্ত্ৰী, তোমাৰপৰা মই আৰু একো নুশুনো। মোৰ সময় নাই। তেওঁৰ কিবা কব লগীয়া থাকিলে উচিত বাটেদি

দৰ্খাস্ত দিয়ক।" এই উত্তৰেই যথেষ্ট আছিল, কিন্তু স্বাৰ্থপৰতাত অন্ধ মই নিজৰ কথা তথাপিও কবলৈ ধৰিলো। ছাহাবে খিয হৈ কলে "তুমি এতিযাই যোৱা।"

"কিন্তু আপুনি মোৰ কথা শুনক" মই কলো, এই কথাষাৰত তেওঁৰ বৰ খং উঠিল। তেওঁ নিজৰ পিয়নৰ মাতি পঠালে আৰু মোক বাট দেখুৱাই দিবলৈ কলে। মই তথাপিও বহিকি আছো, এনেতে পিয়ন আহি মোৰ ডিঙিত হাত দি খোটালীটোৰপৰা উলিয়াই পঠালে।

ছাহাবো গুচি গল আৰু পিয়নে তাৰপৰা আঁতৰ হল। মই খঙত ফুলি পকি গুচি আহিলো। আৰু ততালিকে এইদৰে এখন চিঠি লিখি পঠালো,—"আপুনি মোক অপমান কৰিছে। আপুনি মোক পিযন লগাই মৰালে এই সম্পৰ্কে কিবা এটা নকৰিলে, আপোনাৰ বিৰুদ্ধে গোচৰ কৰিব লাগিব।"

তেওঁ ঘোড-ছোৱাৰী কটকী পঠাই ততালিকে উত্তৰ পঠালে। "তুমি মোৰ লগত অভদ্ৰ ব্যৱহাৰ কৰিছা। তোমাৰ মই যাবলৈ কৈছিলো, কিন্তু তথাপিও তুমি যোৱা নাছিলা। পিযন লগাই বাট নেদেখুৱাৰ বাহিৰে মোৰ অন্য এবো উপায নাছিল। সেইবাবে সি দৰকাৰ মতে বল প্ৰয়োগ কৰি তোমাক উলিযাই দিব লগীয়া হৈছিল। তুমি যি ইচ্ছা তাকে কৰিব পাৰা।'

এই উত্তৰ জেপত লৈ হতগৰ্ব্ব হৈ ঘৰলৈ উনটি আহিলো। আৰু ককাইদেউক সকলো কথা জনালো। তেওঁ বৰ দুখ পালে কিন্তু মোক কিদৰে প্ৰবোধ দিব পাৰে তাকেই ভাবি কিংকৰ্ত্তব্যবিমূঢ় হোৱাদি হল। উকীল বন্ধু সকলক তেওঁ সকলো কলে। কাৰণ ছাহাবৰ বিৰুদ্ধে কি কৰিব লাগিব মই জনা নাছিলো, সেই সময়ত কিবা এটা মোকৰ্দ্দমাৰ

ৰাখে ছাৰ ফেৰোজ শ্বাহ মেহটা ৰাজকোটতেই আছিল। মোৰ দৰে এজন "জুনিয়ৰ" বেৰিষ্টাৰ তেখেতৰ লগত দেখা কৰিবলৈ সাহ কৰে কেনেকৈ? সেই বাবে তেখেতক নিযুক্ত কৰা উকিল জনৰ যোগেদি সকলো কাকত পত্ৰ তেখেতলৈ পঠাই দি তেখেতৰ উপদেশ বিচাৰি পঠালো। তেখেতে কলে--"গান্ধীক কব যে বহুতো উকিল আৰু বেৰিষ্টাৰৰ এনেকুৱা হয়েই। তেওঁ এতিয়া নতুন কৈ বিলাতৰপৰা আহিছে আৰু সেইবাবে তেওঁৰ তেজ তপত। তেওঁ ব্ৰিটিশ অফিছাৰক নাজানে, ইযাত যদি উপাৰ্জ্জন কৰি সুখেৰে দিন নিযাবলৈ ইচ্ছা কৰে তেন্তে কাকত-পত্ৰ ফালি পেলাই এই অপমান সহ্য কৰি থাওক। ছাহা-বৰ বিৰুদ্ধে মোকৰ্দ্দমা চলোৱাত তেওৰ একো লাভ নাই বৰঞ্চ নিজৰ ক্ষতি হে হব। কব যে সংসাৰ সম্বন্ধে জানিব লগীয়া তেওঁৰ এতিয়াও বাকী আছে।

বিহৰদৰে এই উপদেশ মোৰ পক্ষে তিতা লাগিছিল, কিন্তু তথাপিও গিলিব লগীযা হল। এই অপমান নিজে বুটলি ললো। ইযাতে মোৰ যথেষ্ট শিক্ষা হল। এনেকুৱা বিপদত নিজক কেতিযাও নেপেলাও, কেতিয়াও বন্ধুতাৰ সুবিধা নলও' ইযাবে মই নিজৰ মনতে কলো। আৰু তেতিযাৰে পৰা সেই প্ৰতিশ্ৰুতি কেতিযাও ভঙ্গ কৰা নাছিলো। এই আঘাতেই মোৰ জীৱনৰ গতি লৰালে।

দক্ষিণ আফ্রিকালৈ যাত্ৰাৰ আয়োজন

(৫)

সেই কৰ্ম্মচাৰীজনৰ ওচৰলৈ যোৱা মোৰেই দোষ হৈছিল, তাত কোনো সন্দেহ নাই। কিন্তু তেওঁৰ অধৈৰ্য্য আৰু অতিমাত্ৰা খং মোৰ ভুলৰ জোখাই হোৱা নাছিল। আৰু মোৰ ভুল গতিয়াই খেদোৱাৰ যোগ্য হোৱা নাছিল। ৫ মিনিটতকৈ সৰহ সময় মই নকলোহেঁতেন কিন্তু মই কথা কোৱা তেওঁৰ পক্ষে অসহ্য হৈছিল। নম্ৰতাৰে সৈতে মোক গুচি যাবলৈ তেওঁ কব পাৰিলেহেঁতেন, কিন্তু ক্ষমতাই তেওঁক আশাতীত ৰূপে উন্মত্ত কৰিছিল। পাছত মই জানিলো যে সেই কৰ্ম্মচাৰীজনৰ পক্ষে ধৈৰ্য্য হোৰোৱঁ। আৰু দেখা কৰিবলৈ যোৱা মানুহক আক্ৰমণ কৰা তেওঁৰ পক্ষে সাধাৰণ ঘটনা। সামান্য কথাত অসন্তুষ্ট হলেই ছাহাবৰ ধৈৰ্য্যচ্যুতি হয়।

তেওঁৰ আদালততেই মোৰ প্ৰায় সকলো কাম আছিল। তেওঁক সন্তোষ দিয়া মোৰপক্ষে অসাধ্য। তেওঁৰপৰা অনুগ্ৰহ পাবলৈ যত্ন কৰাও মোৰ ইচ্ছা নাছিল। তেওঁৰ ওপৰত মোকৰ্দ্দমা চলাম বুলি ভয় দেখুৱাই এতিয়া নিমাত হৈ থকা মই ভাল পোৱা নাছিলো।

ইতিমধ্যে দেশৰ সৰু সুৰা ৰাজহুৱা কাম পৰিচালনাও মই শিকিবলৈ ধৰিলো। কাথিৱাৰ সৰু সুৰা ৰাজ্য বিছুমানৰ সমষ্টি হোৱাত, স্বাভাবিকতে বহুতো ৰাজনীতিক তাত গোট খাইছিল। কিন্তু ৰাজ্য-বিলাকৰ ভিতৰত সৰু-সুৰা ষড়যন্ত্ৰ আৰু ক্ষমতা পাবলৈ কৰ্ম্মচাৰী-বিলাকৰ ভিতৰত গোপন ষড়যন্ত্ৰ চলোৱা সেই সময়ৰ ৰীতি আছিল। ৰজাৰ কোঞৰহঁত সদায় আনৰ কৃপাৰ ওপৰতহে চলিব লগা হৈছিল। আৰু অনুগ্ৰহ ভিখাৰী লগনীয়া মানুহ কিছুমানৰ কথালৈ কাণ দিবলৈ তেওঁলোক সদায় সাজু আছিল। আনকি ছাহাবৰ পিয়নটোকো সন্তুষ্ট

কৰিব লাগে। ছাহাবৰ ছিৰস্তাদাৰতো ছাহাবতকৈ ডাঙৰ, কাৰণ তেৱেঁই ছাহাবৰ চকু কাণ আৰু সকলো কথা বুজাই দিয়াৰ ভাৰ তেওঁৰ ওপৰতেই। ছিৰস্তাদাৰৰ ইচ্ছাই আইন আছিল, ছাহাবৰ আয়তকৈও তেওঁ সৰহ ধন ঘটিছিল বুলিও শুনা গৈছিল। এই কথাষাৰ অতিৰঞ্জিত হব পাৰে কিন্তু তেওঁ সদায় দৰ্ম্মহাতকৈ অতিৰিক্ত উপাৰ্জ্জন কৰিছিল, তাত কোনো সন্দেহ নাই।

চাৰিওফালৰ পাৰিপাৰ্শ্বিক অৱস্থা মোৰ পক্ষে বিষাক্ত বোধ হৈছিল আৰু কিদৰে ইয়াৰ পৰা আঁতৰত থাকিব পাৰি এযে মোৰ সদায় চিন্তা আছিল।

এইবিলাক কথাত মই নিৰাশ হৈছিলো, আৰু মোৰ ককাইদেউয়েও এই কথাষাৰ লক্ষ্য কৰিছিল। আমি দুয়ো ভাবিছিলো এই বিলাকৰ পৰা আতৰত থাকিবলৈ মই এটা চাকৰি যোগাৰ কৰো কিন্তু তলখুচৰীয়া উপায় নহলেও যে জজিয়তি নাইবা মন্ত্ৰীত্ব পোৱাও অসম্ভব। ছাহাবৰ লগত কাজিয়া মোৰ ওকালতি ব্যৱসায়ত অন্তৰায় হল।

পোৰবন্দৰ তেতিয়া কোৰ্ট অৱ-ৱাৰ্ডছৰ শাসনৰ তলত, ৰাজ কোঞৰৰ আৰু বেছি ক্ষমতা বঢাবৰ দিহা কৰিবলৈ মই কিছুমান কাম পাইছিলো। আৰু খেতিয়কৰপৰা সৰহ বিঘোটী (খাজনা) লোৱা লৈ এডমিনিষ্ট্ৰেটৰৰ লগত মই মাজে সময়ে দেখা কৰিবলগীয়া হৈছিল। এই কৰ্ম্মচাৰীজন ভাৰতীয় হলেও অহঙ্কাৰত ছাহাবতকৈও একাঠী চৰা আছিল। তেওঁ কাৰ্য্যক্ষম আছিল, কিন্তু তেওঁৰ কাৰ্য্য-ক্ষমতা ৰায়তৰ একো উপকাৰত অহা নাছিল বুলি মোৰ বোধ হৈছিল। ৰাণাৰ বাবে অতিৰিক্ত কিছুমান ক্ষমতাৰ দিহা কৰি দিয়াত মই সমৰ্থ হলো কিন্তু খেতিয়কহঁতৰ দুখৰ অলপো প্ৰতিকাৰ কৰিব পৰা নাছিলো। মোৰ মনত হৈছিল যে সিহঁতৰ অভাৱ-অভিযোগলৈ কোনেও মন কান দিয়া নাই।

সেইবাবে এই কামতো মই নিৰাশ হলো, মোৰ মক্কেলইঁতে ন্যায়-বিচাৰ পোৱা নাছিল বুলি মই ভাবিছিলো কিন্তু এইখিনি দিহা কৰিবলৈকো মোৰ উপায় নাছিল। পলিটিকেল এজেন্ট, নাইবা গভৰ্ণৰলৈ আপীল কৰাতেই শেষ, তেওঁলোকেও ' আমি ইয়াত হস্তক্ষেপ নকৰো বুলি আপীল ডিছমিছ কৰে। কিবা আইন-কানুন থকা হলেও এক কথা আছিল, কিন্তু ছাহাবৰ ইচ্ছাই আইন আছিল। এইবাবে মোৰ খণ্ড হৈছিল।

ইতিমধ্যে পোৰবন্দৰৰ পৰা এজন মেমন (কাথিৱাৰৰ এটা মুছলমান সম্প্ৰদায়) সদাগৰে মোৰ কাকাইদেউলৈ এই বুলি লিখি পঠালে—"দক্ষিণ আফ্ৰিকাত আমাৰ এটা কাৰবাৰ আছে, আমাৰ দোকানেই তাত ডাঙৰ; তাৰ আদালতত ৪০ হেজাৰ পাউণ্ডৰ দাবি থকা মোকৰ্দ্দমা এটা বহুত দিনৰ পৰা চলি আছে। তাৰ ভাল উকীল বেৰিষ্টাৰক আমি নিযুক্ত কৰিছোৱেই, তোমাৰ ভায়েৰাক তালৈ পঠালে আমাৰো কামত আহে, তেওঁৰো ভাল হয়। এখন নতুন দেশো তেওঁৰ চোৱা হব আৰু নতুন বহুতো মানুহৰ লগত চিনাকি হোৱাৰো সুবিধা হব।"

ককাইদেৱে এই প্ৰস্তাৱটো মোৰ লগত আলোচনা কৰিবলৈ ধৰিলে মই ভালকৈ বুজি পোৱা নাছিলো, তেওঁলোকৰ উকীলইঁতক এই মোকৰ্দ্দমাটো মই বেছকৈ বুজাই দিব লাগিব নে এই সম্পৰ্কে আদালতত থিয় হব লাগিব। কিন্তু মোৰ প্ৰলোভন হল। দাদা আব্দুল্লা এণ্ড কোংৰ অৰ্থাৎ যিখন সদাগৰী দোকানৰ লগত এইদৰে কথা চলিছিল, অংশীদাৰ ছেঠ আব্দুল কৰিম জাভেৰীৰ লগত ককাইদেৱে মোক চিনাকি কৰি দিলে। ছেঠজীয়ে মোক কলে "ই বৰ টান কাম নহব। ডাঙৰ ডাঙৰ য়ুৰোপীয় আমাৰ বন্ধু আছে। তেওঁলোকৰ লগতো আপোনাৰ চিনাকি হব, আমাৰ দোকানতো আপুনি কামত আহিব, আমাৰ চিঠি

পত্ৰৰ সৰহ ভাগ ইংৰাজী ভাষাতেই চলে, তাতো সহায় কৰিব পাৰিব অৱশ্যে আপুনি আমাৰ আলহী হৈয়েই থাকিব লাগিব আৰু সেইবাবে একো খৰচ নহয়।"

মই সুধিলো। "কিমান দিনলৈ মোক ৰাখিব বিচাৰে? মোক কিমান দিয়া হব?"

"এবছৰতকৈ সৰহ নহয়, আমি প্ৰথম শ্ৰেণীতে যোৱা অহা খৰচ দিম, আৰু মুঠতে ১০৫ পাউণ্ড দিম।"

এইটোতো বেৰিষ্টাৰ হৈ যোৱা নহয়। দোকানৰ এজন কৰ্ম্মচাৰী হিছাপেহে যোৱা কিন্তু যেই সেই উপায়েৰে মই ভাৰতবৰ্ষ এৰিবলৈ ইচ্ছা কৰিছিলো। এখন নতুন দেশ দেখা আৰু নতুন অভিজ্ঞতা পাবলৈকো লোভ হলে। ইয়াৰ উপৰিও ১০৫ পাউণ্ড ককাইদেউলৈ পাৰিবাৰিক খৰচত সহায় কৰিবলৈ পঠাব পাৰো। বিনা বাক্য ব্যয়ে এৰ কথাত মান্তি হৈ দক্ষিণ আফ্ৰিকালৈ যাবলৈ সাজু হলো।

নেটালত

(৬)

বিলাতলৈ যাওঁতে মনত যিদৰে বিচেছদৰ দুখ অনুভৱ কৰিছিলো দক্ষিণ আফ্ৰিকালৈ ৰাওনা হওঁতে তেনে ভাৱ হোৱা নাছিল। মোৰ আই এতিয়া আৰু নাই। সংসাৰ আৰু বিদেশত ফুৰা-চকাৰ কিছু অভিজ্ঞতাও হৈছে, এতিয়া আৰু ৰাজকোটৰপৰা বোম্বেলৈ যোৱা এটা অসাধাৰণ কথা যেন নালাগিছিল।

এইবাৰ ভাৰ্য্যাৰ লগত বিচেছদৰ দুখ হে মই অনুভৱ কৰিছিলোঁ। ইংলণ্ডৰপৰা উলটি অহাৰ পাছত আমাৰ আৰু এটি সন্তান জন্ম হৈছিল। আমাৰ মৰম এতিয়াও কাম-ভাৰৰপৰা মুক্ত হোৱা নাছিল, কিন্তু লাহে লাহে এতিয়া এই প্ৰেম পৱিত্ৰ হবলৈ আৰম্ভ হৈছিল। য়ুৰোপৰপৰা উলটি অহাৰ পাছত আমি বৰকৈ এৰে লগে থকা নাছিলো। এতিয়া আগৰদৰে শিক্ষা দিবলৈ জোৰ নকৰিলেও মই তেওঁৰ শিক্ষক হৈছিলোঁ, সেই বাবে আৰু কিছুমান সংস্কাৰত তেওঁক সহায় কৰা বাবে দুয়ো একে লগে থকাৰ প্ৰয়োজনীয়তা বোধ কৰিছিলো। কিন্তু দক্ষিণ আফ্ৰিকাৰ আকৰ্ষণে এই বিৰহ সহ্য কৰালে। তেওঁক সান্ত্বনা দিবলৈ কলো "আমি আৰু এবছৰ ভিতৰত দুয়ো একে লগ হম নিশ্চয়"। এই বুলি মই বোম্বৈলৈ ৰাজকোটৰপৰা ৰাওনা হলো।

ইয়াত দাদা আবদুল্লা এণ্ড কোৰ এজেণ্টৰ পৰা যোৱা খৰচ পোৱাৰ কথা, কিন্তু জাহাজত কেবিন পোৱা নহল আৰু সেই সময়তেই ৰাওনা নহলে বোম্বেত অকলশৰীয়া হব লাগিব। এজেণ্টজনে কলে "আমি প্ৰথম শ্ৰেণীৰ কেবিন পাবলৈ যথাসাধ্য চেষ্টা কৰিছো, কিন্তু ডেকত যাবলৈ শান্তি নহলে বৃথা। আপোনাৰ খোৱা-লোৱা অৱশ্যে 'ছেলুন'তেই হোৱাৰ দিহা কৰিব পাৰি।' তেতিয়া মোৰ প্ৰথম শ্ৰেণীতে ফুৰাৰ দিন আৰু এজন বেৰিষ্টাৰে তৃতীয় শ্ৰেণীত বাহিৰৰ ডেকত কেনেকৈ যায়? সেইবাবে মই তাত সমাপ্তি হলো। এজেণ্ট-জনৰ সততাত মই সন্দেহ কৰিলো কাৰণ প্ৰথম শ্ৰেণীত কেবিন নোপোৱা বোলাত বিশ্বাস কৰা নাছিলো। এজেণ্টজনৰ সম্মতি লৈ মই নিজে বিচৰাত লাগিলো। জাহাজলৈ গৈ প্ৰধান কৰ্ম্মচাৰী জনৰ লগত দেখা কৰিলো। তেওঁ মোৰ স্পষ্টকৈ কলে সাধাৰণতে ইমান ভিৰ ইয়াত নহয়। কিন্তু মোজাম্বিকৰ গভৰ্ণৰ জেনেৰল এই জাহাজত

থোৱাত, সকলো কেবিন বন্ধ হৈছে। 'আপুনি মোক কোনোমতে সুমৱাব নোৱাৰে নে বুলি কলো। তেওঁ মোৰ মূৰৰপৰা ভৰিলৈকে চাই হাঁহি কলে, "এটা উপায় আছে, মোৰ কেবিনত এটা অতিৰিক্ত 'বাৰ্থ' আছে, এইটো সাধাৰণতে যাত্ৰীসকলক দিয়া নহয়। কিন্তু মই আপোনাক দিবলৈ সাজু আছো।" তেওঁক মই ধন্যবাদ দি এজেণ্টজনক টিকেট কিনিবলৈ কলো। ১৮৯৩ সনৰ এপ্ৰিল মাহত ভাগ্য পৰীক্ষা কৰিবলৈ দক্ষিণ আফ্ৰিকালৈ ৰং মনেৰে ওলালো।

আমাৰ জাহাজ চপোৱা প্ৰথম বন্দৰ আছিল লামু। ১৩ দিনৰ পাছত এই খিনি পালোহি। কাপ্তান আৰু মই দুয়ো এই কেবিনত বৰ বন্ধু হৈ পৰিলো। তেওঁ দাবা খেলিবলৈ বৰ ভাল পাইছিল, কিন্তু তেওঁ নতুন খেলুৱাই, তেওঁৰ লগত খেলিবলৈ তেওঁতকৈ নজনা নতুন মানুহ এজনহে লাগে সেইবাবে তেওঁ মোক মাতিলে। এই খেল সম্বন্ধে বহুতো কথা শুনিছিলো হয কিন্তু তেতিয়ালৈকে মই ইযাত হাত দিয়া নাছিলো। বুদ্ধি বৃত্তিৰ পৰিচালনাৰ ওপৰতেই এই খেল বুলি খেলুৱাইসকলে কৈছিল। কাপ্তেনে মোক শিকাবলৈ গাত ললে, তেওঁ মোক এজন ভাল ছাত্ৰই পালে, কাৰণ মোৰ ধৈৰ্য্য অসীম আছিল। মই যিমানেই হাৰিছিলো সিমানেই তেওঁ মোক শিকাবলৈ ব্যগ্ৰ হৈছিল। খেল মই ভাল পাইছিলো, কিন্তু জাহাজৰপৰা নমাৰ পাছতে এই খেললৈ মোৰ ৰাপ আৰু গুটি চলোৱাৰ জ্ঞানোৰো অন্ত পৰিল।

লামুত জাহাজখন তিনি চাৰি ঘন্টা ৰৈছিল। বন্দৰ চাবলৈ মই নামিলো। কাপ্তানো বামলৈ নামিল, কিন্তু তেওঁ মোক সাৱধান কৰি দিলে যে ইয়াৰ বন্দৰ বৰ সুবিধাজনক নহয, সেইবাবে সোণকালে উলটি আহিব লাগে।

এই ঠাইখন নিচেই ঠেক। ডাকঘৰলৈ গৈ তাত ভাৰতীয় কেৰাণী

সকলক লগ পাই বং পালো। তেওঁলোকৰ লগত কথা বতৰা হলো। আফ্ৰিকাবাসী মানুহক মই দেখা পালো। তেওঁলোকৰ জীৱনৰ ৰীতি-নীতি জানিবলৈ চেষ্টা কৰিলো। ইয়াতেই কিছু সময় গল। ডেকৰ যাত্ৰী কিছুমানৰ লগতো মোৰ চিনাকী হৈছিলো। পাৰলৈ নামি তেওঁলোকে ভাত ৰান্ধি খাইছিল। তেওঁলোককো জাহাজলৈ উলটি-বলৈ সাজু হোৱা দেখা পালো আৰু আমি সকলোটি একেখন নাৱতে উঠিলো। তেতিয়া বন্দৰত জোৱাৰ আহিল ইফালে আমাৰ নাৱত বোজাই সৰহ। সোঁত ইমান প্ৰবল হল যে জাহাজৰ জখলা ধৰি থকা অসম্ভৱ; জখলাখন পোৱা মাত্ৰে সোঁতে ভটিয়াই নিয়ে, এৰিবলৈ প্ৰথম হুইছেল বাজিলেই। মই চিন্তিত হলো। জাহাজৰ 'ব্ৰিজৰ' (জাহাজ চলাবলৈ কাপ্তানৰ নিৰ্দ্দিষ্ট ঠাই) পৰা কাপ্তানে আমাৰ দুৰৱস্থা-চাই আছিল। আৰু ৫ মিনিট ৰবলৈ তেওঁ হুকুম দিলে। জাহাজৰ কাষত থকা আৰু এখন নাও দহ টকা দি এজন বন্ধুৱে মোৰ বাবে কেৰেয়া কৰিলে। অতিৰিক্ত বোজাই থকা নাৱৰপৰা এইখনে মোক নিলে। জখলাখন ইতিপূৰ্ব্বেই তোলা হল। সেইবাৰে জৰী এডালেৰে মোক টানি জাহাজলৈ তোলা হল আৰু জাহাজখনো তত্তালিকে এৰিলে। আন সকলো যাত্ৰী তাতেই ৰল। কাপ্তেনে সতৰ্ক কৰি দিয়াৰ অৰ্থ তেতিয়াহে বুজিলো।

লামুৰ পাছতে পোনতে মোমবাছা, পাছত জাঞ্জীবৰ পালো গৈ। ইয়াতেই বহুত দিন [illegible] লগীয়া হৈছিল—৮ দিন কি ১০ দিন। ইয়াৰ পাছত অন্য এখন জাহাজলৈ সলনি কৰিব লগীয়া হল। কাপ্তেনৰ মোলৈ এটা মৰমৰ ভাব হৈছিল কিন্তু এই মৰমৰ পৰিণাম মোৰ পক্ষে বাঞ্ছনীয় হোৱা নাছিল। ইংৰাজ বন্ধু এজন আৰু মোক তেওঁৰ লগত ফুৰিবলৈ মাতিলে। এই ফুৰাৰ অৰ্থ কি মই একোকেই বুজি পোৱা

নাছিলো। আৰু এনেবোৰ বিষয়ত মই সম্পূৰ্ণ অজ্ঞ বুলি কাপ্তানেও জনা নাছিল। কিছুমান কাফ্ৰী তিৰুতাৰ ঘৰলৈ আমাক নিয়া হল। আমাৰ প্ৰত্যেককে এটা খোটালী দেখুৱাই দিয়া হল। লাজত নিৰ্বাক হৈ তাত মই থিয় হৈ ৰলো। ঈশ্বৰেহে জানে সেই তিৰুতা-জনীয়ে মোক কি বুলি ভাবিছিল। পাছত কাপ্তানে মোক মাতি পঠোৱাত যিদৰে সোমাইছিলো, সেইদৰেই ওলাই আহিলো তেওঁ মোৰ নিৰ্দ্দোষিতা দেখা পালে। পোনতে মই লজ্জিত বোধ কৰিছিলো। কিন্তু এই কথাটোলৈ মোৰ বৰ ভয় থকাত লাহে লাহে লাজৰ ভাব গুচিল আৰু ঈশ্বৰক ধন্যবাদ দিলোঁ যে তিৰুতা মানুহ দেখা সত্ত্বেও মোৰ অলপো বেয়া ভাব হোৱা নাছিল। নিজৰ দুৰ্ব্বলতা দেখি মই বিৰক্ত হৈছিলো, সেই খোটালীতে সোমাবলৈ অস্বীকাৰ কৰিবলৈ সাহ নাহোৱাত হে দুখ পালোঁ।

জীৱনত এনেবিধৰ এয়ে তৃতীয় পৰীক্ষা। বহুতো ডেকা পোনতে নিৰ্দ্দোষ থাকিও মিছা লাজত এই দৰেই নিশ্চয় পাপত পৰে। একো গুণ নোহোৱাকৈ উলটি আহিব পৰাটো একো ডাঙৰ কথা নাছিল। সেই খোটালীত সোমাবলৈ অস্বীকাৰ কৰিব পৰা হলে ডাঙৰ কথা হলহেঁতেন। মোক এইদৰে ৰক্ষা কৰা বাবে দয়াময় ঈশ্বৰক ধন্যবাদ দিওঁ। এই ঘটনাই ঈশ্বৰলৈ ভক্তি আৰু দুগুণ বঢ়ালে আৰু মিছা লাজৰ ভাৱ কিছু পৰিমাণে এৰিবলৈ শিকালে।

এই বন্দৰত এসপ্তাহমান থাকিব লগীয়া হোৱাত ছহৰত এটা ঘৰ ভাৰা কৰি ওচৰৰ কিছু ঠাইত ফুৰিলো। কেৱল মাত্ৰ মালাবাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যেইহে জাঞ্জীবাৰৰ সুন্দৰ গছ-গছনিৰ সামান্য ৰূপে এটা আভাস দিব পাৰে। ডাঙৰ ডাঙৰ গছ আৰু সেই বিলাক গছৰ ফলৰ আকাৰ দেখি মই আচৰিত হলো।

ইয়াৰ পাছতেই মোজামবিক পালোঁগৈ। তাৰ পাছতেই মে মাহৰ শেহ ভাগত নেটাল পালোঁগৈ।

(৭)

নেটালৰ বন্দৰ হৈছে ডাৰবান। নেটাল বন্দৰ বুলিও মাজে সময়ে কোৱা হয়। মোক আগবঢ়াই নিবলৈ আবদুল্লা ছেঠ বন্দৰলৈ আহিছিল। জাহাজখন বন্দৰ পোৱাত আৰু বন্ধুবান্ধৱক লগ ধৰিবলৈ অহা ভাৰতীয় মানুহলৈ চাই দেখিলোঁ যে ভাৰতীয় মানুহক সন্মানৰ চকুৰে চোৱা নহয়। যি সকল য়ুৰোপীয়ই আবদুল্লা ছেঠক চিনি পাইছিল, তেওঁৰ লগত সিহঁতৰ আচৰণৰ ভিতৰত অভদ্ৰতা মই লক্ষ্য কৰিছিলোঁ; এই কথাষাৰত মই মৰ্মাহত হলোঁ। আবদুল্লা ছেঠ এনে আচৰণত অভ্যস্ত হৈছে। মোলৈ চকু দিয়া সকলৰ দৃষ্টিত এটা কৌতুহলৰ ভাব আছিল। অন্যান্য ভাৰতীয়ৰ লগত মোৰ সাজ পাৰৰ পাৰ্থক্য আছিল। মই এটা 'ফ্ৰককোট' পিন্ধিছিলোঁ আৰু মূৰত বঙালী পাগুৰীৰ নমুনাৰে এটা পাগুৰীও আছিল।

তেওঁলোকৰ দোকানলৈ মোক নিয়া হল আৰু আবদুল্লা ছেঠ থকা খোটালীটোৰ কাষত আন এটা খোটালীত মোক থাকিবলৈ দেখুৱাই দিয়া হল। তেওঁ মোক বুজি পোৱা নাছিল ময়ো তেওঁক বুজি পোৱা নাছিলোঁ। মোৰ হাতেদি ককায়েকে পঠোৱা কাৰত পত্ৰ পঢ়ি তেওঁ বিমোৰত পৰিল। তেওঁ ভাবিলে যে ককায়েকে মোক পঠাই মান দেশৰ শুকুলা হাতীহে পঠালে। মোৰ সাজপাৰ আৰু থকা মেলাৰ ধৰণ দেখি য়ুৰোপীয়ৰ দৰে বৰ বেছি খৰচ পৰিব বুলি তেওঁৰ আশঙ্কা হল। সেই সময়ত মোক দিব পৰা বিশেষ কাম একোৱেই নাছিল। ট্ৰান্সভালত তেওঁলোকৰ মোকৰ্দ্দমা চলি আছে। মোক তালৈ

ততালিকে পঠোৱাৰো একো প্ৰয়োজন নাছিল। মোৰ সামৰ্থ্য আৰু সাধুতাত তেওঁ কিমানখিনি নিৰ্ভৰ কৰিব পাৰে? মোক পহৰা দিবলৈ তেওঁ প্ৰেটোৰিযাত থাকিব নোৱাৰে। পদৰ্কীযা প্ৰেটোৰিয়াত আছে আৰু ইও হব পাৰে যে তেওঁলোকে মোৰ ওপৰত অবৈধ প্ৰভাৱ খটাব পাৰে। মোকৰ্দ্দমা সংক্ৰান্ত কামত নলগালে মোক কি কামত লগাবনো? তেওঁৰ কেৰেণীহঁতে দেখোন ভালকৈ অন্য কাম কৰিব পাৰে। কিবা ভুল কৰিলে, কেৰেণীহঁতক শাস্তি দিবও পাৰে। মই ভুল কৰিলে মোকো সেইদৰে কৰিব পাৰিব নে? সেইবাবে মোকৰ্দ্দমা সংক্ৰান্ত কাম দিব নোৱাৰিলে মোক এনেযে বহুৱাই থোৱা হব। আবদুল্লা ছেঠে লিখা পঢ়া নাজানিছিল, কিন্তু তেওঁ অভিজ্ঞতাৰ এটা ভৰাল। তেওঁৰ বুদ্ধি বৰ চোকা আৰু তেওঁ নিজৰ এই গুণৰ কথা জানিছিল। কথা-বতৰা হব পৰাকৈ ইংৰাজী ভাষাও অভ্যাস কৰি শিকিছে কিন্তু তাৰে বেহা বেপাৰ চলাৰ পৰা, মেনেজাৰ নাইবা য়ুৰোপীয় সদাগৰ নাইবা বেৰিষ্টাৰক নিজৰ মোকৰ্দ্দমা বুজাব পৰা ইংৰাজী কব পাৰিছিল। ভাৰতীয় সকলে তেওঁক বৰ সম্মানেৰে চাই ছিল। সেই সময়ত তেওঁৰ দোকানেই সকলোতকৈ ডাঙৰ আছিল ডাঙৰ নহলেও আন ডাঙৰ ডাঙৰ দোকান বিলাকৰ ভিতৰত তেওঁৰ খন খন ডাঙৰ দোকান আছিল। এই বিলাক সকলো সুবিধাৰ ভিতৰতো তেওঁৰ এটা অসুবিধা আছিল—তেওঁ স্বভাৱতে সন্দিগ্ধ চিত্তৰ আছিল।

ইছলাম ধৰ্ম্মত তেওঁ গৌৰৱ অনুভৱ কৰিছিল, আৰু ইছলাম ধৰ্ম্ম সম্পৰ্কীয় দৰ্শন সম্বন্ধে কথা-বতৰা হবলৈ ভাল পাইছিল। আৰবী ভাষা নাজানিলেও কোৰাণ আৰু ইছলাম সাহিত্য সম্পৰ্কেও তেওঁৰ বেছ জ্ঞান আছিল। যোজনা দিয়াত বৰ পটু আছিল, এটা নহয় এটা যোজনা মুখত লাগিযেই থাকে। তেওঁৰ লগত সংস্পৰ্শত ইছলাম

সম্পৰ্কে অলপ মোৰ জ্ঞান হল। লাহে লাহে পৰিচয় হোৱাৰ লগে লগে ধৰ্ম্ম সম্পৰ্কে তেওঁৰ লগত বহুতো আলোচনা হৈছিল।

পোৱাৰ দ্বিতীয় কি তৃতীয় দিন ডাৰবানৰ আদালত চাবলৈ মোক তেওঁ নিলে। তাত তেওঁ মোক কেইবা জনৰো লগত চিনাকি কৰি দিলে আৰু তেওঁৰ এটৰ্ণীৰ কাষত মোক বহুৱালে। মেজিষ্ট্ৰেটে মোৰ ফালে আচৰিত হৈ চালে আৰু অৱশেষত পাগুৰী সোলোকাই থবলৈ কলে। মই পাগুৰী সোলাকাই থবলৈ মান্তি নহৈ আদালত এৰি গুচি আহিলো।

ইয়াতো মোৰ বাবে যুঁজ বাট চাই আছিল। ভাৰতীয় সকলে পাগুৰী সোলোকাব লাগে বুলি আবদুল্লা ছেঠে মোক বুজাই কলে। যি সকলে মুছলমানী সাজ পিন্ধে, তেওঁলোকে পাগুৰী মূৰত ৰাখিব পাৰে, কিন্তু অন্যান্য ভাৰতীয়ই আদালতত সোমোৱামাত্ৰেই মূৰৰ পৰা পাগুৰী সোলোকাই থোৱা নিয়ম বুলি তেওঁ মোকো জনালে।

এই পাৰ্থক্য সম্পৰ্কে বুজাই কবলৈ বহলাই গই থব লাগিব। দুই তিন দিনৰ ভিতৰতে দেখিলো যে ভাৰতীয় সকল তিনাটা দলত বিভক্ত, এটা হৈছে মুছলমান সদাগৰ—তেওঁলোকে নিজক আৰবীয় বুলি চিনাকী দিয়ে। এটা দলত হৈছে হিন্দু আৰু পাৰ্চী কেৰেণীসকল। আৰবীয়-ইতৰ লগত লগ নললে হিন্দু কেৰেণীসকল ইটো দলতো নপৰে সিটো দলতো নপৰে; পাৰ্ছী কেৰেণী সকলে পাৰস্যৰ বুলি চিনাকি দিছিল। এই তিনটা দলৰ ভিতৰত সামাজিক সম্পৰ্ক আছিল। কিন্তু সকলোতকৈ ডাঙৰ সম্প্ৰদায় আছিল তামিল তেলেগু আৰু উত্তৰ ভাৰতৰ পৰা অনা চালানী কুলী। এইবোৰ কুলীয়ে পাঁচ বছৰ কাম কৰিবলৈ 'এগ্ৰিমেন্ট' দি নেটাললৈ গৈছিল আৰু ইংৰাজী 'এগ্ৰিমেন্ট' শব্দৰ অপভ্ৰংশ 'গিৰ্মিট' শব্দৰপৰা ইহঁতক 'গিৰ্মিটীয়া, বুলি কোৱা

হৈছিল। আন তিনটা সম্প্ৰদায়ৰ ইহঁতৰ লগত বেপাৰৰ সম্বন্ধৰ বাহিৰে আন একো সম্বন্ধ নাছিল। ইংৰাজে সিহঁতক "কুলী" বুলিছিল। ভাৰতীয়ৰ ভিতৰত সৰহ ভাগেই বনুৱা শ্ৰেণীৰ মানুহ আছিল। সেইবাবে ভাৰতীয় মাত্ৰকেই "কুলী" নাইবা "স্বামী" বোলা হৈছিল। তামিল নামৰ পাছত সচৰাচৰ "স্বামী" এই প্ৰত্যয়টো থাকে আৰু এই শব্দটোৰ অৰ্থ সংস্কৃতৰ দৰেই–অৰ্থাৎ গৰাকী। কেতিয়াবা কোনো ভাৰতীয়ই "স্বামী" বোলাত আপত্তি কৰিলে আৰু তেওঁৰ বুদ্ধি থাকিলে এই দৰে কৈছিল মোক স্বামী বুলিব পাৰে, কিন্তু আপুনি পাহৰিছে স্বামী মানে গৰাকী। মই আপোনাৰ গৰাকী নহওঁ। কিছুমান ইংৰাজে ইযাত বিদ্ৰূপ প্ৰকাশ কৰি আচৰিত হৈছিল, কিছুমানে খঙত জ্বলি উঠি ভাৰতীয় জনক শাও দিছিল আৰু সুবিধা হলে উত্তম মধ্যম প্ৰহাৰো দিছিল। কাৰণ তেওঁৰ মনেৰে স্বামী হৈছে এটা উপহাসৰ শব্দ। তাৰ অৰ্থ গৰাকী বুলি কোৱা মানে অপমান কৰা।

এতিয়াৰ পৰা মই "কুলী বেৰিষ্টাৰ" বুলি জনাজাত হলো। কুলী শব্দটোৰ মূল অৰ্থ পাহৰা হল আৰু ভাৰতীয় মাত্ৰেৰেই এইটো সাধাৰণ নাম হল। মুছলমান সদাগৰে ইযাৰ প্ৰতিবাদ কৰি কয যে তেওঁ কুলী নহয তেওঁ আৰবীৰ নাইবা 'মই সদাগৰ' আৰু ভদ্ৰ হলে ইংৰাজ জনে কেতিয়াবা ইযাৰ বাবে ক্ষমা প্ৰাৰ্থনা খোজে।

এনেকুৱা অৱস্থাত পাগুৰী পিন্ধা বৰ ডাঙৰ কথা আছিল। ইয়াৰ অৰ্থ হৈছে অপমান সুৰ পাতি লোৱা। সেই বাবে মই ভাৰতীয় পাগুৰী বিসৰ্জন দি ইংৰাজী হেটে পিন্ধিবলৈ আৰম্ভ কৰিম বুলি ভাবিলো, কাৰণ ই মোক অপমানৰ পৰা ৰক্ষা কৰিব আৰু এটা অসন্তোষজনক বাদানুবাদৰ হাত সৰুৱাব।

কিন্তু আবদুল্লা ছেঠে এই প্ৰস্তাৱ সমৰ্থন নকৰিলে। তেওঁ কলে যে আপুনি যদি এনে দৰে কৰে, তেন্তে ইয়াৰ ফল বেয়া হব। যি সকলে পাগুৰী পিন্ধিছে তেওঁলোকক অপমান কৰাব। ভাৰতীয় পাগুৰী আপোনাৰ মূৰত শুৱায় আৰু হেট পিন্ধিলে আপোনাক চাপৰাছীৰ দৰে দেখায়।

এই আষাৰ কথাত বিজ্ঞতা, স্বদেশপ্ৰেম আৰু অলপ সংকীৰ্ণতাও আছিল। বিজ্ঞতা বেছকৈ ওলাই আছে আৰু স্বদেশপ্ৰেম নাথাকিলে পাগুৰী পিন্ধাত এই দৰে জেদ নকৰিলে হেঁতেন, কিন্তু চাপৰাছীৰ লগত তুলনা কৰাত সংকীৰ্ণতা আছিল। "চালানী" কুলী বিলাকৰ ভিতৰত তিনি শ্ৰেণীৰ মানুহ আছিল—হিন্দু, মুছলমান আৰু খ্ৰীষ্টিয়ান। শেহৰ শ্ৰেণী লোক তালৈ যোৱাৰ পাছতহে খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হোৱা। ১৮৯৩ সনতেই সিহঁতৰ সংখ্যা সৰহ আছিল। সিহঁতে ইংৰাজী সাজ-পোছাক পিন্ধে আৰু সৰহ ভাগেই হোটেলবিলাকত চাপৰাছী বেহেৰাৰ কাম কৰে। এই শ্ৰেণীৰ মানুহকেই উল্লেখ কৰি ইংৰাজৰ হেট পিন্ধাৰ তেওঁ সমালোচনা কৰিছিল। হোটেলত চাপৰাছী কাম কৰা অপমানৰ কথা বুলি বিবেচিত হৈছিল। এতিয়াও এই বিশ্বাস চলি আছে। যিয়েই হওক, আবদুল্লা ছেঠৰ উপদেশ মই ভাল পালো। আদালতৰ ঘটনা সম্পৰ্কে মই বাতৰি কাকতলৈ লিখি আদালতত পাগুৰী পিন্ধা সমৰ্থন কৰিলো, এই প্ৰশ্নটো বাতৰি কাকতত বৰকৈ আলোচিত হবলৈ ধৰিলে আৰু কিছুমানে মোৰ শলাগ ললে। এইদৰে এই ঘটনাই দক্ষিণ আফ্ৰিকা পোৱাৰ কেইদিন মান পাছতেই অযাচিত ভাবে মোৰ জাননী দিলে। কিছুমানে মোক সমৰ্থন কৰিলে আৰু কিছুমানে মোৰ কাপুৰুষতাৰ তীব্ৰ সমালোচনা কৰিলে।

দক্ষিণ আফ্ৰিকাত থকাৰ প্ৰায় শেষলৈকে পাগুৰী মোৰ মূৰত

আছিল। কেতিয়া আৰু কিয় দক্ষিণ আফ্ৰিকাত মুৰত সাজ পিন্ধা মই এৰি দিলো পাছত লিখিম।

প্ৰেটোৰিয়ালৈ যাত্ৰা

(৮)

ডাৰবানত থকা ভাৰতীয় খ্ৰীষ্টিয়ান সকলৰ লগত সোনকালেই সংস্পৰ্শত আহিলো। আদালতৰ দোৱনীয়া মিঃ পল ৰোমান ক্যোথোলিক আছিল। মই তেওঁৰ লগত আৰু ছুভান্ গডফ্ৰেৰ লগত চিনাকী হৈ ললো। আৰু সেই সময়ত গডফ্ৰেই প্ৰটেষ্টাণ্ট মিশ্যনত শিক্ষকৰ কাম কৰি আছিল; যোৱা বছৰ দক্ষিণ আফ্ৰিকাৰপৰা অহা ডেপুটেশ্যনত মিঃ জেমছ্ গডফ্ৰে তেওঁ দেউতাক আছিল। পাৰ্চী ৰুস্তমজী আৰু আদামজী মিয়া খাঁৰ লগত এই সময়তেই মোৰ দেখা শুনা হয়।

মই এইদৰে চিনাকীৰ সংখ্যা বঢ়াই আছো, এনেতে দোকানলৈ তেওঁলোকৰ উকীলৰ পৰা চিঠি আহিল যে মোকৰ্দ্দমাৰ কাৰণে সাজু হব লাগে আৰু আবদুল্লা ছেঠ নাইবা তেওঁৰ প্ৰতিনিধি প্ৰেটোৰিয়ালৈ ততালিকে যাব লাগে।

আবদুল্লা ছেঠে মোক চিঠিখন পঢ়িবলৈ দি মই প্ৰেটোৰিয়ালৈ যাব পাৰিম নে সুধিলে। "মই মোকৰ্দ্দমাটো আপোনাৰ পৰা বুজি ললেহে যাব পাৰিম নে নোৱাৰিম কব পাৰো" বুলি মই কলো। "বৰ্ত্তমানে মই একোৱেই নাজানো।" এই বুলি কোৱাত তেওঁ আমোলাইতক এই মোকৰ্দ্দমাটো মোক বুজাই কবলৈ দিলে।

এই মোকৰ্দ্দমাটো যিমানেই পঢ়িবলৈ ধৰিলো, সিমানেই এই বিষয়ত ক, খৰ পৰা আৰম্ভ কৰা উচিত বুলি বুজিবলৈ ধৰিলো। জাঞ্জীবাৰত* যি কেইটা দিন আছিলো মই আদালতলৈ গৈ তাত কি কাম হয় সকলো চাই আছিলো। এজন পাৰ্চী উকীলে সাক্ষী এজনক জেৰা কৰিছে, হিছাপৰ বহীত জমা আৰু খৰচ কেনেকৈ লিখে সেয়েই তেওঁৰ প্ৰশ্ন আছিল। এই বিষয়টো মোৰ বাবে তাতোকৈ দুৰ্বোধ্য আছিল। হিছাপৰ বহী লিখা, মই স্কুলতো শিকা নাছিলো আৰু বিলাততো শিকিবলৈ নহল।

দক্ষিণ আফ্ৰিকালৈ মই যি মোকৰ্দ্দমাত নিযুক্ত হৈ আহিছিলো সি হিছাপৰ কথা লৈয়েই মোকৰ্দ্দমা, যি হিছাপ বুজি পায় তেৱেঁইহে ইয়াক বুজাব পাৰে। আমোলাজনে কিছুমান জমা, কিছুমান খৰচ ইত্যাদি কৈ গল, কিন্তু মই বিমোৰত পৰিলো। 'পি–নোট' মানে কি মই জনা নাছিলো। অভিধানত এই শব্দটোৰ অৰ্থও উলিয়াব নোৱাৰিলো। মোৰ অজ্ঞতাৰ বিষয়ে আমোলাজনক কলো আৰু নোট'' মানে যে 'প্ৰমিজৰী নোট'' এই কথাষাৰ এতিয়া গম পালো। ''বুককিপিং'' সম্পৰ্কে এখন কিতাপ মই কিনি পঢ়িবলৈ ধৰিলো। ইয়াতেই মোৰ নিজৰ ওপৰত আস্থা হল। মোকৰ্দ্দমাটো মই বুজি পালো, মই দেখিলো যে আবদুল্লা ছেঠে ''বুককিপিং'' সম্পৰ্কে একো নাজানিলেও ব্যৱহাৰিক জ্ঞান এনে আছিল যে ''বুককিপিংৰ'' জটিল সমস্যাবোৰ ততালিকে সমাধান কৰিব পাৰে। প্ৰেটোৰিয়ালৈ যাবলৈ সাজু আছো বুলি মই তেওঁক জনালো।

ছেঠে সুধিলে—আপুনি ক'ত থাকিবগৈ।

মই কলো—''আপুনি য'তে ৰাখিব বিচাৰে তাতে থাকিম''।

''তেন্তে মই আমাৰ উকীললৈ লিখো। তেৱেঁই সকলো বন্দবস্ত

কৰি দিব। মোৰ যেমন বন্ধুসকললৈকো চিঠি দিও, কিন্তু আপোনাক তেওঁলোকৰ লগত থাকিবলৈ নকওঁ। প্ৰেটোৰিয়াত আমাৰ বাদী পক্ষৰ বৰ প্ৰতিপত্তি। তেওঁলোকৰ কোনোবাই আমাৰ ভিতৰুৱা কাকত পত্ৰবোৰ পঢ়ি চাবলৈ পালে আমাৰ বৰ ক্ষতি কৰিব পাৰে। আপুনি তেওঁলোকৰ লগত যিমানেই কম চিনাকী হয় সিমানেই আমাৰ মঙ্গল।" এই বুলি তেওঁ কলে।

মই কলো 'আপোনাৰ উকীলে য'তে ৰাখে, মই তাতে থাকিম, নহলে সুকীয়া ঘৰ বিচাৰি লম। আপুনি চিন্তিত হব নেলাগে। আমাৰ ভিতৰুৱা কথাবোৰ কোনেও জানিব নোৱাৰে। কিন্তু সিপক্ষৰ লগত চিনাকী হবলৈ মোৰ ইচ্ছা আছে। তেওঁলোকৰ লগত বন্ধুতা কৰিবলৈকো মোৰ ইচ্ছা আছে। পাৰিলে আদালতৰ বাহিৰত মিটমাট কৰাই দিবলৈ চেষ্টা কৰিম। তৈয়ৰ ছেঠ তো আপোনাৰ আত্মীয়।"

ছেঠ তৈয়ব হাজী খাঁ মহম্মদ আবদুল্লা ছেঠৰ ওচৰ সম্পৰ্কীয় মানুহ। মই দেখিলো যে মিটমাটৰ কথা কওঁতেই তেওঁ উছপ খাই উঠিল। মই ডাৰবানত থকা ৬।৭ দিন হলহি আৰু আমি এতিয়া দুয়ো দুয়োকো চিনিব পৰা হলো। এতিয়া আৰু মই তেওঁৰ বাবে "শুকুলা হাতী" নহও। সেই দেখি তেওঁ কলে—

"এ......বা মই বুজিছো। আদালতৰ বাহিৰে মিটমাট হোৱাতকৈ আৰু একো ভাল কথা হব নোৱাৰে। কিন্তু আমি সকলো সম্পৰ্কীয় মানুহ আৰু প্ৰত্যেকেক চিনি পাও। তৈয়ৰ ছেঠ মিটমাটত সহজে মান্তি হোৱা বিধৰ মানুহ নহয়। আমাৰ পক্ষ অলপ অসাৱধান হোৱা দেখা পালে, আমাৰ পৰা সকলো কথা চেপি উলিয়াই লব আৰু অৱশেষত আমাক বিপদত পেলাৰ। সেইবাবে এনে কামত হাত দিয়াৰ পূৰ্ব্বতে দুনাই ভাবি চাব।"

মই কলো “সেই বাবে চিন্তা নকৰিব। তৈয়ৰ ছেঠৰ লগত, নাইবা আন কাৰো লগত মোকৰ্দ্দমাৰ বিষয় লৈ কথা হোৱাৰ মোৰ একো সকাম নাই। অনাহকতে আদালতত বাদ বিসম্বাদ কৰাৰ পৰা ৰক্ষা পৰিবলৈ মিটমাট হবলৈ প্ৰস্তাৱ মাথোন কৰিম।”

সেইখিনি পোৱাৰ সাত আঠদিনৰ পাছত মই ডাৰবান এৰিলো। সেইবাবে এটা প্ৰথম শ্ৰেণীৰ টিকিট কিনা হল। শুবলৈ হলে বিছনাৰ বাবে ৫ শ্বিলিং বেছি দিয়া তাত নিয়ম আছিল। আবদুল্লা ছেঠে বিছনাৰ বাবেও টিকেট লবলৈ মোক ধৰিলে, কিন্তু গপত আৰু ৫ শ্বিলিং বচাবলৈ বুলি ইয়াত মান্তি নহলো। আবদুল্লা ছেঠে মোক সতৰ্ক কৰি দি কলে—“চাওক, এইখন ভাৰতবৰ্ষ নহয়, ই এখন সুকীয়া ঠাই। ঈশ্বৰৰ ...বাদ আমাৰ এতিয়াও যথেষ্ট ধন সম্পত্তি আছে। কোনো বস্তু লগা ...লে খৰচ কমাবলৈ নিজক অসুবিধাত নেপেলাব।” মই তেখেতক ধন্যবাদ দি মোৰ বাবে চিন্তিত হবলৈ হাক দিলো। ৰাতি ৯ বজাত ট্ৰেইন নেটালৰ ৰাজধানী মেৰিজবাৰ্গ ছহৰ পালেগৈ। এই ষ্টেশ্যনত বিছনাপত্ৰ যোগোৱা হৈছিল। বিছনা লাগেনে বুলি এজন ৰেলৰ কৰ্ম্মচাৰীয়ে আহি মোক সুধিলত “নালাগে মোৰ লগতেই এখন আছে” বুলি মই উত্তৰ দিলো। সি গুচি গল। কিন্তু ইয়াৰ পাছতেই এজন য়ুৰোপীয় যাত্ৰী আহিল আৰু মোক মূৰৰ পৰা ভৰিলৈকে চালে। তেওঁ দেখিলে যে মই এটা ‘কালা আদমী’। ইয়াত তেওঁ বিৰক্ত হল। তেওঁ বাহিৰলৈ ওলাই গল আৰু দুজনমান কৰ্ম্মচাৰীৰে সৈতে পুনৰ সোমাল। তেওঁলোক নিমাত হৈ আছিল, এনেতে আৰু এজন কৰ্ম্মচাৰী আহি মোক কলে “আঁহা, তুমি এতিয়া ‘ভান’ গাৰীলৈ যাব লাগিব।” কিন্তু মোৰ যে প্ৰথম শ্ৰেণীৰ টিকিট আছে’ মই কলো। সি একো কথা নহয়, মই কৈছো যে তুমি এতিয়া তালৈকে যাব লাগিব।”

'ভাৰবানত এইখন গাৰীত মোক আহিবলৈ দিয়া হৈছিল আৰু এইখন গাৰীত মই যাম।'

''নহয়, সি হব নোৱাৰে। এইখন গাৰীৰ পৰা এতিয়া নামিব লাগিব। নহলে মই কনিষ্টবল মাতি তোমাক গতিয়াই উলিয়াব লাগিব।'

'ভাল, তেন্তে সেযেই হওক। মই স্ব-ইচ্ছাত ওলাই নাযাও।' কনিষ্টবল আহিল। সি মোক হাতেৰে ধৰি হেঁচা মাৰি উলিযাই পঠালে। মোৰ মাল-পত্ৰও উলিযাই অনা হল। তথাপিও মই 'ভানত' উঠিবলৈ মান্তি নহলো আৰু ট্ৰেইন এৰি গুচি গল। য'ৰ বস্তু তেতে এৰি লগত হাত বেগটো লৈ মই বেটিং ৰুমত' বহিলো গৈ। ৰেল কর্ত্তৃপক্ষই বস্তু বাহানিৰ চাৰ্জ নালে।

এই সময়ত জাৰৰ দিন আৰু দক্ষিণ আফ্ৰিকাৰ উত্তৰ অংশত বৰ বেছি জাৰ। মাৰিজবাৰ্গ ওখত বুলিও জাৰৰ মাত্ৰা বৰ বেছি আছিল। মোৰ ওভাৰকোটটো 'লাগেজ'ত আছিল, কিন্তু আকৌ কৰবাত অপমানিত হও বুলি ভাবি তাৰ বাবে বিচাৰ কৰিবলৈ মোৰ সাহ নহল, সেইবাবে জাৰত কঁপি কঁপি তাতেই বহি থাকিলো। জাৰৰ ৰাতি এজন যাত্ৰী আহি পালে আৰু বোধকৰো মোৰ লগত কথা হবলৈ ইচ্ছা কৰিছিল কিন্তু তেতিয়া কথা হবৰ অৱস্থাত মই নাছিলো।

মই নিজৰ কৰ্ত্তব্য সম্পৰ্কে ভাবিবলৈ ধৰিলো। নিজৰ অধিকাৰৰ বাবে যুজ দিম নে ভাৰতবৰ্ষলৈ উভটিম। নাইবা অপমান অগ্ৰাহ্য কৰি প্ৰেটোৰিয়ালৈ গৈ কাম শেষ কৰি ভাৰতবৰ্ষলৈ উলটিম? মোৰ কৰ্ত্তব্য নকৰাকৈ ভাৰতবৰ্ষলৈ লৰি গুচি যোৱাটো কাপুৰুষৰ কাম যি দুখ কষ্টৰ মাজেদি মোৰ যাব লাগিব সি হৈছে বৰ্ণবিদ্বেষ, ই এটা ব্যাধিৰ লক্ষণ লাথোন। সম্ভৱ হলে এই ব্যাধিৰ মূলোৎপাটন কৰিবলৈ

মই চেষ্টা কৰিম, আৰু ইয়াৰ বাবে নিৰ্য্যাতন সহ্য কৰিম। বৰ্ণবিদ্বেষৰ ভাব গুচাবলৈ যি খিনি দৰকাৰ সিমান খিনিহে মই অন্যায়ৰ প্ৰতিকাৰ বিচাৰিম।

সেইবাবে মই প্রেটোৰিয়ালৈ ইয়াৰ পাছৰ ট্ৰেইনত যোৱাই স্থিৰ কৰিলো। ইয়াৰ পাছ দিনা পুৱা ৰেলৱেৰ জেনাৰেল মেনেজাৰলৈ এখন দীঘলীয়া টেলিগ্ৰাম পঠালো আৰু আবদুল্লা ছেঠকো জনালো। তেওঁ তত্তালিকে জেনাৰেল মেনেজাৰৰ লগত দেখা কৰিলে। জেনেৰেল মেনেজাৰে হলে ৰেলৱে কৰ্তৃপক্ষৰ কাম সমৰ্থন কৰিলে, কিন্তু তেওঁক জনালে যে যাতে মই গন্তব্য ঠাই নিৰাপদে পাওঁগৈ এইবাবে ষ্টেশ্যন মাষ্টাৰক জনাইছে। আবদুল্লা ছেঠেও মাৰিজবাগৰ ভাৰতীয় সদাগৰ সকললৈ মোৰ লগত দেখা কৰি মোৰ আল পৈছান ধৰিবলৈ অনুৰোধ কৰিলে। তেওলোক ষ্টেশ্যনলৈ আহি তেওঁলোকৰ নিজৰ দুখ কষ্ট জনাই মোক সান্ত্বনা দিবলৈ আৰু মোৰ যি ঘটনা ঘটিল সি একোৱেই অসাধাৰণ নহয় বুলি উৰাই দিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে আৰু কলে যে প্ৰথম নাইবা দ্বিতীয় শ্ৰেণীত ৰেলত ফৰা চকা ভাৰতীয় মানুহে ৰেলৱে কৰ্ম্মচাৰী নাইবা বগা যাত্ৰীৰপৰা দিগদাৰ পাবলৈ আশা কৰিব লাগেই। এইবোৰ দুখৰ কথা শুনাতেই দিনটো গল। গধূলিৰ ট্ৰেইন পালে হি। মোৰ বাবে 'ঠাই' ৰিজাৰ্ভ আছিল, বিছনাৰ বাবে যি টিকিট লবলৈ ডাৰবানত অমান্তি হৈছিলো, এতিয়া মাৰিজবাগত সেই টিকিটেই কিনিলো। ট্ৰেইনে মোক নি চাৰ্লছ টাউন পোৱালেগৈ।

ৰাটত আৰু বিঘিনি

(১)

ট্ৰেইন ৰাত্তিপুৱা চাৰ্লছটাউন পালেগৈ। সেইসময়ত চাৰ্লছটাউনৰ পৰা জোহানছবাৰ্গলৈ ৰেলয়ে নাছিল, অহা-যোৱা কৰিবলৈ ঘোড়া-গাৰীৰ ডাক আছিল। বাটত ষ্টেণ্ডাৰ্টনত ৰাতি খপি জোহানছবাৰ্গ পোৱা হৈছিল। মেৰিজবাৰ্গত এদিন আটক হোৱা স্বত্বেও মোৰ গাৰীৰ টিকেটখন বদী হোৱা নাছিল। ইয়াৰ বাহিৰেও দাদা আবদুল্লাই চাৰ্লছটাউনৰ গাৰীৰ এজেণ্টজনলৈ এখন তাঁৰ কৰি দিছিল।

কিন্তু এজেণ্টজনে মোৰ যোবা বন্ধ কৰিবলৈ ছেলু বিচাৰি আছিল, আৰু সেইবাবে মোক আচহুৱা দেখি তেওঁ কলে—'আপোনাৰ টিকিট 'কেন্সেল' হৈছে।' মই উচিত প্ৰত্যুত্তৰ দিলো। ঠাইৰ অভাৱেই ইয়াৰ ভিতৰুৱা কাৰণ নাছিল কিন্তু কাৰণ সম্পূৰ্ণ অন্যহে আছিল। গাৰীৰ ভিতৰত যাত্ৰীবিলাকৰ বহিবলৈ ঠাই আছিল, কিন্তু মই যে 'কুলী'' আৰু তাতে আচহুৱা সেইবাবে গাৰীৰ চাৰ্জত থকা বগা কৰ্ম্ম-চাৰী জনে (তেওঁক 'লিডাৰ' বুলি কোৱা হৈছিল) মোক বগা যাত্ৰী-বিলাকৰ লগত একেলগে বহুৱা অনুচিত বুলি ভাবিলে। সেইসময়ত 'কোচবক্স'ৰ দুযো কাষতো বহিবৰ ঠাই আছিল। সাধাৰণতে লিডাৰ' তাৰ এটাতেই বহে। আজি সি নিজে ভিতৰত বহি মোক তাৰ বহা ঠাইডোখৰ দিলে। এইটো ভয়ানক অন্যায, আৰু ইয়াৰে মোক অপমান কৰা হৈছে, বুলি মই বুজিলোঁ কিন্তু এই অপমান সহি থকাই ভাল বুলি ভাবিলোঁ। ভিতৰত বলেৰে মই সোমাৰ নোৱাৰো, আৰু ভিতৰত বহা লৈ বাদানুবাদ কৰিলে গাৰীযেই এৰি যাব। তেন্তে আৰু এটা দিন ক্ষতি হব আৰু তাৰ পাছদিনাই বা কি হয় সেইটো

কেৱল মাত্ৰ ঈশ্বৰেই জানে। মই অন্তৰত গুজৰি গামৰি থকা স্বত্বেও কোচম্যেনৰ কাষতেই বহিলো।

তিনটামান বজাত গাৰী পৰ্ডেকোফ পালেগৈ। কিন্তু 'লিডাৰ' মই বহা ঠাই ডোখৰত বহি ছিগাৰেট খাবলৈ আৰু বোধকৰো অলপ মুকলি বতাহ লবলৈ ইচ্ছা কৰিছিল। সেইবাবে কোচম্যেনৰ পৰা ময়লা থৈলা এডোখৰ লৈ ভৰিৰ কাষত পাৰি দি মোক কলে—'স্বামী, তই ইয়াত বহ, মই কোচম্যেনৰ ওচৰত বহোঁ।' এই অপমান মই সহিব নোৱাৰা হলো। কঁপি কঁপি ভয়ত কলো—"মই ভিতৰত বহিবলগীয়া আছিল আৰু তুমিয়েইতো মোক ইযাত বহিব দিলা, তথাপিও মই সেই অপমান সহি আছিলো, এতিয়া তুমি বাহিৰত বহি খোৱা খাবলৈ বুলি মোক মোক ভৰিৰ কাষত বহুৱাবলৈ বিচাৰিছা, মই সেইদৰে বহিব নোৱাৰো কিন্তু ভিতৰত বহিবলৈ মান্তি আছোঁ।"

মই এই কথা কেইআষাৰ কৈ থাকোতে মানুহজনে মোৰ ফালে চোচা মাৰি আহিল আৰু মোৰ কাণ জোৰে মোহাৰিবলৈ ধৰিলে। মোৰ হাতত ধৰি টানি তললৈ নমুৱাই দিবলৈ সি যত্ন কৰিলে। ইফালে কোচবক্সৰ কাষত থকা পিতলৰ ডা দালত আকোঁৱালি ধৰি হাতৰ যোৰা ছিঙি গলেও, ডাং ডাল এৰি নিদিও মই দৃঢ়প্ৰতিজ্ঞ হলো। যাত্ৰী বিলাকে এই দৃশ্য নিমাত হৈ চাই আছিল। মানুহটোৱে মোক আজুৰি আৰু মাৰি থকা স্বত্বেও ডাং ডাল এৰি দিয়া নাই, যাত্ৰীসকলেও চাই আছে। সি বলী আৰু মই দুৰ্ব্বল। অৱশেষত কিছুমান যাত্ৰীৰ মনত দয়া উপজিল আৰু চিঞৰি কলে—'হেৰৌ এৰি দে। তাক নামাৰিবি, তাৰ গাত একো দোষ নাই, সি কোৱাটোৱেই ঠিক। তাত যদি বহিব নোৱাৰে, তেন্তে আমাৰ লগতে আহি বহক।' মানুহটোৱে উত্তৰ দিলে—'ভয় নকৰিব', কিন্তু বাধা পাই সি জঁয় পৰিল আৰু

মোক মৰা এৰি দিলে। মোৰ হাত এৰি দি গালি সঁপনি পাৰি কোচ-বক্সৰ সি দাঁতিত বহি থকা হোটেনটট দেশীয় চাকৰটোক ভৰিৰ কাষত বহুৱাই তাৰ ঠাইত নিজে বহিল।

যাত্ৰীসকল পুনৰ নিজৰ ঠাইত বহিলগৈ, বাঁহি বাজিল আৰু গাৰীও চলিবলৈ ধৰিলে। মোৰ বুকু ধানবনাদি বানিবলৈ ধৰিলে। আজি জীয়াই গন্তব্যঠাই পোৱাত মোৰ সন্দেহ উপজিল। মানুহটোৱে মাজে সময়ে মোলৈ ৰঙাচকুৰে চাই আছিল আৰু হাতৰ মুঠি দেখুৱাই গোৰগোৰাই আছিল—'বাৰু বল ছেণ্ডাৰটনলৈ, তোক কি কৰোঁ চাবি।' মই ঈশ্বৰক প্ৰাৰ্থনা কৰি নিমাত হৈ বহি আছিলো।

এন্ধাৰ হলত আমি ছেণ্ডাৰটন পালোগৈ। তাত ভাৰতীয় মানুহৰ মুখ দেখি আৰামৰ উশাহ ললোঁ। মই নমামাত্ৰে কাষ চাপি আহি তেওঁলোকে কলে—"আমি আপোনাক আগবঢ়াই নিবলৈ আহিছোঁ। আপোনাক ইছা ছেঠৰ দোকানলৈ নিম। আবদুল্লাছেঠৰ পৰা তাঁৰ পাইছিলোঁ।" মই বৰ আনন্দ পালো আৰু অমি সকলোটি ইছা হাজী ছুমাৰছেঠৰ দোকানলৈ গলো। ছেঠ আৰু তেওঁৰ আমোলাইঁত মোৰ চাৰিওফালে আহি গোট খালে। মই তেওঁলোকৰ মোৰ সকলো কথা কলো। তেওঁলোকে মোৰ কথা শুনি বৰ বেজাৰ পালে আৰু তেওঁলোকৰ নিজৰ দুখৰ কাহিনীও মোক কবলৈ ধৰিলে।

গাৰী-কোম্পানীৰ এজেণ্টক সকলো কথা জনাবলৈ স্থিৰ কৰি তেওঁলৈ এখন চিঠি লিখিলো, এই মানুহটোৱে বাটত যি ভয় দেখুৱাইছিল তালৈকেও তেওঁৰ মনোযোগ আকৰ্ষণ কৰিলো। কালিলৈ পুৱাৰ গাৰীত যাতে মোক অন্যান্য যাত্ৰীৰ লগত বহিবলৈ দিয়ে, সেই সম্পৰ্কে মই আশ্বাস বিচাৰিলো। ইয়াৰ উত্তৰত এজেণ্টৰ পৰা এই মৰ্ম্মে উত্তৰ পালো—'ছেণ্ডাৰটনৰ পৰা আমাৰ গাৰী ডাঙৰ, আৰু অন্য

এজন মানুহৰ চাৰ্জত যাব। যি মানুহটোৰ সম্পৰ্কে আপুনি অভিযোগ কৰিছে, সেই মানুহটো কালিলৈ নাযায়। আৰু আপুনিও গাৰীৰ ভিতৰত অন্যান্য যাত্ৰীৰ লগত বহিবলৈ পাব।' এই কথাষাৰত মই আশ্বস্ত হলো। যি মানুহটোৱে মোক মাৰিছিল, তাৰ বিৰুদ্ধে আদালতলৈ যোৱা মোৰ অভিপ্ৰায় নাছিল। আৰু সেই বাবে মাৰৰ অধ্যায় ইয়াতেই অন্ত পৰিল।

পুৱা ইছাছেঠে মোক নি গাৰীত উঠালে। ইয়াত বহিবলৈ ঠাই ভাল পাইছিলোঁ, এই দৰে জানিবা, নিৰাপদে ৰাতি জোহানছবাৰ্গ পালোগৈ।

ছেণ্ডাৰটন এখন সৰু গাওঁ আৰু জোহানছবাৰ্গ ডাঙৰ ছহৰ। আবদুল্লা ছেঠে জোহানছবাৰ্গলৈকো তাঁৰ কৰিছিল আক তাৰ মহম্মদ কাছীম কামাৰুদ্দীনৰ দোকানৰ নাম মোক দিছিল। তেওঁলোকৰ মানুহে মোক নিবলৈ বুলি আহিছিল, কিন্তু মানুহজনক ময়ো চিনি নাপালো আৰু তেৱোঁ মোক চিনি উলিযাব নোৱাৰিলে। সেইবাবে মই হোটেললৈ যোৱা স্থিৰ কৰিলো, কেইবাটাও হোটেলৰ নাম মই জানিছিলো, গাৰী এখন ভাড়া কৰি 'গ্ৰাণ্ডনেশ্যনেল হোটেল'লৈ মোক নিবলৈ কলো। মই মেনেজাৰৰ লগত দেখা কৰিলো আৰু থাকিবলৈ এটা খোটালী বিচাৰিলো। তেও মোৰ ফালে এবাৰ চকু দি নম্ৰভাৱে কলে—'আমাৰ ইয়াত মানুহ ভৰি আছে ক'তো ঠাই নাই।' সেইবাবে মই গাৰীৱালাটোক মহম্মদ কাছীম কামাৰুদ্দীনৰ দোকানলৈ নিবলৈ কলো। ইয়ালৈ আহি দেখো যে আবদুল গনী ছেঠে মোৰ বাবে বাট চাই আছে আৰু দেখা পাই সাদৰি নিলে। হোটেলৰ কথা শুনি তেওঁ হো-হো কৰে হাঁহিবলৈ ধৰিলে। আপোনাক হোটেলত ঠাই দিব বুলি আশা কৰিছিল নেকি?

'কিয় নকৰিম।' মই সুধিলো।

"ইয়াত কিছুদিন থকাৰ পাছতহে আপুনি জানিব পাৰিব। টকা কৰিবলৈ বুলিহে এনে এখন ঠাইত আমি থাকিব পাৰিছোঁ, অপমানলৈকো এবো মনকাণ নিদিও।" এইবুলি তেওঁ দক্ষিণ আফ্ৰিকাত ভাৰতবাসীৰ দুৰৱস্থাৰ কথা বৰ্ণনা কৰিবলৈ ধৰিলে।

আবদুল গনী সম্পৰ্কে পাছে পৰেও পাঠক সকলে জানিব। তেওঁ কলে—'এইখন ঠাই আপোনাৰ দৰে মানুহৰ বাবে নহয়। চাওক, কালিলৈ আপুনি প্ৰেটোৰিয়ালৈ যাব লাগিব, আপুনি তৃতীয় শ্ৰেণীতহে যাব পাৰিব। ট্ৰান্সভালত নেটালতকৈও অৱস্থা শোচনীয়। ভাৰত-বাসীক প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ টিকিট বেচাই নহয়।'

"এই সম্পৰ্কে আপোনালোকে নেৰা–নেপেৰাকৈ লাগি থকা নাই?"

"আমি আবেদন কৰিয়েই আছোঁ, কিন্তু মই স্বীকাৰ কৰো যে আমাৰ মানুহেই সাধাৰণতে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত যাবলৈ ইচ্ছা নকৰে।'

যিহক, ৰেলৰে ৰেগুলেশ্যন এখন অনাই পঢ়িবলৈ ধৰিলো। দেখিলো এফালেদি এটা সুৰুঙা আছে। পুৰণি ট্ৰান্সভালৰ আইনৰ ভাষা সিমান টান আৰু পোণ নাছিল। বোৰে ৰেগুলেশ্যনৰ ভাষা ইয়াতকৈও কম টান আৰু পোণ।

ছেঠক কলো—'মই প্ৰথম শ্ৰেণীত যাবলৈ ইচ্ছা কৰো যাব নোৱাৰিলে, প্ৰেটোৰিয়ালৈ এখন গাৰী নিয়াই শ্ৰেয় কাৰণ ৩৭ মাইল দূৰ মাথোন।" ছেঠে ইয়াৰে কিমান অতিৰিক্ত সময় আৰু খৰচ পৰিব তালৈ আঙুলিয়াই দেখুৱালে। কিন্তু প্ৰথম শ্ৰেণীত পঠাবলৈ সন্মত হল আৰু সেইবাবে ষ্টেশন–মাষ্টাৰলৈ এখন চিঠিও লিখি দিয়া হল। চিঠিত মই লিখিলোঁ যে মই এজন বেৰিষ্টাৰ আৰু সদায় প্ৰথম শ্ৰেণীত ফুৰাচকা মোৰ অভ্যাস। চিঠিত আৰু লিখিলোঁ যে অতি সোণকালেই

প্ৰেটোৰিয়া পোৱা মোৰ প্ৰয়োজন আৰু উত্তৰ পাবলৈ সময় নাই দেখি নিজেই ষ্টেশ্যনত উত্তৰ লম গৈ। আৰু প্ৰথম শ্ৰেণীৰ টিকেট এখন পাম বুলি আশা কৰিলোঁ। চিঠিৰ উত্তৰ নিজে লবলৈ লিখাৰ এটা উদ্দেশ্য আছিল। মই ভাবিছিলোঁ যে ষ্টেশ্যন মাষ্টৰে চিঠিৰ উত্তৰ দিবলৈ হলে পোনেই 'নোৱাৰো' বুলি লিখি পঠাব কাৰণ 'কুলী বেৰিষ্টাৰ' সম্পৰ্কে তেওঁৰ কুসংস্কাৰ থাকিবই। সেইবাবে নিখুঁতভাৱে চাহাবী পোচাক পিন্ধি গলে নিজে কৰ পাৰিম আৰু সম্ভৱত প্ৰথম শ্ৰেণীৰ টিকেট এখন বুজাই বৰাই লব পাৰিম। সেইবাবে 'ফ্ৰক কোট' পিন্ধি আৰু ডিঙিত 'নেকটাই' লগাই টিকেট দিয়া খিলিকীখনত এটা মোহৰ থৈ প্ৰথম শ্ৰেণীৰ টিকেট এখন বিচাৰিলোঁ। তেওঁ সুধিলে 'আপুনিয়েই চিঠিখন লিখিছিলনে?' 'এৰা, মোক টিকেটখন দিলে বৰ বাধিত হম। মই আজিয়েই প্ৰেটোৰিযা পোৱাৰ প্ৰয়োজন।'

তেওঁ মিচিকিয়াই হাঁহিলে আৰু মনত বোধ কৰো দয়া উপজিল, তেওঁ কলে—"মই ট্ৰান্সভালৰ মানুহ নহও, মই হলাণ্ড দেশৰ মানহ, মই আপোনাৰ ভাব বুজি পাইছোঁ আৰু আপোনালৈ মোৰ সহানুভূতি হৈছে। মই আপোনাক প্ৰথম শ্ৰেণীৰ টিকেট দিবলৈ বিচাৰেঁা। কিন্তু এটা কথা আছে, গাৰ্ডে যদি আপোনাক তৃতীয় শ্ৰেণীলৈ যাবলৈ কয়, তেন্তে আপুনি এই ঘটনাত মোক জড়িত নকৰিব অৰ্থাৎ আপুনি ৰেলৱে কোম্পানীৰ বিৰুদ্ধে আদালতলৈ নাযাব। আপুনি যাতে নিৰাপদে পাযগৈ, সেয়েই মোৰ প্ৰাৰ্থনা। আপনি এজন ভদ্ৰ মানুহ" এই বুলি কৈ তেওঁ এখন টিকেট দিলে। মই তেওঁক ধন্যবাদ দি এই সম্পৰ্কে আশ্বাস দিলোঁ।

ছেঠ আবদুল গনীয়ে মোক ষ্টেশ্যনত থবলৈ আহিছিল। এই ঘটনাত তেওঁ আচৰিত হল, কিন্তু মোক সতৰ্ক কৰি কলে—'আপনি

প্ৰেটোৰিয়া ঠিকে-ঠাকে পালেহে নিশ্চিন্ত হম। মোৰ ভয় হৈছে গাৰ্ডে আপোনাক শান্তিৰে প্ৰথম শ্ৰেণীত যাবলৈ নিদিয়ে, তেওঁ দিলেও যাত্ৰীবিলাকে নিদিয়ে।'

মই প্ৰথম শ্ৰেণীৰ খোটালী এটাত সোমাই বহিলো, ট্ৰেইনো এৰিলে। ডাৰ্মিষ্টনত গাৰ্ডে আহি টিকেটবোৰ চাবলৈ ধৰিলে। আৰু মোক তাত দেখা পাই জিক-জিকাই উঠিল। মোক তৃতীয় শ্ৰেণীৰ খোটালীলৈ যাবলৈ আঙুলিয়াই দেখুৱালে প্ৰথম শ্ৰেণীৰ টিকেটখন মই দেখুৱালো। সি কলে—তাতে একো নহয় তৃতীয় শ্ৰেণীলৈ যাব লাগিব।

সেই খোটালীত মাথোন এজন ইংৰাজ যাত্ৰী আছিল। তেওঁ গাৰ্ডক দাবি দি কলে—এই ভদ্ৰলোকজনক কিয় আমনি কৰিছা তেওঁৰ প্ৰথম শ্ৰেণীৰ এখন টিকেট থকা দেখা নাইনে? তেও মোৰ লগত যোৱাত মই অলপো বেয়া নাপাওঁ। আৰু মোৰ ফালে চাই কলে— 'আপুনি নিশ্চিন্ত হৈ বহি থাকক।

'কুলীৰ লগত যদি তুমি যাবলৈ ইচ্ছা কৰা তেন্তে মোৰ কি?" গোৰ-গোৰাই গাৰ্ড ওলাই গল। গোধূলি ৮ বজাত ট্ৰেইন গৈ প্ৰেটোৰিয়া পালে।

প্ৰেটোৰিয়াত প্ৰথম দিন

(১০)

প্ৰেটোৰিয়া ষ্টেশ্যনত মোক আগ বঢাই নিবলৈ দাদা আবদুল্লাৰ এটৰ্ণীৰ হকে কোনোবা আহিব বুলি মই আশা কৰিছিলোঁ। অন্য

কোনো ভাৰতীয় মানুহ নাহে বুলি মই জানিছিলোঁ। কাৰণ কাৰো ঘৰত নাথাকোঁ বুলি আবদুল্লাৰ ওচৰত মই প্ৰতিশ্ৰুতি দি আহিছিলোঁ। এটৰ্ণীজনেও কাকো পাঠোৱা নাছিল। পাছত মই বুজিলো যে সেই দিনা দেওবাৰ গতিকে অসুবিধা হোৱা বাবে তেখেতে কাকো পঠাব নোৱাৰিলে কলৈ যাও, কি কৰোঁ ভাবি মই বিমোৰত পৰিলোঁ; কাৰণ কোনো হোটেলে মোক গ্ৰহণ নকৰে বুলি মোৰ আশঙ্কা আছিল। ১৮৯৩ সনৰ প্ৰেটোৰিয়া ষ্টেশ্যন ১৯১৪ সনৰ ষ্টেশ্যনতকৈ সম্পূৰ্ণ সুকীয়া আছিল। চাকিবোৰ টিমিক টামাক কৈ জ্বলিছে। যাত্ৰী নিচেই কম সকলো যাত্ৰীক আগ বাঢ়িবলৈ দি তেওঁলোক যোৱাৰ পাছত টিকিট-কলেক্টৰক অলপ উশাহ লোৱাত মোৰ টিকটখন গতাই দি কোনোবা হোটেল, নাইবা মই যাব পৰা কোনো ঠাইৰ বাতৰি সুধিম বুলি ভাবিলো, নহলে ষ্টেশ্যনতে ৰাতিটো পৰি থাকিম। এই কথাষাৰকে সুধিব নোৱাৰিলো। কাৰণ অপমানিত হম বুলি মোৰ ভয় হল। যাত্ৰীবিলাক দিহা-দিহি গুচি যোৱাত ষ্টেশ্যন মুকলি হোৱাত টিকিট কলেক্টৰক টিকিটখন দি মই সকলো কথা সুধিবলৈ ধৰিলো। তেওঁ ভদ্ৰভাৱেই মোৰ কথাবিলাকৰ উত্তৰ দি আছিল। কিন্তু মই দেখিলো যে তেওঁ মোৰ বিশেষ কামত নাহিল। ওচৰত থিয় হৈ থকা এজন আমেৰিকান নিগ্ৰো আমাৰ কথা বতৰাত হঠাতে সোমালহি। তেওঁ কলে "আপুনি বন্ধুবান্ধৱহীন, সম্পূৰ্ণ আচহুৱা মানুহ, মোৰ লগত যদি আহে তেন্তে সৰু হোটেল এটালৈ নিব পাৰোঁ। তাৰ গৰাকীজন আমেৰিকান, মোৰ লগত ভালকৈ চিনা পৰিচয় আছে। আপোনাক বোধ কৰো তেওঁ থাকিবলৈ ঠাই দিব।"

মোক থাকিবলৈ দিয়া সম্পৰ্কে মোৰ সন্দেহ হল; তথাপিও ধন্যবাদ দি তেওঁৰ লগ ললোঁ। তেওঁ মোক জনষ্টন পৰিয়ালৰ ঘৰুৱা

হোটেললৈ নিলে। তেওঁ জনষ্টনক একাষৰীয়াকৈ মাতি আনি সকলো কথা বুজাই কলে; তেৰেঁা ৰাতিটোৰ বাবে মোক থাকিবলৈ দিয়াত মান্তি হল। সৰ্ত্ত দিলে যে মই নিজৰ খোটালীত খানা খাব লাগিব। তেওঁ কলে—“মই আপোনাক আশ্বাস দি কওঁ যে মোৰ বৰ্ণবিদ্বেষৰ ভাব নাই, কিন্তু মোৰ খৰিদ্দাৰ সকলো যুৰোপীয় আৰু আপোনাৰ খানা-কামৰাত খাবলৈ দিলে মোৰ আলহীবোৰ বিৰক্ত হব পাৰে, আনকি গুচি যাবও পাৰে।”

মই কলোঁ—ৰাতি থাকিবলৈ দিয়া যাবে আপোনাক ধন্যবাদ। কিছু পৰিমাণে ইয়াৰ অৱস্থা মই বুজিব পৰা হৈছো আৰু সেইবাবে আপোনাৰ অসুবিধা মই বুজিছোঁ। মোৰ খোটালীত সুকীয়াকৈ খাবলৈ দিয়াত মোৰ একো আপত্তি নাই, কালিলৈ মই কিবা এটা সুকীয়া বন্দোবস্ত কৰিব পাৰিম।”

খোটালী এটা মোক দেখুৱাই দিয়া হল, তাত মই অকলশৰে নানা কথা গুণি-গাঁথি খানাৰ বাবে বাট চাই বহি আছোঁ। হোটেলত বৰ বেছি মানুহ নাছিল, আৰু অলপ সময়ৰ ভিতৰতেই খানছামাই খানা লৈ আহিব বুলি মই ভাবি আছিলোঁ। কিন্তু খানছামাৰ পৰিবৰ্ত্তে মিঃ জনষ্টন নিজেই উপস্থিত হলহি তেওঁ কলে—“আপোনাক সুকীয়াকৈ খোটালীত খাবলৈ দিম বুলি কৈ মই লজ্জিত হৈছোঁ। মই অন্যান্য অলহী সকলক এই কথা কৈছিলো আৰু খানাকামৰাত আপোনাক খাবলৈ দিলে, তেওঁলোকৰ কিবা আপত্তি আছে নে নাই সোধাত তেওঁলোকে একো আপত্তি নাই বুলি কলে। আপুনি হোটেলত যিমান দিন ইচ্ছা কৰে সিমান দিন থাকিলে তেওঁলোকে একো আপত্তি নকৰে। সেইবাবে আপুনি খানাকামৰালৈ আহক আৰু যিমান দিন ইচ্ছা কৰে, আপুনি ইয়াতেই থাওক।”

তেওঁক পুনৰায় ধন্যবাদ দি মই খানাকামৰাৰ্লৈ গৈ পৰিতৃপ্তিৰে সৈতে ভোজন কৰিলো।

পাছদিনা এটৰ্ণী মিঃ বেকাৰক লগ ধৰিলো। আবদুল্লা ছেঠে তেওঁৰ সম্বন্ধে মোক পূৰ্ব্বেই কৈছিল, সেইবাবে তেওঁ মোক সাদৰ অভ্যৰ্থনা কৰাত অলপো আচৰিত হোৱা নাছিলোঁ। তেওঁ মোক আদৰ সাদৰ কৰি নি বহুৱালে আৰু মই ক'ত আছোঁ, কেনে আছোঁ ইত্যাদি সকলো কথা সুধিবলৈ ধৰিলে। সকলো কথা মই ভাঙি-পাতি কলো। তেতিয়া তেওঁ কলে—"ইয়াত বেৰিষ্টাৰৰ দৰে আপোনাক একো কাম আমি দিব নোৱাৰো, কাৰণ আমি শ্ৰেষ্ঠ বেৰিষ্টাৰ ইয়াত নিযুক্ত কৰিছোৱেই। মোকৰ্দ্দমাটো বহুত দিনলৈকে চলিব আৰু ই বৰ জটিল; সেইবাবে লাগতিয়াল সকলো খবৰ-বাতৰি পোৱাত আপোনাৰ সহায় মই বিচাৰিম। মক্কেলৰ লগত কথা-বতৰা হবলৈ আপুনিযেই মোৰ পক্ষে সুবিধাজনক হব। কিবা কথা জানিব লগীয়া হলে মক্কেলৰপৰা আপোনাৰ জৰীয়তে লব পৰা হব এইটো নিশ্চযেই সুবিধাজনক হব। আপোনাক থাকিবলৈ দিবলৈ এতিয়াও মই ঠাই বিচাৰি পোৱা নাই। মই ভাবিছিলো যে আপোনাক চাই লৈ এই সম্বন্ধে কিবা এটা দিহা কৰিম। ইয়াত বৰ্ণবিদ্বেষ বৰ বেছি। আপোনাৰ দৰে পুৰুষ এজনৰ বাবে ঠাই বিচাৰি পোৱা টানেই। দুখীয়া তিৰুতা এজনীক মই চিনি পাওঁ। তাই ৰুটীৱালাৰ ঘৈণীয়েক, তাই আপোনাক থাকিবলৈ দি নিজৰ উপাৰ্জ্জন কিছু বঢ়াব পাৰে, আহক, তাইৰ তালৈ যোৱা যাওক।"

তেওঁ মোক তাইৰ ঘৰলৈ গল। তাইক ভিতৰুৱাকৈ মোৰ কথা তেওঁ কলে আৰু তাই সপ্তাহত ৩৫ শ্বিলিঙ বন্দবস্তত মোক আলহী ৰাখিবলৈ মান্তি হল।

মিঃ বেকাৰ এটৰ্ণী হোৱাৰ বাহিৰেও এজন ধৰ্ম্মপ্ৰচাৰক আছিল।

তেওঁ এতিয়াও জীয়াই আছে আৰু ওকালতিৰ ব্যৱসায় এৰি প্ৰচাৰকৰ কাৰ্য্যত একাণপতীয়াকৈ লাগিছে। তেওঁ বেছ সম্পত্তিশালী মানুহ। তেওঁ এতিয়াও মোলৈ চিঠি লিখি থাকে। চিঠি-পত্ৰত তেওঁ একে কথাকেই আলোচনা কৰে। সকলো পিনৰপৰা খ্ৰীষ্ট-ধৰ্ম্মৰ শ্ৰেষ্ঠত্বই তেওঁ বখানি থাকে, যীশু-খ্ৰীষ্টক মানৱৰ পৰিত্ৰাণকৰ্ত্তা আৰু ঈশ্বৰৰ এক মাত্ৰ পুত্ৰ বুলি তেওঁ কয়।

তেওঁৰ লগত প্ৰথম দিনা দেখা হওতেও মোৰ ধৰ্ম্মমত সম্পৰ্কে তেওঁ সুধিছিল। মই কৈছিলো জন্মমতে মই হিন্দু কিন্তু তথাপিও মই হিন্দু-ধৰ্ম্ম সম্পৰ্কে বৰ একো নাজানোঁ অন্য ধৰ্ম্মৰ তো কথাই নাই। বাস্তৱতে ধৰ্ম্ম সম্পৰ্কে মই একোকেই নাজানো, আৰু মোৰ ধৰ্ম্ম—বিশ্বাস কি, আৰু কিটো হোৱা উচিত তাকো একো মই কব নোৱাৰোঁ। মোৰ নিজৰ ধৰ্ম্ম সম্পৰ্কে পোনতে সাৱধানেৰে পাঠ কৰিবলৈ ইচ্ছা কৰো আৰু তাৰ পাচত অন্যান্য ধৰ্ম্ম সম্পৰ্কেও যি পাৰোঁ পঢ়িম।

এই কথাষাৰ শুনি মিঃ বেকাৰে বৰ বং পাই কলে "দক্ষিণ আফ্ৰিকা জেনেৰেল মিশ্যনৰ মধ্যে এজন ডিৰেক্টৰ। মোৰ নিজৰ খৰচত এটা গীৰ্জা সাজি দিছোঁ, আৰু তাত মই নিয়মিতৰূপে ধৰ্ম্মোপদেশ দিওঁ। বৰ্ণবিদ্বেষ মোৰ একো নাই। মোৰ কিছুমান সহকৰ্ম্মী আছে, আমি সদায় অলপ পৰৰ কাৰণে একেলগ হৈ শান্তি আৰু পোহৰৰ বাবে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাওঁ। আপুনিও যদি আমাৰ লগত যোগ দিয়ে তেন্তে বং পাম। মোৰ সহকৰ্ম্মিসকলৰ লগত আপোনাক চিনাকি কৰি দিম, তেওঁলোকে আপোনাক লগ পাই বং পাব আৰু মই নিঃসঙ্কোচে কব পাৰোঁ যে আপুনিও তেওঁলোকক লগ পাই বং পাব। ইয়াৰ উপৰিও পঢ়িবলৈ আপোনাক কিছুমান ধৰ্ম্ম কিতাপ দিম।

অৱশ্যে ইয়াৰ ভিতৰত পৱিত্ৰ বাইবেলখনো থাকিব। বিশেষ কৈ এইখন কিতাপ আপোনাক পঢ়িবলৈ মই কও।"

মিঃ বেকাৰক মই ধন্যবাদ দিলো আৰু এক বজাত উপাসনা যথাসম্ভৱ নিয়মিতৰূপে যোগ দিবলৈ মান্তি হলো।

"তেন্তে আপোনাক কালি এইখিনি ঠাইত এক বজাত লগ পাম, বলি আশা কৰিলো, আপুনি আহিলে আমি একেলগে উপাসনা কৰিম" বুলি মিঃ বেকাৰে কলে। এইখিনিতে আমি দুয়ো পৰস্পৰক নমস্কাৰ কৰি বিদায় ললোঁ।

চিন্তা কৰিবলৈ সময় বৰ কম আছিল। তত্যাপিকে মিঃ জনষ্টনৰ ওচৰ পালোগৈ আৰু তেওঁৰ পাওনাৰ লেঠা মাৰি, নতুন ঠাইলৈ আহি তাত খোৱা-বোৱা কৰিলো। গিৰিহতনী ভাল তিৰুতাই আছিল। নিৰামিষ খাওঁ দেখি শাক-পাচলিৰে আঞ্জা ৰান্ধি খৈছিল। তেওঁৰ পৰিয়ালৰ মাজত নিজৰ ঘৰৰদৰে বোধ কৰিবলৈ মোৰ সৰহ সময় নালাগিল।

ইয়াৰ পাছত দাদা আবদুল্লাই চিঠি দিয়া মতে এজন বন্ধুক লগ ধৰিবলৈ গলো। দক্ষিণ আফ্রিকাত ভাৰতবাসীৰ দুৰ্দ্দশাৰ কথা বিস্তাৰিতৰূপে তেওঁৰ মুখত শুনিলোঁ। লগত থাকিবলৈ তেও মোক বৰকৈ ধৰিলে। তেওক ধন্যবাদ দি মোৰ বন্দোবস্তৰ কথা জনালোঁ কিবা কেতিয়াবা লগা হলে, তেওঁক বিচাৰোতে যেন সঙ্কোচ বোধ নকৰে। বুলি তেওঁ বৰকৈ কলে।

এতিয়া সন্ধিয়া হল। মযো ঘৰলৈ উলটি আহি ৰাতিৰ খোৱা বোৱা শেষ কৰি শোৱা-কোঠালীত সোমাই গভীৰ চিন্তাত মগ্ন হলোঁ। বৰ্ত্তমান মোৰ একো কাম নাই, বুলি দাদা আবদুল্লাক জনালোঁ। মিঃ বেকাৰৰ এই বন্ধুত্বৰ অৰ্থ কি মই ভাবিবলৈ ধৰিলো। তেওঁৰ ধৰ্ম্ম

বন্ধুসকলৰপৰা মোৰ কি লাভ হব? খ্ৰীষ্ট-ধৰ্ম্ম সম্পৰ্কে পঢ়াত কিমান মন দিম? হিন্দু-ধৰ্ম্ম সম্পৰ্কে কিতাপাদি মই কেনেকৈ পাম? নিজৰ ধৰ্ম্ম সম্পৰ্কে একোকেই নাজানি, খ্ৰীষ্ট ধৰ্ম্ম সম্পৰ্কে সকলো কথা উচিত মতে মই কেনেকৈ বুজিম? যি হওক এই সম্পৰ্কে এটা সিদ্ধান্ত স্থিৰ কৰিলোঁ। সকলো কিতাপ নিৰ্ব্বিকাৰভাৱে পঢ়া আৰু ঈশ্বৰে যি ফালে বাট দেখুৱায় সেইমতে মিঃ বেকাৰৰ দলৰ লগত আচৰণ কৰা মনতে স্থিৰ কৰিলোঁ। নিজৰ ধৰ্ম্ম ভালকৈ নুবুজাকৈ অন্য ধৰ্ম্ম গ্ৰহণ কৰাৰ কথা নাভাবোঁ। এইবোৰ ভাবি-চিন্তি মোৰ টোপনি আহিল।

খ্ৰীষ্টিয়ানৰ লগত সংস্পৰ্শ

(১১)

পাছদিনা দুপৰীয়া ১ বজাত মই মিঃ বেকাৰৰ উপাসনাৰ ঠাইলৈ গলোঁ। তাত কুমাৰী হেৰিছ, কুমাৰী গেয়ৰ, মিঃ কোটছ আৰু অন্যান্য কিছুমানৰ লগত মোক চিনাকি কৰি দিয়া হল। উপাসনা কৰিবলৈ সকলোৱেই আঁঠু ললে আৰু মযো তাকে কৰিলোঁ। নিজৰ নিজৰ ইচ্ছানুযায়ী ঈশ্বৰৰ ওচৰত কিছুমান বস্তুৰ বাবে নিবেদনৰ বাহিৰে উপাসনাত অন্য একো নাছিল। যেনে—দিনটো শান্তিৰে নিযাব পাৰি নাইবা, হিয়াৰ দুৱাৰ মুকলি কৰি দিবলৈ ঈশ্বৰক খটা ইত্যাদিয়েই সাধাৰণতঃ উপাসনাৰ ৰীতি আছিল।

মোৰ মঙ্গল কামনা কৰিও ঈশ্বৰৰ চৰণত নিবেদন কৰা হল—যি জনা নতুন ভ্ৰাতৃ আমাৰ লগলৈ আহিছে, তেওঁকো হে প্ৰভো, বাট দেখুৱাই দিয়া। আমাক যি শান্তি দিয়া প্ৰভো, সেই শান্তি এওঁকো দিয়া।

আমাক উদ্ধাৰ-কৰোতা প্ৰভু যিশুৱে যেন এওঁকো পৰিত্ৰাণ কৰে। এইবিলাক উপাসনাত স্তোত্ৰ, গান, নাইবা, অন্য কোনো বিধৰ সঙ্গীত হোৱা নাছিল। প্ৰতিদিনেই কিবা এটা বিশেষ কথালৈ নিবেদন কৰাৰ পাছত আমি দিহাদিহি গুচি আহোঁ। আবেলিৰ জলপানৰ সময়ত প্ৰত্যেকেই তালৈ যাওঁ। পাঁচ মিনিটতকৈ সৰহপৰ উপাসনা নহৈছিল।

কুমাৰী হ্যেৰিছ আৰু গ্যোব বয়সীয়াল আবিয়ে তিৰুতা আছিল। মিঃ কোটছ 'কোৱেকাৰ' (জৰ্জ্জ ফক্সে প্ৰতিষ্ঠিত কৰা এটা ধৰ্ম্ম সম্প্ৰদায়) সম্প্ৰদায়ভুক্ত আছিল। এই তিৰুতা দুগৰাকী একে লগেই আছিল আৰু তেওঁলোকে প্ৰতি দেওবাৰে ৪ বজাত চাহ খাবলৈ মোক স্থায়ী-ভাৱে নিমন্ত্ৰণ কৰিলে।

মিঃ কোটছৰ লগত মোৰ দেওবাৰে দেখা হলে সপ্তাহৰ ধৰ্ম্মসম্পৰ্কীয় ডায়েৰী মই তেওঁক দিওঁ আৰু যিবোৰ কিতাপ পঢ়ো সেই বোৰ কিতাপ সম্বন্ধে মোৰ ধাৰণা সকলো আলোচনা কৰো। তিৰুতাসকলেও তেওঁ-লোকৰ সকলো আধ্যাত্মিক অভিজ্ঞতা জনাইছিল আৰু তেওঁলোকে যি মানসিক শান্তি পাইছে সেই সম্পৰ্কেও সকলো কথা কৈছিল।

মিঃ কোটছ সৰল হৃদয়ৰ অথচ ডাঠ মনৰ ডেকা আছিল। আমি দুয়ো একেলগে ফুৰিবলৈ ওলাওঁ আৰু তেওঁ মোক বহুতো খ্ৰীষ্টান বন্ধুৰ ওচৰলৈ নিছিল।

আমাৰ যিমানেই ঘনিষ্ঠ সম্পৰ্ক হবলৈ ধৰিলে, সিমানেই তেওঁ মোক তেওঁৰ নিজৰ বাছনিমতে কিছুমান কিতাপ পঢ়িবলৈ দিলে আৰু এইবোৰ কিতাপেৰেই মোৰ কিতাপৰ 'ছেল্ফ' ভৰি পৰিল। পৰিত্ৰ ভক্তি লৈয়েই সেইবোৰ কিতাপ পঢ়িবলৈ মই গাত ললো, সেইবোৰ যিমানেই পঢ়ো, সিমানেই তেওঁৰ লগত আলোচনা কৰো।

১৮৯৩ সনত মই এনেবিধৰ বহুতো কিতাপ পঢ়িলো। সেইবোৰ

কিতাপৰ নাম মোৰ মনত নাই; কিন্তু ইয়াৰ ভিতৰত ছিটী টেম্পলৰ ডাক্তৰ পাৰ্কাৰৰ commentary এখন, পিয়াৰ্ছনৰ Many Infallible Proofs আৰু বাটলাৰৰ Analogy আছিল। এইবিলাক কিতাপৰ কিছুমান কথা মোৰ বাবে অবোধ্য আছিল। ইয়াৰ কিছুমান কথা মই ভাল পাইছিলো, কিছুমান ভাল পোৱা নাছিলো। Many Infallible Proofsৰ গ্ৰন্থকাৰে নিজে বাইবেল খন পঢ়ি তাৰ প্ৰচাৰিত ধৰ্ম্ম যি বুজি পাইছে, কিতাপখনত তাকেই যুক্তিৰে সমৰ্থন কৰিছে মাথোন। এইখন কিতাপে মোৰ মনত একোৱেই কৰিব নোৱাৰিলে। পাৰ্কাৰৰ commentary নৈতিক হিচাপে অনুপ্ৰাণনা আনিবপৰা আছিল হয়, কিন্তু খৃষ্টিয়ানৰ ধৰ্ম্ম-বিশ্বাসত যাৰ ভক্তি নাই তেনেনিধৰ লোকৰ বাবে এইখন অলপো সহায়ত অহা নাছিল; বাটলাৰৰ Analogy বোলা কিতাপখন বৰ গভীৰ তত্ত্বপূৰ্ণ আৰু দুৰূহ; ভালকৈ বুজিবলৈ হলে চাৰি পাচবাৰ পঢ়িব লাগে। নাস্তিকক আস্তিকতালৈ আনিবলৈকে এইখন কিতাপ লিখা হৈছিল বুলি মোৰ মনত হৈছিল। ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে যিবোৰ যুক্তি দেখুৱা হৈছে, সেইবোৰ মোৰ পক্ষে অনাৱশ্যক আছিল কাৰণ সেই সময়ত নাস্তিক অৱস্থা মই পাৰ হলো, কিন্তু যিশুৱেই ঈশ্বৰৰ অৱতাৰ মানুহ আৰু ঈশ্বৰৰ মাজত যিশুৱেই মধ্যস্থ বুলি যি যুক্তি দেখুৱা হৈছিল, সেই যুক্তিয়ে মোক অলপো লৰচৰ কৰিব নোৱাৰিলে। কিন্তু মিঃ কোটছ্ অলপতে পৰাজয় স্বীকাৰ কৰা বিধৰ মানুহ নাছিল। মোলৈ তেওঁৰ মৰম অগাধ আছিল। মোৰ ডিঙিত বৈষ্ণৱে পিন্ধা তুলসীৰ মালা এধাৰি দেখিলে আৰু এইটো মোৰ কুসংস্কাৰ বুলি ভাবি বেজাৰ পালে। "এই কুসংস্কাৰ তোমাক নুশুৱায়; আহাঁ এই মালাধাৰি ছিঙি পেলাওঁ" "নহয় আপুনি নিছিঙিব। মোৰ মাতৃৰ এইটো পবিত্ৰ দান।" "কিন্তু আপোনাৰ ইয়াত বিশ্বাস আছেনে?"

"মই ইয়াৰ ৰহস্য একেবাৰেই বুজি নাপাওঁ। এই ধাৰি মালা পিন্ধিলে যে মোৰ কিবা অপকাৰ হ'ব, তাক মই নাজানো। কিন্তু মোৰ মঙ্গল হ'ব বুলি বিশ্বাস কৰি, মৰমত মোৰ ডিঙিত আয়ে যিধাৰি মালা পিন্ধাই দিছিল, সেই ধাৰি মালা যথেষ্ট যুক্তি নহ'লে মই ছিঙিব নোৱাৰো। সময়ৰ লগে লগে এইধাৰি মালা ছিগি যায়, নাইবা, নিজৰপৰাই ছিগি পৰে, তেন্তে অৱশ্যে মই নিজে নতুন এধাৰি নলওঁ। কিন্তু এইধাৰি ছিঙিব নোৱাৰি।"

মিঃ কোটছে মোৰ যুক্তিৰ শলাগ লব নোৱাৰিলে। কাৰণ, মোৰ ধৰ্ম্মলৈ তেওঁৰ অলপো আস্থা নাছিল। তেওঁ মোক অজ্ঞানতাৰ গহ্বৰৰ পৰা উদ্ধাৰ কৰিবলৈ বিচাৰিছিল। অন্য ধৰ্ম্মত সত্য থাওক বা নাথাওক, খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ নকৰিলে, মোৰ পৰিত্ৰাণ সম্ভৱ নহয়, কাৰণ খ্ৰীষ্টধৰ্ম্মতেই সত্য আছে। আৰু প্ৰভু যিশুৱে মোৰ হৈ নাখাটিলে মোৰ পাপ স্খলন নহয়। বৰঞ্চ সকলো পুণ্য অথলে যাব ইত্যাদি বুলি তেওঁ মোক বুজনি দিছিল।

কিছুমান কিতাপৰ লগত মোক চিনাকি কৰি দিয়াৰ দৰে, তেওঁ যিসকলক ধৰ্ম্মিষ্ঠ খ্ৰীষ্টিয়ান বুলি ভাবিছিল, এনেবিধৰ কিছুমান লোকৰ লগতে মোক চিনাকি কৰি দিলে। "প্লাইমাউথ ব্ৰিদ্ৰেণ' নামৰ খ্ৰীষ্ট সম্প্ৰদায়ৰ এটা পৰিয়ালৰ লগতো মোক চিনাকি কৰি দিলে।

মিঃ কোটচে কৰি দিয়া সংস্পৰ্শ প্ৰায়ভাগেই ভাল আছিল। তেওঁলোকৰ সৰহভাগেই ঈশ্বৰ-বিশ্বাসী লোক আছিল। কিন্তু এই পৰিয়ালৰ লগত চিনাকি হোৱাত 'প্লাইমাউথ ব্ৰিদ্ৰেণ'ৰ এজনে মোক এনে এটা যুক্তি দিছিল, যিটো যুক্তিৰ বাবে মই সাজু নাছিলো। -

"আপুনি আমাৰ ধৰ্ম্মৰ সৌন্দৰ্য্য বুজিব নোৱাৰে। আপুনি যিদৰে কয়, তাৰপৰা বুজা যায় যে জীৱনৰ প্ৰত্যেক মুহূৰ্ত্ততেই আপনি অনিয়ম-

বোৰৰ সম্পৰ্কে ভাবি থাকে, আৰু সেইবোৰ সদায় শুধৰাই থাকে আৰু প্ৰায়শ্চিত্ত কৰি থাকে। কৰ্ম্মৰ এই অনন্ত চক্ৰই কেনেকৈ দোষ-বোৰ স্খলন কৰিব পাৰে? আপুনি কেতিয়াও শান্তি পাব নোৱাৰে। আমি সকলোৱেই পাপী বুলি আপুনি স্বীকাৰ কৰিছে। এতিয়া চাওক, আমাৰ বিশ্বাসৰ সম্পূৰ্ণতা।

"উন্নতি আৰু প্ৰায়শ্চিত্তৰ বাবে আমাৰ সকলো চেষ্টা ব্যৰ্থ হৈছে। তথাপিও আমি পাপৰপৰা মুক্তি বিচাৰো। আমি পাপৰ বোজা কেনেকৈ ব'ব পাৰো? যিশুৰ ওপৰত সকলো বোজা আমি পেলাই দিব পাৰো। তেৱেঁই ঈশ্বৰৰ একমাত্ৰ নিষ্পাপী পুত্ৰ। তেওঁৰ কথা যিয়েই বিশ্বাস কৰে তেওঁৱেঁই মুক্তি পাব পাৰে। তাতেই ঈশ্বৰৰ অনন্ত কৰুণা। আমাৰ [illegible] প্ৰায়শ্চিত্ত আমি বিশ্বাস কৰিলে, আমাৰ পাপ আমাত লাগি নাথাকে। পাপ আমাৰ আছেই। এই পাপ নোহোৱাকৈ থকা অসম্ভৱ। সেইবাবে যীশুৱেই কষ্ট স্বীকাৰ কৰিছে আৰু মানৱজাতিৰ পাপৰ বাবে তেওঁ অকলে প্ৰাযশ্চিত্ত কৰিছে। যি তেওঁৰ এই মহান স্খালনত বিশ্বাস কৰে, তেওঁৱেই অনন্ত শান্তি হব পাৰে। এবাৰ ভাবি চাওক, আপোনাৰ কি অশান্তিময় জীৱন আৰু আমাৰ ইযাত কি শান্তিময় ভৱিষ্যৎ আছে।'

এই যুক্তিয়ে মোৰ মনত অলপো বিশ্বাস জন্মাব নোৱাৰিলে। মই বিনীত ভাবে উত্তৰ দিলো– এযেই যদি সকলো খ্ৰীষ্টিযানে বিশ্বাস কৰা খ্ৰীষ্টধৰ্ম্ম হয় তেন্তে মই এই ধৰ্ম্ম লব নোৱাৰো। পাপৰ ফালৰ পৰা মই মুক্তি নিবিচাৰো–মই পাপৰ পৰাই, নাইবা, পাপ চিন্তাৰপৰাই মুক্তি বিচাৰো। সেই লক্ষ্য যেতিযালৈকে মই সাধন কৰিব নোৱাৰো, তেতিয়ালৈকে মই অশান্তিতেই সন্তুষ্ট।"

ইয়াৰ উত্তৰত 'প্লাইমাউথ ব্ৰাদাৰে' কলে–"মই আশ্বাস দিও যে

আপোনাৰ চেষ্টা ব্যৰ্থ হব। মই যিবোৰ কথা কৈছো সেইবোৰ পুনৰায় ভাবি চাব।" নিজৰ কথাৰ প্ৰমাণ দিবলৈ তেওঁ ইচ্ছা কৰি কিছুমান অনিয়ম কৰিলে আৰু এইবিলাক চিন্তাই অলপো তেওঁৰ শান্তি ভঙ্গ কৰিব পৰা নাই বুলি মোক দেখুৱালে।

কিন্তু মই এইসকলৰ লগত চিনাকি হোৱাৰ পূৰ্বতে জানিছিলো যে সকলো খ্ৰীষ্টিয়ানে এই প্ৰায়শ্চিত্ত বাদত বিশ্বাস নকৰে। মিঃ কোটছে নিজেই ঈশ্বৰৰ ভয়ত ফুৰে। তেওঁৰ হিয়া পবিত্ৰ তেওঁ আত্ম-শুদ্ধিত বিশ্বাস কৰিছিল। এই দুগৰাকী তিৰুতাৰো এনে বিশ্বাস আছিল। যিবোৰ কিতাপ মোৰ হাতলৈ আহিছিল তাৰ ভিতৰৰ কিছুমানত ভক্তিৰ কথা আছিল। সেইবাবে যদিও মিঃ কোটচে মোৰ এই অভিজ্ঞতাত অলপ অশান্তি বোধ কৰিছিল তথাপিও প্লাইমাউথ ভ্ৰাতৃৰ এই বিকৃত বিশ্বাসে খ্ৰীষ্টধৰ্ম্মৰ প্ৰতি মোৰ বিশ্বাস অলপো কমাব পৰা নাই বুলি তেওঁক আশ্বাস দিলো।

মই অসুবিধা পাইছিলো আন ঠাইত। বাইবেল আৰু তাৰপ্ৰচলিত ব্যাখ্যা মোৰ বোধগম্য হোৱা নাছিল।

ভাৰতবাসীৰ লগত সংস্পৰ্শ

(১২)

খ্ৰীষ্টিয়ানৰ লগত সংস্পৰ্শ সম্পৰ্কে লিখাৰ পূৰ্ব্বে এই সময়ৰ আৰু অন্যান্য কিছুমান অভিজ্ঞতা বিষয়ে লিখা উচিত। নেটালত দাদা আবদুল্লাৰ যি পদ-মৰ্য্যাদা আছিল, প্ৰেটোৰিয়াত ছেঠ তৈয়ৰ হাজী খাঁ মহম্মদৰো সেই একে পদ-মৰ্য্যাদা আছিল। তেওঁক এৰি কোনো ৰাজহুৱা

কাম কৰিব পৰা সম্ভৱ নাছিল। প্ৰথম সপ্তাহতেই মই তেওঁৰ লগত চিনাকি হৈ ললো। আৰু প্ৰেটোৰিয়াত সকলো ভাৰতীয় মানুহৰ লগত চিনা-পৰিচয় হবলৈ ইচ্ছা কৰো বুলি তেওঁক জনালো। ভাৰত-বাসীৰ অৱস্থা বুজিবলৈ মোৰ ইচ্ছা আছে বুলিও তেওঁক বলো। এই কামত তেওঁৰপৰা সহাযো বিচাৰিলো। তেৱো আনন্দ মনেৰে মোক সকলো সহায় কৰিব বুলি জনালে।

ট্ৰান্সভালত সকলো ভাৰতবাসীৰ অৱস্থাৰ প্ৰকৃত চিত্ৰ আঁকি দেখুৱাবলৈ প্ৰেটোৰিয়াত এখন সভা পতাই মোৰ প্ৰথম কাম হল। ছেঠ হাজী মহম্মদ ইচুফলৈ মোৰ এখন পৰিচয় পত্ৰ আছিল। এওঁৰ ঘৰতেই এই সভা পতা হল। এই সভাত মেমন বেপাৰীসকলেই সৰহীয়াকৈ আছিল যদিও কিছুমান হিন্দুও সভাত উপস্থিত হৈছিল। প্ৰেটোৰিয়াত হিন্দু লোকসংখ্যা নিচেই তাকৰ আছিল।

এই সভাত মোৰ বক্তৃতাযেই জীৱনত প্ৰথম বক্তৃতা বুলিব পাৰি। বেহাবেপাৰত সত্যতা পালনেই বক্তৃতাৰ বিষয় আছিল। এই সম্পৰ্কে মই ভালকৈ সাজু হৈ গৈছিলো।

বেপাৰত সত্যতা অসম্ভৱ বুলি বেপাৰীসকলে কোৱা মই পূৰ্ব্বে শুনিছিলো। সেই সময়ত আৰু এতিয়াও এই কথাষাৰ বিশ্বাস নকৰো। আন কি এতিয়াও কিছুমান বেপাৰীক লগ পাইছোঁ, যিসকলে কয় যে সত্য কথা কোৱা বেহাবেপাৰত খাপ নাখায়। তেওঁলোকে কয় যে বেহাবেপাৰ হৈছে ব্যৱহাৰিক কথা আৰু সত্য হৈছে ধৰ্ম্মৰ কথা। তেওঁলোকে এই বুলি যুক্তি দিয়ে যে ব্যৱহাৰিক কথা ধৰ্ম্মৰ কথাৰপৰা সম্পূৰ্ণ সুকীয়া। সত্য বেহাবেপাৰত নাখাটে। যিমান দূৰলৈকে সম্ভৱ সিমানলৈকে সত্য কথা কব পাৰি। এই কথাষাৰৰ বিৰুদ্ধে মই বক্তৃতাত নানাবিধ যুক্তি দিলো আৰু বেপাৰীসকলৰ কৰ্ত্তব্য দুটা বুলি তেওঁ-

লোকক সচেতন কৰি দিলো। বিদেশত সত্য কথা কোৱা বিষয়ত তেওঁলোকৰ দায়িত্ব আৰু বেছি, কাৰণ কেইজনমান ভাৰতীয়ৰ আচৰণৰ ওপৰতেই কোটি কোটি ভাৰতীয় প্ৰজাৰ সম্পৰ্কে বিদেশীয়ে এটা ধাৰণা কৰিব।

চাৰিওকাষে থকা ইংৰাজসকলৰ লগত বিজাবলৈ আমাৰ মানুহবিলাকৰ ৰীতি-নীতি স্বাস্থ্যসঙ্গত নহয় দেখি এই বিলাকলৈ তেওঁলোকৰ মনযোগ আকৰ্ষণ কৰিলো। হিন্দু, মুছলমান পাৰ্চী, খ্ৰীষ্টান, গুজৰাটী, মান্দ্ৰাজী, পাঞ্জাবী, সিন্ধী কচী, চুৰ্তী ইত্যাদি ভেদাভেদ পাহৰিবলৈ মই কলো। ভাৰতীয় বাসিন্দাসকলৰ অভিযোগ জনাই কৰ্তৃপক্ষক আবেদন কৰিবলৈ এখন সমিতি পতাৰ প্ৰস্তাৱ কৰিলো আৰু যথাসম্ভৱ নিজ সময় আৰু শক্তি এই সমিতিৰ কামত দিবলৈ গাত ললো। দেখিলো যে সভাত মোৰ কথাবোৰ সকলোৰে মনত লাগিছে। মোৰ বক্তৃতাৰ পাচত আলোচনা আৰম্ভ হল। কিছুমানে মোক, আৰু কিছুমান কথা জনাবলৈ ওলাল। ইয়াত মই উৎসাহ পালো। দেখিলো যে মোৰ শ্ৰোতাসকলৰ মাজত কমেই ইংৰাজী বুজিব পৰা আছিল। সেই দেশত ইংৰাজী জনাটো লাগতিয়াল দেখি আজৰি থকা সকলক ইংৰাজী শিকিবলৈ মই কলো। বুঢ়া বয়সতো এটা ভাষা শিকিব পাৰি আৰু বুঢ়া বয়সত ইংৰাজী শিকাৰ কিছুমান দৃষ্টান্তও তেওঁলোকক দিলো। কোনোবাই ইংৰাজী শিকাবলৈ এটা শ্ৰেণী খুলিলে, তাত শিকাবলৈ, নাইবা স্বকীয়াকৈ ব্যক্তিগতভাৱে ইংৰাজী পঢ়াবলৈ মই গাত ললো।

শ্ৰেণী খোলা নহল, কিন্তু তিনিজন ডেকা মানুহে সুবিধামতে শিকিবলৈ ওলাল। মই তেওঁলোকৰ তালৈ গৈ পঢ়াবলৈ গাত ললো। ইয়াৰ ভিতৰত দুজন মুছলমান—এজন নাপিত, এজন কেৰাণী, তৃতীয়

জন হিন্দু—সকু দোকানী। তেওঁলোকৰ কথাতেই মই মান্তি হলো। পঢ়োৱা সম্পৰ্কে মোৰ নিজৰ ওপৰত বেছ আস্থা আছিল। ছাত্ৰৰ ভাগৰ লাগিব পাৰে, কিন্তু মোৰ ভাগৰ নালাগে। কিছুমান সময়ত এনেকুৱা হৈছিল যে মই গৈ তেওঁলোকক নিজৰ কামত ব্যস্ত থকা দেখা পাওঁ। তথাপিও মই ধৈৰ্য্যচ্যুত হোৱা নাছিলো। তিনি জনৰ কোনেও ইংৰাজী ভাষা ভালকৈ জানিবলৈ ইচ্ছা কৰা নাছিল। কিন্তু দুজনে ৮ মাহৰ ভিতৰত বেছ উন্নতি কৰিলে। দুজনে হিচাপ-পত্ৰ ৰখা সম্পৰ্কে আৰু চিঠি—পত্ৰ লিখিবলৈ শিকিলে। নিজৰ খৰিদ্দাৰ সকলৰ লগত ভালকৈ কোৱা—মেলা কৰিবলৈ ইংৰাজী শিকাই নাপিত-জনৰ আকাঙক্ষা আছিল। এই পাঠৰ ফলত দুজন ছাত্ৰই ভাল উপাৰ্জ্জন কৰিব পৰা হল।

এই সভাৰ ফলাফলত মই সন্তুষ্ট হলোঁ। মোৰ যিমানদূৰ মনত পৰে, সপ্তাহ নাইবা মাহেকৰ অন্তৰত এনেকুৱা সভা পতাৰ কথা আছিল। এইবোৰ সভা নিয়মিতৰূপে বহিছিল। আৰু ইয়াত স্বাধীন-ভাৱে ভাবৰ আদান—প্ৰদান হৈছিল। ইয়াৰ ফলত প্ৰেটোৰিযাত থকা সকলো ভাৰতবাসীৰ লগত মোৰ চিনা পৰিচয় হল, সকলোৰে অৱস্থা সম্পৰ্কে মই জানিলো। আৰু ইয়াতেই মিঃ জেকোৰাছ ডি ৱেট নামৰ প্ৰেটোৰিয়াৰ ব্ৰিটিশ এজেণ্টজনৰ লগত মোৰ চিনাকিৰ সূত্ৰপাত হল। ভাৰতবাসীলৈ তেওঁৰ সহানুভূতি আছিল, কিন্তু তেওঁৰ প্ৰতিপত্তি বৰ কম। যিহক, তেওঁ আমাক যথাসাধ্য সহায কৰিবলৈ মান্তি হল আৰু যেতিয়াই প্ৰয়োজন হয় তেতিযাই তেওঁক দেখা কৰিবলৈ মোক কলে।

ৰেলৰ কৰ্ত্তৃপক্ষৰ লগতো মই লিখা—লিখি কৰিবলৈ ধৰিলো আৰু তেওঁলোকক কলো যে ভাৰতবাসীৰ চলাফুৰাত যিবোৰ হকা—বাধা আছে সেইবোৰ তেওঁলোকৰ ৰেগুলেশ্যন মতে ন্যায়সঙ্গত হোৱা নাই।

তেওঁলোকৰপৰা মই উত্তৰ পালো যে যিসকলে [illegible]তে [illegible] পিন্ধে সেই সকলক প্ৰথম আৰু দ্বিতীয় শ্ৰেণীতো টিকেট দিয়া হব। এই উত্তৰ আমাৰ বিচাৰমতে সন্তোষজনক নাছিল, কাৰণ উচিতমতে সাজ-পাৰ পিন্ধা সম্পৰ্কে ষ্টেশ্যন মাষ্টাৰৰ বিচাৰৰ ওপৰতেই নিৰ্ভৰ কৰিছে।

ব্ৰিটিশ এজেণ্টজনে ভাৰতবাসীৰ অৱস্থা সম্পৰ্কে কিছুমান কাকত-পত্ৰ মোক দেখুৱালে। তৈয়ৰ ছেঠেও কিছুমান কাকত-পত্ৰ মোক দিছিল, অৰেঞ্জ-ফ্ৰি-ষ্টেটৰপৰা ভাৰতবাসীসকলক কিদৰে খেদাই দিয়া হৈছিল সকলো কথা মই তাতেই জানিলো। মুঠতে প্ৰেটোৰিয়াত থাকি ট্ৰান্সভাল অৰেঞ্জ ফ্ৰি ষ্টেটত ভাৰতবাসীৰ সামাজিক, অৰ্থনৈতিক, আৰু ৰাজনৈতিক অৱস্থা ভালদৰে বুজি পালো। ভৱিষ্যতলৈ এই জ্ঞান মোৰ পক্ষে বিশেষ লাগতিয়াল হব বুলি তেতিয়া মোৰ একেবাৰেই ধাৰণা হোৱা নাছিল। কাৰণ সেই বছৰৰ শেষত নাইবা পূৰ্ব্বতে মোকৰ্দ্দমাটো শেষ হোৱা মাত্ৰে দেশলৈ উলটিম বুলি মই তেতিয়া ভাবিছিলো, কিন্তু ভগৱানৰ বিধান অন্য আছিল।

কুলী হোৱাৰ ফল

(১৩)

টান্সভাল আৰু অৰেঞ্জ ফ্ৰি ষ্টেটত ভাৰতবাসীৰ অৱস্থাৰ সম্পূৰ্ণ বৰ্ণনা ইয়াত দিয়া অপ্ৰাসঙ্গিক হব, সেইবাবে যি সকলে ইয়াৰ সম্পূৰ্ণ বিবৰণ জানিবলৈ বিচাৰে, সেই সকলে দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ বুৰঞ্জী (History of Satyagraha in South Africa) বোলা

১২

কিতাপ-খন পঢ়ে যেন। যি হ'ক ইয়াতো তাৰ এটা চমু আভাস দিয়াৰ দৰকাৰ।

অৰেঞ্জ ফ্রি ষ্টেটত ১৮৮৪ সনৰ নে তাতোকৈ পূৰ্ব্বৰ এখন স্পিছিয়েল আইনেৰে ভাৰতবাসীক সকলো অধিকাৰৰপৰা বঞ্চিত কৰা হৈছিল। যদি কোনোবাই তাত থাকিবলৈ ইচ্ছা কৰে, তেন্তে হোটেলত খাবুৰ্চী খানাছামা হিছাপে, নাইবা এনে তল খাপৰ কাম লৈ তাত থাকিব পাৰে। সামান্য ক্ষতিপূৰণ দি বেপাৰী সকলক তাৰপৰা খেদাই পঠোৱা হল। তেওঁলোকে কত আবেদন নিবেদন কৰিলে, কিন্তু সেইবোৰ সকলো অৰণ্যত ৰোদন হল মাথোন।

১৮৮৫ সনত এটা বৰ কঠোৰ আইন ট্রান্সভালত বিধিবদ্ধ হল। ১৮৮৬ সনত ইয়াৰ সামান্য সংশোধন হৈছিল ; কিন্তু সংশোধিত হোৱা আইনতো এই বুলি নিয়ম আছিল যে ভাৰতবাসী মাত্রে গাইপতি ৩ পাউণ্ড 'পোল টেক্স' দিব লাগিব। তেওঁলোকৰ বাবে স্বকীয়াকৈ ৰখা মাটিৰ বাহিৰে অন্য ঠাইত মাটি দিয়া নহব। আন কি ইযাত কাৰ্য্যতঃ তেওঁলোকৰ একো স্বত্ব নাছিল। ভোট দিবলৈ তেওঁলোকৰ অধিকাৰ নাছিল। 'কালা আদমী' এছিয়াবাসীসকলৰ বাবে কৰা স্বকীয়া আইনমতেই এইবিলাক হৈছিল। এই বিলাক আইনমতে ভাৰতবাসীযে ৰাজহুৱা 'ফুট পাথে'দি যাব নোৱাৰে, 'পাৰ্মিট' নোহোৱাকৈ ৰাতি ৯ বজাৰ পাছত ঘৰৰ বাহিৰলৈ ওলাব নোৱাৰে। শেষৰ নিয়মটো অৱশ্যে ভাৰতবাসীৰ কাৰণে অলপ লৰচৰ কৰিব পৰা আছিল। যি সকল 'আৰব' বুলি পৰিচিত হৈছিল, তেওঁলোকৰ ওপৰত অনুগ্রহ কৰি এইবিলাক হুকা-বধা প্রয়োগ কৰা হোৱা নাছিল। অৱশ্যে এইবোৰ নিয়ম প্রয়োগ কৰা নকৰা পুলিছৰ ইচ্ছাৰ ওপৰতহে নির্ভৰ কৰে।

এইবিলাক ৰেগুলেশ্যনৰ ফলাফলৰ অভিজ্ঞতা মই ভুগিব লগীয়া হৈছিল। মিঃ কোটছৰ লগত ৰাতি মাজে সময়ে ফুৰিবলৈ যাওঁ আৰু দহ বজাৰ পূৰ্ব্বতে কেতিযাবা ঘৰলৈ উলটি আহো। এদিনা পুলিছে মোক গ্রেপ্তাৰ কৰিলে। এই বিষয়ত মোতকৈও মিঃ কোটছ চিন্তিত হৈছিল। নিগ্রো চাকৰবিলাকৰ বাবে তেওঁ 'পাছ' লৈছিল। কিন্তু মোক কেনেকৈ এখন পাছ দিয়ে? গৰাকীযে হে নিজৰ চাকৰৰ 'পাছ' দিব পাৰে। মই বিচাৰিলে, আৰু মিঃ কোটছে মোক দিবলৈ সাজু হলেও তেওঁ দিব নোৱাৰে কাৰণ এইটো প্রবঞ্চনা হল হেতেন। সেইবাবে মিঃ কোটছ নে তেওঁৰ কোনোবা এজন বন্ধুৱে (মোৰ মনত নাই) ষ্টেট এটৰ্ণী ডাক্তৰ ক্রুজৰ ওচৰলৈ মোক নিলে। আমি দুয়ো একেখন ইনৰ পৰা পাছ কৰি অহা বেৰিষ্টাৰ বুলি পাছত ওলাল। ৰাতি ৯ বজাত ঘৰৰ বাহিৰলৈ ওলাবলৈ এখন পাছৰ দৰকাৰ হোৱা কথাষাৰ তেওঁ সহিব নোৱাৰা হল। তেওঁ মোৰ বাবে সহানুভূতি প্রকাশ কৰিলে। মোক এখন পাছ নিদি পুলিছৰ হকা-বধাৰ পৰা পাৰলৈ এখন তেখেতৰ নিজৰ চিঠি মোক দিলে। বাহিৰলৈ ওলাওতে সদায় এই চিঠিখন লগত ৰাখো। এই চিঠিখন কেতিয়াও ব্যৱহাৰ কৰিব লগীয়া নোহোৱাটো আকস্মিক ঘটনা মাথোন।

ডাক্তৰ ক্রুজে তেওঁৰ নিজৰ ঘৰলৈ মোক নিমন্ত্রণ কৰিলে আৰু আমি দুয়ো বন্ধু হলো বুলিব পাৰি। মাজে সময়ে তেওঁৰ লগত দেখা কৰো আৰু তেৱেঁই তেওঁৰ খ্যাতনামা ভায়েক জোহানছবাগৰ পাবলিক প্রছিকিউটাৰৰ লগত চিনাকি কৰি দিলে। বুৱাৰ যুদ্ধৰ সময়ত এজন ইংৰাজ কৰ্ম্মচাৰীক হত্যা কৰিবলৈ ষড়যন্ত্র কৰা বুলি * তেওঁ সামৰিক আইনমতে সাত বছৰলৈ দণ্ডিত হৈছিল। 'বেঞ্চাৰ' সকলেও তেওঁক বেৰীষ্টাৰী কৰাৰ ক্ষমতাৰ পৰা বঞ্চিত কৰিলে। যুদ্ধৰ শেহত ডাক্তৰ ক্রুজ

খালাছ্ হল আৰু সম্মানেৰে সৈতে ট্ৰান্সভাল বাৰত পুনৰ ঠাই দিয়াত বেৰিষ্টাৰী আৰম্ভ কৰিলে। পাছৰ ৰাজহুৱা জীৱনত এইবিলাক চিনা পৰিচয় কামত আহিল আৰু বহুতো কথা উজু কৰিলে।

'ফুটপাথ' ব্যৱহাৰ কৰা ৰেগুলেশ্যনৰ ফল মোৰ পক্ষে গুৰুতৰ হল। সদায় প্ৰেছিডেন্ট ষ্ট্ৰীটেদি গৈ মুকলি পথাৰলৈ ফুৰিবলৈ যাওঁ। প্ৰেছিডেন্ট ক্ৰুজাৰৰ ঘৰ এই বাটতে আছিল। তেওঁৰ ঘৰটো সমূলি ৰমকজমক নাছিল, ফুলনিবাৰী এখনো নাছিল। ওচৰৰ আনবানুহৰ ঘৰৰ লগত একোৱেই পাৰ্থক্য নাছিল। প্ৰেটোৰিয়াৰ বহুতো লক্ষপতিৰ ঘৰ ফুলনিবাৰীৰে সৈতে ৰমকজমক আছিল। বাস্তৱিকতে প্ৰেছিডেন্ট ক্ৰুজাৰৰ সৰলতা প্ৰবাদ-বাক্যৰ দৰে সকলোৰে মাজত জনাজাত আছিল। এটা পুলিচ পহৰা তাত থাকে বুলিহে জানিব পাৰি যে তাত কোনোবা এজন ডাঙৰ বিষয়া থাকে। মই সদায় হকা-বধা নোহোৱাকৈ এই পুলিচ পহৰাৰ কাষেদিয়েই যোৱা অহা কৰো।

কিন্তু সময়ে সময়ে ডিউটিত থকা পহৰা জনৰ সলনি হৈছিল। এদিনাখন পহৰা এটাই মোক একো নোসোধাকৈ নাইবা ফুটপাথ এৰি যাবলৈ একো নোকোৱাকৈ অকস্মাতে মোৰ গঁতা মাৰি আৰু গুৰিয়াই বাটলৈ নমাই দিলে, মই আচৰিত হলো। তাৰ এই আচৰণৰ বাবে সুধিবৰ পূৰ্ব্বতে মিঃ কোটছ্ ঘোৰাত উঠি সেইফালেদি যাওঁতে মোক দেখি কলে, 'গান্ধী মই, সকলো দেখিছোঁ। এই মানুহ-টোৰ ওপৰত মোকৰ্দ্দমা কৰিলে মই ৰং মনেৰে অদালতত সাক্ষী দিম। আপোনাক এইদৰে মৰাৰ বাবে মই বৰ বেজাৰ পাইছোঁ।"

"আপুনি বেজাৰ পাব নালাগে, এই মানুহটোৱে নো কি জানে? 'কালাআদমী' সকলোৱেই ইয়াৰ বাবে এক। সি মোৰ লগত ব্যৱহাৰ কৰাৰ দৰে কাফ্ৰীবিলাকৰ লগতো নিশ্চয় ব্যৱহাৰ কৰে। নিজৰ

ব্যক্তিগত অভিযোগৰ বাবে আদালতলৈ নাযাওঁ বুলি মই নীতি কৰিছোঁ। সেই কাৰণে ইয়াৰ ওপৰত মই মোকদ্দমা নকৰোঁ।”

‘এইটো উচিত কথাই কৈছে, কিন্তু তথাপিও এবাৰ ভাবি চাব। এনেবিধৰ মানুহক আমি শিক্ষা দিয়া উচিত বুলি ভাবিছে কলে।

ইয়াৰ পাছত তেওঁ পুলিচৰ পহৰাটোৰ লগত কথা হৈ তাক ডাবি-হুঁকি দিলে। তেওঁলোকৰ কথাবতৰা মই বুজি নাপালোঁ। তেওঁলোকে ডাচ্‌ভাষাত কথা হৈছিল, কাৰণ পহৰাটো বুৰাৰ আছিল। কিন্তু সি মোক পাছত ক্ষমা খুজিলে, ইয়াৰো একো প্ৰয়োজন নাছিল। ইয়াৰ বাবে পূৰ্ব্বেই মই তাক ক্ষমা কৰিছিলোঁ।

কিন্তু এই বাটেদি মই আৰু কেতিয়াও যোৱা নাছিলো। এই মানুহটোৰ ঠাইত অন্য মানুহ আহিব পাৰে, আৰু এই ঘটনা হোৱা নাজানি পুনৰায় সেইদৰে আচৰণ কৰিব পাৰে। কিয় আৰু এটা গোৰ উপযাচি লওঁ? সেইবাবে ফুৰিবলৈ অন্য ঠাই বাছিলো।

এই ঘটনাই ভাৰতবাসী সকলৰ কাৰণে মোৰ অনুভূতি আৰু তীব্ৰ কৰিলে। এই বিলাক ৰেগুলেশ্যন সম্পৰ্কে ব্ৰিটিশ এজেণ্টজনৰ লগত দেখা কৰি প্ৰযোজন বিবেচনা কৰিলে পৰীক্ষাৰ বাবে এটা মোকৰ্দ্দমা কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কেও মই তেওঁলোকৰ লগত আলোচনা কৰিবলৈ ধৰিলোঁ। অকল পঢ়িযেই আৰু লোকৰ মুখত শুনিযেই নিজৰ ব্যক্তিগত অভিজ্ঞতাৰে ভাৰতীয় বাসিন্দাসকলৰ দুৰৱস্থা ভালকৈ বুজিবলৈ ধৰিলো। আত্ম-সন্মান থকা ভাৰতবাসীৰ কাৰণে দক্ষিণ আফ্ৰিকা নহয়, এই কথাষাৰ বুজিবলৈ ধৰিলো আৰু এই অৱস্থাৰ কেনেকৈ পৰিবৰ্ত্তন কৰিব পাৰি তাকেই মই ভাবিবলৈ ধৰিলোঁ। কিন্তু এতিয়া মোৰ প্ৰধান কৰ্ত্তব্য হল দাদা আবদুল্লাৰ মোকৰ্দ্দমালৈ মনোযোগ দিয়া।

মোকৰ্দ্দমা সাজু কৰা

(১৪)

প্ৰেটোৰিয়াত এবছৰ থকাৰ ফলত জীৱনত বহুতো মূল্যবান অভিজ্ঞতা লাভ কৰিলোঁ। ৰাজছৰা কাম চলোৱা সম্পৰ্কে শিকিবলৈ ইয়াতেই সুবিধা পাইছিলো আৰু কিছু পৰিমাণে সামৰ্থ্যও লাভ কৰিলো। ইয়াতেই অন্ত-র্নিহিত ধৰ্ম্মভাব মোৰ বাবে জীৱন্ত শক্তিত পৰিণত হৈছিল আৰু ইয়াতেই ওকালতি ব্যৱসায় সম্পৰ্কেও সম্যক জ্ঞান পালো। 'জুনিযাৰ' বেৰিষ্টাৰে 'ছিনিযাৰ বেৰিষ্টাৰ'ৰ ওচৰত যিবোৰ কথা শিকিব পাৰে, সেইবোৰ মই ইয়াতেই শিকিলো। 'বেৰিষ্টাৰিত আৰু অকৃতকাৰ্য্য নহও এই আত্ম-বিশ্বাস ইযাতেই মই লাভ কৰিলো। ভাল বেৰিষ্টাৰ হবলৈ হলে কিবোৰ কথা লাগে ইয়াতেই মই শিকিলো।

দাদা আবদুল্লাৰ মোকদ্দমা সৰুসুৰা নাছিল। ৪০ হেজাৰ পাউণ্ড লৈ মোকৰ্দ্দমা। বেহা-বেপাৰৰ লেন-দেন লৈযেই এই মোকৰ্দ্দমা। সেইবাবে ইয়াত হিচাপৰ জটিলতা ভৰি আছিল। দাবিৰ কিছু অংশ প্ৰমিছৰী নোট লৈ, কিছু অংশ প্ৰতিশ্ৰুতি মতে কাম কৰিলে প্ৰমিছৰী নোট দিয়া লৈ, বিবাদী পক্ষৰ যুক্তি আছিল যে 'প্ৰমিছৰী নোট'বোৰ জুৱাচুৰি কৰি লোৱা হৈছিল আৰু তাৰ যথেষ্ট মলা (Consideration) নাছিল। এই জটিল মোকৰ্দ্দমাত কথা বহুতো আছিল। আইনৰো বহুতো কথা আছিল। দুয়োপক্ষেই সৰ্ব্বশ্ৰেষ্ঠ এটৰ্ণী আৰু বেৰিষ্টাৰ প্ৰভৃতি ধৰিছিল। এইবাবেই তেওঁলোকৰ সকলো কথা ভালকৈ বৰ সুবিধা হল। ফৰিয়াদী পক্ষৰপৰা এটৰ্ণীৰ বাবে মোকৰ্দ্দমা কৰিবলৈ আৰু আছল কথাবোৰ উলিযাবলৈ মোৰ ওপৰতেই

ভাৰ দিয়া হল। এটৰ্ণীয়ে কিবোৰ কথা লয়, কিবোৰ এৰে, আৰু শেহত বেৰিষ্টাৰে কিবোৰ ব্যৱহাৰ কৰে, ইযাৰ সকলোতেই মোৰ যথেষ্ট শিক্ষা হল। এই মোকৰ্দ্দমা তৈয়াৰী কৰাৰ পৰা মোকৰ্দ্দমা বুজিবৰ আৰু মোকৰ্দ্দমাত কি নিযমেৰে সাক্ষ্যৰ দিহা কৰিব লাগে সেইটো বিচাৰ কৰাৰ ক্ষমতা লাভ কৰিম বুলি বুজিলো।

এই মোকৰ্দ্দমালৈ মোৰ মন আকৃষ্ট হল। বাস্তৱিকতে মই মনপ্ৰাণ দি ইযাতেই লাগিলো। লেন-দেন সম্পৰ্কীয সকলো কাকত-পত্ৰ মই পঢ়িলো। মোৰ মক্কেলৰ কাৰ্য্য-ক্ষমতা বৰ বেছি আছিল, আৰু মোৰ ওপৰত তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছিল সেইবাবে মোৰ কাম বৰ উজু হল। বুককিপিং সম্পৰ্কেও মই শিকিবলৈ ধৰিলো। চিঠিপত্ৰবোৰ সাধাৰণতে গুজৰাটি ভাষাত থকাবাবে মই অনুবাদ কৰিব লগীয়া হল, ইযাৰ পৰা অনুবাদ কৰিবৰ ক্ষমতা বহুতো লাভ কৰিলোঁ।

ধৰ্ম্ম সংসৰ্গ আৰু ৰাজহুৱা কামত মই লাগিছো বুলি পূৰ্ব্বেই কৈছো। সদায কিছু সময এইবিলাব বাবত দিলেও কেৱল এই বিলাকতেই মোৰ মন সঁপি দিযা নাছিলো। মোৰ মন মোকৰ্দ্দমাতেই সম্পূৰ্ণতে আছিল। আইন পঢ়া আৰু প্ৰয়োজন হলে অন্য মোকৰ্দ্দমাৰ বিৱৰণ পঢ়াতেই খাইকৈ মনোযোগ দিওঁ। ইযাৰ ফলত আচল কথাবোৰ মই এইদৰে আয়ত্ত কৰিলো যে বাদী বিবাদীহঁতো এই বিষয়ত মোৰ সমকক্ষ নাছিল।

মিং পিনকাটে যি উপদেশ দিছিল, সেই উপদেশ মই স্মৰণ কৰিলো অৰ্থাৎ আচল কথাই আইনৰ তিনি-চতুৰ্থাংশ। পাছত আৰু এটা মোকৰ্দ্দমাত মিঃ লিযোনাৰ্ড নামৰ দক্ষিণ আফ্ৰিকাৰ এজন খ্যাতনামা বেৰিষ্টাৰে এই কথাৰেই প্ৰমাণ দিলে। মোৰ কোনো এটা মোকৰ্দ্দমাত ন্যায় মোৰ মক্কেলৰ পক্ষত থাকিলেও আইন তেওঁৰ বিৰুদ্ধে থকা মই দেখিলো। নিৰাশ হৈ মিঃ লিয়োনাৰ্ডৰ সহায় ললো। মোকৰ্দ্দমাৰ

প্ৰকৃত কথাবোৰ মোৰ মোক্কেলৰ ফালে বুলি তেৰেঁা বুজি পালে। তেওঁ চিঞৰি কলে 'গান্ধী মই এটা কথা শিকিছো, আৰু এইটো হৈছে যে কোনো মোকৰ্দ্দমাত প্ৰকৃত কথাবোৰ যদি আমি সাৱধানে চলাওঁ, তেন্তে আইন আপোনা-আপুনি সাবধান হয় এই মোকৰ্দ্দমাৰ কথাবোৰ আৰু দকৈ আমি চোৱা উচিত।' এই কেইটা কথা কৈ মোকৰ্দ্দমাটো আৰু ভালকৈ পঢ়ি পুনবায দেখা কৰিবলৈ কলে। আৰু মোকৰ্দ্দমাটোত ব্যৱহাৰ কৰিবপৰা আন এটা দক্ষিণ আফ্ৰিকাৰ মোকৰ্দ্দমাৰ কথাও এবাৰ বিচাৰি পাতাত মই সম্পূৰ্ণ নতুন পোহৰ দেখা পালো আৰু একে-যুক্তিও এই মোকৰ্দ্দমাত উলিযালো। এইবোৰ পাই মই ৰং মনেৰে লিযোনাৰ্ডৰ ওচৰলৈ গৈ সকলো কথা জনালো। তেওঁ কলে 'সঁচা আমি এই মোকৰ্দ্দমা নিৰিম কোনজন জজে এই মোকৰ্দ্দমা বিচাৰ কৰে এতিয়া এই কথা আমি মনত ৰাখিব লাগিব।

দাদা আবদুল্লাৰ মোকৰ্দ্দমাত আচল ঘটনাৰ প্ৰধানত্ব মই বুজি-পোৱা নাছিলো। আচল কথাই সত্য আৰু আমি এবাৰ সত্য উলিযাব পাৰিলে আইন আপোনা-আপুনি আমাৰ সহাযলৈ আহে। মই দেখিলো যে মোকৰ্দ্দমাৰ আচল কথাবিলাকে দাদা আবদুল্লাৰ মোক-ৰ্দ্দমা সৰল কৰিছে, আৰু আইনেও শেহত তেওঁলোকক সহায কৰিবলৈ বাধ্য হব। মই এইটোও বুজিলো যে মোকৰ্দ্দমা আৰু চলালে বাদী বিবাদী দুযো ধ্বংস হব অথচ দুযো আত্মীয আৰু একে চহৰতে থাকে, কোনেও নাজানিছিল এই মোকৰ্দ্দমা কিমান দিনলৈকে চলিব। আদা-লতত এই মোকৰ্দ্দমা চলি থাকিবলৈ দিলে অনিৰ্দ্দিষ্ট কালৰ বাবেই চলি থাকিব, আৰু ইযাৰ পৰা কোনো পক্ষৰে সুবিধা নহয। সম্ভৱ হলে মোকৰ্দ্দমা যিমান সোনকালে শেষ হয়, তাকেই দুয়ো বিচাৰিছিল। মই তৈয়ৱ ছেঠৰ ওচৰ চাপি মিটমাট কৰিবলৈ অনুৰোধ কৰিলো।

তেওঁক তেওঁৰ বেৰিষ্টাৰৰ পৰামৰ্শ লবলৈকো কলো। দুয়ো পক্ষৰ এজন বিশ্বাসী মানুহক মধ্যস্থ মানিলে মোকৰ্দ্দমা অন্ত পৰিব বুলিও কলো। উকীলৰ ফিজ আদি ইমান বাঢ়িবলৈ ধৰিছে যে ধনী সদাগৰ মক্কেলৰ সকলো ধন সম্পত্তি উকীলেই হজম কৰিবলৈ সবহ দিন নালাগিব। এই মোকৰ্দ্দমাত তেওঁলোক ইমান লাগি লগাগা হৈছে যে অন্য মোকৰ্দ্দমা লবলৈ তেওঁলোকে সময় পোৱা নাছিল। অথচ ইতিমধ্যে দুয়োপক্ষৰ মাজত বিদ্বেষৰ ভাব বেছিহে হবলৈ ধৰিছে। এই ব্যৱসায়ত মই বিৰক্ত হলো। উকীল হিচাপে দুয়ো পক্ষৰ উকীলেই নিজৰ নিজৰ মক্কেলৰ কামৰ বাবে সৰুসৰা 'পইণ্ট' বোৰ খুচৰি উলিয়াবলৈ বাধ্য। আৰু এই বাবেই প্ৰথমতে দেখিলো যে জিকা পক্ষই সকলো খৰচ-পত্ৰ আদায় কৰিব নোৱাৰে। 'কোৰ্ট ফিজ ৰেগুলেশ্যন' মতে প্ৰকৃততে বেছি খৰচ পাবিলেও খৰচ দিয়া সম্পৰ্কে নিৰ্দ্ধাৰিত এটা নিৰিখ আছিল। এই কথাষাৰ মোৰ পক্ষে অসহনীয় হৈছিল। বন্ধু ভাৱে দুয়ো পক্ষকে বুজাই বৰাই একেলগ কৰাই মোৰ কৰ্ত্তব্য বুলি মই ভাবিলো। মিটমাট কৰাবলৈ মই যথাসাধ্য চেষ্টা কৰিলো। অৱশেষত তৈয়ৱ চেঠ মান্তি হল। এজন মধ্যস্থ নিযুক্ত হল, তাত মোকৰ্দ্দমাৰ যুক্তি দেখুৱা হল আৰু দাদা আবদুল্লা জিকিল। ইযাতেই মই সন্তুষ্ট হোৱা নাছিলো। মোৰ মক্কেলে বিচৰামতে সকলো টকা তৎক্ষণাতেই দাবি কৰিলে একেলগে দিয়া তৈৱবচেঠৰ পক্ষে অসাধ্য। পোৰ-বন্দৰৰ মেমন সম্প্ৰদায়ৰ ভিতৰত 'দেৱলীয়া হোৱাতকৈ মৃত্যুৱেই শ্ৰেয়ঃ' বুলি এটা সংস্কাৰ আছিল। তৈয়ৱ চেঠে একেলগ ৩৭ হেজাৰ পাউণ্ড খৰচেৰে সৈতে দিয়া অসম্ভৱ। ধাৰ্য্য হোৱা টকাৰ কড়াক্ৰান্তিলৈকে দিয়া তেওঁ স্থিৰ কৰিছে, অথচ দেৱলীয়া হবলৈকো ইচ্ছা নাই, এতিয়া উপায় কি, উপায় মাথোন এটা আছিল। দাদা

আবদুল্লাই নিয়মিত কিস্তিত টকা লবলৈ মান্তি হলেই হয়। তেৰেঁা, ইয়াত মান্তি হল আৰু বহুত দিন ব্যাপী কিস্তি কৰি তৈয়ৰ ছেঠৰ পৰা টকা আদায় কৰিবলৈ ৰাজী হল। দুয়োপক্ষক মিটমাট কৰিবলৈ মান্তি কৰোৱাতকৈ কিস্তিমতে টকা লবলৈ মান্তি কৰোৱা মোৰ পক্ষে দুৰূহ আছিল। কিন্তু শেষত দুয়ো সুখী হল। আৰু দুয়ো ৰাইজৰ চকুত সন্মানিতও হল। এনেভাবে নিষ্পত্তি হোৱাত মোৰ অসীম আনন্দ হল। আইনৰ সজ ব্যৱহাৰ মই শিকিলো। মানব চৰিত্ৰৰ শ্ৰেষ্ঠ ফাল বাছি লবলৈ আৰু মানুহৰ হিয়াৰ ভিতৰত সোমাবলৈ মই শিকিলো। দুফালে ফাটি যোৱা দুটা দলক একেলগ কৰাই প্ৰকৃত কৰ্ত্তব্য বুলি মই' বুজি পালো। এই শিক্ষা মোৰ হিয়াত ইমান দকৈ বহিছিল যে কুৰি বছৰীয়া ওকালতিৰ জীৱনত মোকৰ্দ্দমা ভিতৰুৱাকৈ মিটমাট কৰাই দিওতেই মোৰ সৰহ সময় গৈছিল। ইয়াৰ বাবে মোৰ একো ক্ষতি হোৱা নাছিল। মোৰ আত্মাকতো ইয়াৰে হেৰুৱা নাছিলোৱেই' আনকি ধনো হেৰুৱা নাই বুলি কব পাৰোঁ।

ধৰ্মলৈ মোৰ উচ্ছ্বাস

(১৫)

খ্ৰীষ্টীয় বন্ধুসকলৰ সম্পৰ্কে মোৰ অভিজ্ঞতা বৰ্ণনা কৰাৰ এতিয়া সময় হৈছে।

মোৰ ভবিষ্যত সম্পৰ্কে মিঃ বেকাৰ বৰ উদ্বিগ্ন হবলৈ ধৰিছে। ৱেলিংটন কনভেন্সনলৈ তেওঁ মোক নিছিল। প্ৰটেষ্টান্ট খ্ৰীষ্টানসকলে

কেই বছৰৰ অন্তৰে অন্তৰে, আধ্যাত্মিক পোহৰ পাবলৈ নাইবা আত্ম-শুদ্ধিৰ বাবে এনেবিধৰ অনুষ্ঠান পাতে। ৱেলিংটন কনভেন্সনো এনেবিধৰ আছিল। ৰেভাৰেণ্ড এন্‌ড্ৰু মাৰে নামৰ সেই ঠাইৰ খ্যাত-নামা ধাৰ্ম্মিক এজন সভাপতি আছিল। মিঃ বেকাৰে আশা কৰিছিল যে কনভেন্সনৰ আধ্যাত্মিক মতৰ আৰু চাৰিওকাষৰ পাৰিপাৰ্শ্বিক উদ্যম আৰু ধৰ্ম্ম সম্পৰ্কে সকলোৰে একাগ্ৰতা দেখি, মই খৃষ্টধৰ্ম্ম লবলৈ বাধ্য হম।

প্ৰাৰ্থনাৰ মূল্যই তেওঁৰ শেষ আশা হল। প্ৰাৰ্থনাত তেওঁৰ অটুট বিশ্বাস আছিল। একাগ্ৰচিত্তে প্ৰাৰ্থনা কৰিলে ঈশ্বৰে নুশুনাকৈ নাথাকে বুলি তেওঁৰ বিশ্বাস আছিল। জৰ্জ মুলাৰ প্ৰভৃতিৰ দৃষ্টান্ত তেওঁ দি থাকে। আন কি, সাংসাৰিক অভাৱৰ বাবেও প্ৰাৰ্থনাৰ ওপৰত নিৰ্ভৰ কৰিছিল। প্ৰাৰ্থনাৰ উপকাৰিতা সম্পৰ্কে তেওঁৰ প্ৰসঙ্গ মনো-যোগেৰে শুনিলো আৰু অন্তৰৰ আহ্বান শুনিলে, খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ কৰিবলৈ মোক একেবাৰেই বাধা দিব নোৱাৰে বুলি তেওঁক আশ্বাস দিলোঁ। এই আশ্বাস দিবলৈ মই অলপো দ্বিধা বোধ কৰা নাছিলো, কাৰণ অন্তৰৰ বাণী শুনিবলৈ মই বহু দিনৰ আগতে শিকিছো। অন্তৰৰ কথা শুনাত মই ৰং পাইছিলো। ইয়াৰ বিৰুদ্ধে চলা মোৰ পক্ষে দুৰূহ আৰু কষ্টকৰ আছিল।

এইদৰেই আমি ৱেলিংটনলৈ গলো। মোৰ নিচিনা এজন 'কলা আদমী' তেওঁৰ লগৰীয়া কৰি নিয়া বাবে তেওঁ বিপদত পৰিব লগীয়া হৈছিল। মোৰ বাবে বহুতো অসুবিধা তেওঁ ভোগ কৰিব লগীয়া হল। মাজতে এদিন দেওবাৰ পৰা বাবে আমি বাটত ৰব লগীয়া হৈছিল, কাৰণ দেওবাৰে মিঃ বেকাৰ আৰু তেওঁৰ লগৰীয়াইঁতে লৰ-চৰ নকৰে। ষ্টেশ্যন হোটেলৰ মেনেজাৰে যদিও বহুতো তৰ্ক

বিতৰ্কৰ পাছত মোক থাকিবলৈ দিবলৈ মান্তি হল, তথাপিও 'খানা কামৰা'ত সোমাবলৈ দিবলৈ তেওঁ সম্পূৰ্ণতে অস্বীকাৰ কৰিলে। কিন্তু মিঃ বেকাৰ ইমানতে পৰাস্ত হোৱা বিধৰ মানুহ নাছিল। হোটেলৰ আলহীৰ অধিকাৰ তেও দাবি কৰিলে। মই তেওঁৰ অসুবিধাবোৰ দেখিলোঁ। ৱেলিংটনত মই তেওৰ লগত থাকিলো। মোৰ বাবে যিবোৰ অসুবিধাত তেও পৰিব লগীয়া হৈছিল সকলো লুকুৱাবলৈ চেষ্টা কৰা স্বত্বেও মই সকলো দেখিলো।

এইখন ধাৰ্ম্মিক খৃষ্টানসকলৰ সম্মিলন। তেওঁলোকৰ ভক্তি দেখি মই ৰং পালো। বেভাবেও মানেৰ লগ পালো। মই দেখিলো যে মোৰ বাবে বহুতেই প্ৰাৰ্থনা কৰিছে। তেওঁলোকৰ কিছুমান স্তোত্ৰ মই ভাল পাইছিলো। সেইবোৰ বৰ সুৱলা আছিল।

কনভেন্সন তিনি দিন আছিল। তাত যোগ দিয়া লোকসকলৰ ভক্তিৰ প্ৰগাঢ়তাই মই শলাগ ললো কিন্তু ধৰ্ম্ম পৰিবৰ্ত্তন কৰিবলৈ একো কাৰণ পোৱা নাছিলো। খৃষ্টান হলে যে মুক্তি পাব পাৰি নাইবা, স্বৰ্গলৈ যাব পাৰি এই কথাষাৰ বিশ্বাস কৰা মোৰ পক্ষে অসম্ভৱ আছিল। কেইজনমান সজ খ্ৰীষ্টিয়ান বন্ধুক মই কথাষাৰ স্পষ্টকৈ কোৱাত তেওঁলোকে উচপ খোৱা দি খালে কিন্তু ইয়াৰ বাহিৰে অন্য একো উপায় নাছিল।

যীশুযেই যে ঈশ্বৰৰ একমাত্ৰ অৱতাৰ পুত্ৰ, আৰু যি তেওঁক বিশ্বাস কৰে, তেওঁ অনন্ত জীৱন পায, বুলি বিশ্বাস কৰা মোৰ পক্ষে অসাধ্য আছিল। ঈশ্বৰৰ যদি পুত্ৰই থাকে তেন্তে আমি সকলোৱেই তেওঁৰ পুত্ৰ। যীশু যদি ঈশ্বৰৰ নিচিনাই হল নাইবা সাক্ষাৎ ঈশ্বৰেই হল, তেন্তে সকলো মানুহেই যে ঈশ্বৰৰ নিচিনা আৰু সাক্ষাৎ ঈশ্বৰ। যীশুৱে নিজৰ মৃত্যু আৰু তেজেৰে জগতৰ পাপ খণ্ডন কৰিলে বলি বিশ্বাস কৰা মই

পাইছিলোঁ। ৰূপক হিছাপে এই দৃষ্টান্তত সত্যতা থাকিব পাৰে। পুনঃ খ্ৰীষ্ট-ধৰ্ম্মমতে কেৱল মাত্ৰ মানুহৰ হে আত্মা আছে, অন্য জীৱৰ নাই, মৃত্যুৱেই অন্য জীৱৰ পক্ষে সম্পূৰ্ণ শেষ, মোৰ বিশ্বাস ইয়াৰ সম্পূৰ্ণ বিপৰীত আছিল। ধৰ্ম্মৰ বাবে প্ৰাণ-দিওতা ত্যাগৰ জলন্তমূৰ্ত্তি, আধ্যাত্মিক শিক্ষক আদি বুলি যীশুক মই বিশ্বাস কৰিব পাৰো; কিন্তু তেওঁ এজন সম্পূৰ্ণতা পোৱা মানব বুলি বিশ্বাস কৰিবলৈ মান্তি হোৱা নাছিলো। ক্ৰুছত তেওঁৰ মৃত্যু জগতৰ পক্ষে দৃষ্টান্ত আছিল হয়, কিন্তু তাত যে কিবা ৰহস্যময় সাধুতা আছে সেইটো বিশ্বাস কৰিবলৈ মই মান্তি নহলোঁ। ধাৰ্ম্মিক খৃষ্টানসকলৰ জীৱনত মই এনেকুৱা একো পোৱা নাছিলো যি বস্তু অন্যান্য ধৰ্ম্মাৱলম্বী সাধু পুৰুষসকলৰ জীৱনত পোৱা নাই। খৃষ্টিয়ানসকলৰ ভিতৰত আত্মশুদ্ধি সম্পৰ্কে যিবোৰ কথা মই শুনিছিলো, সেইবোৰ আনৰ জীৱনতো মই দেখিছোঁ। দৰ্শন হিছাপে খ্ৰীষ্ট-ধৰ্ম্মৰ একো অসাধাৰণ কথা নাই। ত্যাগৰ ফালৰপৰা চালে দেখো যে হিন্দুসকলে খৃষ্টানক চেৰ পেলায়। খ্ৰীষ্ট-ধৰ্ম্ম এটা সম্পূৰ্ণ ধৰ্ম্ম নাইবা শ্ৰেষ্ঠ ধৰ্ম্ম বুলি বিশ্বাস কৰিবলৈ মোৰ পক্ষে অসম্ভৱ আছিল।

খ্ৰীষ্টিয়ান বন্ধুসকলৰ লগত এইবোৰ কথা সুবিধা পালেই আলোচনা কৰিছিলো, কিন্তু তেওঁলোকৰ উত্তৰে মোক সন্তুষ্ট কৰিব পৰা নাছিল। যেনেকৈ খ্ৰীষ্ট-ধৰ্ম্ম সম্পূৰ্ণ ধৰ্ম্ম, নাইবা শ্ৰেষ্ঠ ধৰ্ম্ম বুলি মই বিশ্বাস কৰা নাছিলো, সেইদৰে হিন্দু ধৰ্ম্ম যে ডাঙৰ ধৰ্ম্ম তাকো মই বিশ্বাস কৰা নাছিলো। অস্পৃশ্যতা হিন্দু ধৰ্ম্মৰ অঙ্গ হলে ই গলিত নাইবা ইমানবোৰ জাতি আৰু সম্প্ৰদায়ৰ যুক্তিযুক্ততা মই বুজি পোৱা নাছিলো। বেদেই যে ভগৱানৰ অনুপ্ৰাণিত মন্ত্ৰ এই কথাষাৰৰ অৰ্থ কি? বেদেই যদি ভগৱানৰ বাণী হল, তেন্তে বাইবেল আৰু কোৰাণ ভগৱানৰ বাণী নহব কিয়?

খৃষ্টান বন্ধুসকলে যেনেকৈ মোক খৃষ্টান কৰিবলৈ চেষ্টা কৰিছিল সেই দৰেই মুসলমান বন্ধুসকলেও চেষ্টা কৰিছিল। আবদুল্লা ছেঠে ইছলামৰ গ্ৰন্থ পঢ়িবলৈ মোক খাটি আছিল অৱশ্যে ইয়াৰ সৌন্দৰ্য্য সম্পৰ্কে এটা নহয় এটা তেওঁৰ মুখত লাগিযেই আছে। ৰায়-চন্দ ভাইলৈ এখন চিঠি লিখি মোৰ সকলো কথা জনালো। ইয়াৰ উপৰিও ভাৰতৰ অন্যান্য ধাৰ্ম্মিক লোকলৈ চিঠি লিখি তেওঁলোকৰ উত্তৰ পালো। ৰায চন্দ ভাইৰ চিঠিযে মোৰ মনত সান্ত্বনা দিলে। মোক ধৈৰ্য্য ধৰি থাকিবলৈ আৰু হিন্দু-ধৰ্ম্মৰ বিষযে আৰু দকৈ পঢ়িবলৈ তেওঁ উপদেশ দিলে। এখন চিঠিত তেওঁ এইদৰে লিখিছিল—'এই প্ৰশ্ন নিৰপেক্ষ ভাৱে আলোচনা কৰি মোৰ দৃঢ় বিশ্বাস হৈছে যে কোনো ধৰ্ম্মত ইমান সূক্ষ্ম গভীৰ চিন্তা নাই। এই ধৰ্ম্মৰ উদাৰতা, আৰু আত্মা সম্পৰ্কে দৃষ্টি অন্য কোনো ধৰ্ম্মত নাই।'

ছেলৰ (Sale) কোৰাণৰ ভাঙনী এখন কিনি পঢ়িবলৈ ধৰিলোঁ। ইছলাম সম্পৰ্কে অন্য কিতাপো মই যোগাৰ কৰি ললো। ইংলণ্ডত থকা খৃষ্টান বন্ধুসকলৰ লগত চিঠি লিখা-লিখি কৰিবলৈ ধৰিলো এজনে মোক এডৱাৰ্ড মেইটলেণ্ডৰ লগত চিনাকি কৰি দিলে। তেওঁৰ লগত চিঠি লিখা-লিখি আৰম্ভ হল। তেওঁ The Perfect way বোলা কিতাপখন মোলৈ পঠালে। এই কিতাপখন এনা কিংছ্ফোৰ্ডৰ লগত একেলগে তেওঁ লিখিছে। তেওঁ মোলৈ The New Interpretation of the Bible নামৰ আৰু এখন কিতাপো পঠালে। মই দুয়োখন কিতাপেই ভাল পালো। এই দুয়োখন কিতাপেই হিন্দু-ধৰ্ম্মক সমৰ্থন কৰিছে। টলষ্টয়ৰ The Kingdom of God is within you বোলা কিতাপখনে মোক অভিভূত কৰিলে [illegible]ানন্দত মতলীয়া কৰিছে।

স্বাধীন চিন্তা, গভীৰ নৈতিক জ্ঞান, আৰু সত্যতাৰ ওচৰত মিঃ কোট্‌ছে দিয়া কিতাপবোৰ নিচেই ক্ষুদ্ৰ যেন লাগিল। এইবোৰ কিতাপ পঢ়ি খৃষ্টান বন্ধুসকলে নভবা ফাললৈ মোৰ মন ঢাল খাবলৈ ধৰিলে। এডৱাৰ্ড মেইটল্যেণ্ডৰ লগত মোৰ চিঠি লিখা-লিখি বহুত দিনলৈ চলিছিল আৰু ৰায় চন্দ ভাইৰ লগত তেখেতৰ মৃত্যুলৈকে চলিছিল। তেখেতে পঠিয়া কিতাপ কিছুমান মই পঢ়িলোঁ। ইয়াৰ ভিতৰত পঞ্চীকাৰণ, মণিৰত্নমালা যোগবশিষ্টৰ মুমুক্ষুপ্ৰকৰণ, হৰিভদ্ৰ সূৰীৰ শদদৰ্শন সমুচ্চয় ইত্যাদি।

যদিও মই খৃষ্টান বন্ধুসকলে ইচ্ছা নকৰা আন এটা বাট ললোঁ তথাপিও ধৰ্ম্ম সম্বন্ধে মোৰ প্ৰাণত অনুসন্ধিৎসা জগোৱা বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। তেওঁলোকৰ লগত মোৰ সম্পৰ্কৰ কথা মই সদায় মনত ৰাখিম। ইয়াৰ পাছৰ কেই বছৰত আৰু কিছুমান সুন্দৰ আৰু পবিত্ৰ সম্পৰ্ক মোৰ হৈছিল।

কালৰ কুটিলা গতি

(১৬)

মোকৰ্দ্দমা নিষ্পত্তি হলত প্ৰেটোৰিয়াত থকাৰ একো প্ৰয়োজন নাথাকিল। সেই বাবে মই ডাৰবানলৈ উলটি আহিলোঁ আৰু দেশলৈ উলটি আহিবলৈ দিহা কৰাত লাগিলোঁ। কিন্তু আবদুল্লা ছেঠ মোৰ বাবে এখন বিদায় সভা নপতাকৈ দেশলৈ ওলোটাই পঠোৱা বিষয়

মানুহ নাছিল। মোৰ সম্মানাৰ্থে ছিডেনহামত এখন বিদায়-সভা পাতিলে।

প্ৰস্তাৱ হৈছিল যে তাত গোটেই দিনটো থকা হব। কিছুমান বাতৰি-কাকত চাই থাকোতে হঠাতে এখন কাকতৰ এটা চুকত থকা 'Indian Franchise' (ভাৰতীয়ৰ ভোটাধিকাৰ) বোলা প্ৰবন্ধ এটালৈ মোৰ চকু পৰিল। সেই সময়ত নেটালৰ ব্যৱস্থাপক সভালৈ মেম্বৰ বাছনি কৰিবলৈ অধিকাৰৰ পৰা বঞ্চিত কৰিবলৈ যি ব্যৱস্থাৰ অৱতাৰণা কৰা হৈছিল, সেই সম্পৰ্কেই এই প্ৰবন্ধ লিখা হৈছিল। মই এই ব্যৱস্থা সম্পৰ্কে একোকেই জনা নাছিলোঁ আৰু তালৈ অহা আলহী সকলৰো তথৈবচ অৱস্থা।

মই আবদুল্লা ছেঠক এই সম্পৰ্কে সুধিলোঁ তেওঁ কলে 'এই বিষয়ে আমি কি বুজোঁ? আমাৰ বেহা-বেপাৰত লগা কথাহে আমি বুজোঁ। আপুনি জানেই যে অৰেঞ্জ ফ্ৰী ষ্টেটত আমাৰ বেপাৰ বন্ধ কৰা হৈছে। এই বিষয়ে আমি আন্দোলন কৰিছিলোঁ, কিন্তু একো ফল নহল। আমি অশিক্ষিত। আমি বাতৰি-কাকত লওঁ সাধাৰণতে বজাৰ দৰৰ ভূ-ভা লবলৈ। আইন কানুন সম্পৰ্কীয় কথাৰ আমি কি ভূ পাওঁ? আমাৰ চকু আৰু কাণ হৈছে য়ুৰোপীয় এটৰ্ণীসকল।

মই কলোঁ—"কিন্তু ইয়াত বহুতো ডেকা-ভাৰতীয়ৰ জন্ম হৈছে; তেওঁলোক শিক্ষিত, তেওলোকে আপোনাসকলক সহায় নকৰে নে?"

"তেওঁলোকে!" নিৰাশভাৱে আবদুল্লা ছেঠে চিঞৰি উঠিল—"আমাৰ ওচৰলৈ তেওলোক নাহেই আৰু সঁচাকৈয়ে আপোনাক কবলৈ হলে তেওঁলোকৰো আমি চিন লবলৈ যত্ন নকৰোঁ। খ্ৰীষ্টিয়ান হোৱাত তেওঁলোক বগা পাদ্ৰীসকলৰ হাতত মুঠিত আৰু বগা পাদ্ৰী-সকলো গভৰ্ণমেণ্টৰ হাতত মুঠিত।"

এয়েই মোৰ চকু মুকলি দিলে। মই ভাবিলোঁ যে এই শ্ৰেণীৰ মানুহক আমাৰ মাজলৈ আনিব লাগিব। খ্ৰীষ্ট-ধৰ্ম্মৰ এয়েই অৰ্থ নে? খ্ৰীষ্টিয়ান হোৱা বাবেই এওঁলোক ভাৰতবাসী হবলৈ এৰিলে নে?

কিন্তু মই দেশলৈ উলটিবলৈ ধৰিছোঁ, এই বিষয় লৈ মোৰ মনত কি ভাব হৈছে, সেইবোৰ প্ৰকাশ কৰিবলৈ দ্বিধা বোধ কৰিলোঁ আবদুল্লা ছেঠক মাথোন এই বুলি কলো--' এইখন বিল আইনত পৰিণত হলে আপোনালোকৰ অৱস্থা আৰু শোচনীয় হব। আমাক বধিবলৈ এয়েই প্ৰথম কোব। আমাৰ আত্মসম্মানৰ ওৰিতেই ই আঘাত কৰিছে।"

"হয়, কৰিব পাৰে" আবদুল্লা ছেঠে কলে। কিন্তু আপোনাক এই ভোটাধিকাৰ প্ৰশ্নৰ গুৰিৰে পৰা কম। এই সম্পৰ্কে আমি একো-কেই জনা নাছিলোঁ। আমাৰ এজন ডাঙৰ এটৰ্ণী এছকম্বেই----- এখেতক আপুনি জানে---এই কথাষাৰ আমাৰ মূৰত সুমুৱাই দিলে।

"কথাষাৰ এইদৰে হৈছিল। নিৰ্ব্বাচনত তেওঁ এজন ডাঙৰ যুজাৰু, হোৱাৰ্ফ ইঞ্জিনিয়াৰ জনৰ লগত তেওঁৰ বৰ অৰিয়া-অৰি আছিল। তেওঁৰ ভয় হৈছিল পাছে হোৱাৰ্ফ ইঞ্জিনিয়াৰজনে নিৰ্ব্বাচনত তেওঁক হৰুৱায়। সেই বাবে তেওঁ আমাক আমাৰ অৱস্থা কথা বুজালে আৰু তেওঁৰ কথামতে আমি সকলোৱেই ভোটাৰৰ লিষ্টিত আমাৰ নাম ৰেজেষ্ট্ৰী কৰিলোঁ আৰু নিৰ্ব্বাচনৰ সময়ত তেওঁৰ সপক্ষে ভোট দিলোঁ। এতিয়া আপুনি চাওক, আমাৰ পক্ষে এই ভোটৰ মূল্য কি? কিন্তু আপুনি যি কৈছে আমি বুজি পাওঁ। বাৰু, তেন্তে আপোনাৰ উপদেশ কি?"

উপস্থিত থকা আন আন আলহীয়ে আমাৰ দুয়োৰো কথা-বতৰা মন দি শুনি আছিল। এজনে কলে--"এতিয়া কি কৰিব লাগিব,

মই কম নে? আপুনি এই জাহাজত যোৱা স্থগিত কৰি আৰু এমাহ মান ইয়াত থাওক, আপুনি নির্দ্দেশ কৰা মতে আমি ইয়াৰ বিৰুদ্ধে যুজ দিম। সকলো সমজুৱাই সমস্বৰে কলে—"হয়, হয়, আবদুল্লা ছেঠ, আপুনি গান্ধী ভাইক আটক কৰক।" ছেঠ বৰ ধূৰ্ত্ত মানুহ আছিল। তেখেতে কলে—"মই এখেতক এতিয়া আটক নকৰিবও পাৰোঁ; বৰঞ্চ এখেতক ইয়াত আটক কৰিবলৈ মোৰ যিমান শক্তি আছে, আপোনালোকৰো সেই একে শক্তি আছে। কিন্তু আপোনালোকে কোৱা কথা সঁচা। আহক, আমি সকলোৱে এখেতক ধৰি-মেলি ইয়াত ৰাখোঁ। কিন্তু আপোনাসকলে মনত ৰাখিব এখেত এজন বেৰিষ্টাৰ। এখেতৰ ফীজ সম্পৰ্কে কি হব?"

ফিজৰ কথা উল্লেখ কৰোতে মই বৰ বেজাৰ পালোঁ আৰু ততালিকে মাত লগালোঁ—"আবদুল্লা ছেঠ, ফীজ মোৰ চিন্তাৰ অতীত, ৰাজহুৱা কামত ফীজ নাই। আৰু আপুনি জানে এইসকল বন্ধুৰ লগত মোৰ চিনাকি নাই। কিন্তু আপুনি যদি বিশ্বাস কৰে যে এই সকল বন্ধুৱে সহযোগ কৰিব, তেন্তে মই আৰু এমাহ আপোনালোকৰ মাজত থাকিবলৈ সাজু আছোঁ। যদিও আপোনালোকে মোক ইয়াৰবাবে একোকেই দিব নালাগে তথাপিও আমি যি প্ৰনালীৰে কাম কৰিম বুলি ভাবিছো, তেনে কাম ফাণ্ড নহলে আৰম্ভ কৰিব নোৱাৰি। ধৰক টেলিগ্ৰাম কৰিব লগীয়া হব পাৰে, কিতাপ পত্ৰও ছপা কৰিব লগীয়া হব পাৰে। ঠায়ে ঠায়ে ফুৰিব লগীযা হবও পাৰে, স্থানীয় এটর্ণীৰ লগত পৰামৰ্শাদি লব লগীযা হবও পাৰে আৰু যি স্থলত মই আপোনালোকৰ আইন-কানুন নাজানোঁ, সেই বাবে চাবলৈ আপোনালোকৰ ইয়াত প্ৰচলিত আইনৰ কিতাপ আদিও কিনিব লগীয়া হব পাৰে। এইবোৰ কাম টকা নহলে নহয়। আৰু এই কথা স্পষ্ট যে এনে

কামত এজন মানুহেই যথেষ্ট নহয়। "সহায় কৰিবলৈ বহুতো মানুহ আহিব লাগিব।" কিছুমানে একেস্বৰে এই বুলি কোৱা শুনা গল— "আল্লা মহান আৰু দয়াশীল। টকা আহিব। যিমানে লাগে সিমান মানুহো আছে। আপুনি মাথোন ইয়াত থাকিবলৈ সম্মত হওক; সকলো ঠিক হব।"

এই দৰে বিদায়-সভা এখন কাৰ্য্যকৰী সভাত পৰিণত হল। মই প্ৰস্তাৱ কৰিলোঁ যে খোৱা-বোৱা শেষ কৰি ঘৰলৈ উলটিব লাগে। এই সম্পৰ্কে অভিযান কি দৰে চলাম, সেই সম্পৰ্কে মনত সকলো পাঙিলোঁ। ভোটাৰৰ লিষ্টিত থকা ভাৰতীয় সকলৰ নাম বিলাক বিচাৰি ললোঁ আৰু এমাহ ইয়াত থকা থিৰ কৰিলোঁ।

এই দৰে ঈশ্বৰে দক্ষিণ আফ্ৰিকাত মোৰ জীৱনৰ ভেটি বান্ধিলে আৰু জাতীয় সন্মানৰ বাবে যুজ দিবলৈ শক্তিৰ গুটি সিচিলে।

নেটালত বহিলো।

(১৭)

ছেঠ হাজী মহম্মদ হাজী দাদাক ১৮৯৩ সনত নেটালত ভাৰতীয় বাসিন্দাসকলৰ নেতা বুলি সকলোৱে মানিছিল। অৰ্থ হিছাপে, ছেঠ আবদুল্লা হাজী আদামেই সবাতকৈ ধনী আছিল, কিন্তু তেওঁ নিজে আৰু অন্যান্য সকলোৱে হাজী মহম্মদকেই ৰাজহুৱা কামত নেতা বুলি প্ৰথম ঠাই দিছিল। আবদুল্লা ছেঠৰ ঘৰত তেখেতৰ সভাপতিত্বত এখন সভা

ৰহিল, তাত এই Franchise Billৰ (ভোটাধিকাৰৰ ব্যৱস্থা) প্ৰতিবাদ কৰা স্থিৰ হল।

স্বয়ংসেৱকদল গঠিত কৰা হল। নেটালত ওপোজা ভাৰতবাসী মাত্ৰকেই (তাৰ সহৰভাগেই ভাৰতীয খৃষ্টান) এই সভাত উপস্থিত হবলৈ মতা হল। ডাৰবান আদালতৰ দোৱনীয়া মিঃ পল আৰু এখন মিশ্যন স্কুলৰ হেডমাষ্টাৰ মিঃ ছুডান গডফ্ৰে তাত উপস্থিত আছিল। আৰু তেওঁলোকৰ বাবে সেই সভাত বহুতো খ্ৰীষ্টান ডেকা উপস্থিত হল। সকলোকে সেৱকদলত ভৰ্ত্তি কৰা হল।

অৱশ্যে বহুতো স্থানীয সদাগৰকো ভৰ্ত্তি কৰা হৈছিল---ইযাৰ ভিতৰত ছেঠ দাযুদ আহম্মদ, মহম্মদ কাচীম কামাৰুদ্দীন, আদমজী মিঞাখাঁ এ কোলাণ্ডাপিলে, চি-লচহীৰাম, ৰঙ্গস্বামী পদীযাচী, আমোদজী পাৰ্চী ৰস্তমজী প্ৰভৃতিৰেই নাম উল্লেখযোগ্য আমোলাসকলৰ ভিতৰত মানেকজী, যোচী, পাচীৰাম, আৰু দাদা আবদুল্লা কোম্পানীত আৰু আন আন ডাঙৰ ডাঙৰ দোকনত কাম কৰা আমোলাসকলো তাত উপস্থিত আছিল। ৰাজহুৱা কামত যোগ দিযাত তেওঁলোক নিজে নিজেই আচৰিত আৰু আনন্দিত হৈছিল। ৰাজহুৱা কামত যোগ দিবলৈ এই দৰে আহূত হোৱা আমোলাসকলৰ জীৱনত এযেই প্ৰথম অভি-জ্ঞতা। ভাৰতীয বাসিন্দা সকলৰ এই আসন্ন বিপদৰ সময়ত সৰু ডাঙৰ-ধনীদুখীযা, প্ৰভু-চাকৰ, হিন্দু মুছলমান, পাৰ্চী-খ্ৰীষ্টান, গুজৰাটী, মাদ্ৰাজী, সিন্ধী সকলো ভেদাভেদ পাহৰা হল। সকলোৱেই একে মাতৃভূমিৰ সন্তান আৰু সেৱক।

এই বিলখন ইতিপূৰ্ব্বেই গৃহীত হল, কি গৃহীত হবলৈ ধৰিছে, মোৰ মনত নপৰে। এই সম্পৰ্কে এছেম্বলীৰ আলোচনাত ভাৰতীয় বাসিন্দাসকলে যে এই বিলত বাধা দিয়া নাই আৰু এই কথাষাৰেই

ভাৰতবাসীয়ে ভোটৰ ব্যৱহাৰৰ বাবে অনুপযুক্ত বুলি প্ৰমাণ দিয়ে ইত্যাদি কোৱা হৈছিল।

মই সভাত এই অৱস্থা ভালকৈ বুজাই দিলোঁ। প্ৰথমতে আমি এছেম্বলীত গভৰ্ণমেন্টৰ পক্ষৰ স্পীকাৰলৈ (Speaker) এই বিলখনৰ আলোচনা স্থগিত ৰাখিবলৈ এখন টেলিগ্ৰাম দিলোঁ। এনেবিধৰ আৰু এখন টেলিগ্ৰাম প্ৰধান মন্ত্ৰী চাৰ জন ৰবিন্‌সনলৈ আৰু দাদা আবদুল্লাৰ বন্ধু মিঃ এছকম্বেলৈকো দিয়া হল। স্পীকা ৰ' ততালিকে উত্তৰ দিলে ইযাৰ আলোচনা দুদিনতে বন্ধ হব এই কথাষাৰত আমাৰ উৎসাহ বাঢ়িল।

লেজিছলেটিভ এছেম্বলীলৈ যিখন দখাস্ত দিয়া হব তাৰো আঁচনি আঁচা হল। তিনিখন নকল কৰোৱা হল, বাতৰি কাকতলৈ অতিৰিক্ত এখন কৰা হল। এই বুলিও প্ৰস্তাব হৈছিল যে ইযাত যিমান ছহী সম্ভৱ হয় সিমান গোটাৰ লাগে আৰু এই কাম এৰাতিৰ ভিতৰতেই কৰিব লাগিব। ইংৰাজী জনা স্বয়ং সেৱকসকলে আৰু কেইজন মানেৰে সৈতে গোটেই ৰাতি খাটিল। মিঃ আৰ্থাৰ নামৰ এজন বুঢ়া মানুহ হস্তাক্ষৰৰ বাবে প্ৰসিদ্ধ আছিল। তেৰেই আছল কাকতখন লিখিলে। আন কিখন আৰু কেইজনে লিখিলে। এইদৰে পাঁচখন নকল একে সময়তে তৈয়াৰ কৰা হল। সদাগৰ সেৱকসকল নিজৰ নিজৰ গাৰীত নাইবা কেৰেয়া কৰি গাৰী ধৰি মানুহৰ ছহী লবলৈ চাৰিওফালে ওলাল। বাতৰি-কাকত বিলাকে অনুকূল সমালোচনাৰে সৈতে আমাৰ আৰ্জীখন প্ৰকাশ কৰিলে। এছেম্বলীৰ মনত এই কথাষাৰ লাগিল। তাত ইয়াৰ আলোচনা হোৱাত পক্ষপাতী সকলে আবেদনত দিয়া যুক্তিৰ বিপক্ষে সজ যুক্তি দিব নোৱাৰিলে। তথাপিও বিলখন গৃহীত হল।

এইটো হব বুলি পূৰ্বেই আমি জানিছিলোঁ। এই আন্দোলনে ভাৰতীয় বাসিন্দাসকলৰ ভিতৰত নতুন জীৱন দিলে আৰু সকলো ভাৰতবাসী একেই আৰু বেহাবেপাৰৰ অধিকাৰৰ দৰে ৰাজনৈতিক অধিকাৰৰ বাবে যুজ কৰা কৰ্ত্তব্য বুলি সকলোৰে মনত সোমাল।

এই সময়ত লৰ্ড ৰিপন ঔপনিবেশিক ছেক্রেটাৰী অব ষ্টেট আছিল। তেখেতলৈ এখন ডাঙৰ আবেদন দিয়া স্থিৰ হল। এইটো এটা সামান্য আৰু একে দিনতে কৰিব পৰা কাম নাছিল। স্বয়ংসেৱক কিছুমান ঠিক কৰা হল আৰু সকলোৱেই নিজৰ নিজৰ কাম কৰিলে।

এই আজুৰ্জীখনৰ আঁচনি কৰোতে মই বৰ পৰিশ্ৰম কৰিব লগীয়া হৈছিল। এই বিষয়ে সকলো কিতাপ মই পঢ়ি ললোঁ। মোৰ যুক্তিৰ মূল ভেটি আছিল এটা নীতি আৰু প্ৰযোজনীয়তা। ভাৰতবৰ্ষত যি দৰে আমাৰ ভোটৰ অধিকাৰ আছে, সেইদৰে নেটালতো আমাৰ ভোটৰ অধিকাৰ আছে বুলি মই যুক্তি কৰিছিলোঁ। ভোট ব্যৱহাৰ কৰিবপৰা ভাৰতীয় প্ৰজা সংখ্যাত কম থকাবাবেই এই অধিকাৰ ৰখা বেছিকৈ প্ৰয়োজন হৈছে বুলি মই যুক্তি দিছিলোঁ।

পোন্ধৰ দিনৰ ভিতৰত ১০ হেজাৰ চহী গোটোৱা হল। গোটেইখন প্ৰদেশৰ পৰা মানুহৰ চহী গোটোৱা এটা উজু কাম নাছিল। বিশেষকৈ এই লোকসকল এনে কামত সম্পূৰ্ণ অজ্ঞ। দৰ্খাস্তখনত কি কথা লিখা আছে সকলো নুবুজাকৈ কাৰো চহী নোলোৱা স্থিৰ হোৱাত এই কামৰ বাবে বিশেষকৈ যোগ্য আৰু সমৰ্থ সেৱক বাছিব লগীয়া হৈছিল। গাৱঁবোৰ বহুতো আঁতৰে আঁতৰে আছিল। কেইজনমানে প্ৰাণটাকি নকৰিলে, এই কামটো সোনকালে হোৱা টান। আৰু এই টান কামটোও তেওঁলোকে ততালিকে কৰিলে। সকলোৱেই নিজৰ নিজৰ নিৰ্দ্দিষ্ট কাম উৎসাহেৰে সৈতে কৰিলে। কিন্তু আজি এই কেইষাৰি কথাই

লিখোতে ছেঠ দায়ুদ মহম্মদ, ৰস্তমজী, আদমজী, মিঞাঁখা, আমোদজীৰ কথা মনত পৰিছে। তেওঁলোকেই সকলোতকৈ বেছি ছুহী গোটাই-ছিল। দায়ুদ ছেঠে গোটেই দিনটো নিজৰ গাৰীত ঘুৰি ফুৰে, আৰু এইটো এটা বাইজৰ কাম বুলি পকেট-খৰচ বুলিও একো লোৱা নাছিল। দাদা অবদুল্লাৰ ঘৰ জানিবা "হোটেলখানা" হোৱাদি হল। তাতেই আমাৰ অফিছ হল। যিসকল শিক্ষিত বন্ধুৱে মোক সহায় কৰিছিল, সকলোৱেই তাত আহাৰ কৰিছিল।

মোৰ সহায়কাৰী সকলোৰেই বহুতো খৰচ পাতি হৈছিল। দৰ্খাস্তখন অৱশেষত দিয়া হল। এহেজাৰ কপি ছপা কৰি চাৰিওফালে বিলাই দিয়া হল। নেটালৰ অৱস্থা সম্পৰ্কে ইয়াতেই পোনপ্ৰথমে ভাৰতবৰ্ষৰ মানুহে পালে। মই জনা সকলো বাতৰি-কাকত আৰু প্ৰকাশকলৈ ইয়াৰ কপি পঠালোঁ।

'টাইমছ অৱ ইণ্ডিয়া' কাকতে এটা সম্পাদকীয় প্ৰবন্ধ লিখি ভাৰতীয়ৰ দাবি সমৰ্থন কৰিলে। বিলাতৰ সকলো দলৰ কাকতলৈকো ইয়াৰ কপি পঠোৱা হল। লণ্ডন টাইমছে আমাৰ দাবি সমৰ্থন কৰিলে। সেই বাবে এই বিলখন নামঞ্জুৰ (veto) হব বুলি আমি আশা কৰিছিলোঁ।

এতিয়া নেটাল এৰা মোৰ পক্ষে অসম্ভৱ হল। ভাৰতীয় বন্ধুসকলে মোক চাৰিওফালে বেৰি ধৰি তাত চিৰস্থায়ীৰূপে থাকিবলৈ খাটিলে। মই মোৰ আসোঁৱাহবোৰ জনালো। ৰাজহুৱা খৰচত তাত নাথাকো বুলি সংকল্প কৰিছোঁ। সুকীয়া ঘৰ দিহাকৰাৰ প্ৰয়োজন বোধ কৰিলো। ভাবিলো যে ঘৰ সুন্দৰ আৰু ভাল ঠাইত হব লাগিব। বেৰিষ্টাৰসকলে যি আদৰ-কায়দাত থাকে, সেই ধৰণেৰে নাথাকিলে ভাৰতীয় বাসিন্দা সকলৰ পক্ষে সন্মানজনক নহব বুলিও মোৰ ভাব হৈছিল। এনেদৰে

থাকিবলৈ হলে ৩০০ পাউণ্ড নহলে অসম্ভৱ বুলি মোৰ মনত হৈছিল। সেইবাবে সকলোৱে মোক এই খিনিৰ জোখাৰে আইনৰ কাম দিলে মই থাকিব পাৰো বুলি সকলোকে জনালো।

তেওঁলোকে কলে—"কিন্তু আপনি এইখিনি টকা ৰাজহুৱা কামৰ বাবে ললে আমি অনায়াসে তুলিব পাৰো। অৱশ্যে ইয়াৰ উপৰিও আইনৰ কামৰ বাবে আপুনি লব পাৰিব।"

"ৰাজহুৱা কামৰ বাবে মই ফীজ লব নোৱাৰো বুলি কলো। "বেৰিষ্টাৰীত যিখিনি কৌশল লাগে এই কামত মোক সিমানখিনি নালাগে। মোৰ কাম হব আপোনাসকলক কাম কৰোৱা আৰু ইয়াৰ বাবেই মই আপোনালোকৰ পৰা কেনেকৈ ফীজ লব পাৰোঁ। ? এই কামত টকাৰ বাবে মই প্ৰায়েই গোহাৰি কৰিব লাগিব আৰু ইয়াৰপৰা মই বৃত্তি লব ল'লে যা হলে সৰহ টকাৰ বাবে গোহাৰি কৰিবলৈ মই টানত পৰিম, আৰু অৱশেষত আমাৰ কাম বন্ধ হব। ইয়াৰ উপৰিও বছৰে ৩০০ পাউণ্ডতকৈ সৰহ টকা ৰাজহুৱা কামত সকলোৱে তুলিব লাগিব।"

"কিন্তু আমি এতিয়া আপোনাক কিছু দিনৰ পৰা ভালকৈ চিনি পাইছোঁ। আপুনি প্ৰয়োজন নহলে সৰহ খৰচ নকৰে বুলি জানো। আপুনি ইয়াত থাকিলে আপোনাৰ খৰচৰ বাবে আমি দিয়া উচিত নহব নে।"

"আপোনালোকে মৰম আৰু বৰ্ত্তমান উদ্যমতহে এতিয়া এই দৰে কৈছে। এই মৰম যে সদায় থাকিব ইয়াৰ কি স্থিৰতা আছে? আপোনালোকক বন্ধু আৰু সেৱক হিছাপে মই মাজে সময়ে কটু কথা কব লাগিব। তেতিয়াও আপোনালোকৰ মৰম পাই থাকিম নে নাই, ঈশ্বৰে হে জানে। কিন্তু এইটো ঠিক যে ৰাজহুৱা কামৰ বাবে মই দৰ্মহা নলওঁ, মোক আপোনালোকে আদালতৰ কাম দিব বুলি স্বীকাৰ

কৰাই মোৰ পক্ষে যথেষ্ট। এইটোও আপোনালোকৰ পক্ষে টান হব পাৰে। কাৰণ মই এজন বগা বেৰিষ্টাৰ নহওঁ। আদালতে যে মোৰ কথাত কাণ দিব তাত কি ঠিক আছে। বেৰিষ্টাৰ হিছাপে মই কেনে কৰোঁ তাকো মই কব নোৱাৰো। সেইবাবে মোক 'ৰিটেইনাৰ' কৰি ৰাখিলেও আপোনালোকৰ কিছু ক্ষতি হব পাৰে। মোক 'ৰিটেইনাৰ' কৰি ৰখাটোকেই ৰাজহুৱা কামৰ পুৰস্কাৰ বুলি মই ধৰিম।

এই আলোচনাৰ ফলত প্ৰায় ২০ জন মান সদাগৰে মোক বছেৰে-কীয়া বন্দোবস্তত বেৰিষ্টাৰ নিযুক্ত কৰিলে আৰু ইয়াৰ উপৰিও দাদা আবদুল্লাই যাবৰ সময়ত মোক এটা ধনৰ সোণা পুৰস্কাৰ দিয়াৰ পৰিবৰ্ত্তে মোৰ লাগতিয়াল সকলো সঁজুলি কিনি দিলে।

এইদৰে মই নেটালত ৰহিলোঁ।

বৰ্ণবিদ্বেষ

(১৮)

অন্ধ অথচ নিৰপেক্ষ বুদ্ধিমতী বুঢ়ী তিৰোতা এজনীয়ে তুলাচনী এখন সমানভাৱে ধৰি থকাৰ প্ৰতিকৃতি আদালতত ৰখা হয়। অদৃষ্ট দেৱীয়ে ইচ্ছা কৰিয়েই তেওঁক অন্ধ কৰিছে, যাতে তেওঁ আভ্যন্তৰীণ গুণ নোচোৱাকৈ বাহ্যিক আকৃতিত ভোল গৈ বিচাৰ কৰিব নোৱাৰে। কিন্তু নেটালৰ আইন সমিতিয়ে ছুপ্ৰীম কোৰ্টত থকা এই ছবিখন মিছা কৰিবলৈ এই নীতিৰ বিৰুদ্ধে চলিবলৈ চেষ্টা কৰিলে।

ছুপ্ৰীম কোৰ্টত এডভোকেট হিছাপে ময়ো সোমাবলৈ চেষ্টা কৰিলোঁ। বোম্বে হাইকোৰ্টৰ প্ৰবেশ ছাৰ্টিফিকেট মোৰ হাতত আছিল। বোম্বে হাইকোৰ্টত সোমোৱাত ইংলিশ ছাৰ্টিফিকেটখন তাত দিবলগীয়া হৈছিল। ভৰ্ত্তি হবলৈ দিয়া দৰ্খাস্তখনৰ লগত চৰিত্ৰ সম্পৰ্কে দুখন ছাৰ্টিফিকেট দিয়াৰ দৰ্কাৰ আৰু য়ুৰোপীয়ই এনেবিধৰ ছাৰ্টিফিকেট দিলে তাৰ গুৰুত্ব বেছি হব বুলি ভাবি মই জনা আবদুল্লা ছেঠৰ য়ুৰোপীয় বন্ধু দুজনৰ ছাৰ্টিফিকেটো লগতে দিলোঁ। দৰ্খাস্তখন এজন বেৰিষ্টাৰ হাতেদি দিব লাগে আৰু সাধাৰণতে এটৰ্ণী জেনেৰেলে এইবোৰ দৰ্খাস্ত ফিজ নোহোৱাকৈ দিয়ে। মিঃ এছকম্বে দাদা আবদুল্লা কোম্পানীৰ আইন উপদেশক আছিল। পাঠক সকলৰ মনত থাকিব পায়, তেৱেঁই এটৰ্ণী জেনেৰেল আছিল। তেওঁৰ লগত দেখা কৰিলোঁ। তেওঁ মোৰ দৰ্খাস্তখন পেছ কৰিবলৈ গাত ললে।

'ল ছোছাইটী'যে মোৰ ওপৰত এখন নোটিছ জাৰী কৰি মোৰ দৰ্খাস্তত বাধা দিয়াত মই আচৰিত হলোঁ। তেওঁলোকৰ এটা আপত্তি হল যে, মূল ইংলিশ ছাৰ্টিফিকেটখন দৰ্খাস্তৰ লগত দিয়া হোৱা নাছিল। কিন্তু এডভোকেট সোমোৱা লৈ ৰেগুলেশ্যন হৈ থাকোতে এজন 'কালাআদমী'যে এডভোকেট হবলৈ দৰ্খাস্ত দিয়া তেওঁলোকৰ কল্পনাৰ অতীত। এয়ে তেওঁলোকৰ প্ৰধান আপত্তি। য়ুৰোপীয় বাসিন্দাসকলৰ চেষ্টাত নেটালৰ উন্নতি হৈছে আৰু তাত বেৰিষ্টাৰৰ মাজত য়ুৰোপীয়ৰ প্ৰতিপত্তি ৰক্ষা কৰা প্ৰয়োজন। 'কালাআদমী' সুমুৱাই ললে য়ুৰোপীয়ক তেওঁলোকে সংখ্যাত পাছ পেলাব আৰু তেওঁলোকক ৰক্ষা কৰিবলৈ যি গড় বন্ধা হৈছে সেইটো ভাগিব।

মোৰ বিৰুদ্ধে থিয় দিবলৈ 'ল-ছোছাইটী'যে এজন খ্যাতনামা আইন-জীবী নিযুক্ত কৰিছিল। দাদা আবদুল্লা কোম্পানীৰ লগত

তেওঁবো সম্বন্ধ থকাত তেওঁ দেখা কৰিবলৈ মোক মাতি পঠালে। মোৰ লগত তেওঁ সৰল ভাৱেই কথা বতৰা হল আৰু মোৰ আঁতিগুৰি সকলো খবৰ ললে। ময়ো সকলো কথা জনালোঁ। অৱশেষত তেওঁ কলে—

"আপোনাৰ বিৰুদ্ধে কবলগীয়া মোৰ একো নাই। মোৰ আশঙ্কা হৈছিল, আপুনি এই উপনিবেশত ওপোজা কোনো সাহিয়াল লোক, আৰু মূল ছাৰ্টিফিকেটখন লগত নিদিয়াত মোৰ সন্দেহ বেছিকৈ হৈছিল। এনেকুৱা বহুতো মানুহ ওলাইছে, যিসকলে নিজৰ নোহোৱা ডিপ্লোমা ব্যৱহাৰ কৰিছে। চৰিত্ৰ সম্পৰ্কে য়ুৰোপীয বেপাৰীসকলৰ যি ছাৰ্টিফিকেট লগত দিয়া হৈছে মোৰ ওচৰত তাৰ কোনো মূল্য নাই। তেওঁলোকে আপোনাৰ সম্বন্ধে কি জানে? আপোনাৰ লগত তেওঁলোকৰ চিনা-পৰিচয় কিমান দূৰ হব পাৰে?"

মই কলোঁ—'কিন্তু প্ৰত্যেকেই মোৰ ওচৰত আচহুৱা মানুহ। আন কি, ছেঠ আবদুল্লাই মোক ইয়াতে হে চিনি পাইছে।'

কিন্তু আপুনি কৈছে যে তেওঁ আপোনাৰ একে ঠাইৰে মানুহ। আপোনাৰ দেউতাক যদি তাত প্ৰধান-মন্ত্ৰী আছিল, ছেঠ আবদুল্লাই তেন্তে আপোনাৰ পৰিয়ালক চিনি পাব। তেখেতে এখন 'এফিডেভিট' দিলে মোৰ একো আপত্তি নৰব। আৰু তেতিয়া মই আপোনাৰ দৰ্খাস্তৰ বিৰুদ্ধে চলিবলৈ অসমৰ্থ বুলি বং মনেৰে ল-ছোছাইটিক জনাম।' এনে বিধৰ কথাত মোৰ খং উঠিল, কিন্তু মনৰ ভাৱ মই সংযত কৰিলোঁ। মনতে ভাবিলো—'দাদা আবদুল্লাৰ ছাৰ্টিফিকেট লগত দিলেও মোৰ দৰ্খাস্ত নামঞ্জুৰ হব; তেতিয়া তেওঁলোকে য়ুৰোপীয়ৰ ছাৰ্টিফিকেট বিচাৰিব। আৰু মোক এডভোকেট স্বৰূপে ভৰ্ত্তি কৰি লোৱাত মোৰ জন্ম আৰু পিতৃকুলৰ কি সম্বন্ধ থাকিব পাৰে? হীন কুলত নাইবা আপত্তিজনক বংশত জন্ম হলেও মোৰ বিৰুদ্ধে কেনেকৈ প্ৰয়োজিত

হব পাৰে ?' কিন্তু মই নিজক সংযত ৰাখি ধীৰভাবে উত্তৰ দিলোঁ— মোৰ সম্পৰ্কে এনেবিধৰ বিস্তাৰিত বিৱৰণ লবলৈ ল-ছোছাইটীৰ একো প্ৰয়োজন আছে বুলি যদিও মই স্বীকাৰ নকৰোঁ তথাপিও দাদা আবদুল্লাক দি মই এফডেফিট দিয়াৰ পাৰিম।'

ছেঠ আবদুল্লাৰ 'এফিডেভিট' তৈয়াৰী কৰা হল আৰু ল-ছোছাইটীৰ কাউন্সেলক যথানিয়মে দিয়া হল। তেওঁ সন্তুষ্ট হৈছে বুলি কলে; কিন্তু ল-ছোছাইটী ইয়াতো সন্তুষ্ট নহল। ছুপ্ৰীম কোৰ্টৰ আগত মোৰ দৰ্খাস্তখনৰ তেওঁলোকে প্ৰতিবন্ধকতা কৰিলে। কিন্তু মোৰ পক্ষৰ বেৰিষ্টাৰ মিঃ এছকম্বেই উত্তৰ দিবৰ পূৰ্ব্বতে ছুপ্ৰীম কোৰ্টে তেওঁলোকৰ কথা নামঞ্জুৰ (rule out) কৰিলে। চীফজষ্টিছে মুঠতে এই বুলি কলে :—

"মূল ছাৰ্টিফিকেটখন দিয়া নাই বুলি যি আপত্তি কৰা হৈছে তাৰ একো মূল্য নাই। তেওঁ যদি মিছা 'এফিডেভিট' দিছে, তেন্তে তেওঁৰ ওপৰত মোকৰ্দ্দমা চলিব আৰু দোষী বুলি প্ৰমাণিত হলে তালিকাৰ পৰা তেওঁৰ নাম কাটি দিয়া যাব পাৰিব। বগা আৰু কলাৰ মাজত আইনৰ একো প্ৰভেদ নাই। মিঃ গান্ধীক এডভোকেটৰ শাৰীত ভৰ্ত্তি নকৰিবলৈ আদালতৰ একো ক্ষমতা নাই। আমি তেওঁৰ দৰ্খাস্ত মঞ্জুৰ কৰিলোঁ। মিঃ গান্ধী, আপুনি এতিয়া শপত খাব পাৰে।"

মই থিয় হৈ ৰেজিষ্ট্ৰাৰৰ সমুখত শপত খালোঁ। মোৰ শপত খোৱাৰ পাছত চীফজষ্টিছে মোক সম্বোধন কৰি কলে :—

"মিঃ গান্ধী, আপুনি এতিয়া পাগুৰি সোলোকাব লাগিব, ইয়াত বেৰিষ্টাৰ সকলৰ বাবে নিৰ্দ্দিষ্ট সাজ-পোছাক এতিয়া পিন্ধিব লাগিব।"

মোৰ চাৰিও কাষত সীমাবোৰ বেছকৈ দেখিলোঁ। যি পাগুৰি পিন্ধিবলৈ জিলা ম্যাজিষ্ট্ৰেটৰ আদালতত জোৰ কৰিছিলোঁ, এতিয়া

ছুপ্ৰীম কোৰ্টৰ আদেশ অনুসাৰে সোলোকাৰ লগায়া হল। এই হুকুমৰ প্ৰতিৰোধ কৰা হলে এই প্ৰতিৰোধ ন্যায়সঙ্গত নহব বুলি ভাবি এই আদেশ পালন কৰিবলৈ মান্তি হলোঁ, সেইটো নহয়। ইযাতকৈ ডাঙৰ যুদ্ধৰ বাবে শক্তিসঞ্চয় কৰিবলৈ হে মই বিচাৰিছিলোঁ। পাগুৰিটো ৰখা লৈ যুঁজাৰুৰ শক্তি মই শেষ কৰিবলৈ ইচ্ছা কৰা নাছিলোঁ। মোৰ শক্তি ইযাতকৈ ডাঙৰ কামৰ লায়েক।

শ্বেঠ আবদুল্লা আৰু অন্যান্য বন্ধুৱে মোৰ এই বশ্যতা-স্বীকাৰত ভাল পোৱা নাছিল (এইটো দুৰ্ব্বলতা আছিল নে?) আদালতত বেৰিষ্টাৰি কৰোতে পাগুৰি পিন্ধিবলৈ মোৰ অধিকাৰ ৰক্ষা কৰা উচিত আছিল বুলি তেওঁলোকে ভাবিছিল। 'ৰোমত ৰোমানসকলৰ দৰে আচৰণ কৰিব লাগে'এ ই ফকৰাটো মই বুজাবলৈ চেষ্টা কৰিছিলোঁ। ভাৰতবৰ্ষত কোনো ইংৰাজ জজে নাইবা কোনো কৰ্ম্মচাৰীয়ে এনে দৰে হুকুম দিয়া হলে হুকুম অমান্য কৰাটো সঙ্গত হলহেতেন। কিন্তু আদালতৰ কৰ্ম্মচাৰী হিচাপে নেটাল প্ৰদেশৰ এটা ৰীতি অৱজ্ঞা কৰা নুশুৱায়।

এনে বিধৰ যুক্তিৰে মোৰ বন্ধুবৰ্গক শান্ত কৰিলো, কিন্তু তেওঁলোকক সম্পূৰ্ণতে বুজনি দিব পাৰিছিলোঁ বুলি মোৰ মনে নধৰে। সুকীয়া অৱস্থাত এটা বস্তুকেই সুকীয়া কালৰ পৰা চাব লাগে বোলা কথাষাৰৰ যুক্তিযুক্ততা তেওঁলোকে সম্পূৰ্ণতে হৃদয়ঙ্গম কৰিব পাৰিছিল বুলি মোৰ মনত ধৰা নাছিল। মই সত্যই আকোৰগ জানিকৈ ধৰাৰ পৰা গোটেই জীৱনত এটা শিক্ষা পাইছোঁ, সেইটো হৈছে মিটমাট কৰাব গুণগ্ৰহণ কৰাটো। পাছত মই দেখিছোঁ, যে সত্যগ্ৰহৰ বাবে এই ভাব অপৰিহাৰ্য্য, ইয়াৰ বাবে বহুতো সময়ত মোৰ নিজৰ জীৱন বিপদত পৰিছিল আৰু সময়ে সময়ে বন্ধু-বান্ধৱসকলৰ অসন্তোষভাজন হবলগীয়া হৈছিল। কিন্তু সত্য বজ্ৰৰ দৰে টান, অথচ ফুলৰ পাহীৰ দৰে কোমল।

ল-ছোছাইটীয়ে প্ৰতিবন্ধকতা কৰা বাবে দক্ষিণ আফ্ৰিকাত মোৰ নাম ফুটি ফাটি ওলাল। সকলো বাতৰি কাকতে এই প্ৰতিবন্ধকতাৰ সমালোচনা কৰিলে আৰু প্ৰতিদ্বন্দ্বিতাৰ ভাব আছে বুলি ল-ছোছাইটিৰ গাত দোষ দিলে। যি হওক, তেওঁলোকৰ এই অযাচিত জাননীয়ে কিছু পৰিমাণে মোৰ কাম উজু কৰিলে।

নেটাল ইণ্ডিয়ান কংগ্ৰেছ

(১৯)

ওকালতি ব্যৱসায় মোৰ উপৰুৱা বৃত্তি আছিল আৰু সদায় এই দৰেই থাকিল। নেটালত থকা সাথক কৰিবলৈ হলে ৰাজহুৱা কামত লগা উচিত বুলি ভাবিছিলো।

ভোটৰ অধিকাৰৰ পৰা বঞ্চিত কৰা বিলখনৰ বিপক্ষে আৰ্জি এখন দিয়াই যথেষ্ট নহয়। ঔপনিবেশিক ছেক্ৰেটাৰীৰ মন আকৰ্ষণ কৰিবলৈ সঙ্ঘবদ্ধভাবে কিছুমান দিন আন্দোলন চলোৱা আৱশ্যক। এই বাবে স্থায়ী অনুষ্ঠান এখনৰ আৱশ্যক দেখি ছেঠ আবদুল্লা আৰু আন আন বন্ধু-বান্ধৱৰ লগত এই সম্পৰ্কে কথা—বতৰা হলো। স্থায়ী ৰাজহুৱা সমিতি এখন পতা সকলোৰে মত হল।

এই নতুন অনুষ্ঠানৰ নাম কি দিয়া যায়? এই কথাষাৰৰ বাবে বৰ মস্কিলত পৰিছিলো। এই অনুষ্ঠান কোনো দলৰ স্বকীয়া নাছিল; ভাৰতৰ ৰক্ষণশাল পৰিবৰ্ত্তন-বিৰোধী দলৰ মানত কংগ্ৰেছ নামটো ঘৃণনীয় হলেও কংগ্ৰেছেই ভাৰতৰ প্ৰাণ আছিল। নেটালতো মই

কংগ্ৰেছৰ আদৰ বঢ়াবলৈ চেষ্টা কৰিছিলোঁ। মোৰ কথাত তেওঁলোকৰ শঙ্কা গুচিল। সেই নিমিত্তে নানা তৰহৰ কাৰণ দৰ্শাই আমাৰ এই নতুন অনুষ্ঠানটিৰ নাম "নেটাল ইণ্ডিয়ান কংগ্ৰেছ" দিবলৈ মই মত দিলোঁ। আৰু লখে লগে ২২ মেই তাৰিখে "নেটাল ইণ্ডিয়ান কংগ্ৰেছ" স্থাপন কৰা হল।

সেইদিনা দাদা আবদুল্লাৰ ডাঙৰ ঘৰটো মানুহেৰে উপচি পৰিল। উপস্থিত সকলোৰে পৰা কংগ্ৰেছে আদৰ আৰু উৎসাহ পালে। কংগ্ৰেছৰ নিয়ম-প্ৰণালী আছিল সাধাৰণ ধৰণৰ, কিন্তু সভ্যৰ বৰঙনিৰ হাৰ বৰ বেছি ধৰা হল। ধনীবিলাকে যিমান পাৰে সিমান দিবলৈ তেওঁলোকক অনুৰোধ কৰা হৈছিল, কিন্তু ৫ শ্বিলিঙৰ কমে কাকো সভ্য কৰা হোৱা নাছিল। ছেঠ আবদুল্লাই সকলোতকৈ বেছি বৰঙনি দিলে। তেওঁ মাহে ২ পাউণ্ডকৈ দিবলৈ গাত ললে। আৰু দুজন বন্ধুৱেও সিমানকৈ দিবলৈ গাত ললে। ময়ো মোৰ বৰঙনি একেবাৰেই কম কৰা উচিত নহয় বুলি ভাবিলোঁ। মাহে ১ পাউণ্ডকৈ দিবলৈ গাত ললো। যদিও আয় হিছাপে মোৰ পক্ষে এই বৰঙনি দিয়া বৰ সহজ নাছিল, তথাপি ঈশ্বৰে মোক বৰঙনিখিনি দিয়াত সহায় কৰিলে। ১ পাউণ্ডকৈ দিয়া সভ্য আমাৰ বহুত হল। তাতোকৈ বেছি সংখ্যক হল ১০ শ্বিলিঙকৈ দিয়া। ইয়াৰ বাহিৰে বহুতৰ পৰা দানো পোৱা হৈছিল।

লাহে লাহে বুজিব পাৰিলো যে, কোনেও খোজা মাত্ৰকে তেওঁৰ বৰঙনিফেৰা নিদিয়ে। ডাৰবানৰ বাহিৰৰ সভ্যসকলৰ ওচৰলৈ বাৰে বাৰে যোৱা অসম্ভৱ। সাময়িক উৎসাহ মুহূৰ্ত্ততে লয় পায়। আন কি ডাৰবানৰ সভ্যসকলৰ বৰঙনি আদায় কৰিবলৈকো বাৰে বাৰে সাধিব লগা হৈছিল। মই আছিলো সম্পাদক, গতিকেই বৰঙনি তোলা কামটো ময়ে কৰিবলগীয়া হৈছিল। শেহত মোৰ কেৰাণীজনক কেৱল

ৰৰঙনি তোলা কামৰ বাহিৰে আন কামত লগাবই নোৱাৰাত পাৰিলো। কেৰাণীজনে এই কামত বৰ আহুকাল পাইছিল। আমাৰ বৰঙনি তোলাৰ নিয়মটোৰ সাল--সলনি নকৰিলে কামৰ সুবিধা নহব বুলি ময়ো বুজিলোঁ। বৰঙনি মাহেকীয়া নকৰি বছৰেকীয়া কৰি অগ্ৰিম আদায় কৰা নিয়ম কৰিলেহে সুবিধা হব বুলি ভাবি, সেই বিষয়ে আলোচনা কৰিবলৈ কংগ্ৰেছৰ এটা অধিবেশন পাতিলোঁ। সভাত সকলোৱে মোৰ প্ৰস্তাৱত মত দিলে। বৰঙনি বছৰি ৩ পাউণ্ড হিছাপে অগ্ৰিম দিবলৈ নিয়ম বন্ধা হল। এই নিয়মৰ বাবে বৰঙনি তোলা কাম বহুতো উজু হৈ পৰিল।

ধাৰ কৰা ধনেৰে ৰাজহুৱা কাম নচলাবলৈ মই আগতেই শিকিছিলোঁ। ধনৰ বাহিৰে আন বিষয়ৰ প্ৰতিজ্ঞাত মানুহক বিশ্বাস কৰিব পাৰি। প্ৰতিশ্ৰুতি দিয়া বৰঙনি সহজে আদায় কৰা মই কোনো মানুহকে দেখা পোৱা নাছিলো। নেটালৰ ভাৰতীয় বাসিন্দা সকলো এই স্বভাৱৰ বাহিৰ হোৱা নাছিল।

ধন হাতত নোহোৱাকৈ কোনো কামকে হাতত নোলোৱাৰ কাৰণেই নেটাল ভাৰতীয় কংগ্ৰেছে ঋণ কৰিবলগীয়া হোৱা নাছিল।

বৰ উৎসাহেৰে সভ্য গোটাবলৈ চেষ্টা কৰি মোৰ সহকৰ্ম্মী সকলে ফুৰিবলৈ ধৰিলে। এই কাম তেওঁলোকে বৰ ভাল পাইছিল আৰু ইয়াৰ-পৰা তেওঁলোকৰ অভিজ্ঞতাও বাঢ়িছিল। অসংখ্য লোকে বৰঙনি দি সভ্য হল; কিন্তু আঁতৰৰ গাওঁ-ভুইবিলাকত হে সভ্য কৰা টান হল। বহুতেই ৰাজহুৱা কামৰ আওভাও পোৱা নাছিল, তথাপিও সদাগৰ-বিলাকৰ নিমন্ত্ৰণ পাই আমি বহুত ঠাইলৈকে যাব লগাত পৰিছিলোঁ।

মফস্বলত এবাৰ আমি বৰ অসুবিধাত পৰিছিলোঁ। এ ঘৰত [illegible] ৬ পাউণ্ড পাম বুলি আশা কৰিছিলোঁ, কিন্তু তেওঁ কোনোমতেই

৩ পাউণ্ডৰ বেছি দিবলৈ মান্তি নহল। আমিও দেখিলোঁ তেওঁ ৩ পাউণ্ড দিলে সেই ঠাইৰ সকলোৱে তিনি পাউণ্ডকৈহে দিব আৰু সেয়ে হলে আমাৰ ঘৰঙনি বৰ কম হব। ৰাতি বহুতো হল আমাৰ বৰ ভোক লাগিল তথাপিও তেওঁ সিমান বৰঙনি নিদিয়ে আৰু সেইখিনি আদায় নকৰাকৈ আমি খাওঁ কেনেকৈ? আমাৰ অনুৰোধ, কাকুতি-মিনতি সকলো মিছা হল। তেওঁ হিমানযৰ দলে অচল, অটল, সেই ঠাইৰ আন আন বহুত সদাগৰেও তেওঁক বুজালে। গোটেই ৰাতিটো তেওঁৰে সৈতে আমি কত তৰ্ক কৰিলো, কিন্তু তথাপিও তেও অচল-অটল, ইফালে আমিও এৰা নাই। মোৰ সহকৰ্মীসকলৰ বহুতৰেই খং উঠিল, তথাপি তেওঁলোক ধৈৰ্য্য ধৰি থাকিল। শেহত ৰাতিপুৱা তেওঁ আমাৰ কথাত মান্তি হৈ ৬ পাউণ্ড দিলে আৰু আমিও খোৱা বোৱা কৰিলোঁ। এই ঘটনা ঘটিছিল টোঙআটত কিন্তু উত্তৰ কুলৰ ষ্টেঞ্জাৰ আৰু অতি ভিতৰুৱা ঠাই চাৰ্লছটাউনলৈকে ইযাৰ প্ৰতিক্ৰিয়া বিয়পি পৰাত আমাৰ বৰঙনি তোলা কাম বৰ সহজ হৈ পৰিল।

ধন গোটোৱাই আমাৰ একমাত্ৰ কাম নাছিল। প্ৰকৃততে মই আৱশ্যকীয় টকাতকৈ বেছি টকা হাতত ৰখা উচিত নহয় বুলি জানিছিলো।

আমাৰ সভা মাহেকত এবাৰ বহাৰ নিয়ম আছিল। অৱশ্যে আৱশ্যক হলে এবাৰতকৈ বেছিও বহিব পৰাৰ নিয়মো আছিল। সভাত আগৰ সভাৰ কাৰ্য্য-বিৱৰণী পাঠ আৰু আন আন নানা তৰহৰ কাম কৰিছিলোহঁক। সভ্যসকলৰ ৰাজহুৱা মেলত বক্তৃতা আদি কৰা বা চমুকৈ নিজৰ বক্তব্য প্ৰকাশ কৰা অভ্যাস নাছিল। সকলোৱেই কথা কবলৈকে শঙ্কা কৰিছিল। সভাৰ নিয়ম-প্ৰণালী মই তেওঁলোকক বুজাই দিছিলোঁ। তেওঁলোকে সেইবোৰ মানি চলিছিল। তেওঁলোকে

কংগ্ৰেছখনকে শিক্ষাৰ কেন্দ্ৰ বুলি বিশ্বাস কৰিছিল। বহুতো মানুহৰ সমুখত বক্তৃতাদি দিয়াৰ অভ্যাস নথকা লোকবো ৰাজহুৱা বক্তৃতা দিয়াৰ অভ্যাস সোনকালে হৈছিল।

ৰাজহুৱা কামত সৰুস্বৰা খৰচবোৰতে বহুত ধন ভগা মোৰ অভিজ্ঞতা থকাৰ কাৰণেই আৰম্ভণিত খৰচ বেছি হোৱাৰ ভয়ত মই আন কি, ৰছিদ বহীবিলাকো ছপা কৰাই লোৱা নাছিলো।

মোৰ 'লিথু' কৰা 'ছাইক্লষ্টাইল' যন্ত্ৰ এটা আছিল, তাতেই মই ৰছিদ বহী আৰু আন আন কামৰ কাকত-পত্ৰ 'লিথু' কৰি লৈছিলো। কংগ্ৰেছৰ সভ্য বেছি হৈ ধনৰ ভৰাল ডাঙৰ হোৱাৰ লগে লগে কামো বেছি হোৱাতহে মই কাকত-পত্ৰ ছপা কৰাই লৈছিলো। এনে ধৰণৰ মিতব্যয়িতা সকলো প্ৰকাৰৰ অনুষ্ঠানতে আৱশ্যক, কিন্তু মই জনা বহুত অনুষ্ঠানত এনে মিতব্যয়িতা দেখা নাই। এই কাৰণে হে মই এনে ধৰণৰ সামান্য অনুষ্ঠানৰ আৰম্ভৰেপৰা ক্ৰমোন্নতিৰ কথা বাহুল্যকৈ লিখিছোঁ।

সভ্যসকলে ৰৰঙনি দি ৰছিদ লবলৈ বৰকৈ আগ্ৰহ নকৰিলেও আমি নিজে তেওঁলোকক ৰছিদ লবলৈ বাধ্য কৰিছিলোঁ। আমাৰ ধন ভৰালৰ পাইটো লৈকে হিচাপ ৰখা হৈছিল। ১৮৯৪ চনৰ নেটাল কংগ্ৰেছৰ কাকত-পত্ৰৰ ভিতৰত আজিও খৰচৰ হিচাপ ফটফটীয়া দেখিবলৈ পাব বুলি মই ডাঠি কব পাৰোঁ। যেই সেই অনুষ্ঠানৰে পৰিপাটিকৈ হিচাপ ৰখাটো এটা ভাল চিন। সেয়ে নহলে কোনো কামেই সুচাৰুৰূপে নচলে আৰু সত্য ৰক্ষা কৰাও অসম্ভৱ হৈ পৰে।

নেটাল কংগ্ৰেছে উপনিবেশত ওপজা শিক্ষিত ভাৰতবাসীসকলৰ সেৱাও হাতত লৈছিল। উপনিবেশত ওপজা ভাৰতবাসীসকলৰ শিক্ষাৰ কাৰণে কংগ্ৰেছৰ তলতে এখন সমিতি গঠিত হৈছিল। ইয়াৰ

সভ্যসকলৰ সৰহভাগেই শিক্ষিত ডেকা আছিল। তেওঁলোকে বৰঙনি নামমাত্ৰ হে দিব লাগিছিল। এই সমিতিয়ে তেওঁলোকৰ অভাৱ-অভিযোগ প্ৰকাশ আৰু ব্যক্তিগত ভাবৰ আদান-প্ৰদান কৰিবলৈ সুযোগ দিছিল। এই সমিতিৰ সহায়তে তেওঁলোকে ভাৰতীয় সদাগৰ-সকলৰ লগত কাৰবাৰ আৰম্ভ কৰে আৰু তেওঁলোকৰ সম্প্ৰদায়লৈ হিতকৰ বহুতো কাম কৰিবলৈ সুযোগ পাইছিল।

এইখন এক ৰকম আলোচনী সভাহে আছিল। সভা সদায় নিয়মিতৰূপে বহিছিল আৰু নানা ৰকমৰ ৰচনা-পাঠ আৰু বক্তৃতাও হৈছিল। এই সমিতিৰ পুথি-ভঁৰাল এটাও আছিল।

কংগ্ৰেছৰ তৃতীয় কাম আছিল প্ৰচাৰ কাৰ্য্য। এই কামৰ ভিতৰত আছিল দক্ষিণ আফ্ৰিকাৰ আৰু ইংলণ্ডৰ ইংৰাজ আৰু ভাৰতৰ লোক-সকলক নেটালৰ প্ৰকৃত অৱস্থা বুজাবলৈ চেষ্টা কৰা। সেই অভিপ্ৰায়েৰে মই সৰু সৰু দুখন কিতাপো লিখিছিলো। প্ৰথমখন দক্ষিণ আফ্ৰিকাৰ প্ৰত্যেক ইংৰাজলৈ নিবেদন'—ইয়াত নেটালৰ ভাৰতীয়ৰ অৱস্থা প্ৰমাণ আদিৰে বিষদৰূপে বৰ্ণনা কৰা হৈছিল। দ্বিতীয়খন ভাৰতীয়ৰ ভোটা-ধিকাৰ—এটি নিবেদন। ইয়াত ভাৰতীয়ৰ ভোটাধিকাৰৰ বিষয়ে সকলো কথা যুক্তি প্ৰমাণেৰে লিখা হৈছিল। কিতাপ দুখনৰ কাৰণে বহুত পৰিশ্ৰম কৰিব আৰু পঢ়িবলগীয়া হৈছিল। পৰিশ্ৰমৰ উপযুক্ত ফলো হৈছিল। বহুতে কিতাপ দুখন পঢ়িছিল। এই পৰিশ্ৰমৰ ফলত দক্ষিণ আফ্ৰিকাত থকা বহুতো ভাৰতীয় লোকৰ বন্ধুতা লাভ কৰিছিলো আৰু ভাৰতৰো সকলো দলৰ লোকেই কামত আমাৰ কংগ্ৰেছক সহায় কৰিছিল। লগে লগে দক্ষিণ আফ্ৰিকাত থকা ভাৰতবাসীয়েও হাতত লবলগীয়া কামৰো ভু পালে।

বাল সুন্দৰম

(২০)

জীৱনত একাগ্ৰতা থাকিলে অন্তৰৰ পৱিত্ৰ বাসনা সদায় সফল হয়। মই নিজৰ জীৱনত এই কথাষাৰৰ প্ৰমাণ পাইছোঁ। দৰিদ্ৰ-নাৰায়ণৰ সেৱাই মোৰ অন্তৰৰ একান্ত বাসনা। সদায় সেই বাবেই দীন-দুখীয়াৰ মাজত থাকিবলৈ আৰু তেওঁলোকৰ সুখ-দুখৰ ভাগ লবলৈ মই সুযোগ পাই আহিছোঁ।

নেটাল ভাৰতীয় কংগ্ৰেছ সভাত উপনিবেশত ওপোজা ভাৰতীয় আৰু লিখা-পঢ়া জনা মানহক হে মেম্বৰ শ্ৰেণীত ভুক্ত কৰিলেও সাধাৰণ আৰু গিৰমিতীয়া বনুৱাবিলাক কংগ্ৰেছ সভাৰ বাহিৰত আছিল।

কংগ্ৰেছত বৰঙনি দি সভ্য হবলৈকে তেওঁলোক সমৰ্থ নহয়। তেওঁলোকৰ হিতকৰ কাম কৰি হে কংগ্ৰেছে তেওঁলোকৰ আদৰ পাইছিল। এসময়ত হঠাৎ সুযোগ ওলাল। এই সুযোগ পোৱা হব বুলি আমি ভবা নাছিলোঁ, ইয়াৰ বাবে কংগ্ৰেছ নাইবা মই সাজু হৈ থকা নাছিলোঁ, ওকালতি আৰম্ভ কৰাৰ তিনি মাহ কি চাৰি মাহমান হে হৈছে, কংগ্ৰেছৰো নিচেই কেচুৱা অৱস্থা, এনে সময়তে মোৰ ওচৰলৈ যটা-ছিটা কাপোৰ পিন্ধি এজন তামিলী মানুহ ওলালহি। পাগুৰিটো মূৰৰপৰা খহাই হাতত লৈ আহিছিল, তাৰ আগ দাঁত দুটা ভঁগা আৰু তাৰ মুখেদি তেজ বৈ আহিছিল। মোৰ ওচৰত কঁপি কঁপি কান্দি সি থিয় হলহি।

তাক তাৰ গৰাকীজনে বৰকৈ মাৰিছিল। মোৰ কেৰানীজনো তামিলী আছিল। তেওঁৰপৰা মই তাৰ বিষয়ে সকলো বুজিলোঁ। তাৰ নাম আছিল বাল সুন্দৰম। সি ডাৰবানৰ জনাজাত এজন য়ুৰোপীয় লোকৰ চাকৰ আছিল। তাক 'গিৰমিট' দিয়াই আনিছিল।

কিবা কথাত গিৰিহঁতৰ খঙ উঠি, দিগ্বিদিগজ্ঞানশূন্য হৈ তেওঁ এনেকৈ মাৰিলে যে মানুহটোৰ দাঁত দুটা ভাগিল।

মই তাক ডাক্তৰৰ ওচৰলৈ পঠিয়ালোঁ। সেই সময়ত তাত কেৱল বগা ডাক্তৰ হে আছিল। মই সুন্দৰমৰ গাত থকা জখম কেইটাৰ বিষয়ে কেৱল এখন চাৰ্টিফিকেট হে বিচাৰিছিলোঁ। চাৰ্টিফিকেটখন লৈয়েই মই পোনেপোনেই সুন্দৰমক লৈ মেজিষ্ট্ৰেটৰ কাষ চাপি তেওঁৰ হতুৱাই এখন দৰ্খাস্ত দিয়ালোঁ। দৰ্খাস্তখন পঢ়ি মেজিষ্ট্ৰেটজন জ্বলি উঠি উক্ত যুৰোপীয় ভদ্ৰলোকজনলৈ ছমন জাৰি কৰিলে।

তেওঁক শাস্তি দিয়াবৰ মোৰ অলপো অভিপ্ৰায় নাছিল। কেৱল কেনেকৈ সুন্দৰমক তেওঁৰ হাতৰপৰা মুক্ত কৰিব পাৰি এয়েই মোৰ চেষ্টা আছিল।

মই 'গিৰমিট'ত অনা বনুৱা সকলৰ সম্পৰ্কে আইনখন পঢ়ি ললোঁ। সাধাৰণ চাকৰে জাননী নিদিয়াকৈ কাম এৰিলে তাৰ গৰাকীজনে দেৱানী মোকৰ্দ্দমা হে কৰিব পৰাৰ বিধি আছে, কিন্তু 'গিৰমিট' দিয়াই অনা বনুৱাৰ ব্যৱস্থা সম্পূৰ্ণ সুকীয়া। এনে বিধৰ বনুৱাই জাননী নিদিয়াকৈ কাম এৰি গলে ফৌজদাৰী মোকৰ্দ্দমা কৰি শাস্তি দিয়াব পাৰি। এই বাবেই ছাৰ বিলিয়ম হাণ্টাৰে গিৰমিটত বনুৱা চালান কৰা নিয়মটোক ক্ৰীতদাস প্ৰথাৰ দৰেই জঘন্য বুলি কৈছিল। গিৰমিট দিয়া বনুৱাও ক্ৰীতদাসৰ দৰে গিৰিহঁতৰ সম্পত্তি।

এই গিৰমিটৰ পৰা বাল সুন্দৰমক মোকোলাবলৈ কেৱল দুটা বাট আছিল। হয় চালানী বনুৱাৰ 'প্ৰটেক্টৰ'জনৰ (চালানী বনুৱা সম্পৰ্কে ভু-ভা ৰাখিবলৈ ছৰকাৰী বিষয়া) হতুৱাই তাৰ এক্ৰাৰনামা 'কেনছেল' কৰোৱা, নহলে তাক আন এজনৰ হাতলৈ বদলি কৰোৱা; নহলে তাৰ গিৰিহঁতৰ পৰাই মোকোলাব লাগিব। তাৰ গৰাকীজনক

গৈ কলোঁ—"মই আপোনাৰ বিৰুদ্ধে মোকৰ্দমা কৰি আপোনাক শাস্তি দিয়াব নোখোজো, মোৰ বোধেৰে আপুনি বেছ বুজিছে যে, সুন্দৰমক আপুনি বৰকৈ মাৰিছে। আপুনি তাৰ গিৰমিট আন এজনলৈ বদলি কৰি দিলে মই বৰ আনন্দ পাম।" এই কথাত তেওঁ ততালিকে মান্তি হল। তাৰ পাছত মই গৈ 'প্ৰটেক্টৰ' জনৰ লগত দেখা কৰিলোঁ। তেৱোঁ এজন নতুন গিৰিহঁত উলিয়াই দিলে মোৰ কথাত মান্তি হব বুলি কলে।

সেই কাৰণে মই এজন নতুন গিৰিহঁত বিচাৰি বাহিৰ হলোঁ। য়ুৰোপীয় নহলে নহয়। কাৰণ গিৰমিটিয়া বনুৱা কামত লগাবৰ অধিকাৰ কালা-আদমীৰ নাছিল। সেই সময়ত নিচেই কম য়ুৰোপীয় লোকৰ লগত হে মোৰ পৰিচয় আছিল। পৰিচিত এজন য়ুৰোপীয় ভদ্ৰলোকৰ লগত মোৰ দেখা হল। অনুগ্ৰহ কৰি সুন্দৰমক ৰাখিবলৈ তেওঁ গাত ললে। মই তেওঁৰ দয়াৰ শলাগ ললোঁ। ইফালে মেজিষ্ট্ৰেটেও সুন্দৰমৰ গিৰিহঁতক দোষী সাব্যস্ত কৰি তাৰ গৰমিট আন লোকলৈ বদলি কৰিবলৈ হুকুম দিলে।

এই ঘটনা গোটেইবোৰ গিৰমিটিয়া বনুৱাৰ কাণত পৰিলগৈ। সিহঁতে মোক সিহঁতৰ বন্ধু ধৰি ললে। সিহঁতৰ লগত এই সম্পৰ্ক হোৱাত মই বৰ আনন্দ পালোঁ। মোৰ অফিছলৈ লেখাৰি-নিছিগাকৈ গিৰমিটিয়া বনুৱাৰ দল আহিবলৈ ধৰিলে, সিহঁতৰ সুখ-দুখৰ কথা জানিবলৈ ময়ো অতি উত্তম সুযোগ পালোঁ।

সুন্দৰমৰ ঘটনাৰ বাতৰি সুদূৰ মান্দ্ৰাজলৈকে বিয়পি পৰিল। মান্দ্ৰাজৰ বেলেগ বেলেগ ঠাইৰপৰা নেটালৈ চালানত যোৱা বনুৱাসকলে এই ঘটনাৰ বিষয়ে তেওঁলোকৰ বন্ধুবৰ্গৰপৰা শুনিবলৈ পালে।

এই ঘটনাটোত একো বিশেষত্ব নাছিল। তেওঁলোকৰ হকে কওঁতা এজন লোক নেটালত ওলাল—এই কথাষাৰে এই দুৰ্ভগীয়া বনুৱাৰ দলৰ হিযাত উৎসাহ আৰু আশাৰ সঞ্চাৰ কৰিছিল।

মই পূৰ্ব্বেই কৈছো যে, বাল সুন্দৰমে পাগুৰিটো হাতত লৈ মোৰ অফিছত সোমাইছিল। সি যি ভাবেবে সোমাইছিল, সেইটো বাস্তৱিকতে আমাৰ পক্ষে অপমানজনক। মোক পাগুৰি সোলোকাবলৈ কওঁতে যি হৈছিল, সেই বিষয়ে মই আগেযেই কৈছোঁ। য়ুৰোপীয় ভদ্ৰলোকৰ লগত দেখা কৰোতে, কি গিৰমিটিযা বনুৱা, কি ভাৰতীয় ভদ্ৰলোক, সকলোকেই মুৰৰপৰা পাগুৰি খহাব লাগে, এয়েই দস্তুৰ আছিল। টুপীযেই হওক বা পাগুৰিযেই হওক নাইবা এডোখৰ ফটা কানিযেই হওক, সকলো খহাব লাগিব। আন কি দুখন হাতেৰে দিয়া নমস্কাৰো যথেষ্ট নহয়। বাল সুন্দৰমে ভাবিলে, মোক দেখা কৰোতেও তেনে দৰে পাগুৰী খহাই আহিব লাগিব। মোৰ অভিজ্ঞতাত এই-টোৱেই প্ৰথম ঘটনা আছিল।

বৰ লাজ পাই মই তাক পাগুৰি মাৰিবলৈ কলোঁ। সি অলপ দোধোৰমোৰ কৰিহে পুনৰ পাগুৰি মাৰিলে, আৰু মযো তাৰ মুখত আনন্দৰ চিন দেখা পালোঁ।

আন মানুহক অবমাননা কৰি নিজক ডাঙৰ আৰু মানী বুলি মানুহে ভাবিব পাবে কেনেকৈ, এই ৰহস্য মই আজিলৈকে বুজিব পৰা নাই।

৩ পাউণ্ড টেক্স

(২১)

বাল সুন্দৰমৰ ঘটনাৰপৰা গিৰমিটিয়া কুলীবিলাকৰ লগত মোৰ ঘনিষ্ট সম্পৰ্ক হল। সেই সময়ত সিহঁতৰ ওপৰত সুকীয়া কৰৰ গধুৰ বোজা জাপি দিয়া হৈছিল, এই কৰ গুচাবলৈ মই আন্দোলন কৰিব লগীয়া হৈছিল, আৰু ইয়াতেই সিহঁতৰ প্ৰকৃত অৱস্থা মোৰ ভালমতে বজিব লগীয়া হৈছিল।

১৮৯৪ চনত নেটাল চৰকাৰে গিৰমিটিয়া ভাৰতীয় কুলিবিলাকৰ ওপৰত বাৰ্ষিক ২৫ পাউণ্ড হিচাপে কৰ বহুৱাবলৈ দিহা কৰিছিল। কথাঘাৰ জানি মই স্তম্ভিত হলোঁ। কংগ্ৰেছৰ সভাত এই কথাটো দাঙি ধৰাত কংগ্ৰেছে আৱশ্যকীয় বাধা দিয়া স্থিৰ কৰিলে।

প্ৰথমতে মই এই কৰ বহুৱাৰ আঁতি-গুৰি চমুকৈ কব লাগিব।

১৮৬০ চনত নেটালত কুঁহিয়াৰ খেতিৰ ভাল আশা দেখাত য়ুৰোপীয় কৃষকসকলৰ বনুৱাৰ আৱশ্যক হল। নেটালৰ জুলু কুলীয়ে কুঁহিয়াৰ খেতি আৰু চেনি তৈয়াৰ কৰিব নোৱাৰে, গতিকেই বাহিৰৰ কুলী নহলে কাম নচলাত পৰিল। এই বাবে নেটাল চৰকাৰে ভাৰত-চৰকাৰৰ লগত লিখা-পঢ়া কৰি ভাৰতৰপৰা কুলি আমদানি কৰিবলৈ অনুমতি পালে। এই কুলীবোৰে নেটালত পাচ বছৰ খাটি দিবলৈ গিৰমিট দিবু লগীয়া হল, পাঁচ বছৰৰ পাছত গিৰিহঁতে এৰি দিলে, সিহঁতে নিজ ইচ্ছামতে মাটিৰ সম্পূৰ্ণ দখল স্বত্ব লৈ নেটালত থাকিব পাৰিব।

এইবোৰ কেবল প্ৰলোভন হে আছিল, কাৰণ পাঁচ বছৰ শেষ হলত বগা খেতিয়কসকলে সিহঁতক কামত ৰাখি কুঁহিয়াৰ খেতি বঢ়াবলৈ ধৰিলে।

ভাৰতীয় বনুৱাসকলৰ পৰিশ্ৰমৰ ফলত তেওঁলোকৰ আশাতীত লাভ হবলৈ ধৰিলে। সিহঁতে সৰহকৈ শাকপাচলিৰ খেতি কৰিবলৈ ধৰিলে। নানাবিধ ভাৰতীয় শাকপাচলিৰ লগে লগে সেই দেশৰ শাকপাচলিও সামান্য খৰচত খেতি কৰিবলৈ লাগিল। তেওঁলোকে তাত আয়ো উলিযালে। তেওঁলোকৰ এই উৎসাহ কেৱল কৃষিকাৰ্য্যতেই সীমাবদ্ধ নাছিল, বেহা বেপাৰো তেওঁলোকে হাতত ললে। ঘৰ বাৰী কৰিবৰ কাৰণে তেওঁলোকে মাটি কিনি লৈছিল আৰু তেওঁলোকৰ মাজতেই সাধাৰণ বনুৱাৰ পৰা শেহত মাটিৰ গৰাকীও হৈছিল।' তেওঁলোকৰ পাছতে ভাৰতবৰ্ষৰ পৰা সদাগৰ সকল গৈ তাত বাণিজ্যৰ কাৰণে বসতি পাতে। এই বেপাৰীবিলাকৰ ভিতৰত ছেঠ আবুবকৰ আমোদেই প্ৰথমতে গৈ বহুতো টকা খৰচ কৰি নেটালত বেপাৰ আৰম্ভ কৰেগৈ।

ইয়াকে দেখি শ্বেতাঙ্গসকল চক খাই উঠিল। পোন প্ৰথমতে ভাল খেতিয়ক দেখিহে ভাৰতৰ পৰা বনুৱাসকলক তেওঁলোকে নেটাললৈ মাতি নিছিল। সিহঁতৰ যে বাণিজ্য-বুদ্ধিও থাকিব পাৰে সেই বিষয়ে শ্বেতাঙ্গসকলৰ ধাৰণাই নাছিল। শ্বেতাঙ্গসকলে সিহঁতক (ভাৰতীযক) স্বাধীনভাবে খেতি কৰিবলৈ দিব পাৰে কিন্তু বাণিজ্য বিষযত তেওঁলোকৰে সৈতে সমানে ফেৰ মাৰিবলৈ কেনেকৈ দিয়ে।

ইয়াতেই ভাৰতীয় ঔপনিবেশিক সকললৈ বিৰুদ্ধাচৰণৰ আৰম্ভ। ইয়াৰ লগত অৱশ্যে আৰু কিছুমান আন কথাও লগ লাগি এই ভাৱ বঢ়াইছিল—থকা-মেলাত আমাৰ স্বকীয়া ৰীতি-নীতি, সামান্য লাভত সন্তুষ্ট হোৱা অভ্যাস, বাহ্যিক আড়ম্বৰহীনতা, স্বাস্থ্য-বিজ্ঞান বিষয়ত অজ্ঞতা, ঘৰ-বাৰী পৰিস্কাৰ আৰু মেৰামতি কৰি ৰখাত অৱহেলা

ইত্যাদি নানা কথাই ইয়াৰ লগ লাগিছিল, তদুপৰি আমাৰ ধৰ্ম্ম স্বকীয়া হোৱাত আমালৈ খিয়াল বাঢ়িল।

ভোট দিয়াৰ অধিকাৰৰ পৰা বঞ্চিত কৰা আৰু গিৰমিটিয়া কুলীৰ ওপৰত কৰ বহুৱা আইন প্ৰণয়ন এই বিৰোধৰ অভিব্যক্তি মাথোন আইন প্ৰণয়ন হোৱাৰ পূৰ্ব্বতেই এই ভাৱৰ আৰম্ভ হৈছিল।

প্ৰথমতে স্থিৰ হল যে ভাৰতীয় গিৰমিটিয়া কুলীবোৰক গিৰমিটৰ দিন নো শেষ হওতেই দেশলৈ খেদাই দি সিহঁতৰ গিৰমিটৰ ভাৰতবৰ্ষত শেষ কৰাৰ দিহা কৰা হওক।

ভাৰত চৰকাৰ এই প্ৰস্তাৱত মান্তি হবলৈ টান পোৱাত এই দৰে আন এটা প্ৰস্তাৱ হল—

১। গিৰমিটিয়া কুলীবোৰ গিৰমিটৰ দিন শেষ হলেই ভাৰতলৈ উলটি যাব। নাইবা—

২। দুবছৰ অন্তৰে অন্তৰে যি গিৰমিট নতুনকৈ চহী কৰি থাকিব তাৰ দৰ্মহাও অলপ বঢ়াই দিয়া হব। নাইবা—

৩। যি ভাৰতলৈ উলটি নাযায় নাইবা নতুনকৈ গিৰমিট চহী নকৰে তেওঁ বছৰে ২৫ পাউণ্ড কৰ দিব লাগিব।

উক্ত প্ৰস্তাৱ সমৰ্থন কৰাবলৈ ভাৰত চৰকাৰৰ ওচৰলৈ ডেপুটেশ্যনত ছাৰ হেনৰী বীনচ আৰু মিঃ মেছনক পঠোৱা হল।

সেই সময়ত ভাৰতত লৰ্ড এলগিন বৰলাট আছিল। তেওঁ ২৫ পাউণ্ড কৰ ধাৰ্য্য কৰাত মত নিদিলে, কিন্তু প্ৰত্যেক বনুৱাৰ ওপৰত ৩ পাউণ্ড কৰ লগোৱাত মত দিলে।

আজিৰ দৰেই মই তেতিয়াও ভাবিছিলোঁ যে ভাৰতৰ বৰলাটে তেওঁৰ কৰ্ত্তব্য পথৰ পৰা বিচলিত হৈছে। মতামত দিওতে তেওঁ ভাৰতবাসীৰ হিতাহিত অলপো চিন্তা নকৰিলে। নেটালত থকা

য়ুৰোপীয়সকলক সন্তুষ্ট কৰা তেওঁৰ কৰ্ত্তব্যৰ ভিতৰত নাছিল। তিনি চাৰি বছৰৰ ভিতৰতে গিৰমিটিয়া কুলীৰ ১৬ বছৰীয়া লৰা, ১৩ বছৰীয়া ছোৱালীকে আদি ·কৰি সকলোকে কৰ দিব লগীয়াত পৰিল, মাহে ১৪ শ্বিলিং মাত্ৰ উপাৰ্জন কৰিব পৰা লৰা তিৰোতাৰ ৪ জনেৰে একোটা পৰিয়ালৰ ওপৰত বাৰ্ষিক ১২ পাউণ্ডকৈ কৰ লগোৱা প্ৰথা অতি জঘন্য আৰু পৃথিৱীৰ আন আন ঠাইত নাভত-নাশ্ৰুত নিয়ম।

আমি এই কৰৰ বিৰুদ্ধে কঁকালত টঙালি বান্ধি লাগিলোঁ। এই কৰ সম্পৰ্কে নেটাল ভাৰতীয় কংগ্ৰেছ মনে মনে থকা হলে সম্ভৱতঃ ভাৰত চৰকাৰে ২৫ পাউণ্ড কৰকো সমৰ্থন কৰিলেহেঁতেন। সম্ভৱতঃ কংগ্ৰেছৰ আন্দোলনৰ ফলতে কৰৰ নিৰিখ ২৫ পাউণ্ডৰপৰা ৩ পাউণ্ডলৈ নামিল। অৱশ্যে মোৰ এই ধাৰণা ভুল হবও পাৰে। ভাৰত চৰকাৰে হয় তো আৰম্ভৰেপৰা ২৫ পাউণ্ড কৰ বেয়া বুলি কংগ্ৰেছৰ আন্দোলনলৈ অপেক্ষা নকৰিও ৩ পাউণ্ডলৈ কমাব পাৰে। যেই সেই প্ৰকাৰেই এই দৰে কৰ বহুৱা প্ৰস্তাৱত মত দি ভাৰত চৰকাৰে সত্যভঙ্গ কৰিছে। ভাৰতবাসীৰ তত্ত্বাৱধায়ক হৈ ভাৰত চৰকাৰে এই জঘন্য কৰৰ প্ৰস্তাৱত মত দিয়া উচিত নাছিল।

২৫ পাউণ্ডৰপৰা ৩ পাউণ্ডলৈ কমোৱাত কংগ্ৰেছ সন্তুষ্ট হোৱা নাছিল। গিৰমিটিয়া কুলীক সম্পূৰ্ণ মুক্ত কৰিব নোৱাৰাৰ কাৰণে কংগ্ৰেছৰ অসন্তোষ থাকিলেই আৰু সেই বাবে এই কৰ গুচাবলৈ কংগ্ৰেছ দৃঢ়প্ৰতিজ্ঞ হল। এইদৰে প্ৰতিজ্ঞাবদ্ধ হোৱাৰ ২০ বছৰৰ পাছত হে এই প্ৰতিজ্ঞা সফল হল। এই সফলতা কেৱল নেটালবাসী ভাৰতীয় ঔপনিবেশিকসকলৰ চেষ্টাতেই হোৱা নাছিল। গোটেই দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় ঔপনিবেশিকসকলে এই আন্দোলনত যোগ দিয়াৰ ফলত হে এনে হৈছিল।

মিষ্টাৰ গোখেলৰ লগত প্ৰতিশ্ৰুতি ভঙ্গৰ কথাষাৰ অবলম্বন কৰি যি আন্দোলন আৰম্ভ হল, সেই আন্দোলনত গিৰমিটিয়া কুলীবিলাকেও যোগ দিলে। এই আন্দোলনত বন্দুকৰ ব্যবহাৰ কৰাত কেইজনমান কুলী আহত হৈছিল আৰু হেজাৰৰ ওপৰ মানুহে ফাটেক খাব লগাত পৰিছিল।

কিন্তু শেহত সত্যৰ জয় হল। ভাৰতবাসীৰ কষ্ট সহিষ্ণুতা আৰু নিৰ্য্যাতন ভোগৰ এই তপশ্চৰ্য্যাতেই সত্য মূৰ্ত্তিমন্ত হল। অবিচলিত বিশ্বাস, অসীম অধ্যৱসায আৰু অপৰিমিত চেষ্টা নোহোৱা হলে কেতিয়াও কৃতকাৰ্য্য হবপৰা নহলহেতেন। কংগ্ৰেছ আৰু ভাৰতীয় বাসিন্দাসকলে এই আন্দোলন এৰি এই কৰ শোধাই থকা হলে এই নিন্দনীয় কৰ আজিলৈকে চলি থাকিলহেতেন। আৰু এই কথাষাৰে সমগ্ৰ জগতত ভাৰতবাসীৰ নিন্দা চিৰকাললৈ ঘোষণা কৰিলেহেতেন।

ধৰ্ম্মৰ তুলনামূলক অধ্যয়ন

(২২)

ৰাইজৰ সেৱাত আত্মনিয়োগ কৰি এইবিলাক কামত মই বিভোল আছিলোঁ, ইযাব কাৰণ নিজৰ আত্মাক উপলব্ধি কৰিবলৈ মোৰ একান্ত বাসনা আছিল। সেৱা ধৰ্ম্মই মোৰ জীৱনৰ একমাত্ৰ ব্ৰত আছিল, কিয়নো একমাত্ৰ সেৱাৰ ভিতৰেদি হে ভগবানক পাব পাৰি বুলি মই বুজি পালোঁ। মোৰ নিমিত্তে এই সেৱা আছিল ভাৰতবৰ্ষৰ সেৱা, কাৰণ মই নিবিচৰাকৈয়েই এই কামৰ দায়িত্ব মোলৈ আহিছিল। তদুপৰি ইয়ালৈ মোৰ হেঁপাহ আছিল। মই দক্ষিণ আফ্ৰিকালৈ গৈছিলো ফুৰিবলৈ, কাথিয়াৱাৰৰ চক্ৰান্তৰ হাত সাৰিবলৈ আৰু মোৰ জীৱিকা আৰ্জন কৰিবলৈ। কিন্তু ইয়ালৈ আহি আত্মাক উপলব্ধি আৰু ভগবানক অন্বেষণ কৰিবলৈ সাধনাত মগ্ন হলোঁ।

ধৰ্ম্ম কি জানিবলৈ স্বাভাৱিকতে মোৰ ইচ্ছা আছিল, খ্ৰীষ্টান বন্ধুসকলে মোৰ এই ইচ্ছা আৰু দুগুণে তীব্ৰ কৰিলে। অন্তৰৰ এই জ্ঞান-পিপাসা কেনেকৈ নিবৃত্তি হব মই জনা নাছিলোঁ। মই নিশ্চেষ্ট হব খুজিলেও তেওঁবিলাকৈ মোক শান্তিৰে থাকিব নিদিয়া হল। ডাৰবাণত দক্ষিণ আফ্ৰিকাৰ জেনেৰেল মিশ্যনৰ বৰমূৰীয়া মিষ্টাৰ স্পেন্সাৰ ৱাল্টনে মোক বিচাৰি উলিয়ালে। মই তেওঁৰ পৰিয়ালৰ ভিতৰুৱা এজন যেন হৈ পৰিলোঁ। প্ৰেটৰিয়াৰ খ্ৰীষ্টানসকলৰ লগত মোৰ ঘনিষ্টতাই অৱশ্যে এই পৰিচয়ৰ মূলত আছিল। কথাই বতৰাই তেওঁ সম্পূৰ্ণ সুকীয়া আছিল। কেতিয়াবা মোক খ্ৰীষ্টানধৰ্ম্ম লবলৈ তেওঁ কোৱা মোৰ মনত নপৰে। কিন্তু লুকঢুক নোহোৱাকৈ

নিজৰ জীৱনৰ আচল স্বৰূপ তেওঁ মোৰ আগত মুকলি কৰি দিছিল ; তেওঁৰ কাৰ্য্যাৱলী বুজিবলৈ মোক সুবিধা দিছিল। তেওঁৰ ধৈণীয়েক বৰ নম্ৰ অথচ তেজস্বিনী তিৰুতা আছিল। এই হাল মুনিহ তিৰুতাৰ আও-ভাও মোৰ ভাল লাগিছিল। আমাৰ দুযোৰা ভিতৰত যে মৌলিক প্ৰভেদ আছে সেই কথা আমি দুযো জানিছিলোঁ। তৰ্ক আৰু আলোচনাৰে এই প্ৰভেদ গুচাব নোৱাৰি। তথাপি য'ত উদাৰতা সহিষ্ণুতা আৰু সত্য থাকে, তাত প্ৰভেদ থাকিবলৈও সেই প্ৰভেদ লাভজনক হে হয়। সেই হাল মুনিহ তিৰুতাৰ বিনয়, ধৈৰ্য্য, কামত আত্মসমৰ্পণ মোৰ ভাল লাগিছিল। আমি প্ৰায়েই লগ হৈছিলোঁ।

আধ্যাত্মিকতালৈ মোৰ ধাউতি এওঁলোকৰ সংস্পৰ্শই জাগ্ৰত কৰি ৰাখিছিল। ধৰ্ম্ম-চৰ্চ্চা কৰিবলৈ প্ৰেটৰিয়াত যিকন আজৰি পাইছিলোঁ, সেইকন এতিয়া ইয়াত পোৱা অসম্ভৱ হৈ পৰিল। কিন্তু যি অলপ সময় পাওঁ তাকেই ধৰ্ম্ম গ্ৰন্থাদি পাঠত লগাইছিলোঁ। ধৰ্ম্মালোচনা কৰি চিঠি-পত্ৰৰ আদান-প্ৰদান চলি আছিল। ৰায়চন্দ ভাই মোৰ সহায় আছিল। এজন বন্ধুৱে মোলৈ নৰ্ম্মদাশঙ্কাৰৰ ধৰ্ম্ম বিচাৰ' বোলা কিতাপখন পঠাই দিলে। ইয়াৰ পাতনিখন মোৰ বৰ কামত লাগিল। নৰ্ম্মদাশঙ্কৰৰ অসংযত জীৱনৰ কথা মোৰ শুনা আছিল, আৰু ধৰ্ম্ম-চৰ্চ্চাই কিদৰে তেওঁৰ জীৱনত বিপ্লৱ আনিলে, তাৰ বৰ্ণনা পাতনিখনত পঢ়ি মই আপোন-পাহৰা হলোঁ। কিতাপখন মোৰ ভাল লাগিল আৰু ইমূৰধপৰা সিমূৰলৈ পঢ়ি পেলালোঁ। মোক্ষমূলাৰৰ 'India—what it can teach us"—, 'অৰ্থাৎ হিন্দুস্থানে আমাক কি শিকাব পাৰে) বোলা কিতাপখন আৰু থিযছফিকেল ছোছাইটীয়ে প্ৰকাশ কৰা উপনিষদৰ অনুবাদখনো পঢ়ি বৰ ভাল লাগিল। এইবিলাক কিতাপ পঢ়াৰ ফলত হিন্দুধৰ্ম্মলৈ মোৰ শ্ৰদ্ধা বাঢ়িল আৰু ইয়াৰ সৌন্দৰ্য্য মোক

ওচৰত পৰিস্ফুট হবলৈ ধৰিলে। অৱশ্যে এইবাবে আন ধৰ্ম্মলৈ মোৰ একো বিতৃষ্ণা ভাব হোৱা নাছিল। মই ৱাশ্বিংটন আইৰভিঙৰ Mahomet and his followers ("অৰ্থাৎ মহম্মদ আৰু তেওঁৰ অনুচৰসকল) বোলা কিতাপখন, আৰু কাৰ্লাইলে লিখা মহম্মদৰ জীৱন চৰিত পঢ়িলো। এই কিতাপ দুখন পঢ়ি মহম্মদলৈ মোৰ আস্থা বাঢ়িল। মই Sayings of Zarthustra অৰ্থাৎ জৰথুষ্ট্ৰৰ বচন বোলা আৰু এখন কিতাপ পঢ়িলো।

এইদৰে বেলেগ বেলেগ ধৰ্ম্মবিলাকৰ বিষয়ে মোৰ জ্ঞান বাঢ়িল। ধৰ্ম্ম-পুথি পঢ়োতে যিটো কথা বৰকৈ মোৰ মনত লাগে সেইটো কামত খটাবলৈ মোৰ এটা অভ্যাস জন্মিল। হিন্দু-ধৰ্ম্মৰ শাস্ত্ৰবোৰ পঢ়ি মই বুজামতে প্ৰাণায়মৰ অভ্যাস কৰিবলৈ ধৰিলোঁ। কিন্তু এই বিষয়ে বিশেষ আগ বাঢ়িবপৰা নাছিলো। ভাৰতবৰ্ষলৈ উলটি আহি কোনো জনা-বুজা লোকৰ তত্ত্বাবধানত সেইবোৰ ক্ৰিয়া অভ্যাস কৰা স্থিৰ কৰিলো, কিন্তু মোৰ এই আশা আজিলৈকে পূৰণ নহল।

মই টলষ্টয়ৰ কিতাপবিলাকো ভালদৰে পঢ়িলো। 'দি গছপেলছ ইন ব্ৰীফ', 'হোৱাট টু ডু' আৰু আন আন কিতাপে মোৰ মনত দকৈ সাঁচ বহৱালে। মই বিশ্বজনীন প্ৰেমৰ মহিমা দিনক দিনে ভালকৈ উপলব্ধি কৰিবলৈ ধৰিলো। এই সময়তে মই আন এটা খ্ৰীষ্টান পৰিয়ালৰ সংসৰ্গত আহিছিলো। তেওঁলোকৰ ইচ্ছামতে মই প্ৰতি দেওবাৰে Wesleyan সম্প্ৰদায়ৰ গিৰ্জালৈ গৈছিলোঁ। সেই দিনা তেওঁলোকৰ ঘৰত খাবলৈ মোৰ সদায় নিমন্ত্ৰণ আছিল। গিৰ্জা মোৰ ভাল লগা নাছিল, তাত দিয়া উপদেশবোৰে মোৰ অন্তৰলৈ প্ৰেৰণা অনা নাছিল। তালৈ যোৱা উপাসকমণ্ডলীৰ ভক্তি-ভাব আছে বুলি মোৰ ধাৰণাও হোৱা নাছিল। এই মণ্ডলী ভক্তমণ্ডলী নাছিল। বংধেমালীৰ বাবে আৰু

[illegible]লমাত্ৰ নিয়[illegible] [illegible] [illegible] বিষয়াসক্ত [illegible]সাৰিক জীৱ বুলি হে মোৰ ধাৰণা হৈছিল। কেতিয়া[illegible] নিৰ্জাত [illegible] টোপনি হে আহিছিল। মই লাজ পাইছিলো, কিন্তু মোৰ ওচৰচুবুৰীয়া জনচেৰেকৰ অৱস্থাও তদ্ৰূপ দেখি লাজ ভাগ্লেখিনি পাতলিছিল। এই দৰে আৰু থাকিব নোৱাৰি সেইবাৰে নিৰ্জালৈ যোৱা মই এৰি পেলালো।

মই দেওবাৰৰ দিনা গৈ দেখা কৰা খ্ৰীষ্টান প্ৰৰিয়ালটীৰ লগত মোৰ সম্বন্ধ ঘপ কৰে ছিগিল। কবলৈ গলে তালৈ নেযাবলৈ এক [illegible] মোক হাক্ দিয়াই হৈছিল। কথাষাৰ হৈছিল এই দৰে—গিৰিহঁতনী গৰাকী হোজা আৰু সবল হলেও অলপ ঠেক মনৰ আছিল। [illegible] সদায় ধৰ্ম্মৰ বিষযে আলোচনা কৰিছিলোঁ। মই তেতিযা আৰ্ণে[illegible] 'লাইট অৱ এছিয়া' বোলা কিতাপখন ঘুৰাই পঢ়িছিলো। [illegible] আমি যীশুৰে সৈতে বুদ্ধৰ জীৱন তুলনা কৰাত লাগিলোঁ। মই [illegible] —"গৌতমৰ দয়া চাওকচোন এই দয়া মানৱ জাতিৰ ভিত[illegible] [illegible]ছিল, ই সকলো প্ৰাণীলৈকে বিয়পি পৰিছে। ছাগলী পোৱালি এটা [illegible]সে কাণৰ ওপৰত উঠা কথা ভাবি অন্তঃকৰণ প্ৰেমৰে উপ[illegible] নপৰে নে? জীৱ মাত্ৰলৈকে যে এই প্ৰেম, সেই প্ৰেম যীশুৰ [illegible]ত দেখা নেযায়।" এই কথাত বপুৰীয়ে বৰ বেজাৰ পালে। [illegible] তেওঁৰ ভাব বুজিব পাৰিলো। আলোচনা সিমানতে শেষ কৰি আমি খোৱা[illegible] মেজলৈ গলো। তেওঁৰ পাঁচ বছৰীয়া লৰাটিও আমাৰ লগত আছিল, লৰাৰ লগত উমলিবলৈ মই সদায বৰআনন্দ পাওঁ। আৰু এই লৰাটিৰে সৈতে বেছ বন্ধুতাও হৈছিল। কাঁহীত থকা মওহ ডোখৰৰ ইতি[illegible]; কৰি মোৰ কাঁহীৰ আপেল ফলটোৰ গুণ নথৈ বখানিলো। [illegible] লৰাটিৰ মনত মোৰ কথা লাগিল আৰু সিও আপেল [illegible] [illegible]কীৰ্ত্তনত

মোৰ লগুৱেতে উজান দিলে। কিন্তু তেওঁৰ মাক? বেচেৰীয়ে প্ৰমাদ গণিলে।

তেওঁ মোক সতৰ্ক কৰি দিলে। মই নিজক সংযত কৰি আন এটা বিষয় উলিয়ালোঁ। তাৰ পিছৰ সপ্তাহতো মই আগৰ দৰেই তেওঁলোকৰ ঘৰলৈ গলোঁ। কিন্তু ভয়ে ভয়ে হে। তালৈ যোৱা বিয় বন্ধ কৰিব লাগিব, সেইটো মই বুজি নেপালোঁ। তালৈ নোযাবোটো মই উচিত বলিও নেভাবিলোঁ। কিন্তু মিচেচ্‌--এ মোৰ বাট সহজ কৰি দিলে।

তেওঁ কলে,--"মিষ্টাৰ গান্ধী মই এটা কথা কব লগীয়া হোৱাৰ বাবে আপুনি যেন বেয়া নেপায়। আপোনাৰ সঙ্গৰপৰা মোৰ লৰাটীৰ একো উপকাৰ হোৱা নাই। সি আপোনাৰ কথা কৈ প্ৰতিদিনে মঙহ খাঁও-নেখাও কৰে আৰু ফল-মূল হে খাবলৈ বিচাৰে। এইটো বৰ অসহনীয় কথা। যদি বা সি বেমাৰত নপৰে, তথাপি মঙহ খাবলৈ এৰি দিলে সি নিশকতীয়া নিশ্চয় হবই। মই এইটো সহিম কেনেকৈ? আজিৰ পৰা আপোনাৰ সকলো তৰ্ক-আলোচনা আমাৰ লগতহে হোৱা উচিত। লৰা ছোৱালীৰ ওপৰত ইয়াৰ ফল বেয়া হোৱাটো ঠিক।"

মই উত্তৰ দিলোঁ,--"মিচেচ্‌--মই বৰ দুখিত। আপোনাৰ ভাব কেনে হৈছে সেইটো মই বুজিছোঁ, কাৰণ মোৰো লৰা-ছোৱালী আছে। আমি বৰ সহজে এই অসুবিধাৰ হাত সাৰিব পাৰোঁ। মই কি কওঁ কি নকওঁ তাতকৈ মই কি খাওঁ কি নেখাওঁ, সেইটো লৰাটোৰ মনত যে বেছিকৈ লাগিব, ই নিশ্চয়। সেই দেখি মই ইয়ালৈ অহাটো এৰি দিয়াই এটাই তকৈ ভাল উপায়। অৱশ্যে আমাৰ মিতিৰালিত ই একো বাধা নিদিয়ে।"

তেওঁ এটা ডাঙৰ বিপদৰপৰা পৰিত্ৰাণ পোৱা যেন হৈ কলে,--"আপোনাক ধন্যবাদ।"

গৃহী হিচাপে

(২৩)

গৃহস্থালি ঠিক কৰি লোৱা মোৰ বাবে একো নতুন কথা নাছিল। কিন্তু লণ্ডন নাইবা বোম্বেত যিদৰে গৃহস্থালি পাতিছিলো, নেটালত সেইদৰে হোৱা নাছিল, ইযাব সকলো কথা স্বকীয়া। এই সময়ত বহুতো খৰচ লোকক দেখুৱাবলৈকে কৰিব লগীয়া হৈছিল। বেৰিষ্টাৰৰ পদ-মৰ্য্যাদাৰ জোখাই ভাৰতীয় বেৰিষ্টাৰ হিছাপে, ভাৰতবাসীৰ প্ৰতি-নিধিৰ উপযুক্ত হোৱাকৈ নেটালত ঘৰ এখন ৰখা প্ৰয়োজনীয় বুলি মই ভাবিছিলো। সেইবাবে এডোখৰ ভাল ঠাইত সুন্দৰ এটা ঘৰ ললোঁ। ঘৰটো সুন্দৰকৈ সজোৱা হৈছিল। আহাৰ সাধাৰণেই আছিল; কিন্তু ইংৰাজ বন্ধু আৰু সহকৰ্ম্মীসকলক নিমন্ত্ৰণ কৰা বাবে খৰচ সদায় বৰ সৰহ পৰিছিল।

প্ৰত্যেক ঘৰতেই ভাল চাকৰ এটা লাগতিয়াল। কিন্তু চাকৰ কেনেকৈ ৰাখিব লাগে, মই কেতিয়াও জনা নাছিলোঁ। লগৰীয়া আৰু সহায় আৰু পৰিয়ালৰ এগৰাকী সভ্য হোৱাৰ দৰে হোৱা এজন বন্ধু আৰু এটা ৰান্ধনি মোৰ লগত আছিল। অফিছৰ কেৰেণী কেইজনো মোৰ লগত থকা-মেলা কৰিছিল।

এই পৰীক্ষাত কিছু কৃতকাৰ্য্য হৈছিলো বুলি কব পাৰো, কিন্তু ইয়াৰ লগত কিছুমান বিষাদজনক অভিজ্ঞতা নোহোৱাকৈ থকা নাছিল, লগৰীয়াজন বৰ টেঙৰ অথচ বৰ বিশ্বাসী আছিল বুলি মই ভাবিছিলোঁ। কিন্তু মোৰ ধাৰণা ভুল হল। মোৰ লগত থকা কেৰেণী এজনলৈ তেওঁৰ হিংসা হল আৰু চক্ৰান্ত কৰি কেৰেণীজনৰ ওপৰত মোৰ সন্দেহ জন্মালে। ইফালে কেৰেণীজনৰো বৰ খেয়া খং আছিল। তেওঁলৈ

মোৰ সন্দেহ হোৱা জনা মাত্রে ঘৰ আৰু অফিছ দুয়োটা এৰিলে। এই কথাত মই বৰ বেজাৰ পালোঁ। মই তেওঁক অন্যায় কৰিছোঁ বুলি ভাবি মোৰ মনত দুখ হল।

ইতিমধ্যে ৰান্ধনিজনৰ কেইবা দিনৰ ছুটীৰ দৰকাৰ হোৱাতেই সে মোৰ মনত নপৰে, আন কিবা কাৰণত, কেইবা দিনলৈ তেওঁ অনুপস্থিত আছিল। তেওঁৰ অনুপস্থিতিত আন এটা ৰান্ধনি দৰকাৰ হল। এই নতুন মানুহেটো বৰ দগাবাজ বুলি পাছতহে জানিলো। মোৰ চকু মুকলি কৰি দিবলৈকে ভগবানে যেন মোৰ ওচৰলৈ তেওঁক পঠাইছিল। সি অহাৰ দুই এদিন পাছতে ঘৰত যিবোৰ অনিয়ম মোৰ অজ্ঞানে চলি আছিল, সি সকলো ধৰা পেলালে আৰু মোক সতর্ক কৰি দিয়া সি স্থিৰ কৰিলে। মই পোনপটীয়া মানুহ বুলি নাম আছিল। এই কথাবোৰ উলিওৱাটো তাৰ পক্ষে বৰ বেজাৰৰ কথা হৈছিল। প্ৰতিদিন এক বজাত মই ঘৰলৈ 'লাঞ্চ' খাবলৈ আহিছিলোঁ। ১২ মান বজাত এদিন ৰান্ধনিটো ফোঁপাই জোঁপাই অফিছলৈ লৰি আহি মোক কলে —"ঘৰলৈ ততালিকে আহকচোন--আপোনাৰ বাবে এটা আচৰিত ঘটনা ঘটিছে।" মই সুধিলোঁ--"কি হৈছে, ইয়াতেই কোৱা চোন-- এই সময়ত মই নো কেনেকৈ অফিছ এৰি ঘৰলৈ যাব পাৰোঁ।" "আপুনি এতিয়াই নাহিলে পাছত অনুতাপ কৰিব। ইয়াকে মই আপোনাক এতিয়া কব পাৰোঁ।

নেৰা-নেপেৰাকৈ ধৰাত মই তাৰ সবলতা বুজি পাই এজন কেৰাণীৰে সৈতে ঘৰলৈ আহিলোঁ। ৰান্ধনিটো আমাৰ আগে আগে আহিল। সি মোক ততালিকে ওপৰ মহলালৈ নি মোৰ লগৰীয়া জনৰ খোটালীটোলৈ আঙুলিয়াই দি কলে—"দুৱাৰ মুকলি কৰি নিজে আপুনি চাওক।""

দুৱাৰত খুন্দিয়ালো, কোনো উত্তৰ নাই, দুৱাৰ ভগাকৈ বৰ জোৰেৰে খুন্দিয়ালো, তেতিয়া দুৱাৰখন মুকুলি হল, ভিতৰত এজনী বেশ্যা দেখা পালো। মোৰ সমুখলৈ নহাকৈ তাইক মোৰ ঘৰ এৰি যাবলৈ কলোঁ। লগৰীয়াজনক মই কলোঁ—"এই মুহূৰ্ত্ততে তোমাৰ লগত মোৰ সম্বন্ধ ছিগিল।' মই সম্পূৰ্ণৰূপে প্ৰতাৰিত হৈছিলো, তোমাব ওপৰত অন্ধ বিশ্বাসত মই একো দেখা নাছিলোঁ। তুমি মোৰ বিশ্বাসৰ এই প্ৰতিদান দিলা।"

তাৰ চেতনা হওক ছাৰি মোৰ কথা বাহিৰত প্ৰকাশ কৰিব বুলি ভয় দেখুৱালে। মই কলো—"মোৰ লুকুৱাবলৈ একো নাই, মই কিবা কৰি থাকিলে বাহিৰত উলিযাব পৰা, কিন্তু তুমি এই মুহূৰ্ত্ততে ওলাই যাব লাগে।" এই কথাষাৰত সি আৰু জকি উঠিল। ইযাৰ বাবে মোৰ একো উপায নোহোৱা হল। সেইবাবে মই তলৰ মহলাত থিয হৈ কেৰেণীজনক কলো—'চোৰা চোন পুলিচ ছাহাবক মোৰ নমস্কাৰ জনাই কোৱাগৈ যে, মোৰ লগত থকা মানুহ এজনে বৰ অসদ আচৰণ কৰিছে, মই তেওঁক মোৰ লগত ৰাখিবলে ইচ্ছা নকৰো, কিন্তু তেওঁ ঘৰৰপৰা ওলাই নাযায। তেওঁ পুলিচৰ সহায পঠালে মই বৰ বাধিত হম।"

মই যে সঁচাকৈয়ে তাক বাহিৰ কৰিবলৈ ইচ্ছা কৰিছো, এই কথাষাৰ সি তেতিযা বুজি পালে, তাৰ দোষত এতিযাহে সি ব্যাকুল হল। সি ততালিকে মোৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিলে, আৰু পুলিছক খবৰ নিদিবলৈ বৰকৈ খাটিবলৈ ধৰিলে, আৰু ততালিকে ঘৰৰপৰা ওলাই যাবলৈ স্বীকৃত হল।

সাৱধান হবলৈ এই ঘটনাটো মোৰ জীৱনত সময়োচিত হৈছিল। শনিযে মোৰ লগ লৈছিল বুলি এতিয়া হে মই ভালমতে বুজি

পালো। তাক আশ্রয় দি এটা উদ্দেশ্যত অসদ উপায় লৈছিলোঁ বুলি এতিয়াহে বুজিলোঁ। কাঁইটৰ মাজত পাৰিজাত পাম বুলি মই আশা কৰিছিলোঁ। এই মানুহজন অসদ চৰিত্ৰৰ বুলি পূৰ্ব্বে জানিও মোলৈ তেওঁৰ শ্ৰদ্ধা দেখি তেওঁৰ কথাত বিশ্বাস কৰিছিলোঁ। বন্ধু-বান্ধৱ সকলৰ কথালৈ কাণ নিদি তেওঁক শুধৰাবলৈ যত্ন কৰি মই নিজকে ধ্বংস কৰিবলৈ ওলাইছিলো। মোহত মই অন্ধ হৈছিলো।

নতুন বান্ধনিজন আহি মোৰ চকু মুকলি কৰি নিদিয়া হলে সত্য উলিয়াব নোৱাৰিলোহেতেন। সংসাৰত থাকিও সংসাৰত নিৰ্লিপ্তভাৱে থাকিবলৈ মই যি যত্ন কৰিছিলো, এইজন লগৰীয়াৰ প্ৰভাৱত তাকো নহলহেতেন। তেওঁৰ লগত মোৰ সময় অনাহকতে অপব্যয় হল। মোক এন্ধাৰত ৰাখি ভুল বাটত চলাবলৈ তেওঁৰ ক্ষমতা আছিল। যি হওক, ঈশ্বৰ মোৰ সহায় হল। মোৰ উদ্দেশ্য বৰ পবিত্ৰ আছিল, সেই-বাবে মোৰ ভুল হোৱা স্বত্ত্বেও ৰক্ষা পৰিলো। প্ৰথম জীৱনৰ এই অভিজ্ঞতাই ভবিষ্যতলৈ মোক সতৰ্ক কৰি দিলে।

এই নতুন বান্ধনিজনক যেন ভগবানেহে পঠাইছিল। সি ৰন্ধা-বঢ়া নাজানিছিল, আৰু বান্ধনি হৈ সি মোৰ ঘৰত থাকিব নোৱাৰিলেহেতেন। কিন্তু সি নোহোৱা হলে কোনেও মোৰ চকু গজাব নোৱাৰিলেহেতেন। বেশ্যাজনী মোৰ ঘৰলৈ অনা এয়ে প্ৰথম নহয় বুলি পাছতহে জানিব পাৰিলো। তাই পূৰ্ব্বেও আহিছিল, কিন্তু এই লগৰীয়াজনৰ দৰে আন কাৰো সাহ নাছিল। কাৰণ সকলোৱেই জানিছিল যে মই অন্ধৰদৰে তেওঁৰ কথাই পতিয়াইছিলো। এই নতুন বান্ধনিজন জানিবা মোৰ এইকণ উপকাৰ কৰিবলৈকে আহিছিল, কাৰণ ইয়াৰ পাছতেই সি মোৰ কাম এৰি যাবলৈ বিচাৰিলে।

"মই আপোনাৰ ঘৰত থাকিব নোৱাৰো। আপোনাক ইমান সহজে ভুলটো বুজাব পাৰি।" বুলি সি কলে। মই তাক যাবলৈ দিলো।

সেই কেৰেণী জনৰ বিৰুদ্ধে তেৰেই (খেদাই দিয়া লগৰীয়াজন) কাণত বিহ ঢালিছিল বুলি এতিয়াহে বুজি পালো। এইবাবে সেই কেৰেণীজনৰ ওপৰত কৰা অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ মই বৰ যত্ন কৰিছিলো। মই তেওঁক সম্পূৰ্ণ তে সন্তুষ্ট কৰিব পৰা নাই বুলি মোৰ জীৱনত অনুতাপ ৰৈ গল। যিমানেই চেষ্টা কৰা, ফটা বাঁহ জোৰা নালাগে।

ঘৰমুৱা

(২৪)

এতিয়া দক্ষিণ আফ্ৰিকাত থকা মোৰ তিনিবছৰ হল। মই তাৰ মানুহবিলাকক জানিবলগাযা হলো আৰু তেওঁলোকেও মোক জানিব লগীয়া হল। ১৮৯৬ সনত মই ছমাহৰ কাৰণে ঘৰলৈ আহিবলৈ অনুমতি বিচাৰিলো। কাৰণ মই তাতে ভালেমান দিন থাকিব লাগিব বুলি বুজি পালো। তাত মোৰ আইন-ব্যৱসায ভাল হৈ উঠিছিল, তাৰ লোক সকলে মই থাকিলে ভাল পাব বুলি বুজিলো। সেইদেখি ভাৰতলৈ উলটি লৰা তিৰুতা লৈ আহি ইয়াতে থকা স্থিৰ কৰিলোঁ। আনফালে, ভাৰতবৰ্ষলৈ উলটি গলে দক্ষিণ আফ্ৰিকাত থকা ভাৰতবাসী সকলৰ ভাৰতীয ৰাইজৰ মন আকৰ্ষণ কৰি ৰাজহুৱা মত গঠন কৰি অলপ ৰাইজৰ সেৱা কৰিব পাৰোৱেই বা ইত্যাদি মোৰ মনত হল। এই তিনি পাউণ্ডৰ টেক্স এট মুকলি ঘা, এইটো উঠাই দিয়া নহয় মানে যে একোতেই শান্ত হৈ থাকিব নোৱাৰো।

কিন্তু মোৰ অনুপস্থিতিত কংগ্ৰেছৰ কাম আৰু শিক্ষা-সমিতিৰ কামৰ দায়িত্ব লয় কোনে? দুজন মানহক মই ভাবি পালো— আদমজী মিয়াখা আৰু পাৰ্চী ৰুস্তমজী। সদাগৰ সকলৰ ভিতৰত কৰ্মী পাবলৈ বহুতো আছিল। কিন্তু তেওঁবিলাকৰ ভিতৰত সম্পাদকৰ কাম চলাব পৰা আৰু ভাৰতীয সম্প্ৰদায়ৰ শ্ৰদ্ধা থকা লোক আছিল এই দুজনেই হে, সম্পাদকজনে কাম চলাব পৰাকৈ ইংৰাজী ভাষা জনা নিশ্চয় দৰকাৰ। মই আদমজী মিয়াখাঁৰ নাম কংগ্ৰেছৰ সভাত উত্থাপন কৰিলোঁ। আৰু কংগ্ৰেছেও সেই প্ৰস্তাৱ সমৰ্থন কৰিলে। এই বাছনি বৰ বঢ়িয়া হৈছিল বুলি

অভিজ্ঞতাৰপৰা পাছত জনা গল। আদমজী মিয়াখাই তেওঁৰ নম্ৰতা, অমায়িকতা, আৰু কামত লাগি থাকিব পৰা গুণেৰে সকলোকে সন্তোষ কৰিছিল আৰু সম্পাদকৰ কামলৈ বেৰিষ্টাৰৰ ডিগ্ৰী পোৱা নাইবা ভাল ইংৰাজী শিক্ষা পোৱা লোকৰ একো দৰকাৰ নাই বুলি প্ৰমান কৰিলে।

১৮৯৬ সনৰ মাজভাগত মই কলিকতা অভিমুখী পঙলা' নামৰ জাহাজ এখনত উঠি ঘৰমুৱা হলো। জাহাজখনত কেইজনমান হে যাত্ৰী আছিল। তেওঁলোকৰ ভিতৰত দুজন ইংৰাজ বিষয়াৰ লগত মোৰ ভালকৈয়ে ঘনিষ্ঠতা হল। এজনৰ লগত মই দিনৌ এঘন্টাকৈ খেলিছিলোঁ। জাহাজৰ ডাক্তৰজনে মোক "তামিল ছেলফ-টিচাৰ" নামৰ কিতাপ এখন দিয়াত পঢ়িবলৈ ধৰিলে। মুছলমানবিলাকৰ লগত ঘনিষ্ঠ হবলৈ হলে উৰ্দ্দু ভাষাত মোৰ ব্যুৎপত্তি থকা দৰকাৰ আৰু মাদ্ৰাজীবিলাকৰ লগত ঘনিষ্ঠ হবলৈ হলে তামিল ভাষা মই জনা আৱশ্যক বুলি নেটালত থাকি বুজি পাইছিলো।

ইংৰাজ বন্ধুজনেও মোৰ লগত উৰ্দ্দু পঢ়িছিল। তেওঁৰ কথা মতে মই যাত্ৰীসকলৰ ভিতৰৰপৰা এজন ভাল উৰ্দ্দু জনা মুন্সী বিচাৰি উলিয়ালো আৰু আমাৰ পাঠ ভালকৈয়ে চলিবলৈ ধৰিলে। ইংৰাজ বিষয়াজনৰ স্মৰণ-শক্তি মোতকৈ ভাল আছিল। এবাৰ বুজাই দিলে তেওঁ কোনো কথা নেপাহৰিছিল, মই প্ৰায়েই পাহৰিছিলো আৰু উৰ্দ্দু আখৰ কোনটো কি বুজিবলৈ বৰ টান পাইছিলো। মই বহুত চেষ্টা কৰিও বিষয়াজনক চেৰ পেলাব নোৱাৰিছিলো। তামিল ভাষা শিকাত মই কিছু দূৰ আগুৱাইছিলো। অৱশ্যে মই একো সহায় পোৱা নাছিলো, কিন্তু "তামিল ছেলফ-টিচাৰ" কিতাপখন বৰ বঢ়িয়াকৈ লিখা কিতাপ আৰু বাহিৰা সহায় লবৰ মোৰ বিশেষ দৰকাৰো

হোৱা নাছিল। মই ভাবিছিলো যে ভাৰতবৰ্ষ পোৱাৰ পাছতো এই দুটা ভাষা শিকাত লাগি থাকিম, কিন্তু সি অসম্ভৱ হল। ১৮৯৬ সনৰপৰা মোৰ বেছিভাগ পঢ়া-শুনা হৈছে জেলখানাত। মই জেলত থাকোতে তামিল আৰু উৰ্দ্দু ভাষাত কিছু দূৰ আগুৱাইছিলোঁ —তামিল ভাষা দক্ষিণ আফ্ৰিকাৰ জেলত আৰু উৰ্দ্দু ভাষা এৰোডা জেলত, কিন্তু মই তামিল ভাষা কবলৈ শিকা নাছিলো, আৰু যি অলপ পঢ়িবলৈ শিখিছিলো, সিও অনভ্যাসত হতবিদ্যা হৈ উঠিছে।

তামিল বা তেলেগু ভাষা নজনা বাবে মোৰ যে কিমান অসুবিধা হৈছে সেইটো মই এতিয়াও বুজি পাওঁ। দক্ষিণ আফ্ৰিকাৰ দ্ৰাবিড়ী মাদ্ৰাজী সকলে মোলৈ বৰকৈ মৰম চেনেহ দেখুৱাইছিল। জীৱনৰ সেই মধুৰ স্মৃতি এতিয়াও মনত আছে। মোৰ কাৰ্য্যপদ্ধতিলৈ তেওঁলোকৰ বিশ্বাস আৰু শ্ৰদ্ধা, তেওঁলোকৰ ধৈৰ্য্য, তেওঁলোকৰ নিঃস্বাৰ্থ আত্মত্যাগৰ কাহিনী তামিল বা তেলেগু বন্ধু দেখিলে এতিয়াও মনত পৰে। তেওঁবিলাকৰ সৰহভাগেই আছিল নিৰক্ষৰ, তিৰোতা সকল যে আছিলেই, মনিহো আছিল। দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহ এওঁলোকৰ বাবেই হৈছিল আৰু এই নিৰক্ষৰ যুজাৰুৱেই ইয়াত যুজিছিল। এই যুজ আছিল দুখীয়াবিলাকৰ লৈ, আৰু তেওঁলোকেই পূৰাকৈ যোগ দিছিল। এই সৰল আৰু পোন-পটিয়া স্বভাৱৰ লোক সকলৰ অন্তৰ জয় কৰিবলৈ তেওঁলোকৰ ভাষা নজনাটো মোলৈ একো প্ৰতিবন্ধক নাছিল। তেওঁবিলাকে জনাই-নজনাই হিন্দুস্থানী, নাইবা ইংৰাজী কৈছিল, আৰু তাতেই আমাৰ কাম চলিছিল। কিন্তু তামিল বা তেলেগু ভাষা শিকি মই তেওঁলোকৰ মৰমৰ ধাৰ এফেৰি শুজিবলৈ মন কৰিছিলো। মই আগতে কৈ আহিছো

তামিল ভাষা শিকাত মই অলপ আগুৱাইছিলো। কিন্তু ভাৰতবৰ্ষত শিকিম বুলি ভাবি থকা তেলেগু ভাষাৰ হলে আখৰ কেইটা চিনাৰ বাহিৰে আগ বাঢ়িব নোৱাৰিলো। এই ভাষা দুটা শিকিব পাৰিম বুলি মই এতিয়া আগন্তুক দেখা নাই। সেই দেখি দ্ৰাবিড়ী সকলে হিন্দুস্থানী ভাষা শিকিব বুলি মই আশা কৰোঁ। দক্ষিণ আফ্ৰিকাত থকা তেওঁলোকৰ যিবিলাকে ইংৰাজী নেজানে, সেইবিলাকে হিন্দী অথবা হিন্দুস্থানীৰে জনাই-নজনাই কয়। কিন্তু মস্কিল হৈছে ইংৰাজী জনা সকলক লৈ, তেওঁলোকে হিন্দী বা হিন্দুস্থানী ভাষা শিকিব নোখোজে, আমাৰ নিজা ভাষা শিকাত ইংৰাজী ভাষা জনাটো প্ৰতিবন্ধক যেনহে হৈছে।

কিন্তু মই আচল কথাৰপৰা আঁতৰি আহিলো। ইমানতে মোৰ যাত্ৰাৰ বিবৰণটো শেষ কৰি থওঁ। 'পণ্ডলা' বোলা জাহাজৰ কাপ্তান জনৰ লগত পাঠকসকলক চিনাকি কৰি দিয়া হোৱা নাই। আমি দুয়ো বন্ধু হৈ পৰিলোঁ। কাপ্তানজন আছিল প্লীমাউথৰ। আমাৰ কথা-বতৰা বিশেষকৈ ধৰ্ম্ম লৈয়েই হৈছিল—নীতি আৰু ধৰ্ম্ম-বিশ্বাস। তেওঁৰ মনত বাইবেলৰ উপদেশ বৰ সহজ কথা। তেওঁ কৈছিল যে মুনিহ, তিৰুতা লৰা-ছোৱালী সকলোৱেই যীশুখ্ৰীষ্টত আৰু তেওঁৰ আত্ম-ত্যাগত বিশ্বাস ৰাখিলে তেওঁলোকৰ সকলো পাপ ক্ষয় নোহোৱাকৈ নিশ্চয় নাথাকে। এই বন্ধুজনে প্ৰেটোৰীয়াৰ 'প্লীমাউথ ব্ৰাদাৰ' জনৰ স্মৃতি জগাই তুলিলে। যি ধৰ্ম্মত নৈতিক বাধা নিষেধ আছে, সেই ধৰ্ম্ম নীৰস, তাৰ একো মূল্য নাই। এয়েই আছিল তেওঁৰ মত। মই যে নিৰমহীয়া, সেয়েই এইবিলাক তৰ্ক আলোচনাৰ মূলত আছিল। মই মাংস আৰু গো-মাংস নেখাওঁ কেলৈ? ঈশ্বৰে তল-খাপৰ প্ৰাণীবোৰক মানৱ জাতিৰ সম্ভোগৰ

কাৰণে সৃজা নাছিল জানো? সেই উদ্দেশ্যেই তো উদ্ভিদ জগতৰ সৃষ্টি। এইবিলাক প্ৰশ্নই আমাক ধৰ্ম্ম আলোচনালৈ টানি নিছিল। আমি কোনেও কাকো নিজৰ বিশ্বাস আৰু মতলৈ আনিব নোৱাৰিছিলো মোৰ পূৰা ধাৰণা আছিল যে ধৰ্ম্ম আৰু নীতি-জ্ঞান এই কাপ্তানজনৰ মত ঠিক তাৰ ওলোটা আছিল।

একুৰি চাৰিদিনৰ পাছত আমাৰ যাত্ৰাৰ ওৰ পৰিল আৰু হুগলীৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰি মই কলিকতাত নামি পৰিলো। সেই দিনাই মই ৰেলেৰে বোম্বাইলৈ ৰাওনা হলোঁ।

ভাৰতত

(২৫)

বোম্বেলৈ আহোতে বাটত ট্ৰেনখন এলাহাবাদত ৪৫ মিনিট ৰৈছিল। ছহৰ ফুৰিবলৈ এই সময়খিনি ব্যৱহাৰ কৰা মই স্থিৰ কৰিলোঁ। এটা দাৰাইখানাৰপৰা কিবা এটা দাৰাই কিনিব লগীয়াও আছিল। তাৰ কম্পাউণ্ডাৰজন শুই আছিল আৰু দাৰাইটো দিওতে বহুতো পলম কৰিলে—ইয়াৰ ফলত ট্ৰেইন হেৰুৱালো। মাষ্টৰে এমিনিট মোৰ বাবে ট্ৰেইন ৰখাইছিল কিন্তু মোক ৰেলত নেদেখি মোৰ বস্তু বাহানিবোৰ গাৰীৰপৰা নমাই থোৱালে।

কেলনাৰৰ হোটেলত এটা খোটালী লৈ ততালিকে কামত লগা স্থিৰ কৰিলোঁ। এলাহাবাদৰপৰা ওলোৱা 'পায়নিয়ৰ' কাকতখনৰ সম্পৰ্কে বহুতো কথা শুনিছিলোঁ। এইখন কাকত ভাৰতীয় আকাংখাৰ বিৰোধী বুলি মই জানিছিলো। সেই সময়ত মিঃ চেছনী (সৰুজনা) সম্পাদক থকা মোৰ মনত পৰে। সকলো দলৰে সহায় মোক লগা হৈছিল, সেইবাবে মিঃ চেছনীলৈ মই ট্ৰেইন হেৰুৱাইছোঁ আৰু তেখেতৰ লগত কিবা কথা হবলৈ সময় বিচাৰিছো বুলি চিঠি এখন লিখি পঠালো। তেখেতে মোক এটা সময় দিলে। তেখেতে মোৰ কথা মন দি শুনা দেখি বৰ ৰং পালোঁ

লিখো, তেখেতে কাকতত প্ৰকাশ কৰিব বুলি প্ৰতিশ্ৰুতি

। অৱশ্যে কলে যে ভাৰতীয় সকলো দাবী তেখেতে সমৰ্থন কৰিব নোৱাৰে আৰু ঔপনিবেশিকসকলৰ দাবীও তেখেতে বিচাৰ

কৰিব লাগিব আৰু তেওঁলোকৰ সপক্ষৰ যুক্তিও প্ৰকাশ কৰিব লাগিব। মই কলো—'এয়েই যথেষ্ট। কাৰণ আপুনি আপোনাৰ কাকতত এই বিষয়টো আলোচনা কৰিব। আমাৰ প্ৰাপ্য দাবীৰ ন্যায়-বিচাৰ হে মই বিচাৰো।'

গোটেই দিনটো ত্ৰিবেণী সঙ্গম আদি চাই ফুৰিলো আৰু লগতে মোৰ ভবিষ্যত কাৰ্য্যপদ্ধতিৰ কথাও ভাবিলো।

পায়নিয়ৰ কাকতৰ সম্পাদকৰ লগত এই আকস্মিক দেখাশুনা হোৱাত আৰু কিছুমান ঘটনা ঘটিল। ইয়াৰ ফলত শেহত মই নেটালত মাৰ খাব লগীয়া হল।

বোম্বেত নগৰখনকৈ পোনে পোনে মই ৰাজকোটলৈ গলো আৰু দক্ষিণ আফ্ৰিকাৰ অৱস্থা বৰ্ণাই পুস্তিকা লিখাৰ আয়োজন কৰিলো। পুস্তিকাখন লিখা আৰু প্ৰকাশ কৰাত এমাহ মান লাগিল। তাৰ ওপৰৰ 'কভাৰ'খন সেউজীয়া কাকতত আছিল। সেইবাবে ইয়াৰ নাম হৈছিল সেউজীয়া কাকত' ইচ্ছা কৰিয়েই এইখনত দক্ষিণ আফ্ৰিকাৰ অৱস্থাৰ আংশিক বিবৰণো দিলো। পূৰ্ব্বে উল্লেখ কৰা দুখন পুস্তিকাৰ ভাষাতকৈ এইখনৰ ভাষা কিছু ধীৰ আছিল কাৰণ এনেয়েই আঁতৰৰ কথা—তিলত তাল হোৱাৰ সম্ভাৱনা।

দহহেজাৰ পুস্তিকা ছপা কৰি সকলো কাকতলৈকে আৰু ভাৰতৰ সকলো দলৰ নেতালৈকে পঠোৱা হল। পায়নিয়ৰেই পোন-প্ৰথমে সম্পাদকীয় স্তম্ভত এই সম্পৰ্কে লিখিলে। সেই প্ৰবন্ধটোৰ সাৰাংশ 'ৰয়টাৰে' বিলাতলৈ তাঁৰ কৰিলে আৰু তাৰো সাৰাংশ বিলাতৰপৰা 'ৰয়টাৰে' নেটাললৈ তাঁৰ কৰি পঠালে। ইয়াৰ আখৰত এই তাঁৰ তিনি লাইনতকৈ সৰহ নাছিল। চুটি হলেও মই লিখা কথাৰেই অতিৰঞ্জিত বৰ্ণনা আছিল আৰু ই মই লিখা

ভাষাত নাছিল। ইতিমধ্যে সকলো কাকতে এই বিষয়টো সমালোচনা কৰিবলৈ ধৰিলে।

এইবিলাক পুস্তিকা ডাকত পঠোৱা এটা সামান্য কাম নাছিল আৰু ওপৰত মেৰোৱা কাকতখনৰ বাবে মানুহ নিযুক্ত কৰাও ব্যয়সাধ্য। যি হওক, মই এটা উপায় ললো। আমাৰ সেই খণ্ডৰ যিমানবিলাক সৰু লৰা-ছোৱালী আছিল, সকলোকে গোটাই লৈ স্কুল বন্ধৰ দিনত ২ ঘণ্টাকৈ এই কামত লাগিবলৈ কলো আৰু সকলো তাত মান্তি হল। সিহঁতক আশীৰ্ব্বাদ কৰি যিবোৰ পুৰণি ডাক-টিকট মই গোটাইছিলো সকলো পুৰস্কাৰ দিবলৈ গাত ললোঁ। সোণকালে সিহঁতেও কাম শেষ কৰিলে। সৰু লৰা-ছোৱালীক স্বেচ্ছাসেৱকৰ কামত লগোৱা এয়েই মোৰ প্ৰথম অভিজ্ঞতা। ইয়াৰে দুজন লৰা বন্ধু এতিয়া মোৰ সহকৰ্ম্মী।

এই সময়ত বোম্বেত প্লেগ বেমাৰ আৰম্ভ হল। আৰু সেই-বাবে সকলো সন্ত্ৰস্ত হল। ৰাজকোটত ইযাৰ বাবে মানুহে ভয় খালে। স্বাস্থ্য-বিভাগক মই সহায় কৰিব পাৰো বুলি ভাবি স্ব ইচ্ছাত কাম কৰিবলৈ গাত ললে। মোক তেওঁলোকে কমিটীত সুমাই ললে। পাযখনা আদি পৰিষ্কাৰ কৰাত মই বিশেষ চকু দিবলৈ কলো আৰু কমিটীয়ে প্ৰত্যেক বাটত সজা পায়খনাবিলাক চাবলৈ স্থিৰ কৰিলে। দুখীয়া মানহে সিহঁতৰ পাযখানাবোৰ পৰিদৰ্শন কৰাত আপত্তি কৰা নাছিল, বৰঞ্চ আমি কোৱা মতে কিছুমান উন্নতিও কৰিলে। কিন্তু আমি যেতিয়া ধনী মানুহৰ ঘৰলৈ পাযখানা চাবলৈ গলো, কিছুমানে উন্নতি কৰক ছাৰি, আমাক চাবলৈ দিবলৈকে অস্বীকাৰ কৰিলে। ধনী মানুহৰ পায়খানা বৰ অপৰিস্কাৰ বুলি আমাৰ অভিজ্ঞতা আছিল। এন্ধাৰ কোঠালীত পাযখানা, চাৰিওফালে অপৰিস্কাৰ, পোক পেলুৰে লেউ লেউ

কৰে থকা, গোন্ধত নৰক বিশেষ। আমি কোৱা কথাবোৰ নিচেই উজু আছিল। ময়লা মাটিত পৰিবলৈ নিদিয়াকৈ এটা পাত্ৰ ৰাখিবলৈ আমি কৈছিলো আৰু ক্ষুদ্ৰশৌচো যাতে পাত্ৰত পৰে, তাকে কৰিবলৈ আমি কৈছিলো। ধনী সম্প্ৰদায়ে এইবিলাক কামত বিশেষকৈ শেহৰ কথাটোত বৰ আপত্তি কৰিছিল আৰু বহুতেই আমাৰ কথা পালন কৰা নাছিল।

কমিটীয়ে অস্পৃশ্যসকল থকা ঠায়ো চোৱাৰ কথা আছিল। মাথোন এজন মেম্বৰ মোৰ লগত তেনে ঠাইলৈ যাবলৈ ওলাল। সিহঁতৰ পায়খানা চোৱা দূৰৰ কথা, সিহঁত থকা ঠাইলৈ যোৱাটোৱেই আন মেম্বৰৰ পক্ষে কল্পনাৰ অতীত আছিল। কিন্তু মই এইবিলাক ঠাই চাই আচৰিত হলো। এনে ঠাইলৈ যোৱা এয়েই মোৰ প্ৰথম, সিহঁতৰ মুনিহ তিৰোতাই আমাক তাত দেখি আচৰিত হল। সিহঁতৰ পায়খানাবোৰ চাবলৈ নিবলৈ কালো।

"আমাৰ পায়খানা!"—সিহঁতে আচৰিত হৈ কলে। আমি গৈ বাহিৰতহে এইবোৰ কাম কৰো। পায়খানা ধনী মানুহৰ নিমিত্তে।"

"বাৰু, তেন্তে তোমালোকৰ ঘৰ চাবলৈ দিবলৈ আপত্তি নকৰিবা।" বুলি আমি কলো।

"আপোনাসকলে অনায়াসে চাব পাৰে, চুক কাণ সকলো চাব পাৰে, আমাৰ এইবোৰ ঘৰ নে গাহৰিৰ গঁৰাল—'

মই ভিতৰলৈ সোমাই গলো আৰু বাহিৰৰ দৰে ভিতৰো চাফ দেখি আচৰিত হলো। দুৱাৰমুখ ভালকৈ চাফ কৰি ৰখা হৈছে। মজিয়াখন গোবৰেৰে ভালকৈ মচা, আৰু যি কেইডোখৰ বাচন আছে সকলো চাফ চিকুণ। এনে ঠাইত বেমাৰ বিয়পিব বুলি ভয়ৰ কাৰণ নাই।

মোৰ সত্য অন্বেষণৰ কাহিনী

এজন ধনী মানুহৰ ঘৰত যিটো পায়খানা দেখিলো, এই সূত্ৰতে তাৰ বিস্তাৰিত বিৱৰণ নিদিয়াকৈ নোৱাৰো। প্ৰত্যেক খোটালীতে পানী-যোৱা নলা আছে আৰু প্ৰত্যেকটো পানী আৰু প্ৰসাবৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াৰ ফলত গোটেই ঘৰত দুৰ্গন্ধ। নলাটো তলৰ মহলাৰ লগত লগোৱা আছিল। ইয়াৰ দুৰ্গন্ধ সহ্য কৰা অসম্ভৱ আছিল। তাত থকা লোকসকলে কেনেকৈ শুইছিল, সেইটো পাঠকসকলে কল্পনা কৰিব।

কমিটীয়ে প্ৰধান বৈষ্ণৱ মন্দিৰ হাবেলীও চালে। হাবেলী মন্দিৰৰ পূজাৰীজনৰ লগত আমাৰ বৰ ঘনিষ্ঠতা আছিল। সেই বাবে আমাক সকলো চাবলৈ দিলে। আমাক উন্নতিৰ বাবে সকলো পৰামৰ্শ দিবলৈ কলে। মন্দিৰৰ এনে এটা অংশ আছিল, যি ডোখৰ তেওঁ নিজেই পূৰ্বে দেখা নাছিল। এই ঠাই ডোখৰত সকলো আবৰ্জনা আৰু চুৰা পেলোৱা হৈছিল। ইয়াত কাউৰী আৰু চিলনী আছেই। আমাৰ পৰামৰ্শ মতে পূজাৰীজনে কিমান কাম কৰিলে চাব নোৱাৰিলো, কাৰণ ৰাজকোটত মোৰ থকা সৰহ দিন নহল।

আমাৰ পূজাৰ মন্দিৰবোৰ ইমান অপৰিষ্কাৰ দেখি মই বেজাৰ পালো। যি ঠাইডোখৰ পবিত্ৰ বুলি বিবেচিত হয়, সেই ঠাইডোখৰত স্বাস্থ্যৰ সকলো নিয়ম পলাটো উচিত বুলি আশা কৰিব পাৰি। স্মৃতিৰ লিখকসকলে বাহ্যিক আৰু আভ্যন্তৰিক শুদ্ধিৰ কাৰণে লিখি থৈ গৈছে। কিন্তু এইবিলাকলৈ মন দিয়ে কেই জনে?

ৰাজভক্তি আৰু শুশ্ৰূষা

(২৬)

ব্ৰিটিশ নিয়ম-তন্ত্ৰলৈ মোৰ দৰে ভক্তি থকা লোক মই কমেইহে লগ পাইছিলো। এতিয়া মই বুজিছো যে সত্যৰ প্ৰতি মোৰ শ্ৰদ্ধাই এই ভাবৰ মূলত আছিল। ৰাজভক্তি, নাইবা অন্য কোনো গুণ বাহিৰত দেখুৱা মোৰ পক্ষে সম্ভৱ নাছিল। 'God save the King' বোলা গীতটো নেটালৰ সকলো সভাতেই গোৱা হৈছিল। এই সঙ্গীতত যোগ দিবলৈ মোৰ তেতিয়া ভাব হৈছিল। ব্ৰিটিশ ৰাজত্বত আসোঁৱাহ আছে বুলি মই নজনা নহওঁ, মুঠতে ব্ৰিটিশ ৰাজত্বই ভাল বুলি মই ভাবিছিলো। সেই সময়ত ব্ৰিটিশ ৰাজত্ব জগতৰ মঙ্গলাৰ্থে বুলি মই ভাবিছিলো।

দক্ষিণ আফ্ৰিকাত দেখা বৰ্ণ-বিদ্বেষ ব্ৰিটিশৰ জাতীয় বুৰঞ্জীৰ বিৰোধী বুলি মই ভাবিছিলো, এই ভাব স্থানীয় আৰু অস্থায়ী বুলি মোৰ বোধ হৈছিল। সেই বাবে ব্ৰিটিশ সিংহাসনলৈ মোৰ ভক্তি দেখুওৱাত ইংৰাজৰ লগত অৰিয়া-অৰি পৰ্য্যন্ত কৰিছিলো। বৰ যত্নেৰে সৈতে 'God save the King'ৰ সুৰ মই শিকিলো। ৰাজভক্তি দেখুওৱাবৰ কিবা সুযোগ উপস্থিত হলে মই বাহ্যিকতা একো নকৰি তাতেই যোগ দিছিলো।

জীৱনত মই কেতিয়াও এই ৰাজভক্তিৰ সুযোগ লোৱা নাই; কেতিয়াও ইয়াৰে নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ বিচৰা নাই। ই মোৰ বাবে এটা

১৬

কৰ্ত্তব্য আছিল, আৰু একো পুৰস্কাৰৰ আশা নকৰাকৈ এইখিনি কৰিছিলো।

মই ভাৰতবৰ্ষলৈ উলটি আহোতে ৰাণী ভিক্টোৰিয়াৰ ডায়মণ্ড জুবিলীৰ আয়োজন চলি আছিল। ৰাজকোটত ইয়াৰ বাবে যিখন কমিটী গঠিত হৈছিল; মোক তাত যোগ দিবলৈ মাতিলে। মই নিমন্ত্ৰণ গ্ৰহণ কৰিলো, কিন্তু মোৰ সন্দেহ হৈছিল যে এইবোৰ উৎসৱ মাথোন বাহ্যিক হব। বহুতো অদৰকাৰী কথা মই তাত দেখা পাই বৰ বেজাৰ পালো। এনেবোৰ কথা দেখি কমিটীত থাকিম নে নাথাকিম মোৰ মনত এনে প্ৰশ্ন হল। অৱশেষত মোৰ ভাগৰ কামখিনি কৰাটোকেই স্থিৰ কৰিলো।

আনিবাটিত গছ পোতা প্ৰস্তাৱ আছিল। এইবোৰ বাহিৰত দেখুৱাবলৈ বহুতে কৰে আৰু চৰকাৰী কৰ্ম্মচাৰীসকলক সন্তুষ্ট কৰিবলৈ কৰে বুলি জানিছিলো। গছ পোতাটো এটা নিয়ম নহয় বুলি মই কৰ্ত্তাসকলক বুজালো। কৰিবলৈ হলে ভালকৈ কৰিব লাগে, নহলে নালাগে। তেওঁলোকে মোৰ কথাত যেন হাঁহিছিল বুলি মোৰ মনত পৰে। মোৰ মনত পৰিছে যে মোৰ ভাগত পৰা গছবোৰ মই নিজে ভালকৈ পুতিছিলো আৰু মই ভাল মতে পানী দি যতন কৰিছিলো।

ঘৰৰ লৰা-ছোৱালীহঁতকো 'God save the King' গীতটো গাবলৈ মই শিকালো। স্থানীয় ট্ৰেইনিং কলেজৰ লৰাহঁতকো মই এই গীতটো গাবলৈ শিকোৱা মনত পৰে, কিন্তু জুবিলীৰ সময়ত নে সপ্তম এডৱাৰ্ডৰ কৰোনেশনৰ সময়ত মোৰ মনত নাই, লাহে লাহে এই গীতৰ পদ কেইফাকি কাণত ঠেহ ঠেহ কৰে পৰা হল। অহিংসাৰ সম্পৰ্কে মোৰ ভাৱৰ বিকাশৰ লগে লগে কথা হওঁতে আৰু মনত চিন্তা কৰোতে সম্পৰ্কে সতৰ্ক হলো। গীতৰ এই পদ কেই ফাঁকিয়ে—

'Scatter her enemies
And make them fall,
Confound their politics,
Frustrate their knavish tricks

মোৰ অভিমানত ভাৰত বিশেষকৈ আঘাত দিলে। অহিংসাত বিশ্বাস কৰোতাই এই কেইটা পদ গোৱা শুভৱান বুলি ডাক্তাৰ [illegible] ভাবিছিলো। শত্ৰু সকলোলেই যে দুষ্ট দগাবাজ আমি কেনেকৈ কবি লওঁ? সিহঁত শত্ৰু হল বুলিয়েই সিহঁতৰ ভুল হবই লাগিব নে? একমাত্ৰ ঈশ্বৰক হে আমি ন্যায় বিচাৰ বাবে মাগিব পাৰো। ডাক্তাৰ বুথে মোৰ ভাববোৰ গোটেইখিনি সমৰ্থন কৰিলে, আৰু নতুন এটা গীত ৰচনা কৰিলে। ডাক্তাৰ বুথৰ সম্পৰ্ক মই পাছত কম।

ৰাজভক্তিৰ দৰে সেৱাৰো শুশ্ৰূষা কৰিবলৈ মোৰ বৰ ধাউতি আছিল। বন্ধু হওক, আচহুৱা হওক মই শুশ্ৰূষা কৰিবলৈ বৰ ভাল পাইছিলো। ৰাজকোটত দক্ষিণ আফ্ৰিকা সম্পৰ্কে পুস্তিকা লিখাত ব্যস্ত থাকোতে বোম্বেলৈ দুদিনীয়াকৈ এবাৰ আহিবলগীয়া হৈছিল। ৰাজহুৱা সভা পাতি ৰাইজৰ মত গঠন কৰা মোৰ অভিপ্ৰায় আছিল আৰু বোম্বেই প্ৰথম নগৰ আছিল। প্ৰথমতেই জষ্টিচ ৰাণাডেক লগ পালো। তেখেতে মোৰ কথা বৰ মনোযোগেৰে শুনি চাৰ ফিৰোজশ্বাহ মেহটাক লগ কৰিবলৈ কলে। ইয়াৰ পাছত বদৰুদ্দীন তায়বজীক লগ পোৱাত তেখেতেও একে কথা কলে। "জষ্টিচ ৰাণাডে আৰু মই আপোনাক অলপ হে সহায় কৰিব পাৰো। আপুনি আমাৰ অৱস্থা জানেই। আমি ৰাজহুৱা কামত যোগ দিব নোৱাৰো, কিন্তু আমাৰ সহানুভূতি আছে। চাৰ ফিৰোজশ্বাহ মেহটাই হে আপোনাক সহায় কৰিব পাৰিব।"

মোৰ সত্য অন্বেষণৰ কাহিনী

মই ছাৰ ফিৰোজশ্বাহ মেহটাক এনেয়েই দেখা কৰিলোঁহেতেন। কিন্তু এই দুগৰাকী বয়সিয়াল লোকে তেখেতৰ কথা মতে কাম কৰিবলৈ কোৱাত তেখেতৰ প্ৰতিপত্তি সম্পৰ্কে সম্যক ধাৰণা হল। যথা সময়ত তেখেতক লগ ধৰিলোঁ। তেওঁ জনসমাজত 'বোম্বেৰ সিংহ' প্ৰেছিডেন্সিৰ 'মুকুটবিহীন ৰজা' ইত্যাদি খিতাপ পাইছিল। সেইবাবে মোৰ মনত ভয় উপজিল, তেখেতৰ সমুখত থিয় হৈ মোৰ ভয় গুচিল। মৰমিয়াল পিতাই পুতেকৰ লগত যিদৰে ব্যৱহাৰ কৰে, সেইদৰে তেখেতেও কৰিলে। তেখেতৰ খোটালীত দেখা শুনা হল। তেখেতৰ চাৰিওফালে বন্ধু আৰু অনুচৰসকল আছিল। তাৰ ভিতৰত মিঃ ডি-ই ৱাচা আৰু মিঃ কামা আছিল। তেওঁলোকৰ লগতো মোক চিনা পৰিচয় কৰি দিলে। মিঃ ৱাচাৰ সম্পৰ্কে মই পূৰ্বেই শুনিছিলো। তেওঁ ছাৰ ফিৰোজশ্বাহৰ সোঁহাত স্বৰূপ আছিল। আৰু মিঃ বীৰচাঁদ গান্ধীয়ে তেওঁক এজন বৰ Statistician বুলি মোক জনাইছিল। মিঃ ৱাচাই কলে–'গান্ধী, আমি আপনাক আকৌ লগ পাব লাগিব।'

এইদৰে চিনা-পৰিচয় হওতে দুই মিনিটতকৈ সৰহ সময় লগা নাছিল। ছাৰ ফিৰোজশ্বাহে মোৰ কথাবোৰ ভালকৈ মনোযোগ দি শুনিলে। জষ্টিছ ৰানাডে আৰু তায়াবজীক মই লগ পোৱা বুলি তেখেতক কলো। তেখেতে কলে—'গান্ধী, মই তোমাক সহায় কৰিম। মই এখন ৰাজহুৱা সভা পাতিম।" এই বুলি কৈ ছেক্ৰেটাৰী মিঃ মুন্সিৰ ফালে ঘুৰি সভাৰ দিন ঠিক কৰিবলৈ কলে। ঠিক হোৱাত সভাৰ আগ দিনা লগ ধৰিবলৈ কৈ মোক বিদায় দিলে। এই দেখা সাক্ষাৎ হোৱাত মোৰ ভয় ভাগিল।

বোম্বেত এই কেদিন থাকোতে বোম্বেত থকা মোৰ বৈনাইৰ লগত দেখা কৰিলো, তেখেতৰ শৰীৰ অসুস্থ আছিল। তেখেতৰ অৱস্থা

ৰাজভক্তি আৰু শুশ্ৰূষা

ঘৰ স্বচ্ছল নাছিল মোৰ ভনীয়ে তেখেতক শুশ্ৰূষা কৰিব পৰা নাছিল। তেখেতৰ বেমাৰ বৰ গুৰুতৰ হৈছিল আৰু সেইবাবে মই তেখেতক ৰাজকোটলৈ নিবলৈ ওলালো। তেখেত সন্মত হল আৰু সেইবাবে মই ভনীয়ে সৈতে তেখেতক ৰাজকোটলৈ লৈ আহিলো। তেখেতৰ বেমাৰ মই ভবাতকৈ আশাতীতভাবে গুৰুতৰ আছিল। বহুদিন তেওঁ ভুগীবলগীয়া হৈছিল। মোৰ নিজৰ খোটালীত তেখেতক থাকিবলৈ দিলো আৰু নিজে দিনে ৰাতিৰে তেখেতক শুশ্ৰূষা কৰিবলৈ ধৰিলো। বহুতো ৰাতিলৈকে তেখেতৰ ওচৰত থাকিব লগীয়া হৈছিল আৰু তেখেতক শুশ্ৰূষা কৰি থাকোতে দক্ষিণ আফ্ৰিকা সম্পৰ্কে পুস্তিকা খন লিখা বহুতো শেষ কৰিলো। অৱশেষত বেমাৰীৰ মৃত্যু হল, কিন্তু জীৱনৰ শেষ দিন কেইটা যে মই তেখেতক শুশ্ৰূষা কৰিব পাৰিছিলো, ইয়াতেই মই সান্তনা পালো।

বেমাৰীক শুশ্ৰূষা কৰিবলৈ লাহে লাহে মোৰ ইমান ধাউতি বাঢ়িল যে মই নিজৰ কাম পৰ্য্যন্ত আওহেলা কৰা হলো আৰু বহুতো সময়ত মই অকল মোৰ তিৰোতাকেই এনে কামত লগাই এৰা নাছিল— গোটেই ঘৰৰ মানুহবোৰকেই এনে কামত লগাইছিলোঁ।

আনন্দ নাপালে এনে কামৰ একো অৰ্থ নাথাকে। বাহিৰত দেখুৱাবলৈ, নাইবা ৰাইজৰ মতলৈ ভয় কৰি এনে কাম কৰিব লগীয়া হলে মনুষ্যত্ব খৰ্ব্ব কৰা হয় আৰু তেওঁৰ অন্তৰ-আত্মাৰ ধ্বংস কৰা হয়। আনন্দ নোপোৱাকৈ সেৱা কৰিলে, সেৱক আৰু সেৱিত কাৰো সহায় নহয়। আনন্দৰ ভাবতে সেৱা কৰিলে ঐহিক সম্পত্তি আৰু সুখ সকলো তুচ্ছ হয়।

বোম্বেৰ ৰাজহুৱা সভা

(২৭)

বৈনাই ঢুকুৰাৰ পিচত সেই দিনাই মই বোম্বেৰ এখন ৰাজহুৱা সভাত বক্তৃতা দিবলৈ যাব লগাত পৰিলো। ইতিমধ্যে মোৰ বক্তৃতাটো ভাবি চিন্তি লবলৈকো সময় নাছিল। দিনে ৰাতিয়ে উদ্বেগত নৰীয়া পৰ দিয়াত মোৰ গা ভাল লগা নাছিল আৰু মাতো ভাগিছিল। যি কি নহওক, ঈশ্বৰৰ ওপৰত ভৰসা কৰি বোম্বেলৈ গলো। বক্তৃতাটো লিখাৰ কথা সপোনতো ভবা নাছিলো।

ছাৰ ফিৰোজশ্বাহৰ আদেশমতে সভা বহাৰ আগ দিনা আবেলি তেখেতৰ অফিছত উপস্থিত হলো গৈ।

তেওঁ সুধিলে—গান্ধী, তোমাৰ বক্তৃতা প্ৰস্তুত নে?

মই ভয়ত কঁপি কঁপি উত্তৰ দিলো—নহয় ডাঙৰীয়া মই নিলিখাকৈয়ে বক্তৃতা কৰিম বুলি ভাবিছো।

'বোম্বেত সেইটো নচলিব। ইয়াত বাতৰি কাকতলৈ ভাল 'ৰিপৰ্ট' দিওঁতা মানুহ নাই। আৰু যদি এই সভা আমাৰ কিবা উপকাৰত আহিব লাগে, তেন্তে তুমি তোমাৰ বক্তৃতাটো লিখি পেলোৱা আৰু পাছ দিনা ৰাতিপুৱাৰ আগতে ই ছপা হৈ ওলাব লাগিব। আশা কৰো তুমি এই খিনি কৰিব পাৰিবা?"

মই বিবুধি হোৱাদি হলোঁ। যিহক উত্তৰ দিলো—"মই কৰিম।"

"তেনেহলে হাতে লিখা বক্তৃতাটো আনিবলৈ মিঃ মুন্সী কিমান সময়ত তোমাৰ তালৈ যাব মোক কৈ যোৱা।"

পিছ দিনা সভালৈ গৈ মিঃ ফিৰোজশ্বাহৰ এই উপদেশৰ মূল্য বুজিব পাৰিলো। সভা 'ছাৰ কাৱাছজি জাহাঙ্গিৰ ইনষ্টিটিউট'ৰ হলত ৰহিছিল। ছাৰ ফিৰোজশ্বাহে যে এটা দীঘল বক্তৃতা কৰিলে গোটেই ঘৰটো মানুহেৰে—বিশেষকৈ তেওঁৰ শুনিবলৈ অহা ছাত্ৰেৰে ভৰি যায়—এটা তিল থবলৈকো ঠাই নাথাকে বুলি মই আগেয়েই শুনিছিলো। এনে ধৰণৰ সভাৰ অভিজ্ঞতা মোৰ এয়ে প্ৰথম। মই দেখিলো যে মোৰ মাত এটাৰ মানুহেই শুনে। মই বক্তৃতাটো পঢ়িবলৈ ধৰিলো। কিন্তু মুহূৰ্ততে মাত বহি গ'ল। ছাৰ ফিৰোজশ্বাহে মোক ডাঙৰকৈ পঢ়িবলৈ কৈ বাৰে বাৰে উৎসাহ দিছিল। কিন্তু মোৰ মনত পৰে, তেখেতৰ কথাই মোক উৎসাহ দিয়াটো দূৰৰ কথা, মোৰ মাত ক্ৰমাৎ হৰিছিল।

মোৰ পুৰনি বন্ধু মিঃ কেশৱ ৰাও দেশপাণ্ডেই জানিবা মোক উদ্ধাৰ কৰিলে। মই বক্তৃতাটো তেওঁৰ হাতত দিলো। এনে সভাত তেওঁৰ টোম্বেই উপযুক্ত মাত। তথাপিও শ্ৰোতা সকলে নুশুনাত পৰিল। গোটেই ঘৰটোত 'ৱাচা, ৱাচা" বুলি চিঞৰৰ খলকনি লাগিল। গতিকে মিঃ ৱাচাই উঠি বক্তৃতাটো পঢিবলৈ থিয় দিলে আৰু তাৰ আচৰিত ফল ধৰিলে। শ্ৰোতাসকল নিস্তব্ধ হল আৰু ঠাই বুজি "শুনক, শুনক", "লাজ, লাজ" এনে কথাৰে সমৰ্থন কৰি শেষলৈকে বক্তৃতাটো শুনিলে। ছাৰ ফিৰোজশ্বাহে বক্তৃতাটো ভাল পাইছিল। মই নথৈ সুখী হলো।

এই সভাৰ পৰা কাৰ্য্যতঃ মই মিঃ দেশপাণ্ডে আৰু এজন পাৰ্চী বন্ধুৰ সহানুভূতি লাভ কৰিলো। এই পাৰ্চী বন্ধু জনৰ নাম মই কব নোখোজো কাৰণ তেওঁ বৰ্ত্তমান চৰকাৰৰ এজন ডাঙৰ বিষয়া। তেওঁলোক দুয়োজনে মোৰ লগত দক্ষিণ আফ্ৰিকালৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰিলে মিঃ ছি, এম, কাছেট্ৰজিয়ে (তেওঁ তেতিয়া স্মল কজ কোৰ্টৰ" জজ

আছিল জানিবা) এই বন্ধুজনৰ বিয়া পাতিবলৈ ষড়যন্ত্র কৰি তেওঁক এই অভিসন্ধিৰ পৰা আঁতৰাই নিলে। তেওঁ বিয়া কৰাবনে, দক্ষিণ আফ্রিকালৈ যাব—এই দুটাৰ ভিতৰত এটা বাছি লব লগীয়া হল আৰু তেওঁ বিয়া কৰোৱাই স্থিৰ কৰিলে। কিন্তু তেওঁৰ এই প্রতিজ্ঞা ভঙ্গৰ প্রায়শ্চিত্ত কৰিছে পার্চী ৰুস্তমজীয়ে, আৰু পার্চী বাই ভনী সকলে খদ্দৰৰ কামত জীৱন উছৰ্গা কৰি সেই গৰাকী পার্চীভগীৰ হৈ প্রাযশ্চিত্ত কৰিছে, সেই দেখি মই এই দম্পতিক আনন্দ মনেৰে ক্ষমা কৰিছোঁ। মিঃ দেশপাণ্ডেৰ অৱশ্যে বিয়াৰ লোভ নাছিল, কিন্তু তেওঁ যাব নোৱাৰিলে। আজি তেওঁ এই প্রতিজ্ঞা ভঙ্গৰ কাৰণে যথেষ্ট প্রাযশ্চিত্ত কৰিছে। মই দক্ষিণ আফ্রিকালৈ উভতি যাওঁতে জাঞ্জিবাৰত তায়েবজী পৰিয়ালৰ এজনক লগ পালো। তেৱোঁ মোৰ লগত আহি মোক সহায কৰিব বুলি কথা দিলে, কিন্তু পাছত তেওঁ নাহিল। এই দৰেই মোৰ বাৰিষ্টাৰ বন্ধু কেইজনক দক্ষিণ আফ্রিকালৈ নিৰব তিনিওটা চেষ্টাই বিফল হল।

এই খিনিতে মিঃ পেস্তনজী পাদশ্বাহলৈ মোৰ মনত পৰে। বিলাতত থকা সমযৰে পৰা তেওঁৰ লগত মোৰ বন্ধুতা আছিল। মই পোনতে তেওঁক লণ্ডনৰ এখন নিৰামিষ হোটেলত লগ পাওঁ। তেওঁৰ ককায়েক মিঃ বুৰ্জৰজী পাদশ্বাহক চন পগলা বুলি জানো। মই অবশ্যে তেওঁক লগ পোৱা নাছিলো, কিন্তু বন্ধু বিলাকে কয় তেওঁৰ মূৰৰ ঠিক নাই; ঘোঁৰাই দুখ পায বুলি তেওঁ গাৰীত নুঠে। তেওঁৰ বুদ্ধি বৰ চোকা আছিল, কিন্তু কোনো ডিগ্রী লবলৈকে তেওঁ ৰাজী নহয; তেওঁৰ এটা স্বাধীনতাৰ ভাব আছিল আৰু পার্চী হৈও নিৰামিষভোজী আছিল। পেস্তনজীৰ গাত যদিও ককাযেকৰ গুণ আটাই কেইটা নাছিল, তথাপি লণ্ডন ছহৰতো নিজৰ কঠুৱা অথচ সৰল ব্যৱহাৰৰ কাৰণে বিখ্যাত হৈ পৰিছিল। আমাৰ দুয়োজনৰ ভিতৰত মিল আছিল,

অৱশ্যে নিৰামিষ ভোজনত, পাণ্ডিত্যত নহয়, এই বিষয়ত তেওঁৰ কাষ চপাটোৱেই মোৰ পক্ষে অসম্ভৱ।

মই বোম্বেত তেওঁক আকৌ বিচাৰি উলিয়ালোগৈ। তেওঁ হাই কোৰ্টত কাম কৰিছিল। মই তেওঁৰ তালৈ যাওঁতে তেওঁ এখন ওখ বিধৰ গুজৰাটী অভিধান লিখি আছিল। এনে এজন বন্ধু নাছিল,—যাৰ ওচৰলৈ মই দক্ষিণ আফ্ৰিকাৰ কামৰ কাৰণে সহায় বিচাৰি যোৱা নাছিলোঁ। পেস্তনজী পাদশ্বাই মোক দক্ষিণ আফ্ৰিকালৈ উভটি যাবলৈকো হাক দিলে।

তেওঁ কলে—'তোমাক সহায় কৰা অসম্ভৱ। মই হলে দক্ষিণ আফ্ৰিকালৈ তোমাৰ যোৱাটোৱেই ভাল পোৱা নাই। আমাৰ দেশত কামৰ কিবা অভাব নে, চোৱা, আমাৰ ভাষাৰে বিষয়ে কৰিবলগীয়া কাম কিমান পৰি আছে। মই এতিয়া বৈজ্ঞানিক শব্দ বিচাৰি উলিৱাত লাগিছো। কিন্তু এইটো কেৱল এটা শাখা। আমাৰ দেশ খন কিমান দুখীয়া ভাবি চোৱা। অৱশ্যে দক্ষিণ আফ্ৰিকাত আমাৰ মানুহ বিলাক বিপদত পৰিছে সচাঁ, কিন্তু তোমাৰ নিচিনা মানুহ এজনক সেই কামৰ কাৰণে উছৰ্গা কৰিব মই নোখোজো। আমি ইয়াত আগেয়ে স্বৰাজ পাওঁ, সেয়ে হলে তাত থকা আমাৰ দেশী ভাই সকলকো আপোনা-আপুনি সহায় কৰা হব, মই জানো—তোমাক মই বুৰাব নোৱাৰো; কিন্তু তোমাৰ নিচিনা আন বিলাকক তোমাৰ লগ লগাত মই সহায় নকৰোঁ।'' মই তেওঁৰ এই উপদেশ ভাল নাপালো, কিন্তু সেই দিনাৰ পৰা নিঃ পেস্তনজী পাদশ্বাহলৈ মোৰ শ্ৰদ্ধা বাঢ়িল। মাতৃভাষা আৰু মাতৃ-ভূমিৰ প্ৰতি তেওঁৰ প্ৰেম দেখি মই তবধ মানিলো। এই ঘটনাই আমাৰ দুয়োকো দুয়োৰো ওচৰ চপালে। মই তেওঁৰ ভাৱৰ গতি ভালকৈ বুজিব পাৰিছিলো। কিন্তু দক্ষিণ আফ্ৰিকাৰ কাম এৰি

দিয়াটো দূৰৰ কথা সেই দিনাৰ পৰা মোৰ প্ৰতিজ্ঞা আৰু দৃঢ় হল। কোনো এটা বিষয়ত যদি কোনোবাই মাতৃভূমিৰ কিবা সেৱা কৰে গি অল্প যৎসামান্য হলেও দেশপ্ৰেমিকে সেই বনো দলিয়াই পেলাব নোৱাৰে। গীতাৰ এই শ্লোকটোৱে মোক স্পষ্টভাৱে নিৰ্দ্দেশ কৰিছে :—

'শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণঃ
        পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ
        পৰধৰ্ম্মো ভয়াবহঃ।"

পুনা আৰু মাদ্ৰাজ

(২৮)

ছাৰ ফিৰোজশ্বাহে মোৰ কাম উদ্ধ কৰি পেলাইছিল। সেইবাবে মই বোম্বেৰ পৰা পুনালৈ গলো। ইয়াত দুটা দল আছিল। সকলো মতাৱলম্বী দলৰ সহায় মোৰ লাগিবলগীয়া আছিল। পোনতে মই লোক-মান্য তিলকৰ ওচৰ চাপিলো তেওঁক কলো —

'সকলো দলৰ সহায় বিচাৰি আপুনি উচিত কামেই কৰিছে। দক্ষিণ আফ্ৰিকাৰ কথা লৈ কাৰো মতভেদ থাকিব নোৱাৰে। কিন্তু আপুনি কোনো দলত ভুক্ত নথকা এজন লোকক সভাপতিৰ বাব দিব। প্ৰফেছাৰ ভাণ্ডাৰকাৰক আপুনি লগ ধৰক। তেখেতে কিছুদিনৰ পৰা ৰাজহুৱা কামত অলপো যোগ দিয়া নাই। কিন্তু এই কথাষাৰে তেখেতক ৰাজহুৱা কামলৈ আনিব পাৰে। আপুনি তেখেতক লগ ধৰি তেখেতে কি কয়, নকয় সকলো মোক জনাব। অৱশ্যে আপুনি মোক যেতিয়াই বিচাৰে তেতিয়াই পাব। মই আপোনাক সকলো সহায় কৰিম।"

লোকমান্যৰ লগত মোৰ এয়েই প্ৰথম সাক্ষাৎ। তেখেত কিয় ইমান জনপ্ৰিয়, তাৰ কাৰণ এতিয়া বুজিলো।

ইয়াৰ পাছতে গোখেলক লগ ধৰিলো। ফাৰ্গুছন কলেজৰ ওচৰত তেখেতক লগ পালো। মোক তেখেতে আদৰ সম্ভাষণ কৰি আগ বঢ়াই নিলে। তেখেতৰ ব্যৱহাৰত মই মুগ্ধ হলো। তেখেতৰ লগত মোৰ এয়েই প্ৰথম সাক্ষাৎ। কিন্তু তথাপিও মোৰ মনত হল আমি যেন বহু দিনৰ পুৰণি বন্ধু আৰু আজি বহুত দিনৰ মূৰত পৰস্পৰক পাইছো।

মোৰ মনত হল ছাৰ ফিৰোজশ্বাহ হিমালযৰ দৰে অচল-অটল, আৰু লোকমান্য মহাসাগৰৰ দৰে প্ৰশান্ত, কিন্তু গোখেল পূতসলিলা গঙ্গাৰ দৰে। পবিত্ৰ সলিলা এই নৈত স্নান কৰি পবিত্ৰ হব পাৰি। হিমালয় অলঙ্ঘ্য, সাগৰৰো পাৰ নাই। কিন্তু গঙ্গা নদীযে মোক বুকুৰ মাজলৈ সাদৰে মাতি নিলে। এই পবিত্ৰ সলিলা নৈৰ বুকুত ওপঙি ফুৰাটো নিজৰ সৌভাগ্য। স্কুলীযা পৰীক্ষাৰ্থী লৰাক পৰীক্ষা কৰাৰ দৰে গোখেলে মোৰ পৰীক্ষা কৰিলে। কাৰ ওচৰলৈ কেনেকৈ যাব লাগে তেখেতে সকলো সবিশেষ মোক জনালে। মোক কলেজখন দেখুৱালে আৰু সকলো সহায় কৰিব বুলি আশ্বাস দিলে। ডাক্তৰ ভাণ্ডাৰকাৰৰ লগত দেখা কৰি কি হয়, নহয সকলো জনাবলৈ কৈ মোক ৰংমনেৰে বিদায দিলে। জীযাই থাকোতে ৰাজনীতি বিষয়ত গোখেলে মোৰ হিয়াত কি আসন পাইছিল আৰু এতিয়াও যি আসন পাই আছে, সি অতি উচচ।

ডাক্তৰ ভাণ্ডাৰকাৰে পিতৃৰ দৰে মৰম কৰি মোক সম্ভাষণ কৰিলে। তেতিয়া দুপৰীয়া। মই যে বহুতো মানুহক লগ ধৰি ফুৰাত তেতিয়া-লৈকেও বৰ ব্যস্ত আছো, এই কথাষাৰেই এই অক্লান্ত মনীষিৰ মনত দকৈ সাঁচ বহুৱালে আৰু এজন নিৰপেক্ষ লোকৰ ওপৰত সভা-পতিৰ বাব দিয়াৰ অভিপ্ৰায শুনি ঠিক হৈছে বুলি ততালিকে শলাগ ললে।

মোৰ সকলো কথা শুনি তেখেতে কলে—"মই ৰাজনীতিত যোগ নিদিও বুলি সকলোৱে আপোনাক কয। কিন্তু মই আপোনাৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰো। দক্ষিণ আফ্ৰিকাৰ কথা ইমান তীব্ৰ আৰু আপুনি ইযাৰ বাবে ইমান খাটিছে যে মই এই সভাত যোগ দিব নোৱাৰো বুলি কব নোৱাৰো। তিলক আৰু গোখেলক লগ ধৰি ভালেই

কৰিছে। তেখেত সকলক কব যে মই এই দুইখন সভাৰ জৰীয়তে হোৱা সভাত সভাপতি হবৰ মান্তি হৈছো। সভাৰ সময় নিৰ্দ্ধাৰণ কৰিবলৈ মোলৈ যেন বাট নাচায়। তেওঁলোকে যি সময় বাছি দিয়ে, ময়ো তাতেই মান্তি হম। এই কথা খিনি কৈ মোক আশীৰ্ব্বাদ দি তেখেতে বিদায় দিলে।

কেনো বাহ্যিক আড়ম্বৰ নোহোৱা পণ্ডিত আৰু আত্মত্যাগী এই কৰ্ম্মী সকলে পুণাত এখন সভা পাতি মোৰ উদ্দেশ্যৰ সফলতা সম্পৰ্কে মোৰ মনত দৃঢ় বিশ্বাস জন্মাই বিদায় দিলে।

ইযাৰ পাছত মই মাদ্ৰাজলৈ গলো। মাদ্ৰাজত তেতিয়া উদ্যমৰ বান পানী আহিছে। বালাসুন্দৰমৰ ঘটনাই সভাত থকা সকলোৰে মনত সাঁচ বহুৱালে। মোৰ বক্তৃতা ছপা কৰা হৈছিল আৰু ই মোৰ পক্ষে বৰ দীঘল আছিল। কিন্তু সকলো শ্ৰোতাই প্ৰত্যেক কথা মন দি শুনিছিল। সভা শেষ হোৱাত "সেউজীয়া পুস্তিকা" খন নিবলৈ সকলো লৰি আহিল। শুধৰাই দ্বিতীয় তাঙৰণ দহ হেজাৰখন ছপাইছিলো। ততালিকে সকলো বোৰ কিতাপ বিক্ৰি হবলৈ ধৰিলে। কিন্তু তথাপিও মই বুজিলো ইমান সৰহকৈ ছপা কৰিবৰ একো প্ৰযোজন নাছিল। এই কিতাপখন মানুহে বৰকৈ বিচাৰিব বুলি মই ভুল ধাৰণা কৰি ছিলো। ইংৰাজী কৱপৰা লোকসকলক উদ্দেশ্য কৰিহে এইখন লিখা হৈছিল আৰু মাদ্ৰাজত অকল এই শ্ৰেণীৰ মানুহে ইমান সৰহ কিতাপ কিনিব নোৱাৰে।

'মাদ্ৰাজ ষ্টেণ্ডাৰ্ড'ৰ সম্পাদক মিঃ জি, পৰমেশ্বৰণ পিলেৰ পৰা মই বৰ সহায় পাইছিলো। তেখেতে এই কথাষাৰ বৰ মনোযোগেৰে পঢ়িছিল। আৰু মাজে সময়ে তেখেতৰ অফিছলৈ মাতি সকলো বিষয়তে উপদেশ আদি দিছিল। হিন্দুৰ মিঃ জি, সুব্ৰহ্মণ আৰু ডাক্তাৰ সুব্ৰহ্মণ্যাই বৰ

সহানুভূতি দেখুৱাইছিল। কিন্তু জি, পৰমেশ্বৰণে 'মাদ্ৰাজ ষ্টেণ্ডাৰ্ড' কাকতৰ স্তম্ভ মোৰ বাবে মুকলি কৰি থৈছিল আৰু এই সুযোগ মই এৰা নাছিলো। মোৰ যিমান দূৰ মনত পৰে 'পাঞ্চাইপা' হল'ত যিখন সভা হৈছিল, তাৰ সভাপতি আছিল ডাক্তাৰ সুব্ৰহ্মণ্য।

এই সকল বন্ধুৱে মোক যি মৰম দেখুৱাইছিল আৰু মোৰ উদ্দেশ্যত তেখেত সকলৰ উদ্যম ইমান আছিল যে মই তেখেত সকলৰ লগত ইংৰাজী ভাষাত কথা কব লগীয়া হোৱা স্বত্বেও তেখেত সকলে মোক নিজৰ ঘৰৰ মানুহ বুলিহে ভাবিছিল। মৰমে ভাঙিব নোৱাৰা জপনা এনেকুৱা কি থাকিব পাৰে?

সোনকালে ওলোটা

(২৯)

মাদ্ৰাজৰ পৰা মই কলিকতালৈ ৰাওনা হলো। ইয়াতেই মই বহুতো বিঘিনি পাব লগা পৰিল। তাত মোৰ কোনো চিনা মানুহ নাছিল। সেইবাবে গ্ৰেট-ইষ্টাৰ্ণ হোটেলত এটা কোঠালী ভাৰা ললো। 'ডেইলী টেলীগ্ৰাফ'ৰ এজন সম্বাদদাতাৰ লগত ইয়াতেই মোৰ পৰিচয় হল। এদিন তেওঁ থকা ঠাই 'বেঙ্গল ক্লাব'লৈ মোক নিমন্ত্ৰণ কৰিলে। ক্লাবৰ বহা কামৰালৈ (Drawing room) কোনো ভাৰতীয়ক

নিব নোৱাৰি বুলি তেওঁ পূৰ্ব্বে জনা নাছিল। এই নিয়ম পাছত দেখা পাই তেওঁ মোক নিজৰ বামবালৈ নিলে। স্থানীয় ই বাঙ সবলৰ এই কুসংস্কাৰত তেও বেজাৰ প্ৰকাশ কৰি বহা বামবালৈ নিব নোৱাৰাত ক্ষমা প্ৰাৰ্থনা কৰিলে।

বঙ্গদেশৰ 'দেৱতা' সুৰেন্দ্ৰ নাথ বানাৰ্জ্জীক অৱশ্যে মই লগ ধৰিলো। তেতিয়া তেখেতৰ বিদ্যাসাগৰ বন্দৰে আগচি আছিল। তেখেতে কলে—

"আপোনাৰ কামত আমাৰেও বৰ বস আপোন বুলি মোৰ শঙ্কা হৈছে। আপুনি জানেই আমাৰ বিবিধ বন্ধন। কিন্তু তথাপিও আপুনি পাৰ্যমানে চেষ্টা কৰক। মহাৰাজা সকলৰ সহানুভূতি পাবলৈ আপুনি চেষ্টা কৰিব লাগিব। বৃটিশ ইণ্ডিয়ান এচোচিয়েশ্যনৰ নেতা সকলৰ লগত আপুনি দেখা কৰা উচিত। ৰাজা প্যাৰী মোহন মুখাৰ্জ্জী আৰু মহাৰাজা ঠাকুৰৰ লগত আপুনি দেখা কৰিবই। সেইকেইজন সকল দুয়োজনেই উদাৰ মনৰ পুৰুষ আৰু ৰাজহুৱা কামত তেখেত সকলৰ বৰ উৎসাহ।"

এই দুগৰাকী পুৰুষৰ মই দেখা কৰিলো। কিন্তু মোৰ উদ্দেশ্য সাধন নহল। দুয়োজনেই মোক কলে যে কলিকতাত ৰাজহুৱা কাম-পতা বৰ টান আৰু শিক্ষা কৰিবলৈ হলে সুৰেন্দ্ৰনাথ বানাৰ্জ্জীৰ ওপৰত সকলো নিৰ্ভৰ কৰে।

মোৰ কাম বৰ দুৰূহ হৈ। বুলি বুজি পালো। 'অমৃতবাজাৰ পত্ৰিকা'। আমাৰ লোকাত তাত বড়া ভদ্ৰলোকজনে মোক কেও কিছু নোহোৱা অৰ্থনী বুলি ধৰি ললে। বঙ্গবাসী কাৰ্য্যালয়তো একাঠী চৰকা সম্পাদকে মোক এঘন্টা খিয়াই থলে। অৱশ্যে তেওৰ লগত দেখা কৰিবলৈ অহা মানুহ বহুতো আছিল। কিন্তু সকলোকে বিদায় দিয়াৰ

পাছতো মোৰ ফালে তেওঁ কেৰাহিকৈও নাচায। বহুতপৰ বাট চাই সাহ কৰি ওচৰ চাপি মোৰ কথা কবলৈ ধৰোতেই তেওঁ কলে—'দেখা নাইনে মই কিমান ব্যস্ত আছো। আপোনাৰ দৰে অসংখ্য দৰ্শক মোৰ ওচৰলৈ আহিযেই আছে। আপুনি বৰ্ত্তমানে যাওক, এতিয়া আপোনাৰ কথা মই শুনিব নোৱাৰো।' এই কথাষাৰত অপমান পোৱাৰ দৰে পোনতে মোৰ লাগিল। কিন্তু যিহক মই সম্পাদকৰ দায়িত্ব বুজি পালো। 'বঙ্গবাসী'ৰ খ্যাতিৰ কথা মই পূৰ্ব্বে শুনিছিলো। সম্পাদকৰ দৰ্শন-প্ৰাৰ্থী লোকৰ সংখ্যা নাই, সেইটো মই নিজ চকুৰে দেখিলো। সকলোৰে লগত তেখেতৰ জনা-শুনা। আলোচ্য বিষয়ৰো অভাৱ নাই দক্ষিণ আফ্ৰিকাৰ কথা তেতিয়া কোনেও জনা নাছিল।

নিজৰ অভিযোগ যিমানেই সামান্য নহওক, সকলো সম্পাদকৰ ওচৰলৈ যাবই, সকলোকে তেওঁ কেনেকৈ সন্তুষ্ট কৰে? ইয়াৰ উপৰিও অভিযোগকাৰীযে ভাবে যে সম্পাদকৰ ক্ষমতা অসীম। অকলমাত্ৰ সম্পাদকেই জানে যে অফিচৰ চাৰি সীমাৰ বাহিৰত তেওঁৰ একো নাই। কিন্তু তথাপিও মই নিৰুৎসাহ নহলো। পূৰ্ব্বৰদৰে এঙলো-ইণ্ডিয়ান সম্পাদক সকলৰ লগতো দেখা কৰিলো। 'ষ্টেচছমেন' আৰু 'ইংলিছমেন' কাকতে ততালিকে এই কথাবোৰৰ গুৰুত্ব বুজি পালে। তেওঁলোকৰ লগত বহুত পৰলৈকে মোৰ কথা-বতৰা হল আৰু মোৰ সকলো কথা সম্পূৰ্ণকৈ তেওঁলোকে কাকতত প্ৰকাশ কৰিলে।

"ইংলিছমেন' কাকতৰ সম্পাদক মিঃ ছেণ্ডাৰ্ছে মোক আপোন মানুহৰ দৰে ব্যৱহাৰ কৰিলে। তেওঁৰ অফিছ আৰু কাকত মোৰ ব্যৱহাৰৰ বাবে গঁতাই দিলে। আনকি দক্ষিণ আফ্ৰিকা সম্পৰ্কে তেওঁ যিটো সম্পাদকীয় প্ৰবন্ধ লিখিছিল তাত মোৰ ইচ্ছামতে শুধবাবলৈকো মোক সম্পূৰ্ণ স্বাধীনতা দি আহি কাকতখন পূৰ্ব্বতে পঠাই দিলে। এইদৰে

সোনকালে ওলোটা

আমাৰ দুয়োৰো মাজত প্ৰগাঢ় বন্ধুতা হল বুলি কোৱাটো অত্যুক্তি নহয়। মোক সকলো ৰকমে সহায় কৰিব বুলি দিয়া প্ৰতিশ্ৰুতি বৰ্ণে বৰ্ণে তেওঁ কাৰ্য্যত পৰিণত কৰিছিল। আৰু টান নৰিয়া নপৰালৈকে মোৰ লগত চিঠি লিখালিখি কৰি আছিল।

মোৰ জীৱনত এনে বিধৰ বন্ধুতা পাবলৈ বহুতো সুযোগ হৈছিল মোৰ সত্যলৈ শ্ৰদ্ধা আৰু অতিৰঞ্জিত কৰি কথা নোকোৱা স্বভাৱ লক্ষ্য কৰিয়েই মিঃ চেম্বাৰ্লে মোক ইমান ভাল পাইছিল। মোৰ লগত সহানুভূতি দেখুৱাব পূৰ্ব্বতে মোক তেওঁ পোনাতে বৰ জেৰা কৰিছিল আৰু তেওঁ দেখিলে যে মই নিৰপেক্ষ ভাবে এনকি শ্বেতাঙ্গসকলৰ পক্ষৰ কথা জনাবলৈ কোনো ত্ৰুটী কৰা নাই।

মই অভিজ্ঞতাৰ পৰা জানিছো যে আমাৰ বিপক্ষক ন্যায় কৰিলে আমি সোনকালে ন্যায় বিচাৰ পাওঁ।

মিঃ চেম্বাৰ্লেইনৰ অপ্ৰত্যাশিত সমাগমত কলিকতাত বাংলা সভা পতাত মই শেহত সফল হম বুলি আশা হল, কিন্তু এনেতে ডাৰবানৰ পৰা এইবুলি তাঁৰ পালো--- পাৰ্লিয়ামেণ্ট জানুৱাৰী মাহত, সোনকালে ওলোটা।'

হঠাতে নলিনতা নিয এনি নাগা হল ইত্যাদিৰ কাৰণ জনাই বাতৰি কাকতত এখন জাননী প্ৰকাশ কৰি বোম্বেলৈ ৰাওনা হলোঁ। ৰাওনা হবৰ পূৰ্ব্বতে দাদা আবদুল্লা কোম্পানীৰ বোম্বেত থকা এজেণ্ট জনলৈ দক্ষিণ আফ্ৰিকালৈ যোৱা প্ৰথম জাহাজখনত ঠাই বন্দৱস্ত কৰিবলৈ তাঁৰ কৰিলো। দাদা আবদুল্লাই তেতিয়া "কোৰল্যেণ্ড" নামৰ জাহাজ এখন কিনিছে আৰু সেই জাহাজখনত মোক আৰু পৰিয়ালৰ আন সকলোকে বিনা ভাৰাতে নিব বুলি কৈ তাতে যাবলৈ বৰকৈ টানি ধৰিলে। মই তেওঁক ধন্যবাদ জনাই এই নিমন্ত্ৰণ গ্ৰহণ কৰি ডিছেম্বৰ

১৭

মাহৰ প্ৰথম সপ্তাহমানত দক্ষিণ আফ্ৰিকালৈ ৰাওনা হলো। মোৰ লগত মোৰ ঘৈণী, দুটা লৰা আৰু মোৰ বাঁৰী বাইদেউৰ একমাত্ৰ পুতেক আছিল। 'নাদেৰী' নামৰ আৰু এখন জাহাজ সেই সময়তেই ৰাওনা হৈছিল। তাৰো এজেন্ট আছিল দাদা আবদুল্লা কোম্পানী। এইবিলাক জাহাজত আঠশৰ পৰা এহেজাৰ যাত্ৰী আছিল। আৰু ইয়াৰ আদখিনি যাত্ৰী ট্ৰান্সভাললৈ ৰাওনা হৈছিল।

তৃতীয় ভাগ

প্ৰথম অধ্যায়

পুমুহাৰ আভাষ

লৰা-তিৰোতা লৈ এয়েই মোৰ প্ৰথম সাগৰ যাত্ৰা। এই কাহিনী লিখোতে মই মাজে সময়ে উল্লেখ কৰি আহিছো যে মজলীয়া শ্ৰেণীৰ হিন্দু পৰিয়ালত শিশুবিবাহৰ নিয়ম প্ৰচলিত থকা বাবেই গিৰীয়েকে লিখা-পঢ়া জানিলে ঘৈনীয়েক সাধাৰণতে নিৰক্ষৰা হয় আৰু তাৰবাবে দুয়োৰো মাজত এটা ডাঙৰ ব্যৱধান থাকে, গিৰীয়েকে ঘৈনীয়েকক লিখা-পঢ়া শিকাব লগীয়া হয়। সেই কাৰণে মোৰ ঘৈনী আৰু লৰা-ছোৱালীহঁতে কি সাজ পাৰ পিন্ধিব, কি আহাৰ খাব, নতুন ঠাইলৈ গৈ কি দস্তুৰত চলিব—সকলো কথা বিশদৰূপে মই ভাবিব লগীয়া হৈছিল। সেই সময়ৰ কিছুমান স্মৃতিয়ে বৰ আমোদ দিয়ে। হিন্দু ঘৈনীয়ে গিৰীয়েকৰ কথা বেদ-বাক্যৰ দৰে পালন কৰে আৰু হিন্দু গিৰীয়েকে নিজক ঘৈনীয়েকৰ প্ৰভু আৰু তেওঁক নিজৰ অনুগত বুলি ভাবে।

যি সময়ৰ কথা মই কৈছো, সেই সময়ত সভ্যৰ দৰে নিজক দেখুৱাবলৈ নিজৰ সাজ-পোচাক দৰদস্তুৰ য়ুৰোপীয়ৰ দৰে হোৱা উচিত বুলি মই ভাবিছিলো। কাৰণ মই ভাবিছিলো যে এই দৰেহে আমি প্ৰতিপত্তি বিস্তাৰ কৰিব পাৰিম আৰু প্ৰতিপত্তি নহলে দেশ-সেৱা সম্ভৱ নহয়।

মোৰ ঘৈনী আৰু লৰা-ছোৱালীহঁতে কি দৰে পোছাক পিন্ধিব লাগিব মই তাৰ নিৰ্দ্ধাৰণ কৰিলো। কাথীৱাৰৰ বনিয়াৰ দৰে দেখুৱা মই কেনেকৈ ভাল পাওঁ। সেই সময়ত ভাৰতীয়ৰ মাজত পাৰ্চী সকলেই বৰ সভ্য বুলি সকলোৱে জানিছিল। সেইবাবে পুৰা-মাত্ৰাই য়ুৰোপীয় দস্তুৰ লোৱা অসম্ভৱ হলেও পাৰ্চী দস্তুৰ আমি ললো। আৰু সেইমতে মোৰ ঘৈনীয়ে পাৰ্চী শাৰী আৰু লৰাহঁতে কোট পৎলুন পিন্ধিলে। অৱশ্যে মোজা আৰু জোতা নিপিন্ধাকৈ কোনো থকা নাছিল। এই বিলাক সাজ-পাৰত অভ্যস্ত হওঁতে তেওঁ লোকৰ বহুত দিন লাগিল। জোতাই ভৰি কাটে, মোজাত ঘামে, আঙুলিত ঘা হয়। এই সম্পৰ্কে কিবা কলে মই তত্তালিকে এটা নহয় এটা উত্তৰ দিওঁ। কিন্তু মোৰ কথাৰ যুক্তিতকৈও মোৰ প্ৰভুত্বই হে এইবিলাক কথাত তেওঁলোকৰ বিশ্বাস জন্মাইছিল। সাজ-পাৰৰ সলনিত তেওঁলোক শান্তি হল, কাৰণ ইয়াৰ বাহিৰে অন্য উপায় নাছিল। আৰু অনিচ্ছা সত্ত্বেও কাঁটা-চামুচ ব্যৱহাৰ কৰিবলৈ বাধ্য হল। সভ্যতাৰ এই আনুষঙ্গিক বস্তুলৈ মোৰ মোহ গুচাতহে তেওঁলোকে এইবিলাক বস্তুৰ ব্যৱহাৰ এৰিলে। বহুত দিন এই বিলাক বস্তুৰ ব্যৱহাৰ কৰি পাচত এৰি দি পুৰণি নীতিলৈ উলটি আহোতে অলপ অসুবিধা নোহোৱা নহয়। কিন্তু মই এতিয়া বুজিছো যে সভ্যতাৰ এইবিলাক চিন পেলাই দিয়াত আমি স্বাধীন আৰু মুক্ত বুলি অনুভৱ কৰিছো।

সেইখন জাহাজতেই আমাৰ কিছুমান জ্ঞাতি কুটুম আৰু পৰিচিত লোকো আছিল। এওঁলোক আৰু অন্যান্য তৃতীয় শ্ৰেণীৰ যাত্ৰীবিলাকৰ লগত মই চিনা পৰিচয় হৈছিলো। জাহাজখন মোৰ মক্কেলৰ হোৱা গতিকে সকলো ঠাইলৈকে মোৰ অবাধ গতি আছিল।

ধুমুহাৰ আভাষ

মাজৰ কোনো বন্দৰত জাহাজখন পোনে পোনে নেটাললৈ গতি কৰাত সাগৰত আমি ওঠৰ দিন হে থাকিব লগীয়া হৈছিল। কিন্তু মাটিত ভৰি দিয়াৰ পাছত এটা ডাঙৰ ধুমুহাত আমি পৰিব লাগিব বুলি জাননী দিবলৈ নে কি, নেটালত চাৰিদিনৰ বাট থাকোতে আছিল এটা ডাঙৰ ধুমুহাই পালে। দক্ষিণ গোলার্দ্ধত ডিচেম্বৰ মাহ আৰু গ্ৰীষ্মকাল ধুমুহা বৰষুণৰ দিন। এই সময়ত দক্ষিণ সাগৰত সাধাৰণতে ধুমুহা থাকেই। আমি পৰা ধুমুহা ইমান কোবাল আৰু বহুত পৰলৈকে আছিল যে যাত্ৰীসকলৰ মনত ভয়ৰ সঞ্চাৰ হৈছিল। সি এটা ভয়ানক দৃশ্য। এই বিপদত সকলো এক হ'ল। নিজৰ মাজৰ সকলো ভেদাভেদ পাহৰি হিন্দু-মুছলমান খৃষ্টান সকলোৱে এক ঈশ্বৰৰ নাম লোৱাত লাগিল। কোনোৱে গোসাঁইলৈ কিবা বস্তুও আগ কৰিলে। জাহাজৰ কাপ্তেনেও যাত্ৰীসকলৰ লগত যোগ দিছিল। এই ধুমুহা বিপদবিহীন নহলেও ইয়াতকৈও ভীষণ ধুমুহাত তেখেত পৰিছে বুলি কাপ্তানে আশ্বাস দি বুজাইছিল যে তেওঁলোকে তৈয়াৰী হোৱা এখন জাহাজ সকলো ধুমুহাতে ৰক্ষা পৰিব। কিন্তু তথাপিও তেওঁলোকক সান্ত্বনা দিয়া অসম্ভৱ হৈছিল। প্ৰতি মুহূৰ্ত্তে ঢেৰেকনি আৰু ঢৌৱে জাহাজৰ কাষত খুন্দা মৰাত জাহাজৰ তলি ফুটিব বুলি সকলোৱে শঙ্কা হৈছিল। ঢৌৰ খুন্দাত জাহাজখন এবাৰ ইকাতি সিকাতি হোৱাত, কেতিয়াবা ডুবিব বুলিও সকলোৱে শঙ্কা হৈছিল। "তয় ইচ্ছা পূৰ্ণ হ'ব হে দয়াময়" এয়ে সকলোৱে মুখত আছিল। অৱশেষত আকাশ মুকলি হ'ল, বেলিয়ে দেখা দিলে। আৰু কাপ্তানে জনালে যে ধুমুহা আঁতৰ হ'ল। যাত্ৰীসকলৰ মুখত পুনৰ আনন্দৰ ৰেখা বিৰিঙি উঠিল আৰু বিপদ আঁতৰ হোৱাৰ লগে লগে ঈশ্বৰৰ নাম লোৱাও সকলোৱে পাহৰিলে। খোৱা-দোৱা আমোদ-

আহ্লাদ কৰি ফুৰাই পুনৰ ৰীতি হল। মৃত্যুলৈ ভয় গুচিল আৰু ঈশ্বৰোপাসনালৈ সাময়িক প্ৰবৃত্তিৰো অন্ত পৰিল। অৱশ্যে দৈনিক নমাজ আৰু উপাসনা চলিছিল, কিন্তু সেই সময়ৰ ভক্তি আৰু ভাব এইবিলাকত বৰ্ত্তমান নাছিল। যি হওক এই ধুমুহাই মোক সকলো যাত্ৰীৰে সৈতে একে কৰিলে।

এইটো কব পাৰি যে এই ধুমুহালৈ মোৰ ভয় সামান্য হে হৈছিল বা একেবাৰেই হোৱা নাছিল কাৰণ ইয়াত কৈও ডাঙৰ ধুমুহাত মই পৰিছিলো। মই ভাল নাবিক আছিলো আৰু মই সাগৰৰ বেমাৰত নপৰো। সেইবাবে যাত্ৰীসকলৰ মাজত নিৰ্ভয় মনেৰে ফুৰি, তেওঁলোকক সান্ত্বনা দি ফুৰিছিলো। তেওঁলোকৰ লগত হোৱা এই বন্ধুতা পাছত মোৰ সহায়ত আহিছিলো। জাহাজখন ডাৰবান বন্দৰত ১৮ কি ১৯ ডিচেম্বৰত লাগিলগৈ। নাদেৰী জাহাজখনো সেই দিনাই পালেগৈ। কিন্তু প্ৰকৃত ধুমুহা আহিবলৈ এতিয়াও বাকী আছে।

দ্বিতীয় অধ্যায়

ধুমুহা

দুখন জাহাজ ১৮ তাৰিখে ডাৰবান বন্দৰত লগা আমি পাইছোৱেই। সম্পূৰ্ণ ডাক্তৰী পৰীক্ষা নোহোৱালৈকে কোনো যাত্ৰীকেই বন্দৰত নামিবলৈ দিয়া নহয়। জাহাজত কোনো সোঁচৰা বেমাৰী থাকিলে ২৪ দিন বন্দৰৰ পৰা আঁতৰত থকা নিয়ম আছিল। সেই সময়ত

বোম্বেত প্লেগ বেমাৰৰ প্ৰাদুৰ্ভাৱ হোৱাত আমিও এইদৰে বন্দী হব লগীয়া হব পাৰে বুলি আমাৰ মনত আশঙ্কা হৈছিল। পৰীক্ষাৰ আগতে এখন হালধীয়া নিছান প্ৰত্যেক জাহাজে উৰুৱাব লাগে আৰু পৰীক্ষাত ডাক্তৰে স্বাস্থ্য ভাল বুলি মত দিলেহে সেইখন নিছান নমাব পাৰি। হালধীয়া নিচানখন নমালেহে যাত্ৰীসকলৰ বন্ধু আৰু কুটুম্ব সকল জাহাজলৈ আহিব পাৰে

সেইমতে জাহাজলৈ ডাক্তৰ আহি পৰীক্ষা কৰিবলৈ ধৰোতে আমাৰ জাহাজখনত হালধীয়া নিছানখন উৰ াই থোৱা হৈছিল। ডাক্তৰে পৰীক্ষা কৰি ৫ দিন বন্দৰৰ ৰাতৰত নবলৈ হুকুম দিলে কাৰণ তেওঁৰ মতে প্লেগ বেমাৰৰ বীজাণু বিনাশ হবলৈ ২৩ দিন লাগে। সেইবাবে বোম্বে এৰাৰ ২৩ দিন নোহোৱালৈকে আমি বাহিৰত থাকিব লগীয়া হল। স্বাস্থ্যৰ বাহিৰেও এনে বিধৰ হুকুমৰ আৰু গূঢ় উদ্দেশ্য আছিল।

সেই সময়ত ডাৰবানৰ শ্বেতাঙ্গ অধিবাসী সকলে ক না মানুহক ওলোটাই পঠাই দিবলৈ আন্দোলন চলাই আছিল। আৰু এই হুকুমৰ আঁৰত এই আন্দোলনো আছিল। দাদা আবদুল্লা এণ্ড কোম্পানীয়ে হুহৰত হোৱা সকলো কথাকে দিনৌ জনাই আছিল। শ্বেতাঙ্গসকলে বিৰাট ৰাজহুৱা জন-সভা প্ৰতিদিনে পাতি আছিল। ভয় খুৱাবলৈ সকলো ৰকমৰ গৰ্হিত আচৰণ সিহঁতে কৰিছিল। আৰু মাজে সময়ে দাদা আবদুল্লাক প্ৰলোভনো দেখুৱাইছিল। তেওঁলোকে জাহাজ দুখন ওলোটাই পঠালে সকলো ক্ষতিপূৰণ দিব বুলিও সিহঁতে কৈছিল। কিন্তু দাদা আবদুল্লা এণ্ড কোম্পানী এই বিলাকত ভয় খোৱা বিধৰ নাছিল। সেই সময়ত ছেঠ আবদুল কৰিম হাজী আদমেই উক্ত কাৰ্য্যৰ অংশীদাৰ মেনেজাৰ আছিল। বন্দৰত জাহাজ লগাই যাত্ৰী

সকলক নমাই দিবলৈ তেওঁ দৃঢ়-প্ৰতিজ্ঞ। বিস্তাৰিত চিঠি-পত্ৰ প্ৰতিদিনে তেওঁ মোলৈ লিখি আছিল। সৌভাগ্যবশতঃ স্বৰ্গীয় মনছুখলাল নজৰে মোক দেখা কৰিবলৈ বুলি সেই সময়ত ডাৰবানলৈ অহিছিল। তেও নিৰ্ভীক আৰু সমৰ্থবান পুৰুষ আছিল আৰু ভাৰতীয় সকলৰ নেতা আছিল। তেওঁলোকৰ পক্ষৰ এডভোকেট মিঃ লাফটনো নিৰ্ভীক পুৰুষ আছিল, তেও শ্বেতাঙ্গ অধিবাসীসকলৰ আচৰণৰ নিন্দা কৰিছিল আৰু ভাৰতীয় সম্প্ৰদায়ক অকল বায়না-খোৱা উকীলৰ দৰে নহয়, প্ৰকৃত বন্ধুৰ দৰেই পৰামৰ্শ আদি দি আছিল।

এইদৰে ডাৰবান সমানে অসমানে যুদ্ধৰ ঠাই হল। এফালে দুখীয়া ভাৰতীয় সকল আৰু তেওঁলোকৰ কেইজন মান ইংৰাজ বন্ধু আনফালে সংখ্যাত সবহীয়া অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত, শিক্ষাত উন্নত, ধনত বলী ইংৰাজ সম্প্ৰদায়। তেওঁলোকৰ পক্ষত গবৰ্ণমেণ্ট, কাৰণ নেটাল গৱৰ্ণমেণ্টে প্ৰকাশ্যে তেওঁলোকৰ সহায় কৰিছিল, মন্ত্ৰী সভাৰ প্ৰতিপত্তিশালী মেম্বৰ মি হেৰী এচকম্বেই প্ৰকাশ্যে তেওঁলোকৰ সভাত যোগ দিছিল।

এইদৰে জাহাজখন বন্দৰৰ বাহিৰত আটক কৰি থোৱাৰ প্ৰকৃত উদ্দেশ্য আছিল যাত্ৰী সকলক নাইবা জাহাজৰ গৰাকীহঁতক ভয় খুৱাই সিহঁতৰ ভাৰতবৰ্ষলৈ ওলোটাই পঠোৱা। কাৰণ এতিয়া আমাকো ভয় দেখুৱাবলৈ ধৰিলে। দেশলৈ উলটি নগলে তোমা-লোকক ডুবাই দিয়া হব, কিন্তু উলটি যাবলৈ মান্তি হলে যোৱা খৰচ পাবাহঁক ইত্যাদি আমাকো জনোৱা হল। ঘনেপতি যাত্ৰী সকলৰ মাজত ফুৰি মই তেওঁলোকক উৎসাহ দি আছিলো। নাদেৰী জাহাজৰ যাত্ৰী সকললৈকো মই সান্ত্বনাৰ বাক্য পঠাবলৈ ধৰিলো। সকলো ধীৰ হৈ সাহেৰে থাকিল।

যাত্ৰীসকলৰ আমোদৰ কাৰণে জাহাজত সকলো ৰকমৰ খেলৰ আয়োজন কৰিলো, বৰদিনৰ দিনা কাপ্তানে ছেলুনলৰ যাত্ৰীসকলক নিমন্ত্ৰণ কৰিলে। ইয়াৰ ভিতৰত মই আৰু মোৰ পৰিয়ালেই প্ৰধান আলহী আছিল। আহাৰৰ পাছত "পাশ্চাত্য সভ্যতা" সম্পৰ্কে মই বক্তৃতা দিছিলো। গুৰুতৰ বিষয়ত বক্তৃতা দিয়াৰ এইটো সময় নহয় বুলি মই জানিছিলো। কিন্তু মোৰ বক্তৃতা ইয়াৰ বাহিৰে অন্য একো হোৱা নাছিল। আমোদ-প্ৰমোদত মই যোগ দিছিলো, কিন্তু ডাৰবানত যিখন যুঁজ চলিছে তাতেই মোৰ হিয়া আছিল। মযেই সকলোৰে ভেন্থ লক্ষ্য আছিা। মোৰ বিৰুদ্ধে দুটা অভিযোগ আছিল।

(২) ভাৰতবৰ্ষত থাকোতে মই নেটালৰ শ্বেতাঙ্গসকলৰ ওপৰত অযথা আক্ৰমণ কৰিছিলো।

(২) নেটাল প্ৰদেশ ভাৰতীয় লোকেৰে ভৰাই পেলাবলৈ দুখন জাহাজত যাত্ৰী লৈ মই আহিছো।

মোৰ দায়িত্ব সম্পৰ্কে মোৰ চেতনা আহিল। দাদা আবদল্লা এণ্ড কোম্পানীয়ে মোৰ বাবে বহুতো বিপদ মুৰ পাতি লৈছে। যাত্ৰীসকলৰ প্ৰাণ বিপন্ন আৰু পৰিয়ালৰ সকলোকে মোৰ লগত আনি তেওঁলোককো বিপদত মই পেলাইছো।

এই সম্পৰ্কে মই সম্পূৰ্ণ নিৰ্দোষী আছিলো, নেটাললৈ যাবলৈ মই কাকো উদগোৱা নাছিলো, যাত্ৰী সকল জাহাজত উঠোতে মই কাকো চিনি জানি পোৱা নাছিলো। জাহাজৰ যাত্ৰাসকলৰ ভিতৰত এশ জনৰো মই নাম-ধাম জনা নাছিলো। শ্বেতাঙ্গ সকলৰ সম্পৰ্কে নেটালত থাকোতে যি কৈছিলো, তাৰ বাহিৰে অন্য একো কথা ভাৰতবৰ্ষত কোৱা নাছিলো। সেই কোৱা কথা-

বোৰৰ সম্পৰ্কে যথেষ্ট প্ৰমাণ আছিল। সেইবাবে যি সভ্যতাৰ আদৰ্শ পাই নেটালৰ এই শ্বেতাঙ্গ সকল উঠিছে, সেই সভ্যতাৰে সমালোচনা মই কৰিলো। এই সভ্যতা সম্পৰ্কে বহুদিনৰে পৰা মই ভাবি আছিলো। সেইবাবে সেইখন সভাত এই সভ্যতা সম্পৰ্কে মোৰ মতামত জনালো। কাপ্তান আৰু অন্যান্য বন্ধুসকলে মই যি ভাৱত এই বক্তৃতা দিছিলো সেই ভাৱতে এই বক্তৃতা গ্ৰহণ কৰিলে। তেওঁলোকৰ জীৱনৰ ৰীতি-নীতিৰ যে কিবা সলনি হোৱা মই কব নোৱাৰো, কিন্তু কাপ্তানৰ লগত এই সম্পৰ্কে মোৰ দীঘলিযাকৈ কথা-বতৰা হৈছিল। বক্তৃতাত পাশ্চাত্য সভ্যতা বলৰ ওপৰত প্ৰতিষ্ঠিত বুলি মই মন্তব্য প্ৰকাশ কৰিছিলো। প্ৰশ্নকাৰী সকলে প্ৰশ্ন সুধি মোৰ বিশ্বাস আৰু দৃঢ় কৰিলে, আৰু মোৰ যিমান দূৰ মনত পৰে কাপ্তানে মোক কৈছিল —

'ধৰক শ্বেতাঙ্গসবলে—'তেওঁলোকে ভয় দেখুৱাই হে কাম কৰে, তেন্তে অহিংস নীতিৰে আপুনি কেনেকৈ থাকিব ?' ইয়াৰ উত্তৰত মই কলো——মোৰ বিশ্বাস ঈশ্বৰে মোক সাহ দিব আৰু তেওঁলোকক ক্ষমা কৰিবলৈ আৰু তেওঁলোকৰ ওপৰত আইন প্ৰযোগ কৰিবলৈ মতি নিদিব। তেওঁলোকৰ ওপৰত মোৰ একো খং নাই। মই ভাবো যে তেওঁলোকে সবলভাৱে যি বিশ্বাস কৰে তাকেই কৰিছে। সেইবাবে তেওঁলোকৰ ওপৰত খং কৰিবলৈ মোৰ একো কাৰণ নাই।' প্ৰশ্নকাৰীজনে হাঁহিলে বোধকৰো অবিশ্বাস কৰি। এইদৰে দিনবোৰ যাবলৈ ধৰিলে, আমাক এই আটক কৰি থোৱা কেতিয়া শেষ হব তাৰো একো নিৰ্দ্ধাৰণ নাই। ইয়াৰ কৰ্ম্মচাৰীজনে কলে এই বিষয়টো তেওঁৰ হাতৰ বাহিৰত আৰু গৱৰ্ণমেণ্টৰ পৰা হুকুম পালেহে তেওঁ আমাক নামিবলৈ দিব পাৰে।

অৱশেষত মোক আৰু যাত্ৰীসকলৰ ওপৰত শেষ কথা জনোৱা হল। আমি প্ৰাণ লৈ যাবলৈ বিচাৰিলে বশ্যতা স্বীকাৰ কৰিব লাগিব বুলি কোৱা হল। ইয়াৰ উত্তৰত মই আৰু আন যাত্ৰী সকলে নেটাল বন্দৰত নামিবলৈ আমাৰ অধিকাৰ দাবী কৰি জনালো যে আমি নেটালত যেনে তেনেকৈ নামিবলৈ দৃঢ়-প্ৰতিজ্ঞ। ২৩ দিনৰ পাছত জাহাজ দুখন বন্দৰত পুনৰায় সোমবলৈ দিয়া হল আৰু যাত্ৰী সকলক নামিবলৈ দয়া হল।

তৃতীয় অধ্যায়

সেইবাবে জাহাজ দুখন বন্দৰলৈ অনা হল আৰু যাত্ৰী সকল বামলৈ নামিবলৈ ধৰিলে। কিন্তু শেতাঙ্গ সকল মোৰ ওপৰত উত্তেজিত হৈ থকাত মোৰ জীৱন বিপন্ন, সেইবাবে মই আৰু মোৰ পৰিয়াল গধূলি নামিব লাগে আৰু পোৰ্ট চুপাৰিণ্টেণ্ডেণ্ট মিঃ টাটুমে আমাক ঘৰত পৌছাই থৈ আহিব বুলি মিঃ এছকম্বেই কাপ্তানক জনাইছিল। কাপ্তানে মোক এই বাতৰি দিয়াত মই সেইমতে কাম কৰিবলৈ মান্তি হলো। কিন্তু ইয়াৰ আধা ঘণ্টা নোহওঁতেই মিঃ লাফ্‌টনে কাপ্তানৰ ওচৰলৈ আহি কলে—'তেখেতৰ আপত্তি নহলে মই মিঃ গান্ধীক মোৰ লগত নিবলৈ বিচাৰো। এজেণ্ট কোম্পানীৰ আইন উপদেশক হিচাপে মই আপোনাক কওঁ যে মিঃ এছকম্বেই পঠোৱা উপদেশ আপুনি শুনিবলৈ বাধ্য নহয়, ইয়াৰ পাছত তেওঁ মোৰ

ওচৰলৈ আহি এই মৰ্ম্মে কলে—"আপুনি যদি ভয় নকৰে, তেন্তে মই কওঁ যে মিছেছ গান্ধী আৰু লৰাহঁত গাৰীৰে ৰস্তমজীৰ ঘৰলৈ যাওক, আমি খোজ কাঢ়ি তেওঁলোকৰ পাছে পাছে যাওঁ। ৰাতি চোৰৰ দৰে চহৰত সোমোৱাটো মই ভাল নাপাও। আপোনাক কোনোবাই মাৰিবৰ ভয় আছে বুলি মই নাভাবো। এতিয়া সকলো ঠাণ্ডা হৈছে। শ্বেতাঙ্গ সকল এতিয়া আঁতৰিছে, কিন্তু যিয়েই হওক, মোৰ বিশ্বাস আপুনি চোৰৰ দৰে চহৰত সোমোৱাটো উচিত নহয়।" এই কথাত মই ততালিকে মান্তি হলো। লৰা-তিৰোতাহঁত ৰস্তমজীৰ ঘৰলৈ গাৰীৰে গল আৰু কাপ্তানৰ অনুমতি লৈ মিঃ লাফটনৰ লগত মই বামলৈ নামিলো। বন্দৰৰ পৰা ৰস্তমজীৰ ঘৰ দু মাইল দুৰ।

আমি বাম গৌপাওঁতেই কিছুমান ডেকা-লৰাই মোক চিনি পালে আৰু চিঞৰি কলে—"গান্ধী গান্ধী" প্ৰায় ৬ জন মান মোৰ ফালে লৰি আহি চিঞৰত যোগ দিলে। মিঃ লাফটনৰ ভয় হল যে জনতা আৰু বাঢ়িব পাৰে আৰু তেখেতে এখন "ৰিকশ্ব" (মানুহে ঠেলি নিয়া এবিধ গাৰী) মাতিলে। ৰিকশ্বত উঠা মই কেতিয়াও ভাল পোৱা নাছিলো, এযে মোৰ প্ৰথম অভিজ্ঞতা। কিন্তু ডেকাহঁতে মোক ৰিকশ্বত উঠিবলৈ নিদিয়ে। সিহঁতে 'ৰিকশ্ব' চলোৱা লৰাটোক এই দৰে প্ৰাণৰ ভয় দেখুৱালে যে সি লৰি পলাল। আমি যিমানেই আগ বাঢ়িব ধৰিলো, সিমানেই জনতা বাঢ়িল, অৱশেষত আগবঢ়া অসম্ভৱ হল। সিহঁতে পোনতে মিঃ লাফটনৰ হাতত ধৰি তেওঁক আঁতৰাই নিলে। তাৰ পাছত মোলৈ শিলগুটি গেলা কণি আদি দলিয়াবলৈ ধৰিলে। কিছুমানে মুৰৰ পাগুৰিটো কাঢ়ি ললে, কিছুমানে মোক গোৰ আৰু ভুকু শোধাবলৈ লাগিল। মই এটা ঘৰৰ ৰেলিঙত ধৰি উশাহ লওতেই মুৰ্চ্ছা গলো, কিন্তু তথাপিও সাৰিবৰ উপায় নাই।

মোক পাছকালৰ পৰা ভুকুৱাবলৈ আৰু গুৰিয়াবলৈ ধৰিলে। পুলিছ ছুপাৰিণ্টেণ্ডেণ্টৰ ঘৈনীয়েকো হঠাতে সেই বাটেদি আহি উপস্থিত। তেখেতে মোক চিনি পাইছিল, সাহিয়াল তিৰোতা গৰাকীয়ে তেখেতৰ ছাতিটো মেলি জনতা আৰু মোৰ মাজত থিয় দিলেহি। ইয়াতেই জনতাৰ উত্তেজনা কমিল, কাৰণ মিছেছ এলেকজাণ্ডাৰক নমৰাকৈ মোৰ গালৈ সাৰ শোধোৰা টান।

ইতিমধ্যে এজন ভাৰতীয় ডেকাই এই ঘটনা দেখি পুলিছক লৰি খবৰ দিলে। পুলিচ ছুপাৰিণ্টেণ্ডেণ্ট মি এলেকজাণ্ডাৰে ততালিকে মোক মাজত সুমাই লৈ নিৰাপদে নিবলৈ কেইজমান চিপাহী পঠালে। সিহঁতো সময়মতে পালেহি। থানা পাওঁতে ছুপাৰিণ্টেণ্ডেণ্টে মই থানাত আশ্ৰয় লমনে বুলি মোক সুধিছিল, কিন্তু মই ইয়াত মান্তি নহলো। মই কলো—সিহঁতে নিজৰ ভুল বুজি পালে ঠাণ্ডা হব, সিহঁতৰ সততাত মোৰ বিশ্বাস আছে। পুলিছৰ লগত মই নিৰাপদে ৰস্তমজীৰ ঘৰ পালোহি। মোৰ গোটেই শৰীৰতে এঠাইৰ বাহিৰে কটাৰ দাগ আছিল। জাহাজৰ ডাক্তৰ দাদী বাৰজোৰ তাত উপস্থিত আছিল। আৰু তেখেতে যথাসাধ্যে মোক সহায় কৰিলে।

আমি থকা ঘৰৰ ভিতৰত নিমাত কিন্তু বাহিৰত শ্বেতাঙ্গ সকলে চাৰিওফালে বেৰি আছিল। ৰাতি হবলৈ সময় পৰ নাই। কিন্তু সেই জনসজ্জাই চিঞৰি আছিল "গান্ধীক আমাক লাগে।" দূৰদৰ্শী পুলিছ ছুপাৰিণ্টেণ্ডেণ্ট জনতাক ভয় নেদেখুৱাই ধেমালি কৰাই শান্ত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু তথাপিও উদ্বিগ্নতাৰ পৰা তেওঁ মুক্ত হোৱা নাছিল, মোক তেওঁ এই বুলি কলে—যদি আপুনি বন্ধুৰ ঘৰ আৰু নিজৰ পৰিয়ালক ৰক্ষা কৰিব খোজে, তেন্তে ছদ্মবেশ ধৰি আন ঠাইলৈ যাওক।"

সেইবাবে মই দিনাই দুটা পৰস্পৰ বিৰোধী কথাৰ সমুখ হব লগীয়া হল। জীৱনৰ আশঙ্কা কাঢ়নিব বুলি ভাবি মিঃ লাফটনে জাহাজৰ পৰা নামি বাহিৰলৈ ওলাবলৈ মোক উপদেশ দিয়ে। মই সেই উপদেশ গ্ৰহণ কৰিলো। কিন্তু এতিয়া প্ৰকৃততে সেই আশঙ্কা হলত, আন এজন বন্ধুৱে পূৰ্ব্ববিৰুদ্ধ উপদেশ দিয়াত মই তাকো গ্ৰহণ কৰিলো। কোনে কব পাৰে যে মোৰ জীৱন বিপন্ন বুলিয়েই এই কাম কৰিলো, নাইবা বন্ধুৰ আৰু নিজৰ লৰা তিৰোতাক বিপদত পেলাবলৈ ইচ্ছা নকৰো দেখিয়েই কৰিলো? যেতিয়া সাহেবে জনতাৰ সমুখ হলো আৰু যেতিয়া ছদ্মবেশ লৈ সাৰিলো এই দুটা কথাতে কোনটো ঠিক হৈছিল, তাক কোনে ডাঠি কব পাৰে?

যি ঘটনা ঘটিল সেইটো ভুল হল নে শুদ্ধ হল তাক বিচাৰ কৰাৰ সকাম নাই। পাৰিলে ভৱিষ্যতলৈ এই বিলাকৰ পৰা শিক্ষা লাভ কৰাই প্ৰয়োজন। কোনো এজন লোকে কোনো এটা ঘটনাত যিদৰে আচৰণ কৰে তাক কোৱা টান। বিচাৰ কৰিবলৈ লাগতিয়াল প্ৰমাণৰ অভাৱত অনুমান সন্দেহজনক হোৱাৰ সম্ভৱ। সি যিয়েই হওক, পলাবৰ উপায়ৰ কথা ভাবোতে আঘাতৰ কথা পাহৰিলো। ছুপাৰিণ্টেণ্ডেণ্টৰ কথামতে মই এটা ভাৰতীয় কনেষ্টবলৰ পোছাক পিন্ধি মূৰত মাদ্ৰাজী ৰুমাল বান্ধি চালৰ দৰে কাম কৰিবলৈ এখন লোৰ বৰ্ম্ম গাত মেৰিয়াই লও। দুজন চোৰাং চোৱা (Detective) মোৰ লগত আছিল, এজনৰ ভাৰতীয় সদাগৰৰ ভেশ, মুখখন ভাৰতীয়ৰ দৰে দেখুৱাবলৈ ৰঙেৰে অঙ্কিত কৰা হৈছিল। অইন জনে কি ভেশ লৈছিল মই পাহৰিলো। পাছু দুৱাৰেদি আমি ওচৰৰ দোকান এখন পালো গৈ। গুদামত গোট খুৱাই থোৱা থৈলাৰ বস্তা বিলাকৰ মাজে দি খেপিয়াই গৈ কোনো মতে দোকানৰ দুৱাৰেদি ওলাই জনতাৰ

মাজেদি বাটৰ মুৰত থিয় কৰি ৰখা গাৰী এখনত উঠিলো। অলপ পৰৰ পূৰ্ব্বতে মিঃ এলেকজান্দাৰে মোক আশ্ৰয় দিবলৈ ওলোৱা পুলিছ থানা ইয়াৰেই পালোগৈ। মই তেখেতক আৰু চোৰাং চোৰা (Detective) দুজনক ধন্যবাদ দিলো। মই এই দৰে পলাবলৈ ধৰোতে মিঃ এলেকজান্দাৰে জনতাৰ মাজত

"Hang old Gandhi
On the sour apple tree"

(বুঢ়া গান্ধীক ফাঁচী দিয়া টেঙা আপেল গছত এই গান গাই তেওঁলোকক নিযুক্ত ৰাখিছিল।

মই নিৰাপদে পলাই গৈ থানা পোৱাৰ বাতৰি পোৱাত তেখেতে এই দৰে কলে—'হেৰা তোমালোকৰ চিকাৰ ওচৰ চুবুৰীয়াৰ দোকান মাজেদি পলাল। এতিয়া তোমালোক ওচি যোৱাগৈ।' কিছুমানৰ বৰ খং উঠিল, কিছুমানে হাঁহিলে, কিছুমানে এই কথা বিশ্বাসেই নকৰিলে। 'বাৰু, যদি তোমালোকে মোক বিশ্বাস নকৰা, তেন্তে তোমালোকে দুজন মানক বাছি মোৰ লগত দিলে মই ভিতৰ দেখুৱাই লৈ আহিব পাৰো। তেওঁলোকে গান্ধীক বাহিৰ কৰি উলিয়াব পাৰিলে, মই গান্ধীক তোমালোকৰ হাতত গতাই দিম। কিন্তু তেওঁলোকে গান্ধীক নাপালে তোমালোক ওচি যাব লাগিব। মিঃ ৰুস্তমজীৰ ঘৰ ধ্বংস কৰা, নাইবা গান্ধীৰ লৰা-তিৰোতাৰ অনিষ্ট কৰা তোমালোকৰ উদ্দেশ্য নহয় নিশ্চয়।" সিহঁতে ঘৰ খানা তালাছ কৰিবলৈ মানুহ বাছি দিলে কিন্তু তেওঁলোকে উলটি আহি নিৰাশাৰ বাতৰি দিয়াত জনতা ভাগিল। সৰহভাগ লোকেই চুপাৰিণ্টেণ্ডেণ্টে কেনেকৈ কৌশল কৰি কাম চলালে, তাৰ শলাগ ললে আৰু কিছুমানে খং কৰি গালি-সপনি পৰিলে।

স্বৰ্গীয় চেম্বাৰলেন তেতিয়া ঔপনিবেশিক ছেক্রেটাৰী অব্ ষ্টেট আছিল, তেখেতে তাঁৰেৰে নেটাল গভৰ্ণমেণ্টক মোৰ আক্রমণকাৰী-সকলৰ বিৰুদ্ধে বিচাৰ কৰিবলৈ উপদেশ দিলে। মিঃ এছকম্বেই মোক মাতি পঠাই, মই আঘাত পোৱাত শোক প্রকাশ কৰি কলে—বিশ্বাস কৰক আপোনাৰ শৰীৰত যে মাৰ ধৰকৈ পৰা নাই তাৰবাবে ঈশ্বৰক ধন্যবাদ দিছো।। মিঃ লাফটনৰ উপদেশ লৈ সকলো বিপদৰ সম্মুখ হবলৈ আপোনাৰ অধিকাৰ আছে, কিন্তু আনফালে মোৰ কথা লোৱা হলে এইবোৰ ঘটনা নঘটিল হেতেন। আপুনি আক্রমণকাৰী-সকলক চিনাক্ত কৰি দিলে, তেওঁলোকক গ্রেপ্তাৰ কৰাই বিচাৰ কৰাব পাৰে। মিঃ চেম্বাৰলেনেও ইয়াকে বিচাৰে।'

এই কথাত মই এইদৰে উত্তৰ দিলো—

'মই এজনকো গ্রেপ্তাৰ কৰাই বিবাদ বঢ়াবলৈ নিবিচাৰো। তেওঁ-লোকৰ দুই এজনক মই চিনাক্ত কৰিব পাৰো, কিন্তু সিহঁতক শাস্তি দিয়ালে কি হব? আক্রমণকাৰী সকলৰ ওপৰত মই দোষ নিদিও। তেওঁলোকক জানিবলৈ দিয়া হৈছিল যে মই ভাৰতবৰ্ষত শ্বেতাঙ্গ-সকলৰ সম্পর্কে অতিৰঞ্জিত কথা লিখি তেওঁলোকক নিন্দা কৰিছিলো। এইবিলাক ৰিপোৰ্ট তেওঁলোকে বিশ্বাস কৰিলে, মোৰ ওপৰত উত্তেজিত হোৱাটো আচৰিত কথা নহয়। মোক কবলৈ অনুমতি দিলে মই কওঁ যে নেতাসকলৰেই দোষ। আপোনাসকলে লোক সকলক উচিতমতে চলাব পাৰিলে হেঁতেন, কিন্তু আপোনালোকে 'ৰয়টাৰৰ' বাতৰি বিশ্বাস কৰিলে আৰু ধৰি ললে যে মই অতিৰঞ্জিত কথাই লিখিছো। মই কাকো শাস্তি দিয়াবলৈ ইচ্ছা নকৰো। সত্য কথা প্রকাশ হলে, সিহঁতে নিজৰ আচৰণৰ বাবে অনুতপ্ত হব নিশ্চয়।" মিঃ এছকম্বেই কলে—"আপুনি মোক এই কথাখাৰ লিখি দিবনে? কাৰণ মই মিঃ চেম্বাৰ-

লৈনৈ এইদৰে তাঁৰ কৰিব লাগিব। লৰালৰিকৈ এই সম্বন্ধে এটা জবানবন্দী দিয়া মই ইচ্ছা নকৰো। এই সম্বন্ধে এটা শেষ মীমাংসাৰ পূৰ্ব্বতে আপুনি মিঃ লাফটন আৰু অন্যান্য বন্ধুৰ লগত পৰামৰ্শ কৰিব পাৰে। আপুনি সিহঁতক শাস্তি দিয়াৰ অধিকাৰ এৰি দিলে, আপুনি নিজৰ মান বঢ়োৱাৰ উপৰিও ইয়াৰ দ্বাৰা দেশত শান্তি স্থাপন কৰাত বৰকৈ সহায় কৰিব।

'আপোনাক ধন্যবাদ, মই কাৰো লগত পৰামৰ্শ কৰিবলৈ নিবিচাৰো। আপোনাৰ ওচৰলৈ অহাৰ পূৰ্ব্বতে মই এই সম্বন্ধে সিদ্ধান্ত কৰিয়েই আহিছিলো। মোৰ আক্ৰমণকাৰীহঁতক শাস্তি নিদিয়াও, এইটো স্থিৰ আৰু এই মুহূৰ্ত্ততে মোৰ মীমাংসা কাকত লিখি দিবলৈ মই সাজু আছো।' এই বুলি মোৰ কথা লিখি দিলো।

চতুৰ্থ অধ্যায়

ধুমুহাৰ পাছত শান্ত প্ৰকৃতি

থানাত দুদিন থকাৰ পাছত এছকম্বেৰ লগত দেখা সাক্ষাৎ কৰাবলৈ মোক নিয়া হৈছিল। মোক ৰক্ষা কৰিবলৈ দুজন কনিষ্টবল দিয়া হৈছিল, যদিও এইদৰে সাৱধান হবৰ একো দকাৰ নাছিল।

জাহাজৰ পৰা নামিবৰ দিনা—যিদিনা হালধীয়া পতাকাখন নমোৱা হৈছিল,—'Natal Advertiser' নামৰ কাকত এখনৰ প্ৰতিনিধিয়ে মোৰ লগত দেখা কৰিবলৈ আহিছিল। তেওঁ মোক বহুতো প্ৰশ্ন কৰিছিল। আৰু তাৰ উত্তৰ দিওঁতে মোৰ বিৰুদ্ধে যিবোৰ অভিযোগ কৰা হৈছিল সকলো খণ্ডন কৰিবলৈ মই সমৰ্থ হৈছিলো। ছাৰ ফিৰোজ শ্বাহ

মেহতাৰ কথামতেই মই ভাৰতবৰ্ষত লিখিত বক্তৃতা দিছিলো আৰু মোৰ লগত বক্তৃতাৰ নকল আৰু লিখা অন্যান্য প্ৰবন্ধাদিও আছিল। এইবোৰ সকলো কাকত পত্ৰ মই তেওঁক দি মই যে দক্ষিণ আফ্ৰিকাত কোৱা কথাৰ বাহিৰে অন্য একো কথাই কোৱা নাছিলো তাৰ প্ৰমাণ দিলো। Courland আৰু 'Naderi' বোলা জাহাজ দুখন অনাত যে মোৰ একো হাত নাছিল তাকো মই তেওঁক কলো। বহুতেই পুৰণি অধিবাসী আৰু নেটালত নাথাকি ট্ৰান্সভাললৈ যাবলৈ ইচ্ছা কৰে।

তেওঁৰ লগত হোৱা কথা-বতৰা আৰু আক্ৰমণকাৰীসকলৰ ওপৰত প্ৰতিশোধ নোলোৱাৰ সঙ্কল্প এইদৰে সকলোৰে মনত লাগিল যে ডাৰবানৰ য়ুৰোপীয় সকলে নিজৰ আচৰণৰ বাবে লজ্জিত হল। সকলো বাতৰি কাকতে মোক নিৰ্দ্দোষী বুলি ঘোষণা কৰি জনতাৰ নিন্দা কৰিলে। এইদৰে ৰাজ আলিত মোৰ ওপৰত মাৰ শোধোৱা কথাষাৰেই আমাৰ উদ্দেশ্য সাধনৰ ফালৰ পৰা চালে 'গৌৰ মাৰি গঙ্গাত পেলোৱাৰ দৰে হল।' দক্ষিণ আফ্ৰিকাত ভাৰতীয় সকলৰ সম্মান ইয়াৰ দ্বাৰা বাঢ়িল আৰু মোৰো কাম উজু হল।

তিনি চাৰি দিনৰ ভিতৰতে মই নিজৰ ঘৰলৈ গলো আৰু তাত থিতাপী হৈ বহিবলৈ সৰহ সময় নালাগিল। এই ঘটনাই ওকালতি ব্যৱসায়তো মোৰ কাম বঢ়ালে।

এই ঘটনাই ভাৰতীয় সাম্প্ৰদায়ৰ সন্মান বঢ়ালে হয়, কিন্তু ইয়াৰ দ্বাৰা আমাৰ বিৰুদ্ধে কুসংস্কাৰো বাঢ়িল। ভাৰতীয়ই সাহেবৰ লৈতে যুদ্ধ দিব পাৰে বুলি যেতিয়া সকলোৱে বুজি পালে, তেতিয়াই ভাৰতীয়ক বিপদৰ কাৰণ বুলি গণ্য কৰা হল। সেই সময়ত নেটালৰ লেজিছ্‌-লেটিভ এছেম্বলীত দুখন বিল উত্থাপিত হৈছিল, এখনৰ পৰা ভাৰতীয় বেপাৰীৰ স্বাৰ্থ হানি হোৱাৰ আশঙ্কা আছিল, আনখনৰ পৰা ভাৰতীয়

অহাত বাধা দিয়াৰ ব্যৱস্থা আছিল। সৌভাগ্যক্ৰমে ভোটৰ অধিকাৰ লৈ যি যুঞ্জ হৈছিল, তাৰ ফলত ভাৰতীয় সকলৰ ওপৰত এনে বিধৰ কোনো বিধি নোহোৱাটোৱেই স্থিৰ হ'ল অৰ্থাৎ আইন বৰ্ণ আৰু জাতি-বিশেষে সুকীয়া নহয়। এইবিলাক ব্যৱস্থাৰ ভাষা এই দৰে কৰা হৈছিল, যাতে সকলোৰে ওপৰত প্ৰয়োগ কৰিব পৰা যায়, অথচ এই-বিলাকৰ উদ্দেশ্য আছিল নেটালত ভাৰতীয় অধিবাসী সকলৰ ওপৰত কিছুমান বাধা দিয়া।

এইবিলাক ব্যৱস্থাই মোৰ ৰাজহুৱা কাম বৰ বঢ়ালে। আৰু আমাৰ সম্প্ৰদায়ৰ লোক সকলৰ কৰ্ত্তব্যবোধ বেছিকৈ জন্মালে। এইবিলাক ব্যৱস্থা ভাৰতীয় ভাষাবিলাকত অনুবাদ কৰি বিশদৰূপে বুজাই দিয়া হ'ল, যাতে সকলোৱে ইয়াৰ গূঢ় অৰ্থ বুজি পায়। আমি ঔপনিবেশিক ছেক্ৰেটাৰীলৈ আপীল কৰিলো, কিন্তু তেওঁ হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিলে আৰু এই 'বিল' দুখন আইনত পৰিণত কৰা হ'ল।

ৰাজহুৱা কামেই মোৰ সৰহ সময় লবলৈ ধৰিলে। মিঃ মনসুখলাল নজৰ ডাৰবানলৈ মোৰ লগত থাকিবলৈ আহিছে বুলি মই পুৰ্ব্বেই কৈছো আৰু তেখেত ৰাজহুৱা কামত লগাত মোৰ কামৰ বোজা কিছু পাতলিল।

মোৰ অনুপস্থিতিত ছেঠ আদমজী মিয়া খাঁই বৰ ভালকৈ কাম কৰিছিল। তেওঁ মেম্বৰ সৰহ কৰিলে আৰু নেটাল ভাৰতীয় কংগ্ৰেছৰ ভঁৰালত এহেজাৰ পাউণ্ড বঢ়ালে। এই 'বিল' দুখনৰ বিৰুদ্ধে হোৱা আন্দোলন আৰু এই যাত্ৰীসকল অহাত শ্বেতাঙ্গসকলৰ আচৰণৰ সুযোগ লৈ সৰহকৈ মেম্বৰ আৰু ধনৰ বাবে মই গোহাৰি দিয়াত ৫ হাজাৰ পাউণ্ড আমাৰ হাতত গোট খালে। কংগ্ৰেছৰ বাবে স্থায়ী ভঁৰাল এটা ৰখাই মোৰ অভিপ্ৰায় আছিল, যাতে কংগ্ৰেছৰ এটা স্থায়ী সম্পত্তি কৰি

তাৰ আয়ৰেই সকলো কাম চলাব পাৰি। ৰাজহুৱা প্ৰতিষ্ঠান চলোৱা মোৰ এয়ে প্ৰথম অভিজ্ঞতা। মই সহকৰ্ম্মীসকলৰ ওচৰত এই প্ৰস্তাৱ উলিয়াত সকলোৱে সাদৰে ললে। আৰু যি সম্পত্তি কিনি লৈ ভাৰাত দিয়া হল, তাৰ আয় মাহেকীয়া খৰচ চলাবলৈ যথেষ্ট। এই সম্পত্তি এটা ট্ৰাষ্টিৰ বোডৰ অধীনত দিয়া হল, কিন্তু ইয়েই আমাৰ ভিতৰত গৃহ-কন্দলৰ বাঁহ হল। বৰ্ত্তমানে আদালতত হে ইয়াৰ আয় গোট খায়।

মই দক্ষিণ আফ্ৰিকা এৰি অহাৰ পাছত হে এই অৱস্থা হল, কিন্তু ৰাজহুৱা প্ৰতিষ্ঠান আদিলৈ স্থায়ী ভৰাল ৰখাৰ ভাব এই গৃহবিবাদ আৰম্ভ হবাৰ বহু পুৰ্ব্বতেই হৈছিল। আৰু এতিয়া বহুতো ৰাজহুৱা প্ৰতিষ্ঠান চলাই অভিজ্ঞতা লাভ কৰাৰ পাছত স্থায়ী ভৰাল খুলি ৰাজহুৱা প্ৰতিষ্ঠান চলোৱা যুগুত নহয় বুলি মোৰ দৃঢ় বিশ্বাস হৈছে। এটা প্ৰতিষ্ঠানৰ নৈতিক পতনৰ গুটি স্থায়ী ভৰালৰ ভিতৰতেই থাকে। ৰাজহুৱা প্ৰতিষ্ঠানৰ অৰ্থ হৈছে ৰাজহুৱা ভৰালৰে চলোৱা ৰাজহুৱা কাম। যেতিয়া কোনো ৰাজহুৱা প্ৰতিষ্ঠানে ৰাইজৰ সমৰ্থন নাপায়, তেতিয়া তেনে প্ৰতিষ্ঠান জীয়াই থাকিবৰ একো দৰ্কাৰ নাই। স্থায়ী ভৰালত চলোৱা প্ৰতিষ্ঠান বিলাকে ৰাজহুৱা মতামত উপলক্ষ্য কৰি চলোৱা আৰু ৰাজহুৱা মতৰ বিৰুদ্ধে বহুতো কাম কৰা দেখা যায়। আমাৰ দেশত প্ৰতি খোজতেই আমাৰ এনেবিধৰ অভিজ্ঞতা হয়। ধৰ্ম্ম-মন্দিৰ সম্পৰ্কে বহুতো ট্ৰাষ্টে হিছাপ পত্ৰ নিদিয়েই। ট্ৰাষ্টীসকলেই মালিক হোৱা দি হৈছে। প্ৰকৃতিৰ দৰে ৰাজহুৱা প্ৰতিষ্ঠানবিলাকেও দিনৰ আহাৰ দিনে গোটাই জীয়াই থাকিব লাগে।

যি প্ৰতিষ্ঠানে ৰাইজৰ সমৰ্থন নাপায়, তাৰ জীয়াই থাকিবলৈ একো অধিকাৰ নাই। যিবোৰ বৰঙনি বছৰত উঠে, সেয়ে তাৰ প্ৰজাতন্ত্ৰৱন্তনতা

আৰু পৰিচালনাত সততাৰ প্ৰমাণ দিয়ে। প্ৰত্যেক প্ৰতিষ্ঠানেই এই পৰীক্ষাৰ মাজেদি যাব লাগে বুলি মোৰ মত।

কিন্তু কোনেও যেন মোৰ কথাত ভুল ভাব নলয়। যিবোৰ প্ৰতিষ্ঠান স্থায়ীঘৰ নহলে নচলে, তেনে বিলাকৰ ওপৰত মোৰ এই মত প্ৰয়োগ কৰিব নোৱাৰি। চলিত খৰচ বছৰে বছৰে উঠোৱা বৰঙনিৰে জুৰিব লাগে বুলি মই ভাবো।

দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহৰ দিনত মোৰ এই বিশ্বাস আৰু দৃঢ় হৈছিল। ৬ বছৰ ধৰি যি তুমুল আন্দোলন চলিছিল, তাক স্থায়ী ভৰাল নোহোৱাকৈও চলাব পৰা গৈছিল। বাজিলৈ বৰঙণি নাহিলে কি হব, এনে অৱস্থাৰ কথাও মোৰ মনত আছে। কিন্তু ভৱিষ্যতৰ কথা পূৰ্ব্বে নকওঁ, পাঠকসকলে এই কাঁহিনীতেই মোৰ মতৰ প্ৰমাণ নাই বুলি লাহে লাহে বুজি পাব।

পঞ্চম অধ্যায়

লৰা-ছোৱালীৰ শিক্ষা

১৮৯৭ সনৰ জানুৱাৰী মাহত যেতিয়া মই ডাৰবান বন্দৰত নামো, তেতিয়া মোৰ লগত তিনিটা লৰা আছিল, মোৰ ভনীৰ লৰাটীৰ বয়স ১০ বছৰ আৰু মোৰ দুটি লৰাৰ বয়স ৯ আৰু ৫ বছৰ আছিল। ইহঁতক মই ক'ত শিক্ষা দিওঁ?

য়ুৰোপীয় লৰা হঁতৰ স্কুললৈ মই ইহঁতক পঠাব পাৰিলো হেতেন, কিন্তু সিও তেওঁলোকৰ বিশেষ অনুগ্ৰহতহে। কাৰণ আন কোনো ভাৰতীয় লৰাক তাত ভৰ্ত্তি নকৰে। খ্ৰীষ্টান মিশনাৰী সকলে খোলা

স্কুলবিলাকতহে ভাৰতীয় লৰাৰ কাৰণে মুকলি আছিল, কিন্তু মই মোৰ লৰাহঁতক তালৈ পঠাবলৈ সাজু নাছিলো, কাৰণ তাত দিয়া শিক্ষাৰ মই পক্ষপাতী নাছিলো। এই বিলাক স্কুলত শিক্ষা ইংৰাজী ভাষা, নাইবা অশুদ্ধ তামিল বা হিন্দী ভাষাৰে দিয়া হৈছিল। তাকো বৰ কষ্টৰে সৈতে বন্দবস্ত কৰিব লগীয়া হৈছিল। মই এইবিলাক অসুবিধা সহ্য কৰাটো সম্ভৱ নাছিল। মই নিজেই সিহঁতক শিক্ষা দিবলৈ চেষ্টা কৰিছিলো কিন্তু সি নিয়মিত হোৱা নাছিল। ইফালে মই উপযুক্ত গুজৰাটী শিক্ষকো পোৱা নাছিলো। মই বিবুদ্ধিত পৰিলো। মোৰ নিৰ্দ্দেশমতে শিক্ষা দিব লগীয়া হোৱাকৈ এজন ইংৰাজ শিক্ষকৰ বাবে মই জাননী দিলো। নিয়মিতৰূপে কিছু শিক্ষা সিহঁতক দিয়া প্ৰয়োজন, মই মাজে সময়ে যি পাৰো শিক্ষা দিম। সেই বাবে মাহে ৭ পাউণ্ড দৰ্মহা দি এজনা ইংৰাজ শিক্ষয়িত্ৰী মই নিযুক্ত কৰিলো। এইদৰে কিছুদিন চলিল, কিন্তু মই ইয়াত সন্তুষ্ট হ'ব নোৱাৰিলো। লৰাহঁতে মোৰ লগত কথা বতৰাত গুজৰাটী কিছু শিকিলে, মই সিহঁতৰ লগত গুজৰাটীতেই কথা বতৰা হৈছিলো। সিহঁতক ভাৰতলৈ ওলোটাই পঠাবলৈ মোৰ ইচ্ছা হোৱা নাছিল কাৰণ মই তেতিয়াও বিশ্বাস কৰিছিলো যে সৰু লৰা ছোৱালীহঁতক পিতৃ মাতৃৰ পৰা আঁতৰ কৰি ৰখা যুগুত নহয়। সুশৃঙ্খলা থকা পৰিয়ালৰ মাজত লৰাই যিদৰে শিক্ষা পায়, বোৰ্ডিঙত সেইদৰে পোৱা অসম্ভৱ। মই সেইবাবে লৰাহঁতক মোৰ লগত ৰাখিলো। সেহত মোৰ ভাগিন আৰু বৰ লৰাটীক বোৰ্ডিং থকা স্কুলত পঢ়িবলৈ ভাৰতবৰ্ষলৈ পঠাব লগীয়া হল, কিন্তু সোণ-কালেই সিহঁতক ওলোটাই নিবলগীয়া হল। মোৰ লৰাটি অলপ বয়স হোৱাৰ পাছত মোৰ লগৰ পৰা গুচি আহি আহমদাবাদৰ এখন হাই স্কুলত ভৰ্ত্তি হল। মোৰ ধাৰণা হয় যে মই যি শিক্ষা দিব পাৰো, তাতেই

মোৰ ভাগিন সন্তুষ্ট আছিল। দুৰ্ভাগ্যৰ বিষয় যে সি ডেকা কালতেই অলপ দিনৰ বেমাৰতেই ঢুকাল। মোৰ অন্য তিনিটা লৰা কেতিয়াও ৰাজহুৱা স্কুলত ভৰ্ত্তি হোৱা নাছিল, যদিও দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহী সকলৰ লৰাহঁতৰ বাবে মই খোলা এখন সৰ-সুৰা স্কুলত সিহঁতে নিযমিতৰূপে শিক্ষা পাইছিল।

এই বিলাক পৰীক্ষা যথেষ্ট নাছিল। সিহঁতৰ শিক্ষাত যিমান খিনি সময দিবলৈ ইচ্ছা কৰিছিলো, সিমান সময মই দিব পৰা নাছিলো। মই সিহঁতক যথেষ্ট মনোযোগ দিব নোৱাৰাত আৰু অন্যান্য এৰাব নোৱাৰা কামৰ বাবণে সিহঁতক ইচ্ছানুৰূপ সাহিত্য আদিত শিক্ষা দিব নোৱাৰিলো। আৰু মোৰ সকলো লৰাই এই বিষযত মোৰ ওপৰত অভিযোগ কৰে। এম-এ বা বি-এ পাছ কৰা, আনকি মেট্ৰি-কুলেশ্যন পাছ কৰা লৰাৰ কাষতো সিহঁতে স্কুলীয়া শিক্ষা নোলোৱাৰ অভাৱ বোধ কৰে।

তথাপিও মই ভাবো যে কোনোমতে স্কুলত সিহঁতক শিক্ষা দিয়াব লগা হলে, সিহঁতে আজি জীৱনৰ অভিজ্ঞতাৰ পৰা যি শিক্ষা পাইছে নাইবা, পিতৃ-মাতৃৰ লগত অবিৰত সম্পৰ্কৰপৰা যি শিক্ষা পাইছে তাৰপৰা বঞ্চিত হল হেতেন, আজি মই সিহঁতৰ বাবে সিদৰে উদ্বিগ্ন নোহোৱাকৈ থাকিব পাৰিছো স্কুলত শিক্ষা পোৱা হলে মই সেই দৰে চিন্তাৰ পৰা মুক্ত থাকিব নোৱাৰিলো হেতেন। মোৰ সংস্পৰ্শৰ আঁতৰত দক্ষিণ আফ্ৰিকাত, নাইবা ইংলণ্ডত শিক্ষা পোৱা হলে যি কৃত্ৰিম শিক্ষা সিহঁতে পালে হেঁতেন আৰু বৰ্ত্তমানে সিহঁতে যি দৰে সাধাসিধা ধৰণে আছে, আৰু সেৱাৰ ভাৱ সিহঁতৰ যি আছে তাৰে এনেদৰে থাকিব নোৱাৰিলে হেঁতেন আৰু সিহঁতৰ কৃত্ৰিম জীৱনে মোৰ ৰাজহুৱা জীৱনত বহুতো বিঘিনি ঘটালে

হেঁতেন। সেই বাবে মই যদিও সিহঁতক মোৰ বা সিহঁতৰ সন্তোষমতে স্কুলত শিক্ষা দিব পৰা নাই, তথাপিও মই নিজৰ অতীত জীৱনৰ ফালে চালে মই যে সিহঁতলৈ সাধ্যমতে কৰ্ত্তব্য কৰা নাই এই কথাষাৰ ভাঁঠি কৰ নোৱাৰো। সিহঁতক স্কুললৈ পঠাব নোৱাৰাত মই অনুতাপ নকৰো। বৰঞ্চ মই সদায় ভাবো যে মোৰ বৰ লৰাটিৰ গাত যিবোৰ হব নলগা ভাৱগতি দেখো, সেইবোৰ মোৰ অসংযত আৰু গঢ় নোলোৱা প্ৰথম জীৱনৰেই প্ৰতিধ্বনি মাথোন। মই ভাবো যে মোৰ জীৱনৰ সেই অধ্যায় এন্ধাৰৰ যুগ। বৰ লৰাটীৰ বৈশোৰ বয়সতেই মোৰ সেই যুগ, সেইবাবে স্বভাৱতে সি সেই যুগ যে মোৰ অনভিজ্ঞতা আৰু অসংযমৰ যুগ তাক স্বীকাৰ নকৰে। বৰঞ্চ সেই যুগকেই মোৰ জীৱনৰ পোহৰৰ যুগ বুলি সি ধৰে আৰু পাছৰ জীৱনত যিবোৰ পৰিবৰ্ত্তন হৈছিল, সেইবোৰ মোৰ ভ্ৰমৰপৰা হৈছিল বুলিহে সি ভাৱে। সি ভাবিব পাৰে মোৰ প্ৰথমৰ জীৱন যে এটা জাগৰণৰ জীৱন আৰু পাছৰ জীৱনৰ পৰিবৰ্ত্তন বোৰ ভ্ৰমৰ পৰাহে, সি নাভাবিব কেলৈ? মোৰ এজন বন্ধুৱে এই দৰে মোক প্ৰশ্ন কৰে—

লৰাহঁতক স্কুলত শিক্ষা দিলে কি অসুবিধা হল হেঁতেন? সিহঁতৰ ডৌকা কাটিবলৈ মোৰ কি অধিকাৰ আছে? বিশ্ববিদ্যালয়ৰ উপাধি লৈ নিজৰ জীৱন নিজে গঢ়ি লোৱাত মই কিয় বাধা দিলো?

এই বিলাক প্ৰশ্নত কিবা সাৰ আছে বুলি মই নাভাবো। মই বহুতো ছাত্ৰৰ সংস্পৰ্শত আহিছো। মই নিজে নাইবা অন্যান্য লোকৰ জৰীয়তে শিক্ষা সম্পৰ্কে মই দ্ৰব্য কিছুমান নিয়ম অন্য লৰাৰ ওপৰত পৰীক্ষা কৰিছো আৰু তাৰ ফলাফল মই জানো। মোৰ লৰাহঁতৰ সমবয়সী বহুতো ডেকা আছে আৰু ব্যক্তিগতভাবে সিহঁত যে মোৰ

লৰাহঁতৰ পৰা শ্ৰেষ্ঠ নহব নাইবা সিহঁতৰ পৰা মোৰ লৰাহঁতে কিবা শিকিব লগীয়া আছে বুলিও মই নাভাবো।

কিন্তু মোৰ পৰীক্ষাৰ শেষ ফল ভবিষ্যতৰ গৰ্ভত। সভ্যতাৰ বুৰঞ্জীৰ ছাত্ৰই যাতে স্কুলৰ শিক্ষা আৰু ঘৰত দিয়া নিয়মৰ শিক্ষাৰ ব্যৱধান আৰু পিতৃ মাতৃয়ে কৰা পৰিবৰ্ত্তনৰ ফলাফল কি তাক বুজিব পাৰে বুলিয়েই ইয়াত এই কথাষাৰ আলোচনা কৰা হৈছে। সত্যৰ উপাসকে সত্যৰ পৰীক্ষাৰ বাবে কিমান দুৰলৈকে যাব পাৰে, তাকে বুজোৱাই আৰু স্বাধীনতা দেৱীয়ে ভক্তৰ পৰা কিমান খিনি ত্যাগ বিচাৰে তাকে বুজোৱা এই অধ্যায়ৰ উদ্দেশ্য। মোৰ আত্মসম্মান বোধ নথকা হলে আৰু অন্য লৰাই যি শিক্ষা পাব নোৱাৰে, তাকেই দি সন্তুষ্ট থকা হলে, মই সিহঁতক নিশ্চয় সাহিত্য আদিত শিক্ষা দিব পাৰিলো হেঁতেন। কিন্তু স্বাধীনতা আৰু আত্মসম্মান শিক্ষাৰ পৰা সিহঁতক বঞ্চিত কৰিলো হেঁতেন। স্বাধীনতা আৰু শিক্ষাৰ মাজত এটা বাছি লবলগীয়া হলে স্বাধীনতাই যে সহস্ৰগুণে শ্ৰেয় এই কথাষাৰ কোনে নকব ?

১৯২০ সনত স্কুল আৰু কলেজৰ গোলমালৰ পৰা যিবোৰ ডেকা লৰা মই উলিয়াই আনিছিলো আৰু যি সকলক দাসত্বশৃঙ্খল পিন্ধি শিক্ষাৰ বাবে স্কুললৈ যোৱাতকৈ অশিক্ষিত থাকি স্বাধীনতাৰ বাবে শিল ভঙাও শ্ৰেয় বুলি উপদেশ দিছিলো তেওঁলোকে বোধকৰো মোৰ এই উপদেশৰ অৰ্থ এতিয়া বুজি পাব।

ষষ্ঠ অধ্যায়

সেৱাৰ ভাৰ

মই মোৰ ব্যৱসায় ভালেই চলাই আছিলো ; কিন্তু ইযাত মই সন্তুষ্ট থাকিব পৰা নাছিলো। থকা-মেলাৰ দৰ দস্তুৰ ইযাতকৈ সাধাসিধা কৰিবলৈ আৰু সমাজ সেৱা আদি ৰাজহুৱা কাম কৰিবলৈ মোৰ মনত ভাৱ হৈ আছিল, এনেতে এদিনা কুষ্ঠ বেমাৰী মগনীয়া এটা মোৰ ঘৰৰ দুৱাৰত থিয় দিলেহি। এসাজ ভাত খাবলৈ দি তাক বিদায় দিবলৈ মোৰ মন নহল। সেইবাবে তাক আশ্ৰয় দি ঘা বোৰ ধুই বান্ধি দিলো আৰু সদায় তাৰ যতন লবলৈ ধৰিলো। কিন্তু সদায় তাক মই ঘৰত ৰাখিব নোৱাৰো আৰু মোৰ তেনে সঙ্কল্পৰো অভাৱ হৈছিল। সেইবাবে 'চালানী' কুলীৰ চৰকাৰী আস্পতালনলৈ তাক পঠাই দিলো।

কিন্তু তথাপিও মোৰ মনত শান্তি হোৱা নাছিল। স্থায়ী সমাজ-হিতকৰ কাম কৰিবলৈ মোৰ হেঁপাহ আছিল। তেতিয়া ডাক্তৰ বুথ ছেণ্ট আইদান মিশ্যন'ৰ (St Aidan Mission) অধ্যক্ষ। তেওঁ বৰ দয়ালু লোক আছিল আৰু বেমাৰীবিলাকক বিনা পযচাত চাইছিল। পাৰ্চী ৰস্তমজীৰ দাক্ষিণ্যৰ বাবে ডাক্তৰ বুথৰ তত্বাৱধানত এটা 'দাতব্য আস্পতাল' খোলা সম্ভব হল। এই আস্পতালত শুশ্ৰূষাকাৰী হিছাপে কাম কৰিবলৈ মোৰ বৰ ধাউতি হল। ঔষধ তৈযাৰী কৰাত প্ৰতিদিনে এঘণ্টা দুঘণ্টা লাগিছিল। মোৰ অফিছৰ সময়ৰ পৰা সেই দুঘণ্টা সময় উলিযাই আস্পতালত কম্পাউণ্ডৰৰ কামত লগাবলৈ সংকল্প কৰিলো। ব্যৱসায়ৰ সৰহ কাম মোকৰ্দ্দমা সম্পৰ্কে পৰামৰ্শাদি সোধা, দলিল আৰু মিটমাট প্ৰভৃতিৰেই আছিল। মেজিষ্ট্ৰেটৰ

আদালতৰ খুব কম মোকৰ্দ্দমাই মই পাইছিলো আৰু তাৰ সৰহ বাদ-বিসম্বাদ নথকা। মোৰ পাছতেই দক্ষিণ আফ্ৰিকালৈ গৈ মোৰ লগত থকা মিঃ খাঁই মই অনুপস্থিত থাকিলে তেনে বিলাক মোকৰ্দ্দমা বোৰ চলাইছিল। সেইবাবে এই সৰু আস্পতালটোত কাম কৰিবলৈ মোৰ সময় হল। মোৰা অহা লৈ পুৱা ২ ঘণ্টা আস্পতালৰ কামত লগালো। এই কামে মোৰ মনত শান্তি দিলে। বেমাৰীৰ অভিযোগবোৰ সুধি পুছি ডাক্তৰক জনাই ঔষধ দিয়াই মোৰ কাম হল। এই কামতেই মই দুখ কষ্ট ভুঞ্জি থকা ভাৰতীয় সকলৰ ঘনিষ্ঠ সম্পৰ্কত আহিলো। ইয়াৰ সৰহ ভাগেই তামিল তেলেগু আৰু উত্তৰ ভাৰতীয় লোক। এই অভিজ্ঞতাই মোৰ সহায়ত আহিল কাৰণ ইয়াৰ পাছত যুদ্ধৰ সময়ত বেমাৰী আৰু আহত চিপাহী হঁতক সেৱা শুশ্ৰূষা কৰিবলৈ মই আগবাঢ়ি ওলালো।

লৰাহঁতক ডাঙৰ দীঘল কৰা সমস্যা মই সদায় মন কৰিছিলো। দক্ষিণ আফ্ৰিকাত দুটি লৰা উপজিছিল আৰু আস্পতালত মই কাম লোৱা বাবে সিহঁতক ডাঙৰ দীঘল কৰা মোৰ পক্ষে টান নহল। মোৰ স্বাধীন ভাৱেই মোক প্ৰতি খোজতে পৰীক্ষাত পেলাই আছিল। ঘৈনীৰ প্ৰসৱৰ সময়ত চিকিৎসকৰ সহায় লোৱা আমি দুয়ো স্থিৰ কৰিছিলো, কিন্তু ডাক্তৰ আৰু ধাত্ৰীয়ে ঠিক সময়ত আহি নাপালে কি কৰা হব? ধাত্ৰী ভাৰতীয় হবই লাগিব। শিক্ষিত ভাৰতীয় ধাত্ৰী ভাৰতবৰ্ষতেই পোৱা কিমান টান, তাৰ পৰাই দক্ষিণ আফ্ৰিকাত এনে ধাত্ৰী পোৱাৰ কথা সহজেই অনুমান কৰিব পাৰি। সেইবাবে মই নিৰাপদে প্ৰসৱৰ সকলো লাগতিয়াল কথা পঢ়ি ললো। 'মানে শিখনম' (মাতৃলৈ উপদেশ) বোলা ডাক্তৰ ত্ৰিভুবন দাসৰ কিতাপখন পঢ়িলো।

সেইখন কিতাপত দিয়া উপদেশ মতে মই লৰাহঁতক তুলিবলৈ

ধৰিলো ; অৱশ্যে কিতাপৰ উপদেশৰ লগত নিজৰ অভিজ্ঞতাও ব্যৱহাৰ কৰিছিলো। প্ৰত্যেক বাৰেই দুমাহলৈ ধাত্ৰীও লগোৱা হৈছিল, অৱশ্যে প্ৰধানতে গৃহিণীক চাবলৈ চিতিবলৈহে, কাৰণ লৰাহঁতক ময়েই চাইছিলো। শেহৰ লৰাটিৰ জন্মৰ সময়ত মই বৰ পৰীক্ষাত পৰিবলগীয়া হৈছিল। প্ৰসৱ-বেদনা হঠাতে হল। ডাক্তৰক হঠাতে পোৱা টান আৰু ধাত্ৰী বিচাৰি আনোতেও বহুত সময় গল। আন কি তেওঁ অহা হলেও প্ৰসৱত ববকৈ সহায় কৰিব নোৱাৰিলেহেঁতেন। সেইবাবে ময়েই প্ৰসৱ কৰাৱ লগীয়া হল। ডাক্তৰ ত্ৰিভুবন দাসৰ কিতাপখন বৰ মনোযোগ দি পঢ়া মোৰ বৰ সহায়ত আহিল, মই অলপো ভয় খোৱা নাছিলো। লৰা-ছোৱালী উচিত মতে তুলিবলৈ হলে, সন্তান পালন সম্পৰ্কে পিতৃ-মাতৃৰ সাধাৰণ জ্ঞান থকা দৰ্কাৰ বুলি মোৰ বিশ্বাস হৈছিল।

এই বিষয়ে কিতাপ পাগত মই প্ৰতি খোজতেই সুবিধা পালো, কিতাপ পত্ৰ আদি মনোযোগেৰে সৈতে নপঢ়া হলে আৰু এই জ্ঞান কামত নলগোৱা হলে মোৰ লৰাহঁতে আজি বৰ্ত্তমানৰ দৰে স্বাস্থ্য নাপালেহেঁতেন। লৰাটোৰ জন্মৰ পাছত প্ৰথম পাঁচ বছৰ একোৱেই শিকিব নালাগে বুলি আমাৰ মাজত এটা কুসংস্কাৰ আছে। বৰঞ্চ প্ৰথম পাঁচ বছৰ যিবোৰ শিকে, সেই বোৰ পাছত লৰাই কেতিয়াও নিশিকে। গৰ্ভধাৰণৰ লগতেই লৰাৰ শিক্ষা আৰম্ভ হয়। গৰ্ভৰ সময়ত পিতৃ-মাতৃৰ শাৰীৰিক আৰু মানসিক অৱস্থা সন্তানত প্ৰতিফলিত হয়। গৰ্ভৰ কেইমাহ মাকৰ মানসিক অৱস্থা, তেওঁৰ ইচ্ছা আদি সকলো কথাই সন্তানত প্ৰতিফলিত হয়, জন্মৰ পাছত পিতৃ-মাতৃক সন্তানে অনুকৰণ কৰে আৰু বহুত দিনলৈকে মানসিক বিকাশ পিতৃ-মাতৃৰ আদৰ্শ মতেই হয়।

যি দম্পতীয়ে এইবোৰ কথা হৃদয়ঙ্গম কৰে, তেওঁলোকে কেতিয়াও সম্ভোগৰ কাৰণে যৌন সঙ্গম নকৰে, মাত্ৰ যেতিয়া সন্তান পাবলৈ ইচ্ছা হয়, তেতিয়াহে তেওঁলোকে সঙ্গমত মন দিয়ে। খোৱা আৰু শোৱাৰ দৰে যৌন সঙ্গম এটা স্বতন্ত্ৰীয়া শৰীৰৰ বাবে প্ৰয়োজনীয় কথা বুলি ভবাটো মূৰ্খতাৰ চিন। সন্তানৰ জন্ম দিয়াৰ ওপৰতেই সংসাৰ নিৰ্ভৰ কৰিছে। সংসাৰ ঈশ্বৰৰ লীলা, তেওঁৰ মহিমাৰ আভাষ মাখোন, সেইবাবে সন্তান উৎপাদনৰ কাম সংসাৰৰ শৃংখলাবদ্ধ উন্নতিৰ বাবে হোৱা প্ৰয়োজন। যি এই কথাষাৰ বুজে, তেওঁ ইন্দ্ৰিয়সম্ভোগ দমন কৰিব আৰু সতি-সন্ততিৰ শাৰীৰিক মানসিক আৰু আধ্যাত্মিক উন্নতিৰ বাবে লাগতিয়াল জ্ঞান পাবলৈ যত্ন কৰিব, ভবিষ্যৎ বংশধৰ সকলক সেই জ্ঞানৰ ভাগ দিব।

সপ্তম অধ্যায়

ব্ৰহ্মচৰ্য্য – (১)

এই কাহিনী লিখোতে এতিয়া জীৱনৰ এনে এটা সময় পাইছোহি যি সময়ত ব্ৰহ্মচৰ্য্য ব্ৰত লোৱাৰ কথা মই বৰকৈ ভাবি আছিলো। বিয়া হোৱাৰ পৰা মই এক বিবাহৰ আদৰ্শ লৈছিলো আৰু ভাৰ্য্যালৈ একনিষ্ঠ প্ৰেম, সত্যলৈ প্ৰীতিৰ এটা ৰূপ বুলি মই ভাবিছিলো। কিন্তু দক্ষিণ আফ্ৰিকাতেই ভাৰ্য্যা সম্পৰ্কেও ব্ৰহ্মচৰ্য্য-ব্ৰতৰ প্ৰয়োজনীয়তা মই হৃদয়ঙ্গম কৰিছিলো। কোনোখন কিতাপে, নাইবা কি ঘটনাই মোৰ মন এইফালে ঢাল খুৱালে, মই ঠিক কৈ কব নোৱাৰো, কিন্তু

পুৰ্ব্বে উল্লেখ কৰা ৰায়চণ্ডীভাইৰ প্ৰভাৱেই ইয়াৰ এটা মূল কাৰণ বুলি মোৰ মনত পৰে। তেঁওৰ লগত হোৱা এদিনৰ কথা-বতৰা মোৰ এতিয়াও মনত আছে। এদিনা তেওঁৰ কাষত মিছেছ্ গ্লাডষ্টোনৰ পতিভক্তিৰ শলাগ লৈছিলো। কমন্স সভাতো মিছেছ্ গ্লাডষ্টোনে স্বামীৰ কাৰণে চাহ কৰি দিবলৈ টানি ধৰিছিল। তেওঁলোক দুয়োৰো কামত এনে নিয়ম আৰু শৃঙ্খলা আছিল যে এই কথাষাৰো এটা নিয়মৰ ভিতৰত পৰিছিল বুলি কৰবাত মই পঢ়িছিলো। কবি চণ্ডী-ভাইক মই এই কথা কৈ দাম্পত্য-প্ৰেমৰ শলাগ লৈছিলো। তেওঁ সুধিলে ''শ্ৰীমতী গ্লাডষ্টোনৰ ভাৰ্য্যা হিচাপে পতিৰ সেৱা তুমি শলাগ লোৱানে, মিঃ গ্লাডষ্টোনৰ লগত সম্পৰ্ক নিৰ্ব্বিশেষে তেওঁৰ সেৱাৰ তুমি শলাগ লোৱা। ধৰা, তেওঁ যেন ভনীয়েক, নাইবা ভক্ত ভৃত্য আৰু ঠিক সেই একে ভক্তি দেখুৱাই সেৱা কৰা হলে তুমি কি ক'লা হেতেন?'' আমি এনে মৰমিয়াল ভনী, নাইবা ভক্তভৃত্য থকাৰ দৃষ্টান্ত নাপাওনে, ধৰা যেন এটা মতা চাকৰে সেই একে ভক্তিৰে সেৱা কৰা হলে তুমি শ্ৰীমতী গ্লাডষ্টোনৰ দৰে শলাগ ললা হেতেন নে, কোনফালে লক্ষ্য কৰি কি ভাৱত মই এই কেইটা কথা কৈছো, তুমি বুজি পাইছানে?

ৰায় চণ্ডীভাই নিজেও বিবাহিত আছিল। সেই মুহূৰ্ত্তত তেওঁৰ কথা কেইটা বৰ কঠুৱা বুলি মোৰ মনত হোৱা বুলি ধাৰণা আছে। কিন্তু এই কথাষাৰ মোৰ মনত বৰকৈ লাগিল। ভাৰ্য্যাৰ পতিভক্তিতকৈ ভৃত্যৰ ভক্তি সহস্ৰগুণে প্ৰশংসনীয় বুলি মোৰ বোধ হল। ভাৰ্য্যাৰ পতিভক্তিত আচৰিত হব লগীয়া একো কথা নাই, কাৰণ এটা অচেছদ্য বন্ধনে তেওঁলোকক বান্ধি থৈছে। ভক্তি হোৱাটো স্বাভাৱিক, প্ৰভু আৰু ভৃত্যৰ মাজত সেইদৰে মৰম আৰু ভক্তি হবলৈ হলে এটা বিশেষ

চেষ্টাৰ প্ৰয়োজন। কবিৰ কথাষাৰে লাহে লাহে মন অধিকাৰ কৰিবলৈ ধৰিলে।

তেন্তে পত্নীৰ লগত মোৰ সম্বন্ধ কি দৰে হোৱা উচিত, এয়েই মোৰ প্ৰশ্ন হল। পত্নী ইন্দ্ৰিয় সম্ভোগৰ একমাত্ৰ উপায় বুলি ধৰাতেই মোৰ একনিষ্ঠ মৰম আৰু বিশ্বাস আবদ্ধ নে? যিমান দিনলৈকে ইন্দ্ৰিয় সম্ভোগৰ মই দাস আছিলো, সিমান দিনলৈকে মোৰ একনিষ্ঠ প্ৰেমৰ একো মূল্য নাছিল। সঁচা কথা কবলৈ হলে মোৰ পত্নী কেতিয়াও মোহিনী নাছিল। সেইবাবে ব্ৰহ্মচৰ্য্যব্ৰত লোৱা মোৰ পক্ষে উক্ত কথা আছিল, ইচ্ছা কৰিলেই মই লব পাৰিছিলো। কিন্তু মোৰ দুৰ্ব্বলতা নাইবা ইন্দ্ৰিয়াসক্তিয়েই মোৰ পক্ষে বাধা আছিল। আনকি এই বিষয়ে সচেত হোৱাৰ পাছতে দুবাৰ ব্যৰ্থ হলো। মই ব্যৰ্থ হলো কাৰণ যি উদ্দেশ্যই মোক এই কামত উদগাইছিল, সেই উদ্দেশ্য উচ্চ নাছিল। লৰাছোৱালী হোৱাৰ পৰা ৰক্ষা পোৱাটোৱেই মোৰ উদ্দেশ্য আছিল। ইংলণ্ডত থাকোতে জন্ম সংৰোধৰ উপায় সম্পৰ্কে মই অলপ পঢ়িছিলো। নিৰামিষ আহাৰ সম্পৰ্কে লিখা অধ্যায়তেই মই ডাক্তৰ এলিচনৰ জন্ম সংৰোধৰ প্ৰচাৰৰ কথা উল্লেখ কৰিছিলো। এই বিলাক আলোচনাৰ কিবা ফল মোৰ মনত হৈছিল যদি, তেন্তে এইবিলাক উপায়ৰ বিৰুদ্ধে মিঃ হিলৰ প্ৰতিবাদ আৰু বাহ্যিক উপায়তকৈ আভ্যন্তৰিণ উপায় শ্ৰেয় বুলি তেখেতৰ ঘোষণাই মোৰ মনত লাগিল। আত্মসংযম সম্পৰ্কে তেখেতৰ প্ৰচাৰ কাৰ্য্যই মোৰ মনত আঁচ দিছিল। আৰু ইয়েই সময়মতে বিকশিত হৈ স্থায়ীৰূপে মনৰ গতি ওলোটালে। আৰু সন্তান হোৱা মোৰ অভিপ্ৰায় নাই দেখি জন্মসংৰোধ আৰম্ভ কৰিলো। এই কামত আমনিৰ অন্ত নাছিল। আমি দুয়ো বেলেগে শোৱা আৰম্ভ কৰিলো। দিনৰ কামত সম্পূৰ্ণতে ক্লান্ত হলেহে মই শুবলৈ যোৱা স্থিৰ কৰিলো।

এইবিলাক সকলো চেষ্টাৰ বিশেষ একো ফল নহল। কিন্তু অতীতৰ কথা মনত পেলালে মোৰ বোধ হয যে মোৰ শেষ সিদ্ধান্ত এইবিলাক সকলো ব্যৰ্থ চেষ্টাৰ সমষ্টিভূত ফল।

১৯০৬ সনত হে শেষ সিদ্ধান্ত কৰিব পৰা হৈছিল। সত্যাগ্ৰহ তেতিয়াও আৰম্ভ হোৱা নাই। এই সম্পৰ্কে মোৰ একোৱেই ধাৰণা হোৱা নাছিল। বুযৰ যুদ্ধৰ পাছতে হোৱা জুলু বিদ্ৰোহৰ সময়ত মই জোহানছবাৰ্গত ওকালতী কাৰ আছিলো। নেটাল গৱৰ্ণমেণ্টৰ সহায়ৰ অৰ্থে নিজে উপযাচি যোৱা উচিত বুলি মই ভাবিছিলো। মোৰ স্বয়ং—সেৱা তেওলোকে গ্ৰহণ কৰিলে, আমি পাছত এই কথাষাৰ বহলাই পাম। কিন্তু এই কামেই মোৰ আত্ম-সংযমৰ কথা ভাবিবলৈ বৰকৈ লগালে। আৰু মোৰ স্বভাৱমতে সহকৰ্ম্মী সকলৰ লগত এইবিলাক কথৰ আলোচনা কৰিবলৈ ধৰিলো। সন্তান জন্ম দিয়া আৰু পাছত লালন-পালনত মন দিয়া দেশ-সেবাৰ লগত নাখাটে বুলি মোৰ বিশ্বাস হল। বিদ্ৰোহৰ সময়ত সমাজ সেবা কৰিবলৈ সমৰ্থ হবলৈ ঘৰ খন ভাগিব লগীযা হল। মই নিজৰ সেবা উপযাচি দিযাৰ এমাহ মানৰ ভিতৰতে যত্নৰে সৈতে সজোৱা ঘৰটো এৰি দিব লগীযা হল। লৰা তিৰোতাক মই ফিনীক্সত থৈ আহি ভাৰতীয় সেৱক বাহিনী (Indian ambulance Corps.) পৰিচালনা কৰাত লাগিলো। এই সূত্ৰতে বহুতো অগম্য ঠাইৰ মাজেদি 'মাৰ্চ' কৰি যাওতে মোৰ মনত হৈছিল যে যদি মই এইদৰে দেশ সেৱাত আত্ম-নিয়োগ কৰো, তেন্তে সন্তান আৰু ধনৰ আকাঙ্ক্ষা পৰিত্যাগ কৰি বানপ্ৰস্থীৰ দৰে জীৱন যাপন কৰিব লাগিব।

এই বিদ্ৰোহত মোৰ ৬ সপ্তাহতকৈ বেছি দিন লগা নাছিল। কিন্তু এই কেইদিনেই মোৰ জীৱনত মূল্যৱান সময় বলি প্ৰমাণিত হল। এই

সময়তেই ব্ৰতৰ প্ৰাধান্য মোৰ অন্তৰত বেছিকৈ পৰিস্ফুট হল। ব্ৰতৰ বান্ধোনে স্বাধীনতালৈ দুৱাৰ জপোৱাতকৈ মেলি দিয়ে বুলি মই উপলব্ধি কৰিলো। ব্ৰহ্মচৰ্য্য ব্ৰত লোৱা সম্পৰ্কে মন স্থিৰ কৰা বিষয়ত মই এতিয়ালৈকে কৃতকাৰ্য্য হোৱা নাছিলোঁ। কাৰণ ইচ্ছাশক্তিৰ অভাৱ আছিল, মোৰ নিজৰ ওপৰত বিশ্বাস নাছিল, ভগবানৰ কৰুণাত বিশ্বাস নাছিল। সন্দেহৰ থৌকি-বাথৌ সাগৰত মোৰ মন কুটা এডালৰ দৰে ওপঙি ফুৰিছিল। ব্ৰত লবলৈ স্থিৰ নকৰাটো হৈছে প্ৰলোভনৰ ঘোৰ পাকত পৰা, ইয়াকেই মই উপলব্ধি কৰিলোঁ। ব্ৰতৰ বান্ধোনত নিজক আবদ্ধ কৰাৰ অৰ্থ হৈছে উচ্ছৃঙ্খলতাৰ পৰা মুক্ত হোৱা। 'চেষ্টা কৰাত মই বিশ্বাস কৰোঁ, কিন্তু নিজক এটা ব্ৰতত আবদ্ধ কৰিবলৈ মই নিবিচাৰোঁ।" এইখিনি হৈছে দুৰ্ব্বল মনোভাৱৰ কথা আৰু এনে এটা ভাৱে ত্যাগ কৰিবলৈ বিচৰা কামটোতেই মনটো সুমুৱাই ৰখাটো প্ৰকাশ কৰে। নহলে মন স্থিৰ কৰি সঙ্কল্প লবলৈ কি অসুবিধা থাকিব পাৰে? সাপে খোঁট মাৰিব বুলি ভয়ত পলবলৈ বিচাৰোঁ অথচ পলাবলৈ চেষ্টা নকৰোঁ। সামান্যভাৱে চেষ্টা কৰাৰ অৰ্থ হব নিশ্চয় মৃত্যু এইখিনি মই জানোঁ। সামান্যভাৱে চেষ্টা কৰাৰ অৰ্থ হৈছে সাপৰ হাতত মোৰ নিশ্চিত মৃত্যুৰ এইকথা ঘাৰ নজনাটো। সামান্যভাৱে চেষ্টা কৰি মই সন্তুষ্ট থকাটোৰ অৰ্থ হৈছে এটা নিৰ্দ্দিষ্ট কাম কৰিবলৈ প্ৰয়োজনীয়তা মই এতিয়ালৈকে উপলব্ধি কৰা নাই। 'কিন্তু ধৰা যদি মোৰ ব্ৰত ভবিষ্যতলৈ সলাব লগীয়া হয়, তেন্তে কিয় মই এনে এটা ব্ৰতৰ বান্ধোনত নিজক আবদ্ধ কৰোঁ?" এনে বিধৰ সন্দেহই বিধি পথালি দিয়ে। কিবা এটা বিশেষ বস্তু এৰিব লাগিব পৰিষ্কাৰকৈ এনে বোধ নোহোৱাটো এনে সন্দেহত প্ৰকাশ পায়। সেই কাৰণে নিষ্কুলানন্দই গাইছে।

"বাহিৰত ত্যাগ অন্তৰত আসক্তি,
এনে ত্যাগত নহয় কেতিয়াও মুক্তি ॥"

আসক্তি য'ত লোপ হৈছে, এনে এটা অৱস্থাত ত্যাগৰ ব্ৰতই হৈছে স্বাভাৱিক আৰু অপৰিহাৰ্য্য পৰিণতি ।

—০—

অষ্টম অধ্যায়

ব্ৰহ্মচৰ্য্য—(২)

ভালকৈ আলোচনা কৰি ১৯০৬ সনত মই এই ব্ৰত ললোঁ। এই সময়লৈকে মোৰ ঘৈনীক মোৰ মনৰ কথা বিলাকৰ ভাগ দিয়া নাছিলোঁ। কিন্তু ব্ৰত লোৱাৰ সময়ত তেওঁৰ লগত পৰামৰ্শ কৰিলোঁ। তেওঁৰ একো আপত্তি নাছিল, কিন্তু মন স্থিৰ কৰি সঙ্কল্প গ্ৰহণ কৰোতে মই বৰ অসুবিধা পাইছিলোঁ। মোৰ মনৰ বল যথেষ্ট নাছিল। ইন্দ্ৰিয়াসক্ত মনক কেনেকৈ বান্ধো। ইন্দ্ৰিয়ৰ সম্বন্ধ এৰি দি ঘৈনীৰ লগত একে লগে থকাটো এটা আচৰিত কথা যেন লাগিছিল। কিন্তু ভগবানৰ ওপৰত ভক্তি ৰাখি মই নাও মেলি দিলোঁ।

আজি কুৰি বছৰ পাছত এতিয়া এই ব্ৰত লোৱাৰ দিন বিলাকৰ কথা সুঁৱৰিলে মোৰ মনলৈ আনন্দৰ ভাব আহে আৰু আচৰিত হওঁ। অলপ অচৰপকৈ নিজক সংযত কৰাৰ চেষ্টা ১৯০১ সনৰ পৰাই কৰিছিলোঁ। এই ব্ৰত লোৱাৰ পাছত যি আনন্দ আৰু স্বাধীনতাৰ ভাব মনত উপলব্ধি কৰিলোঁ ১৯০৬ সনৰ আগতে এনে ভাব কেতিয়াও

উপলব্ধি কৰা নাছিলোঁ। এই ব্ৰত লোৱাৰ আগতে প্ৰতি মুহূৰ্ত্তে প্ৰলোভনত পৰাৰ সম্ভাৱনা আছিল। কিন্তু এতিয়া প্ৰলোভনৰ পৰা ৰক্ষা কৰিবলৈ ইয়েই মোৰ অস্ত্ৰৰ দৰে হল। এতিয়া দিনৌ ব্ৰহ্মচৰ্য্যৰ অন্তৰ্নিহিত শক্তি মোৰ ওচৰত প্ৰতীয়মান হবলৈ ধৰিলে। ফিনিক্সত থাকোতে মই এই ব্ৰত ললোঁ। এম্বুলেন্সৰ কামৰ পৰা মুকলি হোৱাৰ লগে লগে মই ফিনিক্সলৈ গলোঁ আৰু তাৰ পৰা জোহানছবাৰ্গলৈ গলোঁ। তালৈ উভটি অহাৰ এমাহমান পাছতেই সত্যাগ্ৰহৰ ভেটি বন্ধা হল। মোৰ অজ্ঞাতসাৰে ব্ৰহ্মচৰ্য্যৰ ব্ৰতই মোক ইয়ালৈ সাজু কৰিছিল। সত্যাগ্ৰহ আগৰপৰা ভাবি স্থিৰ কৰা কাম নহয়। মই ইচ্ছা নকৰাকৈ ই আপোনা-আপুনি আহিল। ইমান দিন যি বাটেদি খোজ লৈছিলোঁ, সেইবাটে ইয়ালৈকে আনিছে বুলি মই বুজিব পাৰিছিলোঁ। জোহানছবাৰ্গত অতিপাত খৰচ মই কমাইছিলোঁ আৰু তাৰপৰা যেন ব্ৰহ্মচৰ্যব্ৰত লবলৈকে ফিনিক্সলৈ আহিলোঁ।

ব্ৰহ্মচৰ্য্য পালন কৰাটো হৈছে ব্ৰহ্মক উপলব্ধি কৰা এই জ্ঞান মই শাস্ত্ৰ পঢ়ি পোৱাটো নহয়। অভীজ্ঞতাৰ লগে লগে এই জ্ঞান আহিল। শাস্ত্ৰত এই বিষয়ত লিখা কথা বিলাক পাছত হে পঢ়িবলৈ পালোঁ। এই ব্ৰতৰ প্ৰতিদিনে মোৰ এটা জ্ঞান হবলৈ ধৰিলে—শৰীৰ মন আৰু আত্মাক ৰক্ষা কৰিবলৈ ব্ৰহ্মচৰ্য্যই হৈছে একমাত্ৰ উপায়। ব্ৰহ্মচৰ্য্য এটা কঠোৰ তপস্যাৰ কথা নহয়; মনক আনন্দ আৰু সান্ত্বনা দিয়াৰ ই এটা উপায়। ইয়াৰ নতুন নতুন সৌন্দৰ্য্য দিনৌ উপলব্ধি কৰিবলৈ ধৰিলোঁ।

যদিও ই এটা দিনৌ বাঢ়ি অহা আনন্দৰ বিষয় হৈছিল, তথাপিও কোনেও যেন নাভাবে ই মোৰ বাবে সহজ কথা হৈছিল। [illegible]স ৫৬

বছৰ হোৱাতো ই কেনে টান কাম তাক মই বুজিব পাৰোঁ। ক্ষুৰৰ সাঁকোৰ ওপৰেদি খোজ কঢ়াৰ দৰে প্ৰতিমুহূৰ্ত্তত সতৰ্ক থকাৰ প্ৰয়োজনীয়তা মই উপলব্ধি কৰিব পাৰিছোঁ।

এই ব্ৰত লোৱাৰ প্ৰথম ঘাই কথা জিভা সংযত কৰা। দেখিলোঁ যে জিভা সম্পূৰ্ণভাৱে সংযত কৰিব পাৰিলে এইব্ৰত পালন কৰা উজু আজ এইবাবে আহাৰৰ পৰীক্ষা চলোৱাত লাগিলোঁ। এই পৰীক্ষা যে নিৰামিষাহাৰীৰ ফালৰ পৰাই কৰিছিলোঁ এনে নহয়। ব্ৰহ্মচাৰী হিচাপেও অস্বাদৰ ব্ৰত ললোঁ। এই বিলাক পৰীক্ষাৰ ফলত দেখিলোঁ যে ব্ৰহ্মচাৰীৰ আহাৰত এটা সীমা আছে তাত জুতি লগাবলৈ মছলা খাকিব নালাগে, নৰন্ধাকৈ খোৱাটো ভাল।

ছবছৰ পৰীক্ষাৰ পাছত দেখিলোঁ যে ব্ৰহ্মচাৰীৰ আহাৰ হৈছে জীয়া ফলমূল। এই আহাৰৰ ফলত ইন্দ্ৰিয়াসক্তি ভাৱৰ পৰা ৰক্ষা পৰিব পাৰি বুলি বুজি পালোঁ। আৰু এনে হল যে এই আহাৰ খালে সেই ভাৱে উক দিয়ে। এয়ে মোৰ অভিজ্ঞতা হল। দক্ষিণ আফ্ৰিকাত থকাৰ সময়ত এই আহাৰৰ ফলত ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰাটো সহজ কথা আছিল। কিন্তু গাখীৰ খাবলৈ ধৰাৰ পাছৰ পৰা এই ব্ৰত পালন কৰোতে যথেষ্ট যত্ন কৰিব লগীয়া হৈছিল। ফলাহাৰৰ পৰা কেনেকৈ গাখীৰ খোৱালৈ যাবলগীয়া হল, সেই বিষয়ে পাছত আলোচনা কৰিম। ব্ৰহ্মচৰ্য্যব্ৰত পালনত গাখীৰ আহাৰ সুবিধাজনক নহয় বুলি মোৰ কোনো সন্দেহ নাই। বৰ্ত্তমানে ইয়াকে কলে যথেষ্ট হব। সেইবুলি ব্ৰহ্মচাৰীয়ে গাখীৰ খোৱা এৰিব লাগিব বুলি যেন কোনেও ধৰি নলয়। বহুতো ৰকমৰ আহাৰৰ পৰীক্ষা কৰাৰ পাছতহে ব্ৰহ্মচৰ্য্য পালনত কি বিধ আহাৰ ভাল সেইটো নিৰূপণ কৰিব পাৰি। মাংসপেশী গঠনত সহায়কৰা আৰু

সহজে জীণ যোৱা গাখীৰৰ সলনি এনে কি ফল আছে সেইটো এতিয়াও বিচাৰি পোৱা নাই। কি ডাক্তৰ, কি কবিৰাজ, কোনেও এই জ্ঞান দিব পৰা নাই। সেই কাৰণে যদিও মই জানো যে গাখীৰ উত্তেজক খাদ্য তথাপিও বৰ্ত্তমানলৈ কাকো গাখীৰ এৰিবলৈ পৰামৰ্শ দিব নোৱাৰোঁ।

ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰাত বাহিৰৰ পৰা সহায় কৰিবলৈ লঘোণ দিয়াটো প্ৰয়োজন। সেই দৰে বাছি খোৱা আৰু খোৱাতো সংযমৰ প্ৰয়োজন। ইন্দ্ৰিয় বিলাকৰ শক্তি ইমান প্ৰবল যে চাৰিও-ফালৰ পৰা বান্ধিলেহে দমন কৰিব পাৰি। এইটো সকলোৰে জনা আছে যে লঘোণ থাকিলে ইন্দ্ৰিয় বিলাক শক্তিহীন হৈ থাকে সেইবাবে ইন্দ্ৰিয় সংযমৰ বাবে লঘোণ দিয়াটো ভাল তাত মোৰ কোনো সন্দেহ নাই। কিছুমানৰ কাৰণে লঘোণ দিয়াটোও একো কামৰ নহয়, কাৰণ যন্ত্ৰৰ দৰে শৰীৰত আহাৰ নিদিয়াকৈ থাকিলেও মনেৰে নানান উপাদেয় বস্তুৰ সোৱাদৰ কথা ভাবি থাকে আৰু লঘোণ ভঙাৰ পাছত কি বিধ বস্তু খাব, তাৰে চিন্তাত থাকে। এনেবিধৰ লঘোণে ইন্দ্ৰিয় সংযত নাইবা জিভাক সংযত কৰাত সহায় নকৰে। মনে যেতিয়া শৰীৰৰ লগত সহযোগ কৰে, যিবিলাক বস্তুৰ পৰা শৰীৰক বঞ্চিত কৰা হৈছে সেই বিলাকলৈ অস্বাদৰ ভাৱ আহে, তেতিয়াহে লঘোণ কামত আহে। ইন্দ্ৰিয়াসক্তিৰ গুৰিত হৈছে মন। সেই কাৰণে লঘোণৰ ব্যৱহাৰ সীমাবদ্ধ। বাহিৰত লঘোণ দিয়া হৈছে কিন্তু মন ভোগত আসক্ত এনে এটা অৱস্থাও হব পাৰে। কিন্তু এইটো কব পাৰি যে লঘোণ নিদিয়াকৈ সম্ভোগৰ লিপ্সা দমন কৰি ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰাটো অসম্ভৱ। বহুতে ব্ৰহ্মচৰ্য্য

ব্ৰত পালন কৰিবলৈ যত্ন কৰিও কৃতকাৰ্য্য নহয়, কাৰণ তেওঁ বিলাকে আনবিলাক ইন্দ্ৰিয় দমন কৰিবলৈ যত্ন নকৰে। জহকালি গা ডেইপুৰি যোৱা গৰম। এনে সময়ত জাৰকালিৰ ছেঁচা অনুভৱ কৰিবলৈ বিচৰাৰ দৰে তেওঁলোকৰ যত্ন সফল হব নোৱাৰে। যিজনে ব্ৰহ্মচৰ্য্য ব্ৰত লোৱা নাই তেওঁতকৈ ব্ৰহ্মচাৰী এজনৰ জীৱন সম্পূৰ্ণতে বেলেগ হব লাগে। দুজনৰ মাজত সাদৃশ্য আছে, কিন্তু সেইটো দেখাত। দুয়োৰো মাজত যি পাৰ্থক্য সেইটো দিনৰ পোহৰৰ দৰে পৰিষ্কাৰভাৱে ধৰিব পাৰি। দুয়ো চকুৰে চায়, কিন্তু ব্ৰহ্মচাৰীয়ে ভগবানৰ সৃষ্টিৰ সৌন্দৰ্য্য লৈহে চকু দিয়ে কিন্তু আনজনে চাৰিওফালে চলি থকা ভোগৰ উন্তাওালিলৈ চকু দিযে। দুয়ো কাণৰ ব্যৱহাৰ কৰে কিন্তু এজনে ভগবানৰ গুণগান শুনাত কাণ ব্যৱহাৰ কৰে। কিন্তু আনজনে বাহিৰৰ অশ্লীল কথাবিলাকহে শুনে। দুয়ো ৰাতি বহুত পৰলৈকে সাৰে থাকিব পাৰে কিন্তু এজনে ভগবানৰ আৰাধনাত মন দিয়ে, আনজনে ইন্দ্ৰিয় উপভোগত উন্মত্ত থাকে। অন্তৰৰ পুৰুষ জনাক দুয়ো আহাৰ যোগায়। এজনে ভগবানৰ মন্দিৰ এই শৰীৰক ভালকৈ যতনে ৰাখে। আনজনে এই পবিত্ৰ মন্দিৰক গেলা লেতেৰাঠাইত পৰিণত কৰে। উত্তৰ মেৰু আৰু দক্ষিণ মেৰুৰ মাজত যি ব্যৱধান, দুয়োৰো মাজত সেই দৰে ব্যৱধান, আৰু সময়ে এই ব্যৱধান কমাওক ছাৰি বঢ়ায়।

কায মন আৰু বাক্যত ইন্দ্ৰিয়ক দমন কৰা হৈছে ব্ৰহ্মচৰ্য্যৰ অৰ্থ। প্ৰতিদিনে এনেবিধৰ সংযমৰ প্ৰয়োজনীয়তা বেছিকৈ উপলব্ধি কৰিব ধৰিছোঁ। যি দৰে ব্ৰহ্মচৰ্য্যৰ শক্তি অসীম সেই দৰে ত্যাগৰো শক্তি অসীম। যৎসামান্য যত্ন কৰি ব্ৰহ্মচৰ্য্য সাধনা

কৰাটো অসম্ভৱ। বহুতৰ কাৰণে ই এটা আদৰ্শৰ দৰে। ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিবলৈ আকাঙ্ক্ষা কৰা লোক এজনে নিজৰ দোষ বিলাকৰ সম্পৰ্কে সদায় সজাগ থাকে, আৰু নিজৰ ভিতৰত ক'ত কি দুৰ্ব্বলতা আছে, তাক বিচাৰি উলিয়াই সেইবিলাকৰ পৰা কেনেকৈ ৰক্ষা কৰিব পাৰি তাৰ কাৰণে যত্ন কৰে। যেতিয়ালৈকে চিন্তাত সংযম নহয়, তেতিয়ালৈকে ব্ৰহ্মচৰ্য্য পালন সম্ভৱ নহয়। কিছুমান চিন্তা মানুহৰ মনলৈ আপোনা-আপুনি আহে। সেইবিলাক হৈছে মনৰ ব্যাধি। বতাহৰ গতি ৰোধ কৰাটো যিদৰে টান, সেইদৰে চিন্তা সংযত কৰাও টান। তথাপিও অন্তৰত ভগবান থকাত, মনক সংযত কৰাটো সম্ভৱপৰ হয়। এইটো টান বুলি কোনেও যেন এইটো অসম্ভৱ বুলি নাভাবে। ই এটা মহান লক্ষ্য, এই লক্ষ্য পাবলৈ আমি বৰ বেছি চেষ্টা কৰিব লাগিব। যৎসামান্য যত্ন কৰি ব্ৰহ্মচৰ্য্য সাধনা কৰাটো অসম্ভৱ এই কথাষাৰ ভাৰতলৈ অহাৰ পাছতহে উপলব্ধি কৰিব পাৰিলোঁ। তেতিয়ালৈকে মোৰ এটা ভ্ৰান্ত ধাৰণা আছিল যে কেৱলমাত্ৰ ফলাহাৰ কৰিযেই মই ইন্দ্ৰিয়সংযম কৰিব পাৰিম। এনে ধাৰণাত আৰু একো নকৰিলেও হব বুলি নিজক প্ৰবোধ দিছিলোঁ।

কিন্তু মই কি দৰে কঠোৰ সংগ্ৰাম কৰিবলগীয়া হৈছিল, সেই বিষয়ে এই অধ্যায়ত একো নিলিখোঁ। কিন্তু ইতিমধ্যে মই কেৱল এটা কথা স্পষ্টকৈ কওঁ,—যিসকলে ভগবানক পাবলৈ ব্ৰহ্মচৰ্য্যৰ সাধনা কৰিবলৈ বিচাৰে, তেওঁলোক যেন নিৰাশ নহয়, তেওঁলোকে নিজৰ ওপৰত বিশ্বাস ৰাখি, ভগবানত ভক্তি ৰাখি চলিব লাগিব।

বিষয়া বিনিবৰ্ত্তন্তে নিৰাহাৰস্য দেহিনঃ।
ৰসোবৰ্জ্জে ৰসোঽপ্যস্য পৰং দৃষ্ট্বা নিবৰ্ত্ততে ॥

দেহী যেতিয়া নিৰাহাৰী থাকে তেতিয়া বিষয় ভোগৰ স্পৃহাও শাম কাটি থাকে। কিন্তু স্পৃহা একেবাৰে লুপ্ত হৈ নাযায়। ঈশ্বৰৰ সাক্ষাৎকাৰতহে সেই স্পৃহা সম্পূৰ্ণতে লুপ্ত হয়। সেইবাবে তেওঁৰ নাম কীৰ্ত্তন তেওঁৰ অনুগ্ৰহইহে মোক্ষ পাবলৈ সাধক সকলৰ শেষ উপায়। ভাৰতলৈ উভটি অহাৰ পাছতহে এই সত্য মই উপলব্ধি কৰিব পাৰিছোঁ।

নবম অধ্যায়

আড়ম্বৰহীন জীৱন

মই প্ৰকৃততে বৰ আৰামৰে থাকিবলৈ লৈছিলো, কিন্তু ই ক্ষণস্থায়ী হল। ঘৰটো বৰ যতনেৰে সজাই লৈছিলো কিন্তু সেইঘৰৰ বিলাসিতাই মোৰ মন বান্ধি থবলৈ নোৱাৰিলে। সেইবাবে থাকিবলৈ মই নতুন নিয়ম লোৱা মাত্ৰে সকলো বিষয়তে খৰচপত্ৰ কমোৱাত লাগিলো। ধোবাৰ খৰচ সৰহেই হৈছিল আৰু সি সময়মতে কাপোৰ কানি ধুযো নিদিযে। দুই তিনি ডজন শ্বাৰ্ট আৰু 'কলাৰে'ও মোৰ নটা হৈছিল। 'কলাৰ' দিনৌ আৰু শ্বাৰ্ট দিনৌ নহলে এদিন অন্তৰে সলাব লগীয়া হৈছিল। ইযাৰ বাবে দুগুণ খৰচ পৰিছিল। এইবোৰ অনাহকতে বুলি মই ভাবিছিলো। সেইবাবে কাপোৰ ধুবলৈ সকলো সঁজুলি গোটাই ললো। কাপোৰ

ধোৱা সম্পৰ্কে এখন কিতাপ পঢ়ি নিজে শিকি ঘৈণীকো শিকালো। ইয়াত মোৰ কাম বাঢ়িল হয়, কিন্তু এই নতুনত্বত এটা আমোদ পালো।

মই প্ৰথমে যি দাল কলাৰ ধুইছিলো তাৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। শ্বেতসাৰ (starch) যিমান দিব লাগে তাতকৈ বেছি দিছিলোঁ আৰু ইস্ত্ৰিকৰা যন্ত্ৰ দালো সিমান তপত হোৱা নাছিল। কলাৰ দাল কৰবাত পোৰে বুলি মইযো সিমান জোৰে হেচা দি ইস্ত্ৰি কৰা নাছিলো। কলাৰ দাল টান হল হয়, কিন্তু সৰহকৈ লাগি থকা 'শ্বেতসাৰ' লাহে লাহে জৰিবলৈ ধৰিলে। আদালতলৈ সেইদাল কলাৰকেই পিন্ধি গলো আৰু সকলো বেৰিষ্টাৰ বন্ধুৰপৰা উপহাস জানিবা নিজেই উপযাচি মাতি ললো। সেই সময়তো লোকৰ উপহাস মই সহিব পৰা আছিলো।

'বুজিছা 'কলাৰ' নিজে ধোৱা এযেই মোৰ প্ৰথম পৰীক্ষা, সেইবাবে শ্বেতসাৰ এইদৰে জৰিছে।' এই বুলি মই সকলোকে কলো। "মই হলে ইযাত অলপো আমনি পোৱা নাই বৰঞ্চ তোমালোকক হাঁহিবলৈ সুযোগ দিযাটোও হৈছে।"

"নিশ্চয, ইযাত ধোবাৰতো অভাৱ নাই" বুলি এজনে মাত লগালে। "ধোবাৰ খৰচ বৰ বেছি, কলাৰ এদাল কিনাত যিমান দাম, ধোৱাওতে প্ৰায় সিমানেই পৰে। আৰু তাৰ উপৰিও ধোবাৰ ওপৰত সদায নিৰ্ভৰ কৰি থাকিব লাগে। নিজৰ কাপোৰ নিজে ধোৱাই শ্ৰেয়ঃ" বুলি মই ভাবো। এই বুলি মই কলো।

আত্মনিৰ্ভৰতাৰ সৌন্দৰ্য্য মই বন্ধুসকলক বুজাব নোৱাৰিলো। যিযেই হওক, মই লাহে লাহে কাপোৰ ধোৱা কামত বিশেষ পাগত হলো আৰু মোৰ ধোৱা ধোবাই ধোৱাতকৈ কোনো গুণে হীন নাছিল। মোৰ কলাৰ অইনতকৈ চিলা, নাইবা কম উজ্জ্বল নাছিল।

গোখেল দক্ষিণ আফ্ৰিকালৈ যাওতে তেওঁৰ লগত মহামতি ৰানাডেই

উপহাৰ দিয়া ৰুমাল এখন (scarf) আছিল। বৰ যত্নেৰে সৈতে তেখেতে এই স্মৃতি চিন ডুখৰি ৰাখিছিল আৰু বিশেষ অনুষ্ঠান নহলে তেখেতে কেতিয়াও ব্যৱহাৰ কৰা নাছিল। জোহান্‌ছবাৰ্গত থকা ভাৰতীয় সকলে তেখেতৰ সম্মানৰ অৰ্থে এটা ভোজ দিয়াতো তেখেতে এইখন লোৱা স্থিৰ কৰিলে। কিন্তু ৰুমালখন অলপ ময়লা হৈছিল আৰু তাত ইস্ত্ৰি কৰিব লগীয়া হৈছিল। ধোবাৰ তালৈ পঠাই তেতিয়াই ইস্ত্ৰি কৰাই অনাটো সম্ভৱপৰ নাছিল। মই নিজৰ বিদ্যা দেখুৱাবলৈ আগ বাঢ়িলো। গোখেলে কলে—বেৰিষ্টাৰ হিছাপে আপোনাৰ সামৰ্থ্যত মই নিৰ্ভৰ কৰিব পাৰো কিন্তু ধোবা হিছাপে নোৱাৰো। বেয়া হলে কি কৰিব। জানেনে ই মোৰ পক্ষে কিমান মূল্যবান।

এইবুলি তেখেতে ৰংমনেৰে সকলো কথা মোক কলে। তথাপিও মই মোক ধুবলৈ দিবলে টানি ধৰিলো আৰু কাম ভাল হব বুলি বুজাই বৰাই কামটো ললো আৰু ইস্ত্ৰি কৰি দি অৱশেষত তেখেতৰপৰা ছাৰ্টি-ফিকেটও পালো।

যিদৰে ধোবাৰ ওপৰত নিৰ্ভৰ কৰাৰপৰা নিজক মুক্ত কৰিলো, সেই দৰে নাপিতৰ ওপৰত নিৰ্ভৰ কৰাও এৰিলো। বিলাতলৈ যোৱা যি কোনো লোকেই দাড়ি খুৰাবলৈ শিকেই, কিন্তু নিজৰ চুলি নিজে কেও নাকাটে। মই এই কামো শিকিব লগীয়া হল। এদিনাখন প্ৰেটো-ৰিয়াত মই এজন ইংৰাজ নাপিতৰ দোকানলৈ গৈছিলো। সি মোৰ চুলি কাটিবলৈ অমান্তি হৈ বিদ্ৰূপ কৰি ওলোটাই পঠালে। এই অপমান মোৰ মনত বৰকৈ লাগিল আৰু ততালিকে এদাল চুলিকটা কল (clipper) কিনি আনি আৰ্চীৰ সমুখত নিজৰ চুলি কাটিলো। সমুখৰ চুলি কটাত কৃতকাৰ্য্য হলো, কিন্তু পাছফালৰ চুলি কেইডাল তেনেই নষ্ট কৰিলো। আদালতত বন্ধুসকলে হাঁহিত বাগৰিবলৈ ধৰিলে।

"গান্ধী তোমাৰ চুলিত কি হ'ল! এন্দুৰে কাটিলে নে কিপ?"

"নহয় বগা নাপিতে মোৰ কলা চুলি নাকাটে দেখি নিজেই কাটিলো বেয়াই হওক তথাপি নিজৰ।"

এই উত্তৰ শুনি বন্ধুসকল আচৰিত নহল। মোৰ চুলি নকটা নাপিতৰ দোষ নহয়। ক'লা মানুহৰ চুলি কাটিলে তাৰ ব্যৱসাযত ক্ষতি হোৱাৰ আশঙ্কা আছে। আমি আমাৰ অস্পৃশ্য ভ্ৰাতৃসকলৰ কাম কৰিবলৈ আমাৰ নাপিতহঁতক নিদিওঁ। ইয়াৰ পুৰস্কাৰ দক্ষিণ আফ্রিকাত এবাৰ নহয় কেইবা বাৰো মই পাইছো। আৰু ই যে আমাৰ নিজৰ পাপৰ প্ৰায়শ্চিত্ত, এই বিশ্বাসেই খঙ উঠাৰপৰা মোক ৰক্ষা কৰিছে।

আত্মনিৰ্ভৰশীল আৰু আড়ম্বৰহীন জীৱনলৈ মোৰ ধাউতি কিদৰে সকলো দুৰূহ কামতো প্ৰকাশ হৈছিল, তাক পাছে পৰে সময়মতে জনাম। কিন্তু ইয়াৰ গুটী বহুত দিনৰপৰা সিচা হৈছিল। ইয়াৰ গছ শিপাবলৈ আৰু ফল ফুলিবলৈ মাথোন পানীৰহে প্ৰয়োজন হৈছিল।

দশম অধ্যায়

বুয়ৰ যুদ্ধ

১৮৯৭ আৰু ১৮৯৮ সনৰ মাজত হোৱা বহুতো অভিজ্ঞতা এৰি, বুয়ৰ যুদ্ধৰ কথাকেই বৰ্ত্তমানে আৰম্ভ কৰো। বুয়ৰ যুদ্ধ ঘোষণা কৰোতে বুয়ৰসকলৰ লগতেই মোৰ ব্যক্তিগত সহানুভূতি আছিল, কিন্তু এনেবোৰ কথাত ব্যক্তিগত মত প্ৰয়োগ কৰাৰ মোৰ অধিকাৰ নাই বুলি

সেই সময়ত ভাবিছিলো। এই কথা লৈ মোৰ অন্তৰত যি যুদ্ধ চলিছিল, তাক মই দক্ষিণ আফ্রিকাত সত্যাগ্ৰহৰ বুৰঞ্জীত বহলাই লিখিছোঁ। যি সকলে এইবোৰ কথা জানিবলৈ বৰ উৎসুক, তেওঁলোকে সেই কেইখন পাত লুটিয়াই চালেই পাব। ব্রিটিংশ ৰাজত্বলৈ মোৰ ভক্তিয়ে এই যুদ্ধত ব্রিটিংশৰ পক্ষত সহায় কৰিবলৈ মোক উদগালে বুলি এই খিনিত কলেই যথেষ্ট হব। ব্রিটিংশ নাগৰিকৰ অধিকাৰ দাবি কৰিবলৈ হলে ব্রিটিংশ সাম্রাজ্য ৰক্ষাত সহায় কৰা মোৰ কৰ্ত্তব্য বুলি মই ভাবিলো। সেই বাবে যিমান পাৰো সকলো সঙ্গীক মই গোটাই লৈ তেওঁলোকৰ সহাযত এদল সেৱকবাহিনী গঠন কৰিলো। ভাৰতীযই বিপদ মূৰ পাতি লবলৈ অসমৰ্থ আৰু স্বাৰ্থৰ বাহিৰে অন্য একোলৈকে চকু নিদিযে বুলি সাধাৰণতে ইংৰাজে ভাবে। সেইবাবে বহুতো ইংৰাজ বন্ধুৱে মোৰ এই উদ্যোগত মত দিলে। ডাক্তাৰ বুথে সৰ্ব্বান্তকৰণেৰে মোক এই কামত সহায় কৰিলে। এম্বুলেন্সৰ কাম তেখেতেই শিক্ষা দিলে। আৰু সৈন্যদলৰ লগত কাম কৰিবলৈ যোগ্যতাৰ ছাৰ্টিফিকেট আমি পালো মিঃ লাফটন আৰু মিঃ এছকম্বেই আমাৰ উদ্যোগ সমৰ্থন কৰিছিল। শেহত আমি যুদ্ধক্ষেত্ৰত কাম কৰিবলৈ আবেদন কৰিলো। গৱৰ্ণমেণ্টে ধন্যবাদৰে সৈতে আমাৰ আবেদন গ্ৰহণ কৰি সেই সমযত আমাৰ সহায় নালাগে বুলি জনালে।

কিন্তু এইদৰে নামঞ্জুৰ হোৱাত মই সন্তুষ্ট থাকিব পৰা নাছিলো। ডাক্তাৰ বুথৰ সহাযত নেটালৰ বিশ্বপৰ লগত মই দেখা কৰিলো। আমাৰ বাহিনীত বহুতো ভাৰতীয খ্ৰীষ্টান আছিল আৰু বিশ্বপে৷ শেষ প্ৰস্তাৱত সন্তুষ্ট হৈ আমাক এই কামত লোৱাবলৈ যত্ন কৰিম বুলি প্ৰতিশ্ৰুতি দিলে।

এতিয়া লাহে লাহে সমযেও আমাক সহায় কৰিবলৈ ধৰিলে।

ইংৰাজে যি আশা কৰিছিল তাতকৈ সৰহ বুযৰহঁতে সাহ আৰু দৃঢ়তা দেখুৱাবলৈ ধৰিলে। আৰু অবশেষত আমাৰ সহায়ো গ্ৰহণ কৰিব লগীয়া হল।

আমাৰ দলত ৪০ জন নেতাৰ তলত ১১০০ লোক আছিল। এই দলত প্ৰায় ৩০০ জন স্বাধীন ভাবে থকা ভাৰতীয় লোক বাকী সকলো চালানী কুলী। ডাক্তৰ বুথো আমাৰ লগতে আছিল। এইদলে কামত ভালেই কৰিছিল। গোলা-গুলি চলি থকা মণ্ডলৰ বাহিৰত আমাৰ কাম নিৰ্দ্ধাৰিত হলেও আৰু ৰেডক্ৰছৰ চিন থকাত আমাৰ জীৱনৰ ভয় নাথাকিলেও এটা সঙ্কটজনক সময়ত গোলা-গুলি চলি থকা মণ্ডলতো কাম কৰিবলৈ আমাক মতা হৈছিল। গোলা-গুলি চলি থকা ঠাইৰ বাহিৰত কাম কৰিবলৈ আমি নিজে বাছি লোৱা নাছিলো। আমি যাতে এনে ঠাইলৈ গৈ বিপদত নপৰোঁ সেইবাবে কৰ্তৃপক্ষইহে এনে হুকুম কৰিছিল। কিন্তু স্পিয়নকপত পৰাজয়ৰ পাছত অৱস্থাৰ পৰিবৰ্তন ঘটিল আৰু জেনেৰেল বুলাৰে আমালৈ এই বুলি বাতৰি পঠালে যে যদিও আমি গোলা-গুলি চলি থকা ঠাইলৈ গৈ বিপদ মূৰ পাতি লবলৈ বাধ্য নহওঁ, তথাপি এই সময়ত আহত চিপাহীসকলক সেই ঠাইৰপৰা কঢ়িয়াই আনিলে গৱৰ্ণমেণ্ট আমালৈ কৃতজ্ঞ হব। এই বাতৰি পাই আমাৰ মাজত একো দোধোৰ মোধোৰ হোৱা নাছিল। সেইবাবে স্পিয়নকপৰ যুদ্ধত আমি বিপদজনক ঠাইতো কাম কৰিব লগীয়া হল। এই কেইদিন আমি দিনে কুৰি পঁচিশ মাইল আহত সকলক কঢ়িয়াই নিব লগীয়া হৈছিল। আহত হোৱা সকলৰ ভিতৰত জেনেৰেল উডগেটকো কঢ়িয়াই নিবৰ সৌভাগ্য আমাৰ হৈছিল।

ছ সপ্তাহ কাম কৰাৰ পাছত এই বাহিনী বিদায় দিয়া হল। স্পিয়নকপ আৰু ভালক্ৰাণ্টত পৰাজয়ৰ পাছত লেডীস্মিথ আৰু অন্যান্য ঠাইবিলাক

উদ্ধাৰ কৰিবলৈ এৰি দি ভাৰতবৰ্ষ আৰু ইংলণ্ডৰ পৰা নতুন ফৌজৰ আশাত বাট চাবলৈ তেওঁলোকে স্থিৰ কৰিলে।

সেই সময়ত আমাৰ এইফেৰা সামান্য কামৰেই শলাগ লোৱা হৈছিল আৰু ইয়াৰ ফলত ভাৰতীয়ৰ সম্মান বাঢ়িল। বাতৰি কাকত বিলাকে শলাগৰ শৰাই পদ্যৰে লিখিবলৈ ধৰিলে। সেইবিলাকৰ সাৰ মৰ্ম্ম আছিল "যিয়েই হওক, আমি এখন সাম্ৰাজ্যৰেই সতি সন্ততি।"

জেনেৰেল বুলাৰে ডিস্পাচত এই সেৱকবাহিনীৰ প্ৰশংসা কৰিছিল আৰু শেহত নেতাসকলৰ যুদ্ধপদক (War Medal) দিয়া হল। ভাৰতীয় সম্প্ৰদায় পূৰ্ব্বতকৈ সঙ্ঘবদ্ধ হল। আৰু ময়ো চালানী কুলীবিলাকৰ লগত ঘনিষ্ঠ সম্পৰ্কত আহিলো। সিহঁতৰ মাজত এটা ডাঙৰ জাগৰণ আহিল আৰু হিন্দুমুছলমান খ্ৰীষ্টান তামিল গুজৰাটী শিখ সকলোৰেই যে ভাৰতবাসী আৰু একে ভাৰত মাতৃৰ সন্তান, এই কথাষাৰ সিহঁতৰ মনত দকৈ সোমাল। সকলোৱে ভাবিলে যে এতিয়া আমাৰ অভিযোগ বিলাকৰ প্ৰতিকাৰ হব। শ্বেতাঙ্গসকলৰ আও ভাও এতিয়া স্পষ্টকৈ পৰিবৰ্ত্তন হোৱা দেখা গল। যুদ্ধৰ সময়ত শ্বেতাঙ্গসকলৰ লগত সম্বন্ধ বৰ মধুৰ হৈছিল, হাজাৰে হাজাৰে ব্ৰিটিশ ছিপাহীৰ সংস্পৰ্শত আমি আহিছিলো। সিহঁত আমাৰে সৈতে বৰ বন্ধু হৈছিল আৰু আমি যে সিহঁতৰ সেৱাৰ কাৰণেই তালৈ গৈছো বুলি জানি আমালৈ কৃতজ্ঞও হৈছিল।

বিপদৰ সময়ত মানৱ প্ৰকৃতিয়ে কি ৰূপ লয়, তাৰ এটা মধুৰ স্মৃতি নোকোৱাকৈ থাকিব নোৱাৰো। লৰ্ড ৰবাৰ্টৰ পুতেক লেফটেনান্ট ৰবাৰ্টছ্ বৰ সাংঘাতিক ৰকমে আহত হোৱা চিভলী কেম্পৰ যুদ্ধ ক্ষেত্ৰলৈ আমি 'মাৰ্চ' কৰি গৈছিলো। তেখেতক কঢ়িয়াই অনাৰ সৌভাগ্য আমাৰেই হৈছিল। সেইদিনা বৰ গৰম আছিল। পিয়াহত সকলোৱেই কাতৰ

আছিল, পিয়াহ গুচাবলৈ মাথোন এখন সৰু জুৰী নৈ আছিল, কিন্তু কোনে আগে পানী খাব। ব্রিটিংশ ছিপাহী "টমী" সকলে পিয়াহ গুচোৱাৰ পাছত হে আমি যাবলৈ স্থিৰ কৰিছিলো। কিন্তু সিহঁতে পোনতে পানী খাবলৈ নাহি আমি আগধৰি পানী খাব লাগে বুলি টানি ধৰিলে। এই-দৰে আমাৰ মাজত কোনে কাক আগেযে পানী খাবলৈ দিয়ে তাৰ প্রতি-যোগিতা কিছু পৰলৈ চলিছিল।

একাদশ অধ্যায়

সংস্কাৰ

যি কোনো ৰাজনৈতিক প্রতিষ্ঠান অকামিলা হলে, তাৰ সভ্য হৈ থকাটো মোৰ পক্ষে সদায় অসম্ভৱ আছিল। আমাৰ সমাজৰ দুৰ্ব্বলতা বোৰ লুকুৱাই থোৱা, নাইবা দেখিও নেদেখাৰ ভাও ধৰি থকা, নাইবা নিজৰ দোষবোৰ শুধৰাই নোলোৱাকৈ অধিকাৰ পাবলৈ দাবি কৰাৰ মই সদায় বিপক্ষে আছিলো। সেইবাবে নেটালত বহিবৰে পৰা আমাৰ ভাৰতীয় সমাজৰ ওপৰত অভিযোগ কৰা দোষবোৰ শুধৰোৱাত মন দিলো। এইবিলাক অভিযোগৰ যে কিছুমান সঁচা নাছিল সি নহয়। ভাৰতীয়ই নিজৰ ঘৰ আৰু ঘৰৰ চাৰিওকাষ ছাফ কৈ নথয় আৰু তেওঁ-লোকৰ আচাৰ-ব্যৱহাৰ বৰ অপৰিষ্কাৰ। ভাৰতীয় সম্প্রদায়ৰ প্রধান প্রধান লোক সকলে নিজৰ ঘৰবোৰ শুধৰোৱাত লাগিল। কিন্তু ডাৰ-বানত 'প্লেগ' হোৱাৰ আশঙ্কা কৰি প্রতিঘৰ পৰিদৰ্শন কৰা আৰম্ভ হল। নগৰীয়া আপুটী সকলে আমাৰ সহযোগ বিচৰাত এই কাম হাতত লোৱা

হল। আমাৰ সহযোগত তেওঁলোকৰো কাম উজু হল আমাৰো আম্রাণ কমিল। কেতিয়াবা হাইজা আদি বেমাৰৰ প্ৰাদুৰ্ভাব হলে কৰ্ত্তৃপক্ষই সাধাৰণতে অধৈৰ্য্য হৈ এনেভাবে কঠোৰ উপায়বোৰ লয় যে তেওঁলোকৰ ব্যৱহাৰত সকলো অসন্তুষ্ট হব লগীয়া হয।

আমি নিজেই উপযাচি স্বাস্থ্য ৰক্ষাৰ সকলো উপাযবোৰ হাতত লোৱাত ভাৰতীয লোকৰ ওপৰত অত্যাচাৰ হোৱা বন্ধ হল।

কিন্তু এই সম্পৰ্কে মোৰ কিছুমান বিষাদজনক অভিজ্ঞতা হৈছিল। মই দেখিলো যে অধিকাৰ দাবি কৰোতে আমাৰ মানুহৰপৰা মই যি সহানুভূতি আৰু সহায পাইছিলো এই কথাত সিমান সহজে সহায পোৱা নাছিলো। কিছুমান ঠাইত মোক অপমান কৰি খেদাইছিল, কিছুমানে মোৰ কথালৈ একোৱেই কাণ দিয়া নাছিল। নিজৰ ঘৰৰ চাৰিওকাষ ছাফ চিকুনকৈ থবলৈ চেষ্টা কৰাটো তেওঁলোকৰ পক্ষে বৰ টান কথা আছিল। এইবিলাক কামত টকা খৰচ কৰাতো দূৰৰ কথা। অসীম ধৈৰ্য্য নহলে, আমাৰ মানুহৰপৰা এইবিলাক কাম আদায কৰা অসম্ভৱ বুলি ইয়াতেই মই শিক্ষা পালো। সংস্কাৰকেই নিজৰ সংস্কাৰৰ বাবে বেছিকৈ ব্যগ্ৰ। সমাজৰপৰা তেওঁ প্ৰতিৰোধ, ঘৃণা আনকি ব্যক্তিগত অত্যাচাৰৰ বাহিৰে অন্য একো আশা কৰিব নোৱাৰে। সংস্কাৰকে যিটো কথা নিজৰ প্ৰাণতকৈ মূল্যবান্ বুলি ভাবে সেই কথাষাৰ সমাজে এই চকুৰে চাই কিয।

যিয়েই হওক, এইবিলাক আন্দোলনৰ ফলত নিজৰ ঘৰবাৰী আৰু চাৰিওকাষ ছাক চিকুনকৈ ৰখা যে অত্যন্ত লাগতিয়াল এইকথাষাৰ ভাৰতীয় লোকসকলে বুজি পালে। কৰ্ত্তৃপক্ষই এইবাবে মোক সন্মান কৰা হল। মই যি দৰে অধিকাৰ পাবলৈ দাবি কৰো, সেই দৰে আত্মশুদ্ধিতো মোৰ দৃষ্টি আৰু চকু আছে।

এতিয়ালৈকে এটা কথা কবিব লগীয়া আছিল, ই হৈছে মাতৃভূমিলৈ ভাৰতীয় ঔপনিবেশিক সকলৰ মাজত কৰ্ত্তব্যৰ ভাব জন্মোৱা। ভাৰতবৰ্ষ দুখীয়া ভাৰতীয়লোক ধন ঘটিবলৈ তালৈ গৈছে। আৰু সেইবাবে নিজে তাত যি উপাৰ্জন কৰে তাৰপৰা অলপ অচৰপ নিজৰ দেশৰ বিপদৰ সময়ত দিবলৈ তেওঁলোক বাধ্য। ১৮৯৭ চনত বৰ আকাল হৈছিল ইয়াৰ দুবছৰ পাছতেই ১৮৯৯ চনত আকৌ নিদাৰুণ পুনৰায় ঘোৰমূৰ্ত্তি লৈ আকালে দেখা দিলে। ১৮৯৭ চনতকৈ ১৮৯৯ চনত দক্ষিণ আফ্ৰিকাত থকা ভাৰতবাসী সকলে আকালৰ বাবে বহুতখিনি টকা পইচা তুলি সহায় কৰিবলৈ ধৰিলে। আনি ই ৰাজ সকলোৱেকো ধনৰ বাবে গোহাৰি দিয়াত তেওঁলোকেও টকাৰে সহায় কৰিলে। আৰু এইবাৰৰ আকালৰ সময়ত যি প্ৰণালী লোৱা হৈছিল, সেই প্ৰণালী এতিয়াও চলি আছে। ভাৰতবৰ্ষত জাতীয় বিপদৰ সময়ত দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় লোকসকলে সহায় পঠাবলৈ কেতিয়াও পাছ হোহোকা নাই।

দক্ষিণ আফ্ৰিকাৰ ভাৰতবাসীসকলৰ কাম কৰি থাকোতে প্ৰতি খোজতে মই সত্যৰ প্ৰকাশ হোৱা দেখিছিলো। সত্য হৈছে এজোপা ডাঙৰ গছৰ দৰে, ইয়াৰ শুবিত যিমানেই সাৰ দি যত্ন লোৱা যায়, সিমানেই ইয়াৰ পৰা ফল পোৱা যায়। সত্যৰ সাগৰত যিমান দলৈকে বুৰ মৰা যায়, সিমানেই ভিতৰত লুকাই থকা ৰত্নৰাজি পোৱা যায়। আৰু নতুন নতুন কামৰ বাবে বাট মুকলি হয়।

দ্বাদশ অধ্যায়

ভাৰতলৈ প্ৰত্যাৱৰ্ত্তন

যুদ্ধৰ কামৰপৰা আজৰি পাই মই ভাবিলো যে দক্ষিণ আফ্ৰিকাত মোৰ কৰ্ত্তব্য শেষ হৈছে, এতিয়া ভাৰতবৰ্ষত হে মোৰ কাম আছে।

দক্ষিণ আফ্ৰিকাত যে একো কৰিবলগীয়া নাই সি নহয়। কিন্তু এতিয়া ক'ৰবাত ধন ঘটাই মোৰ একমাত্ৰ কাম হৈ পৰে বুলি মই ভয় খাইছিলো।

ঘৰত মোৰ বন্ধু-বান্ধৱ সকলোৱে ভাৰতবৰ্ষলৈ আহিবলৈ ৰবকৈ ধৰিলে আৰু মোৰো মনত হল যে ভাৰতবৰ্ষত মই কামত লাগিব পাৰো। দক্ষিণ আফ্ৰিকাত বাসৰ বাবে খাঁ চাহেব আৰু মনচুখলাল নজৰ আছে। সেই-কাৰণে মোৰ সহকৰ্মীসকলক মোক আজৰি দিবলৈ খাটিলো। তেওঁ লোকৰ বুজাই বৰাই বলকৈ ধৰাত হে তেওঁলোকে এই চুৰ্ত্তত মান্তি হল যে যদি ভাৰতীয় লোক সকলে মোক বিচাৰে, তেন্তে এবছৰৰ ভিতৰত মই উলটি আহিব লাগিব। এই চুৰ্ত্তটো বৰ টান আছিল বুলি মই ভাবিলো—কিন্তু তেওঁলোকৰ লগত মই মৰমৰ বান্ধোনৰে বান্ধ খাই আছিলো, সেই বাবে এই চুৰ্ত্তত মান্তি হবলগীয়া হল। মীৰাবাইয়ে গাইছে "গোসায়ে মোক প্ৰেমৰ জৰীৰে বান্ধি থৈছে, মই তেওঁৰ দাসী মাথোন।" দেশ-বাসীৰ লগত মই যি দাল প্ৰেমৰ জৰীত বান্ধ খাই আছিলো, সেই দাল ছিঙি যোৱা মোৰ অসাধ্য। বাইজৰ বাণীয়েই ভগৱানৰ বাণী আৰু এই ক্ষেত্ৰত বন্ধু সকলৰ কথা ইমান বাস্তৱ আছিল যে তাক উলঙ্ঘা কৰা মোৰ পক্ষে অসম্ভৱ। মই সেই চুৰ্ত্তত মান্তি হৈ দেশলৈ উলটি আহিবলৈ অনুমতি পালো।

সেই সময়ত নেটালৰ লগত মই বৰ ঘনিষ্ঠ সম্পৰ্কত আবদ্ধ আছিলো। নেটালত থকা ভাৰতীয় লোকসকলে মোক মৰমৰ সাগৰত বুৰাই থৈছিল। সকলো ঠাইতে বিদায় সভা পতা হল, আৰু মোক বহুতো মূল্যবান উপহাৰ দিয়া হল।

১৮৯৬ সনতো মই ভাৰতবৰ্ষলৈ আহোতে এনেবিধৰ উপহাৰ দিয়া হৈছিল, কিন্তু এইবাৰ বিদায় অভিনন্দনৰে ওপোচাই দিয়া হল।

এইবিলাক উপহাৰত যে কেৱল ৰূপৰ বস্তুহে আছিল এনে নহয়— কিছুমান মূল্যবান হীৰাৰ বস্তুও আছিল।

এনেবিধৰ উপহাৰ লবলৈ মোৰ কি অধিকাৰ আছিল? এইবোৰ বস্তু লৈ মই যে দেশসেৱা টকা লৈ কৰা নাই এই কথাষাৰ কেনেকৈ নিজক বুজাওঁ? মোৰ কেইটামান মক্কেলৰ বাহিৰে সকলো উপহাৰেই দেশ-সেৱাৰ বাবে পোৱা গৈছিল। মই মক্কেল আৰু সহকৰ্মীৰ মাজত কোনো পাৰ্থক্য দেখা পোৱা নাছিলো কাৰণ মক্কেলসকলেও মোক ৰাজহুৱা কামত বাৰু দিছিল। উপহাৰবিলাকৰ ভিতৰত কস্তুৰীবাইৰ বাবে ৫০ গিনি দামৰ এডাল নেকলেচ্ এতিয়াও আছিল। আনকি, সেই ধাৰিও মোৰ ৰাজহুৱা কামৰ বাবে দিয়া হৈছিল তথাপি সেইডালো আন-বিলাকৰ পৰা এইটোক পৃথক কৰি থব নোৱাৰো।

যি দিনা সন্ধিয়া উপহাৰৰ সৰহভাগ মোক দিয়া হল, সেইদিনা ওৰে নিশা ছটফট্ কৰি মোৰ টোপনি নাহিল। মোৰ মন ইমান অস্থিৰ হল যে মই কোঠাটোত ইফালে সিফালে কৰি খোজ কাঢ়ি ফুৰিছিলো। এনে দামী উপহাৰ এৰি দিয়াও টান, ইফালে ৰখাও আৰু টান।

আৰু যদিনা সেইবিলাক থওঁ, তেন্তে মোৰ লৰাহঁতৰ কি হব? মোৰ ঘৈণীৰ কি হব? তেওঁলোকক সকলো সময়ত সেৱা-ধৰ্ম্মৰ শ্ৰেষ্ঠত্ব শিক্ষা দিয়া হৈছিল, সেৱাই সেৱাৰ একমাত্ৰ পুৰস্কাৰ বুলি তেওঁলোকক বুজোৱা হৈছিল। মোৰ ঘৰত দামী অলঙ্কাৰ পাতি একোৱেই নাছিল। আমি আমাৰ জীৱনৰ গতি বৰ উজু কৰি লৈছিলো। কেনেকৈ সোণৰ ঘৰী পিন্ধিব পাৰো? কেনেকৈ সোণৰ চেইন আৰু হীৰাৰ আঙ্গুঠি লব পাৰো। তেতিয়ালৈকেও মই অলঙ্কাৰৰ মোহ জয় কৰিবলৈ সকলোকে খাটি আছিলো। মই এতিয়া এইবোৰ অলঙ্কাৰ লৈ কি কৰিম?

মই এইবোৰ বস্তু নোলোৱা স্থিৰ কৰিলো। দেশবাসীৰ নামত এই বোৰ উছৰ্গা কৰি ট্ৰাষ্টীক গঁতাই দিবলৈ মই এখন চিঠি লিখিলো আৰু পাৰ্ছী ৰস্তমজী আৰু অন্যান্য বন্ধুক ট্ৰাষ্টী নিযুক্ত কৰিলো। পুৱা মই লৰাহঁত আৰু ঘৈণীৰ লগত এই সম্পৰ্কে আলোচনা কৰি এই ভতৰ বোজাৰ হাত সাৰিলো।

এইবিলাক বস্তু পুনৰ ওলোটাই দিবলৈ ঘৈণীক মান্তি কৰাবলৈ মোৰ টান হব বুলি মই ভাবিছিলো, অৱশ্যে লৰাহঁতৰ মান্তি কৰাবলৈ টান নহব বুলি মোৰ বিশ্বাস আছিল। সেইবাৰে লৰাহঁতকেই মোৰ উকীল নিযুক্ত কৰিবলৈ ঠিক কৰিলো। লৰাহঁতে ততালিকে মোৰ প্ৰস্তাৱত মান্তি হল। আমাক এইবোৰ দামী উপহাৰ নালাগে, আমি দেশবাসীকেই পুনৰ ওলো-টাই দিওঁ, আমাৰ প্ৰয়োজন হলে কিনি লম। এইবুলি সিহঁতে কলে।

সিহঁতৰ কথাত মই বৰ ৰং পালো। তেন্তে তোমালোকে মাৰাক বুজাবা, নহয় নে? বুলি মই সিহঁতক সুধিলো। ‘নিশ্চয়, সেইটো আমাৰ কাম। তেওঁ নিজে গহনা পিন্ধিবলৈ নিবিচাৰে, তেওঁ আমাৰ বাবে থবলৈ বিচাৰিব পাৰে, আৰু আমিয়েই যদি নিবিচাৰো, তেন্তে তেওঁ কিয় মান্তি নহব।

কিন্তু কথাষাৰ কবলৈ সহজ, কৰা টান। কস্তুৰীবাঈয়ে কলে—আপুনি নিবিচাৰিব পাৰে, আপোনাৰ লৰাহঁতে নিবিচাৰিব পাৰে। আপুনি ফুছুলালে আপোনাৰ লগতেই সিহঁতে সুৰ ধৰিব। মোক পিন্ধিবলৈ দিবলৈ আপুনি অনুমতি নিদিয়া মই বুজি পাওঁ। কিন্তু মোৰ বোৱাৰী-হঁতৰ কি হব? তাইহঁতকতো লাগিব। আৰু কোনে জানে কালিলৈ কি হব পাৰে, ইমান মৰমেৰে দিয়া এইবস্তুবোৰ মই হলে ওলোটাই নিদিওঁ। এইদৰে তৰ্কৰ ধুমুহা উঠিল আৰু অৱশেষত চকুলোৰে তেওঁৰ যুক্তি আৰু

শক্তিশালী কৰিলে। কিন্তু লৰাইঁত শিলৰ দৰে কঠিন আছিল। আৰু মই অৱশ্যে অচল অটল আছিলো।

মই লাহেকৈ মাত লগালো লৰাইঁতৰ বিয়া হবলৈ এতিয়া বহুত দিন বাকী সিহঁতক ইমান সোনকালে বিয়া দিবলৈ তো আমি ইচ্ছা নকৰো। আৰু আমি গহনা পিন্ধিবলৈ ভাল পোৱা বোৱাৰী আনিবলৈ তো ইচ্ছা নকৰো, আৰু যদি ভৱিষ্যতলৈ তাইহঁতৰ বাবে গহনা দৰকাৰ হয়, তেন্তে মইতো আছোয়েই, মোক তেতিয়া বিচাৰিবা।

"আপোনাক বিচাৰিম? মই আপোনাৰ ইমান দিনে বেছকৈয়ে চিনিছো। আপুনি মোৰ গহনাৰ পৰা বঞ্চিত কৰিছে, আপুনি মোক এইবোৰ গহনাষে সৈতে শান্তিৰে থাকিবলৈ নিদিয়ে। আপুনি বোৱা-ৰীহঁতক গহনা গঢ়ি দিব—এই কথাষাৰ মই কল্পনাও কৰিব নোৱাৰো। আপুনি মোৰ লৰাইঁতক সাধু কৰিবলৈ ধৰিছে। সি নহয়, গহনা কেতিয়াও ওলোটাই নিদিওঁ; বাৰু, মোৰ গলপতা ধাৰিত আপোনাৰ কি অধিকাৰ আছে?

মই কলো—বাৰু, গলপতা ধাৰি তোমাৰ কামৰ বাবে দিয়া হৈছিল নে, মোৰ কামৰ বাবে দিয়া হৈছিল?"

"স্বীকাৰ কৰো–কিন্তু আপুনি কাম কৰাও যি, মই কাম কৰাও সেই—আপোনাৰ বাবে দিনে ৰাতি মই খাটিব লগীয়া হৈছিল। সেইটো কাম নহয় নে? আপুনি মোৰ ঘৰত সংসাৰৰ সকলোকে আনি জাপিছে আৰু তেওঁলোকৰ বাবে খাটি দুখত এহাতে চকুলো টুকিছো, অন্যহাতে দাসীৰ দৰে তেওঁলোকক সেৱা কৰিছো।

এইবোৰ চোকা কথা যুক্তিপূৰ্ণ আছিল আৰু কথাবোৰ মোৰ হিয়াত লাগিল। কিন্তু গহনা বিলাক ওলোটাই দিবলৈ মই দৃঢ়প্ৰতিজ্ঞ। যি হক কোনোমতে বুজাই বৰাই তেওঁৰ সম্মতি আদায় কৰিলো। ১৮৯৬

সনত আৰু ১৯০৩ সনৰ যিবোৰ ঘটনা পোৱা হৈছিল, সকলো ওলোটাই দিয়া হল। এখন দলিল কৰি বেঙ্কত জমা দিয়া হল—দেশৰ মানুহক লগা হলে খৰচ কৰিবলৈ বুলি ট্ৰাষ্টীসকলৰ ইচ্ছামতে ৰাজহুৱা কামৰ বাবে খৰচ কৰিবলৈ বহুতো সময়ত মোক টকা লগা হোৱাত আৰু মই এই ট্ৰাষ্টৰপৰা টকা লবলৈ ইচ্ছা কৰাত প্ৰযোজনীয় টকা মই তুলি এই-খিনি নোছোৱাকৈ থৈছিলোঁ। এই ভৰালৰ টকা এতিয়াও আছে সময়-মতে খৰচ হৈও সুদত বাঢ়ি গৈছে। মই কেতিয়াও এই কাম কৰা বাবে অনুতপ্ত হোৱা নাছিলো—আৰু লাহে লাহে সময়ৰ সোঁতত বন্ধুৱীবাইযেও মোৰ কামৰ যুক্তিযুক্ততা বুজিবলৈ ধৰিলে। আমাক বহুতো প্ৰলোভনৰ পৰা এই কামে ৰক্ষা কৰিছে।

মোৰ দৃঢ় বিশ্বাস হৈছে যে ৰাজহুৱা কৰ্ম্মীয়ে কেতিয়াও উপহাৰ নলয় যেন।

ত্ৰয়োদশ অধ্যায়

ভাৰতবৰ্ষত

সেইবাবে মই ভাৰতবৰ্ষলৈ জাহাজত উঠি ৰাওনা হলো। বাটত বৰ লগীয়া বন্দৰ বিলাকৰ ভিতৰত মৰিছাছো এটা আৰু তাত জাহাজ বান্ধি বহুতপৰ ৰোৱাত মই পাৰলৈ নামি গৈ স্থানীয় অৱস্থা সম্পৰ্কে ভু-ভা লোৱতে লাগিলো। সেই উপনিবেশৰ গৱৰ্নৰ ছাৰ চাৰ্লছ ক্ৰছৰ এৰাতি আলহী হৈও আছিলো।

ভাৰতবৰ্ষ পাই দেশ ফুৰাত কিছুদিন নিয়ালো। তেতিয়া ১৯০৩ সন মিঃ (এতিয়া ছাৰ) ডিনশ্বাৱাচাৰ সভাপতিত্বত কলিকাতাত কংগ্ৰেছৰ অধিবেশন হৈছিল। অৱশ্যে মই কংগ্ৰেছত যোগ দিছিলো। এয়েই

কংগ্ৰেছ সম্পৰ্কে মোৰ প্ৰথম অভিজ্ঞতা। বোম্বেৰপৰা ছাৰ ফেৰোজশ্বাহ মেহটাৰ লগত একে ট্ৰেইনতে উঠিলো। কাৰণ দক্ষিণ আফ্ৰিকা সম্পৰ্কে কবলগীয়া মোৰ বহুতো কথা আছিল। তেখেত যে ৰজাৰ দৰে থাকে মই জানিছিলো। তেওঁ নিজৰ কাৰণে এখন ছেলুন বন্দোবস্ত কৰিছিল। সেই একেখন ছেলুনতেই এডোখৰ বাট যাবলৈ ময়ো হুকুম পাইছিলো। সেইবাবে মই ছেলুন লৈ গৈ তেখেতক দেখা দিলো। তেখেতৰ লগত ছেলুনত মিঃ চিমনলাল শীতলাবাদো (এতিয়া ছাৰ) আছিল। তেখেত সকলে তেতিয়া ৰাজনীতি আলোচনা কৰি আছিল। ছাৰ ফেৰোজশ্বাহে মোক দেখা মাত্ৰেই কলে—"গান্ধী, তোমাৰ কাৰণে একোৱেই কৰিব পৰা নহল। অৱশ্যে তুমি বিচৰা মতে এটা প্ৰস্তাৱ গ্ৰহণ কৰা হব। কিন্তু আমাৰ দেশতেই বা আমাৰ কি অধিকাৰ আছে? মই ভাবো যে যেতিয়ালৈকে আমাৰ দেশত আমি অধিকাৰ নাপাও তেতিয়ালৈকে উপনিবেশ বিলাকত আমাৰ অৱস্থাৰ কেতিয়াও উন্নতি নহয়।"

কথাষাৰ শুনি মই আচৰিত হলো। ছাৰ চিমনলালে এই কথাষাৰত মত দিলে। ছাৰ ডিনশ্বাই মোৰ ফালে বেজাৰ মনেৰে চালে।

ছাৰ ফেৰোজশ্বাহক বুজাবলৈ মই চেষ্টা কৰিলো কিন্তু বোম্বেৰ 'মুকুটহীন ৰজা'ক সম্মত কৰা অসম্ভৱ। মোক যে প্ৰস্তাৱটো দাঙি ধৰিবলৈ অনুমতি দিয়া হব ইয়াতেই সন্তুষ্ট হলো।

"অৱশ্যে আমাক প্ৰস্তাৱটো দেখুৱাব" এই বুলি মোক উৎসাহ দিবলৈ ছাৰ ডিনশ্বাই কলে। মই তেখেতক ধন্যবাদ দি পাছৰ ষ্টেশ্যনত নামি গলো।

আমি কলিকতা পালোহি। প্ৰেছিডেন্টক বৰ সমাৰোহেৰে অভ্যৰ্থনা সমিতিয়ে আদৰি নিলে। এজন স্বেচ্ছা-সেৱকক 'মই কʼত

যাব লাগিব' বুলি সুধিলো। তেওঁ মোক ৰিপন কলেজলৈ নিলে -ইয়াত কিছুমান প্ৰতিনিধি আছেহি। ভাগ্যদেৱী মোৰ ওপৰত সুপ্ৰসন্ন। লোকমান্য তিলকো ইযাতে মই থকা ব্লকতেই আছিল—মোৰ মনত পৰে তেখেত মোতকৈ এদিন পাছত আহছিল। লোকমান্য দৰবাৰ নোহোৱাকৈ কেতিয়াও নাথাকে, এইটো তেখেতৰ পক্ষে স্বাভাৱিক। মই চিত্ৰকৰ হোৱা হলে তেখেতক বিছনা খনত বহিথকা ছবি এখন আঁকি দেখুৱাব পাৰিলোহেঁতেন। এইদৰে তেতিয়াৰ কথা মোৰ মনত আছে। অসংখ্য মানুহে আহি তেখেতৰ লগত দেখা কৰিছিল তাৰ ভিতৰত অমৃত বাজাৰ পত্ৰিকাৰ সম্পাদক পৰলোকগত বাবু মতিলাল ঘোষলৈই কথা মোৰ মনত আছে। তেখেত সকলৰ হাঁহি আৰু শাসনকৰ্ত্তাসকলৰ অবিচাৰ সম্পৰ্কে হোৱা কথা-বতৰা মই পাহৰিব নোৱাৰো। কিন্তু এই কেম্পৰ কৰ্মচাৰী সকলৰ সম্পৰ্কেহে মই বহলাই কবলৈ ইচ্ছা কৰো। স্বেচ্ছাসেৱক সকলৰ মাজত শৃঙ্খলা নাই। ইজনে সিজনৰ লগত খুন্দিয়া খুন্দি কৰি ফুৰিছে। এজনক কিবা বিচাৰিলে তেওঁ আন এজনক কয়, তেওঁ আকৌ আৰু আন এজনক কয়, এইদৰে তেনেই বেবেৰিবাং হৈছিল। সেইবাবে প্ৰতিনিধি সকলৰ 'ন যযৌ ন তস্থৌ' অৱস্থা হৈছিল।

কেইজনমান স্বেচ্ছাসেৱকৰ লগত মই বন্ধুতা কৰিলো। মই তেওঁলোকক দক্ষিণ আফ্ৰিকাৰ কথা কলো। তেওঁলোকে লাজ পালে। তেওঁলোকক সেৱাৰ মাহাত্ম্য সম্পৰ্কে বুজাবলৈ চেষ্টা কৰিলো। তেওঁলোকে বুজা যেন লাগিল কিন্তু সেৱাৰ ভাৱ কাঠ ফুলাৰ দৰে নগজে, পোনতে ইচ্ছা লাগে তাৰ পাছত অভিজ্ঞতা লাগে। এইবোৰ সৰলচিতীয়া ডেকা সকলৰ ইচ্ছাৰ অভাৱ নাছিল, কিন্তু অভিজ্ঞতা তেওঁলোকৰ নিচেই নাছিল। প্ৰতি বছৰে কংগ্ৰেছ তিনি দিনলৈ বহে তাৰ পাছত পুনৰ টোপনিত অচেতন হয়। বছৰত তিনি দিনত কি শিক্ষা হব পাৰে? প্ৰতিনিধি সকলৰো

নিজৰ সেই একে অৱস্থা। স্বেচ্ছাসেৱক সকলৰ দৰেই তেওঁলোকৰো একো শিক্ষা নাছিল। তেওঁলোকে নিজে একোৱেই নকৰে।—"ভলন্টিয়াৰ, এইটো কৰাচোন, ভলন্টিযাৰ সেইটো কৰাচোন," এয়েই তেওঁলোকৰ হুকুম আছিল।

আনকি ইযাতো মই অস্পৃশ্যতা দেখিলো। তামিলী সকলৰ ৰান্ধনি ঘৰ অন্যৰ পৰা বহুতো আঁতৰত। তেখেত সকলৰ পক্ষে খাবলৈ বহোতে অনাৰ চকু পৰা মাত্ৰ চুৱা। সেইবাবে কলেজ কম্পাউণ্ডৰ ভিতৰত এটা স্বকীয়া ৰান্ধনি ঘৰ বৰি দিব লগীয়া হৈছিল তাত আঁৰ বেৰ কৰি দিয়া হৈছিল। ধোৱাত ততঃ উশাহ বন্ধ হয; প্ৰায় একেটা ঘৰতে ৰান্ধনি ঘৰ, গাধোৱা ঘৰ, বাচন ধোৱা আদি সকলো কাম চলিছে —কোনোকালে ফটা নথকা চন্দুক এটাহে জানিবা। মোৰ ওচৰতএইবোৰ কথা বৰ্ণাশ্ৰম ধৰ্মৰ অপব্যৱহাৰ বুলি বোধ হল। যদি কংগ্ৰেছৰ প্ৰতিনিধি সকলৰ মাজতেই এইদৰে অস্পৃশ্যতা থাকে তেন্তে দেশত কিদৰে এইকথাযাৰ বাহুল্যৰূপে আছে তাক বুজিবই পৰা যায। এই চিন্তাত মই হুমুনিয়াহ কাঢ়িলো।

অস্বাস্থ্যকৰ অৱস্থাৰ সীমা নাছিল। সকলো ঠাইতে পানী ডোঙা বান্ধি আছে। পায়খানাৰ সংখ্যা কমেই আছিল। আৰু তাৰ অৱস্থা দেখিলে মন কোচ খায। এইবোৰ স্বেচ্ছাসেৱৰ সকলক আঙুলিযাই দেখুৱালো। তেওঁলো.ক উত্তৰ দিলে—'এইটোতো আমাৰ কাম নহয় মেতৰৰ কামহে।" মই বাঢনী তাঁৰ বিচাৰিলো, সেৱক জনে আচৰিত হৈ মোৰ ফালে চালে। এদাল বাঢনি লৈ মযেই পাযখানা ছাফ কৰিলো। কিন্তু সেইটো নিজৰ কাৰণেহে, মানুহৰ ইমান ভিৰ হৈছিল, আৰু পায়খানা ইমান তাকৰ আছিল যে মানুহ যোৱাৰ পাছত প্ৰতিবাৰেই ছাফ কৰিব লাগে। এইটো মোৰ পক্ষে সাধ্যাতীত আছিল, সেইবাবে মোৰ নিজৰ

কাৰণে ছাফ কৰি সন্তুষ্ট থাকিব লগীয়া হল। আৰু অন্যে তাৰ অপৰিষ্কাৰলৈ চকু দিযাও নাছিল।

কিন্তু এয়েই শেষ নাছিল। কিছুমান প্ৰতিনিধিয়ে ৰাতি বাৰন্দাত প্ৰস্ৰাৱ কৰিছিল। পুৱা স্বেচ্ছাসেৱক সকলক আঙুলিযাই দেখুৱাওতে ছাফ কৰিবলৈ কোনো আগবাঢ়ি নাহিল। মোৰ সন্মানত ভাগ লবলৈ কোনো নাহিল। তেতিয়াতকৈ এতিয়া অৱস্থা উন্নত হৈছে, কিন্তু এতিয়াও বহুতো চিন্তাশূন্য প্ৰতিনিধিয়ে য'তে ইচ্ছা তাতে অপকৰ্ম্ম কৰি কংগ্ৰেছৰ সৌন্দৰ্য্য নষ্ট কৰে। এতিযাও সকলো স্বেচ্ছাসেৱকে এইবিলাক ছাফ কৰিবলৈ মান্তি নহয়।

মই দেখিলো যে কংগ্ৰেছৰ অধিবেশন আৰু কেইবা দিনলৈ হলে ইয়াত বেমাৰ হোৱাৰ সম্ভৱ।

চতুৰ্দ্দশ অধ্যায়

কেৰাণী আৰু বেহাৰা

এতিয়াও কংগ্ৰেছ বহিবলৈ আৰু দুদিন বাকী। মই কংগ্ৰেছ অফিছত সেৱকৰ কাম কৰিবলৈ আৰু অলপ অভিজ্ঞতা পাবলৈ সঙ্কল্প কৰিছিলো। সেইবাবে কলিকতা পাই প্ৰাতঃকৃত্য শেষ কৰি মই কংগ্ৰেছ অফিছলৈ ৰাওনা হলো।

বাবু ভূপেন্দ্ৰনাথ বসু আৰু ঘোষাল তেতিয়া ছেক্ৰেটৰী। মই ভূপেন বাবুৰ ওচৰলৈ গৈ সেৱক স্বৰূপে নিজক আগ বঢ়ালো। তেখেতে মোৰ ফালে চাই কলে—"তোমাক দিব পৰা মোৰ একো কাম নাই, কিন্তু

মিঃ ঘোষালে তোমাৰ কাম দিব পাৰে, সেইবাবে তেখেতৰ ওচৰলৈ যোৱা।”

মই তেওঁৰ ওচৰলৈ গলো। তেখেতে মোৰ ফালে চাই হাঁহি কলে - “মই তোমাক কেৰাণীৰ কাম দিব পাৰো। তুমি কৰিবানে?

“নিশ্চয়, মোৰ সাধ্যমতে সকলো কাম কৰিবলৈ সাজু' বুলি মই কলো।

“এৰা এয়েই ঠিক কথা' বুলি তেওঁ কলে। তাৰ পাছত চাৰিও কাষত থকা স্বেচ্ছাসেৱক সকলৰ সম্বোধন কৰি কলে-‘ শুনিছানে নবাইঁত এই ডেকাজনে কি কৈছে'।’

তাৰ পাছত মোৰ ফালে চাই কলে- বহা এইয়া ইয়াত চিঠিৰ জাপ আছে, চকীখনত বহি যাওঁক বহা। দেখিছা নহয় অনেক মানুহ মোৰ ওচৰলৈ আহি আছে, মই এতিয়া কি কৰো। মই তেওঁলোকৰ লগতেই কথা হওনে, এইবোৰলৈ উত্তৰ দিওঁ। মোৰ এজনো কেৰাণী নাই, যি এইবোৰ চিঠিৰ উত্তৰ দিব পাৰে ইয়াৰ সৰহ ভাগ চিঠিতেই একো নাই। কিন্তু তুমি চাই যোৱা আৰু চিঠি পোৱা বুলি স্বীকাৰ কৰি উত্তৰ দিয়া, কৰবাত কিবা উত্তৰ দিব লগীয়া থাকিলে মোক সুধি লবা।

মোৰ ওপৰত এই বিশ্বাস কৰাত মই সন্তুষ্ট হলো। মই কোন মিঃ ঘোষালে তেতিয়াও জনা নাছিল। পাছত তেখেতে মোৰ সম্বন্ধে ভু ললে।

মই এইবোৰ কাম বৰ উজু পালো—এই জাপ চিঠিৰ উত্তৰ দিয়া সহজ হল। আৰু অলপ সময়ৰ পাছতেই সকলো কাম কৰি দিয়াত মিঃ ঘোষাল বৰ সন্তুষ্ট হল। তেখেত বৰ কথকি পুৰুষ আছিল। একে-লগে ক্ৰমান্বয়ে অবিশ্ৰান্ত ভাবে তেওঁ বলকি থাকিব পাৰে। মোৰ কথা কিছুমান জানি তেওঁ পাছত দুঃখিত হল আৰু মোক কেৰাণী কাম দিয়াত বেজাৰ প্ৰকাশ কৰিলে। কিন্তু মই তেখেতক কলো–

"আপুনি চিন্তা নকৰিব, মই আপোনাৰ ওচৰত কোন কুটা, আপুনি কংগ্ৰেছৰ কামত দাটি চুলি পকালে আৰু আপুনি মোৰ বয়োজ্যেষ্ঠ। মই এজন অনভিজ্ঞ ডেকা, মোক এইবোৰ কাম দি আপুনি মোক বাধিত কৰিছে। কাৰণ মই কংগ্ৰেছৰ কাম কৰিবলৈ বিচাৰো আৰু আপুনি মোক ইয়াৰ ভিতৰুৱা কথাবোৰ শিকিবলৈ সহজে নোপোৱা সুবিধা দিছে।"

মিঃ ঘোষালে কলে—"সঁচা কথা কবলৈ হলে এয়েই ঠিক, কিন্তু আজি কালিৰ ডেকাসকলে এই ভাব বুজি নাপায়। কংগ্ৰেছৰ জন্মৰেপৰা মই আছো হয় আৰু প্ৰকৃততে কংগ্ৰেছৰ জন্ম দিয়াত মি হিউমৰ লগত মই এটা অংশ দাবি কৰিব পাৰো।"

এইদৰে আমি দুয়ো বন্ধু হলো। তেখেতৰ লগত জলপান খাবলৈ তেখেতে মোক কৰিলে।

মিঃ ঘোষালক নিজৰ 'শ্বার্টৰ' বুতাম পৰ্য্যন্ত চাকৰে মাৰি দিব লাগে। মযেই এইবেৰানী কাম কৰিবলৈ উপযাচি আগবাঢ়িলো। বয়োজ্যেষ্ঠ সকলৰ মোৰ শ্ৰদ্ধা সদায় বেছি আৰু সেইবাবে মই এইকাম কৰিবলৈ ভাল পাইছিলো। তেখেতেও এইকথা জানি সৰু-সুৰা নিজৰ কামত লগাবলৈ সঙ্কোচ কৰা নাছিল, বৰঞ্চ তেখেতে আনন্দ পাইছিল। মোক বুতাম মাৰিবলৈ কৈ তেখেতে কলে—"চোৱাচোন কংগ্ৰেছ ছেক্ৰেটৰীৰ বুতাম মাৰিবলৈকো সময় নাই। সদায় এটা নহয় এটা কাম লাগি আছে। মিঃ ঘোষালৰ সৰলতাতো মই আমোদ পালো। তেখেতৰ এনেবিধৰ সৰু সুৰা কাম কৰি দিবলৈ মোৰ মনত অলপো বিৰক্ত হোৱা নাছিল। এইবিলাক কামৰ দ্বাৰা মই কিমান যে উপকৃত হৈছিলো তাক কোৱা টান।

কেইদিন মানতে মই কংগ্ৰেছৰ কাম সকলো বুজা হলো। সকলো নেতাৰ লগতে মোৰ দেখা হল। মিঃ গোখেল আৰু সুৰেন্দ্ৰনাথৰ দৰে

মহা মহা লোকসকলৰ লগত পৰিচিত হৈছিলো। আৰু তাত কিদৰে সময়ৰ অপব্যয হয সকলো মই লক্ষ্য কৰিছিলো। আনকি, সেই সময়তেই ইংৰাজী ভাষাই আমাৰ কামত কিদৰে উচ্চ ঠাই পাইছে তাক লক্ষ্য কৰিছিলো। শক্তিৰ অপব্যয নহবলৈ চেষ্টা কাৰো নাই, যিটো কাম এজনে কৰিব পাৰে তাত এজনতকৈ সৰহ লোক লগোৱা হয়; অথচ বহুতো লাগতীয়াল কাম কাৰো কাম নোহোৱাৰ দৰে হৈছিল। এইবোৰ কথা লক্ষ্য কৰিবলৈ মোৰ মন সমালোচনাশীল আছিল। তথাপিও মোৰ মনত উদাৰতাৰ অভাৱ নাছিল। সেইবাবে এনে অৱস্থাত ইযাতকৈ শ্ৰেষ্ঠ উপায নাই বুলি মই সদায ভাবিছিলো আৰু মোৰ এই ভাবেই কোনো কামত ইতিকিং কৰাৰ পৰা মোক ৰক্ষা কৰিছিল।

পঞ্চদশ অধ্যায়

কংগ্ৰেছত

অৱশেষত কংগ্ৰেছ আৰম্ভ হল। বিশাল সভামণ্ডপ, স্বেচ্ছাসেৱক সকল শ্ৰেণীবদ্ধভাৱে থিয়, সভা-মঞ্চত নেতাসকল বহা, এই দৃশ্য দেখি মোৰ মন বিস্ময়ত উপচি পৰিল। এই বিশাল জন-সমুদ্ৰৰ মাজত মই ক'ত, এই কথাষাৰ ভাবি মই আচৰিত হলো।

সভাপতিৰ অভিভাষণখন এখন ডাঙৰ কিতাপ। ইমূৰৰপৰা সি-মূৰলৈ পঢ়া টান, সেইদেখি মাজে মাজে বাছি পঢ়া হল।

ইয়াৰ পাছত বিষয় বাচনি সভাৰ বাছনি আৰম্ভ হল। গোখেলে মোক কমিটিৰ সভালৈ নিলে।

অৱশ্যে ছাৰ ফেৰোজশ্বাহে মোৰ প্ৰস্তাৱ কাৰ্য্য-তালিকাত লবলৈ

মাস্তি হল। কিন্তু মই আচৰিত হৈ ভাবিছিলো—এতিয়া বিষয় বাছনি সভাত কোনে এই প্ৰস্তাৱ উলিয়াব আৰু কেতিয়া উলিয়াব। কাৰণ প্ৰত্যেক প্ৰস্তাৱৰ পাছতেই দীঘলীয়া বক্তৃতা হৈছিল, আৰু সকলোৱে ইংৰাজীৰেই বক্তৃতা দিছিল। প্ৰত্যেক প্ৰস্তাৱ এজন নহয় এজন বিখ্যাত নেতাই দাঙি ধৰিছিল। ইমান ডাঙৰ শব্দ উঠা ড্ৰবাৰ কাষত মোৰটো জানিবা সৰুমাতৰ অমিতা ঠাৰিৰ পেঁপা। মোৰ মাত কোনে শুনিব? ৰাতি ঘনাই আহিলত মোৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। মোৰ যিমান দূৰ মনত পৰে, যিবোৰ প্ৰস্তাৱ শেহলৈ থোৱা হৈছিল, সেইবোৰ পঞ্জাব মেইলৰ গতিত কোনোৰকমে হবনুৰকৈ চলোৱা হল। প্ৰত্যেকেই ঘৰলৈ অহাত ব্যস্ত। নিশা প্ৰায় ১১ বাজিল। বক্তৃতা দিবলৈ মোৰ সাহ নাছিল। ইতিপূৰ্বেই মিঃ গোখেলৰ লগত মোৰ দেখা হৈছিল। তেখেতে মোৰ প্ৰস্তাৱটো চাইছিল। সেইবাবে মই তেখেতৰ চকীৰ কাষ চাপি গলো আৰু ফুচফুচাই কলো—"মোৰ কাৰণে কিবা এটা কৰক।" তেখেতে কলে,—"তোমাৰ প্ৰস্তাৱলৈ মোৰ মনত আছে। দেখিছাই নহয়, তেওঁলোকে কি দৰে হবনুৰকৈ প্ৰস্তাৱবোৰ আলোচনা কৰিছে। কিন্তু মই তোমাৰ প্ৰস্তাৱটো পৰি থাকিবলৈ নিদিও।" "তেন্তে আমাৰ কাম শেষ হল" বুলি ছাৰ ফেৰোজশ্বাহে কলে। "নহয়, নহয়, এতিয়াও দক্ষিণ আফ্ৰিকা সম্বন্ধে এটা প্ৰস্তাৱ আছে। মিঃ গান্ধী ইয়াৰ বাবে ৰৈ আছে।" বুলি গোখেলে কলে। "আপুনি প্ৰস্তাৱটো দেখিছে নহয়"—বুলি ছাৰ ফেৰোজশ্বাহে সুধিলে

"এৰা দেখিছো।"

"আপুনি ভাল পাইছেনে?

"এৰা ভালেই দিয়ক।

গান্ধী, "তেন্তে সেইটো আলোচনা কৰা হওক।

মই প্ৰস্তাৱটো কঁপি কঁপি কোনোমতে পঢ়িলো। গোখেলে সমৰ্থন কৰিলে।

সৰ্ব্বসম্মতিত গৃহীত হৈছে বুলি একেলগে চিঞৰি কলে। সভাপতি ছাৰ ডিনশ্বাহ ৱাচাই কলে—'গান্ধীয়ে এই প্ৰস্তাৱত বক্তৃতা দিবলৈ ৫ মিনিট সময় দিয়া হব।"

এনে কাৰ্য্যপদ্ধতিত মই আশা সন্তুষ্ট হোৱা নাছিলো। প্ৰস্তাৱটো কি বুজিবলৈ কোনোৱেই চেষ্টা কৰা নাছিল। সকলোৱেই ঘৰলৈ যোৱাত ব্যস্ত আৰু গোখেলে প্ৰস্তাৱটো দেখিছে, যি স্থলত তেনেস্থলত অইনে চোৱাটো প্ৰয়োজনীয় নহয় বুলি ভবা হৈছিল।

মুকলি সভাত কেনেকৈ এতিয়া বক্তৃতা দিয়া যায় এই কথাষাৰ ভাবোতে পুনৰ বেয়াটো গল—৫ মিনিটত নো মই কি কওঁ?

যি হওক ভালকৈয়ে মই নিজৰ তৈয়াৰী কৰিছিলো। কিন্তু বক্তৃতা দিবলৈ ভাষা বিচাৰি নাপাওঁ, লিখিত বক্তৃতা নপঢ়ো বুলি মই স্থিৰ কৰিছিলো। কিন্তু দক্ষিণ আফ্ৰিকাত বক্তৃতা দিয়াৰ যি অভ্যাস আৰু ক্ষমতা হৈছিল, এতিয়া সকলো নোহোৱা হল যেন মোৰ বোধ হৈছিল।

মোৰ প্ৰস্তাৱৰ পাল আহিলত ছাৰ ডিনশ্বাহে মোৰ নাম মাতিলে। মই থিয় হলো। মোৰ মূৰ ঘূৰিবলৈ ধৰিলে। কোনোমতে প্ৰস্তাৱটো পঢ়িলো। কোনোবাই বিদেশত উপনিবেশ পতাৰ শলাগ লৈ কবিতা লিখি ছপা কৰি প্ৰতিনিধি সকলৰ মাজত বিলাই দিছিল। মই কবিতাটো পঢ়িলো আৰু দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় সকলৰ অভিযোগ উল্লেখ কৰিলো। এনেতে ছাৰ ডিনশ্বাহে ঘণ্টা বজালে, মই ৫ মিনিটতকৈ বেছি কোৱা নাছিলো এইটো ঠিক। আৰু দুমিনিটত বক্তৃতা শেষ কৰিবলৈ ঘণ্টা বজাই সতৰ্ক কৰা হৈছিল বুলি মই জনা নাছিলো। অন্যাই আধা

ঘন্টা কিম্বা তাতোকৈ বেছি সময় বক্তৃতা দিয়া মই কব পাৰো কিন্তু তেতিয়াও ঘন্টা দিয়া নহয়। এই কথাষাৰত মই ক্ষুণ্ণ হলো আৰু ততালিকে মই বহি পৰিলো। কিন্তু তেতিয়া মোৰ শিশুৰ দৰে বুদ্ধি থকা স্বত্বেও মই বুজিলো যে এই কবিতাতেই ছাৰ ফেৰোজশ্বাহলৈ উত্তৰ আছে। এই প্ৰস্তাৱটো গ্ৰহণ কৰা নকৰা সম্পৰ্কে একো কথা নাছিল। সেই সময়ত দৰ্শক আৰু প্ৰতিনিধিৰ মাজত একো পাৰ্থক্য নাছিল। প্ৰত্যেকেই হাত দাঙে আৰু সৰ্ব্বসম্মতি ক্ৰমে প্ৰস্তাৱবোৰ গৃহীত হয়। মোৰ প্ৰস্তাৱটোৰো সেই দশা হল আৰ সেইবাবে মোৰ ওচৰত তাৰ একো মূল্য নাথাকিল। কিন্তু তথাপিও এই প্ৰস্তাৱটো যে কংগ্ৰেছত গৃহীত হৈছে, ইয়াতেই মই ৰং পালো। কংগ্ৰেছত গৃহীত হোৱাৰ অৰ্থ গোটেই দেশখনে এই প্ৰস্তাৱত সম্মতি দিছে—এই কথাষাৰতেই সকলোৱে ৰং পায়।

ষোড়শ অধ্যায়

লৰ্ড কাৰ্জনৰ দৰবাৰ

কংগ্ৰেছ শেষ হল, কিন্তু দক্ষিণ আফ্ৰিকাৰ কৰ্ম্মসূত্ৰত চেম্বাৰ অৱ কমাছ আৰু অন্যান্য বহুতো মানুহৰ লগ পাব লগীয়া হোৱাত মই কলিকতাত এমাহমান থাকিলো। এইবাৰ হোটেলত থকাৰ সলনি ইণ্ডিয়া ক্লাবত থাকিবৰ সুবিধা প'বলৈ প্ৰয়োজনীয় পৰিচয় পত্ৰৰ দিহা কৰিলো। ইয়াৰ মেম্বৰৰ ভিতৰত কিছুমান খ্যাতনামা ভাৰতীয় লোকো আছিল আৰু তেওঁলোকৰ সংস্পৰ্শত আহি দক্ষিণ আফ্ৰিকা সম্বন্ধে তেওঁলে কৰ মনোযোগ নিবলৈ মই আশা কৰিছিলো—গোখেলে এই ক্লাবলৈ বিলিয়াৰ্ড খেলিবলৈ গৈছিল। আৰু যেতিয়া মই

কলিকতাত কিছুদিন থাকিব লাগিব বুলি গম পালে, তেতিয়া তেখেতে তেখেতৰ লগত থাকিবলৈ মোক মাতিলে। মই তেখেতৰ নিমন্ত্ৰণ ধন্যবাদেৰে গ্ৰহণ কৰিলো, কিন্তু নিজৰ পৰা মোৰ, তেওঁৰ ওচৰলৈ যোৱাটো উচিত নহয় বুলি মই ভাবিলো। এদিন বাট চাই তেওঁ নিজে আহি মোক নিলে। মোৰ সংকোচ ভাব তেওঁ লক্ষ্য কৰি এদিনাখন কলে---"গান্ধী, তুমি এই দেশতেই থাকিব লাগিব" ইয়াত এইদৰে সংকোচ কৰি থাকিলে নচলিব। তুমি নিজে যিমান মানুহৰ লগত পাৰা সংস্পৰ্শত আহিবা। তুমি কংগ্ৰেছৰ কাম কৰা এয়েই মোৰ ইচ্ছা।" গোখেলৰ লগত থকা সম্পৰ্কে কোৱাৰ পূৰ্ব্বতে ইণ্ডিয়া ক্লাবত হোৱা এটা ঘটনাৰ কথা মই ইয়াত উল্লেখ কৰো।

লৰ্ড কাৰ্জনে এই সময়ত দৰবাৰ পাতিছিল। কিছুমান ৰজা মহাৰজা এই ক্লাবৰ মেম্বৰ আছিল, তেওঁলোকো দৰবাৰলৈ নিমন্ত্ৰিত হৈছিল। ক্লাবত সদায় তেওঁলোকক বঙালীৰ দৰে ধুতি চাদৰ লৈ অহা দেখো, কিন্তু দৰবাৰৰ দিনা খানচামাৰ দৰে পাজামা আৰু জকমকীয়া বুটজোতা পিন্ধি অহা মই দেখা পালো। এইবোৰ দেখি মই বেজাৰ পালো আৰু ইয়াৰ কাৰণ কি বুলি এজনক সুধিলো। 'আমি নিজেহে দুৰৱস্থাৰ কথা বুজি পাইছো---ধন আৰু পদবী আছে বুলি আমি কি অপমানৰ বোজা লব লাগে তাক অকল আমিহে জানো"---এই বুলি এজনে কলে।

কিন্তু খানছামাৰ দৰে এনেবিধৰ পাগুৰি আৰু এনেবিধৰ বুটজোতা পিন্ধিছে কিয় বুলি মই সুধিলো।

"খানছামা আৰু আমাৰ মাজত কিবা পাৰ্থক্য আছে নে? সেইবোৰ হৈছে আমাৰ খানছামা আৰু আমি হৈছো লৰ্ড কাৰ্জনৰ খানছামা"---এই বুলি এজনে মাত লগালে। আজি যদি দৰবাৰলৈ নোযোৱাকৈ

থাকিলোহেতেন তেন্তে ইয়াৰ বাবে ফল ভোগ কৰিব লাগিলহেতেন। সাধাৰণ পোছাক পিন্ধি যোৱা হলে ভগৰৰ কথা হলহেতেন। আৰু লৰ্ড কাৰ্জনৰ লগত কথা বতৰা হবলৈ সুবিধা পাইছো বুলি আপুনি ভাবে নে? অলপো নহয়।"

এই কথাষাৰ শুনি মই বেজাৰ পালো।

এই কথাষাৰত আৰু এখন দৰবাৰৰ কথা মনত পৰিছে। যি সময়ত লৰ্ড হাৰ্ডিঞ্জে হিন্দু বিশ্ববিদ্যালয়ৰ ভিত্তি স্থাপন কৰে, তেতিয়াও দৰবাৰ এখন হৈছিল। তাত বহুতো ৰজা মহাৰজা আছিল—আৰু পণ্ডিত মদন মোহন মালব্যই মোক এই দৰবাৰলৈ মাতিছিল। আৰু মযো তেখেতৰ নিমন্ত্ৰণ গ্ৰহণ কৰি তালৈ গৈছিলো।

তাতো মহাৰজা সকলে তিৰোতাৰ দৰে অলঙ্কাৰ পিন্ধা দেখি মই বৰ বেজাৰ পাইছিলো। ৰেছমী পাজামা, ৰেছমী আচকান ডিঙিত গলপতা, হাতত খাৰু, পাগুৰিত মণিমুকুতা জহৰ আৰু ইয়াৰ উপৰিও সোণৰ খাপত তৰোৱাল কৰালত ওলমিছে।

এইবিলাক ৰাজকীয়পদৰ চিন নহয়, মাথোন দাসত্বৰ হে চিন এইকথা মই বুজি পালো। পুৰুষত্বহীনতাৰ এইবিলাক 'বেজ" তেওঁলোকে নিজৰ পৰাই পিন্ধিছে বুলি মই ভাবিছিলো কিন্তু পাছত মই শুনিছিলো যে এইবিলাক তেওঁলোকে স্বইচ্ছাত পিন্ধা নাই। ই বাধ্যতামূলক। এনেবিধৰ অনুষ্ঠানত তেওঁলোকে এইদৰে পিন্ধাৰ নিয়ম আছে। কিছু-মানৰ এনে বিধৰ সাজ পোছাকলৈ বিৰক্তি আছে বুলিও শুনিলো। আৰু তেওঁলোকে দৰবাৰ, নাইবা অন্য কোনো অনুষ্ঠান নহলে এনেবিধৰ পোছাক নিপিন্ধে।

মোৰ খবৰ কিমান শুদ্ধ হৈছে মই কব নোৱাৰো। তেওঁলোকে অন্য অনুষ্ঠানত এনেবিধৰ পোচাক পিন্ধে নে নিপিন্ধে মই কব নোৱাৰো।

কিন্তু ভাইছৰযৰ দৰবাবত তেওঁলোক অকল তিৰুতাইহে পিন্ধা অলঙ্কাৰ কিছুমান পিন্ধা দেখি মোৰ বৰ বেজাৰ হৈছিল ।

ধন আৰু পদমৰ্য্যাদাই মানুহৰপৰা কিদৰে পাপ আৰু অন্যায়ত বৰঙণি লয় !

সপ্তদশ অধ্যায়

গোখেলৰ লগত এমাহ

(১)

গোখেলৰ লগত থকাৰ প্ৰথম দিনাৰ পৰা গোখেলৰ আচৰণত মই নিজৰ ঘৰত থকাৰ দৰে পাইছিলো । মোক নিজৰ সৰু ভাইৰ দৰে তেখেতে ব্যৱহাৰ কৰিছিল । মোক কি লাগে, মই কিদৰে থাকো সকলো কথা তেখেতে নিজে সুধি পুছি মোৰ লাগতিয়াল সকলো বস্তুৰ দিহা তেখেতে নিজেই কৰিছিল । সৌভাগ্যবশতঃ মোৰ অভাৱ নিচেই কম আৰু মই সদায় আত্মনিৰ্ভৰশীল হবলৈ চেষ্টা কৰাৰবাবে মোৰ আল-পৈচান ধৰিবলৈ চাকৰৰ বৰ বিশেষ প্ৰয়োজন নাছিল । নিজৰ কাম নিজেই সকলো কৰি মেলি লোৱা, মোৰ ছাফচিকুন আচাৰ ব্যৱহাৰ, ধৈৰ্য্যশীলতা, নিয়ম আদি দেখি তেখেত বৰ মুগ্ধ হৈছিল আৰু সকলো সময়তে মোক শলাগি আছিল ।

মোৰপৰা একো কথা তেখেতে গুপুতে ৰখা নাছিল । তেখেতৰ ওচৰলৈ অহা সকলো ডাঙৰ ডাঙৰ লোকৰ লগত মোক চিনাকি কৰি দিছিল । এই সকল লোকৰ মাজত মোৰ স্মৃতিত আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়ৰ কথা জ্বল জ্বল পট পট হৈ এতিয়াও আছে । আচাৰ্য্য তেখেতৰ

ঘৰৰ কাষতে আন এটা ঘৰত আছিল আৰু সদায় গোখেলৰ ঘৰলৈ আহি কথা বতৰা পাতি থাকে।

আচাৰ্য্য ৰায়ৰ লগত তেখেতে মোক এইদৰে চিনাকি কৰি দিলে। "এখেত অধ্যাপক ৰায়—এখেতৰ দৰ্মহাৰ ৮০০ টকাৰ পৰা ৪০ টকা নিজৰ কাৰণে ৰাখি বাদবাকী ৰাজহুৱা কামত দিয়ে। তেখেত বিবাহিত নহয়, আৰু হবলৈকো ইচ্ছা নকৰে।"

তাহানি আচাৰ্য্য ৰায়ক মই যিদৰে দেখিছিলো, এতিযাও তাৰ লগত অলপো পাৰ্থক্য নেদেখো। তেখেতৰ পোছাক তাহানিও এতিয়াৰ দৰেই আড়ম্বৰবিহীন আছিল। তেখেতৰ সাজ পোছাকত এয়েই পাৰ্থক্য জানিবা তেখেতে পূৰ্ব্বে ভাৰতীয় মিলৰ কাপোৰ পিন্ধিছিল, এতিয়া জানিবা সেই ঠাইত খাদৰ পিন্ধিছে। গোখেল আৰু ৰায়ৰ লগত হোৱা কথা বতৰা বোৰ শুনি মই কেতিয়াও আমনি পোৱা নাছিলো। কাৰণ ৰাজহুৱা কথাৰহে সদায তেখেত সকলে আলোচনা কৰি থাকে। শিক্ষাৰ ফালৰপৰা তেখেত দুযোবো কথা-বতৰা মূল্যবান। মাজে সময়ে তেখেত সকলৰ কথা শুনি বেজাৰো পাইছিলো কাৰণ কিছুমান ৰাজহুৱা কৰ্ম্মীৰ সম্পৰ্কেও আলোচনা হৈছিল আৰু যি সকলক মই পূৰ্ব্বে ডাঙৰ ডাঙৰ লোক বুলি মানি লৈছিলো এতিয়া তেখেত সকলৰ কথাৰ পৰা তেওঁলোক মোৰ মনত সৰু হবলৈ ধৰিলে।

গোখেলক কামত লাগি থকা দেখাটো যেনেকৈ এফালে আনন্দ-দায়ক আছিল, আনফালে সেইদৰে শিক্ষাপ্ৰদও আছিল। এক মুহূৰ্ত্তও তেখেতে নষ্ট কৰা নাছিল। ৰাজহুৱা কাম লৈয়েই তেখেতৰ সকলোৰে লগত সম্পৰ্ক। তেখেতৰ সকলো কথাই দেশৰ কল্যাণ সম্পৰ্কে আৰু কোনো কথাতে অসত্য নাইবা কপটতাৰ অকণো নাছিল। ভাৰতৰ দাৰিদ্ৰ্য আৰু পৰাধীনতা এযেই তেখেতৰ সদায় চিন্তাৰ আৰু আলোচনাৰ

বিষয় আছিল। বহুতো মানুহে বহুতো কথাত তেখেতৰ মন নিয়াবলৈ যত্ন কৰিছিল। কিন্তু তেখেতে সকলোকে এইদৰে উত্তৰ দিছিল—'তুমি নিজে কৰা। মই মোৰ নিজৰ কাম কৰো। মই বিচাৰো মোৰ দেশৰ স্বাধীনতা। স্বাধীনতা লাভ কৰিলে আমি অন্য কথালৈ মন দিব পাৰিম, বৰ্ত্তমানে মোৰ সকলো শক্তি আৰু সময় দিবৰ এই কথাষাৰেই যথেষ্ট।'

ৰাণাডেৰ কাৰণে তেখেতৰ ভক্তি সকলো সময়তে বুজা গৈছিল। সকলো বিষয়তে ৰাণাড়েৰ বিচাৰেই শেষ বুলি তেখেতে মানি লৈছিল আৰু প্ৰতি কথাতেই তেখেতৰ বিচাৰেই উল্লেখ কৰিছিল। গোখেলৰ লগত থকা কেইদিনৰ ভিতৰতেই ৰাণাড়েৰ মৃত্যু তিথি পৰিল, তেখেতে সদায় নিযমমতে এই তিথি পালন কৰি আছিল। মোৰ বাহিৰেও সেই সময়ত তেখেতৰ বন্ধু প্ৰফেছ্যৰ কামভেট আৰু এজন ছাবজজ বন্ধুও তেখেতৰ লগত আছিল। আৰু এই তিথিত যোগ দিবলৈ তেওঁলোকক মাতিলে। এই উপলক্ষে তেখেতে বক্তৃতাত ৰাণাডেৰ জীৱনস্মৃতি সম্পৰ্কে কৈছিল। আৰু কথা প্ৰসঙ্গত ৰাণাডে তেলাঙ আৰু মান্দলীকক তুলনা কৰিছিল। তেলাঙৰ মনমোহা ৰচনা আৰু সংস্কাৰক হিছাপে মান্দলীকৰ মহত্বৰ তেখেতে শলাগ লৈছিল। মক্কেলৰ সম্পৰ্কে মান্দলীকৰ একাগ্ৰ যত্নৰ দৃষ্টান্ত দি ট্ৰেইন হেৰুৱাই এদিনা মক্কেলৰ হক ৰক্ষা কৰিবলৈ আদালতত সময় মতে উপস্থিত হবলৈ স্পিছিয়েল ট্ৰেইন ভাৰা কৰিছিল তাকো গোখেলে বক্তৃতাত কৈছিল। এখেত দুয়োৰো শলাগ লৈ তেওঁ কৈছিল যে ৰাণাড়েই সকলোকে চেৰ পেলাইছিল, কাৰণ তেখেত বিশ্বজনীন চিন্তাশীল পুৰুষ আছিল। তেখেত কেবল এজন ডাঙৰ জজ নাছিল, বুৰঞ্জীবিদ, অৰ্থনীতিবিদ, আৰু সংস্কাৰক সকলো হিছাপে তেখেত এজন মহৎ লোক আছিল। তেখেত জজ হৈও নিৰ্ভীক-

ভাৱে কংগ্ৰেছত যোগ দিছিল। আৰু তেখেতৰ বিচক্ষণতাত সকলোৰে এইদৰে আস্থা আছিল যে একো প্ৰশ্ন নকৰাকৈয়ে তেখেতৰ বিচাৰ মানি লৈছিল। ৰাণাডেৰ মস্তিস্ক আৰু হৃদয়ৰ এইবিলাক গুণ তেখেতত সকলো বিলাকৰ একত্ৰ সমাবেশ বখানি গোখেলৰ আনন্দৰ সীমা হোৱা নাছিল।

এই সময়ত গোখেলে এখন ঘোঁৰাৰ গাৰী সদায় ব্যৱহাৰ কৰিছিল। কি বাবে তেখেতৰ পক্ষে এইদৰে ঘোঁৰা গাৰী প্ৰয়োজনীয় হৈছিল, মই বুজা নাছিলো সেইবাবে এদিনাখন তেখেতৰ লগত মই তৰ্ক কৰিছিলো "আপুনি ই ঠাইৰপৰা সি ঠাইলৈ যোৱাত ট্ৰাম ব্যৱহাৰ কৰিব নোৱাৰেনে। নেতাৰ কাৰণে এই কথাষাৰ নিন্দনীয় নে কি?"

এই কথাষাৰত তেখেতে বেজাৰ পাই কলে—তুমিও মোক বুজি পোৱা নাই। মই কাউন্সিলৰ বাবে যি ভাট্টা পাওঁ, তাকে নিজৰ আৰামৰ কাৰণে খৰচ নকৰো। তুমি ট্ৰামত যিদৰে মুক্তভাৱে ফুৰি ফুৰা, তালৈ চাই মোৰ হিংসা হয়, কিন্তু মই সেইদৰে ফুৰি ফুৰিব নোৱাৰো। তুমিও যেতিয়া মোৰ দৰে সকলোৰে মাজত জনাজাত হবা, এইদৰে ট্ৰামত ফুৰা একেবাৰে অসম্ভৱ নহলেও অন্ততঃ বৰ দুৰূহ হব, ই ধ্ৰুৱ। শাৰীৰিক সুখৰ বাবেই যে সকলো নেতাই এইদৰে ফুৰে বুলি ধৰি লবলৈ একো কাৰণ নাই। মই তোমাৰ আড়ম্বৰহীন আচাৰ ব্যৱহাৰ বৰ ভাল পাওঁ। আৰু যিমান দূৰ সম্ভৱ মইও বিনা আড়ম্বৰেৰে থাকো, কিন্তু মোৰ দৰে মানুহ এজনৰ পক্ষে কিছুমান ব্যয় অপৰিহাৰ্য্য।

এইদৰে তেখেতে সন্তোষজনক ভাৱে মোক সকলো অভিযোগৰ প্ৰত্যুত্তৰ দিলে, কিন্তু এটা কথাৰ উত্তৰ তেখেতে দিব পৰা নাছিল।

"আপুনি দেখোন খোজকাঢ়ি ফুৰিবলৈ নাযায়" বুলি মই কলো। "সেই বাবে সদায় অসুখ হৈ থকা একো আচৰিত কথা নহয়। ৰাজ-হুৱা কামে শাৰীৰিক ব্যায়ামৰ কাৰণে অলপো সময় নৰখাটো উচিত নে?

"তুমি মোক কোন সময়ত খোজকাঢ়ি ফুৰিব যাবলৈ মুকলি হোৱা দেখিছা ?" বুলি তেখেতে কলে।

গোখেললৈ মোৰ অগাধ শ্ৰদ্ধা ভক্তি আছিল সেইবাবে তেখেতৰ এই উত্তৰত মই আৰু একো নকলো। এই উত্তৰত মই অলপো সন্তুষ্ট নহলেও মই নিমাত হৈ থাকিলো। তেতিয়াও মই বিশ্বাস কৰিছিলো আৰু এতিয়াও কৰো যে যাৰ যিমানেই কাম নাথাকক, আহাৰৰ বাবে সময় কৰি লোৱাৰ দৰে শাৰীৰিক ব্যায়ামৰ বাবে সময় উলিওৱা প্ৰত্যেকৰ কৰ্ত্তব্য। ব্যায়ামে কাম কৰিবলৈ শক্তি কমাওক ছাবি বঢ়ায় বুলি মোৰ মত।

অষ্টাদশ অধ্যায়

গোখেলৰ লগত এমাহ

(২)

গোখেলৰ লগত একে ঘৰত থাকিও মই কেতিয়াও ঘৰত সোমাই থকা নাছিলো।

দক্ষিণ আফ্ৰিকাৰ মোৰ খ্ৰীষ্টান বন্ধু সকলক মই কৈছিলো যে মই ভাৰতবৰ্ষৰ খ্ৰীষ্টান সমাজৰ লগত দেখা কৰি তেওঁলোকৰ অৱস্থা সম্পৰ্কে বুজ লম। মই বাবু কালীচৰণ বানাৰ্জীৰ কথা শুনিছিলো আৰু তেখেতক মই সম্মান কৰিছিলো। তেওঁতে কংগ্ৰেছত ওখ ঠাই লৈছিল আৰু সাধাৰণতে ভাৰতীয় খ্ৰীষ্টান সম্পৰ্কে মোৰ যি শঙ্কা হৈছিল—কাৰণ এওঁলোকে কংগ্ৰেছত যোগ দিয়া নাছিল হিন্দু আৰু মুছলমানবপৰা আঁতৰি আছিল, কালীচৰণ বানাৰ্জীৰ সম্পৰ্কে মোৰ সেই শঙ্কা হোৱা নাছিল।

মই তেখেতৰ লগত দেখা কৰিবলৈ যাম বুলি ভাবি থকা তেখেতক জনালো। গোখেলে কলে—তেখেতৰ লগত দেখা কৰিবলৈ যোৱাৰ লাভ কি? তেখেত এজন বৰ সজ লোক, কিন্তু তেখেতৰ কথা বতৰাত তুমি সন্তুষ্ট নোহোৱা বুলি মোৰ সন্দেহ হৈছে। মই তেখেতক ভালকৈ জানো। তথাপিও তুমি যেতিয়া ইচ্ছা কৰিছা দেখা কৰিবলৈ যাবা নিশ্চয়।

তেখেতৰ লগত দেখা কৰিবলৈ মই তেখেতৰ পৰা এটা সময় বিচাৰোতে তেখেতে ততালিকে নিৰ্দ্ধাৰিত কৰি দিলে। তেখেতৰ ঘৰলৈ গৈ দেখো যে তেখেতৰ ভাৰ্য্যা মৃত্যুশয্যাত। তেখেতৰ ঘৰ দুৱাৰ আড়ম্বৰহীন আছিল। কংগ্ৰেছত তেখেতক মই কোট আৰু পাজামা পিন্ধা দেখিছিলো --এতিয়া ঘৰত বঙালী ধুতি আৰু শ্বাৰ্ট পিন্ধা দেখা পালো। তেখেতৰ অনাড়ম্বৰ জীৱন প্ৰণালী দেখি মই বৰ ৰং পালো। যদিও মই নিজে পাৰ্চী কোট আৰু পাজামা পিন্ধিছিলো। বহুৱাৰম্ভ নকৰাকৈ মই পোনে পোনেই মোৰ সমস্যাবিলাক তেখেতৰ সমুখত উপস্থিত কৰিলো। তেখেতে সুধিলে মূল পাপ-বাদ সম্পৰ্কে তুমি বিশ্বাস কৰানে? মই কলো--হয়, মই কৰো।

"বাৰু তেন্তে হিন্দুধৰ্ম্মই এইবিলাক পাপৰ পৰা মুক্তিৰ বাবে একো নকৰে। খ্ৰীষ্ট ধৰ্ম্মই হওতে মুক্তিৰ দিহা কৰিছে। পাপৰ বেচ হৈছে মৃত্যু আৰু বাই বলে কয় যে প্ৰভু যীশুত আত্ম-সমৰ্পণেই হৈছে একমাত্ৰ উপায়।

ইয়াৰ উত্তৰত মই ভাগৱৎগীতাৰ ভক্তিমাৰ্গৰ কথা কলো, কিন্তু ইয়াৰ ফল একো নহল। তেখেতৰ সজ বিশ্বাসৰ কাৰণে ধন্যবাদ দিলো, কিন্তু তেখেতৰ কথা-বতৰাত মই সন্তুষ্ট নহলো।

এই কেদিন মই কলিকতাৰ বাটেদি খোজ কাঢ়ি ফুৰিছিলো।

সকলো ঠাইলৈকে মই খোজ কাঢ়ি গৈছিলো। জাষ্টিছ মিত্ৰ আৰু ছাৰ গুৰুদাস বানাৰ্জীৰ লগত মই দেখা কৰি দক্ষিণ আফ্ৰিকাত মোৰ কামত সহায় বিচাৰিছিলো। এই সময়ত মই ৰাজা ছাৰ পিযাৰী মোহন মুখাৰ্জীৰ লগত দেখা কৰিছিলো।

কালীচৰণ বানাৰ্জীয়ে মোক কালী-মন্দিৰৰ কথা কৈছিল, এই মন্দিৰ চাবলৈ মই ব্যগ্ৰ হলো। মই কিতাপত পঢ়া বাবেও এই মন্দিৰ চাবলৈ বৰ ব্যগ্ৰ হলো। এদিনা মই এই ঠাইলৈ গলো। জাষ্টিছ মিত্ৰৰ ঘৰ এই অঞ্চলত আছিল। আৰু সেইবাবে তেখেতৰ ওচৰলৈ যোৱাৰ দিনাই মন্দিৰলৈ গলো। যাওঁতে এপাল ছাগলী মন্দিৰত বলি দিবলৈ নিয়া দেখা পালো, বাটত বহুতো মগনীয়া শাৰি পাতি থিয় হৈ আছিল তেওঁলোকৰ মাজত সন্ন্যাসী বাবাজীও আছিল আৰু সেই সময়তো সুস্থ সবল মগনীযাক ভিক্ষা দিযাৰ মই বৰ বিৰোধী আছিলো। এপাল মগনীযাই মোলৈ চোচা লৈ খেদি আহিল। এনে এজন লোক বাৰান্দাত বহি থকা দেখা পালোঁ তেওঁ মোক সুধিলে 'বাপু' কলৈ যোৱা' মই মোৰ গন্তব্য ঠাই কলো। তেতিযা তেওঁলোকে মোক আৰু মোৰ লগৰীয়া বন্ধু জনক বহিবলৈ কলে। আমিও সেইমতে বহিলো। মই সুধিলো এই বলি দিয়াটো ধৰ্ম্ম বুলি আপুনি ভাবেনে ?

"পশু বধ কৰা কোনে ধৰ্ম বুলি ভাবে ? তেন্তে ইযাৰ বিৰুদ্ধে আপুনি প্ৰচাৰ নকৰে কিয ? সেইটোতো মোৰ কাম নহয়, মোৰ কাম হৈছে ঈশ্বৰক উপাসনা কৰা"। "তেন্তে আপুনি ঈশ্বৰোপাসনাৰ বাবে অন্য ঠাই বাছি নাপালেনে ?" "আমাৰ পক্ষে সকলো ঠায়েই সমান। মানুহ ছাগলীৰ পালৰ দৰে, নেতাই য'লৈকে নিযে ত'লৈকে যায়।"

তেখেতৰ লগত আলোচনা আৰু দীঘল নকৰি আমি মন্দিৰ পালোগৈ। দুৱাৰ মুখতেই তেজৰ নৈ দেখা পালো। এই দৃশ্য মই সহিব পৰা নাছিলো,

মই বৰ উত্তেজিত আৰু অধৈৰ্য্য হৈ পৰিলো। এই দৃশ্য মই কেতিয়াও পাহৰিব নোৱাৰো। সেই ৰাতিয়েই বঙালী বন্ধুসকলৰ এখন ভোজলৈ মইও নিমন্ত্ৰিত হৈছিলো। তাত মই পূজাৰ এই নিষ্ঠুৰ ৰীতি সম্পৰ্কে এজন বন্ধুক কলো। তেওঁ কলে ছাগলীয়ে অলপো দুখ অনুভৱ নকৰে, চাৰিওফালৰ হাই উৰুমি আৰু ঢোলৰ শব্দই তাৰ অনুভৱ শক্তি নষ্ট কৰে।

মই এই কথাষাৰ গ্ৰহণ কৰিব নোৱাৰিলো। মই কলো যে ছাগলীৰ কথা কবৰ শক্তি থকা হলে নিশ্চয় ভাষাৰে দুখ জনালেহেতেন। এই নিষ্ঠুৰ ৰীতি বন্ধ কৰিব লাগে বুলি ভাবিলো। প্ৰভু বুদ্ধদেৱৰ কাহিনী মোৰ মনত পৰিল, কিন্তু এই কাম মোৰ সাধ্যাতীত বুলিও বোধ কৰিলো।

আজিও মই সেই মতকেই অৱলম্বন কৰিছো। মোৰ মনেৰে ছাগলীৰ জীৱন মানুহৰ জীৱনতকৈ অলপো কম মূল্যবান নহয়। মানুহৰ শৰীৰৰ বাবে ছাগলীৰ জীৱন লবলৈ মই কেতিয়াও মান্তি হব নোৱাৰো। এটা পশু যিমানেই অসহায়, সিমানেই মানুহৰ নিৰ্দয় ব্যৱহাৰৰ পৰা ৰক্ষা পাবলৈ সিও যোগ্য। কিন্তু যি এইদৰে সেৱা কৰিবলৈ উপযুক্ত হোৱা নাই, সি কেতিয়াও পশুক এই অত্যাচাৰৰ পৰা ৰক্ষা কৰিব নোৱাৰে। এই নিৰপৰাধ ছাগলীবোৰ অপবিত্ৰ বলীৰ পৰা ৰক্ষা কৰিবলৈ আশা কৰাৰ পূৰ্বতে মই ত্যাগ আৰু আত্মশুদ্ধিৰে নিজক প্ৰস্তুত কৰিব লাগিব। আজি মই ভাবো যে আত্মশুদ্ধি আৰু ত্যাগৰ কাৰণে সাধনা কৰি মই এই জীৱন শেষ কৰিব লাগিব। আমাক এই পাপৰপৰা উদ্ধাৰ কৰিবলৈ নিৰপৰাধ পশুবিলাকৰ জীৱন ৰক্ষা কৰিবলৈ আৰু মন্দিৰ পৱিত্ৰ কৰিবলৈ কোনো এজন মহাপুৰুষ ঐশ্বৰিক কৰুণা লৈ জগতত জন্ম গ্ৰহণ কৰক, এয়েই মোৰ সদায় প্ৰাৰ্থনা। ইমান জ্ঞান বুদ্ধি ত্যাগ আৰু ভাৱৰ সম্পদ লৈ কেনেকৈ বঙ্গদেশে আজিও এই পশু হত্যা কৰি আছে, মই বুজি নাপাওঁ।

উনবিংশ অধ্যায়

গোখেলৰ লগত এমাহ

(৩)

ধৰ্ম্মৰ নামত কালীৰ ওচৰত কি ভীষণৰূপে বলি দিয়া দেখি বঙালী জীৱন সম্পৰ্কে জানিবলৈ মোৰ স্পৃহা বাঢ়িল। মই ব্ৰাহ্ম সমাজ সম্পৰ্কে বহুতো শুনিছিলো আৰু পঢ়িছিলো। মই প্ৰতাপচন্দ্ৰ মজুমদাৰৰ জীৱন সম্পৰ্কে কিছু জানিছিলো। তেওঁ বক্তৃতা দিয়া কেইবাখনো সমাজলৈ মই গৈছিলো। তেওঁ লিখা কেশৱচন্দ্ৰ সেনৰ জীৱনীখন মই গোটাই ললো আৰু বৰ মনোযোগেৰে সৈতে পঢ়িলো। সাধাৰণ সমাজ আৰু আদি ব্ৰাহ্ম সমাজৰ মাজত পাৰ্থক্য কি তাক মই বুজিলো। পণ্ডিত শিৱনাথ শাস্ত্ৰীৰ লগত দেখা কৰি অধ্যাপক কাথভেটৰ লগত মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ লগত দেখা কৰিবলৈ গলো, কিন্তু সেই সময়ত তেখেতৰ লগত দেখাশুনা কৰিবলৈ যোৱা বন্ধ আছিল, সেইবাবে আমি তেখেতক দেখা নাপালো। যিয়েই হওক, তেখেতৰ ঘৰত হোৱা ব্ৰাহ্ম সমাজৰ উৎসৱলৈ আমি নিমন্ত্ৰিত হলো আৰু তাত মধুৰ বঙালী সঙ্গীত শুনিবলৈ সুবিধা পালো। তেতিয়াৰেপৰা মই বঙালী সঙ্গীতৰ এজন ভক্ত। ব্ৰাহ্ম সমাজৰ বহুতো কথা দেখি বিবেকানন্দৰ লগত দেখা নকৰাকৈ মই সন্তুষ্ট হোৱা অসম্ভৱ। সেইবাবে বৰ উৎসাহেৰে সৈতে মই বেলুৰ মঠলৈ গলো আৰু সৰহ ভাগ বা গোটেই বাট খোজ কাঢ়ি গৈছিলো নে মোৰ মনত নাই। মঠৰ নিৰ্জন ঠাই মই বৰ ভাল পাইছিলো। স্বামীৰ বেমাৰ বুলি শুনি মই বৰ বেজাৰ পালো আৰু দেখা নাপাই নিৰাশ হলো। তেখেত কলিকতাৰ ঘৰত আছে বুলি মই শুনিলো। ইয়াৰ পাছত মই ভনী নিবেদিতাৰ ঠিকনা সুধি ললো আৰু "চৌৰাঙ্গী মেন্সন'ত' তেওঁৰ লগত দেখা কৰিলো গৈ। জাকজমকৰ মাজত তেওঁক থকা

দেখি মই আচৰিত হলো আৰু কথাবতৰা হৈও আমাৰ দুয়োৰো মাজত মিলনক্ষেত্ৰ নাপালো। গোখেলক মই এইকথাষাৰ কলো আৰু তেখেতে কলে যে মোৰ লগত আৰু তেওঁৰ দৰে পাতল মনৰ এগৰাকীৰ লগত মিলনৰ ঠাই নোহোৱাটো আচৰিত নহয়।

পেষ্টনজী পাদশ্বাৰ ঘৰত তেওঁৰ লগত পুনৰ মোৰ দেখা হল। তেওঁ যেতিয়া পাদশ্বাৰ বুঢ়ী মাকৰ লগত কথা হবলৈ ধৰিছে, ঠিক তেনেতে মই গৈ সেইখিনি ওলালো আৰু দুয়োৰো মাজত কটকী হৈ পৰস্পৰৰ কথা পৰস্পৰক বুজাই দিলো, তেওঁৰ লগত একে মতৰ হবলৈ মিলনৰ ঠাই বিচাৰি নাপালেও হিন্দুধৰ্ম্মলৈ তেওঁৰ মৰম দেখি মই নশলগাকৈ নাছিলো, পাছত হে লাহে লাহে তেওঁৰ কিতাপবোৰৰ সংস্পৰ্শত মই আহিলো।

দক্ষিণ আফ্রিকাৰ সম্পৰ্কে কলিকতাৰ নেতৃস্থানীয় লোকসকলৰ চকু আকৰ্ষণ কৰিবলৈ তেওঁলোকক দেখা শুনা কৰি মই গোটেই দিন নিয়াবলৈ ধৰিলো। কলিকতাৰ ৰাজহুৱা আৰু ধৰ্ম্ম সম্পৰ্কীয় প্ৰতিষ্ঠানবোৰ বুজাতো মন দিলো। বুয়ৰ যুদ্ধত ভাৰতীয় এম্বুলেন্সবোৰে কি কৰিছিল, সেই সম্পৰ্কে ডাক্তাৰ এচ. এন. মল্লিকৰ সভাপতিত্বত মই এখন সভাতো বক্তৃতা দিছিলো।

'ইংলিছ্‌মেন'ৰ লগত মোৰ চিনাকি হোৱাত এইবাৰ বৰ সুবিধা হল। মিঃ ছণ্ডাৰ্চ তেতিয়া বেমাৰত শয্যাগত আছিল, কিন্তু তেতিয়াও তেওঁ ১৮৯০ সনৰ দৰে মোক যথেষ্ট সহায় কৰিছিল। গোখেলে মোৰ বক্তৃতা বৰ ভাল পালে আৰু ডাক্তৰ ৰায়ে শলাগ লোৱাত ৰং পালে। এইদৰে গোখেলৰ লগত থকাত কলিকতাত মোৰ কাম বৰ উজু হল আৰু নেতৃস্থানীয় বঙালী পৰিয়াল সকলৰ লগত চিনাকি হবৰ সুযোগ হল। বঙ্গদেশৰ লগত এয়েই মোৰ সংস্পৰ্শৰ প্ৰথম আৰম্ভ।

এই এটা স্মৰণীয় মাহৰ বহুতো স্মৃতি এতিয়া এৰি যাব লাগিব। কেৱলমাত্ৰ ব্ৰহ্মদেশলৈ মোৰ যাত্ৰা আৰু বৌদ্ধ ফুঙী বিলাকৰ লগত দেখা হোৱা কথা উল্লেখ কৰিলেই হব। তেওঁলোকৰ এলাহ দেখি মই বৰ বেজাৰ পালো, তেওঁলোকৰ স্বৰ্ণমন্দিৰ চালোগৈ। তাত জ্বলি থকা অসংখ্য বন্তি দেখি মই ভাল পোৱা নাছিলো আৰু তাত মন্দিৰৰ বেদীৰ ওচৰত নিগনি বিলাকে লৰি ফুৰা দেখি স্বামী দয়ানন্দৰ মোৰ্বীত হোৱা অভিজ্ঞতাৰ কথা মোৰ মনত পৰিল। মানদেশৰ তিৰুতা সকলৰ স্বাধীনতা আৰু উদ্যম দেখি ৰং পালো কিন্তু মুনিহইঁতৰ এলাহ দেখি বেজাৰ লাগিল। সেই কেইদিন তাতি থাকি মই এই কথাষাৰ বুজিলো যে যিদৰে বোম্বে ভাৰতবৰ্ষ নহয়, সেইদৰে ৰেঙ্গুন মান দেশ নহয়। আমি যেনেকৈ ভাৰত-বৰ্ষত ইংৰাজ সদাগৰ সকলৰ কমিশ্যন এজেণ্ট হৈছো, তেনেকৈ মান দেশতো আমি তেওঁলোকক আমাৰ কমিশ্যন এজেণ্ট কৰিবলৈ ইংৰাজ সদাগৰ সকলৰ লগ হৈছো।

মানদেশৰ পৰা উলটি আহি গোখেলৰ পৰা মই বিদায় ললো। তেওঁৰপৰা বিদায় লোৱা বৰ দুখজনক হৈছিল, কিন্তু বঙ্গদেশত, নাইবা কলিকতাত মোৰ কাম শেষ হৈছিল আৰু ইয়াত থাকিবলে মোৰ একো প্ৰয়োজন নাছিল

থিতাপী হৈ বহাৰ পূৰ্ব্বে ত ভাৰতবৰ্ষত, তৃতীয় শ্ৰেণীত ফুৰি তৃতীয় শ্ৰেণীৰ যাত্ৰীৰ দুখ নিজে বুজিবলৈ যত্ন কৰিম বুলি মই মনতে ভাবিছিলো। এই কথাষাৰ মই গোখেলক জনালো। তেওঁ পোনতে এই ভাব হাঁহি উৰুৱাই দিলে, কিন্তু যেতিয়া মই সকলো কথা বুজাই কলো তেওঁ ৰংমনেৰে মোক সমৰ্থন কৰিলে। মই পোনতে কাশীলৈ যাবলৈ স্থিৰ কৰিলো, তালৈ গৈ মিছেছ্ বেছান্তক মোৰ সন্মান জনোৱাই উদ্দেশ্য আছিল, তেতিয়া তেওঁ বেমাৰত পৰি আছিল।

এতিয়া মই তৃতীয় শ্ৰেণীৰ বাবে নিজক তৈয়াৰ কৰিব লগীয়া হল। গোখেলে ধাতবীয় 'টিফিন বক্স' এটাত পুৰী আৰু মিঠাইৰে ভৰাই দিছিল। যাৰ অনা দি 'কেনভাস বেগ' এটা মই কিনি ললো আৰু 'ছায়া' উলেৰে [ছায়া-পোৰবন্দৰ ষ্টেটৰ এডোখৰ ঠাই মোটোং৷ উলৰ কাপোৰৰ বাবে বিখ্যাত] এটা দীঘলীয়া হলৌ ছোলা কৰাই ললো। বেগত ধুতী, কোট, টাৱেল আৰু শ্বাৰ্ট সুমুৱাই ললো, এখন কম্বল আৰু পানীৰবাবে ঘটিএটাও লগতে আছিল। এইদৰে তৈয়াৰ হৈ মই যাত্ৰা আৰম্ভ কৰিলো। গোখেল আৰু ডাক্তাৰ ৰায়ে মোক বিদায় দিবলৈ ষ্টেশ্যনলৈ আহিছিল। ষ্টেশ্যনলৈ এইদৰে আহি অনাহকতে কষ্ট ভুঞ্জিবলৈ আহিব নালাগে বুলি তেওঁলোক দুয়োকো টানি কলো, কিন্তু তথাপিও তেওঁলোকে নেৰে। গোখেলে কলে---তুমি প্ৰথম শ্ৰেণীত যোৱা হলে, মই নাহিলোহেতেন, কিন্তু এতিয়া আহিম, নিশ্চয়।

প্লেটফৰ্ম্মত সোমাবলৈ গোখেলক কোনেও বাধা নিদিলে, তেওঁৰ মূৰত ৰেশমী পাগুৰি আছিল। কোট আৰু ধুতী পিন্ধিছিল, ডাক্তাৰ ৰায় বঙালীৰ পোছাকত আহিছিল। এজন টিকিট কলেক্টৰ তেওঁক ধৰিলত গোখেলে তেওৰ বন্ধু বুলি কোৱাত তেওঁক সোমাবলৈ দিয়া হল। এইদৰে তেওঁলোকৰ শুভ ইচ্ছাৰে সৈতে মই বিদায় ললো।

বিংশ অধ্যায়

কাশীত

কলিকতাৰ পৰা ৰাজকোটলৈ যাওতে বেনাৰস, আগ্ৰা, জয়পুৰ, পালানপুৰ আদি ঠাইত এদিন থাকি ঠাই চোৱা মই স্থিৰ কৰিছিলো।

এইবিলাক ঠাই চোৱাৰ বাহিৰে অন্য ঠাই চাবলৈ মোৰ সময় নাছিল। পালানপুৰৰ বাহিৰে সকলো ঠাইতে সাধাৰণ যাত্ৰীৰ দৰে পাওাৰ লগত এদিন দুদিনকৈ থাকি সকলো চাই ফুৰিছিলো। মোৰ যিমান দূৰ মনত পৰে এই ফুৰাত ৰেলৰ কেৰেয়া লৈ ৩১ টকাতকৈ সৰহ পৰা নাছিল।

তৃতীয় শ্ৰেণীত ফুৰোতে মই সদায় ডাক গাৰীতকৈ সাধাৰণ যাত্ৰী-গাৰীতেই গৈছিলো। কাৰণ যাত্ৰী গাৰীবোৰতেই সাধাৰণতে মানুহৰ হেঁচা বৰ পৰে আৰু তৃতীয় শ্ৰেণীৰ ভাৰাও ডাক গাৰীত সৰহো।

তৃতীয় শ্ৰেণীৰ খোটালীবোৰ বৰ অপৰিষ্কাৰ আছিল আৰু পায়খানাৰ বন্দবস্ত আজি কালিৰ দৰেই বেয়া, এতিয়া অৱশ্যে অলপ উন্নতি হৈছে, কিন্তু প্ৰথমশ্ৰেণী আৰু তৃতীয় শ্ৰেণীৰ মাজত ভাৰাৰ পাৰ্থক্যলৈ চাই সুবিধাৰ পাৰ্থক্যৰ সামঞ্জস্য হোৱা নাই। তৃতীয় শ্ৰেণীৰ যাত্ৰীবোৰক গৰু ছাগলীৰ দৰে ঠাহি নিয়া হয়। তেওঁলোকৰ সুখ স্বাচ্ছন্দ্যলৈ অলপো চকু দিয়া নহয়। য়ুৰোপত মই তৃতীয় শ্ৰেণীত ফুৰিছো, এবাৰহে প্ৰথম শ্ৰেণীত ফুৰিছিলো—য়ুৰোপৰ প্ৰথম শ্ৰেণীনো কি বস্তু তাকে চাবলৈ। তৃতীয় শ্ৰেণী আৰু প্ৰথম শ্ৰেণীৰ মাজত মই ইমান পাৰ্থক্য দেখা নাছিলো। দক্ষিণ আফ্ৰিকাত তৃতীয় শ্ৰেণীৰ যাত্ৰী সৰহ ভাগেই নিগ্ৰো, তাতো তৃতীয় শ্ৰেণীৰ সুবিধা ইয়াতকৈ বেছি। দক্ষিণ আফ্ৰিকাৰ কিছুমান ঠাইত তৃতীয় শ্ৰেণীৰ বাবে শুবলৈ দিহা আছে আৰু বহা ঠাইত গাদী দিয়া হয়। যাতে এখন গাৰীতেই হেঁচা ঠেলা নহয়, সেইবাবে তাতো নিয়ম আছে। কিন্তু ইয়াত নিৰ্দ্দিষ্ট সীমাতকৈ সাধাৰণতে সৰহ মানুহ এখন এখন গাৰীত ঠাহ খায়।

তৃতীয় শ্ৰেণীৰ যাত্ৰী সকলৰ বাবে সুবিধালৈ চকু দিবলৈ, ৰেল কৰ্ত্তৃপক্ষৰ উদাসীনতা, ইয়াৰ লগতে যাত্ৰী সকলৰ অপৰিষ্কাৰ স্বভাৱ, এই দুয়োটা লগ লাগি পৰিষ্কাৰ পৰিচ্ছন্ন স্বভাৱৰ মানহৰ

পক্ষে তৃতীয় শ্ৰেণীত ফুৰা-চকা কৰা এটা গুৰুতৰ সমস্যা হোৱাদি হৈছে। গাৰীৰ ভিতৰত খু পেলাই, তামোল ধপাত খাই পিকাই, সকলো সময়তে সকলো ঠাইতে চেলউ হুপি, জাবৰ আদি পেলাই গাৰীখন তেনেই অপৰিষ্কাৰ কৰা হয়, তাৰ উপৰি অন্য যাত্ৰীৰ সুবিধা অসুবিধালৈ নাচাই চিঞৰ-বাখৰ আৰু অসভ্য ভাষাৰ ব্যৱহাৰ, এইবোৰেই তৃতীয় শ্ৰেণীৰ যাত্ৰী সকলৰ অভ্যাস। ১৯০২ সনত তৃতীয় শ্ৰেণীত ফুৰি মোৰ যি অভিজ্ঞতা হৈছিল আৰু ১৯১৫ সনৰ পৰা ১৯১৯ সনলৈকে একেৰাহে ফুৰোতে সেই একেবিধৰ অভিজ্ঞতাই হল। এই শোচনীয় অৱস্থাৰ এটা প্ৰতিকাৰ আছে বুলি মই ভাবো। শিক্ষিত লোক সকলে তৃতীয় শ্ৰেণীত ফুৰিবলৈ নিয়ম কৰিব লাগে, মানুহৰ অপ-ৰিষ্কাৰ অভ্যাসৰ সংশোধন কৰিবলৈ চেষ্টা কৰিব লাগে, আৰু ইফালে প্ৰয়োজন হলে অভিযোগ কৰি ৰেল কৰ্তৃপক্ষক শান্তি দিব নালাগে, নিজৰ সুখৰ কাৰণে অলপ পইচা ভেটি খুউৱা আদি বেআইনী উপায় কেতিয়াও লব নালাগে, আৰু কেতিয়াবা কোনো নিয়ম ভঙ্গ হলে সহি থাকিব নালাগে, মোৰ মনেৰে প্ৰতিকাৰৰ এয়েই একমাত্ৰ উপায়।

মোৰ বিশ্বাস, এইদৰে বহুতো উন্নতি ঘটিব। দুৰ্ভাগ্যবশতঃ ১৯১৮-১৯ সনত মই টান নৰীয়া পৰাত তৃতীয় শ্ৰেণীত ফুৰা এৰিব লগীয়া হল, আৰু ইয়াৰবাবে মই সদায় লাজ পাইছো, বিশেষকৈ যি সময়তে তৃতীয় শ্ৰেণীৰ অসুবিধাবোৰ গুচাবলৈ আন্দোলনে মূৰ দাঙি উঠিছিল, সেই সময়তেই মই এইদৰে অসুস্থ হলো। ৰেল আৰু জাহাজৰ তৃতীয় শ্ৰেণীৰ দুখীয়া যাত্ৰীসকলৰ অসুবিধা নিজৰ অপৰিষ্কাৰ অভ্যাসত বহুতো বঢ়াত আৰু ইফালে গৱৰ্ণমেন্টে বিদেশী বাণিজ্যত অন্যায়ৰূপে সুবিধা দিয়াত এই বিষয়টোত এজন বা দুজন অধ্যবসায়ী আৰু সাহিয়াল কৰ্ম্মীয়ে একানপতীয়াকৈ কাম কৰা বিশেষ প্ৰয়োজনীয় হৈছে।

কিন্তু এতিয়া তৃতীয় শ্ৰেণীৰ যাত্ৰী সকলক এই খিনিতে এৰি বেনাৰসত মোৰ অভিজ্ঞতাৰ বিবৰণ দিওঁ। পুৱাতে আহি বেনাৰস পালো। পাণ্ডাৰ লগত থকা পূৰ্ব্বতে স্থিৰ কৰিছিলো। বেলৰপৰা নমা মাত্ৰে বহুতো বামণে আহি মোক বেৰি ধৰিলে। এই জাকৰ ভিতৰত যাকেই অলপ ছাফ চিকুণ দেখিলো তেওঁকেই বাছি লগো। মোৰ বাছনি ভালেই হৈছিল। তেওঁৰ ঘৰটো দুমহলা আছিল। ওপৰ মহলাত মোক থাকিবলৈ দিয়া হৈছিল। ঘৰৰ চোতালত গাই এজনী আছিল। নৈষ্ঠিক নিয়ম মতে গঙ্গাত গা নোধোৱাকৈ একো গ্ৰহণ কৰিবলৈ মই ইচ্ছা কৰা নাছিলো, পাণ্ডাও সেইদৰে সাজু হল। মই পোনতে কলো যে দক্ষিণাৰ বাবে ১।০ অনাতকৈ সৰহ দিব নোৱাৰো, সেই বাবে সকলো কথাতে যেন তলৈ চকু ৰখা হয়।

পাণ্ডা ইযাতেই মান্তি হল। যাত্ৰী ধনী হওক, বা দুখীয়া হওক, সেৱা সকলোৰে এক। দক্ষিণা দিয়া যাত্ৰীৰ ইচ্ছা আৰু সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। মোৰ বাবে পাণ্ডাই কোনো কথা সংক্ষেপে কৰা নেদেখিলো, ১২ বজাত পূজা শেষ হলত বিশ্বনাথৰ মন্দিৰ দৰ্শন কৰিবলৈ গলো। সকলো দেখি শুনি মই বৰ বেজাৰ পালো। ১৮৯১ সনত বোম্বেত বেৰিষ্টাৰি কৰোতে প্ৰাৰ্থনা সমাজ হলত কাশীলৈ তীৰ্থযাত্ৰা সম্পৰ্কে এটা বক্তৃতা মই শুনিছিলো। সেইবাবে কিছুপৰিমাণে নিৰাশ হবলৈ মই সাজু হৈ আছিলো। কিন্তু প্ৰকৃততে মই যি ভাবি আহিছিলো, এতিয়া তাতোকৈ বেছি বেয়া দেখি নিৰাশ হব লগীয়া হল। মন্দিৰলৈ যোৱা বাটটো বৰ ঠেক আৰু পিছল। তাত অলপো নিৰ্জনতা নাছিল, মাখিৰ ভেন্‌ভেন্‌নি আৰু দোকানী পোহাৰীৰ চিঞৰ-বাখৰ, এইবিলাকে যাত্ৰী সকলক অসহ্য কৰি তোলে।

ধ্যান আৰু প্ৰাৰ্থনাৰ বাবে যি ঠাইত নিৰ্জনতা আশা কৰিব পাৰি,

সেই ঠাইত ইয়াৰেই অভাৱ দেখিলো। ধ্যান কৰিবলৈ হলে নিজেই চেষ্টা কৰিব লাগিব। কিছুমান ভক্তিপৰায়ণা তিৰুতা দেখিলো, চাৰিও-ফালৰ চিঞৰ বাখৰলৈ একো কাণ নিদিয়াকৈ তেওঁলোক ধ্যানমগ্না আছিল, কিন্তু তেওঁলোকৰ এই কামৰ বাবে মন্দিৰ কৰ্ত্তৃপক্ষৰ শলাগ লব নোৱাৰি। কৰ্ত্তৃপক্ষই মন্দিৰৰ সকলো কথা পৱিত্ৰ মধুৰ আৰু নৈতিক ৰখাটো উচিত। ইয়াৰ পৰিবৰ্ত্তে এখন বজাৰ পাতি ধূৰ্ত্ত দোকানীক মিঠৈ আৰু লৰাছোৱালীৰ ‘খেলনা’ বেচিবলৈ দিছে। মই যেতিয়া মন্দিৰ পালোগৈ, দুৱাৰ মুখতে গেলা ফুলৰ এদোমে মোৰ নাক সোপা মাৰি ধৰিলে। ভিতৰত জানিবা বৰ ধুনীয়া মৰ্ম্মৰ পাথৰেৰে মজিয়াখন তৈয়াৰ কৰা হৈছে। কিন্তু সৌন্দৰ্য্য কলা সম্পৰ্কে জ্ঞান নথকা কিছুমান ভক্তই মৰ্ম্মৰ পাথৰৰ মজিয়াত টকা বাখৰ পতাৰ দৰে পাতি ধূলি মাটি গোট খাই ৰবলৈ সুবিধা কৰি দিছে।

“জ্ঞানবাপী”ৰ ওচৰলৈ গলো, ইয়াতো মই ভগৱন্তক বিচাৰিছিলো, কিন্তু নাপালো। সেইবাবে মোৰ মনৰ অৱস্থা বৰ বেয়া হল। জ্ঞান-বাপীৰ চাৰিউ কাষত অপৰিষ্কাৰ, ইয়াত দক্ষিণা দিবলৈ মোৰ ইচ্ছা নহল। সেইবাবে এটা পাই দিলো, তাতথকা পাণ্ডাজনৰ খং উঠিল আৰু পাইটো দলিয়াই পেলাই মোক শাও দিলে—“এই অপমানে তোক নৰকলৈ নিব।”

ইয়াত মই অলপো বিচলিত নহৈ কলো—“মহাৰাজ, মোৰ বাবে অদৃষ্টত যিয়েই থাওক, আপোনাৰ দৰে এজন সজ্জনলোকে এনে বিধৰ অসৎব্যৱহাৰ কৰা উচিত হোৱা নাই। আপুনি ললে পাইটোকে লব পাৰে, নহলে এইটোও হেৰুৱাব।”

তেওঁ কলে—“গুচি যা, তোৰ পাইৰ বাবে মই অলপো কেৰেপকে নকৰো” এই বুলি কৈ পাৰে মানে গালি-সপনি পাৰিবলৈ ধৰিলে।

মযো পাইটো বুতলি লৈ গুচি আহিলো মনতে ভাবিলো বামুণে পাইটো হেৰুৱালে। কিন্তু মহাৰাজ পাইটো এৰি দিয়া বিধৰ লোক নাছিল। পাচফালৰপৰা চিঞৰি কলে—"বাৰু পাইটো থৈ যা, তোৰ দৰে হবলৈ মই ইচ্ছা নকৰো, তোৰ পাইটো এৰি দিলে তোৰ অমঙ্গল হব।" মই লাহেকৈ পাইটো দি গুচি আহিলো। ইযাৰ পাছত আৰু দুবাৰ বিশ্বনাথলৈ গৈছো, কিন্তু মহাত্মা উপাধি দি মোক দুখ দিযাৰ পাচতহে আৰু সেইবাবে এনেবিধৰ অভিজ্ঞতা হোৱা মোৰ পক্ষে অসম্ভৱ হল। মোৰ দৰ্শনাক'ঙ্ক্ষী লোকসকলৰ পৰাই মোৰ পক্ষে মন্দিৰ দৰ্শন কৰা অসম্ভৱ হল। 'মহাত্মা' হোৱাৰ দুখ মহাত্মা সকলেই জানে। নহলে ময়লা আৰু গোলমাল আগৰ দৰেই আছিল।

ঈশ্বৰৰ অসীম কৰুণাত কোনোবাই অবিশ্বাস কৰিলে, এইবোৰ তীৰ্থ ঠাই তেওলোকে চোৱা উচিত—যোগীবৰৰ নামত ইযাত কি দৰে ভণ্ডামী আৰু অধৰ্ম্ম কৰা হয়। তেওঁ বহু পূৰ্ব্বেই ঘোষণা কৰিছিল—

যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।

যি যেনেকৈ গুটি সিঁচে, তেনেকৈ গুটি পায। কৰ্ম্মফল অলঙ্ঘ্য। সেইবাবে কোনো কথাত হাত দিবলৈ ঈশ্বৰৰ একো প্ৰয়োজন নাই, তেওঁ নিয়ম কৰি জানিবা বিশ্ৰাম লৈছে।

মন্দিৰ দৰ্শন কৰি মিচেছ্ বেছান্তৰ লগত দেখা কৰিবলৈ গলো। মই শুনিছিলো যে তেখেতে তেতিযা বেমাৰৰ পৰা আৰোগ্য হৈছে মাথোন, মই নাম পঠিয়াই দিযা মাত্ৰে তেখেত ওলাই আহিল। মই মাথোন তেখেতক চাবলৈহে ইচ্ছা কৰিছিলো, সেইবাবে কলো—"আপোনাৰ গা অসুখ হৈছে বুলি মই শুনিছিলো, আপোনাক মাথোন মই চাবলৈ আহিছিলো, আপুনি এই স্বাস্থ্য লৈও যে মোক দেখা দিবলৈ ওলাই আহিল, সেইবাবে মই ধন্যবাদ দিছো। এই বুলি কৈ বিদায় লঞো।

একবিংশ অধ্যায়

বোম্বেলৈ যাত্ৰা

বোম্বেত বহি ওকালতিৰ লগতে গোখেলক ৰাজহুৱা কামত সহায় কৰিবলৈ তেওঁ মোক বৰকৈ ধৰিছিল। সেই সময়ত ৰাজহুৱা কাম হৈছে কংগ্ৰেছৰ কাম, আৰু তেওঁ যি প্ৰতিষ্ঠানত সহায় কৰিছিল তাৰ ঘাই কাম আছিল কংগ্ৰেছৰ কাম চলোৱা। গোখেলৰ উপদেশ মোৰ মনত লাগিল, কিন্তু বেৰিষ্টাৰ হিচাপে কৃতকাৰ্য্যতা সম্পৰ্কে মোৰ সিমান আত্ম-বিশ্বাস নাছিল। অকৃতকাৰ্য্য হোৱাৰ পুৰণি স্মৃতিবোৰ তেতিয়াও মনত আছিল আৰু মোকৰ্দ্দমা পাবলৈ লোকৰ মন যোগাই কথা কোৱা বিহৰ দৰে মই ত্যাগ কৰিছিলো। সেইবাবে মই ৰাজকোটত পোনতে কাম আৰম্ভ কৰা স্থিৰ কৰিলো। মোৰ পুৰণি বন্ধু কেৱল ৰাম মাভজী দাবেই—যি মোক ইংলণ্ডলৈ যাবলৈ উদ্‌গনি দিছিল তেতিয়াও তেওঁ তাতে আছিল। তেওঁ মোক ততালিকে তিনিটা মোকৰ্দ্দমা দি কামত লগাই দিলে। দুটা আছিল কাথিৱাৰৰ পলিটিকেল এজেন্টৰ জুডিছিয়েল এছিষ্টান্টৰ ওচৰত আপীল আৰু এটা হৈছে জামনগৰৰ "অৰিজিনেল কেছ"। শেহৰটোৱেই অলপ ডাঙৰ বিধৰ আছিল। আৰু এই মোকৰ্দ্দমা চলাবলৈ মই নিজক বিশ্বাস কৰিব নোৱাৰো বুলি কোৱাত কেৱলৰামে কলে—"হাৰা জিকা, তুমি ভাবিব নালাগে। তুমি মাথোন চেষ্টা কৰি চোৱা, আৰু মযো তোমাক সহায় কৰিম।" সি পক্ষত স্বৰ্গীয় মিঃ ছামাৰ্থ উকীল আছিল। মযো ভালকৈ সাজু হৈ গৈছিলো। মই যে ভাৰতীয় আইন বৰ জানিছিলো সি নহয়, কেৱলৰামে মোক ভালকৈ শিকাই বুজাই নিছিল। মই দক্ষিণ আফ্ৰিকালৈ যোৱাৰ পূৰ্ব্বতে বন্ধু-বান্ধৱৰ মুখত শুনিছিলো

"ইভিডেন্স আইন" খন ছাৰ ফেৰোজশ্বাহৰ জিভাৰ আগত আছিল হেনো আৰু ইয়াৰ বাবেই তেখেতৰ জয় জয় মম মম। এই কথাষাৰ মোৰ মনত আছিল আৰু দক্ষিণ আফ্ৰিকালৈ যাওঁতে বাটত ভাৰতীয় সাক্ষ্য বিধি খন টীকাৰে সৈতে মন দি পঢ়িছিলো, অৱশ্যে দক্ষিণ আফ্ৰিকাত আইন সম্পৰ্কে অভিজ্ঞতা হৈ মোৰ সুবিধা হৈছিল।

এই মোকৰ্দ্দমা জিকি নিজৰ ওপৰত আত্মবিশ্বাস হল। আপীল বোৰ সম্পৰ্কে মোৰ শঙ্কা হোৱা নাছিল আৰু সেইবোৰতো কৃতকাৰ্য্য হলো। এইবাবে বোম্বেত বোধকৰো অকৃতকাৰ্য্য নহওঁ বুলি মোৰ আশা হল।

কিন্তু যিবোৰ কথাত মই বোম্বেলৈ যোৱা স্থিৰ কৰিলো তাক কোৱাৰ পূৰ্ব্বতে ইংৰাজ কৰ্ম্মচাৰী সকলৰ অজ্ঞানতা আৰু অবিবেচনা সম্পৰ্কে মোৰ অভিজ্ঞতা কওঁ। জুডিছিয়েল এছিষ্টান্টৰ আদালতত আছিল সকলো ঠাইতে ঘুৰি ফুৰা। য'লৈকে তেওঁ যায় ত'লৈকে লগতে মক্কেল আৰু উকীলো যাব লাগে। সদৰ আদালতৰ পৰা আঁতৰলৈ গলে উকীলে ফীজো লয় সৰহ আৰু সেইবাবে মক্কেলৰ খৰচো পৰে দুগুণ। তেওঁ-লোকৰ অসুবিধা জজে নাভাবে।

যিটো আপীলৰ কথা মই কৈছো, সেইটোৰ সোধ বীৰবলত হব লগীয়া আছিল। তাত সেই সময়ত বৰ প্লেগ। তাৰ লোকসংখ্যা আছিল ৫।।০ হেজাৰ, কিন্তু মোৰ মনত পৰে তাত দিনে ৫০ টাকৈ মানুহ বেমাৰত পৰি আছিল, এই ঠাই ডোখৰ প্ৰায় জনশূন্য হৈছিল। মই ছহৰৰ পৰা অলপ আঁতৰৰ এটা "ধৰম ছালাত" আছিলো। কিন্তু মক্কেলহঁত ক'ত থাকে? দুখীয়া হলেতো ঈশ্বৰৰ দয়াৰ ওপৰতেই নিৰ্ভৰ কৰি য'তে ত'তে থাকিব লগীয়া হয়। মোৰ এজন বন্ধুৰো তাত মোকৰ্দ্দমা আছিল। প্লেগ হোৱাৰ বাবে ইয়াৰপৰা আদালত অন্য ঠাইলৈ নিবলৈ দৰ্খাস্ত দিবলৈ অনুৰোধ কৰি তেওঁ মোলৈ তাঁৰ কৰিছিল, দৰ্খাস্ত

দিয়া দেখি ছাহাবে মোক সুধিলে—আপুনি ভয় কৰিছেনে কি ? মই কলো—মই ভয খোৱা নোখোৱাটো প্ৰশ্ন নহয, মই যি হয এটা বন্দবস্ত কৰি লব পাৰো, কিন্তু মক্কেলহঁতে কি কৰিব ?

ছাহাব—প্লেগে ভাৰতবৰ্ষত চিৰস্থায়ী বন্দবস্ত কৰিবলৈ ধৰিছে। বীৰবলৰ বতৰ কি মনোৰম। ছাহাবজন দুহৰ্বৰপৰা বহুত আঁতৰত সাগৰৰ দাঁতিত এটা ডাঙৰ তম্বু তৰি আছিল। মানুহে বাহিৰত থাকিবলৈ শিকা উচিত।

এনে বিধৰ কথাত তৰ্কাতৰ্কি কৰা নিষ্প্ৰয়োজন। ছাহাবে ছিৰস্তা-দাৰক কলে—"মিঃ গান্ধীয়ে কি কৈছে টুকি থওক, আৰু উকীল নাইবা মক্কেলৰ বৰ অসুবিধা হলে মোক জানিবলৈ দিব।"

অৱশ্যে ছাহাবে যিটো ভাল বুলি বুজি পাইছিল, সেই বিশ্বাসমতে কাম কৰিছিল। এনে অৱস্থাত দুখীয়া ভাৰতবাসীৰ কি অসুবিধা হব পাৰে, তাক তেও কেনেকৈ বুজি পাব? এই দেশৰ মানুহৰ অভ্যাস, আচাৰ ব্যৱহাৰ, আদি তেওঁ কেনেকৈ বুজে। যাৰ সদায সোণৰ মোহৰৰ জোখেৰে বস্তু কিনাৰ অভ্যাস, তেওঁ তামৰ সামান্য পযচা এটা দি বস্তু কিনে কেনেকৈ? হাতীয়ে যেনেকৈ পৰুৱাৰ কথা বুজি নাপায, সেই বাবে সজ অভিপ্ৰায লৈও ইংৰাজে ভাৰতবাসীৰ অভাৱ অভিযোগ বুজি নাপায়। যি হ'ক এতিয়া আচল কথা কোৱা যাওক। কৃতকাৰ্য্য হোৱা স্বত্বেও ৰাজকোটত আৰু কিছুদিন থাকিবলৈ মই ভাবি আছিলো। এনেতে এদিনা কেৱলৰামে কলে—গান্ধী, তুমি ইযাত বহি নষ্ট হোৱাটো আমি ভাল নাপাওঁ, তুমি যাব লাগিব।

মই কলো—কোনে বোম্বেত মোৰ বাবে কাম যোগাৰ কৰি দিব ? তুমি মোক খৰচ দিবানে ?

হয়, হয়, ময়েই দিম। তোমাক ইয়ালৈ কেতিয়াবা ডাঙৰ বেৰি-

ষ্টাৰৰ দৰে বোম্বেৰপৰা আনিম আৰু "ড্রেফ্‌ট" কৰাৰ কাম তালৈকো পঠাম। উকীলৰ ওপৰতেই বেৰিষ্টাৰক সৰু কৰা নাইবা ডাঙৰ কৰা নির্ভৰ কৰে। তুমি জামনগৰ আৰু বীৰবলত যোগ্যতা দেখুৱাইছা, সেইবাবে তোমাৰ সম্পর্কে মই একো চিন্তা নকৰো। তুমি ৰাজহুৱা কাম কৰিব লাগিব; সেইবাবে কাথিয়াৰৰ চুকত তোমাক বন্ধ কৰি থব নোখোজো। এতিয়া তুমি কেতিয়া বোম্বেলৈ যাবা মোক কোৱাচোন।

"নেটালৰ পৰা অলপ টকা পাব লগীয়া আছে সেইখিনি পালেই যাম," বুলি মই কলো।

টকা দুসপ্তাহ মানৰ ভিতৰতেই আহিল আৰু মই বোম্বেলৈ গলো। পেইন গিলবার্ট আৰু ছায়ানীৰ অফিছত মই 'চেম্বাৰ' ললো। মই জানিবা এতিয়া বোম্বেতেই বহিলো।

দ্বাবিংশ অধ্যায়

মোৰ বিশ্বাসৰ পৰীক্ষা

যদিও ফোর্ট অঞ্চলত "চেম্বার্ছ" আৰু গীৰগাঁৱত থকা ঘৰ এটা মই ভাৰা ললো, তথাপিও বিধিয়ে মোক ইয়াত বহিবলৈ নিদিয়ে। এই নতুন ঘৰত কেইদিন মান নোথাকোতেই মোৰ দ্বিতীয় পুত্র মণিলাল বৰ টান 'টাইফয়েড' জ্বৰত পৰিল, লগত নিউমোনিয়া আৰু প্রলাপ বকা। ইয়াৰ দুবছৰৰ পূর্ব্বতে তেওঁৰ বসন্তও হৈছিল।

ডাক্তৰ আহিল। তেওঁ কলে যে ঔষধৰ পৰা বিশেষ একো ফল পোৱা নাযাব, কিন্তু কণী আৰু মুর্গীৰ 'চুৰুহা' দিলে ভাল। মণিলালৰ

বয়স তেতিয়া ১০ বছৰ মাথোন। এই সম্পৰ্কে তেওঁৰ মতামত লোৱাৰ কথা ভাবিবই নোৱাৰি। ময়েই তেওঁৰ অভিভাৱক, সেইবাবে ময়েই এই সম্পৰ্কে এটা সিদ্ধান্ত কৰিব লাগিব। ডাক্তৰজন হৈছে পাৰ্চী, তেওঁ বৰ ভাল মানুহ। আমি নিৰামিষভোজী আৰু তেওঁ নিৰ্দ্দেশ কৰা দুযোটা বস্তুৰ এটাও আমি দিয়া সম্ভৱ নহয় বুলি তেওঁক কলো আৰু ইয়াৰ পৰিবৰ্ত্তে অন্য কিবা দিব পাৰিবনে তাকো সুধিলো।

ডাক্তৰ জনে কলে---"আপোনাৰ লৰাৰ জীৱন বিপন্ন, গাখীৰৰ লগত পানী মিহলাই আমি দিব পাৰো, কিন্তু পুষ্টিৰ বাবে সেযেই যথেষ্ট নহয়। আপুনিতো জানেই বহুতো হিন্দু পৰিয়ালে মোক মাতে আৰু তেওঁলোকে মই যিহকে উপদেশ দিও তাকে গ্ৰহণ কৰে। আৰু মোৰ মনেৰে আপুনিও লৰাৰ প্ৰেৰত এইদৰে কঠোৰ হোৱাটো উচিত নহয়।

"আপুনি যি কৈছে ঠিকেই কৈছে। ডাক্তৰ হিছাপে আপুনি অন্য একো উপদেশ দিব নোৱাৰে। কিন্তু মোৰ দায়িত্ব বৰ বেছি। লৰা ডাঙৰ হোৱা হলে, এই সম্পৰ্কে মই তেওঁৰ মতামত ললোহেঁতেন। কিন্তু এতিয়া ময়েই তেওঁৰ হৈ এটা সিদ্ধান্ত কৰিব লাগিব। মোৰ মনেৰে এনেবিধৰ কথাতেই মানুহৰ বিশ্বাসৰ পৰীক্ষা হয়। শুদ্ধই হওক, ভুলেই হওক, মানুহে কণী মাংস আদি আমিষ বস্তু খোৱা উচিত নহয় বুলি মোৰ ধৰ্ম্মবিশ্বাস। আমি নিজৰ জীৱন ৰক্ষা কৰাৰো এটা সীমা আছে। নিজৰ জীৱনৰ কাৰণেও আমি বহুতো কাম কৰিব নোৱাৰো। ধৰ্ম্ম—মই যিদৰে বুজো, সেইমতে এনে বিধৰ কথাতো মোৰ নাইবা মোৰ আন কোনোবাৰ কাৰণেও মাংস কণী আদি বস্তু ব্যৱহাৰ কৰিবলৈ মই নিদিওঁ আৰু সেইবাবে আপুনি কোৱা সকলো বিপদ মই মূৰপাতি লবলৈকো সাজু হব লাগিব। কিন্তু মই এটা অনুৰোধ কৰো—যি স্থলত মই আপোনাৰ চিকিৎসাৰ সুবিধা লব নোৱাৰো, তেনেস্থলত মই জনা মতে, হাইড্ৰো-

পেথিক' চিকিৎসা কৰিবলৈ ইচ্ছা কৰো। কিন্তু লৰাৰ নাড়ী বুকু আদি চাবলৈ মই নাজানো, সেইবাবে আপুনি যদি অনুগ্ৰহ কৰি সময়ে সময়ে আহি তাক চাই তাৰ অৱস্থা সম্পৰ্কে মোক সকলো জনাযহি তেন্তে মই আপোনাৰ ওচৰত কৃতজ্ঞ থাকিম।"

ডাক্তৰজনে মোৰ কথা বুজি পালে আৰু মোৰ কথাত মান্তি হল। যদিও মণিলালে নিজে এই দুটাৰ এটাও বাছি লব পৰা নাছিল, তথাপিও মই তাক ডাক্তৰৰ লগত হোৱা সকলো কথা জনাই তাৰ মতামত বিচাৰিলো।

"আপুনি হাইড্ৰোপেথিক চিকিৎসা কৰক মই কণী আৰু মুৰ্গীৰ চুৰুহা নাখাও" বুলি মণিলালে কলে। তাৰকথা শুনি মই সন্তোষ পালো, যদিও মই জানিছিলো যে এইমতে দিয়া হলেও সি খালেহেঁতেন।

মই "কুণ"ৰ মতে চিকিৎসা জানিছিলো আৰু তাৰ প্ৰমাণো পাইছিলো। লঘোণ দিয়াৰ পৰা ভাল উপকাৰ হোৱা মই জানিছিলো। সেইবাবে মণিলালক মই এ ককাল পানীলৈকে এটা ডাঙৰ চৰাযাত প্ৰায় তিনি মিনিটমান ডুবাই ৰৈ চিকিৎসা আৰম্ভ কৰিলো। লগতে সুমথিৰা টেঙাৰ ৰস পানীৰ লগত মিহলাই তিনি দিনলৈ খাবলৈ দিলো।

কিন্তু জ্বৰৰ তাপ মাজে সময়ে ১০৪° ডিগ্ৰিলৈকো উঠে। ৰাতি সি প্ৰলাপ বকে। মই তাৰ বাবে বৰ চিন্তিত হলো। মানুহে মোক কি কব ? মোৰ বৰ ককায়ে মোক কি বুলি ভাবিব ? আমি আন কোনো ডাক্তৰ মাতি আনিব নোৱাৰো নে ? আয়ুৰ্বেদমতে কবিৰাজ এজন আনিব নোৱাৰো নে ? নিজৰ সংস্কাৰত আকোঁৰ্গজালীকৈ ধৰি থাকি লৰা ছোৱালীক দুখ দিয়াৰ পিতৃমাতৃৰ কি অধিকাৰ আছে ?

এইবোৰ চিন্তা মোৰ মনলৈ আহিবলৈ ধৰিলে। মাজে মাজে ইয়াৰ বিৰোধী ভাবো আহে। মই নিজৰ ওপৰত যি কৰিলোহেঁতেন সেই

একে চিকিৎসা লৰাৰ ওপৰত কৰিছো, এই কথা দেখি ঈশ্বৰ নিশ্চয় সন্তুষ্ট হব। হাইড্ৰোপাথিত মোৰ যিমান বিশ্বাস আছিল, এলোপেথিত সিমান নাছিল। ডাক্তৰ সকলে আৰোগ্য হব বুলি 'গেৰাণ্টি' দিব নোৱাৰে। তেওঁলোকে মাথোন পৰীক্ষা কৰিব পাৰে। জীৱন ঈশ্বৰৰ হাতত। তেন্তে তেওঁৰ ওপৰত বিশ্বাস নকৰো কিয় আৰু তেওঁৰ নাম লৈ মই যিটো উচিত চিকিৎসা ভাবিছো, সেই মতে নচলো কিয় ?

এনে বিধৰ পৰস্পৰ বিৰোধী ভাৱত মোৰ মন ব্যাকুল হল। তেতিয়া ৰাতি। মই মণিলালৰ কাষত শুই আছো। তিতা কাপোৰেৰে তাক মেৰিয়াই থোৱা মই স্থিৰ কৰিলো আৰু ধপহ কৰে উঠি এখন কাপোৰ তিয়াই পানী চেপি মণিলালৰ গাত জাপি দিলো। মূৰটো মাথোন উলিয়াই থলো। তিতা কাপোৰ খনৰ ওপৰত দুখন কম্বল জাপি দিলো আৰু মূৰত এখন তিতা গামোছা মেৰিয়াই দিলো। তেওঁৰ গোটেই গা জুই জ্বলাদি গৰম হৈছিল। গাত ঘাম অকলো নাছিল।

গোটেইদিন তেওঁৰ কাষত বহি মই বৰ ক্লান্ত হৈ পৰিছিলো দেখি মাকক চাবলৈ কৈ মই বতাহ লবলৈ চৌপাটীলৈ খোজ ললো। তেতিয়া ৰাতি দহোটা। বাটত মানুহ বৰকৈ লগ পোৱা নাছিলো। মোৰ মন তেতিয়া গভীৰ চিন্তামগ্ন, বাটত লগ পোৱা লোক সকললৈ ভ্ৰূক্ষেপ নকৰি "হে প্ৰভু এই পৰীক্ষাত মোৰ সন্মান তোমাৰ হাতত" মনতে প্ৰাৰ্থনা কৰি আছিলো। মুখত ৰাম নাম। অলপ ফুৰি মই ঘৰলৈ উলটিলো, বুকুখন ধান বনাদি বানি আছিল।

মই ঘৰলৈ ওলোটা মাত্ৰেই মণিলালে মাত লগালে 'বাপু আপুনি আহিল'—'হয় সোণ।'

"মোক এই জাপৰ পৰা উলিয়াওক, মোৰ গা পুৰি আছে" 'সোন, ঘমিছানে ?

মোৰ বিশ্বাসৰ পৰীক্ষা

হয, ঘামত তিতি আছো, আপুনি মোক উলিযাওক।

মই কপালত হাত দি চালো, ঘামৰ টোপালেৰে সৈতে কপাল ভৰি পৰিছে। তাপো কমিবলৈ ধৰিছে। ঈশ্বৰক ধন্যবাদ দিলো।

মণিলাল, এতিয়া তোমাৰ জ্বৰ নিশ্চয এৰিব, আৰু অলপ ঘামিবলৈ দিযা, মই তোমাক উলিযাই লম।

নহয, মোক এই জইশাৰপৰা উদ্ধাৰ কৰক। আগলৈ দৰকাৰ হলে কেতিযাবা এইদৰে থব।

অন্য কথা কৈ তেওৰ মন আন ফালে নি আৰু অলপ পৰ এই জাপৰ মাজত থলো। কপালেদি ঘাম জৰি পৰিছে, তেতিযা জাপবোৰ পেলাই দি গা মচি পিতা-পুত্ৰ হালেই একেলগে বিচনাত শুলো।

আৰু শোৱা মাত্ৰে মৰাৰ দৰে টোপনিও আহিল। পুৱা উঠি চাওঁ মণিলালৰ জ্বৰ বহুত কম। এইদৰে ৪০ দিনলৈকে পানী মিহলাই গাখীৰ আৰু সুমথিৰা টেঙাৰ বসেৰে সি থাকিব লগীয়া হল। এতিয়া মোৰ ভয নাছিল। এই জ্বৰ একাটেকা বিধৰ, কিন্তু এতিয়া আমাৰ হাতৰ মুঠিলৈ আহিছে।

এতিয়া মোৰ গোটেই কেইটা লৰাৰ মাজত মণিলাল স্বাস্থ্যৱন্ত। কোনে কব পাৰে ঈশ্বৰৰ কৰুণাতেই সি আৰোগ্য হল, নাইবা হাইড্ৰোপেথিক, নাইবা সাৱধানেৰে আহাৰ দিযাই তাৰ আৰোগ্য হোৱাৰ কাৰণ। সকলোৱে নিজৰ বিশ্বাসমতেই বিচাৰ কৰা উচিত। মোৰ মনেৰে ঈশ্বৰেহে মোৰ সম্মান ৰক্ষা কৰিলে, আৰু এই বিশ্বাস আজিলৈকে অটুট হৈ আছে।

ত্ৰয়োবিংশ অধ্যায়

পুনৰ দক্ষিণ আফ্ৰিকালৈ যাত্ৰা

মণিলাল সুস্থ হ'ল, কিন্তু মই দেখিলো যে গীৰগাৰ্ৰ ঘৰটো বাসযোগ্য নহয়। মাজিয়াখন বৰ ভেকা আৰু ঘৰটোৰ ভিতৰত পোহৰ ভালকৈ নপৰে। সেইবাবে ৰেৱাশঙ্কৰ জগজীৱনৰ লগত পৰামৰ্শ কৰি বোম্বে নগৰৰ সীমান্তত মুকলি ঠাৱা চলাচল কৰিব পৰা এটা ঘৰ কেৰেয়া কৰা স্থিৰ কৰিলো। ঘৰ বিচাৰি 'ভান্দ্ৰা' আৰু 'ছান্টাক্ৰুজ' অঞ্চলত ঘুৰিলো। ঘাটকোপাৰ আৰু এই অঞ্চলৰ ওচৰৰ ঠাইবিলাক সাগৰৰ পৰা আঁতৰত। অৱশেষত আমি ছান্টাক্ৰুজত এটা ধুনীয়া বংলা ঘৰ পালো। স্বাস্থ্যৰ ফালৰ পৰা ঘৰটো অতি উত্তম দেখি কেৰেয়া কৰিলো। 'ছান্টাক্ৰুজৰ' পৰা চাৰ্চগেটলৈ প্ৰথম শ্ৰেণীৰ 'ছিজন টিকেট' এখন ললো। আৰু মোৰ মনত পৰে প্ৰথম শ্ৰেণীৰ কামৰাটোত মই অকলশৰীয়া এজন যাত্ৰী—এই কথামাৰত মই গৰ্ব অনুভৱ কৰিছিলো। কেতিয়াবা মই ভান্দ্ৰালৈ খোজ কাঢ়ি যাওঁ,—তাৰপৰা চাৰ্চগেটলৈ যোৱা দ্ৰুতগামী ট্ৰেইন ধৰিবলৈ।

মই যিমান আশা কৰিছিলো তাতকৈ ভালদৰে ওকালতী ব্যৱসায়ত উন্নতি কৰিবলৈ ধৰিলো। দক্ষিণ আফ্ৰিকাৰ মক্কেল বিলাকে মোক কিছুমান কাম দিছিল আৰু তাৰেই মোৰ খৰচ সকলো চলিছিল।

এতিয়ালৈকে হাইকোৰ্টত মই বৰ কাম পোৱা নাছিলো। সেই সময়ত তাত যি "মুট কোৰ্ট" বহিছিল, তাত মই উপস্থিত থাকোঁ, অৱশ্যে তাত থিয় হবলৈ মোৰ সাহ হোৱা নাছিল। জানয়াৎৰাম নানা-ভাইয়ে বৰকৈ যোগ দিয়া মোৰ মনত পৰে। বহুতো নতুন বেৰিষ্টাৰৰ

দৰে জ্ঞান বঢ়াতকৈ সাগৰৰ পৰা পোনে পোনেই অহা টোপনি অনা বতাহ ছাটি উপভোগ কৰিবলৈকে হাইকোৰ্টত মোকৰ্দ্দমা শুনা মই এটা নিয়মৰ দৰে কৰিছিলো। মই দেখিলো যে এই সুখ ভোগ কৰাত ময়েই অকল নহও। তেতিয়া ই ফেশ্যনৰ দৰে হৈছিল আৰু সেইকাৰণে ইয়াত লাজ পাবলগীয়া একো নাছিল।

যিয়েই হওক মই হাইকোৰ্টৰ লাইব্রেৰীৰ সদ্ব্যৱহাৰ কৰাত লাগিলো আৰু বহুতো মানুহৰ লগত মোৰ চিনা পৰিচয় হল। অলপ দিনৰ ভিতৰত হাইকোৰ্টত কাম পাম বুলি মোৰ আশা হল।

এইদৰে একালে যিদৰে মোৰ ব্যৱসায়ত নিশ্চিন্ত হবলৈ ধৰিলো, সেইদৰে আন ফালে গোখেলে মোৰ ওপৰত চকু ৰাখি মোক কি দৰে ৰাজহুৱা কামত নিযুক্ত ৰাখিব তাকে তেখেতে ভাবি আছিল। কেতিয়াবা সপ্তাহত দুবাৰ তিনিবাৰকৈ মোৰ 'চেম্বাৰ' ত তেওঁ আহি ভুমুকি মাৰিবহি, কেতিয়াবা লগত বন্ধুবান্ধৱৰ লৈ আহিব---(যি সকল লোকৰ লগত মোৰ চিনা পৰিচয় হোৱা তেওঁ ইচ্ছা কৰে,) আৰু তেওঁ নিজৰ কাৰ্য্যপ্রণালী সম্পৰ্কেও মোক জনায়। কিন্তু এই কথাষাৰ কব পাৰি যে ঈশ্বৰে মোৰ নিজৰ মতত একোতেই কৰবলৈ দিয়া নাই, তেওঁ নিজেই সকলো কৰিছে।

মই যেতিয়া বোম্বেত প্রায় নিস্তাপী হৈ বহিবলৈ ধৰিছো, এনেতে দক্ষিণ আফ্রিকাৰপৰা অকস্মাতে এখন টেলিগ্রাম পালো- 'চেম্বাৰলেন আহিব লাগিছে, অনুগ্রহ কৰি তত্তালিকে উভতি আহক" দক্ষিণ আফ্রিকাৰপৰা আহোতে কৰা প্রতিজ্ঞা মনত পৰিল, আৰু তত্তালিকে তাঁৰ কৰিলো, "মই যেতিয়াই টকা পাও তেতিয়াই ৰাওনা হবলৈ সাজু আছো।" তেওঁলোকে টকা পঠালে, মই "চেম্বাৰ" এৰি দক্ষিণ আফ্রিকালৈ ৰাওনা হলো।

তেতিয়া মোৰ মনত ধাৰণা হৈছিল যে তাত প্ৰায় এবছৰ মান মোৰ লাগিব আৰু সেইবাবে বঙলা ঘৰটো ৰাখি লবা তিৰতাইঁতক থৈ গলো।

যি সকল উৎসাহী সাহিয়াল ডেকাই দেশত একো কৰিব নোৱাৰে, তেওঁলোক বিদেশলৈ যোৱা উচিত বুলি মোৰ বিশ্বাস আছিল। মই সেইবাবে ৪।৫ জন ডেকাক মোৰ লগত নিলো, তাৰ ভিতৰত এজন হৈছে মগনলাল গান্ধী।

গান্ধী পৰিয়াল বৰ ডাঙৰ। যি সকলে পুৰণি বাট এৰি নতুন বাট লবলৈ ইচ্ছা কৰে সেই সকলক মই বিচাৰি উলিয়াবলৈ যত্ন কৰিছিলো। মোৰ দেউতা জীয়াই থাকোতে এওঁলোকৰ বহুতক ৰজাঘৰীয়া নানা বিধৰ বিষয়ত নিযুক্ত কৰিছিল। তেওঁলোকক এই বান্ধনৰ পৰা মুক্ত হোৱা মই বিচাৰিছিলো। মই যে তেওঁলোকৰ বিবা চাকৰি বিচাৰি দিম সি নহয়, মই পালেও নিদিও। তেওঁলোক আত্মনিৰ্ভৰশীল হোৱাটোহে মই ইচ্ছা কৰিছিলো।

কিন্তু মোৰ আদৰ্শ ওখ হোৱাৰ লগে লগে এইবিলাক ডেকাক মোৰ আদৰ্শ লবলৈ বুজাবলৈ ধৰিলো। আৰু মগনলাল গান্ধীক মোৰ বাটত চলাবলৈ মই বৰ কৃতকাৰ্য্য হৈছিলো। যিহ'ক এই সম্পৰ্কে পাচে পৰে কম।

লৰা তিৰুতাৰ লগত বিচ্ছেদ হোৱাত থিতাপী জীৱন এৰি, নিশ্চিতৰ পৰা অনিশ্চিতলৈ যাব লগীয়া হোৱাত, সেই সময়ৰ বাবে বৰ বেজাৰ লাগিছিল। কিন্তু মই অনিশ্চিত জীৱনত অভ্যস্ত হৈ পৰিছিলো। মই ভাবো যে এই সংসাৰত য'ত কেৱলমাত্ৰ ঈশ্বৰ অৰ্থাৎ সত্যৰ বাহিৰে সকলোৱেই অনিশ্চিত, তাত নিশ্চয়তা বিচৰা ভুল। আমাৰ চাৰিও কাষত যিবোৰ ঘটনা ঘটে আৰু আমি যি দেখো, সকলো অস্থায়ী আৰু অনিশ্চিত। কেৱলমাত্ৰ এজন মহান পুৰুষ আছে—য'ত নিশ্চয়তা

আছে, আৰু যি নিশ্চয়তাৰ কেৱলমাত্ৰ ভুমুকি এটা পালেও আৰু সেই সত্যৰ লগত নিজৰ জীৱনৰ সামঞ্জস্য ৰক্ষা কৰিব পাৰিলে মানুহ ধন্য হয়। সেই সত্যৰ অনুসন্ধানেই হৈছে জীৱনৰ শ্ৰেষ্ঠ সুখ।

ডাৰবান পাওঁতে এদিনৰ আগো মই জিৰোৱা নাপালো। মোৰ বাবে কাম পৰি আছিল। মি. চেম্বাৰলেনৰ ওচৰলৈ যি ডেপুটেশ্যনৰ দিহা হৈছিল, তাৰ দিন স্থিৰ হৈ আছিল। তেওঁক যি খন 'মেমোৰিয়েল' দিয়া হব তাৰ খচৰা কৰা আৰু ডেপুটেশ্যনৰ লগত যোৱা—এয়েই মোৰ কাম আছিল।

চতুৰ্থ ভাগ

প্ৰথম অধ্যায়

ট্ৰান্সভাললৈ যাত্ৰা

মিঃ চেম্বাৰলেন আহিছিল দক্ষিণ আফ্ৰিকাৰ পৰা ৩৫০ লাখ পাউণ্ড বৰঙণি লবলৈ আৰু বুৰ্যাৰ আৰু ইংৰাজ সকলৰ মন ঘূৰাবলৈ।

সেইবাবে ভাৰতীয় ডেপুটেশ্যনৰ ফালে তেওঁ পিঠি দিলে। তেওঁ কলে "আপুনিতো জানেই যে স্বায়ত্ত-শাসন পোৱা উপনিবেশ বিলাকৰ ওপৰত ইম্পিৰিয়েল গৱৰ্ণমেণ্টৰ ক্ষমতা নায়েই। আপোনালোকৰ অভিযোগ প্ৰকৃততে সঁচা। মই যথাসাধ্য চেষ্টা কৰিম, কিন্তু আপোনা-লোকেও য়ুৰোপীয় সকলৰ মাজত থাকিবলৈ হলে তেওলোকৰ মন যোগাই থাকিবলৈ চেষ্টা কৰা উচিত।"

এই উত্তৰ শুনি ডেপুটেশ্যনত যোৱা মেম্বৰ সকলৰ মন চেচা পৰিল। মই নিৰাশ হলো আৰু দেখিলো যে এই কথাষাৰে আমাৰ চকু মোকলাব আৰু আমি এতিয়া নতুনকৈ পুনৰ কাম আৰম্ভ কৰা উচিত। সকলো কথা সহকৰ্ম্মী সকলক বুজাই কলো।

বাস্তবিকতে চেম্বাৰলেনৰ উত্তৰত একো আসোঁৱাহ নাছিল। তেওঁ সকলো কথা ভাঙি ছিঙি কোৱাটো ভালেই হৈছে। "জোৰ যাৰ মুল্লুক তাৰ" নাইবা 'সকলোৰেই তৰোৱালৰ বশ' এইকথাষাৰ জানিবা তেওঁ নম্ৰ ভাষাৰে আমাক জনালে। কিন্তু আমাৰ তৰোৱালো নাছিল, গাতো বল নাছিল। বৰঞ্চ তৰোৱালৰ কোব সহিবলৈকো আমাৰ গতি শক্তি

নাছিল। মিঃ চেম্বাৰলেনে এই সৰু মহাদেশ খনৰ বাবে সময় কম দিছিল। শ্ৰীনগৰৰ পৰা কুমাৰিকা দ্বীপলৈ যদি ১৯০০ শ মাইল হয় তেন্তে ডাৰবানৰপৰা কেপ টাউনলৈ ১১০০শ মাইল হব। মিঃ চেম্বাৰলেনে এইখিনি দীঘলীয়া বাট ধুমুহাৰ দৰে পাৰ হব লগীয়া হৈছিল। নেটালৰপৰা তেওঁ ট্ৰান্সভাললৈ গল। তাতো ভাৰতীয় সকলৰ হৈ সকলো কথা তেওঁক মযেই জনাব লগীয়া হৈছিল। কিন্তু ইয়াত জানিবা হল, এতিয়া প্ৰেটোৰিয়ালৈ যাওঁ কেনেকৈ? তাত আমাৰ মানুহৰ এনে অৱস্থা নাছিল যে সময়মতে মোক নিয়াই আৱশ্যকীয় আইনৰ সুবিধা লব পাৰে। যুদ্ধই ট্ৰান্সভালখন বিশৃঙ্খল কৰিলে, তাত খাবলৈ বস্তু বাহানি পোৱা নাযায়, কাপোৰ-কানি পোৱা নাযায় আৰু সেইবাবে মানুহৰ মাজত চিঞৰ বাখৰ। দোকান বোৰ উদং। নতুন চালানৰ মাল নহালৈকে বন্ধ আৰু মাল আহোতেও তো সময় লাগে। আনকি, দোকান-বোৰত মাল বৰকৈ নহালৈকে যুদ্ধৰ সময়ত আঁতৰি অন্য ঠাইত আশ্ৰয় লোৱা ভগনীয়া লোকসকলকো উলটিবলৈ দিয়া হোৱা নাছিল। এনে বিশৃঙ্খল অৱস্থাত ট্ৰান্সভালবাসী প্ৰত্যেকেই এখন পাৰমিট লব লগীয়া হৈছিল। যুৰোপীয় হলে পাৰমিট পাওঁতে একো অসুবিধা নহয়, কিন্তু ভাৰতীযৰ পক্ষে পাৰমিট যোগাৰ কৰা বৰ দৰূহ।

যুদ্ধৰ সময়ত বহুতো ছিপাহী আৰু কৰ্ম্মচাৰী ভাৰতবৰ্ষ আৰু লঙ্কাৰ-পৰা দক্ষিণ আফ্ৰিকালৈ আহিছিল আৰু যি সকলে তাত বসবাস কৰিবলৈ সংকল্প কৰে, তেনেলোকৰ বাবে দিহা কৰা কৰ্ত্তব্য বুলি ব্ৰিটিশ কৰ্ত্তৃ-পক্ষই ভাবিছিল। তেওঁলোকক নতুন কৰ্ম্মচাৰী লাগে আৰু এই সকল অভিজ্ঞতা থকা লোক বেছ কমেতেই আহিল। এই সকলৰ কিছুমানৰ প্ৰখৰ বুদ্ধিত এটা নতুন বিভাগৰেই সৃষ্টি হল। নিগ্ৰোসকলৰ বাবে সুকীয়া এটা বিভাগ আছিল। তেন্তে এছিয়াবাসী সকলৰ বাবে এটা

সুকীয়া বিভাগ নাথাকিব কেলৈ ? এই যুক্তি উচিত বুলি পোনতে বোধ হৈছিল। আৰু মই সেই খিনি পাওঁতে এই নতুন বিভাগ সৃষ্টি হলেই আৰু লাহে লাহে মফচ্ছলতো তাৰ শাখা বিস্তৃত হবলৈ উপক্ৰম হৈছে। যি সকল কৰ্ম্মচাৰীয়ে উলটি অহা লোক সকলক পাৰ্ম্মিট দিয়ে, তেওঁৱেই সকলোকে দিব পাৰে, কিন্তু এতিয়া এই নতুন বিভাগৰ জৰীয়তে নোযোৱাকৈ কেনেকৈ দিয়ে ? আৰু এই নতুন বিভাগৰ কৰ্ম্মচাৰী সকলৰ দ্বাৰা পাৰ্ম্মিট দিয়ালেও তেওঁলোকৰ দায়িত্বও কমে। এযেই তেওঁলোকৰ উদ্দেশ্য আছিল। কিন্তু এইটো ঠিক, যে কামৰ চেলু দেখুৱাই হে এই নতুন বিভাগৰ সৃষ্টি কৰা হৈছিল, কাৰণ মানুহবিলাকক টকা লাগে। যদি কামেই নাথাকে, তেন্তে এই বিভাগ তুলি দিয়া হব। সেইবাবে মানুহবিলাকে যেনে তেনেকৈ কাম উলিযাই লৈছিল।

এই নতুন বিভাগলৈ ভাৰতীয সকলে আবেদন কৰিব লাগে। আৰু আবেদন কৰিলে উত্তৰ পাওঁতে বহুত দিন লাগে। আৰু ট্ৰান্সভাললৈ উলটি আহিবলৈ বিচৰাত দালালো বহুতো ওলাল, সিহঁতে দুখীয়া ভাৰতীয়ৰ পৰা কৰ্ম্মচাৰী বিলাকৰে সৈতে লগ লাগি টকা খায় মাথোন। মই শুনিলো যে প্ৰতিপত্তি নহলে পাৰ্ম্মিট পোৱাই টান আৰু প্ৰতিপত্তি থকা স্বত্বেও ১০০ পাউণ্ডলৈকে ভেঁটী দিব লগীয়া হোৱাত বহুত ঘটনা মোৰ কাণত পৰিল। সেইবাবে মোৰ কাৰণে সকলো বাট বন্ধ বুলি মোৰ বোধ হল। মোৰ পুৰণি বন্ধু ডাৰবানৰ পুলিছ চুপাৰিন্টেণ্ডেন্টৰ ওচৰলৈ গৈ কলো—'আপুনি অনুগ্ৰহ কৰি মোক পাৰ্ম্মিট পাবলৈ এখন পৰিচযপত্ৰ দিযক, আপুনিতো জানেই মই কিছুদিন ট্ৰান্সভালত আছিলো।' ততালিকে তেওঁ মূৰত হেট পিন্ধি মোৰ লগত ওলাল আৰু এখন পাৰ্ম্মিট মোক যোগাৰ কৰি দিলে। ট্ৰেইন এৰিবলৈ এঘন্টাও নাছিল, মই মোৰ মাল-পত্ৰ সকলো ঠিক কৰি থোৱাইছিলো।

সেইবাবে পুলিছ ছাহাব আলেক্‌জাণ্ডাৰক ধন্যবাদ দি প্ৰেটোৰিয়ালৈকে বাওনা হলো ।

এতিয়া মোৰ সমুখত আৰু কি বিপদ আছে সকলো বুজিলো । প্ৰেটোৰিয়া পাই মই মেমোৰিয়েলখনৰ আঁচনি কৰাত লাগিলো । তাৰ-বানলৈ ভাৰতীযসকলে কাক প্ৰতিনিধি পঠাব তেওঁলোকৰ নাম আগতেই পঠোৱা মোৰ মনত নাই, কিন্তু ইযাত এতিযা এই নতুন বিভাগ হৈছে, সেইবাবে ভাৰতীয় সকলক এইটো কৰিবলৈ কোৱা হৈছিল । কৰ্ম্ম-চাৰী সকলৰ মোক বাহিৰত থোৱাৰ মন বুলি প্ৰেটোৰিযাৰ ভাৰতীয় সকলে আগতেই জানিছিল ।

কিন্তু এই দুঃখজনক তথাপিও কৌতুহলপ্ৰদ ঘটনাৰ বাবে আৰু এটা সুকীযা অধ্যায়ৰ প্ৰযোজন ।

দ্বিতীয় অধ্যায়

এছিয়াৰ স্বেচ্ছাচাৰীসকল

ট্ৰান্সভালত মোক সোমোৱা দেখি এই নতুন বিভাগৰ ওপৰৱালা কৰ্ম্মচাৰীসকল কিংকৰ্ত্তব্যবিমূঢ় হল । তেওঁলোকৰ তালৈ যি সকল ভাৰতবাসী গৈ থাকে, তেওঁলোকক এই সম্পৰ্কে সুধি চালে, কিন্তু তেওঁ-লোকে ইয়াৰ একোকেই কব নোৱাৰে । কৰ্ম্মচাৰী সকলে অনুমান কৰিছিল কি জানি মই পাৰ্ম্মিট নোহোৱাকৈ মোৰ পূৰ্ব্বৰ সম্বন্ধৰ বলেৰেই সোমাইছো । যদি সেয়েই হৈছে মোক গ্ৰেপ্তাৰ কৰিব পৰা হব ।

কোনো এখন যুদ্ধৰ পাছত সাধাৰণতে কিছু দিনলৈ অস্থায়ীভাৱে গৱর্ণমেন্টক কিছুমান স্বকীয়া ক্ষমতা দিয়া দেখা যায়। দক্ষিণ আফ্রিকাতো এইদৰে হৈছিল। গৱর্ণমেন্টে সেই সময়ত শান্তিৰক্ষাৰ বাবে এটা 'অর্ডিনান্স' পাছ কৰাই লৈছিল। ইয়াৰ বলেৰে পার্মিট নোহোৱাকৈ কোনো মানুহ ট্রান্সভালত সোমালে গ্রেপ্তাৰ কৰি ফাটেকত থোৱা যাব পাৰিব। মোক গ্রেপ্তাৰ কৰি ফাটেকত দিয়াৰ কথাও আলোচনা কৰা হৈছিল, কিন্তু মোৰ পৰা পার্মিট বিচাৰিবলৈ কাৰো সাহ হোৱা নাছিল।

যিহ'ক কৰ্ম্মচাৰী সকলে ডাববানলৈ টেলিগ্রামেৰে এই সম্পর্কে খবৰ পঠালে, আৰু পার্মিট নৈ সোমোৱা বুলি গম পাই নিৰাশ হল। কিন্তু ইয়াতেই নিৰাশ হৈ এৰি দিয়া ভকত তেওঁলোক নহয়। মই ট্রান্সভালত সোমোৱা স্বত্বেও মিঃ চেম্বাৰলেনৰ তালৈ ডেপুটেশ্যনত যোৱা তেওঁলোকে বন্ধ কৰিব পাৰে।

সেইবাবে ভাৰতীয় সম্প্রদায়ক ডেপুটেশ্যনত যোৱা লোকসকলৰ নাম খবৰ পঠোৱা হল। দক্ষিণ আফ্রিকাৰ সকলো ঠাইতে বর্ণ বিদ্বেষৰ ভাৱ আছিল, কিন্তু ভাৰতবর্ষৰ দৰে ইয়াত উচ্চ কৰ্ম্মচাৰী সকলৰ মাজত নীচতা দেখিম বুলি কেতিয়াও আশা কৰা নাছিলো। দক্ষিণ আফ্রিকাত ৰাজহুৱা বিভাগবোৰ ৰাইজৰ হিতাৰ্থে ৰখা হৈছিল, আৰু সেইবাবে জনমতৰ ওচৰত দায়ী আছিল। সেইবাবে কৰ্ম্মচাৰী সকল ভদ্ৰ আৰু বিনয়ী আছিল আৰু ক'লা মানুহো এই সুযোগৰ পৰা বঞ্চিত হোৱা নাছিল। এছিয়াৰ পৰা কৰ্ম্মচাৰীসকল অহাৰ লগে লগে স্বেচ্ছাচাৰিতা আহিল আৰু এইবোৰ স্বেচ্ছাচাৰী সকলৰ তাত যিবোৰ অভ্যাস আছিল লগতে সেই কুঅভ্যাস বোৰ ইয়ালৈকো আনিলে। দক্ষিণ আফ্রিকাত দায়িত্বপূর্ণ শাসন নাইবা প্রজাতন্ত্র একৰকমে চলিছিল, কিন্তু এতিয়া এছিয়াৰ পৰা আহিল বিশুদ্ধ স্বেচ্ছাচাৰিতা; কাৰণ এছিয়াবাসীৰ

দায়িত্বপূৰ্ণ শাসনতন্ত্ৰ নাছিল। বিদেশীসকলে শাসনতন্ত্ৰ চলাইছিল। দক্ষিণ আফ্ৰিকাত যুৰোপীযসকলে বিদেশৰ পৰা উঠি আহি বাস কৰিছে। তেওঁলোক তাতেই প্ৰজা হৈ পৰিছে, আৰু কৰ্ম্মচাৰী সকলৰ ওপৰত তেওঁলোকৰ ক্ষমতা আছিল। কিন্তু এতিয়া এছিয়াৰপৰা এই স্বেচ্ছাচাৰীসকল আহিলত ভাৰতীযসকলে প্ৰমাদ গণিলে।

এওঁলোকৰ স্বেচ্ছাচাৰিতাৰ সোবাদ মযো পাইছিলো। লঙ্কাৰপৰা অহা এজন কৰ্ম্মচাৰী এই নতুন বিভাগৰ প্ৰধান গুৰিয়াল, তেওঁ মোক 'ছমন' দি মাতি পঠালে। 'ছমন' কৰি নিৰ্দ্দিষ্ট বোলাটো অতিৰঞ্জিত বুলি ভাবিব পাৰে দেখি 'ছমন' শব্দটো ব্যৱহাৰ কৰিলো। কথাষাৰ অলপ বহলাই কওঁ—কোনো লিখিত হুকুম মোলৈ অহা নাছিল। ভাৰতীয় নেতা সকলে মাজে সময়ে এইবিলাক কৰ্ম্মচাৰীৰ লগত দেখা কৰিব লগীয়া হৈছিল। ছেঠ তৈযব হাজী খাঁ মহম্মদো এই সকলৰ ভিতৰত আছিল। অফিছৰ প্ৰধান কৰ্ম্মচাৰী জনে মই কোন আৰু কিয় তালৈ আহিছো তেওঁক সুধিলে। 'তেওঁ আমাৰ পৰামৰ্শদাতা আৰু আমাৰ অনুৰোধতেই আহিছে' বুলি ছেঠ তৈযবে কলে। আমি তেন্তে আছো কিয়? তোমালোকক ৰক্ষা কৰিবলৈ আমাক নিযুক্ত কৰা হোৱা নাইনে? গান্ধীযে ইযাৰ অৱস্থা কি জানিব পাৰে" বুলি সেই স্বেচ্ছাচাৰী কৰ্ম্মচাৰী জনে কলে। ছেঠ তৈযবে কোনো ৰকমে ইযাৰ উত্তৰ দিলে। 'হয়, আপোনা সবল আছে। কিন্তু গান্ধী হৈছে আমাৰ মানুহ। আমাৰ ভাষা জানে, আমাৰ কথা বতৰা বুজি পায। যিয়েই হওক, আপোনাসকল হৈছে কৰ্ম্মচাৰী।' ছাহাবে তৈযব ছেঠক মোক তেওঁৰ ওচৰলৈ পঠাবলৈ কলে। মই তৈয়ব ছেঠ আৰু অন্যান্য কিছুমানৰ লগত তেওঁৰ ওচৰলৈ গলো। আমাক বহিবলৈ চকী দিয়া হোৱা নাছিল আমি থিয় হৈ থাকিব লগীয়া হৈছিল।

মোলৈ চাই ছাহাবে কলে—"আপুনি কেলৈ আহিছে।" মই উত্তৰ দিলো—মোৰ ভাৰতীয় ভ্ৰাতৃসকলক পৰামৰ্শ দি সহায় কৰিবলৈকে তেওঁ-লোকৰ অনুৰোধত মই আহিছো, 'আপুনি নাজানেনে যে ইয়ালৈ আহিবৰ আপোনাৰ একো অধিকাৰ নাই। আপোনাৰ হাতত থকা পাৰ্মিট খন ভুলতহে আপোনাক দিয়া হল। আপোনাক "ডমিছাইল্ড ভাৰতবাসী' বুলি ধৰিব নোৱাৰি। আপুনি উলটি যাব লাগিব। আপুনি মিঃ চেম্বাৰলেনৰ ওচৰলৈ ডেপুটেশ্যনত যাব নোৱাৰে। ভাৰতীয় সকলৰ ৰক্ষাৰ বাবে ইয়াত এছিয়াটিক ডিপাৰ্টমেন্ট সুকীয়াকৈ খোলা হৈছে। বাৰু এতিয়া আপুনি যাব পাৰে।" এই বুলি কৈ মোক উত্তৰ দিবলৈ সময় নিদি বিদায় দিলে। কিন্তু তেওঁ মোৰ লগৰীয়াহঁতক ৰাখিলে। তেওঁলোকক বৰ ডাবি দিয়া হল আৰু মোক ওলোটাই পঠাবলৈ কোৱা হল। বৰ নিৰাশ মনেৰে তেওঁলোক উনটিল আৰু আমাৰ সমুখত এতিয়া নতুন সমস্যা উপস্থিত হল।

তৃতীয় অধ্যায়

মোৰ অপমান

এই অপমানত মই বৰ দুখ পালো। পূৰ্ব্বেও এনে বিধৰ বহুতো অপমান সহি মই এনে অপমান সহ্য কৰাত অভ্যস্ত হৈ পৰিছো। সেই বাবে এই নতুন আঘাত সহিবলৈ মই স্থিৰ কৰিলো।

এছিয়াটিক ডিপাৰ্টমেন্টৰ প্ৰধান কৰ্ম্মচাৰী জনৰপৰা মই এই বুলি চিঠি পালো যে মই যি স্থলত মিঃ চেম্বাৰলেনৰ লগত ডাৰবানত দেখা

কৰিছোঁৱেই সেইবাবে ডেপুটেশ্যনৰ পৰা তেওঁলোকে মোৰ নাম কাটি দিছে।

এই চিঠিখন পাই মোৰ সহকৰ্ম্মীসকল জ্বলি পকি উঠিল। ডেপু-টেশ্যনত যোৱাটো তেওঁলোকে এৰি দিয়াৰ প্ৰস্তাৱ কৰিলে। আমাৰ সম্প্ৰদায়ৰ দুৰৱস্থাৰ কথা মই তেওঁলোকক আঙুলিয়াই দিলো। "যদি তোমালোকে মিঃ চেম্বাৰলেনৰ আগত নিজৰ কথা নজনোৱা, তেওঁ-লোকে ধৰি লব যে তোমালোকৰ কবলগীয়া একো অভিযোগ নাই। যিযেই হওক আমাৰ সকলো কথা লিখিহে দিব লাগিব। আৰু মইতো গোটেইখিনি লিখিয়েই দিছো, এতিয়া মই তাত পঢ়ি শুনাওনে অন্যই পঢ়ি শুনায় ইযাৰ দ্বাৰা একো নহয়। মিঃ চেম্বাৰলেনেতো এইবোৰ কথা লৈ আমাৰ লগত তৰ্ক নকৰে। আমি এই অপমান সহিবই লাগিব।" এই বুলি মই কলো। মই এই কথা কোৱা শেষ কৰা মাত্ৰে তৈয়ব ছেঠ গৰ্জি উঠিল—'আপোনাক অপমান কৰা আমাক অপমান কৰা নহয়নে। আপুনি যে আমাৰ প্ৰতিনিধি, এইকথাষাৰ আমি কেনেকৈ পাহৰো।' মই কলো—"হয় সঁচা, কিন্তু আমি এনেবিধৰ অপমান সহিব লাগিব—ইযাৰ বাহিৰে আৰু অন্য কি উপায় আছে।"

'যিয়েই হওক, আৰু নতুনকৈ অপমান উপযাচি লোৱাৰ সকাম কি? আমাৰ বৰ্ত্তমান দুৰৱস্থাতকৈওতো আৰু বেছি বেযা হব নোৱাৰে। আমাৰতো একো অধিকাৰ নাই যে আমি হেৰুৱাম?' এইদৰে তৈয়ব ছেঠে সুধিলে।

মই এই তেজী উত্তৰ শুনি ভাল পালো; কিন্তু লগতে মই বুজিলো যে এতিয়া তেজ দেখুৱালে একো লাভ নাই। আমাৰ চাৰিওফালৰ বান্ধ-ছাটবোৰ মই বেছকৈ জানিছিলো। মই বন্ধুসকলক সান্ত্বনা দি মোৰ পৰিবৰ্ত্তে জৰ্জ গডফ্ৰে নামৰ এজন ভাৰতীয় বেৰিষ্টাৰক লবলৈ

উপদেশ দিলো। সেইকাৰণে মিঃ গডফ্ৰেই এই ডেপুটেশ্যনৰ নেতা হল। মই কিয বাদ পৰিলো মিঃ চেম্বাৰলেনে উত্তৰত উল্লেখ কৰিছিল। "এজন প্ৰতিনিধিকেই বাৰে বাৰে শুনাতকৈ এজন নতুন মানুহৰ কথা শুনা ভাল নহযনে ?" বুলি কৈ তেওঁ জানিবা সান্ত্বনা দিবলৈ চেষ্টা কৰিলে।

কিন্তু এইবোৰ কথা ইযাতে অন্ত নেপেলাই আমাৰ কাম বাগলে মাথোন। আমি আকৌ নতুনকৈ আৰম্ভ কৰিব লগীযা হল। "আপোনাৰ কথা মতেই আমি যুদ্ধত সহায কৰিছিলো নহয এতিযা তাৰ ফল চাওঁক" এই বুলি কিছুমানে মোক বিদ্ৰূপ কৰিবলৈকো নেৰিলে। কিন্তু মই বিদ্ৰূপলৈ আওকান কৰি কলো— মই এতিযাও এনে পৰামৰ্শ দিয়া বাবে অনুতাপ নকৰো। মই এতিযাও কওঁ যে যুদ্ধত সহায় কৰি আমি ভালেই কৰিছিলো। আমি মাথোন কৰ্ত্তব্যহে কৰিছিলো। আমি পৰিশ্ৰমৰ পুৰস্কাৰ পাবলৈ আশা নকৰিবও পাৰো। কিন্ত এইটো মোৰ দৃঢ বিশ্বাস যে সকলো ভাল কামৰে ফল পাছত শুভ হয। এতিয়া অতীতৰ কথা পাহৰি ভবিষ্যতলৈ কৰ্ত্তব্যৰ কথাহে ভবা উচিত।' এই কথাত সকলোৱে মত দিলে।

মই কলো—'প্ৰকৃততে কবলৈ হলে যি কামৰ বাবে তোমালোকে মোক আনিছিনা সেইবোৰ সকলো শেষ হৈছে। কিন্তু মই ভাবো যে তোমালোকে মোক ঘৰলৈ উলটি যাবলৈ দিলেও যথাসম্ভৱ মই ইয়াত থাকিবলৈ চেষ্টা কৰিম। পূৰ্ব্বৰ দৰে নেটালৰ পৰা কাম চলোৱাতকৈ-ইয়াত থাকিযেই কাম চলাম। এবছৰৰ ভিতৰত ভাৰতবৰ্ষলৈ উলটি যোৱাৰ কথা মই এতিযা ভাবিব নোৱাৰো। এতিযা ট্ৰান্সভালৰ সুপ্ৰীম কোৰ্টত সোমাম। এই নতুন ডিপাৰ্টমেন্টৰ লগত কি দৰে চলিব লাগিব সেই সম্পৰ্কে মোৰ জ্ঞান থকা বুলি নিজৰ ওপৰত বিশ্বাস আছিল। মই

ইয়াত নাথাকিলে ভাৰতীয় সকলৰ সৰ্ব্বস্ব অপহৰণ কৰি ইয়াৰ পৰা কুকুৰ মেকুৰীৰ দৰে খেদাই পঠাব। প্ৰত্যেক দিনে নতুন নতুন অপমান জাপি-বহি। মিঃ চেম্বাৰলেনে যে মোৰ লগত দেখা কৰিবলৈ অস্বীকাৰ কৰিলে আৰু সেই কৰ্ম্মচাৰী গৰাকীয়ে মোক যি দৰে অপমান কৰিলে, সেইবোৰ ভাৰতীয় সম্প্ৰদায়ৰ ওপৰত কৰা অপমানৰ ওচৰত একোৱেই নহয়। ইয়াত আমি কুকুৰৰ দৰে জীৱন যাপন কৰাটো অসম্ভৱ।'

এইদৰে মই সকলোকে কামত লগালোঁ। প্ৰেটোৰিয়া, জোহানছবাৰ্গৰ ভাৰতীয় সকলৰ লগত সকলো কথা আলোচনা কৰি অৱশেষত জোহানছ-বাৰ্গত আফিছ খোলা স্থিৰ কৰিলো। মোৰ ট্ৰান্সভাল ছুপ্ৰীম কোৰ্টত সোমাবলৈ দিব নে নিদিয়ে তাতো মোৰ সন্দেহ আছিল। কিন্তু আইন ব্যৱসায়ীৰ সমিতিয়ে মোৰ দৰ্খাস্তৰ প্ৰতিবাদ নকৰিলে আৰু কোৰ্টে ও মঞ্জুৰ কৰিলে। উপযুক্ত ঠাইত অফিছ লে ঘৰ পোৱা ভাৰতীয়ৰ পক্ষে দুৰূহ কথা আছিল। কিন্তু ইতিমধ্যে মি. ৰিচ নামৰ এজন সদাগৰৰ লগত মোৰ অলপ সংস্পৰ্শ হল। তেওঁৰ চিনা জনা হাউছ এজেন্টৰ জৰীয়তে নগৰৰ ভাল ঠাই এডোখৰ আদালতৰ অঞ্চলত ভাল খোঁটালী আফিছৰ বাবে পোৱা হল। আৰু ইয়াতেই মই বেৰিষ্টাৰি আৰম্ভ কৰিলো।

চতুৰ্থ অধ্যায়

ত্যাগৰ বাবে প্ৰেৰণা

ট্ৰান্সভালত ঔপনিবেশিক সকলৰ অধিকাৰ লৈ আন্দোলনৰ আৰু এছিয়াটিক বিভাগৰ সম্পৰ্কে বিৱৰণ দিয়াৰ পূৰ্ব্বতে মোৰ জীৱনৰ অইন

এটা বিষয়লৈ এতিয়া ওলোটা। এই সময়লৈকে মোৰ মনত দুটা ভাব আছিল। আত্মত্যাগৰ লগত ভৱিষ্যতলৈ সঞ্চয় কৰিবৰ ইচ্ছা মিহলি হৈ আছিল। মই যি সময়ত বোম্বাইত "চেম্বাৰ্চ" লওঁ সেই সময়ত এটা আমেৰিকান ইন্সিওৰেন্স কোম্পানীৰ এজেণ্ট বোম্বাইলৈ আহিছিল। এজেণ্ট জনৰ মুখখন বৰ মিঠা আৰু মানুহ জনো অমায়িক আছিল। আমি জানিবা পূৰ্ব্বৰ চিনাকি বন্ধু; এইদৰে তেওঁ মোৰ লগত মোৰ ভৱিষ্যত কল্যাণৰ কথা আলোচনা কৰিবলৈ ধৰিলে। "আমেৰিকাত আপোনাৰ অৱস্থাৰ সকলো মানুহে জীৱন বীমা কৰে। ভবিষ্যতলৈ বিপদৰ বাবে আপুনি জীৱন বীমা নকৰেনে? জীৱন অনিশ্চিত। জীৱন বীমা কৰাটো আমি আমেৰিকাত ধৰ্ম্মগত দায়িত্ব বুলি ভাবো। সৰুসুৰা 'পলিচী' এটা কৰিবলৈ আপোনাক ধৰিব নোৱাৰোনে?"

দক্ষিণ আফ্ৰিকা আৰু ভাৰতবৰ্ষত ইমান দিনলৈকে মই যি সকল জীৱন বীমা কোম্পানীৰ এজেণ্ট পাইছিলো সকলোকে পিঠি দিছিলো। কাৰণ মই ভাবিছিলো যে জীৱন বীমা কৰিলে ভবিষ্যতলৈ ভয় কৰা হব আৰু ইয়াৰ দ্বাৰা ঈশ্বৰত বিশ্বাসৰ অভাৱ হে বুজায়। কিন্তু এতিয়া এই আমেৰিকান এজেণ্ট জনৰ কথাত মই ভোল গলো। আৰু তেওঁ যিমানেই যুক্তি দিবলৈ ধৰিলে, সিমানেই মোৰ মনত লৰা-তিৰোতাৰ ভবিষ্যত মনত হবলৈ ধৰিলে। "তই তিৰোতাৰ সকলো গহনা বেচি দিছ, যদি আজি তোৰ কিবা এটা হয়, লৰা-তিৰোতাৰ ভৰণ-পোষণৰ ভাৰ তোৰ দুখীয়া ককায়েৰৰ ওপৰত পৰিব, ইমান দিনলৈকে তোৰ ককায়েৰেই তোৰ পিতৃৰ দৰে আছিল। কথাষাৰ কেনে হব" ইত্যাদি মই নিজকে প্ৰশ্ন কৰাত লাগিলো। এনেবিধৰ আৰু কিছুমান যুক্তি কৰি দহ হেজাৰ টকাৰ জীৱন বীমা কৰিবলৈ মান্তি হলো।

কিন্তু দক্ষিণ আফ্ৰিকাত এতিয়া মোৰ জীৱন প্ৰণালী সম্পূৰ্ণৰূপে

সললি হল। এই পৰীক্ষাৰ সময়ত মোৰ প্ৰতিখোজ ঈশ্বৰৰ নামত আৰু ঈশ্বৰৰ সেৱাৰ বাবে লোৱা হৈছিল। এতিয়া দক্ষিণ আফ্ৰিকাত কিমান দিনলৈকে থাকিব লাগিব মই জনা নাছিলো। মোৰ মনত শঙ্কা হৈছিল যে মই বোধ কৰো আৰু ভাৰতবৰ্ষলৈ উলটি যাব নোৱাৰিম। আৰু সেইবাবে লৰা তিৰোতাক বলেৰে আঁতৰত নথৈ লগত ৰখা মই স্থিৰ কৰিলো। আৰু এতিয়া তেওঁলোকৰ ভৰণ পোষণৰ বাবে লগা ধন ঘটিবলৈকো সংকল্প কৰিলো। মোৰ মনলৈ এইবোৰ চিন্তা অহাত জীৱন বীমা কৰাত বেজাৰ হবলৈ ধৰিলে আৰু জীৱন বীমা কোম্পানীৰ এজেন্টৰ জালত পৰা বুলি লাজো পালো। মোৰ ককাইদেউ যদি মোৰ পিতৃৰ দৰে হযেই, তেন্তে প্ৰয়োজন হলে তেওঁ মোৰ বাঁৰী তিৰোতা আৰু লৰাহঁতৰ ভৰণ-পোষণৰ বোজা বুলি ধৰি নলব ইত্যাদি মই মনতে ভাবিবলৈ ধৰিলো। অইনতকৈ আগেযে মোক যমে নিব বুলি ভাবিবলৈ মোৰ কি যুক্তি আছে। আৰু প্ৰকৃততে সকলোৰে ৰক্ষক হৈছে পৰম-পিতা জগদীশ্বৰ। মযো নহও, ককাইদেৱো নহয। জীৱন বীমা কৰি মই লৰা-তিৰোতাক আত্ম-নিৰ্ভৰ ক্ষমতাৰ পৰা বঞ্চিত কৰিছো। তেওঁলোকে নিজক নিজে ৰক্ষা কৰিব নোৱাৰিব বুলি ধৰি লবলৈ কি যুক্তি আছে? জগতৰ অসংখ্য দুখীয়া মানুহৰ পৰিয়ালত কি হব লাগিছে? মই তাৰে এজন বুলি ধৰি নলও কিয়?

মোৰ মনেদি এইদৰে চিন্তাৰ সোঁত ববলৈ ধৰিলে, কিন্তু মই এইবোৰ চিন্তাৰ এটা মতেও কাম কৰা নাছিলো। দক্ষিণ আফ্ৰিকাত মই এবাৰ এটা 'প্ৰিমিযাম' দিযা মোৰ মনত পৰে। কিন্তু বাহিৰা ঘটনাৱলীয়ে এনে বিধৰ চিন্তাত সঁজুলি যোগাবলৈ ধৰিলে। দক্ষিণ আফ্ৰিকাত প্ৰথমবাৰ থাকোতে খ্ৰীষ্টান পাদ্ৰীসকলৰ প্ৰভাৱে মোৰ ধৰ্ম্মভাৱ ৰক্ষা কৰিছিল, এতিয়া থিয়ছফিকেল ছছাইটীৰ প্ৰভাৱে এইভাব টনকিয়াল কৰিলে।

মিঃ ৰিচ এজন থিয়ছফিষ্ট আছিল, আৰু তেৰেঁই জোহানছ্‌বাৰ্গৰ ছুছাইটীৰ লগত মোৰ সম্পৰ্ক ঘটালে। মই ইয়াৰ মেম্বৰ হোৱা নাছিলো কাৰণ মোৰ মতভেদ আছিল। প্ৰতিদিনে তেওঁলোকৰ লগত মোৰ ধৰ্ম্মবিষয়ক আলোচনা হৈছিল। থিয়ছফিকেল কিতাপ পত্ৰৰপৰা পাঠ হৈছিল আৰু মই মাজে সময়ে তেওঁলোকৰ সভাত বক্তৃতা দিছিলো। থিওছফিৰ প্ৰধান কথা হৈছে ভ্ৰাতৃত্ব ভাৱ সাধনা কৰা। এইকথা লৈ আমাৰ মাজত বহুত আলোচনা হৈছিল আৰু যি যি বিষয়ত এই আদৰ্শৰ লগত মেম্বৰ সকলৰ আচৰণৰ হেৰ-ফেৰ দেখা পাইছিলো সেই বিলাক বিষয় লৈ তেওঁ-লোকক মই সমালোচনা কৰিছিলো। এনেবিধৰ সমালোচনাৰ দ্বাৰা মোৰ উপকাৰ নোহোৱাকৈ নাছিল। ইয়াৰদ্বাৰা মই নিজকে নিজে পৰীক্ষা কৰিবলৈ চল পাইছিলো।

পঞ্চম অধ্যায়

আত্ম বিশ্লেষণৰ ফল

১৮৯৩ সনত যেতিয়া খ্ৰীষ্টান বন্ধুসকলৰ সংস্পৰ্শত আহো, তেতিয়া ধৰ্ম্মবিষযত মই সম্পূৰ্ণ অনভিজ্ঞ। তেতিয়া তেওঁলোকে মোক খ্ৰীষ্ট-ধৰ্ম্ম সম্পৰ্কে বুজাবলৈ আৰু যীশুৰ বাণী গ্ৰহণ কৰিবলৈ বৰ চেষ্টা কৰিছিল। মই মন মুকলি ৰাখি তেওঁলোকৰ সকলো কথা বিনযেৰে সৈতে মন দি শুনিছিলো। এই সময়তেই মই স্বাভাৱিকতে হিন্দু ধৰ্ম্মৰ শাস্ত্ৰাদি পঢ়াত যথাসাধ্য লাগিলো আৰু লগে লগে অন্য ধৰ্ম্মৰ শাস্ত্ৰাদিও পঢ়িবলৈ ধৰিলো।

১৯০৩ সনত অৱস্থাৰ কিছু সাল সলনি হল। থিয়ছফিষ্ট বন্ধু

সকলে তেওঁলোকৰ সমাজলৈ মোক সুমুৱাই নিবলৈ ইচ্ছা কৰিছিল, কিন্তু হিন্দু হিছাপে মোৰ পৰা কিবা পাবলৈহে তেওঁলোকৰ এই ইচ্ছা হৈছিল। থিযছফিকেল সাহিত্যত হিন্দু-প্ৰভাৱ পুৰা মাত্ৰাই আছে আৰু সেইবাবে এই বন্ধু সকলে ভাবিছিল যে মই কিজানি তেওঁলোকৰ সহাযত আহিব পাৰো। মই তেওঁলোকক বুজাই কলো যে সংস্কৃত ভাষাত মোৰ সিমান ব্যুৎপত্তি নাই, মই হিন্দু শাস্ত্ৰৰ মূল গ্ৰন্থবোৰ পঢ়া নাই, আৰু আনকি অনুবাদ পঢ়িও মোৰ সিমান জ্ঞান হোৱা নাই। কিন্তু তেওঁলোকৰ দৰে সংস্কাৰ আৰু পুনৰ্জন্ম বিশ্বাস কৰো দেখি তেওঁ-লোকে ধৰি লৈছিল যে মই অন্ততঃ কিছু সহায় কৰিব পাৰিম। সেই-বাবে বৰগছ নোহোৱা ঠাইত "এৰণ্ডোহপি দ্ৰুমায়তে"ৰ দৰে মযো হলো। মই তেওঁলোকৰ কেইজনৰ লগতে স্বামী বিবেকানন্দৰ ৰাজযোগ আৰু আন আন কিছুমানৰ লগত এম, এন, দ্বিবেদীৰ ৰাজযোগ পঢ়া আৰম্ভ কৰিলো। পতঞ্জলিৰ যোগ সূত্ৰও এজনৰ লগত আৰু ভাগৱত গীতা কিছুমানৰ লগত মই পঢ়িব লগীয়া হল। আমাৰ জানিবা জ্ঞানপিপাসু সমিতি হে হল আৰু আমি নিযমিত ৰূপে পঢ়াত লাগিলো। ইতিপূৰ্ব্বেই গীতাত মোৰ ভক্তি আৰু মোহ হৈছিল। এতিয়া এই খন কিতাপ দকৈ পঢ়াৰ প্ৰয়োজনীয়তা মই বুজি পালো। মোৰ হাতত দুখনমান অনুবাদ আছিল আৰু তাৰে মই মূল সংস্কৃত শ্লোকবোৰ মুখস্থ কৰাও স্থিৰ কৰিলো। প্ৰাতঃকৃত্যৰ সময়ত শ্লোক আওৰাবলৈ ধৰিলো। ইয়াৰ বাবে ৩৫ মিনিট লাগিছিল, 'টুথব্ৰাছেৰে' দাঁত ঘঁহোতে ১৫ মিনিট গা ধোওঁতে ২০ মিনিট লাগিছিল। প্ৰথমটো কাম পাশ্চাত্য দস্তুৰত হৈছিল। সেইবাবে গীতাৰ কিছুমান শ্লোক কাকতত লিখি বেৰত আঁৰি থৈছিলো আৰু স্মৰণশক্তিক মাজে মাজে সহায় কৰিবলৈ লই কাকতৰ সহায় লৈছিলো। এই সময়খিনি দৈনিক অংশ মুখস্থ কৰিবলৈ যথেষ্ট

আছিল। মোৰ মনত পৰে এইদৰে মই ১৩টা অধ্যায় মুখস্থ কৰিছিলো। কিন্তু গীতা মুখস্থ কৰা কাম অন্য কামবোৰ বঢ়াৰ লগে লগে এৰিব লগীয়া হল। কাৰণ সত্যাগ্ৰহৰ জন্মই মোক মগ্ন কৰিলে। আৰু এতিয়াও ই মোৰ চিন্তাক মগ্ন ৰাখিছে বুলি কব পাৰি।

এই গীতা পাঠৰ পৰা বন্ধু সকলৰ কি ফল হৈছিল তেওঁলোকে কব পাৰে, কিন্তু ই মোৰ জীৱনত অপৰিহাৰ্য্য সহচৰ হল। মোৰ দৈনিক কামৰ বাবে ই এখন অভিধানৰ দৰে হৈছিল। ইংৰাজী শব্দৰ অৰ্থ নুবুজিলে যিদৰে মই ইংৰাজী অভিধানখন মেলি লৈছিলো, সেইদৰে জীৱনৰ পৰীক্ষাত সকলো সমস্যাৰ সমাধানৰ বাবে এই গীতাৰ ওচৰলৈকে মই চাপিছিলো। 'অপৰিগ্ৰহ' 'সমভাৱ' ইত্যাদি শব্দ বোৰত মোৰ মন মগ্ন হল। কেনেকৈ এই 'সমভাৱ' সাধনা কৰিব পৰা যায় এয়েই মোৰ চিন্তা হল। অপমানজনক আচৰণ কৰা অসৎ কৰ্ম্মচাৰী, অৰ্থবিহীন প্ৰতিবন্ধকতা কৰা, কালিৰ সহকৰ্ম্মী, আৰু সদায় ভাল ব্যৱহাৰ কৰা বন্ধু, এইবোৰৰ ভিতৰত তাৰতম্য নাৰাখি কেনেকৈ আচৰণ কৰা যায়? মানুহে নিজৰ সকলো সম্পত্তিও কেনেকৈ ত্যাগ কৰিব? এই শৰীৰ-টোৱেই মানুহৰ এটা সম্পত্তি নহয় নে? লৰা আৰু তিৰোতা মানুহৰ সম্পত্তি নহয় নে? এই আলমাৰী ভৰা কিতাপ বোৰ যে আছে সকলো পুৰি পেলাম নে? মোৰ সকলো বয় বস্তু পুৰি পেলাই কেৱল মাত্ৰ প্ৰভু-ৰেই অনুগমন কৰিমনে? ততালিকে উত্তৰ পালো—সকলো ত্যাগ নকৰিলে মই প্ৰভুৰ অনুগমন কৰিব নোৱাৰো। ইংলিছ আইন পঢ়াই এতিয়া মোৰ সহায় হল। Equity সম্পৰ্কে Snellৰ আলোচনাৰ কিতাপ খনলৈ মোৰ মনত পৰিল। গীতাৰ শিক্ষা মতে 'ট্ৰাষ্টী' শব্দটোৰ অৰ্থ কি মই বুজি পালো অৰ্থাৎ যি সকলো বস্তু পৰিচালনা কৰিও সামান্য কুটাকো নিজৰ বুলি নধৰে। অপৰিগ্ৰহ আৰু সমভাৱ—এই শব্দ দুটাৰ বাবে

হিয়াৰ আমুল পৰিবৰ্ত্তন প্ৰয়োজন এই কথাষাৰ এতিয়া বেলিৰ পোহৰৰ দৰে মোৰ ওচৰত স্পষ্ট হল। জীৱন বীমাৰ পলিছীটো এৰি দিবলৈ নাইবা যি পোৱা যায় ওলোটাই আনিবলৈ, নাইবা সম্পূৰ্ণতে হেৰাইছে বুলি ধৰি লবলৈ, মই তেতিয়া বেৰা শঙ্কৰ ভাটলৈ লিখিলো, কাৰণ মোৰ এতিয়া সম্পূৰ্ণ বিশ্বাস হৈছে যে যি ঈশ্বৰে মোৰ লৰা তিৰোতাৰ সৃজন কৰিছে, তেৱেঁই তেওঁলোকক ৰক্ষা কৰিব। মোৰ পিতৃস্বৰূপ ককাই দেউলৈ মই লিখিলো যে ইমান দিনলৈ যি মই সঞ্চয় কৰিছিলো, সকলো তেওঁকেই দি আছিলো। কিন্তু এতিয়াব পৰা যেন মোৰ পৰা একো আশা নকৰে, কাৰণ সমাজৰ বাবে মই সকলো দান কৰিলো।

মোৰ ককাইদেউক মোৰ এইভাৱ সহজে বুজাব পৰা নাছিলো। তীব্ৰ ভাষাত তেওঁলৈ মোৰ কৰ্ত্তব্যৰ কথা তেওঁ বুজাই লিখিলে। মই দেউতাতকৈ জ্ঞানী হবলৈ যেন আকাঙ্ক্ষা নকৰো বুলি তেওঁ কলে। তেওঁ যিদৰে পৰিয়ালৰ ভৰণ পোষণ কৰিছিল, মযো সেইদৰে কৰিব লাগিব। মযো জনালো যে মযো তাকেই কৰিছো, মাথোন 'পৰিয়াল' শব্দটো অলপ বহলাই লৈছো।

ককাইদেৱে মোক এৰিলে আৰু বাস্তৱতে মোৰ লগতে চিঠিৰ সম্পৰ্ক এৰি দিলে। ইয়াত মই বৰ বেজাৰ পালো। কিন্তু মই যিটো কৰ্ত্তব্য বুলি ভাবিছো সেইটো এৰা হেতেন ইযাতকৈও বেজাৰ পালোহেতেন। আৰু সেইবাবে কম বেজাৰৰ কথাষাৰ বাছি ললো। কিন্তু সেই বুলি তেওঁলৈ মোৰ শ্ৰদ্ধা-ভক্তি অলপো কমা নাছিল। মোলৈ তেওঁৰ অতিপাত স্নেহেই এই দুখৰ মূল। মই পৰিয়াললৈ কৰ্ত্তব্য কৰা যুগুত বুলি তেওঁ যিমান ভাবিছিল, সিমান মোৰ টকালৈ তেওঁ হেঁপাহ কৰা নাছিল। যিযেই হওক, জীৱনৰ শেষ বয়সত তেওঁ মোৰ এই ভাবৰ শলাগ লৈছিল তেওঁ যেতিয়া মৃত্যু শয্যাত, তেতিয়া তেওঁ বুজি পালে যে মই উচিত

কামেই কৰিছিলো আৰু সেইবাৰে বৰ বেজাৰ কৰি এখন চিঠিও লিখিছিল, মোৰ ওচৰত তেওঁ ক্ষমা খুজিলে—যদি বাপেকে পুতেকৰ ওচৰত ক্ষমা খোজাটো হয়। তেওঁ নিজৰ লৰাহঁতক মোৰ তত্ত্বাৱধানত থৈ, মই যি দৰে ইচ্ছা কৰো সেইমতে ডাঙৰ দীঘল কৰিবলৈ গতাই দিলে আৰু মোক লগ পাবলৈ বৰ অধৈৰ্য্য হল। মোক তাঁৰ কৰি জনালে যে দক্ষিণ আফ্ৰিকালৈ আহিবলৈ তেওঁৰ ইচ্ছা। মযো আহিবলৈ তাঁৰ কৰিলো। কিন্তু তেওঁৰ লগত মোৰ দেখা নহল। লৰাহঁতৰ সম্পৰ্কেই তেওঁৰ ইচ্ছা পূৰণ নহল। দক্ষিণ আফ্ৰিকালৈ বাওনা হবৰ পূৰ্ব্বতে তেওঁ চকাল। তেওঁৰ লৰাহঁত পূৰ্ব্বৰ মতেই ডাঙৰ দীঘল লল। সিহঁতে জীৱনৰ গতি ওলোটাব নোৱাৰিলে। মই সিহঁতক মোৰ ওচৰলৈ টানি আনিব নোৱাৰিলো। এইটো সিহঁতৰ দোষ নহয়। এইখিনিলৈকে আহিব পাৰা, এইখিনিৰ পৰা আৰু এখোজো আগবাঢ়িব নোৱাৰা বুলি নিজৰ স্বভাৱ দালাবলৈ কোনে কব পাৰে? যিবোৰ সংস্কাৰ লৈ জন্ম হৈছে, সেইবোৰ কোনে মাৰিব পাৰে? নিজৰ লৰা আৰু তলতীয়া অন্য লৰাহঁতে যে নিজৰ বিকাশৰ বাবে যে একে গতি লব সেইটো আশা কৰা ভুল।

পিতা হোৱাটো যে কি দায়িত্বপূৰ্ণ কাম এই ঘটনাৰ পৰা বেছকৈ বুজা যায়।

ষষ্ঠ অধ্যায়

নিৰামিষ ভোজন প্ৰচাৰৰ হেঁপাহ

ত্যাগ আৰু আড়ম্বৰহীনতাৰ আদৰ্শ মই যিমানেই উপলব্ধি কৰি আছিলো আৰু মোৰ দৈনিক জীৱনত যিমানেই ধৰ্ম্মবোধ হবলৈ ধৰিলে,

সিমানেই নিৰামিষ ভোজন প্ৰচাৰ কৰিবলৈ হেঁপাহ মোৰ জীৱনৰ ব্ৰত হোৱাদি হল। মই এটা উপায়েৰে প্ৰচাৰ কাৰ্য্য কৰাটো জানো—সেইটো হৈছে নিজৰ দৃষ্টান্ত আৰু অন্যান্য জ্ঞান অনুসন্ধিৎসুৰ লগত আলোচনা।

জোহানছ্বাৰ্গত নিৰামিষ-ভোজীৰ এটা হোটেল আছিল, তাৰ পৰিচালক আছিল এজন জাৰ্ম্মান--তেওঁ 'কুণৰ' পানী চিকিৎসাত বিশ্বাস কৰিছিল। মই এই হোটেললৈ যাবলৈ ধৰিলো আৰু তালৈ বহুতো ইংৰাজ বন্ধু-বান্ধৱক নি এইখনক সহায় কৰিবলৈ ধৰিলো। কিন্তু মই দেখিলো যে এইখন আৰু সৰহ দিন টিকিব নোৱাৰে, কাৰণ অৰ্থাভাৱ সদায় লাগি আছে। যিমান খিনিলৈকে এই প্ৰতিষ্ঠানে মোৰ সাহায্য পোৱা দৰকাৰ বুলি মই ভাবিছিলো, সিমান খিনি সাহায্য মই এওঁক কৰিছিলো। ইয়াৰ বাবে কিছু টকাও খৰচ কৰিছিলো, কিন্তু অৱশেষত হোটেল বন্ধ কৰিব লগীয়া হল। থিয়-ছফিষ্টসকলৰ সৰহভাগেই কিছু নহয় কিছু পৰিমাণ নিৰামিষভোজী আৰু তেওঁলোকৰ দলৰ এগৰাকী উদ্যোগী মহিলাই বৰ ডাঙৰ ৰকমে হোটেল এটা খুলি কৰ্ম্মক্ষেত্ৰত দেখা দিলে। তেওঁৰ শিল্পকলাত বৰ অনুৰাগ আছিল হিছাপ পত্ৰ সম্পৰ্কে বিশেষ একো নাজানিছিল আৰু বৰ খৰচীও। তেওঁৰ বন্ধুৰ দল বৰ ডাঙৰ। তেওঁ আৰম্ভ কৰিছিল সৰু-সুৰা ৰকমে, কিন্তু পাছত ডাঙৰ ঘৰ ভাৰা লৈ কাৰবাৰ অলপ ডাঙৰকৈ কৰা স্থিৰ কৰিলে আৰু মোৰ সহায় খুজিলে। তেওঁ যেতিয়া মোৰ ওচৰ চাপে, তেতিয়া তেওঁৰ আৰ্থিক অৱস্থাৰ কথা মই একো জনা নাছিলো। মই ধৰি লৈছিলো যে তেওঁ যি হিছাপ দিছে সেইটো প্ৰায় ঠিক। তেওঁক সহায় কৰিবলৈ মোৰ অৱস্থাও হৈছিল। মোৰ মক্কেল সকলে মোৰ ওচৰত বহুতো টকা জমা থৈছিল। এনে বিধৰ এজন মক্কেলৰ সম্মতি

লৈ তেওঁৰ জমাৰ পৰা এজেহাৰ পাউণ্ড এই মহিলা গৰাকীক ধাৰে দিলো। মোৰ মক্কেলজন বৰ উদাৰ মনৰ আছিল আৰু মোৰ ওপৰত তেওঁৰ বৰ বিশ্বাস আছিল। তেওঁ দক্ষিণ আফ্রিকালৈ কুলী চালানত আহিছিল। তেওঁ কলে—"যদি টকা দিবলৈ বিচাৰে আপুনি দিয়ক। এইবোৰ কথা মই একো নাজানো, মই মাথোন আপোনাক জানো।" তেওঁৰ নাম আছিল বদৰী। সত্যাগ্রহত তেওঁ এজন অগ্রগণ্যলোক আছিল আৰু ফাটেকো খাটিছিল। সেইবাবে মই তেওঁৰ এই সম্মতি লৈ টকা ধাৰে দিলো।

ইয়াৰ দুই তিনি মাহ পাছত মই বুজিলো যে টকা ওলোটাই পোৱা নাযাব। এনেকুৱা ক্ষতিগ্রস্ত হোৱা মোৰ আৰ্থিক অৱস্থাৰ পক্ষে সম্ভৱ নাছিল। বহুতো বিষয় আছিল য'ত এইখিনি টকা লগাব পাৰিলো হেঁতেন। এই ধাৰ শোধ নহল। কিন্তু মোৰ ওপৰত বিশ্বাস ৰখা বদৰীক ক্ষতিগ্রস্ত কৰো কেনেকৈ? তেওঁ মোকেই হে জানিছিল, যি হ'ক তেওঁক ময়েই টকা শোধ কৰিলো।

এজন মোৰ মক্কেল বন্ধুক এই কথাবাৰ কলত লাহেকৈ মিঠা মুখেৰে মোক নিৰ্ব্বুদ্ধিতাৰ বাবে তিৰস্কাৰ কৰিলে। সৌভাগ্যৰ বিষয় তেতিয়ালৈকে মই 'মহাত্মা' হোৱা নাছিলো, নাইবা 'বাপু' নামো পোৱা নাছিলো, বন্ধু বান্ধৱ সকলোৱে মৰম কৰি 'ভাই' বুলি মাতিছিল। তেওঁ কলে—"ভাই তুমি এইটো কৰা উচিত নাছিল। তোমাৰ ওপৰত আমি কিমান কথাত নিৰ্ভৰ কৰো। তুমি এই টকা ওলোটাই নোপোবা। মই জানো তুমি ইফালে বদৰীকো ক্ষতিগ্রস্ত নকৰা, কাৰণ নিজৰ জেপৰ পৰা বদৰীক টকা খিনি দিবাই, কিন্তু তুমি যদি এইদৰে তোমাৰ অভিনৱ সংস্কাৰ বিলাকৰ বাবে মক্কেলৰ টকা খৰচ কৰা, মক্কেল বিলাকো ধ্বংস হব, আৰু তুমিও অলপ দিনতে ভিকহু হব লাগিব। কিন্তু তুমি হৈছা আমাৰ এজন 'ট্রাষ্টী'

তুমি এই কথাষাৰ সদায় মনত ৰখা উচিত যে তুমি ভিকহু হলে আমাৰ ৰাজহুৱা কামৰ অন্ত পৰিব।"

এই বন্ধু গৰাকী এতিয়াও জীৱিত। কি দক্ষিণ আফ্ৰিকাত, কি ভাৰতবৰ্ষত তেওঁত কৈ পৱিত্ৰ সাধু পুৰুষ মই এতিয়ালৈকে লগ পোৱা নাই। কোনো মানুহক কিবা কথাত সন্দেহ কৰি, পাছত সেই সন্দেহ মিছা বুলি জানিলে, তেওঁ ক্ষমা প্ৰাৰ্থনা কৰা আৰু তাৰ বাবে আত্মশুদ্ধি কৰা মই জানো।

মই দেখিলো যে তেওঁ মোক সাৱধান কৰি উচিত কামেই কৰিছিল। কাৰণ মই বদৰীৰ ক্ষতি পূৰণ কৰিলো হয়, কিন্তু আৰু এবাৰ এই দৰে এহেজাৰ পাউণ্ড ক্ষতি হব লগীয়া হলে মোৰ পক্ষে ঋণ কৰিব লগীয়া হলহেঁতেন—যি কাম মই জীৱনত কেতিয়াও কৰা নাই আৰু যি কথা সদায় ঘিন কৰিছিলো। মই এতিয়া বুজিলো যে সংস্কাৰ কৰিবলৈ মানুহৰ যিমানেই উদ্যম হওক, তেওঁ সীমা পাৰ হব নালাগে। মই আৰু বুজিলো যে মোৰ ওচৰত গচ্ছিত ধন এইদৰে লোকক ঋণলৈ দি গীতাৰ এটা মূল উপদেশ অমান্য কৰিছো—স্থিতপ্ৰাজ্ঞই ফললৈ আকাঙ্ক্ষা নকৰি কাম কৰা কৰ্ত্তব্য। এই ভুলে মোক সতৰ্ক কৰিলে। নিৰামিষ ভোজনৰ প্ৰচাৰৰ বাবে মোৰ যি ভৰণি হল, সি ইচ্ছাকৃত নহয় আৰু এইদৰে হব বুলিও ভবা নাছিলো। এই পুণ্যফেৰা প্ৰয়োজনতহে হৈছিল।

সপ্তম অধ্যায়

মাটি আৰু পানী চিকিৎসাৰ পৰীক্ষা

মোৰ জীৱন আড়ম্বৰহীন কৰাৰ লগে লগে ঔষধ আদিলৈ বীতশ্ৰদ্ধা বাঢ়িবলৈ ধৰিলে। ডাৰবানত ওকালতি কৰোতে মোৰ বাত আৰু

দৌৰ্ব্বল্য হৈছিল। ডাক্তৰ পি, জে, মেহটাই মোক চিকিৎসা কৰাত মই সুস্থ হলো। ইয়াৰ পাছৰে পৰা ভাৰতবৰ্ষলৈ উলটি নহালৈকে মোৰ একো বেমাৰ হোৱা বুলি মনত নপৰে। কিন্তু জোহানছবাৰ্গত থাকোতে মাজে সময়ে মূৰ কামোৰনি আৰু কোষ্ঠবদ্ধতা হৈ বৰ আমনি কৰিছিল। মাজে মাজে জুলাপ লৈ আৰু নিয়ম মতে আহাৰ কৰিহে নিজক সুস্থ ৰাখিব লগীয়া হৈছিল। কিন্তু তথাপিও মই নিজক সুস্থ বুলিব পৰা নাছিলো আৰু কেতিয়াকৈ এই বোৰ কোষ্ঠশুদ্ধি ঔষধৰ বোজাৰ পৰা নিজক মুক্ত কৰিব পাৰিম তাকে ভাবি মই অস্থিৰ হৈছিলো।

এনে সময়তে মাঞ্চেষ্টাৰত 'পুৱাৰ সাঁজ এৰা সমিতি' গঠিত হোৱা বুলি বাতৰি পালো। এই সমিতিৰ প্ৰতিষ্ঠাতা সকলৰ যুক্তি আছিল যে ইংলণ্ডৰ মানুহে বৰকৈ বহুতবাৰ ভোজন কৰে আৰু দুপৰ ৰাতিলৈকে অনিয়মিত ৰকমে খোৱাৰ ফলত ডাক্তৰক ধানচ দিওতেই বহুতো টকাৰ ভৰণি হয়। সেইবাবে নিজৰ উন্নতি কৰিবলৈ হলে তেওঁলোকে পুৱাৰ সাজ এৰিব লাগিব। যদিও এইবোৰ কথা মোৰ গাত সম্পূৰ্ণভে নাখাটে, তথাপিও তেওঁলোকৰ গোটেই যুক্তি অংশতঃ মোৰ ওপৰত খাটে। আবেলিৰ চাহ জলপান এৰিও মই তিনি সাঁজ ভাতকৈ আহাৰ কৰিছিলো। খোৱাত মই কেতিয়াও নিয়মিতাহাৰী নাছিলো, নিৰামিষভোজীৰ পক্ষে মচলা নোহোৱাকৈ যিমান দূৰ সম্ভৱ সকলোবিধৰ ৰুচিকৰ বস্তু মই আহাৰ কৰিছিলো। ৬ নাইবা ৭ বজাৰ আগতে মই কেতিয়াও শোৱা পাটীৰ পৰা উঠা নাছিলো। সেইবাবে মই স্থিৰ কৰিলো যে পুৱাৰ সাঁজ এৰি দিলে মূৰ-কামোৰণিৰ হাত সাৰিব পাৰো। যি হ'ক মই পৰীক্ষা কৰিলো। পোনতে কেইদিন মান বৰ টান হৈছিল, কিন্তু মূৰ-কামোৰণি সম্পূৰ্ণকৈ বন্ধ হল। ইয়াতেই মই বুজিলো যে প্ৰয়োজনতকৈ মই বেছি আহাৰ কৰিছিলো।

কিন্তু পৰিবৰ্ত্তনৰ দ্বাৰা কোষ্ঠবদ্ধতা নুগুচিল। 'কুণে'ৰ এককাললৈকে পানীত জুবুৰিয়াই থোৱা চিকিৎসা ব্যৱস্থা পৰীক্ষা কৰাত কিছু ভাল পালো; কিন্তু ইয়াৰ দ্বাৰাও সম্পূৰ্ণকৈ সুস্থ নহলো। ইতিমধ্যে নিৰামিষ ভোজীৰ হোটেল খোলোতা জাৰ্ম্মান জন নে আন কোনোবা বন্ধুৱে মোৰ মনত নাই, মোক জাষ্টৰ লিখা Return to Nature বোলা কিতাপ খন দিলে। এই কিতাপখনত মাটিৰ চিকিৎসা সম্পৰ্কে পঢ়িবলৈ পালো। গ্ৰন্থকৰ্ত্তাই ফল-মূল আৰু বাদাম আদি মানুহৰ স্বাভাৱিক আহাৰ বুলি যুক্তি দিছিল। তৎক্ষণাতেই সম্পূৰ্ণ ৰূপে ফলাহাৰৰ নিয়ম মই লোৱা নাছিলো, কিন্তু মাটিৰ চিকিৎসা অৱলম্বন কৰিলো আৰু তাত ফলো ভাল পালো। পৰিষ্কাৰ মাটি পানীৰ লগত মিহলাই বোকা কৰি তলপেটত প্ৰলেপ দি ছাফ ফটাকানিৰে 'পুলটিচৰ' দৰে বান্ধি থোৱাই তেওঁৰ চিকিৎসা। শুবৰ সময়ত প্ৰয়োগ কৰি ৰাতি নাইবা পুৱা যেতিয়াই সাৰ পাওঁ তেতিয়াই এৰুৱাই দিয়া নিয়ম কৰিলো। ইয়াত মই সম্পূৰ্ণকৈ সুস্থ হলো। তেতিয়াৰে পৰা মই নিজৰ ওপৰত আৰু অন্যান্য বন্ধুৰ ওপৰত এই পৰীক্ষা কৰিছো, ক'তো এতিয়ালৈকে বেয়া ফল পোৱা নাই। ভাৰতবৰ্ষত সেই সমান বিশ্বাসেৰে সৈতে চিকিৎসা চলাৰ পৰা নাই। কাৰণ এঠাইত বহি ধীৰে সুস্থে এইবোৰ পৰীক্ষা চলাবলৈ মই সময় পোৱা নাই। কিন্তু মাটি আৰু পানী চিকিৎসাত মোৰ বিশ্বাস পূৰ্ব্বৰ দৰেই আছে। আজিও মই মাটি আৰু পানী চিকিৎসা কিছু পৰিমাণে নিজৰ ওপৰত কৰো আৰু অন্যান্য সহকৰ্ম্মীক পৰীক্ষা কৰিবলৈকো পৰামৰ্শ দিওঁ।

যদিও জীৱনত মই দুবাৰ বৰ টান নৰিয়াত পৰিছিলো, তথাপিও মোৰ বিশ্বাস যে শৰীৰত ঔষধ প্ৰয়োগ কৰাৰ প্ৰয়োজন মানুহৰ বৰ কম। এহেজাৰৰ ভিতৰত ৯৯৯ জনক নিয়মিত আহাৰ, পানী

আৰু মাটিৰে চিকিৎসা কৰি আৰু অন্যান্য ঘৰুৱা দৰব দি আৰোগ্য কৰিব পাৰি। অলপ কথাতেই বেজ কবিৰাজ নাইবা ডাক্তৰৰ ওচৰলৈ যি লৰমাৰি বহুতো ৰকমৰ ধাতবীয় আৰু বনৌষধি নিজৰ শৰীৰত সুমুৱায় তেওঁ নিজৰ আয়ুক্ষয় কৰে মাথোন , শৰীৰৰ প্ৰভু হোৱাতকৈ তেওঁ দাস হৈ নিজৰ আত্মসংযম হেৰুৱাই মানুহ গুচি পশু হয় মাথোন।

এইবিলাক মন্তব্য বেমাৰী অৱস্থাত লিখা বুলি কোনোৱে যেন তুচ্ছ তাচ্ছিল্য নকৰে। মোৰ বেমাৰৰ কাৰণ কি মই জানো। ইয়াৰ বাবে ময়েই যে সম্পূৰ্ণ দায়ী তাকো মই জানো আৰু সেই জ্ঞান থকা বাবেই মোৰ ধৈৰ্য্যচ্যুতি হোৱা নাই। বাস্তৱতে এইবোৰ শিক্ষা হবলৈ দিয়াত ঈশ্বৰক ধন্যবাদ দিছো। আৰু বহুতো ঔষধ খোৱাৰ প্ৰলোভনৰ পৰা নিজক ৰক্ষা কৰিছো। মোৰ আঁকোৰগজানি স্বভাৱৰ বাবে ডাক্তৰ সকলে কিমান আমনি পায় তাক মই জানো কিন্তু তথাপিও তেওঁলোকে মৰমেৰে সৈতে মোৰ সকলো কথা সহ্য কৰি মোক দলিয়াই নেপেলায়।

যি হওক আন প্ৰসঙ্গ আলোচনা এৰো। এই সম্পৰ্কে আৰু কোৱাৰ পূৰ্ব্বতে পাঠকসকলক সতৰ্ক কৰি দিও। যি সকলে জাষ্টৰ কিতাপখন কিনে, মোৰ এইবোৰ কথাতেই নিৰ্ভৰ কৰি, তেওঁৰ সকলো কথা বেদবাক্য বুলি গ্ৰহণ নকৰে যেন। লিখকে প্ৰায় সদায় এটা কথাৰ এটা ফালহে দেখুৱায় প্ৰত্যেক কথাকেই বহুতো কালৰ পৰা চাব পাৰি, সুকীয়াকৈ ললে সকলোৱেই শুদ্ধ, কিন্তু সময় আৰু অৱস্থা ভেদত তাৰো তাৰতম্য ঘটে। বহুতো কিতাপ লিখা হয় পাঠকক বুজাবলৈ আৰু ধন আৰু যশ আৰ্জ্জিবলৈ। যি সকলে এইবোৰ কিতাপ পঢ়ে, তেওঁলোকে যেন বিবেচনা কৰি অভিজ্ঞ লোকৰ পৰামৰ্শ লৈ এইবোৰ পৰীক্ষা আৰম্ভ কৰে, নাইবা পৰীক্ষা কৰাৰ পূৰ্ব্বতে ধৈৰ্য্য ধৰি কিতাপখন পঢ়ি তাৰ সাৰতত্ব উপলব্ধি কৰে যেন।

অষ্টম অধ্যায়

সতৰ্কবাণী

এই অধ্যাযতো মই মুলকথাৰপৰা আঁতৰিবলগীযা হল, মাটিৰ চিকিৎসাৰ পৰীক্ষাৰ লগে লগে আহাৰৰ পৰীক্ষাও মই চলাই আছিলো আৰু এই প্ৰসঙ্গতে ইযাক উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহব। হওতে অন্য ঠাইত এই সম্পৰ্কে বহলাই কব লগীযা হব।

আহাৰ সম্পৰ্কে বিস্তাৰিত বিৱৰণ এই খিনিত আৰম্ভ নকৰো। Indian Opinion বোলা কাকত এখনত গুজৰাটি প্ৰৱন্ধ মই কেইবা বছৰ ধাৰাবাহিকৰূপে লিখি আছিলো আৰু সেইবোৰ প্ৰৱন্ধই স্বাস্থ্য-বিধি বুলি এখন কিতাপৰ আকাৰত প্ৰকাশ কৰা হৈছে। মোৰ সকলো কিতাপৰ ভিতৰত প্ৰাচ্য আৰু প্ৰতীচ্য দেশত এইখন কিতাপৰ বহুল প্ৰচাৰ হৈছে—ইয়াৰ কাৰণ কি মই বুজি পোৱা নাই। Indian Opinion বোলা কাকত খনৰ গ্ৰাহকসকলৰ উপকাৰৰ বাবে পোনতে এইবোৰ প্ৰৱন্ধ লিখা হৈছিল। কিন্তু মই জানো যে এই কিতাপখনে প্ৰাচ্য আৰু প্ৰতীচ্য দেশৰ বহুতৰে জীৱনত যিসকলে Indian Opinion বোলা কাকতখন কেতিয়াও দেখা নাই, তেওলোকৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিছিল। কাৰণ তেওঁলোকে এই সম্পৰ্কে মোলৈ চিঠি লিখি থাকে। সেইবাবে এই কিতাপখনৰ সম্পৰ্কে লিখাৰ প্ৰয়োজন হৈছে। যদিও কিতাপ খনত প্ৰকাশিত-মত সলাবলৈ মোৰ একো কাৰণ হোৱা নাই, তথাপিও কাৰ্য্যক্ষেত্ৰত কিছুমানৰ আমূল পৰিবৰ্ত্তন কৰিব লগীয়া হৈছে। কিতাপখনৰ

পাঠকসকলে এই বোৰৰ একোকেই ভু নাপায় দেখি তেওঁলোকৰ জ্ঞাতাৰ্থে লিখিবলগীয়া হৈছে।

মোৰ অন্যান্য সকলো কিতাপৰদৰে এইখন কিতাপো আধ্যাত্মিক উদ্দেশ্য লৈ লিখা হৈছিল। মোৰ সকলো কামত আধ্যাত্মিক শক্তিয়েই মোক উদগনি দি আহিছে আৰু সেইবাবে আজি কিতাপ খনত উল্লেখ কৰা কিছুমান মত মই নিজে পালন কৰিবলৈ অসমৰ্থ হোৱাটো মোৰ পক্ষে কম বেজাৰৰ কথা নহয়।

এইটো মোৰ দৃঢবিশ্বাস যে মানুহে শিশু অৱস্থাত মাকৰ গাখীৰৰ বাহিৰে অন্য গাখীৰ নাখালেও হয়। ৰদৰ তাপত পকা ফল আৰু বাদামেই মানুহৰ আহাৰ হোৱা উচিত। শিৰ আৰু স্নায়ুবিলাকৰ পুষ্টি সাধনৰ বাবে আঙুৰ আদি ফল আৰু বাদাম-পেস্তাত যথেষ্ট পুষ্টিকৰ বস্তু পাব। যি সকলে এনেবিধৰ আহাৰত জীযাই থাকে তেওঁলোকৰ বাবে সঙ্গমৰ ভাব আদি নীচ প্ৰবৃত্তিবোৰ দমন কৰা উজু কথা। মই আৰু মোৰ সহকৰ্ম্মীসকলে অভিজ্ঞতাৰপৰা বুজি পাইছে মানুহে খোৱা মতেই আচৰণ কৰে বুলি ভাৰতীয় যি প্ৰবাদ-বাক্য প্ৰচলিত আছে, সেই কথাষাৰ প্ৰকৃততে স'চা। এই কিতাপখনত এইবোৰ মতামত বহলাই আলোচনা কৰা হৈছে।

কিন্তু দুখৰ বিষয় কাৰ্য্যক্ষেত্ৰত ভাৰতবৰ্ষত কিছুমান মত মই এৰিবলগীয়া হৈছে। খেদা বোলা ঠাই এখননত 'ৰিক্ৰুইট' বিচাৰি ফুৰোতে আহাৰৰ দোষত নৰীযাত পৰিব লগীয়া হৈছিলো আৰু ফলত মই মৰণাপন্ন হৈছিলোঁ। গাখীৰ নোহোৱাকৈ ভগ্ন স্বাস্থ্য পুনৰুদ্ধাৰ কৰিবলৈ মই ব্যৰ্থ চেষ্টা কৰিছিলোঁ। ডাক্তৰ, বেজ, কবিৰাজ আদি সকলোৰে সহায় ললো। সকলোকে গাখীৰৰ পৰিবৰ্ত্তে অন্য কিবা এটা বস্তু দিবলৈ মই খাটিলোঁ। কিছুমানে মগুমাহ তিওৱা পানী, কিছুমানে 'মৌহৰা' তেল, কিছুমানে বাদামৰ ছুৰবত খাবলৈ পৰামৰ্শ দিলে। এইবোৰ পৰীক্ষা

কৰি ভাগৰিলো ; কিন্তু একোতেই ভগ্ন স্বাস্থ্য উদ্ধাৰ কৰিব নোৱাৰিলোঁ। বেজসকলে 'চৰক'ৰ পৰা শ্লোক পঢ়ি শুনুৱাই বুজাবলৈ ধৰিলে যে আহাৰ সম্পৰ্কে ধৰ্ম্মগত সংস্কাৰ, ঔষধ-শাস্ত্ৰত নাখাটে। সেইবাবে গাখীৰৰ পৰিৱৰ্ত্তে অইন বস্তু দি তেওঁলোকে মোক সহায় কৰিব নোৱাৰিলে। যি সকলে একো দ্বিধা নোহোৱাকৈ গৰু মঙহৰ চুৰুহা (Beef Tea) আৰু ব্ৰাণ্ডী খাবলৈ দি থাকে, তেওঁলোকে গাখীৰ নোহোৱাকৈ স্বাস্থ্য ৰক্ষা কৰিবলৈ পৰামৰ্শ দিয়ে কেনেকৈ ? গৰু বা ম'হৰ গাখীৰত প্ৰতিজ্ঞাবদ্ধ দেখি নাখাবওঁ পাৰোঁ। অৱশ্যে প্ৰতিজ্ঞাত সকলোবিধৰ গাখীৰ এৰা হৈছিল, কিন্তু প্ৰতিজ্ঞা কৰোতে গৰু আৰু ম'হৰ কথাই মোৰ মনত উদয় হৈছিল আৰু মই জীয়াই থাকিবতো লাগিব। সেইবাবে প্ৰতিজ্ঞাৰ কথা কেইটা ধৰি ছাগলী গাখীৰ খোৱা স্থিৰ কৰিলোঁ। ছাগলীৰ গাখীৰ খাবলৈ ধৰাত মোৰ প্ৰতিজ্ঞাৰ ভাব যে নষ্ট হৈছে, তাক মই বেছকৈ বুজিছিলো।।

কিন্তু ৰোলাট আইনৰ বিৰুদ্ধে আন্দোলন চলোৱাৰ ভাবে মোক অধিকাৰ কৰিছিল তাৰু এই বাবেই জীয়াই থাকিবলৈ ইচ্ছাও হল। ফলত জীৱনৰ এটা ডাঙৰ পৰীক্ষাৰ অন্ত পৰিল। যি খোৱা যায় বা পান কৰা যায় তাৰ লগত আত্মাৰ একো সম্পৰ্ক নাই, কাৰণ আত্মাইতো নাখায় ; বাহিৰৰ পৰা ভিতৰলৈ যি সুমুৱা হয় তাত একো নাই। বাহিৰত যি প্ৰকাশ কৰা হয় সেয়েই হৈছে আচল, এইদৰে কিছুমানক কোৱা শুনা যায়। অৱশ্যে এইটো কথাত যে যুক্তি আছে তাত কোনো সন্দেহ নাই। কিন্তু এই যুক্তিৰ বিচাৰ নকৰি মোৰ দৃঢ়বিশ্বাস, যি ঈশ্বৰলৈ ভয় কৰি সত্যৰ অন্বেষণকো কৰে, ঈশ্বৰৰ দৰ্শনাকাঙ্ক্ষা ৰাখে, তেওঁৰ পক্ষে মন আৰু বাক্যৰ সংযমৰ বাবে আহাৰৰ বিচাৰ কৰা প্ৰয়োজন, এয়ে মোৰ দৃঢ়বিশ্বাস।

যিবোৰ বিষয়ত মই নিজৰ মতবাদ মতে কাম কৰিব পৰা নাই, সেইবোৰ বিষয়ত কেবল জনোৱাই নহয়, গ্ৰহণ কৰাৰ পূৰ্ব্বতে সকলোকে সতৰ্ক কৰি দিয়া উচিত। মোৰ মতে যি সকলে গাখীৰ এৰি দিছিল, ইয়াৰপৰা বিশেষ কিবা উপকাৰ নোপোৱালৈকে নাইবা ডাক্তৰে পৰামৰ্শ নিদিয়ালৈকে তেওঁলোকক এই পৰীক্ষাত লাগি নাথাকিবলৈ খাটিছো। কিন্তু এতিয়া লৈকে অভিজ্ঞতাৰ পৰা বুজি পাইছো যে যিসকল দুৰ্ব্বল আৰু বেমাৰত শয্যাগত, তেওঁলোকৰ বাবে গাখীৰৰ সমান অন্য পুষ্টিকৰ আহাৰ নাই। যি সকলৰ এই সম্পৰ্কে কিবা অভিজ্ঞতা আছে তেওঁলোকে গাখীৰৰ সলনি কিবা পুষ্টিকৰ বস্তু পালে মোৰ লিখা কথাষাৰ পঢ়ি মোক জনালে মই বিশেষ বাধিত হম।

নবম অধ্যায়

মোৰ সংগ্ৰাম

এতিয়া এছিয়াটিক ডিপাটমেন্টৰ কথালৈ পুনৰ ওলোটা যাওক।

এছিয়াটিক অফিচাৰসকলৰ প্ৰধান দুৰ্গ আছিল জোহানছবাৰ্গ। ভাৰতীয়, চীনা আৰু অন্যান্য এছিয়াবাসী সকলক ৰক্ষা কৰা দূৰে থাওক, এইসকল কৰ্ম্মচাৰীয়ে তেওঁলোকক পিহি আছিল। "যি বিলাকৰ সোমাবলৈ অধিকাৰ আছে, সেইবিলাকক সোমাবলৈ দিয়া নহয়, অথচ যি সকলৰ একো অধিকাৰ নাই, সেই সকলে ১০০ পাউণ্ড ভেঁটি খুৱালেই গোপনে সোমাবলৈ দিয়া হয়।" এনেদৰে অভিযোগ প্ৰতিদিনেই মই শুনি আছিলো। "যদি এই অৱস্থাৰ প্ৰতিকাৰ আপুনি নকৰে, তেন্তে কোনে

কৰিব?” এইবুলিও তেওঁলোকে মোক কৈ আছিল। তেওঁলোকৰ এই মনোভাৱৰ লগত মোৰ সহানুভূতি নোহোৱা নহয়। এই কলঙ্ক গুচাব নোৱাৰিলে ট্ৰান্সভালত মোৰ থকা বৃথা। এই বুলি মোৰ মনত ভাব হল। সেই বাবে প্ৰমাণ সংগ্ৰহ কৰাত লাগিলো। আৰু অলপ প্ৰমাণ গোটোৱাৰ পাছত, পুলিছ কমিশ্যনাৰৰ ওচৰ চাপিলো। তেওঁ ন্যায়পৰায়ণ আছিল বুলি মোৰ মনত হল। মোৰ কথালৈ আওকাণ নকৰি, মোৰ সকলো কথা মন দি শুনিলে আৰু মোৰ হাতত থকা সকলো প্ৰমান দেখুৱাবলৈ কলে। তেওঁ নিজে সকলো সাক্ষীক সুধি-পুছি চোৱাত তেওঁৰ বিশ্বাস জন্মিল, কিন্তু ক'লাৰ বিৰুদ্ধে বগাই অপৰাধ কৰিলে তেওঁক শাস্তি দিবলৈ বগা জুৰী পোৱা টান বুলি তেওঁ বুজিছিল। তেওঁ কলে 'তথাপি এবাৰ চেষ্টা কৰি চোৱা যাওক। এনেবিধৰ অপৰাধীক জুৰীয়ে এৰি দিব বুলি ভাবি শাস্তি বিহিবলৈ দিহা নকৰাটো উচিত নহব। তেওঁলোকক মই গ্ৰেপ্তাৰ কৰাম। আৰু আপোনাক আশ্বাস দিওঁ যে সকলো চেষ্টা মই কৰিম।'

'মোক এই আশ্বাস নিদিলেও হলহেঁতেন। 'মই বহুতো কৰ্ম্মচাৰীকেই সন্দেহ কৰিছিলো, কিন্তু মোৰ হাতত তেওঁলোকৰ বিৰুদ্ধে অকাট্য প্ৰমাণ আছিল। যি দুজনৰ অপৰাধৰ বিষয়ে মোৰ অলপো সন্দেহ নাছিল, তেওঁলোকৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰী হল।

মোৰ সকলো কথা গোপনে ৰখা সম্ভৱ নাছিল। মই যে প্ৰায় প্ৰতিদিনেই পুলিছ কমিশ্যনাৰৰ ওচৰলৈ যাবলৈ ধৰিছো এই কথাষাৰ বহুতে গম পালে। যি দুজন অফিছাৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা ওলাইছিল, তেওঁলোকৰ বহুতো নিপুন চোৰাংচোৱা আছিল। তেওঁলোকে মোৰ অফিছৰ সমুখেদি কেইবাবাৰো অহা-যোৱা কৰি মোৰ যোৱা-অহাত চকুদি তেওঁলোকক জনাই আছিল। এইসকল কৰ্ম্মচাৰী ইমান অসৎ

প্ৰকৃতিৰ আছিল যে তেওঁলোকেও সৰহ চোৰাংচোৱা পোৱা নাছিল বুলি মই কওঁ। চীনা আৰু ভাৰতীয় সকলে মোক সহায় নকৰা হলে তেওঁলোকক গ্ৰেপ্তাৰ কৰিব পৰা নহলহেঁতেন।

ইযাৰ ভিতৰত এজন পলাল। পুলিছকমিশ্যনাৰে তেওঁৰ বিৰুদ্ধে নিৰ্ব্বাসনৰ হুকুম কৰালে আৰু গ্ৰেপ্তাৰ কৰাই ট্ৰান্সভাললৈ অনালে। তেওঁলোকৰ বিৰুদ্ধে অকাট্য প্ৰমাণ থকা স্বত্বেও আৰু পলাই যোৱা বুলি জুৰীযে প্ৰমাণ পাযো নিৰ্দ্দোষী বুলি ঘোষণা কৰি এৰি দিলে।

ইয়াত মই বৰ নিৰাশ হলো। পুলিচ কমিশ্যনাৰ গৰাকীৰো বৰ বেজাৰ হল। আইনজীবিৰ ব্যৱসাযত মোন ঘৃণা হল। চোকা বুদ্ধি এতিযা মোৰ বাবে ঘৃণাৰ বস্তু হল, বেশ্যাই নিজৰ শৰীৰ বেচাৰ দৰে পাপক প্ৰশ্ৰয দিবলৈ উকীলে নিজৰ চোকা বুদ্ধিৰ ব্যৱহাৰ কৰে বুলি মোৰ বিশ্বাস হল।

যিযেই হওক, এই দুজন কৰ্ম্মচাৰীৰৰ অপৰাধ ইমান জলজল-পটপট আছিল যে মুক্তি পোৱা স্বত্বেও গৰ্ভৰ্নমেণ্টে সিহঁতক আশ্ৰয নিদিলে। দুয়োজনকে কামনপৰা বিদায দিযা হল আৰু সেইবাবে এছিয়াটিক ডিপাৰ্টমেন্ট কিছু পৰিমাণে ছাফ হল আৰু ভাৰতীয় সকলোৱে উশাহ লৈ কিছু পৰিমাণে ৰক্ষা পালে।

এই ঘটনাত মোৰ সন্মান বাঢ়িল, আৰু মোৰ ব্যৱসাযৰো উন্নতি ঘটিল। টকা ভেঁটি খুৱাওঁতে আমাৰ ভাৰতীয় সম্প্ৰদাযৰ সৰহভাগে প্ৰতিমাহে শ শ পাউণ্ড অপব্যয কৰাৰপৰা এতিযা ৰক্ষা পৰিল, অৱশ্যে সকলো ৰক্ষা নপৰিল। সকলোকে ৰক্ষা কৰা সম্ভৱ নাছিল, কাৰণ অসৎপ্ৰকৃতিৰ লোকসকলে এতিযাও ব্যৱসায চলাবলৈ ধৰিলে। কিন্তু এতিয়া সজ মানুহে নিজৰ সজ স্বভাব ৰক্ষা কৰি চলাটো সম্ভৱ হল।

যদিও এই সকল কৰ্ম্মচাৰী বৰ বেয়া আছিল, তথাপিও তেওঁলোকৰ

বিৰুদ্ধে মোৰ ব্যক্তিগতভাৱে একো নাছিল। এই কথাষাৰ তেওঁলোকেও জানিছিল আৰু বিপদত পৰিলে মোৰ ওচৰ চাপিছিল, আৰু ময়ো তেওঁলোকক সহায় কৰিছিলোঁ। মই আপত্তি নকৰিলে জোহানছবাৰ্গ মিউনিছিপেলিটিত তেওঁলোক সোমোৱা সম্ভৱ হয়। সিহঁতৰ এজন বন্ধুৱে ইয়াৰ বাবে মোৰ লগত দেখা কৰিলত সিহঁতক উলিযাবলৈ যত্ন নকৰো বুলি মই সম্মত হলো আৰু সিহঁতে তাত কাম পালে।

মোৰ ভাব দেখি যিসকল কৰ্ম্মচাৰীৰ লগত মোৰ সম্পৰ্ক ঘটিছিল, তেওঁলোকে নিৰাপদ বুলি মনত ভাবিছিল। আৰু যদিও মই তেওঁলোকৰ লগত যুজিব লগীয়া হৈছিল এাৰু বহু তীব্ৰ ভাষাও ব্যৱহাৰ কৰিবলগীয়া হৈছে, তথাপিও তেওঁলোকে মোৰ লগত বন্ধুতা কৰিছিল। তেতিয়ালৈকে মই জনা নাছিলো যে এনেদৰে আচৰণ কৰা মোৰ স্বভাৱ। পাছত মই জানিলো যে এনে আচৰণ সত্যাগ্ৰহৰ প্ৰধান অঙ্গ আৰু অহিংসাৰ এটা ৰূপ মাথোন।

মানুহ আৰু তেওৰ কৰ্ম্ম দুযোটা স্বকীয়া বস্তু। সিহঁতৰ এটা সজ কামে মানুহৰ শলাগ পায়, আৰু এটা বেয়া কামে মানুহৰ গৰিহনা পায়, সেইদৰে ভাল নাইবা বেয়া কাম কৰোতাজনো সম্মান নাইবা পুতৌৰ যোগ্য, 'পাপক ঘিন কৰিবা, কিন্তু পাপীক নহয়' এই উপদেশ বাক্য বুজাটো যদিও সহজ, কামত কৰা সচৰাচৰ দেখা নাযায আৰু ইযেই ঘৃণা বিদ্বেষৰ বিহ চাৰিওফালে ছটিযায।

অহিংসা হৈছে সত্য অনুসন্ধানৰ ভেটি। অহিংসা ভেটি নহলে সত্য অন্বেষণ বৃথা, এই কথাষাৰ প্ৰতি দিনে মই উপলব্ধি কৰিছো। এটা প্ৰণালীৰ বিৰুদ্ধে থিয় দিয়া আৰু প্ৰতিবোধ ন্যাযসঙ্গত, কিন্তু সেই প্ৰণালীৰ প্ৰতিষ্ঠাতা জনৰ বিৰুদ্ধে থিয দিযা নিজৰ বিৰুদ্ধে থিয় দিয়াৰ দৰেই। কাৰণ আমি এক ঈশ্বৰৰই সন্তান, আৰু সেইবাবে আমাৰ

ভিতৰত থকা ঐশ্বৰিক শক্তি অনন্ত। এজন মানুহক ঘৃণা কৰিলে ঐশ্বৰিক শক্তিকেই লঘু কৰা হয় মাথোন, আৰু এইদৰেই কেৱল মাত্ৰ তেওঁক অপকাৰ কৰা নহয়, গোটেই জগতকে অপকাৰ কৰা হয়।

দশম অধ্যায়

পৱিত্ৰ স্মৃতি

মোৰ জীৱনৰ কত বিধৰ ঘটনাৱলীয়ে মোক কত মানুহৰ লগত, কত সম্প্ৰদায়ৰ লগত ঘনিষ্ঠ সম্পৰ্কত আনিছে আৰু সকলোৰে লগত মই কিদৰে আচৰণ কৰিছিলোঁ সকলো ভাবি চালে মই কব পাৰো যে নিজৰ আৰু লোকৰ মানুহৰ লগত ধৰ্ম্ম আৰু সম্প্ৰদায়ৰ ভেদ জ্ঞান কৰা নাছিলো। হিন্দুৱেই হওক বা মুছলমানেই হওক, পাৰ্চীয়েই হওক, খ্ৰীষ্টিয়ানেই হওক, ইহুদিয়েই হওক বা যেযেই হওক, মই কেতিয়াও কাকো ভেদ জ্ঞান কৰা নাছিলো। মই কব পাৰো যে এইদৰে ভেদ কৰিবলৈ মোৰ মন সমৰ্থ নাছিল। ই মোৰ বিশেষ গুণ বুলি মই দাবি নকৰো, কাৰণ এইদৰে ব্যৱহাৰ কৰিবলৈ মই একো চেষ্টা কৰিবলগীয়া হোৱা নাছিল, ই মোৰ প্ৰকৃতিগত, কিন্তু অহিংসা, অপৰিগ্ৰহ, ব্ৰহ্মচৰ্য্য আদি গুণৰ বাবে মই সদায় অবিৰতভাৱে সাধনা কৰিবলগীয়া হৈছে বুলি মই জানো।

মই ডাৰবানত ওকালতি কৰোতে, মোৰ অফিছৰ কেৰাণী সকল মোৰ লগতেই আছিল, আৰু তেওঁলোকৰ মাজত হিন্দুও আছিল, খ্ৰীষ্টিয়ানো আছিল, নাইবা প্ৰদেশ হিছাবে কবলৈ হলে গুজৰাটিও আছিল তামিলীও আছিল। মোৰ নিজৰ আত্মীয় কুটুম্বৰ দৰে তেওঁলোকৰ

লগত ব্যৱহাৰ নকৰি অন্য বিধৰ ব্যৱহাৰ কৰা মোৰ মনত নপৰে। তেওঁলোকক নিজৰ পৰিয়ালৰ মানুহৰ দৰেই মই জ্ঞান কৰিছিলো 'আৰু মোৰ ভাৰ্য্যাই তেওঁলোকৰ লগত অন্যদৰে ব্যৱহাৰ কৰিলে তেওঁৰ লগত মোৰ মনোবাদ নোহোৱা নহয়। তেওঁলোকৰ ভিতৰত এজন কেৰেণী খ্ৰীষ্টিয়ান---পাঞ্চামা লৰা আছিল (দাক্ষিণাত্যত পাঞ্চামা অস্পৃশ্য জাতি)।

মই থকা ঘৰটো য়ুৰোপীয় ঠাছত কৰা হৈছিল, আৰু সেইবাবে বেয়া-পানী ওলোৱা বাট একো নাছিল। প্ৰতি কোঠালীত শৌচ প্ৰস্ৰাৱৰ বাবে পাত্ৰ (Chamber Pot) দিয়া হৈছিল। চাকৰ নাইবা মেতৰৰ দ্বাৰা এইবিলাক 'পট' ছাফ কৰোৱা এৰি দি মই আৰু মোৰ ভাৰ্য্যাই এই বিলাক নিজে ছাফ কৰিছিলো। যিসকল কেৰেণী মোৰ লগত ঘৰুৱা হৈ পৰিছিল, তেওঁলোকে স্বভাৱতে সেইবোৰ নিজে চাফ কৰিছিল। কিন্তু এই খ্ৰীষ্টিয়ান কেৰেণীজন নতুনকৈ অহাত তেওঁক পৰিচৰ্য্যা কৰা আমাৰ কৰ্ত্তব্য আছিল। শ্ৰীমতী গান্ধীয়ে অন্য সকলোৰে 'পট' ছাফ কৰিছিল, কিন্তু পাঞ্চামাই শৌচ কৰা 'পট' ছাফ কৰা তেওঁৰ পক্ষে অসাধ্য হল। সেইবাবে আমাৰ মনোবাদ হল। নিজেও কৰিব নোৱাৰে আৰু মই ছাফ কৰাও তেওঁ সহিব নোৱাৰে। খঙত চকু ৰঙা কৰি মোৰ লগত তেওঁ কাজিয়া কৰা মোৰ আজিও মনত পৰে। সেই খটখটিয়েদি চকুত মুকুতাৰ টোপোলাৰে সৈতে হাতত 'পট' লৈ নামি যোৱা এতিয়াও মোৰ মনত পৰে; কিন্তু নিৰ্দ্দয় হলেও মই মৰমিয়াল স্বামী আছিলো, মই তেওঁৰ শিক্ষক বুলি নিজক ভাবিছিলো আৰু সেইবাবে মৰমৰ অত্যাচাৰো কৰিছিলো।

কেৱল 'পট' হাতত লৈ যোৱাতেই মই সন্তুষ্ট হোৱা নাছিলো, মই বং মনৰে কৰাহে বিচাৰিছিলো। সেইবাবে অলপ ডাবি দি কলো "মোৰ ঘৰত মই এনে ব্যৱহাৰ সহিব নোৱাৰো।"

এই কথাষাৰে তেওঁক শেলে বিন্ধাদি বিন্ধিলে। তেওঁ চিঞৰি কলে "আপোনাৰ ঘৰ আপুনিযেই চলাওক, মোক যাবলৈ দিয়ক।" কথা-ষাৰত মই ধৈৰ্য্যচ্যুত হলো। মোৰ দয়া মৰম নোহোৱা হল। হাতত ধৰি অসহায তিৰোতাজনীক চোঁচোৰাই নি গৈটৰ' কাষ পোৱাই দুৱাৰ মেলি বাহিৰলৈ উলিযাই দিবলৈ যত্ন কৰিছিলো। তেও হুক হুক কৰে কান্দিবলৈ ধৰিলে, 'আপোনাৰ অলপো লাজ নেলাগেনে? নিজক এইদৰে আপুনি পাহৰি যায নে? মই কলৈ যাম? মোৰ ইযাত কোনো নাই। মোক আশ্ৰয দিব কোনে? আপোনাৰ ঘৈনী হৈছোঁ দেখি আপোনাৰ চৰ-গোৰ সহি থাকিব লাগিব বুলি আপুনি ভাবেনে? আপোনাক দহো-কুৰি মাতিছো, দুৱাৰ বন্ধ কৰি দিযক, অইনে যেন আমাৰ এইবোৰ কাণ্ড নেদেখে।"

যদিও মই লাজ পোবাৰ ভাব দেখুৱা নাছিলো, তথাপিও অন্তৰত বৰ লাজ পালো, আৰু দুবাৰ জপাই গুচি আহিলো। মোৰ ঘৈনীয়ে মোক এৰি যাব নোবাৰে, মযো তেওঁক এৰিব নোৱাৰো। আমাৰ মাজত দুয়োৰো এইদৰে বহুতো ঘটনা হৈছিল, কিন্তু সদায শান্তি স্থাপন হৈছিল। অতুলনীয সহিষ্ণুতাৰ বাবে তেওঁ সদায জযী হৈছিল।

আজি মই মনত অলপো অন্য ভাব নোহোৱাকৈ এই ঘটনাৰ বিবৰণ দিব পাৰিছো, কাৰণ যি সময়ত এনে ঘটনা ঘটিছিল, মই এতিয়া সেই সময়ৰ মানসিক ভাৱৰ পৰা মুক্ত হৈছো। অন্ধ, মোহান্ধ নাইবা কামান্ধ স্বামী এতিয়া নহওঁ, এতিয়া আৰু তেওৰ শিক্ষকো নহও, এতিয়া তেওঁ ইচ্ছা কৰিলে মোৰ ওপৰত আগৰ দৰে বিৰক্তি দেখুৱাব পাৰে। এতিয়া আমি দুযো বহুত দিনীযা বন্ধু। এতিয়া পৰস্পৰে পৰস্পৰক ইন্দ্ৰিয় ভোগৰ বস্তু বুলি নাভাবো। মোৰ বেমাৰৰ সময়ত পুৰস্কাৰৰ একো আশা নকৰি তেওঁ মোৰ বৰ বিশ্বাসী পৰিচৰ্য্যাকাৰী আছিল।

এই ঘটনা হৈছিল, ১৮৯৮ সনত ; যেতিয়া ব্ৰহ্মচৰ্য্য সম্পৰ্কে মোৰ একো ধাৰণা হোৱা নাছিল। এই সময়ত মোৰ ভাব আছিল যে তিৰুতা গিৰিয়েকৰ ভোগৰ বস্তু, গিৰিয়েকৰ আদেশ পালন কৰিবলৈকে তেওঁৰ জন্ম। গিৰীয়েকৰ সহায়-সঙ্গী, সুখ-দুঃখৰ অংশীদাৰ বুলি মোৰ মনত ভাব হোৱা নাছিল।

১৯০০ সনত এইবোৰ ভাবৰ আমূল পৰিবৰ্ত্তন হল, আৰু ১৯০৬ সনত এই বিলাক ভাবে গঢ় লবলৈ ধৰিলে। কিন্তু এই বিলাকৰ সম্পৰ্কে অন্য ঠাইত পাচত ক'ম। ইযাত এই খিনি কলেও হব, সে কাম-লিপ্সাৰ ভাব লাহে লাহে গুচি যোৱাৰ লগে লগে, মোৰ গাৰ্হস্থ্য জীৱন শান্তিময় আৰু মধুৰ হবলৈ ধৰিলে।

এই ঘটনাৰ পৰা কোনেও যেন ধৰি নলয যে আমিযেই আদৰ্শ দম্পতি আছিলো, নাইবা আমাৰ দুযোৰে আদৰ্শৰ সম্পূৰ্ণ মিলন হৈছিল। শ্ৰীমতী গান্ধীয়ে মোক এৰি থৈ স্বকীয়া আদৰ্শত চলা বোধকৰো নামানে, আনফালে মোৰ বহুতো কামত এতিযাও তেওঁ সমৰ্থন নকৰা সম্ভব। আমি এই বোৰ কথা কেতিযাও আলোচনা নকৰো, এইবিলাকৰ পৰা একো ফল নহয়। কাৰণ তেওঁক মাক-বাপেকেও শিক্ষা দিযা নাছিল, ময়ো দিয়া নাছিলো। কিন্তু তেওঁৰ এটা মহৎ গুণ আছে— যিটো গুণ হিন্দু তিৰুতা সৰহ ভাগৰেই আছে। আৰু সেইটো হৈছে ইচ্ছা বশতঃ হওক, নাইবা অনিচ্ছাতেই হওক, জ্ঞানতঃ হওক নাইবা অজ্ঞানবশতঃ হওক, মোৰ খোজত খোজ লোৱা তেওঁ কৰ্ত্তব্য বুলি মানি লৈছে, আৰু সেইবাবে মোৰ সংযমৰ জীৱনত কেতিয়াও বিধি' পথালি দিয়া নাই। যদিও আমাৰ মাজত জ্ঞান হিচাপে বহুতো পাৰ্থক্য আছে, তথাপিও মোৰ মনত ভাব হৈছে যে আমাৰ জীৱন সুখৰ, সন্তোষৰ।

একাদশ অধ্যায়

য়ুৰোপীয়ৰ লগত ঘনিষ্ঠ সম্পৰ্ক।

এই অধ্যাযটো লিখোতে মই এনে এটা অবস্থা পাইছোহি যে যাৰ বাবে মই সপ্তাহে সপ্তাহে নিজৰ এই আত্ম-কথা কেনেকৈ লিখি গৈছো, তাক পাঠক সকলক কোৱা প্ৰয়োজন হৈছে।

মই যেতিযা এই খন লিখিবলৈ ধৰো, তেতিযা এটা নিৰ্দ্দিষ্ট কৰ্ম্ম-পন্থা স্থিৰ কৰি কামত লগা নাছিলো। মোৰ একো ডায়েৰী নাইবা দলিল পত্ৰ নাই, যাৰ ওপৰত নিৰ্ভৰ কৰি মোৰ অভিজ্ঞতাৰ ফল বৰ্ণনা কৰো। লিখিবৰ সময়ত ভগৱন্তই যিদৰে চলায, সেইমতে মই লিখো। জ্ঞাতসাৰে সকলো চিন্তা আৰু কাম ভগৱন্তৰ দ্বাৰা নিয়ন্ত্ৰিত হয বুলি মই সঠিককৈ কব নোৱাৰো, কিন্তু জীৱনত বহুতো গুৰুতৰ আৰু বহুতো সৰুসুৰা কাম কৰিছো——আৰু এই বিলাকৰ আঁহ ফালি চাই---সকলোতেই ভগৱন্তৰ দ্বাৰা পৰিচালিত হৈছিলো বুলি কোৱাটো ভুল নহব।

মই ভগৱন্তক দেখা নাই, নাইবা তেওঁক উপলব্ধি কৰিবও পৰা নাই। বিশ্বজগতে তেওঁৰ ওপৰত যি বিশ্বাস স্থাপন কৰি আহিছে, মযো সেই বিশ্বাস নিজৰ কৰি লৈছে। আৰু সেই বিশ্বাস যেতিয়া ওচাব মোৱাৰোঁ, সেই বিশ্বাসকে নিজৰ অভিজ্ঞতা বুলি ভাৱোঁ। কোনোৱে কব পাৰে যে সেই বিশ্বাসক অভিজ্ঞতা বোলাতো সত্যৰ অপলাপ কৰা হয, সেই বাবে কওঁ ভগবন্তত মোৰ যি বিশ্বাস আছে, তাক বৰ্ণনা কৰিবলৈ মই ভাষা বিচাৰি নাপাওঁ ইযাকেই কোৱা সঁচা হব।

ভগৱন্তই পৰিচলনা কৰা মতে মই এই-আত্মকাহিনী কিয় লিখি আছো, তাক এতিয়া বুজা সহজ হব। আগৰ অধ্যায়টো লিখোতে মই

এইবাৰৰ শিৰোনামা দিছিলো ; কিন্তু লিখিবলৈ লওঁতে য়ুৰোপীয় সকলৰ লগত মোৰ সম্পৰ্কৰ বিবৰণ দিয়াৰ পূৰ্ব্বতে এটা ভূমিকা দিয়া কৰ্ত্তব্য বুলি বুজি শিৰোনামা সলালো। এতিয়া এই অধ্যায় লিখোতে মোৰ সম্মুখত আৰু এটা নতুন সমস্যা উপস্থিত হৈছে। য়ুৰোপীয় বন্ধু সম্পৰ্কে কোনটো কথা উল্লেখ কৰিব লাগিব, আৰু কোনটো এৰিব লাগিব, এয়ে হৈছে গুৰুতৰ সমস্যা। প্ৰাসঙ্গিক কোনো কথা বাদ দিলে অস্পষ্ট হব। আৰু কোনটোনো প্ৰাসঙ্গিক, তাকো পোনে পোনে বিচাৰ কৰা টান। কাৰণ আত্ম-কাহিনী লিখাও যে এটা অবাস্তৱ নহয় তাকো নিশ্চয়কৈ মই কব নোৱাৰো।

বহুত দিনৰ পূৰ্ব্বতে পঢ়িছিলো যে বুৰঞ্জীৰ লগত আত্মকাহিনীয়ে ঠাই পাব নোৱাৰে। আজি সেই কথাষাৰ স্পষ্টকৈ বুজি পাইছো। কত কথা মোৰ মনত পৰিছে, সকলো কথা লিপিবদ্ধ মই কৰিব পৰা নাই ; কিন্তু সত্যৰ বাবে কিমান খিনি কথা এৰিব লাগিব, কিমান খিনি লিখিব, লাগিব, তাক কোনে ক'ব পাৰে। মোৰ জীৱনৰ ঘটনা সম্পৰ্কে মই যি এক-তৰফা প্ৰমাণ দিলো, সেই বোৰৰ আদালতত কিমান মূল্য হব? যিবোৰ অধ্যায় ইতিমধ্যে লিখা হল, সেই সম্পৰ্কে কোনো উৎসাহী লোকে মোক জেৰা কৰিলে, এই বিলাক কথাৰ ওপৰত আৰু নতুন পোহৰ পেলাব পাৰি আৰু মোৰ প্ৰতি বিৰুদ্ধভাবাপন্ন কোনো লোক হলে জেৰা কৰি মোৰ মতৰ অসাৰত্ব প্ৰমাণ কৰি গৰ্ব্ব অনুভৱ কৰিব পাৰিব।

সেইবাবে এইবিলাক অধ্যায় লিখাৰপৰা বিৰত হোৱা উচিত নে- বুলি মই ভাবোঁ। কিন্তু যেতিয়ালৈকে ভিতৰৰ পৰা মোৰ বিবেকে মোক হাক নিদিয়ে, তেতিয়ালৈকে লিখি থাকিম। কোনো কাম আৰম্ভ কৰি যেতিয়ালৈকে নীতি হিছাপে সেই কামটো বেয়া বুলি প্ৰমাণিত নহয়,

তেতিয়ালৈকে কামটো এৰি দিয়া উচিত নহয় বুলি জ্ঞান-গৰ্ভ কথাষাৰ মই পালন কৰিম।

সমালোচক সকলক সন্তুষ্ট কৰিবলৈ মই এই আত্ম-কাহিনী লিখা নাই। এইটো লিখাৰ উদ্দেশ্য হৈছে সত্যৰ পৰীক্ষা। মোৰ সহকৰ্ম্মী সকলক সান্ত্বনা-প্ৰেৰণা দিয়াও ইযাৰ অন্যতম উদ্দেশ্য। আৰু প্ৰকৃততে তেওঁলোকৰ ইচ্ছা-মতেই মই লিখিবলৈ গাত লৈছিলোঁ। জয়ৰাম দাস আৰু স্বামী আনন্দই বৰকৈ নধৰা হলে কিজানি নিলিখিলোহেঁতেন। সেইবাবে এইখন লিখাত অন্যায হলে তেওঁলোকো কিছু পৰিমাণে দায়ী হব।

যি হুক এতিয়া শিৰোনামাত দিয়া বিষযটো লোৱা য'ক। যিদৰে কিছুমান ভাৰতীয মোৰ পৰিযালত আছিল, সেইদৰে ডাৰবানত ইংৰাজ বন্ধুও মোৰ লগত আছিল মোব লগত থকা সকলোৱেই মোৰ লগত থাকিবলৈ যে ভাল পাইছিল সি নহয। মই তেওলোকক কৈ মেলি ৰাখিছিলোঁ। আৰু সকলো ক্ষেত্ৰত মই যে জ্ঞানীৰ দৰে কাম কৰিছিলোঁ, সিও নহয। কিছুমানত মোৰ অভিজ্ঞতা বৰ কষ্টদাযক হৈছিল—এই-বিলাকত ইংৰাজ আৰু ভাৰতীয দুযো দাযী আছিল। কিন্তু তথাপিও মই ইয়াৰ বাবে অনুশোচনা নকৰো। মোৰ বন্ধুসকলৈ অসুবিধা আৰু মনোকষ্টৰ কাৰণ হোৱা সত্বেও মই আচৰণ সলোৱা নাই, আৰু বন্ধুসকলেও মোৰ অত্যাচাৰ সহি আহিছে। যেতিয়াই আচহুৱা মানুহৰ লগত মোৰ সহকৰ্ম্মী বন্ধুসকলৰ মনকষ্টৰ কাৰণ হৈছে, তেতিয়া তেওঁলোককেই দোষ দিবলৈ মই দ্বিধা বোধ কৰা নাই ; মই ভাবো যে যি ঈশ্বৰ-বিশ্বাসী, যি নিজৰ মাজত ভগৱন্তৰ অস্তিত্ব উপলব্ধি কৰিব পাৰে, আৰু অন্যৰ মাজত ভগৱন্তৰ অস্তিত্ব মানে মানসিক শান্তিৰে সৈতে সকলো শ্ৰেণীৰ লোকৰ লগত বসবাস কৰা তেওঁৰ কাৰণে অসাধ্য

নহয় আৰু এইদৰে বসবাস কৰিবলৈ সমৰ্থ তেতিয়া হয়, যেতিয়া এনে-বিধৰ সাহচৰ্য্যৰ অযাচিত সুযোগ প্ৰত্যাখ্যান নকৰি নিজে কোনো ভাবৰ দ্বাৰা বিচলিত নহৈ, সেৱাৰ ভাব মনত লৈ সকলো সুযোগক বৰণ কৰি লব পাৰে।

বুয়ৰ যুদ্ধ আৰম্ভ হওঁতে মোৰ ঘৰ ভৰি থাকিলেও জোহান্‌ছবাৰ্গৰ পৰা অহা দুজন ইংৰাজক মোৰ ঘৰত ৰাখিছিলোঁ। দুয়োজনেই থিয়ছফিষ্ট আছিল, এজন আছিল মিঃ কিচিন, এওঁৰ কথা পাছত জানিবলৈ আমাৰ সুযোগ হব। এইসকল বন্ধুৰ বাবে মোৰ ঘৈনীয়ে কন্দা-কটা আৰম্ভ কৰিলে। দুৰ্ভাগ্যবশতঃ মোৰ বাবে তেও এইদৰে বহুবাৰ কান্দিব লগীয়া হৈছে, পৰিযালৰ ভিতৰত একেলগে ইংৰাজ বন্ধু থকা এযেই প্ৰথম। ইংলণ্ডত ইংৰাজ পৰিযালৰ মাজত মই আছোঁ; কিন্তু, তেওঁলোকৰ নিয়মমতে তাত আছিলোঁ, আৰু এইবোৰ এবিধৰ বোৰ্ডিং-হাউছ আছিল। কিন্তু ইয়াত তাৰ ওলোটা। ইংৰাজ বন্ধুসকল পৰিযালৰ ভিতৰ হল। তেওঁলোকে বহুতো কথাত ভাৰতীয় ৰীতি-নীতি গ্ৰহণ কৰিলে। যদিও পাশ্চাত্য কাযদামতে মোৰ ঘৰত মানুহ ৰখা হৈছিল, তথাপিও ভিতৰুৱা জীৱনত ভাৰতীয় ভাৱেই আছিল। তেওঁলোকক পৰিয়ালৰ ভিতৰত ৰখাৰ বাবে অলপ অসুবিধা হোৱা মোৰ মনত পৰে। কিন্তু এইটো মই ডাঠি কব পাৰো যে মোৰ ঘৰত সম্পূৰ্ণৰূপে ঘৰুৱা মানুহৰ দৰে বাস কৰাত তেওঁলোকৰ একো অসুবিধা হোৱা নাছিল। জোহান্‌ছবাগত ডাৱবান-তকৈও এনেবিধৰ সাহচৰ্য্য ঘনিষ্ঠতৰ হৈছিল।

দ্বাদশ অধ্যায়

য়ুৰোপীয়ৰ লগত ঘনিষ্ঠ সম্পৰ্ক।

জোহান্সবাৰ্গত থাকোতে এসময়ত মোৰ লগত চাৰিজন দেশীয় কেৰেণী আছিল, তেওঁলোক কেৰেণীত কৈ মোৰ লৰাহঁতৰ দৰেহে যে নাছিল তাক কোৱা টান। এই চাৰিজনো মোৰ কামৰ কাৰণে যথেষ্ট নাছিল। 'টাইপ' নকৰালে কাম চলোৱা অসম্ভৱ। 'টাইপ' কৰোৱা কামটো আমাৰ ভিতৰত মযেহে অলপ জানিছিলো। মই এওঁলোকৰ দুজনক শিকালো, কিন্তু তেওঁলোকে ইংৰাজী ভালকৈ নজনা বাবে ভালকৈ কাম কৰিব পৰা নাছিল। ইয়াৰ পাছত এওঁলোকৰ এজনক একাউন্টেণ্টৰ কাম শিকাবলৈ ইচ্ছা কৰিছিলো। নেটালৰ পৰা এজনকো মই আনিব পৰা নাছিলো, কাৰণ ট্ৰান্সভাললৈ 'পাৰ্মিট' নোহোৱাকৈ যাব নোৱাৰে। আৰু মোৰ নিজৰ সুবিধাৰ কাৰণে 'পাৰ্মিট অফিছাৰ'ৰপৰা এইফেৰা অনুগ্ৰহ বিচাৰিবলৈ ইচ্ছা কৰা নাছিলো। মই বিমোৰত পৰিলো, বাকী পৰিথকা কাম এইদৰে বাঢিবলৈ ধৰিলে যে মই যিমানেই চেষ্টা কৰো, ৰাজহুৱা কাম আৰু মোৰ ব্যৱসায়ৰ কাম একেলগে চলোৱা অসম্ভৱ হৈ পৰিল। এজন য়ুৰোপীয় কেৰেণী ৰাখিবলৈকো মোৰ ইচ্ছা আছিল, কিন্তু মোৰ দৰে এজন ক'লা মানুহৰ কাম বগা মানুহে কৰিব বুলি ভবা নাছিলো। যি হক, মই চেষ্টা কৰা স্থিৰ কৰিলো। মই জনা এজন টাইপৰাইপটাৰৰ এজেন্টৰ ওচৰ চাপি মোৰ বাবে এজন 'ষ্টেনোগ্ৰাফাৰ' বিচাৰিবলৈ কলো। তিৰোতা টাইপিষ্ট পোৱা যায় আৰু মোৰ বাবে তেওঁ এগৰাকী বিচাৰিবলৈ গাত

ললে। কুমাৰী ডিক নামৰে এগৰাকী স্কচ দেশীয় ছোৱালী নতনকৈ দেশৰ পৰা আহিছে মাথোন। য'তে হয় ত'তে সজ উপায়েৰে জীৱিকা উপাৰ্জন কৰাত তেওঁৰ আপত্তি নাছিল আৰু তেওঁ অলপ অভাৱতো পৰিছিল। সেইবাবে এজেন্টজনে তেওঁক মোৰ ওচৰলৈ পঠালে। মই তেওঁক দেখি ততালিকে মুগ্ধ হলো।

"এজন ভাৰতীযৰ তলত কাম কৰিবলৈ আপোনাৰ আপত্তি নহবনে?" বুলি মই সুধিলো। 'অলপো নহয' বুলি তেওঁ দৃঢ়স্বৰে উত্তৰ দিলে। 'দৰ্মহা কিমান আশা কৰে?'

"১৭ পাউণ্ড ১০ শ্বিলিং (প্ৰায ২৫০ টকা) সৰহ হবনে?" "সৰহ নহয়, যদি সেই জোখাই আপোনাৰ পৰা কাম পাওঁ। কেতিযাৰ পৰা কৰিব?"

"এই মুহূৰ্ত্ততে, যদি আপুনি ইচ্ছা কৰে।" মই বৰ সন্তুষ্ট হলো আৰু ততালিকে চিঠি টাইপ কৰিবলৈ দিলো। অলপ দিনৰ পিছত তেওঁ টাইপিষ্টতকৈও নিজৰ ছোৱালী, নাইবা ভনীৰ দৰে হল। তেওঁৰ কামত দোষ বৰকৈ পোৱা নাছিলো। তেওঁক মাজে সময়ে হাজাৰ হাজাৰ পাউণ্ডৰ ফাণ্ড পৰিচালনা কৰিবলৈ দিয়া হৈছিল আৰু তেওঁ হিছাপ পত্ৰবো চাৰ্জত আছিল। তেওঁ মোৰ সম্পূৰ্ণ বিশ্বাসভাজন হৈছিল। তেওঁ নিজৰ ভাব-চিন্তা সকলো মোক বিশ্বাস কৰি জনাইছিল। আনকি, স্বামী বিচাৰি লওঁতেও, মোৰ পৰামৰ্শ লৈছিল। আৰু তেওঁৰ বিয়া পাতি দিয়াৰো মোৰ সুবিধা হৈছিল। কুমাৰী ডিক মিছেছ্ ম্যেকডোনাল্ড হৈ মোক এৰি যাব লগীযা হল, তথাপিও বিযাৰ পাছতো মোৰ কাম সৰহ হলে তেওঁক মাতিলে নহাকৈ নাছিল। যি হ'ক তেওঁৰ ঠাইত এজন স্থায়ী টাইপিষ্ট লগা হল। আৰু সৌভাগ্যক্ৰমে আন এজনী ছোৱালী পালো। তেওঁৰ নাম আছিল কুমাৰীস্ক শ্লেছিন, মোৰ লগত চিনাকি

কৰি দিছিল মিঃ কেলেনবাকে। এখেতৰ কথা সময়মতে কোৱা হব। এই গৰাকী তিৰোতা বৰ্ত্তমানে ট্ৰান্সভালৰ এখন ছোৱালী স্কুলত প্ৰধান শিক্ষয়িত্ৰী। মোৰ ওচৰলৈ অহাৰ সময়ত বয়স ১৭ মান হৈছিল। মাজে সময়ে তেওঁৰ কিছুমান মুদ্ৰাদোষ মোৰ আৰু মিঃ কেলেনবাকৰ বাবে অসহ্য হৈছিল। তেওঁ টাইপিষ্টৰ কাম কৰাতকৈ অভিজ্ঞতা লাভ কৰিবলৈকে আহিছিল। বৰ্ণবিদ্বেষ ভাব তেওঁৰ পক্ষে সম্পূৰ্ণ অগোচৰ আছিল। তেওঁ বয়স নাইবা অভিজ্ঞতাৰ সম্মান কৰে বুলি ধৰিব নোৱাৰি। মানুহক অপমান কৰিবলৈ তেওঁ অলপো দ্বিধাবোধ নকৰে আৰু কোনো মানুহৰ সম্বন্ধে তেওঁৰ ধাৰণা কি, সকলো তেওঁৰ সম্মুখতে কয়। তেওঁৰ এইবিলাক দোষৰ বাবে মাজে সময়ে মই বিপদতো পৰিবলগীয়া হৈছিল। কিন্তু তেওঁৰ খোলা আৰু অকপট মনে এনেবোৰ বিপদৰ সৃষ্টি হোৱাৰ পাছতে গুচাইছিল। তেওঁ টাইপ কৰি দিয়া চিঠি পত্ৰবোৰ মই নুশুধৰোৱাকৈ চহী কৰিছিলো, কাৰণ তেওঁ মোতকৈ ইংৰাজী ভাল লিখে বুলি মই ভাবিছিলো। আৰু তেওঁৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছিল।

মোৰ লগত কাম কৰি তেওঁ ত্যাগ কৰিবলগীয়া হৈছিল। বহুত দিনলৈকে তেওঁ ৬ পাউণ্ডতকৈ সৰহ লোৱা নাছিল, আৰু ১০ পাউণ্ডতকৈ সৰহ লবলৈ সদায় আপত্তি কৰিছিল। সৰহ লবলৈ মই কলে মোক তিৰস্কাৰ কৰি কয়—"মই আপোনাৰ ওচৰত দৰ্ম্মহা লবলৈ অহা নাই। আপোনাৰ কাম কৰিবলৈ ভাল পাওঁ আৰু আপোনাৰ আদৰ্শও ভাল পাও, গতিকে আপোনাৰ লগত আছোঁহি। "এসময়ত মোৰ পৰা ৪০ পাউণ্ড তেওঁ লবলগীয়া হৈছিল, কিন্তু তেওঁ ঋণ হিচাপেহে লবলৈ জোৰ কৰিছিল আৰু যোৱা বছৰ শোধ কৰিলে। তেওঁৰ সাহ তেওঁৰ ত্যাগৰ জোখাই আছিল। ফটফটিয়া পানীৰ দৰে নিৰ্ম্মল চৰিত্ৰ আৰু বীৰ যুজাৰুকো জঁয় পেলাব পৰা সাহ থকা যি কেইগৰাকী তিৰোতাক জীৱনত লগ

পোৱা মোৰ সৌভাগ্য ঘটিছিল, সেইসকলৰ ভিতৰত এৰেঁ। এগৰাকী আছিল। এতিয়া তেওঁ বয়সিয়াল তিৰোতা, মোৰ লগত থকা সময়ৰ দৰে এতিয়াও সেই আগৰ মানসিক অৱস্থা আছে নে নাই মই নাজানো, কিন্তু এই গৰাকী তিৰোতাৰ লগত মোৰ সম্পৰ্কৰ কথা মোৰ মনত সদায় পবিত্ৰ স্মৃতিৰ দৰে থাকিব। সেইবাবে তেওঁৰ সম্পৰ্কে মই যি জানো নোকো-ৱাকৈ থাকিলে সত্যৰ অপলাপ কৰা হব। মোৰ কামত পৰিশ্ৰম কৰোতে তেওঁৰ ওচৰত দিন ৰাতি একোৰেই বিচাৰ নাছিল। ৰাতি কোনোবা ফালে কামত যাবলগীয়া হলে অকলসৰে এন্ধাৰত ওলাই যাব আৰু লগত্ কাৰোবাক পঠোৱাৰ কথা কলে তিৰস্কাৰ কৰিব। বহুতো বয়সিয়াল মানুহ তেওঁৰ ওচৰলৈ উপদেশ লবলৈ গৈছিল। সত্যাগ্ৰহ আন্দোলনৰ সময়ত যেতিয়া সকলো নেতা জেলত আছিল, তেতিয়া তেৱেঁই অকলশৰে আন্দোলন চলাইছিল। হাজাৰ হাজাৰ মানুহ পৰিচালনা কৰা, চিঠিৰ দোমৰ উত্তৰ দিয়া, Indian opinion বোলা কাকত পৰিচালনা কৰা, সকলো কাম তেও চলাব লগীয়া হৈছিল, কিন্তু কেতিয়াও তেওঁ ভাগৰি পৰা নাছিল। কুমাৰী শ্লেছিনৰ কথা জাপে জাপে মই লিখি যাব পাৰো, কিন্তু গোখেলে এওঁৰ সম্পৰ্কে কি ধাৰণা লৈছিল, তাকে লিখি এই অধ্যায়টো শেষ কৰো। গোখেল মোৰ সকলো সহকৰ্ম্মীক চিনি পাইছিল। সকলোৰে ওপৰত তেওঁ সন্তুষ্ট আছিল, আৰু মাজে সময়ে এওঁলোকৰ সম্পৰ্কে তেওঁৰ ধাৰণা জনাইছিল। কুমাৰী শ্লেছিনক মোৰ য়ুৰোপীয় আৰু ভাৰতীয় সহকৰ্ম্মী সকলোৰে ভিতৰত প্ৰথম ঠাই দিছিল। "কুমাৰী শ্লেছিনৰ দৰে ত্যাগ, পৱিত্ৰতা, আৰু নিৰ্ভীকতা মই দেখা নাই তোমাৰ সকলো সহকৰ্ম্মীৰ ভিতৰত এৱেঁই প্ৰথম ঠাই পায়।" এইদৰে গোখেলে মোক কৈছিল।

ত্ৰয়োদশ অধ্যায়

বাতৰি কাকতৰ সম্পাদক

যুৰোপীয় সকলৰ লগত ঘনিষ্ট সম্পৰ্কৰ বিবৰণ দিয়াৰ পুৰ্ব্বতে আৰু দুই তিনিটা কথা উল্লেখ কৰা উচিত। মিছ্ ডিকক নিযুক্ত কৰি মোৰ উদ্দেশ্য সিদ্ধি হোৱা নাছিল। মোৰ আৰু সহায লগা হৈছিল। মই পুৰ্ব্বতে মিঃ ৰিচৰ নাম উল্লেখ কৰিছোঁ। মই তেওঁক ভালকৈ চিনি পাইছিলো। তেওঁ এখন সদাগৰী দোকানৰ মেনেজাৰ আছিল। দোকানৰ কাম এৰি মোৰ তলত তৰণী সোমাবলৈ মই তেওঁক কোৱাত তেওঁ মান্তি হল আৰু তেওঁ মোৰ নগলৈ অহাত মোৰ বোজা কিছু পাতলিল।

এই সময়ত মিঃ মদনজিত মোৰ ওচৰ চাপেহি। Indian opinion বোলা কাকত খন উলিযাবলৈ প্ৰস্তাব কৰি মোৰ পৰামৰ্শ লবলৈ। তেওঁ এটা 'প্ৰেছ' ইতিপুৰ্ব্বেই চলাই আছিল। আৰ সেই বাবে মই তেওঁৰ প্ৰস্তাবৰ সমৰ্থন কৰিলো। এই কাকত খন ১৯০৪ সনত উলিৱা হল। শ্ৰীযুত মনছুখলাল নজৰেই প্ৰথম সম্পাদক হল। কিন্তু মোৰ গাতেই সকলো কামৰ বোজা পৰিল। এইখন কাকতৰ কামত সৰহ সময় মই দিবলগীয়া হৈছিল। শ্ৰীযুত মনছুখ লাল যে কাম কৰিব নোৱাৰা আছিল, সেইটো নহয়, ভাৰতবৰ্ষত থাকোতে বাতৰি কাকতৰ কাম তেখেতে বহুতো কৰিছিল, কিন্তু মই যিমানদিন দক্ষিণ আফ্ৰিকাত থাকো, সিমান দিন তেওঁ দক্ষিণ আফ্ৰিকাৰ সমস্যা সম্পৰ্কে লিখিবলৈ সাহ নকৰে। মোৰ মীমাংসাত তেখেতৰ যথেষ্ট বিশ্বাস আছিল, সেইবাবে সম্পাদকীয় স্তম্ভৰ দায়িত্ব মোৰ গাতেই জাপ দিলে। এতিয়ালৈকে এইখন কাকত

সাপ্তাহিক হিছাপেই চলি আছে। আৰম্ভতে গুজৰাটি, হিন্দি, তামিল, ইংৰাজী সকলো ভাষাতে কাকতখন ওলাইছিল। মই দেখিলো তামিল আৰু হিন্দী অংশ দেখাত হে আছিল, কাৰ্য্যতঃ সেইবিলাক একো নাছিল। আনকি, এই দুটা অংশ চলাই প্ৰতাৰণা কৰা হৈছে বুলিও মোৰ বোধ হৈছিল আৰু সেইবাবে বন্ধ কৰিহে মই শান্তি পালো।

এইখন কাকতত টকা খটাব লাগিব বুলি মোৰ ভাৱ নাছিল, কিন্তু অলপ দিনতে দেখিলো যে টকাৰ সহায় নহলে কাকত নচলে। ভাৰতীয় আৰু যুৰোপীয় সকলোৱে জানিছিল যে নামত নহলেও কামত ময়েই সম্পাদকা। এইখন কাকত নচলালেও একো ক্ষতি নহল হেতেন, কিন্তু এবাৰ আৰম্ভ কৰি বন্ধ কৰা হলে অপমান আৰু ক্ষতিও হলহেতেন। সেইবাবে মই টকা দিবলৈ ধৰিলো, আৰু অৱশেষত মোৰ সকলো টকা এই কামত লগাবলৈ ধৰিলো। মোৰ মনত পৰে এসময়ত মই ৭৫ পাউণ্ড মাহেকত দিব-লগীয়া হৈছিল।

কিন্তু এতিয়া মোৰ বোধ হৈছে যে কাকত খনে ভাৰতীয় সম্প্ৰদায়ৰ ভালকৈ সেৱা কৰিছে। বেপাৰ চলাবলৈ ইয়াৰ উদ্দেশ্য নাছিল। যেতিয়ালৈকে মোৰ তত্বাবধানত আছিল, তেতিয়ালৈকে এইখন কাকত 'ইয়ং ইণ্ডিয়া' আৰু 'নৱ জীৱনৰ' দৰে মোৰ জীৱনৰ এছোৱাৰ দাপোন হৈছিল। সপ্তাহে সপ্তাহে মই নিজৰ চিন্তা ইয়াৰ স্তম্ভইদি প্ৰকাশ কৰি আছিলো আৰু সেই সময়ত সত্যগ্ৰহ সম্পৰ্কে মই যি বুজিছিলোঁ, তাৰেই ব্যাখ্যা কৰিছিলো। ১০ বছৰলৈকে অৰ্থাৎ ১৯১৪ সনলৈকে মই জেলত পৰা সময়ৰ বাহিৰে 'ইণ্ডিয়ান অপিনিয়ন'ৰ এক সংখ্যা কাকততো মোৰ প্ৰবন্ধ নোহোৱাকৈ প্ৰকাশিত হোৱা নাছিল। একো চিন্তা নকৰাকৈ, কিবা এটা লিখিছিলো বুলি মোৰ মনত নপৰে। সঁচাকৈয়ে এই কাকতত আত্ম-সংযমৰ বাবে মোৰ শিক্ষা হৈছিল আৰু বন্ধু বান্ধৱ সকলৰ কাৰণে মোৰ

চিন্তাৰ লগত সম্পৰ্ক ৰখাৰ উপায় হৈছিল মাথোন। সমালোচকে তাত আপত্তি কৰিবলৈ বৰ একো নাপাইছিল। প্ৰকৃততে 'ইণ্ডিয়ান অপিনিয়ন' কাকতৰ সুৰে সমালোচক সকলক নিজৰ কাপ সংযত কৰিবলৈ বাধ্য কৰিছিল। কাকতখন নহলে সত্যাগ্ৰহ অসম্ভব হলহেতেন। পাঠকসকলে সত্যাগ্ৰহ আন্দোলন সম্পৰ্কে বিশ্বাসযোগ্য বাতৰি পাবলৈ আৰু ভাৰতীয় লোকসকলৰ প্ৰকৃত অৱস্থা জানিবলৈ বাট চাই আছিল। মোৰ কাৰণে মানৱ প্ৰকৃতিৰ সকলো স্বৰূপ বুজিবলৈ ই এটা উপায় হল মাথোন। পাঠক আৰু সম্পাদকৰ মাজত ঘনিষ্ঠ সম্পৰ্ক ৰাখিবলৈ মই ইচ্ছা কৰিছিলো দেখি পত্ৰ লিখক সকলে হিয়া মুকলি কৰি মোলৈ চিঠি লিখিছিল। তাৰ ভিতৰত কিছুমান বন্ধুতা-সুচক, কিছুমান সমালোচনা-মুলক, কিছুমান তীব্ৰ অৰ্থাৎ লিখকৰ মনৰ গঢ গতিৰ এই বিলাকত আভাষ পোৱা হৈছিল। এইবিলাক চিঠি পঢ়ি, তাৰ উত্তৰ দিয়াটো মোৰ পক্ষে, এটা ডাঙৰ শিক্ষা হৈছিল। ভাৰতীয় লোকসকলে যেন মই [illegible] চিন্তা কৰিছে বুলি এইবিলাক চিঠিৰ দ্বাৰা মোৰ বোধ হৈছিল। বাতৰি কাকতৰ পৰিচালক হোৱাৰ দায়িত্ব বুজিবলৈ ইয়াতেই মই শিক্ষা পাইছিলো, আৰু ইয়াৰ দ্বাৰা ভাৰতীয় লোকসকলৰ ওপৰত মোৰ যি প্ৰভাৱ হল, সেয়েই ভবিষ্যতলৈ আন্দোলন কাৰ্য্যকৰী কৰিছিল আৰু সেই আন্দোলন অদমনীয় আৰু ওখ খাপৰ হোৱাটো সম্ভব হৈছিল।

'ইণ্ডিযান অপিনিযান' কাকতৰ প্ৰথম মাহতেই মোৰ বোধ হল যে বাতৰি কাকতৰ উদ্দেশ্য হৈছে সেৱা। বাতৰি কাকত বৰ ডাঙৰ এটা শক্তি আৰু যিদৰে বানপানীয়ে দেশ বুৰাই শস্যৰ অনিষ্ট কৰে, সেই-দৰে অসংযতভাৱে কাপ পৰিচালনা কৰাৰ পৰা অনিষ্ট হে হয় মাথোন। বাহিৰৰ পৰা কাকত পৰিচালনা কৰাতকৈ ভিতৰত সোমাই লৈ পৰিচালনা কৰিলে উপকাৰ হব পাৰে। এই যুক্তি সচাঁ হলে কেইখন কাকত এই

পৰীক্ষাত ৰব ? কিন্তু যিবোৰ অদৰকাৰী তাক বন্ধ কৰিব কোনে ? এইটো বিচাৰ কৰিব কোনে ? দৰকাৰী আৰু অদৰকাৰী বেয়া ভালৰ দৰে একে লগেই থাকে আৰু প্ৰত্যেকেই নিজে বাছি লব লাগে।

চতুৰ্দ্দশ অধ্যায়

ভাৰতীয়ৰ নিৰ্দ্দিষ্ট বাসস্থান

কিছুমান শ্ৰেণীৰ মানুহে সমাজৰ বহুত কাম কৰে কিন্তু হিন্দু সকলে তেওঁলোকক অস্পৃশ্য বুলি চহৰ আৰু গাৱঁৰ বাহিৰত বাস কৰিবলৈ দিয়ে। আৰু এনেবিধৰ ঠাইক গুজৰাটি ভাষাত ডেডৱাধো' বুলি কোৱা হয়। আৰু এই নামৰ লগত এটা ঘিণৰ ভাব সংশ্লিষ্ট আছে। খ্ৰীষ্টান য়ুৰোপতো ইহুদীসকল 'অস্পৃশ্য' বুলি এসময়ত ঘিণ কৰিছিল আৰু যি ঠাইত তেওঁলোকক থাকিবলৈ দিয়া হৈছিল, সেইখনঠাইক 'ঘেটো' বুলি কোৱা হৈছিল। সেইদৰে আমিও আজি দক্ষিণ আফ্ৰিকাত অস্পৃশ্য হৈছো। এণ্ড্ৰুজৰ ত্যাগ আৰু শাস্ত্ৰীৰ ভেলেকীয়ে দক্ষিণ আফ্ৰিকাত আমাক অধিকাৰ দিয়াত কিমান সমৰ্থ হয় তাক এতিয়াও কব নোৱাৰি।

পুৰণী ইহুদী সকলে নিজক ভগৱন্তৰ 'বছালোক' বুলি ভাবিছিল— সেইবাবে তেওঁলোকে অন্যক ঘিণ কৰি আঁতৰত থৈছিল, তাৰ ফল হল তেওঁলোকৰ সতি-সন্ততি সকলেই এতিয়া তাৰ প্ৰায়শ্চিত্ত ভুগিব লগীয়া হৈছে। এইদৰে হিন্দুসকলেও নিজক আৰ্য্য সভ্য বুলি ভাবিছিল আৰু তেওঁলোকৰ লগৰ আন কিছুমানক অনাৰ্য্য নাইবা অস্পৃশ্য বুলি ঘিণাইছিল। তাৰ প্ৰায়শ্চিত্ত আজি দক্ষিণ আফ্ৰিকাত ভুগিছে, আৰু মুছলমান আৰু পাৰ্চী সকলেও একে দেশৰ মানুহ দেখি একে ব্যৱহাৰ পাব লগীয়া হৈছে।

কোনো এডোখৰ ঠাই এটা সম্প্ৰদায়ৰ বাবে নিৰ্দ্দিষ্ট কৰি দিয়াৰ অৰ্থ কি এতিয়া পাঠক সকলে বুজি পাব। দক্ষিণ আফ্ৰিকাত আমাক কুলী বুলি ঘিণোৱা হয। ভাৰতবৰ্ষত কুলী শব্দৰ অৰ্থ হৈছে—যি ভাৰ বয়, কিন্তু দক্ষিণ আফ্ৰিকাত ভাৰতবাসী মাত্ৰেই কুলি, আৰু তেওঁলোকক নিৰ্দ্দিষ্ট ঠাইতহে থাকিবলৈ দিযা হয। এই বিলাক ঠাইক কুলীৰ ঠাই বুলি কোৱা হৈছিল। জোহান্‌ছবাৰ্গতো এইদৰে এডোখৰ ঠাই আছিল। কিন্তু এইদৰে নিৰ্দ্দিষ্ট ঠাই থকা আৰু ভাৰতীয প্ৰজাৰ মাটিত স্বত্বথকা অন্যান্য ঠাইৰ দৰে জোহানছবাৰ্গত এইডোখৰ ঠাই নাছিল। জোহান্‌ছবাগত এই খণ্ডত থকা লোক সকলে ৯৯ বছৰলৈ মাটিৰ পট্টা পাইছিল। এই খণ্ডত ভাৰতীয লোক ঠাহ খাই আছিল। কিন্তু মানুহৰ সংখ্যা বঢ়াৰ লগে লগে ঠাই বঢ়া নাছিল আৰু এই খণ্ডত কোনোমতে পাইখানা চাফ্ কৰোৱাৰ বাহিৰে মিউনিচিপেলিটিযে ভাল আলি নাইবা ৰাটত পোহৰ আৰু স্বাস্থ্যৰক্ষাৰ বাবে অন্য একোৱেই বন্দবস্ত কৰা নাছিল। এই ঠাইৰ স্বাস্থ্যলৈ, চকুদিযা তেওলোকৰ পৰা আশা কৰা সম্ভৱ নাছিল। সেই ঠাইত থকা ভাৰতীয সকলেও মিউনিচিপেলিটিৰ সহায,নাইবা তত্বাবধান নহলে স্বাস্থ্য-নীতিসম্পৰ্কে সম্পূৰ্ণ অজ্ঞ আছিল। সকলোৱেই ৰবিনসন ক্ৰুছোৱ দৰে তালৈ যোৱা হলে কথা সুকীয়া আছিল। কিন্তু ৰবিন্সন ক্ৰুছোৰ দৰে ঔপনিবেশিক জগতত পোৱা টান। সাধাৰণতে মানুহ ধন ঘটিবলৈ অন্য ঠাইলৈ যায আৰু দক্ষিণ আফ্ৰিকালৈ যোৱা সৰহ ভাগ ভাৰতীয লোকেই নিৰক্ষৰ আৰু দুখীয়া খেতিয়ক আছিল। সেই বাবে যত্ন আৰু আশ্ৰয় তেওঁলোকক লগা হৈছিল। শিক্ষিত আৰু বেপাৰী ভাৰতবাসী তালৈ যোৱা বৰ কমেই আছিল।

মিউনিচিপেলিটিৰ দোষনীয় আওহেলা আৰু ভাৰতীয় ঔপনিবেশিক সকলৰ অজ্ঞতা, এই দুয়ো লগলাগি তেওঁলোকৰ থকা ঠাই ডোখৰ বৰ

অস্বাস্থ্যকৰ হৈছিল। নিজে স্বাস্থ্য সম্পৰ্কে কৰ্ত্তব্য কৰা দূৰত থাওক, মিউনিচিপেলিটিয়ে নিজৰ আওহেলাত হোৱা অস্বাস্থ্যকৰ অবস্থাৰ সুবিধা লৈ তেওঁলোকক মাটিৰ পৰা বঞ্চিত কৰিবলৈ ব্যবস্থাপক সভাৰ পৰা ক্ষমতা লৈছিল। মই জোহান্ছবৰ্গত বহোতে তাৰ অবস্থা এয়েই আছিল।

ঔপনিবেশিক সকলৰ মাটিত স্বত্ব থকা বাবে মাটিৰ পৰা উঠাই দিলে স্বাভাবিকতে ক্ষতিপূৰণ পাবলৈ তেওঁলোক বাধ্য আছিল। মাটিৰ পৰা উঠাই দিয়া সম্পৰ্কে বিচাৰ কৰিবলৈ এটা সুকিয়া আদালত আছিল। মিউনিচিপেলিটিযে দিয়া দামত অমান্তি হলে এই আদালতলৈ আপীল কৰিবলৈ প্ৰজাৰ ক্ষমতা আছিল। আৰু আদালতে মিউনিচিপেলিটিয়ে দিয়া দামতকৈ সৰহ ধৰি দিলে মিউনিচিপেলিটিযে খৰচ ভৰিচলগীয়া হৈছিল। প্ৰায় সকলো প্ৰজাই তেওঁলোকৰ আইন উপদেশক স্বৰূপে মোক নিযুক্ত কৰিছিল। তেওঁলোকৰ এই বিলাক মোকৰ্দ্দমাৰ পৰা টকা কৰিবলৈ মোৰ ইচ্ছা নাছিল, সেই বাবে তেওঁলোকক ক'লো যে মোকৰ্দ্দমাত জিকিলে আদালতে যি খৰচৰ ডিক্ৰি দিয়ে, মই তাতেই সন্তুষ্ট হওঁ, আৰু মোকৰ্দ্দমাৰ ফলাফল নিৰ্বিশেষে পট্টাই প্ৰতি প্ৰায ১০ পাউণ্ড মোৰ ফী লম। মই তেওঁলোকক আৰু কলো যে তেওঁলোকৰ পৰা পোৱা টকাৰ আধা আস্পতাল নাইবা অন্য কোনো সামাজিক প্ৰতিষ্ঠানৰ ঘৰ সজাত ব্যয কৰিম। এই কথাত সকলো সন্তুষ্ট হল।

৭০টা মকৰ্দ্দমাৰ ভিতৰত গাথোন এটাহে হৰা হৈছিল। সেই বাবে ফিজো সৰহকৈ পোৱা হল। কিন্তু 'ইণ্ডিযান অপিনিযন' বোলা কাকত খন আছেই; সেইখনৰ বাবেও মোৰ বহুতো খৰচ লাগিছিল। আৰু মোৰ মনত পৰে প্ৰায ১৬০০ পাউণ্ড এই খন কাকতত মই লগাইছিলো। এই বিলাক মকৰ্দ্দমাত মই যথেষ্ট পৰিশ্ৰম কৰিছিলো। মোক্কেল সকলে মোক বেৰি আছিল। প্ৰায় সকলোৱেই বিহাৰৰ ফালৰ আৰু দক্ষিণ

ভাৰতৰ খালাচ হোৱা চালানি কুলী আছিল। তেওঁলোকৰ সুকীয়া অভিযোগবোৰৰ প্ৰতিকাৰৰ কাৰণে তেওঁলোকে এখন সমিতি পাতিছিল। এইখন সমিতি বেপাৰী আৰু সদাগৰ সকলৰ সমিতিৰ পৰা সুকীয়া আছিল। তেওঁলোকৰ কিছুমান মানুহ মুকলিমনৰ উদাৰ স্বভাবৰ আৰু চৰিত্ৰবান আছিল। তেওঁলোকৰ নেতা আছিল শ্ৰীযুত জয়ৰামসিং সভাপতি আৰু শ্ৰীযুত বদৰী; তেৱেঁা সভাপতিৰ দৰেই আছিল। তেওঁলোকৰ দুজনৰ এজনো এতিয়া নাই। [illegible]ো মোৰ বৰ সহায় আছিল। শ্ৰীযুত বদৰীৰ মোৰ লগত বৰ ঘনিষ্ঠতা হৈছিল। আৰু তেওঁ সত্যাগ্ৰহ আন্দোলনত যোগ দিছিল। এখেত সকল আৰু অন্যান্য বন্ধুৰ জৰিয়তে মই উত্তৰ আৰু দক্ষিণ ভাৰত বহুতো ঔপনিবেশিকৰ সংস্পৰ্শলৈ আহিছিলো আৰু তেওঁলোকৰ আইন উপদেশক হোৱাতকৈ মই তেওঁলোকৰ নিজৰ ককাইৰ দৰেই হৈছিলা। আৰু তেওঁলোকৰ কি ৰাজহুৱা, কি ব্যক্তিগত সকলো দুখকষ্টৰ মই সমভাগী হৈছিলোঁ।

ভাৰতীয় সকলে মোক কি দৰে সম্বোধন কৰিছিল এই কথাষাৰ জানিবলৈ পাঠক সকলৰ কৌতুহল হব পাৰে। ছেঠ আবদুল্লাই মোক 'গান্ধী' বুলি সম্বোধন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু সৌভাগ্যক্ৰমে মোক "চাহাব" বুলিও সম্বোধন কৰা নাছিল, নাইবা 'চাহাব' বুলিও মোক ভবা নাছিল। আবদুল্লা ছেঠে বৰ সুন্দৰ এটি নাম ঠিক কৰিলে আৰু আন সকলোৱে তেওঁক অনুকৰণ কৰি দক্ষিণ আফ্ৰিকা এৰি নহা-নহালৈ মোক এই "ভাই" নামেৰে সম্বোধন কৰিছিল। কিন্তু যেতিয়া চালানি হোৱা কুলী সকলে মোক এই নামেৰে সম্বোধন কৰিছিল তেতিয়াহে এই নামৰ মধুৰতা মই বুজিছিলো।

পঞ্চদশ অধ্যায়

ব্লেক—প্লেগ (১)

মিউনিছিপেলিটিযে মাটি লোৱা মাত্রে ভাৰতীযসকলক উঠাই দিয়া হোৱা নাছিল। তেওঁ লাকব উঠাই দিযাব আগেতে, থাকিবলৈ উপযুক্ত ঠাই বিচাৰি দিযাও নিযম আছিল, কিন্তু মিউনিছিপেলিটিযে সহজে মাটি বিচাৰি দিব নোবাবাত তেওলোকক আগব ঠাইতেই থাকিবলৈ দিয়া হল। এযেই পাৰ্থক্য যে তেওলোকৰ অৱস্থা আগতকৈও বেযা হল। এতিযা মাটিব স্বত্ব হেৰুৱাই তেওঁলোক মিউনিছিপেলিটিৰ প্ৰজা হব লগীযা হল আৰু ইযাব ফল হল যে তেওঁলোকৰ থৰা ঠাই আৰু অস্বাস্থ্যবৰ হল। তেওঁলোক স্বত্বাধিকাৰী থাকোতে আইনৰ ভযতেই হওক, ঘৰ-দুৱাৰ কিছু চাফ্ চিকুণ কৰি থৈছিল। কিন্তু মিউনিছিপেলিটিব তো সেই ভয নাই। প্ৰজাৰ সংখ্যাও বাঢিবলৈ ধৰিলে আৰু লগে লগে চাৰিওফালে বিশৃঙ্খলা আৰু আবৰ্জ্জনা বাঢিল।

এই অৱস্থাত পৰি ভাৰতীযসকলে গুজৰি-গামৰি থাকোতে হঠাতে প্লেগ বেমা'ৰ দেখা দিলে। ইযাক 'ব্লেক প্লেগ' নাইবা বিউমোনিক প্লেগো বোলা হৈছিল। বিউবোনিক প্লেগতকৈও ই সাংঘাতিক আছিল।

সৌভাগ্যক্ৰমে ভাৰতীয়সকলৰ বাবে নিৰ্দ্ধাৰিত ঠাইত নহৈ জোহান-ছবাৰ্গৰ ওচৰত থকা সোণৰ খনি এটাতহে পোনতে এই বেমাৰ আৰম্ভ হল। এইবিলাক খনিত কাম কৰা বনুৱা প্ৰায়েই নিগ্ৰো আছিল। সিহঁতৰ স্বাস্থ্যৰ বাবে দায়ী সিহঁতৰ মালিক। সোণৰ খনিত কিছুমান ভাৰতীয়ও কাম কৰিছিল, তেওঁলোকৰ ২৩ জনৰ এই বেমাৰ হৈ ঘৰলৈ

আহিল। শ্ৰীযুত মদনজিতে তেতিয়া 'ইণ্ডিযান অপিনিয়ান' বোলা কাকতখনৰ গ্ৰাহক সংগ্ৰহ কৰা আৰু বৰঙনি তোলা কাম কৰিছিল আৰু এদিন ঘটনাক্ৰমে তেৱেঁই সেই সময়ত ভাৰতীয়ৰ থকা ঠাইত আহি উপস্থিত হল। তেওঁ অসমসাহসী লোক আছিল। বেমাৰী সকলৰ অৱস্থা দেখি তেওঁৰ হিয়া পমি গল। তেওঁ মোলৈ পেন্সিলেৰে এটুকুৰা কাকতত লিখি পঠালে—"হঠাতে ইয়াত ব্লেক প্লেগ দেখা দিছেহি। আপুনি ততালিকে আহি কিবা এটা কৰকহি, নহলে আমাৰ ভয়ানক বিপদ হব। অনুগ্ৰহ কৰি ততালিকে আহিব।"

শ্ৰীযুত মদনজিতে বৰ সাহেৰে এটা খালি হৈ পৰি থকা ঘৰৰ তলা ভাঙি সকলো বেমাৰীক থলে। ময়ো খবৰ পাই বাইছ্‌কলত ঘটনা স্থললৈ আহিলো আৰু কি অৱস্থাত পৰি আমাৰ খালি ঘৰটো লব লগীয়া হল, সকলো জনাই টাউন ক্লাৰ্কলৈ এখন চিঠি লিখি পঠালো।

তেতিয়া জোহানছ্‌বাৰ্গত ডাক্তৰ ৱিলিযাম গডফ্ৰেই ডাক্তৰী কৰিছিল। তেখেত এই বাতৰি পাযে লৰি আহিল। বেমাৰীবিলাকৰ শুশ্ৰুষাকাৰী আৰু চিকিৎসক তেওঁ দুয়োটা হল। কিন্তু ২৩জন বেমাৰীক এজনে চোৱা-চিতা কৰা টান।

মোৰ এইটো অভিজ্ঞতা হৈছে যে মানুহৰ হিয়া পৱিত্ৰ হলে বিপদৰ সময়ত সহায় স্বৰূপে আৰু কিছুমান মানুহো পোৱা যায। সেই সময়ত মোৰ অফিছত ৪ জন ভাৰতীয় কেৰেণী আছিল; শ্ৰীযুত মাণেকলাল, কল্যাণ দাস, আৰু আন দুজনৰ নাম মোৰ মনত নপৰে। কল্যাণ দাসক বাপেকে মোক গতাই দি গৈছিল। দক্ষিণ আফ্ৰিকাত তেওঁতকৈ বাধ্য সকলো কাম পালন কৰিবলৈ নীৰৱে মান্তি হোৱা লোক পোৱা নাছিলো। সৌভাগ্যক্ৰমে তেওঁ অবিবাহিত আছিল। সেইবাবে বিপদৰ সম্ভাৱনা থকা বহুতো কাম তেওঁৰ ওপৰত জাপি দিলো। মাণেক-

লালকো মই জোহানছবার্গত পাইছিলো। মোৰ মনত পৰে তেওঁলো অবিবাহিত আছিল। তেওঁলোকক কেৰেণীযেই বোলক, মোৰ সহকৰ্ম্মী বোলক নাইবা মোৰ লৰায়েই বোলক—এই চাৰিজনক উৎসর্গ কৰিবলৈকে স্থিৰ কৰিলো। কল্যাণ দাসক সুধিবৰ একো প্ৰয়োজন নাছিল। আন কেইজনো কোৱা মাত্রেই কামত লাগিবলৈ মান্তি হল। 'আপুনি য'তে থাকে আমিও ত'তে থাকিম' এযে তেওঁলোকৰ চুটি উত্তৰ হল।

মিঃ ৰিচৰ বৰ ডাঙৰ পৰিয়াল। তেৱোঁ এই বিপদৰ মাজত বুৰ দিবলৈ সাজু হল, কিন্তু মই তেওঁক বাধা দিলো। তেওঁক এই বিপদত পেলাবলৈ মোৰ ইচ্ছা নাছিল। সেইবাবে তেওঁ বিপদৰ আঁতৰত থাকি কাম কৰিবলৈ ধৰিলে।

সেই নিশা কি ভীষণ নিশা! কোন মুহুৰ্ত্তত কি হয় বুলি শঙ্কিত আৰু সেই বাবে সতৰ্ক। মই বহুতো বেমাৰী শুশ্ৰূষা কৰিছো, কিন্তু ব্লেক প্লেগৰ নিচিনা বেমাৰী কেতিয়াও শুশ্ৰুষা কৰা নাছিলো। ডাক্তৰ গডফ্ৰেৰ সাহ আমাৰ কাৰণে সংক্ৰামক হল। শুশ্ৰুষা কৰিবলৈ বিশেষ একো নাছিল। নিয়মমতে দৰৱ দিব লাগে, কিবা বিচাৰিলে দিব লাগে আৰু শোৱা বিছনা খন চাফ চিকুণ কৰি থব লাগে আৰু তেওঁলোকক নির্ভয় দিব লাগে। এযেই আমাৰ কাম আছিল। যি নিৰ্ভীকতা আৰু উদ্যমেৰে এই ডেকা কেইজনে মোৰ লগত কাম কৰিলে, তাক দেখি মই বৰ বং পালো। ডাক্তৰ গডফ্ৰেৰ আৰু মিঃ মদনজিতৰ দৰে অভিজ্ঞ লোক এজনৰ সাহ সকলোৱে বুজি পাব, কিন্তু এই আধা কেচেলুৱা ডেকা কেইজনৰ সাহ!

মোৰ যিমান দূৰ মনত পৰে নিশা আমি ভালকৈয়ে কটালো। কিন্তু করুণ ৰসৰ বাহিৰেও এই ঘটনাটোত ধৰ্ম্মগত ইমান কথা আছে যে মই পাছৰ দুটা অধ্যায়টোত এই বিষয়ে লিখিম।

ষোড়শ অধ্যায়

ব্ল্যেক—প্লেগ (২)

উদং হৈ পৰি থকা ঘৰটোলৈ স্থানান্তৰিত কৰি বেমাৰীহঁতৰ তত্বাৱধান লোৱাত টাউন ক্লাৰ্কে ধন্যবাদ জনালে আৰু সৰল ভাৱে স্বীকাৰ কৰিলে যে এনেবিধৰ আকস্মিক ঘটনাত কৰ্ত্তব্য কৰিবলৈকো টাউন কাউন্সিলৰ একো উপায় নাছিল। কিন্তু তেওঁলোকে যথাসাধ্য সহায় কৰিব বুলি জনালে। এবাৰ কৰ্ত্তব্য-বোধ হোৱাত, তত্তালিকে সকলো উপায় লবলৈ মিউনিছিপেলিটীয়ে একো পলম নকৰিলে।

তাৰ পাছ দিনা আমাক এটা পৰি থকা গুদামঘৰ দি বেমাৰী সকলক তালৈ নিবলৈ পৰামৰ্শ দিলে ; কিন্তু মিউনিছিপেলিটিয়ে ঘৰটো ছাফ কৰিবলৈ গাত লোৱা নাছিল। ঘৰটো বৰ অপৰিস্কাৰ আছিল। কেইজনমান ধনী ভাৰতীয় লোকৰ সহায়ত ঘৰটো আমি নিজে ছাফ কৰাই তাত বিছনা আৰু অন্যান্য লাগতিয়াল বস্তুৰ দিহা কৰিলো। সেই গুদাম ঘৰটো জানিবা এখন অস্থায়ী আস্পতাল হল।

মিউনিছিপেলিটিয়ে এগৰাকী 'নাৰ্ছ' আমাৰ কামৰ বাবে দিলে, তেওঁ অলপ ব্ৰাণ্ডী লৈ আৰু অন্যান্য আস্পতালৰ লাগতিয়াল বস্তু—বাহানি লৈ আহিল। নাৰ্ছ গৰাকী বৰ দয়াশীল মহিলা আছিল, আৰু বং মনৰে বেমাৰীসকলৰ শুশ্ৰুষা কৰিলেহেঁতেন, কিন্তু তেওঁ বাত বেমাৰত পৰে বুলি আমি তেওঁক বেমাৰীক চুবলৈ দিয়া নাছিলো। মাজে মাজে ব্ৰাণ্ডী দি থাকিবলৈ কোৱা আছিল। সাৱধান হবলৈ নাৰ্ছ গৰাকীয়ে নিজে অলপ খোৱাৰ লগতে আমাকো ব্ৰাণ্ডী অলপ খাবলৈ মাজে সময়ে কৈছিল।

কিন্তু আমাৰ কোনেও ব্ৰাণ্ডী ধৰা নাছিল। ডক্তৰ গডফ্রেৰ উপদেশ মতে ব্ৰাণ্ডী নোখোৱাকৈ থাকিবলৈ সাজু হোৱা তিনিজন বেমাৰীক মই মাটি চিকিৎসা আৰম্ভ কৰিলো। তেওঁলোকৰ মূৰত আৰু বুকুত মাটিৰ প্ৰলেপ দিয়া হল। এওঁলোকৰ দুজন ৰক্ষা পৰিল। ২০জন সেই গুদামতেই মৰিল।

ইতিমধ্যে মিউনিছিপেলিটীয়ে অন্য উপায় লোৱাত লাগিল। জোহানছবার্গ নগৰৰ ৭মাইল আঁতৰত এখন কুষ্ঠাশ্ৰম আছিল। জীয়াই থকা তিনিজন বেমাৰীক কুষ্ঠাশ্ৰমৰ ওচৰত এটা তাম্বু তৰি তাত থোৱা হল আৰু নতুনকৈ কোনোবা বেমাৰত পৰিলে তালৈ নিয়াৰ বন্দবস্ত হল। এইদৰে আমি এই কামৰপৰা ৰক্ষা পালো। কেইদিনমানৰ পাছত আমি শুনিবলৈ পালো যে নাৰ্চ গৰাকীৰ বেমাৰ হে ততালিকে ঢুকাল। দুজন বেমাৰী কেনেকৈ ৰক্ষা পৰিল আৰু আমি এই মহা ব্যাধিৰ আক্ৰমণৰপৰা হাত সাৰিলো, তাক কোৱা অসম্ভৱ, কিন্তু অভিজ্ঞতাৰ লগে লগে মাটিৰ চিকিৎসাত আস্থা বাঢ়িছে আৰু ঔষধ হিচাপে ব্ৰাণ্ডীত আস্থা কমিছে। এই আস্থা নাইবা অনাস্থাৰ ভিত্তি বৰ শকত নহয় বুলি মই জানো; কিন্তু তথাপিও সেই সময়ত মোৰ যি ধাৰণা হৈছিল, তাক গুচাব নোৱাৰো আৰু এতিয়ালৈকেও সেই ধাৰণা থকাত এইখিনিত উল্লেখ কৰিলো।

এই মাউৰৰ সময়ত মিউনিছিপেলিটীয়ে লোৱা সেইখিনি ঠাইত পাছত প্লেগ বেমাৰ হওঁতে আওহেলা দেখুৱাৰ বাবে মিউনিছিপেলিটি দায়ী বুলি বাতৰি কাকতলৈ এখন টানি চিঠি লিখিছিলো। এই চিঠি-খনৰপৰাই মিঃ হেনৰী পোলকৰ লগত বন্ধুতা হল, আৰু ৰেভাৰেণ্ড জোছেফ ডোকৰ লগতো বন্ধুতা হোৱাৰ কাৰণো কিছু পৰিমাণে এইখন চিঠিই।

নিৰামিষভোজীৰ হোটেল এটালৈ মই মাজে সময়ে যাওঁ বুলি পূৰ্ব্বৰ এটা অধ্যায়ত মই কৈছোঁ। ইয়াত মিঃ এলবাৰ্ট ৱেষ্টৰ লগতো

[illegible] এই হোটেলত আমাৰ দেখা শুনা হৈছিল আৰু [illegible]ৰ পাছত আমি দুয়ো একেলগে ফুৰিবলৈ ওলাইছিলো। [illegible] খন সৰু ছপাখনাৰ অংশীদাৰ। প্লেগৰ আবিৰ্ভাৱ সম্পৰ্কে [illegible]ৰি কাকতত মোৰ চিঠিখন পঢ়িবলৈ পালে, আৰু হোটেলত মোক দেখা নাপাই চিন্তিত হল।

প্লেগ হববেপৰা মই আৰু মোৰ সহকৰ্ম্মীসকলে আহাৰ কমাইছিলো। এইদৰে মাউৰৰ সময়ত আহাৰ কমোৱা মোৰ নিয়ম আছিল। সেইবাবে গধুলিৰ সাঁজো সেই সময়ত এৰিছিলো। আৰু 'লাঞ্চো' অন্যান্য খৰিদ্দাৰ অহাৰ আগতেই মই শেষ কৰি উঠিছিলো। সেই হোটেলৰ স্বত্বাধিকাৰীক মই ভালকৈ চিনি পাইছিলো। মই প্লেগ বেমাৰীৰ শুশ্ৰুষাত লাগিছো দেখি অন্য মানুহৰ সংস্পৰ্শ এৰিবলৈ বিচাৰো বুলি তেওঁক জনালো। দুদিনমান মোক হোটেলত নাপাই, মিঃ ৱেষ্টে এদিন খুব পুৱাতে আহি মোৰ দুৱাৰত খুন্দিয়ালে, মই তেতিয়া ফুৰিবলৈ যাবলৈ ওলাইছিলো। দুৱাৰ মেলা মাত্ৰে ৱেষ্টে কলে—'আপোনাক হোটেলত কেইবাদিনো নেদেখি আপোনাৰ কিবা হৈছে বুলি ভাবি মই শঙ্কিত হৈছিলো সেই কাৰণে আপুনি কেনে আছে চাবলৈ নিজে আহিলো। মোক আপুনি আপোনাৰ কামত পাব পাৰে। বেমাৰী শুশ্ৰুষা কৰাত মই সহায় কৰিবলৈ সাজু আছো। ভৰণ-পোষণ কৰিবলগীয়া মোৰ কোনো নাই বুলি আপুনি জানেই।"

তেওঁক ধন্যবাদ দি এক মুহূৰ্ত্ত নোৰোৱাকৈ কলো—"আপোনাক তালৈ নিনিও আৰু নতুন বেমাৰী নহলে দুই এদিনতে আমিও খালাছ হম। কিন্তু এটা কথা?" 'কওক কি?'

'ডাৰবানত থকা 'ইণ্ডিয়ান অপিনিয়ান'ৰ প্ৰেছটো' লব পাৰিবনে? মিঃ মদনজিৎ সম্ভৱতঃ ইয়াতেই থাকিব লাগিব, আৰু ইয়াতো

এজন মানুহ লাগে। আপুনি যদি যায়, তেন্তে এই [illegible] মই নিশ্চিন্ত হম।"

'মোৰ এটা ছাপাখানা আছে বুলি আপুনি জানে; সম্ভৱতঃ মই যাম; কিন্তু গধুলি মই শেষ উত্তৰ দিলে হবনে? গধুলি এই বিষয়ে আমি কথা হম।'

মই বৰ সন্তোষ পালো। তেওঁৰ লগত কথা হলোঁ, তেওঁ যাবলৈ মান্তি হল—দৰ্ম্মহাৰ কথা তেও ভৱা নাছিল, কাৰণ টকা কৰা তেওঁৰ উদ্দেশ্য নাছিল। কিন্তু ১০ পাউণ্ডকৈ দৰ্ম্মহা আৰু লাভ হলে লাভৰ অংশ দিয়া স্থিৰ কৰা হল। তাৰ পাছদিনাই তেওঁৰ পাওনা আদি আদায কৰিবলৈ মোক গতাই দি তেও গধুলিৰ ট্ৰেইনত ডাৰবানলৈ ৰাওনা হল, সেই সময়ৰপৰা দক্ষিণ আফ্ৰিকা নেৰালৈকে তেওঁ মোৰ জীৱনৰ সুখ দুঃখ সকলোৰে সমভাগী হল। লিনকনশ্বায়াৰৰ (লাউথ)ৰ এগৰাকী খেতিয়ক পৰিয়ালত মিঃ ৱেষ্টৰ জন্ম। কিন্তু অভিজ্ঞতাৰ পঢ়াশালিত আত্মনিৰ্ভৰৰ বলত তেওঁ বহুতো শিক্ষা পাইছিল। ধীৰ স্থিৰ পবিত্ৰ ঈশ্বৰবিশ্বাসী, দযালু ইংৰাজ বুলিযেই তেওঁক মই জানো। তেওঁ আৰু তেওঁৰ পৰিযালৰ সম্পৰ্কে পাছে পৰে আমি আৰু জানিম।

সপ্তদশ অধ্যায়

প্লেগ বেমাৰৰ বিস্তাৰৰোধ

যদিও বেমাৰী কেইজনৰ তত্বাবধান লোৱাৰ পৰা সহকৰ্ম্মীসকলৰে সৈতে মোক এৰি দিয়া হল, তথাপিও তাত প্লেগ বেমাৰ সম্পৰ্কে বহুতো কাম কৰিবলগীয়া আছিল। ভাৰতীয়সকলৰ বাবে নিৰ্দ্দিষ্ট থকা ঠাইলৈ

চনিছিপেলিটীৰ আওহেলাৰ কথা পূৰ্ব্বেই কৈছো। কিন্তু ৰগাসকলৰ বাবে আৰু তেওঁলোকৰ স্বাস্থ্যৰ কাৰণে মিউনিছিপেলিটি সদায় সচেত আছিল। ৰগাসকলৰ স্বাস্থ্যৰ বাবে মিউনিছিপেলিটীয়ে বহুতো টকা ইতিপূৰ্ব্বে খৰচ কৰিছেই। এতিয়া প্লেগ বেমাৰৰ শিপাই সৈতে উঘালি পেলাবলৈ টকা পানীৰ দৰে খৰচ কৰাত লাগিল। ভাৰতীয় সকলৰ প্ৰতি কৰ্ত্তব্য নকৰাত তেওঁলোকক সমালোচনা কৰিলেও কেৱল বগানগৰ-বাসীসকলৰ কাৰণে মিউনিছিপেলিটীৰ দুঃশ্চিন্তাৰ মই শলাগ নোলোৱাকৈ নাছিলোঁ। এই প্ৰশংসনীয় কামত যিমানখিনি পাৰো, মযো সহায় কৰিছিলো। মোৰ মনত ধাৰণা যে মই সহায় নকৰা হলে মিউনিছিপে-লিটীয়ে কাম কৰা অলপ কঠিনেই আছিল আৰু এই কামত ছিপাহী আনি অত্যাচাৰ কৰিবলৈকো তেওঁলোকে দ্বিধাবোধ নকৰিলেহেতেন।

কিন্তু এনে ঘটনা যাতে নঘটে, তাৰ বাবে যত্ন কৰা হল। মিউনিছিপেল কৰ্ত্তৃপক্ষও ভাৰতীয় সকলৰ ব্যৱহাৰত সন্তুষ্ট হল আৰু, প্লেগ বেমাৰ বন্ধ কৰিবলৈ উপায় লোৱা সম্পৰ্কেও ভৱিষ্যতলৈ কাম উজু কৰিলে। এই মাউৰৰ সময়ত মিউনিছিপেলিটীৰ নিৰ্দ্দেশমতে চলিবলৈ ভাৰতীয় সকলক মই বুজোৱাত লাগিলো। আৰু এই কামটো বৰ দুষ্কৰ হলেও মোৰ পৰামৰ্শৰ বিৰুদ্ধে কোনো লোক যোৱা মোৰ মনত নপৰে।

সেই ঠাই ডোখৰৰ ওপৰত ছিপাহীৰ পহৰা বহুৱা হল—সেই ঠাইলৈ অহা, নাইবা তাৰপৰা ওলোৱা বিনা অনুমতিত অসম্ভৱ হল। মোৰ সহকৰ্ম্মী আৰু মোৰ বাবে ওলাবলৈ আৰু সোমাবলৈ অনুমতিপত্ৰ আছিল। এইবিলাকৰ উদ্দেশ্য আছিল—তিনি সপ্তাহৰ বাবে সেই ঠাইৰ সকলো মানুহক ঘৰৰপৰা নি জোহানছবাৰ্গৰ ১৩ মাইল দূৰত এডোখৰ মুকলি ঠাইত কেনভাছ কাপোৰৰ তাম্বুত থৈ আৰু সেই

ঠাইৰ ঘৰবিলাকত জুই লগাই দিয়া। কিন্তু সেই তাম্বুলৈ গৈ থ বোৱা বস্তু বাহানিৰ যোগাৰ কৰা সময়সাপেক্ষ, সেই কাৰণে এই সময় বাবে ছিপাহীৰ পহৰাৰ প্ৰয়োজন হৈছিল।

এই নতুন কথাত সবলোৰে মনত আতঙ্ক উপস্থিত হৈছিল, কিন্তু সকলো সময়তে মোৰ উপস্থিতিয়ে তেওঁলোকৰ মনলৈ সান্ত্বনা আনিছিল। বহুতো দুখীয়া মানুহে মাটিৰ তলত টকা পুতি থৈছিল, এই বিলাক এতিয়া খানি উলিয়াব লগীয়া হৈছিল। তেওঁলোকৰ কোনো বেঙ্ক নাছিল, আৰু তেওঁলোকেও কোনো বেঙ্কৰ কথা নাজানিছিল। মযেই তেওঁলোকৰ বেঙ্ক হলো—মোৰ অফিচলৈ টকাৰ সোঁত ববলৈ ধৰিলে। এনে বিপদত এই কামৰ বাবে মই একো ফীজ লোৱা অসম্ভৱ, যি হ'ক কোনো ৰকমে পৰিশ্ৰম কৰি এই কাম গাৰিলো। মোৰ বেঙ্ক মেনেজাৰক মই বেছকৈয়ে জানিছিলো—এইবোৰ টকা তেওঁৰ হাততেই জমা দিম বুলি তেওঁক কলো। তাম আৰু ৰূপৰ মুদ্ৰা লবলৈ বেঙ্কবিলাক নাৰাজ আছিল, তাৰ উপৰিও প্লেগ হোৱা ঠাইৰপৰা অহা টকা পয়চা বেঙ্কৰ কেৰেণী সকলে ছুবলৈ আপত্তি কৰিবও পাবে। কিন্তু যি হ'ক মেনেজাৰ গৰাকীয়ে মোক সকলো ৰকমে সহায় কৰিলে। এইদৰে প্ৰায় ৬০ হেজাৰ পাউণ্ড বেঙ্কত জমা হল বুলি মোৰ মনত পৰে। যি সকলৰ টকা সৰহ আছিল, তেওঁলোকে মোৰ পৰামৰ্শ মতে 'ফিক্সড ডিপজিট' কৰি থবলৈ মান্তি হল। ইয়াৰ ফল হল যে বেঙ্কত টকা লগাবলৈ কিছুমানে শিকিলে।

এই ঠাইৰ মানুহসকলক এখন 'স্পিছিয়েল ট্ৰেইন'ৰে জোহানছবাৰ্গৰ ওচৰৰ ক্লিছ্ৰুইট ফাৰ্ম্মলৈ নিয়া হল, তাত তেওঁলোকক মিউনিছিপেলিটিয়ে নিজৰ খৰচত খোৱা লোৱাৰ বস্তু যোগাবলৈ ধৰিলে। এই কেনভাছ কাপোৰৰ নগৰখন ছিপাহীৰ বাহৰৰ দৰে দেখাইছিল, এইদৰে থাকিবলৈ অনভ্যস্ত লোকসকলে পোনতে বৰ বেজাৰ কৰিছিল আৰু থকা মেলাৰ

বন্দৱস্ত দেখিও আচৰিত হৈছিল। মই দিনটোত এবাৰ ছাইকেল কৰি তেওঁলোকৰ ওচৰলৈ গৈছিলো। মুকলি বতাহত তিনি সপ্তাহ এইদৰে থকাৰ ফলত তেওঁলোকৰ স্বাস্থ্যৰো উন্নতি ঘটিল। তাত ২৫ ঘন্টামান থকাৰ পাছত তেওঁলোকে সকলো দুখ বেজাৰ পাহৰি ৰং মনেৰে থাকিবলৈ ধৰিলে। মই গলে তেওঁলোকক গান আৰু অন্যান্য ৰং ধেমালীত থকা দেখা পাইছিলো।

মোৰ যিমানদূৰ মনত আছে, তেওঁলোকে ঘৰ এৰি যোৱাৰ পাছদিনাই সেই খণ্ড জুই জ্বলাই পুৰি দিয়া হল। জুইৰ গৰাহৰপৰা কিবা বস্তু ৰক্ষা কৰিবলৈ মিউনিছিপেলিটিয়ে অলপো ইচ্ছা কৰা নাছিল। এই সময়ত এই একে কাৰণত বজাৰৰ প্ৰায় ১০ হেজাৰ পাউণ্ড মূল্যৰ কাঠ পুৰি পেলোৱা হৈছিল, ইয়াৰ বাবে মিউনিছিপেলিটীয়ে ১০ হেজাৰ পাউণ্ড লোকছান ভৰিছিল। তাত মৰা এন্দুৰ পোৱাত এইদৰে কৰোৱা হৈছিল। মিউনিছিপেলিটীৰ ভৰণি হল বহুতো, কিন্তু এই বেমাৰৰ বিস্তাৰ তেওঁলোকে ৰোধ কৰিলে আৰু বাইজ পুনৰ মুকলি মনেৰে ফুৰিব পৰা হল।

অষ্টাদশ অধ্যায়

এখন কিতাপৰ প্ৰভাব

দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় লোকসকলৰ মাজত মোৰ যি প্ৰভাৱ হৈছিল, এইবাৰ প্লেগ বেমাৰে জানিবা সেই প্ৰভাৱ আৰু বহল কৰিলে আৰু লগে লগে মোৰ ব্যৱসায় আৰু দায়িত্ব বাঢ়িল। কিছুমান নতুনকৈ চিনাকি হোৱা যুৰোপীয়ৰ লগত মোৰ সম্বন্ধ ইমান ঘনিষ্ঠ হল

যে ইয়াৰ ফলত মোৰ নৈতিক দায়িত্ব বাঢ়িল। নিৰামিষভোজীৰ হোটেলত মিঃ ৱেষ্টৰ দৰে মিঃ পোলকৰ লগতো মোৰ চিনাকি হ'ল, এদিন গধূলি আঁতৰৰ মেজ এখনত থাই থকা ডেকা এজনে মোৰ লগত চিনাকি হবলৈ মোলৈ কাৰ্ড এখন পঠালে। তেওঁক মই মোৰ মেজলৈ মাতি পঠালত তেওঁ ওচৰ চাপি আহিল।

"মই 'Critic' 'সমালোচক' বোলা কাকতখনৰ সহকাৰী সম্পাদক" বুলি তেওঁ নিজৰ পৰিচয় দিলে। বাতৰি কাকতত প্লেগ বেমাৰ সম্পৰ্কে আপোনাৰ চিঠি খন পঢ়ি আপোনাৰ লগত চিনাকি হবলৈ মোৰ বৰ ইচ্ছা হ'ল। এই সুবিধা পোৱাত মই বৰ সন্তোষ পালো। মিঃ পোলকৰ এই সৰলতা দেখি মই বৰ আকৃষ্ট হলো। সেইদিনা গধূলিযেই আমি দুয়ো দুয়োকো চিনি পালো আৰু জীৱনৰ বহুতো প্ৰধান কথাত আমাৰ একে মত আছিল। তেওঁ আড়ম্বৰহীন জীৱন ভাল পাইছিল। যিটো কথা তেওঁ ন্যায় বুদ্ধিৰে যুক্তিসঙ্গত বুলি বুজি পাইছিল, সেই কথা কাৰ্য্যত পালন কৰিবলৈ তেওঁৰ আচৰিত ক্ষমতা আছিল। জীৱনৰ কিছুমান কথাৰ আমূল পৰিবৰ্ত্তন তেওঁ অতি সোনকালে কৰিব পাৰিছিল।

'ইণ্ডিয়ান অপিনিয়ান' খনৰ ব্যয় লাহে লাহে বৰ বাঢ়িবলৈ ধৰিলে। মিঃ ৱেষ্টৰ প্ৰথম ৰিপোৰ্ট খন বৰ ভীতিপ্ৰদ আছিল। তেওঁ লিখিলে— 'এই ব্যৱসায়বপৰা লাভ হব বুলি আপুনি আশা কৰিলেও মই কৰিব নোৱাৰো। বৰঞ্চ লোকচান ভৰিব লাগিব বুলি মোৰ শঙ্কা হয়। বহী-বোৰৰ শৃঙ্খলা নাই। পাব লগীয়া বাকী বহুত পৰি আছে, কিন্তু তাৰ উৱাদিহ একোকেই উলিয়াব পৰা হোৱা নাই। বহুতো কথা গুৰিৰ পৰা সলাব লাগিব। কিন্তু সেইবুলি আপুনি ভয় নাখাব। সকলো কথাৰ গঢ় লগাবলৈ মই যথাসাধ্য চেষ্টা কৰিম। লাভ হওক বা নহওক মই থাকিমেই।"

মিঃ ৰেম্চেট ইযাত লাভ নহব বুলি দেখা মাত্রেই এৰি যাব পৰিলে-হেঁতেন আৰু তাৰ বাবে মই তেওঁক দোষ দিব নোৱাৰিলোহেঁতেন। বাস্তৱতে কোনো প্রমাণ নোহোৱাকৈ মই এই ব্যৱসাযটো লাভজনক বুলি তেওঁক কোৱাত, তেওঁহে মোক দোষ দিব পাৰিলেহেঁতেন ; কিন্তু তেওঁ এটা কথাও কোৱা নাছিল। মোৰ ধাৰণা হয মিঃ ৰেম্চেট মোৰ কথাত ভুল পাই মই তত্তালিকে সকলো কথা বিশ্বাস কৰো বুলি মোক ভাবিছিল। মিঃ মদনজিতে মোক যি 'এষ্টিমেট' দিছিল মই একো পৰীক্ষা নকৰাকৈ তাক গ্রহণ কৰি লাভ পোৱা হব বুলি মিঃ ৰেম্টক কৈ পঠাইছিলো। মই ভাবো যে ৰাইজৰ সেৱক এজনে সকলো কথা বিশ্বাস কৰি লোৱা উচিত নহয। অৰু নিজে নিশ্চযকৈ নজনাকৈ কোনো কথা প্রকাশ্যে কোৱা উচিত নহয। সত্য অনুসন্ধিৎসু মাত্রেই সকলো কথাত বৰ সাৱধানে চলা উচিত। যিটো কথা নিজে পৰীক্ষা কৰি চোৱা নাই সেই কথাষাৰ লোকক বিশ্বাস কৰোৱাটো সত্যৰ অপলাপ কৰা মাথোন। এই কথাষাৰ জনা স্বত্বেও মই বেজাৰেৰে কব লগীযা হৈছে যে সকলো কথা বিশ্বাস কৰাৰ অভ্যাস, মই এতিযাও গুচাব পৰা নাই—আৰু ইয়াৰ বাবে দায়ী হৈছে সাধ্যতকৈও সৰহ কাম কৰিবলৈ মোৰ আকাঙ্খা। মোৰ এই আকাঙ্খাই মোৰ সহকৰ্ম্মী সকলক সদায় বেজাৰ দি আছে।

মিঃ ৰেম্চটৰ চিঠি পাই মই নাটাললৈ ৰাওনা হলোঁ। মিঃ পোলকক মই বৰ বিশ্বাস কৰিছিলোঁ। তেওঁ ৰেলৱে ষ্টেশ্যনত মোক দেখা কৰিবলৈ আহিল আৰু বাটত পঢ়িবলৈ বুলি এখন কিতাপ মোৰ হাতত দিলে। তেওঁ কলে যে কিতাপখন পঢ়ি মই বৰ সোৱাদ পাম। কিতাপখন ইংৰাজ সাহিত্যিক ৰাস্কিনে লিখা "Unto this last."

আৰম্ভ কৰাৰ পাছত কিতাপখন এৰা অসম্ভৱ হল। মোক কিতাপ-খনে তেনেই সামৰি ললে। জোহানছবার্গৰপৰা নেটাললৈ যাওঁতে ২৪

ঘন্টা লাগে। ট্ৰেইন খন ডাৰবান পালেগৈ গধূলি। মই ৰাতি শুব নোৱাৰিলো। সেই কিতাপখনে মোক যি পোহৰ দিলে সেইমতে জীৱন সলাবলৈ মই স্থিৰ কৰিলোঁ।

মই বাস্কিনৰ এখন কিতাপো পূৰ্ব্বে পঢ়া নাছিলোঁ। পাঠ্য জীৱনত টেক্সটবুক কিতাপৰ বাহিৰে আন কিতাপ মই পঢ়া নাছিলোঁ। আৰু কৰ্ম্ম জীৱনত সোমোৱাৰ পাছত কিতাপ পঢ়িবলৈ বৰকৈ সময় পোৱা নাছিলো। সেইবাবে কিতাপৰ জ্ঞান মোৰ বৰকৈ আছিল বুলি মই দাবি কৰিব নোৱাৰো। এই পাঠ সীমাবদ্ধ হোৱাত মোৰ বৰ ক্ষতি হৈছে বুলি মই নাভাবো। বৰঞ্চ কমকৈ পঢ়াত, যি অলপ পঢ়া হৈছিল তাক ভালকৈ উপলব্ধি কৰিবলৈ মোৰ সুবিধা হৈছিল। এই বিলাক কিতাপৰ ভিতৰত Unto this last বোলা কিতাপখনে মোৰ জীৱনৰ গতিৰ ততালিকে পৰিবৰ্ত্তন ঘটালে। এইখন কিতাপ মই পাছত গুজৰাটী ভাষালৈ ভাঙনি কৰিলো। নাম দিয়া হল 'সৰ্ব্বোদয' (সকলোৰে মঙ্গল) বিশ্বাস কৰা কিছুমান কথা এইখন কিতাপত পাই মই তাত মগ্ন হলো আৰু সেইবাবেই কিতাপখনে মোৰ জীৱনত পৰিবৰ্ত্তন ঘটালে। মানৱ অন্তঃকৰণত নিহিত থকা সৎ প্ৰবৃত্তিবোৰ জগাই তুলিবলৈ সমৰ্থ হোৱা জনেই কবি। কবিয়ে সকলোৰে মনত সমানে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে, কাৰণ সকলোৰে হিয়া সমানে বিকাশিত নহয়।

Unto this last বোলা কিতাপখনৰ সাৰমৰ্ম্ম এইদৰে মই বুজিছিলো :—

(১) সকলোৰে মঙ্গলৰ মাজত ব্যক্তিৰ মঙ্গল নিহিত।

(২) নাপিতৰ পৰিশ্ৰমৰ মূল্য যি, উকীলৰ পৰিশ্ৰমৰো মূল্য সেয়েই, কাৰণ পৰিশ্ৰমেৰে জীৱিকা আৰ্জ্জন কৰাৰ সকলোৰে অধিকাৰ আছে।

(৩) পৰিশ্ৰমৰ জীৱন অৰ্থাৎ খেতিয়ক আৰু বাঢ়ৈৰ জীৱনৰ মূল্য আছে।

ইয়াৰ প্ৰথম দুটা কথা মই জানিছিলো। দ্বিতীয় কথাষাৰ মই ৰিনিকি ৰিনিকি বুজি পাইছিলো। তৃতীয় কথাষাৰ মোৰ মনত কেতিয়াও উদয় হোৱা নাছিল। এই কিতাপখনে দিনৰ পোহৰৰ দৰে কথাষাৰ মোৰ চকুত পেলালে আৰু দ্বিতীয় আৰু তৃতীয় কথাষাৰ প্ৰথম কথাষাৰতেই নিহিত আছে, এতিয়াহে বুজি পালো। এই কথাষাৰ জীৱনত খটাবলৈ সংকল্প কৰি পুৱাৰ পোহৰৰ লগে লগে উঠিলো।

উনবিংশতি অধ্যায়

ফিনিক্সৰ উপনিবেশ

Unto this Last বোলা কিতাপখন পঢ়াৰ ফলত মোৰ মনত কিদৰে পৰিবৰ্ত্তন ঘটিল সকলো কথা মিঃ ৱেষ্টক কলো। Indian opinion বোলা কাকত খনৰ অফিছ্ আৰু ছপাখানা এখন পামলৈ নি আমি সকলোৱে সামান্য জীৱিকাত কাম কৰো। আজৰি সময় প্ৰেছৰ কামত লাগিম বুলিও তেওঁৰ আগত উলিয়ালোঁ। মিঃ ৱেষ্টে মোৰ প্ৰস্তাৱ সমৰ্থন কৰিলে আৰু জাতি বৰ্ণ নিৰ্ব্বিশেষে সকলোকে ৩ পাউণ্ড মাহেকীয়া বৃত্তি ধাৰ্য্য কৰা হল।

কিন্তু এতিয়া কথা হৈছে প্ৰেছৰ কাম কৰা ১০ নাইবা তাতোকৈ সৰহ মানুহ নগৰৰ পৰা আঁতৰি গৈ পাম এখনত সামান্য জীৱিকাত কাম কৰিবলৈ মান্তি হবনে নহয়। যি সকল আমাৰ স্কীমত সোমাবলৈ মান্তি নহয় তেওঁলোকক পুৰা দৰ্মহা দি লাহে লাহে আমাৰ এই আশ্ৰমৰ সভ্য হবলৈ চেষ্টা কৰিবলৈ স্থিৰ কৰা হল। এই কথাষাৰ মই সকলোকে

কলো—মিঃ মদনজিতৰ মনত কথাষাৰ ভাল নালাগিল আৰু মোৰ কথাষাৰ মুৰ্খালি হৈছে আৰু যি প্ৰেছৰ বাবে তেওঁ সকলো সম্পত্তি বিপন্ন কৰিছে এতিয়া ইয়াৰপৰাই সকলো ধ্বংস হব বুলিও কলে। কৰ্ম্মীসকল গুচি যাব, কাকত বন্ধ হব আৰু ছাপাখানাও বন্ধ হব। প্ৰেছত কাম কৰা লোক-সকলৰ মাজত মোৰ এজন সম্পৰ্কীয় ভাই আছিল; নাম ছোগনলাল গান্ধী। মিঃ ৱেষ্টক মোৰ কথা কওঁতে এওঁকো কৈছিলোঁ। তেওঁৰ লৰা-তিৰোতা আছিল, আৰু সৰুৰেপৰা মোৰ তলত কাম কৰিবলৈ তেওঁ বাছি লৈছিল। মোৰ ওপৰত তেওঁৰ সম্পূণ বিশ্বাস আছিল। সেইবাবে কোনো কথা নোহোৱাকৈ তেওঁ মোৰ প্ৰস্তাৱত মান্তি হল। মেশ্যিনত কাম কৰা গোবিন্দ স্বামীও মোৰ প্ৰস্তাৱত মান্তি হল, আৰু আন কোনেও মোৰ স্কীমত যোগ দিয়া নাছিল, ; কিন্তু মই প্ৰেছ যলৈকে নিও তালৈকে যাবলৈ মান্তি হল।

আমাৰ মানুহ বিলাকৰ লগত এইবিলাক কথা ঠিক হওঁতে মোৰ দুদিন-তকৈ সৰহ দিন লগা নাছিল। ইযাৰ পাছত ডাৰবানৰ দাঁতিত ৰেলৱে ষ্টেশ্যনৰ ওচৰত এডোখৰ মাটি লাগে বুলি জাননীও দিলো—ফিনিক্সত মাটি এডোখৰ পোৱাও হল। মিঃ ৱেষ্টৰ লগত মই সেই ঠাই ডোখৰ চালো আৰু এসপ্তাহ মানৰ ভিতৰত ২০ একৰ মাটি কিনিলো। তাত এটা সুন্দৰ নিজৰা আৰু আম, সুমথিৰা টেঙাৰ গছো আছিল। ইয়াৰ লগতে ৮০ একৰ মাটি আছিল। তাত নানা বিধ ফলৰ গছ আৰু এটা ভগা পঁজা আছিল। আমি এইখিনিও কিনিলো। ইয়াত এহেজাৰ পাউণ্ড মান লাগিল। স্বৰ্গীয় মিঃ ৰুস্তমজীযে মোৰ এনে বিধৰ কথাত সদায় সহায় কৰিছিল। তেওঁ এই প্ৰস্তাৱ ভাল পালে। তেওঁ এটা পুৰনি গুদামৰ টিং পাত আৰু ঘৰ সাজিবৰ অন্যান্য সঁজুলি মোক দিলে। এই লৈ আমি কাম আৰম্ভ কৰিলো। কিছুমান ... বাজ-মিস্ত্ৰীক

বুয়ৰ যুদ্ধৰ সময়ত মোৰ লগত কাম কৰিছিল, তেওঁলোকে প্ৰেছৰ ঘৰটো সাজি দিয়াত মোক সহায় কৰিলে। ঘৰটো ৭৫ X ৫০ ফিট আছিল ; এমাহতে তৈয়াৰী হল। নিজক বিপন্ন কৰিও মিঃ ৰেষ্টে আৰু আন সকলোৱে বাঢ়ৈ হঁতৰ লগত থাকি কাম চাবলৈ ধৰিলে। সেই ঠাই ডোখৰত বহুত দিনলৈকে মানুহ নাছিল ; হাবি হৈ সাপেৰে ভৰি পৰিছিল আৰু তাত থকা বিপদজনক আছিল। পোনতে আমি সকলো কেনভাছ কাপোৰৰ পঁজাত আছিলোঁ। ঘাই ঘৰটো এমাহতে হল। আমি গাৰী কৰি এসপ্তাহ মানৰ ভিতৰত প্ৰায় মাল পত্ৰ আনিলো। ডাৰবানৰপৰা প্ৰায় ১৩ মাইল আৰু ফিনিক্স ৰেলৱে ষ্টেশ্যনৰপৰা আধা মাইল মাথোন। আমাৰ কাকতৰ এটা সংখ্যাহে 'মাৰকিউৰী প্ৰেছ'ত ছপাব লগীয়া হৈছিল।

এতিয়া যি সকল আত্মীয় মোৰ লগতে ভাৰতবৰ্ষৰপৰা ভাগ্য পৰীক্ষা কৰিবলৈ আহি এটা কিবা বেহা-বেপাৰত লাগিছিল, তেওঁলোককো মোৰ লগত ফিনিক্সলৈ নিবলৈ মই চেষ্টা কৰিলো। তেওঁলোক আহিছে ধন বিচাৰি আৰু সেইবাবে তেওলোকক তালৈ নিয়া বৰ টান কাম, কিন্তু ...ান মাস্তি হ'ল। এওলোকৰ ভিতৰত মগনলালৰ নামকেই ইয়াত উল্লেখ কৰিব পাৰো। আন সকলোৱেই নিজৰ কামলৈ গ'ল। মগন লালে নিজৰ কাৰবাৰ এৰি মোৰ লগ ললেহি। সামৰ্থ্য ত্যাগ আৰু ভক্তিত মোৰ পুৰনি সহকৰ্ম্মীসকলৰ ভিতৰত তেৱেঁই প্ৰথম ঠাই লৈছে, আৰু হাতৰ কাম নিজে শিকি বাঢ়ৈৰ কামত তেওঁৰ ঠাই সকলোৰ ওপৰত। এইদৰে ১৯০৪ সনত ফিনিক্সৰ উপনিবেশ আৰম্ভ হল আৰু বহুতো বিপদৰ মাজতো 'ইণ্ডিয়ান অপিনিয়ন' তাৰ পৰাই এতিয়াও ওলাই থাকে। কিন্তু প্ৰথমৰ অসুবিধাবোৰ, পাছত কিবোৰ পৰিবৰ্ত্তন কৰা হৈছিল আৰু আশা নিৰাশা সকলো কথা বৰ্ণাবলৈ আৰু এটা স্বকীয়া অধ্যায়ৰ প্ৰয়োজন।

বিংশতি অধ্যায়

প্ৰথম নিশা

ফিনিক্সত আমি যিখন উপনিবেশ পাতিলোঁ, তাৰ পৰা 'ইণ্ডিয়ান অপিনিয়ান'ৰ প্ৰথম সংখ্যা উলিয়া সহজ কথা নাছিল। দুটা বিষয়ত আমি সাৱধান নোহোৱা হলে প্ৰথম সংখ্যা বাবত উলিবা এৰিবলগীয়া হলহেতেন, নাইবা কিছু দিনলৈ বাট চাবলৈ হল হেঁতেন। প্ৰেছটো ইঞ্জিনেৰে চলাবলৈ মোৰ অলপ ইচ্ছা নাছিল। মই ভাবিছিলোঁ যে য'ত খেতিৰ কাম হাতেৰেই কৰা হয, তাত হাতেৰে চলোৱা প্ৰেছেই শুৱায়। কিন্তু এই কথা কাৰ্য্যকৰী নোহোৱা বাবে আমি এটা অয়েল ইঞ্জিন বহুৱাই ললোঁ। ইঞ্জিনৰ কিবা গোলমাল হলে হাতৰ লা-ুি ক্ষপে কিবা এটা ৰাখিবলৈকো মিঃ বেষ্টক মই কৈছিলো। সেইবাবে তে... এটা চকা লগাই দিলে, যাতে হাতেৰেও সময়মতে কাম কৰিব পাৰি। কাকতৰ আকাৰ দৈনিকৰ সমান আছিল। সেইবাবে ফিনিক্সৰ দৰে গাৱলী... ঠাই এখনৰ পৰা ডাঙৰ আকাৰৰ কাকত উলিবা যুক্তিসঙ্গত নহয বুলি স্থিৰ কৰা হল। এনে কাৰণত ফুলস্কেপ আকাৰলৈ সলোৱা হল, যাতে প্ৰয়োজন হলে 'ট্ৰেডল মেশ্যিনতো ছপা কৰিব পাৰি। প্ৰথমতে কাকত প্ৰকাশ হোৱাৰ আগদিনা আমি সকলোৱেই বহুতো নিশালৈকে কাম কৰিব লগীয়া হৈছিল, লৰা বুঢ়া সকলোৱেই কাকত জপা আদি কামত সহায় কৰিবলগীয়া হৈছিল। আমি সাধাৰণতে ৰাতি ১০ বজাৰপৰ দুপৰ নিশাৰ মাজতেই কাম শেষ কৰিছিলো। কিন্তু প্ৰথম নিশাৰ কথ

২৭

মই পাহৰিব নোৱাৰো। ফৰ্ম্মা বন্ধা হল, ইঞ্জিন ঠিক কৰি বহুৱাবলৈ ডাৱৰবানৰপৰা আমি এজন ইঞ্জিনিয়াৰ আনিছিলো। তেওঁ আৰু ৰেষ্টে বৰ চেষ্টা কৰিলে, কিন্তু তথাপিও ইঞ্জিন নচলে—সকলো উদ্বিগ্ন হৈ আছে, এনেতে মিঃ ৰেষ্টে নিৰাশ হৈ কন্দনামুৱাৰ দৰে কলেহি-- 'ইন্জিন নচলে, বোধ কৰো আমি সময়মতে কাকত বাহিৰ কৰিব নোৱাৰিম।'

"যদি সেযে হয, আমি একো কৰিব নোৱাৰো। কিন্তু সেইবাবে কান্দিলে কি হব? মানুহৰ সাধ্যমতে আমি চেষ্টা কৰি চাও। হাতৰে চলাবপৰা চকাটো ক'তা?"---এই বুলি তেওঁক সান্ত্বনা দিবৰ মনেৰে কলোঁ।

'আমাৰ সিমান মানুহ কত? পাল পাতি ৪ জনকৈ তাৰ বাবে মানুহ লাগিব, আমাৰ সকলো মানুহ ভাগৰি পৰিছে।'

ঘৰ সজাৰ কাম তেতিয়াও শেষ হোৱা নাছিল, আৰু সেইবাবে মিস্ত্রীহঁত আমাৰ তাতেই আছিল। সিহত প্ৰেছ ঘৰত শুই আছিল। মই সিহঁতৰ কালে আঙুলিয়াই কলোঁ—'আমি ইহঁতক আমাৰ কামত লগাব নোৱাৰোনে? কাম কৰিবলৈ আমি গোটেই ৰাতিটো পাইছোঁ, এই উপায় এতিয়াও আমাৰ বাবে মুকলি আছে।

'মিস্ত্রীহঁতক জগাবলৈ মোৰ সাহ নাই। আৰু আমাৰ মানুহহঁতো বৰ ভাগৰিছে'

'বাৰু সিহঁতৰ লগত কথা হৈ মান্তি কৰোৱাটো মোলৈ এৰা।

'তেন্তে আমি সম্ভৱতঃ কাম শেষ কৰিব পাৰোঁ।' ৰেষ্টেকলে।

মই মিস্ত্রীহঁতক জগাই সিহঁতৰ সহযোগ বিচাৰিলোঁ। সিহঁতক বৰকৈ কব লগীয়া হোৱা নাছিল, সিহঁতে কলে—'বিপদত আমাক নামাতিলে আমাৰ ইয়াত থকাৰ সাৰ্থকতা ক'ত? আপুনি জুৰাওক, আমিয়েই কাম কৰো, চকাতো ঘুৰোৱা আমাৰ পক্ষে উজু কাম'। আমাৰ মানুহো সাজু আছিল।

ৰেষ্টে এই কথাত বৰ ৰং পালে আৰু আমি কামত লাগোতে তেওঁ এফাঁকি নামো গালে । মই মিস্ত্ৰীহঁতক সহায় কৰিলো আৰু আন সকলেও আমাক পাল পাতি সহায় কৰিলে ; এইদৰে পুৰা ৭ বজালৈকে চলিল, তেতিয়াও বহুতো কাম বাকী আছে । ইঞ্জিনিয়াৰ জনক জগাই আকৌ এবাৰ ইঞ্জিন চলাবলৈ চে। কৰিবলৈ মিঃ ৰেষ্টক মই কলো। তেওঁ কৃতকাৰ্য্য হলে আমি তেতিয়াও সময় মতে কাম শেষ কৰিব পাৰোঁ। ।

ৰেষ্টে তেওঁক জগালে আৰু তেওঁ ততালিকে ইঞ্জিন ৰুমলৈ গল । আৰু কি আচৰিত কথা, ইঞ্জিন চলোৱা মাত্ৰে চলিবলৈ ধৰিলে ।" প্ৰেছুত চাৰিওফালৰপৰা আনন্দৰ ধ্বনি উঠিল । 'এইটো হল কেনেকৈ ? কালি নিশা আমি ইমান চেষ্টা কৰিও ইঞ্জিন চলাব পৰা নাছিলোঁ আৰু আজি পুৰা চলোৱা মাত্ৰে চলিল যেন একোৱেই হোৱা নাই ?' এই বুলি মই সুধিলোঁ । 'এই কথাৰ উত্তৰ দিয়া টান' কথাষাৰ মিঃ ৰেষ্টেই কলে নে ইঞ্জিনিয়াৰ জনে কলে মোৰ মনত নাই । 'মেশ্যিনেও কিছুমান সময়ত আমাৰ দৰে বিশ্ৰাম বিচাৰি ঠেহ ধৰে ।'

যিয়েই হওঁক, ইঞ্জিন বেয়া হৈ জানিবা আমাৰ পৰীক্ষাহে হল আৰু মুৰামুৰি সময়ত ভাল হোৱাটোও আমাৰ পৰিশ্ৰমৰ পুৰস্কাৰ বুলি মই ভাবিলো ।

কাকতো নিৰ্দ্দিষ্ট সময়ত বিলি কৰা হল আৰু সকলোৰে সন্তোষ হল ।

প্ৰথমৰ সংখ্যাখন সময়মতে উলিয়াবলৈ নেৰা নেপেৰা যত্নৰ ফলত কাকত পাছলৈকে সময়মতে ওলোৱা হল আৰু ইয়াৰ ফলত ফিনিক্সত আত্মনিৰ্ভৰশীলতাৰ ভাব বাঢ়িল । পাছত এনেকুৱা সময় হলহি, যেতিয়া আমি ইচছা কৰিয়েই ইঞ্জিন ব্যৱহাৰ কৰা এৰি দিলো আৰু হাতেৰে চলোৱাত লাগিলো । মোৰ মনেৰে এই সময়টোৱেই ফিনিক্সত নৈতিক উৎকৰ্ষৰ শ্ৰেষ্ঠ দিন ।

একবিংশ অধ্যায়

বিপৰীত সোঁত

ফিনিক্সৰ এই উপনিবেশ মই প্ৰতিষ্ঠা কৰা স্বত্বেও মই তাত মাজে সময়েহে থাকিবলৈ সমৰ্থ হৈছিলো। এই কথাষাৰৰ বাবে মোৰ সদায় বেজাৰ হৈছিল বেৰিষ্টাৰিবপৰা লাহে লাহে আঁতৰি ফিনিক্সত হাতৰ কাম কৰি জীৱিকা উপাৰ্জ্জন কৰি এই উপনিবেশৰ সাৰ্থকতাত আনন্দ লভা মোৰ প্ৰথম ভাব আছিল কিন্তু সেই কথা ঘটিব পৰা নাছিল। মোৰ জীৱনত এয়েই অভিজ্ঞতা হৈছে যে মানুহে যিবোৰ কাম কৰিম বুলি সংকল্প কৰে, ঈশ্বৰে সেইবোৰ সকলো লুটিযাই দিয়ে। কিন্তু সত্যৰ অন্বেষণেই হৈছে চৰম লক্ষ্য। আমাৰ বৰ্ত্তমান সংকল্পবোৰ যিমানেই ব্যৰ্থ হওক, তাৰ ফল কেতিয়াও অনিষ্টকাৰী হোৱা নাই, বৰঞ্চ বহুতো সময়ত আশা কৰাতকৈ ভাল হৈছে, মোৰ এয়েই অভিজ্ঞতা। ফিনিক্সৰ আকস্মিক ঘটনা বোৰ কেতিয়াও অনিষ্টজনক নাছিল, যদিও সেইবিলাক আমি আশা কৰাতকৈ ভাল হৈছে বুলি কব নোৱাৰো। সকলোৱে যাতে পৰিশ্ৰমেৰে জীৱিকা উপাৰ্জন কৰিব পাৰে তাৰ বাবে প্ৰেছৰ চাৰিও কাষৰ মাটি গাইপতি তিনি একৰকৈ সকলোকে ভগাই দিয়া হৈছিল। ইয়াৰে এটা ভাগ মই পাইছিলো। এইবিলাক মাটিত আমি টিনপাতেৰে ঘৰ সাজি ললো। খেৰেৰে কেচা ঘৰ নাইবা সাধাৰণ খেতিয়কৰ দৰে ইটাৰ ঘৰ সজা আমাৰ ইচ্ছা আছিল, কিন্তু সেইটো নহল। খেৰৰ ঘৰত বৰ খৰচ আৰু সময়ো লাগে সৰহ; ইফালে আমাৰ প্ৰত্যেকৰেই সোনকালে থিতাপী হৈ বহাৰ মন।

তেতিয়াও মনছুখলাল নজৰ কাকতৰ সম্পাদক আছিল। তেওঁ আমাৰ স্কীমত মান্তি হোৱা নাছিল দেখি ডাৰবানতেই আছিল। তাত

আমাৰ এটা ব্ৰাঞ্চ অফিছ্ আছিল । যদিও আমাৰ দৰ্মহা পোৱা কম্পজিটৰ আছিল, তথাপিও এই উপনিবেশৰ সকলোৱে কম্পোজৰ কাম শিকা আমাৰ উদ্দেশ্য আছিল । ছপাখনাৰ কামৰ ভিতৰত সবাতকৈ আমনি লগা হলেও কম্পোজৰ কামেই সবাতকৈ উজু কাম আছিল । যিবিলাকে এতিয়াও এই কাম জনা নাছিল, তেওঁলোকে ততালিকে শিকি পেলালে, মই শেষলৈকে এই বিষয়ে মুৰ্খ আছিলো। আৰু মগনলালে সকলোকে এই কামত চেৰ পেলালে । তেওঁ যদিও কেতিয়াও প্ৰেছত কাম কৰা নাছিল, তথাপিও অলপতে তেওঁ নিপুণ কম্পোজিটৰ হল আৰু কম্পোজ কৰাত তেওঁ কেৱল খৰ হোৱা নাছিল, সোনকালে প্ৰেছৰ অন্যান্য কামো আয়ত্ত কৰি পেলালে । মই সদায় ভাৱি আহিছো যে তেওঁ নিজৰ ক্ষমতা কিমান আছে তাৰ জোখ নাপায । আমি থিতাপী হৈ বহালৈকে ঘৰ-দুৱাৰবোৰ সজা শেষ হোৱা নাছিল, এনেতে মই নিজৰ নতুন পজা ঘৰ এৰি জোহানছবাৰ্গলৈ যাব লগীয়া হল । বহুত দিনলৈকে ইয়াৰ কাম কাম পেলাই থোৱা মোৰ অৱস্থা নাছিল ।

জোহানছবাৰ্গ লৈ আহি মিঃ পোলকক মোৰ পৰিবৰ্ত্তনৰ কথা জনালো । তেওঁ দিয়া কিতাপখনৰপৰা মোৰ এইখিনি কাম হোৱা দেখি তেওঁ বৰ ৰং পালে। 'আপোনাৰ এই নতুন উদ্যোগত ময়ো ভাগ লোৱা সম্ভৱ হবনে ?' বুলি তেওঁ মোক সুধিলে । 'নিশ্চয়' বুলি উত্তৰ দিলো । 'আপুনি ইচ্ছা কৰিলে আমাৰ উপনিবেশত যোগ দিব পাৰে' । 'মোক সোমাবলৈ দিলে মই সাজু আছো' বুলি তেওঁৰ উত্তৰ হল । তেওঁৰ এই দৃঢ় সংকল্প দেখি মোৰ মন আপ্লুত হল । 'ক্ৰিটিক' বোলা কাকতখনৰ পৰা কাম এৰিবলৈ বুলি প্ৰধান সম্পাদকক তেওঁ এমাহৰ জাননী দিলে আৰু যথাসময়ত ফিনিক্স পালেগৈ । তেওঁ অমায়িকতাৰে সকলোৰে হিয়া জয় কৰি সোন-কালে আমাৰ পৰিয়ালৰ এজনৰ দৰে হল । আড়ম্বৰহীন হৈ থকাত তেওঁ

এইদৰে অভ্যস্ত আছিল যে ফিনিক্সত থাকিবলৈ অসুবিধা পোৱা দূৰৰ কথা, মাছে পানি পোৱাৰ দৰে তেওঁ ফিনিক্সত মিলি পৰিল। কিন্তু মই তেওঁক সৰহ দিন তাত থব নোৱাৰো। মিঃ ৰিচে বিলাতলৈ গৈ আইন পঢ়াৰ সকল্প কৰিলে আৰু অকলসৰীয়া কৈ অফিছ চলোৱাৰ বোজা লোৱাটো মোৰ পক্ষে অসাধ্য আছিল। সেইবাবে পোলকক অফিছত সোমাই এটৰ্নী হবলৈ শিক্ষা লবলৈ কলো। মই ভাবিছিলো যে আমি দুয়ো ফিনিক্সত বহিমগৈ, কিন্তু সেইটোও ঘটিবলগীয়া নাছিল। পোলক এনে এজন বিশ্বাসপৰায়ণ বন্ধু আছিল যে তওঁ যাক বিশ্বাস কৰে, তেওঁৰ লগত তৰ্ক নকৰাকৈ মতত মিলে। তেওঁ মোলৈ লিখিলে যে যদিও তেওঁ তাত থাকিবলৈ ভাল পাইছে আৰু এই উপনিবেশৰ বিকাশ সম্পৰ্কে বহুত আশা ৰাখে, তথাপিও মোৰ কথামতে আমাৰ দুয়োৰো আদৰ্শ সিদ্ধি হব বুলি যদি মই ভাবো তেন্তে ফিনিক্স এৰি তেওঁ অফিছত সোমাই এটৰ্নীৰ কাম শিকিব পাৰে। এই চিঠি-খনত ৰং পালো। পোলকে ফিনিক্স এৰি জোহানছবাগলৈ আহি 'আৰ্টিকল' চহি কৰি মোৰ এটৰ্নীৰ কামত সোমাল।

সেই সময়তেই এজন স্কচ থিয়ছফিষ্ট এজনক স্থানীয় এটা আইন পৰীক্ষাত মই সহায় কৰিছিলো। তেওঁকো পোলকৰ দৃষ্টান্ত অনুসৰণ কৰিবলৈ কোৱাত তেওঁ আৰ্টিকল ক্লাৰ্ক হৈ সোমাল। তেওঁৰ নাম হৈছে মিঃ ম্যেকইনটায়াৰ।

এইদৰে ফিনিক্সত জীৱনৰ আদৰ্শ সাধনাত লাগি থকা এৰি এটা বিপৰীত সোঁতত মই পৰিলো, আৰু ঈশ্বৰে সহায় নকৰা হলে মই জালত বন্দী হলো হেঁতেন।

এইবিলাক কথা কবলৈ আৰু কেইবাটোও অধ্যায়ৰ প্ৰয়োজন।

দ্বাবিংশ অধ্যায়

ফিনিক্সৰ উপনিবেশ

সোনকালে ভাৰতবৰ্ষলৈ উলটি অহাৰ আশা মই এতিয়া এৰিলো। মই এবছৰৰ ভিতৰত উলটি আহিম বুলি মোৰ ভাৰ্য্যাক প্ৰতিশ্ৰুতি দিছিলো। বছৰটো শেষ হল, তথাপিও সোনকালে উলটিবৰ এবো আশা নহল। সেইবাবে তেওঁলোকক তালৈকে নিয়া মই স্থিৰ কৰিলো। দক্ষিণ আফ্ৰিকালৈ যাওঁতে জাহাজত কাপ্তানৰ লগত ওমলোতে মোৰ তৃতীয় পুত্ৰ ৰামদাসৰ হাত খন ভাগিল। কাপ্তানে তেওঁৰ বৰ তত্তাৱধান লৈছিল আৰু জাহাজৰ ডাক্তৰৰ হতুৱাই ভালকৈ চোৱাইছিল। সেইবাবে ৰামদাসে জাহাজৰ পৰা নামোতে হাতখন 'শ্লিঙ'ত বান্ধি থোৱা অৱস্থাত নামিবলগীয়া হল। আমি ঘৰ পোৱা মাত্ৰে এজন ভাল ডাক্তৰক দেখুৱাব লাগে বুলি জাহাজৰ ডাক্তৰজনে কৈ পঠাইছিল। কিন্তু এই সময় আছিল মাটিৰ চিকিৎসাত মোৰ অগাধ বিশ্বাসৰ সময়। আন কি, মোৰ কিছুমান মক্কেলকো—মোৰ বেজালিত যিবিলাকৰ বিশ্বাস আছিল, মোৰ মাটি আৰু পানী চিকিৎসা লবলৈ বুজাই মান্তি কৰাইছিলো। এতিয়া ৰামদাসক মই কি কৰো , তাৰ বয়স তেতিয়া ৮ বছৰ। মই তাৰ ঘা ধুৱাই দিলে হবনে বুলি মই ৰামদাসক সুধিলো। সিও হাঁহি মাৰি হব বুলি কলে। সেই বয়সত তাৰপক্ষে কোনটো ভাল, এই কথাষাৰ বিচাৰ কৰা সম্ভৱ নাছিল। কিন্তু বেজালি আৰু চিকিৎসকৰ চিকিৎসাৰ পাৰ্থক্য কি তাক সি বেছকৈ বুজি পাইছিল। মোৰ ঘৰুৱা চিকিৎসাৰ অভ্যাস আছিল বুলি সি জানিছিল আৰু মোৰ ওপৰতো তাৰ যথেষ্ট বিশ্বাস আছিল। মনত নানাবিধৰ শঙ্কা আৰু ভয় লৈ 'বেণ্ডেজ' খুলিলো, আৰু তাত মাটিৰ 'পুল্টিছ' দি পুনৰ বান্ধি থলো। এইদৰে

এমাহমান বেণ্ডেজ কৰাত ঘা, সম্পূৰ্ণৰূপে শুকাল। জাহাজৰ ডাক্তৰজনে কোনোমতে ডাক্তৰী চিকিৎসাত যিমান দিনৰ ভিতৰত ঘা শুকালহেঁতেন, এতিয়াও সেই সময়তকৈ সৰহদিন লোৱা নাছিল।

এইটো আৰু অন্যান্য পৰীক্ষাত ঘৰুৱা চিকিৎসাত মোৰ বিশ্বাস বাঢ়িল আৰু এতিয়া নিজৰ ওপৰত বিশ্বাস দৃঢ় হোৱাত এনেবিধৰ চিকিৎসাত লাগিলো। এতিয়া এই প্ৰণালীৰ ব্যৱহাৰ আৰু অলপ বহলালো। ঘা, জ্বৰ, ডিছপেপছিয়া, জনডিছ আৰু অন্যান্য বেমাৰতো মাটি আৰু পানীৰ চিকিৎসা আৰু উপবাস কৰোৱা নিয়ম ব্যৱহাৰ কৰি সৰহভাগতেই ভাল ফল পালো। কিন্তু দক্ষিণ আফ্ৰিকাত এই চিকিৎসাত মোৰ যিমান বিশ্বাস আছিল, এতিয়া সিমান নাই। আৰু অভিজ্ঞতাৰ পৰা বুজিছো যে ইয়াত বহুতো বিপদ আছে। এই চিকিৎসাৰ কৃতকাৰ্য্যতা দেখুৱাবলৈকেই ইয়াৰ উল্লেখ কৰা হোৱা নাই। কোনো এটা পৰীক্ষাত সম্পূৰ্ণ কৃতকাৰ্য্যতা মই দাবী কৰিব নোৱাৰো। আন কি, ডাক্তৰেও এনে দাবী কৰিব নোৱাৰে। যি এইদৰে নতুন প্ৰণালীৰ পৰীক্ষা কৰিবলৈ বিচাৰে, তেওঁ পোনতে নিজতেই আৰম্ভ কৰে যেন, তাকে বুজোৱাই মোৰ উদ্দেশ্য। ইয়াৰ দ্বাৰা সত্য কোনটো তাক সোনকালে উলিয়াব পাৰি। আৰু ঈশ্বৰে সাধুসংকল্পেৰে সবল মনেৰে পৰীক্ষা কৰা লোকক সদায় সহায় কৰে। এনেবিধৰ চিকিৎসা প্ৰণালীৰ পৰীক্ষাৰ দৰে য়ুৰোপীয়সকলৰ লগত ঘনিষ্ঠ সম্পৰ্ক বিপজ্জনক আছিল। কেৱলমাত্ৰ ইয়াত বিপদবোৰ পাৰ্থক্য আছিল। কিন্তু তেওঁ-লোকৰ লগতে ঘনিষ্ঠ সম্পৰ্ক কৰোতে মই কেতিয়াও বিপদৰ কথা ভবা নাছিলো। পোলকক মোৰ লগত থাকিবলৈ মাতিলোঁ আৰু আমি দুয়ো সহোদৰ ভাইৰ দৰে বাস কৰিবলৈ ধৰিলো। কেই বছৰমানৰপৰা মিছেছ পোলকৰ লগত তেওঁৰ বিয়া ঠিক হৈ আছিল ; পাছে বিয়া স্থগীত ৰখা

হৈছিল। বিয়া বাৰু কৰাই থিতাপী হৈ বছাৰ পূৰ্ব্বতে কিছু টকা সঞ্চয় কৰাৰ ভাব মিঃ পোলকৰ আছিল বুলি মনত হয়। মোতকৈ ৰাস্কিনক তেওঁ বেছি চিনিপাইছিল। কিন্তু তেওঁৰ পাশ্চাত্য জীৱন আৰু পাৰিপাৰ্শ্বিক অৱস্থাবোৰে ৰাস্কিনৰ আদৰ্শ কামত লগোৱাত বিঘিনি জন্মাইছিল। কিন্তু মই তেওঁক এইদৰে বুজালোঁ—"যেতিয়া হৃদয়ৰ মিলন হয়, যেনে তোমাৰ, তেতিয়া আৰ্থিক অৱস্থাৰ বাবে বিয়া পাছ হোঁহোকাই থোৱা ভাল নহয়। দাৰিদ্ৰ্যতা প্ৰতিবন্ধক হলে দুখীয়া মানুহে বিয়া নকৰিলেহেতেন। বিশেষকৈ তুমি মোৰ লগত আছা, তোমাৰ ঘৰুৱা খৰচৰ কথা ভাবিব নালাগে। তুমি যিমান সোনকালে পাৰা বিয়াখন পাতা।" মই পূৰ্ব্বেই কৈছোঁ যে পোলকক মই এটা কথা দুবাৰ কোৱাৰ একো প্ৰয়োজন নাছিল। তেওঁ মোৰ যুক্তি বুজি পালে আৰু ততালিকে মিছেছ্ পোলকৰ লগত চিঠি লিখা-লিখি আৰম্ভ কৰিলে। মিছেছ্ পোলক তেতিয়া ইংলণ্ডত আছিল। তেওঁ ততালিকে প্ৰস্তাৱ গ্ৰহণ কৰিলে আৰু কেইমাহ মানৰ মাজতেই জোহানছ্বাৰ্গ পালেহি। বিয়াত খৰচৰ কথা ভাবিব লগা হোৱা নাছিল, কাৰণ স্বকীয়া পোছাক অপ্ৰয়োজনীয় বুলি ধৰা হৈছিল। ইয়াৰ বাবে কোনো ধৰ্ম্মগত অনুষ্ঠানৰ প্ৰয়োজন নাছিল। পোলক আছিল খ্ৰীষ্টান আৰু মিছেছ্ পোলক আছিল ইহুদী। তেওঁলোকৰ ধৰ্ম্ম হৈছে সাধাৰণ ধৰ্ম্মনীতি।

এই বিয়া সম্পৰ্কে এটা আমোদজনক ঘটনাৰ কথা মই উল্লেখ কৰিব পাৰো। ট্ৰান্সভালত যুৰোপীয়ৰ বিয়া ৰেজেষ্ট্ৰী কৰোতাজনে কলা আৰু বগাৰ মাজত হোৱা বিয়া ৰেজেষ্ট্ৰী কৰিব নোৱাৰে। এই বিয়াত ময়েই দৰা-ধৰা আছিলো। কোনো যুৰোপীয় বন্ধুক ইয়াৰ বাবে পোৱা নগলহেঁতেন বুলি কব নোৱাৰো , কিন্তু পোলক এই কথাষাৰৰ বিৰোধী আছিল। সেইবাবে আমি তিনিওজন বিয়াৰ ৰেজিষ্ট্ৰাৰৰ

ওচৰলৈ গলো। যিখন বিয়াত মই দৰা-ধৰা সেইখন বিয়া যে বগাৰেই হৈছে তাত তেওঁ কেনেকৈ নিঃসন্দেহ হব পাৰে? তদন্ত নকৰালৈকে বিয়াখন পাছু হোঁহোকাবলৈ তেওঁ কলে। তাৰ পাছু দিনা 'খ্ৰীষ্টমাছ' আৰু এনে এটা সামান্য চেলুত ইমান দিনবপৰা পাঙি থোৱা বিয়াখন পাছু হোঁহোকাই দিয়া সহ্য কৰাটো টান। ৰেজিষ্ট্ৰেশ্যন বিভাগৰ মেজিষ্ট্ৰেটজনক মই চিনি পাইছিলো। সেইবাবে এওঁলোক দুয়োকো নি তেওঁৰ সমুখত উপস্থিত কৰিলো। তেওঁ হাঁহিলে আৰু ৰেজিষ্ট্ৰাৰলৈ এখন চিঠি লিখি পঠালে আৰু অৱশেষত বিয়াখন নিয়ম-মতে ৰেজেষ্ট্ৰী হল।

এতিয়ালৈকে যিসকল যুৰোপীয় মোৰ লগত আছিল, তেওঁলোকক আগৰ পৰা মই অলপ অচৰপ চিনি পাইছিলো। কিন্তু এতিয়া এজন ইংৰাজ মহিলা-যি গৰাকী মোৰ বাবে সম্পূৰ্ণ আচহুৱা, তেওঁ মোৰ পৰিয়ালত থাকিবহি। নতুনকৈ বিয়া হোৱা এই দম্পতিৰ লগত মোৰ মনোমালিন্য হোৱাৰ কথা মনত নপৰে—যদিও মিছেছ্ পোলক আৰু মোৰ ঘৈণীৰ মাজত অলপ মনোবাদ হৈছিল। কিন্তু বৰ ভালকৈ চলোৱা পৰিয়ালৰ মাজতো এনে-বিধৰ ঘটনা হয়। মোৰ ঘৰত নানা ৰকমৰ মানুহ আছিল। ধানটোৰে পতি মনটো মানুহটোৰে পতি মনটো, এনেবিধৰ বহুতো লোকক মোৰ ঘৰত থাকিবলৈ দিয়া হৈছিল এই কথাষাৰ সকলোৰে মনত ৰখা উচিত। যেতিয়া আমি এই কথাষাৰ ভাবো, তেতিয়া সকলো ভেদ-ভেদকাল্পনিক বুলি মনত হয়। আমি সকলো যেন একে পৰিয়ালৰ মানুহ।

এই অধ্যায়টোতেই মিঃ ৱেষ্টৰ বিয়া খনৰ কথাও কৈ থোৱা ভাল। এই সময়লৈকে ব্ৰহ্মচৰ্য্যৰ ভাব মোৰ মনত পৰিপক্ক হোৱা নাছিল। আৰু সেইবাবে মোৰ সকলো আবিয়ৈ বন্ধুৰ বিয়া পাতি দিয়া মই বৰ ভাল পাইছিলো। যেতিয়া সময়মতে ৱেষ্ট লাউথল পিতৃ-মাতৃক দেখা কৰি-

বলৈ গল, তেতিয়া সম্ভৱ হলে বিয়া-বাৰু কৰাই উলটিবলৈ কলো। ফিনিক্সেই হৈছে আমাৰ সকলোৰে ঘৰ, আৰু আমি তাত খেতিয়কৰ দৰে থাকিম বুলি ভাবিছিলো। আমি বিয়া আৰু তাৰ আনুষঙ্গিক ফললৈ ভয় কৰা নাছিলো। মিঃ ৱেষ্টেও মিছেছ্ ৱেষ্টক লৈ উভাটিল—মিছেছ্ ৱেষ্ট লীষ্টাৰৰ এগৰাকী বৰ ধুনীয়া তিৰুতা আছিল। লীষ্টাৰৰ কাৰখানাত কাম কৰা মুচিয়াৰৰ পৰিয়ালত তেওঁৰ জন্ম। আৰু তেওঁৰ কাৰখানাৰ কামত অভিজ্ঞতা আছিল। মই তেওঁক ধুনীয়া বুলি কৈছো, কাৰণ তেওঁৰ নৈতিক সৌন্দৰ্য্যই মোক তেওঁলৈ আকৃষ্ট কৰিছিল। হৃদয়ৰ পৱিত্ৰতাত প্ৰকৃত সৌন্দৰ্য্য পোৱা যায়। মিঃ ৱেষ্টৰ লগত তেওঁৰ শাহুৱেকো আছিল। বুঢ়ী এতিয়াও জীয়াই আছে। তেওঁ পৰিশ্ৰম আৰু উদ্যমত আমাকো চেৰ পেলালে।

যিদৰে এইকেইজন যুৰোপীয় বন্ধুক বিয়া কৰাবলৈ মান্তি কৰাইছিলো, সেইদৰে ভাৰতীয় বন্ধুসকলকো ঘৰৰপৰা লৰা-তিৰোতা আনিবলৈ মই উৎসাহ দিছিলো। এইদৰে ফিনিক্স এখন সৰু সুৰা গাৱঁত পৰিণত হল, তাত ৩৩ টামান পৰিয়াল বহিলহি।

ত্ৰিবিংশ অধ্যায়

সাংসাৰিক জীৱনত ভুমুকি

আমাৰ ঘৰুৱা খৰচ বৰ সৰহ হলেও ডাবৰানত থাকোতেই আড়ম্বৰহীনতালৈ আমাৰ ধাউতি হোৱাটো ইয়াৰ পূৰ্ব্বৰ অধ্যায়তেই সকলোৱে পাইছে। কিন্তু ৰাস্কিনৰ কিতাপ মতে জোহান্সবাৰ্গৰ ঘৰটোৰ বহুতো সংস্কাৰ কৰি লব লগীয়া হল। ৰেৰিষ্টাৰৰ ঘৰত যিমানখিনি সম্ভৱ, সিমান-

খিনিলৈকে বাহ্যিক আড়ম্বৰ ত্যাগ কৰা মই স্থমুৰালোঁ। কিন্তু কিছু-মান বহা-মেলাৰ সজুলি নহলে অসম্ভৱ। পৰিবৰ্ত্তনটো বাহ্যিকতকৈ আন্তৰিক হৈছিল। শাৰীৰিক কাম সকলো নিজে কৰিবলৈ ধাউতি বাঢ়িল। সেই বাবে লৰাহঁতক এই নিয়মৰ ভিতৰত ডাঙৰ কৰাত লাগি-লোঁ। ৰুটিৱালাৰ ৰুটি কিনাতকৈ আমি Kuhne ৰ কিতাপত দিয়া পদ্ধতি মতে ঘৰতেই ৰুটি কৰিবলৈ ধৰিলোঁ। সাধাৰণ মিলৰ ময়দা ইয়াৰ বাবে ভাল নাছিল, সেই বাবে হাতেৰে মৰা আটা হলে ব্যয়সঙ্কোচ হয় আৰু স্বাস্থ্যৰ পিনৰ পৰা ভাল বুলি আমি ভাবিলো। ৭ পাউণ্ড দি এখন হাতৰ যাঁত কিনিলো। তাৰ লোৰ চকাটো এজন মানুহে ঘূৰোৱা টান, কিন্তু দুজনে অনায়াসে ঘূৰাব পাৰে। পোলক আৰু মই লৰা-হঁতৰে সৈতে সাধাৰণতে সেইটো ঘূৰাইছিলো। মিছেছ্ গান্ধীয়ে মাজে সময়ে সহায় কৰিছিল, যদিও যাঁত ঘূৰোৱা সময়তেই তেওঁৰ ৰান্ধনি ঘৰৰ কাম পৰিছিল। এইখিনি পাই মিছেছ্ পোলকেও আমাৰ লগ ললে। এইদৰে যাঁত ঘূৰোৱা কামটো লৰাহঁতলৈ বৰ উপকাৰী ব্যায়ামৰ দৰে হল। ইয়াৰ বাহিৰে লৰাহঁতক অন্য একো কাম দিয়া হোৱা নাছিল। মাজে মাজে যাঁত ঘূৰোৱাত সহায় কৰাটো লৰাহঁতলৈ এটা ধেমালিৰ বষয় হৈছিল আৰু ভাগৰিলেই এৰি যাবলৈ সিহঁতক দিয়া হৈছিল। সকলো লৰাই—যিসকলক ইয়াৰ পাছত লাহে লাহে এই আখ্যানত পৰিচয় দি স্থমুৰামহি, তেওঁলোক সকলোৱেই মোৰ কথা কেতিয়াও পেলোৱা নাছিল। সেইবাবে যে এই লৰাৰ দলত কোনো এলেহুৱা নাছিল এনে নহয়, কিন্তু সৰহভাগেই ৰংমনেৰে কাম কৰিছিল। তাৰে কেইজন-মান সৰু সৰু লৰাই কাম দেখি ভয় খোৱা, নাইবা ভাগৰাৰ চেলু দেখুৱা, মোৰ এতিয়াও মনত পৰে। ঘৰৰ কাম চাবলৈ আমি এটা চাকৰ ৰাখিছিলো। সি পৰিয়ালৰ এজনৰ দৰেই আমাৰ লগত আছিল। আৰু লৰাহঁতে

তাৰ কামতো সহায় কৰিছিল। মিউনিছিপেলিটীৰ মেতোৰেই পায়-খানাৰ মযলা ছাফ কৰিছিল, কিন্তু ঘৰটো ছাফ কৰা কাম চাকৰৰ হতুৱাই, নাইবা অইনৰ হতুৱাই নকৰাই আমিয়েই কৰিছিলো। এই কামৰপৰা লৰাহঁতে বহুতো শিক্ষা পালে। ইযাৰ ফলত মোৰ লৰাহঁতে মেতোৰৰ কাম কৰিবলৈ ঘিণ নকৰা হল। আৰু সাধাৰণ স্বাস্থ্যনীতি ভালকৈ বুজি পালে। জোহানছবাৰ্গত মোৰ ঘৰত বেমাৰ–আজাৰ হোৱা নাছিল, আৰু কাচিৎ হলেও লৰাহঁতেই সেৱা শুশ্ৰূষা ৰং মনেৰে কৰিছিল। তেওঁলোকক লিখা-খচা শিকাবলৈ যে মই উদাসীন আছিলো এনে নকও, কিন্তু এইখিনি ত্যাগ কৰিবলৈ মই দ্বিধা বোধ কৰা নাছিলো। সেইবাবে লৰাহঁতৰ মোৰ ওপৰত অভিযোগৰ কাৰণ আছে। আৰু বাস্তৱতে তেওঁ-লোকে মাজে সময়ে এনে কথা প্ৰকাশ কৰিছে আৰু এইবাবে কিছু পৰিমাণে মযেই দোষী বুলি স্বীকাৰ কৰোঁ। সাহিত্যত জ্ঞান দিবলৈ মোৰ ইচ্ছা আছিল। আন কি, মাজে সময়ে মই নিজেই পঢ়ুৱাবলৈ যত্ন কৰিছিলো, কিন্তু প্ৰায়েই এটা নহয় এটা, আসোঁৱাহ ঘটিছিল। তেওঁলোকক প্ৰাইভেট কৈ পঢ়ুৱাবলৈ কোনো বন্দৱস্ত নকৰা বাবে মই লৰাহঁতক অফিছলৈ খোজ কাঢ়ি যাবলৈ আৰু উলটি আহিবলৈ মোৰ লগত নিছিলো। অফিছ মোৰ ঘৰৰপৰা ৫ মাইল আঁতৰত। এই কামত মোৰ আৰু তেওঁলোকৰো বেছ ব্যায়াম হৈছিল। বাটেদি খোজকাঢ়ি যাওঁতে মই লৰাহঁতক অইন একো বিষয় নাথাকিলে কথা কৈয়েই শিক্ষা দিবলৈ চেষ্টা কৰিছিলো। সবাতকৈ ডাঙৰ জন হৰিলালৰ বাহিৰে আন কেইজন জোহানছবাগতেই এইদৰেই ডাঙৰ হৈছে। হৰিলাল ভাৰতবৰ্ষত আছিল। বৰ নিয়মিত ৰকমে দিনে এঘণ্টা কৰি লিখা-পঢ়া শিকোৱাত মই সময় দিয়া হলে, মোৰ মনেৰে তেওঁলোকক আদৰ্শ শিক্ষা দিব পাৰিলো হেঁতেন। কিন্তু মোৰ এই

থিনি বেজাৰ থাকিল আৰু তেওঁলোকৰো সেই দৰে বজাৰ থাকিল যে মই তেওঁলোকক লিখা-পঢ়া শিকোৱাত মন দিব নোৱাৰিলো। ডাঙৰ জনাই এই বেজাৰৰ কথা মোৰ ওচৰত ভিতৰুৱাকৈ আৰু কেতিয়াবা বাতৰি কাকততো প্ৰকাশ কৰিছে। আৰু আন তিনি জনে জানিবা মোলৈ মৰম কৰি, মোক ক্ষমা কৰিছে। এই কথাষাৰত মই নিৰুৎসাহ হোৱা নাই। মোৰ বেজাৰ হৈছে মই আদৰ্শ পিতা হব পৰা নাছিলো। কিন্তু মই ভাবোঁ যে মই লৰাহঁতক লিখা-পঢ়া শিকোৱা এৰিছিলোঁ যদিও মোৰ মনত এইটোৱেই সন্তোষ যে মই তেওঁলোকক জনৰ-নেৱাৰ কামত নিযুক্ত কৰিছোঁ। আৰু মোৰ ভুল হলেও মই এই বিশ্বাসেৰেই এই কাম কৰিছিলো। লৰাহঁতৰ চৰিত্ৰগঠনৰ বাবে কি প্ৰয়োজন তালৈ মই আওকাণ কৰা নাছিলো। মোৰ বিশ্বাস প্ৰত্যেক পিতাই এই কাম উচিত মতে কৰিব লাগে। যেতিয়াই মোৰ চেষ্টা স্বত্বেও লৰাহঁত এই কামত প ছু পৰিছে—মোৰ ধ্ৰুব বিশ্বাস যে মোৰ অসাৱধানতাৰ বাবে এনে হৈছে বুলি তেওঁলোকে ভবা নাই, বৰঞ্চ তেওঁ-লোকে পিতৃ-মাতৃৰ সেইবোৰ দোষ উত্তৰাধিকাৰী সুত্ৰে পাইছে বুলিয়েই ধৰিছে।

শাৰীৰিক আকৃতি পিতৃ-মাতৃৰ দৰে হোৱা কথাষাৰ এৰিলেও সন্তানে পিতৃ-মাতৃৰ দোষ-গুণ পায়। পাৰিপাৰ্শ্বিক অৱস্থায়ো বহুতো কাম কৰে, কিন্তু জীৱন আৰম্ভ কৰোতে লৰাহঁতে পিতৃ-মাতৃৰপৰাই [illegible] লৈয়েই আৰম্ভ কৰে। বহুতো সন্তানে পিতৃ-মাতৃৰ দোষৰপৰা নিজক মুক্ত কৰিব পৰা মই দেখিছোঁ। পবিত্ৰতাই আত্মাৰ স্বাভাৱিক ধৰ্ম্ম হোৱাটোৱেই ইয়াৰ কাৰণ।

লৰাহঁতক ইংৰাজী শিক্ষা দিয়াৰ বাঞ্ছনীয়তা সম্পৰ্কে পোলক আৰু মোৰ বৰ তৰ্ক-আলোচনা হৈছিল। যিসকল ভাৰতীয় পিতাই

লৰাইঁতক সৰুৰেপৰা ইংৰাজী শিকায় আৰু ইংৰাজৰ দৰে চিন্তা কৰোৱা শিকায় তেওঁলোকে দেশ আৰু লৰাইঁতৰ লগত প্ৰতাৰণা কৰে মাথোন। এয়েই মোৰ বিশ্বাস। তেওঁলোকে আধ্যাত্মিক আৰু সামাজিক ৰি আদৰ্শ জাতিয়ে বংশ-পৰম্পৰাই পাই আহিছে এইবিলাক সৰুলোৰেপৰা লৰাইঁতক বঞ্চিত কৰে। আৰু দেশ-সেৱাৰ বাবে তেওঁলোকক সেই অনুপাতে অসমৰ্থ কৰে। এইবোৰ বিশ্বাস লৈ লৰাইঁতৰ লগত গুজৰাটীত কথা বতৰা হোৱা মই এটা নিয়ম কৰি আছিলোঁ। পোলকে এই কথাষাৰ ভাল পোৱা নাছিল। লৰাইঁতৰ ভৱিষ্যত মই নষ্ট কৰিছোঁ বুলি তেওঁ ভাবিছিল। ইংৰাজী ভাষাৰ দৰে এটা সাৰ্ব্বজনীন ভাষা লৰাকালৰেপৰা শিকিলে লৰাইঁতে জীৱনৰ বাটত অইনতকৈ বহুতো আগ বাঢ়িব পাৰিব বুলি লৰাইঁতলৈ মৰম দেখুৱাই, তেওঁ বৰ উদ্যমেৰে মোৰ লগত তৰ্ক কৰিছিল। কিন্তু তেওঁৰ কথাত মোৰ বিশ্বাস নহল। মোৰ ধাৰণা যে শুদ্ধ বুলি তেওঁক বুজাব পাৰিলো নে, মোক বৰ আকো গোঁজা দেখি শেহত তেওঁ এই বিষয়ে তৰ্ক কৰিবলৈ এৰি দিলে, মোৰ মনত নাই। ২০ বছৰ পূৰ্ব্বে এই ঘটনা ঘটিছিল। আৰু মোৰ অভিজ্ঞতাৰ লগে লগে এই বিশ্বাস দৃঢ়হে হৈছে। আৰু যদিও লিখা-পঢ়া নিশিকোৱা বাবে মোৰ লৰাইঁতে অলপ লেজাৰ পাইছে, তথাপিও মাতৃ ভাষাত জ্ঞান থকা বাবে তেওঁলোকৰ নিজৰ আৰু দেশৰ উপকাৰ হৈছে। কাৰণ এতিয়া তেওঁলোক বিদেশী হোৱাৰ পৰা ৰক্ষা পৰিছে। বহুতো ইংৰাজ বন্ধুৰ সংস্পৰ্শত আহি আৰু এনে [illegible] দেশত যত ইংৰাজী ভাষাই সাধাৰণতে ব্যৱহাৰ হৈছিল [illegible] দেশত ডাঙৰ দীঘল হোৱা বাবে স্বাভাৱিকতে তেওঁলোকে দুটা ভাষা শিকিছিল, ইংৰাজী লিখিব আৰু অনায়াসে কব পাৰিছিল।

চতুৰ্বিংশ অধ্যায়

জুলু বিদ্ৰোহ

জোহানছবাৰ্গত খিতাপী হৈ বহিছো বুলি মই ভাবিলো যদিও খিতাপী হৈ বহা মোৰ ভাগ্যত নাছিল। শান্তিৰে সময় নিযম বুলি ভাবিছোঁ, এনেতে হঠাৎ এটা আকস্মিক ঘটনা ঘটিল। নেটালত 'জুলু' বিদ্ৰোহৰ কথা বাতৰি কাকতত প্ৰকাশিত হবলৈ ধৰিলে। জুলুসকলৰ বিৰুদ্ধে মোৰ একো অভিযোগ নাছিল। তেওঁলোকে ভাৰতবাসীক একোৰেই অন্যায় কৰা নাছিল, বিদ্ৰোহ সম্পৰ্কে মোৰ সন্দেহ হৈছিল, কিন্তু তেতিয়াও ব্ৰিটিশ সাম্ৰাজ্য জগতৰ মঙ্গলৰ বাবে স্থাপিত হৈছে বুলি মই ভাবিছিলো। মোৰ মনত এটা প্ৰকৃত ৰাজভক্তিৰ ভাৱ থকা বাবে ব্ৰিটিশ সাম্ৰাজ্যৰ হওক এনে এটা ভাব কেতিয়াও হোৱা নাছিল। এই বিদ্ৰোহ হৈছে নে অনুচিত হৈছে এই বিলাক আলোচনা কৰি মোৰ সিদ্ধান্তৰ ব্যৱচৰ কৰা নাছিলোঁ। নেটালত এটা স্বয়ং সেৱক ৰক্ষী-বাহিনী আছিল। আৰু নতুনকৈ ৰিক্ৰুইট লবলৈ তেতিয়াও মুকলি আছিল। এই বাহিনী বিদ্ৰোহ দমনৰ বাবে তালৈ নিয়া হৈছে বুলি বাতৰি কাকতত পঢ়িলো।

নেটালৰ লগত মোৰ ইমান ঘনিষ্ঠ সম্পৰ্ক হোৱাত মই নেটালৰ নাগৰিক বুলি নিজক ভাবিছিলো। সেইবাবে প্ৰয়োজন হলে Indian ambulance Corps গঠন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি গভৰ্ণৰলৈ এখন চিঠিও লিখিলো। মোৰ কথাত মান্তি হৈ তেখেতে তত্তালিকে উত্তৰ দিলে।

জুলু বিদ্ৰোহ

মোৰ কথাত ইমান সোনকালে মান্তি হব বুলি মই ভবা নাছিলো। সৌভাগ্যবশতঃ মই লিখাৰ পূৰ্ব্বেই সকলো দিহা কৰি থৈছিলোঁ। মোৰ কথাত মান্তি হলে জোহানছবাৰ্গৰ ঘৰ তুলি দিবলৈ মই সংকল্প কৰিছিলো। পোলকক এটা সৰু ঘৰ লাগে, আৰু শ্ৰীমতী গান্ধী ফিনিক্সলৈ গৈ থাকিব বুলি স্থিৰ কৰিছিলো। এই বিষয়ত তেওঁৰো সম্পূৰ্ণ মত আছিল। এইবিলাক বিষয়ত তেও মোৰ বাটত বিধি-পথালি দিয়া মোৰ মনত নপৰে। গভৰ্ণৰৰ পৰা যেতিয়াই চিঠি পালো, তেতিয়াই মই ঘৰ এৰিম বুলি থকা ঘৰৰ মালিকক এমাহৰ জাননী দিলো আৰু কিছুমান বস্তু ফিনিক্সলৈ পঠালো আৰু কিছু পোলকৰ লগত এৰিলো।

পাচত ডাৰবানলৈ গৈ মানুহ বিচৰাত লাগিলো। এই কামৰ বাবে এটা ডাঙৰ দলৰ প্ৰয়োজন নাছিল। আমি ২৪ জনৰে এটা দল গঠন কৰিলো, ইয়াৰ মাজত মোৰ বাহিৰে ৪জন গুজৰাটী আছিল। এজন পাঠানৰ বাহিৰে আন সকলো দক্ষিণ ভাৰতৰ 'গিৰ্মিট' শেষ হোৱা চালানী কুলী আছিল।

মোক এটা পদ দি কামৰ সুবিধা কৰিবলৈ প্ৰচলিত নিয়মমতেও চীফ মেডিকেল অফিচাৰ জনে মোক অস্থায়ী 'ছাৰ্জ্জেণ্ট মেজৰ'ৰ পদ দিলে আৰু মই বাছি দিয়া তিনিজনক 'ছাৰ্জ্জেণ্ট আৰু আন এজনক 'কৰপো-ৰেল'ৰ পদ দিলে। আমি গভৰ্ণমেণ্টৰপৰা 'য়ুনিফৰ্ম' পাইছিলো। আমি প্ৰায় ৬ সপ্তাহ কাম কৰিছিলো। বিদ্ৰোহৰ ঠাইলৈ গৈ দেখিলো যে বিদ্ৰোহৰ কথাষাৰ প্ৰমাণ দিবলৈ তাত একোৱেই নাছিল। প্ৰকাশ্যে সিৰ্হতৰ প্ৰতিৰোধৰ ভাৱ একোৱেই দেখিবলৈ পোৱা যোৱা নাছিল। জুলুবিলাকৰ ওপৰত নতুনকৈ বহুৱা এটা কৰ দিয়া বন্ধ কৰিবলৈ এজন জুলু গাওঁবুঢ়াই সকলো লোকক উচটা-ইছিল আৰু এই কৰ তুলিবলৈ যোৱা ছাৰ্জেণ্ট এজনকো হেনো আক্ৰমণ

কৰিছিল ; সেই কাৰণেই এই সামান্য গোলমালকেই জুলু বিদ্ৰোহ বুলি অতিৰঞ্জিত কৰা হৈছিল। যিযেই হওক, জুলুসকলৰ কাৰণেই মোৰ সহানুভূতি আছিল। 'হেডকোৱাটাৰ্চ্চ পোৱাত আমি কেৱলমাত্ৰ আহত জুলুসকলক শুশ্ৰূষা কৰিব লাগিব বুলি কোৱাত মই বৰ ৰং পালো। চাৰ্জত থকা মেডিকেল অফিছাৰজনে আমাক সাদৰি ললে। তেওঁ কলে যে বগাসকলে আহত হোৱা জুলুসকলক স্বইচ্ছাত শুশ্ৰূষা কৰিবলৈ মান্তি নহয়, সেইবাবে তেওঁলোকৰ ঘাবোৰ গেলিব ধৰিছে। এই কাৰণে তেওঁ বৰ বিমোৰত পৰিছে। আমি গৈ পোৱাত এইবিলাক নিৰ্দোষী মানুহৰ কাৰণে আমাক ঈশ্বৰেহে পঠাইছে বুলি তেওঁ ভাবি আমাক সাদৰ অভ্যৰ্থনা জনালে। 'বেণ্ডেজ' বান্ধি দাৱাই আদি দি তেওঁলোকক অস্থায়ী আস্পতাললৈ নিয়া হল। জুলুসকলেও আমাক দেখি বৰ ৰং পালে। বগা ছিপাহীহঁতে বেলিঙৰ স্নৰুঙাই দি মাজে সময়ে ভুমুকিয়াই চাই সিহঁতক শুশ্ৰূষা কৰাবপৰা আমাক বিৰত কৰিবলৈ চেষ্টা কৰি আছিল। আমি সিহঁতৰ কথালৈ মন নিদিলে খঙত জুলুসকলক অকথ্য ভাষাৰে গালি শপনিও পৰিছিল।

লাহে লাহে আমি এইসকল ছিপাহীৰ লগত ঘনিষ্ঠ সম্পৰ্কত আহিলো। আৰু তেওঁলোকে আমাৰ কামত বাধা দিয়া এৰিলে। কমাণ্ডিং অফিছাৰ সকলৰ ভিতৰত কৰ্ণেল স্পাৰ্কছ আৰু বৰ্ণেল ৱাইলী আছিল, এওঁলোকে ১৮৯৬ সনত মোক বৰ বিৰোধ কৰিছিল। মোৰ আও-ভাও দেখি তেওঁলোক বৰ আচৰিত হল। তেওঁলোকে মোক মাতি নি ধন্যবাদ দিলে। আৰু জেনেৰেল ম্যেকেঞ্জীৰ ওচৰলৈ নি মোক চিনাকী কৰি দিলে। এইসকলে সৈনিক বৃত্তি লৈ জীৱিকা উপাৰ্জন কৰা বিধৰ সৈনিক বুলি কোনেও যেন নাভাবে। কৰ্ণেল ৱাইলী ডাৰবানৰ এজন খ্যাতনামা আইন ব্যৱসায়ী আৰু কৰ্ণেল স্পাৰ্কছ এটা বিখ্যাত

কছাইৰ দোকানৰ মালিক, আৰু জেনেৰেল ম্যেকেঞ্জীও নেটালৰ এজন বিখ্যাত খেতিয়ক। এওঁলোক সকলোৱেই স্বয়ং-সেৱক আছিল আৰু এই হিচাপে সামৰিক শিক্ষা লৈছিল।

আমাৰ তত্ত্বাৱধানত থকা আহত লোকসকল যুদ্ধত আহত হোৱা নহয়। তেওঁলোকৰ কিছুমানক সন্দেহ কৰিহে গ্ৰেপ্তাৰ কৰা হৈছিল। আৰু জেনেৰেলে বেতৰ কোব শাস্তি দিয়াৰ আদেশ দিছিল, বেতৰ কোবতেই বৰ সাংঘাতিক ঘা হৈছিল। এইবিলাক ঘা ধুৱাই পখালি দেৱাই নিদিয়া বাবে গেলি পচি যাব ধৰিছিল। আন কিছুমান মিত্ৰ জুলুও আছিল, এওঁলোকক চিনি পাবলৈ সুকীয়া 'বেজ' দিয়া হৈছিল, কিন্তু ছিপাহীহঁতে ভুলতহে গুলিয়াইছিল।

এইবিলাক কামৰ উপৰি ও বগা ছিপাহী সকলৰ বাবে দেৱাই তৈয়াৰী কৰি দিয়াও মোৰ এটা কাম আছিল। মোৰ কাৰণে এইটো উজু কাম আছিল, কাৰণ ডাক্তৰ বুথৰ আস্পতালত এবছৰৰ অভিজ্ঞতা পাইছিলো। এই কামে বহুতো য়ুৰোপীয়ৰ লগত মোক ঘনিষ্ঠ সংস্পৰ্শলৈ আনিছিল।

দ্ৰুতগামী ছিপাহী দল এটাৰ লগতে আমাক লগাই দিয়া হৈছিল। য'ৰপৰাই বিপদৰ বাতৰি পোৱা যায়, ত'লৈকে যাবলৈ এই দলৰ ওপৰত হুকুম আছিল। সাধাৰণতে এই দল ঘোৰ-ছোৱাৰী আছিল। আমাৰ বাহৰ আতৰালেই, আমিও খোজকাঢ়ি পিঠিত 'ষ্ট্ৰেচাৰ' লৈ পাছে পাছে যাব লাগে। দুবাৰ কি তিনিবাৰ আমি দিনে ৪০ মাইলকৈ খোজ কাঢ়িবলগীয়া হৈছিল। কিন্তু য'লৈকে আমি গৈছো, ত'তেই মানবসেৱাৰ কাম আমি কৰিবলগীয়া হোৱাত মই ভগৱন্তৰ ওচৰত কৃতজ্ঞ। ভুলক্ৰমে আহত হোৱা মিত্ৰপক্ষৰ জুলুসকলক 'ষ্টেচাৰ'ত কেম্পলৈ কঢ়িয়াই নিয়া নাৰ্ছৰ দৰে সেৱা-শুশ্ৰূষা কৰাই আমাৰ কাম আছিল।

পঞ্চবিংশ অধ্যায়

অন্তৰৰ প্ৰশ্ন

জুলু বিদ্ৰোহত মোৰ বহুতো নতুন অভিজ্ঞতা জন্মিল আৰু এই ঘটনাত বহুতো চিন্তাৰ বিষয় পালো। জুলু বিদ্ৰোহৰ দৰে বুৱৰ যুদ্ধই ! যুদ্ধৰ ভীষণতা সম্পৰ্কে মোৰ মনত দকৈ সাঁচ পেলাব পৰা নাছিল। এইখন যুদ্ধ হোৱা নাছিল—কেবল মানুহ চিকাৰ হে হৈছিল। এইটো কেৱল মোৰ মত নহয়, বহুতো ইংৰাজে—যি সকলৰ লগত এই সম্পৰ্কে কথা হবলৈ মোৰ সুযোগ ঘটিছিল, তেওঁলোকেও এই বুলি কৈছিল। সদায় পুৱাতে আতস বাজীৰ ফটকা ফুটা দি নিৰ্দ্দোষী জুলুসকলৰ ঘৰত বন্দুকৰ গুলি বৰ্ষণ আৰু এইবিলাকৰ মাজত মই ; তাত থকাটোৱেই মোৰ পক্ষে অগ্নি পৰীক্ষা হৈছিল। কিন্তু এই তিতা বিষাক্ত পানী ঢোক মই গিলিলো, কাৰণ মোৰ সেৱক দল আহত হোৱা জুলু—সকলৰ সেৱাৰ কাৰণেই ছিপাহীৰ লগত আছিল। আমি নোহোৱা হলে জুলুসকল অযত্নত পৰি থাকিল হেঁতেন বুলি পূৰ্ব্বেই বুজিছিলো। বিবেক-বিৰোধী কামত লাগিব লগীয়া হোৱাত মোৰ মনত যি ভাৱৰ গোট খাইছিল, সেই ভাৱৰ এই কামেই মুকলি কৰিলে।

কিন্তু ইয়াৰ উপৰিও বহুতো ভাৱ মোৰ মনলৈ আহিছিল। এই অঞ্চলত লোকসংখ্যা কম। পৰ্ব্বতত আৰু ভৈয়ামত মাজে মাজে কোনো কোনো ঠাইত তথাকথিত 'অসভ্য' জুলুসকলৰ গাওঁ। এই বিলাক ঠায়েদি আহত জুলুক কান্ধত লৈ, নাইবা অকলে খোজ কাঢ়ি যাওঁতে মই মাজে সময়ে গভীৰ চিন্তাত বুৰ গৈছিলোঁ।

ব্ৰহ্মচৰ্য্য আৰু ইয়াৰ অৰ্থ সম্পৰ্কে মই ভাবত মগ্ন হৈছিলোঁ। এই সময়তেই মোৰ বিশ্বাসবোৰ দৃঢ়কৈ শিপাবলৈ সুবিধা পালে। মোৰ সহকৰ্ম্মীসকলৰ লগত এই সম্পৰ্কে পাছত আলোচনা কৰিছিলোঁ। আত্মাক উপলব্ধি কৰিবলৈ হলে ব্ৰহ্মচৰ্য্য যিদৰে অপৰিহাৰ্য্য, এই কথাষাৰ তেতিয়াও মই বুজি পোৱা নাছিলোঁ। মন প্ৰাণ দি মানৱ-সেৱাত জীৱন নিয়াবলৈ কোনোবাই আকাংক্ষা কৰিলে ব্ৰহ্মচৰ্য্য নহলে নোৱাৰি। যি সেৱাৰ কামত মই লাগিছোঁ, সেই কামত মোৰ আৰু ভালকৈ লাগিব লগীয়া হব বুলি মই বুজি পাইছিলোঁ। আৰু মই পাৰিবাৰিক জীৱনৰ সুখত মগ্ন হৈ থাকিলে আৰু লৰা ছোৱালী জন্ম দি ডাঙৰ দীঘল কৰা কামত লাগি থাকিলে মোৰ কৰ্ত্তব্যলৈ অনুপযুক্ত হম বুলি বেছকৈ বুজি পাইছিলোঁ।

মুঠতে কবলৈ গলে ৰক্ত-মাংস শৰীৰৰ সেৱা আৰু আত্মাৰ সেৱা, দুয়োটা একে লগে নচলে। মোৰ ঘৈণী অন্তঃসত্ত্বা হোৱা হলে, এই ক্ষেত্ৰ-তেই অৰ্থাত জুলু বিদ্ৰোহৰ সময়ত সেৱক-দল গঠন কৰা কামত, মই লাগিব নোৱাৰিলো হেঁতেন। ব্ৰহ্মচৰ্য্য পালন নকৰিলে, পৰিবাৰ সেৱাৰ কাম সমাজ-সেৱাৰ কামৰ লগতে খাপ খুৱাব নোৱাৰি। ব্ৰহ্মচৰ্য্য পালন কৰিলে দুয়োটাক খাপ খুৱাব পাৰি।

এইদৰে ভাবি শেষ সিদ্ধান্ত লৈ ব্ৰত লবলৈ মই অধৈৰ্য্য হলোঁ। এই ব্ৰত লোৱাৰ আশাত মোৰ মনলৈ এটা আনন্দৰ ভাব আহিল। মনলৈ কত ৰকমৰ কল্পনা আহিবলৈ ধৰিলে। সেৱাৰ কাৰ্য্যক্ষেত্ৰৰ অনন্ত পথ মোৰ মানসিক দৃষ্টিত গোচৰ হল।

মই যি সময়ত এইদৰে শাৰীৰিক আৰু মানসিক কামৰ বোজাত ব্যস্ত, তেতিয়া এদিনা খবৰ আহিল যে বিদ্ৰোহ' দমন কৰা কাম অন্ত পৰিছে আৰু আমাক এৰি দিয়া হব। এই বাতৰিটো আমি শুনাৰ এদিন কি দুদিনৰ পাছতেই আমাক এৰি দিয়া হল আৰু কেইদিনমানৰ পাচতেই

আমি উলটি ঘৰ পালোহি। ইয়াৰ কিছুদিনৰ পাছতেই আমাৰ এম্বুলেন্স কোৰ'ৰ কাম শলাগি গভৰ্ণৰৰপৰা এখন চিঠি পালো।

ফিনিক্স পাই এদিনা ধেমালিৰ ছলেৰে মগনলাল, চোগনলাল আৰু মিঃ ৱেষ্টকে আদি কৰি মোৰ সহকৰ্ম্মী সকলৰ লগত ব্ৰহ্মচৰ্য্যৰ বিষয়ে কথা হলো। তেওঁলোকে মোৰ ভাবটো ভাল পালে, আৰু এনেবিধৰ প্ৰতিজ্ঞা লোৱাৰ প্ৰয়োজনীয়তা আছে বুলি স্বীকাৰ কৰিলে, কিন্তু তেওঁলোকেও মোৰ দৰে ইয়াৰ বাটত থকা বিঘিনিবোৰ মোক জনালে। কেইজনমানে সাহেৰে ব্ৰহ্মচৰ্য্য পালন কৰিব বুলি গাতো ললে আৰু মই জনা মতে তেওঁলোকে কৃতকাৰ্য্যও হৈছে।

গোটেই জীৱন ব্ৰহ্মচৰ্য্য পালন কৰিবলৈ মই ব্ৰত ললো। মই যি কাম কৰিবলৈ ওলাইছিলো সেই কামৰ গুৰুত্ব আৰু গভীৰত্ব মই তেতিয়াও সম্পূৰ্ণৰূপে উপলব্ধি কৰা নাছিলো বুলি মই স্বীকাৰ কৰাটো উচিত। এই গুৰুতৰ কামত বিঘিনিবোৰ মোৰ কাৰণে আজিও বৰ্ত্তমান। এই ব্ৰতৰ দায়িত্ব প্ৰতিদিনে মই উপলব্ধি কৰি আছো। ব্ৰহ্মচৰ্য্য-বিহীন জীৱন মোৰ পক্ষে পশুৰ জীৱনৰ দৰে। প্ৰকৃতিৰ ভিতৰত থকা পশু-স্বভাৱে আত্মসংযমৰ ভেটা মানিব নিবিচাৰে। মানুহ আত্মসংযমী হবলৈ সমৰ্থ দেখিয়েই মানুহ হৈ আছে। আমাৰ ধৰ্ম্ম-শাস্ত্ৰত ব্ৰহ্মচৰ্য্যৰ গুণ বখানি যিবোৰ কথা মই পঢ়িবলৈ পাইছিলো, সেইবোৰ অতিৰঞ্জিত ভাষাত গুণকীৰ্ত্তন বুলি আগতে ভাবিছিলোঁ। এতিয়া নিজৰ জীৱনত প্ৰতিদিনে নিজৰ অভিজ্ঞতাৰ পৰা ইয়াৰ একান্ত প্ৰয়োজনীয়তা আৰু বেছি ফটফটীয়াকৈ মই দেখিবলৈ পাইছো।

মই দেখিলো যে ব্ৰহ্মচৰ্য্যৰ ভিতৰত আচৰিত ক্ষমতা বিদ্যমান কিন্তু কামটো সিমান উজু নহয়। আৰু ইয়াৰে শৰীৰৰ সাধনা কৰিব নোৱাৰি। শাৰীৰিক সংযমতেই ব্ৰহ্মচৰ্য্যৰ আৰম্ভ, কিন্তু

হৈয়াতেই তাৰ শেষ নহয়। ব্ৰহ্মচৰ্য্য সাধন কৰিব পাৰিলে অসৎ চিন্তা মনলৈকে নাহে। প্ৰকৃত ব্ৰহ্মচাৰীয়ে শাৰীৰিক সম্ভোগৰ কথা সপোনতো ভাবিব নোৱাৰে। কিন্তু সেই অৱস্থালৈ যাবলৈ বাট বহুতো দীঘল।

মোৰ কাৰণে শাৰীৰিক ব্ৰহ্মচৰ্য্য পালন কৰাই বৰ টান হৈছিল। আজি মই নিজক নিৰাপদ বুলি কব পাৰো, কিন্তু চিন্তাতো সংযম সাধনা কৰিবলৈ এতিয়াও মোৰ বাকী আছে, অথচ এইটো বৰ লাগতিয়াল কথা।

মোৰ পক্ষে চেষ্টা নাইবা, ইচ্ছাৰেই অভাব হৈছে সেইটো নহয়, কিন্তু অবাঞ্ছনীয় চিন্তাবোৰ কৰবপৰা ঘপহ কৰে ওলাই মনক আগুৰি ধৰে, এয়েই মোৰ পক্ষে এতিয়াও সমস্যা হৈছে। অবাঞ্ছনীয় চিন্তাবোৰ মনৰপৰা গুচাবলৈ মানুহৰ হাততেই সঁচাবকাঠি আছে, কিন্তু প্ৰত্যেকেই নিজৰ বাবে এই সঁচাবকাঠি বিচাৰি উলিয়াব লাগিব। সাধু, মনীষী-সকলেও—সিসকলে আমালৈ তেওঁলোকৰ অভিজ্ঞতাবোৰ থৈ গৈছে, আমাক সকলো অৱস্থাতে লগা কোনো এটা সঁচাবকাঠি দি . . . নাই। নিজৰ অভিজ্ঞতাৰ লগে লগেই ভুলৰ পৰা হাত সাৰিব পাৰি, সেইবাবে ভগৱৎ অনুসন্ধিৎসুসকলে তেওঁলোকৰ নিজৰ তপস্যাৰ বল আৰু পবিত্ৰ-তাৰে পূৰ্ণ কৰি ৰামায়ণৰ দৰে মন্ত্ৰ আমালৈ থৈ গৈছে, ভগৱানত আত্ম-সমৰ্পণ নকৰিলে, চিন্তাক সম্পূৰ্ণতে দমন কৰিব নোৱাৰি। এয়েই হৈছে সকলো ধৰ্ম্মশাস্ত্ৰৰ শিক্ষা। আৰু ব্ৰহ্মচৰ্য্য সাধনৰ বাটত আগবাঢ়োতে দিনৌ মই এই কথাষাৰকে উপলব্ধি কৰি আছো।

ব্ৰহ্মচৰ্য্য সাধনৰ বুৰঞ্জী অংশতঃ ইয়াৰ পাছৰ অধ্যায় কেইটাত কম। কেনেকৈ মই এই কামত প্ৰবৃত্ত হলো, তাৰে অলপকৈ আভাস দি এই অধ্যায় শেষ কৰিম। প্ৰথম উদ্যমত এই ব্ৰতপালন কৰা বৰ উজু বুলি ভাবিছিলো। মোৰ ঘৈণীৰ লগত একেখন বিছনাত শুবলৈ এৰা নাইবা তেওঁৰ লগত গোপনে সহবাস কৰিবলৈ এৰাই মোৰ জীৱনত

প্ৰথম পৰিবৰ্ত্তন ঘটিল। ১৯০০সনৰেপৰা ব্ৰহ্মচৰ্য্য পালন কৰিম বুলি হোঁহোকা পিছলা কৰি ১৯০৬ সনৰ মাজভাগত এই ব্ৰত লৈ ব্ৰহ্মচৰ্য্য সাধনাৰ বাটত দৃঢ়তাৰে খোজ ললেঁ।

ষষ্ঠবিংশ অধ্যায়

সত্যাগ্ৰহৰ জন্ম

জোহান্সবাৰ্গত ঘটনাবোৰ এইদৰে গা লবলৈ ধৰিলে যে মোৰ আত্মশুদ্ধিৰ আয়োজনে জানিবা মোক সত্যাগ্ৰহৰ বাবে সাজু কৰিবলৈ ধৰিলে। মই এতিয়া দেখিছোঁ যে মোৰ জীৱনৰ সকলো ঘটনাই মোৰ পক্ষে ব্ৰহ্মচৰ্য্য ব্ৰতত চূড়ান্ত হৈ গোপনে মোক এই কামৰ বাবেই সাজু কৰিছিল।

সত্যাগ্ৰহ নামটো উদ্ভাৱন কৰাৰ আগতেই ইয়াৰ মূলনীতিৰ জন্ম হৈছিল। কেতিয়া হল মই নিজেই কব নোৱাৰো। Passive resistance বোলা ইংৰাজী শব্দটো এটা গুজৰাটি শব্দৰে আমি বৰ্ণনা কৰিছিলো। কিন্তু যুৰোপীয়সকলৰ সভা এখনত Passive resistance বোলা শব্দটোৰ অৰ্থ বৰ সংকীৰ্ণ মই দেখা পালো আৰু দুৰ্ব্বলৰ কাৰণে হে ই একমাত্ৰ অস্ত্ৰ বুলি সকলোৰে যি ধাৰণা আছিল, সেই ধাৰণা গুচিল। ইয়াত বিদ্বেষ ভাব মিহলি আছিল আৰু এই নিষ্ক্ৰিয় প্ৰতিৰোধ উপদ্ৰৱ-অশান্তিৰে আত্মপ্ৰকাশ কৰিব পাৰে। সেইবাবে এইবোৰ সকলো কথা এৰি আমাৰ এই ভাৰতীয় আন্দোলনৰ প্ৰকৃত স্বৰূপ মই বুজাব লগীয়া হৈছিল। ভাৰতীয় সকলক এই যুদ্ধ বুজাবলৈ এটা নতুন শব্দৰ প্ৰয়োজন হল।

কিন্তু এটা নতুন নাম উলিয়াবলৈ মোৰ পক্ষে সাধ্য নহল আৰু সেই-

বাবে 'ইণ্ডিয়ান অপিনিয়ান' কাকতত এই শব্দটো বুজাবলৈ এটা নতুন শব্দ উলিয়ালে সামান্য পুৰস্কাৰৰো ঘোষণা কৰিলো। ইয়াৰ ফলত মগনলালে সদাগ্ৰহ শব্দটো (সৎ-সত্য, আগ্ৰহ—দৃঢ়তা) উলিয়াই পুৰস্কাৰ পালে। কিন্তু কথাষাৰ স্পষ্ট কৰিবলৈ মই সত্যাগ্ৰহ শব্দটো সলাই ললো আৰু এই শব্দটো তেতিয়াৰেপৰা গুজৰাটি ভাষাত আমাৰ এই যুদ্ধৰ তাৎপৰ্য্য বুজাবলৈ চলি আহিছে।

এই সংগ্ৰামৰ বুৰঞ্জীয়েই হৈছে মুঠতে দক্ষিণ আফ্ৰিকাত মোৰ এই ছোৱা জীৱনৰ বুৰঞ্জী আৰু বিশেষকৈ এই মহাদেশত মোৰ সত্যৰ পৰীক্ষা মাথোন। এৰোডা জেলত থাকোতে এই বুৰঞ্জীৰ সৰহভাগ মই লিখিছিলো আৰু জেলৰ পৰা খালাচ হোৱাৰ পাচত শেষ কৰিছিলো। 'নৱজীৱন'ত প্ৰকাশ কৰি শেহত কিতাপৰ আকাৰত উলিওৱা হৈছে। শ্ৰীযুত বালগোবিন্দজীয়ে 'কাৰেণ্ট থট' বোলা কাকতখনৰ বাবে ইংৰাজীলৈ অনুবাদ কৰিছে। আৰু এতিয়া ইংৰাজী অনুবাদ কিতাপৰ আকাৰত সোনকালে উলিয়াবলৈ দিহা কৰিছো-- যাতে যিবিলাকে ইচ্ছা কৰে দক্ষিণ আফ্ৰিকাত মোৰ আন্দোলনৰ কথা ভালকৈ বুজি পাব। যিসকল পাঠকে সত্যাগ্ৰহৰ বুৰঞ্জীখন পঢ়া নাই তেওঁলোকক এইখন পঢ়িবলৈ মই অনুমোদন কৰো। তাত মই যিবোৰ কথা লিখিছো, সেইখিনি পুনৰ আবৃত্তি নকৰো। মাথোন কেইটামান অধ্যায়ত মোৰ জীৱনৰ লগত সম্বন্ধ থকা কেইটামান ব্যক্তিগত ঘটনা উল্লেখ কৰিম, যিবোৰ কথা এই বুৰঞ্জীত উল্লেখ কৰা হোৱা নাই। এইখিনি হলে ভাৰতবৰ্ষত মই যি পৰীক্ষা কৰিছো, তাকে পাঠকসকলক বুজাবলৈ চেষ্টা কৰিম। সেইবাবে যিসকলে এইবোৰ পৰীক্ষা সময় অনুক্ৰমে জানিবলৈ বিচাৰে তেওঁলোকে দক্ষিণ আফ্ৰিকাত মোৰ সত্যাগ্ৰহৰ বুৰঞ্জীখন পঢ়িলেই পাব।

সপ্তবিংশ অধ্যায়

আহাৰৰ পৰীক্ষা

মই কায়মনোবাক্যে ব্ৰহ্মচৰ্য্য পালন কৰিবলৈ যত্ন কৰিছিলোঁ আৰু এই লগতে সত্যাগ্ৰহৰ সংগ্ৰামত সবহ সময় দিবলৈ মন কৰিছিলোঁ যাতে পবিত্ৰতা অৰ্জ্জন কৰি নিজক সত্যাগ্ৰহৰ বাবে সাজু কৰিব পাৰোঁ। আহাৰৰ আৰু সলনি কৰি নিজক সংযত কৰিবলৈ স্থিৰ কৰিছিলোঁ। আগতে যিবিলাক সলনি কৰিছিলোঁ সেই বিলাকৰ উদ্দেশ্য আছিল স্বাস্থ্যোন্নতি, কিন্তু এতিয়া এই নতুন পৰীক্ষা বিলাক ধৰ্ম্মভাৱৰ পৰা কৰিছিলোঁ।

লঘোণ দিয়া আৰু খোৱাত সংযম, এই দুয়োটা এতিয়া মোৰ জীৱনত প্ৰধান কথা হল। বসনাৰ পৰিতৃপ্তিৰ কামনাৰ লগতে ইন্দ্ৰিয় ভোগৰ কামনাও একে লগে থাকে। মোৰ ভিতৰতো সেই একে দৰে আছিল। জিবাৰ আৰু ইন্দ্ৰিয় সংযমত মই বহুতো বাধা অতিক্ৰম কৰিব লগীয়া হৈছিল। আৰু এতিয়াও যে এই বিষয়ত নিজক সম্পূৰ্ণতে সংযত কৰিব পাৰিছোঁ এইটো কব নোৱাৰো। মই সৰহকৈ খাওঁ বুলি মনতে ভাবোঁ। বন্ধুসকলে যিটো সংযম বুলি ভাবিছিল—মই সেইদৰে ভবানাছিলোঁ। মই এতিয়া যিদৰে নিজক সংযত কৰিব পাৰিছোঁ, এইখিনি কৰিব নোৱাৰা হলে মই পশুৰ শাৰীত পৰি ইমান দিনে মোৰ শেষ হলহেতেন। যিয়েই হওক, মই নিজৰ দুৰ্ব্বলতা বিলাক উপলব্ধি কৰি এই বিলাকৰ পৰা মুক্ত হবলৈ বৰ যত্ন কৰিছিলোঁ। আৰু এই চেষ্টাৰ বাবে নিজক সুস্থ ৰাখি কামত লাগিব পৰা হৈছোঁ। মোৰ দুৰ্ব্বলতা বিলাক জনা বাবে আৰু অকস্মাতে মোৰ লগত এটা ভাল কৰ্ম্মীৰ দল পোৱাত কেৱল ফলমূলৰ

আহাৰ, নাইবা একাদশী, জন্মাষ্টমী আৰু অন্যান্য এনেবিধৰ ধৰ্ম্ম অনুষ্ঠান পালন কৰাত লাগিলোঁ।

সংযমৰ ফালৰ পৰা মই ফলাহাৰ আৰম্ভ কৰিলোঁ। ফলাহাৰৰ মাজত বছাৰ একো প্ৰয়োজন বোধ কৰা নাছিলো। মই দেখিলো ফলৰ মাজতো ৰসনাৰ পৰিতৃপ্তি পাব পাৰি, সেইবাবে সময়ে সময়ে লবোণ দিয়াত জোৰ দিলোঁ। নিজক শুদ্ধ কৰিবলৈ যিকোনো সুবিধা পোৱা যায় তাকেই মই লৈছিলোঁ।

এতিয়া দেখিলো যে মোৰ শৰীৰ ভালকৈ চাফা থকাত আহাৰেও বেছি পৰিতৃপ্তি আনিলে আৰু ভোৱে। বেচি লাগিবলৈ ধৰিল। মই দেখিলোঁ যে লঘোণ দিয়াৰ পৰাও যিদৰে সংযম আনিব পাৰি সেইদৰে ইয়াৰ পৰা লিপ্সা বঢ়াটোও সম্ভৱ। ইয়াৰ পাছত কৰা পৰীক্ষাত মোৰ সমুখত এই আচৰিত কথাষাৰ ভালকৈ প্ৰকাশ হল। মই বিচাৰিছিলোঁ যাতে শৰীৰ সুস্থ থাকে আৰু ময়ো কাম লাগিব পাৰোঁ। কিন্তু এতিয়া মোৰ উদ্দেশ্য হল কেনেকৈ নিজক সম্পূৰ্ণতে সংযত কৰিব পাৰোঁ আৰু জিবাক সম্পূৰ্ণতে জয় কৰিব পাৰোঁ। এটা আহাৰ বাছি সেইটো পাচত সলাও, আৰু লগে লগে পৰিমাণো কমাও; কিন্তু এতিয়ালৈকে জিবাত অস্বাদ আনিব পৰা নাছিলোঁ। এইদৰে এটা বাছি লৈ পাছত আকৌ সলোৱাত জিবাৰ জুতি আৰু বাঢ়িল বুলি মোৰ মনত ভাব হল।

এই বিলাক পৰীক্ষা কৰোতে মোৰ লগত কেইবাজনো সহকৰ্ম্মী আছিল। তেওঁলোকৰ ভিতৰত হাৰম্যেন কেলেনবাক হৈছে প্ৰধান। দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহৰ বুৰঞ্জী লিখোতে এওঁৰ কথা লিখিছো। এইবাবে এওঁৰ সম্পৰ্কে আৰু বহলাই নিলিখোঁ। লঘোণ দিয়া নাইবা আহাৰৰ সলনি কৰাত কেলেনবাক মোৰ লগত থাকিবই। সত্যাগ্ৰহ

যেতিয়া চৰমত উঠিছে, সেই সময়ত মই তেওঁৰ ঘৰত একে লগে আছিলোঁ। আমি আহাৰৰ সলনি সম্পৰ্কে আলোচনা কৰোঁ আৰু আহাৰৰ সলনি হলে আমি বৰ আনন্দ পাওঁ। এনেবিধৰ আলোচনাও বৰ আনন্দৰ বিষয় আছিল। এইটো যে অনুচিত হৈছে এনে এটা ভাব মোৰ মনলৈ অহা নাছিল। কি আহাৰত জুতি পায় এই সম্পৰ্কে আলোচনা কৰাটোও অনুচিত বুলি এতিয়া অভীজ্ঞতাই শিক্ষা দিলে। জিবাত জুতি লগাবলৈ আমি খোৱা উচিত নহয়। শৰীৰ সুস্থ ৰাখিবলৈকে আমি খোৱা উচিত। প্ৰত্যেক ইন্দ্ৰিয় যদি শৰীৰৰ তলতীয়া হয়, আৰু শৰীৰৰ মাজেদি আত্মাৰ তলতীয়া হয়, তেতিয়া বিশেষ আহাৰত জুতি লগা ভাৱটোও আঁতৰে। আৰু এনে এটা অৱস্থা হলেহে প্ৰকৃতিয়ে বিচৰামতে ইন্দ্ৰিয়ই নিজৰ কাম কৰিব পাৰে।

প্ৰকৃতিৰ লগত নিজক এইদৰে খাপ খুৱাবলৈ যিমানে আহাৰৰ পৰীক্ষা কৰোঁ, যিমানেই আমি ত্যাগ কৰোঁ, সেই খিনি যথেষ্ট নহয়। কিন্তু দুৰ্ভাগ্যক্ৰমে আজি সোঁত ওভোটা মুখে ৰবলৈ ধৰিছে। আমাৰ এই নশ্বৰ দেহাটোৰ শোভা বৰ্দ্ধন কৰিবলৈ আৰু ইয়াক অলপ সৰহ পৰলৈ ৰক্ষা কৰিবলৈ অসংখ্য জীৱ বধ কৰাত আমি কুণ্ঠিত নহওঁ। এটা বেমাৰ ভাল কৰিবলৈ গৈ আৰু বহুতো বেমাৰৰ সৃষ্টি কৰোঁ। ইন্দ্ৰিয় ভোগত এইদৰে উন্মত্ত হওঁ যে শেহত ইন্দ্ৰিয়ৰ বোধ নোহোৱা হয়। এই বিলাক এতিয়া আমাৰ চকুৰ সমুখতে ঘটি আছে। এই বিলাক দেখি নোপোৱা অন্ধ কোনো নাই।

যি ভাৱধাৰাই মোক এনে এটা উদ্দেশ্য সাধন কৰিবলৈ নিয়োজিত কৰিছিল আৰু সেই উদ্দেশ্য বিলাক পাঠক সকলক জনাই এতিয়া আহাৰৰ এই পৰীক্ষা বিলাক সম্পৰ্কে বহলাই কওঁ।

অষ্টবিংশ অধ্যায়

কস্তুৰীবাইৰ সাহ

কস্তুৰীবাই তিনি বছৰ বৰ টান নৰীয়াত পৰি কোনোমতে মৃত্যুমুখৰ পৰা ৰক্ষা কৰিছিল। ঘৰুৱা চিকিৎসাতেই এইদৰে ৰক্ষা পৰিছিল। প্ৰথমবাৰ নৰীয়া পৰোতে সত্যাগ্ৰহ আৰম্ভ হৈছে কি আৰম্ভ কৰিবলৈ উপক্ৰম কৰা হৈছে। তেওঁৰ প্ৰায়েই ৰক্তস্ৰাৱ হৈছিল। এজন ডাক্তৰ বন্ধুৱে অস্ত্ৰোপচাৰ কৰিবলৈ পৰামৰ্শ দিলে, তেৰো অলপ দোধোৰ-মোধোৰৰ পাছত ইযাত মান্তি খল। খীনাই শুকাই তেওঁৰ অৱস্থা নোহোৱা হৈছে, আৰু ক্লোৰোফৰ্ম্ম দি অজ্ঞান নকৰাকৈ ডাক্তৰে অস্ত্ৰপোচাৰ কৰিলে। এইটো ভালমতে হল, কিন্তু তেওঁ বিষৰ হাত সাৰিব নোৱাৰিলে প্ৰায়েই তেওঁৰ বিঘ হয়। ডাক্তৰ আৰু তেওঁৰ ঘৈণীয়ে বৰ যতন কৰি শুশ্ৰূষা কৰিবলৈ ধৰিলে। তাৰবাদত এইটো হৈছিল। ডাক্তৰে জোহানছবাৰ্গলৈ যাবলৈ মোক অনুমতি দিলে আৰু বেমাৰীৰ বাবে কোনো চিন্তা নকৰিবলৈ কলে।

কেই দিনমান পাছত কস্তুৰীবাইৰ বৰ টান, তেওঁ বৰ দুৰ্ব্বল, বিছনাৰ পৰা উঠিব নোৱাৰে আৰু এদিনা অজ্ঞান হৈছিল, এইদৰে এখন চিঠি পালোঁ। মোৰ সম্মতি নোহোৱাকৈ মদ্যৰ চুৰহা নাইবা মাদক বস্তু তেওঁ খুৱাব নোৱাৰে; সেইবাবে জোহানবাৰ্গলৈ 'ফোন' কৰি মোৰ অনুমতি বিচাৰিলে। মযো এইদৰে সম্মতি দিব নোৱাৰোঁ বুলি উত্তৰ দিলোঁ, কিন্তু যদিহে তেওঁ নিজৰ ইচ্ছা প্ৰকাশ কৰিব পৰা অৱস্থাত আছে, তেন্তে তেওঁক সুধিব বুলি এই লগতে

জনালোঁ। তেওঁৰ যি মন যায় তাকে কৰিব পাৰে। ডাক্তৰে কলে—"এই বিষয়ত বেমাৰীক সুধিবলৈ মই নিবিচাৰোঁ। আপুনি নিজে আহক। পথ্য সম্পৰ্কে যদি স্বাধীনতা নিদিয়ে, তেন্তে মই আপোনাৰ ঘৈণীৰ জীৱনৰ বাবে দায়ী নহওঁ।

সেইদিনাই মই ভাববানলৈ ৰেলত আহিলোঁ। আৰু ডাক্তৰক লগ ধৰিলোঁ—তেওঁ মোক লাহেকৈ কলে—মই আপোনাক 'ফোন' কৰাৰ লগে লগে মঙ্গহৰ চুকহা দিলোৱেই।"

"ডাক্তৰ এইটো প্ৰতাৰণা কৰা হল"। মই কলোঁ।

"বেমাৰীক পথ্য দিয়া নাইবা ঔষধ দিয়া বিষয়ত একো প্ৰতাৰণা হব নোৱাৰে। বৰঞ্চ আমি বেমাৰীক প্ৰতাৰণা কৰি হলেও তেওঁৰ জীৱন ৰক্ষা কৰাটো পুণ্য বুলি ভাবোঁ।" ডাক্তৰেও দৃঢ়তাৰে সৈতে কলে।

এই কথাষাৰত মই বৰ দুখ পালোঁ, কিন্তু ধৈৰ্য্য ধৰি থাকিলোঁ। ডাক্তৰ জনা এজন সজ মানুহ আৰু তেওঁৰ মোৰ এজন বন্ধু। তেওঁ আৰু তেওঁৰ ঘৈণীয়ে মোক কৃতজ্ঞতাৰ বান্ধোনত বান্ধি থৈছে; কিন্তু আনফালে ডাক্তৰ সকলৰ এনেবিধৰ নৈতিকতাও সহি থাকিব নোৱাৰোঁ।

"ডাক্তৰ, এতিয়া কওক আপুনি কি কৰিব বিচাৰিছে? তেওঁৰ জীৱন গলেও মই তেওঁক গৰু মঙ্গহৰ চুৰুহা আদি দিয়াটোত সম্মতি দিব নোৱাৰো, অৱশ্যে তেওঁ নিজে ইচ্ছা কৰিলে মই একো বাধা নিদিও।"

"আপুনি আপোনাৰ মতবাদ লৈ থাকক, মই যেতিয়ালৈকে আপোনাৰ ঘৈণীৰ চিকিৎসাত থাকিম তেতিয়ালৈকে মই ঔষধ-পাতি দিয়াত সম্পূৰ্ণ স্বাধীনতা ৰক্ষা কৰিম। যদি আপুনি এইদৰে মান্তি নহয়,

মই বেজাৰেৰে সৈতে কব লগীয়া হৈছে যে আপুনি তেওঁক আন ঠাইলৈ নিয়ক। মই মোৰ চকুৰ সমুখত মোৰ ঘৰত এইদৰে মৰিবলৈ দিব নোৱাৰোঁ।”

“আপুনি এতিয়াই নিবলৈ কৈছে নে?”

“তেওঁক নিবলৈ মই কেতিয়া কৈছোঁ—মই সম্পূর্ণ স্বাধীনতা বিচাৰোঁ, ইয়াকেহে কৈছোঁ। যদি আপুনি ইয়াকে কৰে, তেন্তে মই আৰু মোৰ ঘৈণীয়ে সাধ্যমতে তেওঁৰ শুশ্রূষা কৰিম, আপুনি একো চিন্তা নোহোৱাকৈ যাব পাৰিব। কিন্তু এই সহজ কথাষাৰ যদি আপুনি বুজি নাপায়, তেন্তে আপোনাৰ ঘৈণীক ইয়াৰ পৰা আঁতৰাই নিবলৈ কবলৈ মোক বাধ্য কৰিব।”

মোৰ কোনোৱা এটা লৰাও লগতে আছিল বুলি মনত হয়। সিও মোৰ লগত একেমত হল আৰু কলে যে মাকক এইদৰে মঙ্গহৰ চুৰুহা দিব নালাগে। ইয়াৰ পাছত কস্তুৰীবাইকো কলো। তেওঁ ইমান দুৰ্ব্বল আছিল যে এই বিষয়ত তেওঁৰ পৰামর্শ লোৱা অসম্ভৱ। কিন্তু কথাষাৰ দুঃখদায়ক হলেও ডাক্তৰৰ লগত হোৱা সকলো কথা তেওঁক জনালোঁ। তেওঁ দৃঢ়ভাৱে উত্তৰ দিলে—“মই গৰু মঙ্গহৰ চুৰুহা নাখাওঁ—মনুষ্য জনম পোৱাটো এটা ডাঙৰ কথা হলেও এই বিলাক অখাদ্য বস্তু খোৱাতকৈ আপোনাৰ কোচত মৃত্যুক বৰণ কৰাই মই শ্ৰেয় বুলি ভাবোঁ।”

মই তেওঁক বুজালো---“তেওঁ মোক অনুসৰণ কৰিবলৈ বাধ্য নহয়। আমাৰ চিনাকী বহুতো হিন্দু বন্ধু সকলেও ঔষধ হিচাপে এইদৰে মঙ্গহৰ চুৰুহা খোৱাত কুণ্ঠা বোধ নকৰে। এই বিলাক দৃষ্টান্ত দিলোঁ। কিন্তু তেওঁ লৰচৰ নহল। “নহয় আপুনি মোক ইয়াৰ পৰা আঁতৰাই নিয়ক।”

এই কথাষাৰত মই আনন্দ পালোঁ। তেওঁক আঁতৰাই নিবলৈ

স্থিৰ কৰিলোঁ। আৰু এইবাবে মানসিক উত্তেজনা নোহোৱাকৈ নাছিল। ডাক্তৰক তেওঁৰ কথা জনালোঁ। তেওঁ খঙত চিঞৰি উঠিল—"আপুনি কিদৰে নিৰ্দ্দয়! এই অৱস্থাত তেওঁৰ ওচৰত এই কথাষাৰ উলিয়াবলৈ আপুনি সঙ্কোচ বোধ নকৰিলে। মই কওঁ যে আপোনাৰ ঘৈণী এতিয়া এনে অৱস্থাত নাই যে তেওঁক ইয়াৰ পৰা আঁতৰ কৰিব পাৰে। তেওঁ অলপো লৰচৰ সহ্য কৰিব নোৱাৰিব। নিওতে বাটতেই তেওঁৰ প্ৰাণবায়ু ওলালে মই আচৰিত নহওঁ। কিন্তু আপুনি যদি এনে অৱস্থাতো আকোঁৰ্গজালিব দৰে লাগে তেন্তে আপুনি যি ইচ্ছা তাকে কৰিব পাৰে। আপুনি যদি মঙ্গহৰ চুৰুহা দিযাত মান্তি নহয়, তেন্তে মই এদিনলৈকেও মোৰ ইয়াত ৰাখি তেওঁৰ জীৱন লৈ ধেমালি কৰিব নোৱাৰো।"

এইবাবে আমি ততালিকে তেওঁক আঁতৰাই নিবলৈ স্থিৰ কৰিলোঁ। তেতিয়া বৰষুণ কনিয়াই আছে আৰু ষ্টেশনো অলপ দূৰত। ডাৰবানৰ পৰা ফিনিস্কলৈ আমি ট্ৰেইন লব লাগিব। ফিনিস্ক ষ্টেশনৰ পৰা আমাৰ আশ্ৰমলৈ প্ৰায় ২॥ মাইলৰ বাট। মই নিঃসন্দেহে এটা ডাঙৰ বিপদ মূৰ পাতি লৈছোঁ, কিন্তু ভগবানৰ ওপৰত মোৰ অচলা ভক্তি আছিল। এইবাবে মোৰ কৰ্ত্তব্যত আগ বাঢ়িলোঁ। ফিনিস্কলৈ এজন মানুহ আগতেই পঠালোঁ। ৰেষ্টে যেন এখন দোলা লৈ ষ্টেশনলৈ আহে। লগত যেন অলপ গৰম পানী, গৰুৰ গাখীৰ ৰাখে। দোলাখন নিবলৈ ছজন মানুহৰো যেন দিহা কৰে। ডাৰবানৰ ষ্টেশনলৈ নিবলৈ এখন ৰিকস্বাৰ দিহা কৰা হল। এনে এটা বিপজ্জনক অৱস্থাতো তেওঁক লৈ আমি গুচি আহিলোঁ।

কস্তুৰীবাইৰ বাবে উৎসাহ বাণীৰ একো প্ৰয়োজন নাছিল। বৰঞ্চ তেওঁ মোক সান্ত্বনা দি কলে—"একো ভয় নকৰিব মোৰ একো নহয়।"

এই কেইদিন একো পুষ্টি নোপোৱাত তেওঁৰ হাড় ছাল লাগিছে। ষ্টেশনৰ প্লাটফৰ্ম্ম বৰ ডাঙৰ—আৰু ৰিকস্বাখনো প্লাটফৰ্ম্মৰ ভিতৰলৈ নিব নোৱাৰি। ট্ৰেইনত উঠিবলৈ ভালেখিনি খোজ কাঢ়িব লাগিব। সেইবাবে তেওঁক দাং কোলাত লৈ ট্ৰেইনত তুলিলো। ফিনিক্সৰ পৰা দোলাত আমাৰ আশ্ৰমলৈ নিলো। আৰু পানীৰ চিকিৎসাত তেওঁ লাহে লাহে সুস্থ হবলৈ ধৰিলে।

ফিনিক্স পোৱাৰ দু তিন দিনমান পাছত আমাক চাবলৈ এজন স্বামী আহি পালে। ডাক্তৰৰ পৰামৰ্শ আমি কিদৰে দৃঢ়তাৰে সৈতে প্ৰত্যাখান কৰিলোঁ---সেই সম্পৰ্কে তেওঁ শুনিছিল। সহানুভূতিৰে তেওঁ আমাক বুজনি দিবলৈ আহিছিল। মোৰ যিমানখিনি মনত পৰে স্বামী অহাৰ সময়ত মোৰ দ্বিতীয় আৰু তৃতীয় লৰা মণিলাল আৰু ৰামদাস তাত উপস্থিত আছিল। তেওঁ মনুৰ পৰা শ্লোক শুনাই মঙহ খোৱা সম্পৰ্কে ধৰ্মগত একো বাধা নাই বুলি কলে। মোৰ ঘৈণীৰ সমুখত এইদৰে আলোচনা হোৱাটো ভাল পোৱা নাছিলো---কিন্তু ভদ্ৰতাৰ খাতিৰত বাধ্য হলো। মনু-স্মৃতিৰ পৰা উল্লেখ কৰা শ্লোক বিলাক মই জানিছিলো---মোক বুজনি দিবলৈ এই বিলাকৰ একো প্ৰয়োজন নাছিল। মই জানিছিলো যে এই বিলাক শ্লোক টীকাকাৰ সকলে ৰচনা কৰিছে বুলি কিছুমানে ভাবে। কিন্তু এনে নহলেও ধৰ্ম্মগত শ্লোক নোহোৱাকৈও মই নিৰামিষ আহাৰৰ পক্ষপাতী আৰু কস্তুৰীবাইৰ বিশ্বাসো অচল। এইদৰে তেওঁৰ লগত কথা হলোঁ। ধৰ্ম্ম শাস্ত্ৰাদিৰ কথা তেওঁ একো নাজানে। পুৰ্ব্ব-পুৰুষৰ পৰা চলি অহা আচাৰকেই তেওঁ ধৰ্ম্ম বুলি ভাবে। লৰাহঁতেও দেউতাকৰ বিশ্বাস মতে চলিছে। সেইবাবে স্বামীৰ উপদেশৰ একো ফল নহল। কিন্তু কস্তুৰীবাইয়ে আমাৰ এই আলোচনা

একে কথাবে অন্ত পেলালে--স্বামীজি, আপুনি যি হকে কওক, মই মঙহৰ চুৰুহা খাই আৰোগ্য হবলৈ নিবিচাৰোঁ। মোক এতিয়া আৰু আমনি নকৰিব। আপুনি মোৰ লবাহঁত আৰু স্বামীৰ লগত আলোচনা কৰিব পাৰে। কিন্তু মই মন স্থিৰ কৰি লৈছোঁ।"

উনত্রিংশ অধ্যায়

গাৰ্হস্থ্য জীৱনত সত্যাগ্ৰহ

১৯০৮ সনত পোন প্ৰথমতে মোৰ জেইল সম্পৰ্কে অভিজ্ঞতা হয়। ফাটেকিয়ালে পালন কৰা কিছুমান নিয়ম কানুন আত্মসংযম সাধনাত ব্ৰতী হোৱা ব্ৰহ্মচাৰী মাত্ৰেই পালন কৰা উচিত বুলি মই তেতিয়া বুজি পালোঁ—যেনে বেলি মাৰ যোৱাৰ পূৰ্বতে, ৰাতিৰ সাঁজ শেষ কৰাৰ নিয়ম। ভাৰতীয়, নাইবা আফ্ৰিকা দেশীয় ফাটেকিয়াল সকলক চাহ, নাইবা কফী দিয়াৰ নিয়ম নাছিল। ৰান্ধি দিয়া আঞ্জা আদিত তেওঁলোকে ইচ্ছা কৰিলে, নিমখ মিহলাই লব পাৰিছিল। কিন্তু জিভাত জুতি লগাবলৈ অন্য একো বস্তু তেওঁলোকে পাব নোৱাৰিছিল। জেইলৰ মেডিকেল অফিচাৰ জনক 'কাৰী পাউডাৰ' আৰু ৰান্ধি থাকোঁতে নিমখ দিবলৈ কলোঁ, তেতিয়া তেওঁ কলে—"জিবাৰ জুতি লগাবলৈ তো ইয়ালৈ অহা নাই। স্বাস্থ্যৰ ফালৰ পৰা 'কাৰী পাউডাৰ'ৰ একো প্ৰয়োজন নাই। আৰু ৰান্ধি থাকোঁতে, নাইবা পাছত নিমখ দিয়াত একো পাৰ্থক্য নাই।"

শেষত জানিবা বৰ কষ্টেৰে এইবোৰ নিয়ম শুধৰোৱা হৈছিল।

কিন্তু তথাপিও আত্মসংযমৰ বাবে দুয়োটা নিয়মেই ভাল আছিল বুলি মই ভাবোঁ। বাহিৰপৰা আনে বলেৰে কিছুমান নিয়ম কৰি দিলে, সেইবোৰ কৃতকাৰ্য্য হোৱা টান, কিন্তু নিজে নিজে কিছুমান নিয়ম বান্ধি ললে তাৰ ফল ভাল। সেইবাবে জেইলৰ পৰা উলটিও এই দুটা নিয়ম মই নিজৰ গাতেই প্ৰয়োগ কৰিলোঁ। যিমান দূৰ সম্ভৱ, মই চাহ খোৱা এৰি দিলো আৰু সন্ধ্যা লাগিবৰ পূৰ্ব্বতেই আহাৰ শেষ কৰা নিয়ম কৰিলোঁ। এতিয়া এইবোৰ নিয়ম পালন কৰোঁতে একো আমনি নলগা হৈছে।

যি হওক মোৰ পাছত এনেকুৱা এটা সময় আহিছিল, যাৰ ফলত মই নিমখ একেবাৰেই এৰিব লগীয়া হল আৰু ১০ বছৰলৈকে এইদৰে আছিলোঁ। নিৰামিষ ভোজন সম্পৰ্কে কিছুমান কিতাপত নিমখ নহলেও চলিব পাৰি বুলি লিখা পঢ়িবলৈ পাইছিলোঁ। বৰঞ্চ নিমখ নোহোৱাকৈ খোৱাটো স্বাস্থ্যৰ পক্ষে উপকাৰী। এই কথাষাৰ পঢ়িবলৈ পাই মই ভাবিলোঁ যে ব্ৰহ্মচৰ্য্যৰ কাৰণে নিমখ নোহোৱাকৈ খোৱাটো ভাল। দুৰ্ব্বল লোক সকলে মাহ আদি খাবলৈ এৰা উচিত বুলিও পঢ়িবলৈ পাইছিলোঁ। আৰু এই কথাষাৰ নিজৰ গাতে পাইছিলোঁ। মাহৰ আঞ্জা খাবলৈ মই বৰ ভাল পাইছিলোঁ। এতিয়া এইদৰে এটা ঘটনা ঘটিল——অস্ত্ৰ চিকিৎসাৰ পাছত কস্তুৰীবাইৰ অলপ ভাল হল। কিন্তু তেওঁৰ পুনৰায় ৰক্তস্ৰাৱ হবলৈ ধৰিলে আৰু বেমাৰেও জানিবা গোজ পুতি ললে। এইবাৰ হাইড্ৰোপ্যেথিক চিকিৎসাত একো ফল নধৰিল। মোৰ চিকিৎসা প্ৰণালীত কস্তুৰীবাইৰ একো শ্ৰদ্ধা নাছিল, কিন্তু তথাপিও তেওঁ মোক বাধা দিয়া নাছিল। অৱশ্যে তেওঁ বাহিৰা চিকিৎসকৰ সহায় লবলৈকো ইচ্ছা কৰা নাছিল। আৰোগ্যৰ সকলো উপায় ব্যৰ্থ হোৱাত নিমখ আৰু মাহ

এৰি দিবলৈ তেওঁক বৰকৈ খাটিলোঁ। কিন্তু যদিও মই তেওঁক বহুতো জ্ঞানীলোকৰ কথা কৈ বুজাইছিলো, তথাপিও তেওঁ মান্তি হোৱা নাছিল। মোকো কোনোবাই এই কেইটা বস্তু এৰি দিবলৈ পৰামর্শ দিলে, মযো এৰিব নোৱাৰিম বুলি তেওঁ শেষত বৰ টানকৈ কলে। তেওঁৰ এই কথাত মই দুখ পালেও, ৰং পালোঁ, কাৰণ তেওঁলৈ মোৰ মৰম দেখুৱাবলৈ ই এটা জানিবা সুযোগ হল। মই কলো------তুমি ভুল কৰিছা, মোৰ বেমাৰ হোৱা হলে আৰু ডাক্তৰে এইবিলাক বস্তু এৰি দিবলৈ কোৱা হলে, মই একো দ্বিধা নকৰাকৈ তেওঁৰ উপদেশ শুনিলো হেতেন ; কিন্তু শুনা, ডাক্তৰৰ উপদেশ নোহোৱাকৈ, আৰু তুমি নিমখ আৰু মাহ এবানে নেৰা তালৈ নোচোৱাকৈয়ে মই এই দুটা বস্তু আজিৰ পৰা এৰিলোঁ।

তেওঁ বৰ আঘাত পাই, দুখৰে চিঞৰি কলে----"মোক ক্ষমা কৰক, আপোনাক জানি শুনি আপোনাৰ এইদৰে খং তোলা মোৰ পক্ষে উচিত হোৱা নাছিল। মই এই কেইটা বস্তু এৰিম বুলি প্ৰতিজ্ঞা কৰিলোঁ, কিন্তু আপোনাক দহো-কুৰি কৰি খাটিছো, আপোনাৰ প্ৰতিজ্ঞা তুলি লওক। মোৰ কাৰণে এইটো বৰ অসহনীয় কথা।"

"এই কেইটা বস্তু এৰা তোমালৈ বৰ লাগতিয়াল আৰু উপকাৰী। এই দুটা বস্তু নহলেও তুমি ভাল হবা বুলি মোৰ অলপো সংশয় নাই। মন স্থিৰ কৰি কোনো এটা প্ৰতিজ্ঞা কৰিলে তাক তুলি লব নোৱাৰোঁ। আৰু মোকো ই উপকাৰ কৰিব, কাৰণ সকলো সংযম,—সি যিহৰ পৰাই নহওক লাগে, মানুহৰ পক্ষে উপকাৰী। সেইবাবে তুমি আৰু মোক এই সম্পৰ্কে নধৰিবা। মোৰ কাৰণে ই এটা পৰীক্ষা হব আৰু তোমাকো তোমাৰ প্ৰতিজ্ঞা ৰক্ষা কৰাত নৈতিক সহায় কৰিব।"

"আপুনি বৰ একা-চকা মানুহ। আপুনি কাৰো কথা নুশুনে" বুলি উচুপি উচুপি কান্দি মনৰ বোজা পাতলালে।

গাৰ্হস্থ্যজীৱনত সত্যাগ্ৰহ

যৰতো মই কিদৰে সত্যাগ্ৰহ কৰিছিলো, তাৰ এটা পৱিত্ৰ স্মৃতি হিচাপে এই ঘটনাটো মই উল্লেখ কৰিছো।

ইয়াৰ পাছত কস্তুৰীবাই বৰ সোনকালে ভাল হবলৈ ধৰিলে, অৱশ্যে নিমখ আৰু মাহ এৰি দিয়াৰ কাৰণেই নে অন্য কিবা পৰিবৰ্ত্তনৰ ফলত, নাইবা জীৱনৰ অন্যান্য ৰীতিনীতি সম্পৰ্কে মই সতৰ্ক দৃষ্টি দিয়াত, নাইবা এই ঘটনাই মনত এটা শক্তি দিয়াৰ কাৰণে ক'ব নোৱাৰো, তেওঁ সোনকালে ভালৰ ফালে আহিবলৈ ধৰিলে। ৰক্তস্ৰাৱ হোৱা একেবাৰে বন্ধ হল আৰু বেজ হিচাপেও মোৰ নাম অলপ বাঢ়িল।

এই কেইটা বস্তু এৰাত মোৰ হলে বৰ উপকাৰ হৈছিল। এবাৰ এটা বস্তু এৰিলে সেই বস্তু মই কেতিয়াও বিচৰা নাছিলো। সময় এইদৰেই গল আৰু মোৰ ইন্দ্ৰিয়ও বহুত দমন হল বুলি মই বুজি পালোঁ। এই পৰীক্ষাই আত্ম-সংযমলৈ মোৰ ঝাউতি আৰু বঢ়ালে আৰু ভাৰতবৰ্ষলৈ উলটি অহাৰ পাছতো এই দুটা বস্তু বহুত দিনলৈকে এৰি আছিলো। কিন্তু ১৯১৪ সনত লণ্ডনলৈ যাওঁতে এই দুটা বস্তু পুনৰ ধৰিবলগীয়া হল। কেনেকৈ কি সূত্ৰত এইবোৰ ধৰিবলগীয়া হল, তাক মই পাছত কম।

নিমখ আৰু মাহ এৰাৰ পৰীক্ষা দক্ষিণ আফ্ৰিকাত মোৰ বহুতো সহকৰ্ম্মীৰ ওপৰত মই প্ৰয়োগ কৰিছো, আৰু তাৰ পৰা ভাল ফল পাইছিলোঁ। কিন্তু নীতি হিচাপে ত্যাগেই আত্মাৰ কাৰণে ভাল, তাত কোনো সংশয় নাই। জিতেন্দ্ৰিয় লোক এজনৰ ৰীতিনীতি ভোগী লোকতকৈ সুকীয়া, সেইবাবে তেওঁৰ আহাৰো সুকীয়া। কেৱল ভোগী-লোকৰ বাবেই উপযুক্ত জীৱন অৱলম্বন কৰি, ব্ৰহ্মচৰ্য্যসাধনেচ্ছু বহুতো লোকে নিজৰ উদ্দেশ্য নষ্ট কৰে।

ত্ৰিংশ অধ্যায়

আত্মসংযমৰ বাটত

কস্তুৰীবাইৰ বেমাৰে মোৰ আহাৰত কি পৰিবৰ্ত্তন ঘটালে তাক পূৰ্ব্বৰ অধ্যায়ত লিখিছো। ব্ৰহ্মচৰ্য্য ৰক্ষা কৰিবলৈ ইয়াৰ পাচতো আৰু কিছুমান সাল-সলনি কৰিবলগীয়া হৈছিল। এই বিলাকৰ ভিতৰত গাখীৰ এৰাটোৱেই প্ৰথম। গাখীৰে কামবৃত্তিত উদ্গনি দিয়ে বুলি পোনতে ৰায় চণ্ডীভাইৰ মুখত মই শুনিবলৈ পাইছিলো। নিৰামিষ আহাৰৰ সম্পৰ্কে যিবিলাক কিতাপ মই পঢ়িছিলো, সেইবোৰেও এইভাৱ বঢ়াইছিল। কিন্তু যেতিয়ালৈকে ব্ৰহ্মচৰ্য্য ব্ৰত মই লোৱা নাছিলো, তেতিয়ালৈকে গাখীৰ এৰা সম্পৰ্কে মন স্থিৰ কৰা নাছিলো। শৰীৰ ৰক্ষা কৰিবলৈ গাখীৰ সিমান লাগতিয়াল নহয় বুলি মই পূৰ্ব্বতেই বুজি পাইছিলো, কিন্তু তথাপিও এৰা টান আছিল। আত্ম-সংযমৰ বাবে গাখীৰ এৰিবৰ প্ৰয়োজনীয়তা বেছি হোৱাৰ সময়ত কলিকতাত প্ৰকাশিত হোৱা কিতাপ কিছুমানত গুৱালইতে গৰু ম'হক কি নিৰ্য্যাতন কৰে, তাক পঢ়িবলৈ পালো। এইবিলাক কথাই মোৰ ওপৰত আচৰিত কাম কৰিলে। মই মিঃ কেলেনবাকৰ লগত এই বিলাকৰ আলোচনা কৰিলো।

'দক্ষিণ আফ্ৰিকাৰ 'সত্যাগ্ৰহৰ বুৰঞ্জী' বোলা কিতাপখনত আৰু ইয়াৰ পূৰ্ব্বৰ এটা অধ্যায়তো মিঃ কেলেনবাকৰ কথা উল্লেখ কৰিছো। এইখিনিতে তেওঁৰ সম্পৰ্কে দুআষাৰমান কোৱা প্ৰয়োজনীয় বোধ কৰিছোঁ। আমি দুয়ো হঠাতে লগ লাগিলো। তেওঁ মিঃ খাঁৰ এজন বন্ধু আছিল।

মিঃ খাঁই এওঁৰ সংসাৰলৈ বিৰাগ ভাব দেখি মোৰ লগত চিনাকী কৰি দিলে। মোৰ লগত তেওঁৰ যেতিয়া চিনাকী হয় তেতিয়া তেওঁৰ বিলাসিতা আৰু আড়ম্বৰপ্ৰিয়তা দেখি আচৰিত হলো। কিন্তু আমাৰ প্ৰথম চিনাকীতেই তেওঁ ধৰ্ম্ম সম্পৰ্কে কিছুমান জটিল প্ৰশ্ন সুধিছিল। আমি হঠাতে গৌতম বুদ্ধৰ সন্ন্যাসৰ কথা পাতিলো আৰু আমাৰ এই চিনাকীয়েই সোণকালেই ঘনিষ্ঠ বন্ধুতাত পৰিণত হল, আমাৰ দুয়োৰ এনে বন্ধুতা হল যে দুয়ো একে ৰকমৰে চিন্তা কৰা হলো। আৰু মই মোৰ জীৱনৰ ৰীতিত যিবোৰ সলনি কৰিছো, সেইবোৰ তেওঁ তেওঁৰ জীৱনত কৰাৰ প্ৰয়োজনীয়তা ভালকৈ বুজি পালে। আমি যেতিয়া চিনাকী হও, তেতিয়া তেওঁ বিয়া কৰা নাছিল, আৰু ঘৰৰ ভাৰা এৰিও, নিজৰ কাৰণেই মাহেকত ১২০০৲ টকা খৰচ কৰি আছিল। এতিয়া তেওঁ সকলো আড়ম্বৰ এই দৰে গুচালে যে মাহেকত খৰচ ১২০৲ টকালৈকে কমিল। মই ঘৰ উঠোৱাৰ পাছত আৰু পোণ প্ৰথমবাৰ জেইলবৰ্গৰ উলটি আহি আমি দুয়ো একেলগে থকা আৰম্ভ কৰিলো। আমি দুয়ো বৰ কঠোৰ জীৱন যাপন কৰিবলৈ ধৰিলো।

গাখীৰ সম্বন্ধে আলোচনা এই সময়তেই হয়। মি. কেলেনবাকে কলে "আমি প্ৰায়েই গাখীৰৰ অপকাৰিতা সম্পৰ্কে আলোচনা কৰো, তেন্তে আমি গাখীৰ এৰি নিদিও কিয় ? গাখীৰ তো সিমান লাগতিয়াল নহয়।" তেওঁৰ এই কথাত মই আচৰিত হলো হয়, কিন্তু বৰ বং পালো। আমি দুয়ো তেতিয়াই গাখীৰ এৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হলো। এইখিনি হৈছিল ১৯১২ সনত টলষ্টয় ফাৰ্ম্মত।

কিন্তু এই কন ত্যাগতেই মই সন্তুষ্ট থাকিব নোৱাৰো। ইয়াৰ পাছতেই কেৱলমাত্ৰ ফল মূল খাই জীৱন ধাৰণ কৰা স্থিৰ কৰিলো। সৰাত কৈ দুখীয়া মানুহৰ দৰে জীৱন ধাৰণ কৰাই আমাৰ আকাঙ্খা হল।

ফলাহাৰ বৰ সুবিধাজনক হৈছিল। ৰন্ধা বঢ়াৰ লেঠা প্ৰায় শেষ হ'ল। কেচা বাদাম, ফল, খেজুৰ, নেমু-টেঙা জলপাইৰ তেল এয়েই আমাৰ আহাৰ হ'ল।

ব্ৰহ্মচৰ্য্য সাধনেচ্ছু সকলক এইখিনিতেই মই সতর্ক কৰি দিওঁ। যদিও ব্ৰহ্মচৰ্য্যৰ লগত আহাৰৰ ঘনিষ্ঠ সম্পৰ্কৰ কথা মই কৈছো, তথাপিও মনেই হৈছে ঘাই উপাদান তাকো কওঁ। যি মন জাতভাৱে অপৱিত্ৰ সেই মন উপবাসৰে কেতিয়াও শুদ্ধ হব নোৱাৰে। আহাৰৰ সাল-সলনি কৰিও একো ফল পোৱা নাযায়। বৰকৈ আত্ম-পৰীক্ষা নকৰাকৈ,ঈশ্বৰত আত্মসমৰ্পন নকৰাকৈ আৰু শেহত তেওঁৰ কৰুণা নোহোৱাকৈ মনৰ ভিতৰত থকা কাম-প্ৰবৃত্তি কেতিয়াও শিপাই সৈতে উঘালিব নোৱাৰি। কিন্তু মনৰ লগত শৰীৰৰ ঘনিষ্ঠ সম্পক আছে। আৰু কাম ভাৱৰ মনে সদায় বিলাসিতা আৰু অন্য ৰুচিকৰ বস্তুৰ বাবে পিত-পিতাই থাকে। সেইবাবে পবিত্ৰ আৰু কম পৰিমাণে উত্তেজক আহাৰ আৰু মাজে সময়ে উপবাস শৰীৰৰ বাবে প্ৰয়োজন। আৰু এই কাৰণে আহাৰ সম্পৰ্কে বাধ্য-বাধকতা আৰু উপবাসৰ প্ৰয়োজনীয়তাক যি সকলে লঘু জ্ঞান কৰে, তেওঁ-লোকে কেৱল এইবিলাকেই আচল বুলি পালন কৰা লোকৰ দৰেই ভুল কৰে। যিসকলৰ মনে আত্মসংযমৰ বাবে যত্ন কৰিছে, তেওঁলোকৰ বাবে উপবাস আৰু আহাৰত বাধ্যবাধকতা বৰ সহায়, এয়েই মোৰ অভিজ্ঞতা। প্ৰকততে এইবিলাকৰ সহায় নহলে মনৰ মাজত থকা যৌণ-সঙ্গমৰ প্ৰবৃত্তি সম্পুৰ্ণ ৰূপে দমন কৰা টান।

———

একত্রিংশ অধ্যায়

উপবাস

মই গাখীৰ, মাহ আৰু এনেবিধৰ বস্তু খাব কেৱল মাত্ৰ ফলাহাৰৰ পৰীক্ষা কৰাৰ সময়তে আত্ম-সংযমৰ উপায় হিচাপে উপবাস আৰম্ভ কৰিছিলোঁ। এই পৰীক্ষাতো মি. কেলেনবাকে মোৰ লগত যোগ দিছিল। আগে পাছেও উপবাস কৰা মোৰ অভ্যাস আছিল, কিন্তু কেৱল স্বাস্থ্যৰ বাবেহে এনে কাম কৰিছিলো। আত্ম-সংযমৰ বাবেও উপবাস প্ৰয়োজনীয় বুলি মোৰ এজন বন্ধুৰ মুখত শুনিছিলো। বৈষ্ণৱ পৰিয়ালত জন্ম লৈ আৰু সৰুৰেপৰা মোৰ আইক সকলো ব্ৰত পাৰ্বণত উপবাস আদি কৰা দেখি আৰু এনে এগৰাকী মাতৃৰ সন্তান হৈ, মই ভাৰতবৰ্ষত থাকোতে 'একাদশী' আৰু অন্যান্য তিথিও পালন কৰিছিলো, কিন্তু সেই সময়ত আইক দেখিহে মযো এই বিলাক মানি তেওঁক সন্তোষ দিবলৈ যত্ন কৰিছিলো। সেই সময়ত ইয়াৰ অৰ্থ কি, তাক বুজা নাছিলো আৰু ইয়াৰ উপকাৰিতাও বুজি পোৱা নাছিলো, কিন্তু যেতিয়া দেখিলো যে মোৰ বন্ধু গৰাকীয়ে উপবাস কৰি উপকাৰ পাইছে, আৰু ই মোক ব্ৰহ্মচৰ্য্য ৰক্ষা কৰাত সহায় কৰিব বুলি আশা কৰিব পাৰি তেতিয়া মযো তেওঁৰ দৃষ্টান্ত অনুসৰণ কৰিলো। এইদৰে একাদশী পালন কৰাত মই লাগিলো। নিয়মমতে হিন্দুসকলে উপবাসৰ দিনা গাখীৰ আৰু ফল মুল খাব পাৰিছিল, কিন্তু মই তো এনেবিধৰ উপবাস দিনৌ পালি আছো। সেই বাবে কেৱল মাত্ৰ পানীৰ বাহিৰে সম্পূৰ্ণ উপবাস কৰা আৰম্ভ কৰিলো।

মই এই পৰীক্ষা আৰম্ভ কৰোতে হিন্দুৰ শ্ৰাৱণ আৰু মুছলমানৰ ৰমজান একে সময়তে পৰিল। গান্ধী বংশত বৈষ্ণৱ আৰু শৈৱ পাৰ্ব্বণ পালন কৰা আৰু বৈষ্ণৱ মন্দিৰ আৰু শিৱ মন্দিৰলৈকো গৈ পূজা দিয়া ৰীতি আছিল। কিছুমানে শাওন মাহত আকৌ 'প্ৰদোষ' অৰ্থাৎ গোধূলিকৈ উপবাসৰ নিয়ম পালন কৰিছিল। সেইবাবে মযো এই দৰে কৰা স্থিৰ কৰিলো।

আমি টলষ্টয় ফাৰ্ম্মত থকাৰ সময়ত এইবিলাক পৰীক্ষা আৰম্ভ কৰিছিলো। সৰু লৰা ছোৱালীৰে সৈতে সেইটামান সত্যাগ্ৰহী পৰিয়াল লৈ নিঃ কেলেনবাক আৰু মই ইয়াত আছিলো। সৰু সৰু লৰা ছোৱালীৰ কাৰণে আমাৰ এখন স্কুল আছিল। এওঁলোকৰ ভিতৰত ৪।৫ ঘৰ মান মুছলমানো আছিলো। নিজৰ ধৰ্ম্ম পালন কৰিবলৈ মই সদায় তেওঁলোকক উৎসাহ দিছিলো। তেওঁলোকে যাতে দিনৌ নমাজ পঢ়ে, তালৈ মই যত্ন লৈছিলো। ইয়াৰ উপৰিও খ্ৰীষ্টান আৰু পাৰ্চী লৰাও আছিল, এওঁলোকেও যাতে নিজৰ নিজৰ ধৰ্ম্ম পালন কৰে তালৈকো চকু দিয়া মোৰ কৰ্ত্তব্য বুলি ভাবিছিলো। আহাৰ সম্পৰ্কে এই পৰীক্ষা আৰম্ভ কৰোতে শাওন আৰু ৰমজান একেলগে পৰিছিল বুলি পূৰ্ব্বেই কৈছো, সেইবাবে মুছলমান ডেকাসকলক ৰমজানৰ উপবাস খাটিবলৈ মই বুজালো। অৱশ্যে মই নিজে 'প্ৰদোষ' ব্ৰত পালিম বুলি পূৰ্ব্বতেই স্থিৰ কৰিছিলো। কিন্তু এতিয়া হিন্দু, পাৰ্চী, খ্ৰীষ্টান লৰা-হঁতকো মোৰ লগত এই উপবাস খাটিবলৈ ধৰিলো। ত্যাগৰ যেই সেই বিষয়তে অন্যৰ লগত যোগ দিয়া ভাল কাম বুলি তেওঁলোকক বুজালো। ফাৰ্ম্মৰ আন কিছুমানেও মোৰ এই প্ৰস্তাব সাদৰে গ্ৰহণ কৰিলে। মুছল-মান লৰাহঁতৰ উপবাসৰ সকলো বিষয়তে হিন্দু আৰু পাৰ্চী লৰাহঁতে যোগ দিয়া নাছিল আৰু এইখিনি প্ৰয়োজনীয়ও নাছিল। সৰু সৰু মুছল-

মান লৰাহঁতে একেবাৰে গোধূলি সময়লৈকে আহাৰলৈ বাট চাব লাগে । এইখিনি অন্যায় কৰা নাছিল । আৰু সেইবাবে তেওঁলোকে মুছলমান বন্ধুসকলৰ বাবে ৰুচিকৰ আহাৰ তৈয়াৰী কৰিবলৈ সমৰ্থ হৈছিল । ইফালে বেলি উঠিবৰ পূৰ্ব্বতে আহাৰ কৰাৰ নিয়মতো তেওঁলোকে মুছলমান বন্ধুসকলৰ লগত যোগ দিয়া নাছিল । অৱশ্যে মুছলমানসকলৰ বাহিৰে আন সকলোৱে পানী নোপোৱা এনে নাছিল ।

এইবিলাক পৰীক্ষাৰ ফলত উপবাস, আনকি, আংশিক উপবাসৰো মূল্য আছে বুলি সকলোৱে দৃঢ় বিশ্বাস হল । আৰু সকলোৰে মাজত এটা সুন্দৰ একতাৰ ভাব হল । টলষ্টয় ফাৰ্মত থাকোতে আমি সকলোৱেই নিৰামিষভোজী আছিলোঁ । অৱশ্যে মোৰ মনৰ ভাবলৈ চাই তেওঁলোক এনে হৈছিল, সেইবাবে মই তেওঁলোকক নশলাগি নোৱাৰো । ৰমজানত মুছলমান ডেকাহঁতে নিশ্চয় মঙহৰ অভাৱ বোধ কৰিছিল, কিন্তু কোনেও মোক কোৱা নাছিল । বৰঞ্চ তেওঁলোক নিৰামিষ আহাৰতেই তৃপ্ত আৰু সন্তুষ্ট আছিল আৰু আমাৰ এই ফাৰ্মৰ আড়ম্বৰ-হীনতাৰ লগত সামঞ্জস্য ৰখাকৈ হিন্দু লৰাহঁতে শাক-পাচলিৰ ৰুচিকৰ আঞ্জাও মাজে সময়ে ৰান্ধি দিছিল ।

উপবাস সম্পৰ্কে লিখি থাকোতে এইবোৰ মই ইচ্ছা কৰিয়েই লিখিছো, কাৰণ এইবোৰ মধুৰ স্মৃতি অন্য ঠাইত দিবলৈ সময় নহব । যি কথাষাৰ ভাল বুলি মোৰ মনত হয়, সেই কথাত মোৰ লগত মোৰ সহকৰ্ম্মী সকলেও যোগ দিয়া মই ভাল পাওঁ, এয়েই মোৰ স্বভাৱ বুলি পূৰ্ব্বেতে উল্লেখ কৰিছো । সম্পূৰ্ণ ৰূপে উপবাস কৰা, নাইবা আংশিকভাৱে উপবাস কৰা তেওঁলোকৰ অভ্যাস নাছিল, এইবোৰ তেওঁলোকৰ কাৰণে সম্পূৰ্ণ নতুন আছিল, কিন্তু উপবাস যে আত্ম-সংযমৰ এটা উপায়, এই কথাষাৰ প্ৰদোষ আৰু ৰমজানৰ উপবাসে তেওঁলোকক বুজালে ।

আমাৰ এই ফাৰ্ম্মত সংযমৰ ভাব এটা সোমাল। ফাৰ্ম্মত থকা সকলোৱেই এতিয়াৰ পৰা আংশিক নাইবা সম্পূৰ্ণ উপবাসত মোৰ লগত যোগ দিয়া আৰম্ভ কৰিলে । নিশ্চয় এইবিলাকে তেওঁলোকৰ উপকাৰ কৰিছে। এইখিনি ত্যাগে তেওঁলোকৰ হিয়া কিমান খিনি স্পৰ্শ কৰিছিল আৰু চিত্তবৃত্তি দমন কৰাত কিমান খিনি সহায় কৰিছিল মই কব নোৱাৰো। মোৰ পক্ষে শাৰীৰিক আৰু নৈতিক, দুয়োটা বিষয়তে উপকাৰ হৈছিল। উপবাস আৰু অন্যান্য কিছুমান নিয়মবপৰা সকলোৱে সমান ফল হব নোৱাৰে বুলি জানিছিলোঁ। আত্মসংযমৰ উদ্দেশ্য লৈ উপবাস কৰিলেহে ইয়াৰে ইন্দ্ৰিয় দমন কৰিব পাৰি। উপবাসৰ পাছত জিভাৰ জুতি আৰু কামবৃত্তি বাঢ়ে বুলিও মোৰ কিছুমান বন্ধুৱে পাইছে। আত্ম-সংযমৰ বাবে একাগ্ৰ সাধনা নহলে উপবাসে একো কৰিব নোৱাৰে। শৰীৰত উপবাস খাটি আত্মস যম কৰিব পাৰি বুলি ভবাটো ভুল। এই সূত্ৰতে ভাগৱত গীতাৰ দ্বিতীয় অধ্যায়ৰ বিখ্যাত শ্লোক এটাও উল্লেখ কৰা যোগ্য।

'যি বাহ্যিক ভাৱে ইন্দ্ৰিয়ক উপবাসে ৰাখে, তেওঁৰ কাৰণে ইন্দ্ৰিয় গ্ৰাহ্য বস্তুবোৰ আঁতৰি থাকিব পাৰে, কিন্তু অন্তৰত ইয়ালৈ স্পৃহা থাকে, কিন্তু যেতিয়া তেওঁ পৰমাত্মাৰ উপলব্ধি কৰিব পাৰে তেতিয়া, এই স্পৃহা আঁতৰি যায়।'

উপবাস আৰু অন্যান্য নিয়মবোৰ আত্মসংযমৰ এটা উপায় মাথোন, আৰু ইয়াতেই সকলোখিনি শেষ নহয়। শাৰীৰিক উপবাসৰ লগত যদি মনৰ যোগ নাথাকে, তেন্তে ই এটা আত্ম-প্ৰবঞ্চনা হব মাথোন আৰু ইয়াৰ ফলত ভয়ানক বিপদ হোৱা নিশ্চয়।

দ্বাত্ৰিংশ অধ্যায়

শিক্ষক হিচাপে

দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহৰ বুৰঞ্জী লিখোঁতে যিবিলাক কথা সামান্য উনুকিয়াই থৈছিলো, নাইবা উল্লেখ কৰা নাছিলে। এই কেইটা অধ্যায়ত সেইবিলাক কথাৰ ভালদৰে বিৱৰণ দিছো বুলি পাঠক সকলে আশা কৰো মনত ৰাখিব। এই কথাষাৰ মনত ৰাখিলে এই কেইটা অধ্যায়ৰ পৰস্পৰৰ লগত সম্বন্ধ তেওঁলোকে বেচকৈ বুজি পাব।

আমাৰ 'ফাৰ্ম্ম'ৰ বিস্তাৰৰ লগে লগে তাত থকা ল'ৰা আৰু ছোৱালী-বিলাকৰ শিক্ষাৰ দিহা কৰা প্ৰয়োজনীয় হৈ পৰিল। আমাৰ এই ফাৰ্ম্মত হিন্দু মুছলমান পাৰ্চী খ্ৰীষ্টান ল'ৰা আৰু কেইজনীমান হিন্দু ছোৱালীও আছিল। তেওঁলোকৰ বাবে সুকীয়াকৈ শিক্ষক ৰখা সম্ভৱপৰ নাছিল। আৰু মযো এই কথাষাৰ প্ৰয়োজনীয় বুলি বোধ কৰা নাছিলো। আৰু শিক্ষক পালেও ডাৰবানৰপৰা ২১ মাইল আঁতৰলৈ কম দৰমহাত যাবলৈ মান্তি নহব। ইফালে আমাৰ আৰ্থিক সম্বলো উভৈনদী নাছিল। মযো ফাৰ্ম্মৰ বাহিৰৰ পৰা শিক্ষক অনাটো প্ৰয়োজনীয় বুলিও ভবা নাছিলো। প্ৰচলিত শিক্ষা পদ্ধতিত মোৰ বিশ্বাস নাছিল। কি পদ্ধতিৰে শিক্ষা দিব পাৰি, সেই সম্পৰ্কে অভিজ্ঞতা আৰু পৰীক্ষাৰে বাছি উলিওৱা মোৰ মন আছিল। সকলো অৱস্থা আদৰ্শ-জনক হলে পিতৃ মাতৃয়েই প্ৰকৃত শিক্ষা দিব পাৰে। শিক্ষা সম্পৰ্কে মই এইখিনিহে মাথোন জানিছিলো। বাহিৰৰ মানুহে যিমান কম পাৰে সিমান কম সহায় দিব লাগে। 'টলষ্টয় ফাৰ্ম্ম' এখন পৰিয়ালৰ দৰে

আৰু এই পৰিযালত মযেই ঘৰখনৰ পিতৃ স্বৰূপ, আৰু সেইবাবে লৰা ছোৱালীৰ শিক্ষাৰ বাবে মযেই যথাসাধ্য দাযিত্ব লব লাগিব।

মোৰ এই ধাৰণাত যে অলপো আসোঁৱাহ নাছিল, এই কথা নহয়, মোৰ লৰা ছোৱালীহঁত সৰুৰেপৰা মোৰ লগত আছিল; নানা তৰহৰ অৱস্থাৰ মাজত তেওঁলোক ডাঙৰ হৈছে আৰু তেওঁলোক একে ধৰ্ম্মাৱলম্বী আছিল। কিন্তু মই কেনেকৈ এতিয়া এই বিলাক লৰাৰ দাযিত্ব পালন কৰো।

কিন্তু মই সদায হৃদযৰ বিকাশ, নাইবা চৰিত্ৰ-গঠনকেই প্ৰধান ঠাই দি আহিছো। আৰু তেওঁলোকৰ বযস কিমান হল, কিদৰে ডাঙৰ দীঘল হৈছে, এইবিলাকলৈ নাচাই সকলোকে সমান নৈতিক শিক্ষা দিযা সম্পৰ্কে মোৰ দৃঢ় বিশ্বাস আছিল। সেইবাবে তেওঁলোকৰ মাজত ২৪ ঘন্টা পিতৃৰ দৰে একেলগে থকাই মই স্থিৰ কৰিলো। চৰিত্ৰ গঠন শিক্ষাৰ প্ৰকৃত ভেটি বুলি ধৰিছিলো আৰু সেই ভেটি ভালদৰে বান্ধিব পাৰিলে, লৰাহঁতে নিজেই, নাইবা, আনৰ সহাযত আন সকলো কথা শিকিব পাৰিব।

কিন্তু সাহিত্য জ্ঞানৰ প্ৰযোজনীযতা মই ভালকৈ বুজি পাই কেলেন-বাক আৰু প্ৰাগজী দেছাইৰে সৈতে সাহিত্য পঢ়ুৱাবলৈ কিছুমান শ্ৰেণী খুলিলো, ইফালে শৰীৰগঠন কৰাৰ মূল্য নাই বুলিও ভবা নাছিলো। ইযাকো দৈনিক কাৰ্য্য-তালিকাত সুমুৱাই লোৱা হল। আমাৰ ফাৰ্ম্মত চাকৰ নাকৰ একো নাছিল, বন্ধা-বঢ়াৰ পৰা আৰম্ভ কৰি পাইখানা ছাফ কৰা, সকলোখিনি কাম আমাৰ ফাৰ্ম্মবাসী সকলৰ ওপৰতেই পৰিছিল। তাত বহুতো ফলৰ গছ আছিল, সেইবিলাকৰ তত্বাৱধান লোৱাও এটা ডাঙৰ কাম আছিল, বাগিছাৰ কাম মিঃ কেলেনবাকে বৰ ভাল পাইছিল, আৰু গভৰ্ণমেন্টৰ মডেল বাগিছাত কাম কৰি তেওঁৰ অলপ অভিজ্ঞতাও

হৈছিল। কি লৰা, কি বুঢ়া, যিসকল বান্ধনি ঘৰৰ কামত থাকিব লগীয়া হোৱা নাছিল, তেওঁলোক সকলোৰে বাবে এইবিলাক কাম কৰা বাধ্যতা-মূলক আছিল। এইবিলাক কাম লৰাহঁতেই সবহকৈ কৰিব লগীয়া হৈছিল। গাঁত খন্দা, গছ কটা, মাল কঢ়িওৱা এইবিলাক কামৰ সৰহভাগ লৰাহঁতেই কৰিছিল। ইয়াতেই তেওঁলোকৰ যথেষ্ট ব্যায়াম হৈছিল ; এইবোৰ কাম কৰিবলৈ তেওঁলোকে ভাল পাইছিল আৰু সেইবাবে অন্য কোনো সুকীয়া ব্যায়াম নাইবা খেলৰ আৱশ্যকতাও নাছিল। অৱশ্যে তেওঁলোকৰ কিছুমানে আৰু কোনো সময়ত সকলোৰেই কৰ্ত্তব্য কাম কৰিবলৈ বেমাৰৰ ভাও জোৰা, নাইবা গা এৰা দিবলৈ চেষ্টা নকৰা নহয়। কিছুমান সময়ত তেওঁলোকৰ ধেমালিলৈ মই আওকাণ কৰিছিলোঁ, কিছুমান সময়ত আকৌ বৰ কঠোৰ হৈছিলোঁ। যেতিয়াই মই কঠোৰ হওঁ, তেতিয়াই নিজৰ কৰ্ত্তব্য কৰিবলৈ আওহেলা কৰা অং দি, এইদৰে বুজনি দিবলৈকে মই চেষ্টা কৰোঁ। কিন্তু বুজনি বৰ সৰহ সময়লৈকে নাথাকে, অলপপৰ পাছত তেওঁলোকে কাম এৰি পুনৰ উমলিবলৈ গুচি যায়। যিয়েই হওক, এইদৰে আমি চলিবলৈ ধৰিলোঁ আৰু এওঁলোকৰো শৰীৰ ভালকৈ গঠন হল। আমাৰ তাত খুব কমেই বেমাৰ হৈছিল ; মুকলি বতাহ, বিশুদ্ধ পানী, আহাৰৰ নিয়মিত সময় ইয়াৰ বাবে দায়ী আছিল বুলি কোৱাটো উচিত।

হাতৰ কাম শিক্ষা দিয়া সম্পৰ্কেও এই প্ৰসঙ্গতে কৈ থওঁ। আমাৰ ইয়াত থকা প্ৰত্যেকক এটা নহয় এটা লাগতিয়াল হাতৰ কাম শিক্ষা দিয়া মোৰ উদ্দেশ্য আছিল। ইয়াৰ পাছত মিঃ কেলেনবাকে ট্ৰেপিষ্ট মঠ নামৰ এটা মঠলৈ গল। আৰু তাৰ পৰা মুচিয়াৰৰ কাম শিকি আহিল। তেওঁৰপৰা মই শিকিলোঁ, আৰু যিবিলাকে শিকিবলৈ বিচাৰে, তেওঁলোকক কেলেনবাকে শিকালে। তেওঁ কাঠৰ কামো কিছু

জানিছিল। এই কাম জনা মানুহ এজন আমাৰ তাত থকা বাবে কাঠ মিস্ত্ৰিৰ কাম শিকাবলৈ এটা শ্ৰেণীও খুলিলো। ইফালে বন্ধা-বঢ়াৰ কাম সকলো লৰাহঁতে জানিছিল।

এইবিলাক কাম তেওঁলোকৰ বাবে নতুন আছিল। আৰু এই বিলাক যে শিকিব লাগিব, সেইটো তেওঁলোকে সপোনতো ভবা নাছিল। কাৰণ সাধাৰণতে ভাৰতীয় লৰাসকলে দক্ষিণ আফ্ৰিকাত সামান্য লিখা-পঢ়া শিকিবলৈ পাইছিল। শিক্ষকসকলে যিটো কাম নিজে নকৰে, সেই কাম লৰাক কৰিবলৈ ক'ব নোৱাৰে, আৰু কেতিয়াবা কোনো এটা কাম কৰিবলৈ দিলে, নিজেও তেওঁলোকৰ লগত সহযোগ কৰিব, এয়েই 'টলষ্টয় ফাৰ্ম্মত' আমি নিয়ম কৰি লৈছিলো। সেইবাবে লৰাহঁতে যিহকেই শিকক, সকলো ৰং মনেৰে শিকিছিল। চৰিত্ৰগঠন আৰু সাহিত্য শিক্ষা সম্পৰ্কে পাছত কম।

ত্ৰয়োত্ৰিংশ অধ্যায়

লিখা-পঢ়া শিকোৱা

টলষ্টয় ফাৰ্ম্মত শাৰীৰিক ব্যায়াম আৰু লগতে হাতৰ কাম শিক্ষাৰ বাবে আমি কি দিহা কৰিছিলো, সেইটো পূৰ্ব্বৰ অধ্যায়ত পাঠক সকলে পাইছে। যদিও এইবিলাক কাম মই সন্তোষ পোৱা মতে হোৱা নাছিল, তথাপিও এইবোৰত আমি কিছু কৃতকাৰ্য্য হৈছিলো বুলি নকৈ নোৱাৰো। লিখা-পঢ়া শিক্ষা দিয়া অলপ টান কথা আছিল। কাৰণ মোৰ লাগতিয়াল সম্বলও নাছিল আৰু সিমান কিতাপপত্ৰও একো নাছিল।

ইয়াৰ উপৰিও এই বিলাকত ইমান সময় দিবলৈ মোৰ আজৰি নাছিল। যি শাৰীৰিক কাম মই কৰিব লগীয়া হৈছিল, তাতেই মই গধূলি ক্লান্ত হৈ পৰোঁ। ইফালে মোৰ যেতিয়া বিশ্ৰামৰ প্ৰয়োজন হয়, সেই সময়ত শ্ৰেণীবোৰ আৰম্ভ হয়। সেই কাৰণে অলপ বিশ্ৰাম কৰি সুস্থ মনেৰে 'শ্ৰেণী' লোৱা দূৰত থাওক, কোনো মতে টোপনিয়াকৈ শ্ৰেণী লোৱাই মোৰ পক্ষে টান হৈছিল। পুৱা যন্ত্ৰৰ কাম আৰু সাংসাৰিক কামত মন দিব লগীয়া হয়। সেই কাৰণে দুপৰীয়াৰ আহাৰৰ পাচত স্কুলৰ কাম কৰিব লগীয়া হয়। স্কুলৰ কাৰণে আৰু কোনো উপযুক্ত সময় পোৱা নাছিলোঁ। সাহিত্য শিক্ষাৰ কাৰণে আমি তিনিটা 'পিৰিয়ড' দিছিলোঁ। হিন্দী, তামিল গুজৰাটী আৰু উৰ্দ্দু শিক্ষা দিয়া হৈছিল আৰু মাতৃভাষাৰ জৰীয়তে লৰাহঁতক শিক্ষা দিয়া হৈছিল। ইংৰাজীও শিক্ষা দিয়া হৈছিল। গুজৰাটী হিন্দী লৰাহঁতক অলপ সংস্কৃত শিক্ষা দিয়া প্ৰয়োজন আছিল। ইফালে সকলো লৰাকে বুৰঞ্জী, ভূগোল আৰু গণিতৰ অলপ শিক্ষা দিয়াৰো প্ৰয়োজন হৈছিল। তামিল ভাষা মই যি অলপ জানিছিলোঁ, সেইখিনি জাহাজত আহোতে বাটত আৰু জেইলত শিকা। পোপে লিখা তামিল ভাষাৰ প্ৰথম পুথিখনতেই তামিল ভাষা সম্পৰ্কে মোৰ জ্ঞানৰ অন্ত হৈছিল। ইফালে উৰ্দ্দু আখৰো জাহাজত এবাৰ আহোতে যি শিকা আৰু মুছলমান বন্ধুসকলৰ সম্পৰ্কত আহি যিবোৰ পাৰ্চী আৰু আৰবী শিকিছিলো সেয়েই। সংস্কৃত সম্পৰ্কে হাইস্কুলত যি পঢ়া সিমানেই, আনফালে মোৰ নিজৰ গুজৰাটী ভাষাতো স্কুলত পঢ়াতকৈ মোৰ সৰহ জ্ঞান নাছিল।

এইখিনি বিদ্যা লৈয়েই স্কুল আৰম্ভ কৰিব লগীয়া হল। সাহিত্য জ্ঞান সম্পৰ্কে মোৰ সহকৰ্ম্মীসকলৰ জ্ঞান মোতকৈও চৰা আছিল। কিন্তু মাতৃভাষালৈ মোৰ ধাউতি, শিক্ষক হিচাপে মোৰ নিজৰ ওপৰত আত্ম-

বিশ্বাস আৰু লৰাহঁতৰ অজ্ঞানতা, তাতোকৈ তেওঁলোকৰ উদাৰতাই মোৰ যথেষ্ট সহায়ত আহিল।

তামিল লৰাহঁতৰ সৰহভাগেই দক্ষিণ আফ্ৰিকাত জন্ম হোৱা, আৰু সেইবাবে তামিল ভাষা বৰ কমেই জানিছিল আৰ আখৰবোৰ চিনা নাছিল। সেইবাবে আখৰ আৰু ব্যাকৰণৰ প্ৰাথমিক কথাবোৰ মযেই পঢ়াব লগীয়া হল। সেইবোৰ সহজ তামিল। মোৰ ছাত্ৰসকলে মোক তামিল ভাষাত কথা বতৰাত পৰাস্ত কৰিব পাৰিব বুলি জানিছিল আৰু ইংৰাজী নুবুজা কোনো তামিলী লোক আহিলেই তেওঁলোকেই মোৰ 'দো-ভাষী' হৈছিল। এইদৰে বংমনেৰে মই চলিবলৈ ধৰিলো, কাৰণ মই নিজৰ অজ্ঞানতা ছাত্ৰসকলৰ পৰা লুকাই থবলৈ কেতিয়াও চেষ্টা কৰা নাছিলো। সেইবাবে এইভাষা সম্পৰ্কে মোৰ ভীষণ অজ্ঞানতা থকা স্বত্বেও মই তেওঁ-লোকৰ মৰম আৰু চেনেহৰ পৰা বঞ্চিত হোৱা নাছিলো। মুছলমান লৰাহঁতক উৰ্দ্দু শিকোৱা বহুতো সহজ, তেওঁলোকে আখৰ চিনি পাইছিল। মই কেৱল মাত্ৰ তেওঁলোকক পঢ়াত আৰু হাতৰ লিখা ভাল কৰিবলৈ মন লগাই দিব লগীয়া হৈছিল।

এইবোৰ লৰা সাধাৰণতে কেতিয়াও স্কুললৈ নোযোৱা আৰু অশি-ক্ষিত। কিন্তু তেওঁলোকক পঢ়াই মই দেখিলো তেওঁলোকক মাথোন এলাহ গুচোৱা আৰু পঢ়া শুনাৰ তত্বাৱধান লোৱাৰ বাহিৰে তেওঁলোকক শিকাৱ লগীয়া মোৰ বৰ কমেই আছে। এই কামত মই সন্তুষ্ট থকা বাবে সকলো বয়সৰ লৰাৰ লগত মিলি চলিব পৰা হৈছিলো আৰু একে ক্লাছ ৰুমত কেইবাটাও বিষয় মই শিকাৱ পাৰিছিলো।

টেক্সট বুক সম্পৰ্কে আমি বহুতো কথা শুনিবলৈ পাওঁ, কিন্তু মই ইয়াৰ অভাৱ বোধ কৰা নাছিলো। আন কি, যিবোৰ কিতাপ পোৱা গৈছিল, সেইবোৰ মই বৰকৈ ব্যৱহাৰ কৰিছিলো বুলি মোৰ মনত নাই। বহুতো

কিতাপৰ বোজা দিয়াৰ প্ৰয়োজন বোধ কৰা নাছিলো। শিক্ষকেই ছাত্ৰৰ কাৰণে প্ৰকৃত টেক্সট বুক, এই কথাষাৰ মই সদায় অনুভৱ কৰিছিলো। মোৰ শিক্ষক সকলে শিকোৱা কথাবোৰ মোৰ মনত প্ৰায় নায়েই; কিন্তু কিতাপৰ বাহিৰে যিবোৰ তেওঁলোকে পঢ়াইছিল, সেইবোৰ এতিয়ালৈকে স্পষ্ট মনত আছে। কম পৰিশ্ৰম কৰি সৰহ কথা লৰাহঁতে চকুতকৈ কাণেৰেই গ্ৰহণ কৰে। কোনো এখন কিতাপ ইমূৰৰ পৰা সিমূৰলৈকে লৰাহঁতৰ লগত পঢ়া মোৰ মনত নপৰে। কিন্তু মই কিতাপ পঢ়ি যি জ্ঞান পাইছিলো, সেই খিনিয়েই মোৰ নিজৰ ভাষাত লৰাহঁতক কৈছিলো। আৰু মই ভাঠি কৰ পাৰো যে তেওঁলোকে মই পঢ়োৱা এইবোৰ কথা এতিয়াও স্পষ্টকৈ মনত ৰাখিছে। কিতাপৰ কথা মনত ৰখা টান, কিন্তু মুখেৰে যিবোৰ কথা কোৱা হয়, সেইবোৰ তেওঁলোকে অতি সহজে পুনৰ আবৃত্তি কৰিব পাৰে। পঢ়িবলৈ লৰাহঁতে বৰ আমনি পায়, কিন্তু শুনাটো ধেমালি বুলি ভাবে। কথাবোৰ সাধুকথাৰ দৰে কলে তেওঁলোকে মোক কতনো প্ৰশ্ন সোধে আৰু ইয়াতেই মোৰ কথা বুজিব পৰা তেওঁলোকৰ শক্তিৰ জোখ পাওঁ।

চতুস্ত্ৰিংশ অধ্যায়

আধ্যাত্মিক শিক্ষা

শাৰীৰিক আৰু মানসিক শিক্ষাতকৈও লৰাহঁতক আধ্যাত্মিক শিক্ষা দিয়া আৰু টান আছিল। আধ্যাত্মিক শিক্ষাৰ বাবে মই ধৰ্ম্ম পুথিত বৰ কম নিৰ্ভৰ কৰিছিলো। অৱশ্যে প্ৰত্যেক ছাত্ৰই নিজৰ ধৰ্ম্মৰ মূল কথা

জনা উচিত আৰু নিজৰ ধৰ্ম্ম শাস্ত্ৰবোৰ সম্পৰ্কে এটা সাধাৰণ জ্ঞান প্ৰত্যেক লৰাৰে থকা উচিত বুলি মই বিশ্বাস কৰিছিলোঁ। সেইবাবে যিমান-দূৰ পাৰো এইবিলাক জ্ঞানৰ বাবে দিহা কৰিছিলো। কিন্তু সিও মোৰ মনেৰে মানসিক শিক্ষাৰেই এটা অঙ্গ আছিল। টলষ্টয় ফাৰ্ম্মৰ সৰু সৰু লৰাইতৰ শিক্ষাৰ ভাৰ লোৱাৰ বহু দিন পূৰ্ব্বৰে পৰা আধ্যাত্মিক শিক্ষা এটা স্বকীয়া বস্তু বুলি মই উপলব্ধি কৰিছিলো। আত্মাৰ বিকাশ কৰাৰ অৰ্থ হৈছে—চৰিত্ৰ গঠন কৰা, ঈশ্বৰ জ্ঞান লাভ কৰা, আৰু নিজৰ আত্মাক উপলব্ধি কৰা। সৰু লৰাৰ শিক্ষাৰ ই এটা বৰ লাগতিয়াল অঙ্গ আৰু আধ্যাত্মিক শিক্ষাবিহীন শিক্ষা একো ফলৱতী নহয়, আনকি অপকাৰী হে হব পাৰে বুলি মই ভাবিছিলো।

জীৱনৰ শেষ যুগত অৰ্থাৎ বানপ্ৰস্থী হবৰ সময়তহে আত্মাক উপলব্ধি কৰিব পাৰি বুলি মানুহৰ মাজত যি কুসংস্কাৰ আছিল, সেই কথাষাৰ মই নজনা নহওঁ। কিন্তু এই কথাষাৰ সকলোৱেই জানে যে যি সকলে এই অমূল্য অভিজ্ঞতা জীৱনৰ শেষ বয়সলৈ থয়, তেওঁলোকে কেতিয়াও আত্মাক উপলব্ধি কৰিব নোৱাৰে, আৰু বৃদ্ধ বয়সত সকলোৱে পুনৌ কৰা লৰালি অৱস্থালৈ দ্বিতীয় বাৰলৈ যায়। ১৯১১-১২ সনত যেতিয়া মই লৰাইতৰ শিক্ষাৰ কামত ব্যস্ত আছিলো, তেতিয়াও মোৰ এনে মত আছিল বুলি মোৰ স্পষ্টকৈ মনত পৰে। অৱশ্যে কথাবোৰ ভাষাৰে এইদৰে লিপিবদ্ধ কৰা নাছিলো।

কেনেকৈ এই আধ্যাত্মিক শিক্ষা দিয়া যাব? মই লৰাইতক কিছুমান স্তোত্ৰ পাঠ কৰি মুখস্থ কৰিবলৈ দিলো। আৰু নৈতিক শিক্ষাৰ কিতাপ পঢ়ি শুনোৱা থিৰ কৰিলো। কিন্তু ই মোক সন্তোষ দিয়া নাছিল। মই যিমানেই তেওঁলোকৰ লগত ঘনিষ্ট সম্পৰ্কলৈ আহিলো, সিমানেই দেখিলো যে কিতাপেৰে আধ্যাত্মিক শিক্ষা দিব নোৱাৰি। যিদৰে শাৰীৰিক

আধ্যাত্মিক শিক্ষা

ব্যায়ামৰ শিক্ষা ব্যায়াম চৰ্চ্চাৰ মাজেদিয়েহে দিব পাৰি, সেইদৰে আধ্যাত্মিক শিক্ষা আধ্যাত্মিক চৰ্চ্চাৰ মাজেদিয়ে হব পাৰে আৰু ইয়াৰ সাধনা শিক্ষকজনৰ চৰিত্ৰ আৰু জীৱনৰ ওপৰত নিৰ্ভৰ কৰে। ল'ৰাহঁতৰ মাজতে হওক বা আঁতৰতে হওক, শিক্ষকে কোনো এটা দোষ যাতে নকৰে, সেইবাবে তেওঁ সদায় সতৰ্ক থকা উচিত। বহুতো আঁতৰত থাকিও শিক্ষকে ছাত্ৰৰ মনত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। মই যদি নিজে মিছলীয়া হওঁ, তেন্তে ল'ৰাহঁতক মিছা কথা কবলৈ হাক দিয়াটো মোৰ পক্ষে বৃথা সাধন। যি জন শিক্ষক নিজেই ভীৰু কাপুৰুষ তেওঁ ল'ৰাহঁতক কেতিয়াও সাহিয়াল কৰিব নোৱাৰে, তেওঁৰ নিজৰেই আত্মসংযম গুণ নাথাকিলে, তেওঁ কেতিয়াও ছাত্ৰহঁতক আত্ম-সংযমৰ গুণ শিক্ষা দিব নোৱাৰিব। সেইবাবে মোৰ লগত থকা ল'ৰা-ছোৱালীহঁতৰ কাৰণে মই সদায় এটা দৃষ্টান্ত হব লাগিব বুলি মই বুজি পালো। এইদৰে ল'ৰাহঁতেই মোৰ শিক্ষক হল, আৰু তেওঁলোকৰ কাৰণেই মই সজ পোনপটীয়া হোৱা উচিত বুলি শিকিলো। টলষ্টয় ফাৰ্ম্মত মই নিজৰ ওপৰত বেছিকৈ নিয়মবোৰ বান্ধি ছাতি নোৱাৰাৰ কাৰণ হৈছে এই বিলাক ল'ৰাই।

ইয়াৰ ভিতৰত এজন ল'ৰা বৰ বনৰীয়া স্বভাৱৰ আছিল, তেওঁক দমন কৰা টান, সকলোৰে লগত কাজিয়া কৰে আৰু মিছা কথা কয়। এদিনাখন তেওঁ বৰ চণ্ডমূৰ্ত্তি ধৰিলে। মোৰো বৰ অসহ্য হল। মই কেতিয়াও ল'ৰাহঁতক শাস্তি দিয়া নাছিলো। কিন্তু এইবাৰ মোৰ খং উঠিল। তেওঁক বুজাই বঢ়াই শান্ত কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু তেওঁ শিলৰ দৰে টান হৈ থাকিল, আৰু আনকি, খঙত মোকো চেৰ পেলাবলৈ উপক্ৰম কৰিলে,। অৱশেষত মই ওচৰত থকা ৰুলমাৰীডাল লৈ হাতত এটা কোব মাৰিলো। তেওঁক মাৰোতে মই কঁপি আছিলো।

লৰাজনে মোৰ এই অৱস্থা নিশ্চয় দেখা পাইছিল। মোৰ এনে মূৰ্ত্তি তেওঁলোকৰ কাৰণে এটা নতুন কথা। যিহওক লৰাজনে চিঞৰি উঠি ক্ষমা খুজিলে। মই মৰাত দুঃখ পাই যে লৰাজনে চিঞৰি কান্দিবলৈ ধৰিলে, সেইটো নহয়, বৰঞ্চ ইচ্ছা কৰিলে সেই ১৭ বছৰীয়া শকত-আৱাট লৰাজনে মোকেই উভাটি ধৰিব পাৰিলে হেতেন। কিন্তু মোৰ যে এই অৱস্থা হৈছে, এই কথাষাৰতেই তেওৰ বেজাৰ হল। ইয়াৰ পাছৰ পৰা তেওঁ কেতিয়াও মোৰ আদেশ অমান্য কৰা নাছিল। কিন্তু তেওঁক সেইদিনা মৰা বাবে মোৰ এতিয়াও অনুতাপ হয়। মোৰ ভিতৰত থকা আত্মাক সেইদিনা তেওঁক দেখুৱা নাছিলো। বৰঞ্চ মোৰ ভিতৰত থকা পশু স্বভাৱহে সেইদিনা প্ৰকাশিত কৰিছিলো।

মই সদায় শাৰীৰিক শাস্তি দিয়াৰ বিৰোধী আছিলো। মোৰ লৰা এটাক কিবা এটা কথাত এদিন শাৰীৰিক শাস্তি দিয়াটোৱেই মোৰ জীৱনৰ এটা ঘটনা। ৰুলমাৰীডাল এইদৰে ব্যৱহাৰ কৰাটো মোৰ পক্ষে উচিত হৈছি নে অনুচিত হৈছিল, আজিলৈকেও মই মীমাংসা কৰিব পৰা নাই। বোধকৰো। এইটো অনুচিত হৈছিল, কাৰণ মই খঙৰ বশীভূত হৈ আৰু লৰাজনক শাস্তি দিয়াৰ ইচ্ছা হোৱাতেই এনে কাম কৰিছিলো। মোৰ অন্তৰৰ দুখৰ অভিব্যক্তি ই হোৱা হলে এইটো ন্যায়সঙ্গত হল হেতেন। কিন্তু এই ক্ষেত্ৰত মোৰ উদ্দেশ্যত দুযোটা কথা মিহলি আছিল। এই ঘটনাই জানিবা মোক চিন্তা কৰোৱাত লগালে, আৰু ছাত্ৰইতক কি দৰে শুধৰাব পাৰি, তাৰ ভাল উপায় উদ্ভাৱন কৰিবলৈ মোক শিকালে। এই উপায় এই ঘটনাত কেনেকৈ প্ৰয়োগ কৰা হল হেতেন তাক মই নাজানো। লৰাজনে ততালিকে এই ঘটনা পাহৰি গল, আৰু নিজক শুধৰাবলৈ মন দিয়াৰো একো চিন পোৱা নগল। কিন্তু ছাত্ৰলৈ শিক্ষকৰ কৰ্ত্তব্য কি সেইটো এই ঘটনাই মোক ভালকৈ শিকালে।

ইযাৰ পাছতো ছাত্ৰইঁতে অসৎ আচৰণ কৰিলেও মই শাৰীৰিক শাস্তি দিয়া নাছিলো। এই লৰা-ছোৱালীহঁতক আধ্যাত্মিক শিক্ষা দিবলৈ গৈ আত্মাৰ ক্ষমতা কি তাক মই ভালকৈ বুজি পালো।

পঞ্চত্ৰিংশ অধ্যায়

উলুৰ লগত বগৰি

এতিয়ালৈকে মই মন নকৰা এটা সমস্যাৰে টলষ্টয় ফাৰ্ম্মতেই মিঃ কেলেনবাকে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। ফাৰ্ম্মত থকা লৰা কিছুমান বৰ বেয়া আৰু শাসনৰ অতীত আছিল বুলি পূৰ্ব্বেই কোৱা হৈছে। তেওঁ-লোকৰ ভিতৰত কেইজনমান বৰ এলেহুৱা আৰু অসভ্য লৰা আছিল। আৰু এই লৰাবিলাকৰ লগত মোৰ লৰাকেইজন একেলগে থকাত কেলেনবাক চিন্তিত হল। এই অসৎ স্বভাৱৰ লৰাকেইজনৰ সংস্পৰ্শত মোৰ লৰাকেইজন অহা উচিত হোৱা নাই বুলি তেওঁ ভাবিছিল।

এদিনাখন তেওঁ কলে---- আপোনাৰ লৰাকেইজনক এই অসভ্য লৰাবিলাকৰ লগত একেলগে ফুৰিবলৈ আৰু খাবিবলৈ দিয়াটো মই সমৰ্থন কৰিব নোৱাৰো। ইযাৰ ফল বেয়া হব পাৰে। এইবিলাক বেয়া লৰাৰ সঙ্গত পৰি তেওঁলোকো বেয়া হব পাৰে।'' এই কথাষাৰত মই কিমান চিন্তিত হৈছিলো, মোৰ মনত নাই, কিন্তু সেই সময়ত মই তেওঁক কি উত্তৰ দিছিলো, সেই কথাষাৰ মোৰ মনত আছে।

''এইবোৰ এলেহুৱা অসৎ লৰাবিলাক আৰু মোৰ লৰাকেইজনৰ মাজত পাৰ্থক্য কৰো কেনেকৈ? মই মোৰ লৰাকেইজনৰ বাবে যিমান

দায়ী, সেইমতে তেওঁলোকৰ বাবেও দায়ী। মই মাতি আনিছো বুলিয়েই এইবিলাক লৰা আহিছে। অলপ টকা পইচা দি তেওঁলোকক বিদায় দিলে তেওঁলোকে তত্তালিকে জোহানছবাৰ্গলৈ উলটি গৈ পূৰ্ব্বৰ দৰে থাকিব। সঁচাকৈয়ে কবলৈ হলে তেওঁলোকে আৰু তেওঁলোকৰ অভিভাৱক সকলেও ভাবে ইয়াত তেওঁলোক থকা বাবে তেওঁলোকৰ ওচৰত মইহে দায়ী। ইয়ালৈ আহি যে তেওঁলোক বহুতো অসুবিধাত পৰিব লগীয়া হৈছে, সেইকথাষাৰ আপুনিও জানে। কিন্তু মোৰ কৰ্ত্তব্য ফটফটীয়া হৈ ওলাই আছে। মই তেওঁলোকক ইয়াত ৰাখিমেই আৰু সেই কাৰণে মোৰ লৰাইঁতো তেওঁলোকৰ লগত থাকিব লাগিব। আৰু নিশ্চয়েই মই মোৰ লৰাইঁতক আন লৰাতকৈ শ্ৰেষ্ঠ বুলি ভাবিবলৈ শিকোৱাটোও আপুনি নিবিচাৰে। এই শ্ৰেষ্ঠত্বৰ ভাব তেওঁলোকৰ মনত সুমুৱাই দিয়াৰ অৰ্থ হৈছে তেওঁলোকক ভুল বাটেদি নিয়া। অন্য লৰাৰ লগ লোৱাৰ পৰাও তেওঁলোকে বহুতো কথা শিকিব পাৰিব। কোনটো ভাল, কোনটো বেয়া এই কথাষাৰ বাছি লবলৈ তেওঁলোকে শিকিব। তেওঁলোকৰ ভিতৰত কিবা ভাল থাকিলে সেই ভাল কথাষাৰ শিকিব পাৰিব বুলি আমি বিশ্বাস নকৰিবৰ কাৰণ কি? সি যিয়েই হওক, তেওঁলোকক মই ইয়াত ৰাখিমেই আৰু ইয়াত যদি মোৰ কিবা বিপদ হয় তেন্তে মই সেই বিপদ লম।"

মিঃ কেলেনবাকে মূৰ জোকাৰিলে মাথোন। এতিয়া ইয়াৰ যে ফল কিবা বেয়া হৈছে বুলি মই নাভাবো। এই পৰীক্ষাৰ ফলত মোৰ লৰাইঁত বেয়া হল বুলি কব নোৱাৰো। বাস্তৱতে তেওঁলোকে বহুতো কথা শিকিছে। শ্ৰেষ্ঠত্বৰ ভাৱ সামান্য থাকিলেও এই ভাব ধ্বংস হল আৰু তেওঁলোকে সকলোৰে লগত সমানে লিখা-পঢ়া কৰিব লগীয়া হল। পৰীক্ষাৰ মাজেদি নিজক গঠন কৰিব পৰা হল। এইটো আৰু আন

আন পৰীক্ষাৰ পৰা মই বুজিব পাৰিলো যে ভাল লৰাক বেয়া লৰাৰ সঙ্গত ৰাখি পঢ়ালেও ভাল লৰাৰ একো হানি নহয়, অৱশ্যে এই পৰীক্ষা মাক বাপেক আৰু অভিভাৱক সকলে সাৱধানেৰে সৈতে চকু ৰাখি চলায় যেন।

লৰাক চাৰি বেৰৰ মাজত সুমুৱাই থৈ ডাঙৰ দীঘল কৰিলেই যে লৰা প্ৰলোভনৰ হাত সাৰিব পাৰিব, নাইবা বেয়া নহব, এইটো নহয়। যেতিয়া সকলো শ্ৰেণীৰ লৰা-ছোৱালীক একেলগে ৰাখি শিক্ষা দিয়া হয়, তেতিয়া শিক্ষক আৰু অভিভাৱকৰ ওপৰত বৰ ডাঙৰ দায়িত্ব পৰে। সেইবাবে তেওঁলোক সদায় সতৰ্ক হৈ থাকিব লাগে।

ষষ্ঠত্ৰিংশ অধ্যায়

প্ৰায়শ্চিত্তৰ মাহাত্ম্য

লৰা-ছোৱালীক ডাঙৰ দীঘল কৰি উচিত মতে শিক্ষা দিয়া যে কি গুৰুতৰ কাম এই কথাষাৰ দিনক দিনে ভালকৈ বুজিবলৈ ধৰিলো। মই প্ৰকৃততে তেওঁলোকৰ শিক্ষক আৰু অভিভাৱক হব লগীয়া হলে তেওঁলোকৰ হিয়াত সোমাব লাগিব, তেওঁলোকৰ সুখ আৰু দুখৰ ভাগ লব লাগিব, তেওঁলোকৰ কিবা সমস্যা উপস্থিত হলে তাৰ সমাধান কৰাত সহায় কৰিব লাগিব, যৌৱনোচিত আকাঙ্ক্ষা-বোৰ যাতে উচিত বাটেদি নিব পাৰি তাৰ বাবে মই সদায় চাব লাগিব এই কথাষাৰ বুজি পালো।

কেইজনমান সত্যাগ্ৰহীক জেলৰপৰা খালাচ দিযাৰ সমযত টলষ্টয ফাৰ্ম্মখন প্ৰায উৰুঙা আছিল। যি কেইজন এতিযাও আছিল, তেওঁলোক ফিনিক্স ফাৰ্ম্মৰ। সেইবাবে তেওঁলোকক ফিনিক্সলৈ পঠালো। ইযাতেই বৰ ডাঙৰ এটা পৰীক্ষাৰ মাজেদি মই যাব লগীযা হল। এবাৰ জোহানছবাৰ্গ আৰু এবাৰ ফিনিক্স, এইদৰে অহা-যোৱা কৰোতেই সময দিব লগীযা হৈছিল। এবাৰ মই জোহানছবাৰ্গত থাকোতে আমাৰ আশ্ৰমত থকা দুজন লোকৰ নৈতিক অধঃপতন হৈছে বুলি বাতৰি পালো। সত্যাগ্ৰহ আন্দোলনৰ ক'ৰবাত কিবা এটা আসোঁৱাহ ঘটিলে, নাইবা, ক'ৰবাত দেখাত পৰাজযৰ বাতৰি পালেও মই সিমান উদ্বিগ্ন হোৱা নাছিলো। কিন্তু মোৰ বাবে এই বাতৰি বজ্ৰপাতৰ দৰে হল। সেই দিনাই ফিনিক্সলৈ ট্ৰেইন ললো। মোৰ লগত যাবলৈ কেলেনবাকেও টানি ধৰিলে। মোৰ মানসিক অৱস্থা কি হৈছে তেও বুজি পাইছিল। যি বাতৰিত মই ইমান ব্যাকুল হৈছিলো, সেই বাতৰি তেৱেঁই মোক দিযা বাবে, মই অকলে যোৱাটো তেও সহিব পৰা নাছিল। যাওতে বাটত মই কি কৰিম কৰ্ত্তব্য স্থিৰ কৰি ললো। নিজৰ ছাত্ৰ, নাইবা তলতীযা লোকৰ কিবা নৈতিক অৱনতি হলে, অভিভাৱক নাইবা শিক্ষকো কিছু পৰিমানে দাযী বুলি মই ভাবিছিলো। এই কথাৰ মোৰ দাযিত্ব কি সেইটো দিনৰ পোহৰৰ দৰে স্পষ্ট হল। এই কথাৰ বাবে মোক ধৈণীযে পূৰ্ব্বতেই মোক সতৰ্ক কৰি দিছিল, কিন্তু সকলোকে বিশ্বাস কৰা মোৰ স্বভাৱ আছিল। সেইবাবে তেওঁৰ কথালৈ মই সিমানকৈ মন দিযা নাছিলো। মই যে কি দুখ পাইছো আৰু তেওঁলোক কিমান তললৈ নামিছে তাকো দোষীসকলক অনুভৱ কৰাব পাৰিম বুলি মই ভাবিছিলো। সেইবাবে ৭ দিনলৈ উপবাস আৰু ৪।। মাহলৈ এসাঁজ আহাৰৰ ব্ৰত ললো। মিঃ কেলেনবাকে মোক এই কামৰ পৰা পাছ হোহোকাবলৈ চেষ্টা কৰিছিল,

কিন্তু সকলো বৃথা হল। সেইদ্বাৰা প্ৰায়শ্চিত্তৰ যুক্তি-যুক্ততা বুজি পাই মোৰ লগতে তেওঁ এই প্ৰায়শ্চিত্তত যোগ দিবলৈ মোক মিনতি ধৰিলে। মই তেওঁৰ এই মৰমত বাধা দিয়া নাছিলো।

এই প্ৰায়শ্চিত্ত লবলৈ স্থিৰ কৰাতহে মোৰ মনৰ পৰা বোজা পাতলিল আৰু নিজেও বহুতো আৰাম অনুভৱ কৰিলো। দোষীসকলৰ লৈ মোৰ যি খং উঠিছিল, সেইবিলাকো সকলো শাম কাটিল আৰু তাৰ পৰিবৰ্ত্তে তেওঁলোকলৈ সহানুভূতি উপজিল। এইদৰে মনৰ বোজা বহুতো পাতল হোৱাত মই সেই ঠিনিলৈ গ'লোগৈ। এই সম্পৰ্কে আৰু তদন্ত কৰি মই জানিব লগা সকলো কথা জানিলো। মোৰ এই প্ৰায়শ্চিত্ত সকলোৰে বেজাৰ পালে, কিন্তু বতৰ নিৰ্ম্মল কৰিলে। পাপ আচৰণ কৰাটো যে কিমান বেয়া কাম তাক সকলোৱে বুজি পালে। আৰু কি দৰে মৰমৰ দোলেৰে লৰা-ছোৱালী সকলো মোৰ লগত বান্ধ খাই আছিল, সেই বান্ধ আৰু শকত হল।

ইয়াৰ কিছু দিনৰ পাছত এই ঘটনাৰ ফল হিচাপে হোৱা আৰু এটা ঘটনাই মোক আৰু ১৪ দিনলৈ উপবাস ব্ৰত লবলৈ বাধ্য কৰিলে। এইবিলাকৰ পৰা মই আশাতীত ফল পালো। ছাত্ৰই কৰবাত কিবা দোষ কৰিলে শিক্ষকে উপবাস কৰিব লাগে বুলি এইবিলাক ঘটনাৰে বুজোৱাটো মোৰ উদ্দেশ্য নহয়। কিন্তু কিছুমান ঘটনাই এনেবিধৰ প্ৰতিকাৰ লবলৈ বাধ্য কৰে বুলি মই ভাবো। অৱশ্যে এনে প্ৰতিকাৰ লবৰ পূৰ্ব্বতে আধ্যাত্মিক যোগ্যতা আৰু সকলো কথা ফটফটিয়াকৈ দেখিব পৰাটো হব লাগিব। য'ত শিক্ষক আৰু ছাত্ৰৰ মাজত প্ৰকৃততে মৰমৰ বান্ধোন নাই, য'ত ছাত্ৰৰ দোষে শিক্ষকৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰে, য'ত ছাত্ৰৰ শিক্ষকলৈ শ্ৰদ্ধা নাই, তেনে স্থলত উপবাসৰ একো ফল নহয় বৰঞ্চ বহুতো অনিষ্ট হয়। যদিও এনেবিলাক

ঘটনাই উপবাসৰ যুক্তিযুক্ততা সম্পৰ্কে প্ৰশ্ন কৰিবৰ বহুতো আছে, তথাপিও ছাত্ৰৰ দোষৰ বাবে শিক্ষকো কিছু পৰিমাণে দায়ী এই কথাষাবত প্ৰশ্ন কৰিব লগীয়া একো নাই।

প্ৰথমবাৰৰ প্ৰায়শ্চিত্তত মই বিশেষ অসুবিধা পোৱা নাছিলো। সাধাৰণ কাম বোৰ কৰিবলৈ এৰা বা বন্ধ কৰিব লগীয়া হোৱা নাছিল। সকলোৰে মনত থাকিব পায যে এই সময়ত মই ফলভোজী আছিলো, কিন্তু দ্বিতীয়বাৰৰ প্ৰায়শ্চিত্ত শেহ ভোখৰেদি মোৰ অলপ টানেই হৈছিল। তেতিয়াও ৰাম নামৰ আচৰিত ক্ষমতা মই বুজিব পৰা নাছিলো। আৰু দুখ কষ্ট সহিবলৈ সামৰ্থ্যও মোৰ কম আছিল। উপবাস কৰিবলৈ কি প্ৰয়োজন তাকো মই ভালদৈ জনা নাছিলো। পানী খাবলৈ যিমানেই বেয়া লাগক, সবহকৈ পানী খোৱাৰ প্ৰয়োজনীয়তা তেতিয়া বুজি পোৱা নাছিলো। প্ৰথম বাৰৰ উপবাস উজু হোৱাত দ্বিতীয়বাৰ মই সিমান সাৱধান হোৱা নাছিলো। প্ৰথমবাৰ Kuhne এ নিৰ্দ্দেশ কৰা মতে গা ধুইছিলো, কিন্তু দ্বিতীয়বাৰ দুদিন কি তিন দিনৰ পাছত গা ধোৱা এৰিলো। আৰু পানী খোৱাও কমালো কাৰণ পানী মুখত বৰ বেয়া লাগিছিল, পানী খোৱাৰ পাছত বমি হোৱাৰ ভাব হৈছিল। ইয়াৰ ফলত ডিঙি শুকান আৰু দুৰ্ব্বল হলো, শেহৰ দিন কেইটাত মই কোনোমতে কথা কব পাৰিছিলো মাথোন। এই বিলাক হোৱা সত্বেও, ক'ৰবাত লিখিবলগীয়া হলে মই লোকক দি লিখাইছিলো। ৰামায়ণ আৰু অন্যান্য ধৰ্ম্মপুথি পাঠ কৰা শুনিছিলো আৰু সকলো লাগতিয়াল কথা আলোচনা কৰা আৰু উপদেশ দিয়াতো মোৰ যথেষ্ট শক্তি আছিল।

সপ্তত্ৰিংশ অধ্যায়

সত্যাগ্ৰহ আন্দোলনৰ শেহত

দক্ষিণ আফ্ৰিকাৰ বহুতো স্মৃতি এৰিব লগীয়া হল। যি হওক, ১৯১৪ চনত সত্যাগ্ৰহ আন্দোলন শেষ হল। [illegible] লণ্ডন হৈ দেশলৈ উলটিবলৈ গোখলে মোলৈ বাতৰি পঠালে। জুলাই মাহত কস্তুৰ্বা বাঈ আৰু কেলেনবাকৰ লগত লৈ মই ইংলণ্ডলৈ ৰাওনা হলো। সত্যাগ্ৰহ আন্দোলন শেষ হোৱাৰে পৰা মই তৃতীয় শ্ৰেণীত যাত্ৰা আৰম্ভ কৰিছিলো। সেইবাবে এইবাৰো তৃতীয় শ্ৰেণীত আমাৰ তিনিওৰে টিকিট ললো। এই লাইনত চলা জাহাজৰ তৃতীয় শ্ৰেণীৰ লগত ভাৰতৰ উপকূলত চলা জাহাজৰ আৰু ৰেলৰে তৃতীয় শ্ৰেণীৰ বহুতো পাৰ্থক্য আছে। ভাৰতীয় লাইনত শোৱাৰ কথা দূৰত থাওক, বহিবলৈকে ঠাই পোৱা টান, ঠায়ো বৰ অপৰিষ্কাৰ। কিন্তু লণ্ডনলৈ যোৱা জাহাজত ঠাই যথেষ্ট আৰু বৰ চাফ চিকুণ। ষ্টীমাৰ কোম্পানীয়ে আমাৰ সুবিধাৰ বাবে যথেষ্ট চকু দিছিল। আমাৰ বাবে সুকীয়াকৈ কোম্পানীয়ে পায়খানাৰ বন্দবস্ত কৰি দিছিল আৰু আমি ফলমূলভোজী আছিলো দেখি যথেষ্ট ফল আৰু বাদাম আমাক যোগাবলৈ ষ্টুৱাৰ্ডক হুকুম দিছিল। নিয়মমতে তৃতীয় শ্ৰেণীৰ যাত্ৰীক ফলমূল প্ৰায়েই দিয়া নহৈছিল। ১৮ দিনীয়া যাত্ৰাৰ বাবে এই বিলাক বন্দবস্ত কৰি দিয়াত আমি আৰামে যাব পৰা হৈছিলো।

এই যাত্ৰাৰ কেইটামান ঘটনা উল্লেখযোগ্য। মি কেলেনবাকে দূৰ্বীন বৰ ভাল পাইছিল আৰু তেওঁৰ এযোৰ কি দুযোৰ বৰ দামী দূৰ্বীন আছিল। এইটো লৈয়ে আমাৰ দুযোৰো মাজত সদায় বৰ

আলোচনা হয়। আড়ম্বৰহীনতাৰ যি আদৰ্শ পাবলৈ আমি চেষ্টা কৰিছোহঁক, সেই আদৰ্শৰ লগত এইটোৰে সামঞ্জস্য ৰখা নহয় বুলি মই তেওঁক সদায় বুজাবলৈ চেষ্টা কৰো। এদিন আমাৰ তৰ্ক বৰ বিষমৰূপে হৈছিল। আমি দুয়ো কেবিনৰ ওচৰৰ ফুটাটোৰ কাষত (Porthole) থিয় হৈ কথা পাতি আছিলো।

"আমাৰ দুয়োৰো মাজত এইটো তৰ্ক বিতৰ্কৰ বিষয় হোৱাতকৈ এইটো সাগৰলৈ দলিয়াই নিদিয়ে কিয়? সেয়ে হলেতো ইয়াৰ শেষ নিষ্পত্তি হয় দেখোন।" এই বুলি মই কলো।

'নিশ্চয়, এই আপদটো দলিয়াই দিয়ক' বুলি কেলেনবাকে মাত লগালে।

'মই হলে সচাঁকৈয়ে কৈছো।' বুলি মই কলো।

'ময়ো সচাঁকৈয়ে কৈছো বুলি তেওঁ মাত দিলে।

এই বুলি কোৱাত মই পানীলৈ দলিয়াই পেলালো। ইয়াৰ দাম প্ৰায় ৭ পাউণ্ড মান আছিল। কিন্তু পাউণ্ডতকৈ কেলেনবাকৰ ইয়ালৈ মোহত হে ইয়াৰ মূল্য আছিল। কিন্তু এবাৰ পেলাবলৈ দি ইয়াৰ বাবে তেওঁ কেতিয়াও অনুশোচনা কৰা নাছিল।

কেলেনবাকৰ লগত হোৱা বহুতো ঘটনাৰ মাজত ই এটা মাথোন। এইদৰে প্ৰতিদিনে আমি কিবা নতুন কথা এটা শিকিবলগীয়া হৈছিল, আমি দুয়ো সত্য অন্বেষণৰ বাটত খোজ লৈছিলো। সত্যৰ বাটত খোজ লওতে ক্ৰোধ স্বাৰ্থপৰতা বিদ্বেষ আদি অসৎ বৃত্তিবোৰ স্বভাৱতে আঁতৰিবলৈ ধৰিলে, কাৰণ এয়ে নহলে সত্য পোৱা অসম্ভৱ। সত্য অন্বেষণত কৃতকাৰ্য্য হবলৈ হলে মৰম আৰু হিংসা, সুখ আৰু দুখৰ দুৰলীয়া শাসনৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হব লাগিব।

উপবাস ব্ৰত শেষ হোৱাৰ সৰহ দিন নৌ যাওতেই সাগৰ যাত্ৰাত

ওলাইছিলোঁ। মই তেতিয়ালৈকেও স্বাভাৱিক শক্তি ওলোটাই পোৱা নাছিলো। অলপ ব্যায়ামৰ বাবে জাহাজৰ ডেকৰ ওপৰত সদায় অলপ-অচৰপ চলা ফুৰা কৰিছিলো। যাতে হজম হৈ ভোক হয়। কিন্তু এইকণ ব্যায়ামেই মোৰ পক্ষে টান হৈছিল, অলপ চলাফুৰা কৰিলে আঠুৰ কলাফুলত বিষ হৈছিল আৰু লণ্ডন পাওঁতে মোৰ শৰীৰ ভাল হওক ছাৰি বেয়াহে হল। তাতেই ডাক্তৰ জীৱৰাম মেহটাৰ লগত মোৰ চিনা পৰিচয় হয়। মই তেওঁক উপবাসৰ কাৰণ আৰু তাৰ ফলত বিষৰ কথা জনালো। আৰু তেওঁ কলে "আপুনি যদি সম্পূৰ্ণতে কেইদিনমানলৈ বিশ্ৰাম নলয়, তেন্তে আপোনাৰ ভৰি সম্পূৰ্ণতে বেয়া হবৰ আশঙ্কা আছে।"

তেতিয়াহে মই বুজিলো যে সৰহ দিনলৈ উপবাস কৰি পূৰ্ব্বৰ শক্তি ওলোটাই পাওঁতে পলম হয় আৰু ভোকতো সংযম কৰিব লগীয়া হয়। উপবাস ৰক্ষা কৰাতকৈ উপবাস ভাঙোতেহে বৰ সাৱধানতা আৰু সংযমৰ প্ৰয়োজন।

মেডিৰা পাই আমি শুনিবলৈ পালো যে যুদ্ধ কোন মুহূৰ্ত্তত লাগে তাৰ ঠিক নাই। ইংলিচ চেনেল পাই শুনিলো যে সচাকৈয়ে যুদ্ধ লাগিল। আৰু আমাৰ জাহাজ কিছুপৰলৈ ৰখা হল। পানীৰ তলত থকা "মাইন বিলাকৰ মাজেদি জাহাজ চলোৱা বৰ টান--আৰু তেতিয়া ইংলিছ চেনেলত চাৰিওফালে 'মাইন' পেলাই থোৱা হৈছিল। সেইবাবে ছাউথাম্পটন পাওঁতে আমাৰ দুদিন লাগিল।

যুদ্ধ ঘোষণা কৰা হৈছিল ৪ আগষ্ট তাৰিখে আৰু আমি লণ্ডন পালেগৈ ৬ তাৰিখে।

অষ্টত্ৰিংশ অধ্যায়

যুদ্ধত মোৰ সহযোগ

ইংলণ্ড পাই শুনিলো যে, গোখেল স্বাস্থ্যৰ বাবে প্যেৰীলৈ গৈ তাতেই বন্দী হৈ থাকিব লগীয়া হৈছে। লণ্ডন আৰু প্যেৰীলৈ যাতায়াত বন্ধ হোৱা বাবে তেওঁনো কেতিয়া মানে উভতিব তাৰো একো স্থিৰতা নাই। মই তেওঁৰ লগত দেখা নকৰাকৈ দেশলৈ উভতি যাবলৈ ইচ্ছা কৰা নাছিলো, কিন্তু তেৰেঁা যে কেতিয়া উভতিব তাৰো একো স্থিৰতা নাছিল।

তেন্তে ইতিমধ্যে নো কি কৰো ? এই যুদ্ধ সম্পৰ্কে নো মোৰ কৰ্ত্তব্য কি ? এজন সত্যাগ্ৰহী আৰু জেলত মোৰ লগৰীয়া চোৰাবজী আদাজানীয়া তেতিয়া লণ্ডনত বেৰিষ্টাৰি পঢ়িছিল। সত্যাগ্ৰহীসকলৰ ভিতৰত তেওঁ এজন লেখত লব লগীয়া আছিল দেখি তেওক বেৰিষ্টাৰি পঢ়াবলৈ পঠোৱা হৈছিল, যাতে দক্ষিণ আফ্ৰিকালৈ উভতি তেও মোৰ ঠাই লব পাৰে। ডাক্তৰ প্ৰাণজীবন দাস মেহটাই তেওঁক খৰচ যোগাই আছিল। তেওঁৰ লগত আৰু তেওঁৰ জৰীয়তে ডাক্তাৰ জীৱৰাজ মেহটা আৰু আন ছাত্ৰসকলৰ লগত মোৰ কথাবতৰা হৈ আছিল। তেওঁলোকৰ লগত পৰামৰ্শ কৰি গ্ৰেট ব্ৰিটেইন আৰু আয়াৰলেণ্ডত থকা ভাৰতীয় অধিবাসীসকলৰ এখন সভা পতা হল। তাত মই মোৰ মতামত জনালো।

ইংলণ্ডত যিসকল ভাৰতীয় লোক আছে তেওঁলোকৰো যুদ্ধত কৰ্ত্তব্য আছে বুলি মই ভাবিছিলো। ইংৰাজ ছাত্ৰসকলে ছিপাহী দলত যোগ

দিবলৈ আগ বাঢ়িল ; সেইবাবে ভাৰতীয় ছাত্ৰযো তেওঁলোকৰ সমানেই কৰিব লাগে। কিন্তু এই যুক্তিৰ বিৰুদ্ধে বহুতো আপত্তি হৈছিল। ভাৰতীয় আৰু ইংৰাজৰ লগত সৰগ মৰ্ত্তৰ ব্যৱধান আছে বুলি কিছুমানে কলে। আমি হৈছো গোলাম আৰু তেওঁলোক হৈছে আমাৰ প্ৰভু। প্ৰভুৰ বিপদৰ সময়ত গোলামে নো কেনেকৈ সহযোগ কৰে ? স্বাধীনতা বিচৰা গোলাম এটাই প্ৰভুৰ বিপদৰ সুবিধা লোৱাটো উচিত নহয় নে ? সেই সময়ত মোৰ ওচৰত এইবিলাক যুক্তি বলৱা নাছিল। ভাৰতীয় আৰু ইংৰাজৰ মাজত পদৰ পাৰ্থক্যৰ কথা মই জানিছিলো। কিন্তু আমাক দাসত্বলৈ নিয়া হৈছে বুলি মই বিশ্বাস কৰা নাছিলো। ব্ৰিটিশৰ শাসনপ্ৰণালীতকৈ ব্যক্তিগত ব্ৰিটিশ কৰ্ম্মচাৰী সকলৰেই দোষ বুলি মই তেতিয়া ভাবিছিলো আৰু তেওঁলোকক আমি মৰমেৰে [illegible] কৰিব পাৰিম বুলি মোৰ তেতিয়াও আশা আছিল। ব্ৰিটিশৰ সহযোগ আৰু সহায় লৈযেই যদি আমি আমাৰ পদৰ উন্নতি কৰিব লগীয়া হয়, তেন্তে তেওঁলোকৰ বিপদৰ সময়ত সহায় কৰিব লাগিব। তেওঁলোকৰ শাসন-প্ৰণালী একেবাৰে সংশোধনৰ বাহিৰ বুলি বৰ্ত্তমানে মোৰ যি ভাৱ হৈছে, সেই সময়ত সেইদৰে হোৱা নাছিল। কিন্তু এই শাসন প্ৰণালীৰ ওপৰত যদি সম্পূৰ্ণতে আস্থাহীন হৈ ব্ৰিটিশ গৱৰ্ণমেন্টৰ লগত আজি সহযোগ কৰিবলৈ মই নিজেই অমান্তি হওঁ, তেন্তে এইসকল বন্ধুৱে নো কেনেকৈ কেৱলমাত্ৰ শাসনপ্ৰণালী নহয়, কৰ্ম্মচাৰীসকলৰ ওপৰতো আস্থাহীন হৈও সহযোগ কৰে ?

ভাৰতৰ অৱস্থাৰ উন্নতি কৰিবলৈ এই সময়তেই সাহেৰে সৈতে আমাৰ দাবি ঘোষণা কৰা উচিত বুলি বিৰুদ্ধমতৰ বন্ধুসকলে ভাবিছিল। মই হলে ইংলণ্ডৰ বিপদৰ সুবিধা লোৱাটো ঠিক নহয় বুলি ভাবিছিলো। আৰু যুদ্ধ যিমান দিন চলি থাকে, সিমান দিনলৈকে আমাৰ দাবিৰ কথা

৩১

উত্থাপন কৰা উচিত নহব আৰু কৰাটোও বৰ অদূৰদৰ্শিতাৰ কাম হব বুলি মই ভাবিছিলো। সেইবাবে মই মোৰ কথাত ৰলো আৰু যিসকলে স্বয়ংসেৱক হবলৈ বিচাৰে তেওঁলোকক মাতি পঠালো। এই আহ্বানৰ ফল ভালেই হল, বাস্তৱতে সকলো প্ৰদেশৰ আৰু সকলো ধৰ্ম্মাৱলম্বী লোক এই দলত সোমাইছিল। সকলো কথা জনাই লৰ্ড ক্ৰুলৈ এখন চিঠি লিখি পঠালো আৰু আমাক গ্ৰহণ কৰিবলৈ হলে এম্বুলেন্সৰ কাম কৰাটোও এটা চৰ্ত্ত হলে আমি তাকো কৰিবলৈ সাজু আছো বুলি সকলো কথা ভালকৈ জনালো। লৰ্ড ক্ৰুৱে অলপ দোধোৰ-মোধোৰৰ পাছত আমাক গ্ৰহণ কৰিলে। আৰু সাম্ৰাজ্যৰ এই বিপদৰ মুহূৰ্ত্তত স্বইচ্ছাত কাম কৰিবলৈ ওলাইছো দেখি ধন্যবাদ জনালে। আহতসকলক পোন প্ৰথমে কি দৰে সেৱা কৰিব লাগে, তাত প্ৰাথমিক শিক্ষা বিখ্যাত ডাক্তৰ কেণ্টলীৰ তত্বাবধানত ভলন্টিয়াৰ সকলে লোৱা আৰম্ভ কৰিলে। ই ৬ সপ্তাহৰ চুটী 'কোৰ্চ্' মাথোন, কিন্তু ইয়াতেই প্ৰাথমিক সহায়ৰ (First Aid) লাগতিয়াল সকলো কথা শিক্ষা দিয়া হল। ক্লাছত আমি প্ৰায় ৮০ জন আছিলো। ৬ সপ্তাহৰ পাছত আমাৰ পৰীক্ষা হল আৰু এজনৰ বাহিৰে আন সকলো উত্তীৰ্ণ হল। এতিয়া এইসকলৰ বাবে গৱৰ্ণমেণ্টে মিলিটাৰী ড্ৰিলৰ ব্যৱস্থা কৰিলে; কৰ্ণেল বেকাৰক এই কামৰ তত্বাবধানত দিয়া হল। এই সময়ত লণ্ডন চাবলগীয়া হৈছিল। কতো ভীতিৰ সঞ্চাৰ হোৱা নাছিল, কিন্তু সকলোৱে যথাসাধ্য মতে সহায় কৰিবলৈ ধৰিলে। শক্তি সামৰ্থ্য থকা আদহীয়া লোকসকলে ছিপাহী হিছাপে শিক্ষা লবলৈ ধৰিলে, যিসকল বুঢ়া, মেঠা আৰু তিৰোতা তেওঁলোকে নো দেশৰ বাবে কি কৰে? ইচ্ছা কৰিলে তেওঁলোকৰ বাবেও বহুতো কাম আছিল। সেইবাবে আহতলোক-সকলৰ ঘা বান্ধি দিবলৈ কাপোৰ কটা কামত তেওঁলোকক লগোৱা হল। Lyceum নামৰ

তিৰোতাসকলৰ এখন ক্লাব আছিল, তেওঁলোকে যিমান পাৰে ছিপাহীৰ কাপোৰ দিবলৈ মান্তি হ'ল। শ্ৰীমতী সৰোজিনী নাইডু এই ক্লাবৰ মেম্বাৰ আছিল আৰু তেওঁ এই কামত সম্পূৰ্ণৰূপে লাগি গ'ল। ইয়াতেই তেওঁৰ লগত মোৰ প্ৰথমে চিনাকি হয়। এটা জোখত কটা এদ'ম কাপোৰ চিলাই কৰি তেওঁৰ পুনৰ গতাই দিবলৈ মোক দিলে। মই তেওঁৰ অনুৰোধ আদৰি লৈ বন্ধুসকলৰ সহায়ত যাই এইডৰ পৃথক শিক্ষা পাই যিমান পাৰো সিমান কাপোৰ চিলাই কৰি গতাই দিলো।

নবত্ৰিংশ অধ্যায়

যুদ্ধত সহযোগ আৰু অহিংসা নীতি

মই অন্যান্য ভাৰতীয়বে সৈতে যুদ্ধত সহায় কৰিবলৈ উপযাচি আগবঢ়াৰ বাতৰি দক্ষিণ আফ্ৰিকা পোৱাত মই দুখন তাৰ পালো। এখন মিঃ পোলকে দিছিল, মই যুদ্ধত সহায় কৰিলে অহিংসা নীতি ৰক্ষা কৰিব পাৰিনে বুলি তেওঁ সুধিছিল। মই এই আপত্তি হব বুলি পূৰ্ব্বতে আশা কৰিছিলো। কাৰণ "হিন্দ স্বৰাজ" বোলা কিতাপখনত এই সম্পৰ্কে মই আলোচনা কৰিছিলো আৰু দক্ষিণ আফ্ৰিকাত বন্ধু আৰু সহকৰ্ম্মীসকলৰ লগত সদায় এই সম্পৰ্কে আলোচনা কৰিছিলো। যুদ্ধ কৰাটো অন্যায় আৰু নীতি বিগৰ্হিত কথা বুলি আমি সকলোৱেই স্বীকাৰ কৰিছিলো। মই যদি মোৰ আক্ৰমণকাৰীৰ ওপৰত প্ৰতিশোধ লবলৈ আদালতত মোকৰ্দ্দমা কৰিবলৈকে অমান্তি হব পাৰো, তেন্তে মই

যুদ্ধ এখনত সহায় কৰিবলৈ মান্তি হব নলগাই উচিত আছিল । বিশেষকৈ যুদ্ধত লগা দুয়ো পক্ষৰ ভিতৰত ন্যায় কোন পক্ষত আছে তাৰ একোৱেই মই নাজানো । মই যে বুয়ৰ যুদ্ধত পূৰ্ব্বতে সহায় কৰিছিলো, বন্ধু সকলে অৱশ্যে জানে, খিন্তু তেওঁলোকে ভাবি ললে যে ইমান দিনে মোৰ মতৰ পৰিবৰ্ত্তন হৈছে ।

বাস্তৱতে যিবোৰ কাৰণত মই বুয়ৰ যুদ্ধত সহায় কৰিছিলো, এতিয়াও সেইবোৰ কাৰণেতেই এই যুদ্ধত সহায় কৰা মই স্থিৰ কৰিলো । যুদ্ধত যোগ দিয়াৰ লগত অহিংসা নীতিৰ সামঞ্জস্য নাই বুলি মই স্পষ্টকৈ বুজিছিলো । কিন্তু কৰ্ত্তব্য সম্পৰ্কে স্পষ্ট ধাৰণা সদায়েই নহয় । সত্য অনুসন্ধিৎসু লোকে মাজে মাজে এন্ধাৰত খেপিয়াই ফুৰিবলৈ বাধ্য হয় ।

অহিংসা এটা ডাঙৰ বহল নীতি—ইয়াৰ ভিতৰত বহুতো কথা সোমাই আছে । হিংসাৰ খাণ্ডৱদাহত ডেই পৃৰি থকা আমি অসহায় নৰ মাথোন । এটা জীৱন যে আন এটা জীৱনৰ ওপৰত নিৰ্ভৰ কৰে, এই কথাষাৰৰ গভীৰ অৰ্থ আছে । এক মুহূৰ্ত্তও মানুহে সজ্ঞানে নাইবা অজ্ঞানে বাহিৰত হিংসা নকৰাকৈ থাকিব নোৱাৰে । মানুহ যে জীয়াই আছে—তেওঁৰ খোৱা, পানী পিয়, ফুৰা সকলোতে এটা নহয়, এটা জীৱন বিনাশ আছেই । সেইবাবে সকলো কামকে দয়া ভাবৰ পৰা কৰিলেই অহিংসাসাধক এজন নিজৰ আদৰ্শৰ পৰা চ্যুত নহয় । তেওঁ যদি ক্ষুদ্ৰতম পতঙ্গ এটিৰো জীৱ বধ কৰা এৰে, আৰু ক্ষুদ্ৰতম পতঙ্গটি হিংসাৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰে অহিংসা সম্পৰ্কে নিজৰ কৰ্ত্তব্য কৰা হব । তেওঁৰ সদায় আত্মসংযম, আৰু দয়া ভাৱ বাঢ়িব সঁচা, কিন্তু তেতিয়াও সম্পূৰ্ণকৈ বাহ্যিক হিংসাৰ পৰা মুক্ত হব নোৱাৰে ।

অহিংসা ভাৱৰ ভিতৰত জীৱনৰ একতা অন্তৰ্নিহিত আছে, এজনৰ ভুলে আনক নোছোৱাকৈ নোৱাৰে । সেইবাবে যেতিয়ালৈকে তেওঁ

সামাজিক জীৱৰ দৰে থাকিব, তেতিয়ালৈকে তেওঁ হিংসাৰ লগত সহযোগ নকৰাকৈ থাকিব নোৱাৰে। হিংসাৰ ওপৰত সমাজৰ অস্তিত্ব নির্ভৰ কৰিছে। যেতিয়া দুটা জাতিয়ে যুদ্ধ কৰে, তেতিয়া অহিংসাৰ সাধকে যুজখন বন্ধ কৰিবলৈ যত্ন কৰা উচিত। যি এই কৰ্ত্তব্য কৰিব নোৱাৰে, যাৰ যুদ্ধ প্ৰতিবোধ কৰিবলৈ ক্ষমতা নাই যুদ্ধৰ প্ৰতিৰোধ কৰিবলৈ যাৰ যোগ্যতা নাই, তেও যুদ্ধত সহযোগ কৰিব পাৰে অথচ সৰ্ব্বান্তঃকৰণেৰে চেষ্টা কৰি নিজক নিজৰ জাতিক, আৰু গোটেই জগতক যুদ্ধৰ পৰা মুক্ত কৰিব পাৰে।

ব্ৰিটিশ সাম্ৰাজ্যত মই মোৰ জাতিৰ অৱস্থাৰ উন্নতি কৰিবলৈ আশা কৰিছিলো। ইংলণ্ডত থাকোতে ব্ৰিটিশ যুদ্ধ জাহাজে মোক ৰক্ষা কৰিছিল আৰু ইয়াৰ আশ্ৰয়ত থাকি মই এক ৰকমে ইয়াৰ অন্তৰ্নিহিত হিংসা শক্তিৰ প্ৰশ্ৰয় দিছো। সেইবাবে সাম্ৰাজ্যৰ লগত সম্পৰ্ক ৰাখিলে মোৰ বাবে তিনিটা বাট মুকলি আছিল—যুদ্ধৰ বিৰুদ্ধে প্ৰকাশ্যে প্ৰতিবোধ ঘোষণা কৰা, আৰু সত্যাগ্ৰহৰ নিয়ম মতে যেতিয়ালৈকে সাম্ৰাজ্যই সামৰিক নীতিৰ পৰিবৰ্ত্তন নকৰে, তেতিয়ালৈকে সাম্ৰাজ্যকেই বয়কট কৰা, নাইবা যিবিলাক আইনৰ অৱমাননা কৰা উচিত, সেইবোৰ আইন অৱমাননা কৰি জেল বৰণ কৰি লোৱা, নাইবা সাম্ৰাজ্যৰ হকে যুদ্ধত সহায় কৰা, আৰু ইয়াৰে যুদ্ধত যিবোৰ উপদ্ৰৱ হব তাৰ প্ৰতিৰোধ কৰিবলৈ নিজৰ সামৰ্থ্য আৰু যোগ্যতা আয়ত্ত কৰা, এই তিনটা উপায়ৰ ভিতৰত এটা উপায় বাছি লব লাগিব। মোৰ সামৰ্থ্য আৰু যোগ্যতা নাছিল। সেই বাবে মই ভাবিলো যে যুদ্ধত সহায় কৰাৰ বাহিৰে মোৰ বাবে অন্য একো উপায় নাই। অহিংসাৰ ফালৰ পৰা যুজাৰু আৰু অযুজাৰু লোকৰ বাছ বিচাৰ মই নকৰো। যি এদল ডকাইতক সেৱা কৰিবলৈ স্বতঃ প্ৰবৃত্ত হয়, তেওঁলোক আহত হলে কঢ়িয়াই নিবলৈ আগ বাঢ়ে, নাইবা, তেওঁলোক

নিজৰ কামত গলে পহৰা হিছাপে ঘৰৰখীয়া হলে, নাইবা তেওঁলোকৰ সেৱা শুশ্রূষাকাৰী নার্চ আহত হলে সেৱা কৰিবলৈ গাত ললে, তেৱোঁ ডকাইতহঁতৰ সমান জগৰীয়া হব। সেইদৰে যি যুদ্ধত আহত সকলক শুশ্রূষা কৰিবলৈ গাত লয়, তেওঁৰ গাতো যুদ্ধৰ দাগ নপৰাকৈ নাথাকে।

মিঃ পোলকৰ টেলিগ্রামখন পোৱাৰ আগতে মই এইদৰে মনতে বিচাৰ কৰি চাইছিলো আৰু তেওঁৰ তাঁৰ পোৱাৰ পাচতে কেইবাজনো বন্ধুৰ লগত মই আলোচনা কৰি চালো আৰু শেষত যুদ্ধত সহায় কৰা কর্ত্তব্য বুলি সিদ্ধান্ত কৰি নিজক আগ বাঢ়ালো। আনকি, এতিয়াও সেই যুক্তিত একো ভুল নেদেখো আৰু মই মোৰ কামৰ বাবে দুখিত হোৱা নাই। মোৰ মতৰ শুদ্ধতা সম্পর্কে সকলোকে বুজাই বিশ্বাস কৰাব পাৰিম বুলি মই কেতিয়াও ভবা নাছিলো। এই প্রশ্নটো হৈছে জটিল। ইয়াৰ ভিতৰত বহুতো মত হব পাৰে। যি সকলে অহিংসা নীতিত বিশ্বাস কৰে আৰু সাধনা কৰিবলৈ ইচ্ছা কৰে, তেওঁলোকৰ বাবে মই যিমান স্পষ্টকৈ পাৰো, মোৰ যুক্তি সৰল ভাৱে কলো। সত্যৰ উপাসকে কেৱল-মাত্র এটা নিয়ম ৰক্ষা কৰিবলৈকে কোনো কাম কৰিব নোৱাৰে। তেওঁ সদায় নিজক শুধৰণিৰ বাবে মুকলি ৰাখিব আৰু যেতিয়াই ভুল হোৱা দেখা পায়, তেতিয়াই নিজৰ দোষ স্বীকাৰ কৰিব।

চত্বাৰিংশ অধ্যায়

সৰুসুৰা সত্যাগ্রহ

যদিও মই কর্ত্তব্য বুলি ভাবি এইদৰে যুদ্ধত সহযোগ কৰাত লাগি-ছিলো, তথাপিও ভাগ্যক্রমে মই পোনপটীয়াকৈ সহযোগ কৰিবলৈ

সমৰ্থ হোৱা নাছিলো, বৰঞ্চ এই বিষম সমস্যাতো সকু সুৰাকৈ সত্যাগ্ৰহ কৰিবলৈহে বাধ্য হৈছিলো। আমাৰ নাম ভৰ্ত্তি কৰা মাত্ৰেই আমাক শিক্ষা দিবলৈ এজন কৰ্ম্মচাৰী নিযুক্ত হৈছিল বুলি মই পূৰ্ব্বতেই কৈছো। আমাৰ সকলোৰেই ধাৰণা আছিল যে এইজন কমাণ্ডিং অফিচাৰ শিক্ষা বিষয়তহে আমাৰ নেতা কিন্তু আন সকলো বিষয়তে মযেই এই দলৰ নেতা। নিয়ম পালন আদি বিষয়ত দলটো মোৰ ওচৰতেই দাযী। অৰ্থাৎ কমাণ্ডিং অফিচাৰজনে মোৰ জৰীযতে এই দলটো পৰিচালনা কৰিব। কিন্তু ভৰিৰে পৰা অফিচাৰজনে আমাৰ মনত তেনে ভাব হবলৈ দিয়া নাছিল।

মিঃ ছোৰাবজী আদাজানী বৰ টেঙৰ লোক আছিল, তেও মোক সাৱধান কৰি কলে-- এই জনলৈ সাবধান, এইজন আমাৰ ৩৭ নপতা ফুকন হবলৈ আহিছে। তেওঁৰ হুকুম আমি নুশুনো। তেওঁক আমাৰ শিক্ষক হিছাপে মানিবলৈ সাজু আছো। কিন্তু তেও কিছুমান ধেকেলুৱা ডেকাক আমাৰ শিক্ষক পাতি দিছে আৰু সিহঁত যেন আমাৰ প্ৰভু, এইদৰে আমাৰ লগত ব্যৱহাৰ কৰিছে।

এইবোৰ ডেকা অক্সফোৰ্ডৰ ছাত্ৰ। তেওঁলোকে আমাক শিক্ষা দিবলৈ আহিছে আৰু কমাণ্ডিং অফিচাৰেও এওলোকক চেক্সন 'লীডাৰ' পাতি দিছে।"

কমাণ্ডিং অফিচাৰ জনৰ মইমত্তালি মযো লক্ষ্য নকৰাকৈ নাছিলো; কিন্তু এই বিষযত উদ্বিগ্ন হবলৈ হাক দি ছোৰাবজীক শান্ত কৰিবলৈ চেষ্টা কৰিলো। কিন্তু ছোৰাবজী সহজে বুজাব পৰা লোক নাছিল।

"আপুনি বৰ সহজে বিশ্বাস কৰে। এইবোৰ মানুহে বেযা ব্যৱহাৰ কৰি শেহত আপোনাক প্ৰবঞ্চনা কৰিব। আৰু শেহত যেতিয়া সিহঁতক আপনি চিনি পাব, তেতিয়া সত্যাগ্ৰহ কৰিবলৈ আমাক কব আৰু এইদৰে

আপুনিও বিপদত পৰিব আৰু লগতে আমাকো পেলাব' বুলি তেওঁ হাঁহি কলে।

মই কলো—মোৰ লগত যেতিয়া পৰিছা, তেতিয়া বিপদৰ বাহিৰে আন কি আশা কৰিব পাৰা? সত্যাগ্ৰহী সদায় প্ৰবঞ্চিত হব। আৰু অফিছাৰজনেও সেইদৰে প্ৰবঞ্চনা কৰক। প্ৰবঞ্চকে নিজকেই প্ৰবঞ্চনা কৰে বুলি মই সদায় তোমালোকক কৈ আহা নাইনে?'

ছোৰাবজীয়ে চিঞৰি হাহিবলৈ ধৰিলে "তেন্তে আমি প্ৰবঞ্চিত হওঁ দিয়ক। আপুনি কোনোবা এদিন নিজে মৃত্যুকো আদৰি লব আৰু লগতে আমাৰ দৰে দুখীয়া এই কেইটাকো পাছে পাছে নিব।'

এই কথা কেই আষাৰ লিখোতে অসহযোগৰ সময়ত মিছ ইমিলী হবহাউছে মোলৈ লিখা কথা কেইটা মনত পৰিছে। তেওঁ লিখিছিল—সত্যৰ কাৰণে আপুনি এদিন ফাঁচী কাঠত ওলমিব লগীয়া হলেও মই আচৰিত নহওঁ। ঈশ্বৰে আপোনাক যেন সদায় ৰক্ষা কৰে।"

কমাণ্ডিং অফিছাৰজন নিযুক্ত কৰাৰ কিছু দিনৰ পাচতেই ছোৰাবজীৰ লগত মোৰ এই কথা-বতৰা হৈছিল। ইয়াৰ কেইদিন মানৰ পাচতেই কমাণ্ডিং অফিচাৰৰ লগত আমাৰ সম্বন্ধ ছেদ হও হওঁ হলহি। ১৪ দিনৰ উপবাসৰ পাছত মই তেতিয়াও সম্পূৰ্ণৰূপে বল নোপাওতেই ড্ৰিল কৰাত লাগিছিলো। থকা ঠাইৰ পৰা দুমাইল খোজ কাঢ়ি তালৈ যাব লগীয়া হৈছিল। ইয়াৰ বাবে মোৰ 'প্লুৰেছী' হৈছিল, তাৰফলত মই নৰীয়াপাটীত পৰিব লগীয়া হল, আৰু এই অৱস্থা লৈ সপ্তাহৰ শেহত কেম্পিঙলৈ যাব লগীয়া হল। আন সকলো তাতে ৰল আৰু মই ঘৰলৈ উভটিলো। এই সময়তেই সত্যগ্ৰহৰ বাবে ঘটনা এটা হৈছিল। কমাণ্ডিং অফিছাৰে একো সঙ্কোচ নোহোৱাকৈ নিজৰ ক্ষমতা ব্যৱহাৰ কৰিবলৈ ধৰিলে। কি মিলিটাৰী, কি নন-মিলিটাৰী সকলো বিষয়তে তেৱেঁই আমাৰ নেতা, এই বুলি আমাক

বুজিবলৈ নিদিয়াকৈ নাছিল। ছোৰাবজী মোৰ ওচৰলৈ লৰি আহিল, তেওঁৰ এই উত্তৰগুলি কেতিয়াও সহিব নোৱাৰি। তেওঁ কলেহি—আমি সকলো হুকুম আপোনাৰ জৰীয়তে লম। আমি এতিয়া ট্ৰেইনিং কেম্পতেই আছো, সকলো ৰকমৰ অদ্ভুত হুকুম আমাৰ ওপৰত দিয়া হয়, সেইবোৰ ডেকাৰ লগত আমাৰ বৰ তাৰতম্য কৰা হয়। কমাণ্ডিং অফিচাৰৰ লগত এইবোৰ কথাৰ মীমাংসা নহলে আমি আৰু তাত এইদৰে থাকিব নোৱাৰো। ভাৰতীয় ছাত্ৰ আৰু আন ৫ সব। এই দলত ভৰ্ত্তি হৈছে, তেওঁলোকে এইবোৰ অদ্ভুত হুকুম পালন কৰিবলৈ মান্তি নহব। আত্ম-সম্মানৰ কাৰণে যিটো কাম হাতত লোৱা হৈছে সেই কামত আত্ম-সম্মান লাঘৱ হোৱা কথাটো ভাবিব নোৱাৰি।

কমাণ্ডিং অফিচাৰৰ ওচৰ চাপি মই পোৱা অভিযোগ গলৈ তেওঁৰ মনোযোগ আকৰ্ষণ কৰিলো। তেও সকলো কথা লিখি জনাবলৈ দিলে আৰু লগতে এই বুলি জনালে যে যিসকলে অভিযোগ কৰে তেওঁ-লোকে যথানিয়মে অভিযোগ কৰিব লাগে অৰ্থাৎ নিযুক্ত ছেক্সন লীডাৰ বিলাকৰ জৰীয়তে সকলো কথা জনাব লাগে। তেওঁলোকে ইন্সট্ৰাক্টৰ-সকলৰ জৰীয়তে মোক জনাব।

এই কথাষাৰত মই উত্তৰ দিলো যে যদিও মিলিটাৰী নিয়ম মতে মই এজন প্ৰাইভেট হে আৰু একো ক্ষমতাৰ দাবি কৰিব নোৱাৰো তথাপিও ভলন্টিয়াৰ কোৰৰ চেয়াৰমেন হিচাপে মোক বেচ্ছকাৰী হিচাপে তেওঁলোকৰ প্ৰতিনিধিস্বৰূপে কাম কৰিবলৈ দিব লাগে। মযো সকলো অভিযোগ জনালো, ছেক্সন লীডাৰ পতা লৈ আমাৰ দলত সকলোৱে যিবোৰ অভিযোগ কৰিছিল, তেওঁলোকক গুচাই, ছেক্সন লীডাৰ পতা কমাণ্ডিং অফিছাৰৰ সমৰ্থন সাপেক্ষ হিচাপে দলৰ মেম্বৰৰ ওপৰত দিব লাগে বুলি জনালো। কিন্তু কমাণ্ডিং অফিছাৰৰ মনত এই কথা নৰজিল।

তেওঁ কলে যে ছেক্সন লীডাৰ দলক বাছিবলৈ দিয়াটো আৰু নিযুক্ত হোৱা লীডাৰবোৰ ভঙা সামৰিক নিয়ম বিৰুদ্ধ, এই কাম কৰিলে নিয়ম আৰু শৃঙ্খলা ভঙ্গ কৰা হব। সেইবাবে আমি এখন মিটিং পাতি যুদ্ধত সেৱা বন্ধ কৰা স্থিৰ কৰিলো। সত্যাগ্ৰহ কৰিলে আমাৰ কি বিপদ হব পাৰে, সকলো ভালকৈ বুজাই কলে। কিন্তু দলৰ সৰহীয়া লোকে পাতি দিয়া কৰপোৰেল বিলাক নাভাঙিলে আৰু দলক কৰপোৰেল আদি বাছি লবলৈ ক্ষমতা নিদিলে, সকলোৱে ড্ৰিল কৰা আৰু কেম্পিং কৰাৰ পৰা আঁতৰিবলৈ বাধ্য হব বুলি এটা প্ৰস্তাৱত ভোট দিলে।

ইয়াৰ পাছত তেওঁ মোৰ প্ৰস্তাৱ দলিয়াই পেলোৱাত আমি কি দৰে মৰ্ম্মাহত হৈছো, সকলো কথা জনাই মই কমাণ্ডিং অফিচাৰলৈ পুনৰ এখনি চিঠি লিখি জনালো। মই ক্ষমতা চলাবলৈ অলপো ভাল নাপাও। কেৱল সেৱা কৰাটোৱেই মোৰ ভাব বুলি তেওঁক আশ্বাস দি কলো। ইয়াৰ উপৰিও বুয়ৰ যুদ্ধৰ সময়ত দক্ষিণ আফ্ৰিকাত ইণ্ডিয়ান এম্বুলেন্স কোৰত মই একো অফিচিয়েল পদ লোৱা নাছিলো, তথাপিও কৰ্ণেল গলৱেৰ লগত আমাৰ একো বিৰোধ হোৱা নাছিল, আৰু কৰ্ণেলে মোৰ পৰামৰ্শ নোলোৱাকৈ একো কথাৰ বিচাৰ কৰা নাছিল। ইয়াৰ লগতে আগদিনা গোধূলিৰ সভাত গৃহীত হোৱা প্ৰস্তাৱটোৰ নকল এটি পঠাই দিলো।

কিন্তু অফিচাৰজনৰ ওপৰত ইয়াৰ একো ফল নহল। সভাত প্ৰস্তাৱ গ্ৰহণ কৰাটো নিয়ম ভঙ্গ কৰা হৈছে বুলি তেওঁৰ ভাব হল। এনেতে মই ছেক্ৰেটাৰী অব ষ্টেটলৈ এখন চিঠি লিখি প্ৰস্তাৱটো পঠাই সকলো কথা জনালো। তেওঁ উত্তৰ দিলে যে দক্ষিণ আফ্ৰিকাৰ কথা সুকীয়া আছিল। আৰু কমাণ্ডিং অফিচাৰেই নিয়মমতে ছেক্সন লীডাৰ পাতিব লাগে বুলি নিয়মটো মোক আঙুলিয়াই দেখুৱালে। কিন্তু ভৱিষ্যতলৈ ছেক্সন লীডাৰ পাতোতে কমাণ্ডিং অফিচাৰে মোৰ অনুমোদনলৈকো

মন কৰিব বুলি আশ্বাস দিলে। এই কথা লৈ তেওঁৰ আৰু মোৰ মাজত বহুতো চিঠি লিখা লিখি হল, কিন্তু সেই তিতা কথাবোৰ পুনৰ চোবাবলৈ মোৰ ইচ্ছা নাই। এই কথা কলেই যথেষ্ট হব যে আমি ভাৰতবৰ্ষত দিনৌ যিবোৰ অভিজ্ঞতা পাই আছো, ই তাৰে নমুনা মাথোন। ভয় দেখুৱাই আৰু ছলেৰে আমাৰ মাজত দুটা দল সৃষ্টি কৰিবলৈ কমাণ্ডিং অফিচাৰ সমৰ্থ হল। প্ৰস্তাবটোৰ সপক্ষে ভোট দিয়া কিছুমান তেওঁৰ ভয়ত দোঁ খাই প্ৰতিশ্ৰুতি ভঙ্গ কৰিলে। এনেতে অকস্মাৎ নেটলী আস্পাতাললে হঠাতে বহুতো আহত ছিপাহী আহি পৰিল। আমাৰ দলক সেৱা-শুশ্ৰূষা কৰিবলৈ মাতা হল। যিসকলক কমাণ্ডিং অফিচাৰে পাৰিলে নেটলীলৈ নিলে, কিন্তু কিছুমান যাবলৈ অমান্তি হল। সেই সময়ত মই শয্যাগত। কিন্তু তথাপিও কোনো মেম্বৰসকলৰ লগত চিঠিৰে সম্পৰ্ক ৰাখিছিলো। এই সময়তেই আণ্ডাৰ ছেক্ৰেটৰী মিঃ ৰবাৰ্টছে আহি মোৰ লগত দেখা কৰিলেহি। আন সকলোকে বুজাই ববাই পঠাবলৈ তেওঁ অনুৰোধ কৰিলে। তেওঁলোকে এটা স্বকীয়াকৈ দল গঠন কৰিব আৰু কেৱল মাত্ৰ নেটলী আস্পতালত থকা কমাণ্ডিং অফিচাৰৰ ওচৰত হে তেওঁলোক দায়ী হব বুলিও কলে। এনে হলে আত্ম-সম্মানৰ লাঘৱ হোৱাৰ একো কথা নহব। ইফালে গৱৰ্ণমেণ্টৰো মান ৰক্ষা কৰা হব, আৰু আস্পতালত পৰি থকা অসংখ্য আহত ছিপাহীৰো সেৱা হব। এই কথাষাৰত মোৰ আৰু মোৰ লগৰীয়াহঁতৰ মন উঠিল আৰু সেইবাবে সকলো নেটলীলৈ গল। কেৱল মাত্ৰ মই বিছনাত পৰি ৰলো।

একচত্বাৰিংশ অধ্যায়

গোখেলৰ বদান্যতা

ইংলণ্ডত থাকোতে মোৰ প্লুৰেচী বেমাৰ হৈছে বুলি পূৰ্ব্বতে কৈছো। গোখেল কিছু দিনৰ পাচত লণ্ডনলৈ উভটিল। কেলেনবাক আৰু মই নিয়মিতৰূপে তেওঁৰ ওচৰলৈ গৈ আছিলো। আমি ঘাইকৈ যুদ্ধ সম্পৰ্কেই কথা বতৰা হৈছিলো। জাৰ্ম্মেনীৰ ভৌগোলিক বাতৰি মিঃ কেলেন-বাকৰ আঙুলীৰ মূৰত আছিল আৰু তেওঁ যুৰোপৰ বহুতো ঠাইত ফুৰিছিল, গতিকে যুদ্ধ সম্পৰ্কীয় বহুতো ঠাই মেপত সদায় তেওঁ দেখুৱাই দিছিল। মোৰ প্লুৰেচী হোৱাত সিও এটা আলোচনাৰ বিষয় হল। আহাৰ সম্পৰ্কে মোৰ পৰীক্ষা তেতিয়াও চলি আছিল। চীনা বাদাম, কেচা আৰু পকা কল, নেমু টেঙা, জলপাইতেল, বিলাহী বেঙেনা আৰু আঙুৰ এযে মোৰ আহাৰ আছিল। মই গাখীৰ, যধান জাতীয় বস্তু আৰু দাইল আদি খোৱা তেনেই এৰিলো। ডাক্তৰ জীবৰাজ মেইটাই মোক চিকিৎসা কৰিছিল। তেওঁ গাখীৰ আৰু যধান জাতীয় বস্তু খাবলৈ মোক বৰকৈ টানি ধৰিলে, কিন্তু মই হিমালয়ৰ দৰে অচল অটল হৈ ৰলো। কথাষাৰ গোখেলৰ কাণত পৰিল। ফল-মূল খোৱা সম্পৰ্কে মোৰ যুক্তিত তেওঁৰ অলপো আস্থা নাছিল আৰু স্বাস্থ্যৰ বাবে ডাক্তৰে মোক যিমতে চলিবলৈ পৰামৰ্শ দিছে, সেইমতে চলা তেওঁ বিচাৰিছিল।

গোখেলে এইদৰে টানি ধৰাতো অচল হৈ থকাটো মোৰ পক্ষে কম কষ্টসাধ্য নোহোৱাকৈ নাছিল। মোৰ পৰা এনে উত্তৰ লবলৈ যেতিয়া তেওঁ অমান্তি হল, তেতিয়া এই কথাষাৰ ভাবিবলৈ ২৪ ঘণ্টা সময় দিবলৈ তেওঁক খাটিলো। সেইদিনা গোধূলি কেলেনবাক আৰু মই ঘৰলৈ

উভটি আহি মোৰ কৰ্ত্তব্য সম্পৰ্কে দুয়ো আলোচনা কৰাত লাগিলো। এইবোৰ পৰীক্ষাত তেৱেঁ। মোৰ লগত আছিল। তেওঁ এইবিলাক ভাল পাইছিল; কিন্তু স্বাস্থ্যৰ বাবে এতিয়া মই এই পৰীক্ষা এৰি দিয়াটো তেওঁ বিচাৰে বুলি মই বুজি পালো। সেইবাবে মোৰ অন্তৰত থকা পুৰুষজনৰ কথা মতেই মীমাংসা কৰিব লগীয়া হল।

গোটেই নিশাটো এইবিষয়ৰ আলোচনা কৰাতেই নিগালো। এই পৰীক্ষাটো এৰি দিয়াৰ অৰ্থ হৈছে এই নিয়মৰ সকলো ভাৱ এৰি দিয়া; অথচ এই বিলাকত একো দোষ মই দেখা নাছিলো। এতিয়া প্ৰশ্ন হৈছে গোখেলৰ মৰমৰ কাৰণে মই পৰীক্ষা কিমান খিনি শুধৰাই লব পাৰো। যিহ'ক শেহত মোৰ পৰীক্ষাতে লাগি থকা স্থিৰ কৰিলো, কাৰণ মোৰ উদ্দেশ্য ধৰ্ম্মগত, ডাক্তৰৰ উদ্দেশ্যত বহুতো কথাৰ মিহলি আছে। গাখীৰ এৰি দিয়াত ধৰ্ম্মগত কথাই প্ৰধান আছিল। কলিকতাৰ গুৱালসকলে কিদৰে অত্যাচাৰ কৰি গৰু আৰু ম'হৰ পৰা গাখীৰ তেনেই চুচি নিছিল, তাৰ কথাও মই জানিছিলো। সেইবাবে গাখীৰ এৰা সংকল্পতেই লাগি থকা দৃঢ়প্ৰতিজ্ঞাৰে সৈতে পুৱা সোৱাপাটীৰ পৰা উঠিলো। ইয়াত মনতো শান্তি পালো। গোখেলৰ ওচৰ চাপি যাবলৈ মোৰ ভয় হল, কিন্তু মোৰ সিদ্ধান্তত তেওঁ সন্মান কৰিব বুলি মই বিশ্বাস কৰিছিলো।

গোধূলি কেলেনবাক আৰু মই নেশ্যনেল লিবাৰেল ক্লবত গোখেলৰ লগত দেখা কৰিলো। দেখা পোৱা মাত্ৰে তেওঁৰ প্ৰথম প্ৰশ্ন হল—হেৰা, ডাক্তৰৰ পৰামৰ্শমতে চলিবলৈ তুমি স্থিৰ কৰিছানে?

দৃঢ় অথচ নম্ৰভাৱেৰে মই কলো—এটাৰ বাহিৰে ডাক্তৰৰ সকলো কথাতে চলিবলৈ মই মান্তি হব পাৰো, আপুনি মোক এই সম্পৰ্কে নধৰিব। গাখীৰৰ পৰা হোৱা আন সকলো বস্তু আৰু মঙহ কেতিয়াও নাখাওঁ।

এইবিলাক নাখালে যদি মোৰ মৃত্যুও হয়, তেন্তে তাকো মূৰ পাতি লব লাগিব বুলি মই ভাবো।'

"এয়েই তোমাৰ শেষ সিদ্ধান্ত নে" বুলি গোখেলে সুধিলে। 'মই অন্য একো মীমাংসা কৰিব নোৱাৰো। মই জানো যে মোৰ কথাত আপুনি বৰ দুখ পাব, কিন্তু মোক ক্ষমা কৰিব' বুলি মই কলোঁ।'

বৰ দুখেৰে সৈতে হলেও গোখেলে মৰমেৰে সৈতে মোক কলে— "তোমাৰ বিচাৰৰ মই শলাগ লব নোৱাৰো। ইয়াত ধৰ্ম্মগত কি কথা আছে মই বুজি নাপাওঁ। তথাপিও তোমাক আৰু একো নকওঁ।" এই বুলি তেঁ ডাক্তৰ জীৱৰাজ মেহটাক কলে—"এওঁক আৰু এই সম্পৰ্কে আমনি নকৰিবা। তেওঁ নিজৰ চাৰিওকাষে যিবোৰ সীমা বান্ধি লৈছে, তাৰ মাজতে তেওঁৰ বাবে দিহা কৰিবা।"

ডাক্তৰে ইয়াৰ ভিতৰত থাকি মোৰ বাবে একোৱেই কৰিব নোৱাৰে বুলি কলে। আৰু শেহত অলপ হিঙেৰে সৈতে মগু ডাইলৰ চুৰুহা খাবলৈ তেওঁ কলে। অৱশ্যে এই কথাষাৰত মই মান্তি হলো। দুদিন কি তিনদিনমান খালো, কিন্তু ইয়াত মোৰ বিষ বাঢ়িল, সেই বাবে পুনৰ ফল-মূলত ধৰিব লগীয়া হল। ডাক্তৰে হওতে বাহ্যিক চিকিৎসা চলাবলৈ ধৰিলে। ইয়াৰে বিষ অলপ কমিল; কিন্তু তেওঁৰ চিকিৎসাৰ বাটত মই যি সীমা বান্ধি দিছো, তাত তেওঁৰ বৰ অসুবিধা হৈছিল।

ইতিমধ্যে গোখেল দেশলৈ উভটিল। কাৰণ অক্টোবৰ মাহত লণ্ডনত যিদৰে কুৱলী হয়, সেই কুৱলী সহ্য কৰা তেওঁৰ পক্ষে টান।

দ্বিচত্বাৰিংশ অধ্যায়

প্লুৰেচীৰ চিকিৎসা

মোক প্লুৰেচী বেমাৰে লোৱা-নোপোৱাকৈ ধৰাত চিন্তাৰ কথা হৈছিল, কিন্তু মই জানিছিলো যে ঔষধ খালেই এই বেমাৰ ভাল নহয়, ইয়াৰ বাবে আহাৰৰ সালসলনি আৰু বাহ্যিক ঔষধাদিৰ প্ৰয়োজন। নিৰামিষ আহাৰত নাম থকা ডাক্তৰ এলিছনক মই মাতি পঠালো, তেওঁ আহাৰেৰে বেমাৰ চিকিৎসা কৰিছিল। তেওঁৰ লগত ১৮৯০ সনতেই মোৰ দেখা হৈছিল। তেৰেই মোক সম্পূৰ্ণৰূপে পৰীক্ষা কৰিলে। মই গাখীৰ নাখাওঁ বুলি প্ৰতিজ্ঞা কৰিছো, এই কথাষাৰ তেওঁক বুজাই কলো। তেওঁ মোক আশ্বাস দি কলে—"বাৰু, বেচ কথা গাখীৰ খাব নালাগে। বৰঞ্চ আৰু কিছু দিনলৈ এনেবিধৰ বস্তু নোখোৱাটোহে মই বিচাৰো।" তেওঁ তেতিয়া আৰু কিছুদিন আটাৰ ৰুটী, বিট-মূলা পিয়াজ আদি কেচা শাকপাচলি আৰু সুমথিৰা টেঙা আদি ফল খাবলৈ কলে। শাকপাচলি ৰান্ধিবলৈ হাক দি সৰু সৰু টুকুৰাকৈ কাটি সহজে চোবাব পৰাকৈ খাবলৈ কলে।

এইদৰে তিনিদিন খালো, কিন্তু কেচা শাক মোৰ শৰীৰত সহ্য নহল। সেই সময়ত এই পৰীক্ষা নিয়ম মতে কৰিবলৈ মোৰ শৰীৰ সম্পূৰ্ণৰূপে সমৰ্থ নাছিল। কেচা শাক খোৱা কথাষাৰত অলপ ভয়ো খালো। ইফালে ডাক্তৰ এলিছনে ২৪ ঘণ্টা মোৰ শোৱা খোটালীৰ দুৱাৰ খিলিকিবোৰ মেলি থবলৈ কৈছিল আৰু উনি উনি গৰম পানীত গা ধুবলৈ, বুকু আৰু অন্যান্য ঠাইত তেল মালিছ কৰিবলৈ আৰু ১৫ মিনিট কি আধাঘণ্টা মান মুকলিত অলপ খোজ কাঢ়িবলৈ কৈছিল। এইবোৰ কথা মই ভাল পাইছিলো। মোৰ খোটালীত ফৰাচী ধৰণেৰে বৰ ডাঙৰ খিলিকি আছিল,

মেলি থলে বৰষুণৰ এছাৰিকনি সোমায়, ইফালে ওপৰৰ 'ফেন লাইট'খন মেলিব নোৱাৰি ; সেইবাবে খিলিকিৰ কাচ ভঙালো আৰু এনেভাৱে মেলি থোৱাৰ দিহা কৰিলো যাতে বৰষুণ হলেও পানী নোসোমায় ।

এইবিলাকত মোৰ স্বাস্থ্যৰ উন্নতি হল, কিন্তু সম্পূৰ্ণতে মই সুস্থ নাছিলো । লেডী ছেছিলীয়া ৰবার্টছে মাজে সময়ে মোৰ লগত দেখা কৰিবলৈ আহিছিল । এইদৰে তেওঁৰ লগত মোৰ বন্ধুতা হল । মোক গাখীৰ খুৱাবলৈ তেওঁ বৰকৈ লাগিছিল । কিন্তু মোক লবাব নোৱাৰি গাখীৰৰ সলনি কি দিব পাৰি তাকেই উদ্ভাৱন কৰাত লাগিল । কিছুমান বন্ধুৱে "মল্টেড মিল্ক"ৰ কথা কলে, অৱশ্যে নজনাকৈ তেওঁক কৈছিল যে তাত গাখীৰ অলপো নাই আৰু ই গাখীৰৰ ৰসায়নিক উপাদান থকা এবিধ ৰাসয়নিক বস্তু । মোৰ ধৰ্মগত সংস্কাৰবোৰলৈ তেওঁৰ যথেষ্ট সন্মান আছিল বুলি মই জানিছিলো আৰু সেইবাবে তেওঁৰ ওপৰত অগাধ বিশ্বাস আছিল । পানীত 'মল্টেড মিল্ক'ৰ গুৰিবোৰ মিহলাই গাখীৰৰ দৰেই পালো । তেতিয়া বতলৰ গাত থকা লেবেলখন পঢ়ি চাই দেখো যে এইটো গাখীৰৰ পৰাই তৈয়াৰী হৈছে । সেইবাবে এৰি দিব লগীয়া হল ।

লেডী ছেছিলীয়াক মই এই কথাষাৰ কৈ এই সম্পৰ্কে বেজাৰ পাবলৈ হাক দিলো । তেওঁ ততালিকে মোৰ ওচৰলৈ লৰি আহিল । আৰু তেওঁ যে কিমান বেজাৰ পাইছে মোক জনালে । তেওঁৰ বন্ধুজনে হেনো লেবেলখন পঢ়াই নাছিল । তেওঁ ইমান কষ্ট কৰি মোৰ বাবে যিটো বস্তু উলিয়ালে, তাকো মই গ্ৰহণ কৰিব নোৱাৰাত বেজাৰ পাইছো বুলি কৈ মোৰ বাবে উদ্বিগ্ন হবলৈ হাক দিলো । নজনাকৈ গাখীৰ খোৱাত নিজে দোষী বুলি ভাবি অলপো চিন্তিত হোৱা নাই বুলিও তেওঁক আশ্বাস দিলো ।

প্লুৰেছীৰ চিকিৎসা

এই গৰাকী মহিলাৰ লগত বহুতো মধুৰ স্মৃতি এতিয়া এৰি যাবলৈ বাধ্য হৈছো। মোৰ বহুতো বিপদ আৰু নৈৰাশ্যৰ মাজতো বহুতো বন্ধুৱেই মোক আৰাম আৰু শান্তি দিছিল। ঈশ্বৰত ভক্তি থকা লোকে এই বিলাকত পৰমেশ্বৰৰ মঙ্গলময় বিধান দেখি বেজাৰতো ইযাতেই শান্তি পায়।

ডাক্তৰ এলিছনে পাচৰ বাৰলৈ আমি আহাৰ সম্পৰ্কে নিয়ম সলাই দি চীনাবাদামৰ মাখন, নাইবা জলপাইৰ তেল আৰু শাক পাচলি ভাতৰ লগত খাবলৈ দিলে। এইবাৰ এইদৰে সলাই দিয়াত মই ভাল পালো, কিন্তু ইযাতো মই সম্পূৰ্ণৰূপে আৰোগ্য নহলো। বৰ সাৱধানেৰে সেৱা শুশ্ৰূষা কৰা এতিয়াও প্ৰয়োজন আছিল আৰু সেইবাবে সৰহ সময় বিছনাতেই পৰি থাকিবলৈ মই বাধ্য হৈছিলো।

মাজে সময়ে ডাক্তৰ মেহটাই আহি মোক চাই গৈছিল আৰু তেওঁৰ মতে চলিলে সোনকালে আৰোগ্য হব বুলিও সদায় শুনাই গৈছিল।

এইদৰে চলি থাকোতে মিঃ ৰবাৰ্টছ এদিনা খন মোক চাবলৈ আহি দেশলৈ উলটি যাবলৈ ৰবকৈ অনুৰোধ কৰিলো। 'এনে অৱস্থাত আপুনি তো নেটাললৈ যাব নোৱাৰে। এতিয়াও বৰ ভীষণ জাৰ পৰিবলৈ বাকী আছে। কেৱলমাত্ৰ ভাৰতবৰ্ষতেই আপুনি সম্পূৰ্ণৰূপে সুস্থ হব পাৰিব, সেইবাবে মই আপোনাক দেশলৈ উলটি যাবলৈ টানি কও। সম্পূৰ্ণৰূপে আৰোগ্য হলে যুদ্ধ যদি চলি থাকে, তেন্তে সহায় কৰিবলৈ বহুতো সুবিধা পাব। এতিয়া আপুনি যিখিনি কৰিছে, সেই খিনি মোৰ মনেৰে সামান্য নহয়। তেওঁৰ উপদেশ লৈ ভাৰতবৰ্ষলৈ উলটি আহিবলৈ দিহা কৰিলোঁ।

ত্ৰিচত্বাৰিংশ অধ্যায়

ভাৰতবৰ্ষলৈ যাত্ৰা

মিঃ কেলেনবাকে ভাৰতবৰ্ষলৈ আহিবলৈকে বিলাতলৈ মোৰ লগ লৈছিল। আমি দুয়ো একেলগে আছিলো আৰু দুয়ো একেখন জাহাজতে ৰাওনা হবলৈ বিচাৰিছিলো। সেই সময়ত ইংলণ্ডত থকা জাৰ্মান অধিবাসীসকলৰ ওপৰত বৰ চোকা দৃষ্টি ৰখা হৈছিল আৰু মিঃ কেলেনবাকে পাছপোৰ্ট পোৱা সম্পৰ্কে আমাৰ সন্দেহ হৈছিল। তেওঁ যাতে পাছপোৰ্ট পায়, তাৰবাবে মই যথাসাধ্য চেষ্টা কৰিছিলো আৰু মিঃ ৰবাৰ্টছো তেওঁক পাছপোৰ্ট দিয়াৰ পক্ষপাতী আছিল। কিন্তু ভাৰতবৰ্ষলৈ ভাইছৰয়ক তাঁৰ দি সোধাত তেতিয়াকৈ উত্তৰ পালে-- দুখেৰে জনোৱা যায় যে ভাৰত গৱৰ্ণমেণ্টে এনে এটা বিপদ চপাই লবলৈ সাজু নহয়।' এই উত্তৰৰ অৰ্থ আমি সকলোৱে বুজি পালো। মিঃ কেলেনবাকৰ লগত এৰা-এৰি হবলগীয়া হোৱাত মোৰ বৰ বেজাৰ হৈছিল। কিন্তু মই দেখিলো মোতকৈও তেওঁৰ বেছি বেজাৰ হৈছে। তেওঁ মোৰ লগত ভাৰতবৰ্ষলৈ অহা হলে, তেওঁ আজি তাঁতি আৰু খেতিয়কৰ আড়ম্বৰহীন সুখৰ জীৱন নিযাব পাৰিলেহেতেন। তেওঁ এতিয়া দক্ষিণ আফ্ৰিকাত সেই পূৰ্ব্বৰ দৰে আছেগৈ আৰু 'আৰ্কিটেক্ট' হিচাপে তেওঁৰ কাৰবাৰ পৰোভৰেৰে চলাই আছে।

আমি তৃতীয় শ্ৰেণীত যাবলৈ বিচাৰিছিলো, কিন্তু 'পি এণ্ড ও কোম্পানীৰ জাহাজত তৃতীয় শ্ৰেণী নাই দেখি দ্বিতীয় শ্ৰেণীত যাবলগীয়া হল। যিবোৰ শুকানফল আমি দক্ষিণ আফ্ৰিকাৰ পৰা আনিছিলো, তাকেই খালো; কাৰণ জাহাজত এনেকুৱা ফল পোৱা নাযায়, অৱশ্যে তাত 'টাটকা' ফল পোৱা যায়।

ডাক্তৰ জীৱৰাজ মেহটাই মোৰ বুকুত Medis Plaster ৰ বেণ্ডেজ কৰি দি লোহিত সাগৰ পাৰ নোহোৱালৈকে খুলিবলৈ হাক দিছিল। ইয়াৰ বাবে দুদিন কোনো ৰকমে অসুখ অশান্তি সহি থাকিলো। কিন্তু অৱশেষত এই বেণ্ডেজ মোৰ বাবে অসহ্য হল আৰু বৰ কষ্টেৰেহে 'প্লাষ্টাৰ' এৰুৱাই মুকলি মনেৰে গা ধুই মেলি শান্তি পালো।

মোৰ আহাৰ আছিল কেবল বাদাম আৰু অন্যান্য ফল, দিনৌ মই গা ভাল পাবলৈ ধৰিলো আৰ সুয়েজ খালত গোমাওতে মোৰ স্বাস্থ্যৰ বহুতো উন্নতি হোৱা দেখিলো। মই যদিও দুৰ্ব্বল আছিলো, তথাপিও এতিয়া বিপদৰ বাহিৰ হলো বুলি অনুভৱ কৰিলো। মই লাহে লাহে ব্যায়াম কৰা বঢ়াবলৈ ধৰিলো। মোৰ স্বাস্থ্যৰ এই উন্নতিৰ বাবে দায়ী মুকলি বতাহেই।

মোৰ পূৰ্ব্বৰ অভীজ্ঞতাৰ কাৰণেহে নে আন কোনোবা কাৰণত মই কব নোৱাৰো, ভাৰতীয় আৰু ইংৰাজ যাত্ৰীসকলৰ মাজত যি ব্যৱধান লক্ষ্য কৰিছিলো, সেই ব্যৱধান দক্ষিণ আফ্ৰিকাৰ পৰা আহোঁতেও লক্ষ্য কৰা নাছিলো। মই কেইজনমান ইংৰাজৰ লগত কথা পাতিছিলো, কিন্তু সেইকথা প্ৰায়েই বৰ নিয়মীয়া আছিল। দক্ষিণ আফ্ৰিকালৈ যাওতে ইংৰাজ যাত্ৰীসকলৰ লগত যিদৰে আদৰ সাদৰ কৰি কথা বতৰা হোৱা গৈছিল, এইবোৰ কথা-বতৰা তেনেবিধৰ নাছিল। ইংৰাজৰ মনত জ্ঞাতভাৱে নাইবা অজ্ঞাতভাৱে এটা ভাৱ আছে যে তেওঁ শাসক শ্ৰেণীৰ লোক আৰু ভাৰতীয় লোকৰ মনত এটা ভাৱ আছে যে তেওঁ পৰাধীন জাতিৰ এজন, মই ভাবো যে এই ভাৱেই এই ব্যৱধানৰ কাৰণ।

এই বতৰৰপৰা মুকলি হৈ সোনকালে ঘৰ পাবলৈ মই বৰ ব্যস্ত আছিলো। এডেন পাযেই দেশ পোৱাদি পালো। ডাৰবানত কেকোবাদ কাবাছজী ডিনশা আৰু তেওঁৰ সহধৰ্ম্মিণীৰ লগত ঘনিষ্ট সম্পৰ্ক হোৱা বাবে

এডেনবোলা সকলক ভালকৈ চিনি পাইছিলো। আৰু কেইদিনমানৰ পাচতেই মই বোম্বে পালো। ১০ বছৰ বিদেশত থাকি পুনৰ দেশলৈ উলটি আহি কিমান যে আনন্দ পালো তাক বৰ্ণাব নোৱাৰো।

গোখেলে নিজৰ ভগ্ন স্বাস্থ্য লৈও বোম্বেলৈ আহি মোক অভ্যৰ্থনা কৰিবলৈ দিহা কৰিছিল। তেওঁক লগ পাই তেওঁৰ লগত মাৰ গৈ নিজে মুকলি হম বুলি বৰ আশা লৈ মই ভাৰতবৰ্ষলৈ আহিছিলো, কিন্তু বিধিয়ে আনদৰে বিহি থৈছিল।

চতুৰ্ত্ত্বাৰিংশ অধ্যায়

ওকালতিৰ কেইটামান স্মৃতি

ভাৰতবৰ্ষত মোৰ জীৱনে কিদৰে গতি ললে তাক বৰ্ণনা কৰাৰ আগতে দৃঢ় সংকল্প কৰি এৰি অহা দক্ষিণ আফ্রিকাৰ অভিজ্ঞতাৰ কথা কেইটামান সুৱৰ্ণৰা দৰ্কাৰ যেন দেখো।

কেইজনমান উকীল বন্ধুৱে মোক ওকালতি জীৱনৰ ঘটনাবোৰ লিখিবলৈ কৈছে। এইবিলাকৰ সংখ্যা ইমান বেছি যে সেই সকলোবোৰ কথা বহলাই লিখিবলৈ হলে সেয়ে এখন কিতাপ হব আৰু তেনেকৈ লিখিলে মই মোৰ উদ্দেশ্যৰ পৰা আঁতৰ হম। কিন্তু সত্য আচৰণৰ লগত সম্বন্ধ থকা ঘটনাবোৰৰ কেইটামান উল্লেখ কৰা সম্ভৱতঃ অসঙ্গত নহব।

মোৰ আগেয়ে কোৱা মনত পৰে যে মই ওকালতি ব্যৱসায়ত কেতিয়াও মিছাৰ সহায় লোৱা নাছিলো। মোৰ ওকালতি কামৰ সৰহ ভাগেই ৰাজহুৱা

কামৰ লগত সম্বন্ধ থকা আছিল। সেইবোৰৰ বাবে আইন সংক্ৰান্ত খৰচৰ বাহিৰে আন একো নলৈছিলো আৰু কেতিয়াবা কেতিয়াবা সেইবোৰো মই নিজেই ভৰিছিলো। এই কথা খিনি কওঁতে মোৰ আইন ব্যৱসায় সম্বন্ধে কবলগীয়া আটাইখিনি কৈছো বুলি মই ভাবিছিলো। কিন্তু বন্ধু ইতৰ মনেৰে ইযাতকৈও বেছিকৈ কব লাগে, বোধহয়, তেওঁলোকে ভাবে যে যদি মই সত্যৰ পৰা পিছলি নৰলৈ অমাম্পি হোৱা ঘটনাবোৰৰ কেইটা-মান সামান্যকৈ কলেও ওকালতি ব্যৱসায়ী ইয়াৰ পৰা বহুতো উপকাৰ পাব।

ছাত্ৰাৱস্থাত শুনিছিলো যে ওকালতি মিছলীয়াৰ ব্যৱসায়। কিন্তু এই কথাই মোৰ ওপৰত প্ৰভুত্ব লাভ কৰিব পৰা নাছিল। কাৰণ মই মিছা মাতি ধন ঘটা বা পদবী লাভ কৰিব বিচৰা নাছিলো।

দক্ষিণ আফ্ৰিকাত মোৰ এইমত কেইবাবাৰো পৰীক্ষিত হৈছিল। প্ৰায়ে মোৰ বিপক্ষীয় উকীলসকলে তেওঁলোকৰ সাক্ষীবোৰক শিকাই বুজাই লৈছিল আৰু যদি মই মোৰ মক্কেল বা তেওঁৰ সাক্ষীক মিছা মাতিবলৈ উৎসাহ দিলোহেঁতেন, তেনেহলে সেই মকৰ্দ্দমাত আমাৰে জিত হলহেঁতেন। কিন্তু এই প্ৰলোভন মই সদায় দমন কৰিছিলো। এবাৰ মাথোন মোৰ মনত পৰে যে এটা মকৰ্দ্দমাত জয় লাভ কৰাৰ পিছত মোক্কেলে মোক প্ৰতাৰণা কৰিলে বুলি মোৰ সন্দেহ হল। মোৰ মক্কেলৰ মকৰ্দ্দমা সচা হলে মই জিকা উচিত বুলি সৰ্ব্বান্তঃকৰণেৰে সৈতে সদায় ইচ্ছা কৰিছিলো। মকৰ্দ্দমাত হৰা জিকা প্ৰতিশ্ৰুতিৰ ওপৰত বায়নাৰ বন্দবস্ত কৰা বুলি মোৰ মনত নপৰে। মোৰ মক্কেল হাৰিলে বা জিকিলেও ওপৰঞ্চি একো আশা নকৰিছিলো। সকলো নতুন নতুন মক্কেলক মই আগতেই সাৱধান কৰি দিছিলো যে মই কেতিয়াও মিছা মকৰ্দ্দমা নলওঁ আৰু সাক্ষী শিকাই দিও বুলি তেওঁলোকে যেন

কেতিয়াও আশা নকৰে। তাৰ ফলত মোৰ এনেকুৱা যশ হৈছিল যে মোৰ তালৈ কোনো মিছা মকৰ্দ্দমা নাহিছিল। বাস্তৱতে মোৰ কিছুমান মক্কেলে সচা মকৰ্দ্দমাবোৰ মোলৈ ৰাখি সন্দেহজনকবোৰ আনৰ তালৈ নিছিল।

এবাৰ এটা মকৰ্দ্দমাত মোৰ ভালকৈ পৰীক্ষা হৈছিল। এই মকৰ্দ্দমাটো মোৰ এজন বৰ ভাল মক্কেলে দিছিল। এইটো বৰ জটিল হিচাপৰ আছিল আৰু বহুত দিন লেলেতিয়াকৈ চলি আছিল। আংশিকৰূপে বেইবাখনো আদালতত আগেয়ে ইয়াৰ বিচাৰ হৈছিল। অৱশেষত হিচাপৰ বহীৰ ভাগটো কেইজনমান যোগ্যবান হিচাপ পৰীক্ষকৰ হাতত পঞ্চায়তী বিচাৰৰ বাবে আদালতে দিলে। ৰায় সম্পূৰ্ণৰূপে মোৰ মক্কেলৰ সপক্ষেই দিয়া হৈছিল। কিন্তু পঞ্চায়তৰ অৱহেলাত হিচাপত এটি ভুল থাকিল। সেইটো যদিও সামান্য, তথাপিও বৰ গুৰুতৰ আছিল, কাৰণ এটি হিচাপ দেনাৰ ঘৰত লিখিব লগীয়া ঠাইত পাওনাৰ ঘৰত লিখা হল। কিন্তু বাদীসকলে ৰায়ৰ বিৰুদ্ধে আন কাৰণেহে আপীল কৰিছিল। মই মোৰ মক্কেলৰ সহকাৰী উকীল আছিলো। আমাৰ প্ৰধান উকীলে ভুলৰ কথা জানিব পৰাতো তেওঁৰ মতে আমাৰ মক্কেলে সেই ভুল স্বীকাৰ কৰিবলৈ বাধ্য নহয় বুলি কলে। কোনো উকীলে নিজৰ মক্কেলৰ স্বাৰ্থৰ বিৰুদ্ধে যোৱা কোনো কথা স্বীকাৰ কৰিবলৈ বাধ্য নহয়, এয়েই তেওঁৰ দৃঢ় মত। কিন্তু মই ভুল স্বীকাৰ কৰা উচিত বুলি কৈছিলো। কিন্তু প্ৰধান উকীলে এই বুলি প্ৰতিবাদ কৰিলে— 'যেতিয়া আদালতে সম্পূৰ্ণ ৰায় নাকচ কৰিবৰ খুব সম্ভাৱনা আছে, আৰু কোনো জ্ঞানী উকীলে তেওঁৰ মক্কেলৰ মকৰ্দ্দমা এনে বিপদত নেপেলায়। যেয়ে হওক, মই হলে কেতিয়াও এনে ভয়ৰ কথালৈ আগ নেবাঢ়ো। আৰু যদি ইয়াৰ বাবে মকৰ্দ্দমা পুনৰ শোধ কৰিবলৈ হয়, তেনেহলে আমাৰ

মক্কেলৰ কিমান খৰচ ভৰণ হব আৰু তাৰ শেষ ফলেই বা কি হব তাক কোনেও কব নোৱাৰে।'

এইকথা-বতৰা হওতে মক্কেলজন আগতে আছিল। মই কৈছিলো—'আমাৰ মক্কেল আৰু আমি এই বিপদলৈ আগবঢ়া উচিত। ইয়াৰ কি নিশ্চয়তা আছে যে আমি ভুল স্বীকাৰ নকৰাৰ বাবেই আদালতে ভুল ৰায় এটাকে বাহাল ৰাখিব? আৰু যদিওবা স্বীকাৰ কৰিলে মক্কেলৰ অনিষ্ট হয়, তেনেহলে বা তাত কি ক্ষতি।

কিন্তু প্ৰধান উকীলে কৈছিল— আমি স্বীকাৰ কৰিবলৈ যাওঁ বা কিয়।

মই কৈছিলো—সেই ভুল আদালতে ধৰা নেপেলোৱা বা বিবাদীসকলে নুলিয়াব নো কি নিশ্চয়তা আছে?

তেতিয়া প্ৰধান উকীলে খিঙাং কৈ কলে—'বাৰু, তেনেহলে, আপুনিয়েই মকদ্দমাত তৰ্ক কৰিব? মই আপোনাৰ যুক্তি [illegible] তৰ্ক কৰিবলৈ সাজু নহওঁ।'

মই নম্ৰভাৱে উত্তৰ দিলো—'আপুনি তৰ্ক নকৰিলে বাৰু ময়েই কৰিম, যদি সেয়ে আমাৰ মক্কেলৰ ইচ্ছা হয়। যদি এই ভুল স্বীকাৰ কৰা নহয়, তেনেহলে এই মকদ্দমাৰ লগত মই একো সম্বন্ধ নেৰাখো।

ইয়াকে কৈ মই মক্কেলৰ মুখৰ পিনে চালো। তেওঁ দোধোৰ-মোধোৰত পৰিছিল। কিন্তু মই এই মকদ্দমাটোত গোটেই আৰম্ভণৰে পৰা আছিলো। মক্কেলজনে মোক সম্পূৰ্ণৰূপে বিশ্বাস কৰিছিল আৰু মোক ভালকৈ চিনি পাইছিল। তেওঁ কলে—"তেনেহলে বাৰু আপুনিয়েই এই মকৰ্দ্দমাত তৰ্ক কৰিব আৰু ভুলটো স্বীকাৰ কৰিব। যদি আমাৰ হাৰিব লগীয়া আছে, তেনেহলে আমি হাৰিম। ভগৱানে সত্যক ৰক্ষা কৰক।"

মই শুনি বং পালো। ইয়াতকৈ আৰু একো বেছি তেওঁৰ

পৰা আশা কৰা নাছিলো। প্ৰধান উকীলে মোক মৰম কৰি সোঁৱৰাই পুনৰ সতৰ্ক কৰি পুতৌ কৰিলে। শেহত আৰ্কোৰ্গজালিকৈ লাগি থকা দেখি ৰং পালে। কিন্তু আদালতত গৈ কি হল, আমি পিছৰ অধ্যায়ত পাম।

পঞ্চচত্বাৰিংশ অধ্যায়

প্ৰতাৰণাৰ দোষাৰোপ?

মোৰ যুক্তিৰ অকাট্যতা সম্বন্ধে মোৰ অকণো সন্দেহ নাছিল। কিন্তু সেই মকৰ্দ্দমা সম্পূৰ্ণৰূপে চলাবলৈ মোৰ যোগ্যতা সম্বন্ধে নিজৰেই বৰ সন্দেহ হৈছিল। এনেকুৱা জটিল মকৰ্দ্দমা ছুপ্ৰীম কৰ্টত তৰ্ক কৰাটো মোৰ পক্ষে বৰ বিপজ্জনক কাম যেন লাগিছিল। মই আদালতত ভয়ে ভয়ে কঁপি থিয় দিছিলো।

সেই হিছাপৰ ভুলব সম্বন্ধে উল্লেখ কৰা মাত্ৰকেই এজন জজে কলে—'এযা টেঙৰালি নহয নে মিঃ গান্ধী? দুয়োপক্ষৰ পৰা টকা খোৱা নহয়নে?'' এই দোষাৰোপ শুনি মই ভিতৰি ভিতৰি খঙত ডেই পুৰি মৰিছিলো। শঠতাৰ লেশমাত্ৰ নোহোৱাকৈয়ে এই অপবাদ দিযাটো মোৰ পক্ষে অসহনীয় লাগিছিল। মই মনতে ভাবিছিলো—''যদি আৰম্ভণতেই জজ এজনে এনে পক্ষপাতিতা দেখুৱায' তেনেহলে এই কঠিন মকৰ্দ্দমাত জয়লাভৰ আশা বৰ কম।' যি হক মন স্থিৰ কৰি মই উত্তৰ দিলো,—''মই আচৰিত হৈছো যে ধৰ্ম্মাৱতাৰে শেষলৈকে নুশুনাকৈয়ে শঠতাৰ সন্দেহ কৰিছে।'' জজে কলে—''দোষ দিয়াৰ একো কথা হোৱা নাই। এইটো উল্লেখ হে কৰা হৈছে মাথোন।'' ''মোৰ বিবেচনাত এই কথা উল্লেখ

কৰাটো দোষ দিয়াৰ সমান। মই ধৰ্ম্মাৱতাৰক শেষলৈকে শুনিবলৈ খাটো, আৰু তাৰ পিছত দৰ্কাৰ দেখিলে দোষ দিব।'' জজে উত্তৰ দিলে ''আপোনাক বাধা দিয়াৰ বাবে মই দুখীত। অনুগ্ৰহ কৰি সেই ভুলটো ভালকৈ বুজাই কওক।' মোৰ কথা প্ৰমাণ কৰিবলৈ হাতত যথেষ্ট উপকৰণ আছিল। আৰু সেই কথাষাৰ উলিওৱা বাবে ভালকৈ বুজাই মই আৰম্ভৰে পৰা শেষলৈকে বিচাৰক সকলৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিছিলো। মই বৰ উৎসাহিত বোধ কৰি সবিশেষ বৰ্ণনা দিবৰ এই সুযোগ লৈছিলো। বিচাৰকসকলে ধীৰভাৱে শুনিছিল। আৰু এই ভুল অমনোযোগতে হোৱা বুলি তেওঁলোকক বিশ্বাস কৰাব পাৰিলো। সেইবাবে তেওঁলোকে ইমান পৰিশ্ৰম কৰি দিয়া গোটেই ৰায়টো ওলোটাব বিচৰা নাছিল। আৰু ভুল স্বীকাৰ কৰাৰ পিছত প্ৰতিপক্ষৰ উকীলে বেছি তৰ্ক কৰাৰ প্ৰয়োজন নহব বুলি বিশ্বাস কৰি নিজক নিৰাপদ ভবা যেন বোধ হল। কিন্তু বিচাৰক সকলে তেওঁক প্ৰশ্নৰ ওপৰত প্ৰশ্ন কৰিযেই আছিল; কাৰণ সেই ভুল অজ্ঞাতসাৰে হোৱা বুলি তেওঁলোকৰ দৃঢ় বিশ্বাস হৈছিল। আৰু তাকো সহজতে শুধৰাব পৰা আছিল।

উকীলজনে ৰায়ৰ বিৰুদ্ধে যুক্তি দিবলৈ অহোপুৰুষাৰ্থ কৰা স্বত্বেও জজজন আগেয়ে মোৰ ওপৰত সন্দিগ্ধ হৈও এতিয়া মোৰ ফালে ঢাল ললে। তেখেতে সুধিছিল—''মিঃ গান্ধীয়ে ভুল স্বীকাৰ নকৰা হলে আপুনি কি কৰিবে হেতেন?' 'আমি নিযুক্ত কৰা জনৰ বাহিৰে আন এজন তাতোকৈ বেছি উপযুক্ত, সাধু আৰু সুদক্ষ হিচাপপৰীক্ষকৰ সহায় লাভ কৰা আমাৰ পক্ষে অসম্ভৱ।''

''আদালতে ধৰি লব নে যে কেৱল আপোনালোকেই আপোনালোকৰ মকৰ্দ্দমা সকলোতকৈ ভালকৈ বুজি পায়? যদি সেই সুদক্ষ হিচাপ পৰীক্ষকে কৰিব পৰা বাহিৰে আপোনালোকে আন একো কাৰণ দেখুৱাব

নোৱাৰে, তেনেহলে ফটকটীয়া ভুল এটাৰ বাবে আদালতে দুয়ো পক্ষকে মকৰ্দ্দমা কৰি পুনৰ খৰচ ভৰিব দিবলৈ অনিচ্ছুক।' জজে আকৌ কলে—"এই ভুলটো সহজতে সুধৰাব পৰা হোৱাত আমি আৰু নকৈ শুনানি হবলৈ নিদিও।"

এইদৰে প্ৰতিপক্ষ উকীলজনৰ প্ৰতিবাদ অগ্ৰাহ্য হল। মোৰ ঠিক মনত নাই আদালতে ভুল সংশোধন কৰি আগৰ ৰায়টোকে ৰাখিলে নে পঞ্চায়তক ভুলটো শুধৰাবলৈ হুকুম দিলে। যি হক, মই নথৈ আনন্দ পাইছিলো। মোৰ মক্কেল আৰু প্ৰধান উকীলজনো সেইদৰে আনন্দিত হৈছিল। সত্যৰ লাঘৱ নকৰাকৈ যে আইন ব্যৱসায় কৰিব পাৰি মোৰ এই বিশ্বাস আৰু দৃঢ় হল।

তথাপি পাঠকে মনত ৰাখিব যে সঁচা কথা কলেও গুৰিত থকা আন দোষ বিলাক ওকালতী ব্যৱসায়ৰ পৰা গুচাব নোৱাৰি।

ষট্‌চত্বাৰিংশ অধ্যায়

প্ৰথমে মক্কেল শেহত সহকৰ্ম্মী

নেটালত ওকালতী কৰা আৰু ট্ৰান্সভালত ওকালতী কৰাত পাৰ্থক্য আছিল। নেটালত 'জয়েণ্টবাৰ' আছিল। বেৰিষ্টাৰ হৈ এডভোকেট হিছাপে 'বাৰ'ত সোমালেও 'এটৰ্নী'ৰ দৰে ওকালতী কৰিব পাৰিছিল। কিন্তু ট্ৰান্সভালত বোম্বেৰ দৰে, এটৰ্নী আৰু এডভোকেটৰ কৰ্ম্মক্ষেত্ৰ স্বকীয়া আছিল। বেৰিষ্টাৰে এডভোকেটৰ দৰে ওকালতী কৰিব নে এটৰ্নীৰ দৰে কৰিব সেইটো বাছি লব লাগিছিল। সেইবাবে নেটালত

মই এডভোকেট হৈ সোমাইছিলো। কিন্তু ট্ৰেন্সভালত এটৰ্নী হৈ সোমাইছিলো। কাৰণ তাত এডভোকেট হৈ সোমালে ভাৰতীয় মক্কেলৰ লগত সংস্পৰ্শ হবৰ সুবিধা নাছিল আৰু বগা এটৰ্নী সকলেও দক্ষিণ আফ্ৰিকাত মোক কেতিয়াও মকদ্দমা নিদিয়া নহেঁতেন।

কিন্তু ট্ৰান্সভালতো মেজিষ্ট্ৰেটৰ আদালতত এটৰ্নীয়েও ওকালতী কৰিব পাৰিছিল। মই জোহান্সবাৰ্গত মেজিষ্ট্ৰেটৰ আদালতত মকৰ্দ্দমা এটা চলাই থাকোতে মোৰ মক্কেলে প্ৰতাৰণা কৰিছে বুলি ধৰা পেলালো। দেখিলো যে সাক্ষী দিবলৈ থিয় হওঁতে কথাত মক্কেল জন তেনেই লুটি খালে। সেইবাবে বিশেষ একো তৰ্ক নকৰি মেজিষ্ট্ৰেটক মকৰ্দ্দমাটো ডিচমিছ কৰিবলৈ খাটিলো। মোৰ বিপক্ষত থকা উকীলজন আচৰিত হল, অথচ মেজিষ্ট্ৰেটজন সন্তুষ্ট হল। মোক মিছা মকৰ্দ্দমা দিয়াৰবাবে মক্কেলক তিৰস্কাৰ কৰিলো। মই কেতিয়াও মিছা মকৰ্দ্দমা নলও বুলি তেও জানিছিল আৰু যেতিয়া কথাষাৰ ভালকৈ বুজাই কলো, তেতিয়া তেও নিজৰ ভুল স্বীকাৰ কৰিলে। আৰু মোৰ মনত পৰে যে মেজিষ্ট্ৰেটক তেওঁৰ বিৰুদ্ধে ৰায় দিবলৈ কোৱাতো খং কৰা নাছিল। যিয়েই হওক, এই মকৰ্দ্দমাত মোৰ এনে আচৰণতো ওকালতিত বিশেষ একো বিঘিনি হোৱা নাছিল। বৰঞ্চ মোৰ বাট উজু হৈ হল। মই দেখিলো যে সত্যলৈ মোৰ অনুৰাগ দেখি উকীল বন্ধুসকলৰ ভিতৰত মোৰ নাম ভালকৈ ওলাল আৰু তাত বৰ্ণ বিদ্বেষ থকা স্বত্বেও কিছুমান ক্ষেত্ৰত তেওঁলোকৰ মৰম পাইছিলো।

ওকালতীৰ কামত মই যিটো নাজানিছিলো, মক্কেল কিম্বা বন্ধুসকলৰ ওচৰত সেই কথাষাৰ লুকাবলৈ কেতিয়াও চেষ্টা কৰা নাছিলো। মই যেতিয়া বুদ্ধি ভৰসা দিয়াত বিবুদ্ধি হওঁ, তেতিয়া আন এজন উকীলৰ পৰামৰ্শ লবলৈ সঙ্কুচিত নহৈছিলো আৰু তথাপিও মোতেই ভৰসা কৰি

বহি থাকিলে আৰু এজন ছিনিয়ৰ উকীলৰ সহায় লবলৈ কও। খোলা-খুলিকৈ সকলো কথা কৈ দিয়া বাবে মোৰ ওপৰত সকলোৱে অসীম মৰম আৰু বিশ্বাস উপজিছিল। যেতিয়াই ছিনিয়ৰ উকীলৰ লগত পৰামৰ্শ কৰা প্ৰয়োজনীয় হৈছিল, তেতিয়া তাৰ ফীজ দিবলৈকো তেওঁলোক মান্তি হৈছিল। এই বিশ্বাস আৰু মৰমে মোক ৰাজহুৱা জীৱনত বৰ সহায় কৰিছিল। মই পূৰ্ব্বতেই কৈছিলো যে দক্ষিণ আফ্ৰিকাত ওকালতী কৰাৰ উদ্দেশ্য হৈছে সমাজ-সেৱা। ইয়াৰ বাবে বাইজৰ বিশ্বাসভাজন হোৱাটো একান্ত বাঞ্ছনীয়। ব্যৱহাৰ-জীৱি হিচাপে যিবিলাক কাম টকা লৈ কৰো সেই বিলাক সেৱা বুলি বহুল মনৰ ভাৰতীয় কিছু-মানে ধৰিছিল। আৰু সেইবাবে নিজৰ অধিকাৰৰ বাবে ফাটেক খাটি কষ্ট স্বীকাৰ কৰিবলৈ মই কোৱাত বহুতেই বং মনেৰে মোৰ উপদেশ শুনিলে। সেই উপায় লোৱাটো যে উচিত বুলি নিজে যুক্তি কৰি তেওঁলোকে ফাটেক খাটিবলৈ মান্তি হৈছিল, এনে নহয়। মোৰ ওপৰত তেওঁলোকৰ বিশ্বাস আৰু মৰম আছিল। এইকথাখিনি লিখোতে বহুতো মধুৰ স্মৃতি মোৰ মনলৈ আহিছে। বহুতো মোৰ মক্কেল শেহত বন্ধু হৈ ৰাজহুৱা কামত সহকৰ্ম্মী হল আৰু তেওঁলোকৰ লগ সঙ্গ পাই বিপদ আৰু অসুবিধাৰে ভৰা মোৰ এই জীৱন মধুৰ হৈছিল।

সপ্তচত্বাৰিংশ অধ্যায়

স্পষ্টবাদিতাৰ জয়

পাঠকসকলে ইতিমধ্যে পাৰ্চী ৰুস্তমজীৰ নামটো ভালকৈ জানিছে। তেওঁ মোৰ মক্কেল আৰু সহকৰ্ম্মী আছিল। নাইবা সহকৰ্ম্মী হৈ, শেহত

মোৰ মক্কেল হল বুলিলেহে সচা কোৱা হব। মই তেওঁৰ ইমান বিশ্বাস-ভাজন হৈছিলো যে তেওঁ ঘৰুৱা বিষয়তো মোৰ পৰামৰ্শ লৈ সেইমতে চলিছিল। আনকি, বেমাৰ হলেও তেওঁ মোৰ সহায়হে হৈছিল। যদিও থকা মেলাৰ ৰীতি-নীতিত তেওঁৰ আৰু মোৰ মাজত বহুতো প্ৰভেদ আছিল, তথাপিও মোৰ বেজালি চিকিৎসা লবলৈ তেওঁ কেতিয়াও অলপো দোধোৰ-মোধোৰ কৰা নাছিল।

এসময়ত এই বন্ধুজন বৰ বিপদত পৰিছিল। তেও নিজৰ সকলো কথা মোক জনাই আছিল, কিন্তু এটা কথা তেও মোক ইচ্ছা কৰি কেতিয়াও জনোৱা নাছিল। বোম্বে আৰু কলিকতাৰ পৰা তেওঁ মাল আমদানী কৰিছিল আৰু অৱশেষত ওলাল যে প্ৰায়েই তেওঁ আমদানী কৰা মালৰ ন্যায্য কৰ নিদি চুৰকৈ আনিছিল। কিন্তু তেও 'কাষ্টম' বিভাগৰ কৰ্ম্ম-চাৰীসকলৰ লগত সদ্ভা-মিতিৰ হোৱাত কোনেও তেওঁ এনে কৰা বুলি সন্দেহ কৰা নাছিল। 'ডিউটী' ধৰোতে মালৰ ৰছিদবোৰ সকলোৱে বিশ্বাস কৰি লৈছিল। 'ডিউটী' নিদিয়াকৈ মাল চোৰাংকৈ আমদানী কৰাটোও কোনোবাই গম পালেও নেদেখাৰ ভাও জুৰি আছিল।

গুজৰাটী কবি আখুৱে কোৱাদৰে কবলৈ গলে কব পাৰি যে "পাৰাৰ দৰে চুৰি কেতিয়াও ঢাকি থব নোৱাৰি" আৰু সেইদৰে পাৰ্চী বস্তমজীও সেই নিয়মৰ ব্যতিক্ৰম নহল। বন্ধুজন মোৰ ওচৰলৈ লৰি আহিল—মোৰ লগত এই কথা কেই আষাৰ কওঁতে দুযো গালেদি তেওঁৰ চকুলো বৈ গল—"ভাই, মই আপোনাক প্ৰতাৰণা কৰিছো। আজি মোৰ দোষ ধৰা পৰিছে, মই মালৰ ডিউটী নিদিয়াকৈ চোৰাংকৈ আনি আছিলো, আজি মই ধ্বংস হলো। মই জেললৈ যাব লাগিব। কেৱল আপুনি-য়েই মোক ৰক্ষা কৰিব পাৰে। এইকথাষাৰৰ বাহিৰে আপোনাৰ ওচৰত একো কথা লুকাই থোৱা নাছিলো; কাৰণ মই ভাবিছিলো বেপাৰৰ এই

বিলাক বুদ্ধিৰ কথা কৈ আপোনাক আমনি নকৰো, সেইবাবে উচিত ডিউটী নিদিয়াকৈ মাল অনাৰ কথা আপোনাক কোৱা নাছিলো। কিন্তু এতিয়া তাৰ বাবে মই বৰ অনুতাপ কৰিছো।' মই তেওঁক সান্ত্বনা দি কলো—"তোমাক ৰক্ষা কৰা, নকৰা, সকলো ঈশ্বৰৰ হাতত। আৰু মোৰ কথা তুমিতো জানাই. তুমি দোষ স্বীকাৰ কৰিলে মই চেষ্টা কৰি চাব পাৰো।'

পাৰ্চীজনে মৰ্ম্মান্তিক দুখ পালে। 'আপোনাৰ ওচৰত মই স্বীকাৰ কৰাটো যথেষ্ট নহয়নে? বুলি তেওঁ মাত লগালে। "তুমি মোক তো অন্যায় কৰা নাই, তুমি যে গৱৰ্ণমেণ্টৰ লোকচান কৰিছা। মোৰ ওচৰত দোষ স্বীকাৰ কৰিলে কেনেকৈ যথেষ্ট হব?' বুলি মই মাত লগালো। "অৱশ্যে আপুনি যি পৰামৰ্শ দিবে, মই তাক কৰিম। কিন্তু আপুনি মোৰ পুৰণি উকীল মিঃ---ৰ লগত পৰামৰ্শ নকৰেনে? তেৰেঁ। তো এজন বন্ধু।' বুলি পাৰ্চী ৰস্তমজীয়ে কলে।

এতিয়া অনুসন্ধানত প্ৰকাশ হল যে চৰকাৰক "ডিউটী' নিদিয়াকৈ চুৰ কৰি মাল আমদানি কৰা কাৰবাৰ কিছুদিনৰ পৰা তেওঁ চলাই আছিছে। কিন্তু যিটোৰ বাবে ধৰা পৰিছে, তাত সামান্য 'ডিউটী'। আমি দুয়ো সেই পুৰণি উকীল বন্ধুজনৰ ওচৰলৈ গল। তেওঁ কাগজ-পত্ৰবোৰ পঢ়ি চাই কলে—"এই মকৰ্দ্দমাটো জুৰীয়ে বিচাৰ কৰিব, আৰু নেটালৰ জুৰীয়ে কেতিয়াও ভাৰতীয়ক খালাচ নিদিয়ে। কিন্তু মই আশা এৰি নিদিও। এই উকীল বন্ধুজনক সিমান ঘনিষ্টভাবে মই চিনি পোৱা নাছিলো। পাৰ্চী ৰস্তমজীয়ে ঘপৰাই মাত লগাই কলে—"আপোনাক ধন্যবাদ দিছো, কিন্তু মই গান্ধীৰ পৰামশ মতেহে চলিম। অৱশ্যে আপুনি যেতিয়া প্ৰয়োজন দেখে, তেতিয়া তেওঁক পৰামৰ্শ দিব।'

তেওঁৰ কথাঘাৰ এইদৰে তল পেলাই আমি দুয়ো ৰস্তমজীৰ দোকানলৈ গলো। আৰু এতিয়া মোৰ মত বুজাই তেওঁক কলো—"এইটো মকৰ্দ্দমা

আদালতলৈ যাব বুলি মোৰ বিশ্বাস নহয়। তোমাৰ ওপৰত মকৰ্দ্দমা কৰা নকৰা সকলো "কাষ্টম' অফিচাৰৰ ওপৰত নিৰ্ভৰ কৰে। আৰু তেওঁ এটৰ্নী জেনেৰেলৰ পৰামৰ্শ মতে চলিব। মই দুয়োৰো লগ পাবলৈ সাজু আছো। তেওঁলোকে ইয়াৰ বাবে যিটো নিৰ্দ্ধাৰণ কৰে, তাকেই তোমাক দিবলৈকে কওঁ আৰু যিমান সম্ভৱ তেওঁলোক মোৰ কথাত মান্তি হব। কিন্তু তেওঁলোৰ মান্তি নহলে জেললৈ যাবলৈকো সাজু হব লাগিব। জগৰ কৰাতকৈ জেললৈ যোৱাটো সিমান লাজৰ কথা নহয় বুলি মই ভাবো। লাজৰ কাম তো কৰা হলেই। এতিয়া কাৰাদণ্ড হলে তাক প্ৰায়শ্চিত্ত বুলি ধৰি লবা। প্ৰকৃত প্ৰায়শ্চিত্ত হব—ভবিষ্যতলৈ 'ডিউটী' নিদিয়াকৈ মাল আমদানি নকৰো বুলি দৃঢ় সংকল্প কৰাতেই।'

পাৰ্চী বস্তমজীয়ে মোৰ এইবিলাক কথা ভাল ভাৱে ললে বুলি মোৰ মনত নাই। তেওঁ সাহিয়াল লোক আছিল, কিন্তু অলপ পৰলৈ তেওঁৰ সাহৰ অভাব হল। তেওঁৰ নাম আৰু যশ আছি বিপন্ন। ইমান যত্ন আৰু পৰিশ্ৰম কৰি ব্যৱসায়ত যিটো সুনাম উপাৰ্জন কৰিছিল, সেইখিনি কালিলৈ ধ্বংস হলে তেওঁৰ অবস্থা কি হব ?

তেওঁ কলে—"মই তো আপোনাক কৈছো যে মই নিজক সম্পূৰ্ণ তে আপোনাৰ হাতত গঁতাই দিছো। আপুনি যিহকে ইচ্ছা তাকে কৰিব পাৰে।' অন্যৰ মন ঘুৰাবলৈ মোক যিমান ক্ষমতা আছিল, মই সকলো এই কথাত লগালো। মই কাষ্টমছ্ অফিচাৰজনৰ লগত দেখা সাক্ষাৎ কৰি সকলো কথা খোলাছাকৈ কলো। সকলো বহী-পত্ৰ তেওঁৰ হাতত গঁতাই দিম বুলিও তেওঁক অঙ্গীকাৰ কৰিলো আৰু অনুতপ্ত পাৰ্চী বস্তমজীৰ মনৰ বেজাৰৰ কথা সকলো কলো।

তেওঁ কলে—'মই বুঢ়া পাৰ্চী জনক বৰ ভাল পাওঁ। তেওঁ যে এইদৰে মূৰ্খামী কৰিলে তাৰ বাবে মই বৰ বেজাৰ পাইছো। মোৰ কৰ্ত্তব্য

কি আপুনি জানেই ; মই এটৰ্নী জেনেৰেলৰ কথামতে চলিব লাগিব আৰু সেইবাবে তেওঁক বুজাই বৰাই ঠিক কৰিবলৈকে আপোনাক কওঁ।” মই কলো—আপুনি তেওঁক আদালতলৈ নিবলৈ টানি নধৰিলে মই আপোনাৰ ওচৰত কৃতজ্ঞ থাকিম। তেওঁক এইদৰে প্ৰতিজ্ঞা কৰাই মই এটৰ্নী জেনেৰেলৰ লগত দেখা কৰি চিঠি লিখাত লাগিলো। তেওঁ মোৰ সৰল কথাৰ শলাগ লোৱাত মই ৰং পালো আৰু মই যে তেওঁৰপৰা একো কথা গোপন কৰা নাই, সেইটো তেওঁৰ দৃঢ় বিশ্বাস হল।

এই মকৰ্দ্দমাটো লৈয়েই নে আন কোনো মকৰ্দ্দমা লৈ মোৰ মনত নাই, তেওঁ মোৰ নেৰা-নেপেৰা স্বভাৱ আৰু স্পষ্টবাদিতা দেখি এইদৰে কৈছিল-----“দেখিছো ‘আপোনাক কোনো কথাত ‘নোৱাৰো’ বুলি ওলোটাই পঠাব নোৱাৰি।”

পাৰ্চী ৰস্তমজীৰ মকৰ্দ্দমা মিটমাট হল। যিমানখিনি টকাৰ কৰ নিদিয়াকৈ তেওঁ মাল চুৰ কৰি আনিছে বুলি স্বীকাৰ কৰিছিল তাৰ দুগুণ তেওঁৰ ওপৰত জৰিমনা হল। এই মকৰ্দ্দমাৰ সকলো কথা এখন কাকতত লিখি তেওঁৰ অফিছত সতি-সন্ততি লৈ সোৱঁৰণী হিছাপে আঁৰি থৈ দিছিল।

ৰস্তমজীৰ বন্ধুসকলে মোক কলে যে এই সাময়িক অনুতাপ দেখি আপুনি ভোল নাযাব। ৰস্তমজীক এই কথাষাৰ কলত তেওঁ কলে—“আপোনাক প্ৰতাৰণা কৰা হলে মোৰ অৱস্থা কি হলহেতেন।”

চতুৰ্থ ভাগ শেষ।

পঞ্চম খণ্ড

প্ৰথম অধ্যায়

প্ৰথম অভিজ্ঞতা

মই পোৱাৰ আগতে ফিনিক্সৰ পৰা ওলোৱা দলটো ঘৰ পালেহি। আগৰ বন্দবস্তমতে মই আগতে পোৱাৰ কথা আছিল ; পাছে ইংলণ্ডত যুদ্ধ-সম্পৰ্কীয় কামবিলাকত লাগি থকাৰ বাবে মোৰ হিচাপ ভুল হল। যেতিয়া দেখিলোঁ যে ইংলণ্ডত অনিৰ্দ্দিষ্ট কাললৈ আবদ্ধ থাকিব লগীয়া হব, তেনেস্থলত ফিনিক্সৰ দলটোক থকামেলাৰ বাবে কি কৰোঁ, এয়ে চিন্তা হল। যদি সম্ভৱ হয়, ভাৰতবৰ্ষত সকলোৱে একেলগে থাকক আৰু ফিনিক্সত থকাৰ দৰে থাকক, এয়ে মোৰ ভাব হল। মই এনে কোনো আশ্ৰমৰ কথা জনা নাছিলোঁ যে তালৈকে তেওঁলোকক পঠাওঁ। সেইবাবে এণ্ড্ৰুজক লগ ধৰি তেওঁৰ পৰামৰ্শমতে কাম কৰিবলৈ তেওঁলোকক জনালোঁ।

পোন প্ৰথমতে কাঙৰাৰ গুৰুকুলত স্বামী শ্ৰদ্ধানন্দই নিজৰ লৰাৰদৰে এওঁলোকক মৰম যত্ন কৰিছিল। ইয়াৰ পাছত তেওঁলোকক শান্তিনিকেতনত ৰখা হল ; ইয়াতো কবি ৰবীন্দ্ৰনাথে আৰু তেওঁৰ সহকৰ্ম্মী সকলে মৰমেৰে ওপোচাই দিলে। এই দুয়ো ঠাইতে যি অভিজ্ঞতা এওঁলোকে আৰ্জ্জন কৰিলে, এইখিনি পাছত মোৰ আৰু তেওঁলোকৰ সহায় হল।

এণ্ড্ৰুজৰ বাবে এই তিনিজনা পুৰুষ— কবি, স্বামী শ্ৰদ্ধানন্দ আৰু প্ৰিন্সিপাল ৰুদ্ৰ, দেৱতা আছিল। মই তেওঁক সদায় ইয়াকে কৈছিলোঁ।

দক্ষিণ আফ্ৰিকাত থাকোতে এওঁলোকৰ কথা কৈ তেওঁ কেতিয়াও ভাগৰা নাছিল। তেওঁৰ কথাবিলাকৰ মধুৰ স্মৃতি মোৰ মনত আছে। এই তিনি জনা পুৰুষৰ সম্পৰ্কে এণ্ড্ৰুজে প্ৰতিদিনে কোৱা কথাবিলাকৰ মধুৰ স্মৃতি এতিয়াও মোৰ সমুখত জ্বল জ্বলপট পট হৈ আছে। স্বভাৱতে এণ্ড্ৰুজে ফিনিক্সৰ দলটোক সুশীল ৰুদ্ৰৰ সংস্পৰ্শলৈ আনিলে। প্ৰিন্সিপাল ৰুদ্ৰৰ ক'তো আশ্ৰম নাছিল—তেওঁ নিজৰ ঘৰকেই এই ফিনিক্সৰ দলটোৰ হাতত গ'তাই দিলে। আহি পোৱাৰ দিনাই তেওঁৰ ঘৰৰ মানুহবিলাকে এনে দৰে ব্যৱহাৰ কৰাত লাগিল, যে ফিনিক্সৰ অভাৱ তেওঁলোকে বোধ কৰা নাছিল।

মই বোম্বেত নামিহে শুনিলো যে ফিনিক্সৰ দলটো শান্তিনিকেতনত আছেহি। গোখেলক লগ ধৰাৰ পাছত এওঁলোকক কেনেকৈ লগ ধৰিব পাৰোঁ, তালৈকে অস্থিৰ হৈ উঠিলোঁ।

বোম্বেত যি আদৰ অভ্যৰ্থনা পালো, তাত সৰসুৰাকৈ সত্যাগ্ৰহ কৰিবলৈ চেলু ওলাল।

মোৰ সম্মানাৰ্থে জাহাঙ্গীৰ পেটিটৰ ঘৰত আদৰনি মেল পতা বাবে গুজৰাটীত কথা হবলৈ মোৰ সাহ হোৱা নাছিল। এই কাৰেং ঘৰৰ ৰমক জমক আবেষ্টনীৰ মাজত 'চালানী কুলী'ৰ লগতে জীৱনৰ সৰহ কাল থকাত মোৰ দৰে এজন মানুহৰ মনলৈ আচহুৱা গাৱলীয়াৰ দৰে অনুভূতি আহিল। কাথিৱাৰী চোলা পাগুৰী আৰু ধুতি পিন্ধাত আজিৰ দিনতকৈ অলপ সভ্য দেখা যেন হৈছিলোঁ। কিন্তু পেটিটৰ এই কাৰেঙৰ ৰমক জমকৰ মাজত মই নিজক মিলাব নোৱাৰি বামত তোলা মাছৰ দৰে নিজক ভাবিছিলোঁ। নিজক অসহায় বোধ কৰিও ছাৰ ফেৰোজস্মাহৰ ডেউকাৰ আশ্ৰয়ত নিজক ভালমতে চলাব পাৰিছিলোঁ।

ইয়াৰ পাছতে এটা গুজৰাটী অনুষ্ঠান আছিল। গুজৰাটীসকলে

অভ্যৰ্থনাৰ বন্দবস্ত নকৰাকৈ এনে এটা সুবিধা এৰি দিয়া নাছিল। স্বৰ্গীয় উত্তমলাল ত্ৰিবেদীয়ে এই অনুষ্ঠানৰ দিহা কৰিছিল। কাৰ্য্যক্ৰমণিকা কি কৰা হৈছে, মোক জনোৱা হৈছিল। গুজৰাটী দেখি মি জিন্নাও তাত উপস্থিত আছিল। তেওঁ সভাপতি আছিলনে প্ৰধান বক্তা আছিল মোৰ মনত নাই। তেওঁ ইংৰাজীত এটা চুটি অথচ শুৱলা বক্তৃতা দিছিল। মোৰ যিমান মনত আছে, আনবিলাকেও ইংৰাজীত বক্তৃতা দিছিল। মোৰ পাল আহিলত মই গুজৰাটীতেই ধন্যবাদ জনালো। এই লগতে গুজৰাটী আৰু হিন্দী ভাষালৈ মোৰ পক্ষপাতিতা জনাই এটা গুজৰাটী অনুষ্ঠানত ইংৰাজী ভাষাৰ ব্যৱহাৰত নাহেৰৈক প্ৰতিবাদ জনালো। বৰ সঙ্কোচৰে এইখিনি কথা মই কৈছিলো। অনভ্যস্ত শ্ৰোতা সকলে মোৰ কথা বিলাক কৰবাত ভদ্ৰতাবিৰুদ্ধ বুলি ভাবিব পাৰে বুলি এটা শঙ্কা আছিল। যি হওক, মোৰ কব লগীয়া কথা খিনি মাতৃভাষাত কৈ বহুদিন বনবাস খাটিব লগীয়া হোৱা মানুহৰ দৰে ঘৰলৈ উভতিলোঁ। কিন্তু গুজৰাটীত কোৱা বাবে কোনেও মোক ভুল বুজা নাছিল। বৰঞ্চ সকলোৱে মোৰ প্ৰতিবাদত নিজক খাপ খুৱাই লোৱা মোৰ মনত পৰে। এই কথাষাৰ মই আনন্দৰে জনাও।

মোৰ নতুন নতুন মত বিলাক দেশবাসীৰ ওচৰত দাঙি ধৰাটো দুৰূহ নহব বুলি এইখন অনুষ্ঠানে মনলৈ এটা সাহ আনিলে। অলপ দিন বোম্বেত থাকি এনেবিধৰ প্ৰাথমিক অভিজ্ঞতা আৰ্জ্জন কৰি গোখেলে মতাত মই পুনালৈ গলোঁ।

——:o:——

দ্বিতীয় অধ্যায়

গোখেলৰ লগত পুনাত

বোম্বে পোৱাত গোখেলে জনালে যে গভর্ণৰে মোক লগ পাবলৈ বিচাৰে আৰু এইবাবে পুনালৈ অহাৰ আগতে তেওঁক জনোৱাটো উচিত। এইবাবে মই লাটচাহাবৰ লগত দেখা কৰিলোঁ। যথানিয়মত কুশল সংবাদাদি সুধি তেওঁ কলে—

"মই এটা কথা আপোনাৰ পৰা বিচাৰো। গভর্ণমেণ্ট সম্পর্কে কিবা ব্যৱস্থা লোৱাৰ কথা আপুনি স্থিৰ কৰাৰ আগতে মোৰ লগত দেখা কৰিলে মই সন্তোষ পাম।"

মই উত্তৰ দিলো—

"অনায়াসে মই এনে এটা প্ৰতিশ্ৰুতি আপোনাক দিব পাৰোঁ। বিৰোধী পক্ষৰ লগত কথা হৈ তেওঁলোকৰ কব লগীয়া কথালৈ মন দিয়াটো আৰু তেওঁৰ লগত এটা মীমাংসা কৰিবলৈ যত্ন কৰাটো সত্যাগ্ৰহী হিচাপে মোৰ নিয়ম। দক্ষিণ আফ্ৰিকাত মই এই নিয়মটো সদায় পালন কৰি আহিছোঁ আৰু ইয়াতো এই নিয়ম পালন কৰিবলৈ স্থিৰ কৰিছোঁ।"

লর্ড ৱিলিংডনে মোক ধন্যবাদ দি কলে—"যেতিয়াই আপোনাৰ মন যায়, তেতিয়াই আপুনি মোৰ ওচৰলৈ আহিব পাৰে। আৰু আপুনি তেতিয়া নিশ্চয় বুজিব পাৰিব যে মোৰ গভর্ণমেণ্টে ইচ্ছা কৰি কোনো অন্যায় নকৰে।"

এই কথাষাৰত মযো উত্তৰ দিলোঁ—"সেই বিশ্বাসেই মোক জীৱনত ৰক্ষা কৰি আছে।"

ইয়াৰ পাছত মই পুনালৈ গলো। এই সময় খিনিৰ সকলো স্মৃতি লিপিবদ্ধ কৰাটো অসম্ভৱ কথা। গোখেল আৰু ভাৰত-সেৱক-সমিতিৰ সভ্য সকলে মোক মৰমেৰে উপোচাই দিলে। মোৰ যিমান দূৰ মনত পৰে, মোক লগ পাবলৈ সকলো সভ্যকে তেওঁ মাতি আনিছিল। তেওঁ-লোকৰ লগত মুকলি মনেৰে সকলো বিষয়ত মই আলোচনা কৰিছিলোঁ।

মই এই সমিতিত যোগ দিওঁ, গোখেলে বৰকৈ এনে এটা ইচ্ছা কৰিছিল। কিন্তু সভ্যসকলে ভাবিছিল যে মোৰ আদৰ্শ আৰু কাৰ্য্যপ্ৰণালীৰ লগত তেওঁলোকৰ ইমান প্ৰভেদ আছিল যে মই তেওঁলোকৰ সমিতিত যোগ দিয়াটো উচিত নহব। গোখেলে বিশ্বাস কৰিছিল যে প্ৰণালীত প্ৰভেদ থকা স্বত্বেও তেওঁলোকৰ মতামতলৈ মই সহিষ্ণুতাৰ ৰক্ষা কৰিব পাৰিম।

তেওঁ কলে —'কিন্তু সমিতিৰ সদস্য সকলে আপোচ মীমাংসালৈ তোমাৰ আগ্ৰহ বুজি নাপায়। তেওঁলোকে তেওঁলোকৰ প্ৰণালীত আকোগজালীৰ দৰে লাগি স্বকীয়াকৈ চলিব পাৰিব। মই আশা কৰোঁ তেওঁলোকে তোমাক নিজৰ মাজত লব আৰু যদিও বা নলয়, তেন্তে তেওঁ লোকৰ তোমালৈ মৰম নাইবা শ্ৰদ্ধাৰ অভাৱ হৈছে বুলি এক মুহূৰ্ত্তলৈকো নাভাবিবা। তোমালৈ তেওঁলোকৰ যি ওখ ধাৰণা আৰু শ্ৰদ্ধা আছে, সেই ভাৱটো কৰ'বাত নষ্ট হয় বুলি তেওঁলোকৰ মনলৈ এটা সঙ্কোচৰ ভাৱ আছে। পাছে তুমি নিয়মমতে সভ্য শ্ৰেণীত ভৰ্ত্তি হোৱা বা নোহোৱা তোমাক মই এই সমিতিৰ এজন সদস্য হিচাপে গণ্য কৰিম।"

গোখেলক মোৰ সঙ্কল্পৰ কথা জনালো। মোক সদস্য হিচাপে লোৱা হওক বা নহওক, মই এখন আশ্ৰম প্ৰতিষ্ঠা কৰিবলৈ বিচাৰোঁ; আৰু ইয়াতেই মোৰ ফিনিক্সৰ পৰিয়ালটোক লগত ৰাখি দেশসেৱাৰ কামত লাগিম। গুজৰাটী দেখি সুবিধা হলে গুজৰাটৰ ক'ৰবাত এনে এখন

আশ্ৰম পাতিম , কাৰণ গুজৰাটত কাম কৰাটো মোৰ পক্ষে সহজ হব। গোখেলে মোৰ সঙ্কল্প ভাল পালে। তেওঁ কলে—"তুমি নিশ্চয় এই কাম কৰা। আমাৰ সমিতিৰ সদস্যৰ লগত হোৱা আলোচনাৰ ফল যিয়েই নহওক, তুমি এই আশ্ৰম চলাবলৈ সকলো খৰচৰ বাবে মোৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিবা, তোমাৰ এই আশ্ৰমক মোৰ নিজৰ বুলি ভাবোঁ।"

আনন্দত মোৰ হিয়া উপচি পৰিল। ধন তোলাৰ দায়িত্বৰ পৰা সাৰিবলৈ পাই মই বৰ আনন্দ পালো----আৰু এই কামটো মই অকল-শৰীয়া হিচাপে কৰিব নালাগিব, বৰঞ্চ মোৰ অসুবিধাৰ সময়ত এজন উপযুক্ত বাট দেখুৱাওতাৰ সহায় পাম, এই বিলাক ভাবে মোৰ মনলৈ আনন্দ আনিলে। মোৰ মূৰৰ পৰা এটা বোজা পাতলিল।

স্বৰ্গীয় ডাক্তৰ দেৱক তেও মতাই আনিলে আৰু সমিতিৰ হিচাপৰ বহীত মোৰ নামত এটা হিচাপ খুলিবলৈ আৰু আশ্ৰমৰ বাবে, নাইবা ৰাজহুৱা কামৰ বাবে সকলো খৰচ দিবলৈ তেওঁক নিৰ্দ্দেশ দিলে।

এতিয়া মই শান্তিনিকেতনলৈ যাবলে সাজু হলোঁ। মই যোৱাৰ আগতে গোখেলে কিছুমান বন্ধুলোকৰে সৈতে এখন মেল পাতিবলৈ দিহা কৰিলে আৰু মই ভাল পোৱা বস্তু অৰ্থাৎ ফল মূল আৰু বাদামৰ ব্যৱস্থা ৰাখিবলৈ কলে। তেও থকা খোটালীটোৰ কাষতে এই অনুষ্ঠান পতা হল। তথাপিও এইকণ খোজ কাঢ়ি আহি এই অনুষ্ঠানত যোগ দিয়ে তেওঁৰ এনে স্বাস্থ্য তেতিয়া নাছিল। কিন্তু মোলৈ তেওঁৰ মৰমে তেওঁক আপ্লুত কৰিলে আৰু তেওঁ এইকণ খোজ কাঢ়ি আহিল। আহিয়েই তেওঁ মূৰ্চ্ছকছ গল আৰু তেওঁক দাঙি নি শোৱা পাটীত থব লগীয়া হল। এনেদৰে মূৰ্চ্ছকছ হোৱাটো তেওঁৰ পক্ষে নতুন কথা

নাছিল। তেওঁৰ যেতিয়া চেতনা আহিল তেওঁ জনালে এই অনুষ্ঠান'যেন বন্ধ কৰা নহয়।

সমিতিৰ আলহী ঘৰটোৰ সন্মুখত থকা মুকলি ঠাই ডোখৰত এই অনুষ্ঠান পতা হৈছিল। আৰু ইয়াত চীনাবাদাম খেজুৰ আৰু বতৰৰ আন ফল খোৱাৰ লগতে সমভুৱা বন্ধু সকলে আলাপ আলোচনা কৰাৰ বাহিৰে আন একো নাছিল।

কিন্তু গোখেলৰ এইদৰে মৃচকচ যোৱাটো মোৰ বাবে এটা সাধাৰণ ঘটনা নাছিল।

তৃতীয় অধ্যায়

ই ভয় দেখুৱা নে ?

পুনাৰ পৰা মই ৰাজকোট আৰু পোৰবন্দৰলৈ গলো। মোৰ বাঁৰী বৌদেউক আৰু পৰিয়ালৰ আন সকলোক ইয়াত লগ ধৰিলো।

দক্ষিণ আফ্রিকাৰ সত্যাগ্রহৰ সময়ত মই পিন্ধাপোছাক সলাই লৈছিলোঁ—যাতে মোৰ পোছাকৰ লগত চালানী কুলীৰ একো পাৰ্থক্য নাথাকে। আৰু ইংলণ্ডতো ঘৰৰ ভিতৰত এনেবিধৰ সাজ পোছাক মই ব্যৱহাৰ কৰিছিলোঁ। বোম্বেত নামিবৰ সময়ত কাথিৱাৰী পোছাক পিন্ধিছিলোঁ।—ধুতী, স্বাৰ্ট, দীঘল কোট আৰু এখন সৰু চাদৰ, সকলো ভাৰতীয় মিলৰ কাপোৰ। কিন্তু মই বোম্বেৰ পৰা তৃতীয় শ্রেণীত যাব লাগিব দেখি চাদৰ আৰু দীঘল ছোলা বোজা হব বুলি ভাবিলোঁ। এই বাবেই এইখিনি কাপোৰ এৰিলোঁ, কিন্তু আঠঅনা পইচা খৰচ কৰি এটা কাশ্মীৰি টুপী কিনিছিলোঁ। এনেদৰে পোছাক পিন্ধিলো, য'তে সকলোৱে দুখীয়া মানুহ বুলি ধৰে।

সেই সময়ত প্লেগ হোৱা বাবে তৃতীয় শ্ৰেণীৰ যাত্ৰী সকলক বীৰঙ্গম নাইবা ৰাধৱানত ডাক্তৰী পৰীক্ষা কৰোৱা হৈছিল। মোৰ সামান্য জ্বৰ হৈছিল। মোৰ জ্বৰ হোৱা দেখি পৰিদৰ্শকজনে ৰাজকোটৰ মেডিকেল অফিছাৰৰ ওচৰত হাজিৰ হবলৈ কলে আৰু তেওঁ মোৰ নামো লিখি ললে।

মই ৰাধৱান হৈ যাব ধৰিছো বুলি বোধ কৰো, কোনোবাই খবৰ পঠাইছিল। মতিলাল দৰ্জী নামৰ এজন খ্যাতনামা দেশসেৱক আহি ষ্টেশ্যনত মোক লগ ধৰিলে। বীৰঙ্গমৰ কাষ্টমছ অফিছৰ সম্পৰ্কে তেওঁ মোক জনালে। ইয়াত ৰেলৰে যাত্ৰী সকলে বৰ দুখ ভুগিব লগীয়া হয়। মোৰ জ্বৰ হোৱাত কথা বৰলে মোৰ মন যোৱা নাছিল, চমুৰৈ এষাৰ কথা হৈ শেষ কৰিবলৈ বিচাৰিছিলো।

'আপুনি জেইললৈ যাবলৈ সাজু আছেনে?'

মই মতিলালক কথা কবৰ আগতে নভবা নিচিন্তা এজন উদ্ধত ডেকা বুলি ভাবিছিলো। কিন্তু মতিলাল তেনেবিধৰ লোক নাছিল তেওঁ দৃঢ়তাৰে সৈতে কলে ---

"আমি জেইললৈকো যাবলৈ সাজু, যদিহে আপুনি আমাক চলাবলৈ গাত লয়। কাথিয়াৱী হোৱাত আপোনাৰ ওপৰত আমাৰহে প্ৰথম দাবী আছে। অৱশ্যে আপোনাক এতিয়া ইয়াত আটক কৰিবলৈ বিচৰা নাই। কিন্তু উভতিবৰ বাটত ইয়াত থাকি যাবলৈ বুলি প্ৰতিশ্ৰুতি দিয়ক। আপুনি আমাৰ কাম, আৰু ডেকা সকলৰ মনোবল দেখি ভাল পাব। আপোনাৰ আহ্বানত আমি কামত লাগিম বুলি আপুনি বিশ্বাস কৰক।"

মতিলালে মোক জয় কৰিলে। তেওঁৰ লগৰীয়া জনে তেওঁক শলাগি কলে--"আমাৰ বন্ধুজন এজন দৰ্জী, তেওঁ নিজৰ বিদ্যাত ইমান পাকৈত যে দিনে এঘন্টা কামকৰি তেওঁ মাহেকত ১৫ টকা অনায়াসে উপাৰ্জন কৰিব পাৰে। আৰু এই খিনি হলেই তেওঁক আঁটে। বাকীখিনি সময়

তেওঁ ৰাইজৰ সেৱাত দিযে। শিক্ষাত আমি আগবঢ়া হলেও তেওঁ আমাক সকলোকে চলায।”

ইযাৰ পাছত মই মতিলালৰ লগত ঘনিষ্ঠ সম্পৰ্কত আহিছিলো। মই দেখিলো যে তেওঁৰ সম্পৰ্কে কৰা প্ৰশংসা অতিৰঞ্জিত নাছিল। তেওঁ প্ৰতি মাহতে কেইদিনমানকৈ আমাৰ নতুনকৈ পতা আশ্ৰমত থাকি লৰা-ছোৱালীহঁতক দৰ্জীৰ কাম শিকাবলৈ ললে আৰু আশ্ৰমৰ চিলাইৰ কামো ললে। বীৰজ্ঞম সম্পৰ্কে প্ৰতিদিনে তেওঁ মোক জনাবহি। যাত্ৰীসকলে ভুগা দুখকষ্ট তেওঁৰ পক্ষে অসহনীয় হৈছিল। ভৰ ডেকাকালতে হঠাতে বেমাৰত পৰি তেওঁৰ মৃত্যু হল ইযাত ৰাধাৰানৰ ৰাজহুৱা জীৱনত যথেষ্ট ক্ষতি হৈছিল।

ৰাজকোট পাই পাছদিনা পুৱা মই মেডিকেল অফিচাৰ জনৰ ওচৰত হাজিৰ হলোঁ। তেওঁৰ ওচৰত মই অপৰিচিত নাছিলো। ডাক্তৰ গৰাকীয়ে লাজ পালে আৰু ইন্সপেক্টৰ জনৰ ওপৰত তেওঁৰ খং উঠিল। এইখিনিৰ প্ৰয়োজন নাছিল----ইংসপেক্টৰ জনে নিজৰ কৰ্তব্যহে কৰিছিল। তেওঁতো মোক নাজানে--আৰু জানিলেও বা, তেও ইযাৰ অন্যথা কৰাটো উচিত নহল হেতেন। মেডিকেল অফিচাৰ গৰাকীয়ে আগলৈ মোক এইদৰে হাজিৰা নিদিবলৈ কলে। বৰঞ্চ মোৰ ওচৰলৈ তেও ডাক্তৰ পঠাব বুলি টানি কলে। এনেসময়ত স্বাস্থ্যৰ ফালৰ পৰা তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলৰ পৰিদৰ্শন কৰাটো নিতান্ত প্ৰয়োজনীয় কাম। যদি ডাঙৰ মানুহে তৃতীয় শ্ৰেণীত ফুৰিবলৈ বাছি লয, তেওঁলোকৰ পদমৰ্য্যাদা যিমানেই ওখ নহওক, তেওঁলোকে স্বইচ্ছাত দুখীয়া মানুহৰ ওপৰত প্ৰযোগ হোৱা সকলো নিযম মনাটো উচিত। আৰু কৰ্ম্মচাৰী সকলেও নিৰপেক্ষভাৱে এই নিয়মবোৰ তেওঁলোকৰ ওপৰত প্ৰযোগ কৰা উচিত। তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলক মানুহৰ দৰে ব্যৱহাৰ নকৰি গৰু ছাগলীৰ ব্যৱহাৰ কৰে,

এযে মোৰ অভিজ্ঞতা হৈছে। তথাপিও কৰি অৱজ্ঞাৰ সুৰত কথাতো কৰই আৰু কোনোৱাই প্ৰত্যুত্তৰ দিলে তো ৰক্ষা নাই। তৃতীয় শ্ৰেণীৰ যাত্ৰীয়ে কৰ্ম্মচাৰীৰ সকলো কথা পালন কৰিব, যেন তেওঁৰ নিকিনা গোলাম। বহুতো কৰ্ম্মচাৰীয়েও তেওঁৰ ওপৰত প্ৰহাৰ আৰু গালিগালাজ নিৰ্ব্বিবাদে কৰে। টিকটখন দিওতেও ইমান অসুবিধাত পেলায় যে কেতিয়াবা ট্ৰেইনো হেৰুৱাব লগীয়াত পৰে। এইবিলাক ঘটনা মই নিজ চকুৰে দেখা। যেতিয়ালৈকে শিক্ষিত শ্ৰেণীৰ লোকে স্বইচ্ছাত দুখীয়াৰ শাৰীত নিজক পেলাই দুখীয়া সকলে বঞ্চিত হোৱা সুখ-সুবিধা বিলাক এৰি দুখকষ্ট লঘুলাঞ্ছনা গাত পাতি লবলৈ আৰু এই বিলাকৰ প্ৰতিকাৰ কৰিবলৈ সাজু নহয়, তেতিয়ালৈকে ইয়াৰ সংস্কাৰ সম্ভৱ নহয়।

মই কাথীৱাৰলৈ যোৱাত বীৰঙ্গমৰ "কাষ্টমছ'ৰ দুখকষ্টৰ কথা শুনিবলৈ পালোঁ। লৰ্ড বিলিংডনে দিয়া আশ্বাস এতিয়া কামত লগাবলৈ মই স্থিৰ কৰিলোঁ। এই সম্পৰ্কে যাৱতীয় কিতাপ পত্ৰ বিচাৰি পঢ়িবলৈ ললো। এই অভিযোগ বিলাকৰ যে ভাল ভিত্তি আছে, সেই সম্পৰ্কে পতিয়ন হৈ বোম্বে গভৰ্ণমেন্টৰ লগত লিখ-লিখি আৰম্ভ কৰিলোঁ। লৰ্ডৱিলিংডনৰ প্ৰাইভেট ছেক্ৰেটাৰীৰ লগত দেখা হলোগৈ। আৰু পাছত লাট চাহাবৰ লগতো দেখা কৰিলোগৈ। তেওঁ সহানুভূতি জনালে; কিন্তু দিল্লীৰ গাত সকলো দোষ জাপিলে। "এইটো আমাৰ হাতত থকা হলে বেৰখন তুলি দুখ গুচাব পাৰিলোঁ হেতেন। আপুনি ভাৰতগভৰ্ণমেণ্টৰ ওচৰ চাপক" ইয়াকে তেওঁৰ ছেক্ৰেটাৰীয়ে কলে।

মই ভাৰতগভৰ্ণমেন্টলৈ লিখিলোঁ—মোৰ চিঠিৰ প্ৰাপ্তি স্বীকাৰৰ বাহিৰে আন একো সমিধান নাপালোঁ। লৰ্ডচেমছফোৰ্ডৰ লগত সাক্ষাৎ কৰিবলৈ যেতিয়া সুযোগ হল, তেতিয়াহে ইয়াৰ প্ৰতিকাৰ হল। সকলো কথা তেওঁৰ আগত জনালত তেওঁ আচৰিত হল। এইসম্পৰ্কে তেওঁ একো

জনা নাছিল। ধৈৰ্য্যৰে সৈতে মোৰ সকলো কথা তেওঁ মন দি শুনিলে, আৰু ফোনেৰে বীৰঙ্গম সম্পৰ্কে সকলো কাকত পত্ৰৰ বিচাৰ কৰিলে। যদিহে কৰ্ম্মচাৰী সকলৰ সন্তোষজনক কৈফিয়ৎ পোৱা নাযায়, তেন্তে তাৰ পৰা কাষ্টমছৰ বেৰখন তুলি দিবলৈ মান্তি হ'লে। তেওঁৰ লগত সাক্ষাৎ হোৱাৰ কিছুদিনৰ পাছত বাতৰি কাকতত পালো যে বীৰঙ্গমৰ কাষ্টমছৰ বেৰ তুলি দিয়া হ'ল।

এই ঘটনাটো সত্যাগ্ৰহৰ প্ৰথম সূচনা বুলি মোৰ মনত হ'ল। বোম্বে গভৰ্ণৰৰ লগত সাক্ষাৎ হওঁতে মোৰ এটা বক্তৃতাত সত্যাগ্ৰহৰ উল্লেখ কৰাত অসন্তোষ প্ৰকাশ কৰিলে। কাথীৱাৰৰ বাগছৰা বোলা ঠাই এখনত সত্যাগ্ৰহৰ উল্লেখ কৰিছিলো।

"এইটো ভীতি প্ৰদৰ্শন নহয় নে ?" তেওঁ মোক প্ৰশ্ন কৰিলে। ব্ৰিটিছ গভৰ্ণমেণ্টৰ দৰে এটা শক্তিশালী গভৰ্ণমেণ্ট এনেবিধৰ ভীতি প্ৰদৰ্শনত সৈমান হ'ব নে ?

"এইটো ভয় দেখুৱা নহয়" মই উত্তৰ দিলো। দেশৰ ৰাইজক শিক্ষা দিয়াহে। সকলো অভিযোগৰ ন্যায়সঙ্গত প্ৰতিকাৰৰ উপায় ৰাইজক বুজোৱাটো মোৰ কৰ্ত্তব্য। যি জাতিয়ে নিজৰ অধিকাৰ পাবলৈ বিচাৰে, তেওঁলোকে স্বাধীনতা পোৱাৰ সকলো উপায় জনাটো উচিত। সাধাৰণতে তেওঁলোকে হিংসানীতি লয়। কিন্তু সত্যাগ্ৰহ হৈছে অহিংসাৰ অস্ত্ৰ। এইটো উপায়ৰ সীমা আৰু কাৰ্য্যত প্ৰয়োগ কৰা সম্পৰ্কে ৰাইজক বুজোৱা মোৰ কৰ্ত্তব্য। ব্ৰিটিছ গভৰ্ণমেণ্ট যে এটা প্ৰৱল পৰাক্ৰমী গভৰ্ণমেণ্ট, তাত মোৰ কোনো সন্দেহ নাই। কিন্তু সত্যাগ্ৰহ যে এটা ডাঙৰ উপায় তাতো মোৰ কোনো সন্দেহ নাই।"

যি হওক, বুধিয়ক ছেক্ৰেটাৰী জনাই সন্দেহত মূৰ জোকাৰি কলে—বাৰু দেখা যাব।

চতুৰ্থ অধ্যায়

শান্তিনিকেতনত

ৰাজকোটৰ পৰা মই শান্তিনিকেতনলৈ গলো। শিক্ষক আৰু ছাত্ৰসকলে মৰমেৰে মোক ওপোচাই দিলে। মোক অভ্যৰ্থনা কৰিবলৈ যি এটা অনুষ্ঠানৰ দিহা হৈছিল, সেইটো হৈছে অনাড়ম্বৰতা, চাৰু-কলা আৰু মৰমৰ সমন্বয়। ইয়াতেই মই কাকাচাহেব কালেলকাৰক প্ৰথমতে লগ পাও।

কালেলকাৰক কিয় কাকাচাহেব বোলা হৈছিল, মই তেতিয়ালৈকে জনা নাছিলোঁ। কিন্তু পাছত জানিলো যে ইংলণ্ডত মোৰ সমসাময়িক আৰু ঘনিষ্ঠ বন্ধু কেশৱৰাও দেশপাণ্ডেই বৰোদাত গঙ্গানাথ বিদ্যালয় নামৰ এখন শিক্ষানুষ্ঠান পাতিছে আৰু ইয়াত এখন পৰিয়ালৰ মনোভাব গঢ়ি তুলিবলৈ সকলো শিক্ষককে এইদৰে পাৰিবাৰিক সম্পৰ্কৰে মতা নিয়ম কৰিছে। কালেলকাৰ ইয়ালৈ শিক্ষক হিচাপে অহাত তেওঁক কাকা (অৰ্থাৎ খুড়াদেউ বোলাইছে, ফাড়কে 'মামা' বোলা হৈছে আৰু হৰিহৰ শৰ্ম্মাই 'আন্না' (অৰ্থাৎ ভাই) নাম পাইছে। আন সকলেও এইদৰে নানান নাম পাইছে। কাকাৰ বন্ধু আনন্দানন্দই 'স্বামী' আৰু পাছত মামাৰ বন্ধু পটবৰ্দ্ধনে ''আপ্পা'' হিচাপে এই পৰিয়ালত সোমাল। এওঁ-লোক সকলোৱেই শেহত মোৰ সহকৰ্ম্মী হৈছিল। শ্ৰীযুত দেশপাণ্ডেক সকলোৱে 'চাহেব' বুলিছিল। এই বিদ্যালয় যেতিয়া বন্ধ হল, তেতিয়া এই পৰিয়ালো ভাগিল। কিন্তু তেওঁলোকে এই আধ্যাত্মিক সম্পৰ্ক, নাইবা মতা এই নামবিলাক নেৰিলে।

কাকাছাহেব নানান অনুষ্ঠানৰ অভিজ্ঞতা লবলৈ গৈছিল। মই যি সময়ত শান্তিনিকেতন পালোগৈ, সেইসময়ত তেওঁ তাত আছিল। সেই একেলগৰ চিন্তামন শাস্ত্ৰীও তাত আছিল। তেওঁলোকে সংস্কৃত পঢ়োৱাত সহায় কৰিছিল।

ফিনিক্স পৰিয়ালটোক শান্তিনিকেতনৰ এটা সুকীয়া অংশত ঠাই দিয়া হৈছিল। মগনলাল গান্ধী আছিল এওঁলোকৰ ওপৰত। ফিনিক্স আশ্ৰমৰ নিয়মাৱলী যাতে যথানিয়মত পালন কৰা হয় তালৈ তেওঁ বিশেষ মন দিছিল। আৰু মই দেখিলো যে তেওঁ নিজৰ মৰম, জ্ঞান, আৰু অধ্যৱসায়ৰ গুণত গোটেই শান্তিনিকেতনত নিজৰ চিনাকী দিব পাৰিছিল।

তাত এণ্ড্ৰুজ আছিল, পিয়ার্ছন আছিল। আমি যি সকল বঙালী শিক্ষকৰ ঘনিষ্ঠ সম্পৰ্কত আহিছিলো, তেওঁলোক হৈছে জগদানন্দ বাবু, নেপাল বাবু, সন্তোষ বাবু, ক্ষিতিমোহন বাবু, নগেন বাবু, শাৰদা বাবু, আৰু কালী বাবু।

মোৰ স্বভাৱ মতে মই শিক্ষক আৰু ছাত্ৰসকলৰ লগত ততালিকে চিনাকী হলোঁ আৰু আত্ম-নিৰ্ভৰ, নিজৰ কাম নিজে কৰা আদিবিষয়ত আলোচনাত লাগিলোঁ। মই শিক্ষক সকলৰ ওচৰত এই কথাষাৰ দাঙি ধৰিলো—ৰান্ধনী-ঘৰৰ পৰা দৰ্ম্মহা-লোৱা ৰান্ধনী গুচাই যদি শিক্ষক আৰু ছাত্ৰসকলে নিজৰ আহাৰ বান্ধি লয়, তেতিয়া ছাত্ৰসকলৰ শাৰীৰিক আৰু নৈতিক স্বাস্থ্যৰ ফালৰ পৰা ৰান্ধনীঘৰটো নিয়মমতে পৰিচালনা কৰিব পৰা হব। আৰু আত্মনিৰ্ভতা সম্পৰ্কে ছাত্ৰসকলেও শিক্ষা পাব। এজন কি দুজনে অসামৰ্থ্য জনাই মূৰ জোকাৰিলে, কেইজন মানে মোৰ কথাত ভৰ দিলে। আৰু লৰাহঁতে কথাষাৰ সাদৰি ললে, কাৰণ তেওঁলোকৰ স্বভাৱ হৈছে সদায় নতুনত্ব বিচৰাটো। এইদৰে আমি পৰীক্ষাত লাগিলোঁ। কবিক যেতিয়া এই সম্পৰ্কে মত দিবলৈ কলোঁ, তেওঁ কলে যে শিক্ষক সকল

ইযাৰ অনুকূল হলে একো কব লগীযা নাই। লৰাহঁতক তেওঁ কলে--এই পৰীক্ষাতেই স্বৰাজৰ সঁচাব কাঠী আছে।

এই পৰীক্ষা কৃতকাৰ্য্য কৰিবলৈ পিযাৰ্চ্চনে ভাগৰক ভাগৰ নুবুলি লাগিল। তেওঁ কামত এটা উদ্যম আনিলে। এটা দল লাগিল শাক পাচলি কুটাত, এটি দল লাগিল চাউল চাফ কৰাত এই দৰে সকলো দল বান্ধি কামত লাগিল। নগেন বাবু আৰু আন কেইজনমানে ৰান্ধনি ঘৰটো আৰু তাৰ চাৰিউকাষ চাফ চিকুন আছেনে ইযাকে চাবলৈ ললে। তেওঁলোক সকলোবে হাতত কোৰ লৈ কাম কৰা দেখি মই ৰং পালোঁ।

হাঁহে যিদৰে পানীত নামি ৰং পায, সেইদৰে এশপচিছজন ছাত্ৰ শিক্ষক সকলৰে সৈতে শাৰীৰিক পৰিশ্ৰমৰ কামত নমাটো আশা কৰাটো টান। এই লৈ সদায আমাৰ ভিতৰত আলোচনা হৈছিল। কিছুমানে অলপতেই ভাগৰি যায। কিন্তু পিযাৰ্চ্চন ভাগৰি যোৱা বিধৰ লোক নাছিল। তেওঁ সদায হাঁহিমুখেৰে এটা নহয এটা কাম বান্ধনি ঘৰত কৰিব। ডাঙৰ ডাঙৰ বাচন বিলাক চাফ কৰিবলৈ তেওঁ দাযিত্ব লৈছিল। ছাত্ৰ সকলৰ এটা দলে খেতাব বজাই তেওঁলোকৰ শ্ৰম পাহৰাবলৈ যত্ন কৰে। সকলোৱে এটা উদ্যমৰে সৈতে কামত লাগিল—আৰু শান্তিনিকেতন পৰিশ্ৰমী মৌমাখিৰ বাঁহ হোৱা দি হল।

এনে বিধৰ পৰিবৰ্ত্তন এবাব সুমুৱালে লাহে লাহে বাঢ়ি যায। ফিনিক্সৰ দলটোৰ ৰান্ধনি ঘৰটো অকল আত্মনিৰ্ভৰশীলতাৰ নিদৰ্শন হোৱা নাছিল, খোৱা বস্তুও সহজ আড়ম্বৰহীন আছিল। মছলা বাদ দিযা হৈছিল ভাত ডাইল, শাক পাচলি আনকি, আটাৰ ৰুটীও একে' কুকাৰ'ত ৰন্ধা হৈছিল। শান্তি নিকেতনৰ লৰাহঁতেও বঙালী ৰান্ধনি ঘৰটো সংস্কাৰ কৰিবলৈ এনেবিধৰ কুকাৰ সুমুৱালে। কেইজনমান ছাত্ৰ আৰু এজন কি দুজন শিক্ষকৰ তত্ত্বাবধানত ৰান্ধনি ঘৰৰ কাম বিলাক চলিবলৈ ধৰিলে।

কিছুদিনৰ পাছত এই পৰীক্ষা জানিবা এৰা হল। মোৰ মনত হয় যে এই খ্যাত অনুষ্ঠানটোৱে অলপ দিনলৈ হলেও এই পৰীক্ষা চলোৱা একো বেয়া কথা নাছিল। আৰু ইয়াত যি অভিজ্ঞতা হল, ই শিক্ষক দলৰো নিশ্চয় কামত আহিব।

মই শান্তিনিকেতনত কিছুদিন থাকিম বুলি সঙ্কল্প কৰিছিলোঁ। কিন্তু বিধিৰ বিধান সেইদৰে নহল। এসপ্তাহ মান তাত আছোঁ, এনেতে পুণাৰ পৰা গোখেলৰ মৃত্যুৰ খবৰ আহিল। শান্তিনিকেতন শোক-সাগৰত মগ্ন হল। মোৰ ওচৰলৈ সকলো সত আহি শোক জ্ঞাপন কৰিলে। আশ্ৰমৰ মন্দিৰত এই জাতীয় ক্ষতিত শোক জনাবলৈ এখন সভাৰ দিহা হল। ই এটা গম্ভীৰ আৰু পবিত্ৰ অনুষ্ঠান হৈছিল। সেই দিনাই মই মগন লাল আৰু কস্তুৰবাক লৈ পুনালৈ আহিলোঁ। আন সকলো শান্তি নিকেতনত থাকিল। বৰ্দ্ধমানলৈকে এণ্ড্ৰুজ আহিল। "ভাৰতবৰ্ষত সত্যাগ্ৰহৰ সময় আহিবনে?" আৰু আহিলে কেতিয়ামানে আহিব আপুনি কিবা কব পাৰিবনে?" ইয়াকে তেওঁ সুধিলে।

মই উত্তৰ দিলোঁ-- এই কথাষাৰ কোৱাটো টান। এবছৰলৈ মই একো নকৰোঁ। কাৰণ গোখেলে মোৰ পৰা এটা প্ৰতিশ্ৰুতি লৈছিল যে মই অভিজ্ঞতা লাভ কৰিবলৈ ভাৰতবৰ্ষত ঘুৰিম আৰু ৰাজহুৱা সমস্যা বিলাকত এই অভিজ্ঞতা পোৱা কাল চোৱৰত যেন একো মতামত প্ৰকাশ নকৰোঁ। এই এবছৰকাল যোৱাৰ পাছতো মই কথা হবলৈ আৰু নিজৰ মতামত জনাবলৈ ব্যগ্ৰ নহওঁ। সেইকাৰণে পাচবছৰ কালৰ ভিতৰত সত্যাগ্ৰহৰ সম্ভাৱনা মই নেদেখোঁ।

এই লগতে মই কব লাগিব যে হিন্দ্ স্বৰাজত লিখা মতে বিদ্যমান মতামতত গোখেলে হাঁহিছিল। আৰু তেওঁ কৈছিল "তুমি এবছৰ কাল ভাৰতবৰ্ষত থাকা, তোমাৰ মতামত শুধৰাবা।"

পঞ্চম অধ্যায়

তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলৰ দুৰ্গতি

বৰ্দ্ধমান আহি পোৱাত আমি দেখিলোঁ যে তৃতীয় শ্ৰেণীৰ যাত্ৰীয়ে টিকিট সংগ্ৰহ কৰোতে কি দুগতি ভুগিব লগীয়া হয়। আমাক জনোৱা হল "তৃতীয় শ্ৰেণীৰ টিকিট ইমান সোণকালে দিয়া নহয়।"

মই ষ্টেশ্যনমাষ্টাৰৰ ওচৰ চাপিলো, অৱশ্যে এই কামটো ও এটা দুৰূহ কথা। তেওঁ থকা ঠাই ডোখৰ কোনোৱাই মোক দেখুৱাই দিলে। তেৰেঁা সেই একে উত্তৰকে দিলে। টিকটঘৰৰ খিলিকি খোলামাত্ৰে মই টিকট কিনিবলৈ গলোঁ—কিন্তু এই কথাষাৰ ইমান সহজ নহয়। জোৰ যাৰ মুল্লুক তাৰ, যাত্ৰীসকলৰ যি সকল আগতে আছিল তেওঁলোকে আনলৈ কেৰেপকে নকৰে। মোক এজনৰ পাছত আনজনে হেঁচা মাৰি বাহিৰলৈ উলিয়ালে। সেই মানুহৰ ভিৰত মযে সকলোৰে শেহত টিকট পালোঁ।

ট্ৰেইন আহি পালে,-তাত উঠাও এটা পৰীক্ষা। ট্ৰেইনত যিসকল আগতে আছিল তেওঁলোকৰে আৰু নকৈ অহাসকলৰ মাজত গালিশপনি ঠেলা-হেঁচাৰ আদান প্ৰদান নাথোন। আমি প্লাটফৰমৰ ই মূৰৰ পৰা সি মূৰলৈ অহা-যোৱা কৰিলোঁ, সকলো ঠাইতে সেইএকে উত্তৰ—"ইয়াত ঠাই নাই" মই গাৰ্ডৰ ওচৰলৈ গলোঁ। তেওঁ কলে "য'তে হয ত'তে ঠাই অলপ বিচাৰি লোৱা, নহলে পাছৰ ট্ৰেইনত যোৱা।"

"কিন্তু মোৰ জৰুৰী কাম আছে" মই নম্ৰভাৱে কলোঁ। কিন্তু মোৰ কথা শুনিবলৈ তেওঁৰ সময় নাই। মই বিমোৰত পৰিলোঁ; এখন ইন্টাৰ শ্ৰেণীৰ খোটালীত ঘৈণীক লৈ মই সোমালোঁ আৰু মগনলালক

তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলৰ দুৰ্গতি

য'তে হয় ত'তে শোৱাবলৈ কলোঁ। গাৰ্ডে আমাক এইদৰে শোৱা দেখিলে; তেওঁ আছানছোলত আমাৰ পৰা অতিৰিক্ত ভাৰা আদায় কৰিবলৈ আহিল। মই কলোঁঃ--"আমাক ঠাই দেখুৱাই দিয়া আপোনাৰ কৰ্ত্তব্য আছিল, আমি ক'তো ঠাই নোপোৱাত ইয়াত বহিছোঁহি। যদি তৃতীয় শ্ৰেণীৰ ক'তো অলপ ঠাই আমাক উলিয়াই দিয়ে, তেন্তে আমি তালৈকে যাম।" "মোৰ লগত তৰ্ক নকৰিবা, মই তোমাক ঠাই দিব নোৱাৰোঁ। তুমি অতিৰিক্ত ভাৰা দিয়া নহলে নামি যোৱা।" এয়ে তেওঁৰ উত্তৰ হল। মই সোনকালে পুনা পোৱাটো বিচাৰিছিলোঁ। সেইবাবে গাৰ্ডৰ লগত যুঁজ কৰি ইয়াতে খপিবলৈ মন নহল, পুণালৈকে অতিৰিক্ত ভাৰা দিলোঁ। কিন্তু এই অন্যায়ত আপত্তি জনালোঁ।

পুৱা মোগলছৰাই পালোঁহি। মগনলালে কোনোমতে বহা ঠাই এজনৰ পাইছিল। এতিয়া মই ইয়ালৈকে আহিলোঁ। টিকট পৰীক্ষকক সকলো কথা জনালোঁ আৰু মই যে এতিয়া তৃতীয় শ্ৰেণীৰ গাড়ীলৈ সলালোঁ, তাৰ বাবে এখন চাৰ্টিফিকেট দিবলৈ তেওঁক কলোঁ। তেওঁ এইদৰে চাৰ্টিফিকেট দিবলৈ গাত নললে। ৰেলৱে কৰ্ত্তৃপক্ষলৈ প্ৰতিকাৰৰ বাবে মই লিখিলোঁ, তেওঁলোকৰ পৰা এই মৰ্ম্মে উত্তৰ পালোঁ--'চাৰ্টিফিকেট নোহোৱাকৈ অতিৰিক্ত ভাৰা ওলোটাই দিয়াটো আমাৰ নিয়ম নহয়। কিন্তু আপোনাৰ ক্ষেত্ৰত এই নিয়মৰ ব্যতিক্ৰম কৰা হল। বৰ্দ্ধমানৰ পৰা মোগলছৰাইলৈকে অতিৰিক্ত ভাৰা ওলোটাই দিয়াটো সম্ভৱ নহব।'

তৃতীয় শ্ৰেণীত ফুৰা সম্পৰ্কে মোৰ ইমান অভিজ্ঞতা হৈছে যে ইয়াৰে এখন মহাভাৰত লিখিব পাৰোঁ। কিন্তু ইয়াত সময়ে সময়ে এই বিলাকৰ উল্লেখ মাথোন কৰিম। মোৰ সদায় বেজাৰ থাকিল যে মোৰ শাৰীৰিক অসামৰ্থ্যতাৰ বাবে মই তৃতীয় শ্ৰেণীত ফুৰিবলৈ এৰিব লগা হল।

তৃতীয় শ্ৰেণীৰ যাত্ৰীসকলৰ দুৰ্গতিৰ কাৰণ হৈছে ৰেলৱে কৰ্ত্তৃপক্ষৰ

অত্যাচাৰী ব্যৱহাৰ। আনফালে যাত্ৰী সকলৰো কঠুৱা ব্যৱহাৰ, অপৰিষ্কাৰ স্বভাৱ ; স্বাৰ্থপৰতা আৰু অজ্ঞতাও এইবাবে কিছুপৰিমানে দায়ী। এয়ে পৰিতাপৰ কথা যে তেওঁলোকে নিজৰ কঠুৱা ব্যৱহাৰ, অজ্ঞতা, স্বাৰ্থপৰতা উপলব্ধি কৰিব নোৱাৰে; তেওঁলোকে ভাবে যে তেওঁলোকে যি কৰিছে সেয়ে হৈছে স্বাভাৱিক কথা। এই বিলাক সকলোৰে গুৰিত তেওঁলোকলৈ আমাৰ শিক্ষিত শ্ৰেণীৰ উদাসীনতা।

ক্লান্ত শ্ৰান্ত হৈ আমি কল্যাণ পালোঁহি ; মগনলাল আৰু মই ষ্টেশ্যনত পানী বিচাৰি গা ধুই ললোঁ। মই তেওঁৰ গা ধুবলৈ পানীৰ বন্দবস্ত কৰিবলৈ যাবলৈ ওলাইছোঁ, এনেতে ভাৰত সেৱক সমিতিৰ শ্ৰীযুত কাউলে মোক চিনি পাই মোৰ ওচৰলৈ আহিল। তেৰো পুণালৈ যাবলৈ ওলাইছে, তেওঁ কম্পাৰ্টমেণ্টবোৰক দ্বিতীয় শ্ৰেণীৰ বাথৰুমলৈ নিবলৈ বিচাৰিলে। তেওঁৰ এই অমায়িকতা গ্ৰহণ কৰিবলৈ মই সঙ্কোচ বোধ কৰিলোঁ। মোৰ ঘৈণীৰ দ্বিতীয় শ্ৰেণীৰ বাথ-ৰুম ব্যৱহাৰ কৰাৰ অধিকাৰ নাই। কিন্তু অৱশেষত এই অনুচিত কামতো মান্তি হলোঁ। সত্যৰ সেৱক এজনৰ পক্ষে এইটো উচিত হোৱা নাই বুলি মই জানো। আৰু মোৰ ঘৈণীয়েও তাত গা ধুবলৈ ব্যগ্ৰ হোৱা নাছিল ; পাছে স্বামীৰ ঘৈণীলৈ পক্ষপাতিতাৰ ভাৱে সত্যলৈ পক্ষপাতিতাক তল পেলালে। উপনিষদত কৈছে—মায়াৰ সোণালি ঢাকোনত সত্য ঢাক খাই থাকে।

ষষ্ঠ অধ্যায়

ভাৰত সেৱক সমিতিত সোমামনে !

পুণা পাওঁ মানে শ্ৰাদ্ধাদি শেষ হল। সমিতিৰ সদস্য সকলে সমিতিৰ ভৱিষ্যৎ সম্পৰ্কে আলোচনা কৰি আছে। মই এই সমিতিত যোগ দিম নে নাই, তাকো মই আলোচনা কৰিলোঁ। সদস্য হিচাপে যোগ দিয়া কথাষাৰ মোৰ বাবে এটা ডাঙৰ প্ৰশ্ন আছিল। গোখলে থাকোঁতে মই সদস্য হিচাপে যোগ দিবলৈ আবেদন কৰিবৰ কথা একো নাছিল। তেওঁৰ ইচ্ছা মই পূৰণ কৰিব লাগিব, এইটো মই ভাল পালোহেঁতেন। ভাৰতীয় ৰাজহুৱা জীৱনৰ খোঁকি বাখোঁকি সাগৰত মোক লগা হৈছে এজন নিৰ্ভৰ কৰিব পৰা গুৰিয়াল। গোখলেৰ ভিতৰত তেনে এজন গুৰিয়াল পালোহেঁতেন আৰু তেওঁৰ আশ্ৰয়ত থাকিব পাৰিলোহেঁতেন। এতিয়া তেওঁ নাই। মোৰ নিজৰ সম্বলত মই থিয় দিব লাগিব। মই মনতে ভাবিলোঁ যে মই সদস্যৰ প্ৰাৰ্থী হওঁ। এনেকাম কৰিলে গোখলেৰ আত্মাই শান্তি পাব, এনে এটা ভাব মনলৈ আহিছিল। সেইবাবে কোনো দ্বিধা সঙ্কোচ নকৰাকৈ দৃঢ়মনেৰে বুজা-বুজি হবলৈ আগ বাঢ়িলোঁ।

সমিতিৰ সৰহভাগ সদস্যই এই সঙ্কটত পুণাত উপস্থিত আছিল। মোৰ সম্পৰ্কে তেওঁলোকৰ মনৰ পৰা সন্দেহ, শঙ্কা গুচাবলৈ উকীলৰ দৰে যুক্তি দেখুৱালোঁ। কিন্তু মই দেখিলোঁ যে তেওঁলোকৰ সকলো একে মতৰ হব পৰা নাই। কিছুমানে মোক বিচাৰে আৰু কিছুমান মোৰ সম্পূৰ্ণ বিৰোধী।

তেওঁলোকৰ মোলৈ মৰম, কোনো দলৰে কম নাছিল, মোক নিবিচৰা

দলটোৰ সম্ভৱত মোতকৈ সমিতিলৈ মৰম বেছি, বেছি নহলেও কম নহয়, এনে এটা ধাৰণা মোৰ হল। আমাৰ আলোচনাত কোনো এটা তিক্ততা নাছিল। নীতি-গত কথাতেই সীমাবদ্ধ আছিল। যিসকলে মই সমিতিত যোগ দিয়াটো নিবিচাৰে তেওঁলোকে ভাবিছিল যে বিদ্যমান মূল-নীতিত তেওঁলোকৰ লগত মোৰ স্বৰ্গ-মৰ্ত্ত্য প্ৰভেদ আৰু মই তেওঁলোকৰ সমিতিত সোমালে যি উদ্দেশ্য লৈ এই সমিতি গঠিত হৈছে, সেই উদ্দেশ্য সিদ্ধিত বিঘিনি হব। এনে এটা কথা তেওঁলোকে সহিব নোৱাৰে।

বহুতো আলোচনাৰ পাছত আমি এৰাএৰি হলোঁ। শেষ সিদ্ধান্ত লোৱা কথাষাৰ পাছ হোহোকাই থোৱা হল।

ঘৰলৈ উভটি আহি মই বৰ অস্থিৰ হৈ পৰিলোঁ। সৰহীয়া দলৰ ভোট লৈ মই এই সমিতিত সোমোৱাটো উচিত হবনে? গোখেললৈ মোৰ যি ভক্তি আছিল, তাৰ লগত এনে এটা কথা খাপ খাবনে? মই স্পষ্টকৈ দেখিলোঁ যে মোক সমিতিত সোমাবলৈ দিয়া লৈ যেতিয়া সদস্য সকলৰ মাজত মতভেদ ঘটিছে, তেনেস্থলত মোৰ আবেদন পত্ৰ তুলি লৈ মোক সোমোৱলৈ দিয়াত আপত্তি কৰোঁতা সকলক এই অৱস্থাৰ ৰক্ষা কৰাটোৱেই শ্ৰেয় হব বুলি মোৰ ভাৱ হল। অকস্মাতে এই সিদ্ধান্ত মোৰ মনলৈ আহিল আৰু ততালিকে শ্ৰীযুত শাস্ত্ৰীলৈ এখন চিঠি লিখি পঠালোঁ যে স্থগীত ৰখা মিটিং পতাৰ একো প্ৰয়োজন নাই। যি সকলে মোক সোমাবলৈ দিয়াত আপত্তি কৰিছিল, তেওঁলোকে মোৰ সিদ্ধান্তৰ শলাগ ললে। এটা বেয়া অৱস্থাৰ পৰা তেওঁলোকক ৰক্ষা কৰা হল, আৰু মোৰ লগত বন্ধুতাৰ বান্ধোন দৃঢ় হল। আবেদন পত্ৰ উঠাই লোৱাত মই এই সমিতিৰ এজনা সদস্যৰ দৰেই হলোঁ।

এতিয়া অভীজ্ঞতাৰ পৰা মোৰ বোধ হৈছে মোৰ সিদ্ধান্ত শুদ্ধ হৈছিল। যি সকলে মোক সোমাবলৈ দিবলৈ আপত্তি কৰিছিল, তেওঁলোকৰ আপত্তিও

যুক্তি-যুক্ত হৈছিল। অভীজ্ঞতাই দেখুৱালে যে আমাৰ ভিতৰত মন নীতি লৈ বহুতো পাৰ্থক্য আছে। এই প্ৰভেদ জন্য বাবে আমাৰ ভিতৰত এৰা-এৰি হোৱা নাই, বা আমাৰ মাজত কোনো তিক্ততা হোৱা নাই। আমি ভ্ৰাতৃৰ দৰে থাকিব পাৰিছোঁ, আৰু এই সমিতিৰ ঘৰ মোৰ বাবে তীৰ্থৰ ঠাই স্বৰূপে হৈছে।

এইটো সঁচা যে যথানিয়মত মই সমিতিৰ সদস্য হোৱা নাই কিন্তু ভাৱত মই এই সমিতিৰ সদস্য হৈছোঁ। শাৰীৰিক মিত্ৰতাৰ সম্পৰ্কতকৈ আধ্যাত্মিক মিত্ৰতাৰ সম্পৰ্ক বেছি মূল্যবান। আধ্যাত্মিক সম্পৰ্ক নোহোৱাকৈ শাৰীৰিক সম্পৰ্ক হলে আত্মা নোহোৱা শৰীৰৰ দৰে হয়।

সপ্তম অধ্যায়

কুম্ভমেলা

ইয়াৰ পাছত ডাক্তৰ মেহটাক লগ পাবলৈ মই ৰেঙ্গুনলৈ গলোঁ। বাটত কলিকতাত ৰলোঁ। স্বৰ্গীয় বাবু ভূপেন্দ্ৰনাথ বসুৰ আলহী হৈছিলোঁ। ইয়াত বঙালীৰ আতিথেয়তাৰ চৰম পাইছিল। এই সময়ত মই সম্পূৰ্ণতে ফলভোজী আছিলোঁ, সেইবাবে কলিকতাত পোৱা সকলো বিধৰ ফল বাদাম মোৰ বাবে যোগাৰ কৰা হৈছিল। ঘৰৰ তিৰোতা সকলে গোটেই ৰাতি বহি বাদাম বোৰ গুচাই থব, ভাৰতীয় ৰীতিত ফল বিলাক কাটি বাছি থব। মোৰ লগৰীয়া সকলৰ বাবে কিমান বিধৰ উপাদেয় আহাৰৰ ব্যৱস্থা কৰিব, মোৰ লৰা ৰামদাসো মোৰ লগত আছিল। মৰমৰ আতিথেয়তাৰ

গুণগ্ৰাহী হলেও, গোটেই ঘৰ-ঘৰুৱা দুই তিনিজন আলহীক গোধা-মেলাত লাগি থকাটো মোৰ বাবে অসহনীয় হৈছিল। কিন্তু এতিয়ালৈকে এনেবিধৰ মৰমৰ অত্যাচাৰৰ হাত সাৰিবলৈ একো উপায় দেখা নাছিলোঁ।

ৰেঙ্গুনলৈ যোৱা জাহাজত মই মুকলি ডেকৰ যাত্ৰীহৈ হৈছিলোঁ। শ্ৰীযুত বসুৰ ঘৰত যি দৰে মোৰ ওপৰত দিয়া অতিপাত মনোযোগত অসুবিধা পাইছিলো, এতিয়া জাহাজত তৃতীয় শ্ৰেণীৰ যাত্ৰী হিচাপে মুকলি ডেকত গৈ ডেকৰ যাত্ৰীয়ে পোৱা সাধাৰণ সুবিধা বিনাকৰ পৰাও বঞ্চিত হোৱাটো আমাৰ অদৃষ্টত নাছিল। গ-ধোৱা খোটানীৰ নামত যিটো খোটালী আছিল, সেইটো সহিব-নোৱাৰা ভাবে অপৰিষ্কাৰ, পাইখানা দুৰ্গন্ধত নৰককুণ্ড; পাইখানাৰ মজিয়াত চাৰিওকাষে শৌচ পেচাপ, তালৈ যাবলৈ হলে, হয় খচকি যাব লাগিব, নহলে জপিয়াই যাব লাগিব।

ৰক্তমাংসৰ শৰীৰত এইটো অসহনীয়। চীফ-অফিচাৰ জনক সকলো কথা জনালো, কিন্তু ফল একো নহল। দুৰ্গন্ধ আৰু অপৰিচ্ছন্নতাৰ এই ছবিখন সম্পূৰ্ণৰূপে ফুটাই তুলিবলৈ কিবা অভাব হলে, সেইটো গুচাইছিল যাত্ৰীসকলৰ স্বভাবে। য'তে বহিছে তাতে খুৱাইছে, খোৱাৰ পাছত চুৱা চতিৱাই বহা ঠাইৰ চাৰিওকাষ লেতেৰা কৰি থৈছে। তামোলৰ বাকলি পেলাইছে, নাইবা ধপাত হুপি চিলিমৰ পোৱা-ধপাত পেলাইছে কোনোফালে চকু দিব নোৱাৰি, তাতে সকলোৰে চিএৰ বাখৰ। যি যিমান পাৰে ঠাই জুৰি বহিবলৈ যত্ন কৰিছে। নিজৰ দেহাতকৈ তেওঁলোকৰ লগৰ বয় বস্তুৱে ঠাই সৰহকৈ আগুৰিছে। দুদিন এইদৰে কঠোৰ পৰীক্ষাৰ মাজত পাৰ হব লগীয়া হল।

ৰেঙ্গুন পাই জাহাজ কোম্পানীৰ এজেণ্টক সকলো কথা জনাই এখন চিঠি লিখিলোঁ। এই চিঠিখনৰ বাবে আৰু ডাক্তৰ মেহটাৰ চেষ্টাত উভতি আহোতে ডেকত সিমান অসহনীয় অৱস্থা হোৱা নাছিল।

ফলভোজনৰ বাবে ৰেঙ্গুনতো গিৰিহতে অতিৰিক্ত বোজা বৰ লগীয়া হৈছিল। কিন্তু ডাক্তৰ মেহতাৰ ঘৰখন নিজৰ ঘৰৰ দৰে খোৱাত আহাৰৰ তালিকাত আড়ম্বৰতা গুচাবলৈ সমৰ্থ হলো। নিত্য আহাৰ্য্যবস্তুৰ সংখ্যাত এটা সীমা বান্ধি দিয়া নাছিলো।। জিবা আৰু চকুৱে বস্তুৰ যোগান নিয়ন্ত্ৰণ কৰাত অসহযোগ কৰিছিল। খোৱাৰ এটা নিৰ্দ্ধাৰিত সময় নাছিল। ব্যক্তিগত ভাবে গোধূলি হবৰ আগতে শেষৰ আহাৰ খোৱাটো পছন্দ কৰো।। কিন্তু ৮।৯ বজাৰ আগতে নিয়ম মতে সন্ধিয়াৰ ভোজ পোৱাটো টান।

এই বছৰ—১৯১৫ সন এই বছৰেই হৰিদ্বাৰত ১২ বছৰৰ পাছত কুম্ভমেলা হোৱাৰ কথা। এই মেলা চাবলৈকো মোৰ হেঁপাহ আছিল। বিশেষকৈ গুৰুকুলত মহাত্মা মুন্সীৰামজীক লগ পাবলৈ মই [illegible] হৈছিলো। গোখেলৰ সমিতিয়ে এটা ডাঙৰ সেৱকবাহিনী এই কুম্ভমেলালৈ পঠাইছিল। এইদলৰ গুৰিয়াল আছিল পণ্ডিত হৃদয়নাথ কুঞ্জৰু আৰু স্বৰ্গীয় ডাক্তৰ দেউ মেডিকেল অফিচাৰ আছিল। তেওঁলোকক সহায় কৰিবলৈ ফিনিক্সৰ দলটোক মাতি পঠালে।। মগনলাল গান্ধী ইতিপূৰ্ব্বে গলেই। ৰেঙ্গুনৰ পৰা উভতি আহি মযো এই দলটোৰ লগ হলোহি।

কলিকতাৰ পৰা হৰিদ্বাৰলৈ অহাটো বৰ পৰীক্ষাৰ কথা হৈছিল। কেতিয়াবা ট্ৰেইনৰ খোটালী বিলাকত চাকি নাথাকিব। ছাহাৰানপুৰৰ পৰা আমাক মালগাড়ীত জাপি দিয়া হল, ইয়াৰ ওপৰত চাল নাই, দুপৰীয়াৰ প্ৰচণ্ড ৰ'দ মূৰত লৈ আৰু তলুৱাত ৰ'দৰ তাপত তপত হোৱা লোৰৰ মজিয়াত আমি সিজি আছিলো। পিয়াহত আতুৰ হৈও গোড়া হিন্দু-সকলক এটোপা পানী খুউৱাৰ পৰা নাছিলো। এইটো মুছলমানী, যেতিয়ালৈকে হিন্দুপানী নাপালে, তেতিয়ালৈকে এইদৰে ডেই-পুৰি থাকিও এটোপা পানী নোখোৱাকৈ থাকিল। এইকথাষাৰ মনত ৰাখিব

লাগিব যে এই বিলাক হিন্দুযেই বেমাৰৰ সময়ত যেতিয়া ডাক্তৰে ব্ৰাণ্ডী নাইবা গৰু মঙ্গহৰ চুৰুহা ঔষধত দিয়ে, তেতিয়া তেওঁলোকে নোশোধে ডাক্তৰৰ লগৰ কম্পাউণ্ডাৰ জন মুছলমান নে খ্ৰীষ্টান।

শান্তি-নিকেতনত থকা কালত এটা শিক্ষা পাইছিলো যে ভাৰতবৰ্ষত আমি মেতোৰৰ কাম কৰাত বিশেষভাৱে মন দিব লাগিব। এতিয়া হৰিদ্বাৰত সেৱকসকলৰ থকা-মেলাৰ বাবে ধৰমশালাৰ ওচৰত তম্বু তৰা হৈছিল আৰু ডাক্তৰ দেউৱে পাইখানাৰ বাবে কিছুমান গাঁত খানিছিল। তেওঁ এই বিলাক চাবলৈ কিছুমান দৰমহা-খোৱা মেতোৰৰ ওপৰত নিৰ্ভৰ কৰিছিল। ইয়াতেই তো ফিনিক্স দলটোৰ কাম পৰি আছে। শৌচ পেচাপ আদি মাটিৰে ঢাকি থবলৈ দাঁত ললোঁ। যদিও মই গাত লৈছিলো কিন্তু মগনলালেহে কামটো কৰিলে। মোৰ কাম হৈছিল তম্বুত বহি যাত্ৰীসকলক দৰ্শন দিয়া আৰু তেওঁলোকৰ লগত ধৰ্ম্ম আলোচনা কৰা। মোৰ নিজৰ বুলি এটা মুহূৰ্ত্তও নাছিল।

ধুবলৈ যাওঁ দৰ্শনপ্ৰাৰ্থী সকলে ইয়াতো নেৰে, খাবলৈ বহোঁ ইয়াতো তেওঁলোকে মোক নেৰে। হৰিদ্বাৰতেই মই বুজিব পাৰিলোঁ। যে দক্ষিণ আফ্ৰিকাত মই যি কাম কৰিছিলোঁ সেই কাম ভাৰতবাসীৰ মনত কি দৰে দকৈ সাঁচ বহুৱাইছিল।

কিন্তু এনে এটা অৱস্থাত থাকিবলৈ কোনে ভাল পাব? মোৰ মনত হবলৈ ধৰিলে যেন মই এফালে অথাই সাগৰ, আনফালে গিলি খেদি অহা বিৰাটদৈত্য—এই দুয়োটাৰ মাজত যেন পৰিছোঁ। তৃতীয় শ্ৰেণীত ৰেলৰ যাত্ৰী হিচাপে কোটি কোটি নৰনাৰীযে ভুঞ্জা দুখ-দুৰ্গতিত পৰোতে কোনেও মোক চিনি পোৱা নাছিল। এতিয়া মোৰ নাম শুনা দৰ্শনাকাঙ্খী সকলে মোক এইদৰে আগুৰি থকা অৱস্থা—এই দুটাৰ ভিতৰত কোনটো বেছি কষ্টদায়ক আছিল, মই সেইটো নিৰ্ণয় কৰিব নোৱাৰোঁ।

অন্ততঃ এইটো মই জানো যে 'দৰ্শনৱালা' সকলৰ মোলৈ অন্ধ মৰমত মোৰ খং উঠিছিল আৰু অন্তৰত দুখ পাইছিলো। কিন্তু ৰেলত ফুৰোতে শাৰীৰিক কষ্ট পাইছিলোঁ, তাত খং উঠা নাছিল; বৰঞ্চ মোৰ মনলৈ প্ৰেৰণা আৰু বল আনিছিল।

এই সময়ত য'তে ত'তে ফুৰিবলৈ মোৰ গাত শক্তি আছিল, আৰু সৌভাগ্যক্ৰমে তেতিয়ালৈকেও ইমান জনাজাত নাছিলো যে বাটত মোলৈ কোনোবাই চকু দিব। এইদৰে অনাই বনাই ফুৰোতে যাত্ৰীসকলৰ ধৰ্ম্মভাৱতকৈ তেওঁলোকৰ অমনোযোগ, তেওঁলোকৰ ভণ্ডামী, তেওঁলোকৰ এলাহ, এই বিলাকেই মোৰ চকুত পৰিল। এই সাধুৰ দল হৰিদ্বাৰলৈ নামি আহিছে জীৱনৰ সকলো ভাল বস্তু বিলাক ভোগ কৰিবলৈ তেওঁলোকৰ যেন জন্ম হৈছে।

ইয়াত এজনী গাই দেখিলো ৫ খন ঠেং। মই আচৰিত হলো। কিন্তু জনালোকসকলে মোৰ ভুল ভাঙিলে। দুষ্টলোকে ধন উপাৰ্জ্জন কৰিবলৈ গাইক এইদৰে উছৰ্গা কৰিছে। মই শুনিলো যে এইখন ঠেং জীয়া দমৰা এটাৰ পৰা কাটি নি এই জনীৰ গাত জোৰা লগাইছে। এইদৰে দুটা জীৱৰ ওপৰত অত্যাচাৰ কৰি অবুজ লোকসকলৰ পৰা টকা আদায় কৰিবলৈ দিহা কৰা হৈছে। এই পঞ্চ-পদী গোমাতাক চাবলৈ কোন হিন্দুনো আকৃষ্ট নহব। আৰু এনে এটি আচৰিত জীৱলৈ উদাৰতা নেদেখুৱা হিন্দুনো কোন আছে?

এতিয়া মেলাৰ দিন ওচৰ চাপি আহিল। এই দিনটো মোৰ বাবে এটা ডাঙৰ দিন আছিল। মই তীৰ্থযাত্ৰীৰ মনোভাৱ লৈ হৰিদ্বাৰলৈ যোৱা নাছিলোঁ। পুণ্য বিচাৰি তীৰ্থ ঠাইলৈ যোৱা ভাৱ মোৰ মনলৈ কেতিয়াও অহা নাছিল। কিন্তু এই যে ১৭ লাখ মানুহ ইয়ালৈ আহিছে বুলি শুনা গৈছে, এওঁলোকৰ সকলোৱেই ভণ্ড নে কেৱল ঠাই চোৱা। মোৰ মনত

সন্দেহ নাছিল যে ইয়াৰ ভিতৰত অগণিত লোক আছিল যি সকলে পুণ্য আৰ্জ্জিবলৈকে, নিজক আত্মশুদ্ধি কৰিবলৈকে ইয়ালৈ আহিছে। এনে এটা ভক্তিৰ ভাৱে মানুহৰ আত্মাক কিমান উন্নত কৰে, এই কথাষাৰ কোৱা টান।

চিন্তামগ্ন হৈ গোটেই ৰাতিটো কটালো। ভণ্ডামীৰ বেৰি খকাৰ মাজতো ধাৰ্ম্মিক মানুহ আছে। সৃষ্টি-কৰ্ত্তাৰ ওচৰত তেওঁলোকৰ পাপ ক্ষয় হব। হৰিদ্বাৰলৈ অহাটো যদি পাপৰ কথা হয়, তেন্তে মই প্ৰকাশ্যে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰা উচিত আৰু কুম্ভৰ দিনাই হৰিদ্বাৰ এৰা উচিত। যদিহে হৰিদ্বাৰ আৰু কুম্ভলৈ অহাটো পাপৰ কাম নহয়, তেন্তে মযো নিজৰ প্ৰায়শ্চিত্ত আৰু আত্মশুদ্ধিৰ বাবে ত্যাগ স্বীকাৰ কৰা উচিত। মোৰ জীৱনটো নিয়ম মানি চলা হিচাপে নিগাইছো। কলিকতা আৰু ৰেঙ্গুনত মই আলহী হিচাপে গৃহস্থ দুঘৰক অনাহকতে অসুবিধাত পেলাইছিলো, তেওঁলোকে মোক সোধ-পোচ কৰিবলৈ বহুতো খৰচ কৰিব লগা হৈছিল। এই বিলাক ভাবি মই দুটা নিয়ম পালিবলৈ স্থিৰ কৰিলোঁ—এটা হৈছে আহাৰ্য্য-বস্তু যাতে জোখত হয় তাৰ সীমা বান্ধি দিয়া আৰু বেলিমাৰ যাবৰ আগতে সন্ধিয়াৰ ভোজ শেষ কৰাটো। মোৰ মনলৈ এটা দৃঢ় বিশ্বাস হল যে যদি মই এইদৰে নিয়ম বান্ধি নলওঁ, তেন্তে ভবিষ্যতলৈ যি বিলাকৰ ঘৰত মই আলহী থাকিব লগীয়া হব, তেওঁলোকক যথেষ্ট অসুবিধাত পেলাম আৰু তেওঁলোকক দেশসেৱাতকৈ মোৰ সেৱাতেই নিয়োগ কৰিম। সেই বাবে মই শপত ললোঁ যে ভাৰতবৰ্ষত থকা কালত ২৪ ঘন্টাৰ ভিতৰত পাঁচবিধৰ বস্তুতকৈ সৰহ যেন আহাৰ্য্য বস্তু নাখাওঁ। আৰু সন্ধিয়াৰ পাছত যেন ভোজন নকৰোঁ। ইয়াত মোৰ কিমান অসুবিধা হব, তাকো মই ভালকৈ ভাবিলোঁ; সেইবাবে কোনো ৰকমৰ কেৰোণ যাতে নাথাকে তালৈ মন কৰিলোঁ। ধৰা যেন মই বেমাৰত পৰিছোঁ, তেতিয়া যদি ঔষধত ৫

বিধতকৈ সৰহ ঔষধ দিবলগীয়া হয়, এই বিলাকো মোৰ মনলৈ আহিল। বিশেষ আহাৰ্য্য বস্তুৰ বাবে কোনো ব্যৱস্থা মই ৰাখিমনে, তাকো ভাবিলোঁ। আৰু শেহত স্থিৰ কৰিলো যে কোনো অৱস্থাতেই বিশেষ ব্যৱস্থা নকৰোঁ।

১৩ বছৰ এই শপত মানি আহিছো। বৰকঠোৰ পৰীক্ষাত ই মোক পেলাইছে। কিন্তু মই আজি ইয়াকে কব পাৰোঁ যে ই মোৰ বাবে ঢালৰ দৰে হৈছে। মোৰ মত যে ইয়াৰ বাবে মোৰ আয়ু কেইবছৰ মান বাঢ়িছে আৰু বহুতো বেমাৰৰ পৰা মোক ৰক্ষা কৰিছে।

অষ্টম অধ্যায়

লছমন ঝোলা

গুৰুকুল পাই দীঘল ডাঙৰ ওখ দেহাৰে মহাত্মা মুন্সীৰামজীৰ লগ ধৰিব পৰাটো এটা বৰ আনন্দৰ কথা হৈছিল। হৰিদ্বাৰৰ চিঞৰ বাখৰ হুলস্থুলৰ লগত ৰিজাই গুৰুকুলত শান্তি অনুভৱ কৰিলোঁ। মহাত্মাই মৰমেৰে ওপোচাই দিলে, তাত থকা সকলো ব্ৰহ্মচাৰীয়ে মোক আদৰ যত্ন কৰিলে। ইয়াতো মই পোন প্ৰথমতে আচাৰ্য্য ৰামদেবজীৰ লগ পাওঁ। তেওঁক দেখি মই বুজিব পাৰিলোঁ তেওঁ কি শক্তিসম্পন্ন। কিছুমান বিষয়ত তেওঁৰ লগত মোৰ মতৰ অমিল আছিল, তথাপিও তেওঁৰ লগত হোৱা চিনাকী বন্ধুতাত পৰিণত হল।

আচাৰ্য্য ৰামদেবজী আৰু অন্যান্য অধ্যাপক সকলৰ লগত গুৰুকুলত উদ্যোগৰ শিক্ষা সুগুৰা সম্পৰ্কে আলোচনা কৰিলোঁ। ইয়াৰ পৰা যাবৰ সময়ত মনলৈ বেজাৰৰ ভাৱ আহিল।

লছমনঝোলাৰ প্ৰশংসাৰ কথা মই আগতে শুনিছিলোঁ। ই গঙ্গা নৈৰ ওপৰত ওলমি থকা দলং এখন। ঋষিকেষৰ অলপ আঁতৰত এই দলং অৱস্থিত। বহুতো বন্ধুৱে মোক টানি কলে যে হৰিদ্বাৰলৈ আহি লছমনঝোলা নোচোৱাকৈ যাব নালাগে। ইয়ালৈ দুদিনত মই খোজ কাঢ়ি যোৱা স্থিৰ কৰিলোঁ। বহুতো সন্যাসীয়ে ঋষিকেষত আহি মোক লগ ধৰিলেহি। তেওঁলোকৰ এজন মোলৈ বৰ আকৃষ্ট হৈছিল। ফিনিক্সৰ দলটোও তাতে আছিল আৰু তেওঁলোকে স্বামীক নানান প্ৰশ্ন সুধিবলৈ ধৰিলে।

ধৰ্ম্ম সম্পৰ্কে আমাৰ আলোচনা বহুতো হৈছিল। স্বামীয়ে ধৰ্ম্ম-বিষয়ত মোৰ অনুভূতি বুজি পালে। উদা মূৰ, উদং গাৰে গঙ্গাৰ পৰা গা ধুই অহা তেওঁ দেখা পালে। মূৰত টিকনি ডিঙিত উপবীত নেদেখি তেওঁ বেজাৰ পালে। আৰু ইয়াৰে দেখি তেও কলে --

"আপুনি এজন বিশ্বাসী হিন্দু, আপোনাৰ মূৰত টিকনি আৰু ডিঙিত উপবীত নেদেখি মই বৰ বেজাৰ পাইছো। হিন্দুৰ এই দুটা বস্তু হৈছে এটা বাহ্যিক নিদৰ্শন—প্ৰত্যেক হিন্দুৱে টিকনি ৰখা আৰু লগুণ লোৱা উচিত।"

এতিয়া এই দুটা বস্তু মই নো কিয় এৰিলো, এই সম্পৰ্কে এটা ইতিহাস আছে। মোৰ যেতিয়া বয়স ১০ বছৰ মান হব, সেই সময়ত ব্ৰাহ্মণ লৰা সকলক লগুণৰ লগতে চাবী একোছা বান্ধি ইয়াকে লৈ ধেমালি কৰা দেখিছিলোঁ। মোৰো এইদৰে লগুণ লবলৈ হেপাহ হৈছিল, সেই সময়ত কাথিয়াৱাৰ বৈশ্য সম্প্ৰদায়ৰ মাজত এইদৰে লগুণ লোৱাটোৰ প্ৰচলন নাছিল। প্ৰথম তিনি বৰ্ণৰ বাবে লগুণ লোৱাটো বাধ্যতামূলক কৰিবলৈ এটা আন্দোলন চলি আছিল। ইয়াৰ ফলত গান্ধী খেলৰ বহুতো লোকে এই সময়ত লগুণ ললে। যি জন্য ব্ৰাহ্মণে আমাৰ দু-তিনিজনক ৰাম-ৰক্ষা

পঢাইছিল, তেওঁ আমাক লগুণ পিন্ধালে। যদিও মই তেতিয়ালৈকে একোচা চাবী লোৱা নাছিলোঁ, লগুণ লোৱাৰ পাছত একোচা চাবী পালোঁ আৰু আনৰ দৰে চাবীকোচা লৈ খেলালি কৰিবলৈ ধৰিলোঁ। এনেতে এদিনা লগুণ ছিগি থাকিল, ইয়াৰ কাৰণে মই কিবা বেজাৰ পাইছিলো নে নাই মোৰ মনত নাই। কিন্তু মোৰ মনত আছে যে ইয়াৰ পাছত আৰু নতুনকৈ লবলৈ দিহা কৰা নাছিলো।

মই ডাঙৰ হোৱাৰ লগে লগে কেইটা বাপা মোৰ শুভাকাংখী কৰি মোক লগুণ দিয়াবলৈ যত্ন কৰা হৈছিল। পাছে এই বিলাক চেষ্টাৰ ফল ধৰা নাছিল। যদি শূদ্ৰ সকলে নিপিন্ধে, তেনে আন বৰ্ণৰ লো এইদৰে লগুণ পিন্ধাৰ প্ৰয়োজন কি? মই এই দৰে তৰ্ক কৰিছিলোঁ। এটা অলাগতিয়াল আচাৰ পালন কৰিবলৈ কিবা যুক্তি থকা বুলি মোৰ মনত নধৰিছিল। লগুণ লবলৈ মোৰ আপত্তি নাছিল, কিন্তু ইয়াৰ কাৰণে কোনো যুক্তি পোৱা নাছিলোঁ।

বৈষ্ণৱ হিচাপে মই ভিতিত কণ্ঠি এদাল পিন্ধিছো, সমাজৰ বুঢ়া লোক সকলে মূৰত টিকনি ৰখাটো বাধ্যতামূলক কৰিলে। ইংলণ্ডলৈ যোৱাৰ পূৰ্ব্বতে জানিবা মই টিকনি গুচালোঁ -কাৰণ মূৰত টুপী নিপিন্ধিলে কনবাত ইংৰাজ সকলে মোক অসভ্য বৰ্ব্বৰ বুলি ইতিকিং কৰে। আৰু সঁচাকৈয়ে এনে এটা কাপুৰুষৰ মনোবৃত্তি বহুত দিনলৈকে আছিল। দক্ষিণ আফ্ৰিকাত মোৰ খুড়াদেউৰ লৰা ছগনলাল গান্ধীৰো টিকনি গুচালোঁ -এও এটা বৰ নিষ্ঠাৰে সৈতে এই দৰে টিকনি মূৰত ৰাখিছিল। মোৰ মনলৈ এটা ক্লমৰ ভাব আহিছিল যে ৰাজহুৱা কামত কিজানি ই বিঘিনি জন্মায়। সেইবাবে তেওঁৰ মনত আঘাত দি হলেও এই টিকনি দাল গুচাবলৈ তেওঁক মান্তি কৰালোঁ।

সেইবাবে মই স্বামীক সকলো কথা এইদৰে ভাঙি পাতি কলে।— 'মই লগুণ নিপিন্ধো। কিয় লগুণ লব লাগে সেইটো মই বুজি পোৱা নাই। ভাৰতৰ কোটি কোটি হিন্দুৱে লগুণ নোলোৱাকৈও আছিল আৰু এতিয়াও আছে। ইয়াৰ বাহিৰেও লগুণ আধ্যাত্মিক উন্নতিৰ চিন স্বৰূপ হব লাগে, লওঁতা জনক এটা উন্নত আৰু পবিত্ৰ জীৱন নিযাবলৈ সাধনা কৰিবলৈ প্ৰেৰণা আনিব লাগে। হিন্দু সকলৰ আৰু হিন্দুধৰ্ম্মৰ বৰ্ত্তমান অৱস্থালৈ চাই লগুণ লওঁতা জনে এনে লক্ষ্য সমুখত ৰাখি লগুণ লৈছে নেবুলি। মোৰ মনলৈ সন্দেহ আহে যেতিয়া হিন্দু ধৰ্ম্মই অস্পৃশ্যতা গুচাই নিজক শুদ্ধ কৰিব, যেতিয়া সৰুজাত আৰু ওখ জাতৰ ভাব গুচাব আৰু যেতিয়া আন আন বহুতো বেয়া কথাৰ সংস্কাৰ কৰিব তেতিয়াহে হিন্দু সকলে এনে এটা পবিত্ৰ লগুণ লব পাৰিব। সমাজৰ এই বিলাক কথাৰ বাবে লগুণ লোৱা সম্পৰ্কে মোৰ মন বিৰোধী। কিন্তু মূৰত টিকনি ৰখা সম্পৰ্কে অৱশ্যে মই কওঁ, যে এই কথাষাৰ ভাবি চাব পাৰি। এসময়ত মযো ৰাখিছিলো, কিন্তু এটা মিছা লাজতহে গুচালো। সেইকাৰণে এতিয়া পুনৰ ৰখাৰ কথা মই ভাবিছোঁ। মোৰ লগৰীয়া সকলৰ লগত কথাষাৰ আলোচনা কৰিম।"

লগুণ সম্পৰ্কে মোৰ মনোভাৱ স্বামীযে ভাল পোৱা নাছিল। যি কাৰণত মই ইয়াৰ বিৰোধী হৈছিলোঁ, সেই কাৰণতেই তেওঁ ইয়াৰ সপক্ষে আছিল। ঋষিকেষত মই যি যুক্তি দেখুৱাইছিলোঁ এতিয়ালৈকে মোৰ ওচৰত সেই যুক্তিৰ মূল্য কমা নাই। যেতিয়ালৈকে আমাৰ ভিতৰত বেলেগ বেলেগ ধৰ্ম্মৰ প্ৰচলন আছে, তেতিয়ালৈকে প্ৰত্যেক ধৰ্ম্মৰ এটা স্বকীয়া নিদৰ্শন থকাটো উচিত বুলি ভাবোঁ। কিন্তু যেতিয়া এনে এটা নিদৰ্শনত অনাৱশ্যকীয় আডম্বৰ দেখুৱা হয়, আৰু ইয়াকে লৈ আনৰ পৰা শ্ৰেষ্ঠতাৰ দাবী কৰা হয়, তেনেস্থলত এই লগুণ এৰা উচিত। লগুণ ললেই যে

হিন্দু শুদ্ধ হৈছে, নাইবা তেওঁৰ মানসিক আৰু আধ্যাত্মিক উন্নতি হৈছে এই কথাষাৰ আজিও মোৰ মনলৈ অহা নাই।

আৰু মই যিস্থলত এটা পিচা লাভত টিকনি গুচাইছিলো, সেইবাবে সহকৰ্ম্মী সকলৰ লগত আলোচনা কৰি পুনৰ বখাৰো স্থিৰ কৰিলোঁ।

যি হওক, এতিয়া পুনৰ লছমনঝোলাৰ কথালৈকে যাওঁ। ঋষিকেষ আৰু লছমনঝুলাৰ প্ৰাকৃতিক দৃশ্যাবলীয়ে মোৰ মন মুগ্ধ কৰিলে। আমাৰ প্ৰাচীন মনীষি সকলৰ প্ৰাকৃতিক সৌন্দৰ্য্যবোধ আৰু এনে এটা সৌন্দৰ্য্যক ধৰ্ম্মৰ লগত লগোৱাত তেওঁলোকলৈ শ্ৰদ্ধাৰ ভাৰত মোৰ মূৰ দো খালে।

কিন্তু এতিয়া মানুহবিলাকে প্ৰাকৃতিক সৌন্দৰ্য্য সম্পন্ন এনেবিধৰ ঠাই বিলাক কিদৰে ব্যৱহাৰ কৰিছে, তাক দেখি মোৰ মনলৈ শান্তি অহা নাছিল। হৰিদ্বাৰৰ দৰে ঋষিকেষতো বাটি পদূলি আৰু গঙ্গাৰ পবিত্ৰ পাৰত লেতেৰা কৰি থৈছে। গঙ্গাৰ পবিত্ৰ পানীকো অপবিত্ৰ কৰিবলৈ তেওঁলোকে সঙ্কোচ নকৰে। নৈৰ পাৰত আৰু বাটত শৌচ কৰা দেখি মোৰ মন অধৈৰ্য্য হৈ উঠিল। তেওঁলোকে তো মানুহে কৰা----ঠাই এৰি আন ঠাইলৈকো যাব পাৰে।

লছমনঝুলা লোৰৰ এখন ওলমি থকা দলঙৰ বাহিৰে আন একো নহয়। ইয়াৰ আগতে জৰীৰে সজা এখন পুৰণা দলং আছিল বুলি শুনিবলৈ পালোঁ। কিন্তু বহুতো ধন ভগন কৰি জৰীৰ দলংখন গুচাই লোৰৰ দলং সাজি দিবলৈ আৰু ইয়াৰ চাবী গভৰ্ণমেণ্টৰ হাতত দিবলৈ এজন দানী পৰোপকাৰী মাৰোৱাৰী ব্যৱসায়ীৰ মনত খেলিল। জৰীৰ দলংখন কেনে আছিল মই দেখা নাই আৰু সেইবাবে একো কব নোৱাৰোঁ। কিন্তু এনে এটা প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত লোৰৰ দলং যেন খাপ খোৱা নাই। এই দলংখনে এই প্ৰাকৃতিক সৌন্দৰ্য্য নষ্ট

কৰিছে বুলি মোৰ ভাব হৈছিল। সেই সময়ত মোৰ গভৰ্ণমেন্টলৈ ভক্তি-ভাব থকাস্বত্বেও যাত্ৰীৰ বাবে এইখন দলঙৰ চাবী কাঠী গভৰ্ণমেন্টৰ হাতত দিয়াটো মই ভাল পোৱা নাছিলোঁ।

দলংখন পাৰ হৈ যি স্বৰ্গাশ্ৰম পোৱা হয়, সেইখন ঠাই বৰ দুৰবস্থাৰ, দেখাত বেয়া টিনপাতেৰে সজা সৰুসৰু জুপুৰি ঘৰ নাখোন। সেইসময়ত তাত কোনো জন প্ৰাণী নাছিল। ঘাই ঘৰটোত যি সকল আছিল, তেওঁলোকক দেখি মোৰ মনলৈ শ্ৰদ্ধাৰ ভাব অহা নাছিল।

কিন্তু হৰিদ্বাৰৰ অভীজ্ঞতা মোৰ বাবে মূল্যবান আছিল। মই ক'ত থাকিম আৰু কি কৰিম এইটো বিচাৰ কৰিবলৈ হৰিদ্বাৰে মোক যথেষ্ট সহায় কৰিছিল।

নৱম অধ্যায়

আশ্ৰম প্ৰতিষ্ঠা

কুম্ভমেলাৰ সময়ত হৰিদ্বাৰলৈ যোৱাটো মোৰ দ্বিতীয় যাত্ৰা আছিল।

১৯১৫ সনৰ ২৫ মে তাৰিখে সত্যাগ্ৰহ আশ্ৰম প্ৰতিষ্ঠা কৰা হল। শ্ৰদ্ধানন্দজীয়ে মোক হৰিদ্বাৰত আশ্ৰম পাতিবলৈ কৈছিল। মোৰ কিছুমান কলিকতীয়া বন্ধুৱে বৈদ্যনাথধামত আশ্ৰম কৰিবলৈ কৈছিল। কিছুমানে ৰাজকোট বাছিৰলৈ ৰবকৈ অনুৰোধ কৰিছিল। যি হওক মই আহমদাবাদলৈ আহোতে বন্ধু সকলে তাত ৰহিবলৈ মোক ৰবকৈ কলে। তেওঁলোকে সকলো খৰচ দিবলৈ আৰু তাত আমি সকলোৱে থাকিবলৈ ঘৰ সাজি দিবলৈ গাত ললে।

আশ্ৰম প্ৰতিষ্ঠা

আহমদাবাদলৈ মোৰ এটা আকৰ্ষণৰ ভাৱ আছিল। মই গুজৰাটী, গুজৰাটী ভাষাৰ জৰীয়তে মই ভালদৰে দেশমাতৃৰ সেৱা কৰিবলৈ সুবিধা পাম, এনে এটা ভাৱ হৈছিল। আৰু এটা কথা আছিল আহমদাবাদ তাঁতৰ শিল্পত এখন পুৰনি কলীয়া প্ৰসিদ্ধ ঠাই। এনে এটা অৱস্থাত সূতা কটা আদি ঘৰুৱা শিল্পৰ পুনৰুদ্ধাৰৰ বাবে এইখন ঠায়েই সুচল হব বুলি মই ভাবিলোঁ। এটা আশা হৈছিল যে এইখন গুজৰাটৰ ৰাজধানী, ইয়াত বহুতো ধনী লোক আছে এওঁলোকে মোৰ কামত ধনেৰে সহায় কৰিব পাৰে।

আহমদাবাদৰ বন্ধু সকলৰ লগত অস্পৃশ্যতাৰ বিষয়টো স্বাভাৱিকতে মই আলোচনা কৰিছিলোঁ। মই তেওঁলোকক স্পষ্টকৈ জনাইছিলোঁ যে আশ্ৰমত এজন অস্পৃশ্য মানুহক (তেওঁ যোগ্য হলে) ৰাখিম।

এজন বৈষ্ণৱ বন্ধুৱে কলে---"সেই অস্পৃশ্য জননো কোন, যি আপোনাৰ বাছনিত যোগ্য হব পাৰে?"

যিহওক, আহমদাবাদতেই আশ্ৰম পাতিবলৈ মই শেহত সিদ্ধান্ত কৰিলোঁ। থকা মেলাৰ সুবিধা কৰা সম্পৰ্কে জীৱনলাল দেশাই নামৰ এজন বেৰিষ্টাৰে ঘাইকৈ মোক সহায় কৰিলে। তেওঁৰ কছৰাব বঙলাটো আমাক ভাৰাত দিবলৈ গাত লোৱাত আমি সেই ঘৰটো লোৱা স্থিৰ কৰিলোঁ।

এতিয়া আশ্ৰমৰ কি নাম দিয়া হব এয়ে প্ৰথম কথা হল। মই বন্ধু সকলৰ লগত পৰামৰ্শ হলোঁ। বহুতো নামৰ ভিতৰত সেৱাশ্ৰম নামটোৰ প্ৰস্তাৱ হল, আন এটা হল তপোবন ইত্যাদি। সেৱাৰ ভাব থকা দেখি মই সেৱাশ্ৰম নামটো পছন্দ কৰিলোঁ। তপোবন নাম দিয়া ধৃষ্টতা হব যেন লাগিল। তপস্যা কৰাটো মোৰ বাবে প্ৰিয় হলেও আমি তপস্বী হৈছোঁ বুলি কব নোৱাৰোঁ। সত্যলৈ ভক্তিই হৈছে আমাৰ প্ৰধান কথা। সত্যৰ অন্বেষণ আৰু সত্যতেই জোৰ দিয়াটো আমাৰ প্ৰধান লক্ষ্য। দক্ষিণ

আফ্রিকাত মই যি নীতি লৈছিলোঁ, সেই নীতি ভাৰতবৰ্ষৰ ৰাইজক জনাবলৈ মই বিচাৰিছিলোঁ। আৰু ভাৰতবৰ্ষত কিমানখিনিলৈকে ইয়াৰ পৰীক্ষা সম্ভৱ হয়, তাকো জানিবলৈ মই বিচাৰিছিলো। সেই বাবে মোৰ সহকৰ্মী সকলে আৰু মযো সত্যাগ্ৰহ আশ্ৰম নাম দিয়াটো স্থিৰ কৰিলোঁ, কাৰণ এই নামে আমাৰ সেৱাৰ নীতি আৰু লক্ষ্য প্ৰকাশ কৰিব।

আশ্ৰমত চলিবলৈ এটা নিয়মাৱলীৰ প্ৰয়োজন। সেইবাবে এখন আ।চনি কৰিলোঁ আৰু সকলো বন্ধুকে এইখনত মতামত দিবলৈ মই জনালোঁ। বহুতো বন্ধুৱে নানান মত দিয়াৰ ভিতৰত ছাৰ গুৰুদাস বানাৰ্জীয়ে দিয়া মতামত মোৰ এতিয়াও মনত আছে। তেওঁ আমাৰ নিয়মাৱলী ভাল পালে. আমাৰ আচাৰত এটা নম্ৰতা ৰখাটোও সুমুৱাবলৈ তেওঁ জনালে। কাৰণ উঠি অহা ডেকাসকলৰ এনে এটা ভাৱ নাছিল। মই ডেকাসকলৰ নম্ৰতাৰ অভাৱ দেখিলেও মোৰ মনলৈ ভয় হৈছিল, জানোচা নম্ৰতা এটা শপতৰ দৰে ললে নম্ৰতা নম্ৰতা হৈ নাথাকে। নম্ৰতাৰ আচল অৰ্থ হৈছে আত্মলোপ। নিজক সম্পূৰ্ণতে লোপ কৰিব পাৰিলে মুক্তি হব, কিন্তু আচাৰত নম্ৰতা পালন কৰিলেই তো এই মোক্ষ পাব নোৱাৰি। মোক্ষ পাবলৈ সাধনা কৰা এজন সেৱকে নম্ৰতা অৰ্থাৎ আত্ম-লোপৰ ভাৱ নাৰাখিলে তেওঁতো মোক্ষ পাব নোৱাৰে। নম্ৰতা নোহোৱাকৈ সেৱা হৈছে স্বাৰ্থপৰতা, নাইবা অহঙ্কাৰ।

সেইসময়ত মোৰ দলটোত ১৩জন তামিলী লোক আছিল। ৫জন তামিলী ডেকা, দক্ষিণ আফ্রিকাৰ পৰা মোৰ লগত আহিছিল। আৰু আন কেইজন ইয়াতেই মোৰ লগ লৈছিল। মুঠতে আৰু তিৰোতা লৈ আমি ২৫ জন আছিলোঁ। এইদৰে আশ্ৰম প্ৰতিষ্ঠা হল। আমি সকলোৱে একে ৰান্ধনি ঘৰতে খোৱা লোৱা কৰিছিলোঁ আৰু এটা পৰিয়ালৰ দৰে থাকিবলৈ দিহা কৰিছিলোঁ।

দশম অধ্যায়

আমাৰ পৰীক্ষা

আশ্ৰমখন পতা কেইমাহ মান হৈছে মাথোন, এনেতে মই আশা নকৰা এটা পৰীক্ষাত পৰিলোঁ। শ্ৰী অমৃতলাল ঠক্কৰৰ পৰা এই মৰ্ম্মে এখন চিঠি পালোঁ—''সজ স্বভাৱৰ বিনয়ী অস্পৃশ্য পৰিয়াল এটা আপোনাৰ আশ্ৰমত সোমাব বিচাৰে, আপুনি লবনে?''

মোৰ মন উগুল-থুগুল হল। ইমান সোনকালে অমৃতলাল ঠক্কৰৰ দৰে এজনা লোকৰ পৰা চিনাকী পত্ৰ লৈ আমাৰ আশ্ৰমত সোমাবলৈ এটা অস্পৃশ্য পৰিয়াল আহিব বুলি আশা কৰা নাছিলোঁ। চিঠিখন সকলো সহকৰ্ম্মীক দেখুৱালোঁ। তেওঁলোকে এনে এটা প্ৰস্তাৱ সাদৰি ললে।

সেই পৰিয়ালটোৰ সকলো লোকে আশ্ৰমৰ নিয়মমতে চলিবলৈ মান্তি হলে তেওঁলোকক আমি আশ্ৰমত লম বুলি শ্ৰীঅমৃতলাল ঠক্কৰলৈ চিঠিৰ উত্তৰ দিলোঁ।

পৰিয়ালত তিনিজন লোক আছিল—দুদাভাই, তেওঁৰ ঘৈনী দানীবেন আৰু তেওঁলোকৰ ছোৱালী লক্ষ্মী। লক্ষ্মী তেতিয়া কেচুৱা। দুদাভায়ে বোম্বেত শিক্ষকৰ কাম কৰিছিল। তেওঁলোকে আশ্ৰমৰ নিয়মাৱলী মানিবলৈ স্বীকাৰ কৰাত তেওঁলোকক আশ্ৰমত লোৱা হল।

তেওঁলোকক আশ্ৰমত লোৱাত যিসকল বন্ধুৱে আশ্ৰমক সহায় কৰি আছিল, তেওঁলোকৰ মাজত অলপ চাঞ্চল্য আহিল। পোনতে অসুবিধা হল কুৱাটো লৈ। পানীৰ কুৱাটো বঙলাটোৰ গৰাকীৰ তত্বাৱধানত আছিল। যিজন লোক এই কুৱাৰ পৰা পানী তোলাৰ দায়িত্বত আছিল, তেওঁ বৰ আপত্তি কৰিব ধৰিলে। আমাৰ বাল্‌টিৰ পৰা পানীৰ ছিটিকনি

পৰিলে তেওঁ অশুদ্ধ হব। সেইবাবে তেওঁ আমাক গালি শপনি পাৰিবলৈ ধৰিলে আৰু দুদাভাইক যন্ত্ৰণা দিব ধৰিলে। মই সকলোকে এই মানুহটোৰ গালি গালাজ যেনে তেনে সহি থাকিবলৈ কলোঁ আৰু তাৰ কথালৈ মন নকৰি আমি পানী খাৰ্কো। মানুহটোৱে যেতিয়া দেখিলে যে তাৰ গালিশপনিত আমাৰ খং নুঠে আৰু তেওঁকো ওলোটাই আমাৰ কোনো মানুহে গালি নাপাৰে, তেতিয়া সি নিজেই লাজ পালে আৰু আমাৰ কাকো আমনি কৰিবলৈ এৰিলে।

আমি যি আৰ্থিক সহায় পাই আছিলো, সকলো এতিয়া জানিবা বন্ধ হল। যি জনা বন্ধুৱে এজনা অস্পৃশ্যই আশ্ৰমৰ নিয়মাৱলী পালন কৰিব পাৰিবনে বুলি প্ৰশ্ন কৰিছিল তেওঁ কেতিয়াও ভবা নাছিল যে কোনোবা অস্পৃশ্যই এনেদৰে আশ্ৰমৰ নিয়মাৱলী পালন কৰিবলৈ গাত লৈ আশ্ৰমত সোমাব।

আৰ্থিক সহায় বন্ধ হোৱাৰ লগে লগে আমি ঘুনুক-ঘানাককৈ শুনিবলৈ পালোঁ যে আমাক সমাজৰ পৰা চ্যুত কৰিব। আমি এই বিলাকৰ কাৰণে সাজু আছিলোঁ। মই সহকৰ্ম্মী সকলক কলোঁ যে আমাক সমাজৰ পৰা বাদ দিলেও আৰু সকলো সুবিধাৰ পৰা আমাক বঞ্চিত কৰিলেও আমি যেন আহমদাবাদ এৰি নাযাওঁ। বৰঞ্চ আমি অস্পৃশ্য সকল থকা ঠাইলৈ গৈ তেওঁলোকৰ লগত থাকি নিজৰ শাৰীৰিক পৰিশ্ৰমৰে আমাৰ জীৱিকা উপাৰ্জ্জন কৰিম।

এনেকুৱা এটা অৱস্থালৈ আমি আহিলোঁ যে এদিনা মগনলাল গান্ধীয়ে মোক জনালেহি—"আমাৰ আৰু পূঁজি নাই, অহা মাহৰ খৰচৰ বাবে একো নাই।"

মই লাহেকৈ মাত দিলোঁ—"আমি তেন্তে অস্পৃশ্যবিলাক থকা ঠাইলৈকে যাম।"

এনে এটা কঠোৰ পৰীক্ষাত পৰা এইটোৱেই প্ৰথম নহয়। সকলো সময়তে ভগবানে শেহ মূহুৰ্ত্তত মোলৈ সহায় পঠায়। মগনলালে মোক সতৰ্ক হবলৈ জাননী দিয়াৰ কেই দিনমান পাছতে আশ্ৰমৰ সৰুলৰা এটি আহি মোক কলে যে এজন শেঠে মটৰ গাৰীত মোৰ লগ পাবলৈ বাহিৰত ৰৈ আছে।

"মই আপোনাৰ আশ্ৰমত অলপ সহায় দিবলৈ ইচ্ছা কৰে। আপুনি গ্ৰহণ কৰিবনে?" এইদৰে তেও কলে।

"নিশ্চয়। কবলৈ কি, মোৰ হাতত এতিয়া ধন নোহোৱা হৈছে।" মই কলোঁ।

"মই কালিলৈ এই সময়ত ইয়ালৈ আহিম। আপুনি থাকিবনে?" তেও কলে।

"হয় মই থাকিম" বুলি কোৱাত তেও গুচি গল

পাছদিনা ঠিক নিৰ্দ্দিষ্ট সময়ত মটৰগাৰীখন আশ্ৰমৰ সমুখত ৰৈ বাঁহী বজালে। এই বাতৰি লৈ লৰা-ছোৱালীহঁত লৰি আহিল। শেঠ আশ্ৰমৰ ভিতৰলৈ নাহিল। মই বাহিৰলৈ ওলাই গৈ তেওঁক দেখা দিলোঁ। তেওঁ মোৰ হাতত ১৩হেজাৰ টকাৰ নোট কিছুমান গতাই দি গুচি গল।

মই এনে দৰে এটা সহায় পাবলৈ আশা কৰা নাছিলোঁ। সহায় কৰিবলৈ কি অভিনব উপায়। এই মানুহ জন আগতে কেতিয়াও আশ্ৰমলৈ অহা নাছিল। মোৰ যিমান দূৰ মনত পৰে, এওঁক মই আৰু পাছত লগ পোৱা নাছিলোঁ। অহা, নাইবা অনুসন্ধান কৰা, একো নাই, সহায় দি অন্তৰ্দ্ধান হোৱা। মোৰ বাবে এইটো এটা অভিনব অভীজ্ঞতা। এই সহায় পোৱাত অস্পৃশ্য সকলৰ থকা ঠাইলৈ জানিবা যোৱাটো বৰ্ত্তমানলৈ পাছ হুহকিল। এবছৰলৈ নিৰাপদ হলোঁ বুলি আমাৰ মনত হল।

যেনেকৈ বাহিৰত ধুমুহা হব ধৰিছে, সেইদৰে আশ্ৰমৰ ভিতৰতো

ধুমুহা হৈছিল। দক্ষিণ আফ্ৰিকাত থাকোতে বহুতো অস্পৃশ্য বন্ধু আহি আছিল আৰু তেওঁলোকে মোৰ ঘৰত একেলগে থকা মেলা কৰি আছিল, মোৰ ঘৈনী আৰু আন আন তিৰুতা সকলো আশ্ৰমত অস্পৃশ্য সোমোৱাত সিমান ভাল পোৱা নাছিল। মোৰ চকু আৰু কাণে দানীবেনলৈ তেওঁলোকৰ ঘৃণা নহলেও উদাসীনতা ধৰা পেলালে। আৰ্থিক অসুবিধাত মোৰ যথেষ্ট দুশ্চিন্তা হৈছিল। কিন্তু এতিয়া আশ্ৰমৰ ভিতৰত হোৱা এই কথাষাৰ সহ্য কৰাটো, মোৰ পক্ষে বৰ টান হল। দানীবেন এগৰাকী সামান্য তিৰোতা আছিল। দুদাভাই অলপ লিখা-পঢ়াৰ হলেও এজন সজ চৰিত্ৰৰ লোক আছিল। মই তেওঁৰ সহিষ্ণুতা দেখি ভাল পালোঁ। অৱশ্যে তেওঁ সময়ে সময়ে অগ্নি-শৰ্ম্মা হৈ উঠিছিল, কিন্তু মুঠতে তেওঁৰ ধৈৰ্য্য আৰু সহিষ্ণুতা দেখি ভাল পালোঁ। সৰু-সুৰা অপমানলৈ মন নকৰিবলৈ মই তেওঁক কলোঁ। তেও এনে কৰিবলৈ যে নিজেই কেৱল মান্তি হল সেইটো নহয়, তেওঁৰ ঘৈনীকো এনে কৰিবলৈ মান্তি কৰালে।

এই পৰিয়ালটোক সুমুৱাটো আশ্ৰমৰ বাবে এটা ডাঙৰ শিক্ষা হল। আদিতে আমি সকলোকে দেখুৱালোঁ যে আমাৰ আশ্ৰমত অস্পৃশ্যতা মানি চলা নহয়। যি সকলে আশ্ৰমক সহায় কৰিবলৈ গাত লৈছিল, তেওঁলোক এতিয়া সতৰ্ক হল আৰু এই ক্ষেত্ৰত আশ্ৰমে কাম কৰাটো উজু হৈ পৰিল। আৰু গোঁড়া হিন্দু সকলে আশ্ৰমৰ ক্ৰমাৎ বাঢ়ি অহা খৰচ যোগাই থকাটোৱে অস্পৃশ্যতাৰ মূল শিপাদাল লৰাইছে বুলি সূচনা কৰিলে। অৱশ্যে এই কথাষাৰৰ বাহিৰেও আন বহুতো কথাই ইযাৰ প্ৰমাণ দিছিল। কিন্তু আশ্ৰমত আমি অস্পৃশ্য সকলৰ সৈতে একে লগে খোৱা-মেলা কৰা স্বত্বেও তেওঁলোকে আশ্ৰমত সহায় কৰিবলৈ কুণ্ঠিত হোৱা নাছিল। এইকথাষাৰেই ভালকৈ প্ৰমাণ কৰিলে যে অস্পৃশ্যতা সম্পৰ্কে সামাজিক বোধ অলপ সলনি হৈছে।

এই বিষযটোৰ লগত সম্পৰ্ক থকা বহুতো কথা এতিয়া বাদ দিব

লগীয়া হোৱাত মই বেজাৰ পাইছোঁ। এই প্ৰধান কথাষাৰৰ পৰা সৃষ্টি হোৱা আন আন সৰু সৰু সমস্যাবিলাক আমি কেনেকৈ সমাধান কৰিলোঁ, আশা নকৰা আকস্মিক কিছুমান অসুবিধা আমি কৈনেকৈ পাৰ হলোঁ। আৰু এই প্ৰসঙ্গৰ লগত সামঞ্জস্য থকা আন বহুতো কথা এতিয়া এৰিব লগা হল। সত্যৰ পৰীক্ষাৰ লগত এই বিলাকৰ সম্পৰ্ক আছে।

যিবিলাক অধ্যায় এতিয়া লিখিম, সেই বিলাকো এইকেৰোনৰ হাত সাৰিব নোৱাৰে। বহুতো লাগতিয়াল কথা এতিয়া এৰিব লগীয়া হৈছে। কাৰণ এইখন নাটকৰ বহুতো চৰিত্ৰ এতিয়াও জীয়াই আছে আৰু তেওঁলোকৰ অনুমতি নোহোৱাকৈ তেওঁলোকৰ লগতে সংশ্লিষ্ট থকা বহুতো ঘটনাৱলী উল্লেখ কৰাটো উচিত নহব। এতিয়া তেওঁলোকৰ অনুমতি লোৱা সম্ভৱ নহয়, আৰু সময়ে সময়ে তেওঁলোকৰ নাম থকা অধ্যায় বিলাক শুধৰাবলৈ তেওঁলোকলৈ পঠোৱাও সম্ভৱ নহয়। তাৰ বাহিৰেও এনে এখন আত্ম-জীৱনীত এই উপায় লোৱাটোৱো প্ৰয়োজন নাই। সেইবাবে ইয়াৰ পাচৰ কাহিনীবিলাক সত্য অনুসন্ধিৎসুৰ বাবে মোৰ মনেৰে মূল্যবান হলেও সেইবিলাক মই নিলিখোঁ; কিন্তু ভগবানে মোক সহায় কৰিলে এই কাহিনী অসহযোগলৈকে লিখিম, এয়ে মোৰ ইচ্ছা।

একাদশ অধ্যায়

কুলীচালান প্ৰথা গুচোৱা

যি আশ্ৰমৰ আৱেষ্টনিতে ভিতৰৰ আৰু বাহিৰৰ ধুমুহাত আমি পৰিব লগীয়া হৈছিল, সেই আশ্ৰমৰ কথা এতিয়া এৰোঁ। আন যি এটা কথাত মই মনোযোগ দিব লগীয়া হৈছিল, এতিয়া সেই কথালৈহে যাওঁ।

যিবিলাক বনুৱাই ৫ বছৰ বা তাতোকৈ কম কালৰ বাবে কাম কৰিব বুলি মত দি বিদেশলৈ চালান হয়, সেই সকলেই হৈছে চালানী কুলী। ১৯১৪ চনত হোৱা স্মাটছ্‌-গান্ধী চুক্তিমতে নেটাললৈ যোৱা চালানী কুলীৰ ওপৰত বছৰা তিনি পাউণ্ডৰ টেক্স বন্ধ হল, কিন্তু ভাৰতবৰ্ষৰ পৰা চালান হোৱা কুলীৰ সম্পৰ্কে এতিয়াও মন দিবলগীয়া আছে।

১৯১৬ চনৰ মাৰ্চ মাহত পণ্ডিত মদনমোহন মালবাই ইম্পিৰিয়েল লেজিছলেটিভ কাউন্সিলত চালানী তুলি দিবলৈ এটা প্ৰস্তাৱ দাঙি ধৰিছিল। তেখেতৰ এই প্ৰস্তাৱটো গ্ৰহণ কৰি লৰ্ড হাৰ্ডিঞ্জে ঘোষণা কৰিলে যে মহামান্য সম্ৰাটৰ গভৰ্ণমেণ্টে যথা সময়ত এই প্ৰথা তুলি দিব। এনে এটা অনিৰ্দ্দিষ্ট প্ৰতিশ্ৰুতিত ভাৰতবাসী ভোল নগৈ ততালিকে এই প্ৰথা তুলি দিবলৈ আন্দোলন চলাব লাগে। ইমান দিনলৈ আওহেলা কৰি ভাৰতবাসীয়ে এই প্ৰথা সহ্য কৰি আছে। আৰু এতিয়া এইটো প্ৰতিকাৰৰ কাৰণে কৃতকাৰ্য্যতাৰে সৈতে আন্দোলন কৰাৰ সময় হৈছে বুলি মই ভাবিছিলোঁ। মই কিছুমান নেতাক লগ ধৰিলোঁ; বাতৰি কাকতত প্ৰৱন্ধাদি লিখিলোঁ। ইয়াৰ পাছত ৰাজহুৱা মত এই প্ৰথা তুলি দিয়াৰ সপক্ষে বুলি বুজি পালোঁ, এতিয়া সত্যাগ্ৰহৰ কাৰণে এইটো উপযুক্ত

বিষয় হবনে; এয়েই মই বিচাৰ কৰাত লাগিলোঁ। এইটো যে উপযুক্ত বিষয় হব, তাত কোনো সন্দেহ নাছিল, পাছে কি প্ৰণালীৰে কাম কৰিম এইটো মই জনা নাছিলোঁ।

ইতি-মধ্যে ৰাজপ্ৰতিনিধি লৰ্ড হাৰ্ডিঞ্জে তুলি দিব বুলি আশ্বাস দিলে। তেওঁ কৈছে যে আন বন্দবস্ত কৰিব পাৰিলেহে এইটো তুলি দিব।

১৯১৭ সনৰ ফেব্ৰুৱাৰী মাহত পণ্ডিত মদনমোহন মালবাই ততালিকে তুলি দিবলৈ এখন আইনৰ আঁচনি দাখিল কৰিবলৈ অনুমতি বিচাৰিলে। লৰ্ড চেমছফোৰ্ডে এই অনুমতি নিদিলে। সৰ্ব্বভাৰতব্যাপী আন্দোলন চলাবলৈ দেশৰ নানান ঠাইলৈ ঘোৰাৰ এয়ে প্ৰকৃষ্ট সময়।

এই আন্দোলন চলাবৰ দিহা কৰাৰ আগতে মই ভাবিলো যে লৰ্ড চেমছফোৰ্ডৰ লগত দেখা কৰাটো যুগুত হব। সেইবাবে মই সাক্ষাৎ হবলৈ বুলি এখন আবেদন কৰিলো। তেওঁ ততালিকে মোক সাক্ষাৎ কৰিবলৈ অনুমতি দিলে। মি. মাফি (এতিয়া ছাৰ জন মাফি) তেওঁৰ ব্যক্তিগত ছেক্ৰেটাৰী আছিল। মই তেওঁৰ লগত ঘনিষ্ঠ সম্পৰ্কলৈ আহিলোঁ। লৰ্ড চেমছ্‌ফোৰ্ডৰ লগত মই সন্তোষজনক ভাবে কথা হলো যদিও, তেওঁ যে সহায় কৰিব বুলি নিৰ্দ্দিষ্ট আশ্বাস দিয়া নাছিল।

মই বোম্বেৰ পৰা ফুৰা আৰম্ভ কৰিলো। মিঃ জাহাঙ্গীৰ পেটিটে 'ইম্পিৰিয়েল চিটিজেনস্বিপ এছোচিয়েশ্যন'ৰ তৰফ পৰা এখন সভা আহ্বান কৰিবলৈ গাত ললে। সভাত কি প্ৰস্তাৱ দাখিল কৰিব সেই সম্পৰ্কে আঁচনি কৰিবলৈ এই সমিতিৰ কাৰ্য্যকৰী কমিটী বহিল। ডাক্তৰ ষ্টানলী ৰিড, শ্ৰীযুত (এতিয়া ছাৰ) লালুভাই ছামলদাস, শ্ৰীযুত নটৰাজন, মিঃ পেটিট এইখন সভাত উপস্থিত আছিল। কিমান দিনৰ ভিতৰত এই প্ৰথা তুলি দিবলৈ গভৰ্ণমেণ্টক জনোৱা হব, সেই লৈয়েই আলোচনা চলিছিল। তাত তিনিটা প্ৰস্তাৱ আছিল---যথাসম্ভৱ সোণকালে তুলি দিয়া,

৩১ জুলাইৰ ভিতৰত তুলি দিয়া আৰু ততালিকে তুলি দিয়া। মই এটা নিৰ্দ্দিষ্ট তাৰিখ দিয়াৰ সপক্ষে আছিলোঁ। কাৰণ গভৰ্ণমেণ্টে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত আমাৰ প্ৰস্তাৱমতে কাম নকৰিলে আমি কি কৰোঁ নকৰো, সেইটো স্থিৰ কৰিব পাৰিম। শ্ৰীযুত লালুভাই ততালিকে তুলি দিয়াৰ সপক্ষে আছিল। তেওঁ কৈছিল যে ইয়াৰে ৩১ জুলাইৰ আগতে তুলি দিবলৈ যত্ন কৰা হৈছে। ৰাইজে ততালিকে শব্দটোৰ তাৎপৰ্য্য বুজিব নোৱাৰিব বুলি মই বুজাই কলোঁ। আমি তেওঁলোকৰ পৰা কাম বিচাৰিলে তেওঁ লোকক নিৰ্দ্দিষ্ট সময় জনোৱা উচিত। সকলোৱে ততালিকে শব্দটোৰ অৰ্থ নিজৰ নিজৰ মতে কৰিব। গভৰ্ণমেণ্টে এটা অৰ্থ কৰিব, ৰাইজে এটা অৰ্থ কৰিব। কিন্তু ৩১ জুলাই শব্দটো থাকিলে ভুল বুজিবৰ একো সম্ভাৱনা নাথাকে। আৰু সেই সময়ৰ ভিতৰত একো নহলে আমি কি কৰো নকৰোঁ, এটা মীমাংসা কৰিব পাৰিম। ডাক্তৰ ৰীডে মোৰ যুক্তিৰ সাৰ্থকতা বুজি পালে আৰু লালুভাইয়ো শেহত মোৰ কথাত মান্তি হল। আমি ৩১ জুলাইৰ ভিতৰত তুলি দিয়াৰ ঘোষণা কৰিব লাগে বুলি এটা প্ৰস্তাৱৰ আঁচান কৰিলো আৰু এই প্ৰস্তাৱটো ৰাজহুৱা সভাত গৃহীত হল। ভাৰতবৰ্ষৰ সকলো ঠাইতে সভাসমিতি হৈ এনে এটা প্ৰস্তাৱ গৃহীত হল। ভাইছ্ৰয়ৰ ওচৰত তিৰোতাৰ এটা ডেপুটেশ্যন পঠাবলৈ তেওঁৰ সমস্ত শক্তি প্ৰয়োগ কৰিলে। বোম্বেৰ পৰা যি কেই গৰাকী তিৰোতাই এই ডেপুটেশ্যনত যোগ দিছিল, তেওঁলোকৰ ভিতৰত লেডী টাটা আৰু স্বৰ্গীয়া দিলসাদ বেগমৰ নাম মনত আছে। ডেপুটেশ্যনৰ ফল ভাল হল ' ভাইছ্ৰয়ে এটা উৎসাহ-পূৰ্ণ উত্তৰ দিলে।

ইয়াৰ পাছত মই কৰাচী, কলিকতা আৰু অন্যান্য বহুতো ঠাইলৈ গলোঁ। সকলো ঠাইতে ডাঙৰ সভা পতা হৈছিল আৰু সকলো ঠাইতে

এটা অদম্য উৎসাহ দেখা গৈছিল। এই আন্দোলনত নমাৰ সময়ত মই এনে এটা আশা কৰা নাছিলোঁ।

এই সময়ত মই অকলে ফুৰিছিলো; সেইবাবে মোৰ নানান্ বিধৰ আচৰিত অভীজ্ঞতা হৈছিল। চি--আই--ডি--বিভাগৰ মানুহতো মোৰ পাছত আছিলেই। কিন্তু মোৰ একো গোপন কথা নাছিল দেখি তেওঁ-লোকে মোক আমনি কৰা নাছিল আৰু মযো তেওঁলোকক একো আমনি দিযা নাছিলোঁ। সৌভাগ্যবশতঃ ৰেলৱেৱালাকে মোৰ গাত মহাত্মাৰ ছাপ নাছিল যদিও, মোৰ গ'ত মানুহে চিনি পাইছিল তাতেই মহাত্মা বুলি ধ্বনি তুলিছিল।

এসময়ত চোৰাং-চোৰা সকলে মোৰ ৰেইবাৰীও ষ্টেশ্যনত বৰ আমনি কৰিছিল, তেওঁলোকে টিকিট বিচাৰিব, টিকিটৰ নম্বৰটো টুকি লব। অৱশ্যে তেওঁলোকে সোধা সকলো প্ৰশ্নৰে মই উত্তৰ দিছিলোঁ। মোৰ সহযাত্ৰী সকলে মোক এজনা সাধু, নাইবা ফকীৰ বুলি ভাবিছিল, সকলো ষ্টেশ্যনতে মোক এইদৰে আমনি কৰা দেখি তেওঁলোকৰ খং উঠিল আৰু চোৰাং-চোৰা বিলাকক গালি সঁপনি পাৰিবলৈ ধৰিলে। "একো কাৰণ নোহোৱাকৈ এইজনা সাধুক তোমালোকে কিয আমনি কৰিছা"---তেওঁ-লোকে জনালে। "এই বদমাছ বিলাকক আপুনি আৰু টিকট নেদেখুৱাব" বুলি মোক কলে। মই নম্ৰভাৱে কলোঁ। টিকট দেখুৱাটো একো আমনি নহয় তেওঁলোকে নিজৰ কৰ্ত্তব্য কৰিছে।" এই কথাত যাত্ৰী সকল সন্তুষ্ট নহল; মোলৈ তেওঁলোকৰ সহানুভূতি বাঢ়িল, এজনা নিৰ্দ্দোষী লোকক এইদৰে আমনি কৰাত তেওঁলোকে প্ৰতিবাদ কৰিলে।

কিন্তু চোৰাং-চোৰা সকলৰ এই আমনি একোৱেই নাছিল। তৃতীয় শ্ৰেণীত ফুৰাটোৱেই এটা ডাঙৰ কাম আছিল। লাহোৰৰ পৰা দিল্লীলৈ যাওতে মোৰ বৰ তিক্ত অভীজ্ঞতা হৈছিল। লাহোৰ হৈ কৰাচীৰ পৰা

মই কলিকতালৈ গৈছিলোঁ। মই লাহোৰত ট্ৰেইন সলাব লগীয়া হৈছিল। ট্ৰেইনত ঠাই পোৱাটো এটা অসম্ভৱ কথা আছিল। সকলো কামৰা যাত্ৰীৰে ভৰা, আৰু যি সকলে সোমাব পাৰিছে তেওঁলোকে গাৰ বলেৰেহে সোমাইছে, ভিতৰৰ পৰা দুৱাৰখন জপোৱা থাকিলে তেওঁলোকে খিলিকীযেদি সোমায। মই কলিকতা ঠিক সময়ত পাবৈ'গে লাগিব। এই ট্ৰেইনত যাব নোৱাৰিলে নিৰ্দ্দিষ্ট সময়ত মই কলিকতা পাব নোৱাৰোঁ। মই এই ট্ৰেইনত ঠাই পোৱাৰ আশা এৰিলোঁ। কোনো এজন যাত্ৰীয়ে মোক কামৰাত সোমাব নিদিয়ে, এনেতে মাল কঢ়িওৱা এজন মজদুৰে মোৰ দুৰৱস্থা দেখি কলেহি "মোক বাৰ অনা পইচা দিয়ক, মই এজনৰ ঠাই উলিয়াই দিম।" "বাৰু মোক এজনৰ ঠাই উলিয়াই দিলে মই বাৰ অনা পইচা দিম।" এইদৰে মই মাত দিলোঁ। সেই ডেকা মানুহটোৱে প্ৰতি কামৰালৈ গৈ যাত্ৰীসকলক অনুনয় বিনয় কৰি কত কলে, কেও তাৰ কথালৈ মন নকৰিলে। ট্ৰেইন এৰিব ধৰিছে. এনেতে কিছুমানে মাত দিলে---তেওঁক যদি দাঙি সুমুৱাব পাৰা সুমুৱা, পাছে তেওঁ থিয় হৈ যাব লাগিব। "তেন্তে" ডেকাজনে সুধিলে। মযো মান্তি হলোঁ, মোক দাঙি খিলিকিয়েই দি সি সুমুৱালে। এইদৰে মই ট্ৰেইনত সোমালোঁ আৰু সিও বাৰ অনা উপাৰ্জন কৰিলে।

ৰাতি মোৰ বাবে ডাঙৰ পৰীক্ষা হল। আন যাত্ৰী সকলে জানিবা কোনোমতে বহি গৈছে। মই দুঘন্টা ওপৰৰ 'বাঙ্ক'ৰ জৰীদাল ধৰি থিয় হৈ আছোঁ। ইতিমধ্যে কিছুমান যাত্ৰীয়ে মোক ক্ৰমাৎ আমনি কৰিবলৈ ধৰিলে--আপুনি নবহে কিয়? তেওঁলোকে কলে। ঠাই নাই বুলি তেওঁলোকক বুজালোঁ, তথাপিও তেওঁলোকে মোক বহিবলৈ কবলৈ নেৰিলে। তেওঁলোকে ওপৰৰ বাঙ্কত দীঘল দি শুই আছে দেখি মই থিয় হৈ থকাটো তেওঁলোকে সহিব পৰা নাছিল। মোক এইদৰে আমনি

কৰাত তেওঁলোকো নাভাগৰে, আৰু মযো নম্ৰভাৱে উত্তৰ দি নাভাগৰোঁ। এইদৰে শেহত মোলৈ তেওঁলোকৰ অনুকম্পা হল। কেইজনমানে মোক নাম সুধিলে আৰু মযো মোৰ নামটো কোবাত তেওঁলোকে লাজ পালে। ক্ষমা বিচাৰি মোক বহিবলৈ ঠাই দিলে। ধৈৰ্য্যৰ জানিবা পুৰস্কাৰ হল; মই ক্লান্ত হৈ পৰিছিলো, মোৰ মূৰ ঘূৰি আছিল। মোৰ যেতিয়া সহায়ৰ প্ৰয়োজন হল, ভগৱানে তেতিয়া সহায় দিলে।

এইদৰে মই কোনোমতে দিল্লী পালোহি আৰু তাৰ পৰা কলিকতা পালো। কলিকতাত বহা সভাৰ সভাপতি আছিল কাছিমবজাৰৰ মহাৰাজা তেওঁৰ ঘৰতেই মই আলহী হলোঁ। কৰাচীত যিদৰে অভূতপূৰ্ব্ব উদ্যম হৈছিল, ইয়াতো সেইদৰে উদ্যম হল। কেইবা জন ইংৰাজেও এই সভাত যোগ দিলে।

৩১ জুলাইৰ আগতে গভৰ্ণমেণ্টে ঘোষণা কৰিলে যে চালানী প্ৰথা তুলি দিয়া হল।

১৮৯৪ সনত মই এই প্ৰথাৰ বিৰুদ্ধে প্ৰতিবাদ জনাই এখন আৰ্জ্জি পেছ্ কৰিছিলোঁ। ছাৰ ৰিলিযাম হাণ্টাৰে এই প্ৰথাক আধা-আধি ক্ৰীতদাস প্ৰথা বুলি কৈছিল। সেই সময়ত এই আধা-আধি ক্ৰীতদাস প্ৰথা এদিন নহয় এদিন উঠিব বুলি মোৰ মনত আশা হৈছিল।

১৮৯৪ সনত আৰম্ভ হোৱা আন্দোলনত বহুতো লোকে সহায় কৰিছিল। কিন্তু মই এই কথাষাৰ নকৈ নোৱাৰোঁ যে সত্যাগ্ৰহৰ সম্ভাৱনাত এই প্ৰথাৰ সোনকালে অন্ত পৰিল।

এই আন্দোলনৰ বিষদ বিবৰণ আৰু কোনে কোনে এই আন্দোলনত যোগ দিছিল, তাৰ কথা জানিবলৈ বিচাৰিলে "দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহ" বোলা কিতাপখন পঢ়িবলৈ কওঁ।

দ্বাদশ অধ্যায়

নীল খেতিৰ কলঙ্ক

চম্পাৰণ হৈছে বজা জনকৰ দেশ। যিদৰে আমৰ কুঞ্জবনৰে ভৰপূৰ, সেইদৰে এসময়ত ১৯১৭ সনলৈকে ইয়াত নীল খেতিৰ বাগিচাৰে ভৰি আছিল। চম্পাৰণত তলতীয়া প্ৰজাসকলে তেওঁলোকৰ মাটিত প্ৰতি ২০ ভাগৰ তিনি ভাগত নীল খেতি কৰিবলৈ আইনমতে বাধ্য আছিল। ইয়াৰ নাম আছিল তিনকঠীয়া প্ৰথা। অৰ্থাৎ ২০ কঠাৰ ভিতৰত ৩ কঠাত নীল খেতি কৰিব লাগিব।

মই স্বীকাৰ কৰোঁ যে তেতিয়ালৈকে চম্পাৰণ নো ক'ত মই নাজানিছিলোঁ। চম্পাৰণৰ ভৌগোলিক অৱস্থিতি সম্পৰ্কে একো জ্ঞান নাছিল, নীল খেতিৰ সম্পৰ্কে তো একেবাৰেই ধাৰণা নাছিল। নীলৰ পেকেট দেখিছিলো, কিন্তু তেতিয়া মই সপোনতো ভবা নাছিলোঁ যে চম্পাৰণত হেজাৰে হেজাৰে খেতিয়কৰ অসহনীয় দুখৰ সৃষ্টি কৰি এই খেতি হৈছে আৰু তাত ইয়াক তৈয়াৰী কৰা হৈছে।

ৰাজকুমাৰ শুক্লা নামৰ এজন খেতিয়কে নীল খেতি লৈ অশেষ দুখ ভুগিছিল। তেওঁ যিদৰে এই দুখ ভুগিছে, সেই দৰে হেজাৰ হেজাৰে খেতিয়ক সকলে ভুগা দুখ গুচাই নীল খেতিৰ কলঙ্ক মোচন কৰিবলৈ তেওঁ বদ্ধ-পৰিকৰ হল।

মই ১৯১৬ সনত যেতিয়া লক্ষ্ণৌৰ কংগ্ৰেছলৈ গৈছিলোঁ, সেই সময়ত এই মানুহজনে মোক লগ ধৰিলেহি। "উকীলবাবুৱে আমাৰ দুখৰ কথা আপোনাক কব, আপুনি এবাৰ চম্পাৰণলৈ আহিব লাগে" এইদৰে তেওঁ কলে। উকীল বাবু আৰু আন কোনো নহয় বাবু ব্ৰজকিশোৰ

প্ৰসাদ। চম্পাৰণত তেওঁ মোৰ সহকৰ্ম্মী আছিল। বিহাৰৰ ৰাজনৈতিক জীৱনৰ তেৱেঁই প্ৰাণ আছিল। মোৰ তম্বুলৈ ৰাজকুমাৰ শুক্লাই তেওঁক লৈ আহিল। কলা আলপাকা আচকান আৰু পাজামা, এয়েই তেওঁৰ পোছাক আছিল। ব্ৰজকিশোৰ বাবুৱে সেই সময়ত মোৰ মনত সাঁচ বহুৱাব পৰা নাছিল। সহজ সৰল খেতিয়কক শোষণ কৰা কোনোবা এজনা উকীল বুলি মোৰ মনত হল। চম্পাৰণৰ কিছুমান কথা তেওঁৰ পৰা শুনি মোৰ স্বভাৱমতে উত্তৰ দিলোঁ---"নিজা চকুৰে সকলো অৱস্থা নেদেখালৈকে মই একো মতামত দিব নোৱাৰোঁ। আপুনি কংগ্ৰেছত প্ৰস্তাৱটো দাঙি ধৰক, কিন্তু বৰ্ত্তমানলৈ মোক বাদ দিয়ক।" ৰাজকুমাৰ শুক্লাই অৱশ্যে কংগ্ৰেছৰ পৰা সহায় বিচাৰিছিল। বাবু ব্ৰজকিশোৰ প্ৰসাদে চম্পাৰণৰ খেতিয়ক সকললৈ সহানুভূতি জনাই এটা প্ৰস্তাৱ দাঙি ধৰিলে আৰু সৰ্ব্বসম্মতিক্ৰমে এই প্ৰস্তাৱ গৃহীত হল।

সম্পূৰ্ণতে সন্তুষ্ট নহলেও ৰাজকুমাৰ শুক্লা আনন্দিত হল। চম্পাৰণলৈ গৈ ৰায়ত বিলাকৰ দুখ দুৰ্দ্দশা নিজচকুৰে চাই আহিবলৈ তেওঁ মোক ধৰিলে। মোৰ ছফৰত চম্পাৰণো স্নমুৰাম আৰু তাত এদিন দুদিন থাকিম গৈ বুলি তেওঁক কলোঁ। "এদিনেই যথেষ্ট হব. এদিনতেই সকলো কথা আপুনি নিজা চকুৰে দেখা পাব।" এইদৰে তেওঁ উত্তৰ দিলে।

লক্ষ্ণৌৰ পৰা মই কাণপুৰলৈ গলোঁ। তালৈকে ৰাজকুমাৰ শুক্লায়ো মোৰ পাছ ললে। "চম্পাৰণ অতি ওচৰত, আপুনি এটা দিন দিয়ক।" বুলি তেওঁ মোক টানি অনুৰোধ কৰিলে। এইবেলি এৰি দিয়া। কৈছোঁ নহয়, মই আহিম" এইদৰে মই উত্তৰ দি কোনো এটা নিৰ্দ্দিষ্ট সময় নিদিলোঁ।

মই আশ্ৰমলৈ উভটি আহিলোঁ। কিন্তু নাছোৰবন্দা ৰাজকুমাৰ সেই খিনিলৈকে আহিল। "আপুনি দিন এটা অনুগ্ৰহ কৰি দিয়ক",

তেওঁকলে। "বাৰু মই অমুক তাৰিখে কলিকতালৈ যাম, তেতিয়া তুমি মোক লগ ধৰিবাহি ; আৰু তাৰপৰা মোক নিবা" এয়ে মোৰ উত্তৰ আছিল। সেই সময়ত মই জনা নাছিলোঁ : মইনো ক'লৈ যাব লাগিব, কি কৰিব লাগিব, কিনো চাব লাগিব।

মই কলিকতাত ভূপেন বাবুৰ ঘৰ পোৱাৰ আগতে ৰাজকুমাৰ শুকলা তাত অধিষ্ঠিত আছিল। এইদৰে এইজন অজ্ঞান, সৰল অথচ দৃঢ় প্ৰতিজ্ঞ খেতিয়েক মোক মুহিলে।

এইদৰে ১৯১৭ সনৰ প্ৰথম ভাগত এদিনা আমি কলিকতাৰ পৰা চম্পাৰণলৈ ওলালোঁ ; দেখাত দুয়ো গাৱলীয়া খেতিয়ক। কোনখন ট্ৰেইনত নো যাব লাগিব, তাকো মই নাজানিছিলোঁ। তেওঁ মোক নিলে। আমি দুয়ো একে লগে গৈ পাছদিনা পুৱা পাটনা পালোঁগৈ।

মোৰ পাটনালৈ অহা এয়ে প্ৰথম। তাত মোৰ চিনাকী বন্ধু নাছিল যে মই গৈ থাকোঁ। মোৰ ভাৱ আছিল ৰাজকুমাৰ শুক্লা সৰল মনৰ খেতিয়ক হলেও তেওঁৰ তাত যথেষ্ট প্ৰভাৱ আছে। ট্ৰেইনত একে লগে আহোঁতে তেওঁৰ লগত আৰু অলপ ঘনিষ্ঠ পৰিচয় হল। আৰু পাটনা পাই দেখিলোঁ যে তেওঁৰ সম্পৰ্কে হোৱা মোৰ ধাৰণা ভুল নাছিল। তেওঁৰ সকলো কথা অগোচৰ আছিল। যি সকল উকীলক তেওঁ বন্ধু বুলি ভাবিছিল, তেওঁলোক সেইদৰে বন্ধু নাছিল। তেওঁলোকৰ মানত ৰাজকুমাৰ এজনা সামান্য লগুৱা মাথোন। এনেবিধৰ খেতিয়ক মক্কেল আৰু উকীলৰ মাজত দোকোল-টকা বহল গঙ্গানৈৰ ব্যৱধান।

ৰাজকুমাৰ শুক্লাই ৰাজেন্দ্ৰ বাবুৰ পাটনাৰ ঘৰলৈ নিলে। ৰাজেন্দ্ৰ বাবু সেই সময়ত পুৰীলৈ নে ক'লৈ গৈছিল, মোৰ মনত নাই। তেওঁৰ বঙলাত এটা বা দুটা চাকৰ আছিল, সিহঁতে আমালৈ কেৰেপকে নকৰে।

মোৰ লগত খোৱা বস্তু অলপ আছিল। মই অলপ খেজুৰ বিচাৰিছিলোঁ; মোৰ লগৰীয়া জনে জানিবা বজাৰৰ পৰা আনি দিলে।

বিহাৰত অস্পৃশ্যতা বৰ বেছি। চাকৰহঁতে মইনো কি জাতৰ একো নজনাত নাদকে চুবলৈ নিদিযে, জানোচা, মই ছোৱা বাল্টীৰ পানী সিহঁতৰ গাত এছিটামান পৰে। ৰাজকুমাৰে মোক ভিতৰৰ পায়খানালৈ যাবলৈ কৈছিল, কিন্তু চাকৰহঁতে বাহিৰৰ পায়খানাটোলৈহে যাবলৈ দিলে! মই এই বিলাকত আচৰিত হোৱা নাছিলোঁ, নাইবা বিৰক্তও হোৱা নাছিলো। কাৰণ এনেবিধৰ আচৰণত মই অভ্যস্ত হৈছোঁ। চাকৰহঁতে সিহঁতৰ কৰ্ত্তব্যহে কৰিছে মাথোন, সিহঁতে বোধ কৰোঁ ভাবিছে ৰাজেন্দ্ৰ বাবুয়েও এনে কৰিবলৈ সিহঁতক আদেশ দিব।

এনেবিধৰ আমোদজনক অভিজ্ঞতাৰ বাবে ৰাজকুমাৰ শুক্লালৈ মোৰ শ্ৰদ্ধা বাঢ়িল। আৰু তেওঁক ভালকৈ চিনিবলৈ সুবিধা পালোঁ। এতিয়া দেখিলোঁ যে ৰাজকুমাৰে মোৰ দায়িত্ব লব নোৱাৰে। মই নিজক চলাবলৈ নিজেই দায়িত্ব লব লাগিব।

ত্ৰয়োদশ অধ্যায়

বিনয়ী বিহাৰী

মৌলানা মজৰুল হকক লণ্ডনত বেৰিষ্টাৰী পঢ়োতে চিনিছিলোঁ; ইয়াৰ পাছত বোম্বে কংগ্ৰেছত ১৯১৫ সনত তেওঁক লগ পাইছিলোঁ। এই বছৰেই তেওঁ মুছলিম লীগৰ সভাপতি হৈছিল। এই চিনাকীত তেওঁ মোক পাটনালৈ গলে তেওঁৰ তাত থাকিবলৈ নিমন্ত্ৰণ কৰিছিল।

এতিয়া সেই নিমন্ত্ৰণৰ কথা মোৰ মনলৈ আহিল আৰু তেওঁলৈ মোৰ অহাৰ উদ্দেশ্য জনাই এখন চিঠি দিলোঁ। তেওঁ ততালিকে নিজৰ মটৰ গাৰী লৈ এইখিনি ওলালহি আৰু তেওঁৰ আলহী হবলৈ টানি ধৰিলে। মই তেওঁক ধন্যবাদ দি মোক মোৰ গন্তব্য ঠাইলৈ যোৱা ট্ৰেইনখনলৈ নিবলৈ কলোঁ। মোৰ লগৰ বাট দেখুৱাওতা জনে মোৰ দৰে এজন আচহুৱা মানুহক বাট দেখুৱাই নিবলৈ টান পাইছে। তেওঁ ৰাজকুমাৰ শুক্লাৰ লগত কিছুপৰ কথা হল আৰু মজফৰপুৰলৈ পোনপ্ৰথমতে যাবলৈ কলে। তালৈ যাবলৈ সেইদিনা গোধূলি এখন ট্ৰেইন আছে আৰু তেওঁ মোক এই ট্ৰেইনত পঠালে।

কৃপালনী তেতিয়া মজফৰপুৰত প্ৰিন্সিপাল হৈ আছিল। হাইদাৰাবাদলৈ যাওতে তেওঁৰ লগত চিনাকী হৈছিলোঁ। ডাক্তৰ চৈথৰামে তেওঁৰ ত্যাগৰ কথা কৈছিল, তেওঁৰ আড়ম্বৰহীন জীৱনৰ কথাও মোক জনাইছিল। ডাক্তৰ চৈথৰামে এখন আশ্ৰম চলাইছিল আৰু এই আশ্ৰমৰ টকাৰ অভাৱ হলে কৃপালনীয়ে টকা দিছিল। তেওঁ গৰ্ভণমেণ্ট কলেজৰ অধ্যাপক আছিল। কিন্তু মই তালৈ যোৱাৰ পাছত তেওঁ চৰকাৰী কাম এৰিলে। মই গৈ পাম বুলি তেওঁলৈ এখন টেলিগ্ৰাম দিলোঁ। তেওঁ কিছুমান ছাত্ৰৰে সৈতে ষ্টেশ্যনলৈ আহিছিল। ট্ৰেইন পাওতে প্ৰায় মাজ নিশা হল। তেওঁৰ নিজৰ কোনো থকা ঘৰ নাছিল, তেওঁ প্ৰফেচাৰ মালকানীৰ লগত আছিল—সেই বাবে প্ৰফেচাৰ মালকানীৰেই মই আলহী হলোঁ। এজন চৰকাৰী কৰ্ম্মচাৰী হৈ মোৰ দৰে লোক এজনক থাকিবলৈ ঠাই দিয়াটো সেই সময়ত বৰ ডাঙৰ কথা আছিল।

প্ৰফেচাৰ কৃপালনীয়ে বিহাৰৰ দুৰ্দ্দশাৰ কথা মোক জনালে। বিশেষকৈ ত্ৰিহুট-ডিভিজনৰ বৰ দুৰবস্থা হৈছিল। মই কামত কি অসুবিধা পাম, তাৰো আভাষ তেওঁৰ পৰা পালোঁ। তেওঁ বিহাৰী সকলৰ লগত

এটা ঘনিষ্ঠ সম্পৰ্ক পাতিছে। মই কি উদ্দেশ্য লৈ আহিছো, তাকো তেওঁ সকলোকে কলে।

পুৰা কেইজনমান উকীল আহি মোৰ ওচৰ পালে। তেওঁলোকৰ মাজত ৰামনৱমী প্ৰসাদো আছিল বুলি মোৰ এতিয়াও মনত আছে। তেওঁৰ একাগ্ৰতা দেখি তেওঁলৈ আকৃষ্ট হলো।

আপুনি যদি ইয়াত (অৰ্থাৎ প্ৰফেছাৰ মালকানীৰ ঘৰত) থাকে, তেন্তে যিকাম কৰিবলৈ ইয়ালৈ আহিছে, সেই কাম কৰাটো সম্ভৱ নহব। আপুনি আমাৰ কাৰোবাৰ লগত থাকিব লাগে। মই স্বীকাৰ কৰো যে আমি সকলো গভৰ্ণমেণ্টৰ ভয়ত ত্ৰস্তমান, তেও আমি যি কৰিব পাৰো আপোনাক সহায় কৰিম। গয়াবাবু ইয়াৰ এজন জনাজাত উকীল। মই তেওঁৰ হকে আপোনাক তেওঁৰ ঘৰলৈ মাতিবলৈ আহিছো। শুক্লাই আপোনাক কোৱা কথা প্ৰায়খিনিয়েই সত্য। বৰ দুখৰ বিষয় যে আমাৰ নেতাসকলৰ ভিতৰত কেও আজি নাই। মই ৰাজেন্দ্ৰ বাবু আৰু বাবু ব্ৰজকিশোৰ প্ৰসাদ দুয়োজনকে টেলিগ্ৰাম দিছো। তেওঁলোক সোনকালে পাবহি বুলি মই ভাবিছো। আপুনি বিচৰা সকলো বাতৰি তেওঁলোকে দিব পাৰিব আৰু আপোনাক যথেষ্ট সহায় কৰিব পাৰিব। আপুনি গয়াবাবুৰ ঘৰলৈ আহক।"

গয়াবাবুক ক'ৰবাত অসুবিধাত পেলাও বুলি মনলৈ ভাব অহা স্বত্বেও তেওঁৰ এই অনুৰোধ মই এৰাব নোৱাৰিলো। কিন্তু তেওঁ মোৰ দ্বিধা সঙ্কোচ গুচালে; মযো তেওঁৰ ঘৰলৈ আহিলো। তেওঁ আৰু তেওঁৰ ঘৰৰ মানুহ সকলোৱে মোক মৰমেৰে ওপোচাই দিলে।

এতিয়া ব্ৰজকিশোৰ বাবু দ্বাৰভাঙ্গাৰ পৰা আৰু ৰাজেন্দ্ৰ বাবু পুৰীৰ পৰা আহি পালে। মই লক্ষ্ণৌত পোৱাৰ দৰে ব্ৰজকিশোৰ বাবুক এতিয়া নালাগিল। বিনয় আড়ম্বৰহীনতা, সাধুতা আৰু অসাধাৰণ বিশ্বাস –

সাধাৰণতে যিবিলাক বিহাৰী সকলৰ গুণ, সকলো গুণ তেওঁত আছে বুলি মোৰ ধাৰণা হল। মোৰ হিয়া আনন্দত আপ্লুত হল। বিহাৰৰ সকলো উকীলে তেওঁক যিদৰে সম্মান কৰে, তাকে দেখি মই আচৰিতো হৈছিলোঁ আৰু ভালো পাইছিলোঁ।

মই এটা জীৱনব্যাপী বন্ধুতাৰ বান্ধোনত বান্ধ খাব ধৰিছোঁ এইটো অতি সোণকালেই অনুভৱ কৰিলোঁ। ব্ৰজকিশোৰ বাবুৱে এইকথাষাৰ বিতংকৈ মোক বুজালে। তেওঁ দুখীয়া ৰাযত সকলৰ মোকৰ্দ্দমা লৈ আছিল। মই যেতিয়া যাওঁ তেতিয়া তেওঁৰ হাতত দুটা এনেবিধৰ মোকৰ্দ্দমা আছিল। মোকৰ্দ্দমাত যেতিয়াই জিকে, তেতিয়া তেও দুখীয়া ৰাযতৰ উপকাৰ কৰিছে বুলি মনক প্ৰবোধ দিযে। তেওঁ যে এনেবিধৰ মোকৰ্দ্দমাত দুখীয়া ৰাযত সকলৰ পৰা ফীজ লোৱা নাছিল সেইটো নহয। একো ফীজ নোলোৱাকৈ থাকিলে ঘৰ চলাবলৈ একো সম্বল নোহোৱা হব বুলি উকীল সকলৰ বিশ্বাস। আৰু সেযে হলে দুখীয়া ৰাযতক কাৰ্য্যকৰী সহায দিয়াটো টান হব। তেওঁলোকে যি ফীজ লৈছিল তাকে দেখি আৰু বঙ্গদেশ আৰু বিহাৰত বেৰিষ্টাৰ সকলৰ ফীজৰ মাত্ৰা দেখি মই চক খালোঁ।

"আমি আইনৰ মতামত লোৱাত অমুকাক দহহেজাৰ টকা দিলোঁ। চাৰি সংখ্যাতকৈ কেতিয়াও কম নহয" এযেই মই শুনিলোঁ। মোৰ মৰমৰ তিৰস্কাৰ বন্ধুসকলে মন দি শুনিলে, তেওঁলোকে মোক ভুল বুজা নাছিল।

"এতিয়া এনেবিধৰ মোকৰ্দ্দমাৰ কথাবিলাক পঢ়ি আমি আৰু আদালতলৈ যাবলৈ এৰি দিব লাগে, এযে মই সিদ্ধান্ত কৰিছোঁ। এইবিলাক মোকৰ্দ্দমা আদালতলৈ নিয়াৰ পৰা একো ভাল নহয। যিস্থলত ৰাযত সকল এই দৰে হেঁছা খাই ভযত বিহ্বল হৈছে, এনে স্থলত আদালতৰ একো মূল্য নাই। প্ৰথম কাম হৈছে, তেওঁলোকক ভযৰ পৰা মুকলি কৰাটো।

বিহাৰৰ পৰা তিনকঠীযা প্ৰথা নোতোলাকৈ আমি বহি থাকিব নোৱাৰোঁ। মই ভাবিছিলোঁ যে মই দু এদিনতে ইযাৰ পৰা যাব পাৰিম। কিন্তু এতিয়া মই বুজিছোঁ যে এই কামত মোৰ দুবছৰো লাগিব পাৰে। যদি প্ৰয়োজন হয়, তেন্তে এই সময দিবলৈ মই সাজু আছে। কেনেকুৱা ঠাইত এতিযা ভৰি দিছোঁ এতিযা মই বুজিব পাৰিছো যে আপোনালোকৰ সহায মোক লাগিব।"

ব্ৰজকিশোৰ বাবু অসাধাৰণভাবে স্থিৰ-বুদ্ধিৰ বুলি মই বুজিলোঁ। তেওঁ লাহেকৈ মাত লগালে—"আমি যথাসাধ্য সহায কৰিম, কিন্তু আপুনি কওক, আপুনি কি বিধৰ সহায বিচা"।"

এইদৰে আমি মাহ-নিশালৈকে আলোচনা কৰিলো।

"আপোনাৰ আইন-জ্ঞানৰ মোৰ বিশেষ প্ৰয়োজন ন·। আপোনা-লোকে কেৰেনীৰ সহায মোক দিব লাগিব, সকলো কথা বুজাবলৈ কেৰেনীৰ দৰে মোক সহায কৰিব লাগিব। আমি বা৷া-বৰণ কৰিব লগীযা হবও পাৰে। আপোনালোকে মোৰ লগত এই বিপদত আগ-বঢ়াটো মই ভাল পালেও মোৰ লগত যিমানখিনিলৈকে খোজ দিব পাৰে বুলি ভাবে সিমান খিনিলৈকে আহিলেই হব।" এযে মই তেওঁলোকক কলোঁ। "এটা অনিৰ্দ্দিষ্ট কাললৈ ওকালতী এৰি মোক কেৰেনীৰ দৰে সহায কৰাটো তো কমখিনি কাম নহব। ইযাত প্ৰচলিত হিন্দীভাষা মই বুজোতে টান পাইছোঁ। কাইথী নাইবা উৰ্দ্দুভাষাত লিখা কাকতবিলাক মই পঢ়িবলৈ নোৱাৰিব পাৰোঁ। আপোনালোকে মোক এইবিলাক ভাঙনি কৰি দিব। এই কামৰ বাবে একো বানচ্ দিবলৈকো আমাৰ সামৰ্থ্য নাই। সেৱা আৰু মৰমৰ ভাৱত এইখিনি কাম কৰিব লাগিব।"

ব্ৰজকিশোৰ বাবুৱে ততালিকে মোৰ কথা বুজি পালে। তেওঁ এতিয়া মোক আৰু তেওঁৰ সহকৰ্ম্মী সকলক জেৰা কৰাত লাগিল। মই

কোৱা কথা বিলাকৰ তাৎপৰ্য্য ভালকৈ উপলব্ধি কৰাত লাগিল ; কিমান দিনলৈকে তেওঁলোকৰ সহায় লাগিব, তেওঁলোকৰ মাজত কেইজন লোকৰ সহায় লাগিব, তেওঁলোকে পাল পাতি কাম কৰিলে হবনে ইত্যাদি কথা সুধিললে। ইয়াৰ পাছত তেওঁৰ লগৰীয়া উকীল সকলক সুধিলে তেওঁলোকে কিমান দিনলৈকে এইদৰে কাম কৰিব পাৰিব।

অৱশেষত তেওঁলোকে মোক এইদৰে আশ্বাস দিলে ৷—"আমাৰ ভিতৰত ইমানখিনি মানুহে আপুনি যিহকে কৰিবলৈ কয় তাকে কৰিব। আমাৰ ভিতৰত কিছুমানে ইমান দিনলৈকে কাম কৰিব। কাৰা-বৰণ কৰাটো আমাৰ বাবে এটা নতুন কথা, আমি চাওঁ কেনেকৈ এইখিনি কথাও আয়ত্তলৈ আনিব পাৰোঁ।"

চতুৰ্দ্দশ অধ্যায়

অহিংসাৰ পৰীক্ষা

মোৰ উদ্দেশ্য আছিল চম্পাৰণৰ খেতিয়ক সকলৰ অৱস্থা অনুসন্ধান কৰা আৰু নীল খেতিৰ মালিকসকলৰ বিৰুদ্ধে বায়তৰ অভিযোগ বুজা। ইয়াৰ বাবে মই হেজাৰ হেজাৰ খেতিয়ক সকলক লগ পোৱাটো প্ৰয়োজন হৈছিল। কিন্তু এই অনুসন্ধান আৰম্ভ কৰাৰ আগতে মালিক সকলৰ নো কি কথা কব লগীয়া আছে, সেই সম্পৰ্কে জনাটো বৰ অত্যাবশ্যকীয় কথা বুলি মই ভাবিলোঁ। এইবাৰে এই ডিভিজনৰ কমিশ্যনাৰ ছাহাবৰ লগত দেখা কৰাটো স্থিৰ কৰিলোঁ। মই নীলখেতিৰ মালিক আৰু কমিশ্যনাৰলৈ লিখাত দুয়ো মোক তেওঁলোকৰ লগত দেখা কৰিবলৈ অনুমতি দিলে।

নীলবাগিচাৰ মালিক সকলৰ সমিতিৰ ছেক্ৰেটাৰীয়ে মোক স্পষ্টকৈ

জনালে যে মই এজনা বাহিৰা মানুহ, তেওঁলোকৰ আৰু ৰায়তসকলৰ মাজত সোমাবলৈ মোৰ একো প্ৰয়োজন নাই। কিন্তু যদি কিবা কথা জনাব লগীয়া আছে, তেন্তে লিখিতভাৱে জনাব লাগে। মই লাহেকৈ তেওঁক কলোঁ যে মই বাহিৰা মানুহ নহওঁ আৰু ৰায়তসকলে বিচাৰিলে তেওঁলোকৰ অৱস্থা সম্পৰ্কে অনুসন্ধান কৰিবৰ মোৰ অধিকাৰ আছে।

কমিশ্যনাৰৰ লগত দেখা কৰোঁতে তেওঁ মোৰ লগত ডাবী দি কথা হ'ল আৰু ত্ৰিহুটৰ পৰা ততালিকে ওলাই যাবলে মোৰ পৰামৰ্শ দিলে। সহকৰ্মী সকলক মই সকলো কথা জনালোঁ আৰু গৱৰ্ণমেণ্টে মোক আৰু বেছি আগবাঢ়িবলৈ নিদিয়াৰ সম্ভাৱনা আছে বুলিও কলোঁ। মই ভবাৰ আগতে মোক জেললৈ নিব। মোক গ্ৰেপ্তাৰ কৰিলে মতিহাৰীত নাইবা বেতিয়াত গ্ৰেপ্তাৰ কৰাটো ভাল হব। সেইবাবে সেই বিলাক ঠাইলৈ যথাসম্ভৱ সোণকালে যোৱাটো ভাল। এইদৰে তেওঁলোকক কলোঁ।

ত্ৰিহুট ডিভিজনৰ ভিতৰত চম্পাৰণ এখন জিলা আৰু মতিহাৰী ইয়াৰ সদৰ ঠাই। ৰাজকুমাৰ শুক্লাৰ থকা ঠাই বেতিয়াৰ ওচৰত। নীলকুঠী বিলাকৰ ওচৰৰ ৰায়তসকল এই জিলাৰ ভিতৰত সবাতকৈ দুখীয়া। ৰাজকুমাৰ শুক্লাই মই গৈ তেওঁলোকৰ অৱস্থা চোৱাটো বিচাৰিছিল আৰু ময়ো তাকে কৰিবলৈ উদগ্ৰীৱ হৈ আছিলোঁ।

সেই দিনাই সহকৰ্মী সকলক লগত লৈ মই মতিহাৰীলৈ ৰাওনা হলোঁ। বাবু গোৰক্ষপ্ৰসাদে তেওঁৰ ঘৰত আমাক থাকিবলৈ ঠাই দিলে, এইটো আমাৰ ধৰমশালা হল। আমাৰ সকলোকে তাত নধৰে। মতিহাৰী চহৰৰ পৰা ৫ মাইল আঁতৰত এজন ৰায়তৰ ওপৰত বৰ অত্যাচাৰ হৈছে বুলি সেইদিনাই আমি শুনিবলৈ পালোঁ। বাবু ধৰণীধৰ প্ৰসাদক লগত লৈ আমি পাচদিনা পুৱাতে তেওঁক চাবলৈ যোৱাটো স্থিৰ হল। হাতীত উঠি সেই ঠাইলৈ আমি ওলালোঁ। গুজৰাটত গৰুৰ গাড়ী যিদৰে

সাধাৰণ যানবাহন, সেইদৰে হাতীৰ বাহন বিহাৰত সাধাৰণ কথা। আমি আধাবাটমান গৈছোঁ, এনেতে পুলিছ ছুপাৰিন্টেণ্ডেন্টৰ পৰা বাতৰি লৈ এজন মানুহে আমাক লগ ধৰিলে। তেওঁ কলে যে ছুপাৰিন্টেণ্ডেন্টে সম্ভাষণ জনাইছে। কথাৰ অৰ্থ কি, মই বুজিলোঁ। আমাৰ গন্তব্য ঠাইলৈ ধৰণীধৰ প্ৰসাদক যাবলৈ কৈ মানুহজনে অনা ঘোৰাৰ গাৰীত উঠিলোঁ। তেওঁ তেতিয়া তত্তালিকে চম্পাৰণ এৰি গুচি যাবলৈ এখন নোটিছ জাৰী কৰি মোৰ থকা ঠাইত ওলালহি। এই নোটিছখন যে জাৰী কৰা হৈছে তাৰ প্ৰাপ্তি স্বীকাৰ কৰিবলৈ তেওঁ জনালে। মই এই নোটিছমতে মোৰ তদন্ত শেষ নোহোৱালৈকে চম্পাৰণ নেৰোঁ বুলি জনালোঁ। ইয়াৰ পাছত চম্পাৰণ এৰি যাবলৈ দিয়া হুকুম অমান্য কৰাৰ জগৰত পাচদিনা আদালতৰ বিচাৰত হাজিৰ হবলৈ ছমন এখন পালোঁ।

সেইদিনা গোটেই নিশাটো সাৰে থাকি চিঠিপত্ৰ আৰু বাবু ব্ৰজকিশোৰ প্ৰসাদলৈ নিৰ্দ্দেশাদি লিখিলোঁ।

এই নোটিছ আৰু ছমনৰ বাতৰি হাবীত জুই লগাদি চাৰিওফালে বিয়পি পৰিল সেইদিনা মতিহাৰীত কেতিয়াও নোহোৱা নোপজা কথা হোৱা বুলি শুনিবলৈ পালোঁ।

গোৰক্ষবাবুৰ ঘৰ আৰু আদালত মানুহৰে নধৰা হল। সৌভাগ্যক্ৰমে ৰাতিৰ ভিতৰতে মই সকলো কাম শেষ কৰি থৈছিলোঁ। সেইবাবে এই জনতাক চম্ভালিব পাৰিলোঁ। সহকৰ্ম্মীসকল মোৰ যথেষ্ট সহায় হল। এই বিৰাট জনতাক নিয়ন্ত্ৰণ কৰা কামত তেওঁলোক ব্যস্ত থাকিল। কাৰণ মই য'লৈকে যাওঁ, ত'লৈকে এই জনতাই মোৰ পাচ লয়।

মোৰ আৰু কৰ্ম্মচাৰীসকলৰ লগত—কালেক্টৰ মেজিষ্ট্ৰেট আৰু পুলীছ ছুপাৰিন্টেণ্ডেন্ট—সকলোৰে লগতে এটা যেন মিত্ৰতা হল। মোৰ ওপৰত দিয়া নোটিছখন আইনমতে প্ৰতিবোধ কৰিব পাৰিলোঁ হেতেন।

তাকে নকৰি মই সকলো নোটিছ গ্ৰহণ কৰিলোঁ। কৰ্ম্মচাৰীসকলৰ মোৰ ব্যৱহাৰ শুদ্ধ আছিল। তেওঁলোকে দেখিলে যে মই তেওঁলোকক ব্যক্তিগতভাৱে অপমান কৰিবলৈ বিচৰা নাই, মই তেওঁলোকৰ হুকুম বিলাকৰ বিৰুদ্ধে থিয় দিবলৈ আইন অমান্য কৰিবলৈ বিচাৰিছো। এইটো বুজি পাই তেওঁলোক শান্ত হল। আৰু মোক একো আমনি নকৰি এই জনতাক নিয়ন্ত্ৰণ কৰাত আমাক সহায় কৰাত লাগিল। তেওঁলোকৰ কৰ্ত্তৃত্বৰ যে ভাঙন ধৰিছে, তাৰ এইটো চাক্ষুষ প্ৰমাণ মাথোন। এই সময়ত এই জনতাৰ শাস্তিলৈ ভয় আৰু এতিয়া এওঁলোকে প্ৰভুত্বৰ শাসনতকৈ নতুনকৈ মৰমৰ শাসন দেখুৱাত তেওঁলোকৰ কথা শুনিলে।

চম্পাৰণত মোক কোনেও নাজানিছিল, এই কথাষাৰ মনত ৰাখিব লাগিব। এই বিলাক ৰায়ত সম্পূৰ্ণতে নিৰক্ষৰ আৰু ~ আছিল। গঙ্গানৈৰ ভালেখিনি উত্তৰত, নেপালৰ ওচৰত হিমালয় পৰ্ব্বতৰ ভৰি পথানত এই মতিহাৰী ভাৰতবৰ্ষৰ আনবিলাক ঠাইৰ পৰা আঁতৰত আছে। এই অঞ্চলত কংগ্ৰেছৰ কথা কোনেও নাজানিছিল। যি বিলাকে কংগ্ৰেছৰ নাম শুনিছিল, তেওঁলোকেও এই অনুষ্ঠানৰ পৰা আঁতৰি আছিল। আৰু আনকি, উল্লেখ কৰিবলৈ সাহ কৰা নাছিল। কংগ্ৰেছৰ নাম নললেও এতিয়া কাৰ্য্যকৰী আৰু বাস্তৱভাৱে কংগ্ৰেছ আৰু কংগ্ৰেছৰ কিছুমান সদস্যই ইয়াত সোমালহি।

সহকৰ্ম্মীসকলৰ লগত পৰামৰ্শ কৰি স্থিৰ কৰিলো যে কংগ্ৰেছৰ নামত যেন একো কৰা নহয়। আমি বিচাৰিছো কাম, নাম নহয়। আমি বিচাৰিছোঁ মূল পদাৰ্থ, তাৰ ছাঁ নহয়। কাৰণ গভৰ্ণমেণ্ট আৰু গভৰ্ণমেণ্টক চলাওতা এই নীলকৰ সকলৰ মানত কংগ্ৰেছ এটা বেয়া অনুষ্ঠান। তেওঁলোকৰ মানত কংগ্ৰেছ হৈছে উকীলৰ কূট তৰ্ক কৰা ঠাই, আইনৰ কেৰোণ উলিয়াই আইনৰ শাসন ব্যৰ্থ কৰিবলৈ চেষ্টা, বোমা

পেলাই নৰহত্যা আৰু ভীতি প্ৰদৰ্শন কৰা আৰু আন উপায় লোৱা অনুষ্ঠান, কূটনীতি আৰু ছলচাতুৰী কৰাৰ কংগ্ৰেছেই হৈছে নাটঘৰ। আমি তেওঁলোকৰ মনৰ পৰা এই বিলাক ভুল ধাৰণা গুচাব লগীয়া হৈছিল। সেইবাবে আমি কংগ্ৰেছৰ নাম উল্লেখ নকৰাকৈ আৰু ৰায়তবিলাকৰ সমুখত কংগ্ৰেছৰ নাম নোলোৱাকৈ স্থিৰ কৰিলোঁ। তেওঁলোকে কংগ্ৰেছৰ নামতকৈ কংগ্ৰেছৰ ভাৱ আৰু আদৰ্শৰ কথা বুজি পাব, সেয়েই যথেষ্ট হব বুলি আমাৰ মনত হল।

কংগ্ৰেছৰ হকে প্ৰকাশ্যে, নাইবা গোপনে কোনো সঁজাতি পঠাই আমাৰ অহা সম্পৰ্কে বাইজক সাজু কৰিবলৈ কোনো চেষ্টা হোৱা নাছিল। ৰাজকুমাৰ শুক্লাৰ এনে সামৰ্থ্য নাছিল যে এই হেজাৰ হেজাৰ খেতিয়ক সকলৰ মাজত প্ৰচাৰ কৰিব। তেওঁলোকৰ মাজত কোনো ৰাজনৈতিক কাম এতিয়ালৈকে হোৱা নাছিল। চম্পাৰণৰ বাহিৰত যে এখন পৃথিৱী আছে, এই কথাষাৰ তেওঁলোকৰ অগোচৰ আছিল। অথচ তেওঁলোকে মোক পাদৰি ললে যেন মই তেওঁলোকৰ যুগ-যুগান্তৰৰ বন্ধু। এই নিৰক্ষৰ খেতিয়কসকলৰ মনত মই যেন সাক্ষাৎ ঈশ্বৰ; অহিংসা আৰু সত্যৰ অৱতাৰ, —এই কথাষাৰ অতিৰঞ্জিত নহয়, প্ৰকৃত সত্য।

মোক যিটো উপাধি দিলে, এই উপাধিলৈ মোৰ যোগ্যতাৰ পৰীক্ষা কৰিলে বাইজলৈ মোৰ পৱিত্ৰ মৰমৰ বাহিৰে আন একো নাপাওঁ। আৰু পক্ষান্তৰত অহিংসালৈ মোৰ অচলা ভক্তিৰ বাহিৰে আন একো নাই।

চম্পাৰণত সেই দিনটো মোৰ জীৱনত এটা কেতিয়াও পাহৰিব নোৱাৰা দিন। বাইজ আৰু মোৰ পক্ষেই এটা ডাঙৰ দিন।

আইনমতে এতিয়া মোৰ আদালতত বিচাৰ হব লাগে, কিন্তু সঁচাকৈয়ে কবলৈ হলে গভৰ্ণমেণ্টৰহে এতিয়া আদালতত বিচাৰ হব লগীয়া হোৱা

দি হল। কমিশ্যনাৰে মোক ধৰিবলৈ যি জাল পেলাইছিল এতিয়া সেই জালত গৱৰ্ণমেণ্টহে ধৰা পৰিল।

পঞ্চদশ অধ্যায়

মোকৰ্দ্দমা তুলি লোৱা হল

আদালতত বিচাৰ আৰম্ভ হল। গৱৰ্ণমেণ্টৰ উকীল, মেজিষ্ট্ৰেট আৰু আন আন কৰ্ম্মচাৰী বিপাঙত পৰিল। এতিয়া কি কৰে নকৰে, একো উপায় নোপোৱা হল। চৰকাৰী উকীলে আজিলে মোকৰ্দ্দমা স্থগিত ৰাখিব লাগে বুলি মেজিষ্ট্ৰেটক টানি ধৰিলে। কিন্তু মই এই বিচাৰ স্থগিত নাৰাখিবলৈ মেজিষ্ট্ৰেটক অনুৰোধ কৰিলো। চম্পাৰণ এৰি যাবলৈ দিয়া হুকুম মই অমান্য কৰিছোঁ আৰু এইবাৰে মই নিজক দোষী বুলিয়েই স্বীকাৰ কৰিম। আৰু এই লগতে এটা চমু জবানবন্দী পঢ়িলো —

"ফৌজদাৰী দণ্ডবিধি আইনৰ ১৪৪ ধাৰামতে দিয়া হুকুম দেখাত অমান্য কৰা এনে এটা গুৰুতৰ কাম কৰিবলৈ, মই কিয় সিদ্ধান্ত কৰিলোঁ, সেই সম্পৰ্কে এটা চমু জবানবন্দী দিবলৈ আদালতে হুকুম দিলে মই দিবলৈ ইচ্ছা কৰোঁ। ই হৈছে স্থানীয় কৰ্ত্তৃপক্ষৰ লগত মোৰ মতভেদৰ প্ৰশ্ন। জাতীয় সেৱা, মানবীয় ভাৱৰ পৰা জনসাধাৰণক সেৱা কৰিবলৈ মই এই দেশলৈ আহিছোঁ। ৰায়ত সকলক সহায় কৰিবলৈ নেৰা-নেপেৰা নিমন্ত্ৰণ পোৱাত মই এই ঠাইলৈ আহিছোঁ। ৰায়তসকলৰ অভিযোগ হৈছে যে তেওঁলোকে নীলকৰ সকলৰ পৰা সজ ব্যৱহাৰ পোৱা নাই। এই সমস্যাটো ভালকৈ নজনাকৈ মই তেওঁলোকক একো সহায় কৰিব নোৱাৰোঁ।

মই সেইবাবে সম্ভৱ হলে কৰ্তৃপক্ষ আৰু নীলকৰ সকলৰ লগত লগ হৈ এই সমস্যাটো বুজিবলৈ ইয়ালৈ আহিছোঁ। মোৰ আন একো উদ্দেশ্য নাই। মই নাভাবোঁ যে মই অহাত ইয়াত শান্তিভঙ্গ হব, নাইবা কাৰোবাৰ জীৱন বিপন্ন হব। এনেবিলাক কথাত মোৰ যথেষ্ট অভিজ্ঞতা থকা বুলি মই দাবী কৰিব পাৰোঁ। কিন্তু কৰ্তৃপক্ষই আনদৰে ভাবিছে। তেওঁলোকৰ অসুবিধা মই নুবুজা নহওঁ। মই স্বীকাৰ কৰিছোঁ, যে তেওঁলোকে পোৱা বাতৰি মতে কাৰ্য্য কৰাটো যুগুত বুলি ভাবি এইকাম কৰিছে। মই এজন আইন-মনা নাগৰিক, সেই হিচাপে মোৰ ওপৰত যি হুকুম জাৰী হৈছে, সেইটো মনাটোৱে মোৰ প্ৰথম ভাৱ। কিন্তু যি সকলক মই সেৱা কৰিবলৈ আহিছোঁ, তেওঁলোকলৈ মোৰ কৰ্ত্তব্যবোধত আঘাত নিদিয়াকৈ মই এই হুকুম পালন কৰিব নোৱাৰোঁ। তেওঁলোকৰ মাজত থাকিহে মই তেওঁলোকক সেৱা কৰিব পাৰোঁ বুলি মই অনুভৱ কৰোঁ। সেইবাবে মই স্ব-ইচ্ছাত ইয়াৰ পৰা আঁতৰি যাব নোৱাৰোঁ। এনে এটা পৰস্পৰ-বিৰোধী মানসিক অৱস্থাত কৰ্তৃপক্ষৰ ওপৰত মোক আঁতৰোৱাৰ দায়িত্ব নিদিয়াকৈ নোৱাৰোঁ। ভাৰতৰ ৰাজহুৱা জীৱনত মোৰ দৰে সেৱকৰ পদত প্ৰতিষ্ঠিত দেশসেৱক এজনে দৃষ্টান্ত দেখুৱাত সাৱধান হব লাগিব—এই কথাষাৰ মই সম্পূৰ্ণভাৱে জানো। আমি যি দৰে জটিল অৱস্থাত আছোঁ, এনে এটা অৱস্থাত মান-সম্ভ্ৰম জ্ঞান থকা লোক এজনৰ পক্ষে প্ৰতিবাদ নকৰাকৈ হুকুম অমান্য কৰা অপৰাধৰ শাস্তি বহন কৰাটোৰ বাহিৰে নিৰাপদ আৰু সম্মানজনক উপায় একো নাই, এয়ে মোৰ দৃঢ় বিশ্বাস আৰু এনে এটা অৱস্থাত মই ইয়াকে কৰাটো স্থিৰ কৰিছোঁ।

"মোৰ ওপৰত যি শাস্তিবিধান হব, সেইশাস্তি খণ্ডন কৰিবলৈ মই এই জবানবন্দী দিবলৈ সাহ কৰা নাই। মই এইটোকেই দেখুৱাব বিচাৰিছোঁ যে আইন মতে প্ৰতিষ্ঠিত গভৰ্ণমেণ্টলৈ কোনো অসম্মান নকৰি মই

এই হুকুম অমান্য কৰা নাই। কিন্তু আমাৰ এই আইনৰ ওপৰত আৰু এটা উচ্চতম আইন আছে সেইটো হৈছে বিবেকৰ বাণী। মই এই বাণীকেই শুনাটো শ্ৰেয় বুলি ভাবিছোঁ।”

এতিয়া এই মোকৰ্দ্দমাৰ বিচাৰ স্থগিত কৰাৰ একো প্ৰয়োজন নাই। কিন্তু চৰকাৰী উকীল আৰু বিচাৰক জন আচৰিত হল, বিচাৰকে ৰায় দিয়াটো স্থগীত ৰাখিলে। ইতিমধ্যে মই ভাইছৰা, পাটনাৰ বন্ধুসকল, পণ্ডিত মদনমোহন মালব্য আৰু অন্যান্য বন্ধুসকলক। বিশদ বিবৰণ জনাই তাঁৰ কৰিছোঁ।

মই ৰায় শুনিবলৈ আদালতত হাজিৰ হবৰ আগতে বিচাৰকে মোলৈ বাতৰি পঠালে যে লেফ্‌টেনান্ট গভৰ্ণৰে এই মোকৰ্দ্দমা তুলি লৈছে আৰু কালেক্টৰেও জনালে যে এই তদন্ত কৰিবলৈ মোৰ সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছে। আৰু কৰ্মচাৰী সকলৰ পৰা কিবা সহায় বিচাৰিলে সেই সহায় পাবলৈ আশা কৰিব পাৰোঁ। আমাৰ কোনেও এনেবিধৰ এটা সন্তোষ-জনক আৰু তৎক্ষণাৎ সমাধানৰ বাবে প্ৰস্তুত নাছিল।

হেকক নামৰ কলেক্টৰ জনৰ লগত মই দেখা কৰিলোঁ। তেওঁ দেখাত সাধুপুৰুষ বুলি অনুমান হল। ন্যায়বিচাৰ কৰিবলৈ উদগ্ৰীৱ বুলি মোৰ বোধ হল। মই যি কোনো কাকত লাগতিয়াল বুলি ভাবিলে পাব পাৰোঁ আৰু তেওঁক যেতিয়াই মন যায়, মই দেখা কৰিব পাৰিম বুলি তেওঁ মোক জনালে।

দেশৰ বাইজে সত্যাগ্ৰহৰ এটা পোণ-পটীয়া শিক্ষা পালে। এই ঘটনাটো স্থানীয় ভাৱে আৰু বাতৰি কাকতৰ যোগে আলোচনা হবলৈ ধৰিলে। মোৰ তদন্ত অপ্ৰত্যাশিতভাৱে জনসাধাৰণৰ মাজত জনাজাত হল।

মোৰ তদন্তৰ বাবে গভৰ্ণমেন্টৰ নিৰপেক্ষতা লাগতিয়াল আছিল। বাতৰি কাকতৰ সংবাদদাতাৰ সমৰ্থন নাইবা বাতৰিকাকতৰ সম্পাদকীয়

স্তম্ভত প্ৰবন্ধাদি ইযাৰ বাবে প্ৰয়োজনীয় নাছিল। চম্পাৰণৰ অৱস্থা ইমান জটিল আছিল যে অতিৰঞ্জিত বিবৰণ নাইবা অতি সমালোচনাই আমাৰ আচল কামত বিঘিনি জন্মাবৰ আশঙ্কা আছিল। সেইবাবে মুখীয়াল বাতৰি কাকত বিলাকৰ সম্পাদক সকললৈ লিখি পঠালোঁ, যেন তেওঁলোকে সংবাদদাতা আদি পঠাই মোক অসুবিধাত নেপেলায়। প্ৰকাশ কৰিবলৈ লাগতিয়াল প্ৰবন্ধাদি মযেই পঠাম আৰু তেওঁলোককো সকলো সংবাদ দি থাকিম।

চম্পাৰণত মোৰ উপস্থিতি সম্পৰ্কে গভৰ্ণমেণ্টে যি ভাব লৈছে তাত নীলকৰ সকল অসন্তুষ্ট হৈছে বুলি মই জানিছিলো। আৰু আনফালে কৰ্ম্মচাৰীসকলেও প্ৰকাশে একো কব নোৱাৰিলেও এইকথাষাৰ ভাল পোৱা নাছিল। এনে এটা অৱস্থাত ভুল বাতৰি নাইবা, অতিৰঞ্জিত বাতৰি প্ৰকাশ হলে তেওলোক উত্তেজিত হব আৰু এই উত্তেজনা মোৰ ওপৰত প্ৰকাশ কৰিব নোৱাৰি দুখীয়া খেতিয়ক সকলৰ ওপৰত দেখুৱাব। খেতিয়ক বিলাকো ইযাৰ ফলত ভয খাই মোক আচল কথা কবলৈ সাহ নকৰিব। তেওঁলোকৰ আচল কথা জানিবলৈ মই যি তদন্ত কৰিছিলো সেইটোও ব্যৰ্থ হব।

মই এইদৰে সাৱধান হোৱা স্বত্বেও নীলকৰ সকলে মোৰ বিৰুদ্ধে এটা বিষাক্ত বতৰ সৃষ্টি কৰিবলৈ যত্ন নকৰাকৈ থকা নাছিল। মোৰ সম্পৰ্কে আৰু মোৰ সহকৰ্ম্মীসকলৰ সম্পৰ্কে সকলো ৰকমৰ মিছা বাতৰি কাকত বিলাকত প্ৰকাশ হৈছিল। কিন্তু মই অতি সাৱধান হোৱাত আৰু সৰুসুৰা বিষযৰ পৰা আৰম্ভ কৰি সকলোতে সত্যকেই আশ্ৰয কৰা বাবে মোৰ ওপৰত প্ৰয়োগ কৰা অস্ত্ৰ ব্যৰ্থ কৰিলোঁ।

ব্ৰজকিশোৰ বাবুৰ বিৰুদ্ধে মিছাপ্ৰচাৰ কৰিবলৈ নীলকৰ সকল ক্ষান্ত নাথাকিল, কিন্তু ইযাৰ ফল বিপৰীত হল ; যিমানেই তেওঁলোকে

নিন্দা কৰিবলৈ ধৰিলে, সিমানেই ৰাইজৰ মাজত তেওঁৰ সন্মান বাঢ়িল।

এনে জটিল অৱস্থাত বাহিৰৰ পৰা আন প্ৰদেশীয় কোনো নেতাক ইয়ালৈ মতা উচিত হব বুলি ভবা নাছিলোঁ। পণ্ডিত মালবীয়জীয়ে মোক আশ্বাস দিছিল যে যি মুহূৰ্ত্তত তেওঁক বিচাৰোঁ, তেতিয়াই যেন খবৰ দিওঁ। কিন্তু মই তেওঁক আমনি কৰা নাছিলোঁ। এই কথাষাৰ এটা ৰাজনৈতিক আন্দোলনত ৰূপান্তৰিত হোৱাটো এনেদৰে বন্ধ কৰিলোঁ। কিন্তু মই নেতা সকলক আৰু মুখীয়াল বাতৰি কাকতবিলাকক সময়ে সময়ে সকলো কথা জনাই আছিলোঁ। অৱশ্যে প্ৰকাশৰ বাবে নহয়, কেৱলমাত্ৰ জনাবৰ বাবে। মই দেখিলোঁ যে যদিও উদ্দেশ্য ৰাজনৈতিক হয়, কথাষাৰ যদি ৰাজনৈতিক নহয় তেন্তে ৰাজনৈতিক ৰূপ দিয়াৰ ফলত কথাষাৰ নষ্ট হয়। নিঃস্বাৰ্থভাৱে ৰাইজক সেৱা কৰিলে অৱশ্যে ৰাজনৈতিক হিচাপে দেশৰ লাভ হয়, এইকথাষাৰৰ প্ৰমাণ চম্পাৰণৰ আন্দোলন।

ষোড়শ অধ্যায়

কাৰ্য্য পদ্ধতি

চম্পাৰণ তদন্তৰ সম্পূৰ্ণ বিবৰণ দিবলগীয়া হলে এইকালৰ চম্পাৰণৰ বায়তৰ অৱস্থা বৰ্ণাই এখন বুৰঞ্জী লিখিব লাগিব। কিন্তু ইয়াত সেই বিলাক কথা লিখাটো সম্ভৱ নহয়। চম্পাৰণৰ তদন্ত হৈছে সত্য আৰু অহিংসাৰ এটা পৰীক্ষা। সত্য আৰু অহিংসাৰ ফালৰ পৰা যিবিলাক কথা প্ৰয়োজনীয় সেইবিলাকহে এতিয়া সপ্তাহে সপ্তাহে লিখিম। ইয়াতকৈ আৰু বেছি বিবৰণ পাবলৈ হলে শ্ৰীযুত ৰাজেন্দ্ৰপ্ৰসাদৰ হিন্দীত লিখা চম্পাৰণ সত্যাগ্ৰহৰ বুৰঞ্জী পাঢ়ক। এতিয়া শুনিবলৈ পাইছোঁ, ইয়াৰ এখন ইংৰাজী ভাঙনি ওলাব ধৰিছে।

এতিয়া মূল কথালৈ অহা যাওক, গোৰক্ষবাবুৰ ঘৰৰ এই তদন্ত কৰাটো টান, কাৰণ ইয়াকে কৰিলে বেচেৰা গোৰক্ষ বাবু ঘৰৰ পৰা ওলাব লাগিব। আমাক এটা ঘৰ ভাৰা দিবলৈ মতিহাৰীৰ মানুহৰ এতিয়ালৈকে ভয় গুচা নাই। যি হওক, ব্ৰজকিশোৰ বাবুৱে কৌশলৰে এটা ঘৰৰ সুবন্দবস্ত কৰিলে। এই ঘৰটোৰ সমুখত আহল-বহল মুকলি ঠাই আছিল। এতিয়া আমি ইয়ালৈকে আহিলোঁ।

ধন নোহোৱাকৈ এই কাম চলোৱা সম্ভৱ নাছিল। এনেবিধৰ কামৰ কাৰণে বাইজৰ পৰা ধন তোলাই ইয়াত প্ৰচলিত আছিল। ব্ৰজকিশোৰ বাবু আৰু তেওঁৰ বন্ধুসকলৰ সৰহভাগেই উকীল আছিল, তেওঁলোকে হয় বৰঙনি, দিয়া নাইবা আন কাৰোবাৰ বৰঙনি যোগাব কৰি দিয়ে। তেওঁলোকে নিজেই যি স্থলত টকা দিব পাৰে, তেনে স্থলত আনৰ ওচৰত নে কিয় হাত পাতে? এইটো এটা যুক্তি আছিল। মই চম্পাৰণৰ ৰায়তৰ পৰা একো ধন নোলোৱাটো স্থিৰ কৰিছিলোঁ। ইয়াৰ পৰা বাহিৰত ভুল প্ৰচাৰ হোৱাৰ সম্ভাৱনা। এই তদন্ত চলাবলৈ আন ঠাইৰ বাইজৰ পৰা টকা নুতুলিবলৈকো মই সমানে দৃঢ়প্ৰতিজ্ঞ আছিলোঁ। কাৰণ ইয়াৰ পৰা এইটো বিষয়ে এটা নিখিল ভাৰতীয় আৰু ৰাজনৈতিক ৰূপ লব। বোম্বেৰ কেইজনমান বন্ধুৱে ১৫ হেজাৰ টকা পঠালে; ধন্যবাদ জনাই এই টকা ঘূৰাই পঠালোঁ। ব্ৰজকিশোৰ বাবুৰ সহায়ত চম্পাৰণৰ বাহিৰত থকা বিহাৰৰ ধনী লোকসকলৰ পৰা যি পোৱা যায়, তাকে লবলৈ আৰু ইয়াৰে নুজুৰিলে ৰেঙ্গুনৰ ডাক্তৰ পি, জে, মেহটাৰ ওচৰ চাপিবলৈ স্থিৰ কৰিলোঁ। যিমান লাগে তাকে দিবলৈ ডাক্তৰ মেহটাও মান্তি হল। এই বিষয়ত এতিয়া আমাৰ একো চিন্তা নোহোৱা হল। চম্পাৰণৰ দাৰিদ্ৰ্যৰ লগত খাপ খুৱাই আমি পাৰ্য্যমানে ব্যয় সঙ্কোচ কৰাত আমাৰ সৰহ ধনৰো প্ৰয়োজন নাছিল। আৰু বাস্তবিকতে শেহত দেখা গল যে আমাৰ সৰহ ধন

নালাগিল। মোৰ যিমান দূৰ মনত পৰে আমি তিনি হেজাৰ টকাতকৈ সৰহ খৰচ কৰা নাছিলোঁ আৰু সংগৃহীত ধনৰো কেইশ মান টকা ৰাহি কৰিছিলোঁ।

প্ৰথমভাগত মোৰ সহকৰ্মীসকলে যি আচৰিত ধৰণে আছিল, যে তেওঁলোকৰ খৰচৰ কথা লৈ সদায় ঠাট্টা বিদ্ৰূপ চলিছিল। প্ৰত্যেক জন উকীলৰেই একোজন লগুৱা আৰু একোখন [illegible] আৰু প্ৰত্যেকৰেই স্বকীয়া বান্ধনি ঘৰ, আৰু ৰাতি খাওঁতে দুপৰ নিশা হয়। যদিও তেওঁলোকে নিজৰ খৰচ নিজে বহন কৰিছিল, তথাপিও তেওঁলোকৰ অনিয়ম দেখি মোৰ দুশ্চিন্তা হল। আৰু এই কেইদিন একেলগে কাম কৰাৰ ফলত আমি ঘনিষ্ঠ বন্ধু হোৱাদি হলো। সেইবাবে মোৰ ঠাট্টাত ভুল বুজাৰ একো সম্ভাৱনা নাছিল। মোৰ ধেমালি তেওঁলোকে ভাল পাই লৈছিল। লগুৱাবিলাক এৰি দিয়া, সকলোৱে একে লগে ৰন্ধা আৰু নিয়মিত সময়ত খোৱা, ইয়াকে স্থিৰ হল। সকলো নিজা লগুৱা [illegible]। আৰু দুটা বান্ধনিঘৰ খোলাতো সৰহ খৰচ সেই কাৰণে এটা সাধাৰণ নিৰামিষ ভোজনৰ বান্ধনিঘৰৰ ব্যৱস্থা হল। সাধা-সিধা ধৰণে খোৱাবোৱাও আৰম্ভ হল।

এইবিলাক ব্যৱস্থাত আমাৰ খৰচ বহুত কমিল, সময় আৰু পৰিশ্ৰমৰো লাঘৱ হল আৰু এই দুখোলাই সমান লগা হৈছিল। [illegible] খেতিয়ক নিজৰ জবানবন্দী দিবলৈ আহিব ধৰিলে। তেওঁলোকৰ লগত আৰু কিছুমানুহ আহিব, এইদৰে ঘৰৰ সন্মুখত থকা মুকলি ঠাই ডোখৰ মানুহেৰে ভৰা হৈ পৰিছিল। দৰ্শনপ্ৰাৰ্থী সকলৰ পৰা মোক ৰক্ষা কৰিবলৈ বন্ধুসকলে অশেষ যত্ন কৰিছিল, কিন্তু তেওঁলোকৰ যত্ন চেষ্টা ব্যৰ্থ হৈছিল। নিৰ্দ্দিষ্ট সময়ত ৰাইজৰ সমুখত মোক দেখুৱাব লগীয়া হৈছিল। কম পক্ষেও ৫জনৰ পৰা আৰম্ভ কৰি ৭ জন স্বয়ংসেৱক বিবৃতি লোৱা কামত থাকিব লগা হৈছিল। তথাপিও কিছুমান মানুহে জবানবন্দী নিদিয়াকৈ

৩৭

গোধলি গুচি যাব লগা হৈছিল। সকলোবিলাক জবানবন্দী বৰ মূল্যবান নাছিল, কিছুমানত একে কথাৰেই পুনৰাবৃত্তি আছিল। কিন্তু জবানবন্দী নললে তেওঁলোক সন্তুষ্ট নহয়। তেওঁলোকে হিয়াৰ দুখ উবুৰিয়াই দিব বিচাৰে। জবানবন্দী লিখাসকললৈ কিছুমান নিয়ম বান্ধি দিয়া হৈছিল। প্ৰত্যেক জন ৰায়তকেই ভালকৈ জেৰা কৰিব লাগে আৰু এই পৰীক্ষাত সন্তুষ্ট নহলে তেওঁৰ জবানবন্দী এৰিব লাগে। এইদৰে বহুতো সময় লাগে। কিন্তু এইদৰে সাৱধান হোৱাত সকলো জবানবন্দীযেই অকাট্য হৈছিল।

জবানবন্দী লিখাৰ সময়ত চোৰাংচোৱা বিভাগৰ এজন কৰ্ম্মচাৰী আগত থাকেই। আমি তেওঁক থাকিবলৈ নিদিব ও পাৰিলোহেতেন, কিন্তু গুৰিৰে পৰা আমি চোৰাংচোৱা বিভাগৰ লোকক থাকিবলৈ দিয়া, তেওঁ-লোকৰ লগত ভদ্ৰ ব্যৱহাৰ কৰা আৰু যি বাতৰি সোধে, সকলো জনোৱা স্থিৰ কৰি লৈছিলোঁ। ইয়াৰ পৰা আমাৰ একো বেয়া হোৱা নাছিল। বৰঞ্চ চোৱাংচোৱা বিভাগৰ কৰ্ম্মচাৰী দ'লৰ সমুখতো সকলো কথা কৈ এই খেতিয়ক বিলাক নিৰ্ভীক হল। তেওঁলোকৰ মনৰ পৰা চোৰাংচোৱালৈ অত্যধিক ভীতিৰ ভাৱ গুচিল আৰু আনফালে অতিৰঞ্জিত কৰি কোৱাত বাধা হল। চোৱাংচোৱা সকলৰ লোকক ধৰা পেলোৱাই কাম। সেই বাবে খেতিয়ক সকল সাৱধান হল।

মই নীলকৰ সকলক বিৰক্ত কৰাটো বিচৰা নাছিলোঁ, বৰঞ্চ বিনয়ৰে সৈতে তেওঁলোকক জয় কৰিবলৈ বিচাৰিছিলোঁ। সেইবাবে যিবিলাকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ হৈছিল, তেওঁলোকৰ লগত দেখা কৰিবলৈ আৰু তেওঁলোককো সকলো কথা জনাবলৈ দিহা কৰিছিলোঁ। নীলকৰ সমিতিৰ সদস্য সকলকো লগ ধৰিলোঁ। ৰায়তসকলৰ অভিযোগ বিলাক তেওঁলোকৰ সমুখত ৰাখিছিলোঁ আৰু তেওঁলোকৰ সকলো কথা

জানিবলৈ যত্ন কৰিছিলোঁ। কিছুমানে মোক ঘিণ কৰিছিল, কিছুমানে কেৰেপকৈ নকৰে আৰু কিছুমানে ভদ্ৰতাৰে সৈতে ব্যৱহাৰ কৰিছিল।

সপ্তদশ অধ্যায়

সহকৰ্ম্মী সকল

ব্ৰজকিশোৰ বাবু আৰু ৰাজেন্দ্ৰবাবু এওঁলোক দুজনাৰ তুলনা নাই। নিষ্ঠাৰে সৈতে তেওঁলোকে সকলো কাম কৰিছিল আৰু এই বাবে তেওঁলোকৰ সহায় নোহোৱাকৈ মই কিবা কৰাটো অসম্ভৱ আছিল। তেওঁলোকৰ শিষ্যসকল, ধৰণীবাবু, ৰামনৱমী বাবু, শম্ভুবাবু, অনুগ্ৰহবাবু আৰু আন আন উকীল আমাৰ লগত সদায় আছিলেই। বিন্ধ্যবাবু আৰু জনকধাৰী বাবু এওঁলোকেও সময়ে সময়ে আহি আমাক সহায় কৰি আছিল। এওঁলোক সকলোৱেই বিহাৰী আছিল। তেওঁলোকৰ প্ৰধান কাম আছিল জবানবন্দী লিখা।

অধ্যাপক কৃপালনীও আমাৰ লগত লাগিলহি। তেওঁ সিন্ধুদেশৰ লোক হলেও, বিহাৰত ওপোজা বিহাৰীতকৈও তেওঁ বিহাৰী আছিল। যি প্ৰদেশত কাম কৰে সেইপ্ৰদেশৰ লোক সকলৰ লগত মিলি যোৱা কৰ্ম্মী মই বৰ কমেই পাইছোঁ। তেওঁ যে আনপ্ৰদেশৰ লোক এই কথাষাৰ অনুভৱ কৰিবলৈ তেওঁ দিয়া নাছিল। তেৱেঁই মোৰ প্ৰধান দুৱাৰ ৰখীয়া আছিল। দৰ্শনপ্ৰাৰ্থীসকলৰ উপদ্ৰৱৰ পৰা মোক ৰক্ষা কৰাটোৱেই তেওঁ বৰ্ত্তমানলৈ একমাত্ৰ কৰ্ত্তব্য বুলি লৈছিল। কেতিয়াবা ধেমালীৰে সৈতে, কেতিয়াবা অহিংস ডাবীৰে সৈতে তেওঁ সকলোকে বাধা দি আছিল। ৰাতি হলে তেওঁ শিক্ষকতাৰ কাম লৈছিল। তেওঁৰ বুৰঞ্জীৰ অধ্যয়ন আৰু

বুৰঞ্জীৰ সম্পৰ্কে তেওঁৰ ধাৰণা ইত্যাদি কৈ সকলো সহকৰ্মীকে আমোদ দি আছিল আৰু এইবিলাকৰ ফলত অলপতে ভয় খোৱা দৰ্শক সকলৰ মনতো সাহ আনিছিল।

সহায়কাৰী সকলৰ তালিকাৰ ভিতৰত মৌলানা মজৰুল হকেও নিজৰ নামটো সুমুৱাই দিলে। প্ৰয়োজন হলেই এওক মাতিব পাৰোঁ। তেওঁ মাহেকত এবাৰ দুবাৰ আহি আমাক লগ পাই যাবহি। সেইসময়ত তেওঁ যি আড়ম্বৰেৰে আছিল, আজি তাৰ তুলনাত তেওঁ অতি সাধ-সিধা ভাৱে আছে। তেওঁ যিদৰে আমাৰ লগত মিলিছিল, তাৰপৰা তেওঁ যেন আমাৰ লগৰেই এজন, এনে এটাভাব আমাৰ মনত হৈছিল, অৱশ্যে আন মানুহে তেওঁৰ বাহ্যিক বিলাসিতা দেখি আন ধাৰণা লৈছিল।

মই বিহাৰত অভিজ্ঞতা লাভ কৰাৰ লগে লগে গাৱঁত শিক্ষা নহলে কোনো স্থায়ী কাম কৰাটো সম্ভৱ নহয়, এই বিশ্বাস হল। ৰায়তবিলাকৰ অজ্ঞতা দেখিলে বেজাৰ লাগে। তেওঁলোকে লৰাছোৱালীহঁত হয় ধেমালী কৰিবলৈ এৰি দিব, নহলে পুৱাৰ পৰা গোধূলিলৈকে নীলখেঁতিৰ কামত লগাব। সেই সময়ত এজন মতা বনুৱাৰ বানচ দহ পয়চাতকৈ, তিৰোতাৰ ৬ পয়চা আৰু লৰাছোৱালীৰ তিনিপয়চাতকৈ সৰহ নাছিল। দিনটোত চাৰিঅনা উপাৰ্জন কৰা জনকেই সৱলোৱে সৌভাগ্যবান বুলি ধৰিছিল।

সহকৰ্মীসকলৰ লগত পৰামৰ্শ কৰি ছখন গাওঁত প্ৰাথমিক স্কুল খুলিবলৈ স্থিৰ কৰিলোঁ। ৰায়তসকলৰ এয়ে বন্দবস্ত আছিল যে শিক্ষক সকলক তেওঁলোকে থকা আৰু খোৱাৰ বন্দবস্ত কৰিব আৰু আমি আন সকলো খৰচ যোগাম। গাৱলীয়া ৰাইজৰ ধন নাথাকিলেও খোৱা-বস্তু যোগাবলৈ সামৰ্থ্য আছিল। আৰু বাস্তৱিকতে তেওঁলোকে খোৱা-বস্তু আৰু আন আন বস্তু যোগাবলৈ আগ্ৰহ দেখুৱালে।

এতিয়া ক'ৰপৰা শিক্ষক পোৱা যায়, এয়ে সমস্যা হল। সামান্য এটা বৃত্তি লৈ, নাইবা একো বৃত্তি নোলোৱাকৈ স্থানীয় শিক্ষক পোৱা টান। সাধাৰণ শিক্ষক সকলৰ হাতত লৰা-ছোৱালী বিলাকক গতাই দিয়াটো মোৰ ভাৱ নাছিল। লিখা-পঢ়াত যোগ্যতাতকৈ নৈতিকতাতহে মই জোৰ দিছিলোঁ।

সেইবাবে শিক্ষকতাত ব্ৰতী হবলৈ স্বয়ংসেৱক বিচাৰি এখন গোহাৰি দিলোঁ। এই গোহাৰিৰ ততালিকে প্ৰত্যুত্তৰ পালোঁ। শ্ৰীযুত গঙ্গাধৰ ৰাও দেশপাণ্ডেই বাবা ছাহেব চোমন আৰু পুণ্ডলীকক পঠালে। বোম্বেৰ পৰা শ্ৰীমতী অৱন্তিকা বাই গোখেলে আৰু পুণাৰ পৰা শ্ৰীযুতা আনন্দীৱাই বৈশম্পায়নো আহিল। আৰু আশ্ৰমৰ ছোটিলাল, সুৰেন্দ্ৰনাথ আৰু মোৰ লৰা দেবদাসলৈকো খবৰ পঠালোঁ। এনে সময়ত শ্ৰীমহাদেৱ দেশাই, নৰহৰি পাৰেখ সপৰিবাৰে আহি মোৰ লগ ললে। কামৰ বাবে কস্তুৰীবাইকো অনা হল। আমাৰ দলটো বেছ শক্তিশালী দল আছিল। শ্ৰীমতী অৱন্তিকা বাই আৰু শ্ৰীমতী আনন্দী বাই বেছ লিখা-পঢ়া জনা মহিলা আছিল; কিন্তু শ্ৰীমতী দুৰ্গা দেছাই আৰু শ্ৰীমতী মনিবেন পাৰেখৰ অলপ গুজৰাটীহে জনা আছিল। আৰু কস্তুৰীবাইৰ তাকো জনা নাছিল। এই বিলাক মহিলাই এই লৰাছোৱালীবিলাককনো কেনেকৈ হিন্দীত পঢ়াব?

মই তেওঁলোকক বুজাই কলোঁ যে তেওঁলোকে আখৰ চিনোৱা আৰু ব্যাকৰণ পঢ়োৱাতকৈ পৰিস্কাৰ পৰিচ্ছন্নতা আৰু ভাল আচৰণ শিকোৱাত যেন মন দিয়ে। গুজৰাটী মাৰাঠী আৰু হিন্দী আখৰত যিমান পাৰ্থক্য আছে বুলি তেওঁলোকে অনুমান কৰিছে সিমান পাৰ্থক্য নাই বুলি তেওঁলোকক বুজাই কলোঁ। আৰু প্ৰাথমিক শ্ৰেণী বিলাকত আখৰ চিনোৱা, নেওতা শিকোৱা, সিমান টান কাম নাছিল। ইয়াৰ ফলত দেখা গল যে

তিৰোতাসকলে যি বিলাক শ্ৰেণী পঢ়াইছিল, সেইবিলাকত বেছ কৃতকাৰ্য্য হোৱা দেখা গল। এই অভিজ্ঞতাৰ পৰা তেওঁলোকৰ আত্ম-বিশ্বাস জন্মিল আৰু তেওঁলোকবো কামত আগ্ৰহ বাঢ়িল। অৱন্তিকা বাইৰ স্কুলখন এখন আদৰ্শ স্কুল হল, তেওঁ মনে প্ৰাণে কামত লাগিল। তেওঁৰ যি অসাধাৰণ শক্তি আছিল, সকলোখিনি তেওঁ এই কামত লগালে। এইবিলাক মহিলাৰ জৰীয়তে গাৱলীয়া তিৰোতাবিলাকৰ লগতো সংযোগ পতা হল।

কেৱলমাত্ৰ প্ৰাথমিক শিক্ষা দিয়াতেই মোৰ কামৰ অন্ত পেলাবলৈ মই বিচৰা নাছিলোঁ। গাওঁবিলাক বৰ অস্বাস্থ্যকৰ, গাৱলীয়া আলি পদুলিবিলাক বৰ লেতেৰা, পানী খোৱা নাদৰ চাৰিওকাষে বোকা আৰু গেলা গোন্ধত অংকাৰ। চোতাল বিলাক অলপো চাফ চিকুণ নহয়। বয়সিয়াল লোক সকলৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা শিকাৰ প্ৰয়োজন ; তেওঁলোকৰ গাত নানান বিধৰ চৰ্ম্মৰোগ আছিল। সেইবাবে যিমান দূৰ সম্ভৱ তেওঁলোকৰ মাজত স্বাস্থ্য-নীতিৰ কাম কৰাটো আৰু তেওঁলোকৰ জীৱনৰ-সকলো কথালৈকে আমি সোমোৱাটো স্থিৰ কৰিলোঁ।

ইয়াৰ বাবে ডাক্তৰ লাগে—স্বৰ্গীয় ডাক্তৰ দেবক বিচাৰি ভাৰতীয় সেৱক সমিতিলৈ লিখিলোঁ। আমি দুয়ো বৰ বন্ধু আছিলোঁ, তেওঁ ৬ মাহলৈ ইয়াত কাম কৰিবলৈ গাত ললে। মুনিহ আৰু তিৰোতা সকলো শিক্ষকে তেওঁৰ তলত কাম কৰাত লাগিল।

নীলকৰ সকলৰ বিৰুদ্ধে কিবা অভিযোগ, নাইবা ৰাজনৈতিক কথাত যোগ নিদিবলৈ সকলোকে কোৱা হল। কাৰোবাৰ কিবা কবলগীয়া থাকিলে তেওঁলোকক মোৰ ওচৰলৈ পঠাবলৈ নিৰ্দ্দেশ দিয়া হল। নিজৰ নিজৰ নিৰ্দ্দিষ্ট এলাকাৰ বাহিৰলৈ যেন কোনেও নাযায়। সহকৰ্ম্মীসকলে আচৰিত নিষ্ঠাৰে সৈতে সকলো নিৰ্দ্দেশ মানি ললে। নিয়মৰ ব্যতিক্ৰম হোৱাৰ এটা দৃষ্টান্তও মোৰ মনত নপৰে।

অষ্টাদশ অধ্যায়

গাওঁবিলাকৰ ভিতৰলৈকে সোমোৱা

যিমানদূৰ সম্ভৱ প্ৰত্যেকখন স্কুলকেই এজন মুনিহ আৰু এগৰাকী মহিলাৰ তত্ত্বাবধানত দিয়া হল। এইবিলাক স্বয়ংসেৱকে স্বাস্থ্যনীতি আৰু ডাক্তৰী সহায় দিয়া কামবিলাক কৰিব লাগে—মহিলাকৰ্ম্মীসকলে গাৱলীয়া তিৰোতাৰ লগ ধৰিব লাগে।

ডাক্তৰী সহায় এটা সামান্য কথা আছিল। কেষ্টৰ অয়ল, কুইনাইন আৰু গন্ধকৰ প্ৰলেপ —এই বিলাক ঔষধেই স্বয়ংসেৱক সকলৰ হাতত দিয়া হৈছিল। জিবা মৰলা হলে, নাইবা কোষ্ঠবদ্ধতা হলে, কেষ্টৰ অয়ল, জ্বৰ হলে প্ৰথমতে কেষ্টৰ অয়ল দি কুইনাইন কেইবা পালি দিয়া, গাত চৰ্ম্মৰোগ নাইবা, ঘা ফোঁড়া থাকিলে গন্ধকৰ প্ৰলেপ আদি দিয়া, এইদৰে প্ৰাথমিক চিকিৎসাৰ সহায় আৰম্ভ৷ কৰা হল। কোনো বেমাৰীকেই ঘৰলৈ ঔষধ নিবলৈ দিয়া হোৱা নাছিল। কোনো বেমাৰ জটিল হলে ডাক্তৰ দেবক খবৰ দিয়া হৈছিল। সপ্তাহৰ ভিতৰত নিৰ্দ্দিষ্ট দিনত প্ৰত্যেক কেন্দ্ৰলৈকে তেওঁ গৈছিল।

বহুতো লোকে এই সামান্য চিকিৎসাৰ সহায় লৈছিল। নিজে কিবা এটা কৰি লবলৈ ৰাইজ সাজু নাছিল। আন কি, পথাৰত কাম কৰা বনুৱা সকলেও নিজৰ কথাতো ছাফ চিকুণৰখা কামত মন দিয়া নাছিল। কিন্তু ডাক্তৰদেৱ অলপতে নিৰাশ হোৱা মানুহ নাছিল। তেওঁ আৰু আন আন ভলন্টিয়াৰ সকলে গাওঁ বিলাক ছাফ চিকুণ কৰাত মন প্ৰাণ দি লাগিল। আলিপদূলি আৰু চোতালবিলাক ছাফ কৰিলে; নাদৰ

কাম বিলাক ছাফ কৰিলে, আৰু গাৱলীয়া ৰাইজৰ মাজৰ পৰা এটা ভলন্টিয়াৰ দল কৰিবলৈ মৰমেৰে সৈতে তেওঁলোকক জনালে।

কোনো কোনো গাৱত তেওঁলোকে তাৰ মানুহবিলাকক লাজ দি কামত লগালে আৰু কিছুমানত মানুহবিলাকৰ ইমান উৎসাহ হল যে তেওঁলোকে মোৰ গাৰীখন যাবলৈ বাট বান্ধি দিলে। এইবিলাক মধুৰ অভিজ্ঞতাৰ লগত ৰাইজৰ উদাসীনতাৰ তিতা অভিজ্ঞতা মিহলি হৈ নথকাকৈ নাছিল। মোৰ মনত পৰে কিছুমান গাৱলীয়া মানুহে এইবিলাক কামত তেওঁলোকৰ স্পৃহা নাই বুলি জনালে।

মই বহুতো সভাসমিতিত বিবৰণ দিয়া এটা অভিজ্ঞতা ইয়াত জনোৱাটো অপ্ৰাসঙ্গিক নহ'ব। ভীটিহাৰ নামৰ এখন সৰু গাৱত আমাৰ এখন স্কুল আছিল। তাৰ ওচৰৰে এখন সৰু গাৱলৈ মই এদিনা যাবলগীয়া হৈছিল। তাত কিছুমান তিৰোতাক লেতেৰা কাপোৰ কানি পিন্ধা দেখিলোঁ। তেওঁলোকে কিয় কাপোৰ ধুই ছাফ কৰি নলয়, তাকে সুধিবলৈ কস্তুৰীবাইক কলোঁ। কস্তুৰী বায়েও সুধিলে। এজনী তিৰোতাই তেওঁক ঘৰৰ ভিতৰলৈ নিলে। চাওক হি আহি আমাৰ কোনো বাকচ নাই, বা বস্ত্ৰ বাহানি খোৱাৰ খাপো নাই। পিন্ধাখন শাৰীৰ বাহিৰে আৰু নাই। এইখন মই কেনেকৈ ধোওঁ, আমাক এখন শাৰী দিবলৈ মহাত্মাজীক কওক, তেতিয়া হে গা ধোৱা আৰু কাপোৰ ছাফা কৰিবলৈ অঙ্গীকাৰ কৰিম।

এই পৰ্জাঘৰটোৰ একো বিশেষত্ব নাছিল—সকলোতে এই একে অৱস্থা। ভাৰতৰ গাওঁ বিলাকত সকলোতে এনে অৱস্থা। ভাৰতৰ গাওঁবিলাকত থকা পৰ্জাঘৰ বিলাকত কোটী কোটী মুনিহ তিৰোতা এইদৰেই থাকে—তাত কোনো সাজ সৰঞ্জাম নাই, কাপোৰ সলাবলৈ সুকীয়া কাপোৰ নাই, ফটাকানিবে লাজ নিবাৰণ কৰে।

আৰু এটা অভিজ্ঞতা মই লিখোঁ। চম্পাৰণত বাঁহ আৰু খেৰৰ

প্ৰভাৱ নাছিল। ভিটিহাৰ্ব গাৱৰ স্কুলঘৰটোও এইবিলাক সঁজুলিৰে সজা হৈছিল। ৰাতি কোনোবাই, বোধ কৰোঁ নীলকৰইঁতৰ কোনোবা মানুহে, এই স্কুলঘৰটোত জুই লগাই দিলে। বাঁহ আৰু খেৰেৰে আৰু এটা নতুনকৈ ঘৰ সজাটো আমাৰ মনেৰে সমীচীন বোধ নহল। ছোমন আৰু কস্তুৰী-বাইৰ তত্তাবধানত এই স্কুলখন আছিল। ছোমনে এটা পকা ঘৰ সাজিবলৈ স্থিৰ কৰিলে। আৰু তেওঁৰ সংক্ৰামক পৰিশ্ৰমৰ ফলত বহুতেই তেওঁৰ লগত সহযোগ কৰিলে আৰু সোণকালেই এটা পকা ঘৰ তৈয়াৰী হল। এতিয়া জুইলৈ আৰু ভয় নোহোৱা হল।

এইদৰে ভলন্টিয়াৰ সকলে স্কুলত ডাক্তৰ সহায় আৰু স্বাস্থ্যনীতিৰ কাম কৰি গাৱলীয়া ৰাইজৰ আস্থাভাজন হল আৰু ইয়াৰ ফলত তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে।

এটা স্থায়ী ভিত্তিৰ এই গঠনমূলক কাম কৰিবলৈ যি আশা মনত ৰাখিছিলোঁ, সেই আশা পূৰণ নহল বুলি মই বেজাৰেৰে সৈতে স্বীকাৰ কৰোঁ। ভলন্টিয়াৰ সকল অলপ দিনলৈ কাম কৰিবলৈ আহিছে। বাহিৰৰ পৰা আৰু মানুহ আনিব নোৱাৰিলো। বিহাৰতো স্থায়ীভাৱে কাম কৰিবলৈ অবৈতনিক কৰ্ম্মী পোৱা নাযায়। চম্পাৰণত মোৰ কাম শেষ হোৱাৰ লগে লগে, ইতিমধ্যে গঢ়ি তোলা এই কৰ্ম্মক্ষেত্ৰৰ পৰা আনকামে মোক আঁতৰাই নিলে। কিন্তু যি কেইমাহ চম্পাৰণত কাম কৰিলোঁ, সেই কাম শিপাবলৈ ধৰিলে আৰু এটা নহয় এটা ৰূপত ইয়াৰ প্ৰভাৱ আজিলৈকে দেখা যায়।

উনবিংশ অধ্যায়

যেতিয়া গভৰ্ণৰ ভাল হয়

আগৰ অধ্যাযত কোৱামতে সামাজিক সেৱা এফালে চলি থকাৰ লগতে আনফালে ৰাযতবিলাকৰ অভিযোগৰ বিবৃতিবিলাক লিখাৰ কাম চলি আছিল। হেজাৰে হেজাৰে এনেবিধৰ বিবৃতি লিখা হল আৰু এই বিলাকৰ একো ফলাফল নোহোৱাকৈ নাথাকে। দিনৌ এইদৰে বিবৃতি দিবলৈ অহা ৰাযতৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে নীলকৰ সকলৰ খঙ চৰিল। আৰু তেওঁলোকে এই তদন্ত কেনেকৈ বন্ধ কৰিব পাৰি তালৈকে আকাশ পাতাল কৰ্পালে।

এদিনা বিহাৰ গভৰ্ণমেন্টৰ পৰা এইমৰ্ম্মে এখন চিঠি পালেঁ—। "আপোনাৰ এই তদন্ত বৰ বেচি ৰকমে দীঘলীয়া হৈছে, এতিয়া আপুনি এই তদন্ত সোণকালে শেষ নকৰিবনে? আৰু বিহাৰ এৰি নাযাবনে?" চিঠিখন দেখাত বৰ ভদ্ৰভাষাত লিখা হৈছিল, পাচে ইযাৰ অৰ্থ স্বলম্বল পটপটকৈ ওলাই আছিল।

এই তদন্ত অলপ দীঘলীয়া হব বুলি উত্তৰত লিখিলোঁ। আৰু যেতিয়ালৈকে এই তদন্তৰ ফলত ৰায়তবিলাকৰ অভিযোগৰ প্ৰতিকাৰ নহয়, তেতিয়ালৈকে ইযাৰ পৰা যাবলৈ মোৰ অভিপ্ৰায় নাই বুলি ও লগতে জনালোঁ। ৰায়ত বিলাকৰ অভিযোগৰ সত্যতা আছে বুলি ধৰি লৈ গভৰ্ণমেন্টে ইযাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিলে এই তদন্ত সোণকালে অন্ত পৰে। নাইবা চৰকাৰে ৰায়তৰ জবানবন্দী বিলাকত এটা মোকৰ্দ্দমাৰ প্ৰমাণ আছে বুলি স্বীকাৰ কৰি তেওঁলোকে এই তদন্ত চলাব পাৰে।

ছাৰ এডৱাৰ্ড গেইট সেইসময়ত বিহাৰৰ লেফটেনান্ট গভৰ্ণৰ আছিল।

তেওঁ মোক মাতি পঠালে। এটা তদন্ত কৰিবলৈ আৰু এই তদন্ত কমিটিত মোকো লবলৈ তেওঁ ইচ্ছা প্ৰকাশ কৰিলে। এই কমিটিৰ আন কোন মেম্বৰ হব ; সেই সম্পৰ্কে তেওঁক সুধি পুছি ললোঁ। আৰু পাছত সহকৰ্ম্মী সকলৰ লগত পৰামৰ্শ কৰি এটা চৰ্ত্তত এই কমিটিত সোমাবলৈ গাত ললোঁ। এযেই চৰ্ত্ত আছিল---এই তদন্ত চলি থাকোতে মই সহকৰ্ম্মী-সকলৰ লগত আলোচনা কৰিব পাৰিম, এই কমিটিত সোমোৱা বাবে মই ৰায়তৰ আইনগত পৰামৰ্শ দিবলৈ যি দায়িত্ব গাত লৈছোঁ, সেই বিষয়ত মোৰ স্বাধীনতা গভৰ্ণমেণ্টে স্বীকাৰ কৰিব, আৰু এই তদন্তত মই সন্তুষ্ট নহলে, ভবিষ্যতলৈ মই যি কিবা উপায়লৈ তেওঁলোকক এইবিলাক অভিযোগৰ প্ৰতিকাৰ কৰিবলৈ কামত লগাবলৈ মোৰ স্বাধীনতা থাকিব।

ছাৰ এডৱাৰ্ড গেইটে মোৰ এই চৰ্ত্তটো উচিত হৈছে বুলি স্বীকাৰ কৰিলে আৰু এই তদন্তৰ কথা ঘোষণা কৰিলে। ছাৰ ফ্ৰেঙ্ক স্লাই এই কমিটিৰ চেয়াৰম্যান নিযুক্ত হল।

ৰায়তৰ সপক্ষে মতামত দিলে আৰু তিনকঠিয়া নিয়ম আইনমতে গুচাবলৈ, আৰু নীলকৰ সকলে ৰায়তৰ ওপৰত কৰা শোষণ অন্যায় আৰু বে-আইনী হৈছে বুলি সকলো টকা ঘূৰাই দিবলৈ এই কমিটীয়ে অনুমোদন কৰিলে।

এই কমিটীৰ অনুমোদনমতে মাটি সম্পৰ্কীয় আইনৰ সংস্কাৰ কৰিবলৈ যি আইনৰ আচনি কৰা হৈছিল, সেই আচনি ব্যৱস্থাপক সভাত গৃহীত কৰিব আৰু এই কমিটীয়ে যাতে একেটা মত হৈ ৰিপোৰ্ট দিয়ে, তাৰ দিহা কৰোতে ছাৰ এডৱাৰ্ড গেইটে যথেষ্ট অংশ লৈছিল। তেওঁ এটা দৃঢ়তাৰ ভাৱ নেদেখুৱা হলে আৰু এই বিষয়ত তেওঁৰ সকলো কৌশল প্ৰয়োগ নকৰা হলে এই ৰিপোৰ্টখন একে মতৰ নহল হেতেন আৰু মাটি সম্পৰ্কীয় এই

আইনৰো শুধৰনি নহলহেতেন। নীলকৰ সকলৰ অসীম ক্ষমতা আছিল। ৰিপোৰ্টত অনুমোদন কৰা স্বত্বেও এই আইনৰ এই আচনিখন ব্যৱস্থাপক সভাত গ্ৰহণ কৰাত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল, কিন্তু ছাৰ এডৱাৰ্ড গেইট ডাঠ হৈ এই কমিটিৰ অনুমোদন কামত লগালে।

তিনকঠীয়া নীতি এশবছৰৰ পৰা বিহাৰত চলি আহিছিল। এতিয়া জানিবা, ইয়াৰ অন্ত পৰিল আৰু নীলকৰ সকলৰ ৰাজৰো অন্ত হল। এই বাবে ৰায়তৰ যি দুৰবস্থা হৈছিল, এতিয়া জানিবা কিছুপৰিমাণে নিজৰ অৱস্থাৰ উন্নতি কৰিবলৈ এটা উপায় পালে আৰু বিহাৰৰ পৰা নীলৰ দাগ কেতিয়াও গুচাব পৰা নহব বুলি মানুহৰ মাজত যি এটা ভাব আছিল, সেই কুসংস্কাৰৰ শেষ হল।

স্কুল প্ৰতিষ্ঠা কৰি আৰু গাওঁবিলাকত সোমাই ৰায়তৰ মাজত কাৰ্য্যকৰী ভাবে গঠন মূলক কাম চলোৱা মোৰ ইচ্ছা আছিল। প্ৰাথমিক কাম বিলাক এতিয়া হৈছে। কিন্তু মই দেখিলোঁ যে আগে পাছ হোৱাৰ দৰে মোৰ অভিপ্ৰায় মতে কাম কৰিব নোৱাৰিলো। বিহাৰত মোৰ আঁচনিমাত কাম চলোৱাটো ভগবানৰ ইচ্ছা নহব। অদৃষ্টই মোক আন ঠাইত কামৰ দিহা কৰিবলৈ আতৰাই নিলে।

বিংশ অধ্যায়

বন্দুৰাৰ লগত সংস্পৰ্শ

মই এই কমিটিৰ কাম শেষ কৰিব ধৰিছোঁ, এনেতে শ্ৰীযুত মোহনলাল পাণ্ডে আৰু শঙ্কৰলাল পাৰিখৰ এখন চিঠি পালোঁ যে খেদাত খেতি ভাল হোৱা নাই আৰু খেতিয়ক সকলে খাজনা দিব নোৱাৰাত পৰিছে এনে

অৱস্থাত তেওঁলোকক এটা উচিত বাট দেখুৱাই নিব লাগে। স্থানীয় তদন্ত নকৰাকৈ এটা পৰামৰ্শ দিবলৈ মোৰ সাহ, নাইবা সামৰ্থ্য নাছিল আৰু তেনে কৰিবলৈ মোৰ ইচ্ছাও নাছিল।

এই সময়তে আহমদাবাদৰ বনুৱা বিলাকৰ অৱস্থা সম্পৰ্কে জনাই শ্ৰীমতী অনুসূয়া বাইৰো এখন চিঠি পালোঁ। তেওঁলোকৰ বানচ বৰ কম, বনুৱা বিলাকে এইটো বঢ়াবলৈ বহুত দিনৰপৰা যত্ন কৰি আছে। পাৰিলে এওঁলোকক বাট দেখুৱাবলৈও মোৰ ভাৱ আছিল। কিন্তু ইমান এটা সৰু কথাতো ইমান আঁতৰৰ পৰা এটা পৰামৰ্শ দিবলৈ নিজৰ ওপৰত আত্ম-বিশ্বাস নাছিল। সেইবাবে আহমদাবাদলৈ যাবলৈ সুবিধা পোৱা মাত্ৰে ললোঁ। এই দুয়োটা বিষয় সোনকালে শেষ কৰি চম্পাৰণত আৰম্ভ কৰা গঠনমূলক কাম চলাব পাৰিম বুলি আশা কৰিছিলোঁ।

কিন্তু মই ইচ্ছা কৰামতে সকলো কথা সোনকালে শেষ নহল আৰু মযো চম্পাৰণলৈ উভতি আহিব নোৱাৰিলোঁ। ইয়াৰ ফল হল যে স্কুলবিলাক এটা এটাকৈ বন্ধ হল। মই আৰু মোৰ মোৰ সহকৰ্মীসকলে আকাশত চাং পাতিছিলো, কিন্তু এতিয়া সেই আশা ভাঙিল।

গাৱলীয়া স্বাস্থ্য আৰু শিক্ষাৰ বিষয়ত কাম কৰাৰ উপৰিও চম্পাৰণত গো-সেৱাৰ কামো কৰিম বুলি আমি ভাবিছিলোঁ। মই নানান ঠাইত ফুৰোতে দেখিছো হিন্দীপ্ৰচাৰ আৰু গো-সেৱাৰ কাম মাৰোৱাৰী সকলেই কৰি আছে। বেতিয়াতে যাওঁতে এজন মাৰোৱাৰী বন্ধুৱে তেওঁৰ ধৰ্ম্ম-শালাত মোক আশ্ৰয় দিছিল। আন মাৰোৱাৰী সকলে গো-শালাত মোৰ মন আকৃষ্ট কৰিলে। সেইসময় গো-সেৱা কৰিবলৈ মোৰ ভাৱবিলাকে স্পষ্ট হব ধৰিছে, আৰু এতিয়া এই সম্পৰ্কে মোৰ ভাৱ যি, সেই সময়তো সেই একেই আছিল। গৰুৰ সঁচ ভাল কৰা, আৰু আন

আন উন্নতি কৰা, হালোৱা আৰু গাড়ী টনা গৰুবিলাক ভালমতে ৰখা, গাখীৰ আৰু গাখীৰৰ পৰা বস্তুবিলাক উৎপন্ন কৰিবলৈ আদৰ্শ অনুষ্ঠান কৰা ইত্যাদিও মোৰ মতে গো-ৰক্ষাৰ কথাবাৰত সোমাই আছে। এই বিষয়ত মাৰোৱাৰী বন্ধুসকলে সম্পূৰ্ণ সহযোগ কৰিবলৈ আশ্বাস দিলে। কিন্তু মই চম্পাৰণত থাকিব নোৱাৰিলো, সেইবাবে এই বিলাক আঁচনিমতে কাম কৰা নহল।

বেতিয়াৰ গোশালা এতিয়াও আছে কিন্তু এইখন আদৰ্শ অনুষ্ঠান হোৱা নাই। সাধ্যাতীত কাম গৰুবিলাকৰ ওপৰত জাপি দিয়া এতিয়ালৈকে চম্পাৰণত চলি আছে, তথা-কথিত হিন্দুসকলে এতিয়ালৈকে নিৰ্দ্দয়ভাৱে গৰুক মাৰি থাকে আৰু নিজৰ ধৰ্ম্মোপদেশৰ গ্লানি আনি থাকে ।

চম্পাৰণলৈ যেতিযাই যাওঁ, তেতিযাই বিহাৰী আৰু মাৰোৱাৰী বন্ধু-সকলে নম্ৰভাৱে কৰা তিৰস্কাৰ মই শুনো ; মই ইয়াত কাম কৰিম বুলি আশা মনত পুহিছিলোঁ, সেই আশা পূৰণ নোহোৱাত মনলৈ সদায় এটা বেজাৰৰ ভাৱ আহে। ইয়াত কাম কৰিবলৈ যি আচনি কৰিছিলোঁ, সেই আচনি কামত লগাব নোৱাৰাত দীঘল হুমুনিয়াহ পাৰো।

শিক্ষা বিষয়ত এটা নহয়, এটা কাম বহুতো ঠাইত হৈ আছে ; কিন্তু গো-সেৱাৰ কাম এতিয়াও শিকাব পৰা নাই, সেইবাবে যি ভাবে এই কাম কৰিবলৈ মই ভাবিছিলোঁ, সেইমতে কাম হোৱা নাই। খেদাৰ খেতিয়ক সকলৰ কথাবাৰ আলোচনা কৰি থাকোতে মই আহমদাবাদৰ বনুৱা সকলৰ কথা হাতত ললোঁ।

মই এটা জটিল অৱস্থাত পৰিলোঁ। বনুৱা বিলাকৰ অভিযোগ সঁচা। শ্ৰীমতী অনুসূয়া বাইয়ে নিজৰ ককায়েকৰ বিৰুদ্ধে যুঁজ কৰিব লগীয়া হৈছিল। তেওঁৰ ককায়েক শ্ৰীঅম্বালাল ছৰাভাই মিলমালিক সকলৰ

নেতা ; তেওঁলোকৰ লগত মোৰ বন্ধুতাৰ সম্পৰ্ক আছিল। সেইবাবে তেওঁ-লোকৰ লগত যুঁজ কৰাটো বৰ টান হৈছিল। মই তেওঁলোকৰ লগত পৰামৰ্শ হলোঁ আৰু আপোচত মীমাংসা কৰিবলৈ তেওঁলোকক অনুৰোধ কৰিলোঁ। কিন্তু তেওঁলোকে এই নীতি মানি লবলৈ অস্বীকাৰ কৰিলে।

সেইবাবে শেহত মই বনুৱা বিলাকক ধৰ্ম্মঘট কৰিবলৈ পৰামশ দিলোঁ। কিন্তু এই পৰামৰ্শ দিয়াৰ আগতে মই তেওঁলোকৰ নেতা সকলৰ লগত আৰু সকলো বনুৱাৰ লগত ভালকৈ সংস্পৰ্শত আহিলোঁ। ধৰ্ম্মঘট কৃতকাৰ্য্য কৰিবলৈ হলে, কি বিলাক কথা পালন কৰিব লাগিব সকলো বুজালোঁ।

(১) হিংসা নীতিৰ যেন আশ্ৰয় লোৱা নহয়।

(২) যি সকলে গাৰ ভাঙিব, তেওঁলোকক যেন আমনি কৰা নহয়।

(৩) ভিক্ষাৰ ওপৰত যেন নিৰ্ভৰ কৰা নহয়।

(৪) যিমান দিনলৈকে এই ধৰ্ম্মঘট চলি থাকে, সিমান দিনলৈকে ডাঠ হৈ থকা আৰু আন সজ উপায় লৈ জীবিকা উপাৰ্জন কৰা।

ধৰ্ম্মঘটকাৰী সকলৰ নেতাইঁতে এইবিলাক ছুত্ত ভালকৈ বুজিলে আৰু সেইবিলাক গ্ৰহণ কৰিলে। আৰু এখন ৰাজহুৱা সভাত তেওঁ-লোকৰ দাবী বিলাক পূৰণ নোহোৱালৈকে, নাইবা, আপোছ মীমাংসাৰ নীতি স্বীকাৰ নকৰালৈকে কামলৈ উভটি নোযোৱানো স্থিৰ কৰিলে।

এই ধৰ্ম্মঘটৰ সময়তেই মই শ্ৰীযুত বল্লভভাই পাটেল, শঙ্কৰলাল বেঙ্কাৰৰ, লগত ঘনিষ্ঠ সম্পৰ্কত আহিলোঁ। ইয়াত আগতে শ্ৰীমতী অনুসূয়া বাইক জানিবা চিনি পাইছিলোঁ।

ছুবৰমতী নৈৰ পাৰত এজোপা গছৰ চাঁত ধৰ্ম্মঘটকাৰী সকলৰ নিতৌ মিটিং হৈ আছিল। হেজাৰে হেজাৰে তেওঁলোকে এই সভাবিলাকত যোগ দিছিল। নিজৰ আত্মসম্মান আৰু শান্তি ৰক্ষা কৰিবলৈ তেওঁলোকে

যি প্ৰতিশ্ৰুতি দিছিল, সেইবিলাক সোঁৱৰাই দি সেই মতে কাম কৰাটো কৰ্ত্তব্য বুলি জনাই আছিলোঁ। তেওঁলোকে প্ৰতিদিনে নগৰৰ বাটে দি শান্তিপূৰ্ণভাৱে শোভাযাত্ৰা কৰি আছিল, শোভাযাত্ৰাত তেওঁলোকৰ নিচান আছিল "এক টেক" প্ৰতিশ্ৰুতি ৰাখিবা।

এই ধৰ্ম্মঘট ২১ দিনলৈকে চলিছিল। এই ধৰ্ম্মঘট চলি থাকোতে মিলমালিক সকলৰ লগত সময়ে সময়ে আলোচনা কৰি আছিলোঁ আৰু বনুৱা বিলাকৰ ন্যায় মীমাংসা কৰিবলৈ অনুৰোধ জনাই আছিলোঁ। তেওঁলোকেও মোক এইদৰে কৈছিল, আমি প্ৰতিশ্ৰুতি দিছোঁ—বনুৱাৰ লগত আমাৰ সম্পৰ্ক পিতৃ আৰু সন্তানৰ দৰে * * * এটা তৃতীয় পক্ষ আহি আমাৰ মাজত সোমোৱাটো আমি কেনেকৈ সহ্য কৰোঁ। আপোচ মীমাংসাৰ বাট ক'ত আছে?"

একবিংশ অধ্যায়

আশ্ৰমত ভুমুকি

এই ধৰ্ম্মঘট সম্পৰ্কে আৰু বহলাই কোৱাৰ আগতে আশ্ৰমৰ ভিতৰলৈ এবাৰ ভুমুকি মৰাটো যুগুত হব। চম্পাৰণত থকাৰ সময়ত আশ্ৰমৰ কথা মোৰ মনৰ পৰা আঁতৰা নাছিল। আৰু সময়ে সময়ে এবাৰ আহি চাই গৈছিলোঁ।

সেই সময়ত আশ্ৰম আহমদাবাদৰ ওচৰৰ এখন সৰু গাওঁ 'কোচৰাব' বোলা ঠাই খনত আছিল। এইখন গাৱঁত প্লেগ আহি দেখা দিলে। মই দেখিলোঁ যে আশ্ৰমৰ লৰাছোৱালীহঁত বিপন্ন হব পাৰে। আমাৰ চাৰিও কাষত যিদৰে অস্বাস্থ্যকৰ অৱস্থা আছিল, তাৰ মাজত থাকি আমি এই

বেমাৰৰ হাত সৰাটো টান,—লাগে আমি যিমানেই স্বাস্থ্যনীতি পালন কৰোঁ। আনফালে কোচৰাব গাওঁৰ মানুহ বিলাকক স্বাস্থ্যৰ নিয়ম বিলাক পালন কৰাত লগোৱাটোও বৰ টান কথা।

নগৰ আৰু গাৱঁৰ আঁতৰত,—অথচ কাম কৰিবলৈ সুবিধা পোৱাকৈ সিমান আঁতৰতো নহয়,—এই দৰে আশ্ৰমখন পতা আমাৰ উদ্দেশ্য আছিল। আমাৰ নিজা এডোখৰ মাটিত আশ্ৰম পাতিবলৈ আমি দৃঢ় সঙ্কল্প কৰিছিলোঁ।

কোচৰাব এৰিবলৈ প্লেগ বেমাৰেই যথেষ্ট। আহমদাবাদৰ এজন ব্যৱসায়ী লোক শ্ৰীযুত পঞ্জাব ৰাও হীৰাচান্দ্ আমাৰ আশ্ৰমৰ লগত বৰ ঘনিষ্ঠ সম্পৰ্কত আহিছিল। পবিত্ৰ নিস্বাৰ্থভাবে আমাক বহুতো কথাত তেওঁ সহায় কৰিছিল। আহমদাবাদ সম্পৰ্কে তেওঁৰ বেছ ভালকৈ জনা আছিল। তেওঁ এডোখৰ উপযুক্ত ঠাই বিচাৰি দিবলৈ গাত ললে। মাটি বিচাৰি এদিনা তেওঁৰ লগত কোচৰাবৰ উত্তৰ আৰু দক্ষিণ দুয়ো অঞ্চল চালোঁগৈ আৰু শেহত তিনি চাৰি মাইল উত্তৰত এডোখৰ মাটি দিবলৈ তেওঁক কলোঁ। তেতিয়া তেওঁ বৰ্ত্তমানৰ এই ঠাই ডোখৰ বাছি দিলে। ছবৰমতী ছেণ্ট্ৰেল জেইলৰ ওচৰত হোৱা বাবে মই এই ঠাই ডোখৰলৈ আকৃষ্ট হলোঁ। সত্যাগ্ৰহী সকলৰ কাৰণে জেইললৈ যোৱাটো এটা সাধাৰণ কথা বুলি ভাবি মই এই ঠাই ডোখৰ বাছিলোঁ। আৰু এটা কথা ভাবিছিলোঁ যে জেইল সাজিবলৈ যি ডোখৰ ঠাই লোৱা হয়, তাৰ চাৰিও কাষ নিশ্চয় ছাফ চিকুণ।

৮ আঠ দিনমানৰ ভিতৰত লিখা-পঢ়া কৰি মাটি লোৱা হল। সেই ঠাইত একো ঘৰ নাইবা ক'ৰবাত এজোপা গছ একো নাছিল। কিন্তু নৈৰ দাঁতি আৰু ইয়াৰ নিৰ্জনতা, এই দুয়োটা কথাই সুবিধাৰ আছিল। যেতিয়ালৈকে স্থায়ী ঘৰ সজাৰ দিহা নহয়, তেতিয়ালৈকে মৰাপাটৰ

থৈলাৰ দৰে কেনভাছ্ কাপোৰৰ তলত থাকি টিং পাতেৰে এটা বান্ধনি ঘৰ সাজি লৈ আমি ইয়াত থকাৰ দিহা কৰিলোঁ। এতিয়া আশ্ৰমখন লাহে লাহে বাঢ়ি আহিব ধৰিছে। এতিয়া মুনিহ তিৰোতা লৰা-ছোৱালী সকলো লৈ আমি ৪০টা প্ৰাণী তাত আছোঁ, সকলোৱে এটা বান্ধনি ঘৰতেই খাওঁ। এইঠাইলৈ সলাই অনাৰ সকলো কথা মোৰ আছিল; কিন্তু ইয়াত আশ্ৰম পতা মগনলালৰ ওপৰতেই আগৰ দৰে দিছিলোঁ। থক-মেলাৰ স্থায়ী বন্দবস্ত নোহোৱালৈকে আমাৰ তাত বৰ অসুবিধা হৈছিল। বৰষুণাযা বতৰ আহিব ধৰিছে, ৪ মাইল আঁতৰৰ নগৰৰ পৰা সকলো বস্তু আনিব লাগে। ঠাইডোখৰ এখন মুকলি পথাৰ, বহুতো সাপৰে ভৰি আছে, সৰু সৰু লৰাছোৱালী লৈ এনে এটা অৱস্থাত থকাটো কম বিপদৰ কথা নাছিল। সাধাৰণতে আমাৰ নিযম আছিল যে সাপ মাৰিব নোৱাৰি—অৱশ্যে মই স্বীকাৰ কৰিব লাগিব যে আমি কোনেও সাপৰ ভয় গুচাব পৰা নাছিলোঁ, আজিলৈকেও পৰা নাই। বিষাক্ত সাপ হলেও নমৰা নিয়মটো ফিনিক্সত টলষ্টয় ফাৰ্ম আৰু ছাবৰমতী আশ্ৰমত থকাৰ সময়ৰে পৰা লোৱা হৈছিল। এইবিলাক ঠাইতে মুকলি পথাৰত আমি আশ্ৰম পাতিছিলোঁ। কিন্তু সাপৰ বিষত কোনো মানুহ মৰা ঘটনা হোৱা নাই। ভক্তি-ভাৱৰ দৃষ্টিভঙ্গীত মই ভাবোঁ যে এইটো ভগবানৰ করুণা। ভগবান কেতিযাও পক্ষপাতী হব নোৱাৰে আৰু মানুহৰ এই বিলাক কথাত হস্তক্ষেপ কৰিবলৈ সময় নাই ইত্যাদি বুলি কোনেও যেন যুক্তি নিদিয়ে। মোৰ জীৱনত সদায় এই একে দৰে অভিজ্ঞতা হৈ আহিছে ইয়াৰ বিবৰণ দিবলৈ মোৰ আন একো ভাষা নাই। ভগবানে কিদৰে কাম কৰে সেইটো মানুহে নিজৰ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰে। ভগবানৰ কথাবোৰ অবৰ্ণনীয আৰু অবোধ্য। নশ্বৰ মানুহে ভগবানৰ কথা বিলাকৰ বৰ্ণনা দিবলৈ সাহ কৰিলে নিজৰ অস্পষ্ট ভাষাৰ বাহিৰে

আন একো উপায় নাই। যোৱা ২৫ বছৰ মই প্ৰায় একেৰাহে অহিংসাৰ সাধনা কৰি আহিছোঁ; এইবাবেই মই সকলো বিপদৰ হাত সাৰি আহিছোঁ। এইটো এটা আকস্মিক ঘটনা নহয়, মোৰ এনে এটা বিশ্বাস আকস্মিক ঘটনা নহয়, ই ভগবানৰ কৰুণা—এই বিশ্বাসক কোনোবাই কুসংস্কাৰ বুলি ভাবিলেও মই এই বিশ্বাসকেই আকোৱালি থাকিম।

মিল বনুৱা সকলৰ ধৰ্ম্মঘট চলি থাকোতে আশ্ৰমৰ তাঁতশাল ঘৰটোৰ ভিত্তি স্থাপন কৰা হল। সেই সময়ত আশ্ৰমৰ প্ৰধান কাম আছিল কাপোৰ বোৱা। সূত-কটা তেতিয়ালৈকে আমাৰ কাৰণে সম্ভৱ হোৱা নাছিল।

দ্বাবিংশ অধ্যায়

অনশন

প্ৰথম দুসপ্তাহলৈকে মিল বনুৱা সকলে আত্ম-সংযম আৰু ৰব সাহ দেখুৱালে; তেওঁলোকে দিনৌ ডাঙৰ মিটিং পাতিব। এই মিটিং বিলাকত মই তেওঁলোকক তেওঁলোকে আগতে দিয়া প্ৰতিশ্ৰুতি বিলাক সোঁৱৰাই দিওঁ। আৰু সেই সময়ত তেওঁলোকে চিঞৰি জনাৰ যে তেওঁলোকে নিজৰ প্ৰতিশ্ৰুতি ভঙাতকৈ নিজৰ জীৱন দিব।

কিন্তু তাৰ পাছত তেওঁলোকৰ মাজত এটা অবসাদৰ চিন দেখিলোঁ। শাৰীৰিক দুৰ্ব্বলতা হলে মানুহে যেনেকৈ অলপতে জ্বলি-পকি উঠে, সেই দৰে এওঁলোকেও অলপতে খং দেখুৱা হল। যিবিলাকে মাৰ ভাঙি কামলৈ

যোৱাত লাগিল, তেওঁলোকলৈ এটা খণ্ডৰ ভাৱ হল আৰু যিমানেই ধৰ্ম্মঘট অলপ ঢিলা হবলৈ ধৰিলে সিমানেই এই খং বাঢ়িবলৈ ধৰিল। দিনৌ যি বিলাক বিৰাট সভা পতা হৈ আছিল, সেই বিলাকলৈকো কমকৈ অহা হল। তেওঁলোকৰ মাজত উপদ্ৰবৰ আদি হোৱাৰ মোৰ আশঙ্কা হল। যি বিলাক সভালৈ নহা, হল তেওঁলোকৰ মাজত নৈৰাশ্য আৰু অৱসাদৰ ভাৱ আছিল। অৱশেষত মই খবৰ পালোঁ যে তেওঁলোকে এতিয়া ধৰ্ম্মঘট ঢিলাই দিযাৰ কথা ভাবিব ধৰিছে। এই কথাষাৰত মই বৰ বেজাৰ পালোঁ। আৰু এনে এটা অৱস্থাত মোৰ কি কৰ্ত্তব্য, তাকো ভাবিবলৈ ধৰিলোঁ। দক্ষিণ আফ্ৰিকাত ইযাতকৈও ডাঙৰ ধৰ্ম্মঘটৰ অভিজ্ঞতা আছে, কিন্তু ইযাত মই যি অৱস্থাৰ সন্মুখীন হব লগীযা হৈছে, সেইটো সম্পূৰ্ণ বেলেগ। মিলবনুৱা সকলে মোৰ কথামতে প্ৰতিশ্ৰুতি দিছে, প্ৰতিদিনে মোৰ ওচৰত এই প্ৰতিজ্ঞাৰ পুনৰ আবৃত্তি কৰিছে। এতিযা সেই প্ৰতিশ্ৰুতিৰ পৰা আঁতৰি যাব এই কথাষাৰ মোৰ বাবে অচিন্তনীয আছিল। এইটো মোৰ অহঙ্কাৰ নে, বনুৱা সকললৈ মোৰ মৰমেই, নে সত্যলৈ মোৰ প্ৰগাঢ় ভক্তি থকাৰ বাবেই মনলৈ এই ভাৱ আহিছিল। এই কথাষাৰ কোনে কব পাৰে?

এদিনা ৰাতিপুৱা মিল-বনুৱা সকলৰ মিটিং হৈ আছে, মযো কোন বাট লম কব নোৱাৰি এন্ধাৰত খেপিযাই ফুৰাৰ দৰে ফুৰিছোঁ—এনেতে মই পোহৰ দেখা পালোঁ। মই সেই সভাত অকস্মাতে মোৰ মুখৰ পৰা ওলাল—"ধৰ্ম্মঘটকাৰী বনুৱা সকলে মীমাংসা নোহোৱালৈকে এই ধৰ্ম্ম-ঘটত যোগ দি নাথাকিলে, নাইবা একেবাৰে কাম এৰি গুচি নোযোৱালৈকে মই অনশন কৰিম।"

বনুৱাসকলৰ মূৰত বজ্ৰ পৰাৰ দৰে পৰিল। অনুসূয়া বেনৰ গালেদি চকুলো বব ধৰিলে। বনুৱা সকলে চিঞৰি উঠিল—"আপুনি নহয়,

আমিহে অনশন কৰিম। আপুনি এইদৰে অনশন কৰাটো ডাঙৰ কথা হব। বিপথগামী হোৱাৰ বাবে আমাক ক্ষমা কৰক। আমি যি প্ৰতিশ্ৰুতি দিছোঁ—সেই প্ৰতিশ্ৰুতি শেহলৈকে পালন কৰিম।"

মই উত্তৰ দিলোঁ "তোমালোকে অনশন কৰাৰ প্ৰয়োজন নাই, তোমালোকে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পাৰিলেই হব। তোমালোকে জানা যে আমাৰ হাতত ধন নাই আৰু আমি ৰাইজৰ পৰা বৰঙণি তুলি ধৰ্ম্মঘট ৰক্ষা কৰিব নিবিচাৰোঁ। কিবা কাম কৰি কোনোমতে জীয়াই থাকিবলৈ যত্ন কৰিব পাৰা আৰু যিমান দিনলৈকে এই ধৰ্ম্মঘট চলি থাকে, তালৈ মন নিদিয়াকৈ থাকিব পাৰা। যেতিয়া এই ধৰ্ম্মঘটৰ মীমাংসা হব, মই তেতিয়াহে এই অনশনৰ অন্ত পেলাম।"

ইতিমধ্যে বল্লভভায়ে মিউনিছিপেলিটিৰ তলত কামৰ দিহা কৰিবলৈ যত্ন কৰি আছিল; কিন্তু সেইপিনেও কৃতকাৰ্য্যতাৰ আশা বৰ কম আছিল। মগনলালে ও প্ৰস্তাৱ কৰিলে—বোৱা-কটা বিদ্যালয়টো সাজিবলৈ ভেটিৰ বাবে আমাক বালি লাগে, তাতো কিছুমানক লগাব পাৰি। বনুৱা সকলে এই প্ৰস্তাৱ সাদৰি ললে। অনুসূয়াবেনেও মূৰত এটা পাছী লৈ বাট দেখুৱালে আৰু ততালিকে লেঠাৰী নিছিগাকৈ এটা সাৰী নৈৰ পৰা বালিৰ পাছী অনাত লাগিল। এই দৃশ্যটো চাব লগীয়া হৈছিল। বনুৱা সকলে এটা নতুন শক্তি পোৱাদি পালে। আৰু তেওঁলোকক বানছ দিয়া কৰ্ত্তব্য পালন কৰাটো টান হৈ উঠিল।

মোৰ অনশনত এটা ডাঙৰ দোষ নথকাকৈ নাছিল। মই আগতেই এটা অধ্যায়ত লিখিছোঁ যে মিল-মালিক সকলৰ লগত মোৰ ভাল সম্পৰ্ক আছিল। এতিয়া মোৰ অনশনে তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। সত্যাগ্ৰহী হিছাপে মই জানিছিলোঁ যে মই তেওঁলোকৰ বিৰুদ্ধে অনশন কৰাটো উচিত নহব, বৰঞ্চ মিলবনুৱা সকলৰ প্ৰভাৱতেই তেওঁ

লোকক কাম কৰিবলৈ দিয়াটো যুগুত। মই অনশন কৰিবলৈ লোৱাৰ কাৰণ আছিল, বনুৱা সকলৰ দুৰ্ব্বলতাৰ বাবে। কিন্তু বনুৱা সকলৰ দুৰ্ব্বলতাৰ বাবে তেওঁলোকৰ প্ৰতিনিধি হিছাপে মযো দায়ী আছিলোঁ। মিল-মালিক সকলক মই বুজাই কব পাৰোঁ। কিন্তু তেওঁলোকৰ বিপক্ষে অনশন কৰাটো ভীতিপ্ৰদৰ্শন হে হব। মোৰ এই ধৰ্ম্মঘটে তেওঁলোকৰ ওপৰত অনুচিত প্ৰভাৱ কৰিব বুলি জনা স্বত্বেও মই এই অনশন ব্ৰত নোলোৱাকৈ থকা নাছিলোঁ। এই ব্ৰত লোৱাৰ কৰ্ত্তব্য মোৰ ওচৰত ভালকৈ পৰিস্ফুট হল।

এই সম্পৰ্কে মিলমালিক সকলক বুজনি দিবলৈ ধৰিলোঁ। "আপোনালোকে যিটো স্থিৰ কৰিছে তাৰপৰা এখোজো আঁতৰ হব নালাগে" বুলি তেওঁলোকক কলোঁ। কিন্তু তেওঁলোকে মোৰ কথাষাৰ ভালকৈ গ্ৰহণ নকৰিলে—বৰঞ্চ কিছুমানে বিদ্ৰূপ নকৰাকৈ থকা নাছিল—তেওঁলোকে ভাবিছিল এইদৰে কৰাটোত তেওঁলোকৰ অধিকাৰ আছে।

মিলমালিক সকলৰ এনে অবিচলিতভাৱৰ গুৰিত আছিল ছেঠ অম্বালাল; তেওঁৰ দৃঢ়ভাৱ আৰু ফটফটীয়া সৰলতা বৰ আচৰিত আছিল, আৰু তেওঁৰ এইভাৱে মোক মুগ্ধ কৰিলে। তেওঁৰ বিপক্ষে যুজত নমাটোত এটা আনন্দ আছে। মোৰ অনশনে বিৰোধী সকলৰ মনত যি প্ৰভাৱ বিস্তাৰ কৰিছে, তাকে দেখি মই অন্তৰত বেজাৰ পালোঁ আৰু তেওঁৰ গৃহিণী সৰলাদেবীও মোৰ আপোন ভনীৰ দৰে মোলৈ অনুৰক্ত আছিল। আৰু মোৰ এই কামে তেওঁৰ অন্তৰত যি প্ৰভাৱ বিস্তাৰ কৰিব ধৰিছে সেইটো মই সহিব নোৱাৰিলোঁ।

অনুসূয়াবেন আৰু কেইজন বন্ধু আৰু কেইজনমান বনুৱায়ো মোৰ লগতে প্ৰথম দিনা অনশন কৰিছিল। কিন্তু তেওঁলোকক বহুতো বুজনি দিয়াৰ পাছত তেওঁলোকক এই কামৰ পৰা বিৰত কৰাব পাৰিলোঁ।

ইয়াৰ ফল হল যে দুয়ো পক্ষৰ মাজত এটা ভাল ভাব হল। মিল-মালিক সকলৰ অন্তৰো কুমলিল আৰু কেনেকৈ এই বিৰোধৰ মীমাংসা কৰিব পাৰি, তাৰ বাবে বাট উলিয়াত তেওঁলোক লাগিল। অনুসূয়া বেনৰ ঘৰতেই তেওঁলোকে আলোচনা কৰিবলৈ ধৰিলে। শ্ৰীযুত আনন্দ-শঙ্কৰ ধ্ৰুব মাজতে সোমালহি আৰু তেওঁক আপোচ কৰোৱাত লগোৱা হল। মই তিনিদিন অনশনে থকাৰ পাছত ধৰ্ম্মঘট তুলি লোৱা হল। মিলমালিক সকলে বনুৱা সকলৰ মাজত মিঠৈ বিলাই দি এই দিনটোৰ সোৱৰণি কৰিলে। আৰু এইদৰে ২১ দিনীয়া ধৰ্ম্মঘটৰ মীমাংসা হল।

এই মীমাংসা উৎসৱ হিচাপে পালনকৰা সভাত মিলমালিক সকল আৰু কমিশ্যনাৰো উপস্থিত আছিল। এই সভাত তেওঁ মিল বনুৱা সকলক এইদৰে উপদেশ দিলে---"তোমালোকে গান্ধীজিৰ উপদেশমতে চলিবা।" এই ঘটনাৰ ঠিক অলপদিনৰ পাছতেই মই এওঁৰ লগত যুজলৈ নামিব লগীয়া হৈছিল। কিন্তু অৱস্থাৰ পৰিবৰ্ত্তন হৈছিল আৰু এই পৰিবৰ্ত্তনৰ লগতে তেওঁৰো পৰিবৰ্ত্তন হৈছিল। তেওঁ তেতিয়া খেদাৰ পাটিল সকলক মোৰ উপদেশমতে নচলিবলৈ সতৰ্ক কৰি দিছিল।

যিদৰে আমোদপ্ৰদ সেইদৰে বেজাৰ লগা এটা ঘটনা নিলিখাকৈ মই এই অধ্যায়টো শেষ নকৰোঁ। কথাষাৰ হৈছিল মিঠৈ বিলোৱা লৈ। মিলমালিক সকলে বৰ বেছিকৈ মিঠৈ অনাইছিল। আৰু ইমান বিলাক বনুৱাৰ মাজত বিলাই দিয়াটোও এটা সমস্যা হৈছিল। এইটো স্থিৰ হল যে নৈৰ পাৰৰ যি জোপা ডাঙৰ গছৰ তলত সদায় সভা পতা হৈছিল, তাত সকলোকে গোটাই লৈ বিলোৱা হব—এইঠাইৰ বাহিৰে আনঠাইত ইমানখিনি মানুহক লগ লগোৱাও টান আছিল।

যিবিলাক মানুহে এই ২১ দিন ধৈৰ্য্য ধৰি আছিল, সেইসকলে এটা

শৃঙ্খলা ৰক্ষা কৰিব পাৰিব আৰু মিঠৈ বিলাওতে হেঁছা ঠেলা নকৰিব বুলি মই ভাবিছিলোঁ। কিন্তু কামত দেখা গল যে বিলাবলৈ যিবিলাক উপায় লোৱা হৈছিল, সকলো বিফল হল। এক দুই মিনিটমান বিলোৱাৰ পাছত তেওঁলোকৰ সাৰী ভাগে—প্ৰতিবাৰেই তেওঁলোকৰ সাৰী পতা হয়, প্ৰতিবাৰেই এইদৰে সাৰী ভাগে। বনুৱা সকলৰ নেতা সকলে শৃঙ্খলা ৰক্ষা কৰিবলৈ যিমান চেষ্টা কৰে সকলো বিফল হয়। মানুহৰ মাজত বিশৃঙ্খলা—ঠেলা-হেঁচা ইমান বেছি হল যে শেহত ভালেখিনি বস্তু মানুহৰ ভৰিৰ হেচঁাত নষ্ট হল। আৰু মুকলিকৈ এইদৰে বিলোৱাটো এৰি দিব লগীয়া হল। বৰ কষ্টেৰে অৱশিষ্ট থকা মিঠৈখিনি ছেঠ অম্বালাৰ মিজাপুৰবঙলালৈ নিবপৰা হল। তাৰ পাছ দিনা জানিবা কোনো বিঘিনি নোহোৱাকৈ মিঠৈ বিলাৰ পৰা হল।

এইঘটনাৰ হাঁহি উঠা অংশটো সকলোৱে বুজিব ; কিন্তু ইয়াত বেজাৰ লগা অংশটো নিলিখাকৈ নোৱাৰোঁ। পাছত অনুসন্ধান কৰি জানিব পৰা গল যে আহমদাবাদৰ মগনীয়া সকলে কেনেবাকৈ খবৰ পালে যে 'এক-টেক গছৰ তলত মিঠৈ বিলোৱা হব , সেইখবৰ পাই সিহঁতে হেজাৰে হেজাৰে তালৈ গৈছিল, আৰু মিঠৈৰভাগ পাবলৈ হেঁছা ঠেলা কৰি বিশৃঙ্খলাৰ সৃষ্টি কৰিছিল।

আমাৰ দেশ যি দাৰিদ্ৰ্য আৰু খাবলৈ নোপোৱা অৱস্থাত থাকিব লগীয়া হৈছে, আৰু মগনীয়া সংখ্যা বছৰে বছৰে বাঢ়ি যাব ধৰিছে, এনে এটা অৱস্থাত জীবিকাৰ বাবে তেওঁলোকে কঠোৰ সংগ্ৰাম কৰিব লগীয়া হলেও তেওঁলোকৰ আত্মসম্মানবোধ নোহোৱা হয়। আৰু আমাৰ দাতা সকলে তেওঁলোকে যাতে কাম কৰি জীৱিকা উপাৰ্জন কৰিব পাৰে তালৈ মন নিদি অলপ ভিক্ষা দিয়ে।

ত্ৰিবিংশ অধ্যায়

খেদা সত্যাগ্ৰহ

উশাহ লবলৈ সময় পাম বুলি ভাবিছিলো---কিন্তু মোৰ ভাগ্যত সেইটো নাছিল। আহমদাবাদৰ মিলবনুৱাৰ ধৰ্ম্মঘট শেষ হৈছে মাথোন, এনেতে খেদা সত্যাগ্ৰহত নামিব লগীয়া হল। ব্যপকভাৱে খেতি নোহোৱাত খেদা জিলাত দুৰ্ভিক্ষৰ অৱস্থা হোৱা দি হৈছে। খেদাৰ পাতিদাৰ সকলে খাজানা মাফ্ দিয়াবৰ কথা ভাবি আছে। শ্ৰীযুত অমৃতলাল ঠক্কৰে নিজে এই সম্পৰ্কে তদন্ত কৰি মোক সকলো কথা জনালে আৰু মই খেতিয়ক সকলক এটা পৰামৰ্শ দিয়াৰ আগতে কমিশানাৰৰ লগত আলোচনা কৰিলে। মোহনলাল পাণ্ডে আৰু শঙ্কৰলাল পাৰিখেও এই যুজত নামিছে , আৰু ভিখলবাই পাটেল আৰু স্বৰ্গীয় গোকুলদাস কাহানদাস পাৰেখৰ জৰীয়তে বোম্বে ব্যৱস্থাপক সভাতো এই সম্পৰ্কে আলোচনা কৰাইছে। এই সূত্ৰত গভৰ্ণৰ ওচৰলৈ ডেপুটেশ্যনো দিয়া হৈছে।

এই সময়ত মই গুজৰাট সভাৰ সভাপতি। এই সভাই আবেদন দাখিল কৰিলে, গভৰ্ণমেণ্টলৈ টেলিগ্ৰাম আদি পঠাই খেদাৰ অৱস্থা জনালে আৰু আন কি কমিশ্যনাৰৰ ডাবি ধমকি আৰু অপমানো সহি থাকিল। এই সময়ত চৰকাৰী কৰ্ম্মচাৰী সকলৰ আচৰণ এইদৰে হাঁহি উঠা আৰু অসম্মানজনক আছিল যে এতিয়া এনেকথা কোনেও বিশ্বাস নকৰিব। খেতিয়ক সকলৰ দাবী দিনৰ পোহৰৰ দৰে পৰিষ্কাৰ আছিল। আৰু তেওঁলোকে এনে দাবী কৰা নাছিল, যে সেইবিলাকত মান্তি হব নোৱাৰি। 'লেণ্ড ৰেভিনিউ ৰুল' মতে খেতি চাৰি অনা বা তাতোকৈ কম হলে খেতিয়ক সকলে খাজানা মাফ ৰিচাৰিব পাৰে। চৰকাৰী হিছাপ-

মতে খেতি চাৰি অনাতকৈ বেছি হৈছে। আনফালে ৰায়ত সকলে দাবী কৰিছে যে খেতি চাৰি অনাতকৈ কম হৈছে। কিন্তু ৰায়তৰ কথালৈ কাণ দিয়াটো গভৰ্ণমেণ্টে নাভাবিলে আৰু মীমাংসাৰ বাবে দাবী কৰাটো এটা চেলু বুলি ভাবিলে। যেতিয়া দৰ্খাস্ত দিয়া, ডেপুটেশ্যন দিয়া ইত্যাদি সকলো উপায় বিফল হল, তেতিয়া মই সহকৰ্ম্মীসকলৰ লগত আলোচনা কৰি পাতিদাৰ সকলক সত্যাগ্ৰহৰ পৰামৰ্শ দিলোঁ। খেদাৰ স্বয়ং সেৱকৰ দলটোৰ বাহিৰেও সেই যুজত শ্ৰীযুত বল্লভভাই পাটেল, শঙ্কৰলাল বেঙ্কাৰ, শ্ৰীমতী অনুসূয়াবেন শ্ৰীযুত ইন্দুলাল যাগনিক, মহাদেৱ দেশাই ইত্যাদি লোকসকল মোৰ প্ৰধান সহকৰ্ম্মী আছিল। এই যুজত যোগ দিয়াত শ্ৰীযুত বল্লভভাই পাটেলে তেওঁৰ ওকালতীৰ যি বহল ব্যৱসায় আছিল, সকলো এৰিব লগা হল আৰু ইয়াৰ পাছতো তেওঁ এই ব্যৱসায় পুনৰ লব নোৱাৰিলে। নাদীয়াদ অনাথ আশ্ৰমত আমি আমাৰ প্ৰধান কেন্দ্ৰ পাতিলোঁ ; কাৰণ ইয়াৰ বাহিৰে আনঠাইত আমাৰ ইমানখিনি মানুহক ঠাই দিয়াটো সম্ভৱ নাছিল। সত্যাগ্ৰহীসকলে এইদৰে এখন প্ৰতিশ্ৰুতি পত্ৰত চহী কৰিব লগীয়া হৈছিল :—

"আমাৰ গাৱত চাৰি অনাত কৈ কম খেতি হোৱা বুলি জানি আমি অহা বছৰলৈকে খাজানা মাফ দিবলৈ অনুৰোধ জনাইছিলোঁ। কিন্তু গভৰ্ণমেণ্টে আমাৰ কথালৈ মন নিদিলে। সেইবাবে আমি তলত চহী দিয়া লোক সকলে ঘোষণা কৰিছোঁ যে আমি নিজৰ স্বইচ্ছাৰে পূৰাকৈ, নাইবা, অংশতও গভৰ্ণমেন্টক খাজনা নিদিও। গভৰ্ণমেণ্টে আইনমতে যি উপায় লোৱাটো উচিত বুলি ভাবে তাকে লবলৈ দি আমি খাজানা নিদিয়া বাবে যি নিৰ্য্যাতন ভোগ কৰিব লগা হয় সকলো সহিম। আমাৰ মাটি বাজেয়াপ্ত হলেও আমাৰ কথাবিলাক মিছা বুলি কবলৈ, নাইবা আত্মসম্মান নষ্ট কৰি আমি খাজানা নিদিওঁ। যদি গভৰ্ণমেণ্টে গোটেই জিলাত

খাজানাৰ দ্বিতীয় কিস্তি তোলাটো স্থগিত ৰাখে, আমাৰ ভিতৰত যি সকলে পূৰাকৈ নাইৰা, অংশতঃ খাজানা দিব পাৰে, তেওঁলোকে তেওঁলোকৰ দিবলগীয়া অংশটো দিব। যিসকলে দিব পৰা স্বত্বেও খাজনা দিয়াটো বন্ধ কৰিছে ইয়াৰ কাৰণ হৈছে যে দুখীয়া খেতিয়ক সকলে নিজৰ মাটি বাৰী আৰু হালোৱা গৰু বেচি হলেও খাজানা দিব আৰু এইদৰে নিজক অশেষ দুৰ্গতিত পেলাব, তাকে বন্ধ কৰা। এনে অৱস্থাত আমি ভাবোঁ যে দুখীয়া সকলক ৰক্ষা কৰিবলৈ সামৰ্থ্যবান সকলেও খাজানা দিয়াটো বন্ধ কৰিব লাগে।" এই সংগ্ৰামৰ বিৱৰণ দিয়াত মই কেইবাটাও অধ্যায় লিখিব নোৱাৰোঁ। এই সম্পৰ্কে যিবিলাক মধুৰ স্মৃতি আছে, সকলো বিলাক একে লগে বৰ্ণাৰ লাগিব। যি সকলে এই সত্যাগ্ৰহ সম্পৰ্কে বিশদৰূপে আৰু গভীৰকৈ জানিবলৈ বিচাৰে, তেওঁলোকে কাঠৈ।।ৰ শ্ৰীযুত শঙ্কৰলাল পাৰিখে লিখা খেদা সত্যাগ্ৰহৰ প্ৰকৃত আচল বুৰঞ্জীখন পঢ়িব।

চতুৰ্বিংশ অধ্যায়

পিয়াজ চোৰ

চম্পাৰণ ভাৰতবৰ্ষৰ এটা চুকত, আৰু বাতৰি-কাকতবিলাকক আঁতৰাই ৰখা হোৱাত, বাহিৰৰ দৰ্শক সকল অহা নাছিল। কিন্তু খেদা অভিযানত তেনে হোৱাটো সম্ভৱপৰ নাছিল। দিনৰ বাতৰি দিনে বাতৰি কাকত বিলাকত প্ৰকাশ হবলৈ ধৰিলে। গুজৰাটি সকলে এই সংগ্ৰামৰ বাতৰি ভালকৈ ৰাখিব ধৰিলে, এই এটা নতুন পৰীক্ষা ; সেইবাবে তেওঁ-লোকৰ স্বাৰ্থৰ সম্পৰ্ক আছে। এই সংগ্ৰামত জয়ৰ কাৰণে তেওঁলোকে ধন দিবলৈ সাজু ; কেৱল ধনেৰেই যে সত্যাগ্ৰহ চলাব নোৱাৰি সেইটো

বুজা তেওঁলোকৰ পক্ষে সহজ নাছিল। ইয়াৰ বাবে ধনৰ বিশেষ প্ৰয়োজন নাই। মই আপত্তি কৰা স্বত্বেও বোম্বেৰ সদাগৰ সকলে আমাৰ প্ৰয়োজনতকৈ সৰহ ধন দিবলৈ ধৰিলে আৰু শেহত এই সত্যাগ্ৰহৰ অন্ত হোৱাত আমাৰ হাতত কিছু টকা উদ্বৃত্ত থাকিল। সত্যাগ্ৰহৰ স্বয়ংসেৱক সকলেও আড়ম্বৰহীনতাৰো শিক্ষা পালে। তেওঁলোকে যে পূৰাকৈ এইখিনি শিক্ষা লব পাৰিছিল বুলি মই কব নোৱাৰোঁ। কিন্তু তেওঁলোকে জীৱনৰ আও-ভাও যথেষ্ট সলালে।

পাতিদাৰ খেতিয়ক সকলৰ বাবেও এইটো এটা নতুন ঘটনা হল। সত্যাগ্ৰহৰ নীতি বুজাই আমি গাৱে গাৱে ফুৰিব লগা হৈছিল। খেতিয়ক সকলৰ মনৰ পৰা চৰকাৰী কৰ্ম্মচাৰী সকললৈ থকা ভয়ৰ ভাৱটো গুচোৱা আৰু তেওঁলোক যে প্ৰভু নহয়, তেওঁলোক ৰাইজৰ দাস, এনে এটা ভাৱ জগোৱা এয়েই আমাৰ প্ৰধান কাম আছিল। তেওঁলোকে ৰাইজে দিয়া খাজানাৰ পৰাই দৰমহা পায়। কিন্তু এই কথাখিনি বুজোৱা অসম্ভৱ আছিল। ভয়-শূন্যতাৰ লগত ভদ্ৰতাকো লগ লগাব পাৰি, এনে এটা ভাৱ অনাটো বৰ কঠিন কাম আছিল। এবাৰ তেওঁলোকৰ মনৰ পৰা ভয়ৰ ভাৱটো গুচাব পাৰিলে, তেওঁলোকে অপমানৰ প্ৰত্যুত্তৰ নিদিয়াকৈ কেনেকৈ থাকে? যদি অভদ্ৰ আচৰণ আৰম্ভ কৰে, তেন্তে গাখীৰত এফোটা 'আৰ্ছেনিক' বিষ পৰাৰ দৰে সত্যাগ্ৰহ নষ্ট হব। মই পাছত দেখিলোঁ যে তেওঁ মই আশা কৰাতকৈ কম কৈ ভদ্ৰ আচৰণৰ শিকিব পাৰিলে। অভিজ্ঞতাৰ পৰা বুজিছোঁ যে সত্যাগ্ৰহত ভদ্ৰ আচৰণ শিক্ষা দিয়াটোৱেই বৰ টান কাম। সেই সময়ত কথা-বতৰাত বাহ্যিক ভদ্ৰতা দেখুৱাটোৱেই ভদ্ৰতা বুলি মই নধৰোঁ। অন্তৰৰ পৰা স্বভাৱতে অহা বিনয়, আৰু বিপক্ষদলৰ হিত কৰা এনে এটা ভাৱেই হৈছে ভদ্ৰতা। সত্যাগ্ৰহীৰ সকলো আচৰণত এনে এটা ভাৱ প্ৰকাশ হব লাগে।

পিয়াজ চোৰ

আৰম্ভনিৰ অৱস্থাত লোকসকলে যথেষ্ট সাহ দেখুৱালেও গভৰ্ণমেণ্টে কঠোৰ নীতি লবলৈ ভাৱ কৰা নাছিল। কিন্তু ৰাইজৰ মনোভাৱ ঢিলা হোৱাৰ লক্ষণ নেদেখি গভৰ্ণমেণ্টে ভয় দেখুৱা নীতি লবলৈ ধৰিলে। ক্ৰোক দিয়া কৰ্ম্মচাৰী সকলে খেতিয়কৰ গৰু ক্ৰোক কৰি বেচিবলৈ ধৰিলে। যি অস্থাবৰ বস্তু পায় তাকে ক্ৰোক কৰিবলৈ ধৰিলে। জৰিমনাৰ নোটিছ্ জাৰী কৰা হল। আৰু কিছুমান ক্ষেত্ৰত পথাৰত থকা শস্যও জব্দ কৰা হল। এইবিলাকত খেতিয়ক সকল বিচলিত হল। কিছুমানে তেওঁ লোকৰ দিব লগীয়া অংশ দিলে আৰু আন হাতে কিছুমান অস্থাবৰ সম্পত্তি নিৰাপদ ঠাইলৈ স্থানান্তৰিত কৰিবলৈ ধৰিলে, যাতে বিষয়া সকলে ক্ৰোক কৰিব নোৱাৰে। আনহাতে আকৌ কিছুমান একোলৈ ভ্ৰূক্ষেপ নকৰি শেহলৈকে যুঁজ কৰিবলৈ সঙ্কল্প কৰিলে। এই বিলাক কথা হৈ থাকোতে শ্ৰীযুত শঙ্কৰলাল পাৰেখৰ তলতীয়া বাযত এজনে দিবলগীয়া খাজানা শোধ কৰিলে। এই কথাষাৰত এটা চাঞ্চল্য উপস্থিত হল। শ্ৰীযুত শঙ্কৰ লালেও যি ডোখৰ মাটিৰ বাবে খাজনা দিয়া হল, সেই ডোখৰ মাটি ৰাজহুৱা অনুষ্ঠানৰ বাবে দান দি ইয়াৰ প্ৰতিকাৰ ততালিকে কৰিলে। এইদৰে তেওঁ সন্মান ৰক্ষা কৰিলে আৰু এটা সজ দৃষ্টান্ত দেখুৱালৈ।

যিবিলাকে ভয় খাইছে তেওঁলোকৰ অন্তৰত সাহ আনিবলৈ মোৰ মনেৰে অন্যায় কৰি খাজনা বহুৱা এখন পথাৰৰ পৰা পিয়াঁজৰ খেতি চপাবলৈ ৰাইজক পৰামৰ্শ দিলোঁ। তেওঁলোকে শ্ৰীমোহনলাল পাণ্ডেৰ তলত কাম কৰিব লাগিব। এইটো আইনভঙ্গ বুলি মই ধৰা নাছিলোঁ, আৰু আইনভঙ্গ হলেও পিয়াজৰ খেতি জব্দ কৰাটো আইনমতে হলেও মই ভাবিছিলোঁ এইটো নৈতিকতাৰ ফালৰ পৰা অন্যায় হৈছে। লোকৰ সম্পত্তি লুট কৰাৰ দৰেই এইটো হব, সেই বাবে মই পৰামৰ্শ দিলোঁ যে জব্দ কৰাৰ হুকুম সত্ত্বেও পথাৰৰ পৰা পিয়াজ চপোৱাটো ৰাইজৰ কৰ্ত্তব্য হব।

এইদৰে আইনভঙ্গ কৰিলে, জৰিমনা নাইবা কাৰাদণ্ডতো হ'বই। আৰু এই বিলাক নির্য্যাতন বৰণ কৰিবলৈ শিক্ষা পোৱাত ৰাইজেও এটা ডাঙৰ সুবিধা পাইছিল। শ্রীমোহনলাল পাণ্ডেৰ বাবে এইটো তেওঁ বিচৰা কামৰ দৰে হ'ল। সত্যাগ্রহত নির্য্যাতন একো বৰণ নকৰাকৈ এই আন্দোলন শেষ হোৱাটো তেওঁ বিচৰা নাছিল। সেই বাবে পথাৰৰ পৰা পিযাজৰ খেতি চপাবলৈ আগ বাঢ়িল আৰু তেওঁৰ লগত আৰু ৭।৮ জন লোক লগ লাগিল।

গভর্ণমেণ্টে তেওঁলোকক নধৰাকৈ এৰিব নোৱাৰে। শ্রীমোহন-লাল আৰু তেওঁৰ সহকৰ্ম্মী সকলক গ্রেপ্তাৰ কৰাত ৰাইজৰ উৎসাহ বাঢ়িল।জেইললৈ যোৱা ভয় গুচিল। দমননীতিয়ে মানুহৰ মনলৈ সাহ আনে। বিচাৰৰ দিনা হেজাৰে হেজাৰে মানুহ গৈ আদালত ভৰি পৰিল। পাণ্ডে আৰু তেওঁৰ সহকৰ্ম্মী সকলক অলপ দিনলৈ কাৰাদণ্ড দিয়া হ'ল। এই দণ্ড মোৰ মনেৰে অন্যায় হৈছিল; কাৰণ পেনাল কোডৰ মতে চুৰ কৰা সজ্ঞাত ভিতৰত এইটো কথা নোসোমায়। কিন্তু এই বিচাৰৰ বিৰুদ্ধে আপীল কৰা নহ'ল, কাৰণ আদালতলৈ নোযোৱাই আমাৰ নীতি আছিল। এটা সমদলে তেওঁলোকক জেইলত থৈ আহিল। আৰু সেইদিনা মোহন লালে ৰাইজৰ পৰা 'দুংলিচোৰ' (পিয়াজ চোৰ) উপাধি পালে। খেদা সত্যাগ্রহৰ সমাপ্তিৰ কথা ইয়াৰ পাছৰ অধ্যায়ত লিখিম।

পঞ্চবিংশ অধ্যায়

খেদা সত্যাগ্ৰহৰ সমাপ্তি।

অপ্ৰত্যাশিতভাৱে এই সত্যাগ্ৰহৰ অন্ত পৰিল। ৰাইজৰ ভাগৰি পৰা স্পষ্টকৈ দেখা গল—যি সকলে এতিয়ালৈকে সৈমান নোহোৱাকৈ এই অভিযান চলাই আছে, তেওঁলোকক ধ্বংস হবলৈ দিবলৈ মোৰ দ্বিধা-বোধ হৈছিল। সত্যাগ্ৰহীয়ে গ্ৰহণ কৰিব পৰামতে এই আন্দোলনটোৰ এটা ভাল সমাপ্তিৰ বাবে চাই আছিলোঁ। নদীয়াদ তালুকৰ মামলতদাৰে মোলৈ খবৰ পঠালে যে ধনী পাতিদাৰ সকলে যদি খাজানা দি দিয়ে, তেন্তে দুখীয়া সকলক মাফ দিয়া হব। মই তেওঁলোকৰ এটা লিখা বিচাৰিলোঁ—তেওঁলোকে এইখিনি কথা লিখি দিলে। কিন্তু মামলতদাৰ কেৱল তেওঁৰ তালুকৰ বাবেহে দায়ী হব পাৰে। মামলতদাৰে দিয়া প্ৰতিশ্ৰুতিৰ কিবা ভিত্তি আছে নে নাই জিলাৰ কলেক্টৰে সুধি পঠালোঁ—কাৰণ গোটেই জিলাৰ হৈ কেৱল তেওঁয়েই হে কব পাৰে। তেওঁ জনালে যে মামলতদাৰে দিয়া প্ৰতিশ্ৰুতি মতে নোটিছ জাৰী কৰা হৈছে। মই এই সম্পৰ্কে জনা নাছিলোঁ। কথাষাৰ সচা হলে, ৰাইজে দিয়া প্ৰতিশ্ৰুতি পূৰণ হৈছে। বোধ কৰোঁ পাঠক সকলৰ মনত আছে যে প্ৰতিশ্ৰুতিতো আমাৰ সেই একে উদ্দেশ্য আছিল। সেই কাৰণে এনে আদেশত আমি সন্তুষ্ট হলোঁ।

কিন্তু এই সত্যাগ্ৰহ যিদৰে অন্ত হল, তাত মই আনন্দ বোধ কৰা নাছিলোঁ। সত্যাগ্ৰহ আন্দোলন যিদৰে শেষ হব লাগে, এইটো সেইদৰে হোৱা নাছিল। কলেক্টৰে আমাৰ লগত কিবা এটা মীমাংসা কৰা হৈছে এনে কোনো ভাব নেদেখুৱাই, তেওঁৰ নিজৰ কাম কৰি যাবলৈ ধৰিলে। দুখীয়া বিলাকে মাফ পাব লগীয়া আছিল, কিন্তু তেওঁলোকেও একো সুবিধা নাপালে।

কাক দুখীয়া বুলি ধৰা হব, এইটো বাছি দিযাৰ অধিকাৰ আছিল ৰাইজৰ ; কিন্তু তেওঁলোকে এই অধিকাৰ প্ৰযোগ কৰিব নোৱাৰিলে। তেওঁলোকৰ এই অধিকাৰ প্ৰযোগ কৰিবৰ শক্তি নথকা দেখি মই বেজাৰ পালোঁ। যদিও সত্যাগ্ৰহৰ জয হৈছে বুলি আমি উৎসৱ কৰিলোঁ, তথাপিও পূৰাপূৰি আমাৰ জয হৈছে বুলি ধৰিব নোৱাৰি মই আনন্দৰ উদ্যম অনুভৱ কৰা নাছিলোঁ। আৰম্ভ কৰোতে যি মানসিক অৱস্থা থাকে, সত্যাগ্ৰহৰ অন্তত তাতকৈ শক্তিশালী, তাতকৈ বেছি উদ্যম-পূৰ্ণ মনোভাবৰ সৃষ্টি হলেহে সত্যাগ্ৰহৰ জয বুলি ধৰিব পাৰি।

পৰোক্ষভাবে যেঁ এই আন্দোলনৰ ফল ভাল হোৱা নাই বুলি মই নকওঁ। ইযাৰ ভাল ফলবিলাক এতিযাহে দেখা গৈছে ; আৰু ইযাৰ পৰা এতিযাহে আমি লাভবান হৈছোঁ। গুজৰাটৰ খেতিযক সকলৰ জাগৰণৰ সূচনা খেদা সত্যাগ্ৰহতেই হৈছিল ; প্ৰকৃত ৰাজনৈতিক শিক্ষাৰ ইযাতেই আৰম্ভ হল।

ডাক্তৰ বেছান্তে হোমৰুলৰ বাবে যি আন্দোলন চলাইছিল, সেই আন্দোলনে খেতিযক সকলক স্পৰ্শ কৰিছে, কিন্তু খেতিযকৰ প্ৰকৃত জীৱনৰ লগত সম্পৰ্ক কৰিবলৈ খেদা সত্যাগ্ৰহৰ শিক্ষিত ৰাজহুৱা কৰ্ম্মীসকলক বাধ্য কৰালে। তেওঁলোকে খেতিয়কৰ লগত এক হবলৈ শিকিলে ; তেওঁলোকে কৰ্ম্মক্ষেত্ৰৰ সন্ধান পালে আৰু ইযাৰ ফলত ত্যাগৰ ক্ষমতা বাঢ়িল। এই অভিযানত বল্লভভাইযে নিজৰ চিনাকী পালে, সেইটো কম ডাঙৰ কথা নহয। যোৱা বছৰ বান পানীত আতুৰ হোৱা লোক সকলৰ সেৱাত আৰু বৰদৌলী সত্যাগ্ৰহত এই কথাষাৰ আমি উপলব্ধি কৰিব পাৰিলোঁ। গুজৰাটৰ ৰাজহুৱা জীৱনত এটা নতুন উদ্যম, এটা নতুন প্ৰাণ আহিল। পাতিদাৰ খেতিযকে কেতিযাও পাহৰিব নোৱাৰাকৈ নিজৰ শক্তি বুজি পালে। ৰাইজৰ মুক্তি নিৰ্ভৰ কৰিছে

ৰাইজৰ নিজৰ শক্তিৰ ওপৰত, সকলো নিৰ্য্যাতন সহিবপৰা শক্তিৰ ওপৰত, তেওঁলোকৰ ত্যাগৰ ক্ষমতাৰ ওপৰত, এই শিক্ষা ৰাইজৰ মনত দকৈ বহিল। খেদা অভিযানৰ ফলত গুজৰাটত সত্যাগ্ৰহৰ শিপা দকৈ সোমাল।

যিদৰে সত্যাগ্ৰহৰ অন্ত পৰিল, তাৰ পৰা মই আনন্দ নাপালেও খেদা সত্যাগ্ৰহত খেতিয়ক সকল আনন্দত অধীৰ হল। কাৰণ তেওঁলোকে যিমান খিনি চেষ্টা কৰিছে, তাৰ জোখাৰে ফল পাইছে বুলি তেওঁলোকে বুজিলে। আৰু নিজৰ অভিযোগৰ প্ৰতিকাৰ কৰিবলৈ প্ৰকৃত আৰু অভ্ৰান্ত উপায় তেওঁলোকে বিচাৰি পালে। এই বোধ হোৱাত তেওঁলোকৰ আনন্দৰ যুক্তিযুক্তিতা আছে। তথাপিও খেদাৰ খেতিয়ক সকলে সত্যাগ্ৰহৰ অন্তৰ্নিহিত তাৎপৰ্য্যৰ কথা পূৰাকৈ বুজিব পৰা নাই। পাছতহে বহুতো ক্ষতি স্বীকাৰ কৰি তেওঁলোকে ইয়াৰ তাৎপৰ্য্য বুজি পালে। ইয়াৰ পাছৰ অধ্যায বিলাকত এই সম্পৰ্কে আলোচনা কৰিম।

ষড়বিংশ অধ্যায়

একতাৰ বাবে আগ্ৰহ।

যুৰোপত ভীষণ যুদ্ধ চলি থাকোতে খেদা অভিযান আৰম্ভ কৰা হৈছিল। এতিয়া এই যুদ্ধত এটা সঙ্কটজনক অৱস্থা হলহি। এতিয়া ভাইছ্ৰয়ে দিল্লীত এখন সম্মিলন পাতি সকলো ৰাজনৈতিক দলৰ নেতাক মাতি পঠালে। এই সম্মিলনত যোগ দিবলৈ মোকো কোৱা হল। লৰ্ড চেমছ্‌ফোৰ্ড আৰু মোৰ লগত যি সৌহাৰ্দ্য আছিল, তাৰ কথা আগতেই উল্লেখ কৰিছোঁ।

নিমন্ত্ৰণ পাই ময়ো দিল্লীলৈ গলোঁ। এই সম্মিলনত অৱশ্যে যোগ দিবলৈ মোৰ আপত্তি আছিল। প্ৰধান আপত্তি হৈছিল এই সম্মিলনলৈ আলি ভ্ৰাতৃদ্বয়ক নমতাটো। তেওঁলোকক তেতিয়া জেইলত বন্দী কৰি ৰখা হৈছিল। তেওঁলোকৰ কথা বহুতো শুনিলেও, তেতিয়ালৈকে এবাৰ কি দুবাৰহে তেওঁলোকৰ লগ পাইছিলোঁ। তেওঁলোকৰ সাহ আৰু তেওঁলোকৰ জন-সেৱাৰ কথা সকলোৱেই প্ৰশংসা কৰিছিল। তেতিয়ালৈকে হাকিম ছাহেবৰ লগত ঘনিষ্ঠ সম্পৰ্কত অহা নাছিলোঁ। কিন্তু প্ৰিন্সিপাল ৰুদ্ৰ আৰু দীনবন্ধু এনণ্ড্ৰুজে তেওঁক সলাগি মোক বহুতো কথা জনাইছিল। কলিকতাত বহা মুছলীম লীগত মই জানিবা ছুয়েব কুৰেশী আৰু মিঃ খাজাক লগ পাইছিলোঁ। আবদুৰ ৰহমান আৰু ডাক্তৰ আনছাৰীৰ লগত জানিবা মই এটা সম্পৰ্কত তেতিয়া আহিছোঁ। ভাল ভাল মুছলমান নেতাৰ লগত কেনেকৈ মিত্ৰতা পাতো, তাকে মই যত্ন কৰি আছিলোঁ। পবিত্ৰ আৰু স্বদেশপ্ৰেমিক নেতা সকলৰ পৰা তেওঁলোকৰ মনৰ কথা বুজিবলৈ মই বৰ উদগ্ৰীব হৈ আছিলোঁ। তেওঁলোকৰ লগত এটা ঘনিষ্ঠ সম্পৰ্কত আহিবলৈ তেওঁলোকে মোক য'লৈকে মাতিছিল, তালৈকে যাবলৈ মোক বেছি অনুৰোধ কৰিব লগা হোৱা নাছিল। দক্ষিণ আফ্ৰিকাত থকাৰে পৰা মই জানিছিলোঁ যে হিন্দু আৰু মুছলমানৰ মাজত প্ৰকৃত বন্ধুতাৰ সম্পৰ্ক নাছিল। হিন্দু আৰু মুছলমানৰ মাজত যাতে একতা স্থাপন হয়, তাৰ বাবে প্ৰতিবন্ধক থাকিলে তাক আতৰাবলৈ সকলো সুবিধা মই লৈছিলোঁ। আত্মসম্মানত আঘাত কৰি, নাইবা অযথা প্ৰশংসা কৰি কোনোবা এটা দলক ভালৰি বোলোৱা মোৰ প্ৰকৃতিবিৰুদ্ধ আছিল। কিন্তু দক্ষিণ আফ্ৰিকাৰ অভিজ্ঞতাই মোৰ মনলৈ এটা দৃঢ় বিশ্বাস আনিছিল যে হিন্দু মুছলমানৰ মিলনৰ সমস্যাতেই মোৰ অহিংসাৰ অগ্নি-পৰীক্ষা হব আৰু অহিংসাৰ পৰীক্ষা কৰিবলৈ

ইয়াতেই ব্যপক কাৰ্য্যক্ষেত্ৰ পোৱা হব। ভগবানে মোক এই পৰীক্ষা কৰিবলৈ আগ বঢ়াইছে, এই কথাষাৰ জীৱনৰ প্ৰতি মুহূৰ্ত্ততে মই উপলব্ধি কৰি আছোঁ।

দক্ষিণ আফ্ৰিকাৰ পৰা উভতি আহি এই কথাষাৰ সম্পৰ্কে এটা দৃঢ় বিশ্বাস থকাত আলি-ভ্ৰাতৃৰ লগত সম্পৰ্কত আহিবলৈ মই উদগ্ৰীৱ আছিলোঁ। কিন্তু মই এটা ঘনিষ্ঠ সম্পৰ্কত আহিবৰ আগতে তেওঁলোকক আঁতৰাই নিয়া হল। চিন্দৱানা আৰু বেটুল জেইলৰ পৰা জেইলাৰৰ অনুমতি লৈ মৌলানা মহম্মদ আলিয়ে মোলৈ চিঠি লিখি আছিল। তেওঁলোকক দেখা কৰিবলৈ অনুমতি বিচাৰিলোঁ। কিন্তু মোৰ আবেদন গ্ৰাহ্য কৰা নহল।

আলি ভ্ৰাতৃদ্বয়ৰ জেইল হোৱাৰ পাছত মুছলমান বন্ধুসকলে কলিকতাত বহা মুছলিম লীগৰ সম্মিলনলৈ মোক নিমন্ত্ৰণ জনালে। আলি ভ্ৰাতৃৰ মুক্তিৰ বাবে মুছলমানসকলে যত্ন কৰা উচিত বুলি তেওঁলোকক বক্তৃতাত কলোঁ। ইয়াৰ কিছুদিন পাছত আলিগড়ৰ মুছলিম কলেজলৈ এই বন্ধু-কেইজনে মোক নিলে। তাত মই ডেকাসকলক ফকীৰ হৈ দেশসেৱাত লাগিবলৈ মই কলোঁ।

ইয়াৰ পাছত আলি ভ্ৰাতৃৰ মুক্তিৰ বাবে লিখালিখি কৰাত লাগিলোঁ। এই লগতে খিলাফত সম্পৰ্কে তেওঁলোকৰ মতামত আৰু এই সম্পৰ্কে কৰা কাৰ্য্যাৱলী মই বুজাত লাগিলো। মুছলমান বন্ধুসকলৰ লগত মোৰ আলোচনাদি হৈ আছিল। মই মুছলমানৰ প্ৰকৃত বন্ধু হলে আলি ভ্ৰাতৃৰ মুক্তিৰ বাবে আৰু খিলাফত সমস্যাৰ উচিত সমাধানত যত্ন কৰিব লাগিব— এইটো মই অনুভৱ কৰিলোঁ। এই দাবীৰ ভিতৰত কিবা নীতিবিৰুদ্ধ কথা নাথাকিলে এই সমস্যাৰ গুণাগুণ সম্পৰ্কে আলোচনা কৰা প্ৰয়োজন বোধ কৰা নাছিলোঁ। ধৰ্ম্মবিশ্বাসত মানুহৰ মতভেদ আছে আৰু প্ৰত্যেকই

নিজৰ ধৰ্ম্ম ওখ বুলি ভাবে। ধৰ্ম্মৰ সকলো বিষয়ত যদি সকলোৰে একেটা-মত হল হেতেন তেন্তে জগতত এটা ধৰ্ম্ম হল হেতেন। সময়ৰ লগে লগে মই দেখিলোঁ যে মুছলমান সকলৰ দাবী কেৱল যে নীতিসঙ্গত সেইটো নহয়, ব্ৰিটিংশ প্ৰধান মন্ত্ৰীয়েও এই দাবীৰ ন্যায়পৰায়ণতা স্বীকাৰ কৰিছিল। প্ৰধান মন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি কাৰ্য্যত যাতে হয়, তাৰবাবে চেষ্টা কৰা মোৰ কৰ্ত্তব্য বুলি বোধ হৈছিল। মোৰ নিজৰ বিবেকক সন্তুষ্ট কৰিবলৈ মুছলিম দাবীৰ যি পৰীক্ষাৰ প্ৰয়োজন, তাৰ জোখাই স্পষ্ট ভাষাত প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে। খিলাফত সমস্যা সম্পৰ্কে মোৰ মনোভাৱ বন্ধু আৰু সমালোচক সকলে সমালোচনা কৰিছে। এই বিলাক সমালো-চনা কৰা স্বত্বেও মোৰ মতামত সলনি কৰিবলৈ, নাইবা মুছলমান সকলৰ লগত সহযোগ কৰাবাবে বেজাৰ কৰিবলৈ একো কাৰণ মই দেখা নাই। ভৱিষ্যতলৈ এনে এটা ঘটনা হলেও মই ঠিক এই মনোভাৱ জানিম।

সেইবাবে দিল্লীলৈ যোৱাত মুছলমান সকলৰ দাবীৰ কথা ভাইছৰয়ক পুৰাপুৰিকৈ জনাবলৈ মই ইচ্ছা কৰিলোঁ। ইয়াৰ পাছত খিলাফত সমস্যা যিদৰে গুৰুতৰ হৈছিল, সেইদৰে সেইসময়ত হোৱা নাছিল।

কিন্তু দিল্লী পোৱাৰ পাছত এই সম্মিলনত যোগ দিয়া লৈ মোৰ সমুখত আৰু এটা বিঘিনি উপস্থিত হল। যুদ্ধৰ সম্মিলনত মই যোগ দিয়া লৈ দীনবন্ধু এণ্ড্ৰুজে নীতিগত আপত্তি কৰিলে। ইংলণ্ড আৰু ইটালীৰ ভিতৰত হোৱা গোপন-চুক্তি লৈ ব্ৰিটিংশ বাতৰি কাকতবিলাকত যি আলোচনা চলি আছিল, তাৰ কথা তেওঁ মোক কলে। য়ুৰোপৰ আৰু এটা শক্তিৰ লগত যদি ইংলণ্ড গোপন-চুক্তিত আবদ্ধ থাকে, তেন্তে মই এই সম্মিলনত যোগ দিও কেনেকৈ? মই এই গোপন চুক্তি বিলাকৰ কথা একো জনা নাছিলোঁ। দীনবন্ধু এণ্ড্ৰুজৰ কথাই মোৰ বাবে যথেষ্ট আছিল। এই সম্মিলনত যোগ দিবলৈ মোৰ মনলৈ যি দ্বিধা হৈছে, সকলো জনাই লৰ্ড

চেমছফোৰ্ডলৈ এখন চিঠি লিখিলোঁ। এই প্ৰশ্নটো তেওঁৰ লগত আলোচনা কৰিবলৈ মোক মাতি পঠালে। তেওঁৰ আৰু তেওঁৰ প্ৰাইভেট ছেক্ৰেটাৰী মিঃ মাফীৰ লগত মোৰ দীঘলীয়া আলোচনা হল। আৰু ইয়াৰ ফলত মই এই সম্মিলনত যোগ দিয়াটো স্থিৰ কৰিলো। ভাইছৰয়ৰ যুক্তি এইদৰে আছিল :—"ব্ৰিটিংশ কেবিনেটে কি কৰিছে, নকৰিছে সেইটো ভাইছৰয়ৰ জনা বুলি আপুনি নিশ্চয় বিশ্বাস নকৰে। ব্ৰিটিংশ গভৰ্ণমেন্ট যে অভ্ৰান্ত সেই কথাষাৰ মই নকওঁ আৰু কোনেও এনে কথা নকয়। আপুনি যদি ভাবে যে ব্ৰিটিংশৰ সংস্পৰ্শত আহি ভাৰতৰ ভাল হৈছে আৰু ব্ৰিটিংশ শক্তি মুঠতে মঙ্গলদায়ক বুলি যদি আপোনাৰ মত হয়, তেন্তে প্ৰত্যেক ভাৰতীয় নাগৰিকে সাম্ৰাজ্যৰ প্ৰয়োজনৰ সময়ত সহায় কৰাটো উচিত হব বুলি আপুনি নাভাবেনে? এই গোপন চুক্তি বিলাকৰ সম্পৰ্কে ব্ৰিটিংশ কাকত বিলাকত কি লিখিছে সেই বিলাক মযো পঢ়িছোঁ। এইবিলাক কাকতে লিখা কথা বিলাকৰ সম্পৰ্কে মই একো নাজানো, এই খিনি মই ডাঠি কওঁ। আপুনি জানেই বাতৰি কাকতত বহুতো সময়ত নানান্ কথা প্ৰকাশিত হয় আৰু তাৰ কিছুমান ভিত্তিহীন। আপুনি বাতৰি কাকতৰ এটা বাতৰিত ওপৰত নিৰ্ভৰ কৰি এই সঙ্কটজনক সময়ত সহযোগ কৰাৰ পৰ আঁতৰি থাকিব নে? যুদ্ধৰ শেহত নীতিগত কথা লৈ আপুনি যি মন যায়, উত্থাপন কৰিব পাৰে আৰু আমাৰ কথাৰ প্ৰতিবাদ কৰিব পাৰে, কিন্তু আজি এনে কথা নুতুলিব। এই যুক্তি মোৰ বাবে নতুন নাছিল। যিদৰে আৰু যিমুহূৰ্ত্তত এনেকথা মোৰ সমুখত উত্থাপিত কৰা হৈছে, তালৈ চাই কথাষাৰ নতুন যেন লাগিল। আৰু মই সম্মিলনত যোগ দিয়া স্থিৰ কৰিলোঁ। আৰু মুছলিম দাবীৰ সম্পৰ্কে ভাইছৰয়লৈ এখন চিঠি লিখা হল।

সপ্তবিংশ অধ্যায়

সৈন্য সংগ্ৰহৰ অভিযান

এইদৰে মই এই সম্মিলনত যোগ দিলোঁ। ৰিক্ৰুইট সংগ্ৰহ কৰা প্ৰস্তাৱত মই সমৰ্থন কৰাটো ভাইছৰয়ে বৰকৈ বিচাৰিলে। মই হিন্দী হিন্দুস্থানীত বক্তৃতা দিবলৈ অনুমতি বিচাৰিলোঁ। ভাইছৰয়ে মোৰ অনুৰোধত মান্তি হল। কিন্তু এই লগতে কলে যেন মই কোৱা কথা বিলাক পুনৰ ইংৰাজীত কওঁ। বক্তৃতা দিবলৈ মোৰ একো নাছিল। এষাৰ কথা মই এই দৰে কলোঁ---"সম্পূৰ্ণতে দায়িত্ব বোধ কৰি মই এই প্ৰস্তাৱ সমৰ্থন কৰিছোঁ।"

হিন্দুস্থানীত কোৱা বাবে বহুতেই মোক শলাগিলে। এনেএখন সভাত হিন্দুস্থানীত কোৱা স্মৰণাতীত কালৰ ভিতৰত এয়ে প্ৰথম। এই বিলাক সলাগণিত আৰু মযেই যে পোণ প্ৰথমতে ভাইছৰয়ৰ সভাত হিন্দুস্থানীত কোৱাত প্ৰথম বুলি জনাত মোৰ জাতীয় অহঙ্কাৰত আঘাত পৰিল। মই যেন নিজৰ ভিতৰত কোঁচ খালোঁ। নিজৰ দেশত বহা এখন সভাত নিজৰ দেশৰ ভাষা হিন্দুস্থানীত কোৱা নিষেধ হব আৰু মোৰ দৰে এজন নগণ্য মানুহে হিন্দুস্থানীত কোৱাবাবে সলাগনি পাব—ইযাতকৈ কি ডাঙৰ বেজাৰৰ কথা হব পাৰে? এনে বিলাক ঘটনাই মোক পুনৰ সোঁৱৰাই দিলে আমি যে কিমান তলত পৰি আছোঁ।

মই যে ইয়াত এষাৰ কথা কলোঁ, এই কথাষাৰৰ যথেষ্ট তাৎপৰ্য্য আছিল। এই সম্মিলন আৰু মই সমৰ্থন কৰা প্ৰস্তাৱ এইদুয়োটা কথা মই পাহৰা অসম্ভৱ হল। দিল্লীত থাকোতে মোৰ আৰু এটা কাম

কৰিব লগীয়া আছিল। ভাইছৰয়লৈ এখন চিঠি লিখিব লগা আছিল। এইটো মোৰ বাবে বৰ সহজ কথা নাছিল। গভৰ্ণমেন্ট আৰু ৰাইজ—দুয়ো ফালৰ স্বাৰ্থলৈ চাই মই এই সম্মিলনত কিয় আৰু কেনেকৈ যোগ দিব লগীয়া হল আৰু ৰাইজে গভৰ্ণমেন্টৰ পৰা কি বিচাৰে, সকলো কথা বুজাই চিঠি এখন লিখা মোৰ কৰ্ত্তব্য বুলি বোধ হল।

এই চিঠিখনত এই সম্মিলনত লোকমান্য তিলক আৰু আলি ভ্ৰাতৃৰ দৰে নেতা সকলক বাদ দিয়াত মই দুখ প্ৰকাশ কৰিলোঁ আৰু ৰাইজৰ সৰাতকৈ নিম্নতম দাবী, আৰু সামৰিক অৱস্থাৰ পৰা সৃষ্টি হোৱা মুছলমান সকলৰ দাবী সকলো কথা এই চিঠিত জনালোঁ। এই চিঠিখন প্ৰকাশ কৰিবলৈ অনুমতি বিচাৰিলোঁ আৰু তেৰো সানন্দে তেনে অনুমতি দিলে। এই চিঠিখন ছিমলালৈ পঠাব লাগিব। সম্মিলন শেষ হোৱাৰ লগে লগে তেওঁ ছিমলালৈ গল। মোৰ বাবে এই চিঠিখনৰ যথেষ্ট গুৰুত্বপূৰ্ণ আছিল। আৰু ডাকত পঠালে তেওঁ পোৱাত পলম হব। কম সময়ত যাতে তেওঁ পায়, তাকো বিচাৰোঁ আৰু আন ফালে যেই সেই মানুহৰ হাততো পঠাব নিবিচাৰোঁ। এজন পৱিত্ৰ মানুহ বিচাৰিছিলো যি গৈ হাতে হাতে ভাইছৰয়ক এই চিঠিখন দি আহিব। দীনবন্ধু এণ্ড্ৰুজ আৰু প্ৰিন্সিপাল ৰুদ্ৰই কেম্ব্ৰিজ মিশ্যনৰ ৰেভাৰেণ্ড আযাৰল্যণ্ডৰ নামটো উত্থাপন কৰিলে। তেওঁ চিঠিখন পঢ়ি চিঠিখন ভাল বুলি ভাবিলেহে যাবলৈ মান্তি হব। তেওঁ চিঠিখন পঢ়ি চালে আৰু লিখা পঢ়ি সন্তুষ্ট হৈ এই কামৰ দায়িত্ব ললে। মই তেওঁক দ্বিতীয় শ্ৰেণীৰ ভাড়া যাচিলোঁ, কিন্তু তেওঁ সদায় ইন্টাৰক্লাছত ফুৰে বুলি দ্বিতীয় শ্ৰেণীৰ ভাৰা লবলৈ মান্তি নহল। ৰাতিৰ ট্ৰেইনত যাবলগীয়া হোৱাতো তেওঁ এইদৰে কৰিছিল। তেওঁৰ স্পষ্টবাদিতা আৰু সৰল পোনপটীয়া স্বভাৱত মই মুগ্ধ হলোঁ। এজন পৱিত্ৰ মনৰ মানুহৰ জৰীয়তে চিঠিখন পঠোৱাত মোৰ

অভিপ্ৰেত ফল হল বুলি মই ভাবিলোঁ। মোৰ মন ছাফ হল আৰু বাটো মুকলি হল।

"এতিয়া মোৰ দায়িত্বৰ আন অংশটো হৈছে 'ৰিক্ৰুইট' সংগ্ৰহ কৰা। খেদাৰ বাহিৰে আন কোন ঠাইত মই এই কাম আৰম্ভ কৰিব পাৰোঁ? আৰু মোৰ সহকৰ্ম্মী সকলৰ বাহিৰে আন কাক মই প্ৰথম ৰিক্ৰুইট হবলৈ মাতিব পাৰোঁ? সেইবাবে নদীয়াদ পোৱামাত্ৰে বল্লভভাই আৰু অন্যান্য বন্ধুৰ লগত কথা হলো। তেওঁলোকৰ কেইজনমানে বৰ সহজে মোৰ প্ৰস্তাৱটো গ্ৰহণ কৰিব নোৱাৰিলে। যিবিলাকে প্ৰস্তাৱটোত মত দিলে, তেওঁলোকৰো ইয়াৰ কৃতকাৰ্য্যতাত সন্দেহ আছিল। যিবিলাকৰ মাজত মই গোহাৰি জনাম, সেই শ্ৰেণীৰ লোকৰ আৰু গভৰ্ণমেন্টৰ মাজত এটা মিলা-প্ৰীতিৰ বন্ধন নাছিল। ছৰকাৰী কৰ্ম্মচাৰী সকলৰ সম্পৰ্কে যি কঠোৰ অভিজ্ঞতা তেওঁলোকৰ হৈছিল, সেই বিলাক এতিয়াও তেওঁলোকৰ মনত সতেজ হৈ আছে। তথাপিও তেওঁলোকে কাম আৰম্ভ কৰাৰ পক্ষে আছিল। কাম আৰম্ভ কৰাৰ লগে লগে মোৰ চকু মুকলি হল। যি আশা লৈ কামত নামিছিলো, সেই আশাত আঘাত পৰিল। সত্যাগ্ৰহৰ অভিযানত মানুহে যানবাহন আদি বিনা ভাৰাত আমাক দিছিল আৰু যি ঠাইত এজন সেৱক লাগে, সেই ঠাইত দুজন সেৱক পাওঁ কিন্তু এতিয়া দেখিলোঁ ভলন্টিয়াৰ পোৱাতো দূৰৰ কথা ভাৰাতো গাৰী পোৱা টান। কিন্তু আমি ইমানতো নিৰাশ হোৱা নাছিলোঁ। গাড়ীৰ ব্যৱহাৰ এৰি খোজ কাঢ়ি ফুৰাই আমি স্থিৰ কৰিলোঁ। এইদৰে আমি দিনৌ প্ৰায় ২০ মাইল বাট খোজ কাঢ়িব লগা হৈছিল। যত গাড়ী পোৱা টান তাত মানুহে আমাক খাবলৈ বৰলৈ দিহা কৰি থব এনে আশা কৰাই ভুল। আৰু খোৱা বস্তু বিচৰাও অনুচিত। সেইকাৰণে আমি এইটো থিৰ কৰিলোঁ যে প্ৰত্যেক জন ভলন্টিয়াৰে নিজৰ খোৱা বস্তু মোনাত নিব। সেই সময়ত জহকালি দেখি বিছনাৰ বিশেষ

প্ৰয়োজন নাছিল। য'লৈকে যাওঁ ততে সভা পাতোঁ। মানুহ সভালৈ আহে কিন্তু এজন কি দুজন ৰিক্ৰুইট হবলৈ আগ বাঢ়ে। "আপুনি অহিংস-মনা লোক, আপুনি কেনেকৈ আমাক অস্ত্ৰ-শস্ত্ৰ লবলৈ কয়? আমাৰ সহযোগ পাবলৈ গভৰ্ণমেণ্টে ভাৰতবৰ্ষৰ বাইজৰ কাৰণে নো কি কৰিছে?" এনে বিধৰ প্ৰশ্নাদি আমাক সোধা হৈছিল। যিয়েই হওক, আমি ধৈৰ্য্য ধৰি কাম চলাব ধৰিলোঁ—আৰু ইয়াৰ ফলো হবলৈ ধৰিলে। কিছুমান মানুহে নিজৰ নাম ভৰ্ত্তি কৰিলে আৰু আমি ভাবিলোঁ যে প্ৰথম দলটো পঠাব পাৰিলে নিয়মিতৰূপে মানুহ আহিব ধৰিব। মই ইতিমধ্যে কমিশ্যনাৰৰ লগত কথা হৈ আছোঁ, ক ত ৰিক্ৰুইট বিলাকক থাকিবলৈ দিয়া হব। প্ৰতিবিভাগতেই কমিশ্যনাৰ সকলে দিল্লীৰ নমুনাত সম্মিলন পতাত লাগিছিল। গুজৰাটতো এনে এখন সম্মিলন বহে। সহকৰ্ম্মী সকলেৰে সৈতে মোকো তালৈ মতা হল। আমি যোগ দিলোঁ, কিন্তু এনেবিধৰ সভাত মই যোগ দিয়াৰ প্ৰয়োজন কি ইত্যাদি প্ৰশ্ন দিল্লীতকৈও বেছিকৈ মোৰ মনলৈ আহিবলৈ ধৰিলে। দাস-মনোবৃত্তিৰে সকলো কথা মানি লোৱা বতৰৰ মাজত এটা অশান্তি বোধ কৰিলোঁ। মই অলপ দীঘলীয়াকৈ কলোঁ—চৰকাৰী কৰ্ম্মচাৰী সকলৰ মন যোগোৱাকৈ মই একো কব পৰা নাছিলোঁ। বৰঞ্চ দুটা এটা কথা টানেই হৈছিল।

ৰিক্ৰুইট হবলৈ গোহাৰি জনাই প্ৰচাৰ পত্ৰ ৰাইজৰ মাজত বিলাই থাকোঁ। এটা মোৰ যুক্তি গভৰ্ণমেণ্টে ভাল পোৱা নাছিল। "ব্ৰিটিংশা শাসনে ভাৰতবৰ্ষত যিবিলাক অন্যায় কৰিছে, তাৰ ভিতৰত সমগ্ৰ জাতি এটাক অস্ত্ৰ-শস্ত্ৰৰ পৰা বঞ্চিত কৰা কথাষাৰ বুৰঞ্জীয়ে সদায় জঘন্য কাম হৈছে বুলি কব। আমি যদি অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ শিকিব বিচাৰোঁ, এয়ে হৈছে সোণালি সুযোগ। যদি মধ্যবিত্ত শ্ৰেণীয়ে ব্ৰিটিংশৰ এই শঙ্কটৰ সময়ত সহায় কৰে, তেন্তে যিটো অবিশ্বাসৰ ভাব আজি আছে, সেই ভাব

আঁতৰ হব। অস্ত্রশস্ত্র ৰখা লৈ যিটো নিষেধ আইন আছে, তাকো উঠাই লব।" কমিশ্যনাৰে মোৰ এই কথা উল্লেখ কৰিলে আৰু মোৰ লগত তেওঁৰ মতভেদ হোৱা স্বত্বেও মই এই সম্মিলনলৈ অহাত তেওঁ মোৰ শলাগ ললে। যিমান ভদ্রভাৱে পাৰোঁ সিমান ভদ্রভাৱে, মোৰ কথাৰ যুক্তি-যুক্ততা বুজাবলৈ চেষ্টা কৰিলোঁ।

ভাইছৰয়লৈ যি চিঠি লিখা বুলি মই আগতে উল্লেখ কৰিছোঁ সেই চিঠি তলত দিলোঁ :---

"সম্মিলনত মই কিয় যোগ দিব নোৱাৰোঁ---সকলো বুজাই ২৬ এপ্রিল তাৰিখে চিঠিখন লিখিবলৈ বাধ্য হৈছিলোঁ আৰু আপুনি মোক অনুগ্রহ কৰি দেখা দি আলোচনা কৰাব ফলত আন নহলেও কেৱলমাত্র আপোনালৈ সম্মান দেখুৱাই মই এই সম্মিলনত যোগ দিছিলোঁ। এইখিনি আপুনি জানে। এই সম্মিলনৰ পৰা আঁতৰি থাকিবলৈ এটা ডাঙৰ কাৰণ আছিল যে মই যিসকলক ৰাইজৰ প্রধান নেতা বুলি ভাবোঁ, তেনে লোক সকলক---লোকমান্য তিলক, মিছেচ্ বেছান্ত, আলিভ্রাতৃ—মতা হোৱা নাই। এইটো এটা ডাঙৰ ভুল হৈছে বুলি মই এতিয়াও অনুভৱ কৰোঁ। ইয়াৰ পাছত যি প্রাদেশিক মেল বহিব, তালৈকে তেওঁলোকক মাতি তেওঁলোকৰ মতামতৰ সুবিধা ললে আগৰ ভুলটো কিছু পৰিমাণে গুচিব বুলি মই এতিয়াও ভাবোঁ। জনসাধাৰণৰ ওপৰত যি সকল নেতাৰ যথেষ্ট প্রভাৱ আছে, কোটী কোটী নৰনাৰীৰ যি সকল প্রতিনিধি তেওঁলোকৰ লগত মতভেদ থাকিলেও আৰু তেওঁলোকে সম্পূর্ণতে বিপৰীত মত পোষণ কৰিলেও কোনো গভর্ণমেন্টে এনেবিধৰ নেতাক উপেক্ষা কৰিব নোৱাৰে—এই কথাষাৰ মই সাহ কৰি আপোনাক নিবেদন কৰোঁ। ইয়াৰ লগতে সকলো দলৰ মতামত মুকলি ভাৱে প্রকাশ হবলৈ সুবিধা দিয়া হৈছিল বুলি কবলৈ পাই মই আনন্দ অনভৱ কৰিছোঁ। মই যি কমিটীত কাম কৰিছোঁ আৰু

যি সম্মিলনত যোগ দিছোঁ, তাত মই ইচ্ছা কৰিয়েই মোৰ নিজৰ মত প্ৰকাশ কৰাৰ পৰা বিৰত আছিলোঁ। এই সম্মিলনৰ উদ্দেশ্য সাৰ্থক কৰিবলৈ মূল প্ৰস্তাৱত কেৱলমাত্ৰ সমৰ্থন জনাই কলেই যথেষ্ট হব বুলি মই ভাবিছিলোঁ আৰু কোনো কথা নুলুকাই তাকে কৰিলোঁ। গভৰ্ণমেণ্টে মই পঠোৱা প্ৰস্তাৱমতে কাম কৰাৰ লগে লগে যথাসম্ভৱ সোণকালে মই কোৱা কথা কেই আষাৰ কামত কৰিবলৈ আশা ৰবোঁ। এই লগতে স্বকীয় চিঠিত মোৰ প্ৰস্তাৱ পঠালোঁ।

"আন আন ডমিনিযানৰ দৰে ওচৰ ভবিষ্যতলৈ যি সাম্ৰাজ্যৰ সমান অংশীদাৰ হবলৈ আমি আকাঙ্খা কৰোঁ, সেই সাম্ৰাজ্যক এনে এটা বিপদৰ সময়ত মনত একো খোকোজা নৰখাকৈ আৰু কোনোমাত নমতাকৈ আমি সহায় সমৰ্থন কৰা উচিত বুলি মই ভাবোঁ—আৰু এই সহায় সমৰ্থন দিবলৈ স্থিৰো কৰিছোঁ। কিন্তু আমি অতি সোণকালে আমাৰ অভীষ্ট লক্ষ্য পাম বুলি মনত আশা ৰাখি আপোনালোকলৈ এই সহায় আগ বঢ়াইছোঁ বুলি কলে সহজ সৰল সত্য হব। কৰ্ত্তব্য কৰিলে যি দৰে এটা অধিকাৰ পোৱা হয়, সেইদৰে আপোনাৰ বক্তৃতাত উল্লেখ কৰা শাসন সংস্কাৰত কংগ্ৰেছ লীগৰ আঁচনিৰ মূল নীতি ৰক্ষা কৰি অতি সোণকালে নতুন শাসনৰ প্ৰবৰ্ত্তন কৰা হব বুলি ভাবিবলৈ ৰাইজে অধিকাৰ পাইছে। মই ভাবোঁ। এনে এটা বিশ্বাসেই বহুতো নেতাক সম্পূৰ্ণ সমৰ্থন দিবলৈ আগ বঢ়াইছে এইটো নিশ্চয়।

মই পৰা হলে যুদ্ধ চলি থাকোতে মোৰ দেশবাসীক এখোজ পাছ হুহকি কংগ্ৰেছৰ প্ৰস্তাৱটো তুলি লৈ হোমৰুল নাইবা দায়িত্বপূৰ্ণ শাসনৰ কথা ফুছফুছায়ো নকৰলৈকে মান্তি কৰালোঁ হেতেন। সাম্ৰাজ্যৰ এনে এটা শঙ্কটজনক সময়ত সকলো সামৰ্থ্যবান ডেকা মানুহক উছৰ্গা

কৰিবলৈ মই ভাৰতবৰ্ষক মান্তি কৰালোঁ হেতেন, আৰু মই ভাবোঁ যে ইয়াকে কৰিব পাৰিলে সাম্ৰাজ্যৰ ভিতৰত ভাৰতবৰ্ষ সকলোৰে আদৰৰ পাত্ৰ হব আৰু বৰ্ণগত বিদ্বেষ আৰু পাৰ্থক্য অতীতৰ কথা হোৱা দি হব। কিন্তু কাৰ্য্যতঃ ভাৰতৰ গোটেই শিক্ষিত শ্ৰেণীয়ে ইযাতকৈ কম কাৰ্য্যকৰী উপায় লবলৈ স্থিৰ কৰিছে আৰু ভাৰতৰ জনসাধাৰণৰ ওপৰত শিক্ষিত শ্ৰেণীৰ প্ৰভাৱ নাই বুলি ভবাটো সম্ভৱ নহয। দক্ষিণ আফ্ৰিকাৰ পৰা অহাৰ পাছৰে পৰা ভাৰতবৰ্ষত ৰাইজৰ লগত এটা ঘনিষ্ঠ সম্পৰ্কত মই আহিছোঁ। আৰু মই আপোনাক আশ্বাস দি কওঁ যে হোমৰুলৰ বানীয়ে ভাৰতবাসীৰ মনত দকৈ বহিছে। মই যোৱা বাৰৰ কংগ্ৰেছৰ অধিবেশনত উপস্থিত আছিলোঁ। আৰু পাৰ্লামেণ্টৰ আইনমতে নিৰ্দ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত পুৰা-পুৰি দাযিত্বপূৰ্ণ শাসন দিযা হব বুলি প্ৰস্তাৱটো মযো সমৰ্থন কৰিছিলোঁ। মই স্বীকাৰ কৰোঁ যে এই খোজটো বৰ সাহেবে লোৱা হৈছে, কিন্তু মই এইটো নিশ্চযকৈ ভাবোঁ হোমৰুলৰ দৰে এটা নিৰ্দ্ধাৰিত ৰূপৰ শাসন যথাসম্ভৱ সোণকালে নাপালে ভাৰতবৰ্ষৰ ৰাইজ কেতিযাও সন্তুষ্ট নহয। এই অভীষ্ট লক্ষ্য পাবলৈ কোনো ত্যাগেই ডাঙৰ নহয় আৰু সাম্ৰাজ্যত এটা সম্মানজনক পদ পাব বুলি আশা কৰি ত্যাগ কৰিবলৈ ভাৱ ৰখা বহুতো লোক আছে বুলি মই ভাবোঁ। ইয়াৰ পৰা এইটোৱেই বুজা যায যে আমি সাম্ৰাজ্যক বিপদৰ পৰা ৰক্ষা কৰিবলৈ মন প্ৰাণ দি কাম কৰি অভীষ্ট লক্ষ্য পাবলৈ খোজ দ্ৰুত কৰিব লাগিব। এই মৌলিক সত্যটো উপলব্ধি কৰিব নোৱাৰিলে জাতীয আত্মহত্যা হব। আমি এইটো চাব লাগিব যে সাম্ৰাজ্যক ৰক্ষা কৰি সেই ছেগতে হোমৰুল সম্পৰ্কে আশ্বস্ত হব লাগিব।

সাম্ৰাজ্য ৰক্ষাৰ বাবে পাৰ্য্যমানে মানুহ দি সহায় কৰাৰ কথা যি দৰে কব পাৰোঁ, মোৰ মনলৈ আশঙ্কা হয়, ধন দি সহায় কৰা সম্পৰ্কে সেই দৰে

কৰ নোৱাৰোঁ। ৰাইজৰ লগত মোৰ যি দৰে ঘনিষ্ঠ সম্পৰ্ক হৈছে, তাৰ পৰা মোৰ দৃঢ় বিশ্বাস হৈছে সাম্ৰাজ্যৰ ভৰালৈ ভাৰতে শক্তিৰ অতীত ধন যোগাইছে। মই জানোঁ যে ভাৰতৰ সৰহীয়া লোকৰ মতামত এই এষাৰ কথাত মই প্ৰকাশ কৰিছোঁ। আমি সৰ্ব্বসাধাৰণৰ স্বাৰ্থৰ বাবে জীৱন উছৰ্গা কৰিব পাৰিম। মোৰ মনেৰে আৰু মই ভাবোঁ ভাৰতবাসীৰ মনত এই সম্মিলনৰ এয়ে তাৎপৰ্য্য। আমি আজি সাম্ৰাজ্যৰ অংশীদাৰ হোৱাৰ পৰা বঞ্চিত হৈছোঁ। সম্মুখ ভৱিষ্যতলৈ শুভ আশা লৈ আমাৰ জীৱন উছৰ্গা কৰিম। আজি যদি স্পষ্ট কৈ আৰু মনত কোনো খোকোজা নৰখাকৈ আমাৰ আশা কি, নজনাওঁ, তেন্তে আপোনালৈ আৰু মোৰ দেশবাসীকো প্ৰৱঞ্চনা কৰা হব। এই আশাৰ পূৰণ কৰা লৈ মই আপোনাৰ লগত দৰ কৰিবলৈ নাযাওঁ, কিন্তু আপুনি নিশ্চয়ে জানিব যে আশাত নিৰাশ হলে ভ্ৰান্ত ধাৰণা গুচে।

মই এটা কথা উল্লেখ নকৰাকৈ নাথাকোঁ। আপুনি আমাৰ ঘৰুৱা মতভেদ গুচাবলৈ গোহাৰি জনাইছে। চৰকাৰী কৰ্ম্মচাৰী সকলৰ সকলো অন্যায় অত্যাচাৰ সহি থকাটোৱেই যদি আপুনি ঘৰুৱা মতভেদ গুচাবলৈ কৰা গোহাৰিৰ অৰ্থ বুজিছে, তেন্তে আপোনাৰ কথাত সমৰ্থন দিবলৈ মই অপাৰগ। এজন লোককো যেন অন্যায ব্যৱহাৰ নকৰে, আগতে কেতিয়াও নকৰিলেও ৰাইজৰ লগত পৰামৰ্শ কৰি জনমতক যেন সন্মান কৰে কৰ্ম্মচাৰী সকলক আপুনি এই গোহাৰি জনাব। যুগ-যুগান্তৰৰ পৰা চম্পাৰণত যি অন্যায় অত্যাচাৰ চলি আহিছিল, সেই অন্যায়ৰ বিৰুদ্ধে মই থিয় দি ব্ৰিটিশ ন্যায়পৰায়ণতাৰ গৌৰৱ দেখুৱাইছোঁ। খেদাত যি ৰাইজে গভৰ্ণমেণ্টক শাও দি আছিল, এতিয়া সেই ৰাইজেই ভাবে সত্যৰ বাবে নিৰ্য্যাতন সহিব পৰাটোতেই ৰাইজৰ শক্তি, গভৰ্ণমেণ্টৰ নহয়। এইবাবে এতিয়া সেই ৰাইজৰ পৰা পূৰ্ব্বৰ তিক্ত মনোভাৱ গুচিছে

আৰু সেই ৰাইজেই কব ধৰিছে যে দেশৰ গভৰ্ণমেন্ট দেশৰ ৰাইজৰ মঙ্গলৰ কাৰণে হব লাগে, কাৰণ ক'ৰবাত কিবা অন্যায় হলে তাৰ প্ৰতিকাৰ কৰিবলৈ শান্তি আৰু শৃঙ্খলাৰ সৈতে আইনভঙ্গও সহি থাকে। এইদৰে চম্পাৰণ আৰু খেদা সত্যাগ্ৰহই পৰোক্ষভাবে যুদ্ধ প্ৰচেষ্টাক সহায় কৰিছে। আৰু যুদ্ধত সহায় কৰিবলৈ এযে মোৰ পোনপটীয়া বৰঙনি। আপুনি এইবিলাক কাম বন্ধ কৰিবলৈ কলে মোৰ জীৱনৰ স্পন্দন বন্ধ কৰিবলৈ কোৱা হব। পাশবিক শক্তিৰ সলনিত মৰমৰ শক্তিক—আন এটা নাম আত্মাৰ শক্তিৰ ব্যৱহাৰ,—জন প্ৰিয় কৰিব পাৰিলে আপোনাক মই এনে এখন ভাৰতবৰ্ষ দিব পাৰিলো হেতেন, যি ভাৰতবৰ্ষই সমগ্ৰ পৃথিবীৰ পাশবিক শক্তিৰ বিৰুদ্ধে খিয় দিব পাৰে। সেইবাবে সময়ে অসময়ে আত্মসংযমৰ বাবে যি চিৰন্তন নিয়ম পালন কৰি নিজক সাজু কৰিম, যাতে যি সকলে এই নিয়ম লবলৈ আগ্ৰহ কৰে, তেওঁলোকক দিব পাৰোঁ। এই নীতিৰ অতুলনীয় শ্ৰেষ্ঠতা দেখুৱাই মোৰ একমাত্ৰ উদ্দেশ্য। যদি মই আন কোনো কামত লাগোঁ, তেন্তে জানিব যে মই এই উদ্দেশ্য লৈয়েই তেনে কামত লাগিছোঁ।

শেহত মুছলমান ৰাষ্ট্ৰবিলাকৰ সম্পৰ্কে এটা নিৰ্দ্দিষ্ট আশ্বাস দিবলৈ সম্ৰাটৰ মন্ত্ৰীসকলক জনাবলৈ আপোনাক কওঁ। আপুনি জানে যে প্ৰত্যেক জন মুছলমানেৰেই এই বিষয়ত বৰ ঘনিষ্ঠভাৱে স্বাৰ্থ জড়িত আছে। হিন্দু হৈ মই তেওঁলোকৰ কথাত উদাসীন হৈ থাকিব নোৱাৰোঁ। তেওঁলোকৰ দুখ আমাৰ দুখ। এই বিলাক মুছলমান ৰাষ্ট্ৰৰ অধিকাৰ অক্ষুণ্ণ ৰখাত, মুছলমান সকলৰ তীৰ্থ ঠাই বিলাকৰ সম্পৰ্কে তেওঁলোকৰ ভাৱলৈ শ্ৰদ্ধা ৰখাত, আৰু হোমৰুল সম্পৰ্কে ভাৰতৰ দাবীৰ সময়োচিত স্বীকাৰ কৰাৰ ওপৰতেই সাম্ৰাজ্যৰ নিৰাপত্তা নিৰ্ভৰ কৰিছে। ইংৰাজ জাতিলৈ মোৰ মৰম আছে। ইংৰাজলৈ সকলো ভাৰতবাসীৰ মনলৈ তেনে ভাৱ আনিবলৈকে এই চিঠিখন লিখিছোঁ।'

অষ্টবিংশ অধ্যায়

মৃত্যুৰ দুৱাৰ দলিত

ৰিক্ৰুইট সংগ্ৰহ কৰা অভিযানত মই প্ৰায় স্বাস্থ্য নষ্ট কৰিছিলো ৰেই। এই সময়ত মোৰ আহাৰ প্ৰধানতঃ আছিল চীনাবাদাম মাখন আৰু নেমুটেঙা। সৰহকৈ মাখন খোৱাৰ পৰা স্বাস্থ্য নষ্ট হোৱাৰ সম্ভাৱনা আছে বুলি জানিলেও অলপ সৰহকৈ খোৱা হৈছিল। ইয়াৰ ফলত মোৰ ডিছেন্ট্ৰীৰ দৰে হল। মই পোনতে সিমান মন দিয়া নাছিলো। মাজে সময়ে যি দৰে আশ্ৰমলৈ গৈ থাকোঁ, সেইদৰে গোধূলি মই আশ্ৰমলৈ গলোঁ। সেইসময়তে মই ঔষধ কদা-কশ্চিৎ হে ব্যৱহাৰ কৰোঁ। মই ভাবিলোঁ ৰাতিৰ সাঁজৰ খোৱা বাদ দিলেই ভাল পাম। আৰু বাস্তৱিকতে পাছ দিনা ৰাতি-পুৱা বেছ ভাল পালোঁ, ৰাতি পুৱাৰ সাঁজো এৰিলোঁ। এইদৰে আৰু লঘোণ দিলে সম্পূৰ্ণতে ভাল পাম বুলি ভাবিলো, আৰু খালে ফলৰ ৰসৰ বাহিৰে আন একো নাখাওঁ।

সেই দিনা কিবা পৰ্ব্ব দিন আছিল। আৰু যদিও কস্তুৰীবাইক দুপৰীয়াৰ সাঁজো নাখাওঁ বুলি কলো, তেওঁ খাবলৈ ববকৈ কলে। মযো তেওঁৰ কথাত মান্তি হলোঁ। মই গাখীৰ নাইবা গাখীৰ জাত বস্তু একো নাখাওঁ বুলি প্ৰতিজ্ঞাবদ্ধ থকাত তেওঁ ঘীৰে নকৰি তেলেৰে পিঠা তৈয়াৰী কৰিলে। তেওঁ মোৰ বাবে মগুমাহো অলপ সাঁচি থৈছিল, মই এইবিলাক বস্তু খাবলৈ ভাল পাওঁ আৰু তেতিয়া ইয়াৰ পৰা কিবা টান হব বুলিও ভবা নাছিলোঁ। কস্তুৰীবাইক সন্তুষ্ট কৰা আৰু জিবাৰ জুতি লোৱাৰ দৰে অলপ খাম বুলি ভাবিছিলোঁ। কিন্তু শনি চেলু পাবলৈ যেন বাট চাই

আছিল। খাবলৈ বহি অলপতেই এৰি দিয়া দূৰৰ কথা সৰহ খাই পেলালোঁ। মৃত্যুৰ দূতক নিমন্ত্ৰণ জনাবলৈ সেয়েই যথেষ্ট আছিল। এখনটামানৰ ভিতৰত ডিছেন্ট্ৰীৰ পূৰা লক্ষণ দেখা দিলে।

সেইদিনা গোধূলি নদীয়াদলৈ যাব লগা আছিল। ছাবৰমতী ষ্টেশ্যন আশ্ৰমৰ পৰা ৩০ ফাৰ্লংমান হব। এই ডোখৰ বাট বৰ কষ্টেৰে খোজ কাঢ়ি গলোঁ। শ্ৰীবল্লভভাই পাটেল আহি আহমদাবাদত মোৰ লগ ধৰিলেহি। তেওঁ মোৰ অসুখ হোৱা বুজিলে। কিন্তু মোৰ পেট কিমান বিষাইছে অনুমান কৰিবলৈ নিদিলোঁ। এইদৰে ৰাতি ১০ বজাত নদীয়াদ পালোঁহি। ষ্টেশ্যনৰ পৰা হিন্দু অনাথাশ্ৰম প্ৰায় আধামাইলৰ বাট, ইয়াতেই আমাৰ থাই অফিছ হৈছে। কিন্তু এই আধামাইলৰ বাট যেন ১০ মাইল হোৱা দি হল। কোনোমতে থকা ঘৰ পালোগৈ; কিন্তু পেটৰ বিষ বাঢ়িবলৈ ধৰিলে। সাধাৰণ পায়খানা ঘৰটোলৈ নোযোৱাকৈ মই ওচৰৰ খোটালীটোতে এটা 'কমোড' দিবলৈ কলোঁ। ইয়াৰ বাবে লাজ পালেও একো উপায় নাছিল। শ্ৰীযুত ফুকনচাঁদে এটা কমোডৰ দিহা কৰিলে। বৰ দুশ্চিন্তাত সকলো বন্ধুৱে মোক বেৰি ধৰিলে। মোক সকলোৱে মৰম আৰু যত্ন কৰি সেৱাশুশ্ৰূষা কৰিছে, কিন্তু তেওঁলোকে কেনেকৈ মোৰ যন্ত্ৰণা গুচাব? আৰু মোৰ আকোঁৰ্গজালি স্বভাৱেই তেওঁলোকৰ সহায়হীনতা বঢ়ালে মাথোন। চিকিৎসকৰ সহায় লবলৈ মই মান্তি হোৱা নাছিলোঁ। একো ঔষধো নাখাওঁ, মোৰ ভুলৰ প্ৰায়শ্চিত্ত কৰাই শ্ৰেয় বুলি ভাবিলোঁ। সেইবাবে তেওঁলোকে অসহায়ৰ দৰে মোক চাই আছিল মাথোন। দিনটোৰ ভিতৰত ৩০।৪০ বাৰকৈ শৌচ হব। আৰম্ভনিতে মই লঘোন দিছিলোঁ, আন কি ফলৰ ৰসো খোৱা নাছিলোঁ। ভোকৰ ভাৱ একো নাছিল। মই সদায় ভাবি আছিলোঁ যে মোৰ শৰীৰ লোৰৰ দৰে টান, কিন্তু এতিয়া মাটি এচপৰাৰ দৰে লেটুশেটু হৈ পৰিলোঁ। প্ৰতিৰোধ কৰিবৰ

একো শক্তি নাই। ঔষধ খাবলৈ বুলি ডাক্তৰ কানুগাই কত বুজালেহি। কিন্তু মই মান্তি নহলোঁ। তেওঁ এটা বেজী লবলৈ কলে, তাকো লবলৈ মান্তি নহলোঁ। সেই সময়ত বেজী লোৱা সম্পৰ্কে মোৰ অজ্ঞানতা হাঁহি-উঠা আছিল। জন্তুৰ তেজৰ পৰা বেজীৰ ঔষধ তৈয়াৰ কৰা হয় বুলি মোৰ ধাৰণা আছিল। পাছত মই দেখিলোঁ যে ডাক্তৰে দিব বিচৰা বেজীৰ ঔষধটো এবিধ বনৌষধিৰ পৰা তৈয়াৰ হৈছে, কিন্তু এই কথাষাৰ জনাত ইমান পলম হল যে তেতিয়া সেই ঔষধৰ একো কাম নাছিল। শৌচ আগৰ দৰে চলি আছে, মই ভাগৰি পৰিলো; এতিয়া বৰ টান জ্বৰ হল। জ্বৰত মই ভ্ৰম বকিবলৈ ধৰিলো। বন্ধুসকল মোৰ বাবে বৰ উদ্বিগ্ন হৈ পৰিল। সেইবাবে তেওঁলোকে আৰু বহুতো ডাক্তৰ মাতি আনিলে। কিন্তু যি বেমাৰীয়ে কাৰো কথা নুশুনে তেনে মানুহক না তেওঁলোকে কি কৰে?

ছেঠ অম্বালাল তেওঁৰ গৃহিণীৰে সৈতে নদীয়াদলৈ আহিল আৰু মোৰ সহকৰ্ম্মী সকলেৰে সৈতে আলোচনা কৰি মোক বৰ যত্ন কৰি আহমদাবাদৰ তেওঁ মিৰ্জাপুৰ বঙলালৈ নিলে। মই এই বেমাৰত তেওঁলোকৰ পৰা যি দৰে মৰমৰ আৰু নিস্বাৰ্থ ভাৱৰ সেৱা শুশ্ৰুষা পাইছিলোঁ, তেনে ধৰণৰ সেৱা শুশ্ৰুষা আন কোনেও পোৱা অসম্ভৱ। কিন্তু অলপ অলপ জ্বৰ চলি থাকিল। দিনো মোৰ শৰীৰ ক্ষয় হবলৈ ধৰিলে। মই ভাবিলোঁ যে এই বেমাৰ কিছুদিন চলিব আৰু শেহত মাৰাত্মক হব। ছেঠ অম্বালালৰ বঙলাত ইমান মৰম সেৱা পাযো মই আশ্ৰমলৈ যাবলৈ অস্থিৰ হলোঁ। মোক আশ্ৰমলৈ নিবলৈ তেওঁক বৰকৈ অনুৰোধ কৰিলোঁ — অৱশেষত তেওঁ মোৰ নেৰা-নেপেৰা অনুৰোধত মান্তি হল।

মই আশ্ৰমৰ বিছনাত বেমাৰৰ যন্ত্ৰণাত ছাতি-ফুতি কৰি আছোঁ, এনেতে শ্ৰীযুত বল্লভভায়ে বাতৰি আনিলে যে জাৰ্ম্মাণী সম্পূৰ্ণৰূপে

পৰাস্ত হল আৰু কমিশ্যনাৰেও 'ৰিক্ৰুইট' সংগ্ৰহ কৰাৰ একো প্ৰয়োজন নাই বুলি জনাইছে। 'ৰিক্ৰুইট' সংগ্ৰহ কৰাত যে মই আৰু ব্যস্ত থাকিব নালাগিব, এই বাতৰিত মোৰ মনৰ বোজা বহুতো পাতলিল।

মই এতিয়া পানীৰ চিকিৎসা কৰি কিছু ভাল পাইছোঁ। কিন্তু শৰীৰ সম্পূৰ্ণতে সুস্থ কৰি আগৰ শক্তি অনাটো বৰ টান কথা। চিকিৎসক সকলে নানান পৰামৰ্শ দিবলৈ ধৰিলে। মই তেওঁলোকৰ পৰামৰ্শ লবলৈ মান্তি নহওঁ। গাখীৰ নাখাবলৈ যি প্ৰতিজ্ঞা কৰিছিলোঁ সেই প্ৰতিজ্ঞাৰ বাবে দুজনমানে মঙহৰ চুৰুহা খাবলৈ পৰামৰ্শ দিলে। আয়ুৰ্ব্বেদশাস্ত্ৰৰ শ্লোকো কিছু উলিয়া হল। এজনে কনী খাবলৈ ৰবকৈ ফলে। কিন্তু সকলোৰে কাৰণে মোৰ এটা উত্তৰ আছিল---'নাখাওঁ'।

মোৰ মতে পথ্যাদিৰ ব্যৱস্থা শাস্ত্ৰৰ বিধানমতে হব নোৱাৰে। মোৰ জীৱন এতিয়া বাহিৰা বচনৰ নিৰ্দ্দেশমতে চলা নাই। এটা নীতিত মোৰ জীৱন চলাবলৈ স্থিৰ কৰিছোঁ। এই বিলাক নীতি এৰি মই জীয়াই থাকিবলৈ নিবিচাৰোঁ। মোৰ গৃহিনী লৰা আৰু বন্ধুহতৰ ওপৰতো মই যি নীতি প্ৰয়োগ কৰি আহিছোঁ, আজি মোৰ নিজৰ বাবে কেনেকৈ সেই নীতি বিসৰ্জ্জন দিও?

মোৰ জীৱনৰ ভিতৰত হোৱা এই প্ৰথম দীঘলীয়া বেমাৰে মোৰ নীতিৰ পৰীক্ষা কৰিবলৈ এটা অপূৰ্ব্ব সুযোগ দিছে। এদিনা ৰাতি মই সকলো আশা এৰিলোঁ। মোৰ মনলৈ ভাৱ আহিল যেন মৃত্যু অতি সোণকালে হব। মই অনুসূয়া বেনলৈ খবৰ পঠালোঁ। তেওঁ আশ্ৰমলৈ লৰি আহিল। বল্লভভায়েও ডাক্তৰ কানুগাক লৈ আহিল। তেওঁ মোৰ নাড়ী পৰীক্ষা কৰি কলে---"আপোনাৰ নাড়ী ভালেই আছে। একো বিপদ মই দেখা নাই। বৰ দুৰ্ব্বল হোৱা বাবে এইটো স্নায়বিক

বিকাৰ হৈছে।” কিন্তু তেওঁৰ কথাত মই আশ্বস্ত হোৱা নাছিলোঁ। টোপনি নোহোৱাকৈ গোটেই ৰাতি কটালোঁ।

মৃত্যু নোহোৱাকৈ ৰাতি পুৱাল, কিন্তু মোৰ যে অন্তিমকাল আহিব ধৰিছে, এনে এটা ভাব আঁতৰাব পৰা নাছিলোঁ। সেইবাবে সাৰে থকা সময় খিনিত আশ্ৰমৰ এজনে মোক গীতা পঢ়ি শুনায়। মই পঢ়িবলৈ অসমৰ্থ হলোঁ, কথা হবলৈকো ভাল নলগা হল। অলপ কথা হলেই মূৰ ঘুৰাব ধৰে। মই কেৱল মাত্ৰ জীৱন ৰক্ষা কৰিবলৈ জীযাই থকা কেতিযাও ভাল পোৱা নাছিলোঁ; এতিয়া বেমাৰতো জীযাই থাকিবলৈ আগ্ৰহ গুচিল। একো নকৰাকৈ কেৱল বন্ধুবান্ধৱৰ সেৱা শুশ্ৰূষা লৈ আৰু তেওঁলোকেও অসহাযৰ দৰে চাই থাকিব লগীয়া হোৱাত মই যে কি মানসিক যন্ত্ৰণাত থাকিব লগা হৈছিল।

মই এইদৰে মৃত্যুৰ প্ৰতীক্ষাত আছো এনেতে এদিনা ডাক্তৰ টালভালকৰে লগত এজন আচৰিত মানুহ লৈ আহিল। তেওঁ মহাৰাষ্ট্ৰৰ মানুহ। তেওঁ জনাজাত লোক নাছিল। কিন্তু যি মুহূৰ্ত্ততে তেওঁক দেখিলোঁ, তেতিযাই তেৱো মোৰ দৰে এজন বলীয়া মানুহ বুলি ভাবিলোঁ। তেওঁৰ চিকিৎসা মোৰ ওপৰত প্ৰযোগ কৰিবলৈ আহিছে। ডিগ্ৰী নোলোৱাকৈ গ্ৰান্ট মেডিকেল কলেজত পাঠ শেষ কৰিছে। ইযাৰ পাছত মই জানিলোঁ যে তেওঁ ব্ৰাহ্ম সমাজৰ সভ্য আছিল। তেওঁৰ নাম আছিল কেলকাৰ। তেওঁ স্বাধীন চিন্তিয়া আৰু বৰ আকোঁগজালি স্বভাৱৰ লোক আছিল। তেওঁ বৰফৰ চিকিৎসাত বৰ জোৰ দিযে আৰু এই চিকিৎসা মোৰ ওপৰত প্ৰযোগ কৰিবলৈ বিচাৰিলে। তেওঁক আমি বৰফ ডাক্তৰ নাম দিলোঁ। কিছুমান কথা সুদক্ষ চিকিৎসকেও ধৰা পেলাব পৰা নাই, তেওঁ এই বিলাক ধৰিছে বুলি স্থিৰ বিশ্বাস কৰিলে। এই চিকিৎসাত তেওঁৰ যি বিশ্বাস আছিল, সেই বিশ্বাস মোৰ মনলৈ তেওঁ আনিব

নোৱাৰাটো দুখৰ কথা। এই চিকিৎসাত মই কিছু বিশ্বাস কৰোঁ, কিন্তু তেওঁৰ কিছুমান সিদ্ধান্ত ভিত্তিহীন বুলি লাগিল।

তেওঁৰ এই আবিষ্কাৰৰ গুণাগুণ যি হকেই নহওক, মই তেওঁৰ চিকিৎসাৰ পৰীক্ষাত মান্তি হলোঁ। বাহিৰৰ এই প্ৰয়োগত মই আপত্তি কৰা নাছিলোঁ। তেওঁৰ চিকিৎসা আছিল গোটেই শৰীৰত বৰফ দিয়া। এই চিকিৎসাৰ ফল সম্পৰ্কে তেওঁ যি দাবী কৰিছে, মই সেই দাবীত একে মত হব নোৱাৰিলেও মোৰ এটা নতুন আশা হল। অলপ শক্তিও পালোঁ আৰু মনে স্বভাৱতে শৰীৰত প্ৰতিক্ৰিয়া কৰিলে। মোৰ ভোক লগা হল। আৰ পাঁচ দহ মিনিটমান খোজ কাঢ়ি ফুৰিব পৰা হলোঁ। তেওঁ এতিয়া মোৰ আহাৰ সংস্কাৰ কৰিবলৈ কলে:—আপুনি যদি কেঁচা কণী খাবলৈ ধৰে, তেন্তে শক্তি ওভোঠাই পাব এইটো মই ডাঠি কওঁ। কণী গাখীৰৰ দৰে উপকাৰী। নষ্টহব পাৰীতো কণী নপৰে। আৰু সকলো কণীত প্ৰাণৰ সঞ্চাৰ নাথাকে। কিছুমান কণীৰ পৰা পোৱালী নজগে।" অৱশ্যে মই এনেবিধৰো কণী খাবলৈ সাজু নাছিলোঁ। কিন্তু এতিয়া যি উন্নতি হল, তাতেই মই পুনৰ ৰাইজৰ সেৱাত মন দিব পৰা হলোঁ।

ঊনত্ৰিংশ অধ্যায়

ৰোলাট আইন

সকলো বন্ধুবান্ধৱে মাথেৰানলৈ হাৱা সলাবলৈ গলে সোণকালে সুস্থ হম বুলি আশ্বাস দিলে, সেইবাবে মই তালৈকে গলোঁ। কিন্তু মাথে-ৰানৰ পানীয়ে মোক নুশুজিলে। সেইবাবে তাত সৰহদিন থকাটো

সম্ভৱ নহল। ডিছেণ্ট্ৰী হোৱাৰ ফলত শৌচৰ দ্বাৰ বৰ কোমল আছিল আৰু তাত ঘা হোৱাত শৌচ কৰোতে বৰ দুখ পাইছিলো। সেইবাবে খাবলৈকে ভয় লগা হৈছিল। সপ্তাহটো শেষ নৌ হওতেই মই মাখেবান এৰি গুচি আহিব লগা হল। মোৰ স্বাস্থ্য সম্পৰ্কে এতিয়া শঙ্কৰলাল বেঙ্কাৰেই মোৰ অভিভাৱক আছিল আৰু তেওঁ ডাক্তৰ দালালৰ পৰামৰ্শ লবলৈ বৰকৈ ধৰিলে। ডাক্তৰ দালালক মইমাতে মতা হল। তৎক্ষণাতে এটা স্থিৰ কৰিব পৰা তেওঁৰ ক্ষমতা দেখি মুগ্ধ হলো।

তেওঁ কলে---"আপুনি গাখীৰ নাখালে শৰীৰ গঢ়িব নোৱাৰে মযো সহায় কৰিব নোৱাৰো। যদি গাখীৰৰ লগতে লো আৰু আৰ্চেনিকৰ বেজী লয়, তেন্তে মই ডাঠি কওঁ যে আপোনাৰ স্বাস্থ্য সোণকালে ঘূৰাই পাব।'

"আপুনি বেজি দিয়ক কিন্তু গাখীৰ নাখাওঁ বুলি প্ৰতিজ্ঞা কৰাত গাখীৰ খোৱাটো নাই।" মই কলো।

"বাৰু আপোনাৰ প্ৰতিজ্ঞাটো কি আছিল কওঁৰচোন।" তেওঁ প্ৰশ্ন কৰিলে।

কিয়, কেনেকৈ এই প্ৰতিজ্ঞা লব লগীয়া হল, গৰু আৰু ম'হৰ কেনেকৈ "ফুকা" কৰাৰ কথা শুনি গাখীৰ খাবলৈ মোৰ বিতৃষ্ণা হল, এই বিলাক কথা তেওঁক কলোঁ। ইয়াৰ উপৰিও গাখীৰ মানুহৰ স্বাভাৱিক খাদ্য নহয় বুলি মই সদায় ভাবি আহিছোঁ। সেইবাবে ইয়াৰ ব্যৱহাৰ সম্পূৰ্ণতে এৰিলোঁ। আমি কথা পাতি থাকোতে কস্তুৰীবাই ওচৰতে থিয় হৈ আছিল।

তেওঁ মাজতে মাত লগালে-"আপুনি নিশ্চয় ছাগলীৰ গাখীৰত আপত্তি নকৰিব।"

ডাক্তৰেও তেতিয়া কথাষাৰ ললে---"আপুনি ছাগলীৰ গাখীৰ খোৱাটো কৰিলেও মোৰ বাবে যথেষ্ট হব "

মোৰ সত্য অন্বেষণৰ কাহিনী

এতিয়া মই মাস্তি হব লগীয়া হল। সত্যাগ্ৰহৰ আন্দোলন চলাবলৈ এটা ব্যাকুল আগ্ৰহ হোৱাত জীয়াই থাকি বলৈ মোৰ প্ৰবল ইচ্ছা হৈছিল। আৰু এইদৰে মই প্ৰতিজ্ঞাৰ মৰ্ম্ম বিসৰ্জ্জন দি কেৱল মাত্ৰ আখৰ কেইটা মানি নিজক সন্তোষ দিলোঁ। কাৰণ যদিও প্ৰতিজ্ঞা লওতে গৰুৰ গাখীৰ আৰু ম'হৰ গাখীৰৰ কথা মোৰ মনলৈ আহিছিল, তথাপিও গাখীৰ বুলিলে সকলোজন্তুৰ গাখীৰকেই মই বুজিছিলোঁ। যেতিয়ালৈকে মই ভাবোঁ। যে গাখীৰমানুহৰ স্বাভাবিক খাদ্য নহয়, তেতিয়ালৈকে কোনোবিধ গাখীৰ খাবলৈ মোৰ অধিকাৰ নাই। এই বিলাক জানিও মই ছাগলীৰ গাখীৰ খাবলৈ মাস্তি হলোঁ। সত্যলৈ শ্ৰদ্ধাতকৈ জীয়াই থাকিবলৈ ইচ্ছা প্ৰবল হল। আৰু এবাৰলৈ হলেও সত্যসেৱী এজনে সত্যাগ্ৰহ আন্দোলন চলাবলৈ প্ৰবল আগ্ৰহত পবিত্ৰ আদৰ্শৰ অসম্মান কৰিলে। এনে এটা কাম কৰিব লগীয়া হোৱাত এতিয়াও মোৰ মনলৈ এটা বেজাৰৰ ভাৱ আহে। আৰু মই সদায় ভাবি থাকোঁ কেনেকৈ ছাগলীৰ গাখীৰো এৰিব পাৰোঁ। কিন্তু সেৱা কৰিবৰ প্ৰবল হেপাঁহে এতিয়াও মোৰ মন আকোৱালি ধৰি আছে আৰু এই প্ৰলোভনৰ পৰা মই মুকলি হব পৰা নাই।

অহিংসা সম্পৰ্কে মই যি গবেষণা কৰি আছোঁ, আহাৰৰ পৰীক্ষা ইয়াৰ এটা অংশ হোৱাত মোৰ কাৰণে এইটো বৰ প্ৰিয়। ইয়াৰ পৰা মই ক্লান্তি গুচাব পৰা আনন্দ পাওঁ। কিন্তু এতিয়া ছাগলীৰ গাখীৰ ব্যৱহাৰ কৰিব লগীয়া হোৱাত অহিংসাৰ ফালৰ পৰা আহাৰাদিৰ পৰীক্ষাত প্ৰতিজ্ঞা ভঙ্গ কৰিব লগীয়া হোৱাত মোৰ অন্তৰত সদায় এটা দুখ অনুভৱ কৰি আছোঁ। মই অহিংসাতকৈও সত্যৰ আদৰ্শ বেছিকৈ বুজোঁ। আৰু মোৰ অভিজ্ঞতাৰ পৰা ইয়াকে বুজিছোঁ যে সত্যৰ আদৰ্শ এবাৰ এৰি অহিংসাৰ সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰিম। এবাৰ প্ৰতিজ্ঞা কৰিলে সেই প্ৰতিজ্ঞা কেৱল আখৰে আখৰে নহয়, তাৰ মৰ্ম্মে মৰ্ম্মে পালন

কৰিব লাগে, ইয়াকে সত্যৰ আদৰ্শই বিচাৰে। এই ঘটনাত মই মোৰ প্ৰতিজ্ঞাৰ আছুল অন্তৰ্নিহিত অৰ্থটোলৈ আওকান কৰি কেৱলমাত্ৰ আখৰ পালন কৰাত মন দি প্ৰতিজ্ঞাৰ পৰা স্খলীত হৈছোঁ—এই কথাষাৰে মোৰ অন্তৰত সদায় দুখ দি আছে। কিন্তু এইটো জ্ঞান থকা স্বত্বেও মোৰ সন্মুখৰ সিধা বাটটো লব পৰা নাই। আনদৰে কবলৈ হলে মই কওঁ যে সিধা বাট লবলৈ মোৰ সাহ নাই। দুযোটা কথাৰ ভিতৰত একেটাই কাৰণ; সন্দেহ হৈছে বিশ্বাসৰ অভাৱ নাইবা বিশ্বাসত দুৰ্ব্বলতাৰ ফল "হে প্ৰভু মোক বিশ্বাস দিয়া", দিনে ৰাতিয়ে এয়ে মোৰ প্ৰাৰ্থনা হল।

ইয়াৰ পাছৰে পৰা মই ছাগলীৰ গাখীৰ খাবলৈ ধৰিলোঁ। ডাক্তৰ দালালে কৃতকাৰ্য্যতাৰে সৈতে অশৰ বাবে অস্ত্ৰ চিকিৎসা কৰিলে। সুস্থ হোৱাৰ লগে লগে জীযাই থাকিবলৈ হেঁপাহ পুনৰ ' ' বিশেষকৈ ভগবানে মোৰ বাবে যথেষ্ট কাম থৈছে।

পুনৰ সুস্থ হোৱাৰ বাটত খোজ লবলৈ ধৰিছোঁ, এনেতে মাজে সময়ে বাতৰি কাকতত ৰোলাট কমিটিৰ ৰিপোৰ্টৰ কথা পঢ়িবলৈ পালোঁ। এই ৰিপোৰ্ট পঢ়ি মই আচৰিত হলোঁ। শঙ্কৰলাল বেঙ্কাৰ আৰু উমৰ ছোভানী মোৰ ওচৰ চাপি কলে, যে সোণকালে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। এমাহ মানৰ ভিতৰতে মই আহমদাবাদলৈ গলোঁ। সেই সময়ত বল্লভভাই মোৰ ওচৰলৈ দিনৌ আহিছিল। মোৰ ভয় সংশয় তেওঁক জনালোঁ। "কিবা এটা আমি কৰিবই লাগিব," এই বুলি তেওঁক কলোঁ। "কিন্তু এনে অৱস্থাত আমি কি কৰোঁ?" তেওঁ সুধিলে। মই উত্তৰত কলোঁ—"প্ৰতিৰোধৰ প্ৰতিজ্ঞা পত্ৰত চহী দিবলৈ এমুঠি মানুহো যদি পাওঁ আৰু প্ৰস্তাবিত বিল যদি আইনত পৰিণত কৰা হয়, তেন্তে আমি সত্যাগ্ৰহ কৰা উচিত। মই এইদৰে পৰি থাকিব লগীয়া নহলে, আনেও মোৰ পাছ লব বুলি আশা কৰি মই অকলে ইয়াৰ বিপক্ষে যুঁজ দিলোঁ

হেতেন। কিন্তু মোৰ বৰ্ত্তমান অসহায় অৱস্থাত মই অকলে এনে এটা কামৰ দায়িত্ব লোৱাটো টান।”

এই দৰে আলোচনা হোৱাৰ ফলত মোৰ লগত সংস্পৰ্শত থকা কিছুমান বন্ধুৰ এখন সৰু সভা পতাটো স্থিৰ হল। ৰোলাট কমিটীৰ অনুমোদন বিলাক যুক্তি-সঙ্গত হোৱা নাই আৰু এই লগতে প্ৰকাশিত হোৱা সাক্ষ্য বিলাকে এনে আইন প্ৰণয়নৰ যুক্তিযুক্ততাৰ সমৰ্থন নকৰে আৰু আত্মসন্মানবোধ থকা জাতিয়ে এনে এখন আইন গ্ৰহণ কৰাটো উচিত নহব বুলি মোৰ মনত ভাৱ হৈছিল।

এই প্ৰস্তাবিত মেল অৱশেষত আশ্ৰমত পতা হল। এই মেললৈ নিমন্ত্ৰিতৰ সংখ্যা কুৰি জনো নহব। মোৰ যিমান দূৰ মনত পৰে এই মেললৈ আহিছিল শ্ৰীযুত ভিখলভাই পেটেল, শ্ৰীমতী সৰোজিনী নাযডু মিঃ হৰ্নিমান, স্বৰ্গীয় উমৰ ছোভানী, শ্ৰীযুত শঙ্কৰলাল বেঙ্কাৰ, আৰু আৰু শ্ৰীমতী অনুসূয়াবেন। সত্যাগ্ৰহৰ প্ৰতিজ্ঞাপত্ৰ এই মেলতে এঁটা হল আৰু মোৰ যিমান দূৰ মনত পৰে, এই মেলতেই সকলোৱে চহী কৰিছিল। সেই সময়ত মই কোনো কাকতৰ সম্পাদনা কৰা নাছিলোঁ, অৱশ্যে মাজে সময়ে মোৰ মতামত দৈনিক কাকতত প্ৰকাশ কৰিছিলোঁ। এই সময়তো তাকে কৰিলোঁ। শঙ্কৰলাল বেঙ্কাৰে এই আন্দোলনটো বৰ উৎসাহেৰে ললে আৰু ইয়াতেই পোন প্ৰথমে সংগঠণ কৰাত নেৰা-নেপেৰাকৈ কামত লাগি থকাৰ আচৰিত ক্ষমতাৰ চিনাকী পালোঁ।

সেই সময়ত চলি-থকা প্ৰতিষ্ঠিত অনুষ্ঠানৰ কোনোটোৱেই সত্যাগ্ৰহৰদৰে এটা নতুন উপায় লব বুলি আশা কৰাটো বৃথা। সেইবাবে মোৰ পৰামৰ্শমতে এটা স্বকীয়া অনুষ্ঠান সত্যাগ্ৰহ সভা পতা হল। ইয়াৰ মুখীয়াল সভ্য সকল বোম্বেৰ আছিল দেখি ইয়াৰ ম্নাই অফিছ বোম্বেতেই ৰখা হল। সত্যাগ্ৰহৰ প্ৰতিজ্ঞাপত্ৰত আৰু বহুতেই চহী দিলে। প্ৰচাৰ

পত্ৰাদি প্ৰকাশ কৰা, সকলো ঠাইতে বাজহুৱা সভা পতা খেদা সত্যাগ্ৰহত হোৱা জনাজাত এনেবিলাক কাম কৰাত আমি লাগিলো।

সত্যাগ্ৰহ সভাৰ সভাপতি মই হলো। সোণকালেই মই বুজি পালো যে মোৰ লগত এই সভাৰ বহুতো সদস্যৰ লগত মতামতৰ অমিল আছে। সভাৰ কামত গুজৰাটী ভাষা চলোৱা, আৰু আন আন বহুতো কথা তেওঁলোকৰ মানত আচৰিত যেন লাগিছিল। আৰু এইবাবে তেওঁলোকে কম দুশ্চিন্তা ভোগ কৰিব লগা হোৱা নাছিল। কিন্তু তেওঁলোকক শলাগি কৰ লাগিব যে তেওঁলোকে মোৰ আচৰিত আচৰণ উদাৰভাৱে সহি আছিল।

গুৰিৰে পৰা মোৰ মনত ইয়াকে বোধ হৈছিল যে এই সভা সৰহ দিন তিষ্ঠি থকা টান। অহিংসা আৰু সত্যৰ ওপৰত মই যি দৰে জোৰ দিছোঁ, সেইটো কিছুমানে পছন্দ নকৰা নাই, এইটো বুজ পালোঁ। তথাপিও আৰম্ভনিতে আমাৰ কাম পূৰ্ণ উদ্যমৰে চলিবলৈ ধৰিলে আৰু এই আন্দোলন দ্ৰুতবেগে ঠন ধৰি উঠিল।

ত্ৰিংশ অধ্যায়

সেই আচৰিত দৃশ্য

ৰোলাট কমিটীৰ ৰিপোৰ্টৰ বিৰুদ্ধে আন্দোলন এফালে প্ৰবল হবলৈ ধৰিলে, আনফালে অনুমোদন মতে কাম কৰিবলৈ গৱৰ্ণমেণ্টো দৃঢ়-প্ৰতিজ্ঞ হৈ উঠিল। ৰোলাট বিল প্ৰকাশ কৰা হল। মোৰ জীৱনত ভাৰতীয় ব্যৱস্থাপক সভাত এদিনলৈহে মই যোগ দিছিলোঁ----আৰু এইবিলৰ তৰ্ক আলোচনাৰ দিনাই মই যোগ দিছিলোঁ। শাস্ত্ৰীজিয়ে

এটা উদ্দীপনাময়ী বক্তৃতা দিছিল ; ইয়াত তেওঁ গভৰ্ণমেন্টক এটা সতৰ্কবাণী শুনাইছিল। ভাইছবয়ে মন্ত্ৰ-মুগ্ধৰ দৰে শাস্ত্ৰীৰ কথাবিলাক শুনা যেন লাগিছিল, তেওঁ বাগ্মিতাৰে বৰ চোকা কথা কৈছিল। সেই মুহূৰ্ত্তত মোৰ এনে ভাব হৈছিল, যে শাস্ত্ৰীয়ে যি দৰে ভাৱপ্ৰৱণতাৰে বক্তৃতা দিছিল তাত ভাইছৰয় যেন অলপ লৰিব।

যি মানুহ জন শুই থাকে তেওঁকহে জগাব পাৰি, যি মানুহে টোপনিৰ ভাও জোৰে, তেওঁক জগোৱা টান। গভৰ্ণমেন্টৰো অৱস্থা সেয়ে হৈছিল। আইনগত নিয়ম পালন কেৱল বাহিৰতহে দেখুৱাব বিচাৰে। আগতেই সকলো সিদ্ধান্ত কৰা আছেই। শাস্ত্ৰীজিৰ এই সতৰ্কবাণীলৈ গভৰ্ণমেন্টে কাণ নকৰিলে।

এনে এটা অৱস্থাত মোৰ কথা অৰণ্যত ৰোদনৰ দৰে হল। ভাইছৰয়ৰ লগত বহুতো কথা হলোঁ, তেওঁৰ ওচৰত আমাৰ কথা সকলো নিবেদন কৰিলোঁ—তেওঁলৈ মুকলিভাৱে আৰু ভিতৰুৱাভাৱে চিঠি দিলোঁ—গভৰ্ণমেন্টৰ এনে এটা কাৰ্য্যৰ বাবে সত্যাগ্ৰহ কৰাৰ বাহিৰে মোৰ আন একো উপায় নাই বুলিও এই চিঠি বিলাকত জনালোঁ। কিন্তু সকলো অথলে গল।

বিলখন আইন হিছাপে এতিয়ালৈকে গেজেটত প্ৰকাশিত হোৱা নাই। মই এতিয়াও স্বাস্থ্যৰ ফালৰ পৰা দুৰ্ব্বল অৱস্থাত আছোঁ, এনেতে মাদ্ৰাজৰ পৰা নিমন্ত্ৰণ পালোঁ। এনে স্বাস্থ্য লৈও এই দীঘলীয়া বাটত ওলাবলৈ স্থিৰ কৰিলোঁ। তেতিয়ালৈকে ৰাজহুৱা সভাবিলাকত ওখ কৈ মাত মাতিবলৈ মোৰ সাধ্য নাছিল। থিয় হৈ ৰাইজক সকলো কথা কোৱা মোৰ বাবে অসাধ্য। অলপ পৰ থিয় হৈ কথা কলে গোটেই গাত কঁপনি উঠে, বুকুখন ধান বনাদি বানিবলৈ ধৰে।

দাক্ষিণাত্যত মই নিজৰ ঘৰৰ দৰে অনুভৱ কৰিছিলোঁ—দক্ষিণ

আফ্ৰিকাত কাম কৰা বাবে তামিল আৰু তেলেগু সকলৰ ওপৰত মোৰ জানিবা এটা স্বকীয়া অধিকাৰ আছে বুলি ভাবিছিলোঁ। দক্ষিণ অঞ্চলৰ ভাল মানুহ বিলাকে মোৰ এই বিশ্বাসৰ বিৰুদ্ধে যোৱা নাছিল। কস্তুৰী ৰঙ্গ আয়েঙ্গাৰৰ চহীত এই নিমন্ত্ৰণ আহিল। কিন্তু মই পাছত জানিবলৈ পালোঁ যে এই নিমন্ত্ৰণৰ আঁৰত আচলতে আছিল শ্ৰী ৰাজাগোপাল আচাৰীযা। তেওঁৰ ল'গত এয়ে মোৰ প্ৰথম চিনাকী। ইয়াতেই আমি দুয়ো ব্যক্তিগতভাৱে চিনাকী হলোঁ।

ৰাজাগোপাল আচাৰীয়া তেতিয়া অলপতে ছালেম এৰি কস্তুৰীৰঙ্গ আয়েঙ্গাৰৰ দৰে বন্ধু সকলৰ নেৰ-নেপেৰা নিমন্ত্ৰণত মাদ্ৰাজত আইন ব্যৱসায় চলাবলৈ বহিছে মাথোন। তেওঁলোকৰ উদ্দেশ্য আছিল---ৰাজা-গোপাল আচাৰীয়া মাদ্ৰাজত বহি ৰাইজৰ সেৱাতো মন দিব পাৰিব। মাদ্ৰাজত তেওঁৰ লগতেই আমাৰ থকামেলাৰ ব্যৱস্থা হৈছিল। আমি মাদ্ৰাজত দুদিন মান তেওঁৰ ঘৰত আলহী আছোঁ, তেতিয়াহে এই খিনি কথা বুজিব পাৰিলোঁ। যি বঙলাত আমাক থাকিবলৈ দিয়া হৈছিল, সেইটোৰ গৰাকী আছিল কস্তুৰীৰঙ্গ আযেঙ্গাৰ। আমাৰ ধাৰণা আছিল যে আমি তেওৰেই আলহী। যি হওক, মহাদেব দেশায়ে মোক শুধৰাই দিলে। তেওঁ তেতিয়াৰে পৰা ৰাজাগোপাল আচাৰীযাৰ লগত বৰ ঘনিষ্ঠ সম্পৰ্ক পাতিলে। তেওঁ লাজকুৰীয়া স্বভাৱৰ বাবে পৰা-পক্ষে আলেঙে আলেঙে আছিল। কিন্তু মহাদেবে মোক সতৰ্ক কৰি দিলে "এই মানুহ জনক আপুনি ঠিক কৰক"। এইদৰে তেওঁ এদিনা কলে।

আৰু ময়ো তাকেই কৰিলোঁ। আমি দুয়ো কেনেকৈ এই আন্দোলন চলাব লাগিব তাকে আলোচনা কৰিবলৈ ধৰিলোঁ। কিন্তু ৰাজহুৱা সভা পতাৰ বাহিৰে আন কিবা কাম কাৰ্য্য-তালিকাৰ ভিতৰত সুমুৱাব কথা ভাবিব পৰা নাছিলোঁ। ৰোলাট বিল যদি শেহত আইনত পৰিণত

কৰা হয়, তেন্তে কেনেকৈ সত্যাগ্ৰহ কৰিম, তাকে ভাবি উলিযাব পৰা নাছিলোঁ। গভৰ্ণমেন্টে কিবা সুবিধা দিলেহে আইনভঙ্গ কৰিব পৰা হব। এই সুবিধা যদি গভৰ্ণমেন্টে নিদিযে, তেন্তে কি কৰোঁ? আৰু যদি সেযে হয, তেন্তে কোন খিনিত সীমাৰ আঁচ মাৰোঁ? এইটো আৰু এনেবিধৰ বহুতো সমস্যা আমাৰ আলোচনাৰ বিষয আছিল।

এই সম্পৰ্কে ভালকৈ আলোচনা কৰিবলৈ কস্তুৰীৰঙ্গ আযেঙ্গাৰে আৰু কিছুমান নেতৃস্থানীয লোকক মাতি দিলে। এই আলোচনাত লেখত লোৱাকৈ অংশ লোৱা সকলৰ ভিতৰত শ্ৰী বিজয ৰাঘৱ আচাৰীয়া আছিল। সত্যাগ্ৰহৰ সকলো জানিলৰখা বিলাক বুজাবলৈ এখন কিতাপ লিখাৰ কথা তেওঁ পৰামৰ্শ দিলে। এই কাম মোৰ সামৰ্থ্যৰ বাহিৰ বুলি মোৰ বোধ হল আৰু মযো এইখিনি স্বীকাৰ কৰিলো।

আমাৰ ভিতৰত এই বিলাক আলোচনা চলি আছে, এনেতে ৰোলাট বিলখন আইনত পৰিণত হোৱা বুলি কাকতত ওলাল। এই সম্পৰ্কে একো নাভাবি সেই দিনা ৰাতি শুই থাকিলোঁ। আনদিনাতকৈ সেইদিনা অলপ আগতেই সাৰপাই উঠিলো----তেতিযা পুৰাভালকৈ হোৱা নাই, ফেহুজালি দিছে মাথোন, মযো টোপনি আৰু চেতনা ইযাৰ মাজৰ অৱস্থাত আছো, হঠাতে সপোনাৰ দৰে মোৰ মনলৈ এটা ভাৱ আহিল। পুৱা ৰাজাগোপাল আচাৰীযাক সকলো কথা কই কৰোঁ।

সপোনাৰ ভিতৰতে যেন মোৰ মনলৈ ভাৱ আহিল যে আমি সমগ্ৰ দেশৰ মানুহক হৰতাল পালন কৰিবলৈ আহ্বান কৰোঁ। সত্যাগ্ৰহ হৈছে আত্মশুদ্ধিৰ এটা প্ৰক্ৰিযা মাথোন। আমাৰ হৈছে পবিত্ৰ যুজ, সেই বাবে আত্ম-শুদ্ধিৰে এই পবিত্ৰ কাম আৰম্ভ কৰা উচিত হব। সেইদিনা ভাৰতবৰ্ষৰ মানুহে কাম বন ক্ষতি কৰি উপবাসে থাকি দিনটো প্ৰাৰ্থনাত নিয়ক। মুছলমান সকলে এদিনতকৈ সৰহ উপবাসে থাকিব নালাগে,

২৪ ঘন্টা উপবাসে থাকিলেই হব। আমাৰ দেশৰ সকলো প্ৰদেশে আমাৰ এই নিবেদনলৈ কাণ দিবনে নাই কোৱা টান, কিন্তু বোম্বে, মাদ্ৰাজ বিহাৰ আৰু সিন্ধুৰ সম্পৰ্কে মোৰ বিশ্বাস আছিল। মই ভাবিলোঁ যে এই কেইখন ঠায়ে উপযুক্তভাৱে হৰতাল পালন কৰিলেও আমি সন্তুষ্ট হব পাৰোঁ।

মোৰ এই কথাত ৰাজাগোপাল আচাৰীয়াই ভাল পালে। আন বিলাক বন্ধুৱেও পাছত শুনি মোৰ কথা সাদৰি ল'লে। চুটিকৈ এখন গোহাৰি ৰচনা কৰিলোঁ। পোনতে হৰতালৰ তাৰিখ ১৯১৯ সনৰ ৩০ মাৰ্চ তাৰিখ নিৰ্দ্ধাৰিত হল; কিন্তু পাছত ৬ এপ্ৰিল তাৰিখলৈ সলনি কৰা হল। এই হৰতাল সম্পৰ্কে বাহিৰে বৰ কম সময়ৰ জাননী পাইছিল। কামটো সোণকালে আৰম্ভ কৰিব লাগে দেখি দীঘলীয়াকৈ সময় দিয়াটো সম্ভৱ নাছিল।

কেনেকৈ এইবিলাক ঘটনা হৈছিল কোনে জানে? সমগ্ৰ ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈকে, গাঁও ভূঁই সকলো ঠাইতে হৰতাল পালন কৰা হৈছিল। ই এটা আচৰিত দৃশ্য আছিল।

একত্ৰিংশ অধ্যায়

সেই স্মৰণীয় সপ্তাহ (১)

দক্ষিণ ভাৰতত কিছুদিন ফুৰি মই বোম্বে পালোঁগৈ। বোধকৰোঁ ৪ এপ্ৰিল মান হব। ৬ এপ্ৰিল তাৰিখ পালন কৰোতে মই বোম্বেত থাকিব লাগে বুলি শ্ৰীশঙ্কৰলাল বেঙ্কাৰে এখন টেলিগ্ৰাম দিছিল। কিন্তু ইতিমধ্যে দিল্লীত ৩০ মাৰ্চ্চ তাৰিখেই হৰতাল পালন কৰা

হলেই। স্বামী শ্ৰদ্ধানন্দজী আৰু হাকিম আজমল খাঁ ছাহেবৰ এষাৰ কথাই তাত আইন। ৬ এপ্ৰিল তাৰিখলৈ হৰতাল পাছু হোহোকাই লিব লাগে বুলি যিখন তাঁৰ দিয়া হৈছিল, সেইখন পাওতে পলম হল। দিল্লীত এনেবিধৰ হৰতাল কোনেও কেতিয়াও আগতে দেখা নাছিল। হিন্দু আৰু মুছলমান এটা মানুহৰ দৰে একে লগ হল। জুম্মা মছজিদত বক্তৃতা দিবলৈ স্বামী শ্ৰদ্ধানন্দক মতা হল, তেওঁ তাত বক্তৃতা দিলে। এই বিলাক কথা কৰ্তৃপক্ষই সহে কেনেকৈ? ছিভিল লাইনৰ ফালে হৰতালৰ সমদল যোৱাটোত পুলিছে বাধা দিলে, আৰু গুলী চলোৱাৰ ফলত কেইজনমান হতা-হত হল। ইয়াৰ পাছতেই দিল্লীত অত্যাচাৰৰ তাণ্ডবলীলা চলিল। শ্ৰদ্ধানন্দজীয়ে মোক দিল্লীলৈ তৎক্ষণাতে যাব লগে বুলি তাঁৰ দি মাতি পঠালে। মই তাঁৰ দি জনালোঁ যে বোম্বেত ৬ এপ্ৰিল তাৰিখ পালন কৰা শেষ হলে দিল্লীলৈ ৰাওনা হম।

দিল্লীত হোৱা ঘটনাৱলী লাহোৰ আৰু অমৃতসৰতো ঘটিল। মাত্ৰাত কিছু তাৰতম্য আছিল। অমৃতসৰৰ পৰা ডাক্তৰ সত্যপাল আৰু কিচলুৱে তালৈ যাবলৈ টানি মাতিলে। সেই সময়ত তেওঁ লোকৰ লগত মোৰ চিনা জনা নাছিল। কিন্তু দিল্লীৰ পাছত অমৃতছৰলৈ যাম বুলি তেওঁলোকক জনালোঁ।

৬ তাৰিখে বোম্বেৰ নাগৰিক সকলে হেজাৰে হেজাৰে গা ধুবলৈ চৌপাটিত গোট খালেহি। তাৰপাছত সমদল বান্ধি ঠাকুৰদ্বাৰলৈ যাবলৈ ধৰিলে। এই সমদলত লৰা তিৰোতা বহুতো আছিল; আনফালে মুছলমান সকলেও সৰহ সংখ্যাত যোগ দিছিল। ঠাকুৰ দ্বাৰৰ পৰা আমাৰ কিছুমানক সমদলত মুছলমান সকলে মছজিদলৈ মাতি নিলে। ইয়াত শ্ৰীমতী সৰোজিনী নায়ডু আৰু মোক বক্তৃতা

দিবলৈ অনুৰোধ জনালে। শ্ৰীযুক্ত ভিথলদাস জেৰাজানীয়ে স্বদেশী আৰু হিন্দু-মুছলমান একতাৰ প্ৰতিশ্ৰুতি সকলোকে লোৱাবলৈ টানি ধৰিলে। এনে কথাত মই মান্তি হোৱা নাছিলোঁ—কাৰণ এনেবিধৰ প্ৰতিজ্ঞা লৰা-ধপৰাকৈ লোৱা উচিত নহয় বুলি মই ভাবিছিলোঁ। ৰাইজে কি দৰে কাম কৰিছে সেই সম্পৰ্কে আমি আগতে জানিব লাগিব আৰু সন্তুষ্ট হলেহে তেনে এটা প্ৰতিজ্ঞা লোৱাব পাৰি। মই এই দৰে যুক্তি দেখুৱালোঁ—এটা প্ৰতিজ্ঞা এবাৰ ললে আৰু কেতিয়াও ভঙ্গ কৰাটো উচিত নহয়। সেইবাবে স্বদেশী প্ৰতিজ্ঞাৰ তাৎপৰ্য্য স্পষ্ট কৈ জনা উচিত। ইয়াৰ উপৰিও হিন্দু মুছলমান একতাৰ প্ৰতিজ্ঞা ললে কিমান গধুৰ দায়িত্ব পৰিব, সকলোৱে এই সম্পৰ্কে ভালকৈ হৃদয়ঙ্গম কৰিব লাগিব। শেহত মই কলোঁ যে যি সকলে এই প্ৰতিজ্ঞা লবলৈ বিচাৰে, তেওঁলোকে যেন পাছদিনা এই উদ্দেশ্য লৈ তাত সমবেত হয় হি।

বোম্বেত হৰতাল যে সম্পূৰ্ণতে কৃতকাৰ্য্য হৈছিল, এই সম্পৰ্কে কোৱা অনাৱশ্যক। নিস্ক্ৰিয় প্ৰতিৰোধ কৰিবলৈ সকলোকে সম্পূৰ্ণতে তৈয়াৰ কৰোৱা হৈছে। এই বিষয়টো লৈ দুই তিনিটা কথা আলোচনা কৰা হল। যি বিলাক আইন জনসাধাৰণে সহজে ভঙ্গ কৰিব পাৰে, তেনে বিলাক আইন ভঙ্গ কৰাটো স্থিৰ কৰা হল। লোন আইনৰ সম্পৰ্কে সকলোৱে বিৰক্তি আছে। আৰু এই আইন তুলি দিবলৈ এটা শক্তিশালী আন্দোলন কিছুদিনৰ পৰা চলি আছেই। সেইবাবে মই কলোঁ যে আইনলৈ ভ্ৰূক্ষেপ নকৰি সাগৰৰ পানী নি ঘৰে ঘৰে লোন তৈয়াৰ কৰিব পাৰে। মোৰ দ্বিতীয় পৰামৰ্শ আছিল, নিষিদ্ধ পুস্তিকা বিক্ৰী কৰা। মোৰ দুখন কিতাপ হিন্দ-স্বৰাজ আৰু ৰাস্কিনৰ "unto this last" বোলা কিতাপখনৰ গুজৰাটী

[illegible] নিষিদ্ধ হৈছে, সেইবাবে আমাৰ উদ্দেশ্যত এইবোৰ সহজে [illegible] ছপা কৰি প্ৰকাশ্যে বেচাটো আইন ভঙ্গ কৰিবলৈ সহজ কাম হল। এই বিলাক কিতাপৰ যথেষ্ট সংখ্যা ছপা কৰোৱা হল আৰু বিৰাট জনসভাৰ পাছত গোধূলি লবোৱা, সেহত আহাৰ খোৱাৰ পাছত এই বিলাক কিতাপ বেচা স্থিৰ কৰা হল।

৬ তাৰিখে গোধূলি এদল স্বয়ং সেৱক এই নিষিদ্ধ কিতাপ বিলাক বেচিবলৈ ওলাল। শ্ৰীমতী সৰোজিনী নাযডু আৰু মই এখন গাড়ীত ওলালোঁ। গোটেই বিলাক বেচা হল। এই কিতাপ বেচি যি [illegible] খাৰ, তাৰ গোটেই সত্যাগ্ৰহ আন্দোলনত খৰচ কৰিবলৈ স্থিৰ কৰা [illegible] একোখন কিতাপৰ দাম ধৰা হৈছিল চাৰি অনা, কিন্তু কোনোৱে চাৰি অনাত কিনা মোৰ মনত নপৰে। অধিকাংশ লোক নিজৰ নিজৰ জেপত যি ধন আছিল, গোটেইখিনি [illegible] দি এখন কিতাপ কিনিলে। চাৰি অনাৰ ঠাইত ৫ টকীয়া ১০ টকীয়া নোট [illegible] লাগিল। এখন কিতাপ ৫০ টকাত কিনাও মোৰ মনত পৰে। নিষিদ্ধ কিতাপ কিনিলে গ্ৰেপ্তাৰ কৰিব পাৰে, জেইলত শাস্তি দিব [illegible], এই বিলাক সকলো কথা বুজাই কোৱা হৈছিল। কিন্তু [illegible] মুহূৰ্ত্তত তেওঁলোকৰ জেইললৈ যোৱাৰ ভয় নাছিল।

নিষিদ্ধ কিতাপ বিক্ৰী হোৱা নাই, যি কিতাপ বিক্ৰী হৈছে সেই বিলাক নিষিদ্ধৰ সজ্ঞাত নপৰে, এনে এটা মত গৱৰ্ণমেণ্টে লোৱা বুলি পাছত জানিব পৰা গল। নতুনকৈ ছপা কৰোৱাটো নতুন সংস্কৰণ আৰু এই বিলাক বেচাটো আইনমতে দণ্ডনীয় অপৰাধ নহয়। [illegible] ৰাত্ৰিৰ ওলালত সকলোৰে মাজত এটা নৈৰাশ্য আছিল।

পাছ দিনা পুৱা স্বদেশী আৰু হিন্দু মুছলিম একতাৰ [illegible] শপতৰ আৰু এখন সভা বহিল। ভিথলদাস জেৰাজানীয়ে প্ৰতিজ্ঞা

উপলব্ধি কৰিলে যে বাহিৰত চিকচিকীয়া হলেই সোণ নহয়। সভালৈ এমুঠি মানুহ আহিল! সেইদিনা যি সকল তিৰোতা আহিছিল, তাৰ কিছুমানক মোৰ আজিও মনত আছে। মুনিহ মানুহৰ সংখ্যাও বৰ কম। মই প্ৰতিজ্ঞাপত্ৰখন লিখি লৈ আহিছিলোঁ। যি সকল উপস্থিত আছিল, তেওঁলোকক এই শপত লবৰ আগতে ইয়াৰ তাৎপৰ্য্য মই স্পষ্টকৈ বুজাই কলো। মানুহ কমকৈ অহাত মই বেজাৰ পোৱা নাছিলো আৰু আচৰিতো হোৱা নাছিলোঁ। কাৰণ জনসাধাৰণৰ এটা ভাব মই লক্ষ্য কৰি আহিছিলোঁ—তেওঁলোকে উত্তেজনাপূর্ণ কাম ভাল পায়, কিন্তু নীৰৱ গঠণমূলক কামলৈ সিমান বাপ নাই। এই ভাব আজিলৈকে আছে।

কিন্তু এই বিষয়ত কবলৈ হলে এটা অধ্যায় দিব লাগিব। এতিয়া আমাৰ কথালৈ অহা যাওক। ৭ তাৰিখে ৰাতি মই দিল্লী আৰু অমৃতছৰলৈ বুলি ৰাওনা হলোঁ। ৮ তাৰিখে ৰাতি মথুৰা পাওতে মোৰ গ্ৰেপ্তাৰৰ সম্ভাৱনা সম্পৰ্কে এটা উৰা বাতৰি শুনিলোঁ। মথুৰাৰ পাছৰ ষ্টেশ্যনত ৰখাওতে আচাৰ্য্য গিডৱানীয়ে মোক লগ ধৰিবলৈ আহিল। মোক গ্ৰেপ্তাৰ কৰিব বুলি তেওঁ খাতাং বাতৰি দিলেহি। মোক গ্ৰেপ্তাৰ কৰিলে কিবা কৰিব লগীয়া থাকিলে তেওঁ কৰিবলৈ গাত ললে। তেওঁক ধন্যবাদ দিলোঁ; আৰু প্ৰয়োজন হলে তেওঁক কামত লগাম বুলি জনালোঁ।

পালৱাল ৰেলৱে ষ্টেশ্যন পাবৰ আগতে, পঞ্জাবৰ সীমাত মই সোমাব নোৱাৰোঁ, কাৰণ মোৰ উপস্থিতিত শান্তি আৰু শৃঙ্খলা ভঙ্গ হব পাৰে এনে বুলি এখন লিখিত নোটীছ মোৰ ওপৰত জাৰী কৰা হল। পুলীছে ট্ৰেইনৰ পৰা মোক নামিবলৈ কলে। মই

অস্বীকাৰ কৰি কলোঁ—“মোক বৰ টানকৈ মাতি পঠাইছে, মই পঞ্জাবলৈ যাব লাগিব, তাত বিশৃঙ্খলা কৰা মোৰ উদ্দেশ্য নহয়, শান্ত কৰা। সেই বাবে এনে এটা হুকুম মান্য কৰা মোৰ পক্ষে সম্ভৱ নহয়, ইয়াৰ বাবে মই বেজাৰ পাইছোঁ।”

অৱশেষত ট্ৰেইন আহি পালৱাল ষ্টেশ্যন পালেহি। মোৰ লগত মহাদেব আছিল। মই তেওঁক দিল্লীলৈ যাবলৈ কলোঁ, কি ঘটনা ঘটিল সকলো স্বামী শ্ৰদ্ধানন্দক জনাবলৈ দিলোঁ আৰু তেওঁ ৰাইজক যেন ধৈৰ্য্য ধৰি থাকিবলৈ কয়। মোৰ ওপৰত জাৰী কৰা নোটাছ কিয় অমান্য কৰি সকলো শাস্তিভোগ কৰিবলৈ বিচাৰিছোঁ আৰু মোৰ ওপৰত যিহকে শাস্তি নিদিয়ক, ৰাইজে যদি ধৈৰ্য্য ধৰি শান্তভাৱে থাকে, তেন্তে ৰাইজৰ জয় হব, সকলো কথা বুজাই কবলৈ জনালোঁ।

পালৱাল ষ্টেশ্যন পোৱাত মোক ট্ৰেইনৰ পৰা নমাই পুলীছৰ জিম্মাত ৰখা হল। অলপপৰ পাছতে দিল্লীৰ ফালৰ পৰা এখন ট্ৰেইন আহি পালে। মোক তৃতীয় শ্ৰেণীৰ গাৰী এখনত তুলি দিয়া হল। পুলীছৰ দলটোও লগতে উঠিল। মথুৰা পালত মোক পুলীছ বেৰেকলৈ নিয়া হল, কিন্তু মোক লৈ কি কৰা হব, নাইবা মোক নো ইয়াৰ পাছত কলৈ নিয়া হব, কোনো পুলীছ কৰ্ম্মচাৰীয়ে কব নোৱাৰে। পাছদিনা পুৱা ৪টা বাজোতে মোক জগাই বোম্বেৰ ফালে যোৱা এখন মাল গাৰীত তুলি দিয়া হল। দুপৰীয়া হলত ছাৱাই মাধোপুৰ ষ্টেশ্যনত নমোৱা হল। লাহোৰৰ পৰা মেইল ট্ৰেইনত পুলীছ ইন্সপেক্টৰ মিঃ বাওৰিং পালেহি। এতিয়া তেওঁ মোক ছমজি ললে। এতিয়া মোক এখন প্ৰথম শ্ৰেণীৰ গাৰীত তোলা হল। এতিয়া আৰু সাধাৰণ বন্দী নহওঁ, এতিয়া “ভদ্ৰলোক” বন্দী। তেওঁ পোনতে ছাৰ মাইকেল ও'ডায়াৰৰ গুণ কীৰ্ত্তন কৰি এটি দীঘলীয়া বক্তৃতা দিলে। মোৰ বিপক্ষে ছাৰ মাইকেল ও'ডায়াৰৰ একো নাই, কিন্তু মই

পঞ্জাবত সোমালে ক'ৰবাত অশান্তি হব পাৰে বুলি তেওঁৰ মনত সংশয় হৈছে ইত্যাদি কবলৈ ধৰিলে। অৱশেষত তেওঁ মোক অনুৰোধ কৰিলে যে মই নিজৰ ইচ্ছাত বোম্বেলৈ যেন উভটি যাওঁ। আৰু পঞ্জাবৰ সীমা পাৰ নহওঁ বুলি গাত লওঁ। মই উত্তৰ দিলোঁ এনে কথাত মই মান্তি হব নোৱাৰোঁ। মই স্বেচ্ছাত বোম্বেলৈ উভটি যাবলৈকো মান্তি নহওঁ। তেতিয়া মোৰ ওপৰত আইন প্ৰয়োগ কৰিব'ল বাধ্য হব বুলি কৰ্ম্মচাৰীজনে কলে। 'ভাল আপুনি নো মোক কি কৰিব ?' মই সুধিলোঁ। তেওঁ কলে—তেওঁ একো নাজানে, তেওঁ হুকুমৰ কাৰণে বাট চাইছে। "বৰ্ত্তমানে মই আপোনাক লৈ বোম্বেলৈ যাম।" ইযাকে কলে।

আমি ছুৰাট পালোহি। ইযাতেই মোক আন এজন কৰ্ম্মচাৰীৰ হাতত ছমজাই দিয়া হল। "এতিয়া আপুনি খালাছ" বোম্বে পোৰাত অফিছাৰ জনে মোক কলে। 'আপুনি মেৰিন লাইনছ ষ্টেশ্যনত নামি যোৱাটো ভাল, কোলাবাত ভাঙৰ এটা জনতা বৈ থকাৰ সম্ভৱ।" এইদৰে তেওঁ-কলে। তেওঁৰ এই কথাত মান্তি হব পাৰোঁ বুলি জনালোঁ। মোৰ এজন বন্ধুৰ গাড়ী সেইবাটেদি তেতিয়া গৈছিল। সেই গাড়ীখনে মোক তুলি নি ৰেবাশঙ্কৰ জাভেৰীৰ ঘৰত থলেনি। বন্ধুজনে কলে মোৰ গ্ৰেপ্তাৰৰ কথা শুনি ৰাইজ উত্তেজিত হৈছে। তেওঁলোক এতিয়া বলিয়া হোৱা দি হৈছে। "পাইধুনিৰ ওচৰত কোন মুহূৰ্ত্তত কি হয় কব নোৱাৰোঁ। মেজিষ্ট্ৰেট পুলীছ সকলো তালৈকে গৈছে।" এইদৰে বন্ধুজনে কলে।

মই গৈ এইখিনি পাইছোঁ মাথোন, এনেতে উমৰ ছোভানী আৰু অনুসূয়া বেন পালেহি আৰু অলপো পলম নকৰাকৈ পাইধুনিলৈ যাবলৈ কলে। "জনতা বৰ অধৈৰ্য্য আৰু উত্তেজিত হৈছে, আমি তেওঁলোকক শান্ত কৰিব পৰা নাই। আপোনাৰ উপস্থিতিয়ে হে শান্ত কৰিব।"

মই গাড়ীত উঠিলোঁ। পাইধুনীৰ ওচৰত এটা বিৰাট জনতা দেখা

পালোঁ। মোক দেখা পাই বাইজ আনন্দত অধীৰ হল। তেতিয়াই সমদল বান্ধিসকলো ওলাল। 'আল্লাহো আকবৰ' 'বন্দেমাতৰম্' ধ্বনিৰে আকাশ ফাটিল। পাইধুনীত আমি এটা ঘোৰছোৱাৰী পুলীচ্ বাহিনী লগ পালোঁ। 'ওপৰৰ পৰা দলিৰ চপৰা পৰিবলৈ ধৰিলে। এই জনতাক মই ধৈৰ্য্য ধৰি থাকিবলৈ কলোঁ। কিন্তু চপৰাদলিৰ বৰষুণ যি দৰে পৰি আছিল, মোৰ মনত হল যেন আমিও সাৰিব নোৱাৰিম। আবদুৰ ৰহমন ষ্ট্ৰীটৰ পৰা ওলাই ক্ৰফোৰ্ড মাৰ্কেটৰ ফালে সমদল আগ বাঢ়িব ধৰিছে। তেতিয়া ঘোৰ ছোৱাৰী ছিপাহী এদল হঠাতে আহি ফোৰ্টৰ ফালে আগ-বঢ়াত বাধা দিলে। জনতা ঠাহ খাই আছিল। পুলীচ্ পহৰাৰ মাজেদি প্ৰায় সৰকি গল। এই বিৰাট জনতাৰ সমাবেশত মোৰ মাত কোনে শুনে। এনেতে ঘোৰ ছোৱাৰী পুলীচ্ বাহিনীৰ চাৰ্জত থকা অফিছাৰ জনে জনতাক ছত্ৰভঙ্গ কৰিবলৈ হুকুম দিলে আৰু ততালিকে পুলীচৰ দলে লাঠী ঘূৰাই জনতাক আক্ৰমণ কৰিলে। মই ভাবিছিলোঁ মই আহত হম কিন্তু মোৰ এনে আশঙ্কা ভিত্তিহীন আছিল। তেওঁলোকৰ জাঠীয়ে মই থকা গাৰী চুলে মাথোন। জনতা ভাগিল। তেওঁলোকৰ মাজত এটা বিশৃঙ্খলা আহিল, তেতিয়া জনতা ছত্ৰভঙ্গ হল। কিছুমানে বুট জোতাৰ গৰকাত পৰিল, কিছুমানে দুখ পালে। এই বিৰাট জন সমাবেশৰ মাজত ঘোৰা যাবলৈ বাট নাছিল আৰু মানুহবিলাকো আঁতৰি যাবলৈ কেনিও বাট নাছিল। পুলীচ্ বাহিনীয়ে কণামুনাকৈ জনতাৰ মাজেদিয়েই ঘোৰা চলালে। তেওঁলোকে যে কি কৰিছে সেইটোও তেওঁলোকে বোধ কৰোঁ ভবাই নাছিল, মোৰ এনে এটা ভাৱ হল। এইটো বৰ লোমহৰ্ষক দৃশ্য আছিল। ঘোৰ-ছোৱাৰী আৰু মানুহ সান-মিহলি হৈ পৰিল।

এইদৰে জনতাক খেদোৱা হল আৰু সমুখলৈ আগবঢ়াটো ৰোধ কৰা হল। আমাৰ মটৰখন জানিবা, আগ বাঢ়িবলৈ দিয়া হল। কমিশ্যনাৰৰ

অফিচৰ সমুখত মই গাৰী ৰখালোঁ আৰু পুলীচৰ আচৰণ সম্পৰ্কে অভিযোগ দিবলৈ গাৰীৰ পৰা নামিলোঁ।

দ্বাত্ৰিংশ অধ্যায়

সেই স্মৰণীয় সপ্তাহ (২)

মই কমিশনাৰ মিঃ গ্ৰিফিথৰ অফিচলৈ গলো। চিঁৰিৰেদি উঠি যাওঁতে দেখিলো, ভৱনৰ পৰা মূলদুৱাৰলৈকে অস্ত্ৰশস্ত্ৰৰে সজ্জিত হৈ চিপাহী সকল থিয় হৈ আছে। যেন কঁৰবাত এখন যুঁজহে লাগিছে। বাৰান্দাত মানুহ। অফিচত সোমাই দেখিলো। মিঃ গ্ৰিফিথৰ লগত মিঃ বাওৰিং বহি আছে।

যিবিলাক ঘটনাৱলী মই দেখি আহিছো, তাকেই মিঃ গ্ৰিফিথক জনালোঁ। তেওঁ চমুকৈ উত্তৰ দিলে "কোৰ্ট অঞ্চললৈ সমদল যোৱাটো মই বিচৰা নাছিলোঁ—কাৰণ সেই অঞ্চললৈ গলে গোলমাল হোৱাটো অপৰিহাৰ্য্য। মই দেখিলোঁ যে এই জনতাই বুজোৱা-বঢ়োৱা নামানে। ঘোৰ ছোৱাৰী পুলীচবাহিনী জনতাৰ মাজেদি চলাই নিবৰ হুকুম দিয়াৰ বাহিৰে মোৰ বাবে আন উপায় নাছিল।

মই কলোঁ—ইয়াৰ পৰিণাম কি হব, আপুনি নিশ্চয় জানে। ঘোৰা বিলাকে মানুহক খচকি যাব লাগিব। এই ঘোৰছোৱাৰী পুলীচ বাহিনী তালৈ পঠোৱাৰ একো পয়োজন নাছিল বুলি মই ভাবোঁ।

মিঃ গ্ৰিফিথে কলে "সেই বিচাৰ কৰিব নোৱাৰি। ৰাইজৰ ওপৰত আপোনাৰ শিক্ষাৰ প্ৰভাৱ কি, আমি পুলীছ কৰ্ম্মচাৰীসকলে ভালকৈ জানোঁ। কঠোৰ উপায় লৈ আৰম্ভ নকৰা হলে অৱস্থা আমাৰ হাতৰ বাহিৰলৈ গলহেতেন। মই আপোনাক কওঁ—ৰাইজ আপোনাৰো হাতৰ বাহিৰলৈ গল হেতেন। আইনভঙ্গ কথাষাৰে তেওঁলোকক সোণকালে প্ৰভাবান্বিত কৰে। শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰাটো কৰ্ত্তব্য বুলি বুজি নাপায়। আপোনাৰ উদ্দেশ্য সম্পৰ্কে মোৰ একো সংশয় নাই। কিন্তু জনতাই তো এইবিলাক কথা সিমানকৈ বুজি নাপায়, তেওঁলোকে স্বাভাবিক প্ৰবৃত্তি অনুসৰণ কৰে।"

মই কলোঁ—"এইখিনিতেই আপোনাক মই প্ৰতিবাদ কৰোঁ। স্বভাৱতে মানুহ শান্তিপ্ৰিয়, হিংস স্বভাৱৰ নহয়।"

এইদৰে আমি বহুতো তৰ্ক কৰিলোঁ। শেহত মিঃ গ্ৰিফিথে কলে- ধৰক, আপোনাৰ শিক্ষা জনতাই বুজিব পৰা নাই বুলি ভালমতে বুজি পালে আপুনি কি কৰিব?"

"মই এই সত্যাগ্ৰহ স্থগীত ৰাখিম, যদিহে মই তাকে বুজি পাওঁ।" এইদৰে মই উত্তৰ দিলোঁ।

'আপুনি কি কৈছে? আপুনি মিঃ ৰাওৰিঙক কৈছিল, যে যি মুহুৰ্ত্তে আপোনাক মুক্তি দিয়া হয়, সেই মুহুৰ্ত্ততে আপুনি পুনৰ পঞ্জাবৰ ফালে ৰাওনা হ'ব।

"হয়, মই তাকেই কৰিব বিচাৰিছিলোঁ—কিন্তু আজি এতিয়া সম্ভৱ নহয়।"

"আপুনি যদি ধৈৰ্য্য ধৰি থাকে, এই বিশ্বাস সোণকালেই হ'ব। আহমদাবাদত কি হ'ব ধৰিছে আপুনি জানেনে? আৰু অমৃতসৰত কি হল? সকলো ঠাইতে মানুহ বলিয়া হোৱাদি হৈছে। মই এতিয়ালৈকে

সকলো কথা জানিব পৰা নাই। কিছুমান ঠাইত টেলিগ্ৰাফৰ তাঁৰ কাটি দিছে। মই আপোনাক কওঁ যে এই বিশৃঙ্খলাৰ দায়িত্ব আপোনাৰ।"

"যেতিয়াই মই এইখিনি কথা বুজিব পাৰোঁ, তেতিয়াই মই এই দায়িত্ব লম বুলি আপোনাক আশ্বাস দি কওঁ। আহমদাবাদত কিবা বিশৃঙ্খলা হোৱা দেখিলে মই বৰ দুখ পাম আৰু আচৰিত হম। অমৃতছৰৰ কথা মই একো কব নোৱাৰোঁ। মই তালৈ কেতিয়াও যোৱা নাই আৰু তাৰ কোনো মানুহকে মই চিনি নাপাওঁ। পঞ্জাবৰ সম্পৰ্কেও এইটো কওঁ যে পঞ্জাব গভৰ্ণমেণ্ট মোক তালৈ যোৱাত বাধা নিদিয়া হলে মই শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰোতে তেওঁলোকৰ যথেষ্ট সহায়ত আহিলোঁ হেতেন। মোক তালৈ যোৱাত বাধা দি অনাহকতে উত্তেজনাৰ সৃষ্টি কৰিলে।"

এইদৰে মই তৰ্ক কৰিলোঁ। আমি দুয়ো একে মতলৈ অহাটো অসম্ভৱ আছিল। মই তেওঁক কলোঁ যে মই চৌপাটীত এখন সভা পাতিব বিচাৰোঁ আৰু তাত ৰাইজক শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰিবলৈ কম। এইদৰে তেওঁৰ পৰা বিদায় ললোঁ। চৌপাটীৰ বালিত সভা বহিল। মই এই সভাত অহিংসা সম্পৰ্কে কৰ্ত্তব্য, সত্যাগ্ৰহৰ সীমা ইত্যাদি বহলাই কলোঁ আৰু ক'লোঁ-- "সত্যাগ্ৰহ হৈছে সত্যত আশ্ৰয় লোৱা লোকৰ হে অস্ত্ৰ। সত্যাগ্ৰহী অহিংসাত প্ৰতিজ্ঞাবদ্ধ। ৰাইজে যদি কায়োমনো-বাক্যে অহিংসা পালন নকৰে, তেন্তে মই ৰাজহুৱা সত্যাগ্ৰহ কৰিব নোৱাৰোঁ।"

আহমদাবাদত বিশৃঙ্খলা হোৱা বুলি অনুসূয়াবেনেও বাতৰি পাইছিল। কোনোবাই এটা উৰা-বাতৰি প্ৰচাৰ কৰিলে যে তেওঁকো গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ গ্ৰেপ্তাৰৰ উৰাবাতৰি ওলালত মিল মজদুৰ বিলাক বলিয়া

হোৱাদি হৈছে, কাম বন্ধ কৰিছে, উত্তেজনাত বহুত উপদ্ৰব কৰিছে, এজন ছাৰ্জেণ্টক হত্যা কৰা হৈছে।

মই আহমদাবাদলৈ ৰাওনা হলোঁ—মই শুনিলোঁ যে নদীয়াদ ৰেলৰে ষ্টেশ্যনৰ ওচৰত ৰেলৰ লাইন তুলি দিবলৈকো চেষ্টা হৈছিল। বীৰগ্ৰামত এজন চৰকাৰী কৰ্ম্মচাৰীক হত্যা কৰা হৈছে, আৰু আহমদাবাদত সামৰিক আইন জাৰী কৰা হৈছে। এতিয়া ৰাইজ ভয়ত পেপা খাইছে। উত্তেজনাত উপদ্ৰৱ কৰিলে। এতিয়া সুদে মূলে তাৰ বেচ দিব লগীয়া হৈছে।

মোক কমিশ্যনাৰ মি. প্ৰেটিৰ ওচৰলৈ নিবলৈ ষ্টেশ্যনত এজন পুলীচ কৰ্ম্মচাৰী বৈ আছে। তেওঁ খঙত বলীয়া হোৱাদি হৈছে। তেওঁৰ লগত মই ভদ্ৰভাৱে কথা হলোঁ। এইবিলাক উপদ্ৰৱ হোৱা বাবে মই বেজাৰ পাইছোঁ বুলি জনালোঁ। সামৰিক আইনৰ একো প্ৰয়োজন নাছিল বুলি কলোঁ। শান্তি ৰক্ষা কৰিবলৈ যি বিলাক উপায় লোৱা হব মই সকলোতে সহযোগ কৰিম বুলি তেওঁক কলো। ছাবৰমাটী আশ্ৰমৰ ভিতৰত এখন ৰাজহুৱা সভা পাতিবলৈ অনুমতি বিচাৰিলোঁ। এই কথাষাৰ তেওঁৰ মনত লাগিল আৰু মোৰ মনেৰে এই সভাখন ১৩ এপ্ৰিল তাৰিখ দেওৱাৰে বহিল। সামৰিক আইন সেই দিনাই কি তাৰ পাছদিনা তুলি দিলে। তেওঁলোকে যে কি অন্যায় কৰিছে, তাকে বুজাবলৈ এই সভাত চেষ্টা কৰিছিলোঁ। মোৰ নিজৰ প্ৰায়শ্চিত্তৰ কাৰণে তিনিদিনলৈ লঘোণে থাকিম বুলি জনালোঁ। ৰাইজকো এদিনৰ বাবে লঘোণে থাকিবলৈ কলোঁ। আৰু যি সকলে উপদ্ৰৱত যোগ দিছে, তেওঁলোকে যেন নিজৰ দোষ স্বীকাৰ কৰে, ইয়াকো কলোঁ।

দিনৰ পোহৰৰ দৰে মোৰ কৰ্ত্তব্য কি দেখা পালোঁ। যিবিলাক মজদুৰৰ মাজত মোৰ সময়ৰ ইমান খিনি দিছোঁ, যিবিলাকক মই সেৱা কৰিছোঁ, যি বিলাকৰ পৰা মই ভাল কাম আশা কৰিছিলোঁ, তেওঁলোকেও

উপদ্ৰৱত যোগ দিছে, মোৰ মনলৈ ভাব হল যে ময়ো তেওঁলোকৰ অপবাদৰ অংশীদাৰ।

মই যিদৰে তেওঁলোকক নিজৰ দোষ স্বীকাৰ কৰিবলৈ কলোঁ সেইদৰে গভৰ্ণমেণ্টকো তেওঁলোকক ক্ষমা কৰিবলৈ জনালোঁ, কিন্তু দুয়োৰে কেওঁ মোৰ পৰামৰ্শ নললে।

স্বৰ্গীয় ছাৰ ৰমণভাই আৰু কেইযাজনো আহমদাবাদৰ নাগৰিক মোৰ ওচৰলৈ আহি সত্যাগ্ৰহ স্থগিত ৰাখিবলৈ কলে। তেওঁলোকে মোক গোচাৰি জনোৱা নিষ্প্ৰয়োজন আছিল। কাৰণ ইতিপূৰ্ব্বেই যিমান দিনলৈকে ৰাইজে শান্তিৰ শিক্ষা নলয়, তেতিয়ালৈকে মই সত্যাগ্ৰহ স্থগিত কৰাৰ বুলি সিদ্ধান্ত লৈছিলো। বন্ধুসকল আনন্দমনেৰে গুচি গল।

আনফালে কিছুমান বন্ধুৱে এই কথাত বেজাৰ পালে। সকলো ঠাইতে শান্তি যদি বিচাৰো আৰু সত্যাগ্ৰহ চলাবলৈ এইটো এটা চৰ্ত্ত বুলি ধৰোঁ, তেন্তে ৰাজহুৱা সত্যাগ্ৰহ অসম্ভৱ বুলি তেওঁলোকে ভাবিলে। তেওঁলোকৰ লগত একে মত হব নোৱাৰাত বেজাৰ পালো। যি সকলৰ লগত মই একে লগে কাম কৰিছো, যি সকলক অহিংসা আৰু যি সকলে নিৰ্য্যাতন সহিব পাৰিব বুলি মই ভাবিছিলো, তেওঁলোকে যদি অহিংস হৈ থাকিব নোৱাৰে তেন্তে সত্যাগ্ৰহ অসম্ভৱ। যি সকলে জনতাক সত্যাগ্ৰহৰ বাটত নিবলৈ বিচাৰে, তেওঁলোকে জনতাক অহিংসাৰ সীমাৰ ভিতৰত ৰাখিব পাৰিব লাগে বুলি মোৰ দৃঢ় মত। আৰু আজিও সেই একে মত লৈ আছোঁ।

ত্ৰয়োত্ৰিংশ অধ্যায়

হিমালয় সদৃশ প্ৰকাণ্ড ভুল

আহমদাবাদৰ মিটিঙৰ পাছতেই মই নদীয়াদলৈ গলোঁ। ইয়াতেই "হিমালয় সদৃশ প্ৰকাণ্ড ভুল" এই বাক্যটো ব্যৱহাৰ কৰিছিলোঁ। ইয়াৰ পাছত এই বাক্যৰ বহল প্ৰচাৰ হয়। মই যে কিমান ডাঙৰ ভুল কৰিছোঁ সেই সম্পৰ্কে এটা ৰিনিকি বিনিকি ধাৰণা আহমদাবাদতেই হৈছিল। কিন্তু নদীয়াদ যেতিয়া পালোগৈ, তেতিয়া তাত প্ৰকৃত ঘটনাবিলাক দেখিলোঁ আৰু খেদাজিলাৰ বহুতো লোকক গ্ৰেপ্তাৰ কৰা বুলি বাতৰি শুনিলোঁ, এই সময়তেই মোৰ মনলৈ হঠাতে এটা ভাৱ আহিল যে খেদা আৰু আন সত্যাগ্ৰহ আন্দোলন কৰিবলৈ কোৱাটো সময়োচিত হোৱা নাছিল। এখন ৰাজহুৱা সভাত বক্তৃতা দি আছিলোঁ। এনে এটা স্বীকাৰোক্তিত মই যথেষ্ট উপহাসৰ পাত্ৰ হৈছিলোঁ। কিন্তু তেনে এটা স্বীকাৰোক্তিত মোৰ কেতিয়াও অনুতাপ হোৱা নাছিল। কোনোৱে যদি নিজৰ ভুল ডাঙৰ কৰি চায় আৰু লোকৰ ভুল যদি সৰু কৰি চায়, তেন্তে তেওঁ দুয়োটা ন্যায়সঙ্গত ভাৱে ৰিজাই এটা উচিত হিছাপ দিব পাৰে, এযে মই সদায় বিশ্বাস কৰিছিলোঁ। সত্যাগ্ৰহী হবলৈ বিচৰা লোকে এই নিয়মটো পুঙ্খানুপুঙ্খৰূপে পালন কৰিব লাগে বুলি বিশ্বাস কৰোঁ।

এতিয়া এই হিমালয় সদৃশ প্ৰকাণ্ড ভুলটো নো কি, তাকেই চাওঁ। কোনোবা লোকে আইন ভঙ্গ কৰিবলৈ উপযুক্ত হবৰ আগতে ৰাষ্ট্ৰীয় আইন বিলাক স্ব-ইচ্ছাত আৰু স-সম্মানে পালন কৰিব লাগিব। আমি সৰহ ভাগ ক্ষেত্ৰত এইবিলাক আইন ডৰিত পালন কৰোঁ।—বিশেষকৈ যি বিলাক আইনত নৈতিকতাৰ কথা নাই, সেই বিলাকতেই এনে কথা বিশেষকৈ

খাটে। উদাহৰণ স্বৰূপে এজন সন্মান-বোধ থকা ব্যক্তিয়ে আইন থাকক, বা নেথাকক, লোকৰ বস্তু চুৰ নকৰে, কিন্তু এই জন লোকেই ৰাতি এন্ধাৰত সমুখত চাকী জ্বলোৱাকৈ ছাইকেল চলাবৰ নিয়ম থকা স্বত্বেও এনে নিয়ম ভঙ্গ কৰাত অনুতাপ বোধ নকৰে। এই সম্পৰ্কে সাৱধান হব লাগে বুলি কোনোবাই পৰামৰ্শ দিলেও সেই পৰামৰ্শ ভাল ভাৱে লব নে নলয়, তাতো সন্দেহ আছে। কিন্তু এনে এটা নিয়ম ভঙ্গ হলে আদালতত গোচৰ হব আৰু এনে এটা ঘটনা হলে তাৰ আনুষঙ্গিক অসুবিধাৰ হাত সাৰিবলৈ হে এনে নিয়ম পালন কৰে। স্ব-ইচ্ছাত আৰু স্বতঃ-প্ৰবৃত্ত হৈ নিয়ম পালন কৰাটো সত্যাগ্ৰহীৰ পক্ষে প্ৰয়োজন, কিন্তু ঙবিত পালন কৰাটো সত্যাগ্ৰহীৰ আচৰণৰ লগত সামঞ্জস্যহীন কথা। সত্যাগ্ৰহীয়ে সামাজিক নিয়ম বিলাক বুদ্ধিমান লোকৰ দৰে পালন কৰে। সকলো কথা বুজি, এই সম্পৰ্কে পবিত্ৰ কৰ্ত্তব্য মনত ৰাখি স্ব ইচ্ছাত সত্যাগ্ৰহীয়ে আইন মানে। এই দৰে সামাজিক নিয়ম বিলাক পালন কৰা লোকেহে কোনবোৰ নিযম ভাল আৰু ন্যায়সঙ্গত কোনবিলাক বেয়া আৰু ন্যায়সঙ্গত নহয, বিচাৰ কৰিব পাৰে। তেতিয়াহে এজন মানুহে এটা সুনিৰ্দ্ধাৰিত অৱস্থাৰ মাজত কিছুমান আইন ভঙ্গ কৰিবলৈ অধিকাৰ পায়। এই প্ৰযোজনীয় সীমা ভালকৈ চকু নিদিয়াটোৱেই মোৰ এটা ডাঙৰ ভুল হৈছিল। জন সাধাৰণ আইনভঙ্গ কৰিবলৈ উপযুক্ত হবৰ আগতেই, মই তেওঁলোকক আইনভঙ্গ কৰিবলৈ কলোঁ। এই খিনিতেই হিমালয পৰ্ব্বতৰ দৰে প্ৰকাণ্ড ভুল হৈছিল। খেদা জিলাত সোমোৱা মাত্ৰকে খেদা সত্যাগ্ৰহৰ পুৰনি স্মৃতিবিলাক মোৰ মনলৈ আহিল। ইমান স্পষ্টকথা মোৰ চকুত নপৰা বাবে আচৰিত হলোঁ। ৰাইজ আইন ভঙ্গ কৰিবলৈ উপযুক্ত হবৰ আগতে আইন ভঙ্গৰ গভীৰ তাৎপৰ্য্য হৃদয়ঙ্গম কৰা উচিত বুলি এতিয়া উপলব্ধি কৰিলোঁ। এই

ভাব অহাত, সত্যাগ্ৰহ ৰাজহুৱা হিচাপে পুনৰ আৰম্ভ কৰাৰ আগতে সত্যাগ্ৰহৰ কঠোৰ নিয়ম বিলাক বুজি পোৱা পবিত্ৰ হৃদয়ৰ এদল কৰ্ম্মী গঠন কৰা আৱশ্যক বুলি বুজি পালোঁ। তেওঁলোকেই ৰাইজক সকলো কথা বুজাব পাৰিব আৰু তেওঁলোকক উচিত বাটত ৰাখিবলৈ সদায় চোকা দৃষ্টি ৰাখিব পাৰিব।

মনত এইবিলাক ভাব লৈ বোম্বে পালোহি। সত্যাগ্ৰহ সভাৰ জৰীয়তে এদল সত্যাগ্ৰহী সেৱক গঠন কৰিলোঁ আৰু তেওঁলোকৰ সহায় লৈ ৰাইজক শিক্ষা দিয়াৰ কাম হাতত ললোঁ। সত্যাগ্ৰহৰ অৰ্থ, ইয়াৰ ভিতৰুৱা তাৎপৰ্য্য, এই বিলাকেই শিক্ষা দিয়াত লাগিলোঁ। ঘাইকৈ কিছুমান পুস্তিকা প্ৰকাশ কৰি। এনেকাম কৰিছিলোঁ এই বিষয়ৰ লগত সম্পৰ্ক থকা কথা বিলাক এনে বিধৰ পুস্তিকাত আলোচনা কৰা হৈছিল।

এইবিলাক কাম কৰি থাকোতে মই দেখিলোঁ যে সত্যাগ্ৰহৰ শান্তিৰ অংশটো জানিবলৈ আগ্ৰহ কৰা মানুহৰ সংখ্যা তাকৰ আৰু তেওঁলোকক বুজোৱাও বৰ টান কথা। স্বেচ্ছাসেৱক হবলৈ অহা লোকৰো সংখ্যা তাকৰ। নাইবা, যিসকলে স্বেচ্ছাসেৱক দলত ভৰ্ত্তি হৈছে, তেওঁলোকেও নিয়মিত ভাৱে শিক্ষা নলয়, আৰু যিমানেই দিন যাবলৈ ধৰিলে সিমানেই নতুন ৰিক্ৰুইটৰ সংখ্যাও কমিব ধৰিলে। সত্যাগ্ৰহ সম্পৰ্কে যিদৰে দ্ৰুতগতিত শিক্ষা দিব পাৰিম বুলি মোৰ ভাৱ হৈছিল, এতিয়া উপলব্ধি কৰিলোঁ যে সিমান দ্ৰুতগতি এনে শিক্ষা দিব নোৱাৰি।

চতুস্ত্ৰিংশ অধ্যায়

নৱজীৱন আৰু ইয়ং ইণ্ডিয়া

এইদৰে অহিংসা ৰক্ষা কৰিবলৈ চলোৱা আন্দোলন গতিত ধীৰ হলেও ভালকৈ খোপনি লব ধৰিলে আৰু আনফালে গভৰ্ণমেণ্টে বে-আইনীভাৱে দমন নীতি চলাব ধৰিলে। আৰু পঞ্জাবত এই দমন নীতিৰ নগ্ন ৰূপ প্ৰকাশ হবলৈ ধৰিলে। নেতা সকলক গ্ৰেপ্তাৰ কৰা হল। সামৰিক আইন অৰ্থাৎ কোনো আইনেই নহয়, জাৰী কৰা হল। স্বকীয়া আদালত বহুৱা হল। এইবোৰ স্বকীয়া আদালত ন্যায়ালয় নাছিল, স্বেচ্ছাচাৰী শাসকৰ মইমতালি হুকুম বাহাল ৰখাৰ যন্ত্ৰবিশেষ হল। ন্যায়বিচাৰ জলাঞ্জলি দি সাক্ষ্যপ্ৰমাণাদিৰ লগত অসংলগ্ন হুকুম এই স্বকীয়া আদালত বিলাকে দিছিল। অমৃতচৰত নিৰ্দ্দোষী মুনিহ আৰু তিৰোতাক বাটত পেট পেলাই বগুৱা বাই যাবলৈ দিয়া হৈছিল। মোৰ চকুত জালিয়ানৱালাবাগৰ হত্যাকাণ্ডও এনে এটা অত্যাচাৰৰ ওচৰত সামান্য হৈ পৰে। অৱশ্যে ইয়াৰ হত্যাকাণ্ডই ভাৰতবৰ্ষ আৰু পৃথিবীৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে।

ফলাফললৈ ভ্ৰূক্ষেপ নকৰি পঞ্জাবলৈ যাবলৈ মোক কোৱা হল। তালৈ যাবলৈ অনুমতি বিচাৰি ভাইছৰৱলৈ চিঠি লিখিলোঁ, তাঁৰ কৰিলো, কিন্তু সকলো বৃথা হল। অনুমতিপত্ৰ নোলোৱাকৈ গলে সীমা পাৰ হৈ যাব নোৱাৰি। কেৱলমাত্ৰ আইন অমান্য কৰাৰ আনন্দৰ বাহিৰে আন একো নহয়। সেই বাবে মই বৰ বিমোৰত পৰিলোঁ। বৰ্ত্তমানে যিটো অৱস্থা চলিছে, তালৈ চাই হুকুম অমান্য কৰি পঞ্জাবত

সোমোৱাটো আইন অমান্যৰ শ্ৰেণীত নপৰে; কাৰণ আইন অমান্যৰ বাবে যিটো শান্তিপূৰ্ণ অৱস্থা লাগে, সেই অৱস্থা মই দেখা নাই আৰু এতিয়া এই নিৰ্দ্দয় অত্যাচাৰত প্ৰতিহিংসাৰ ভাৱ দকৈ মনত সুমুৱাইছে। এনে এটা অৱস্থাত মই আইনভঙ্গ কৰিলে জুইত ঘিউ ঢলাহে হব। এইবাবে বন্ধু সকলৰ অনুৰোধ স্বত্বেও পঞ্জাবলৈ নোযোৱাটোৱেই মই স্থিৰ কৰিলোঁ। এইটো মোৰ বাবে তিতাফল খোৱা দি হৈছিল। পঞ্জাবৰ পৰা দিনৌ নিৰ্দ্দয় অত্যাচাৰৰ কৰুণ কাহিনী আহিবলৈ ধৰিলে। কামৰ ভিতৰত অসহায়ৰ দৰে বহি থাকি দাঁত কামোৰাব বাহিৰে আন একো কৰিব পৰা নাছিলোঁ।

এই সময়তেই মিঃ হৰ্নিম্যেনক কৰ্ত্তৃপক্ষই অকস্মাতে আঁতৰাই নিৰুদ্দেশ কৰিলে। এওঁৰ হাতত 'বোম্বে ক্ৰণিকেল' কাকতখন এটা শক্তিশালী অস্ত্ৰ হৈছিল। গভৰ্ণমেন্টৰ এই কামটো যি দৰে ঘৃণনীয় ভাৱে কৰা হৈছিল, সেই কথা ভাবিলে নাক কোঁচ খাই আহে। মই জানোঁ যে মিঃ হৰ্নিম্যেনে বিশৃঙ্খলা ভাল নাপায়। সত্যাগ্ৰহ কমিটিৰ বিনা অনুমতিত নিষেধাজ্ঞা অমান্য কৰি পঞ্জাবলৈ যোৱাটো তেওঁ ভাল পোৱা নাছিল। সত্যাগ্ৰহ স্থগিত ৰাখিবলৈ কৰা সিদ্ধান্ত সমৰ্থন কৰিছিল। আনকি, এই ঘোষণা কৰিবৰ পূৰ্ব্বতে তেওঁ এনে এটা সিদ্ধান্ত লব লাগে বুলি পৰামৰ্শ দি মোলৈ চিঠিও লিখিছিল। কিন্তু বোম্বে আৰু আহমদাবাদৰ দূৰত্বৰ বাবে মই ঘোষণা কৰাৰ পাছত এই চিঠিখন পালোঁ। এনে এটা অৱস্থাতো তেওঁৰ ওপৰত দিয়া নিৰ্ব্বাসন দণ্ডত মই বৰ বেজাৰ পালোঁ আৰু আচৰিতো হলোঁ।

এই সময়ত বোম্বে ক্ৰণিকেলৰ ডিৰেক্টৰ সকলে এই কাকতখন চলাবৰ দায়িত্ব লবলৈ মোক অনুৰোধ জনালে। তেতিয়া মিঃ ব্ৰেল্‌ভী ইয়াৰ সম্পাদকীয় বিভাগত কাম কৰি আছেই; তেওঁ তাত থকাত মোৰ

কাম কৰিব লগীয়া বিশেষ একো নাছিল। মোৰ যিদৰে স্বভাৱ, সেইমতে এই দায়িত্ব মই লোৱা হলে এটা উপৰুৱা বোজা হলহেতেন।

এনেতে গভৰ্ণমেণ্টে জানিবা, মোক ৰক্ষা কৰিলে। কাৰণ গভৰ্ণমেন্টৰ হুকুম মতে ক্ৰণিকেল কাকত চলোৱা বন্ধ হল।

যি সকল বন্ধু ক্ৰণিকেল কাকতৰ ডিৰেক্টৰ আছিল অৰ্থাৎ ওমৰ ছোভানী আৰু শঙ্কৰ লাল বেঙ্কাৰ, তেওঁলোকে সেইসময়ত "ইয়ং ইণ্ডিয়া" বোলা কাকতখনো পৰিচালনা কৰিছিল। ক্ৰনিকেল কাকতখন বন্ধ কৰাত মই এতিয়া ইয়ং ইণ্ডিয়া পৰিচালনাৰ দায়িত্ব লব লাগে বুলি তেওঁলোকে কলে। আৰু ক্ৰণিকেল কাকত স্থগিত হোৱাত যিটো শূন্যতা হল, সেইটো পূৰাবলৈ 'ইয়ং ইণ্ডিয়া' কাকতখন সাপ্তাহিকৰ সলনি সপ্তাহত দুবাৰকৈ উলিযাব লাগে বুলি কলে মযো এই কথাষাৰ ভাবিলোঁ। সত্যাগ্ৰহৰ অন্তৰ্নিহিত অৰ্থ বুজাবলৈ মযো উদগ্ৰীৱ হৈ আছোঁ। আৰু মই আশা কৰিছিলোঁ যে পঞ্জাবৰ অৱস্থা ভালকৈ জনাবলৈ পাৰিম। কাৰণ মই যি লিখিছিলোঁ, তাৰ ভিতৰত সত্যাগ্ৰহৰ সম্ভাৱনা আছিল। গভৰ্ণমেন্টেও সেই কথাষাৰ জানিছিল। সেইবাবে এই সকল বন্ধুৰ প্ৰস্তাৱ মই ততালিকে গ্ৰহণ কৰিলোঁ।

কিন্তু ইংৰাজী ভাষাৰ জৰীযতে জন সাধাৰণকনো কেনেকৈ সত্যাগ্ৰহৰ শিক্ষা দিয়া যায়? গুজৰাটতেই মোৰ ঘাই কৰ্ম্মক্ষেত্ৰ। সেই সময়ত ইন্দুলাল যাজনিকো শঙ্কৰ লাল বেঙ্কাৰ আৰু ছোভানীৰ দলত লগ আছিল। এওঁলোকৰ আৰ্থিক সহাযত যাজনিকেও গুজৰাটী ভাষাত 'নৱজীৱন' নাম দি এখন মাহেকীয়া কাকত প্ৰকাশ কৰিছিল। তেওঁলোকে এই মাহেকীয়া কাকতখন মোৰ তত্বাবধানত দিলে আৰু যাজনিকেও ইয়াত কাম কৰিবলৈ মান্তি হল। এই মাহেকীয়া কাকতখন সাপ্তাহিকলৈ সলনি কৰা হল।

ইতিমধ্যে 'ক্ৰণিকেল' পুনৰুজ্জীৱন পালে। সেই বাবে ইয়ংইণ্ডিয়া সাপ্তাহিকলৈ সলোৱা হল। এই দুখন কাকত দু ঠাইৰ পৰা উলিয়াটো অসুবিধা আৰু খৰচো বাঢ়ে। নবজীৱন আহমদাবাদৰ পৰা উলিৱা হৈছিল, সেইবাবে মোৰ কথামতে ইয়ংইণ্ডিয়াকো আহমদাবাদলৈ নিয়া হল।

এইদৰে ঠাই সলনি কৰাৰ আন কাৰণো আছিল। 'ইণ্ডিয়ান অপি-নিয়ান' চলাবৰ অভিজ্ঞতাৰ পৰা মই এইটো শিকিছিলো যে এনে বিধৰ কাকত চলাবলৈ স্বকীয়া ছপাখনাৰ প্ৰয়োজন। ভাৰতবৰ্ষত সেই সময়ত প্ৰেছ আইন প্ৰচলিত আছিল। আৰু বাহিৰা ছপাখনাত ছপাবলৈ হলে আৰু ময়ো মোৰ মত স্বাধীনভাৱে প্ৰকাশ কৰিবলৈ হলে, এনেবিলাক ছপাখনাত বহুতো সময়ত মোৰ কথা ছপাবলৈ দ্বিধা বোধ কৰিলে হেতেন। সেইবাবে এটা স্বকীয়া নিজৰ ছপাখনা জৰুৰীকৈ লগা হল। আহমদাবাদতেই এনে এটা সম্ভৱ আছিল দেখি ইয়ং ইণ্ডিয়া কাকতখনো আহমদাবাদলৈকে অনা হল।

মোৰ সাধ্যমতে ৰাইজক সত্যাগ্ৰহৰ শিক্ষা দিবলৈ এইকাকত দুখনৰ জৰীয়তে এতিয়া কাম আৰম্ভ কৰিলোঁ। এই দুয়োখন কাকতৰ যথেষ্ট বহল প্ৰচাৰ হৈছে, এসময়ত প্ৰত্যেকখন কাকতৰেই প্ৰায় ৪০ হেজাৰ গ্ৰাহক আছিল। নবজীৱনৰ প্ৰচাৰ ঘপহ কৰে বাঢ়িল, কিন্তু ইয়ং ইণ্ডিয়া কাকতৰ গ্ৰাহকৰ সংখ্যা লাহে লাহে বাঢ়িবলৈ ধৰিলে। মোৰ কাৰাদণ্ড হোৱাত গ্ৰাহকৰ সংখ্যা বৰ কমি গৈছিল আৰু এতিয়া ৮ হেজাৰৰ তলত আছে।

আৰম্ভনিৰে পৰা এইবিলাক কাকতত বিজ্ঞাপন লোৱাৰ বিৰোধী আছিলোঁ। ইয়াৰ বাবে যে কিবা ক্ষতি হৈছে বুলি নাভাবোঁ। বৰঞ্চ মই বিশ্বাস কৰোঁ, যে এনে কৰাত আমি স্বাধীনতা ৰক্ষা কৰিব পাৰিছোঁ। এইলগতে মই এটা মানসিক শান্তি পালোঁ, কাৰণ এতিয়া সত্যাগ্ৰহ

কৰা অসম্ভৱ। এই কাকত দুখনৰ জৰীয়তে মোৰ মতামত প্ৰকাশ কৰিবলৈ সুবিধা পাম। আৰু ৰাইজেও অন্তৰত সাহ পাব। এইকঠিন পৰীক্ষাৰ সময়ত এই দুখন কাকতে ৰাইজক যথেষ্ট সেৱা কাৰব পাৰিছে বুলি মই বিশ্বাস কৰোঁ। আৰু সাম্ৰিক আইনৰ অত্যাচাৰৰ প্ৰকোপ কিছু সাম কটোৱাত সহায় কৰিছিল।

পঞ্চত্ৰিংশ অধ্যায়

পঞ্জাবত

ছাৰ মাইকেল ও'ডাযাৰে মোক পঞ্জাবৰ ঘটনাৱলীৰ কাৰণে দায়ী কৰিলে। আৰু আনফালে উদ্ধত স্বভাৱৰ কিছুমান খণ্ডাল পঞ্জাবী ডেকাই পঞ্জাবত সামৰিক আইন জাৰী হোৱাৰ বাবে মোক দায়ী কৰিলে। মই সত্যাগ্ৰহ স্থগীত নৰখা হলে জালিৱানৱালাবাগত হত্যাকাণ্ড নহল হেতেন। তেওঁ লোকৰ কেইজনমানে ইয়াতকৈ আগবাঢ়ি পঞ্জাবত সোমালে মোক হত্যা কৰা হব বুলি ডৰুৱালে।

কিন্তু মই দেখিলোঁ মই ইমান নিৰ্ভুল খোজ লৈছোঁ যে কোনো বুধিয়ক মানুহে ইয়াত ভুল বুজিব নোৱাৰে।

মই পঞ্জাবলৈ যাবলৈ উত্ৰাৱল হৈ আছিলোঁ। মই তালৈ কেতিয়াও যোৱা নাই ; সেইবাবে সকলো কথা নিজে চাই বুজিবলৈ উদগ্ৰীৱ হৈছিলোঁ। ডাক্তৰ কিচলু, ডাক্তৰ সত্যপাল পণ্ডিত ৰামভজ দত্ত চৌধুৰী প্ৰভৃতি নেতাই

মোক পঞ্জাবলৈ মাতিছিল। পাছে এওঁলোক এতিয়া জেইলত বন্দী। এওঁলোকক আৰু অন্যান্য বন্দীসকলক আৰু সৰহদিনলৈ বন্দী কৰি ৰাখিবলৈ গভৰ্ণমেণ্টে সাহ নকৰিব এনে এটা ভাব হৈছিল। মই বোম্বেলৈ গলেই বহুতো পঞ্জাবীয়ে মোৰ লগ ধৰেহি। মই তেওঁলোকক শান্তনা দিয়া কথা হৈ উৎসাহ দিছিলোঁ। সেইসময়ত মোৰ আত্ম-বিশ্বাস সংক্ৰামক আছিল।

কিন্তু পঞ্জাবলৈ যোৱাটো বাৰে বাৰে স্থগিত ৰাখিব লগীয়া হল। "যেতিয়াই মই অনুমতি বিচাৰোঁ তেতিয়াই ভাইচ্ৰয়ে জনায় 'এতিয়াও হোৱা নাই'" এইদৰে মোৰ যোৱাটো পাচুহুহকিবলৈ ধৰিলে।

ইতিমধ্যে পঞ্জাব গভৰ্ণমেণ্টে সামৰিক আইন জাৰী কৰি কি কৰিছে, সকলো কথা তদন্ত কৰিবলৈ হাণ্টাৰ কমিটী পতাৰ ঘোষণা হল। এতিয়া ছি-এফ-এণ্ড্ৰুজ পঞ্জাব পালেগৈ। তাত কি হৈছে, নহৈছে, সকলো কথাৰ হৃদয়বিদাৰক বিবৰণ দি চিঠি লিখিলে। বাতৰি কাকতত ওলোৱা কথা বিলাকতকৈ সামৰিক আইনৰ অত্যাচাৰৰ প্ৰকৃত কথা বিলাক আৰু বেয়া বুলি মোৰ ধাৰণা হৈছিল। সোণকালে তেওঁৰ লগত লগ হবলৈ মোক জৰুৰী মাতি পঠালে। সেইসময়ত মালবীয়জীয়েও পঞ্জাবলৈ ততালিকে যাব লাগে তাঁৰ দিলে। পুনৰ ভাইচ্ৰয়লৈ মই পঞ্জাবলৈ যাব পাৰোনে বুলি সুধি তাঁৰ দিলোঁ। এটা তাৰিখ ধাৰ্য্য কৰি তাৰ পাছতহে যাব পাৰোঁ বুলি ভাইচ্ৰয়েও উত্তৰ দিলে। এই তাৰিখটো মোৰ স্পষ্ট মনত নাই, কিন্তু অক্টোবৰ মাহৰ ১৭ তাৰিখ যেন লাগে।

লাহোৰ ষ্টেশ্যনত যিটো দৃশ্য দেখিলোঁ, সেইদৃশ্য মোৰ স্মৃতি-পটৰ পৰা কেতিয়াও মচ নাখায়। ৰেলৱে ষ্টেশ্যনৰ ইমূৰৰ পৰা সিমূৰলৈকে মানুহৰ মূৰৰ এখন বিৰাট সাগৰ। বহুদিন বিচ্ছেদৰ পাছত যেন নগৰৰ সকলো মানুহ নিজৰ অতি আপোন জনক চাবলৈ আহিছে। এই বিৰাট

জনতা আনন্দত অধীৰ। স্বৰ্গীয় পণ্ডিত ৰামভূজদত্ত চৌধুৰীৰ ঘৰতো নি মোক ৰখা হল। মোৰ তত্বাবধান লোৱাৰ দায়িত্বৰ বোজা পৰিল শ্ৰীমতী সৰলাদেবীৰ ওপৰত। এতিয়াৰ দৰে সেইসময়তো মোক যি ঠাইত নি ৰখা হয়, তাতেই সেই বোজা হওঁ, মোৰ বাবে লানি নিছিগা মানুহৰ দল।

পঞ্জাবৰ মুখীয়াল নেতাসকল জেইলত বন্দী থকা বাবে তেওঁলোকৰ ঠাই পূৰাইছে মালবীয়জী, মতিলালজী আৰু শ্ৰদ্ধানন্দজীয়ে। মালবীয়জী আৰু শ্ৰদ্ধানন্দজীৰ লগত মোৰ ঘনিষ্ঠতা আগৰে পৰা আছিল— কিন্তু মতিলালজীৰ লগত এয়ে প্ৰথম সংস্পৰ্শত আহিলোঁ। যি সকল স্থানীয় নেতাৰ বন্দী হবৰ সৌভাগ্য হোৱা নাছিল, তেওঁলোকে আৰু মতি-লালজী প্ৰভৃতিয়ে মোক তেওঁলোকৰ মাজত নিজৰ কৰি ললে। তেওঁলোকৰ মাজত নিজক আচহুৱা বুলি মোৰ মনলৈ ভাৱ অহা নাছিল।

এই হান্টাৰ কমিটীত সাক্ষ্য নিদিয়া কেনেকৈ আমি স্থিৰ কৰিলো। সেইটো এতিয়া বুৰঞ্জীৰ কথা। কিয় আমি এনে এটা সিদ্ধান্ত কৰিছিলোঁ। সেইটো প্ৰকাশিত হৈছিল। এতিয়া তাৰ পুনৰ আবৃত্তি কৰাৰ প্ৰয়োজন নাই। ইমান দিনৰ পাছত এই বিলাক ঘটনাৱলীলৈ চাই এই কমিটী বয়কট কৰাৰ সিদ্ধান্ত অতি নিৰ্ভুল হৈছিল বুলি কলেই যথেষ্ট হব।

হান্টাৰ কমিটী বয়কট কৰাত এখন বেচৰকাৰী তদন্ত কমিটী পতাৰ সিদ্ধান্ত কৰা হল। কংগ্ৰেছৰ ফালৰ পৰা হান্টাৰ কমিটীৰ লগত সমানে এইখন কমিটীয়ে তদন্ত কৰিব। পণ্ডিত মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস, শ্ৰীযুত আব্বাচ তায়েবজী, শ্ৰীযুত এম-আৰ-জয়াকৰ, আৰু মোক এই কমিটীত নিয়োগ কৰা হল; আচলতে পণ্ডিত মদনমোহন মালবীয়জীয়েই আমাক নিয়োগ কৰিলে। তদন্তৰ কাৰণে আমি কেউজনে নানান্ ঠাই ভগাই ললোঁ। কেনেকৈ কি কাম কৰা হব, সকলো দায়িত্ব মোকেই

দিয়া হল। সহৰ ভাগ ঠাইতেই তদন্ত চলাবৰ সৌভাগ্যময়েই পাইছিলোঁ। পঞ্জাবৰ গাওঁ বিলাকত পঞ্জাবী মানুহ বিলাকক বুজিবলৈ বৰ ডাঙৰ এটা সুবিধা পালোঁ।

এই তদন্ত চলাই থাকোতে পঞ্জাবৰ বহুতো তিৰোতাৰ লগত চিনাকী হলোঁ। আমি যেন যুগ-যুগান্তৰৰ চিনাকী। মই য'লৈকে যাওঁ— তেওঁলোক হেজাৰে হেজাৰে আহি মোৰ ওচৰ চাপিব আৰু মোক কটা সূতাৰ দ'ম উপহাৰ দিব। এই তদন্তৰ কামত থাকি বুজিলোঁ খাদীৰ কামৰ কাৰণে পঞ্জাব এটা ডাঙৰ কাৰ্য্যক্ষেত্ৰ হব পাৰে।

ৰাইজৰ ওপৰত কৰা অত্যাচাৰৰ তদন্ত কামত যিমানেই আগ বাঢ়িলোঁ, সিমানেই গভৰ্ণমেণ্টৰ অত্যাচাৰৰ নিৰ্ম্মম কাহিনী, কৰ্ম্মচাৰী সকলৰ স্বেচ্ছাচাৰিতাৰ বাতৰি পাবলৈ ধৰিলোঁ। মই এনেবিধৰ ঘটনা পাম বুলি কেতিয়াও ভবা নাছিলোঁ। এতিয়া এই বিলাক ঘটনা শুনি অন্তৰত বৰ আঘাত পালোঁ। সেই সময়ত মই এটা কথাত আচৰিত হৈছিলোঁ, যি খন প্ৰদেশে ব্ৰিটিশ গভৰ্ণমেণ্টক সকলোতকৈ সৰহ সংখ্যক ছিপাহী দি সহায় কৰিছিল, সেইখন প্ৰদেশে এইবিলাক পাশবিক অত্যাচাৰ বিনা প্ৰতিবাদে লৈছিল, এই কথাষাৰত মই আজিও আচৰিত হওঁ।

এই কমিটীৰ ৰিপোৰ্টখন লিখিবলৈ মোকেই দিয়া হল। পঞ্জাবৰ মানুহৰ ওপৰত কেনেবিধৰ অত্যাচাৰ হৈছিল, সেইটো সম্পৰ্কে এটা ধাৰণা পাবলৈ মই তেওঁলোকক এই ৰিপোৰ্টখন পঢ়িবলৈ কওঁ। মই কেৱল মাত্ৰ এটা কথা কবলৈ বিচাৰোঁ, যে এই ৰিপোৰ্টত জ্ঞাতসাৰে ক'তো এষাৰি মানো অতিৰঞ্জিত কৰি লিখা হোৱা নাই। সাক্ষ্যপ্ৰমাণৰে পৰীক্ষা কৰি প্ৰত্যেকটো জবানবন্দী লোৱা হৈছিল। যি সাক্ষ্য ৰিপোৰ্টত প্ৰকাশ কৰা হৈছে, সেইখিনি কমিটীৰ হাতত থকা অসংখ্য সাক্ষ্যৰ এটা সামান্য অংশ মাথোন। কোনো বিবৃতিত সামান্য আসোঁৱাহ থাকিলে

সেইটো প্ৰকাশ কৰা হোৱা নাই। কেৱল মাত্ৰ সত্য ঘটনা বিলাক উলিযাবলৈ এইৰিপোৰ্ট লিখা হৈছিল, সত্যৰ বাহিৰে অলপো সন্দেহজনক কথা প্ৰকাশ কৰা হোৱা নাই। এই ৰিপোৰ্টতেই পাব ব্ৰিটিশ গভৰ্ণমেণ্টে কিমান অমানুসিক বৰ্ব্বৰতা কৰিব পাৰে। মোৰ যিমান দূৰ জনা আছে ইয়াত ওলোৱা এটা ঘটনাও মিছা বুলি প্ৰমাণ কৰিবলৈ কেও যত্ন কৰা নাই।

ষষ্ঠত্ৰিংশ অধ্যায়

খিলাফত গোৰক্ষাৰ বিৰুদ্ধে নে ?

পঞ্জাবৰ এইবিলাক নিদাৰুণ কাহিনী বৰ্ত্তমানে এৰোঁ। পঞ্জাবত ডায়াৰী-তন্ত্ৰ সম্পৰ্কে তদন্ত আৰম্ভ হৈছে মাথোন, এনেতে এখন চিঠি পালোঁ যে খিলাফত সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ হিন্দু আৰু মুছলমানৰ এখন মুঠীয়া সম্মিলনত মই উপস্থিত থাকিব লাগে। হাকিম আজমল খাঁ আৰু মিঃ আছফ্ আলিৰ চহীত এই নিমন্ত্ৰন চিঠি আহিছিল। ৺স্বামী শ্ৰদ্ধানন্দজীও তাত উপস্থিত থাকিব আৰু মোৰ যিমান দূৰ মনত পৰে তেওঁ ইয়াৰ সহকাৰী সভাপতি হব—এইদৰে কোৱা হৈছিল। এই সভাখন বহিব নভেম্বৰ মাহত। খিলাফত সম্পৰ্কে যিটো প্ৰৱঞ্চনা কৰা হৈছে সেই সম্পৰ্কে আৰু হিন্দু মুছলমান ৰাইজে শান্তি উৎসৱত যোগ দিব নে নিদিব, সেইসম্পৰ্কেও আলোচনা হব। এই নিমন্ত্ৰন চিঠিত আন কথাৰ লগত গো-ৰক্ষা কথাৰো উল্লেখ আছিল। গো-সমস্যাৰ এটা সুমীমাংসাৰ

বাবে এটা সোণালী সুযোগ পোৱা হব বুলি মই ভাবিলোঁ। গো-ৰক্ষাৰ কথা ইয়াত উল্লেখ কৰাত মই সিমান ভাল পোৱা নাছিলোঁ। এই সভাত যোগ দিবলৈ পাৰ্য্যমানে চেষ্টা কৰিম বুলি জনালোঁ। এই দুটা কথা সান-মিহলি কৰিব নালাগে বুলিও কলোঁ। দৰ মৰাৰ ভাৱ লৈ আলোচনা নকৰি খিলাফতৰ প্ৰশ্নটো স্বকীয়াকৈ নিজস্ব গুণত আলোচনা কৰা উচিত বুলি লিখিলোঁ।

মোৰ অন্তৰত এনেবিধৰ ভাবৰ উখল মাখল লাগিছে আৰু এনে এটা মানসিক অৱস্থা লৈ মই এই সম্মিলনলৈ গলোঁ। যথেষ্ট সংখ্যক মানুহে এই সম্মিলনত যোগ দিছিল; অৱশ্যে ইয়াৰ পাছত যিবিলাক সভা বহিছিল, সেই বিলাকৰ তুলনাত এই খন ডাঙৰ নাছিল। ৺স্বামী শ্ৰদ্ধানন্দজীৰ লগত এই প্ৰশ্নটো আলোচনা কৰিলোঁ। তেওঁ মোৰ যুক্তিৰ শলাগ লৈ সম্মিলনত এইখিনি কথা দাঙিবলৈ কলে। এইদৰে ইয়াৰ পাছত হাকিম ছাহেবৰ লগত মই আলোচনা কৰিলোঁ। মই বিশ্বাস কৰা মতে খিলাফতৰ প্ৰশ্নটো যদি ন্যায়সঙ্গত হয় আৰু গভৰ্ণমেণ্টে যদি সঁচাকৈয়েই এই অন্যায় অবিচাৰ কৰিছে, তেন্তে খিলাফত অন্যায়ৰ প্ৰতিকাৰৰ বাবে হিন্দুৱে মুছলমানক সমৰ্থন কৰা উচিত বুলি সম্মিলনত কলোঁ। এই প্ৰশ্নটোৰ লগত গো-সমস্যা অনাটো উচিত নহব। এই সুবিধা লৈ হিন্দুৱেও নাইবা মুছলমানেও এই সমস্যা তোলাটো উচিত নহব। কিন্তু হিন্দুৰ ধৰ্ম্মভাৱলৈ সম্মান কৰি যদি মুছলমানে নিজৰ পৰাই একেখন দেশৰ লোক বুলি গো-বধ তুলি দিবলৈ মান্তি হয়, সেইটো স্বকীয়া কথা হব। এই কথাষাৰৰ লগত সম্পৰ্ক নৰখাকৈ এটা স্বকীয়া স্বাধীন ভাৱ লৈ সকলো কথাৰ বিচাৰ কৰিলে আচৰণত মৰ্য্যাদা থাকিব। হিন্দুৱে খিলাফতৰ প্ৰশ্নত সহায় কৰক, বা নকৰক, তাৰ্লৈ মন নিদিয়াকৈ মুছলমানে গোবধ সম্পৰ্কে মীমাংসা কৰাটো উচিত হব। এয়ে হলে এই

দটা সমস্যা স্বকীয়াকৈ আলোচনা কৰা উচিত। আৰু এইখন সম্মিলনে কেৱলমাত্ৰ খিলাফতৰ প্ৰশ্নতেই মন দিয়া উচিত। যি সকল লোক এই সম্মিলনত উপস্থিত আছিল, তেওঁলোকৰ মনত মোৰ যুক্তি ৰজিল আৰু গোৰক্ষাৰ কথা তাত আলোচনা কৰা নহল।

মই সাৱধান কৰি দিয়া স্বত্বেও মৌলানা আবদুল বাৰীয়ে কলে—"হিন্দুৱে আমাক সহায় কৰা নকৰক, একেখন দেশৰ লোক হোৱা বাবে, আৰু তেওঁলোকৰ এই সম্পৰ্কে থকা ভাৱলৈ সন্মান দেখুৱাই মুছলমানে গোবধ তুলি দিয়া উচিত।" আৰু এটা সময়ত তেওঁলোকে এইটো তুলি দিব বুলি বুজা গৈছিল।

কিছুমানৰ পৰা প্ৰস্তাৱ হল যে পঞ্জাবৰ কথাষাৰ খিলাফতৰ সমস্যাৰ লগত লগ লগাই দিয়া উচিত। মই ইয়াৰ বিৰোধিতা কৰিলোঁ। পঞ্জাবৰ কথাষাৰ হৈছে এটা স্থানীয় কথা, আমি শান্তি উৎসৱত যোগ দিয়া নিদিয়াৰ লগত এইটো অনা উচিত নহব বুলি মই কলোঁ। শান্তিৰ চৰ্তৰ লগত খিলাফতৰ কথাষাৰৰ পোনপটীয়া সম্পৰ্ক আছে আৰু এই লগতে এটা স্থানীয় কথা আমি লগাই দিলে, আমি ডাঙৰ ভুল কৰিম। যি হ'ক মোৰ যুক্তি সকলোৱে গ্ৰহণ কৰিলে।

এইখন সভাত মৌলানা হছৰত মোহানীও উপস্থিত আছিল। তেওঁক মই আগৰে পৰা জানিছিলোঁ। কিন্তু তেওঁ কি বিধৰ যুজাৰু, সেই কথাষাৰ ইয়াতহে মই বুজি পালোঁ। বহুতো কথাত আমাৰ গুৰিৰে পৰা মতভেদ হল আৰু আজিলৈকে এই ভেদ চলি আছে।

যিবিলাক প্ৰস্তাৱ এই সম্মিলনত গৃহীত হল, তাৰ ভিতৰত, হিন্দু আৰু মুছলমানক স্বদেশী প্ৰতিজ্ঞা লবলৈ কোৱা এটা প্ৰস্তাৱো আছিল। আৰু ইয়াৰ স্বাভাবিক পৰিণতি আছিল বিদেশী বস্ত্ৰ বৰ্জন। তেতিয়ালৈকে খাদীয়ে এটা ঠাই পোৱা নাছিল। হছৰত মোহানীয়ে এনে এটা

প্ৰস্তাৱ লবলৈ কেতিয়াও মান্তি নহয়, তেওঁৰ উদ্দেশ্য আছিল, খিলাফতৰ সমস্যাত ন্যায় বিচাৰ নহলে, ব্ৰিটিশ সাম্ৰাজ্যৰ ওপৰত প্ৰতিহিংসা চৰিতাৰ্থ কৰা। সেইবাবে তেওঁ আন এটা প্ৰস্তাৱ আনিলে যে যথাসম্ভৱ ব্ৰিটিশ বস্তুহে বৰ্জন কৰিব লাগে। মই নীতি হিচাপে আৰু কাৰ্য্যকাৰিতাৰ ফালৰ পৰাও এনে এটা প্ৰস্তাৱৰ বিৰোধিতা কৰিলোঁ। যি বিলাক যুক্তি সেই সময়ত দিছিলো, সেই বিলাক এতিয়া সকলোৰে ওচৰত জনাজাত। এই সম্মিলনত অহিংসাৰ কথাও মই কৈছিলোঁ। মোৰ যুক্তিয়ে শ্ৰোতা সকলৰ মনত দকৈ সাঁচ বহুৱা মই লক্ষ্য কৰিছিলোঁ। মোৰ আগতে হছৰত মোহানীৰ বক্তৃতাতো বৰকৈ হাত-চাপৰি পৰাত মই মনত শঙ্কা আৰু দ্বিধা লৈ থিয় হলো, জানোচা, মোৰ কথা অৰণ্যত ৰোদন হে হয়। মনলৈ সাহৰ ভাৱ আনি মই মোৰ কথা বিলাক বুজাবলৈ যত্ন কৰিছিলোঁ, কাৰণ মোৰ মনলৈ ভাৱ হৈছিল যে যদি মোৰ কথা বিলাক সম্মিলনৰ সমুখত দাড়ি নধৰোঁ, তেন্তে মই কৰ্ত্তব্যপথৰ স্খলিত হম। কিন্তু মই পাছত আচৰিত হলোঁ যে মোৰ কথাবিলাক সকলোৱে বৰ মন দি শুনিলে আৰু সকলোৰে মনত সমৰ্থনৰ ভাৱ জগালে আৰু ইযাৰ পাছত বক্তাৰ পাছত বক্তা থিয় হৈ মোৰ কথাৰ সমৰ্থন কৰিলে। সকলো নেতাই বুজিলে যে এনে এটা প্ৰস্তাৱ ললে আমি উদ্দেশ্য সিদ্ধি কৰিবতো নোৱাৰিম, বৰঞ্চ সকলোৰে হাঁহিয়াতৰ পাত্ৰ হম। সেই সম্মিলনত এনে এজন মানুহ উপস্থিত নাছিল, যাৰ গাত এটা নহয়, এটা ব্ৰিটিশৰ তৈয়াৰী বস্তু নাই। সেই কাৰণে সকলোৱে বুজিলে যে এনে এটা প্ৰস্তাৱ গ্ৰহণ কৰি ভাল হওক, ছাৰি বেযাহে হব আৰু তেওঁলোকে এনে এটা প্ৰস্তাৱৰ সপক্ষে ভোট দিও কামত পালন কৰিব নোৱাৰিব।

কেৱল মাত্ৰ বিদেশী কাপোৰ বৰ্জন কৰিয়েই আমি সন্তুষ্ট থাকিব নোৱাৰোঁ। আমাৰ প্ৰয়োজনৰ জোখাই স্বদেশী কাপোৰ তৈয়াৰী কৰোতে

আমাৰ কিমান দিন লাগে কোনে কব পাৰে ? কাৰ্য্যকৰী ভাৱে বিদেশী কাপোৰ বৰ্জ্জন কৰোতে আমাক কিমান দিন লাগিব কোনেও কব নোৱাৰে। এনে অৱস্থাত আমি ব্ৰিটিঃশৰ ওপৰত হেঁচা দিব পৰাকৈ কিবা এটা কৰিব লাগিব। বিদেশী কাপোৰ বৰ্জন কৰাটো থাওক, কিন্তু সোণকালে বেগাই হেঁচা দিব পৰাকৈ কিবা এটা দিয়ক" এইদৰে মৌলানা হছৰত মোহানীযে কৈছিল। তেওঁক শুনি থাকোতে মোৰ মনত এটা ভাৱ হৈছিল যে কিবা বেগাই কৰিব পৰা কাম এটা দিব লাগিব। সেই সময়ত বিদেশী কাপোৰ বৰ্জ্জন কৰাটো এটা অসম্ভৱ কথা। আমাৰ প্ৰয়োজনৰ জোখাই খাদী কাপোৰ তৈয়াৰী কৰি পৰাৰ কথা, তেতিয়ালৈকে মই জনা নাছিলোঁ। আনফালে, বিদেশী কাপোৰ বৰ্জ্জন কৰাত সম্পূৰ্ণতে কাপোৰৰ কল বিলাকৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হলে আমি পাছত প্ৰতাৰিত হম, সেইটো মই জানিছিলো। মোৰ মনত এনে এটা দোধোৰ-মোধোৰ ভাৱ চলি আছে, এনেতে মৌলানা হছৰত মোহানীয়ে তেওঁৰ বক্তৃতা শেষ কৰিলে।

মই ভাল হিন্দী; নাইবা উৰ্দ্দু নাজানোঁ, ক'ত কি শব্দ ব্যৱহাৰ কৰিব লাগে নাজানোঁ, এনে এটা অসুবিধা লৈ মই বক্তৃতা দিবলৈ থিয় হলোঁ। উত্তৰ ভাৰতৰ সৰহভাগ মুছলমান শ্ৰোতাৰ সমুখত যুক্তি তৰ্ক কৰি বক্তৃতা দিয়া এয়ে প্ৰথম। কলিকতাত বহা মুছলীম লীগৰ সম্মিলনত মই উৰ্দ্দুত বক্তৃতা দিছিলোঁ। কিন্তু কেই মিনিটমান মই কব লগীয়া হৈছিল আৰু সেইটো শ্ৰোতাসকলক ভাৱ প্ৰৱনতাৰ ফালৰ পৰা নিবেদন কৰিবলৈ কৈছিলোঁ। আন এজন বক্তাৰ যুক্তি খণ্ডন কৰিব লগীয়া হোৱা নাছিল। মোৰ সমুখত থকা শ্ৰোতা সকল সম্পূৰ্ণতে বিৰোধী নহলেও সকলো কথা ফঁহিয়াই চোৱা বিধৰ আছিল, তেওঁলোকক মোৰ সকলো কথা ভাল দৰে বুজাই কব লাগিব। মই সকলো লাজ সঙ্কোচ এৰিলোঁ। দিল্লীৰ

মুছলমান সকলৰ সমুখত নির্ভুল, খাঁটী মার্জ্জিত উর্দ্দু কবলৈ মই থিয় হোৱা নাই, মই যিমানখিনি জানো তাৰেই মোৰ বক্তব্যত মোৰ কথা বুজাব লাগিব। আৰু ইযাৰেই মই কৃতকার্য্য হলোঁ। কেৱলমাত্র হিন্দী উর্দ্দুযেই সকলোৱে বুজা ভাষা হব পাৰে বুলি এই খন মিটিঙেই এটা প্রমাণ দিলে। মই ইংৰাজীত কোৱা হলে শ্রোতাসকলক সেইদৰে বুজাব নোৱাৰিলোঁ হেতেন। আৰু মৌলানাযো যুদ্ধলৈ আহ্বান দিযা হিছাপে কব লগীয়া নহল হেতেন। আৰু কলেও মই তেওঁৰ সমুখত থিয দিব নোৱাৰিলোঁ হেতেন।

মোৰ নতুন ভাৱটো বুজাবলৈ প্রযোজনীয হিন্দী-উর্দ্দু শব্দ ব্যৱহাৰ কৰিবলৈ পৰা নাছিলোঁ----সেই বাবে কিছু অসুবিধাত পৰিছিলোঁ। অৱশেষত ইংৰাজী শব্দ "নন-কো-অপাৰেশ্যন" শব্দটো ব্যৱহাৰ কৰিব লগীয়া হল। এই খন মিটিঙতেই পোন প্রথমে এই শব্দটো ব্যৱহাৰ কৰিলোঁ। মৌলানাই যেতিযা বক্তৃতা দি আছিল, তেতিযা মোৰ বোধ হল, সশস্ত্র বিদ্রোহ অসম্ভৱ, নাইবা অবাঞ্চনীয হলেও যি গভর্ণমেন্টৰ লগত বহুতো কথাত সহযোগ কৰিব লগীযা হৈছে, সেই গভর্ণমেন্টৰ বিৰুদ্ধে কার্য্যকৰী প্রতিবোধ সংগঠন কৰাটো অসম্ভৱ। গভর্ণমেন্টৰ বিৰুদ্ধে প্রতিবোধ কৰিবলৈ হলে সহযোগ কৰাটো এৰিব লাগিব, এযে মোৰ ভাৱ হল। এইদৰে মই নন-কো-অপাৰেশ্যন শব্দটো পালোঁ। এই শব্দটোৰ অসংখ্য তাৎপর্য্য সম্পর্কে মোৰ তেতিযালৈকে স্পষ্ট ধাৰণা নাছিল। ইয়াৰ ভিতৰত তেতিয়ালৈকে দকৈ সোমোৱা নাছিলোঁ। মই কেৱল কলোঁ—

"মুছলমান সকলে বৰ ডাঙৰ এটা প্রস্তাৱ লৈছে। শান্তিৰ ছর্ত্ত বিলাক তেওঁলোকৰ অনুকূল নহলে—ভগবানে যেন এনে এটা ঘটনা নকৰক,—তেওঁলোকে সকলো সহযোগ এৰিব। সহযোগ আঁতৰাই অনা ৰাইজৰ পৰা কোনেও কাঢ়ি লব নোৱাৰা অধিকাৰ। আমি গভর্ণমেন্টে

দিয়া খিতাপ পদবীবিলাক লৈ থাকিবলৈ বাধ্য নহওঁ, নাইবা, চৰকাৰী কাম কৰিবলৈ বাধ্য নহওঁ। গভৰ্ণমেণ্টে যদি খিলাফতৰ দৰে এটা ডাঙৰ কথাত প্ৰবঞ্চনা কৰে, অসহযোগৰ বাহিৰে আমাৰ একো উপায় নাই। গভৰ্ণমেণ্টৰ লগত অসহযোগ কৰিবলৈ আমাৰ অধিকাৰ আছে।"

চলি থকা মুদ্ৰাৰ দৰে নন-কো-অপাৰেশ্যন শব্দটো ৰাইজৰ মাজত ভালদৰে চলোতে কেইবামাহো লাগিল। বৰ্ত্তমানলৈ এই সম্মিলনৰ কাৰ্য্যতালিকাৰ মাজতেই এই শব্দটো সোমাই থাকিল। আৰু বাস্তৱতে মই কেই মাহ মান পাছত অমৃতছৰত বহা কংগ্ৰেছত সহযোগৰ প্ৰস্তাৱ সমৰ্থন কৰোতে আশা কৰিছিলোঁ যে গভৰ্ণমেণ্টে কেতিয়াও খিলাফতৰ বিষয়ত প্ৰতাৰণা নকৰিব।

সপ্তত্ৰিংশ অধ্যায়

অমৃতছৰ কংগ্ৰেছ

সামৰিক আইন জাৰী কৰি সুকীয়া আদালতত নামমাত্ৰ সাক্ষীৰ ওপৰত নিৰ্ভৰ কৰি শই শই পঞ্জাবীক বিচাৰ কৰি যি দণ্ড বিধান কৰা হৈছিল, তেওঁলোকক সৰহ দিন বন্দীশালত পঞ্জাব গভৰ্ণমেণ্টে বন্দী কৰি থব নোৱাৰিলে।

এই অন্যায় অবিচাৰৰ বিপক্ষে যিদৰে তুমুল আন্দোলন দেশত হব ধৰিলে, তাৰ ফলত তেওঁলোকক সৰহ দিন এইদৰে ৰখাটো অসম্ভৱ হল। কংগ্ৰেছ বহিবৰ আগতে সৰহভাগক বন্দীশালৰ পৰা এৰি দিয়া হল।

লাল। হৰ কিষেনলাল আৰু অন্যান্য নেতাসকলক কংগ্ৰেছৰ অধিবেশন চলি থাকোতে এৰি দিয়া হল। জেইলৰ পৰা মুকলি হৈ পোনে পোনেই আলি ভ্ৰাতৃদ্বয়ো আহি সেইখিনি ওলালহি। ৰাইজৰ মন আনন্দত উপচি পৰিল। পণ্ডিত মতিলাল নেহৰুৱে ওকালতিৰ বিপুল ব্যৱসায় এৰি পঞ্জাবত তেওঁৰ প্ৰধান কাৰ্য্যক্ষেত্ৰ পাতি বহিল। এইদৰে তেওঁ পঞ্জাবৰ ডাঙৰ সহায় হল, এতিয়া তেৱেঁই কংগ্ৰেছৰ সভাপতি আৰু ৺স্বামী শ্ৰদ্ধানন্দজী আদৰণি সমিতিৰ সভাপতি।

ইমান দিনলৈকে কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশনত মই দুটা বিষয়ত অংশ লৈছিলোঁ—এটা হৈছে হিন্দীক ৰাষ্ট্ৰভাষা হিচাপে লোৱা, আৰু আনটো হৈছে সাগৰৰ সিপাৰত থকা ভাৰতীয় লোক সকলৰ অসুবিধা জনোৱা—এই দুয়োটা বিষয়ত বক্তৃতা দিওঁতেও মই হিন্দীতেই দিছিলোঁ। এই বেলিও ইয়াতকৈ বেছি কৰিব লাগিব বুলি মই আশা কৰা নাছিলোঁ। কিন্তু দায়িত্বপূৰ্ণ কাম আগেযে বহুবাৰ মোৰ জীৱনত হঠাতে পৰাৰ দৰে এই বেলিও পৰিল।

শাসন সংস্কাৰ সম্পৰ্কে ৰজাৰ ঘোষণা অলপতে ওলাল। এইটো মোৰ বাবেও সম্পূৰ্ণতে সন্তোষজনক নাছিল আৰু আন সকলোৰে বাবে অসন্তোষজনক আছিল। কিন্তু মই সেই সময়ত ভাবিছিলোঁ যে এই শাসন সংস্কাৰত ক্ৰটী থাকিলেও আমি গ্ৰহণ কৰিব লাগে। ৰজাৰ ঘোষণাত আৰু ইয়াৰ ভাষাত লৰ্ড সিংহৰ হাত থকা যেন অনুমান হল আৰু ইয়াতেই আশাৰ জিলিকনি পালোঁ। কিন্তু লোকমান্য আৰু দেশবন্ধু প্ৰভৃতি ৰাজনীতিত অভীজ্ঞ পণ্ডিত সকলে মূৰ জোকাৰিলে। আনফালে পণ্ডিত মদন মোহন মালব্য নিৰপেক্ষ থাকিল।

পণ্ডিত মালবীয়জীয়ে মোক তেওঁৰ খোটালীত থাকিবলৈ দিলে। হিন্দু বিশ্ববিদ্যালয়ৰ ভিত্তি স্থাপন উৎসৱৰ সময়ত তেওঁৰ সৰল আড়ম্বৰহীন

জীৱনৰ ভুমুকি অলপ পাইছিলোঁ ; কিন্তু এইবেলি তেওঁৰ লগত একেটা খোটালীত থাকিব লগীয়া হোৱাত, তেওঁৰ দৈনন্দিন জীৱন যাপন প্ৰণালী পুঙ্খানুপুঙ্খৰূপে জানিবলৈ সুবিধা পালো। আৰু এইবিলাক দেখি মই আনন্দিত আৰু আচৰিত হলোঁ। তেওঁৰ খোটালীটো দুখীয়ালোকৰ বাবে এটা আলহী ঘৰ স্বৰূপ আছিল। গোটেই খোটালী মানুহৰে ভৰা। ইমূৰৰ পৰা সিমূৰলৈকে কোনোমতে খোজ কাঢ়ি যাব পাৰি। যিকোনো সময়তেই যি কোনো মানুহে অনায়াসে তেওঁক দেখা কৰিব পাৰে। যিমানখিনি সময় লাগে লব পাৰে। এই খোটালীটোৰ এটা চকুত মোৰ বাবে চেৰপাই' এখন আছিল।

কিন্তু এতিয়া এইটো অধ্যায়ত মালবীয়জীৰ থকামেলাৰ প্ৰণালী লিখিবলৈ সময় নাই, এতিয়া মই অমৃতছৰ কংগ্ৰেছৰ কথাকেই কওঁ।

মই দিনো মালবীয়জীৰ লগত আলোচনা কৰিবলৈ সুবিধা পাইছিলোঁ। তেৱেঁ মোক ডাঙৰ ককাইৰ দৰে সকলো দলৰ কথা বিলাক বুজাই দিছিল। ইয়াৰ পৰাই মই বুজিলোঁ যে শাসন সংস্কাৰ সম্পৰ্কীয় প্ৰস্তাৱটোত মই যেনে তেনেকৈ অংশ লব লাগিব। পঞ্জাবত হোৱা অন্যায় অত্যাচাৰ সম্পৰ্কে কংগ্ৰেছৰ ৰিপোৰ্ট লিখাৰ দায়িত্বৰ অংশ যি স্থলত মই লৈছোঁ, তেনেস্থলত ইয়াৰ লগত লাগি-থকা সিটো অংশতো মই মনোযোগ দিব লাগিব। গভৰ্ণমেন্টৰ লগত এই সম্পৰ্কে বুজা-বুজি হব লাগিব। এই লগতে খিলাফতৰ প্ৰশ্নটোও আছে। সেই সময়ত মই ভাবিছিলোঁ যে মন্টেগুৱে প্ৰতাৰণা নকৰিব, নাইবা, ভাৰতক ন্যায্যমতে প্ৰাপ্যৰ পৰা বঞ্চিত হবলৈ নিদিয়ে। আলি ভ্ৰাতৃদ্বয় আৰু অন্যান্য নেতা-সকলক মুক্তি দিয়াটো এটা শুভ লক্ষণ বুলি মনত ভাব হল। এনে এটা অৱস্থাত "ৰিফৰ্মৰ" প্ৰত্যাখ্যান নকৰি গ্ৰহণ কৰা প্ৰস্তাৱ লোৱাটো হে শুদ্ধ হব বুলি মই ভাবিলোঁ। আনফালে দেশবন্ধু চিত্তৰঞ্জন দাসে ভাবিলে

যে 'ৰিফৰ্মছ' যথেষ্ট আৰু সন্তোষজনক নোহোৱা হেতুকে আমি এইটো প্ৰত্যাখান কৰিব লাগিব। ৺লোকমান্য কিছু পৰিমাণে নিৰপেক্ষ আছিল, কিন্তু শেহত দেশবন্ধুৱে মানি লোৱা প্ৰস্তাৱ সমৰ্থন কৰিব বুলি থিৰ কৰিলে।

ভাৰতৰ কোটী কোটী নৰনাৰীৰ শ্ৰদ্ধাভাজন এই সকল অভীজ্ঞ নেতাসকলৰ লগত মতভেদ হব লগীয়া হোৱাত মোৰ বাবে অসহনীয় হল। কিন্তু আনফালে বিবেকৰ বাণী স্পষ্ট আছিল। মই কংগ্ৰেছৰ পৰা আঁতৰি যাবলৈ চেষ্টা কৰিলোঁ। পণ্ডিত মালবীযজী আৰু মতি-লালজীক কলো যে এই অধিবেশনৰ বাকী দিন কেইটালৈ আঁতৰি থকাটো সকলোৰে পক্ষে মঙ্গলৰ কথা হব। এই সকলৰ শ্ৰদ্ধাভাজন নেতাৰ লগত মোৰ মতৰ অমিল হোৱাটো বাহিৰত দেখুবাটোৰ পৰা মই ৰক্ষা পৰিম।

কিন্তু এওঁলোক দুয়ো মোৰ এনে এটা কথা সমৰ্থন নকৰিলে। মোৰ প্ৰস্তাৱৰ কথা লালা হৰকিছেন লালৰ কাণত পৰিল। তেওঁ কলে "এনে কথা কেতিয়াও হব নোৱাৰে। এইটো হলে পঞ্জাবীয়ে মনত বৰ দুখ পাব।" মই লোকমান্য, দেশবন্ধু আৰু জিন্নাৰ লগত আলোচনা কৰিলোঁ, কিন্তু একে মত হোৱাৰ একো উপায় দেখা নাপালোঁ। শেষত মালবীযজীৰ ওচৰত মোৰ অন্তৰৰ দুখ জনালোঁ। "মীমাংসাৰ একো আশা মই দেখা নাপাওঁ"—এই বুলি তেওঁক কলোঁ। "মই মোৰ প্ৰস্তাৱটো দাঙি ধৰিব লগা হলে ভোট লোৱা-লুই হব। কিন্তু ইয়াৰ কোনো বন্দবস্ত মই দেখা নাই। কংগ্ৰেছৰ মুকলি অধিবেশনত হাত দাঙি ভোট লোৱা ৰীতি চলি আছে, ইয়াৰ ফলত দৰ্শক আৰু প্ৰতিনিধিৰ মাজত থকা পাৰ্থক্য একো নাথাকে। এনে এটা বিৰাট সভাত ভোট লোৱাৰ আন একো ব্যৱস্থাও নাই। ইয়াৰ ফলত মই ভোট লবলৈ ইচ্ছা কৰিলেও, সেই সুবিধা নহব, নাইবা ভোট লোৱাৰ অৰ্থও নাথাকিব। লালা হৰকিছেন লাল

মোৰ উদ্ধাৰৰ বাবে আহিল। তেওঁ লাগতিযাল ব্যৱস্থা কৰিবলৈ গাত ললে। যিদিনা ভোট লোৱা হব, সেইদিনা কংগ্ৰেছৰ 'পেণ্ডেল'ত দৰ্শকক আমি সোমাবলৈ নিদিওঁ। আৰু ভোটৰ হিচাপে লোৱা সম্পৰ্কেও মই চাম। কিন্তু আপুনি কংগ্ৰেছৰ পৰা আঁতৰি নাথাকিব।"

তেওঁৰ এই কথাত মই মান্তি হলোঁ। মই প্ৰস্তাৱটোৰ আঁচনি কৰিলোঁ, কিন্তু দাঙি ধৰোতে বুকু কঁপিল। পণ্ডিত মালবীযজী আৰু মিঃ জিন্নাই সমৰ্থন কৰিবলৈ গাত ললে। আমাৰ মাজত এইদৰে মতভেদ হোৱাত তিক্ততাৰ একো চিন নাছিল, আমাব বক্তৃতাত যুক্তি তৰ্কৰ বাহিৰে আন একো নাছিল। তথাপিও জনসাধাৰণে আমাৰ মাজত হোৱা ভেদত ভাল পোৱা নাছিল। তেওঁলোকে বেজাৰ পাইছিল, তেওঁলোকে একতা বিচাৰিছিল।

বক্তৃতা দি থাকোতেও ভেদ গুচাই মীমাংসা কৰাৰ চেষ্টাও চলি আছিল। এই উদ্দেশ্যে নেতা সকলৰ মাজত টোকাব বিনিময়ো হৈছিল। এই ভেদ গুচাবলৈ মালবীযজীয়ে চেষ্টাব ত্ৰুটি কৰিবলৈ এবা নাছিল। এনে সময়ত জযৰাম দাসে তেওঁৰ এটা শুধবনি মোৰ হাতত দি তেওঁৰ স্বভাৱ-সুলভ মিঠা স্বভাৱেৰে ভোট লোৱাব বিড়ম্বনাৰ পৰা প্ৰতিনিধি সকলক ৰক্ষা কৰিবলৈ টানি অনুৰোধ কৰিলে। তেওঁৰ শুধবনি মোৰ মনত লাগিল। মালবীযজীয়ে 'পেণ্ডেলৰ' চাৰিওকাষে আশাৰ জিলিকনি পাবলৈ চকুফুৰাই চালে। মই কলোঁ জযৰামদাসৰ সংশোধনী প্ৰস্তাৱটো দুয়ো পক্ষই গ্ৰহণ কৰিব পৰা যেন লাগিছে। লোকমান্যক দেখুৱাত তেওঁ কলে চিত্তৰঞ্জন দাসে অনুমোদন কৰিলে তেওঁৰ একো আপত্তি নাই। দেশবন্ধু অৱশেষত পমিল আৰু শ্ৰীযুত বিপিন চন্দ্ৰ পালৰ সমৰ্থনৰ বাবে চালে। মালবীয়জীৰ মনত আশা হল। দেশবন্ধুৱে 'হয' বুলি কবৰ আগতেই এই সংশোধনীটো হাতৰ পৰা কাঢ়ি লৈ চিঞৰি উঠিল

“প্ৰতিনিধি সকল, আপোনালোকে শুনি সন্তোষ পাব যে এটা মীমাংসা হৈছে।” ইয়াৰ পাছত যি ঘটনা ঘটিল, তাৰ বিবৰণ দিয়া সাধ্যাতীত। হাত চাপৰিত “পেণ্ডেল” ভঙা যেন লাগিল। অলপ আগতে হেজাৰ হেজাৰ শ্ৰোতা সকলৰ মুখত যি ডাৱৰৰ ভাৱ দেখা গৈছিল, এতিয়া তাত পোহৰ বিৰিঙি উঠিল।

এই সংশোধনী প্ৰস্তাৱৰ ভাষাৰ বিৱৰণ দিযাটোৰ প্ৰয়োজন নাই, মোৰ উদ্দেশ্য হৈছে সত্যৰ পৰীক্ষা সম্পৰ্কে যি কাহিনী লিখিবলৈ গাত লৈছোঁ, তাৰ লগত সম্পৰ্ক ৰাখি কেনেকৈ এই প্ৰস্তাৱ লোৱা হল, তাৰে বিবৰণ দিয়া।

এইদৰে মীমাংসা হোৱাত মোৰ দায়িত্ব আৰু বাঢ়িল।

অষ্টত্ৰিংশ অধ্যায়

কংগ্ৰেছৰ ৰাজনীতিত প্ৰথম প্ৰবেশ

অমৃতছৰত বহা কংগ্ৰেছৰ অধিবেশনত অংশ লোৱাটোকেই মই কংগ্ৰেছৰ ৰাজনীতিত আচলতে পোন প্ৰথমতে সোমোৱা বুলি মই ভাবোঁ। ইয়াৰ আগতে মই কংগ্ৰেছত যি কেইবাৰ যোগ দিছিলোঁ, সেইবিলাক বছৰেকৰ মূৰত এই অনুষ্ঠানটোলৈ মোৰ শ্ৰদ্ধা জনোৱাৰ দৰে আছিল। এইদৰে আগতে যোগ দিয়া কেইবাৰ ইয়াৰ বাহিৰে আন কিবা কাম আছে বুলি মোৰ মনত ভাৱ হোৱা নাছিল। মই

এজন বাহিৰা মানুহৰ দৰে যোগ দিছোঁ আৰু তাতকৈ সৰহ একো বিচৰা নাছিলোঁ।

অমৃতছৰৰ অভীজ্ঞতাৰ পৰা বুজিলোঁ যে কংগ্ৰেছৰ কামৰ ভিতৰত মোৰ এটা বা দুটা কামলৈ ধাউতি আছে আৰু কংগ্ৰেছত প্ৰয়োজনীয় হব পাৰিম বুলি মনলৈ বোধ আহিল। মই দেখিলো যে ৺লোকমান্য, দেশবন্ধু, পণ্ডিত মতিলালজী আৰু আন আন নেতাই পঞ্জাব তদন্ত সম্পৰ্কীয় কামত মোৰ ওপৰত সন্তুষ্ট হোৱা যেন লাগিল। তেওঁলোকৰ ভিতৰুৱা মেলবিলাকলৈ মোক তেওঁলোকে মাতি পঠায় আৰু এইবিলাকতেই বিষয় বাচনি সভাৰ বাবে প্ৰস্তাৱ বোৰৰ আঁচনি হয়। নেতা সকলৰ বিশেষ আস্থাভাজন লোক সকলক হে এনে মেললৈ মতা হয়। যি সকল তেওঁলোকৰ সহায়ত আহিব এনে লোককো মতা হৈছিল। অৱশ্যে বাহিৰা মানুহেও মাজে সময়ে লুকাই নোসোমোৱা নহয়। সমুখৰ বছৰটোত দুটা কথাই মোক আকৰ্ষণ কৰিলে; কাৰণ এনেবিলাক কথাত মোৰ আগ্ৰহ আছিল। এটা হৈছে, জালিয়ানৱালা বাগৰ হত্যাকাণ্ডৰ স্মৃতিস্তম্ভ। বৰ উৎসাহেৰে কংগ্ৰেছে এনে এটা প্ৰস্তাৱ গ্ৰহণ কৰিলে। ইয়াৰ বাবে ৫ লাখ টকা তুলিব লাগিব। মোকো এজন ট্ৰাষ্ট্ৰী নিযুক্ত কৰা হল। ৰাজহুৱা কামৰ কাৰণে টকা তোলাত পণ্ডিত মালবীয়ৰ যথেষ্ট খ্যাতি আছিল। তেওঁক এটা স্বকীয়া নামো দিয়া হৈছিল "মগনীয়াৰ ৰাজ কোঁৱৰ"। কিন্তু মই জানি-ছিলোঁ যে মই এই বিষয়ত তেওঁতকৈ বৰ পাছত পৰা নাছিলোঁ। দক্ষিণ আফ্ৰিকাত থকা কালত এই বিষয়ত মোৰ সামৰ্থ্য মই আবিষ্কাৰ কৰিছিলোঁ। ভাৰতৰ ৰজা সকলৰ পৰা সৰহীয়া দান তোলাত মালবীযজীয়ে যি অপ্ৰতিদ্বন্দী যাদুমন্ত্ৰ জানিছিল, মই তেনে বিধৰ যাদুৰ অধিকাৰী নাছিলোঁ। কিন্তু মই জানিছিলোঁ যে জালিয়ানৱালাবাগৰ স্মৃতিস্তম্ভৰ বাবে ৰজা মহাৰজা সকলৰ ওচৰ চপাটোত একো প্ৰশ্ন নাই। এইধন

তোলাৰ প্ৰধান দায়িত্ব মোৰ ওপৰতেই পৰিল। বোম্বেৰ উদাৰমনা নাগৰিক সকলে উদাৰ ভাৱে বৰঙনি দিলে। এই সোঁৱৰনি ট্ৰাষ্টৰ হাতত এতিয়ালৈকে যথেষ্ট ধন বেঙ্কত জমা আছে। কিন্তু এতিয়া দেশৰ সমুখত সমস্যা হৈছে ইয়াত কি ধৰণেৰে সোঁৱৰণি সজা হব য'ত হিন্দু মুছলমান শিখৰ তেজ একে হৈ এই ঠাই ডোখৰ পবিত্ৰ কৰিছে। এই তিনিটা সম্প্ৰদায় একেটা হওক ছাৰি, আজি তিনিওৰে মাজত অৰিয়া-অৰি কাজিয়া হৈ আছে, আৰু ইযাৰ ফলত এই সোঁৱৰণি পুঁজি কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাকে লৈ বিমোৰত পৰিছে।

মোৰ আন এটা ধাউতি ব'গ্ৰেছে কামত লগাব পাৰে, সেইটো হৈছে আঁচনি তৈয়াৰ কৰা। কংগ্ৰেছৰ নেতা সকলে দেখিলে চমুকৈ সকলো কথা প্ৰকাশ কৰাৰ ক্ষমতা মোৰ আছে। বহুতদিন চৰ্চাৰ পাছত এই খিনি পাইছোঁ। সেইসময়ত চলি থকা কংগ্ৰেছৰ নিয়মতন্ত্ৰ গোখেলৰ পৰা পোৱা। তেওঁ কিছুমান নিয়ম বান্ধিছিল কংগ্ৰেছ অনুষ্ঠানটো চলাবলৈ, এযে সেই নিয়ম-তন্ত্ৰৰ ভিত্তি আছিল। এই নিয়মাৱলী ৰচনা কৰা সম্পৰ্কে এটা কৌতুহলপ্ৰদ কাহিনী গোখেলৰ নিজৰ মুখৰ পৰা মই শুনিছিলোঁ। কিন্তু এতিয়া কংগ্ৰেছ অনুষ্ঠানটো যি দৰে বাঢ়ি গৈছে, সেই জোখাই নিযমাৱলী যথেষ্ট হোৱা নাই বুলি সকলোৱে অনুভৱ কৰে। এই প্ৰশ্নটো বছৰে বছৰে আহি আছে। এটা অধিবশেন হোৱাৰ পাছত আন এটা অধিবেশন নবহা সময খিনিত কাম চলাই থাকিবলৈ কংগ্ৰেছৰ কোনো যন্ত্ৰ নাছিল। অথচ বছৰটোৰ ভিতৰত বহুতো সমস্যা ওলায আৰু সেই বিলাকত মন দিব লগীয়া হয। চলি-থকা নিযমমতে তিনিজন সম্পাদক পাতিব পাৰি, কিন্তু কাৰ্য্যত দেখা যায তেওঁলোকৰ এজনেহে কাম কৰে আৰু তেৰো সকলো সময়তে কাম কৰা কৰ্ম্মী নহয়। অকল শৰীয়া'হৈ তেওঁ কেনেকৈ কংগ্ৰেছৰ অফিছ পৰিচালনা কৰে, ভবিষ্যতৰ

কথা ভাবে, বছেৰেকীয়া অধিবেশনত যিখিনি কামৰ দায়িত্ব কংগ্ৰেছে লৈছে, সেইখিনিলৈ তেওঁৰ কৰ্ত্তব্য সম্পাদন কৰে? সেইবছৰত সকলোৰে মনত ধাৰণা হল যে এইটো এটা ডাঙৰ প্ৰশ্ন হব। বাজহুৱা কথাৰ আলোচনা কৰিবলৈ কংগ্ৰেছ এখন ডাঙৰ সভা, ইয়াৰ অহা প্ৰতিনিধিৰ সীমা সংখ্যা নাই। কোনো প্ৰদেশে কিমান সংখ্যক প্ৰতিনিধি বাছি পঠাব, তাৰো একো নিৰ্দ্ধাৰণ নাই। যিটো বিশৃখল অৱস্থা চলি আছে তাৰ এটা উন্নতি কৰাটো প্ৰয়োজন বুলি সকলোৱে ভাবিলে। এটা চৰ্ত্তত এই নিয়মতন্ত্ৰ আঁচিবলৈ দায়িত্ব মই ললোঁ। মই দেখিলোঁ যে দুজন নেতাৰ অৰ্থাৎ লোকমান্য আৰু দেশবন্ধুৰ ৰাইজৰ ওপৰত যথেষ্ট প্ৰভাৱ আছে। নিয়ম-তন্ত্ৰ ৰচনা কৰা কমিটিত তেওঁলোক দুয়োকো ৰাখিবলৈ মই কলোঁ। কিন্তু এইটো স্পষ্টকৈ দেখা গল যে তেওঁলোকে এনে এটা কামত ব্যক্তিগত ভাৱে কাম কৰিবলৈ সময় নাপায়। সেই বাবে তেওঁলোকৰ আস্থা-ভাজন দুজন লোকক এই কমিটিত দিবলৈ মই ধৰিলোঁ। এইখন কমিটিৰ সদস্যৰ সংখ্যাও তিনিজন কৰা হল। তেওঁলোকেও মোৰ প্ৰস্তাৱ মানি দুজন বাছি দিবলৈ গাত ললে আৰু শ্ৰীযুত কেলকাৰ আৰু আই-বি-স্যেনক বাছি দিলে। এই কমিটী এবাৰলৈও একেলগ হব নোৱাৰিলে। কিন্তু আমি চিঠি লিখালিখি কৰি আমাৰ মতামত পৰস্পৰে পৰস্পৰক জনালোঁ। আৰু শেহত সকলোৱে মিলা এখন ৰিপোৰ্ট দাখিল কৰিলোঁ। এই নিয়মতন্ত্ৰখনলৈ মই এটা অহঙ্কাৰৰ ভাৱৰে সৈতে চাওঁ। মই ভাবোঁ যে যদি আমি এই নিয়ম তন্ত্ৰমতে পূৰাকৈ কাম কৰিব পাৰোঁ তেন্তে এই নিয়ম-তন্ত্ৰমতে কামকৰা কথাষাৰেই স্বৰাজ আনিব। এনে এটা দায়িত্ব লৈ মই কংগ্ৰেছৰ ৰাজনীতিত আচলমতে সোমালোঁ বুলি কব পাৰোঁ।

নবত্ৰিংশ অধ্যায়

খাদীৰ জন্ম

মই ১৯০৮ সনত ভাৰতৰ দাৰিদ্ৰ্য গুচাবলৈ যঁতৰ অমোঘ অস্ত্ৰ বুলি 'হিন্দ স্বৰাজ'ত লিখিলেও আজিলৈকে য'তৰ নাইবা, তাত শাল দেখা নাছিলোঁ। ভাৰতৰ জন সাধাৰণৰ এই ভীষণ দাৰিদ্ৰ্য গুচাওতে ই সহায় কৰিব, আৰু তাৰেই অৱশেষত স্বৰাজ পাব পাৰি এই কথাষাৰ নকলেও সকলোৱে বুজিব বুলি সেইখন কিতাপত (হিন্দ স্বৰাজ) মই লিখিছিলো। আনকি, ১৯১৫ সনত যেতিয়া মই দক্ষিণ আফ্ৰিকাবপৰা ভাৰতবৰ্ষলৈ ঘুৰি আহিলো, তেতিয়ালৈকে য'তৰ কি মই দেখা নাছিলোঁ। ছবৰমাটিত যেতিয়া সত্যাগ্ৰহ আশ্ৰম পতা হল, তেতিয়া কেইখনমান তাতশাল বহুৱালোঁ। কিন্তু এই বিলাক তাঁতশাল বহুৱাব লগে লগে আমি এটা অসুবিধা পালোঁ। আমি যিসকল এই আশ্ৰমত আছোঁহি, আমি সকলোৱেই হয় উকীল, নহলে বেপাৰী শ্ৰেণীৰ মানুহ, আমাৰ ভিতৰত কোনো এজন মিস্ত্ৰী নাই, তাঁতশাল চলাবৰ আগতে আমাক শিকাবলৈ এজন ভাল জনা লোক লাগে। পালনপুৰ বোলা ঠাই এখনৰ পৰা এজন মানুহ বিচাৰি অনা হল, কিন্তু তেওঁ কাপোৰ বোৱা বিদ্যাৰ সকলো কথা আমাক নিশিকালে। কিন্তু মগনলাল গান্ধী ইমান সহজে পৰাস্ত হোৱা লোক নাছিল।

যন্ত্ৰবিজ্ঞানত তেওঁৰ এটা স্বাভাবিক প্ৰতিজ্ঞা থকা বাবে কাপোৰ বোৱা বিদ্যাৰ সকলো জানিব লগা কথা তেওঁ সোণকালেই আয়ত্ত কৰি ললে। আৰু এজনৰ পাছত এজনকৈ আশ্ৰমৰ কেইবা জনকো এই কামত

শিকোৱা হল। আশ্ৰমত তৈয়াৰী হোৱা কাপোৰেৰে যাতে আমি চলিব পাৰোঁ। এয়ে আমাৰ উদ্দেশ্য আছিল। সেইবাবে আমি ততালিকে মিলত বোৱা কাপোৰ পিন্ধা এৰি পেলালোঁ আৰু আশ্ৰমৰ সকলো সভ্যই ভাৰতীয় কলত তৈয়াৰী সূতাৰে হাতেৰে বোৱা কাপোৰ পিন্ধা প্ৰতিজ্ঞা কৰিলে। এই কথাষাৰ কামত পালন কৰাত আমি বহুতো অভীজ্ঞতা লাভ কৰিলোঁ। তাঁতী বিলাকৰ লগত পোনপটীয়া ভাবে সম্পৰ্ক হোৱাত তেওঁলোকৰ জীৱনৰ কথা জানিবলৈ সুবিধা হল। তেওঁলোকেনো কিমান উৎপন্ন কৰিব পাৰে, সূতাৰ যোগান পাওতে কিবিলাক অসুবিধা তেওঁলোকে পায, কিমান সময়ত তেওঁলোকে ঠগ খাব লগীয়া হয়, আৰু শেহত তেওঁ-লোকৰ লাহে লাহে বাঢ়ি অহা ধাৰ, সকলো জানিব পৰা [illegible]। আমাৰ প্ৰযোজনৰ জোখাই সকলো কাপোৰ তৈয়াৰী কৰিবলৈ আমি ততালিকে সমৰ্থ হোৱা নাছিলোঁ। সেইবাবে তাঁতীবিলাকৰ পৰা প্ৰয়োজনীয় বাকীখিনি কাপোৰ কিনাই আমাৰ বাবে আন এটা উপায় আছিল। কিন্তু কাপোৰ ব্যৱসায়ী সকলৰ পৰা, নাইবা তাঁতী বিলাকৰ পৰা তৈয়াৰী সূতা পোৱা সহজ নাছিল। তাঁতীবিলাকে যিবিলাক মিহি ধুনীয়া কাপোৰ বৈছিল, সেইবিলাক বিদেশৰ পৰা আমদানীকৰা সূতাৰ, কাৰণ ভাৰতীয় মিলবিলাকত মিহি সূতা তৈয়াৰ নহৈছিল। আজিলৈকেও ভাৰতীয় মিল বিলাকত সৰহ নম্বৰীয়া মিহি সূতাৰ উৎপাদন সিমান সৰহ নহয় আৰু আটাইতকৈ সৰহ নম্বৰৰ মিহি সূতা কাটিবলৈকো নোৱাৰে। বহুতো যত্ন কৰাৰ পাছতহে আমি কেইজনমান তাঁতী পালোঁ, যি সকলে আমাৰ বাবে স্বদেশী সূতাৰ কাপোৰ বৰলৈ মান্তি হল তেওঁলোকৰ চৰ্ত্ত আছিল যে আশ্ৰমে তেওঁলোকৰ তৈযাৰী সকলো কাপোৰ লব। এইদৰে স্বদেশী সূতাৰে তৈয়াৰী কাপোৰ পিন্ধা আৰু সকলোকে এই দৰে পিন্ধিবলৈ কৈ আমি অজ্ঞাতভাৱে ভাৰতীয় সূতাৰ কলবিলাকৰ এজেন্টৰ দৰে হলোঁ।

ইয়াৰ ফলত মিলবিলাকৰ লগত আমাৰ সম্বন্ধ হল আৰু তেওঁলোকে কেনেকৈ মিল চলাইছে, তেওঁলোকৰ অসুবিধা সকলো জানিবলৈ সুবিধা হল। আমি দেখিলোঁ যে নিজৰ কলত কটা সূতাৰে সৰহকৈ কাপোৰ বোৱাই তেওঁলোকৰ উদ্দেশ্য। তাঁতী বিলাকৰ লগত কৰা সহযোগ স্বেচ্ছাকৃত নহয়, আন একো উপায় নাই দেখি এই সহযোগ অস্থায়ী ভাৱে কৰিছে। আমি নিজে কেনেকৈ সূতাকাটি লব পাৰোঁ, তাৰবাবে অধৈৰ্য্য হলোঁ যেতিয়ালৈকে আমি এইখিনি কৰি লব নোৱাৰো, তেতিয়ালৈকে আমি মিলৰ ওপৰত নিৰ্ভৰ কৰি চাপিব লাগিব, এইটো স্পষ্ট হল। ভাৰতীয় কল বিলাকৰ এইদৰে এজেন্ট হৈ আমি দেশৰ কাম কৰিব নোৱাৰো বুলি তেতিয়া ভবা নাছিলোঁ।।

আমাৰ সমুখত এটা নহয় এটা অসুবিধা ওলাই আছিল। আমি য'তৰ নাইবা য'তৰত সূতা কটা শিকাবলৈ আমি কাকো পোৱা নাছিলোঁ। আশ্ৰমত মহুৰা ফুৰাবলৈ য'তৰ অৱশ্যে আছিল, কিন্তু কেনেকৈ ইযাৰ পৰা সূতা কাটিব পাৰি এই সম্পৰ্কে একো ধাৰণা নাছিল। এদিনা কালিদাস জাভেৰীযে এজনী তিৰোতাক লগ পালে, এৱে সূতা কাটি দেখুৱাব বুলি কলে। সকলো নতুন কথা সোণকালে শিকিব পৰা আশ্ৰমৰ এজন সভ্যক আমি এই গৰাকী তিৰোতাৰ ওচৰলৈ পঠালোঁ। কিন্তু তেৱোঁ এই বিদ্যাৰ গুপ্তকথা শিকিব নোৱাৰাকৈ উভটি আহিল।

এইদৰে সময় যাব ধৰিলে আৰু মযো অধৈৰ্য্য হৈ পৰিলোঁ। আশ্ৰমলৈ যিকোনো মানুহ আহিলে মই তেওঁক সূতা কটা সম্পৰ্কে নানান্ প্ৰশ্ন কৰিছিলোঁ, জানোচা তেওঁৰ পৰা কিবা গুংসূত্ৰ পোৱা যায়। কিন্তু এই বিদ্যা কেৱল তিৰোতাই হে জানে আৰু এতিয়া সূতা কটা তিৰোতা প্ৰায় নাইকীয়া হৈছে। এতিয়া জানোচা কোনোবা জনা তিৰোতা আমাৰ দেশৰ কোনোবা অজান চুকত পৰি আছে, তেওঁৰ বাতৰি পাৱেই

বা, এইবাবে যি কোনো মানুহ আশ্ৰমলৈ আহিলে সূতা কটাৰ কথাকেই পাতোঁ।

১৯১৭ সনত গুজৰাটী বন্ধুসকলে মোক বৰোচত বহা শিক্ষা সম্মিলনৰ সভাপতি পাতি নিছিল। ইয়াতেই মই গঙ্গাবেন মজমুন্দাৰ নামৰ অসাধাৰণ তিৰোতা গৰাকীক পালোঁ। তেওঁ বাঁৰী আছিল। কিন্তু নতুন কামত ধৰিবলৈ তেওঁৰ অসীম সাহ আছিল। সাধাৰণ বুদ্ধি আৰু সাহত তেওঁ শিক্ষিতা তিৰোতাকো চেব পেলাইছিল। অস্পৃশ্যতা এৰি এওঁলোকৰ মাজতেই থাকি এওলোকৰ সেৱাত লাগিছিল। তেওঁৰ অলপ সম্বলো আছিল, নিজৰ বিশেষ একো লেঠা নাছিল। গোধৰা সম্মিলনত তেওঁৰ লগত আৰু ঘনিষ্ট সম্পৰ্ক হল। য'তৰ বাবে মোৰ অন্তৰৰ দুখৰ কাহিনী তেওঁক এদিনা জনালোঁ। সোণকালে এই সম্পৰ্কে বিচাৰ লব বুলি মোক আশ্বাস দি বুকুৰ বোজা তেওঁ পাতলালে।

চত্বাৰিংশ অধ্যায়

শেহত পোৱা হল

গুজৰাটৰ কত ঠাইত যে গঙ্গাবেনে ফুৰিলে তাৰ ইয়ত্তা নাই ; শেহত তেওঁ বৰোদা ৰাজ্যৰ ভিজাপুৰত সূতাকটা আবিষ্কাৰ কৰিলে। ইয়াত বহুতো মানুহৰে ঘৰত য'তৰ আছে—কিন্তু বহুত দিনৰ পৰা ব্যৱহাৰত নলগা বাবে ধোৱা-চাঙত তুলি থৈছে। কোনোবাই নিয়মিত ভাবে পাজীৰ যোগাৰ দিলে আৰু কটাসূতাখিনি কিনি ললে, তেওঁলোকে পুনৰ সূতাকাটিবলৈ গঙ্গাবেনৰ ওচৰত ইচ্ছা প্ৰকাশ কৰিলে। এই আনন্দৰ বতৰা

গঙ্গাবেনে ততালিকে দিলেহি। পাঁজীৰ যোগাৰ দিয়া বৰ টান কাম। ৺ওমৰ ছোভানীক এদিনা কথাষাৰ জনালত তেওঁৰ কলত সৰহকৈ পাঁজী তৈয়াৰ কৰাই পঠাবলৈ গাত ললে। ওমৰ ছোভানীয়ে পঠোৱা পাঁজী গঙ্গাবেনলৈ পঠোৱা হল। অলপ দিনৰ পাছতেই সূতাৰ দ'ম এনেদৰে আহিবলৈ ধৰিলে যে এইবিলাকো এটা সমস্যা হল।

ওমৰ ছোভানীৰ বদান্যতা যথেষ্ট আছিল, কিন্তু সদাযতো এইদৰে চলিব নোৱাৰি। সদায় তেওঁৰ পৰা কপাহৰ পাঁজী পাই থকাত মনত অশান্তি বোধ কৰিবলৈ ধৰিলোঁ। ইযাৰ উপৰিও কলত তৈয়াৰী হোৱা পাঁজী ব্যৱহাৰ কৰাটো মৌলিক নীতি হিছাপেই ভুল বুলি মোৰ ধাৰণা হল। মিলত বটা পাঁজী ললে মিলত কটা সূতা লোৱাত নো কি আপত্তি থাকিব পাৰে। আমাৰ দেশত আগতে যিসকলে সূতা কাটিছিল, তেওঁলোককতো মিলে পাঁজী যোগোৱা নাছিল। তেওঁলোকে নো পাঁজী কেনেকৈ বাটিছিল? মোৰ মনত এই চিন্তা হোৱাত ধুনোতাই পাঁজী বাটি দিব পাৰে বুলি মই এদিনা গঙ্গাবেনক ধুনোতা বিচাৰিবলৈ কলোঁ। গঙ্গাবেনে পাৰোঁ বুলি এই কামটোৰ দাযিত্ব ততালিকে ললে। কপাহ ধুনিবলৈ এজন ধুনোতা তেওঁ লগালে। তেওঁ মাহেকত ৩০্ বা তাতোকৈ সৰহ বানছ বিচাৰিলে। যি বানছেই বিচাৰক সেইটো সৰহ নহয় বুলি সেইসময়ত মোৰ ভাৱ হৈছিল। ধূনা কপাহৰ পৰা পাঁজী বটা কামত কেইজনমান সৰু লৰাক গঙ্গাবেনে শিকালে। বোম্বেত কপাহ বিচাৰিলোঁ। শ্ৰীযুত যশোবন্ত প্ৰসাদ দেছায়ে ততালিকে গাত ললে। গঙ্গবেনৰ উদ্যোগ আশাতীত ভালদৰে চলিবলৈ ধৰিলে। ভিজাপুৰত কটা সূতা ববলৈ তেওঁ তাঁতীও বিচাৰি উলিয়ালে আৰু অতি সোনকালে ভিজাপুৰৰ খাদীৰ নাম চাৰিও ফালে ওলাল।

ভিজাপুৰত এইবিলাক চলি থাকোতে, আশ্ৰমতো য'তৰ ভাল দৰে

প্ৰতিষ্ঠা পালে। মগনলালে তেওঁৰ যান্ত্ৰিক প্ৰতিভা প্ৰয়োগ কৰি যঁতবত নানান্ উন্নতি কৰিবলৈ ধৰিলে। আৰু যঁতৰ আৰু ইয়াৰ আনুষঙ্গিক সকলো সঁজুলি আশ্ৰমতে তৈয়াৰী হবলৈ ধৰিলে। যিখন খাদী কাপোৰ আশ্ৰমত পোন প্ৰথমে বোৱা হল, তাৰ গজে ১৲ পৰিছিল। মই সেইদৰেত সেই মোটোহা খাদী বন্ধু সকলক কিনিবলৈ কবলৈ সঙ্কোচ বোধ কৰা নাছিলোঁ। আৰু বন্ধুসকলেও সেই দামত কিনিছিল।

বোম্বেত নৰীয়া হৈ পৰি আছো, নৰীয়া পৰিলেও যঁতৰ বিচাৰি ফুৰিবলৈ মোৰ শক্তি আছিল। শেহত এদিনা দুজন সূতাকটা মানুহ পালোঁ। ২৮ তোলা ওজনৰ এসেৰ সূতাৰ সিহঁতে ১৲ টকা দাম কৰিলে। খাদীৰ অৰ্থনীতি সম্পৰ্কে মই তেতিয়ালৈকে সম্পূৰ্ণতে অজ্ঞ আছিলোঁ। হাতেকটা সূতাৰ বাবে যি কিবা দাম সৰহ নহয় বুলি মই ভাবিছিলোঁ। ভিজাপুৰত যি বানছ দিয়া হৈছিল, তাৰে সৈতে ৰিজাই দেখিলোঁ যে মই ঠগ খাইছোঁ। সূতা কটীয়াইঁতে কম নিৰিখত কাম কৰিবলৈ মান্তি নহল। সেই বাবে মই সিহঁতক এৰি দিব লগীয়া হল। কিন্তু সিহঁতৰ পৰা কাম হল। সিহঁতৰ পৰা অৱন্তিকাবাই, আৰু শঙ্কৰলাল বেঙ্কাৰৰ বাঁৰী মাক শ্ৰীযুতা ৰামীবাই, আৰু শ্ৰীমতী বাসন্তীবেনে সূতা কটা শিকিলে। মোৰ খোটালীত যঁতৰে গুণ গুণাব ধৰিলে। আৰু যঁতৰৰ গুণগুণনিত মযো গা টঙাব পাৰিলোঁ বুলি কলে বেছি কোৱা নহব। ইয়াৰ ফল পাৰীৰিকতকৈ মানসিক বুলি মই স্বীকাৰ কৰোঁ, কিন্তু মানুহৰ শৰীৰৰ ওপৰত মনৰ কি অসীম প্ৰভাৱ ইযাতেই তাৰ প্ৰমাণ হয়। মযো যঁতৰত হাত দিলোঁ, কিন্তু সেই সময়ত সৰহ কাম কৰিব পৰা নাছিলোঁ। হাতৰে বটা পাঁজী যোগান দিয়াৰ সমস্যা বোম্বেতো হল। শ্ৰীযুত ৰবি শঙ্কৰৰ ঘৰৰ সমুখেদি সদায় ধুনোতা এটাই ধেনুৰ গুণ মাৰি অহা-যোৱা কৰে। এদিনা মাতি সোধাত জানিলোঁ যে সি লেপ গাদী তুলিৰ কপাহ ধুনে। যি হওক, পাঁজী বাটিবলৈ

কপাহ ধুনিবলৈ সি মান্তি হল। সি সৰহ দাম বিচাৰিলে মই তাকো দিলোঁ। এইদৰে যি সূতা কটা হৈছিল, সেইবিলাক মই বৈষ্ণৱ বন্ধু সকলক বেচিছিলোঁ। তেওঁলোকে ইয়াৰে পবিত্ৰ একাদশীৰ বাবে মালা গুথিছিল। শ্ৰীযুত শিৱজীয়ে বোম্বেত সূতাকটা শিকাবলৈ এটা শ্ৰেণী খুলিলে। এইবিলাক পৰীক্ষাৰ বাবে যথেষ্ট ধন লাগে। কিন্তু দেশ প্ৰেমিক বন্ধুসকলে যাৰ খাদীত ভক্তি আছিল, যাৰ দেশমাতৃলৈ শ্ৰদ্ধা আছিল, তেওঁলোকে সকলো খৰচৰ যোগাৰ দিলে। যি ধন এইদৰে খৰচ হল, সেইখিনি অথলে যোৱা নাছিল। মোৰ পিন্ধা কাপোৰ সম্পূৰ্ণতে খাদীকাপোৰৰ কোনেকৈ কৰিব পাৰি, তাৰ বাবে অধৈৰ্য্য হলোঁ। তেতিয়ালৈকে মোৰ চুৰীয়াখন ভাৰতীয় মিলৰ আছিল। আশ্ৰম আৰু ভিজাপুৰত বোৱা খাদীৰ পুতলত ৩০ ইঞ্চি আছিল। এমাহৰ ভিতৰত ৪৫ ইঞ্চি পুতলৰ চুৰীয়া বৈ নিদিলে মই মোটোহা ঠেক পুতলৰ খাদীৰেই চুৰীয়া কৰিম বুলি গঙ্গাবেনক জাননী দিলোঁ। এই কথাত তেওঁ মৰ্ম্মাহত হল; কিন্তু মোৰ দাবী পূৰাবলৈ তেওঁ লাগিল। এমাহৰ ভিতৰত ৪৫ ইঞ্চি পুতলৰ এজোৰ খাদী চুৰীয়া মোলৈ পঠালে। আৰু সেই সময়ত মোক এটা টান সমস্যাৰ পৰা উদ্ধাৰ কৰিলে।

এই সময়তে শ্ৰীযুত লক্ষীদাসেও লাথীৰ পৰা আশ্ৰমলৈ শ্ৰীযুত ৰামজী আৰু তেওঁৰ ঘৈনীয়েক গঙ্গাবেন নামৰ এটা তাঁতীৰ পৰিয়াল আনিলে আৰু এওঁলোকে আশ্ৰমত খাদী চুৰীয়া বোৱাত লাগিল। খাদী প্ৰচাৰত এওঁলোকে যি কাম কৰিছিল, সেইটো সামান্য নাছিল। হাতে কটা সূতাৰে কাপোৰ বোৱা বিদ্যা তেওঁলোকে গুজৰাটৰ বহুতো মানুহক শিকালে। গঙ্গাবেনক তাঁতশালত বহি মাকো চলোৱা দৃশ্য বৰ মনোৰম আছিল। এই গৰাকী নিৰক্ষৰ অথচ আত্মনিৰ্ভৰশীল তিৰো-

তাই যেতিয়া তাঁতশালত মগ্ন হৈ মাকো চলায়, তেতিয়া শালৰ পৰা আনফালে তেওঁৰ চকু নিয়া টান।

একচত্বাৰিংশ অধ্যায়

এটা উপদেশপূৰ্ণ কথোপকথন

আৰম্ভনিতে পৰা মিলমালিক সকলে খাদী আন্দোলনৰ, (সেই সময়ত ইয়াক স্বদেশী আন্দোলন বোলা হৈছিল) বৰ সমালোচনা কৰিছিল। ৺ওমৰ ছোভানী এজন নিজেই মিলমালিক আছিল। তেওঁৰ অভীজ্ঞতা আৰু জ্ঞানেৰে মোক সহায় কৰাৰ উপৰিও আন আন মিলমালিকৰ খাদী আন্দোলন সম্পৰ্কে থকা মনোভাৱৰ বতৰা মোক দি আছিল। এজন মিলমালিকে যি যুক্তি দিছিল, সেই যুক্তি মোৰ মনত লাগিছিল। এদিন তেওঁৰ লগত দেখা হোৱাটো তেওঁ বিচাৰিলে। মযো মান্তি হলোঁ। ছোভানীয়ে ইয়াৰ বন্দবস্ত কৰি দিলে। মিলমালিক জনাই কথা আৰম্ভ কৰিলে।

"আপুনি জানে যে ইয়াৰ আগতেও স্বদেশী আন্দোলন হৈছিল?"

'হয়, মই জানোঁ।'

'আপুনি জানে যে বঙ্গ-বিচ্ছেদৰ পাছত আমি মিলমালিক সকলে সেই সময়ৰ যথেষ্ট সুবিধা লৈছিলোঁ। যেতিয়া আন্দোলনে চৰম অৱস্থা পালে, সেই সময়ত আমি কাপোৰৰ দাম বঢ়ালোঁ আৰু ইযাতকৈও বেয়া কাম কৰিছিলোঁ।

'হয় ময় শুনিছিলোঁ আৰু এই বাবে বেজাৰ পাইছোঁ।

'আপোনাৰ বেজাৰ হোৱাটো বুজি পাওঁ; কিন্তু তাৰ বাবে একো

যুক্তি নেদেখোঁ। এটা পৰোপকাৰৰ ভাৱ লৈ আমি ব্যৱসায় চলোৱা নাই। আমি লাভৰ কাৰণে ব্যৱসায় চলাইছোঁ ; আমাৰ অংশীদাৰ সকলক সন্তুষ্ট কৰিব লাগে। বজাৰত যিটো বস্তু যিমানেই চলে, সিমানেই তাৰ দাম বাঢ়ে, এই নিয়মতেই বজাৰ চলে। অৰ্থনীতিৰ এযে নিয়ম, বঙালী বিলাকে জনা উচিত আছিল যে তেওঁলোকৰ আন্দোলনৰ ফলত বজাৰত স্বদেশী কাপোৰ সৰহকৈ চলিব আৰু তাৰ ফলত দামো বাঢ়িব। ”

এনেতে মই মাত লগালোঁ—‘মোৰ দৰে বঙালী বিলাকো স্বভাৱতে লোকক বিশ্বাস কৰা ; তেওঁলোকে বিশ্বাস কৰিছিল যে মিলমালিক সকল এনে দৰে স্বাৰ্থপৰ নহব, নাইবা তেওঁলোকৰ মনত স্বদেশ প্ৰেমৰ এনে অভাৱ নহব, যে বিদেশী কাপোৰক স্বদেশী বুলি বজাৰত চলাই এনে এটা বিপদৰ সময়ত দেশৰ স্বাৰ্থৰ বিৰোধিতা নকৰিব।

” তেওঁ উত্তৰ দিলে—‘ময় আপোনাৰ বিশ্বাসী স্বভাৱ বুজি পাওঁ সেই বাবে আপোনাক কষ্ট দি মোৰ ইয়ালৈ অনাইছোঁ, সৰলচিতীয়া বঙালীবিলাকৰ দৰে আপুনিও যাতে এনে এটা ভুল নকৰে, তাৰ বাবে সতৰ্ক কৰি দিওঁ।’

এই বুলি মিলমালিক জনে তেওঁৰ কেৰেনী এজনক হাত বাউল দি মাতিলে। তেওঁৰ মিলত তৈয়াৰী হোৱা কাপোৰৰ নমুনা দেখুৱাবলৈ কলে। “চাওক, মোৰ মিলৰ এই বিলাক কাপোৰ। চাওক, এইবিধ নতুন কাপোৰ অলপতে উলিওৱা হৈছে। বজাৰত এইবিধ কাপোৰ বৰকৈ বিচাৰিছে। পেলনি-যোৱা কপাহৰপৰা এইবিলাক কৰা হৈছে। স্বভাবিকতে ইয়াত খৰচ কম পৰিছে। সুদূৰ হিমালয়ৰ দাঁতিত থকা অঞ্চলবিলাকলৈকো এইবিলাক আমি পঠাই আছোঁ। দেশৰ সকলো ঠাইতে আমাৰ এজেন্ট আছেই। আপোনাৰ মাত যলৈ নাযায়, নাইবা আপোনাৰ মানুহ য’লৈ যাব নোৱাৰে, তাতো আমাৰ এজেন্ট আছেই।

আপুনি দেখিছেই যে আমাক আৰু এজেণ্টৰ প্ৰয়োজন নাই। ইয়াৰ উপৰিও আপুনি জানে যে ভাৰতবৰ্ষত প্ৰয়োজনৰ জোখাই কাপোৰ তৈয়াৰী নহয়। তেন্তে স্বদেশীৰ প্ৰশ্নটোৰ লগত উৎপাদনৰ সম্পৰ্ক আছে। যি মুহূৰ্ত্ততে আমি উৎপাদন বঢ়াব পাৰোঁ আৰু যথেষ্ট ভাল কাপোৰ তৈয়াৰী কৰিব পাৰোঁ, সেই মুহূৰ্ত্ততে বিদেশী কাপোৰৰ আমদানী বন্ধ হব। মই আপোনাক পৰামৰ্শ দিওঁ যেন আপোনালোকে এইদৰে আন্দোলন আৰু নচলায়। আৰু নতুন নতুন কল কেনেকৈ হয় তাৰ বাবে চেষ্টা কৰক। বজাৰত স্বদেশী কাপোৰ আৰু সৰহকৈ চলাবলৈ আন্দোলন চলাই কেনেকৈ উৎপাদন বাঢ়ে তাৰ বাবে আন্দোলন চলোৱা আমাক লাগে।

"তেন্তে আপুনি মোৰ সেই এক্কে কথাষাৰত [illegible] দিব, কাৰণ মই উৎপাদন বঢ়োৱা কামতেই লাগিছোঁ।"—মই কলোঁ। তেওঁ-আচৰিত হৈ সুধিলে—"কেনেকৈ? আপুনি যদি নতুন কল বনুৱাবলৈ যত্ন কৰিছে, তেন্তে আপোনাৰ শলাগ লম।"

"মই ঠিক সেইদৰে কৰা নাই, কিন্তু মই যঁতৰ পুনৰুদ্ধাৰ কৰিবলৈ যত্ন কৰিছোঁ" মই বুজাই কলো।

তেওঁ আৰু আচৰিত হৈ কলে—"সেইটো কি?" মই যঁতৰৰ কথাষাৰ আৰু কেনেকৈ ইয়াক বিচাৰি মই হাবা-থুৰি খাবলগীয়া হৈছিল, সকলো বুজাই কলোঁ। শেষত কলোঁ মোৰো আপোনাৰ দৰেই মত। স্বদেশী কল বিলাকৰ এজেণ্ট হিচাপে কাম কৰাৰ একো প্ৰয়োজন নাই। ইয়াৰ পৰা দেশত ভাল হওক ছাৰি আৰু বেয়াহে হব। এতিয়া বহুত দিনলৈকে আমাৰ মিল বিলাক বেহাবেপাৰৰ অসুবিধাত নপৰিব। মোৰ কাম হব হাতে কটা সূতাৰে বোৱা কাপোৰ তৈয়াৰ কৰোৱা আৰু এই খাদী বজাৰত চলোৱা। মই খাদীৰ উৎপন্নত মন দিছোঁ আৰু এয়ে মোৰ স্বদেশী ব্ৰত। খাবলৈ নোপোৱা আৰু প্ৰয়োজনৰ জোখাই বন নোপোৱা ভাৰতবৰ্ষৰ কোটী

কোটী তিৰোতাক ইয়াৰে বন যোগাব পৰা হব। এই তিৰোতাবিলাকৰ হতুৱাই সূতা কটোৱা আৰু ভাৰতবৰ্ষৰ মানুহৰ বাবে কাপোৰ বোৱা---এয়ে মোৰ ভাৱ। মই কব নোৱাৰোঁ মোৰ এই আন্দোলন কিমান কৃতকাৰ্য্য হয়। এতিয়া এই আন্দোলনৰ নিচেই কেচুৱা অৱস্থা। কিন্তু মোৰ ইয়াৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। যিয়েই হওক, ইয়াৰ পৰা একো বেয়া নহয়। বৰঞ্চ সামান্য হলেও ইয়াৰে দেশৰ উৎপাদন বঢ়োৱাত সহায় কৰিব। আৰু এই খিনিয়েই লাভ। আপুনি এতিয়া বুজি পাইছে যে আপুনি উল্লেখ কৰা কুফল বিলাক মোৰ এই আন্দোলনত নাই।"

তেওঁ উত্তৰ দিলে--"অতিৰিক্ত উৎপাদনেই যদি আপোনাৰ এই আন্দোলনৰ উদ্দেশ্য হয়, তেন্তে মোৰ কব লগীয়া একো নাই। এতিয়া কল কাৰখানাৰ যুগত যঁতৰে কিমান বেছি আগবাঢ়িব পাৰিব, এই লৈয়েই মোৰ সন্দেহ। যিয়েই হওক, মই আপোনাৰ কৃতকাৰ্য্যতা কামনা কৰোঁ।।"

দ্বিচত্বাৰিংশ অধ্যায়

বাঢ়ি অহা ঢল

খাদীয়ে কেনেকৈ উন্নতিৰ বাটত খোজ ললে, এই বিলাকৰ বিবৰণ এতিয়া নিদিওঁ। মোৰ নানা তৰহৰ কাৰ্য্যাবলীৰ বুৰঞ্জী লিখাটো এইখন কিতাপৰ উদ্দেশ্য নহয়, মযো সেইবাবে এই বিলাক লিখিবলৈ নলওঁ। এই বিলাকৰ বাবে সুকীয়া কিতাপ লাগিব। এই অধ্যায় কেইটা লিখাৰ

উদ্দেশ্য হৈছে যে সত্যৰ পৰীক্ষা কৰোতে কেনেকৈ কিছুমান কথা আপোনা-আপুনি সমুখত পৰিছেহি তাকে জনোৱা।

এতিয়া অসহযোগ আন্দোলনৰ কথা বিলাকলৈ পুনৰ যাওঁ। আলি ভ্ৰাতৃ দুজনে চলোৱা শক্তিশালী খিলাফত আন্দোলনে দলদোপ হেন্দোলদোপ লগাবলৈ ধৰিছে, তেতিয়া ৺মৌলানা আবদুল বাৰী আৰু আন এজন উলেমাৰ লগত কথা হলোঁ—মোৰ আলোচনাৰ বিষয় আছিল মুছলমানে কিমান খিনিলৈকে অহিংসা পালন কৰিব পাৰে। শেহত তেওঁলোক সকলো এক মত হৈ জনালে যে নীতি হিছাপে অহিংসা পালন কৰাত একো বাধা নাই। তেওঁলোকে আৰু কলে যে প্ৰতিজ্ঞা কৰিলে তেওঁলোকে অহিংসা নীতি পালন কৰিব। অৱশেষত খিলাফত সন্মিলনত অসহযোগৰ প্ৰস্তাৱ বহুতো আলোচনাৰ পাছত গৃহীত হল। এলাহাবাদত বহা এই কমিটীৰ কথা মোৰ স্বল জ্বল পট পটকৈ মনত আছে ; এই প্ৰস্তাৱটো আলোচনা কৰোতে গোটেই ৰাতিটো লাগিল। প্ৰথমভাগত অহিংস অসহযোগ সম্পৰ্কে ৺হাকিমছাহাবেই সন্দিহান আছিল। কিন্তু তেওঁৰ সন্দেহ গুচিলত তেওঁ এই আন্দোলনত প্ৰাণমন সঁপি দিলে আৰু তেওঁৰ সহায় অমূল্য হল।

ইয়াৰ কিছুদিনৰ পাছতে গুজৰাট ৰাজনৈতিক সন্মিলন বহিল। ইয়াত ময়েই এই প্ৰস্তাৱ দাঙি ধৰিলো। প্ৰথমতে বিৰোধী সকলে এই বুলি যুক্তি দিলে যে কংগ্ৰেছৰ আগতেই প্ৰাদেশিক সন্মিলন এখনে এনে এটা প্ৰস্তাৱ লব নোৱাৰে। ইয়াৰ উত্তৰত মই কলোঁ যে যি আন্দোলনে আগলৈ নিনি পাছলৈকে নিয়ে, তেনে আন্দোলনত এই যুক্তি খাটিব পাৰে, পাছে যিটো আন্দোলনে আগলৈ নিয়ে, তেনে আন্দোলনত এনে যুক্তি নাখাটে। বৰঞ্চ বুকুত সাহ আৰু কঁকালত বল থাকিলে প্ৰত্যেকতলতীয়া অনুষ্ঠান এনেদৰে চলিবলৈ যত্ন কৰা উচিত। নিজক বিপদত পেলাই যদি কোনো

ভাল অনুষ্ঠানে এইদৰে আগবাঢিবলৈ সাহ কৰে, তেন্তে ইযাৰ বাবে গুৰিৰ অনুষ্ঠানৰ মৰ্য্যাদা বঢাবলৈ অনুমতি বিচৰাৰো প্ৰয়োজন নাই, এইদৰে মই যুক্তি দেখুৱালোঁ। ইযাৰ পাছত অসহযোগ প্ৰস্তাৱটো সম্পৰ্কে আলোচনা হল। এই আলোচনাত তিক্ততাৰ বতৰ সৃষ্টি নহৈ ভালভাবেই চলোৱা হৈছিল। সকলোৱে নানান্ যুক্তি দেখুৱাই আলোচনা কৰিছিল। ভোট লোৱাত সৰহ ভাগ এই প্ৰস্তাৱৰ সপক্ষে ভোট দিলে। এই প্ৰস্তাৱ গ্ৰহণত কৃতকাৰ্য্যতাৰ গুৰিত বল্লভভাই আৰু আব্বাছ তায়াবজীৰ ব্যক্তিত্ব। আব্বাছ তাযাবজী সভাপতি আছিল আৰু তেও অসহযোগৰ সমৰ্থক আছিল।

এই সম্পৰ্কে আলোচনা কৰিবলৈ ১৯২০ সনৰ ছেপ্টেম্বৰ মাহত নিখিলভাৰতৰ কংগ্ৰেছ কমিটীয়ে কংগ্ৰেছৰ বিশেষ অধিবেশন পাতিবলৈ দিহা কৰিলে। ইযাৰ বাবে কলিকতাত বিপুলভাৱে আযোজন চলিবলৈ ধৰিলে। লালা লাজপত ৰায়ক সভাপতি বছা হল। কংগ্ৰেছ আৰু খিলাফতৰ প্ৰতিনিধি সকলক নিবলৈ স্বকীয়া ট্ৰেইন চলোৱা হল। দৰ্শক আৰু প্ৰতিনিধিৰে কলিকতা ভৰি পৰিল।

মৌলানা শ্বৌকত আলিৰ অনুৰোধত ট্ৰেইনতেই মই অসহযোগৰ প্ৰস্তাৱটোৰ আঁচনি কৰিলোঁ। এতিয়ালৈকে মোৰ আঁচনি বিলাকত অহিংস শব্দটো পাৰ্য্যমানে এৰিছিলোঁ। মই বক্তৃতাতহে এই শব্দটোৰ ব্যৱহাৰ কৰিছিলোঁ। এই বিষযটো বুজাবলৈ মোৰ শব্দাৱলী এতিয়াও তৈয়াৰী হোৱা নাই। অহিংস এই সংস্কৃত শব্দটোৰে মুছলমান শ্ৰোতা সকলক অসহযোগৰ সম্পূৰ্ণ তাৎপৰ্য্য বুজাব পৰা নাছিলোঁ। সেইবাবে এই শব্দটোৰ প্ৰতিশব্দ দিবলৈ মৌলানা আবুল কালাম আজাদক কলোঁ। বা' আমান' বোলা শব্দটো তেওঁ কলে।' সেইদৰে অসহযোগ শব্দটোৰ বাবে 'তাৰ্ক-ই-মাৱলাত' বোলা শব্দটো কলে।

অসহযোগৰ তাৎপৰ্য্য ভালকৈ বুজাবলৈ হিন্দী উৰ্দ্দু আৰু গুজৰাটী শুদ্ধ শব্দাৱলীৰ দিহা কৰি আছোঁ, এনেতে এই কংগ্ৰেছৰ বিশেষ গুৰুত্ব পূৰ্ণ অধিবেশনৰ বাবে অসহযোগ প্ৰস্তাৱটো আঁচি দিবলৈ মোক কোৱা হল। মূল আঁচনিত অহিংসা শব্দটো বাদ পৰিছিল। ট্ৰেইনত মই শ্বৌকত আলিৰ লগত একেখন গাৰীত আহিছিলোঁ আৰু এই শব্দটো বাদ পৰা লক্ষ্য নকৰাকৈ তেওক দিলোঁ। মোৰ এই ভুলটো ধাতি ধৰা পৰিল। পুৱাতে মহাদেবক জনালোঁ যে ভুলটো শুধৰাইহে ছপাবলৈ দিয়া হয়। কিন্তু মোৰ মনত পৰিছে যে এই শুধৰনি দিবৰ আগলৈকে ছপা হৈ ওলাল। সেইদিনা গোধূলি বিষয় বাছনি সভা বহিবৰ কথা আছিল। সেইবাবে ছপোৱা প্ৰস্তাৱটোৰ শুধৰনি ছপাব লগীয়া হল। পাছত মই দেখিলোঁ যে মোৰ আঁচনি তৈয়াৰ নথকা হলে বহুতো অসুবিধা হল হেতেন।

এই আঁচনি তৈয়াৰী থকা স্বত্বেও মোৰ অৱস্থাৰ বিশেষ উন্নতি হোৱা নাছিল। কোনে মোক সমৰ্থন কৰিব আৰু কোনে বিৰোধিতা কৰিব, একো বুজিব নোৱাৰি অথাই সাগৰত পৰাদি পৰিলোঁ। এইবাবে মোৰ অৱস্থা অতি শোচনীয় হোৱা দি হৈছিল। লালাজীয়ে নো কি ভাৱে লব, তাকো বুজিব পৰা নাছিলো। মই দেখিলোঁ কলিকতাৰ এই কংগ্ৰেছৰ বক্তৃতা-মঞ্চ যেন যুদ্ধক্ষেত্ৰত পৰিণত হৈছে আৰু কংগ্ৰেছৰ পুৰনি পাৰদৰ্শী যুজাৰু সকলে এখন অভেদ্য বেৰু পাতি মোৰ সমুখত থিয় দিছে। ইয়াত আছিল ডাক্তাৰ বেছান্ত, পণ্ডিত মালবীয়জী, শ্ৰী বিজয়ৰাঘব আচাৰীয়, পণ্ডিত মতিলাল, দেশবন্ধু প্ৰভৃতি।

মোৰ আচনিত পঞ্জাবৰ অত্যাচাৰ আৰু খিলাফতৰ অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ অসহযোগ প্ৰস্তাৱৰ অৱতাৰণা কৰা হৈছিল। শ্ৰী বিজয় ৰাঘৱ আচাৰীৰ মনত এই কথাষাৰ লগা নাছিল। "অসহযোগ কৰিব

ল্যাগিলে দুটা বিশেষ অন্যায়ৰ বাবে কিয় কৰা হব, দেশৰ মানুহে ইমান দিন স্বৰাজৰ বাবে যুজি আহিছে, স্বৰাজ আজিলৈকে পোৱা নাই ; স্বৰাজ নোপোৱাটোই এটা ডাঙৰ অন্যায়। ইয়াৰ বাবহে অসহযোগ কৰিবলৈ লাগে'' পণ্ডিত মতিলাজীযেও স্বৰাজৰ দাবী এই প্ৰস্তাৱৰ ভিতৰত সুমুৱাটো বিচাৰিলে। এই ঈঙ্গিত মই ততালিকে ললোঁ আৰু প্ৰস্তাৱৰ ভিতৰত স্বৰাজৰ দাবীও সুমুৱা হল। যি হওক, তুমুল তৰ্ক বিতৰ্কৰ পাছত এই প্ৰস্তাৱটো গৃহীত হল।

এই আন্দোলনত যোগ দিয়াৰ ভিতৰত পণ্ডিত মতিলালেই প্ৰথম আছিল। এই প্ৰস্তাৱটো সম্পৰ্কে যিটো মধুৰ আলোচনা তেওঁৰ লগত হৈছিল, সেই কথা এতিয়াও মোৰ মনত আছে। মোৰ আচনিৰ বাক্য বিন্যাসৰ অলপ সাল-সলনি তেওঁ কৰিলে। দেশবন্ধুক এই আন্দোলনৰ সপক্ষে আনিবলৈ তেওঁ গাত ললে। দেশবন্ধুৰ অন্তৰ এই আন্দোলনৰ সপক্ষে আছিল, কিন্তু দেশবাসীয়ে এই 'প্ৰগ্ৰেম' মতে কাম কৰাত তেওঁৰ সন্দেহ আছিল। নাগপুৰতহে লালাজী আৰু তেওঁ সৰ্বান্তকৰণেৰে এই প্ৰস্তাৱ ললে।

এই বিশেষ অধিবেশনত ৺লোকমান্যৰ অভাৱ মই বৰকৈ অনুভৱ কৰিলোঁ। মোৰ আজিও এইটো দৃঢ়বিশ্বাস যে লোকমান্য থকা হলে তেওঁ নিশ্চয় মোক আশীৰ্ব্বাদ দিলে হেতেন। ইয়াৰ অন্যথা হলেও আৰু তেওঁ বিৰোধিতা কৰিলেও তেওঁৰ বিপক্ষে আন্দোলন চলাবৰ সৌভাগ্যৰ বাহিৰেও মই যথেষ্ট শিক্ষা পালোঁ হেতেন। তেওঁৰ লগত মোৰ মতৰ পাৰ্থক্য সদায় আছিল, কিন্তু ইয়াৰ বাবে তিক্ততাৰ ভাৱ হোৱা নাছিল। মতৰ পাৰ্থক্য থকা স্বত্বেও আমাৰ ভিতৰত ঘনিষ্ঠ সম্পৰ্কৰ বান্ধোন আছিল বুলি মোৰ বিশ্বাস। এই কেইশাৰী লিখোতে তেওঁৰ মৃত্যুৰ সময়ৰ ঘটনাৱলী মোৰ স্পষ্টকৈ মনলৈ আহিছেঁ। সকলোকথা মোৰ চকুৰ সমুখত

এতিয়া ভাহি উঠিছে। তেতিয়া দুপৰ ৰাতি। সেই সময়ত পটবৰ্দ্ধনে মোৰ লগত কাম কৰিছিল; তেওঁ টেলিফোনৰে মোক মৃত্যুৰ বাতৰি দিলে। সেই সময়ত মোৰ চাৰিও ফালে সহকৰ্ম্মী সকল আছিল। মোৰ মুখৰ পৰা হঠাতে আপোনা-আপুনি এইখিনি কথা ওলাল—"মোৰ সুদৃঢ় দুৰ্গ আজি নষ্ট হল।' অসহযোগ আন্দোলন তেতিয়া পুৰাজোৰত চলিব ধৰিছে; তেওঁৰ পৰা প্ৰেৰণা আৰু উৎসাহ পাম বুলি মই আশা পালি আছিলোঁ। অসহযোগৰ শেষ অধ্যায়ত তেওঁৰ মনোভাব কি হল হেতেন মই নাজানোঁ; এইটো সদায় এটা কল্পনাৰ বিষয় হৈ থাকিব। আৰু এতিয়া সেই সম্পৰ্কে কল্পনা কৰিবৰ একো প্ৰয়োজন নাই। কিন্তু এইটো ঠিক যে তেওঁৰ মৃত্যুত কলিকতাত সকলোৰে মনত এটা ডাঙৰ বোজা হোৱা দি হৈছিল। দেশৰ এটা ডাঙৰ সঙ্কটৰ সময়ত তেওঁৰ পৰামৰ্শৰ পৰা বঞ্চিত হোৱাটো প্ৰত্যেকেই অনুভৱ কৰিছিল।

ত্ৰিচত্বাৰিংশ অধ্যায়

নাগপুৰত

কলিকতাত বহা বিশেষ অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱ বিলাক নাগপুৰৰ বছেৰেকীয়া অধিবেশনত অনুমোদন কৰাব লাগিব। কলিকতাৰ দৰে ইয়াতো দৰ্শক আৰু প্ৰতিনিধি ভৰি পৰিল। এতিয়ালৈকে প্ৰতিনিধিৰ সংখ্যাত সীমা বান্ধি দিয়া হোৱা নাছিল। ইয়াৰ ফলত মোৰ যিমান খিনি মনত পৰে ১৪ হেজাৰৰ ওপৰ প্ৰতিনিধি আহি যোগ দিলে। লালাজীয়ে স্কুল বৰ্জন কৰা সম্পৰ্কে এটা সংশোধন দিবলৈ টানি ধৰিলে। এনেকৈ দেশবন্ধুৱেও কিছুমান সংশোধন আনিলে; ইয়াৰ পাছত সৰ্ব্ব সম্মতিক্ৰমে এই প্ৰস্তাৱ গৃহীত হল।

কংগ্ৰেছৰ নিয়ম-তন্ত্ৰৰ সংশোধন প্ৰস্তাৱ ইয়াতেই আলোচনা কৰাৰ কথা আছিল। ছব কমিটীয়ে কলিকতাৰ বিশেষ অধিবেশনত এটা আঁচনি দাখিল কৰিছিল। সেইবাবে সকলোৱে এই সম্পৰ্কে পূৰাকৈ মতামত প্ৰকাশ কৰি আলোচনা কৰিলে। নাগপুৰত এই বিষয়টোৰ শেষ মীমাংসা হব লগীয়া আছিল। এই অধিবেশনৰ সভাপতি আছিল শ্ৰীবিজয় ৰাঘব আচাৰী। বিষয় বাছনি সভাই এটা সংশোধন কৰি আঁচনি গ্ৰহণ কৰিলে। মোৰ আঁচনিত প্ৰতিনিধিৰ সংখ্যা বান্ধি দিয়া হৈছিল। মোৰ মনত পৰে দেৰহেজাৰ বান্ধি দিয়া হৈছিল, কিন্তু বিষয় বাছনি সভাই সলাই ৬ হেজাৰ কৰিলে। মোৰ মনেৰে এইদৰে সংখ্যাটো বঢ়াই দিয়া সমীচিন হোৱা নাছিল; আৰু এই কেইবছৰৰ অভীজ্ঞতাত মোৰ এই ধাৰণা বেছিকৈ হৈছে। প্ৰতিনিধিৰ সংখ্যা বঢ়াই দিলেই যে সকলো কাম ভালমতে চলাব পৰা হব, নাইবা গণতন্ত্ৰৰ নীতি হব বুলি ভবাটো মোৰ মতে ভ্ৰান্ত ধাৰণা। ৰাইজৰ স্বাৰ্থ ৰক্ষা কৰাত চেষ্টাবান্, উদাৰমনৰ, আৰু সত্যাপৰায়ন দেৰহেজাৰ প্ৰতিনিধিয়েই জধেমধে বাছি পঠোৱা ৬ হেজাৰ প্ৰতিনিধিতকৈ ভালকৈ গণতন্ত্ৰ ৰক্ষা কৰিব পাৰিব বুলি মই ভাবোঁ। গণতন্ত্ৰ ৰক্ষা কৰিবলৈ ৰাইজৰ স্বাধীন মনোভাৱ, আত্মসন্মান-বোধ, আৰু একতাৰ ভাৱ থাকিব লাগিব। কেৱলমাত্ৰ সজ আৰু সত্য পৰায়ন লোকক প্ৰতিনিধি হিছাপে বাছিব লাগিব। কিন্তু বিষয় বাছনি সভাই সংখ্যাধিক্যৰ ওপৰত বেছিকৈ মন দিছিল। তেওঁলোকে ৬ হেজাৰৰ ওপৰতো উঠিবলৈ যত্ন কৰিছিল। শেহত ৬ হেজাৰ সংখ্যাটোত আপোচ কৰাদি কৰিলে।

এতিয়া কংগ্ৰেছৰ লক্ষ্য কি হব, এই লৈয়েই বৰকৈ আলোচনা হল। মই যি নিয়ম-তন্ত্ৰৰ আঁচিনি দিছিলোঁ, তাত সম্ভৱ হলে ব্ৰিটিশ সাম্ৰাজ্যৰ ভিতৰত, নহলে ব্ৰিটিশ সাম্ৰাজ্যৰ বাহিৰ হৈও স্বৰাজ প্ৰতিষ্ঠা

কৰাই কংগ্ৰেছৰ লক্ষ্য বুলি উল্লেখ কৰা হৈছিল। কংগ্ৰেছৰ ভিতৰত কিছুমানে কেৱলমাত্ৰ ব্ৰিটিশ সাম্ৰাজ্যৰ অন্তঃৰ্ভুক্ত থাকি স্বৰাজলাভ কৰাই লক্ষ্য বুলি ঘোষণা কৰাটো বিচাৰিলে। এইমতৰ সমৰ্থক আছিল পণ্ডিত মদনমোহন মালবীয আৰু মিঃ জিন্না। কিন্তু তেওঁলোকে সৰহ ভাগৰ সমৰ্থন পোৱা নাছিল। ইয়াৰ বাহিৰেও মোৰ আঁচনিত আমি ন্যায়-সঙ্গত আৰু শান্তিপূৰ্ণ উপায়েৰে স্বৰাজ লাভ কৰাই উদ্দেশ্য বুলি লিখা হৈছিল। এই কথাষাৰতো বিৰোধিতা হল ; উপায সম্পৰ্কে নিয়ম আৰু চৰ্ত্ত বান্ধি দিয়াটোও পছন্দ নকৰিলে। কিন্তু খোলাখুলিকৈ ভালদৰে আলোচনা হোৱাৰ ফলত মোৰ আঁচনিয়েই গৃহীত হল। সজভাৱে সৰলমনেৰে, উৎসাহ আৰু বুদ্ধিমত্তাৰে সৈতে আমি কাম কৰিলে এই নিয়মতন্ত্ৰ লোকশিক্ষাৰ এটা মূল্যবান যন্ত্ৰ হলহেতেন, আৰু এইদৰে কাম কৰাৰ ফলত আপোনা-আপুনি স্বৰাজ লাভ হলহেতেন। কিন্তু এতিয়া এই সম্পৰ্কে আলোচনা অপ্ৰাসঙ্গিক হব।

হিন্দু মুছলমানৰ একতা, অস্পৃশ্যতা গুচোৱা, আৰু খাদী সম্পৰ্কে প্ৰস্তাৱ গৃহীত হল। আৰু তেতিয়াৰে পৰা হিন্দুসকলে অস্পৃশ্যতাৰ অভিশাপ গুচাবলৈ দায়িত্ব ললে আৰু ভাৰতৰ কোটি কোটি নৰকঙ্কাল সদৃশ নৰনাৰীৰ লগত কংগ্ৰেছে খাদীৰে সম্পৰ্ক পাতিলে। খিলাফতৰ বাবে অসহযোগ কৰিবলৈ প্ৰস্তাৱ লোৱাটোৱে হিন্দু মুছলমানৰ একতা স্থাপনৰ বাবে কংগ্ৰেছৰ এটা কাৰ্য্যকৰী চেষ্টা হল।

মেলানি

এতিয়া এইবিলাক অধ্যায় শেষ কৰিবৰ সময় আহিছে।

ইয়াৰ পাছৰে পৰা মোৰ জীৱন ইমান ৰাজহুৱা হল যে ৰাইজে মোৰ সম্পৰ্কে একো নজনা নহয়। ইয়াৰ উপৰিও ১৯২১ সনৰ পাছৰ

পৰা মই কংগ্ৰেছৰ নেতাসকলৰ লগত লগ লাগি ইমান ঘনিষ্ট ভাৱে কাম কৰিছোঁ যে এই সময়ৰ মোৰ জীৱনৰ ঘটনাৱলীত তেওঁলোকক উল্লেখ নকৰাকৈ নোৱাৰিম। যদিও আজি শ্ৰদ্ধানন্দজী, দেশবন্ধু, হাকিম ছাহেব আৰু লালাজী আমাৰ মাজত কেও নাই, তথাপিও আমাৰ এই ফেৰা সৌভাগ্য যে আজিও বহুতো অভীজ্ঞ পুৰনি নেতা আমাৰ লগত লগ হৈ কাম কৰি আছে। ইয়াৰ আগতে মই যিবোৰ ডাঙৰ পৰিবৰ্ত্তনৰ উল্লেখ কৰিছোঁ, সেইবিলাকৰ মাজেদিয়েই কংগ্ৰেছৰ বুৰঞ্জী ৰচনা হব ধৰিছে। সেইবাবে কংগ্ৰেছৰ নেতা সকলৰ উল্লেখ নকৰাকৈ মোৰ পৰীক্ষা সম্পৰ্কে একো আলোচনা কৰিব নোৱাৰেঁ।। বৰ্ত্তমান এইবিলাক আলোচনা কৰা মই উচিত বুলি নাভাবোঁ। আৰু এটা কথা মোৰ সত্যৰ পৰীক্ষা শেষ হোৱা নাই, মই কোনো এটা সিদ্ধান্তত উপনীত হোৱা নাই। এইবিলাক গুণি গাঁথি মোৰ কাপ স্বভাৱতে নচলা হৈছে।

এতিয়া পাঠক সকলৰ পৰা মেলানি মাগিব লগীয়া হওতে মই কম বেজাৰ পাব লগীয়া হোৱা নাই। মই মোৰ পৰীক্ষা বিলাকৰ ওপৰত বৰ মূল্য দিওঁ। এই বিলাকৰ আলোচনা কৰোতে মই ঠিক মতে কৰিব পাৰিছোঁ নে নাই কব নোৱাৰেঁ।। সকলো কথাৰ বিবৰণ দিওতে মই চেষ্টাৰ ক্ৰটী কৰা নাই, ইয়াকে কব পাৰেঁ।। সত্যৰ বৰ্ণনা কৰা, মই কেনেকৈ এই সত্য পাইছোঁ, সকলো কথাৰ সাধ্যমতে বৰ্ণনা দিয়ালৈকে মই চেষ্টা কৰি আহিছোঁ। এইবাবে মই যি পৰিশ্ৰম কৰিব লগা হৈছে, সেই পৰিশ্ৰমে মোৰ মনত শান্তি আনিছে। সত্য আৰু অহিংসা সম্পৰ্কে এতিয়াও যাৰ মনত অলপো সন্দেহ আছে; তেওঁলোকৰ মনত সত্য আৰু অহিংসালৈ আস্থাৰ ভাব আনিছে, বুলি মনত এটা আশা ৰাখি মই ইয়াৰ বৰ্ণনা দি আহিছোঁ।

মই একাদিক্ৰমে যি অভীজ্ঞতা লাভ কৰিছোঁ, তাৰ পৰা মোৰ এয়েই স্থিৰ বিশ্বাস হৈছে যে সত্যৰ বাহিৰে অন্য ভগবান নাই। সত্যক উপলব্ধি

কৰিবলৈ অহিংসাই একমাত্ৰ উপায। এই কথাষাৰ যদি এই অধ্যায বিলাকৰ প্ৰতিখন পাতে পাঠক সকলৰ সমুখত ঘোষণা কৰিব পৰা নাই , তেন্তে মই বুজিম যে এই বিলাক লিখাৰ পৰিশ্ৰম অথলে গৈছে। মোৰ পৰিশ্ৰম অথলে গলেও পাঠক সকলে যেন নাভাবে মই কোৱা কথাষাৰত ভুল আছে; মোৰ গাত দোষ থকাবাবেই এইখিনি কথা ভালকৈ বুজাই লিখিব পৰা নাই ইয়াৰ বাবে মযেই জগৰীয়া। মই যিমানেই সৰলমনেৰে অহিংসাৰ সাধনা নকৰো, সেই সাধনা যথেষ্ট হোৱা নাই। মাজে সময়ে অলপ পৰলৈ হলেও ভুযুকিত সত্যক যিদৰে দেখা পাইছোঁ, তাৰ পৰা ইয়াৰ অবৰ্ণনীয সৌন্দৰ্য্য বুজি পাইছোঁ। আমি দিনৌ দকৰে যি সূৰ্য্য দেখি আছোঁ, সত্য সেই সূৰ্য্যতকৈও লক্ষ গুণে উজ্বল। বাস্তবিকতে কবলৈ হলে, সেই অবৰ্ণনীয উজ্বল ৰশ্মিৰ এটা কণাহে মই দেখা পাইছোঁ। মোৰ পৰীক্ষাৰ ফলত মই এইখিনি আশ্বাস দি কব পাৰো, যে অহিংসাৰ সম্পূৰ্ণ উপলব্ধি হলেহে আমি সত্যৰ পূৰ্ণ দৰ্শন পাব পাৰোঁ।।

এই বিশ্বব্যাপী সৰ্ব্বত্ৰ বিৰাজমান সত্যক উপলব্ধি কৰিবলৈ হলে এই সৃষ্টিৰ সকলো জীৱলৈকে এটা প্ৰেমৰ ভাৱ পাব লাগিব। যি এনে এটা আকাংখা কৰে, তেওঁ জীৱনৰ কোনো এটা কাৰ্য্যক্ষেত্ৰৰ পৰা আঁতৰি থাকিব নোৱাৰে। সত্যলৈ মোৰ ভক্তি থকাবাবে মই ৰাজনীতিৰ ক্ষেত্ৰলৈ আকৃষ্ট হৈছোঁ। অলপো দ্বিধা নকৰাকৈ আৰু অতি বিনযেৰে ইযাকে কব পাৰোঁ, যে যি সকলে ধৰ্ম্মৰ লগত ৰাজনীতিৰ একো সম্পৰ্ক নাই বুলি কয, তেওঁলোকে ধৰ্ম্ম কি বুজি পোৱা নাই।

নিজক শুদ্ধ নকৰাকৈ সকলো জীৱৰ লগত নিজক একেটা বুলি ভবাটো অসম্ভৱ। আত্মশুদ্ধি নহলে অহিংসাৰ নিয়ম পালন কৰিবলৈ যোৱাটো এটা অলীক সপোন। যাৰ অন্তৰখন শুদ্ধ হোৱা নাই, তেওঁ কেতিয়াও ভগবানক উপলব্ধি কৰিব নোৱাৰে। জীৱনৰ সকলো ক্ষেত্ৰতে

আত্মশুদ্ধিৰ বাবে যত্ন কৰিব লাগিব। শুদ্ধি কথাগাৰ সংক্ৰামক, নিজৰ আত্মশুদ্ধি হলে চাৰিওফালে আপোনা-আপুনি শুদ্ধ হব।

কিন্তু আত্মশুদ্ধিৰ বাট বৰ কঠিন। সম্পূৰ্ণ শুদ্ধতা পাবলৈ হলে কায়মনোবাক্যে অহিংসা হব লাগিব। এফালে প্ৰেম, আনফালে হিংসা, এফালে অনাসক্তি, আনফালে আসক্তি, এই বিলাক পৰস্পৰ-বিৰোধী শক্তিৰ মাজত নিজক কায়মনোবাক্যে অহিংস ৰাখি চলিব লাগিব। মই জীৱনৰ প্ৰতি মূহুৰ্ত্ততে ইয়াৰ বাবে সাধনা কৰা স্বত্বেও মই জানো এই তিনিটা বিষয়ত মই সম্পূৰ্ণতে শুদ্ধতা পোৱা নাই। এই বাবে মই পৃথিৱীৰ সকলো মানুহৰ প্ৰশংসাতো বিচলিত নহওঁ, বৰঞ্চ এইবিলাকে বেজিযে বিন্ধাদি মোৰ অন্তৰত বিন্ধে। অস্ত্ৰ-শস্ত্ৰেৰে পৃথিৱীখন জয় কৰাতকৈ নিজৰ ভিতৰত থকা ইন্দ্ৰিযক জয় কৰা শতগুণে টান। ভাৰতবৰ্ষলৈ উভটি অহাৰ পাছত মোৰ অন্তৰৰ ইন্দ্ৰিয বিলাকৰ সুপ্ত শক্তিৰ সম্পৰ্কে মোৰ যথেষ্ট অভীজ্ঞতা হৈ আছে। এইবিলাকৰ শক্তি সম্পৰ্কে মোৰ জ্ঞান থকা বাবে মোৰ অহঙ্কাৰ চূৰ্ণ হলেও মই পৰাস্ত হোৱা নাই। এই বিলাক অভিজ্ঞতা আৰু সত্যৰ পৰীক্ষাৰ বাবে মই অন্তৰত প্ৰেৰণা পাইছোঁ—আৰু এযেই আনন্দ দি জীযাই ৰাখিছে। এতিয়াও বহুখিনি দুৰ্গম বাটেদি যাব লাগিব।

মই নিজৰ নিজত্ব নোহোৱা কৰি ভগবানত লীন হব লাগিব। যেতিযালৈকে মানুহে নিজৰ স্বইচ্ছাত সকলো জীৱৰ শেহত নিজক নেপেলায়, তেতিয়ালৈকে মানুহৰ মুক্তি নাই। বিনযৰ চৰম হৈছে অহিংসা।

পাঠকৰ ওচৰৰ পৰা বৰ্ত্তমানলৈ বিদায় লব লগীয়া হওতে কায় মন আৰু বাক্যত যেন মই অহিংসা পাব পাৰোঁ, ভগবানৰ চৰণত মোৰ এয়ে প্ৰাথনা ; এই প্ৰাৰ্থনাত যেন তেওঁ মোৰ লগত যোগ দিয়ে।

—অন্ত—